Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

गुरुकुल कांगड़ी विश्वविद्यालय
कृपया पुस्तक के ऊपर कोई निशान आदि
न लगायें।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

पुस्तकालय

गुरुकुल कांगड़ी विश्वविद्यालय, हरिद्वार

AS
९५क
६:२

वर्ग संख्या........ आगत संख्या 72279

पुस्तक-विवरण की तिथि नीचे अंकित है। इस तिथि सहित ३०वें दिन तक यह पुस्तक पुस्तकालय में वापिस आ जानी चाहिए अन्यथा ५० पैसे प्रति दिन के हिसाब से विलम्ब दण्ड लगेगा।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

722279

সত্যাৰ্থ প্ৰকাশঃ

অসমীয়া অনুবাদ

বেদাদিবিবিধসচ্ছাস্ত্ৰপ্ৰমাণসমন্বিতঃ
শ্ৰীমৎপৰমহংসপৰিব্ৰাজকাচাৰ্য্য
শ্ৰীমদ্দয়ানন্দসৰস্বতীস্বামিবিৰচিতঃ

আৰ্য্য-সমাজৰ শতবৰ্ষ পূৰ্তি উপলক্ষে

প্ৰথম অসমীয়া সংস্কৰণ
ইং ১৯৭৫ চন
দয়ানন্দাব্দ—১৫১
সৃষ্টি তথা বেদাব্দ ১৯৭২৯৪৯০৭৬

অনুবাদক ঃ
শ্ৰীপদ্মেশ্বৰ কাকতি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰকাশক :—
আৰ্য্যসমাজ, গুৱাহাটী—১

पुस्तकालय
गुरुकुल कांगड़ी विश्वविद्यालय

সম্পাদক :—
শ্ৰীঅমৰেন্দ্ৰ নাথ গোস্বামী শাস্ত্ৰী, এম, এ,

মূল্য: ১১·০০ টকা

কৃতজ্ঞতা স্বীকাৰ

ঋষি দয়ানন্দৰ এইসকল ভক্তই এই সংস্কৰণ প্ৰকাশ কৰাত আৰ্থিক সহযোগ আগবঢ়াইছে :

১) ডাক্তৰ নাৰায়ণ দাস, গুৱাহাটী-১
২) সাৰ্ব্বদেশিক আৰ্য্যপ্ৰতিনিধি সভা, দিল্লী
৩) ওম প্ৰকাশ আনন্দ, গুৱাহাটী
৪) বাগাড়িয়া ট্ৰাষ্ট, গুৱাহাটী
৫) শ্ৰীলক্ষ্মীনাৰায়ণ দুৰ্গাদেৱী, গুৱাহাটী
৬) শ্ৰীমহীন্দ্ৰ কুমাৰ সিংগল, গুৱাহাটী

আলোক মুদ্ৰণালয়, পুৰ্ব্বজ্যোতি প্ৰেছ আৰু শ্ৰীমন্ত প্ৰেছত ছপা কৰা হৈছে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰকাশকৰ দুআষাৰ

ওঁ

হে প্ৰাণ দাতা! দুঃখ বিনাশক! সুখস্বৰূপ পৰমাত্মন্! তুমি সকলো জগতৰ উৎপাদক, সৰ্ব্বশ্ৰেষ্ঠ পাপনাশক আৰু দিব্য গুণৰ ভাণ্ডাৰ। আমি তোমাৰেই ধ্যান কৰো। তুমি আমাৰ বুদ্ধিক সৎপথলৈ প্ৰেৰিত কৰা।

আৰ্য্য জগতৰ মহৰ্ষি দয়ানন্দ সৰস্বতীৰ অমৰ গ্ৰন্থ সত্যাৰ্থ-প্ৰকাশ অসমীয়া ভাষাত প্ৰকাশ কৰিবলৈ কেবাৰছৰৰ পৰা প্ৰয়োজনীয়তা অনুভৱ কৰি অহা হৈছিল, কাৰণ প্ৰান্তীয় ভাষাত সাহিত্যৰ অভাৱ হেতুকে ভাৰত-মাতৃৰ উত্তৰ পূৱ ভাগত প্ৰচাৰ কাৰ্য্যৰ গতি মন্থৰ হৈ আছিল। আৰ্য্য জগতৰ প্ৰসিদ্ধ যোগী সন্ন্যাসী মহাত্মা আনন্দ স্বামী সৰস্বতীয়ে যেতিয়া ১৯৭২ চনত যোগ শিবিৰৰ বাবে ইয়ালৈ আহিছিল, তেতিয়া সেই পৱিত্ৰ কাৰ্য্যৰ উদ্দেশ্যে, গুৱাহাটী আৰ্য্য সমাজৰ কাৰ্য্য পালিকাই বৈদিক প্ৰচাৰ সমিতিৰ অধ্যক্ষৰূপে মনোনীত কৰি এই কামৰ ভাৰ মোক সৰ্ব্বসম্মতিক্ৰমে সপি দিয়ে। সেই সময়ত পূজ্যপাদ মহাত্মা আনন্দ স্বামীৰ পৰা আশীৰ্ব্বাদ লৈ আমি প্ৰকাশনৰ শুভকাৰ্য্যৰ বাবে সঙ্কল্প লৈছিলো। পৰমপিতা পৰমাত্মালৈ প্ৰণতি জনাই কব পৰা হলোঁ যে তেৰাৰ অপাৰ কৃপাতেই আজি এই মহান কাৰ্য্য সম্পূৰ্ণ কৰিব পৰা হ'ল।

এই মহান গ্ৰন্থৰ অনুবাদক শ্ৰীপদ্মেশ্বৰ কাকতি দেৱলৈ এই ছেগতে মই কৃতজ্ঞতাপূৰ্ণ আন্তৰিক ধন্যবাদ জনালোঁ। তদুপৰি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সত্যাৰ্থ প্ৰকাশ প্ৰকাশন সমিতিৰ আন সদস্যসকলৰ লগতে শ্ৰীতীৰ্থনাথ শৰ্ম্মা, ডাঃ হীৰালাল তেৰাৰী, শ্ৰীনৰনাৰায়ণ গোস্বামী, আৰু শ্ৰীদেবেন্দ্ৰ নাথ কলিতা আৰ্য্য দেৱলৈও, তেখেতসকলে সময়ে সময়ে নিজৰ নিজৰ বিচাৰ বুদ্ধি প্ৰকট কৰি আন আন প্ৰকাৰে মোক অনুগৃহীত কৰা বাবে বিশেষভাৱে ধন্যবাদ জনালো। এই মহান্ গ্ৰন্থৰ দুৰূহ সম্পাদনা কাৰ্য্যৰ দায়িত্ব লোৱা বাবে বেদজ্ঞ পণ্ডিত শ্ৰীঅমৰেন্দ্ৰ নাথ গোস্বামী শাস্ত্ৰী, এম. এ. দেৱলৈও কৃতজ্ঞতা জনালোঁ।

কেবা বছৰ ধৰি মনত বাজি থকা অভাৱ 'সত্যাৰ্থ প্ৰকাশৰ" অসমীয়া অনুবাদ কৰি অসমীয়া ৰাইজৰ হাতত অৰ্পণ কৰিবলৈ পাই মই অপাৰ আনন্দ পাইছো আৰু লগতে মই আশা কৰিছো, এই অঞ্চলৰ বন্ধুবৰ্গই এই গ্ৰন্থখন পঢ়ি, বিচাৰ-বিবেচনা কৰি বৈদিক ধৰ্ম্মৰ সাৰবত্তা বুজিব পাৰিব আৰু নিঃশঙ্কচিত্তে তাক গ্ৰহণ কৰি উপকৃত হব।

সদৌ শেষত, অতি কম সময়ৰ ভিতৰত গ্ৰন্থখন ছপা কৰি উলিয়াব লগা হোৱা বাবে তিনিটা প্ৰেছৰ সহায় লব লগা হৈছিল। ইয়াৰ ফলত ভুল-ভ্ৰান্তি বৈ যোৱাটো স্বাভাৱিক। এই বাবে ৰাইজৰ ওচৰত আমি ক্ষমা ভিক্ষা কৰিলোঁ। আৰু ভুল ত্ৰুটিবোৰ আঙুলিয়াই দি ভৱিষ্যত সংস্কৰণত শুধৰাবলৈ যেন তেওঁবিলাকে সহায় কৰে। ইতি—

ৰাইজৰ আশিস প্ৰাৰ্থি,
ডাঃ নাৰায়ণ দাস
সচিব, আৰ্য্য-সমাজ মন্দিৰ, গুৱাহাটী।

২ ৰা নৱেম্বৰ, ১৯৭৫
গুৱাহাটী-১

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সাৰ্ব্বদেশিক আৰ্য্যপ্ৰতিনিধি সভাৰ পক্ষৰ পৰা

2279

আৰ্য্য সমাজৰ প্ৰতিষ্ঠাতা মহৰ্ষি দয়ানন্দ সৰস্বতীৰ মহান্ গ্ৰন্থ সত্যাৰ্থপ্ৰকাশৰ অসমীয়া সংস্কৰণ প্ৰকাশ কৰিব পৰাটো এটা পৰম আনন্দৰ কথা। এই গ্ৰন্থখন দেশীয়, আঞ্চলিক তথা বিদেশী ভাষাত অনুবাদ কৰি প্ৰকাশ কৰাৰ যি কাৰ্য্য চলি আহিছে, তাত ইও যুক্ত হ'ল। ঈশ্বৰলৈ ধন্যবাদ, এইদৰে অৱশেষত আমাৰ সপোন দিঠকত পৰিণত হ'ল। আৰ্য্যসমাজে যি উদ্দেশ্য আগত ৰাখি কামত লাগি আছে, সেই বৈদিক নীতিসমূহ প্ৰচাৰ আৰু প্ৰিয় কৰাত এই কাৰ্য্য নিশ্চিতভাৱে বৰঙণি যোগাব।

এনে শ্ৰমসাধ্য কাৰ্য্যৰ কাৰণে প্ৰথমতে ডাক্তৰ নাৰায়ণ দাসলৈ মোৰ আন্তৰিকতাপূৰ্ণ ধন্যবাদ জনালোঁ। আৰ্য্যসমাজৰ নীতি-বোৰৰ যি অঞ্চলত বহুল প্ৰচাৰৰ প্ৰয়োজন হৈছে, ভাৰতবৰ্ষৰ সেই সুদূৰ পূৰ্ব্ব প্ৰান্তত তেখেত সমাজৰ অন্যতম স্তম্ভ স্বৰূপ হৈ আছে। তেখেতৰ প্ৰেৰণাতেই এই গ্ৰন্থৰ অনুবাদ কাৰ্য্য হাতত লোৱা হৈছিল আৰু তেখেতৰ বিশেষ আৰ্থিক সহায়তেই এই অনুদিত গ্ৰন্থখনে প্ৰকাশৰ মুখ দেখিলে। আৰ্য্যসমাজ শতাব্দী সমাৰোহ উপলক্ষে আগবঢ়োৱা ই এটা মহান্ অৱদান।

এই গ্ৰন্থৰ অনুবাদক শ্ৰীপদ্মেশ্বৰ কাকতি দেৱলৈ, ছপাশাল কৰ্তৃপক্ষলৈ আৰু যিসকলে এই মহৎকাৰ্য্য সম্পন্ন কৰাত ডাক্তৰ নাৰায়ণ দাসলৈ নানা প্ৰকাৰে সহায়-সহযোগ আগবঢ়ালে তেওঁলোকলৈ মোৰ শলাগ জনালোঁ। এই প্ৰসঙ্গত শ্ৰীবেদেন্দ্ৰ নাথ কলিতা আৰ্য্যৰ নাম উল্লেখযোগ্য।

মোৰ আশা আৰু বিশ্বাস, এই অনুদিত গ্ৰন্থখনে জনপ্ৰিয় হৈ প্ৰকাশক আৰু সভাক উৎসাহিত কৰিব।

সাঃ ওম প্ৰকাশ ত্যাগী এম. পি
সচিব, সাৰ্ব্বদেশিক আৰ্য্য প্ৰতিনিধি সভা
নতুন দিল্লী

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ভুমিকা

টল টল কৰে জ্বলি থকা চাকি এটাক জুইশলা কাঠি এটা মাৰি দেখুৱাবলৈ যোৱা যেনেকুৱা সত্যাৰ্থ প্ৰকাশৰ নিচিনা যুগান্তকাৰী গ্ৰন্থ এখনক ভুমিকা এখনেৰে পাঠকসকলৰ আগলৈ আগবঢ়োৱা কথাবাৰো তেনেকুৱাই। সত্যাৰ্থ প্ৰকাশক যুগান্তকাৰী গ্ৰন্থ বোলোঁতে অতিৰঞ্জনাৰ দোষে চুব বুলি ভয় কৰাৰ কোনো সকাম নাই। ই সঁচাকৈয়ে নতুন যুগ এটাৰ সূচনা কৰি দিলে আৰু ইয়াৰ প্ৰভাৱ আজিলৈকে পূৰ্ণোজ্বল আৰু বিসাৰী হৈয়ে আছে। বৈদিক শাস্ত্ৰবিলাকৰ এটা বিশেষ মাহাত্ম্য হৈছে সমাজৰ ভাবমণ্ডলৰ বিস্তাৰ আৰু পৰিবৰ্ত্তনৰ লগে লগে নিজকে খাপ খুৱাব পৰা ক্ষমতা। যাগ-যজ্ঞৰ পয়োভৰৰ দিনত বৈদিক শাস্ত্ৰই তাৰ মূল উৎস আছিল, দাৰ্শনিক চিন্তাৰ অতল-গাহনৰ যুগত প্ৰেৰণা আছিল বেদ আৰু উপনিষদেই, আকৌ যেতিয়া উপাসনাৰ ভেটিত পন্থ-উপপন্থই ডাল মেলিছিল বৈদিক বাঙ্ময়ৰূপী গা-গছতে আশ্ৰয় লৈ। সেইদৰে বহু শাখা-প্ৰশাখাত ব্যাপক হোৱা উপাসনা-পদ্ধতিয়ে নতুন যুগৰ হিন্দুসকলক যেতিয়া ব্যামোহযুক্ত কৰিবলৈ উপক্ৰম কৰিছিল তেতিয়া বেদ আৰু উপনিষদৰ * প্ৰেৰণাৰ বলতে তেওঁবিলাকে উৱাদিহ পাইছিল। এই কামত ব্ৰাহ্মসমাজে ঘাইকৈ উপনিষদৰ আশ্ৰয় লৈছিল আৰু আৰ্য্যসমাজৰ

* দয়ানন্দ সৰস্বতীৰ মতে বেদৰ সংহিতাভাগহে মূল আৰু সত্য শাস্ত্ৰ। পুৰণি মতেৰে উপনিষদ বেদৰে এটা অংশ। বেদ বুলিলেই উপনিষদো সোমাই পৰে। তথাপি লোকব্যৱহাৰ অনুসাৰে পাঠকৰ বুজাৰ সুবিধাৰ্থে বেলেগকৈ উল্লেখ কৰা হ'ল।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰতিষ্ঠাতা ঋষি দয়ানন্দ সৰস্বতীয়ে বেদ আৰু উপনিষদ দুয়োটাকে পোহৰৰো পোহৰ সূৰ্য্যালোকস্বৰূপে গ্ৰহন কৰি হিন্দুসমাজৰ মন "একং সংৱিপ্ৰাবহুধা ৱদন্তি" এই মহাসত্যৰ ফালে পোনাই দিলে। ঋষি দয়ানন্দ সৰস্বতীয়ে যাগ-যজ্ঞৰ পৰম্পৰাত ৰচিত হোৱা বেদৰ ভাষ্যক অৱহেলা নকৰিলেও সমাদৰ কৰাৰ সময় উকলিল বুলি ভাবিছিল। স্বকীয় প্ৰতিভা, সাধনা আৰু দূৰাৱগাহ চিন্তা শক্তিৰে নতুনকৈ বেদ ভাষ্য লিখিলে। এই ভাষ্যই ইন্দ্ৰ, বৰুণ, অগ্নি আদিক পৰমেশ্বৰৰ স্বকীয় বিভূতি বা প্ৰকাশ নুবুলি পৰমেশ্বৰৰে গুণ অনুসাৰে স্বকীয় নাম বুলি ঘোষণা কৰিলে। বেদমন্ত্ৰত ব্যৱহাৰ কৰা শব্দ বা শব্দযোজানাবিলাকক যিমানলৈকে সম্ভৱ মূল ধাতুগত অৰ্থৰ আলমত ব্যাখ্যা কৰি আধুনিক বিশ্লেষণ-প্ৰৱণ মনৰ গ্ৰহণযোগ্য কৰিলে। যিসকলে কোনো প্ৰকাৰ উজাৰি লুকোৱা অৰ্থ গ্ৰহণ কৰিবলৈ ইচ্ছুক নহয়, গূঢ়ৰহস্য বিদাৰিবলৈ প্ৰয়োজন বোধ নকৰে অথবা পৌৰাণিক কাহিনীৰ সহায়ত বেদমন্ত্ৰৰ অৰ্থ গ্ৰহণ কৰিবলৈ সাজু নাছিল সেইসকলে দয়ানন্দভাষ্যত নতুন আলোকৰ সন্ধান পালে। দয়ানন্দ ভাষ্যৰ ব্যাখ্যানীতিৰ প্ৰথম সূত্ৰপাত হয় সত্যাৰ্থ প্ৰকাশত। সত্যাৰ্থ প্ৰকাশ নামৰ গ্ৰন্থতে দয়ানন্দ স্বামীৰ এই তত্ত্ব প্ৰথমে প্ৰচাৰিত হয়।

মহৰ্ষি দয়ানন্দৰ দাৰ্শনিক আধাৰ তত্ত্ব আন অদ্বৈত, বিশিষ্টাদ্বৈত, দ্বৈত আদি মতধাৰাৰ পৰা বহুত অংশত পৃথক। মহৰ্ষিৰ প্ৰৱৰ্ত্তিত এই দাৰ্শনিক মতবাদক কোনো কোনোৱে ত্ৰৈতবাদ বা ত্ৰিত্ববাদ আখ্যা দিয়ে। ঈশ্বৰ জীৱ আৰু প্ৰকৃতি তিনি পদাৰ্থ অনাদি কিন্তু ঈশ্বৰাধীন। জীৱ ব্ৰহ্মৰ একত্ব প্ৰতিপাদক উপনিষদ বাক্যক মহৰ্ষিয়ে কৰা ব্যাখ্যা অদ্বৈত বা দ্বৈতবাদীসকলে কৰা ব্যাখ্যাতকৈ পৃথক। উদাহৰণ স্বৰূপে "অহং ব্ৰহ্মাসি এই মহাবাক্যটোকে লোৱা যাওক। মহৰ্ষিয়ে ব্যাখ্যা কৰিছে "(অহম্) মই (ব্ৰহ্ম) অৰ্থাৎ ব্ৰহ্মস্থ (অস্মি) হওঁ। ই এটা লক্ষণা-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যুক্ত বাক্য যেনে "মঞ্চাঃ ক্রোশন্তি" মঞ্চই চিঞৰিছে। মঞ্চ জড়, তাৰ চিঞৰিবৰ সামৰ্থ্য নাই। এইকাৰণে অৰ্থ হব মঞ্চৰ ওপৰত থকা মানুহবোৰে চিঞৰিছে। এই প্ৰকাৰে ইয়াতো (অহং ব্ৰহ্মাস্মি বাক্যত) বুজিব।"—(৭ম সমুল্লাস)। প্ৰকৃতিও নিত্য কিন্তু পৰিণামী। এই পৰিণামী প্ৰকৃতিয়েই জগতৰ উপাদান কাৰণ। ঈশ্বৰৰ নিমিত্ততাতহে ইন্দ্ৰিয়যুক্ত আৰু ইন্দ্ৰিয়ৰহিত জগত প্ৰকৃতি উপাদানৰ পৰা উদ্ভৱ হয়। দয়ানন্দ সৰস্বতীৰ মতে জীৱৰ সীমিত স্বাতন্ত্ৰ্য আছে। কৰ্ম্ম কৰাত জীৱ স্বতন্ত্ৰ, ভোগ প্ৰাপ্তিত পৰাধীন। এইবিলাক বিষয় ক্ষুদ্ৰ পাতনিৰ ছেদ এটা বা দুটাত বহলিয়াই কোৱাৰ সুবিধা নাই। অনুসান্ধিৎসু পাঠকে সপ্তম, অষ্টম আৰু নৱম সমুল্লাস মনোযোগেৰে পঢ়িলে নিজেই বহুত কথা জানিবলৈ পাব।

সেইবুলি সত্যাৰ্থ প্ৰকাশ এখন বেদভাষ্য নহয় ই এখন ধৰ্ম্ম, দৰ্শণ ইতিহাস, সমাজ, ৰাষ্ট্ৰ আদি মানুহৰ জীৱনৰ লগত জড়িত সকলো দিশতে বৈদিক-সন্মত আদৰ্শৰ দৰ্পণ-গ্ৰন্থ। চৈধ্যটা সমুল্লাসত পৰিমিত অথচ অৰ্থোজ্বল বাক্যেৰে আটাইবোৰ বিষয় সামৰি থোৱা আছে। জীৱনৰ এনে কোনো ক্ষেত্ৰ নাই য'ত সত্যাৰ্থ প্ৰকাশে পথ প্ৰদৰ্শন কৰা নাই। এজন নিষ্ঠাবান পাঠকে প্ৰতিদিনে ইয়াৰ একো একোটা বাক্য পঢ়ি জীৱনত খটুৱাবলৈ চেষ্টা কৰিলে তেওঁ যে এজন শ্ৰেষ্ঠ পুৰুষ হব ইয়াত সন্দেহ নাই। সত্যাৰ্থ-প্ৰকাশ ধৰ্ম্ম-গ্ৰন্থ হলেও ধৰ্ম্মক জীৱনৰ অন্য ফালবোৰৰ পৰা আঁতৰাই উদাসীন অৱস্থাত পালনীয় বুলি ঋষি দয়ানন্দই মানুহক উদ্যমহীন বিতৃষ্ণ হবলৈ শিকোৱা নাই কিন্তু জীৱনৰ লাগতিয়াল সাংসাৰিক কামবিলাক কেনেকৈ ধৰ্ম্মসংপৃক্ত কৰিব পাৰি তাৰহে নিৰ্দ্দেশ দিছে। বিদেশ-যাত্ৰাৰ বিষয়ে ঋষি দয়ানন্দই কৈছে -অতীতত আৰ্য্যাবৰ্ত্তবাসীয়ে বাণিজ্য আৰু ৰাজনৈতিক উদ্দেশ্য লৈও দেশ-দেশান্তৰ ভ্ৰমণ কৰিছিল। এতিয়াৰ স্পৰ্শদোষ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আৰু ধৰ্ম্ম নাশৰ আশঙ্কাৰ মূল মূৰ্খতা, অজ্ঞানতা আৰু ভ্ৰম। যি দেশান্তৰ ভ্ৰমণ কৰি নানা জনৰ সংসৰ্গত নানা বিষয়ত অভিজ্ঞ হব পাৰে, সেই সকলেই স্বদেশৰ ৰীতি নীতি আৰু অৰ্থ সম্পদৰ উন্নতি সাধন কৰিব পাৰে আৰু লগতে স্বদেশৰ বা স্বজাতিৰ কুসংস্কাৰবোৰো দূৰ কৰাত সহায়ক হব পাৰে। পৰদেশী বা বিভিন্ন আচাৰ ব্যাৱহাৰৰ মানুহক স্পৰ্শ কৰিলে অশুদ্ধ বা অপৱিত্ৰ হব নোৱাৰে। বেশ্যা বৃত্তি, চৰিত্ৰহীনতা আৰু অধৰ্ম্মৰ আচৰণহে দোষাবহ আৰু অপবিত্ৰ। এইবোৰ আচৰণ স্বদেশত কৰিলেও দোষ, বিদেশত গৈ কৰিলেও দোষ। যি ইয়াকে বুজিব নোৱাৰে, সি যদি মূৰ্খ নহয়, মূৰ্খনো কোন? অৱশ্যে চৰিত্ৰহীন, অভক্ষ্য—খাদক লোকৰ সংসৰ্গ আৰু স্পৰ্শ মহাদোষকাৰক, যাৰ পৰিণাম ভয়ানক। স্বদেশতেই হওক বা বিদেশতেই হওক দুষ্ট আৰু চৰিত্ৰহীনৰ সংসৰ্গ সংক্ৰামক ব্যাধিতকৈও ভয়াবহ। তাৰ পৰা নিজক আৰু সমাজক ৰক্ষা কৰাই সকলোৰে ধৰ্ম্ম। বিদেশীৰ বা অন্যান্য জাতিৰ গুণ গ্ৰহণ আৰু অনুকৰণ কৰাটো দোষ বুলি মূৰ্খইহে কব পাৰে। নানা দেশৰ লোকৰ লগত যোগাযোগ, সংসৰ্গ আৰু গুণৰ আদান প্ৰদান নহলে নিজৰ বা জগতৰ মঙ্গল কেনেকৈ হব? তাকেই নকৰিলে নিজৰ বা স্বদেশৰ দোষ গুণবোৰ কেনেকৈ বুজিব পাৰিব আৰু তাৰ প্ৰয়োজনীয় সংশোধন কৰিব? ধৰ্ম্মৰ সম্বন্ধ আত্মা আৰু কৰ্ত্তব্যৰ লগতহে। ধৰ্ম্মব্ৰতী হৈ ধৰ্ম্মাচৰণ কৰিবলৈ হলে বৈদিক ধৰ্ম্মৰ জ্ঞান অত্যন্ত আৱশ্যক। ধৰ্ম্মৰ জ্ঞান তথা স্বৰূপ দেশে বিদেশে প্ৰচাৰ নকৰাও অধৰ্ম্ম। দেশ দেশান্তৰৰ শিল্প, উদ্যোগ, বানিজ্য আদিৰ লগত যোগাযোগ স্থাপন নহলে স্বদেশৰ উন্নতি কেনেকৈ কৰিব? "বিদেশলৈ গলে, স্পৰ্শ কৰিলে আৰু বিদেশীৰ ঘৰত খালে জাতি যায়" এনেবোৰ কথা এক শ্ৰেণীৰ স্বাৰ্থপৰ মানুহৰ মৰ্য্যাদা, জীৱিকা আদি ৰক্ষাৰ প্ৰতাৰণাহে। কাৰণ দেশ দেশান্তৰলৈ যোৱাৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ফলত মানুহৰ চকু মুকলি হলে সেই শ্ৰেণী মানুহৰ প্ৰতাৰণা ধৰা পৰিব। তেতিয়া আৰু তেওঁলোকৰ জীৱিকা নচলিব।

[সত্যাৰ্থপ্ৰকাশ, সমুল্লাস—(১০) অনুবাদ, পৃ ৩২০-২১]

দয়ানন্দ স্বামীয়ে সকলো কথা যৌক্তিকতাৰ আধাৰত প্ৰতিষ্ঠিত কৰি ইতিকৰ্ত্তব্যতা বিধান কৰিছিল। যিবোৰ বিষয়ত আমি অলৌকিক মহিমা আৰোপ কৰি বিশ্বাসৰ ওপৰত ভৰ দি পালন কৰোঁ সেইবোৰকো তেখেতে আধুনিক যুগৰ শিক্ষিত লোকৰ গ্ৰহণযোগ্য কৰি দৃষ্টফলৰ ফালে আঙুলিয়াই উপযোগিতাৰ কথা প্ৰতিপন্ন কৰি দেখুৱাইছিল। উদাহৰণ স্বৰূপে নাম-স্মৰণৰ কথাকে কব পাৰি। ভগৱন্তৰ নাম-স্মৰণৰ পৰা অলৌকিক ফল হয়—এই বিশ্বাসতে আমি সৰহখিনি মানুহে নাম-জপ কৰোঁ বা নাম-কীৰ্ত্তন গাওঁ। ঋষি দয়ানন্দই সত্যাৰ্থপ্ৰকাশত নাম-স্মৰণ সম্পৰ্কে লিখিছে, তাৰ সাৰোদ্ধাৰ।

নাম-স্মৰণ এনেকৈ কৰিব লাগে - যেনেকৈ 'ন্যায়কাৰী' ঈশ্বৰৰ এটা নাম, এই নামৰ অৰ্থ হৈছে পৰমাত্মাই পক্ষপাত ৰহিত হৈ সকলোৰে যথাৱৎ ন্যায় কৰে। এই অৰ্থ গ্ৰহণ কৰি সদায় ন্যায়যুক্ত ব্যৱহাৰ কৰিব লাগে, অন্যায় কেতিয়াও কৰিব নালাগে। এইদৰে এক নামৰ পৰাই মানুহৰ কল্যাণ হব পাৰে অন্যথায় কেৱল নাম-স্মৰণৰ পৰা একো ফল নহয়। মিচিৰি বুলি কলেই মুখত মিঠা নালাগে জিভাৰে চাকি চালেহে মিঠা লাগে— নাম-স্মৰণৰ কথাও তেনেকুৱাই। পৰমেশ্বৰৰ নামৰ অৰ্থ জানি লৈ পৰমেশ্বৰৰ গুণ, কৰ্ম্ম আৰু স্বভাৱৰ অনুকূলে নিজৰ গুণ, কৰ্ম্ম আৰু স্বভাৱ গঠন কৰি যোৱাই পৰমেশ্বৰৰ যথাৰ্থ নাম-স্মৰণ— বিস্তৃতভাৱে জানিবলৈ একাদশ সমুল্লাস চাওক।

ঋষি দয়ানন্দ সৰস্বতী আৰু তেওঁৰ মহৎ গ্ৰন্থ সত্যাৰ্থ-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰকাশৰ এটা মহৎ অৱদান হৈছে দেশাত্মবোধ আৰু ধৰ্ম্মবোধ এই দুয়োটাৰ এটা সমন্বয়সাধন। ভাৰতবৰ্ষৰ পৰাধীনতা যে এটা জাতীয় কলঙ্ক আৰু অধৰ্ম্ম এই কথা সত্যাৰ্থপ্ৰকাশত তেওঁ স্পষ্টভাৱে বিৱৰি গৈছে। ভাৰতৰ একতাবৃদ্ধিৰ প্ৰতি তেওঁ সেইকালৰ সকলোকে সজাগ কৰি দিছিল। স্বদেশীয় মহত্ত্বৰ কথাও নিৰ্ভীক ভাষাৰে ঘোষণা কৰিছিল। সত্যাৰ্থ প্ৰকাশৰ পৰা কেই পংক্তিমান তুলি দিলেই পাঠকে ভাৰতীয় জাতীয়বাদৰ সংবৰ্দ্ধনত ঋষি দয়ানন্দৰ পূৰ্ব্বসূৰিতাৰ বিষয়ে পৰিচয় পাব। পুৰ্ব্বপুৰুষ ইক্ষাকুৰ পৰা আৰম্ভ কৰি কৌৰৱ-পাণ্ডৱৰ সময়লৈকে আৰ্য্যসকলৰ ৰাজত্ব দেশান্তৰলৈকে বিস্তাৰিত আছিল আৰু আৰ্য্যাবৰ্ত্তৰ বাহিৰেও অন্যান্য দেশতো বৈদিক সংস্কৃতিৰ অল্পবিস্তৰ প্ৰচাৰ আছিল। এই বিষয়ে প্ৰমাণ এয়ে যে, ব্ৰহ্মাৰ পুত্ৰ বিৰাট, বিৰাটৰ পুত্ৰ মনু, মনুৰ মৰীচি আদি দশ পুত্ৰৰ ভিতৰত স্বায়ম্ভুৱকে আদি কৰি সাতজন ৰজা হৈছিল। সেই সকলৰ বংশধৰ ইক্ষাকু আৰ্য্যাবৰ্ত্তৰ প্ৰথম ৰজা আছিল। কালক্ৰমত আৰ্য্যসকলৰ আলস্য প্ৰমাদ আৰু পাৰস্পৰিক বাদ-বিবাদৰ পৰিণামত অন্যান্য দেশৰ আধিপত্যৰ বাহিৰেও আৰ্য্যাবৰ্ত্ত অখণ্ডিত আৰু স্বাধীন থাকিব নোৱাৰিলে। জাতীয় প্ৰমাদৰ ফলত দেশ বাসীয়ে অশেষ নিৰ্য্যাতন ভোগ কৰিব লগা হয়। বিদেশীৰ শাসনত জাতীয় সংহতি আৰু নৈতিক অধঃপতন ঘটে। নিজৰ কলা কৃষ্টি শ্ৰেষ্ঠ হলেও পৰাধীনতাৰ ফলত শাসকৰ ভাষা, কলা কৃষ্টিৰ প্ৰভাৱ পৰে। শাসক বৎসল হলেও প্ৰজাক শাসকে বিশ্বাস নকৰে, পৰস্পৰ শাসক আৰু প্ৰজাৰ ভিতৰত সহযোগ নেথাকে। বেদাদি শাস্ত্ৰ আৰু ইতিহাসত এই সম্বন্ধে যি উল্লেখ আছে সেইবোৰ অধ্যয়ন কৰা বাঞ্ছনীয়।

[(সত্যাৰ্থপ্ৰকাশ, সমুল্লাস-৮), অনুবাদ পৃ ২৭,]

দয়ানন্দ সৰস্বতীয়ে যেতিয়া এইবোৰ কথা ইমান মুকলি আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দৃঢ় শব্দেৰে প্ৰকাশ কৰিছিল তেতিয়া ইংৰাজৰ কঠোৰ শাসন পূৰ্ণৰূপে চলি আছিল। স্বাধীনতা আন্দোলন (চিপাহী বিদ্ৰোহৰ কথা বাদ দিলে) আৰম্ভ হোৱাই নাছিল। দয়ানন্দ সৰস্বতীৰ সত্যাৰ্থপ্ৰকাশত "স্বদেশীয় ৰাজ্য" আৰু তাৰ মাহাত্ম্য ঘোষিত হোৱাৰ বহুত পাছতহে দাদাভাই নৌৰাজীয়ে কংগ্ৰেছৰ সভাপতিৰ আসনৰপৰা 'স্বৰাজ ধ্বনি' উচ্চাৰণ কৰে।

স্বামী দয়ানন্দ সৰস্বতীৰ মাতৃ ভাষা আছিল গুজৰাটী। সংস্কৃত ভাষা লীলাৰঙে লিখিব পাৰিছিল আৰু অনৰ্গল কব পাৰিছিল। এনেস্থলতো সত্যাৰ্থপ্ৰকাশৰ মূল গুজৰাটী বা সংস্কৃতত নিলিখি লিখিলে হিন্দীত। হিন্দীক সৰ্ব্বভাৰতীয় লেন-দেনৰ ভাষা কৰাৰ প্ৰয়োজন ইমান আগতীয়াকৈ উপলব্ধি কৰাৰ পৰা পুৰুষজন কিমান কালাগ্ৰগামী আৰু দূৰদৰ্শী আছিল অনুমান কৰিব পাৰি। ভাৰতীয় একাত্মতাৰ বৃদ্ধিৰ কাৰণেই তেওঁ এই ভাষাৰ মাধ্যম গ্ৰহণ কৰিছিল।

স্বামী দয়ানন্দই এই গ্ৰন্থৰ উত্তৰাৰ্দ্ধত আন ধৰ্ম্মমতৰ খণ্ডন মণ্ডন কৰিছে। ইয়াত কোনো বিশেষ ধৰ্ম্মমত বা সম্প্ৰদায়ৰ মতৰ হে খণ্ডন কৰিছে এনে নহয়। সকলো সম্প্ৰদায়ৰ বহুত মত আৰু বিশ্বাসৰ সমালোচনা এই অৰ্দ্ধত পঢ়িবলৈ পোৱা যায়। আনকি গোটেই একাদশ সমুল্লাসটো হিন্দুধৰ্ম্মৰ পুৰাণ ভাগৱত, কিছুমান ধৰ্ম্মাচৰণ আৰু মূৰ্ত্তি পূজাৰ বিপক্ষে যুক্তিতৰ্কৰ অৱতাৰণাতে আৱদ্ধ আছে। সেইদৰে বাকী ধৰ্ম্ম আৰু সম্প্ৰদায়কো এৰা নাই। পৰপক্ষৰ খণ্ডন আৰু স্বমতস্থাপন এইটো প্ৰাচীন ভাৰতীয় দাৰ্শনিক আৰু ধৰ্ম্মতাত্ত্বিকসকলৰ চিৰাচৰিত পদ্ধতি। স্বামী দয়ানন্দ সৰস্বতীয়ে প্ৰাচীন ধাৰাৰে শিক্ষালাভ কৰিছিল। ইয়াত সম্প্ৰদায় বিদ্বেষৰ কথা খুচৰিবলৈ যোৱাৰ সকাম নাই।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সত্যাৰ্থপ্ৰকাশৰ অনুবাদ প্ৰায় সকলো ভাৰতীয় ভাষাতেই হৈছে। অসমীয়া অনুবাদ এটাৰ প্ৰয়োজন বহুদিনৰ আগতেই কিছুমান লোকে অনুভৱ কৰিছিল। বৰ্ত্তমান গুৱাহাটী আৰ্য্যসমাজৰ প্ৰচেষ্টাত আৰু বিশেষকৈ এই সমাজৰ বৰ্ত্তমান সম্পাদক ডাঃ নাৰায়ণ দাসৰ নেৰানেপেৰা চেষ্টাত এই কাম সম্পন্ন হ'ব পাৰিলে। সত্যাৰ্থ প্ৰকাশৰ হিন্দী অলপ পুৰণিকলীয়া, আজি-কালি আখজা যেন লাগে। সেইদেখি অমীয়ালৈ অনুবাদ কৰোঁতে যথেষ্ট পৰিশ্ৰমৰ দৰ্কাৰ হৈছিল। শ্ৰীযুত পদ্মেশ্বৰ কাকতিয়ে নানা প্ৰকাৰ ঘৰুৱা আলৈ-আহুকাললৈ ভ্ৰূক্ষেপ নকৰি বহুত পৰিশ্ৰম কৰি এই অনুবাদ যুগুত কৰিলে। শ্ৰীযুত কাকতিয়ে আৰ্য্যসমাজৰ শিক্ষ্যানুষ্ঠানতে দীৰ্ঘকাল শিক্ষা লাভ কৰিছিল। সত্যাৰ্থপ্ৰকাশৰ লগত তেখেতৰ ডেকাকালৰপৰাই ঘনিষ্ট সম্বন্ধ। সেই কালৰপৰা চালে সত্যাৰ্থ প্ৰকাশৰ অসমীয়া অনুবাদ কৰাৰ কাৰণে তেখেতৰ যোগ্যতাও আছে। যিমানদূৰ সম্ভৱ জড়তাহীনকৈ অসমীয়া পাঠকৰ প্ৰয়োজন বুজি দুই-এঠাইত ব্যাখ্যাত্মক কৰিও এই অনুবাদ তেখেতে যুগুত কৰিছে। এই অনুবাদে অসমীয়া ভাষাক এখন মহাগ্ৰন্থেৰে সমৃদ্ধ কৰিলে। ৰাইজে সমাদৰ কৰিলে গুৱাহাটী আৰ্য্যসমাজৰ ধনব্যয়, পৰিশ্ৰম আৰু উদ্যম সাৰ্থক হ'ব। ইতি—

শ্ৰীতীৰ্থনাথ শৰ্ম্মা

ভৰলুমুখ
গুৱাহাটী
১৪।৪।৭৫

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অনুবাদকৰ নিবেদন

ইং ১৯৩২ চনৰ কথা। মই তেতিয়া আৰ্য্য সমাজৰ প্ৰতিষ্ঠিত লাহোৰৰ এখন মহাবিদ্যালয়ৰ ছাত্ৰ। এইবিদ্যালয়ত পঢ়া কালতেই স্বামী দয়ানন্দ সৰস্বতীৰ মহাগ্ৰন্থ সত্যাৰ্থ-প্ৰকাশৰ অধ্যয়নৰ সুযোগ পাইছিলো। শাস্ত্ৰজ্ঞ অধ্যাপকসকলৰ লগত হোৱা আলোচনাই এই গ্ৰন্থৰ বিষয়বস্তু আৰু উদ্দেশ্য উপলব্ধি কৰাত মোক সহায় কৰিছিল। গ্ৰন্থকাৰ স্বামী দয়ানন্দ সৰস্বতীৰ মাতৃ-ভাষা গুজৰাটী, হিন্দী ভাষাৰ মাধ্যমেৰে অধিক প্ৰচাৰৰ সুবিধা হ'ব বুলি ভাবিয়েই তেখেতে এই মহাগ্ৰন্থখন হিন্দীত লিখিছিল।

গ্ৰন্থৰ বিষয় আৰু শব্দাৰ্থৰ কোনো পৰিবৰ্তন নকৰাকৈ অসমীয়া অনুবাদ সৰল আৰু সুবিধা কৰাৰ মানসেৰে স্থান বিশেষে অনুবাদ সংক্ষেপ বা বিস্তৃত কৰিব লগা হৈছে ইংৰাজী আৰু বঙ্গভাষাৰ অনুবাদকেও এনে নীতিকেই গ্ৰহণ কৰিছে।

ইতিমধ্যে ভাৰতৰ বিভিন্ন ভাষাত সত্যাৰ্থ-প্ৰকাশৰ অনেক সংস্কৰণ হৈ গৈছে। বঙ্গভাষাত পঞ্চম সংস্কৰণলৈকে পোৱা গৈছে। অসমীয়াত এয়েই প্ৰথম প্ৰচেষ্টা। এই ইংৰাজী ১৯৭৫ চনত আৰ্য্যসমাজ প্ৰতিষ্ঠাৰ শতবৰ্ষ পূৰ্ণ হৈছে। এই শত-বাৰ্ষিকী পালনৰ উপলক্ষে গুৱাহাটী আৰ্য্যসমাজে সত্যাৰ্থ-প্ৰকাশ গ্ৰন্থখন অসমীয়াত প্ৰকাশ কৰিবলৈ স্থিৰ কৰে। অনুবাদৰ কষ্টসাধ্য ভাৰখন পৰিল এই অভাজনৰ ওপৰত। এজন মহা মনীষীৰ এনে এখন গভীৰ তত্ত্বপূৰ্ণ গ্ৰন্থৰ অনুবাদৰ যোগ্যতা মোৰ নাই। তথাপি আৰ্য্যসমাজৰ আদেশ অবজ্ঞা কৰিব নোৱাৰি এই গুৰু দায়িত্ব বহন কৰিব লগা হ'ল। মোৰ অনুবাদত ভুল-ত্ৰুটি হোৱাটোৱেই স্বাভাৱিক। গতিকে তেনে কিবা চকুত পৰিলে সহৃদয় পঢ়ুৱৈ সমাজে যেন আঙুলিয়াই দিয়ে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

শ্ৰদ্ধেয় শ্ৰীযুত তীৰ্থ নাথ শৰ্ম্মাদেৱে অনুবাদৰ ৰীতি বিষয়ত পৰামৰ্শ দি অনুপ্ৰাণিত কৰিছে।

গুৱাহাটী আৰ্য্য সমাজৰ সদস্য, বৰ্ত্তমান শত-বাৰ্ষিকী সমিতিৰ সম্পাদক ডাঃ নাৰায়ণ দাসৰ অদম্য আগ্ৰহ আৰু উদগনিতেই এই গ্ৰন্থই অসমীয়া সমাজত আত্ম প্ৰকাশ কৰিলে। এই হুয়োগৰাকী সতীৰ্থৰ সহায়-সহযোগৰ কাৰণে মই কৃতজ্ঞ।

এই গ্ৰন্থই পঢ়ুৱৈ সমাজৰ পৰা সমাদৰ পালে মোৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাবিম। ইতি—

উত্তৰ শৰণীয়া — শ্ৰীপদ্মেশ্বৰ কাকতি
গুৱাহাটী-১
অক্টোবৰ -১৯৭৫

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ওঁ সচ্চিদানন্দেশ্বৰায় নমো নমঃ

ভূমিকা

যি সময়ত মই এই "সত্যাৰ্থ-প্ৰকাশ" গ্ৰন্থ হিন্দীত ৰচনা কৰিছিলো, সেই সময়লৈকে সংস্কৃততেই অধ্যয়ন, অধ্যাপনা আৰু সংস্কৃততেই বক্তৃতাও দিছিলো। মোৰ মাতৃভাষা আছিল গুজৰাটী। মোৰ হিন্দী ভাষাৰ পৰিপূৰ্ণ জ্ঞান নাছিল। এইবোৰ কাৰণতেই ভাষা শুদ্ধ হোৱা নাছিল। বৰ্ত্তমান হিন্দী ভাষা কোৱাৰ আৰু লিখাৰ অভ্যাস হৈছে। গতিকে এই গ্ৰন্থৰ ভাষা সংশোধন কৰি দ্বিতীয়বাৰ মুদ্ৰিত কৰা হ'ল। কোনো কোনো স্থানত শব্দ, বাক্য আৰু ৰচনাৰ পাৰ্থক্য হৈছে। তেনেভাৱে পৰিবৰ্ত্তন নকৰা হলে ভাষাৰ প্ৰণালী সংশোধন কৰা দুষ্কৰ হ'লহেতেন। কিন্তু অৰ্থৰ কোনো পৰিবৰ্ত্তন কৰা নাই; বৰঞ্চ বিশেষ ৰূপেই লিখা হৈছে। প্ৰথম মুদ্ৰণত যিবোৰ ভুল হৈছিল সেইবোৰো সংশোধন কৰা হৈছে।

এই গ্ৰন্থ চতুৰ্দশ সমুল্লাস অৰ্থাৎ ১৪ (চৈধ্য) বিভাগত ৰচনা কৰা হৈছে। ইয়াৰ ভিতৰত প্ৰথম দহ সমুল্লাসত পূৰ্ব্বাৰ্দ্ধ আৰু বাকী চাৰি সমুল্লাসত উত্তৰাৰ্দ্ধ কৰা হৈছে। কিন্তু উত্তৰাৰ্দ্ধৰ ত্ৰয়োদশ আৰু চতুৰ্দ্দশ আৰু সৰ্ব্বশেষৰ স্বসিদ্ধান্ত বিশেষ কাৰণত প্ৰথম বাৰতেই মুদ্ৰিত হোৱা নাছিল। এইবাৰ এই সকলোবোৰ একেলগে ছপোৱা হৈছে।

(১) প্ৰথম সমুল্লাসত ঈশ্বৰৰ ওঙ্কাৰাদি নামৰ ব্যাখ্যা।

(২) দ্বিতীয় সমুল্লাসত সন্তানৰ শিক্ষা।

(৩) তৃতীয় সমুল্লাসত ব্ৰহ্মচৰ্য্য, অধ্যয়ন-অধ্যাপনাৰ ব্যৱস্থা, সত্য আৰু অসত্য গ্ৰন্থবোৰৰ নাম আৰু পঢ়া আৰু পঢ়োৱাৰ ৰীতি।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

(৪) চতুর্থ সমুল্লাসত বিবাহ আৰু গৃহাশ্রমৰ বিধান।

(৫) পঞ্চম সমুল্লাসত বানপ্রস্থ আৰু সন্ন্যাস আশ্রমৰ বিধি।

(৬) ষষ্ঠ সমুল্লাসত ৰাজধৰ্ম্ম। (ৰাজনীতি)

(৭) সপ্তম সমুল্লাসত বেদ আৰু ঈশ্বৰ।

(৮) অষ্টম সমুল্লাসত জগতৰ-উৎপত্তি, স্থিতি আৰু প্রলয়।

(৯) নৱম সমুল্লাসত বিদ্যা, অবিদ্যা, বন্ধন আৰু মোক্ষৰ ব্যাখ্যা।

(১০) দশম সমুল্লাসত আচাৰ, অনাচাৰ আৰু ভক্ষ্য অভক্ষ্য বিষয়।

(১১) একাদশ সমুল্লাসত আৰ্য্যাবৰ্ত্তীয় মতমতান্তৰৰ খণ্ডন মণ্ডন।

(১২) দ্বাদশ সমুল্লাসত চৰ্ব্বাক, বৌদ্ধ আৰু জৈন মতৰ বিষয়।

(১৩) ত্রয়োদশ সমুল্লাসত খৃষ্টীয়ান মতৰ বিষয়।

(১৪) চতুৰ্দ্দশ সমুল্লাসত মুছলমান মতৰ বিষয়। আৰু এই চতুৰ্দ্দশ সমুল্লাসৰ শেষতেই আৰ্য্যসকলৰ সনাতন বেদবিহিত মতৰ বিশেষ ব্যাখ্যা লিখা হৈছে; যিবোৰ মতকেই ময়ো যথাৰ্থ-ভাৱে স্বীকাৰ কৰো।

মোৰ এই গ্রন্থ ৰচনাৰ প্রধান উদ্দেশ্য হৈছে — সত্য অৰ্থৰ প্ৰকাশ কৰা অৰ্থাৎ যি সত্য তাক সত্য আৰু যি মিছা তাক মিছা বুলি প্রতিপাদন কৰাকেই মই সত্যাৰ্থৰ প্রকাশ বুলি বুজিছো। সত্যৰ ঠাইত অসত্য আৰু অসত্যৰ ঠাইত সত্য বুলি প্ৰকাশ কৰাক সত্য বোলা নাযায়। যি বস্তুৰ যি ৰূপ তাক সেই ৰূপেই কোৱা, লিখা আৰু মনাকেই সত্য বোলে। যি পক্ষপাতী, তেওঁ নিজৰ অসত্যকো সত্য আৰু তেওঁৰ বিপৰীত অন্য মতাৱলম্বীৰ সত্যকো অসত্য বুলি প্রচাৰ কৰিবলৈ প্রবৃত্ত হয়। গতিকে তেওঁৰ সত্য মতৰ উপলব্ধি হব নোৱাৰে। লিখনি অথবা উপদেশেৰে সকলোৰে সম্মুখত সত্য আৰু অসত্য স্বৰূপ প্রকাশ কৰাই বিদ্বান আৰু আপ্ত পুৰুষৰ পৰম কৰ্ত্তব্য। তেনে হলেহে সকলোৱে নিজে নিজৰ হিতাহিত বুজি সত্য অৰ্থৰ গ্রহণ আৰু মিথ্যা অৰ্থৰ পৰিত্যাগ কৰি চিৰদিন আনন্দত কাল

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যাপন কৰিব পাৰিব। মানুহৰ আত্মাই কোনটো সত্য আৰু কোনটো অসত্য তাক বুজিব পাৰে, তথাপি নিজৰ প্ৰয়োজন-সিদ্ধি, জেদ, দুৰাকাঙ্খা আৰু অবিদ্যাদি দোষত সত্যক এৰি অসত্যত প্ৰবৃত্ত হয়। এই গ্ৰন্থত তেনে কোনো আপত্তিকৰ কথাও লিখা নাই যি আনৰ মনত আঘাত দিব বা হানি কৰিব পাৰে আৰু মোৰ তেনে অভিপ্ৰায়ো নহয়। কিন্তু যাৰ দ্বাৰাই মানৱ জাতিৰ উন্নতি আৰু উপকাৰ সাধন হয়, সত্য আৰু অসত্যক মানুহে বুজি সত্যৰ গ্ৰহণ আৰু অসত্যৰ পৰিত্যাগ কৰিব পাৰে, তাকেই লিখাহে মোৰ উদ্দেশ্য। কাৰণ সত্য উপদেশৰ বাহিৰে আন একোৱেই মানৱ জাতিৰ উন্নতিৰ কাৰণ হব নোৱাৰে।

এই গ্ৰন্থত ভুলতে নাইবা শুদ্ধ কৰোতে বা ছপা কৰোতে যদি কিবা ভুল-ভ্ৰান্তি ৰৈ গৈছে তাক জানিব পাৰিলে বা জনালে যিটো কৰিলে সত্য প্ৰতিষ্ঠিত হব তাকেই কৰা হব। কিন্তু যদি কোনোৱে তাৰ বাহিৰে, পক্ষপাত বশতঃ শঙ্কা বা খণ্ডন-মণ্ডন কৰে তেনেহলে তাত মনোযোগ দিয়া নহব। অৱশ্যে কোনোৱে মানৱ মাত্ৰৰেই হিতৈষী ৰূপে কিবা জনায় আৰু যদি সেয়েই সত্য বুলি বুজা যায়, তেওঁৰ মত গ্ৰহণ কৰা হব।

আজিকালি প্ৰত্যেক মততেই বহুতো বিদ্বান হৈছে, যদি সেইসকলে পক্ষপাতৰহিত হৈ এক সৰ্ব্ব তন্ত্ৰ সিদ্ধান্ত অৰ্থাৎ যিবোৰ বিষয় সকলোৰে অনুকূল আৰু সকলোৰে মতে সত্য, সেইবোৰ গ্ৰহণ কৰি বাকী পৰস্পৰৰ বিৰুদ্ধ বিষয়বোৰ বৰ্জ্জন কৰি প্ৰেম-প্ৰীতিৰে আচৰণ কৰে আৰু কৰায়, তেনেহলে জগতৰ হিত সাধন হব পাৰে। কাৰণ বিদ্বানসকলৰ ভিতৰত বিৰোধ হলে অবিদ্বান সকলৰ ভিতৰত বিৰোধ বৃদ্ধি হয়। তাৰ ফলত নানা প্ৰকাৰে দুখৰ বৃদ্ধি আৰু সুখ শান্তিৰ অৱসান ঘটে। এনেকুৱা অশান্তিকেই, যি স্বাৰ্থপৰ মানুহৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অভিপ্ৰেত, সকলো মানুহক দুখ-দুৰ্গতিত ডুবাই থৈছে। ইয়াৰ ভিতৰত যি কোনোৱে সাৰ্ব্বজনিক হিতৰ লক্ষ্যত প্ৰবৃত্ত হয়, তেওঁলোকৰ বিৰোধাচৰণ কৰাত স্বাৰ্থান্ধীসকল তৎপৰ হৈ নানা প্ৰকাৰে বিঘিনি সৃষ্টি কৰে। কিন্তু সত্যমেৱ জয়তে, নানৃতং; সত্যেন পন্থা বিততো দেৱযানঃ অৰ্থাৎ সত্যৰেই সদায় জয় আৰু অসত্যৰ পৰাজয় আৰু সত্যৰ দ্বাৰাইহে বিদ্বানসকলৰ পথ বিস্তৃত হয়। এই দৃঢ় নিশ্চয়ৰ অৱলম্বনেৰে আপ্ত পুৰুষসকল পৰোপকাৰত উদাসীন হৈ সত্যাৰ্থ প্ৰকাশ কৰাত কেতিয়াও পশ্চাৎপদ নহয়। এই কথাও সুনিশ্চিত যে, 'যত্তদগ্ৰে বিষমিৱ পৰি-ণামেঽমৃতোপমম্।" এই গীতাৰ বাণীৰ অভিপ্ৰায় এয়ে যে, বিদ্যা আৰু ধৰ্ম্মৰ কাৰ্য্যবোৰ প্ৰথমতে বিষৰ দৰে; কিন্তু পাছত অমৃতৰ দৰে হয়। মই এই বাণীবোৰ অন্তৰত লৈ এই গ্ৰন্থ ৰচনা কৰিছো। শ্ৰোতা বা পাঠকসকলে প্ৰথমতে প্ৰীতিৰে এই গ্ৰন্থ নিৰীক্ষণ কৰি, গ্ৰন্থৰ তাৎপৰ্য্য যথাৰ্থভাৱে অৱগত হৈ যেনে ইচ্ছা হয় তাকেই কৰিব।

এই গ্ৰন্থৰ অভিপ্ৰায় এয়ে যে সকলো মতৰে যিবোৰ সত্য কথা, সকলো মতৰ অবিৰুদ্ধ হোৱাত সেইবোৰ স্বীকাৰ কৰি যিবোৰ মত মতান্তৰত মিছা কথা দেখা গৈছে সেইবোৰ খণ্ডন কৰা হৈছে। আৰু বিভিন্ন মতৰ গুপ্ত বা প্ৰকাশ্য গৰ্হিত বাক্যবোৰ প্ৰকাশ কৰি বিদ্বান আৰু অবিদ্বান জনসাধাৰণৰ আগত উপস্থিত কৰাও অভিপ্ৰায়। ইয়াৰ পৰা পৰস্পৰে পৰস্পৰৰ মত আলোচনা কৰি সকলোৱে প্ৰীতিৰে এক সত্য মতত উপনীত হব পাৰিব।

মোৰ যদিও আৰ্য্যাবৰ্ত্তদেশত জন্ম আৰু এই দেশৰেই মই অধিবাসী, তথাপি এই দেশৰ বিভিন্ন মতবাদৰ অসত্য কথাৰ পক্ষপাত নকৰি যথাৰ্থৰূপে প্ৰকাশ কৰিছো, ভিন্ন দেশীয় ভিন্ন ভিন্ন মতবাদৰো তেনেদৰেই প্ৰদৰ্শন কৰিছো। মানৱ জাতিৰ উন্নতিৰ কাৰণে স্বদেশবাসীৰ লগত যেনে আচৰণ কৰো, বিদেশীৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

লগতো তেনে আচৰণকে কৰো। আৰু আন সকলো সজ্জনেও এইদৰেই কৰা উচিত বুলি ভাবো। ময়ো যদি কোনো মত বিশেষৰ প্ৰতি পক্ষপাতী হলোহেতেন আধুনিক মতবাদীসকলে যেনেকৈ নিজৰ মতৰ প্ৰশংসা, মণ্ডন আৰু প্ৰচাৰ কৰে আৰু আন মতৰ নিন্দা, বিৰোধ আৰু প্ৰতিৰোধ কৰাত তৎপৰ হয়, সেইদৰেই ময়ো হলোহেতেন। কিন্তু এনে আচৰণ মনুষ্যত্ব বিৰুদ্ধ কাৰণ যেনেকৈ বলৱান পশুৱে দুৰ্ব্বল প্ৰাণীক আক্ৰমণ-উৎপীড়ন কৰে আৰু মাৰিও পেলায়, নৰদেহত জন্ম লৈ সেইৰূপ কাৰ্য্য কৰিলে তেওঁলোক মানৱ স্বভাৱ বিশিষ্ট নহয়, পশুৰহে তুল্য। যি সকলে বিদ্যা শক্তি সম্পন্ন হৈ আনকো ৰক্ষা কৰে সেই সকলকহে মানুহ বোলে। যি সকলে স্বাৰ্থৰ বশৱৰ্ত্তী হৈ কেৱল পৰৰ অনিষ্ট সাধন কৰাত তৎপৰ, তেওঁলোক পশুৰে জ্যেষ্ঠ ভ্ৰাতা ৰূপে গণ্য হয়।

প্ৰথমৰ পৰা একাদশ সমুল্লাস পৰ্য্যন্ত (একাদশ সমুল্লাসত বিশেষকৈ) আৰ্য্যাবৰ্ত্তীয় বিভিন্ন মতৰ বিষয়ে লিখিত হৈছে। এই সমুল্লাসবোৰৰ ভিতৰত যি সত্য মতৰ প্ৰকাশ কৰা হৈছে সেয়েই বৈদিক মত; গতিকে ময়ো সেই মতৰেই অনুযায়ী আৰু তাৰ ভিতৰত নবীন পুৰাণ আৰু তন্ত্ৰাদি গ্ৰন্থৰ যিবোৰ বাক্যৰ খণ্ডন কৰা হৈছে সেইবোৰ পৰিত্যজ্য।

দ্বাদশ সমুল্লাসত চাৰ্ব্বাক মত প্ৰদৰ্শন কৰা হৈছে চাৰ্ব্বাক মত এতিয়া যদিও ক্ষীণপ্ৰভ আৰু লুপ্ত প্ৰায় হলেও অনীশ্বৰবাদ আদি বিষয়ৰ লগত চাৰ্ব্বাক, বৌদ্ধ আৰু জৈন মতৰ মিল আছে। এই চাৰ্ব্বাক একেবাৰে প্ৰবল নাস্তিক, এই মতৰ প্ৰতিৰোধ কৰাই কৰ্ত্তব্য। কাৰণ, অসত্যৰ প্ৰতিৰোধ নহলে জগতত অমঙ্গল ঘটে। চাৰ্ব্বাকৰ যি মত, বৌদ্ধ আৰু জৈনৰো সেয়েই মত, এই বিষয়ত দ্বাদশ সমুল্লাসত সংক্ষেপে লিখা হৈছে। চাৰ্ব্বাক, বৌদ্ধ আৰ জৈন মতৰ ভেদ অভেদো লিখা হৈছে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এই তিনিও মতৰ মিল অনেক, ভেদ সামান্য যিবোৰ পাৰ্থক্য দ্বাদশ সমুল্লাসত উল্লেখ কৰা হৈছে সেইবোৰ সেই স্থলত অধ্যয়ন কৰি বুজিব পাৰিব।

ইয়াৰ ভিতৰত বৌদ্ধসকলৰ দীপবংশাদি প্ৰাচীন গ্ৰন্থবোৰৰ পৰা বৌদ্ধ মত সংগ্ৰহ "সৰ্ব্বদৰ্শন সংগ্ৰহ"ত প্ৰদৰ্শন কৰা হৈছে। সেইবোৰৰ পৰাই ইয়াত লিখা হৈছে। জৈন সিদ্ধান্তৰ নিম্নলিখিত গ্ৰন্থ আছে ; এই বোৰৰ ভিতৰত :— ৪ মূল সুত্ৰ :—

(১) আৱশ্যক সূত্ৰ, (২) বিশেষ আৱশ্যক সূত্ৰ, (৩) দশবৈকালিক সুত্ৰ, আৰু (৪) পাক্ষিক সূত্ৰ।

একাদশ অঙ্গ :—

(১) আচাৰাঙ্গ সুত্ৰ, (২) সুগৰাঙ্গ সুত্ৰ, (৩) থানাঙ্গ সুত্ৰ, (৪) সমবায়াঙ্গ সূত্ৰ, (৫) ভগৱতী সূত্ৰ, (৬) জ্ঞাতা ধৰ্ম্ম কথা সূত্ৰ, (৭) উপাসক-দশা সূত্ৰ, (৮) অন্তগড়দশা সূত্ৰ, (৯) অনুত্তৰোববাই সূত্ৰ, (১০) বিপাক সুত্ৰ আৰু (১১) প্ৰশ্ন ব্যাকৰণ সূত্ৰ।

দ্বাদশ উপাঙ্গ :—

(১) উপবাঈ সুত্ৰ, (২) ৰায়পসেনী সূত্ৰ, (৩) জীৱাভিগম সূত্ৰ, (৪) পন্নবণা সূত্ৰ (৫) জম্বুদ্বীপন্নতী সূত্ৰ, (৬) চন্দ পন্নতী সূত্ৰ, (৭) সুৰোপন্নতী সূত্ৰ, (৮) নিৰিয়াৱলী সূত্ৰ, (৯) কপ্পিয়া সূত্ৰ, (১০) কপবড়ীসয়া সূত্ৰ, (১১) পুপ্পিয়া সূত্ৰ, (১২) পুপ্যচূলিয়া সূত্ৰ।

পঞ্চ কল্প সুত্ৰ :—

(১) উত্তৰাধ্যয়ন সূত্ৰ, (২) নিশীয় সূত্ৰ, (৩) কল্প সূত্ৰ, (৪) ব্যৱহাৰ সূত্ৰ, আৰু (৫) জীত কল্প সূত্ৰ।

ষট্‌ছেদ :—

(১) মহানিশীথ বৃহদ্বাচনা সূত্ৰ, (২) মহানিশীথ লঘুবাচনা সূত্ৰ, (৩) মধ্যম বাচনা সূত্ৰ, (৪) পিণ্ড নিৰুক্তি সূত্ৰ, (৫) ওঘ-নিৰুক্তি সূত্ৰ, আৰু (৬) পৰ্য্যুষৈণা সূত্ৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দশ পয়ন্না সূত্ৰ ঃ—
১) চতুস্‌সৰণ সূত্ৰ, (২) পচ্চখাণ সূত্ৰ, (৩) তদলুবৈয়া লিক-সূত্ৰ, (৪) ভক্তিপৰিজ্ঞান সূত্ৰ, (৫) মহাপ্ৰত্যাখ্যান সূত্ৰ, (৬)-চন্দাবিজয় সূত্ৰ, (৭) গণীবিজয় সূত্ৰ, (৮) মৰণসমাধি সূত্ৰ, ৯) দেবেন্দ্ৰস্তমন সূত্ৰ, (১০) সংসাৰ সূত্ৰ, ইয়াৰ বাহিৰেও নন্দী সূত্ৰ আৰু যোগোদ্ধাৰ সূত্ৰও প্ৰমাণিক বুলি মানে ।

পঞ্চাঙ্গঃ—
১) পূৰ্ব্বোক্ত সমস্ত গ্ৰন্থৰ টীকা, (২) নিৰুক্তি, (৩) চৰণী আৰু ৪) ভাষ্য এই চাৰি অৱয়ব আৰু সমস্ত মূলভাগক পঞ্চাঙ্গ বোলে ।

ঢুণ্ডিয়াসকলে এইবোৰ গ্ৰন্থৰ ভিতৰত অবয়ববোৰক নেমানে । এইবোৰৰ বাহিৰে আৰু অনেক গ্ৰন্থ আছে, যিবোৰ জৈন সকলে মানে । এওঁলোকৰ মতৰ বিষয়ে বিশেষ আলোচনা দ্বাদশ সমুল্লাসত দ্ৰষ্টব্য ।

জৈন গ্ৰন্থবোৰৰ ভিতৰত লক্ষ লক্ষ পুনৰুক্তি পোৱা যায়। জৈন সকলৰ কোনো কোনোৱে জৈন গ্ৰন্থ অন্য-মতালম্বীৰ হাতত থাকিলে বা অন্যমতাবলম্বীৰ দ্বাৰাই মুদ্ৰিত হলে অপ্ৰমাণ গ্ৰন্থ বুলি কয় । তেওঁলোকৰ এই ধাৰণা ভুল । কাৰণ যি গ্ৰন্থ কোনো জৈনে মানে বা কোনো জৈনে নেমানে সেই বুলি সেই গ্ৰন্থ জৈন মতৰ বাহিৰ হব নোৱাৰে। যি গ্ৰন্থ কোনো জৈনে নেমানে আৰু কোনো জৈনে কেতিয়াও মনা নাই তেতিয়া হলে সেই গ্ৰন্থ অগ্ৰাহ্য হব পাৰে। কিন্তু এনেকুৱা কোনো গ্ৰন্থ নাই যিখন কোনো জৈনে নেমানে। গতিকে যেয়ে যি গ্ৰন্থ মানে সেই গ্ৰন্থৰ বিষয়ৰ খণ্ডন মণ্ডনো তেওঁৰ কাৰণেই বুলি বুজিব লাগিব। কিন্তু এনেকুৱা অনেক জৈন আছে যে. তেওঁলোকে সেইবোৰ গ্ৰন্থ জানে আৰু মানেও। তথাপি কোনো সভাত অথবা তৰ্ক বিতৰ্কৰ স্থলত সেই গ্ৰন্থবোৰ নেমানো বুলি কয়। এই কাৰণেই জৈনসকলে তেওঁলোকৰ মতৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

গ্ৰন্থবোৰ আন কোনো ভিন্ন মতাবলম্বীক পঢ়িবলৈ নিদিয়ে, নপঢ়ায়, নুশুনায় আৰু লুকুৱাই ৰাখে। কাৰণ জৈনৰ উল্লিখিত গ্ৰন্থবোৰ এনেকুৱা অসম্ভৱ কথাৰে পৰিপূৰ্ণ যে, জৈন পণ্ডিত-সকলে তাৰ কোনো উত্তৰ দিব নোৱাৰে। গতিকে তেনেকুৱা অসত্যকথা বোৰ এৰি পেলোৱাইহে তাৰ উত্তৰ হব পাৰে।

ত্ৰয়োদশ সমুল্লাসত খৃষ্টিয়ান মতৰ বিষয়ে লিখা হৈছে। খৃষ্টিয়ানে বাইবেলকেই ধৰ্ম্মগ্ৰন্থ বুলি মানে। তেওঁলোকৰ বিশেষ সমাচাৰ ত্ৰয়োদশ সমুল্লাসত দ্ৰষ্টব্য। চতুৰ্দ্দশ সমুল্লাসত মুছলমান মতৰ বিষয়ে লিখা হৈছে, তেওঁলোকে কোৰাণক তেওঁলোকৰ মতৰ মূল, গ্ৰন্থৰূপে মানে। তেওঁলোকৰ আচৰণৰ আলোচনাও তাতেই দ্ৰষ্টব্য। তাৰ পাছত বৈদিক মতৰ বিষয়ে লিখা হৈছে। যিজনে গ্ৰন্থৰ তাৎপৰ্য্যৰ বিপৰীত মনোভাবেৰে এই গ্ৰন্থ চায় তেওঁ গ্ৰন্থৰ তাৎপৰ্য্য একো বুজিব নোৱাৰিব কাৰণ বাক্যাৰ্থ বোধৰ চাৰিটা কাৰণ আছে সেইবোৰ হৈছে— আকাঙ্ক্ষা, যোগ্যতা, আসক্তি আৰু তাৎপৰ্য্য যি এই চাৰিটাৰ বিষয় লক্ষ্য কৰি অধ্যয়ন কৰে তেওঁহে গ্ৰন্থৰ অভিপ্ৰায় যথাৰ্থ ভাৱে বুজিব পাৰে।

"আকাঙ্ক্ষা" — কোনো বিষয়ত বক্তা আৰু বাক্যস্থ পদ-বোৰৰ ভিতৰত পাৰস্পাৰিক আকাঙ্খা থাকে।

"যোগ্যতা" — যাৰ দ্বাৰাই যি হব পাৰে তাকেই যোগ্যতা বোলে, যেনে জলৰ দ্বাৰা সিঞ্চন।

"আসক্তি" — যি পদৰ লগত যাৰ সম্বন্ধ তাৰেই সমীপত সেই পদ ব্যৱহাৰ। অৰ্থাৎ বোলা আৰু লেখাৰ নাম আসক্তি।

"তাৎপৰ্য্য"— যাৰ কাৰণে বক্তাই শব্দ উচ্চাৰণ কৰে বা লিখে তাৰ লগত সেই বচন বা লিখনিৰ যুক্ত কৰাৰ নাম তাৎপৰ্য্য। যিবোৰ জেদ প্ৰকৃতিৰ আৰু দুৰাগ্ৰহী স্বভাৱৰ মানুহ, তেওঁলোকে বক্তাৰ অভিপ্ৰায়ৰ বিৰুদ্ধে কল্পনা কৰে, বিশেষকৈ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কোনো মতৰ পক্ষপাতীসকলে তেনেকৈয়ে কৰে। মতৰ পক্ষপাতৰ আগ্ৰহত তেওঁলোকৰ বুদ্ধি অন্ধকাৰত আচ্ছন্ন হৈ বিলুপ্ত হৈ যায়।

এই কাৰণেই মই যেনেকৈ পুৰাণ, জৈনগ্ৰন্থ, বাইবেল, আৰু কোৰাণ আদিক প্ৰথমেই কুদৃষ্টিত নেদেখি এই গ্ৰন্থবোৰৰ পৰা গুণবোৰ গ্ৰহণ দোষবোৰৰ বৰ্জ্জন আৰু মানব জাতিৰ উন্নতিৰ কাৰণেই চেষ্টা কৰিছো সেই সকলেও এই দৰেই কৰা কৰ্ত্তব্য। এই মতবোৰৰ দোষ সামান্য মাত্ৰহে প্ৰকাশ কৰা হৈছে। সকলো মানুহে যাতে এইবোৰ দেখি সত্য আৰু অসত্য মতৰ বিবেচনা আৰু সত্যৰ গ্ৰহণ অসত্যৰ বৰ্জ্জন কৰিব আৰু কৰাবৰ সমৰ্থ হয় এয়েহে মোৰ অভিপ্ৰায়। কাৰণ মানুহক বিভ্ৰান্ত কৰি এক মানব জাতিতে বিদ্বেষ ভাৱ সৃষ্টি কৰি পৰস্পৰৰ ভিতৰত শত্ৰুতা কন্দল, আৰু বিবাদ ঘটোৱা বিদ্বান পুৰুষৰ স্বভাব বিৰুদ্ধ। অবিদ্বান সকলে এই গ্ৰন্থৰ অৰ্থ বিপৰীত ভাবে বুজিলেও অন্তত: বিদ্বান সজ্জনসকলে যথোচিত অভিপ্ৰায় উপলব্ধি কৰিব পাৰিব। ইয়াকে ভাৱিয়েই মোৰ পৰিশ্ৰম সফল ভাবি মোৰ নিজৰ অভিপ্ৰায় সজ্জনসকলৰ আগত ডাঙি ধৰিছো। তেওঁলোকে ইয়াকে দেখি আৰু আনকো দেখুৱায়। মোৰ পৰিশ্ৰম সফল কৰে যেন। এই দৰেই পক্ষপাত নকৰি সত্য অৰ্থৰ প্ৰকাশ কৰা মোৰ আৰু সকলো সদাশয় ব্যক্তিৰ পৰম কৰ্ত্তব্য।

সৰ্ব্বাত্মা সৰ্ব্বান্তৰ্য্যামী সচ্চিদানন্দ পৰমাত্মাই নিজ কৃপাৰেই এই উদ্দেশ্য বিস্তৃত আৰু চিৰস্থায়ী কৰক।

অলমতিবিস্তৰেণ বুদ্ধিমদ্বৰশিৰোমণিষু।

ইতি ভূমিকা॥

স্থান মহাৰাণাজীৰ উদয়পুৰ (স্বামী) দয়ানন্দসৰস্বতী

ভাদ্ৰপদ শুক্লপক্ষ, সংবৎ ১৯৳৯

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ওঁ

সত্যাৰ্থপ্ৰকাশৰ সূচীপত্ৰ

(পূৰ্ব্বাৰ্দ্ধ)

১ম সমুল্লাস.... .... ১ পৃষ্ঠাৰ পৰা ২৫ পৃষ্ঠা পৰ্য্যন্ত

১। ঈশ্বৰৰ নাম ব্যাখ্যা, ২। মঙ্গলাচৰণ ব্যাখ্যা,

২য় সমুল্লাস.... .... ২৬—৩৬

১। বালশিক্ষা বিষয়, ২। ভূত-প্ৰেত আদিৰ খণ্ডন,

৩। সোঁৱৰণি বিচাৰ সূৰ্য্যাদি গ্ৰহৰ বিবেচনা,

৩য় সমুল্লাস.... .... ৩৭—৮৬

১। অধ্যয়ন আৰু অধ্যাপনাৰ বিষয়, ২। গুৰুমন্ত্ৰ ব্যাখ্যা.

৩। যজ্ঞপাত্ৰৰ আকৃতি, ৪। সন্ধ্যা আদিৰ উপদেশ,

৫। হোমৰ ফল নিৰ্ণয়, ৬। উপনয়ন ব্যাখ্যা, ৭। ব্ৰহ্ম-চৰ্য্যোপদেশ, ৮। ব্ৰহ্মচাৰীৰ কৰণীয়, ৯। পাচবিধ পৰীক্ষা আৰু অধ্যাপনা, ১০। পঢ়া-পঢ়োৱাৰ বিধি ১১। গ্ৰন্থৰ প্ৰামাণ্য বিবেচনা, ১২। নাৰী আৰু শূদ্ৰৰ বেদ অধ্যয়নৰ বিধি।

৪ৰ্থ সমুল্লাস.... .... ৮৭—১৪১

১। সমাবৰ্ত্তনৰ বিষয়, ২। দূৰ দেশত বিবাহ কৰণীয়,

৩। বিবাহত স্ত্ৰী-পুৰুষৰ পৰীক্ষা, ৪। বাল্য বিবাহ নিষেধ,

৫। গুণ কৰ্ম্ম অনুসৰি কৰ্ম ব্যৱস্থা, ৬। বিবাহৰ লক্ষণ,

৭। স্ত্ৰী-পুৰুষৰ ব্যৱহাৰ, ৮। পঞ্চ মহাযজ্ঞ, ৯। পাষণ্ডৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তিৰস্কাৰ ১০। প্ৰাতঃকৃত্য আৰু ধৰ্ম্মকৃত্য, ১১। পাষণ্ডৰ লক্ষণ, ১২। গৃহস্থৰ ধৰ্ম্ম ১৩। পণ্ডিতৰ লক্ষণ, ১৪। মূৰ্খৰ লক্ষণ, ১৫। বিদ্যাৰ্থীৰ কৰ্ত্তব্যৰ ব্যাখ্যা, ১৬। পুনৰ্বিবাহ আৰু নিয়োগৰ বিষয়, ১৭। গৃহাশ্ৰমৰ শ্ৰেষ্ঠতা।

৫ম সমুল্লাস.... ... . ১৪২—১৫৮

১। বানপ্ৰস্থ বিধি, ২। সন্ন্যাস আশ্ৰম বিধি।

৬ষ্ঠ সমুল্লাস.... .... ১৫৯—২০০

১। ৰাজ ধৰ্ম্মৰ বিষয়, ২। তিনিখন সভাৰ কথা, ৩। ৰজাৰ লক্ষণ, ৪। দণ্ডৰ বিষয়ে ব্যাখ্যা, ৫। ৰজাৰ কৰ্ত্তব্য, ৬। ওঠৰ বিধ ব্যসনৰ নিষেধ, ৭। মন্ত্ৰী আৰু দূতাদিৰ লক্ষণ. ৮। মন্ত্ৰী আদিৰ কাৰ্য্য নিয়োগ, ৯। দুৰ্গ নিৰ্ম্মাণৰ ব্যাখ্যা, ১০। যুদ্ধ কৰাৰ প্ৰকাৰ, ১১। ৰজা প্ৰজাৰ ৰক্ষণাদিৰ বিধি, ১২। গ্ৰামাধিপতিৰ বৰ্ণনা, ১৩। কৰ গ্ৰহণৰ প্ৰকাৰ, ১৪। মন্ত্ৰ কৰণ প্ৰকাৰ, ১৫। আসনাদি সাত গুণৰ কথা, ১৬। ৰাজ মিত্ৰ আৰু উদাসী শত্ৰুৰ লগত ব্যৱহাৰ ১৭। শত্ৰু আৰু যুদ্ধ কৰাৰ প্ৰকাৰ, ১৮। বেপাৰাদিত ৰাজভাগৰ কথা ১৯। অষ্টাদশ বিবাদ মাৰ্গত ধৰ্মৰ বিবেচনা ২০। সাক্ষীৰ কৰ্ত্তব্যোপদেশ, ২১। মিছা সাক্ষীৰ বিচাৰ কৰা, ২১। চোৰাদিৰ দণ্ডাদি ব্যাখ্যা।

৭ম সমুল্লাস .. .. ২০১—২৪৩

১। ঈশ্বৰ, ২। ঈশ্বৰ বিষয়ক প্ৰশ্নোত্তৰ, ৩। ঈশ্বৰৰ স্তুতি, প্ৰাৰ্থনা আৰু উপাসনা, ৪। ঈশ্বৰ জ্ঞানৰ প্ৰকাৰ, ৫। ঈশ্বৰৰ অস্তিত্ব, ৬। ঈশ্বৰাবতাৰ নিষেধ, ৭। জীৱৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স্বতন্ত্ৰতা, ৮। জীৱ আৰু ঈশ্বৰৰ বিভেদ বৰ্ণন, ৯। ঈশ্বৰৰ সগুণ আৰু নিৰ্গুণ বৰ্ণন, ১০। বেদ বিষয়ৰ বৰ্ণন।

৮ম সমুল্লাস.... .... ২৪৪ – ২৭৮

১। সৃষ্টি আৰু উৎপত্তি আদি
২। ঈশ্বৰভিন্ন প্ৰকৃতি আৰু উপাদানৰ বিবেচনা
৩। সৃষ্টিৰ বিষয়ে নাস্তিকৰ মত
৪। মনুষ্যাদিৰ সৃষ্টি
৫। স্থানাদিৰ নিৰ্ণয়
৬। আৰ্য্যম্লেচ্ছাদিৰ ব্যাখ্যা
৭। ঈশ্বৰৰ জগদাধাৰত্ব

৯ম সমুল্লাস.... .... ২৭৯—৩১২

১। বিদ্যা অবিদ্যা বিষয়ে,
২। বন্ধন আৰু মোক্ষ।

১০ম সমুল্লাস.... .... ৩১৩—৩৩২

১। আচাৰ অনাচাৰ বিষয়
২। ভক্ষ্য অভক্ষ্য বিষয়।

·ইতি পূৰ্ব্বাৰ্দ্ধ·

—❀—

(উত্তৰাৰ্দ্ধ)

১১ শ সমুল্লাস.... .... ১ - ৩

অনুভূমিকা—

১। আৰ্য্যাবৰ্ত্ত দেশৰ বিষয়ে
২। মন্ত্ৰাদি সিদ্ধি নিৰাকৰণ
৩। বামমাৰ্গৰ নিৰাকৰণ
৪। অদ্বৈতবাদৰ বিবেচনা
৫। ভস্ম ৰুদ্ৰাক্ষ-তিলকাদি
৬। বৈষ্ণৱ মতৰ বিবেচনা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৭। মূৰ্ত্তি পূজাৰ বিবেচনা
৮। পঞ্চামৃতন পূজাৰ বিবেচনা
৯। গয়া শ্ৰাদ্ধ
১০। জগন্নাথ তীৰ্থৰ বিবেচনা
১১। ৰামেশ্বৰৰ বিবেচনা
১২। কালিয়াকান্ত সোমনাথাদিৰ বিবেচনা
১৩। দ্বাৰিকা, জ্বালামুখীৰ বিবেচনা
১৪। গঙ্গা স্নানৰ বিবেচনা
১৫। নামস্মৰণ আৰু তীৰ্থ শব্দৰ ব্যাখ্যা
১৬। গুৰু মাহাত্ম্যৰ বিবেচনা
১৭। অষ্টাদশ পুৰাণৰ বিবেচনা
১৮। শিৱ পুৰাণৰ বিবেচনা
১৯। ভাগৱত বিবেচনা
২০। সূৰ্য্যাদি পূজাৰ বিবেচনা
২১। ঔৰ্দ্ধ্বদেহিক দানাদিৰ বিবেচনা
২২। মাৰণ মোহন আৰু উচ্চাটনৰ বিবেচনা
২৩। শৈৱ মতৰ বিবেচনা
২৪। শক্তি আৰু বৈষ্ণৱ মতৰ বিবেচনা
২৫। কবীৰ পন্থৰ বিবেচনা
২৬। নানক পন্থৰ বিবেচনা
২৭। দাদূ ৰাম স্নেহ্যাদি পন্থৰ বিবেচনা
২৮। গোকুলিয়া গোস্বামী মতৰ সমীক্ষা
২৯। স্বামী নাৰায়ণ মতৰ সমীক্ষা
৩০। মাধ্ব লিঙ্গাঙ্কিত ব্ৰাহ্ম প্ৰাৰ্থনা সমাজাদিৰ বিবেচনা
৩১। আৰ্য্য সমাজৰ বিষয়
৩২। তন্ত্ৰাদি বিষয়ৰ প্ৰশ্নোত্তৰ
৩৩। ব্ৰহ্মচাৰী আৰু সন্ন্যাসীৰ বিবেচনা
৩৪। আৰ্য্যাবৰ্ত্তৰ ৰাজবংশাৱলী

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

১২ সমুল্লাস.... .... ১৮৭—২৮৫

১। অনুভূমিকা—
২। নাস্তিক মতৰ বিবেচনা
৩। চাৰ্বাক মতৰ বিবেচনা
৪। বৌদ্ধ সৌগত মতৰ সমীক্ষা
৫। সপ্তভংগী স্যাদ্বাদী
৬। জৈন আৰু বৌদ্ধৰ ঐক্য
৭। আস্তিক আৰু নাস্তিক সংবাদ
৮। জগতৰ অনাদিৰ বিষয়ে
৯। জীৱৰ বাহিৰে জড় পদাৰ্থৰ বৰ্ণনা
১০। জৈন ধৰ্ম্ম প্ৰশংসাদি
১১। জৈন মতৰ মতে মুক্তিৰ বিবেচনা
১২। জৈন সাধুৰ লক্ষণ
১৩। জৈনৰ ২৪ গৰাকী তীৰ্থংকৰৰ বৰ্ণনা
১৪। জৈন মতত জম্বুদ্বীপাদিৰ বিবৰণ।

১৩ সমুল্লাস.... .... ২৮৬—৩৭২

১। অনুভূমিকা—
২। খৃষ্টিয়ান মতৰ বিবেচনা
৩। লয়ব্যবস্থা, ৪। গণনাৰ পুস্তক,
৫। চমুৱেলৰ ২য় পুস্তক, ৬। ৰজাৰ পুস্তক
৭। কালৰ বিষয়ে ১ম পুস্তক
৮। আয়ূবৰ পুস্তক, ৯। উপদেশৰ কিতাপ
১০। মত্তীৰচিত অধ্যায়, ১১। মাৰ্ক ৰচিত অধ্যায়
১২। লুক ৰচিত অধ্যায়, ১৩। মোহন ৰচিত সুসমাচাৰ
১৪। মোহন প্ৰকাশিত বাক্য।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

১৪ সমুল্লাস .... ৩৭৩—৪৭৬
১। অনুভূমিকা, ২। যবন আৰু কোৰাণৰ বিবেচনা,
ইতি উত্তৰাৰ্দ্ধ

স্বমন্তব্যামন্তব্যৰ বিষয়ে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

FOUNDER OF ARYA SAMAJ

Swami Dayananda Saraswati

Author of Satyarth Prakash

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ওম্

অথ সত্যাৰ্থ-প্ৰকাশঃ

প্ৰথম সমুল্লাস।

ওম্ শন্নো মিত্ৰঃ শং বৰুণঃ শন্নো ভৱত্বৰ্য্যমা
শন্ন ইন্দ্ৰো বৃহস্পতিঃ শন্নো বিষ্ণুৰুৰুক্ৰমঃ ॥
নমো ব্ৰহ্মণে নমস্তে বায়ো ত্বমেৱ প্ৰত্যক্ষং ব্ৰহ্মাসি।
ত্বামেৱ প্ৰত্যক্ষং ব্ৰহ্ম বদিষ্যামি ঋতং বদিষ্যামি,
সত্যং বদিষ্যামি তন্মামৱতু তদ্বক্তাৰমৱতু। অৱতু
মামৱতু বক্তাৰম্॥ ওঁ শান্তিঃ শান্তিঃ শান্তিঃ ॥ ১ ॥

অৰ্থ—(ওম্), পৰমেশ্বৰৰ সৰ্ব্বোত্তম নাম অ, উ, ম, এই তিনিটা আখৰৰ সংযোগ হৈ এক (ওঁ) শব্দ হৈছে। এই এটা নামৰ পৰাই পৰমেশ্বৰৰ অনেক নাম সূচিত হয়, যেনে—'অ' কাৰৰ পৰা বিৰাট, অগ্নি আৰু বিশ্ব আদি; "উ" কাৰৰ পৰা হিৰণ্যগৰ্ভ, বায়ু আৰু তৈজস আদি; 'ম' কাৰৰ পৰা ঈশ্বৰ, আদিত্য আৰু প্ৰাজ্ঞ আদি নাম সূচিত আৰু গৃহীত হয়। কাৰণ প্ৰকৰণ অনুসাৰে এইবোৰ যে পৰমেশ্বৰৰেই নাম তাক বেদাদি শাস্ত্ৰত অতি স্পষ্টকৈ ব্যাখ্যা কৰা আছে।

প্ৰশ্ন—বিৰাট আদি নাম পৰমেশ্বৰ বাহিৰে অন্য পদাৰ্থৰ নাম নহয় কিয়? ব্ৰহ্মাণ্ড, পৃথিৱী, ভূত, ইন্দ্ৰাদি দেৱতা আৰু আয়ুৰ্ব্বেদত শুণ্ঠী আদি ঔষধিৰো এই নাম আছে নে নাই?

(উত্তৰ)—আছে। কিন্তু পৰমেশ্বৰৰো আছে। (প্ৰশ্ন)—এইবোৰ নাম কেৱল দেৱতাৰ বুলি গ্ৰহণ কৰে নে নকৰে? (উত্তৰ)—তেনে অৰ্থত গ্ৰহণ কৰাত আপোনাৰ প্ৰমাণ কি? (প্ৰশ্ন)—দেৱতা সকল প্ৰসিদ্ধ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আৰু শ্ৰেষ্ঠ, গতিকে দেৱতাৰ অৰ্থত গ্ৰহণ কৰিব পাৰো। (উত্তৰ)—পৰমেশ্বৰ তেনেহলে অপ্ৰসিদ্ধ নেকি? পৰমেশ্বৰতকৈও কিবা শ্ৰেষ্ঠ আছে নেকি?

এইবোৰ পৰমেশ্বৰৰ নাম বুলি ধৰাত আপত্তি কি? পৰমেশ্বৰ যেতিয়া অপ্ৰসিদ্ধ নহয় আৰু তেওঁৰ সমতুল্য একো নাই, পৰমেশ্বৰতকৈ শ্ৰেষ্ঠ আৰু কি হব পাৰে? গতিকে আপোনাৰ মন্তব্য অগ্ৰাহ্য, আৰু অসঙ্গত। যেনে ঃ—

"উপস্থিতং পৰিত্যজ্যানুপস্থিতং যাচত ইতি বাধিতন্যায়ঃ"। কোনোৱে কাৰবাৰ আগত ভোজ্য বস্তু দি "ভোজন কৰক বুলি কোৱাত যদি সেই ব্যক্তিয়ে আগত থকা ভোজন এৰি অপ্ৰাপ্ত ভোজ্য বস্তুৰ কাৰণে ইতস্ততঃ ভ্ৰমণ কৰে, সেই জনক বুদ্ধিমান বুলি গণ্য কৰিব নোৱাৰি। কাৰণ তেওঁ উপস্থিত বস্তু এৰি অনুপস্থিত আৰু অপ্ৰাপ্য বস্তু বিচাৰি পৰিশ্ৰম কৰে। আপোনাৰ ধাৰণাতো এই উদাহৰণেই খাটে। কাৰণ আপুনি প্ৰসিদ্ধ প্ৰমাণসিদ্ধ পৰমেশ্বৰ ব্ৰহ্মাণ্ড আৰু বিৰাট আদি নাম উপস্থিত অৰ্থও পৰিত্যাগ কৰি অসঙ্গত আৰু অনুপস্থিত দেৱাদিৰ নাম বুলি গ্ৰহণ কৰিব খুজিছে, আৰু আপোনাৰ মতে দেৱাদিৰ অৰ্থত প্ৰতিপাদন কৰিবলৈ প্ৰমাণ নাই। আপুনি যদি কব খোজে যে য'ত যাৰ প্ৰকৰণ ত'ত তাৰ অৰ্থহে লব লাগিব। যেনে এজনে আন এজনক কলে হে ভৃত্য! "ত্বং সৈন্ধৱমানয়" অৰ্থাৎ সৈন্ধৱ আন। তেতিয়া সময় আৰু প্ৰকৰণৰ বিবেচনা আৱশ্যক হয়। কাৰণ সৈন্ধৱ মানে লৱণ আৰু ঘোঁৰা, গতিকে খাবৰ সময়ত লৱণ আৰু যাবৰ সময়ত ঘোঁৰাৰ প্ৰয়োজন, খাবৰ সময়ত ঘোঁৰা আৰু যাবৰ সময়ত লৱণ আনিলে নিৰ্বোধতাৰেই প্ৰমাণ হয়। গতিকে য'ত যাৰ প্ৰকৰণ ত'ত শব্দৰ অৰ্থ সেইমতে গ্ৰহণ কৰিব লাগিব।

অথ মন্ত্ৰাৰ্থঃ

ওঁ খং ব্ৰহ্ম ॥ ১ ॥ যজুঃ অঃ ৪০। মঃ ১৭ ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এতিয়া দেখক বেদৰ এনেকুৱা প্ৰকৰণত ওঁ আদি পৰমেশ্বৰৰ নাম বাচক।

ওমিত্যেতদক্ষৰমুদ্গীথমুপাসীত ॥ ২ ॥ ছান্দোগ্য উপনিষৎ। মঃ ১।

ওমিত্যেতদক্ষৰমিদং সৰ্ব্বং তস্যোপব্যাখ্যানম্ ॥ ৩ ॥ মাণ্ডুক্যঃ মঃ ১।

সৰ্ব্বে বেদা যৎপদমামনন্তি তপাংসি সৰ্ব্বাণি চ যদ্বদন্তি।
যদিচ্ছন্তো ব্ৰহ্মচৰ্য্যং চৰন্তি তত্তে পদং সংগ্ৰহেণ ব্ৰবীম্যোমিত্যেতৎ ॥
৪ ॥ কঠোপনিষদ, বল্লী, ২ মঃ ১৫ ॥

প্ৰশাসিতাৰং সৰ্ব্বেষামণীয়াংসমণোৰপি। ৰুক্মাভাং স্বপ্নধীগম্যং বিদ্যাত্তং পুৰুষং পৰম্ ॥ ৫ ॥

এতমগ্নিং বদন্ত্যেকে মনুমন্যে প্ৰজাপতিম্। ইন্দ্ৰমেকে পৰে প্ৰাণমপৰে ব্ৰহ্ম শাশ্বতম্ ॥ ৬ ॥ মনুঃ অঃ ১২ ॥ শ্লোঃ ১২২। ১২৩।

স ব্ৰহ্মা স বিষ্ণুঃ স ৰুদ্ৰস্ স শিবস্ সোঽক্ষৰস্ স পৰমঃ স্বৰাট্।
স ইন্দ্ৰস্ স কালাগ্নিস্ স চন্দ্ৰমাঃ ॥ ৭ ॥ কৈৱল্য উপনিষৎ।

ইন্দ্ৰং মিত্ৰং বৰুণমগ্নিমাহুৰথো দিব্যস্ স সুপৰ্ণো গৰুত্মান।
একং সদ্বিপ্ৰা বহুধা বদন্ত্যগ্নিং যমং মাতৰিশ্বানমাহু ॥ ৮ ॥
ঋঃ মঃ ১। অনু ২২ সুঃ ১৬৪। মঃ ৪৬।

ভূৰসি ভূমিৰস্যদিতিৰসি বিশ্বধায়া বিশ্বস্য ভুৱনস্য ধৰ্ত্ৰী।
পৃথিবীং যচ্ছ পৃথিবীং দৃংহ পৃথিবীং মা হিংসীঃ ॥ ৯ ॥
যজুঃ অঃ ১৩। মঃ ১৮ ॥

ইন্দ্ৰো মহ্না ৰোদসী পপ্ৰথচ্ছৱ ইন্দ্ৰঃ সূৰ্য্যমৰোচয়ৎ। ইন্দ্ৰেহ বিশ্বা ভুৱনানি যেমিৰ ইন্দ্ৰ স্বানাস ইন্দৱঃ ॥ ১০ ॥ সামবেদ প্ৰপাঃ ত্ৰিক ৮। মঃ ২ ॥

প্ৰাণায় নমো যস্য সৰ্ব্বমিদং বশে। যো ভূতঃ সৰ্ব্বস্যেশ্বৰো যস্মিন সৰ্ব্বং প্ৰতিষ্ঠিতম্ ॥ ১১ ॥ অথৰ্ব্ববেদ কাণ্ড ১১। অঃ ২। সূঃ ৪। মঃ ১।

অৰ্থ—ওঙ্কাৰাদি নাম যে পৰমাত্মাৰেই বোধক তাৰ প্ৰমাণ স্বৰূপে ওপৰত উদ্ধৃত কৰা হৈছে। মানৱ সমাজত দৰিদ্ৰৰো নাম ধনপতি ৰখা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হয়, যদিও নাম আৰু অৰ্থৰ সামঞ্জস্য নাই, কিন্তু পৰমাত্মাৰ সেইৰূপ কোনো নাম নিৰৰ্থক নহয়। ইয়াৰ পৰা বুজিব লাগিব যে নাম কোনো ক্ষেত্ৰত গৌণিক (গুণগত), কোনো ক্ষেত্ৰত কাৰ্ম্মিক (কৰ্ম্মগত) আৰু কোনো ক্ষেত্ৰত স্বাভাৱিক অৰ্থৰ বাচক। "ওঁ" আদি নাম সাৰ্থক। যেনে—(ওঁ খং") "অৱতীত্যোম্ আকাশমিৱ ব্যাপকত্বাৎ খম্, সৰ্ব্বেভ্যো বৃহত্ত্বাদ ব্ৰহ্ম"। ৰক্ষক অৰ্থত (ওম্) আকাশৰ দৰে ব্যাপক গতিকে (খম্), আৰু সকলোতকৈ বৃহৎ হেতুকে "ব্ৰহ্ম" ঈশ্বৰৰ নাম ॥ ১ ॥ (ওমিত্যেঃ) ওঁ যাৰ নাম আৰু যি অবিনাশী তাৰহে উপাসনা কৰা উচিৎ অন্যৰ অনুচিত ॥ ২ ॥ (ওমিত্যেতঃ), বেদাদি শাস্ত্ৰবোৰত ওমেই পৰমেশ্বৰৰ প্ৰধান আৰু নিজ নাম বোলা হৈছে। অন্য সমস্ত নাম গৌণিক ॥ ৩ ॥ (সৰ্ব্বে বেদাঃ), সকলো বেদ, সকলো ধৰ্ম্মানুষ্ঠানৰূপ তপশ্চৰ্য্যাই যাৰ বিষয়ে বৰ্ণন কৰে আৰু যাক সাধন কৰে আৰু যাৰ প্ৰাপ্তিৰ কামনা কৰি ব্ৰহ্মচৰ্য্য আশ্ৰম অৱলম্বন কৰা হয় তাৰেই নাম "ওঁ" ॥ ৪ ॥

(প্ৰশাসিতাঃ) যি সকলোৰে শিক্ষাদাতা, সূক্ষ্মতকৈ সূক্ষ্ম স্বপ্ৰকাশ স্বৰূপ, আৰু যি সমাধিস্থ বুদ্ধিৰেহে উপলব্ধিৰ যোগ্য তেওঁকেই পৰম পুৰুষ বুলি জানিব লাগে ॥ ৫ ॥ স্বপ্ৰকাশ হেতুকে "অগ্নি" বিজ্ঞান স্বৰূপ হেতুকে "মনু", সকলোকে পালন কৰে হেতুকে "প্ৰজাপতি," আৰু "পৰমৈশ্বৰ্য্যৱান" হেতুকে "ইন্দ্ৰ", সকলোৰে জীৱনৰ মূল হেতুকে "প্ৰাণ" আৰু নিৰন্তৰ ব্যাপক হেতুকে তেওঁৰ নাম "ব্ৰহ্ম" ॥ ৬ ॥ (স ব্ৰহ্মা স বিষ্ণুঃ) জগতৰ সৃষ্টিকৰ্ত্তা গতিকে "ব্ৰহ্মা" সৰ্ববব্যাপক গতিকে "বিষ্ণু" দুষ্টক দণ্ড দি কন্দুৱাই কাৰণে "ৰুদ্ৰ" মঙ্গলময় আৰু সকলোৰে কল্যাণকৰ্ত্তা গতিকে "শিৱ"। "যঃ সৰ্ব্বমশ্নুতে ন ক্ষৰতি ন বিনশ্যতি তদক্ষৰম্" (১) যঃ স্বয়ং ৰাজতে স স্বৰাট্" (২) "যোঽগ্নিৰিৱ কালঃ কলয়িতা প্ৰলয়কৰ্ত্তা স কালাগ্নিৰীশ্বৰঃ" (৩)। (অক্ষৰ) যি সৰ্ব্বত্ৰ ব্যাপ্ত আৰু অবিনাশী, (স্বৰাট্) স্বয়ং প্ৰকাশস্বৰূপ আৰু (কালাগ্নিঃ) প্ৰলয়ত সকলোৰে কাল আৰু কালৰো কাল, এই কাৰণে পৰমেশ্বৰৰ নাম "কালাগ্নি" ॥ ৭ ॥ (ইন্দ্ৰং মিত্ৰং) যি এক অদ্বিতীয়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সত্য ব্ৰহ্ম বস্তু, ইন্দ্ৰাদি সকলো নাম তেওঁৰেই। "দ্যুষু শুদ্ধেষু পদাৰ্থেষু ভৱোঃ দিব্যঃ।" "শোভনানি পৰ্ণানি পালনানি পূৰ্ণানি কৰ্ম্মাণি ৱা যস্য স সুপৰ্ণঃ।" "যো গুৰ্ব্বাত্মা স গৰুত্মান্"। "যো মাতৰিশ্বা বায়ুৰিব বলৱান স মাতৰিশ্বা"। (দিব্য) যি প্ৰাকৃতিক দিব্য পদাৰ্থ সমূহত ব্যাপ্ত, (সুপৰ্ণ) যাৰ সৰ্ব্বোচ্চ পালন আৰু সম্পূৰ্ণ কৰ্ম্ম, (গৰুত্মান্) যাৰ আত্মস্বৰূপ মহান্ (মাতৰিশ্বা) যি বায়ুৰ দৰে অনন্ত বলৱান্ গতিকেই পৰমাত্মাৰ দিব্য, সুপৰ্ণ, গৰুত্মান্ আৰু মাতৰিশ্বা আদি লাক্ষনিক নাম। অন্যান্য নামবোৰৰো প্ৰকৰণ অনুসাৰে পাছত ব্যাখ্যা কৰা হব ॥ ৮ ॥ "(ভূমিৰসিঃ) ভৱন্তি ভূতানি যস্যাং সা ভূমিঃ", যত সকলো ভূতৰ উৎপত্তি আৰু স্থিতি, গতিকে পৰমেশ্বৰৰ নাম "ভূমি"। বাকীবোৰ নামৰ ব্যাখ্যা সময়ান্তৰত হব ॥ ৯ ॥ (ইন্দ্ৰোমহ্লাঃ) এই মন্ত্ৰত "ইন্দ্ৰ" পৰমেশ্বৰৰেই নাম। তাৰ প্ৰমাণ উদ্ধৃত কৰা হৈছে ॥ ১০ ॥ (প্ৰাণায়) যেনেকৈ সমস্ত শৰীৰ আৰু ইন্দ্ৰিয় প্ৰাণৰ অধীন, সেই দৰে সমস্ত জগৎ পৰমেশ্বৰৰ অধীন ॥ ১১ ॥ এইবোৰ প্ৰমাণৰ অৰ্থ যথাৰ্থভাৱে অৱগত হলে এই সকলোবোৰ নামৰ দ্বাৰাই পৰমেশ্বৰৰ গ্ৰহণ কৰা হয়। কাৰণ "ওঁ" আৰু "অগ্নি" আদি নামবোৰৰ মুখ্য অৰ্থৰ দ্বাৰাই পৰমেশ্বৰ বোধক হয়। এই নামবোৰৰ ব্যাকৰণ, নিৰুক্ত, ব্ৰাহ্মণ, সূত্ৰগ্ৰন্থ আদি আৰু ঋষি মুনি সকলৰ ব্যাখ্যাৰ পৰা পৰমেশ্বৰৰ অৰ্থই প্ৰতিপাদন হয় গতিকে সেই অৰ্থকেই আমিও গ্ৰহণ কৰা বাঞ্ছনীয়। "ওঁ" এক পৰমেশ্বৰৰেই নাম; কিন্তু অগ্নি আদি নামবোৰৰ অৰ্থ নিৰ্ণয় কৰাত প্ৰকৰণ আৰু বিশেষণৰ ওপৰত নিৰ্ভৰ কৰে। অৰ্থাৎ যি যি স্থলত স্তুতি, প্ৰাৰ্থনা আৰু উপাসনা আদিৰ প্ৰকৰণ, আৰু সৰ্ব্বজ্ঞ, ব্যাপক শুদ্ধ, সনাতন, সৃষ্টিকৰ্ত্তা আদি বিশেষণ থাকে, সেইবোৰ স্থলত এনেকুৱা নামবোৰৰ পৰা পৰমেশ্বৰৰ অৰ্থই গৃহীত হয় আৰু যিবোৰ স্থলত প্ৰকৰণ ভিন্ন যেনে ঃ—

তত্তো বিৰাডজায়ত বিৰাজো অধিপুৰুষঃ। + +
শ্ৰোত্ৰাদ্বায়ুশ্চ প্ৰাণশ্চ মুখাদগ্নিৰজায়ত। + + +
তেন দেৱা অযজন্ত + + + পশ্চাদ্ভূমিমথো পুৰ ॥ যজুঃ অঃ ৩১ ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তস্মাদ্বা এতস্মাদাত্মন আকাশঃ সম্ভূতঃ। আকাশাদ্বায়ুঃ। বায়োৰগ্নিঃ অগ্নেৰাপঃ। অদ্ভ্যঃ পৃথিৱী। পৃথিৱ্যা ওষধয়ঃ। ওষধিভ্যোঽন্নম্। অন্নাদ্ৰেতঃ। ৰেতসঃ পুৰুষঃ। স বা এষ পুৰুষোঽন্নৰসময়ঃ। ॥ তৈত্তিঃ উপঃ ব্ৰহ্মাঃ বল্লী অঃ ১ ॥

এনেবোৰ প্ৰকৰণত বিৰাট, পুৰুষ, দেৱ, আকাশ, বায়ু, অগ্নি, জল আৰু ভূমি আদি শব্দৰ অৰ্থ লৌকিক পদাৰ্থৰ হয়। যিবোৰ সন্দৰ্ভত সৃষ্টি, স্থিতি, প্ৰলয় অল্পজ্ঞ, জড় আৰু দৃশ্য আদি বিশেষণাত্মক শব্দ থাকে, সেইবোৰ সন্দৰ্ভত সেইবোৰ শব্দৰ অৰ্থ পৰমাত্মাবোধক হব নোৱাৰে। পৰমেশ্বৰ সৃষ্টি আদি ব্যাপাৰৰ ভিন্ন। ওপৰত মন্ত্ৰবোৰত সৃষ্টি আদি ব্যাপাৰ আছে গতিকে সেইবোৰ স্থলত বিৰাট আদি শব্দৰ পৰমাত্মা অৰ্থ নহয়, জাগতিক পদাৰ্থৰহে অৰ্থ বোধ হয়। যিবোৰ স্থলত সৰ্ব্বজ্ঞ আদি বিশেষণ থাকে তাত পৰমাত্মাৰ অৰ্থ হয়, আৰু যিবোৰ স্থলত ইচ্ছা, দ্বেষ, প্ৰযত্ন, সুখ, দুঃখ আৰু অল্পজ্ঞ আদি বিশেষণ থাকে সেইবোৰ স্থলত অৰ্থ হব জীৱৰহে পৰমাত্মাৰ নহয় এনেদৰে সকলোতে বুজিব লাগে। এই নীতিৰেই শব্দৰ অৰ্থ নিৰ্ণয় কৰা হয়। পৰমাত্মাৰ জন্মমৃত্যু নাই। বিৰাট আদি নাম আৰু জন্ম আদি গুণ জগতৰ জড় পদাৰ্থ আৰু জীৱৰ অৰ্থত প্ৰয়োগ কৰা উচিত। এতিয়া বিৰাট আদি শব্দৰ পৰা কেনেকৈ পৰমেশ্বৰৰ অৰ্থ গৃহীত হয় নিম্ন উদ্ধৃত প্ৰমাণৰ পৰা তাৰ নিৰ্ণয় হয়।—

অথ ওঙ্কাৰাৰ্থ।

"ৱি" উপসৰ্গ পূৰ্ব্বক (ৰাজৃ দীপ্তৌ) এই ধাতুৰ লগত 'ক্বিপ্' প্ৰত্যয় যোগ হলে "বিৰাট" শব্দ সিদ্ধ হয়। "যো বিবিধং নাম চৰাচৰং জগদ্ ৰাজয়তি প্ৰকাশয়তি স বিৰাট।" যি বিবিধ অৰ্থাৎ জগতক বহু প্ৰকাৰে বা বহু প্ৰকাৰ জগতক প্ৰকাশিত কৰে তেওঁ বিৰাট, এই অৰ্থত বিৰাট শব্দ পৰমাত্মা বোধক। (অঞ্চু গতি পূজনয়োঃ) অগ, অগি, ইণ গত্যৰ্থক ধাতু। এইবোৰৰ পৰা "অগ্নি" শব্দ সিদ্ধ হয়। 'গতেস্ত্ৰয়োঽৰ্থাঃ জ্ঞানং গমনং প্ৰাপ্তিশ্চেতি, জনং নাম সৎকাৰঃ'। "যোঽঞ্চতি অচ্যতেঽগত্যঙ্গত্যেতি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বা সোঽয়মগ্নিঃ"। যি জ্ঞানস্বৰূপ, সৰ্ব্বজ্ঞ, জানিবৰ, পাবৰ আৰু পূজাৰ যোগ্য সেই পৰমাত্মাৰ নাম "অগ্নি"। (বিশ প্ৰৱেশনে), এই ধাতুৰ পৰা "বিশ্ব" শব্দ সিদ্ধ হয়। "বিশন্তি প্ৰৱিষ্টানি সৰ্ব্বাণ্যাকাশাদীনি ভূতানি যস্মিন্, যো বাকাশাদিষু সৰ্ব্বেষু ভূতেষু প্ৰৱিষ্টঃ স বিশ্ব ঈশ্বৰঃ"। যত আকাশাদি সকলো ভূত প্ৰৱেশ কৰিছে, বা যি সকলো ভূততেই ব্যাপ্ত হৈ আৰু প্ৰৱিষ্ট হৈ আছে, সেই এক পৰমাত্মাৰ নাম "বিশ্ব"। কেৱল-মাত্ৰ 'অ'কাৰৰ পৰাই এইবোৰ নাম গৃহীত হয়। "জ্যোতিৰ্ব্বৈ হিৰণ্যং তেজোৱৈ হিৰণ্যমিত্যৈতৰেয়ে, শতপথে চ ব্ৰাহ্মণে" "যো হিৰণ্যানাং সূৰ্য্যা-দীনাং তেজসাং গৰ্ভ উৎপত্তিনিমিত্তমধিকৰণং স হিৰণ্য গৰ্ভঃ"। যাৰ পৰা সূৰ্য্যাদি তেজস্বান লোক সমূহ উৎপন্ন হৈ যাৰ আধাৰত অৱস্থিতি কৰে, বা যি সূৰ্য্যাদি তেজস্বৰূপ পদাৰ্থ সমূহৰ গৰ্ভ অৰ্থাৎ উৎপত্তি আৰু নিবাস স্থান, সেই পৰমাত্মাৰ নাম "হিৰণ্যগৰ্ভ"। এই বিষয়ে যজুৰ্ব্বেদৰ প্ৰমাণ আছে :—

হিৰণ্যগৰ্ভঃ সমৱৰ্ত্ততাগ্ৰে ভূতস্য জাতঃ পতিৰেক আসীৎ।
স দাধাৰ পৃথিবীং দ্যামুতেমাং কস্মৈ দেৱায় হৱিষা বিধেম ॥

(যজুঃ অঃ ১৩। মঃ ৪)

এনেকুৱা প্ৰকৰণত "হিৰণ্যগৰ্ভ"ৰ অৰ্থ পৰমেশ্বৰ হয়। (বা গতি গন্ধনয়োঃ), এই ধাতুৰ পৰা বায়ু শব্দ সিদ্ধ হয়। (গন্ধনং হিংসনম্), "যো বাতি চৰাচৰং জগদ্ধৰতি বলিনাং বলিষ্ঠঃ স বায়ুঃ"। যি চৰাচৰ জগতৰ ধাৰণ, জীৱন আৰু প্ৰলয় কৰ্ত্তা আৰু যি সকলো বলবানতকৈও বলৱান, সেই পৰম ঈশ্বৰৰ নাম "বায়ু"। (তিজ নিশানে) এই ধাতুৰ পৰা "তেজঃ" আৰু ইয়াৰ লগত তদ্ধিত প্ৰত্যয় যোগ হৈ "তৈজস্" শব্দ সিদ্ধ হয়। যি স্বয়ং প্ৰকাশ আৰু সূৰ্য্যাদি তেজস্বান লোক সমুহৰো প্ৰকাশক, সেই পৰমাত্মাৰ নাম "তৈজস্"। 'উ'-কাৰ মাত্ৰাৰ পৰা এইবোৰ আৰু অন্যান্য নামৰ অৰ্থ গৃহীত হয়। (ঈশ ঐশ্চৰ্য্যে), এই ধাতুৰ পৰা ঈশ্বৰ শব্দ সিদ্ধ হয়। "য ঈষ্টে সৰ্ব্বৈশ্চৰ্য্যৱান্ বৰ্ত্ততে স ঈশ্বৰঃ"। যাৰ সত্য বিচাৰশীল জ্ঞান

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আৰু অনন্ত ঐশ্বৰ্য্য আছে, সেই পৰমাত্মাৰ নাম "ঈশ্বৰ"। (দো অৱখণ্ডনে), এই ধাতুৰ পৰা "অদিতি" আৰু ইয়াৰ লগত তদ্ধিত প্ৰত্যয় যোগ হৈ "আদিত্য" শব্দ সিদ্ধ হয়। "ন বিদ্যতে বিনাশো যস্য সোঽয়মদিতিঃ, অদিতিৰেৱ আদিত্যঃ"। যাৰ কেতিয়াও বিনাশ নাই সেই পৰমাত্মাৰ নাম "আদিত্য"। (জ্ঞা অৱবোধনে), "প্ৰ" পূৰ্ব্বক এই ধাতুৰ পৰা "প্ৰজ্ঞ" হয়, আৰু ইয়াৰ লগত তদ্ধিত প্ৰত্যয় যোগ হৈ "প্ৰাজ্ঞ" শব্দ সিদ্ধ হয়। "যঃ প্ৰকৃষ্টতয়া চৰাচৰস্য জগতো ব্যৱহাৰং জানাতি স প্ৰজ্ঞঃ, প্ৰজ্ঞ এৱ প্ৰাজ্ঞঃ"। যি অভ্ৰান্ত জ্ঞান সম্পন্ন আৰু যি সমস্ত চৰাচৰ জগতৰ ব্যাপাৰ যথাৰ্থৰূপে জানে, সেই ঈশ্বৰৰ নাম "প্ৰাজ্ঞ"। কেৱল "ম"কাৰৰ পৰা এইবোৰ নামৰ অৰ্থ গ্ৰহণ হয়। এই স্থলত যিদৰে এক এক মাত্ৰাৰ পৰা তিনিটাকৈ অৰ্থ ব্যাখ্যা হৈছে সেইদৰেই অন্য মাত্ৰাৰ অৰ্থও ওঙ্কাৰৰ পৰা বোধ হয়।

(শন্নো মিত্ৰঃ শং ৱঃ) এই বেদ মন্ত্ৰত মিত্ৰ আদি নামো পৰমাত্মা বোধক, কাৰণ স্তুতি, প্ৰাৰ্থনা আৰু উপাসনা কেৱল শ্ৰেষ্ঠৰহে কৰা হয়। যাৰ গুণ কৰ্ম্ম স্বভাৱ আৰু সত্য ব্যৱহাৰ সৰ্ব্বপেক্ষা মহান তাকেই শ্ৰেষ্ঠ বোলা হয়। শ্ৰেষ্ঠ সকলতকৈও যি শ্ৰেষ্ঠ তেওঁকেই পৰম শ্ৰেষ্ঠ পৰমেশ্বৰ বোলা হয়। তেওঁতকৈ শ্ৰেষ্ঠ একো নাই আৰু হবও নোৱাৰে। গতিকে পৰমাত্মা সৰ্ব্বশ্ৰেষ্ঠ। পৰমেশ্বৰৰ যেনে সত্য, ন্যায় দয়া, সৰ্ব্বসামৰ্থ্য আৰু সৰ্ব্বজ্ঞত্ব আদি অনন্ত গুণ আছে তেনে অন্য জড় পদাৰ্থ বা জীৱৰ নাই। যি বস্তু সত্য তাৰ গুণ, কৰ্ম্ম আৰু স্বভাৱো সত্য হয়। গতিকে মানুহে তেওঁৰ বাহিৰে আন কাকো স্তুতি, প্ৰাৰ্থনা বা উপাসনা কৰিব নেলাগে। কিয়নো ব্ৰহ্মা, বিষ্ণু, মহাদেৱ আদি পূৰ্ব্বজ মহা মহা জ্ঞানী সকলে পৰমেশ্বৰৰ বিশ্বাস আৰু অনুভৱ কৰি স্তুতি প্ৰাৰ্থনা আৰু উপাসনা কৰি গৈছে, আমিও সেই জ্ঞানী সকলৰ অনুকৰণ কৰা উচিত। মুক্তি আৰু উপাসনা বিষয়ে বিশেষ আলোচনা কৰা হব।

প্ৰশ্ন :—মিত্ৰ আদি নামৰ সখা আৰু ইন্দ্ৰ আদি দেৱতা সকল

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰসিদ্ধ ব্যৱহাৰিক বা প্ৰচলিত অৰ্থই হোৱা উচিত। উত্তৰ :—এই স্থলত সেইবোৰ অৰ্থ অসঙ্গত। কাৰণ যি কাৰবাৰ মিত্ৰ তাকেই অন্য কাৰবাৰ শত্ৰু আৰু কাৰবাৰ প্ৰতি উদাসীন পৰিলক্ষিত হয়। গতিকে মুখ্য অৰ্থত সখাদি গ্ৰহণ কৰা অসঙ্গত হয়। কিন্তু পৰমাত্মা সমস্ত জগতৰ নিশ্চিত মিত্ৰ, কাৰবাৰ প্ৰতি শত্ৰু বা কাৰবাৰ প্ৰতি উদাসীনো নহয়, পৰমাত্মাৰ বাহিৰে কোনো জীৱেই তেনেকুৱা হব নোৱাৰে। গতিকেই এই ক্ষেত্ৰত পৰমাত্মাৰ অৰ্থহে সঙ্গত। অৱশ্যে গৌণ অৰ্থত মিত্ৰাদি শব্দৰ পৰা সুহৃদ প্ৰভৃতি অৰ্থও লোৱা হয়। (ঞিঙ মিদা স্নেহনে) এই ধাতুৰ লগত ঔণাদিক "ক্ত্ৰ" প্ৰত্যয় যোগ হৈ "মিত্ৰ" শব্দ সিদ্ধ হয়। "মেদ্যতি স্নিহ্যতি স্নিহ্যতে বা স মিত্ৰঃ" যি সকলোকে স্নেহ কৰে আৰু যি সকলোৰে প্ৰীতিৰ যোগ্য সেই পৰমাত্মাৰ নাম "মিত্ৰ"। (বৃঞ্ বৰণে, ৱৰ ঈপ্সায়াম্) এইবোৰ ধাতুৰ লগত উণাদি "উনন্" প্ৰত্যয় যোগত "বৰুণ" শব্দ সিদ্ধ হয়। "যঃ সৰ্ব্বান্ শিষ্টান্ মুমুক্ষূন্ ধৰ্ম্মাত্মনো ৱৃণোত্যথবা যঃ শিষ্টৈৰ্মুমুক্ষুভিৰ্ধৰ্ম্মাত্মভিৰ্ব্ৰিয়তে বৰ্য্যতে বা স বৰুণঃ পৰমেশ্বৰঃ"। যি আত্মযোগী, বিদ্বান্, মুক্তিকামী মুক্ত আৰু ধৰ্ম্মাত্মা সকলক স্বীকাৰ কৰে, অথবা যি শিষ্ট, মুমুক্ষু, মুক্ত আৰু ধৰ্ম্মাত্মা সকলৰ দ্বাৰাই স্বীকৃত বা উপাসীত সেই ঈশ্বৰৰ নাম "বৰুণ"। অথবা "বৰুণো নাম বৰঃ শ্ৰেষ্ঠ" সকলোতকৈ শ্ৰেষ্ঠ কাৰণেই পৰমেশ্বৰৰ নাম "বৰুণ"। (ঋ গতি প্ৰাপণয়োঃ) এই ধাতুৰ লগত "যৎ" প্ৰত্যয় যোগ হৈ "অৰ্য্য" শব্দ সিদ্ধ হয়। "অৰ্য্য" পূৰ্ব্বক (মাঙ্ মানে) এই ধাতুৰ লগত "কনিন্" প্ৰত্যয়ৰ যোগত "অৰ্য্যমা" শব্দ সিদ্ধ হয়। যোঽৰ্য্যান্ স্বামিনো ন্যায়াধীশান্ মিমীতে মান্যান্ কৰোতি সোঽৰ্য্যমা" যি সত্য আৰু ন্যায়পৰায়ণ সকলক সহায় আৰু সন্মানিত কৰে, যি পাপ পুণ্যৰ যথোচিত নিয়ন্তা সেই পৰমেশ্বৰৰ নাম "অৰ্য্যমা"। (ইদি পৰমৈশ্বৰ্য্যে) এই ধাতুৰ লগত "ৰন্" প্ৰত্যয় যোগ হলে "ইন্দ্ৰ" শব্দ সিদ্ধ হয়। "যঃ ইন্দতি পৰমৈশ্বৰ্য্যৱান্ ভৱতি স ইন্দ্ৰঃ পৰমেশ্বৰঃ।" যি অখিল ঐশ্বৰ্য্যৱান্ সেই পৰমাত্মাৰ নাম "ইন্দ্ৰ"। "বৃহৎ" শব্দ পূৰ্ব্বক (পা ৰক্ষণে) এই ধাতুত "ডতি" প্ৰত্যয়, "বৃহৎ" শব্দৰ ত কাৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

লোপ আৰু সুডাগম হোৱাত "বৃহস্পতি" শব্দ সিদ্ধ হয়। "যো বৃহতামাকাশাদীনাং পতিঃ স্বামী পালয়িতা স বৃহস্পতিঃ" যি মহততকৈও মহৎ, যি আকাশ আৰু ব্ৰহ্মাণ্ড সমূহৰো অধিপতি. সেই পৰমেশ্বৰৰ নাম "বৃহস্পতি"। (বিষ্‌ল্‌ ব্যাপ্তৌ) এই ধাতুৰ লগত "নু" প্ৰত্যয় যোগ হৈ "বিষ্ণু" শব্দ সিদ্ধ হয়। "বেবেষ্টি ব্যাপ্নোতি চৰাচৰং জগৎ স বিষ্ণুঃ"। চৰ আৰু অচৰ জগতত পৰিব্যাপ্ত গতিকে পৰমাত্মাৰ নাম "বিষ্ণু"। "উৰুৰ্মহান্‌ ক্ৰমঃ পৰাক্ৰমো যস্য স উৰুক্ৰমঃ" অনন্ত পৰাক্ৰমশালী গতিকে পৰমাত্মাৰ নাম "উৰুক্ৰম"। (উৰুক্ৰমঃ) পৰম পৰাক্ৰমী পৰমাত্মা (মিত্ৰঃ) সকলোৰে সুহৃদ, (শম্‌) কল্যাণ কাৰক, (বৰুণঃ) সৰ্বোত্তম্‌ ৰূপে (শম্‌) কল্যাণ কাৰক, (অৰ্য্যমা) ন্যায়াধীশ ৰূপে (শম্‌) কল্যাণ কাৰক, (ইন্দ্ৰঃ) সৰ্বৈশ্বৰ্য্যশালী আৰু সৰ্ব্ব সমৰ্থশালী ৰূপে (শম্‌) কল্যাণ কাৰক, (বৃহস্পতি) জগতৰ অধিষ্ঠাতা ৰূপে (শম্‌) কল্যাণ কাৰক বিদ্যাদাতা আৰু (বিষ্ণুঃ) সৰ্ব্বব্যাপী ৰূপে (শম) কল্যাণকাৰী, (নঃ) আমাৰ (ভৱতু) হওক।

(বায়ো তে ব্ৰহ্মণে নমোঽস্তু), (বৃহ বৃহি বৃদ্ধৌ) এইবোৰ ধাতুৰ পৰা "ব্ৰহ্ম" শব্দ সিদ্ধ হয়। যি সৰ্বোপৰি বিৰাজমান্‌, সৰ্ব্বাপেক্ষা বৃহৎ, অনন্ত বীৰ্য্যশালী পৰমাত্মা. সেই ব্ৰহ্মক আমি নমস্কাৰ কৰো। হে পৰমেশ্বৰ! (ত্বমেৱ প্ৰত্যক্ষং ব্ৰহ্মাসি) তুমিয়েই অন্তৰস্থিত আৰু অন্তৰ্য্যামি ৰূপে প্ৰত্যক্ষ ব্ৰহ্ম. (ত্বামেৱ প্ৰত্যক্ষং ব্ৰহ্ম বদিষ্যামি) আমি তোমাকেই প্ৰত্যক্ষ ব্ৰহ্ম বুলিম, কাৰণ তুমি সৰ্ব্বব্যাপক হৈ সদায় সকলোৰে অন্তৰত প্ৰাপ্ত হৈ আছা। (ঋতং বদিষ্যামি) হৃদীস্থিত তোমাৰ অনুভূতিকেই সকলোকে কম, আৰু নিজেও আচৰণ কৰিম। (সত্যং বদিষ্যামি) সত্য বুলিম, আৰু আচৰণ কৰিম। (তন্মামৱতু) গতিকে তুমি আমাক ৰক্ষা কৰা। (তদ্বক্তাৰমৱতু) সেই দেখি মোক সত্য বক্তাক ৰক্ষা কৰা অৰ্থাৎ আমাৰ সত্যত প্ৰবৃত্তি হওক, যেন আমাৰ বুদ্ধি বিপৰীত নহয়, কাৰণ আমাৰ অন্তৰাত্মাৰ নিৰপেক্ষ অনুভূতিয়েই তোমাৰ আদেশ, সেয়েই আমাৰ ধৰ্ম আৰু তাৰ বিপৰীত হলেই অধৰ্ম্ম।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

72279

(অৱতু মামৱতু বক্তাৰম্) এই দ্বিৰুক্তি দৃঢ়তাসূচক অৰ্থত ব্যৱহাৰ হয়। যেনে "কশ্চিৎ কঞ্চিৎ প্ৰতি বদতি ত্বং গ্ৰামং গচ্ছ গচ্ছ", ইয়াত ক্ৰিয়াৰ দুবাৰ উচ্চাৰণৰ অৰ্থ তুমি শীঘ্ৰেই গাৱঁলৈ যোৱা, সেই দৰেই এই স্থলতো তুমি অৱেশ্যই আমাক ৰক্ষা কৰা, অৰ্থাৎ আমাৰ যাতে সদায় অধৰ্ম্মত নিবৃত্তি আৰু ধৰ্ম্মত প্ৰবৃত্তি উদয় হয়, ইয়াকেই আমি তোমাৰ পৰা বাঞ্ছা কৰো। এয়েই তোমাৰ মহৎ উপকাৰ। (ওঁ শান্তিঃ শান্তিঃ শান্তিঃ)„ তিনিবাৰ শান্তি শান্তি উচ্চাৰণ কৰাৰ অৰ্থ কি? এই সংসাৰত তিনি বিধ তাপ বা দুঃখ আছে:—প্ৰথম "আধ্যাত্মিক" শাৰীৰিক আৰু মানসিক দুঃখ, দ্বিতীয়:—"আধিভৌতিক" অন্যান্য ভূত প্ৰাণিৰ দ্বাৰাই হোৱা দুঃখ, তৃতীয়—"আধিদৈৱিক"—অৰ্থাৎ বাত, বৃষ্টি, তাপ শীত আদিৰ পৰা অনুভৱ হোৱা দুঃখ, তুমি আমাক এই ত্ৰিবিধ দুঃখৰ পৰা ৰক্ষা কৰি সৎ পথ প্ৰদৰ্শন কৰা। কাৰণ তুমি পৰম কল্যাণ স্বৰূপ, জগতৰ কল্যাণকাৰী আৰু ধৰ্ম্মপৰায়ণ আৰু মুক্তিকামী সকলৰ শান্তিদাতা। গতিকে তুমি জন্ম জড়া মৰণশীল সকলো প্ৰাণীৰ হৃদয়ত প্ৰকাশমান হৈ ধৰ্ম্মত প্ৰবৃত্তি, অধৰ্ম্মত নিবৃত্তি কৰি সকলোকে পৰমানন্দ আৰু শান্তি প্ৰদান কৰি তোমাৰ সৃষ্টিত শান্তি প্ৰতিষ্ঠা কৰা। "সূৰ্য্য আত্মাজগতস্তস্থুষশ্চ" এই যজুৰ্ব্বেদৰ বচনানুসাৰে জগৎ অৰ্থাৎ চেতন প্ৰাণী জঙ্গম বা গতিশীল, "তস্থুষঃ", অপ্ৰাণী অৰ্থাৎ স্থাৱৰ পৃথিবী আদি সকলোৰে আত্মা আৰু স্বপ্ৰকাশেৰে সকলোকে প্ৰকাশিত কৰে গতিকে পৰমেশ্বৰৰ নাম "সূৰ্য্য"। (অত সাতত্য গমনে) এই ধাতুৰ পৰা "আত্মা" শব্দ সিদ্ধ হয়। যোঽততি ৱ্যাপ্নোতি স আত্মা" যি সমস্ত জগতত পৰিব্যাপ্ত হৈ নিৰন্তৰ আছে সেই সত্তাই আত্মা। "পৰশ্চাসাৱাত্মা চ য আত্মভ্যো জীৱেভ্যঃ সূক্ষ্মেভ্যঃ পৰোঽতিসূক্ষ্মঃ স পৰমাত্মা" জীৱ আৰু প্ৰকৃতি আকাশতকৈ সূক্ষ্ম, পৰমাত্মা জীৱ আৰু প্ৰকৃতিতকৈও সূক্ষ্ম আৰু জীৱৰ অন্তৰ্যামী কাৰণেই পৰমাত্মা বোলা হয়। যি সৰ্ব্ব সামৰ্থ্যৱান তেওঁৱেই ঈশ্বৰ। "যঃ ঈশ্বৰেষু সমৰ্থেষু" পৰমঃ শ্ৰেষ্ঠঃ স পৰমেশ্বৰঃ, যি ঈশ্বৰ আৰু সমৰ্থৱানতকৈও শ্ৰেষ্ঠ, যাৰ সম

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কোনো নাই তেওঁৰেই পৰমেশ্বৰ। (ষুঞ অভিষৱে, ষূঙ্ প্ৰাণীগৰ্ভৱিমোচনে) এই ধাতুৰ পৰা "সৱিতা" শব্দ সিদ্ধ হয়। "অভিষৱঃ প্ৰাণিগৰ্ভৱিমোচনং চোৎপাদনম্। যশ্চৰাচৰং জগৎ সুনোতি সূতে বোৎপাদয়তি স সৱিতা পৰমেশ্বৰঃ" যি সমস্ত জগতৰ উৎপত্তি বা সৃষ্টিকৰ্ত্তা তেওঁৰেই "সৱিতা"। (দিৱু ক্ৰীড়া ৱিজিগীষা-ব্যৱহাৰ-দ্যুতি-স্তুতি-মোদ-মদ স্বপ্ন কান্তিগতিষু) এই ধাতুৰ পৰা "দেৱ" শব্দ সিদ্ধ হয়। (ক্ৰীড়া) শুদ্ধ জগতক ক্ৰীড়াশীল কৰাই, (ৱিজিগীষা) ধৰ্ম্ম পৰায়ণ জয় কৰিবলৈ ইচ্ছুক (ব্যৱহাৰ) সকলো প্ৰকাৰ চেষ্টাৰ সাধন উপসাধন দাতা, (দ্যুতি) স্বয়ং প্ৰকাশ স্বৰূপ, আৰু সকলোৰে প্ৰকাশক, (স্তুতি) প্ৰশংসাৰ যোগ্য (মোদ) স্বয়ং আনন্দস্বৰূপ, আৰু সকলোৰে আনন্দদায়ক (মদ) মদোন্মত্তক দমন কৰ্ত্তা, (স্বপ্ন) সকলোৰে বিশ্ৰামৰ বাবে ৰাতি আৰু প্ৰলয় কৰ্ত্তা, (কান্তি) কামনাৰ যোগ্য আৰু (গতি) জ্ঞান স্বৰূপ, গতিকে পৰমেশ্বৰৰ নাম "দেৱ"। অথবা "যো দীৱ্যতি ক্ৰীড়তি, স দেৱঃ", যি নিজৰ স্বৰূপত নিজেই আনন্দত ক্ৰীড়া কৰে, বা যি আনৰ সহায় বিনা, খেলাৰ দৰে স্বভাৱবশ সমস্ত জগৎ নিৰ্ম্মাণ কৰে, বা যি সকলো ক্ৰীড়াৰ আধাৰ, "বিজিগীষতে স দেৱঃ" – যি সকলোৰে জয়ী, আৰু স্বয়ং অজেয়; "ব্যৱহাৰয়তি স দেৱঃ", যি ন্যায় অন্যায় ব্যৱহাৰৰ জ্ঞাতা আৰু উপদেষ্টা ; "যশ্চৰাচৰং জগৎ দ্যোতয়তি" যি সকলোৰে প্ৰকাশক ; "যঃ স্তূয়তে স দেৱঃ", যি সকলোৰে স্তুতিৰ যোগ্য ; "যো মোদয়তি স দেৱঃ", যি স্বয়ং আনন্দ স্বৰূপ আৰু সকলোৰে আনন্দ দাতা, যাৰ দুঃখ সুখ সমান, "যো মাদ্যতি স দেৱঃ", যি সৰ্ব্বদা হৰ্ষিত, শোক ৰহিত আৰু আন সকলোৰে শোক মোচন কৰে, "যঃ স্বাপয়তি স দেৱঃ"—যি প্ৰলয় কালত সকলোকে অব্যক্তত লীন বা নিদ্ৰিত কৰে, "যঃ কাময়তে কাম্যতে বা স দেৱঃ" যাৰ সকলো কামনা সত্য আৰু শিষ্টগণ যাৰ প্ৰাপ্তিৰ কামনা কৰে ; "যো গচ্ছতি গম্যতে বা স দেৱঃ", যি সকলোতে ব্যাপ্ত আৰু যাক জনাৰ প্ৰয়োজন সেই পৰআত্মাৰ নাম "দেৱঃ।" (কুৱি আচ্ছাদনে) এই ধাতুৰ পৰা "কুৱেৰ" শব্দ সিদ্ধ হয়। "যঃ সৰ্ব্বং কুৱতি-স্বৱ্যাপ্ত্যা-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চ্ছাদয়তি স কুবেৰো জগদীশ্বৰঃ'' যি নিজৰ ব্যাপ্তি দ্বাৰা সমস্ত আৱৰি আছে সেই পৰমাত্মাৰ নাম "কুবেৰ"। (প্ৰথ বিস্তাৰে) এই ধাতুৰ পৰা "পৃথিবী" শব্দ সিদ্ধ হয়। "যঃ প্ৰথতে সৰ্ব্বজগদ্বিস্তৃণাতি স পৃথিবী" জগৎ বিস্তাৰ কাৰক গতিকে পৰমাত্মাৰ নাম "পৃথিবী"। (জল ঘাতনে) এই ধাতুৰ পৰা "জল" শব্দ সিদ্ধ হয়। "জলতি ঘাতয়তি দুষ্টান্ সংঘাতয়তি অব্যক্ত পৰমাম্বাদীন্ তদ্ব্ৰহ্ম জলম্" যি দুষ্টক দমন কৰে, আৰু অব্যক্ত আৰু পৰমাণুৰ পাৰস্পৰিক সংযোগ বা বিয়োগ ঘটায়— সেই পৰমাত্মাৰ নাম "জল"। (কাশৃ দীপ্তৌ) এই ধাতুৰ পৰা "আকাশ" শব্দ সিদ্ধ হয়। "যঃ সৰ্ব্বতঃ সৰ্ব্বং জগৎ প্ৰকাশয়তি স আকাশঃ" জগতৰ সকলো দিশ প্ৰকাশক গতিকে পৰমাত্মাৰ নাম "আকাশ"। (অদ-ভক্ষণে) এই ধাতুৰ পৰা "অন্ন" শব্দ সিদ্ধ হয়।

অদ্যতেঽত্তি ভূতানি তস্মাদন্নং তদুচ্যতে ॥ ১ ॥
অহমন্ন মহমন্নমহমন্নম। অহমন্নাদোঽহমন্নাদোঽহমন্নাদঃ ॥ ২ ॥
তৈত্তিঃ উপনিঃ। (অনুবাক-২।১০)

অত্তা চৰাচৰগ্ৰহণাৎ ॥ (বেদান্তদৰ্শন) অঃ ১। পাঃ ২। সূঃ ৯॥

এইটো ব্যাস মুনিৰ ৰচিত শাৰীৰিক সূত্ৰ। যি সকলোকে নিজৰ ভিতৰত ৰাখিছে, যি সকলোৰে জ্ঞানৰ যোগ্য, যি চৰাচৰ জগতৰ গ্ৰহণ কৰ্ত্তা, সেই পৰমাত্মাৰ নাম "অন্ন" "অন্নাদ" আৰু "অত্তা"। ইয়াত শ্ৰদ্ধা আৰু নিশ্চয় সূচক অৰ্থত তিনিবাৰ উচ্চাৰণ কৰা হৈছে। যেনেকৈ ডিমৰু ফলৰ ভিতৰতে পোক উৎপন্ন হয়, তাতেই থাকে আৰু ভিতৰতেই নষ্ট হৈ যায়; সেইদৰে পৰমাত্মাৰ গৰ্ভতেই সমস্ত জগতৰ উৎপত্তি, স্থিতি আৰু লয় হয়। (ৱস নিৱাসে) এই ধাতুৰে "বসু" শব্দ সিদ্ধ হয়। "বসন্তি ভূতানি যস্মিন্নথৱা যঃ সৰ্ব্বেষু ৱসতি স ৱসুৰীশ্বৰঃ" যত আকাশাদি সকলো ভূত বাস কৰে, আৰু যি সকলোতে বাস কৰিছে সেই পৰমাত্মাৰ নাম "বসু"। (ৰুদিৰ অশ্ৰু বিমোচনে), এই ধাতুৰ লগত ণিচ্ প্ৰত্যয় যোগ হৈ "ৰুদ্ৰ" শব্দ সিদ্ধ হয়। "যো

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰোদয়ত্যন্যায়কাৰিণোজনান্ স ৰুদ্ৰঃ”—যি দুষ্কৰ্ম্মকাৰীক দণ্ড দিয়ে সেই পৰমাত্মাৰ নাম “ৰুদ্ৰ”। **“যন্মনসা ধ্যায়তি তদ্বাচা বদতি যদ্ বাচা বদতি তত্ কৰ্ম্মণা কৰোতি যত্ কৰ্ম্মণ কৰোতি তদভিসম্পদ্যতে।”**

এইটো যজুৰ্বেদীয় ব্ৰাহ্মণ গ্ৰন্থৰ বচন। জীৱই যিহক মনেৰে ধ্যান কৰে তাকেই বাণীৰে কয়, যিহকে বাণীৰে কয় তাকেই কৰ্ম্মৰ দ্বাৰা কৰে যি কৰ্ম্মৰ দ্বাৰা কৰে তাকেইহে প্ৰাপ্ত হয়। ইয়াৰ দ্বাৰা সিদ্ধ হয় যে জীৱই যেনে কৰ্ম্ম কৰে তেনে ফলহে পায়। যেতিয়া দুষ্ট কৰ্ম্মকাৰী জীৱই ঈশ্বৰৰ ন্যায়ৰূপী ব্যৱস্থাৰ দ্বাৰা দুঃখৰূপ ফল পায় তেতিয়া কান্দিব লগা হয় আৰু এনেদৰেই ঈশ্বৰেও সেই জীৱক দণ্ড দিয়ে। এই বাবে পৰমেশ্বৰৰ নাম “ৰুদ্ৰ”।

আপো নাৰা ইতি প্ৰোক্তা আপো বৈ নৰ সূনবঃ।
তা যদস্যায়নং পূৰ্ব্বং তেন নাৰায়ণঃ স্মৃতঃ ॥

মনু ॥ (অঃ ১। শ্লোঃ ১০)

জল আৰু জীৱসমূহৰ নাম “নাৰা”, অয়ন মানে নিবাসস্থান, যি সকলো জীৱৰ নিবাসস্থান, সেই ব্যাপক পৰমাত্মাৰ নাম “নাৰায়ণ”। (চদি আহ্লাদে) এই ধাতুৰ পৰা “চন্দ্ৰ” শব্দ সিদ্ধ হয়। “যঃ চন্দতি চন্দয়তি বা স চন্দ্ৰ”—যি আনন্দ স্বৰূপ আৰু যি সকলোৰে আনন্দদাতা, সেই পৰমাত্মাৰ নাম “চন্দ্ৰ”। (মতি গত্যৰ্থক) এই ধাতুৰ পৰা “মঙ্গেৰলচ্” এই সূত্ৰানুসাৰে “মঙ্গল” শব্দ সিদ্ধ হয়। “যো মঙ্গতি মঙ্গয়তি বা স মঙ্গলঃ” যি স্বয়ং মঙ্গল স্বৰূপ, আৰু সকলোৰে মঙ্গলৰ কাৰণ, সেই পৰমাত্মাৰ নাম “মঙ্গল”। (বুধ অৱগমনে) এই ধাতুৰ পৰা “বুধ” শব্দ সিদ্ধ হয়। “যো বুধ্যতে বোধয়তি বা স বুধঃ”—যি স্বয়ং বুধস্বৰূপ আৰু সকলো প্ৰাণীৰ বোধৰ কাৰণ, সেই পৰমাত্মাৰ নাম “বুধ”।

“বৃহস্পতি” শব্দৰ অৰ্থ আগতেই ব্যাখ্যা কৰা হৈছে। (ঈশুচি পূতি ভাৱে) এই ধাতুৰ পৰা “শুক্ৰ” শব্দ সিদ্ধ হয়। “যঃ শুচতি শোচয়তি বা স শুক্ৰঃ” যি অত্যান্ত পৱিত্ৰ আৰু যাৰ সঙ্গৰ দ্বাৰা জীৱও পৱিত্ৰ হয়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এই গতিকে পৰমেশ্বৰৰ নাম "শুক্ৰ"। (চৰ গতি ভক্ষণয়োঃ) এই ধাতুৰ লগত "শনৈস্" অব্যয় উপপদ যোগ হৈ "শনৈশ্বৰ" শব্দ সিদ্ধ হয়। "যঃ শনৈশ্চৰতি স শনৈশ্চৰঃ" যি সকলোৰে ভিতৰত সহজ প্ৰাপ্ত আৰু ধৈৰ্য্যৱান্ সেই পৰমেশ্বৰৰ নাম "শনৈশ্চৰ"। (ৰহ ত্যাগে) এই ধাতুৰ পৰা "ৰাহু" শব্দ সিদ্ধ হয়। "যো ৰহতি পৰিত্যজতি দুষ্টান্, ৰাহয়তি পৰিত্যাজয়তি বা স ৰাহুৰীশ্বৰঃ" যি একান্ত স্বৰূপ, যাৰ পৰম স্বৰূপত অন্য বস্তু নাই, যি নিৰ্দ্দোষ বা দোষ পৰিত্যক্ত সেই পৰমাত্মাৰ নাম "ৰাহু"। (কিত নিবাসে ৰোগাপনয়নে চ) এই ধাতুৰ পৰা "কেতু" শব্দ সিদ্ধ হয়। "যঃ কেতয়তি চিকিৎসতি বা স কেতুৰীশ্বৰঃ" যি সমস্ত জগতৰ নিবাসস্থান, যি সৰ্ব্ব ব্যাধি ৰহিত, যি মুক্তিকামী সকলৰ মুক্তি সময়ত ৰোগ মুক্ত কৰে, সেই পৰমাত্মাৰ নাম "কেতু"। (যজ্ দেৱ পূজা-সঙ্গতি কৰণ দানেষু) এই ধাতুৰ পৰা "যজ্ঞ" শব্দ সিদ্ধ হয়। "যজ্ঞো বৈ বিষ্ণুঃ" এই হল ব্ৰাহ্মণ গ্ৰন্থৰ বচন। "যো যজতি বিদ্বদ্ভিৰিজ্যতে বা স যজ্ঞঃ" যি সৰ্ব্ব ব্যাপ্ত হৈ জগতৰ সকলোকে সংযুক্ত কৰে, যি ব্ৰহ্মাৰ পৰা আৰম্ভ কৰি সকলো বিদ্বান ঋষি মুনিৰ পুজ্য সেই পৰমেশ্বৰৰ নাম "যজ্ঞ"। (হুদানাঽদনয়োঃ আদানেচেত্যেকে) এই ধাতুৰ পৰা "হোতা" শব্দ সিদ্ধ হয়। "যো জুহোতি স হোতা" যি প্ৰাণীৰ দেয় পদাৰ্থৰ দাতা, আৰু যি গ্ৰহণীয় পদাৰ্থৰ গ্ৰহীতা সেই পৰমাত্মাৰ নাম "হোতা"। (বন্ধ বন্ধনে) এই ধাতুৰ পৰা বন্ধু শব্দ সিদ্ধ হয়। "যঃ স্বস্মিন্ চৰাচৰং জগদ্ বধ্নাতি, বন্ধুবদ্ধৰ্ম্মাত্মানাং সুখায় সহায়ো বা বৰ্ত্ততে স বন্ধুঃ" যি নিজৰ ভিতৰত সমস্ত লোক লোকান্তৰ নিয়ম বদ্ধ কৰি ৰাখিছে, আৰু সকলোৰে সহোদৰৰ দৰে সহায়ক, গতিকে কোনেও স্ব স্ব পৰিধি বা নিয়মৰ উলঙ্ঘণ কৰিব নোৱাৰে। ভাতৃৰ দৰে পৰমেশ্বৰও পৃথিবী আদি সকলো লোকৰ ধাৰণ, পোষণ আৰু সুখ দিয়া বাবে "বন্ধু" সংজ্ঞক হয়। (পা ৰক্ষণে) এই ধাতুৰ পৰা "পিতা" শব্দ সিদ্ধ হয়। "যঃ পাতি সৰ্ব্বান্ স পিতা"— তেওঁ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সকলোৰে ৰক্ষক। পিতাই যেনেকৈ নিজৰ সন্তানৰ প্ৰতি সদায় কৃপালু হৈ উন্নতি কামনা কৰে। সেইদৰে পৰমেশ্বৰে জীৱৰ উন্নতি কামনা কৰে, গতিকে তেওঁৰ নাম "পিতা"। "যঃ পিতৃনাং পিতা স পিতামহঃ।" পিতৃ সকলৰো পিতা কাৰণে পৰমাত্মাক পিতামহ বোলা হয়। যঃ পিতা মহানাং পিতা স প্ৰপিতামহঃ" যি পিতামহ সকলৰো পিতা সেই পৰআত্মা "প্ৰপিতামহ"। 'যো মিমীতে মানয়তি সৰ্ব্বান্ জীৱান্ স মাতা"— কৃপাময়ী জননীয়ে সন্তানৰ কল্যাণ কামনা কৰাৰ দৰে পৰমেশ্বৰে জগতৰ সকলোৰে বৃদ্ধি কামনা কৰে গতিকে পৰমেশ্বৰৰ নাম "মাতা"। (চৰ গতি ভক্ষণয়োঃ) আঙ্ পূৰ্ব্বক এই ধাতুৰ পৰা আচাৰ্য্য শব্দ সিদ্ধ হয়। "যঃ আচাৰং গ্ৰাহয়তি সৰ্ব্বা বিদ্যা বোধয়তি স আচাৰ্য্য ঈশ্বৰঃ।" যি সত্য আচাৰ আনৰ দ্বাৰাই প্ৰদৰ্শন আৰু গ্ৰহণ কৰায়, যি সকলো বিদ্যা প্ৰাপ্তিৰ হেতু হৈ জ্ঞান প্ৰাপ্ত কৰায় সেই পৰমাত্মাৰ নাম "আচাৰ্য্য"। (গৃ শব্দে) এই ধাতুৰ পৰা "গুৰু" শব্দ সিদ্ধ হয়। "যো ধৰ্ম্যান্ শব্দান্ গৃণাত্যুপদিশতি স গুৰুঃ"।

স এষ পূৰ্ব্বেষামপি গুৰুঃ কালেনানবচ্ছেদাৎ॥

যোগসূত্ৰ। সমাধি পাদ সূঃ ২৬॥

এইটো যোগ দৰ্শনৰ সূত্ৰ। যি সৰ্ব্ববিদ্যাযুক্ত আৰু সত্য ধৰ্ম্মৰ প্ৰতিপাদক বেদৰ উপদেষ্টা, সৃষ্টিৰ আদিত অগ্নি, বায়ু, আদিত্য আদিৰ, আৰু ব্ৰহ্মাদিৰ গুৰু সকলৰো গুৰু আৰু যি অবিনাশী সেই পৰআত্মাৰ নাম "গুৰু"। (অজ গতি ক্ষেপণয়োঃ, জনী প্ৰাদুৰ্ভাৱে), এইবোৰ ধাতুৰ পৰা "অজ" শব্দ সিদ্ধ হয়। "যোঽজতি সৃষ্টিং প্ৰতি সৰ্ব্বান্ প্ৰকৃত্যাদীন্ পদাৰ্থান্ প্ৰক্ষিপতি জানাতি বা কদাচিন্নজায়তে সোঽজঃ" যি প্ৰকৃতিৰ সমস্ত অবয়ৱ আকাশাদি ভূত, পৰমাণু সমূহক যথাযোগ্য সংযোগ কৰে, শৰীৰৰ লগত জীৱৰ সম্বন্ধ ঘটাই জন্ম দিয়ে, কিন্তু স্বয়ং অজ (যাৰ জন্ম নাই) সেই পৰমাত্মাৰ নাম "অজ"।

(বৃহ বৃহি বৃদ্ধৌ) এইবোৰ ধাতুৰ পৰা ব্ৰহ্মা শব্দ সিদ্ধ হয়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

"যোখিলং জগন্নির্ম্মাণেন বৃংহতি বর্দ্ধয়তি স ব্রহ্মা"। যিহেতু সম্পূর্ণ জগতক ৰচনা কৰি বঢ়ায়, এই গতিকে পৰমেশ্বৰৰ নাম "ব্রহ্ম"। "সত্যং জ্ঞানমনন্তং ব্রহ্ম" এইটো তৈত্তিৰীয় উপনিষদৰ বচন। "সন্তীতি সন্তস্তেষু সৎসু সাধু তৎ সত্যম্। যজ্জানাতি চৰাচৰং জগৎ তৎ জ্ঞানম্। ন বিদ্যতেঽন্তো অৱধিৰ্ম্মৰ্য্যাদা যস্য তদনন্তম্। সৰ্ব্বেভ্যো বৃহত্ত্বাদ্ ব্রহ্ম"। জগতৰ পদাৰ্থ-বোৰক সৎ বোলা হয়—আৰু এই সৎ পদাৰ্থবোৰৰ ভিতৰত পৰমেশ্বৰেই সাধু গতিকে পৰমেশ্বৰৰ নাম "সত্য"। সকলোকে জানে বা সৰ্ব্বজ্ঞ কাৰণে পৰমাত্মাৰ নাম "জ্ঞান"। আদি, অন্ত, অৱধি, পৰিমাণ আৰু মৰ্য্যাদা বিহীন গতিকে পৰমাত্মাৰ নাম "অনন্ত"।

(ডুদাঞ্ দানে) আঙ্ পূৰ্ব্বক এই ধাতুৰ পৰা আদি শব্দ আৰু নঞ্ পূৰ্ব্বক অনাদি শব্দ সিদ্ধ হয়। "যস্মাৎ পূৰ্ব্বং নাস্তি পৰং চাস্তি স আদিৰিত্যুচ্যতে [মহাভাষ্য ১।১।২১]। ন বিদ্যতে আদিঃ কাৰণং যস্য সোঽনাদিৰীশ্বৰঃ"- পৰমেশ্বৰৰ আদি কাৰণ একো নাই গতিকে অনাদি বোলা হয়। (টুনদি সমৃদ্ধৌ) আঙ্ পূৰ্ব্বক হৈ এই ধাতুৰ পৰা আনন্দ শব্দ সিদ্ধ হয়। আনন্দন্তি সৰ্ব্বে মুক্তা যস্মিন্ যদ্বা, যঃ সৰ্ব্বান্ জীৱানানন্দয়তি স আনন্দঃ" যি আনন্দ স্বৰূপ, যি মুক্তিকামী আত্মযোগী সকলক আনন্দিত কৰে সেই পৰমাত্মা "আনন্দ"। (অস ভুৱি) এই ধাতুৰ পৰা "সৎ" শব্দ সিদ্ধ হয়। "যদস্তি ত্রিষু কালেষু ন বাধ্যতে তৎ সদ্ব্রহ্ম" যি সদৈব বৰ্ত্তমান অৰ্থাৎ ভূত, ভৱিষ্যৎ আৰু বৰ্ত্তমান তিনিও কালত বাধাহীন, সেই পৰমেশ্বৰ "সৎ"।

(চিতী সংজ্ঞানে) এই ধাতুৰ পৰা "চিৎ" শব্দ সিদ্ধ হয়। "যশ্চেততি চেতয়তি সংজ্ঞাপয়তি সৰ্ব্বান্ সজ্জনান্ যোগিনস্তচ্চিৎ পৰং ব্রহ্ম"। যি স্বয়ং চেতন স্বৰূপ, সকলোৰে চেতনাৰ কাৰণ আৰু যি সত্য অসত্যৰ জ্ঞাতা সেই পৰমাত্মাৰ নাম "চিৎ"। এই তিনি শব্দৰ বিশেষণত পৰমাত্মাক "সচ্চিদানন্দস্বৰূপ" বোলে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

"যো নিত্যধ্ৰুবোচলোবিনাশী স নিত্যঃ" যি নিশ্চল আৰু অ
নাশী, তেওঁ "নিত্য" ঈশ্বৰ। (শুন্ধ শুদ্ধৌ) এই ধাতুৰ পৰা "শুদ্ধ" শ
সিদ্ধ হয়। "যঃ শুন্ধতি সৰ্ব্বান্ শোধয়তি বা স শুদ্ধ ঈশ্বৰঃ",—যি স্ব
পৱিত্ৰ সকলো অশুদ্ধিৰ পৰা শুদ্ধস্বৰূপ, পৃথক আৰু সকলোকে শু
কৰে, সেই পৰমেশ্বৰৰ নাম "শুদ্ধ"। (বুধ অবগমনে) এই ধাতুৰ লগ
"ক্ত" প্ৰত্যয় যোগ হৈ "বুদ্ধ" শব্দ সিদ্ধ হয়। "যো বুদ্ধৱান্ সদৈৱ জ্ঞাতা
স বুদ্ধো জগদীশ্বৰঃ"—যি সদৈৱ সৰ্ব্বজ্ঞ, সেই ঈশ্বৰৰ নাম "বুদ্ধ"
(মুচ্‌ল্ মোচনে) এই ধাতুৰ পৰা "মুক্ত" শব্দ সিদ্ধ হয়। "যো মুঞ্চ
মোচয়তি বা মুমুক্ষূন্ স মুক্তো জগদীশ্বৰঃ"—যি সৰ্ব্বদা সৰ্ব্বপ্ৰকাৰ বন্ধনই
আৰু মুমুক্ষু সকলকো ক্লেশ মুক্ত কৰে, সেই পৰমাত্মাৰ নাম "মুক্ত"
"অতএব নিত্য শুদ্ধ বুদ্ধ মুক্ত স্বভাৱো জগদীশ্বৰঃ" পৰমেশ্বৰৰ স্বভাৱ নিত
শুদ্ধ, (বুদ্ধ) আৰু মুক্ত। (ডুকৃঞ্ কৰণে) নিৰ্ আৰু আঙ্ পূৰ্ব্বক এ
ধাতুৰ পৰা "নিৰাকাৰ" শব্দ সিদ্ধ হয়। "নিৰ্গত আকাৰাৎ স নিৰাকাৰঃ"
যাৰ আকাৰ নাই, যাৰ শৰীৰ নাই, সেই পৰমাত্মাৰ নাম "নিৰাকাৰ"।

(অঞ্জু ব্যক্তিম্ৰক্ষণকান্তিগতিষু) এই ধাতুৰ পৰা "অঞ্জন" শ
সিদ্ধ হয় আৰু "নিৰ্" উপসৰ্গৰ যোগত "নিৰঞ্জন" শব্দ সিদ্ধ হয়। "অঞ্জ
ব্যক্তিৰ্ম্ৰক্ষণং কুকাম ইন্দ্ৰিয়ৈঃ প্ৰাপ্তিশ্চেত্যস্মাত্তো নিৰ্গতঃ পৃথগ্‌ভূতঃ
নিৰঞ্জনঃ"—যি ব্যক্তি অৰ্থাৎ আকৃতি, ম্লেচ্ছাচাৰ, দুষ্ট কামনা আৰু চ
আদি ইন্দ্ৰিয় সমূহৰ বিষয় পথৰ পৰা ভিন্ন, সেই পৰম তত্ত্বৰ নাম "নিৰঞ্জন"

(গণ সংখ্যানে) এই ধাতুৰ পৰা "গণ" শব্দ সিদ্ধ হয় আৰু ইয়া
লগত "ঈশ" বা পতি শব্দ যোগ হলে "গণেশ" আৰু "গণপতি" শব্দ সি
হয়। "যে প্ৰকৃত্যাদয়ো জড়া জীৱাশ্চ গণ্যন্তে সংখ্যায়ন্তে তেষামীশঃ স্বা
পতিঃ পালকো বা" যি প্ৰকৃতি আদি জড় আৰু জীৱ জগতৰ স্বামী
পালন কৰ্ত্তা সেই ঈশ্বৰৰ নাম "গণেশ" বা "গণপতি"। "যো বিশ্বমী
স বিশ্বেশ্বৰঃ"—যি সংসাৰৰ অধিষ্ঠাতা তেওৰ নাম "বিশ্বেশ্বৰ"।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

"যঃ কূটেনেকবিধব্যৱহাৰে—স্বস্বৰূপেণৈৱ তিষ্ঠতি স কূটস্থঃ পৰমেশ্বৰঃ"—যি সকলো ব্যৱহাৰতে ব্যাপ্ত আৰু সকলো ব্যৱহাৰৰ আধাৰ হৈও, কোনো ব্যৱহাৰতেই স্ব-স্বৰূপত অপৰিবৰ্ত্তন সেই পৰম তত্ত্বৰ নাম "কূটস্থ"।

যিমানবোৰ "দেব" শব্দৰ অৰ্থ লিখা হৈছে দেবী শব্দও সিমানেই আছে। পৰমেশ্বৰৰ নাম তিনিও লিঙ্গত আছে; যেনে—"ব্ৰহ্ম চিতিৰীশ্বৰশ্চেতি" যেতিয়া ঈশ্বৰৰ বিশেষণ হয় তেতিয়া "দেৱ", যেতিয়া চিতিৰ হয় তেতিয়া "দেৱী"; গতিকে পৰমেশ্বৰৰ নাম "দেৱী"।

(শক্লৃ সক্তৌ) এই ধাতুৰ পৰা "শক্তি" শব্দ হয়। "যঃ সৰ্ব্ব জগৎ কৰ্ত্তুং শক্নোতি স "শক্তিঃ"—যি জগৎ সৃষ্টিৰ সমৰ্থ বা জগতৰ শক্তি সেই পৰম তত্ত্বৰ নাম "শক্তি"। (শ্ৰিঞ্ সেৱায়াম্) এই ধাতুৰ পৰা "শ্ৰী" শব্দ সিদ্ধ হয়। "যঃ শ্ৰীয়তে সেৱ্যতে সৰ্বেণ জগতা বিদ্বদ্ভিৰ্যোগিভিশ্চ স শ্ৰীৰীশ্বৰঃ"—জ্ঞানী, যোগী সকলে যাৰ সেৱা কৰে সেই পৰমাত্মাৰ নাম "শ্ৰী"।

(লক্ষ দৰ্শনাঙ্কনয়োঃ) এই ধাতুৰ পৰা "লক্ষ্মী" শব্দ সিদ্ধ হয়। "যো লক্ষয়তি পশ্যত্যঙ্কতে চিহ্নয়তি চৰাচৰং জগদথবা বেদৈৰাপ্তৈৰ্যোগিভিশ্চ যো লক্ষ্যতে স লক্ষ্মীঃ সৰ্বপ্ৰিয়েশ্বৰঃ"—লক্ষ্মী শব্দৰ অৰ্থ দেখা আৰু চিহ্নিত কৰা অৰ্থাৎ দৃশ্য উৎপত্তি কৰা। যেনে ব্যক্তি শৰীৰৰ ৰূপ ৰং অঙ্গ প্ৰত্যঙ্গ আদি, বৃক্ষৰ অৱয়ব, পত্ৰ, পুষ্প, ফল, মূল আদি, পৃথিবী আৰু জলৰ, কৃষ্ণ, ৰক্ত, শ্বেত, মৃত্তিকা, পাষাণ আৰু চন্দ্ৰ সূৰ্য্যাদিৰ লাক্ষণিক দৃশ্য উৎপত্তি কৰ্ত্তা, সকলোৰে দৰ্শক, সকলো শোভাৰ সৌন্দৰ্য্য, সকলো শাস্ত্ৰ বা ধাৰ্ম্মিক, জ্ঞানী আৰু যোগীসকলৰ পৰম লক্ষ্য, যাৰ দৰ্শন সকলোৰে বাঞ্ছা কৰে, সেই পৰম ঐশ্বৰ্য্যৱান পৰমাত্মাৰ নাম "লক্ষ্মী"।

(সৃ গতৌ) এই ধাতুৰ পৰা "সৰস্" আৰু ইয়াৰ লগত মতুপ্ আৰু ঙীপ্ প্ৰত্যয় যোগ হৈ "সৰস্বতী" শব্দ সিদ্ধ হয়। "সৰো বিবিধং জ্ঞানং

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিদ্যতে যস্যাং চিতৌ সা সৰস্বতী"—যাৰ বিবিধ বিজ্ঞান অৰ্থাৎ শব্দ আ অৰ্থৰ সম্বন্ধৰ যথাৱৎ জ্ঞান, সেই অৰ্থতেই পৰমাত্মাৰ নাম "সৰস্বতী"

"সৰ্বাঃ শক্তয়ো বিদ্যন্তে যস্মিন্ স সৰ্বশক্তিমানীশ্বৰঃ"—যি সকলো প্ৰক শক্তি সামৰ্থ্যৰ কেন্দ্ৰ, যি কাৰো সহায়তাৰ নিৰ্ভৰশীল নহয় সেই পৰমা "সৰ্বশক্তিমান"।

(ণীঞ্ প্ৰাপণে) এই ধাতুৰ পৰা ন্যায় শব্দ সিদ্ধ হয়। "প্ৰমাণৈৰ পৰীক্ষণং ন্যায়ঃ"—এই বচন হল ন্যায় সূত্ৰ বাৎস্যায়ন মুনিৰ ভাষ্যৰ "পক্ষপাতৰাহিত্যাচৰণং ন্যায়ঃ" প্ৰত্যক্ষাদি প্ৰমাণেৰে নিশ্চিত সত্য আ নিৰপেক্ষ আচৰণক "ন্যায়" বোলে। "ন্যায়ং কৰ্ত্তুং শীলমস্য স ন্যা কাৰীশ্বৰঃ" যাৰ স্বভাৱ নিৰপেক্ষ, সেই পৰমাত্মা "ন্যায়কাৰী"।

(দয় দান-গতি-ৰক্ষণ-হিংসা-দানেষু) এই ধাতুৰ পৰা "দয়া" শব্দ সি হয়। "দয়তে দদাতি জানাতি, গচ্ছতি ৰক্ষতি হিনস্তি যয়া সা দয়া, বহ দয়া বিদ্যতে যস্য স দয়ালুঃ পৰমেশ্বৰঃ" পৰমেশ্বৰ অভয়দাতা, সকে সত্য অসত্য বিদ্যাৰ জ্ঞাতা, সাধু সন্তৰ ৰক্ষক আৰু দুষ্কৰ্ম্মীৰ নিয়ন্তা গতি "দয়ালু"।

"দ্বয়োৰ্ভাৱো দ্বাভ্যামিতং সা দ্বিতা দ্বীতং বা, সৈৱ তদেৱ বা দ্বৈত ন বিদ্যতে দ্বৈত্যং দ্বিতীয়েশ্বৰভাৱো যস্মিংস্তদদ্বৈতম্"—অৰ্থাৎ "সজাতী বিজাতীয় স্বগতভেদশূন্যং ব্ৰহ্ম"। দুটা ভিন্ন বা দুটাৰ সংযোগক দ্বিতা দ্বীত অথবা দ্বৈত বোলে, তেনে পৰমাত্মাৰ ক্ষেত্ৰত নাই। সজাতীয় যে মনুষ্যৰ ভিন্ন ভিন্ন মনুষ্য, বিজাতীয় যেনে মনুষ্যৰ ইতৰ জাতি বৃক্ষ, প্ৰ ইত্যাদি আৰু স্বগত যেনে শৰীৰৰ চক্ষু, নাসিকা আৰু কৰ্ণ আদি অৱ বোৰৰ ভেদ। এনে ভেদ পৰমেশ্বৰৰ নাই ; কাৰণ, পৰমেশ্বৰ মাত্ৰ এক, গতি পৰমেশ্বৰৰ নাম "অদ্বৈত্য"।

"গুণ্যন্তে যে তে গুণা বা যৈৰ্গ্ণয়ন্তি তে গুণাঃ, যো গুণেভ্যো নিৰ্গ স নিৰ্গুণ ঈশ্বৰঃ"—প্ৰকৃতিৰ সত্ত্ব, ৰজ, তম, ৰূপ, ৰস, স্পৰ্শ আদি জড়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

গুণ, আৰু জীৱৰ অবিদ্যা, অল্পজ্ঞতা, ৰাগ, দ্বেষ, ক্লেশ আদিৰ পৰমাত্মা অতীত। এই বিষয়ে "অশব্দমস্পৰ্শমৰূপমব্যয়ম্" ইত্যাদি উপনিষদৰ বাক্য প্ৰমাণ। যি শব্দ, স্পৰ্শ, ৰূপ আদি গুণ ৰহিত, সেই পৰমাত্মা "নিৰ্গুণ"।

"যো গুণৈঃ সহ ৰৰ্ত্ততে স সগুণঃ"—সৰ্ব্বব্যাপক পৰমাত্মা সকলোতে বৰ্ত্তমান, গতিকে সৰ্ব্বজ্ঞ, সৰ্ব্বসুখ, পবিত্ৰ, অনন্ত গুণযুক্ত, এই কাৰণেই "সগুণো" বোলা হয়। যেনে—পৃথিবীৰ ৰূপ, ৰস, গন্ধ আদি গুণযুক্ত গতিকে সগুণ আৰু ইচ্ছা, দ্বেষ আদি গুণ ৰহিত কাৰণে নিৰ্গুণ. সেই দৰে জগত আৰু জীৱৰ যিবোৰ গুণ সেই বোৰ গুণৰ অতীত কাৰণে পৰমাত্মা "নিৰ্গুণ" আৰু সৰ্ব্বজ্ঞতা আদি গুণযুক্ত কাৰণে "সগুণ"। অৰ্থাৎ বস্তু আৰু গুণ ভিন্ন। কিন্তু বস্তুৱেই গুণৰ আধাৰ গতিকে সগুণতা আৰু নিৰ্গুণতাৰ ভেদাভেদ নেথাকে; যেনে গুণ আৰু গুণীৰ। চৈতন্য গুণ ৰহিত বাবে জড় পদাৰ্থ "নিৰ্গুণ" আৰু পদাৰ্থৰ স্ব গুণযুক্ত বাবে "সগুণ", সেইদৰে জড়ৰ গুণ ৰহিত বাবে জীৱ "নিৰ্গুণ" আৰু ইচ্ছা, দ্বেষ আদি নিজ গুণ যুক্ত বাবে "সগুণ"। এইদৰেই পৰমাত্মা সগুণ আৰু নিৰ্গুণ।

"অন্তৰ্যন্তুং নিয়ন্তুং শীলং যস্য সোয়মন্তৰ্যামী"—যি প্ৰাণী আৰু অপ্ৰাণী জগতৰ ভিতৰে বাহিৰে পৰিব্যাপক হৈ সকলোকে নিয়ন্ত্ৰিত কৰে, সেই পৰমেশ্বৰৰ নাম "অন্তৰ্যামী"।

"যো ধৰ্ম্মে ৰাজতে স ধৰ্ম্মৰাজঃ"—অধৰ্ম্মত ৰতি নাই আৰু ধৰ্ম্মত প্ৰকাশমান গতিকে পৰমাত্মা "ধৰ্ম্মৰাজ"।

(যমু উপৰমে) এই ধাতুৰ পৰা "যম" শব্দ সিদ্ধ হয়। "যঃ সৰ্ব্বান্ প্ৰাণিনো নিয়চ্ছতি স যমঃ"—যি সকলোৰে কৰ্ম্মৰ যথাৰ্থ ফল দিয়ে আৰু ন্যায়ত স্থিত সেই পৰমাত্মাৰ নাম "যম"।

(ভজ সেৱায়াম্) এই ধাতুৰ পৰা "ভগ" আৰু ইয়াৰ লগত মতুপ্ প্ৰত্যয় যোগ হৈ "ভগৱান্" শব্দ সিদ্ধ হয়। "ভগঃ সকলৈশ্বৰ্য্যং সেৱনং বা বিদ্যতে যস্য স ভগৱান"—সৰ্ব্ব ঐশ্বৰ্য্যৱান বা সকলোৰে ভজনৰ যোগ্য;

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

গতিকে পৰমাত্মাৰ নাম "ভগৱান্"। (মন্ জ্ঞানে) এই ধাতুৰ পৰা "মনু" শব্দ সিদ্ধ হয়। "যো মন্যতে স মনুঃ"—মনুৰ অৰ্থ বিজ্ঞানশীলতা আৰু মনন্ যোগ্য গতিকে ঈশ্বৰৰ নাম "মনু"।

(পৃ পালন পূৰণয়োঃ) এই ধাতুৰ পৰা "পুৰুষ" শব্দ সিদ্ধ হয়। "যঃ স্বব্যাপ্ত্যা চৰাচৰং জগৎ পৃণাতি পূৰয়তি বা স পুৰুষঃ"। যি সমস্ত জগত পূৰ্ণ হৈ আছে সেই পৰমাত্মাৰ নাম "পুৰুষ"। (ডুভৃঞ্ ধাৰণ-পোষণয়োঃ) বিশ্ব পূৰ্ব্বক এই ধাতুৰ পৰা "বিশ্বম্ভৰ" শব্দ সিদ্ধ হয়। "যো বিশ্বং বিভৰ্ত্তি ধৰতি পুষ্ণাতি বা স বিশ্বম্ভৰো জগদীশ্বৰঃ" জগতৰ ধাৰণ পোষণ কৰ্ত্তা গতিকে পৰমাত্মা "বিশ্বম্ভৰ"।

(কল সংখ্যানে) এই ধাতুৰ পৰা "কাল" শব্দ নিষ্পন্ন হৈছে। "কলয়তি সংখ্যাতি সৰ্ব্বান্ পদাৰ্থান্ স কালঃ" জগতৰ সকলোৰে সংখ্যা কৰে গতিকে পৰমাত্মাৰ নাম "কাল"।

(শিষ্ লৃ বিশেষণে), এই ধাতুৰ পৰা "শেষ" শব্দ সিদ্ধ হয়। "যঃ শিষ্যতে স শেষ"—যি উৎপত্তি আৰু প্ৰলয়ৰ পাচতো অৱশিষ্ট হৈ থাকে সেই পৰমাত্মাই "শেষ"।

(আপ্ লৃ ব্যাপ্তৌ) এই ধাতুৰ পৰা "আপ্ত" শব্দ সিদ্ধ হয়। "যঃ সৰ্ব্বান্ ধৰ্ম্মাত্মন আপ্নোতি বা সৰ্ব্বৈৰ্ধৰ্মাত্মভিৰাপ্যতে ছলাদিৰহিতঃ স আপ্তঃ"—যি সৰ্ব্ববিদ্যাযুক্ত, সত্যৰ নিৰ্দ্দেশক, ধৰ্ম্মপৰায়ণৰ প্ৰাপ্তি, নিশ্ছল, নিষ্কপট সেই "আপ্ত" পৰমাত্মা।

(ডুকৃঞ্ কৰণে) "শম্" পূৰ্ব্বক এই ধাতুৰ পৰা শঙ্কৰ শব্দ সিদ্ধ হয়। "যঃ শম্ কল্যাণং সুখং কৰোতি স শঙ্কৰঃ"—পৰমেশ্বৰ কল্যাণকাৰী গতিকে তেওঁৰ নাম "শঙ্কৰ"। "মহৎ" শব্দ পূৰ্ব্বক "দেৱ" শব্দৰ পৰা "মহাদেৱ" শব্দ সিদ্ধ হয়। "যো মহতাং দেৱঃ স মহাদেৱঃ"। যি মহান দেৱতা সকলৰো দেৱতা, বিদ্বান সকলৰো বিদ্বান আৰু সূৰ্য্যাদি প্ৰকাশক সকলৰো প্ৰকাশক সেই পৰমাত্মাই "মহাদেৱ"।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

(প্ৰীঞ্ তৰ্পণে কান্তৌ চ) এই ধাতুৰ পৰা "প্ৰিয়" শব্দ সিদ্ধ হয়। যঃ পৃণাতি প্ৰীয়তে বা স প্ৰিয়ঃ– ধৰ্ম্মাত্মা, মুমুক্ষু শিষ্ট, সাধু সকলৰ প্ৰসন্ন—কাৰী আৰু এই সকলৰ কাম্য—সেই পৰমাত্মাকেই "প্ৰিয়" বোলা হয়। (ভূ সত্তায়াম্) "স্বয়ম্" পূৰ্ব্বক এই ধাতুৰ পৰা "স্বয়ম্ভূ" শব্দ সিদ্ধ হয়। "যঃ স্বয়ং ভৱতি স স্বয়ম্ভূৰীশ্বৰঃ" যি স্বয়ং সদৈব বৰ্ত্তমান আৰু যাৰ ভাবৰ কাৰণ নাই সেই পৰমেশ্বৰ "স্বয়ম্ভূ"। (কু শব্দে) এই ধাতুৰ পৰা কৱি শব্দ সিদ্ধ হয়। "যঃ কৌতি শব্দয়তি সৰ্ব্বা বিদ্যাঃ স কৱিৰীশ্বৰঃ" যি সকলো জ্ঞান বিকাশৰ কাৰণ, যি বেত্তা, সেই পৰমেশ্বৰৰ নাম "কৱি"। (শিৱু কল্যাণে) এই ধাতুৰ পৰা "শিৱ" শব্দ সিদ্ধ হয়। "বহুলমেতন্নি-দৰ্শনম্" ইয়াৰ পৰাই "শিৱু" ধাতু মানি লোৱা হৈছে। কল্যাণস্বৰূপ, আৰু কল্যাণকাৰী গতিকে পৰমেশ্বৰেই "শিৱ"।

এইখিনিলৈকে পৰমেশ্বৰৰ এশ নাম ব্যাখ্যা কৰা হ'ল, কিন্তু ইয়াৰ বাহিৰে পৰমেশ্বৰৰ নামৰ অন্ত নাই। পৰমেশ্বৰৰ গুণ আৰু মহিমা অনন্ত গতিকে তেওঁৰ নামো অনন্ত। বেদাদি শাস্ত্ৰকাৰসকলে পৰমাত্মাৰ গুণ, কৰ্ম্ম, স্বভাৱৰ ব্যাখ্যা কৰি অন্ত কৰিব পৰা নাই। সেইবোৰ অধ্যয়ন আৰু অধ্যাপনাৰ পৰা জ্ঞানৰ বিকাশ আৰু অনুভূতি হ'ব পাৰে। যি বেদাদি শাস্ত্ৰ অধ্যয়ন কৰে—তেওঁৰ জগতৰ জ্ঞান হ'ব পাৰে।

প্ৰশ্ন—অন্যান্য গ্ৰন্থকাৰসকলে যেনেকৈ গ্ৰন্থৰ আৰম্ভ, মধ্য আৰু শেষত মঙ্গলাচৰণ লিখে, আপুনিও তেনেকৈ লিখা বা কৰা নাই কিয়?

উত্তৰ—সেইদৰে মঙ্গলাচৰণ কৰা মই সঙ্গত বুলি নেভাবো। কাৰণ যি সকলে আদি, মধ্য আৰু অন্ত ভাগত মঙ্গলাচৰণ কৰে বা লিখে, সেই-সকলৰ আদি আৰু মধ্যৰ ভিতৰত আৰু মধ্য আৰু অন্তৰ ভিতৰত অমঙ্গলেই থাকিব। সাংখ্য দৰ্শনত আছে "মঙ্গলাচৰণং শিষ্টাচাৰাৎ ফলদৰ্শনাচ্ছ্ৰুতিতশ্চেতি"। (অঃ ৫। সূঃ ১) মঙ্গল+আচৰণ যি আচৰণৰ দ্বাৰাই জগতৰ কল্যাণ সাধন হয় সেয়েই মঙ্গলাচৰণ। সূত্ৰৰ অভিপ্ৰায় আধ্যাত্মিক

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

জ্ঞান বিবেচনাৰে নিৰপেক্ষ ন্যায়সঙ্গত সৰ্ব্বদা আৰু সৰ্ব্বত্ৰ সৎ আচৰণ কৰাই মঙ্গলাচৰণ, গ্ৰন্থৰ আৰম্ভৰ পৰা সমাপ্তিলৈকে সত্যাচৰণ কৰাই মঙ্গলাচৰণ, সমস্ত গ্ৰন্থই মঙ্গলাচৰণ হোৱা উচিত, গ্ৰন্থৰ অংশ বিশেষত মঙ্গলাচৰণ কৰাকে মঙ্গলাচৰণ বুলিব নোৱাৰি। এই বিষয়ে মহৰ্ষি সকলৰ উক্তিত দৃষ্টিপাত অতি আৱশ্যক :—

যান্যনৱদ্যানি কৰ্ম্মাণি তানি সেৱিতব্যানি নো ইতৰাণি ॥

(তৈত্তিৰীয়োপনিষদ—প্ৰপাঠক ৭। অনুবাঃ ১১।)

অৰ্থ—হে সন্তানগণ! (অনৱদ্য) অনিন্দনীয় কৰ্ম্মহে তোমালোকৰ কৰণীয়,—(নো ইতৰাণি) নিন্দনীয় কৰ্ম্ম কৰণীয় নহয়। আধুনিক গ্ৰন্থবোৰত "শ্ৰীগণেশায় নমঃ", "সীতাৰামাভ্যাং নমঃ", "ৰাধাকৃষ্ণাভ্যাং নমঃ", "শ্ৰীগুৰুচৰণাৰৱিন্দাভ্যাং নমঃ", "হনুমতে নমঃ", "দুৰ্গায়ৈ নমঃ", "বটুকায় নমঃ", "ভৈৰৱায় নমঃ", "শিৱায় নমঃ", "সৰস্বত্যৈ নমঃ", "নাৰায়ণায় নমঃ" ইত্যাদি লিখা দেখা যায়, কিন্তু এনে প্ৰথা বেদাদি আপ্ত শাস্ত্ৰত নাই; গতিকে এইবোৰ অনুকৰণীয় নহয়। আৰ্ষ গ্ৰন্থবোৰত "ওঁ" আৰু "অথ" শব্দহে পোৱা যায় যেনে—

"অথ শব্দানুশাসনম্"। অথেত্যয়ং শব্দোধিকাৰাৰ্থঃ প্ৰযুজ্যতে। (ব্যাকৰণ মহাভাষ্যে।) "অথাতো ধৰ্ম্মজিজ্ঞাসা" অথেত্যানন্তৰ্য্যে বেদাধ্যয়নানন্তৰম্। (পূৰ্ব্বমীমাংসায়াম্।)

"অথাতো ধৰ্ম্মং ব্যাখ্যাস্যামঃ" অথেতি ধৰ্ম্ম-
কথনানন্তৰং ধৰ্ম্মলক্ষণং বিশেষেণ ব্যাখ্যাস্যামঃ"।

(বৈশেষিক দৰ্শনে)

"অথ যোগানুশাসনম্" অথেত্যয়মধিকাৰাৰ্থঃ। (যোগ শাস্ত্ৰে।)

"অথ ত্ৰিবিধদুঃখাত্যন্তনিবৃত্তিৰত্যন্তপুৰুষাৰ্থঃ"
সাংসাৰিক বিষয়ভোগানন্তৰং ত্ৰিবিধদুঃখাত্যন্তনিবৃত্ত্যৰ্থঃ
প্ৰযত্নঃ কৰ্ত্তব্যঃ। (সাংখ্য শাস্ত্ৰে।)

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

"অথাতো-ব্ৰহ্মজিজ্ঞাসা" "চতুষ্টয়সাধনসম্পত্যনন্তৰং ব্ৰহ্ম জিজ্ঞাস্যম্" । (বেদান্ত সূত্ৰ)

"ওমিত্যেতদক্ষৰমুদ্গীথমুপাসীত" । (ছান্দোগ্যোপনিষদ ।)

"ওমিত্যেতদক্ষৰমিদং সৰ্ব্বং তস্যোপব্যাখ্যানম্" ।

(মাণ্ডুক্য উপনিষদৰ প্ৰাৰম্ভিক বচন)

এইদৰেই অন্যান্য আৰ্য ঋষি মুনি সকলৰ গ্ৰন্থত "ওম্" আৰু "অথ" শব্দহে পোৱা যায় । অগ্নি, ইট্, অগ্নি, যে ত্ৰিসপ্তাঃ পৰিয়ন্তি ইত্যাদি এইবোৰ শব্দ চাৰিও বেদৰ আৰম্ভত লিখিত পোৱা যায় ।

ইতি শ্ৰীমদ্দয়ানন্দ সৰস্বতী স্বামিকৃতে সত্যাৰ্থপ্ৰকাশে সুভাষা-বিভূষিত ঈশ্বৰনামবিষয়ে প্ৰথমঃ সমুল্লাসঃ সম্পূৰ্ণঃ ।১।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অথ দ্বিতীয় সমুল্লাসাৰম্ভঃ

অথ শিক্ষাং প্ৰৱক্ষ্যামঃ ।

মাতৃমান্ পিতৃমান্ আচাৰ্য্যৱান্ পুৰুষো বেদ॥ এইটো শতপথ ব্ৰাহ্মণৰ বচন। মানৱ জীৱন গঢ় দিয়াত তিনিজন শিক্ষকেই প্ৰধান। মাতা, পিতা আৰু আচাৰ্য্য এই তিনিজনৰ উত্তম শিক্ষা পালে মানুহ জ্ঞানৱান হৈ জীৱন সফল কৰিব পাৰে। যাৰ মাতা-পিতা বিদ্বান আৰু ধৰ্ম্মপৰায়ণ তেওঁৰ কুল ধন্য আৰু অত্যন্ত ভাগ্যৱান্। সন্তানে মাকৰ পৰা যিদৰে উপদেশ আৰু উপকাৰ পায় তেনে অন্যৰ পৰা আশা কৰিব নোৱাৰে। মাকৰ সমান স্নেহ আৰু হিত কামনা আন কাৰো হব নোৱাৰে। এই কাৰণে মাতৃমান্ অৰ্থাৎ **"প্ৰশস্তা ধাৰ্ম্মিকী মাতা বিদ্যতে যস্য স মাতৃমান্"** বোলা হয়। যি মাতাই গৰ্ভধাৰণৰ পৰা আৰম্ভ কৰি শিক্ষাৰ সমাপ্তিলৈকে সুশীলতাৰ শিক্ষা আৰু সৎপথ প্ৰদৰ্শন কৰিব পাৰে সেই মাতাই ধন্যা।

সন্তানৰ কল্যাণ কামী মাতা-পিতাই গৰ্ভধাৰণৰ পূৰ্ব্বৰ পৰাই মাদক-আহাৰ, দুৰ্গন্ধিযুক্ত, ৰুক্ষ আৰু বুদ্ধি নাশক আহাৰ নকৰি, শান্তি, আৰোগ্য, বল, বুদ্ধি, পৰাক্ৰম আৰু সুশীলতা বৰ্দ্ধক আহাৰ কৰা আৱশ্যক যাৰ ফলত সন্তান শিষ্ট আৰু সভ্য হব পাৰে। দূষিত আহাৰৰ পৰা পিতা-মাতাৰ ৰজ-বীৰ্য্যও দূষিত হয়, ৰজ-বীৰ্যাই জীৱনৰ মূল কাৰণ। দুগ্ধ আৰু দুগ্ধজাত আহাৰ অতি পৱিত্ৰ আৰু শ্ৰেষ্ঠ আহাৰ। ঋতু গমনৰ বিধি অনুসাৰে, ৰজো দৰ্শনৰ পঞ্চম দিনৰ পৰা ষোড়শ দিন পৰ্য্যন্ত ঋতুদানৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সময়। ৰজোদৰ্শনৰ প্ৰথম চাৰি দিন বৰ্জনীয়, বাকী বাৰ দিনৰ ভিতৰত একাদশ আৰু ত্ৰয়োদশ ৰাতি বৰ্জন কৰি বাকী দহ ৰাতিত গৰ্ভাধান হলে পৰিণাম ভাল হয়।

ৰজোদৰ্শনৰ দিন ধৰি ষোল দিনৰ পাচত সঙ্গম নিষেধ। পুনঃ ৰজোদৰ্শন নোহোৱা পৰ্য্যন্ত বা গৰ্ভস্থিতিৰ পাছত এবছৰ সঙ্গম নিষেধ। চৰক আৰু সুশ্ৰুতৰ ভোজন আচ্ছাদনৰ বিধি আৰু মনুস্মৃতিত স্ত্ৰী-পুৰুষৰ প্ৰসন্নতাৰ বিধি অনুসৰি, স্ত্ৰী-পুৰুষ দুয়োবো স্বাস্থ্য আৰু মানসিক শান্তি ৰক্ষা কৰাৰ কাৰণে যত্নপৰ হব লাগে। গৰ্ভস্থিতিৰ পাছত নাৰীয়ে সাৱধানতাৰে আহাৰ আৰু পৰিধান কৰিব লাগে। সম্পূৰ্ণ গৰ্ভস্থিতি কালত আৰু প্ৰসৱৰ পাছতো সুস্থ স্বাস্থ্যৱতী হৈ পুনঃ ৰজপাত নোহোৱা পৰ্য্যন্ত স্ত্ৰী-পুৰুষৰ সহবাস বৰ্জ্জনীয়। গৰ্ভৱতী নাৰীয়ে বুদ্ধি, বল, স্বাস্থ্য আদি বৰ্দ্ধক আহাৰ কৰা উচিত।

সন্তান জন্ম হলে নাড়ী ছেদন কৰি সুগন্ধি জলেৰে শিশুক গা ধুৱাই ঘৃত আৰু সুগন্ধি দ্ৰব্যাদিৰে হোম কৰিব লাগে। [সন্তান জন্ম হলে কৰিবলগীয়া "জাতকৰ্ম্ম সংস্কাৰ"ৰ বিষয়ে "সংস্কাৰ বিধিত" বিস্তাৰ ভাৱে লিখিত আছে।] প্ৰসূতিৰো স্নানাহাৰৰ বিষয়ে সতৰ্ক হোৱা উচিত যাতে শিশু আৰু প্ৰসূতি দিনক দিনে পৰিপুষ্ট হৈ থাকে। শিশুৰ খাদ্য মাতৃস্তনত যাতে পুষ্টিকৰ দুগ্ধ উৎপন্ন হয় তাৰ বাবে যথা সম্ভৱ যত্ন কৰা বাঞ্ছনীয়। শিশুক মাতৃস্তন খুৱাব নুখুজিলে, শিশুৰ উপযোগী পুষ্টিকৰ দ্ৰব্য সিদ্ধ কৰি সম পৰিমাণৰ জল, গো-দুগ্ধ বা ছাগ দুগ্ধৰ লগত মিলাই খুৱাব লাগে। প্ৰসৱৰ পাছত শিশু আৰু প্ৰসূতিক বিশুদ্ধ বায়ু চলাচল কৰিব পৰা গৃহত ৰখা উচিত। সেই স্থানত সুদৃশ্য আৰু সুগন্ধি বস্তু ৰখা আৱশ্যক। আজিৰ বৈজ্ঞানিক বিকাশৰ যুগত স্বাস্থ্য ৰক্ষাৰ কাৰণে যিবোৰ ব্যৱস্থা উদ্ভাৱন কৰা হৈছে তেনেবোৰ ব্যৱস্থাৰ উল্লেখ বহু পূৰ্ব্বেই আমাৰ প্ৰাচীন শাস্ত্ৰত লিখি থোৱা আছে। শিশুৰ দেহৰ গঢ়-গঠন মাকৰ স্তন-দুগ্ধৰ ওপৰত ভালেখিনি নিৰ্ভৰ কৰে,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰসৱৰ পিছত প্ৰসূতি ৰুগ্ন হয়, ৰুগ্ন প্ৰসূতিৰ স্তন দুগ্ধ শিশুক নুখুৱা ওপৰত উল্লেখ কৰা বিধি মতে গো, ছাগলৰ দুগ্ধ, খুওৱাহে হিতকৰ প্ৰসূতিৰ দুগ্ধ বন্ধ কৰিবলৈ স্তনত যথাযোগ্য ঔষধৰ প্ৰলেপ দিব লাগে এনে ধৰণৰ যথোচিত ব্যৱস্থা কৰিলে প্ৰসূতি দ্বিতীয় মাহতে সুস্থ আৰু সবলা হৈ উঠে। সেই সময়ত পুৰুষেও নিজক সংযত কৰি ৰাখিব লাগে এনেবোৰ নীতি ব্যৱস্থাৰ পৰিণামত স্ত্ৰী-পুৰুষৰ স্বাস্থ্য আৰু সন্তানৰ স্বাস্থ্য বুদ্ধি, বলৰ উন্নতি হয়। স্বাস্থ্য আৰু নৈতিক চৰিত্ৰত সতৰ্ক থকা মাত পিতাৰ সন্তানো উৎকৃষ্ট হয়। গৰ্ভৱতী মাতাৰ স্বাস্থ্য, আচৰণ আৰু পাৰিবাৰিক পৰিস্থিতিৰ ভালেখিনি প্ৰভাৱ গৰ্ভস্থ সন্তানে সৃষ্টি হওঁতে গ্ৰহণ কৰে। এইবোৰক প্ৰাক্ জন্ম সংস্কাৰ আৰু জন্মৰ পাছত মাত পিতা আৰু পাৰিবাৰিক পৰিস্থিতিৰ পৰা যিবোৰ সংস্কাৰেৰে শিশু প্ৰভা ৱিত হয় সেইবোৰক জন্মোত্তৰ সংস্কাৰ বোলে। শিশুৰ শিক্ষা আৰু চৰিত্ৰ গঠনত মাকৰ শিক্ষাই সৰ্ব্ব প্ৰধান। সত্য, ন্যায়, জ্ঞান বিবেচনাত শিশুৰ মানসিক বিকাশত মাকৰ ভূমিকা প্ৰধান। শব্দ, বাক্য উচ্চাৰণ আখৰ জ্ঞান, মধুৰ গম্ভীৰ কণ্ঠ স্বৰৰ ধ্বনি, ভয়, সাহস, পৌৰুষত্ব, সমাজত জ্যেষ্ঠ, কনিষ্ঠ, মাননীয় আদিৰ লগত ব্যৱহাৰৰ শিক্ষা শিশুৱে মাকৰ পৰাই গ্ৰহণ কৰে। সন্তানৰ জিতেন্দ্ৰিয়তা, শিক্ষানুৰাগ আৰু সৎসঙ্গাভি লাষ আদি বিষয়ত মাক পথ প্ৰদৰ্শক। মাক সন্তানৰ সমীপস্থ শিক্ষক সন্তানে নিজৰ মাকৰ পৰা যিমান নিঃসংকোচে আৰু সহজে শিকিব পাৰে তেনেকৈ আন কাৰো পৰা নোৱাৰে। কিছুমান জীৱনৰ উপযোগী মূ নীতি কথা খেলাৰ ছলেৰে শিশুৱে মাকৰ মুখৰ পৰাই শিকিব পাৰে

দুষ্টৰ সঙ্গ, আৰু ভূতপ্ৰেত আদি মিছা ভয়ৰ পৰা সন্তানক ৰক্ষা কৰাত মাক সদায় সাৱধান থকা উচিত।

গুৰোঃ প্ৰেতস্য শিষ্যস্তু পিতৃমেধং সমাচৰন্।
প্ৰেতহাৰৈঃ সমং তত্ৰ দশৰাত্ৰেণ শুধ্যতি ॥ মনুঃ অঃ ৫।৬৫॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

AS ৭৭৮ ঘ:২

অৰ্থ—গুৰুৰ মৃত্যু হলে, প্ৰেতাখ্য মৃত-দেহৰ দাহকাৰী, শিষ্য আৰু (প্ৰেতাহাৰ) শৰবাহী দশম দিনত শুদ্ধ হয়। দাহ কৰাৰ পিছত সেই মৃতদেহৰ নাম ভূত হয়। ভূত মানে অতীত, আছিল অৰ্থাৎ বৰ্ত্তমান নাই। যি আছিল, সি বৰ্ত্তমান ভূতস্থ, গতিকে ভূত। ভূত-প্ৰেত, শাকিনী, ডাকিনী আদিৰ ভয়, কুসঙ্গ কুসংস্কাৰ, এনেবোৰ মানসিক ভ্ৰমৰ পৰা মানুহ বিপদগ্ৰস্ত হব লগা হয়। জীৱন কৰ্ম্মফলৰ বশীভূত, মৃত্যু হলে নিজৰ আৰ্জিত কৰ্ম্মৰ ফল অনুসাৰে জীৱে জন্মান্তৰ গ্ৰহণ কৰে। এয়েই সৃষ্টিৰ চিৰন্তন নীতি। জ্ঞান বিজ্ঞানহীন মানুহে সান্নিপাত জ্বৰ, বসন্ত আদি শাৰীৰিক ব্যাধি আৰু উন্মাদ আদি মানসিক ব্যাধিতেই দেও, ভূত, প্ৰেত আদিৰ ভয় শঙ্কা কৰে। আৰু ব্যাধিৰ যথাযোগ্য বৈজ্ঞানিক চিকিৎসা নকৰি ধূৰ্ত্ত জীৱৰ কথাত বিশ্বাস কৰি ধূৰ্ত্তৰ জীৱিকা অৰ্জ্জনত সহায়ক হৈ পৰে। এই দৰেই অৰ্থ নাশ আৰু বিনা চিকিৎসাত ৰোগীৰ প্ৰাণৰো সঙ্কট হয়। ধূৰ্ত্ত সকলে ভেশচন কৰি, দেও-ভূতৰ সাধক, দৈৱজ্ঞ তন্ত্ৰ-মন্ত্ৰ আদিৰ সাধক আদি ৰূপত নিজ নিজ জীৱিকাৰ সুযোগ সন্ধানতেই থাকে। কোনো পৰিয়ালৰ বা কোনো ব্যক্তিৰ শাৰীৰিক, মানসিক বিকাৰ বা সমস্যাৰ কেনেবাকৈ যদি সন্ধেদ পায়, তেন্তে বাক্‌চতুৰতাৰ জালত মোহিত কৰি লৈ আলোকিক সিদ্ধি আৰু চৰম সফলতাৰ—গোপন ব্যৱস্থা দিয়ে। বিকাৰগ্ৰস্ত বা সমস্যাগ্ৰস্ত বিপন্ন মানৱ ধূৰ্ত্তৰ জালত আবদ্ধ হৈ পৰে, সেই গোপন ব্যৱস্থা মতে দেও, ভূত, বিৰা, গ্ৰহ, উপগ্ৰহ, শ্মশানকালী আদিৰ অদ্ভুত সাধনাত প্ৰয়োজনীয় সামগ্ৰী আদিৰ সংগ্ৰহ আৰু অনুষ্ঠানত কৰ্ম্ম, অকৰ্ম্ম, হিতাহিত বিবেক হেৰুৱাই পেলাই আৰু মতিভ্ৰষ্ট হৈ সৰ্ব্বস্বান্ত হৈ পৰে, তাৰ বিনিময়ত ধূৰ্ত্ত সকলৰ জীৱিকা সফল হয়। অৱশ্যে সৎ তন্ত্ৰ-মন্ত্ৰৰ সাধন কৰি নিজৰ আৰু সমাজৰ কল্যাণ সাধন কৰা সকলোৰে বাঞ্ছনীয়।

জ্যোতিৰ্ব্বিদ দৈৱজ্ঞ সকলে অমঙ্গল গ্ৰহ নক্ষত্ৰবোৰৰ পুজা, পাঠ,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দান, ভোজন, তাবিজ আদিৰে গ্ৰহ-গ্ৰস্ত সকলৰ কল্যাণ সাধন কৰে জ্যোতিষী দৈৱজ্ঞ সকলে জনা উচিত যে সূৰ্য্যাদি লোকবোৰ নিজ নিজ গুণ বিশিষ্ট আমাৰ পৃথিবীৰ দৰেই জড়। অতুষ্ট হৈ দুঃখ বা সন্তুষ্ট হৈ সুখ কাকো দিব নোৱাৰে। এইবোৰৰ গুণ, প্ৰভাৱ পৃথিবীৰ সকলোতে সমানে পৰে, ব্যক্তি বিশেষলৈ পক্ষপাত থাকিব নোৱাৰে, যিহেতু ঈৰ্ষা দ্বেষ আদি চৈতন্য গুণ সিবিলাকৰ নাই।

প্ৰশ্ন—এই সংসাৰত কোনো ৰজা, কোনো দাস, কোনো সুখী, কোনো দুঃখী যে হয়, এইবোৰ গ্ৰহৰ ফল নহয় জানো?

উত্তৰ—নহয়, এইবোৰ নিজৰ কৰ্ম্মৰহে ফল। **প্ৰশ্ন**—তেন্তে জ্যোতিষ শাস্ত্ৰ মিছা নেকি? **উত্তৰ**—যি জ্যোতিষত অঙ্ক, বীজ গণনা, আছে সেইবোৰ সত্য, কিন্তু ফলৰ লীলা-খেলা সকলো মিছা। **প্ৰশ্ন**—জন্ম পত্ৰ বা জন্ম কোষ্ঠীৰ ফলাফল মিছা নেকি? **উত্তৰ**—যাক জন্ম পত্ৰ বোলা হয় আচলতে তাক শোক প্ৰশ্ন বোলাহে উচিত। কাৰণ সন্তান জন্ম হলে মাতা-পিতা আদি সকলোৰে আনন্দ হয় আৰু সেই আনন্দ জন্ম পত্ৰ বা কোষ্ঠী প্ৰস্তুত নোহাৱা পৰ্য্যন্তহে থাকে। দেখাত দেখি জন্ম-পত্ৰ কৰিবলৈ জ্যোতিষীক দিয়া হয়। জন্ম-পত্ৰ প্ৰস্তুতিৰ বাবে যেয়ে যেনেকুৱা দাম দিব পাৰে তেনেকুৱাই জন্ম-পত্ৰ তৈয়াৰ হয়। সন্তানৰ পৰিয়াল শিক্ষিত ধনী হ'লে জন্ম-পত্ৰও সেই অনুপাতে লিখা হয়, দুখীয়া বা অশিক্ষিত হলে অতি সাধাৰণ ভাৱে প্ৰস্তুত হয়। যেতিয়া শুনাবলৈ আহে মাতা-পিতাই দান দক্ষিণা দি শ্ৰদ্ধা ভক্তি আগ্ৰহ সহকাৰে সোধে,—দেউ! ইয়াৰ জন্ম-পত্ৰ ভালনে? তেতিয়া দৈৱজ্ঞই কয়—হঁা, ইয়াৰ জন্মস্থান খুব ভাল, মিত্ৰ গ্ৰহও খুব ভাল' ইয়াৰ ফলত, জাতক ধনী, আৰু প্ৰতিষ্ঠাৱান হব, সমাজত ইয়াৰ সূৰ্য্যৰ দৰে প্ৰভাৱ বিস্তাৰ হব। স্বাস্থ্যৱান আৰু ৰাজ-সন্মান প্ৰাপ্ত হব। এইদৰে শুনি মাতা-পিতা আদি সকলোৰে আনন্দত বুকু ওফন্দি যাব, আৰু সকলোৱে কব "দেউ! আপোনাৰ দৰে জ্যোতিষী কেইজন ওলাব?" জ্যোতিষীয়ে জানে যে কেৱল এইখিনি কথাৰেই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কাৰ্য্যসিদ্ধি নহয়। তেতিয়া জ্যোতিষীয়ে নিজৰ স্বাৰ্থ সিদ্ধিৰ যোজনা কৰি কব "এই গ্ৰহবোৰৰ দৃষ্টি অতি শুভ কিন্তু অমুক অমুক অশুভ গ্ৰহবোৰৰ দৃষ্টিত জাতকৰ অকাল মৃত্যুৰ যোগ অতি স্পষ্ট হৈ আছে"। এইদৰে শুনাৰ পাছত মাক-বাপেকৰ সন্তান জন্মৰ আনন্দ গুচি শোক সাগৰত মাৰ যায়। আৰু হতবুদ্ধি হৈ সোধে, ইয়াৰ কোনো প্ৰতিকাৰ আছেনে? তেতিয়া জ্যোতিষীয়ে নিজৰ উদ্দেশ্য সিদ্ধিৰ সাধন হাততে পায় – নানা আলৌকিক আখ্যান উপাখ্যান গাই কয়—"ভগৱানে সকলো বিধি ব্যৱস্থা দি থৈছে, সেই শাস্ত্ৰৰ বিধি ব্যৱস্থা পালন কৰিব পাৰিলে অসাধ্য সাধন হব পাৰে, অৰ্থ-দান, গো-দান, মন্ত্ৰজপ, তাবিজ ধাৰণ, কৱচ ধাৰণ, ব্ৰাহ্মণ ভোজনাদি কৰিলে নৱগ্ৰহৰো বিঘ্ন দূৰ হব পাৰে"। এইবোৰ অনুষ্ঠান কৰাৰ পাছতো যদি সন্তান মৰে তেতিয়া দৈৱজ্ঞই কয়—"তোমালোকেও বিধিমতে সকলো কৰিলা, ময়ো সকলো চেষ্টা কৰিলো, ভগৱানৰ যি ইচ্ছা সেয়েই হল। তাৰ ওপৰত কাৰো হাত নাই, সন্তানৰ ভাগ্যত যি লিখা আছিল সেয়েই হল।" যদি বাচি থাকে তেতিয়া কয়—"মোৰ দৈৱিক সাধনা আৰু মন্ত্ৰজপৰ মহিমাতেই তোমাৰ সন্তান মৃত্যু যোগৰ পৰা বাচিল, কিন্তু এতিয়াও এটা ৰিষ্ট আছে তাৰ কাৰণে আৰু উপায় কৰি থকা ভাল হব।" ইত্যাদি ধূৰ্ত্ত জীৱীৰ ধূৰ্ত্তালিত বিশ্বাস কৰি মানুহে ইহজীৱন আৰু পৰ জীৱনো নষ্ট কৰিব লগা হয়। মানুহে জনা উচিত যে পৰমেশ্বৰৰ বিধান যদি কোনেও খণ্ডাব নোৱাৰে, যদি জীৱৰ নিজৰ কৰ্ম্মৰ ফল ভোগ অৱশ্যম্ভাৱী তেন্তে দৈৱজ্ঞ বা সাধকৰ তাক খণ্ডাৱৰ সাধ্য কি? পৰৰ দুখ দুৰ্গতি খণ্ডোৱা, ভাগ্য সাধনৰ ঠিকাদাৰ সাধক, দৈৱজ্ঞ আৰু অৰ্থ, দক্ষিণা কৰি ইষ্টভৃতি আদিৰ বিনিময়ত শিষ্যক উদ্ধাৰ কৰিবলৈ ঠিকা লোৱা গুৰুসকলে নিজৰ নিজৰ ভাগ্যৰ উন্নতি আৰু দুখ দুৰ্গতি দূৰ কৰিব নোৱাৰে কিয়? এনেবোৰ অসৎ অন্ধ বিশ্বাস মানৱ সমাজৰ পৰা দূৰ কৰা মানৱ মাত্ৰৰেই বাঞ্ছনীয় আৰু কল্যাণ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

শীতলা আৰু মন্ত্ৰ, তন্ত্ৰ, যন্ত্ৰ আদিৰ ক্ষেত্ৰতো ধুৰ্ত্তজীৱীৰ জীৱিকাৰ কৌশল। দেৱতা আৰু পীৰৰ মন্ত্ৰ যন্ত্ৰৰে পৰৰ বিঘ্ন দূৰ কৰা ঠিকাদাৰ সকলকো সেই উত্তৰকে দিয়া হয় যে- "তোমালোকৰ মৃত্যু, ঈশ্বৰৰ বিধান, নিজ কৰ্ম্মফল দূৰ কৰিব পৰা সাধ্য আছে জানো? তোমালোকৰ মন্ত্ৰ, কৱচ ধাৰণ কৰাৰ পাছতো মানুহ মৰে, তোমাৰ ঘৰতো মৰে আৰু তুমি নিজেও জৰা, ব্যাধি, মৃত্যুৰ হাত এৰিব নোৱাৰা।" তেতিয়া ধুৰ্ত্ত জীৱীৰ আৰু একো উত্তৰ নেথাকে আৰু বুজি পাব যে তাত তেওঁলোকৰ তেনে ৰিখ্যাৰে জীৱিকা নচলিব। অন্ধ বিশ্বাসীৰ ওচৰতহে ধুৰ্ত্তৱিদৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। গতিকে এনেকুৱা অন্ধ বিশ্বাস পৰিত্যাগ কৰি, সৎ পুৰুষ, সমাজৰ উপকাৰী, নিৰপেক্ষ বিদ্বান ব্যক্তি সকলৰ সঙ্গ আৰু সেৱা শুশ্ৰূষা কৰাহে মানুহৰ একান্ত বাঞ্চনীয়। সেই সকলৰ যিবোৰ কৰ্ম্ম আচৰণৰ দ্বাৰা জগতৰ কল্যাণ পৰিলক্ষিত হয়, সেইবোৰহে আমি আচৰণ কৰা আৱশ্যক। মন্ত্ৰ যন্ত্ৰ আদিৰ বিশ্বাসত মানৱ মনত মানসিক ক্ৰিয়া প্ৰতিক্ৰিয়া হয়, গতিকে অভিভাৱকে সন্তানক বাল্যৰ পৰা সচেতন কৰা উচিত। ইয়াৰ উপৰিও ৰাসায়নিক, মাৰণ, মোহন, উচ্চাটন আৰু ৱশীকৰণ এইবোৰ মহাপাপ, যাৰ পৰিণাম নিজৰ নৈতিকতাৰ অধঃপতন আৰু সমাজৰ অকল্যাণ। এইবিষয়েও শিশুক উপদেশ দিয়া আৱশ্যক। বাল্যকালত চৰিত্ৰ আৰু বীৰ্য্য ৰক্ষাই যে জীৱনৰ স্বাস্থ্য, বল, সৌন্দৰ্য্য আৰু মস্তিষ্ক বিকাশৰ মূল শক্তি। এই লক্ষ্যত সচেতন কৰিবৰ বাবে যথাযোগ্য উপদেশ আৰু অভ্যাসৰ যত্নপৰ হোৱা প্ৰতিজন মাতা পিতাৰ সৰ্ব্ব প্ৰধান কৰ্ত্তৱ্য। বীৰ্য্য ৰক্ষাৰ বিষয়ে মনত ৰাখিব লাগে যে, কাম বিকাৰ আলোচনা, অকলে চিন্তা, তেনেকুৱা লোকৰ সংসৰ্গ, স্ত্ৰী-পুৰুষ অৰ্থাৎ বিপৰীত-লিঙ্গৰ লগত ঘনিষ্ঠতা, পৰস্পৰক স্পৰ্শ ইত্যাদিৰ পৰা যুৱক যুৱতীয়ে সংযত হৈ থাকিব লাগিব এইবোৰ বিষয়ত এবাৰ বিচলিত হলে তাৰ পাছত সংযম ৰক্ষা কৰা অসাধ্য হৈ পৰে। এইবোৰ বিষয়ত সচেতন হোৱা মানে নিজক নিজে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰক্ষা কৰা আৰু সুস্থ দীৰ্ঘ জীৱন লাভ কৰা। বীৰ্য্যহীন ব্যক্তিৰ স্বাস্থ্য, বল, মেধা, শৰীৰৰ শ্ৰী, আদি লোপ পায় আৰু প্ৰমেহ ৰোগগ্ৰস্ত হৈ আজীৱন দুৰ্ব্বল আৰু নিস্তেজ হয়, উৎসাহ, উদ্যম, সাহস, ধৈৰ্য্য আদি গুণ হ্ৰাস পায়। বাল্য কালত বীৰ্য্য ৰক্ষা আৰু সুশিক্ষাই হৈছে সকল জীৱনৰ আধাৰ স্তম্ভ। পূৰ্ণ যৌৱন নোহোৱা পৰ্য্যন্ত যুৱক যুৱতীয়ে সংযম আৰু যথাযোগ্য বিদ্যা অৰ্জ্জন কৰিব পৰাই জীৱনৰ সফলতা। বিদ্যা অৰ্জন মানে অক্ষৰ জ্ঞানৰ পৰা শাস্ত্ৰ জ্ঞান আৰু যথাযোগ্য কাৰিকৰী জ্ঞান অৰ্জন কৰা। এই দৰে সন্তানক গঢ় দিব পৰাটোৱেই মাতা-পিতাৰ সাৰ্থকতা। আদৰ্শ মাতা, পিতা আৰু আচাৰ্য্যৰ শিক্ষা গ্ৰহণ কৰিব পৰাই "মাতৃমান্" "পিতৃমান্" আৰু "আচাৰ্য্যৱান্" শব্দৰ অৰ্থ। জন্মৰ পৰা পঞ্চম বছৰলৈ মাকে, ষষ্ঠৰ পৰা অষ্টম বছৰ পৰ্য্যন্ত বাপেকে সযত্নে শিক্ষা দিব লাগে। নৱম বছৰৰ পৰা শিশুৰ বিদ্যা বা শিক্ষা গ্ৰহণৰ ধাৰণা জন্মে। গতিকে নৱম বছৰৰ প্ৰাৰম্ভতেই বিদ্যাৰম্ভ সংস্কাৰ (অনুষ্ঠান) পাতি উপযুক্ত বিদ্যালয়লৈ পূৰ্ণ বিদ্যা শিক্ষাৰ কাৰণে পঠাব লাগে। সচেতন, যত্নপৰ আৰু নিয়মানুৱৰ্ত্তী মাতা-পিতাৰ সন্তান বিদ্বান, সুশিক্ষিত আৰু চৰিত্ৰৱান হব পাৰে। এই বিষয়ে ব্যাকৰণ মহাভাষ্যত আছে :—

সামৃতৈঃ পাণিভিৰ্ঘ্নন্তি গুৰৱো ন বিষোক্ষিতৈঃ।
লালনাশ্ৰয়িণো দোষাস্তাড়নাশ্ৰয়িণো গুণাঃ॥

(অ০ ৮।১।৮)

অৰ্থ :—যি মাতা পিতা আৰু আচাৰ্য্য (শিক্ষা গুৰু) ই সন্তান আৰু শিষ্যক তাড়ন কৰে, তেওঁলোকে জানিবা, সিবিলাকক স্ব হস্তে অমৃতহে খুৱায় আৰু যি লালন কৰে, তেওঁলোকে বিষ খুৱাই জীৱন নাশ কৰে। কাৰণ শিষ্য আৰু সন্তান লালনৰ দ্বাৰা দোষ যুক্ত আৰু তাড়নৰ দ্বাৰা গুণ যুক্ত হয়। সন্তান আৰু শিষ্য বা ছাত্ৰয়ো জনা উচিত যে মাক, বাপেক আৰু গুৰুৱে তেওঁলোকৰ ভৱিষ্যত মঙ্গলৰ কাৰণেহে তাড়ন কৰে, ভয় প্ৰদৰ্শন কৰে, হিংসাৰ ভাৱেৰে কেতিয়াও নকৰে। পিতৃ-মাতৃ আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

গুৰুৱেও বাহিৰত ভয় দেখুৱাব আৰু ভিতৰি কৃপাদৃষ্টি কৰিব।

চুৰি, ছলনা, মিছা কোৱা, হিংসা, ক্ৰোধ দ্বেষ, মোহ, আলস্য প্ৰমাদ, মাদকতা আদি দুৰ্গুণবোৰৰ পৰা আঁতৰত থাকিবলৈ আৰু ন্যায় দয়া, সহায়, সহযোগ, সত্যৰ প্ৰতি আগ্ৰহ, উদ্যম আদি সৎ গুণবো আয়ত্ত কৰিবলৈ বাল্য কালতেই আন আন শিক্ষাৰ লগতে ছাত্ৰ-ছাত্ৰী পিতৃ, মাতৃ বা গুৰুৱে শিক্ষা দিয়াটো পৰম আৱশ্যক। দুৰ্গুণীৰ চৰি সংশোধন কৰা দুঃসাধ্য। চৰিত্ৰহীন মানুহে কেতিয়াবা সত্য কলে সৎকৰ্ম্ম কৰিলেও মানুহে সদায় সন্দেহৰ চকুৰে চায়। অসৎ স্বভাৱ মানুহক মৃত্যু পৰ্য্যন্ত কোনেও বিশ্বাস নকৰে। অসৎ চৰিত্ৰৰ মানুহ জীৱন যিমান ক্ষতিগ্ৰস্ত হয়, সিমান ক্ষতিগ্ৰস্ত অন্য কোনোৱেই হব নোৱাৰে প্ৰতিজ্ঞা ভঙ্গ বা বিশ্বাস ভঙ্গ কৰি সিবোৰে নিজৰ অধোগতি নিজে আহ্বান কৰে। নিজৰ প্ৰতিজ্ঞা পালন কৰিব পৰা মানেই নিজৰ সন্মান গৌৰৱৰ বৃদ্ধি কৰা। আত্মাভিমান নিজৰ অধোগতিৰে মূল। ছল, কপটত কৃতঘ্নতাৰে নিজৰেই হৃদয় অনুতপ্ত, লজ্জিত আৰু কলুষিত হয়। স্বাৰ্থ সিদ্ধিৰ উদ্দেশ্যে ভিতৰে বাহিৰে প্ৰলোভনেৰে মুগ্ধ কৰি আৰু পৰৰ ক্ষতিলৈ মন নকৰি নিজৰ স্বাৰ্থ পূৰণ কৰাই "ছলনা" আৰু "কপটতা" উপকাৰীৰ অহিত কৰাকে "কৃতঘ্নতা" বোলে। হুতা মাত নামাতি মধুৰ শান্ত আৰু অল্প ভাষণেই জীৱনত সফলতাৰ শ্ৰেষ্ঠ পথ। আৱশ্যকতাৰৈ অধিক কোৱাও সফলতাৰ বাধা। জ্যেষ্ঠক সন্মান কৰা, বিনীতভাৱে অভ্যৰ্থনা কৰা আৰু সকলোকে নমস্কাৰ কৰাটো নিজৰেই কল্যাণ সাধক সামাজত নিজৰ যোগ্য স্থানত বহিলে অপমানিত হব নালাগে। অনাৱশ্যক বিবাদ নিন্দনীয়। গুণৰ গ্ৰহণ আৰু দোষৰ বৰ্জ্জন জীৱনত উন্নতিৰ উপায় সজ্জনৰ সঙ্গ লোৱা, দুৰ্জ্জনৰ সঙ্গ ত্যাগ কৰা, মাতা, পিতা আৰু আচাৰ্য্যৰ কায়মনোবাক্যে সেৱা শুশ্ৰূষা কৰাই পৰম ধৰ্ম্ম।

যান্যস্মাকং সুচৰিতানি তানি ত্বয়োপাস্যানি নো ইতৰাণি।

তৈত্তি০ বল্লী ১।অনু০।১১।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ইয়াৰ অভিপ্ৰায় এয়ে যে, মাক, বাপেক আৰু শিক্ষা গুৰুৱে সন্তান আৰু শিষ্যক সদায় সদুপদেশ দিব আৰু লগতে ইয়াকো কব লাগে যে"যিবোৰ আমাৰ সজ আচৰণ দেখিছা, সেইবোৰ গ্ৰহণ কৰিবাহঁক আৰু বদ্ আচৰণ-বোৰ ত্যাগ কৰিবাহঁক। যিবোৰ সত্য বুলি উপলব্ধ হয় তাকে আচৰণ কৰিবা আৰু আনকো উপদেশ দিবা। পাষণ্ড আৰু দুৰাচাৰীক কেতিয়াও বিশ্বাস নকৰিবা"। হিতাকাংক্ষী মাতা, পিতা আৰু গুৰুৱে যিবোৰ শিক্ষণীয় উপদেশ দিয়ে, সেইবোৰ পালন কৰি নিজৰ ভবিষ্যত কল্যাণ সাধিব পাৰি। মাতা, পিতা বা আচাৰ্য্যই "নিঘণ্টু", "নিৰুক্ত", "অষ্টাধ্যায়ী" অথবা বেদাদিৰ সূত্ৰ লৰা-ছোৱালীক কেৱল মুখস্থ কৰালেই নহয়, তাৰ অৰ্থও বুজাই দিয়া উচিত। এই গ্ৰন্থৰ প্ৰথম সমুল্লাসত পৰমেশ্বৰৰ যি ব্যাখ্যা দিয়া হৈছে, সেই মতে বুজি উপাসনা কৰা উচিত। বিদ্যা আৰু শক্তিবৰ্দ্ধক আহাৰ আৰু শাৰীৰিক চৰ্চা কৰিব লাগে। ভোকৰ পৰিমাণতকৈ অলপ কম খোৱাহে উপকাৰী। উত্তেজক আৰু গুৰুপাক আহাৰ খোৱা অস্বাস্থ্যকৰ। অজ্ঞাত আৰু গভীৰ পানীত নামিব নালাগে, কাৰণ জলজন্তুৰো ভয় আৰু সাঁতুৰিব নোৱাৰিলেও বিপদ।

"না বিজ্ঞাতে জলাশয়ে" —এইটো মনুৰ বচন। অবিজ্ঞাত জলাশয়ত নামি স্নান কৰা নিষেধ।

দৃষ্টিপূতং ন্যসেৎ পাদং বস্ত্ৰপূতং জলং পিবেৎ।
সত্য পূতং বদেদ্বাচং মনঃ পূতং সমাচৰেৎ। মনুঃ(অঃ৬।৪৬।)

অৰ্থ—তললৈ চাই পদক্ষেপ কৰা উচিত, বস্ত্ৰৰে ছেকি জল পান কৰিব লাগে, সত্যৰে পবিত্ৰ বাক্য কব লাগে আৰু পবিত্ৰ মনে বিবেচনা কৰি কৰ্ম্ম কৰিব লাগে।

মাতা শত্ৰুঃ পিতা বৈৰী যেন বালো ন পাঠিতঃ।
ন শোভতে সভামধ্যে হংসমধ্যে বকো যথা॥

চাণক্য নীতি (অঃ ২ শ্লোঃ ১১)

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সন্তানক শিক্ষা নিদিয়া মাক-বাপেক সন্তানৰ শত্ৰু। ৰাজহংসৰ মাজ বগলীৰ দৰে বিদ্যাহীন সন্তানে বিদ্বান সমাজত শোভা দিব নোৱাৰে, তি স্কৃত হে হয়। গতিকে কায়মনোবাক্যেৰে সন্তানক সুশিক্ষিত কৰিব পৰা পৰম কৰ্ত্তব্য আৰু সেয়েই মাতা, পিতা আৰু আচাৰ্য্যৰ সফলতা। শি শিক্ষাৰ বিষয়ে ইয়াত সামান্য আভাষহে দিয়া হ'ল। এইখিনিৰ পৰা বুদ্ধিমান্ সকলে বহুতো কথা বুজি লব পাৰিব।

ইতি শ্ৰীমদ্দয়ানন্দ সৰস্বতী স্বামিকৃতে সত্যাৰ্থপ্ৰকাশে সুভাষা- ৰিভূষিতে বালশিক্ষাবিষয়ে দ্বিতীয়ঃ সমুল্লাসঃ সম্পূৰ্ণঃ। ২।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অথ তৃতীয় সমুল্লাসাৰম্ভঃ

অথাঽধ্যয়নাধ্যাপনবিধিং ব্যাখ্যাস্যামঃ ।

এতিয়া তৃতীয় সমুল্লাসত অধ্যয়ন আৰু অধ্যাপনাৰ নিয়ম ব্যাখ্যা কৰা হব। সন্তান-সন্ততি সকলক সৎ বিদ্যা, গুণ-কৰ্ম্ম-স্বভাৱ আদি ভূষণেৰে বিভূষিত কৰাই মাতা, পিতা, শিক্ষা গুৰু আত্মীয়স্বজনসকলৰ সৰ্ব্ব-প্ৰধান কৰ্ত্তব্য। সোণ, ৰূপ, মণি-মানিক, হীৰা-মুক্তা, প্ৰৱালাদি ৰত্নেৰে মণ্ডিত অলঙ্কাৰেৰে মানৱ আত্মা কেতিয়াও বিভূষিত হব নোৱাৰে। অলঙ্কাৰৰ পৰা দেহাভিমান, বিষয়াসক্তি আৰু তস্কৰাদিৰ ভয়েই নহয়— প্ৰাণৰো ভয় হয়। অলঙ্কাৰ পৰিধানৰ কাৰণেই বাল-বৃদ্ধ আদি অনেকৰ দুৰ্বৃত্তৰ হাতত প্ৰাণ যায় ।

বিদ্যাবিলাসমনসো ধৃতশীলশিক্ষাঃ,
সত্যব্ৰতা ৰহিতমানমলাপহাৰাঃ।
সংসাৰদুঃখদলনেন সুভূষিতা যে,
ধন্যা নৰা বিহিত কৰ্ম্মপৰোপকাৰাঃ ॥

যাৰ মন বিদ্যা চৰ্চ্চাত মগ্ন, যি শিক্ষিত আৰু সৎ স্বভাৱ সম্পন্ন, যি সত্যব্ৰতী, যি নিৰভিমান আৰু পবিত্ৰ, যি পৰৰো মলিনতা দূৰ কৰে, যি সত্য আৰু জ্ঞানৰ উপদেশৰ লগতে বেদবিহিত কৰ্ম্মৰ জৰিয়তে সাংসাৰিক লোকৰ দুখ দূৰ কৰে, যি সকল পৰোপকাৰত ৰত সেই সকল নৰ-নাৰীৰ জীৱন ধন্য। সেই কাৰণে ৮ বছৰ বয়সত বালকক বালক-বিদ্যালয়লৈ আৰু বালিকাক বালিকা-বিদ্যালয়লৈ পঠোৱাৰ ব্যৱস্থা কৰা উচিত। দুৰা-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চাৰী শিক্ষক বা শিক্ষয়িত্ৰীৰ দ্বাৰাই বালক-বালিকাক কেতিয়াও শিক্ষা দিয়াব নালাগে। কাৰণ, যি সকল বিদ্বান হোৱাৰ উপৰিও ধাৰ্ম্মিক হয়, তেনে লোকহে শিক্ষাদানৰ যোগ্য। স্ব গৃহত যথাযোগ্য বিদ্যাৰ সংস্কাৰ (উপনয়নাদি) কৰি বালক-বালিকাক যথাযোগ্য বিদ্যালয়লৈ পঠিয়াব লাগে। শিক্ষাৰ স্থান জন কোলাহল শূন্য ঠাইত অৱস্থিত হব লাগে। বালক আৰু বালিকাৰ পাঠশালাৰ মাজত যথেষ্ট ব্যৱধান থকা বাঞ্ছনীয়। বালিকা বিদ্যালয়ত অকল অধ্যাপিকা আৰু স্ত্ৰী কৰ্ম্মচাৰী থাকিব লাগে। সেইদৰে বালক বিদ্যালয়তো অকল অধ্যাপক আৰু পুৰুষ কৰ্ম্মচাৰীহে হব লাগে। বালিকাৰ বিদ্যালয়লৈ পাঁচ বছৰৰ বালক আৰু বালকৰ বিদ্যালয়লৈ পাঁচ বছৰৰ বালিকাও যোৱা অবাঞ্ছনীয় অৰ্থাৎ ছাত্ৰ-ছাত্ৰী বিলাকে ব্ৰহ্মচৰ্য্য অৱলম্বন কৰি শিক্ষা সমাপ্ত নকৰা পৰ্য্যন্ত উভয়ৰ মাজত মিলিত খেলা ধেমালি আদি কৰি আঠো বিধ মৈথুনৰ পৰা বিৰত থাকিব লাগে। সুবিজ্ঞ শিক্ষক সকলে ছাত্ৰ-ছাত্ৰীবোৰক এনেবোৰ অভ্যাস-আচৰণৰ পৰা ৰক্ষা কৰাত সজাগ দৃষ্টি ৰখা উচিত আৰু সৎ শিক্ষা, চৰিত্ৰ গঠন, শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে যত্নপৰ হোৱা উচিত। বিদ্যালয়ত অধ্যয়ন কৰি থকা অৱস্থাত ধনী-দুঃখীয়া সকলো ছাত্ৰ-ছাত্ৰীৰ আহাৰ, আসন আৰু পৰিধান একে হোৱা উচিত। বিদ্যাৰ্থী জীৱন তপস্বীৰ জীৱন। মাক বাপেক বা পৰিয়ালৰ কোনেও অধ্যয়নৰত সন্তানৰ লগত চিঠি পত্ৰ বিনিময় নকৰি বিদ্যালয়ৰ অধ্যক্ষৰ লগত কৰাহে হিতকৰ। পাৰিবাৰিক বিষয় অশান্তিৰ পৰা ছাত্ৰ-ছাত্ৰীক নিশ্চিন্ত ৰাখি অধ্যয়নত মনোযোগ দিয়াত সহায়ক হব লাগে। বাহিৰত ভ্ৰমণ কৰিবলৈ গলেও লগত শিক্ষক যাব লাগে যাতে তেওঁ কৰণীয় আৰু অকৰণীয় কাৰ্য্যৰ প্ৰতি সচেতন দৃষ্টি ৰখিব পাৰে।

কন্যানাং সম্প্ৰদানং চ কুমাৰাণাং চ ৰক্ষণম্ ॥

মনু (অ০ ৭।শ্লো০ ১২৫)।

অৰ্থঃ—কন্যাক যথাযোগ্য শিক্ষা দি উপযুক্ত পাত্ৰত বিবাহ দিয়া আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যোগ্য পাত্রীৰ লগত বিবাহ নোহোৱা পৰ্য্যন্ত কুসঙ্গৰ পৰা কুমাৰক ৰক্ষা কৰা অভিভাৱকৰ পৰম কৰ্ত্তব্য। লৰা আৰু ছোৱালী উভয়কে পঞ্চম বা অষ্টম বছৰৰ পাছত নিজ ঘৰত ৰাখিব নোৱাৰিব আৰু বিদ্যালয়লৈ পঠিয়াবই লাগিব বুলি বাধ্যতামূলক ৰাষ্ট্ৰীয় বা সামাজিক নীতি হোৱা আৱশ্যক। তেনে নীতি উল্লঙ্ঘনৰ বাবে দণ্ড বিধানো হোৱা উচিত। ঘৰত প্ৰথম যজ্ঞোপবীত দি শিক্ষাৰম্ভৰ পাতনি মেলিব আৰু তাৰ পাছত বালক বালিকাক বিদ্যালয়লৈ পঠাব লাগে। বিদ্যালয়তো বিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপকৰ উপস্থিতিত দ্বিতীয় যজ্ঞোপবীত দি শিক্ষা আৰম্ভ কৰিব লাগে— যাতে সিবিলাকৰ মানসিক উৎপ্ৰেৰণা জাগ্ৰত হয়। মাতা, পিতা বা আচাৰ্য্যই বালক বালিকাক অৰ্থ ব্যাখ্যা কৰি গায়ত্ৰী মন্ত্ৰৰ উপদেশ দিব লাগে। গায়ত্ৰী মন্ত্ৰ ঃ—

ওম্ ভূৰ্ভুবঃ স্বঃ। তৎসৱিতুৰ্বৰেণ্যম্। ভৰ্গো দেৱস্য ধীমহি। ধিয়ো যো নঃ প্ৰচোদয়াৎ ॥

যজু০ অ০ ৩৬।ম০ ৩॥

এই গায়ত্ৰী মন্ত্ৰৰ আগৰ "ওম্" শব্দৰ অৰ্থ প্ৰথম সমুল্লাসত ব্যাখ্যা কৰা হৈছে। ইয়াত তিনি মহাব্যাহৃতিৰ অৰ্থ সংক্ষেপে লিখা হ'ল ঃ—

"ভূৰিতি বৈ প্ৰাণঃ", "যঃ প্ৰাণয়তি চৰাঽচৰং জগৎ স ভূঃ, স্বয়ম্ভূৰীশ্বৰঃ"—যি সমস্ত জগতৰ জীৱনৰ আধাৰ, প্ৰাণতকৈও প্ৰিয় আৰু স্বয়ম্ভু সেই প্ৰাণ-আধাৰ অৰ্থত "ভূঃ" পৰমেশ্বৰৰ নাম। **"ভুৱৰিত্যপানঃ" "যঃ সৰ্বং দুঃখমপানয়তি সোঽপানঃ"**—যি সৰ্ব্ব দুঃখৰহিত, যাক প্ৰাপ্ত হলে জীৱই সকলো দুখৰ পৰা মুক্ত হয়, সেই পৰম ঈশ্বৰৰ নাম "ভুৱঃ"। **"স্বৰিতি ব্যানঃ", "যো বিবিধং জগৎ ব্যানয়তি—ব্যাপ্নোতি সঃ ব্যানঃ"** যি বিভিন্ন জগতত ব্যাপক হৈ জগতৰ সকলোকে ধাৰণ কৰে সেই পৰমেশ্বৰৰ নাম "**স্বঃ**"। এই তিনিওটা বচনেই তৈত্তেৰীয় আৰণ্যকৰ (প্ৰপাঃ ৭।অনুঃ ৫)। (সৱিতুঃ) **"যঃ সুনোত্যুৎপাদয়তি সৰ্বং জগৎ স সৱিতা, তস্য"** যি জগতৰ স্ৰষ্টা আৰু সকলো ঐশ্বৰ্য্যৰ দাতা। (**দেৱস্য**)

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

"যো দীব্যতি দীব্যতে বা স দেৱঃ" যি সকলো সুখৰ মূল আৰু সকলোৱে যাক পাবলৈকো মন কৰে, সেই পৰম বস্তুৰ (**বৰেণ্যং**) **"ৱৰ্ত্তুমৰ্হম্"** স্বীকাৰ বা বৰণৰ যোগ্য, অৰ্থাৎ যি পৰম শ্ৰেষ্ঠ, (**ভৰ্গঃ**) **"শুদ্ধস্বৰূপম্"** শুদ্ধ স্বৰূপ, পাৱক, আৰু চেতন ব্ৰহ্মস্বৰূপ, (**তৎ**) সেই পৰম আত্মাৰ স্বৰূপকে আমি (**ধীমহি**) **"ধৰেমহি"**, ধাৰণ কৰিম। কিয়? (**যঃ**) **"জগদীশ্বৰঃ"** যি জগতৰ সৱিতা পৰম দেৱ পৰমাত্মা (**নঃ**) **"অস্মাকম্"** আমাৰ (**ধিয়ঃ**) **"বুদ্ধীঃ"** বুদ্ধিবৃত্তিবোৰ (**প্ৰচোদয়াৎ**) **"প্ৰেৰয়েৎ"** প্ৰেৰণা কৰে অৰ্থাৎ অসৎ প্ৰবৃত্তিৰ পৰা নিবৃত্ত কৰি সৎ প্ৰবৃত্তি যুক্ত কৰে।

"হে পৰমেশ্বৰ! হে সচ্চিদানন্দানন্ত স্বৰূপ! হে নিত্য শুদ্ধ বুদ্ধ, মুক্ত স্বভাৱ! হে অজনিৰঞ্জন নিৰ্ব্বিকাৰ! হে সৰ্ব্বান্তৰ্য্যামিন্! হে সৰ্ব্বাধাৰ জগৎপতে! সকল জগদুৎপাদক! হে অনাদে! বিশ্বম্ভৰ! সৰ্ব্বব্যাপিন্! হে কৰুণামৃতবাৰিধে! সৱিতু ৰ্দেৱস্য তৱ যদ্ ওম্ ভূৰ্ভুৱঃ স্বৰ্ব্বৰেণ্যং ভৰ্গোঽস্তি তদ্বয়ং ধীমহি দধীমহি ধৰেমহি ধ্যায়েম বা। কস্মৈ প্ৰয়োজনায়েত্যত্ৰাহ। হে ভগৱন্! যঃ সৱিতা দেৱঃ পৰমেশ্বৰো ভৱান্ অস্মাকং ধিয়ঃ প্ৰচোদয়াৎ, স এৱ অস্মাকং পূজ্য উপাসনীয় ইষ্ট দেৱো ভৱতু নাতোঽন্যং ভৱত্তুল্যং ভৱতোঽধিকং চ কঞ্চিৎ কদাচিন্মন্যামহে"।

হে মানৱ সকল! যি সকলোতকৈ অধিক সামৰ্থ্যবান, সচ্চিদানন্দ অনন্তস্বৰূপ, নিত্য শুদ্ধ, নিত্য বুদ্ধ, নিত্য মুক্ত স্বভাৱযুক্ত, কৰুণাসাগৰ, নিৰপেক্ষ ন্যায়কাৰী, জন্ম মৰণাদি ক্লেশ ৰহিত, নিৰাকাৰ, সৰ্বজ্ঞ, জগতৰ স্ৰজন পালন কৰ্ত্তা, সকলো ঐশ্বৰ্য্যৰ মূল, যি পৰম স্বৰূপ সকলোৰে কাম্য, সেই পৰমাত্মাৰ শুদ্ধ চেতন স্বৰূপকহে আমি ধ্যান কৰোঁ। যাতে সেই পৰমাত্মাই মন আৰু বুদ্ধিত অৱস্থিত হৈ আমাক অসৎ পথৰ পৰা সৎপথলৈ প্ৰেৰণ কৰে। তেখেতৰ বাহিৰে—আন বস্তুৰ চিন্তা কৰা অনুচিত। কিয়নো তেওঁৰ সমান বা অধিক একো নাই। তেওঁৰেই আমাৰ পালক, শাসক, ন্যায়দাতা আৰু সকলো সুখৰ মূল।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এইদৰে গায়ত্ৰী মন্ত্ৰৰ শিক্ষা দি সন্ধ্যা উপাসনাৰ বাবে যি স্নান, আচমন, প্ৰাণায়াম আদি ক্ৰিয়া আছে তাৰ শিক্ষা দিব লাগে। প্ৰথমতে স্নান ; কৰণ, ইয়াৰ দ্বাৰা শৰীৰৰ বাহ্য অৱয়ববোৰ শুদ্ধ আৰু সুস্থ থাকে। শাস্ত্ৰত আছে :—

অদ্ভির্গাত্রাণি শুধ্যন্তি মনঃ সত্যেন শুধ্যতি।
বিদ্যাতপোভ্যাং ভূতাত্মা বুদ্ধির্জ্ঞানেন শুধ্যতি॥

মনু० (অ० ৫।শ্লো० ১০৯)।

অৰ্থাৎ পানীৰে শৰীৰৰ বাহিৰৰ অৱয়ববোৰ, সত্য আচৰণৰ দ্বাৰাই মন, বিদ্যা আৰু তপস্যা অৰ্থাৎ কঠোৰ সাধনাৰে ধৰ্ম্ম আচৰণ কৰাৰ দ্বাৰা জীৱাত্মা শুদ্ধ হয়। আৰু সকলো পদাৰ্থৰ জ্ঞানেৰে বুদ্ধি পবিত্ৰ আৰু স্থিৰ হয়। সেয়ে ভোজনৰ আগতে স্নান কৰিব লাগে। দ্বিতীয়তে প্ৰাণায়াম। এই বিষয়ে প্ৰমাণ :—

যোগাঙ্গানুষ্ঠানাদশুদ্ধিক্ষয়ে জ্ঞানদীপ্তিৰাবিবেকখ্যাতেঃ।

যোগ (সাধনপাদ সূ० ২৮)।

এয়া হ'ল যোগ শাস্ত্ৰৰ সূত্ৰ। নিয়ম পূৰ্ব্বক মানুহে প্ৰাণায়াম কৰিলে প্ৰতিক্ষণে আৰু ক্ৰমান্বয়ে অশুদ্ধতা নাশ হৈ জ্ঞানৰ দীপ্তি প্ৰকাশিত হয়। মুক্তি নোহোৱালৈকে তেওঁৰ আত্মজ্ঞান এনেদৰে বাঢ়ি গৈ থাকে। মনুস্মৃতিত কৈছে :—

দহ্যন্তে ধ্যায়মানানাং ধাতূনাং হি যথা মলাঃ।
তথেন্দ্ৰিয়াণাং দহ্যন্তে দোষাঃ প্ৰাণস্য নিগ্ৰহাৎ॥

মনু० (অ० ৬।শ্লো० ৭১)।

অৰ্থাৎ জুইত পুৰিলে যেনেকৈ সোণ আদি ধাতুৰ মলি নষ্ট হৈ শুদ্ধ উজ্জ্বল হয়, সেইদৰে প্ৰাণায়াম কৰিলে মন আদি ইন্দ্ৰিয়বোৰৰো দোষ নাশ হৈ নিৰ্ম্মল হয়।

প্ৰচ্ছৰ্দন বিধাৰণাভ্যাং বা প্ৰাণস্য।

যোগ० (সমাধি পাদে সূ० ৩৪)।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰাণায়ামৰ বিধি ঃ—প্ৰবল বমিত যেনেকৈ ভুক্ত অন্ন-জল পাকস্থলী পৰা ওলাই দূৰৈত চিটিকি পৰে, সেইদৰে—যথা শক্তি প্ৰাণ বায়ুক বাহি কৰি যিমান পৰ সম্ভৱ বাহিৰতে ৰাখিব লাগে। প্ৰাণ বায়ু অৰ্থাৎ শ্বা বাহিৰ কৰোতে আৰু বায়ু বাহিৰত থাকে মানে মূলেন্দ্ৰিয়ক ঊৰ্দ্ধমুখী আকৃষ্ট কৰি ৰাখিব লাগে। এইদৰে অভ্যাস কৰোতে কৰোতে প্ৰাণ বা অধিক সময় ৰুদ্ধ কৰিব পৰা শক্তি বৃদ্ধি হয়। ৰুদ্ধ কৰি ৰাখিবলৈ অসা হলে, লাহে লাহে শ্বাস পূৰণ কৰিব লাগে। এইদৰে যিমান বাৰ পা যায় অভ্যাস কৰিব। প্ৰাণায়াম কৰোতে মনে মনে ওঁ জপ কৰিব লাগে এইদৰে কৰিলে আত্মা আৰু মন আদি ইন্দ্ৰিয়বোৰ শুদ্ধ, শক্তিশালী আৰ স্থিৰ হয়। প্ৰথম—বাহ্য অৰ্থাৎ প্ৰাণ বায়ু বাহিৰত যথাসম্ভৱ নিৰো কৰা, দ্বিতীয়—আভ্যন্তৰ অৰ্থাৎ যিমান পৰ সম্ভৱ প্ৰাণ বায়ুক ভিতৰ নিৰোধ কৰা। তৃতীয়—স্তম্ভন অৰ্থাৎ প্ৰাণ বায়ু যি অৱস্থাত থাকে সে অৱস্থাতেই যথা শক্তি ৰোধ কৰা। চতুৰ্থ—বাহ্যাভ্যন্তৰক্ষেপী অৰ্থাৎ যেতিয় নিঃশ্বাস বাহিৰলৈ প্ৰৱাহিত হয়, তেতিয়া তাৰ বিপৰীতে প্ৰশ্বাস ৰোধ কৰি যথা শক্তি বাহিৰৰ পৰা বায়ু ভিতৰলৈ টানিব লাগে। যেতিয় প্ৰাণ বায়ু বাহিৰৰ পৰা নিঃশ্বাস ৰূপে ভিতৰ সোমাব খোজে, তেতিয় ভিতৰৰ পৰা ঠেলা মাৰি ৰোধ কৰিব লাগে। এইদৰে প্ৰাণ ক্ৰিয়া গতি (শ্বাস-প্ৰশ্বাস) সংযত কৰিব পাৰিলে প্ৰাণ ক্ৰিয়া (শ্বাস-প্ৰশ্বাস বশ হয় আৰু ফলত মন আৰু ইন্দ্ৰিয়ও স্বাধীন হয়। ইয়াৰ ফলত আধ্যাত্মিক শক্তি বৃদ্ধি হয়, বুদ্ধি দীপ্ত আৰু সূক্ষ্ম হয়, আৰু জটিল সূক্ষ্ম বিষয়ো শীঘ্ৰে বুজিব আৰু গ্ৰহণ কৰিব পৰা যায়। প্ৰাণায়াম সিদ্ধিৰ ফলত বল, বীৰ্য্য, স্থৈৰ্য্য, পৰাক্ৰম, জিতেন্দ্ৰিয়তা, আৰু অলপ কালৰ ভিতৰতে দিব্য জ্ঞানৰ অধিকাৰী হব পাৰে। নাৰী সকলেও প্ৰাণায়াম অভ্যাস কৰিব লাগে। প্ৰাণায়াম সাধনৰ লগত, ভোজন, পৰিধান, উঠা বহা আৰু যথাযোগ্য সম্ভাষণৰ ঘনিষ্ঠ সম্বন্ধ থাকে, তাৰ শিক্ষাও বালক বালিকাক দিয়া উচিত।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সন্ধ্যা উপাসনাক ব্ৰহ্ম যজ্ঞও বোলে। যিমান কণ জল ঢোক মাৰিলে কণ্ঠ সিক্ত হৈ হৃদয় পৰ্য্যন্ত পাবগৈ পাৰে, সিমান পৰিমাণৰ জল সোঁ হাতৰ তলুৱাত লৈ হাত তলুৱাৰ মূল আৰু মধ্য ভাগত ওঠ সংলগ্ন কৰি "আচমন" কৰিব লাগে। তাৰ দ্বাৰাই কণ্ঠৰ কফ, পিত্ত শৰীৰৰ জড়তা কিঞ্চিৎ দূৰ হয়। তাৰ পাছত মাৰ্জন কৰিব অৰ্থাৎ বাওঁ হাতৰ তালুৱাত জল লৈ মধ্যমা আৰু অনামিকা আঙ্গুলিৰ আগ ভাগেৰে কৰ্ণ, নেত্ৰ আদি অঙ্গবোৰ জল সিক্ত কৰিব লাগে। ইয়াৰ দ্বাৰাই আলস্য দূৰ হয়। আলস্য নাথাকিলে, বা কণ্ঠত কফ ৰুদ্ধ নহলে আৰু জলৰ অভাৱ হলে "আচমন" নকৰিবও পাৰে। "আচমন"ৰ পাছত মন্ত্ৰ সহিত, প্ৰাণায়াম, মনসা পৰিক্ৰমণ, উপস্থান, স্তুতি, প্ৰাৰ্থনা আৰু উপাসনাৰ ৰীতি বালক বালিকাক শিকাব লাগে। শেষত অঘমৰ্ষণ অৰ্থাৎ পাপ বৃত্তি দমন কৰিব লাগে। এই খিনিকে সন্ধ্যা উপাসনা বোলে। সন্ধ্যা নিৰ্জ্জন স্থানত একাগ্ৰচিত্তে কৰিব লাগে।

অপাং সমীপে নিয়তো নৈত্যিকং বিধিমাস্থিতঃ।
সাৱিত্ৰীমপ্যধীয়ীত গত্বাৰণ্যং সমাহিতঃ॥

মনু॰ (অ॰ ২।শ্লো॰ ১০৪)।

এইটো মনুস্মৃতিৰ বচন। অৰণ্যত অৰ্থাৎ নিৰ্জ্জন স্থানত আৰু জলৰ সমীপত সংযত ভাবে বহি নিত্য কৰ্ম্ম কৰিব লাগে। আৰু সাৱিত্ৰী অৰ্থাৎ গায়ত্ৰী মন্ত্ৰৰ অৰ্থ সহ উচ্চাৰণ, জপ আৰু সেই মতে আচৰণ কৰিব লাগে। এই জপ মনে মনে কৰাটোহে উত্তম।

দ্বিতীয় **দেৱযজ্ঞঃ**—অগ্নি হোত্ৰ আৰু জ্ঞানী সকলৰ সংসৰ্গ আৰু সেৱা শুশ্ৰূষা কৰাই দেৱযজ্ঞ। সন্ধ্যা আৰু অগ্নিহোত্ৰ প্ৰাতঃ আৰু সায়ং এই দুই কালতহে কৰিব লাগে। দিন আৰু ৰাতিৰ সন্ধিক্ষণত কৰা হয় কাৰণেই সন্ধ্যা বোলা হয়। কমেও এঘণ্টা কাল ধ্যান কৰা আৱশ্যক। যোগীসকলে যেনেকৈ সমাধিস্থ হৈ পৰমাত্মাৰ ধ্যান কৰে, সেই দৰেই সন্ধ্যা উপাসনাও কৰিব লাগে। সূৰ্য্য উদয়ৰ পাছত প্ৰাতঃ আৰু সূৰ্য্য

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অস্তৰ পূৰ্ব্বে সায়ং কালত অগ্নিহোত্ৰ কৰিব লাগে। যজ্ঞ কুণ্ড বা যা বেদী ধাতু বা মাটিৰে নিৰ্ম্মাণ কৰিব লাগে। যজ্ঞবেদীৰ ওপৰ ভা বাৰ বা যোল আঙ্গুলি পৰিমাণৰ চতুষ্কোণ আৰু বাৰ বা যোল আঙ্গু গভীৰ, তলভাগ তিনি বা চাৰি আঙ্গুলি পৰিমাণৰ চতুষ্কোণ অৰ্থাৎ তলভা ওপৰ ভাগৰ ¼ (এক চতুৰ্থাংশ) হব লাগে। চন্দন, পলাশ, আম আ উপযোগী কাঠ বেদীৰ পৰিমাণে ডাঙৰ সৰু কৰি কাটি জাপি দি লাগে। তাৰ পাছত অগ্নি স্থাপন কৰি ওপৰত পূৰ্ব্বোক্ত কাঠ জাপি দিব লাগে। অগ্নিহোত্ৰ বা হোমত প্ৰোক্ষণী পাত্ৰ, প্ৰণীতা পাত্ৰ, আজ্য স্থালী অৰ্থাৎ ঘিউ লোৱা পাত্ৰ আৰু হোমত ঘিউ দিবলৈ হেতাৰ প্ৰয়োজ হয়। হোমৰ এই সজুলিবোৰ সোণ, ৰূপ নাইবা কাঠেৰে তৈয়াৰ কৰি লব লাগে। এই পাছ বিধ সজুলিৰ নাম ক্ৰমে তলত দিয়া হল।

১। যজ্ঞকুণ্ড ২। প্ৰোক্ষণীপাত্ৰ ৩। প্ৰণীতাপাত্ৰ
৪। আজ্যস্থালী ৫। হেতা

প্ৰণীতা আৰু প্ৰোক্ষণীত জল ৰখা হয়, আজ্যস্থালীত ঘৃত গৰম কৰি লোৱা হয়। হস্ত প্ৰক্ষালনৰ সুবিধাৰ্থে প্ৰণীতা আৰু প্ৰোক্ষণীৰ জল ব্যৱহাৰ কৰা হয়। ইয়াৰ পাছত ঘিউখিনি ভালদৰে পৰ্য্যবেক্ষণ কৰি নিম্নলিখিত মন্ত্ৰেৰে হোম কৰিব লাগে—

ওম্ ভূৰগ্নয়ে প্ৰাণায় স্বাহা। ভুৰ্ব্বায়বেঽপানায় স্বাহা। স্বৰ দিত্যায় ব্যানায় স্বাহা। ওম্ ভূৰ্ভুবঃ স্বৰগ্নি বায়্বাদিত্যেভ্যঃ প্ৰাণা পানব্যানেভ্যঃ স্বাহা ॥

অগ্নিহোত্ৰৰ প্ৰতিটো মন্ত্ৰ উচ্চাৰণ কৰি এবাৰকৈ আহুতি দিব লাগে। অধিক আহুতি দিব লগা হলে তলত দিয়া মন্ত্ৰ আৰু পূৰ্ব্বোক্ত গায়ত্ৰী মন্ত্ৰ উচ্চাৰণ কৰি আহুতি দিব পাৰি :—

বিশ্বানি দেৱ সৱিতৰ্দুৰিতানি পৰাসুৱ।
যদ্ভদ্ৰং তন্ন আসুৱ ॥ যজুঃ (অ• ৩০।৩)।

“ওম্”, “ভূঃ” আৰু **“প্ৰাণঃ”** আদি পৰমেশ্বৰেই নাম। এইবোৰৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অর্থ আগতে ব্যাখ্যা কৰা হৈছে। "স্বাহা" শব্দৰ অন্তৰ্গত "স্ব" মানে আত্মা আৰু "আহ" মানে কোৱা; অৰ্থাৎ আত্মা বা অন্তৰৰ পৰা কোৱা। সাধাৰণ কথাত কবলৈ হলে আত্মাৰ অনুভূতি জিহ্বাৰে প্ৰকাশ কৰা বুলি কব লাগিব। তাৰ বিপৰীত একো কৰিব নালাগে। পৰমেশ্বৰে সকলো প্ৰাণীৰ সুখৰ কাৰণেই জগতৰ পদাৰ্থবোৰ যিদৰে সৃষ্টি কৰিছে সেইদৰে মানুহেও সকলো প্ৰাণীৰ উপকাৰ কৰিব লাগে। তাৰ বিপৰীত হলে অধৰ্ম্ম।

প্ৰশ্ন—হোমৰ পৰা কি উপকাৰ হয়?

উত্তৰ—সকলোৰেই জানে যে অশুদ্ধ জলবায়ুৰেই সকলো ৰোগৰ মূল। হোমাগ্নিৰ বৈজ্ঞানিক প্ৰভাৱত আকাশ মণ্ডলৰ জল-বায়ু বিশুদ্ধ হলে চৰ অচৰ সকলো প্ৰাণীৰে আৰোগ্য আৰু মঙ্গল সাধন হয়।

প্ৰশ্ন—চন্দনাদি সুগন্ধি দ্ৰব্য গাত ঘঁহিলে বা ঘৃতাদি শ্ৰেষ্ঠ পদাৰ্থ ভক্ষণ কৰিলেই স্বাস্থ্য, বল বৃদ্ধি হয়। তাকে নকৰি জুইত পুৰি নষ্ট কৰা বুদ্ধিমানৰ কাম হব নোৱাৰে।

উত্তৰ—যাৰ পদাৰ্থ বিদ্যাৰ আৰু ৰাসায়নিক বিদ্যাৰ জ্ঞান আছে সেই সকলে এনে প্ৰশ্ন কৰিব নোৱাৰে; কাৰণ কোনো দ্ৰব্যৰ অস্তিত্ব বিলোপ হব নোৱাৰে। দূৰৰ পৰাও মানুহে সুগন্ধ আৰু দুৰ্গন্ধ অনুভৱ কৰে। ইয়াৰ দ্বাৰাই বুজিব পাৰি যে অগ্নিত আহুতি দিয়া পদাৰ্থবোৰ সূক্ষ্ম ৰূপ ধৰি বায়ুত মিলে আৰু দূৰ দূৰণিলৈকে গৈ দুৰ্গন্ধ নিবৃত্তি কৰে।

প্ৰশ্ন—সুগন্ধি দ্ৰব্যই যদি স্বাস্থ্য সুখ দিব পাৰে তেন্তে কেশৰ, কস্তুৰী, আতৰ, সুগন্ধি পুষ্পাদি ঘৰে ঘৰে ৰাখিলেই বায়ু সুগন্ধময় হৈ স্বাস্থ্য আৰু সুখ কাৰক হব পাৰে দেখোন?

উত্তৰ—এইবোৰ সুগন্ধি দ্ৰব্যৰ গৃহৰ দূষিত বায়ু বাহিৰ কৰি বিশুদ্ধ বায়ু ঘৰলৈ আনিবৰ সামৰ্থ্য নাই। কাৰণ এইবোৰৰ ৰাসায়নিক পৰিবৰ্ত্তন কৰিব পৰা শক্তি নাই। কিন্তু অগ্নিৰহে সেই দুৰ্গন্ধ যুক্ত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পদাৰ্থবোৰ ছিন্ন ভিন্ন আৰু পাতল কৰি বাহিৰলৈ উলিয়াই পঠিওৱাৰ আৰু বিশুদ্ধ পদাৰ্থবোৰ ভিতৰলৈ আনিব পৰা শক্তি আছে।

প্ৰশ্ন—মন্ত্ৰ পাঠ কৰি হোম কৰাৰ প্ৰয়োজন কি ?

উত্তৰ—মন্ত্ৰবোৰত হোমৰ সাৰ্থকতা আৰু উপকাৰিতাৰ কথা আছে ; হোমানুষ্ঠানত আবৃত্তি কৰোতে সেইবোৰ মুখস্থ আৰু জ্ঞান অনুভূতি হয়। আন হাতে বেদবো ৰক্ষা হয়।

প্ৰশ্ন—হোম নকৰিলে পাপ হয় নেকি ?

উত্তৰ—হয়। কাৰণ মানৰ দেহৰ মল আৰু দুৰ্গন্ধৰ পৰা যি পৰিমাণে জল বায়ু দূষিত আৰু ৰোগোৎপত্তিৰ কাৰণ হৈ জগতৰ অনিষ্ট কৰে, সেই পৰিমাণে সেই ব্যক্তিৰ পাপ হয়। জগতৰ অনিষ্টই পাপ আৰু জগতৰ কল্যাণ মূলক কৰ্ম্মই পূণ্য। গতিকে সেই পাপ খণ্ডাবৰ কাৰণে অধিক নহলেও অন্ততঃ সিমান পৰিমাণৰ মঙ্গল সাধক কৰ্ম্মানুষ্ঠান অৰ্থাৎ হৱনাদিৰ দ্বাৰাই জল বায়ু বিশুদ্ধ কৰা আৱশ্যক। পানাহাৰৰ দ্বাৰা কেৱল ব্যক্তি বিশেষৰহে পুষ্টি সাধন হয়, কিন্তু এজনৰ পুষ্টি সাধিব পৰা পৰিমাণৰ ঘৃত বায়ু বিশুদ্ধ কৰিব পৰা সামগ্ৰী আৰু অন্নাদিৰ হোম কৰি লক্ষ লক্ষ প্ৰাণীৰ হিত সাধিব পাৰি। যিবোৰ মানুহে ঘৃতাদি উত্তম খাদ্য নাখায় সেই সকলৰ শাৰীৰিক আৰু আধ্যাত্মিক বল বৃদ্ধিও হব নোৱাৰে ; গতিকে উত্তম ভোজন পান কৰাও অতি আৱশ্যক। কিন্তু আহাৰতকৈও হোম কৰা অধিক কৰ্ত্তব্য। গতিকে হোম কৰা আৱশ্যকীয় ধৰ্ম্ম।

প্ৰশ্ন—প্ৰত্যেক মানুহে কিমানকৈ আহুতি দিব লাগে আৰু প্ৰতিটো আহুতিৰ পৰিমাণ কিমান হব লাগে ?

উত্তৰ—প্ৰত্যেক মানুহে যোলটাকৈ আহুতি দিব লাগে আৰু প্ৰত্যেকৰ পৰিমাণ ঘৃতাদি দ্ৰব্য ছয় মহাৰ কম হব নেলাগে। এই পৰিমাণতকৈ যিমান বেছি দিব পাৰে সিমানেই ভাল। এই ৰহস্যতেই তত্ত্বজ্ঞানী ঋষি মুনি আৰু ৰাজা মহাৰাজা সকলে পূৰ্ব্বে হোম কৰিছিল আৰু বিধি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পূৰ্ব্বক কৰাইছিল। যি কালত ভাৰতৰ গৃহে গৃহে হোম আৰু ৰাজসূৱা মহাহোম বা মহাযজ্ঞৰ প্ৰচাৰ আৰু প্ৰভাৱ আছিল, সেই কাললৈকে ভাৰতবাসীৰ সুখ-শান্তি আৰু পৰাক্ৰম অটুট আছিল। সেইদৰে হোম যজ্ঞৰ পুনঃ প্ৰচাৰ হলে এতিয়াও তেনে সুখ-শান্তি, পৰাক্ৰম স্থায়ী হব পাৰে। অধ্যয়ন, অধ্যাপনা, সন্ধ্যোপাসনা, ঈশ্বৰৰ স্তুতি, প্ৰাৰ্থনা, উপাসনা কৰাক **ব্ৰহ্ম যজ্ঞ** বোলা হয়। দৈনিক অগ্নিহোত্ৰৰ পৰা অশ্বমেধ পৰ্য্যন্ত যজ্ঞ, বিদ্বানৰ সেৱা সংকাৰ আৰু সৎসঙ্গক **দেৱ যজ্ঞ** বোলা হয়। ইয়াৰ ভিতৰত কেৱল ব্ৰহ্মযজ্ঞ আৰু অগ্নিহোত্ৰহে ব্ৰহ্মচৰ্য্য কালত কৰিব লাগে।

ব্ৰাহ্মণস্ত্ৰয়াণাং বৰ্ণানামুপনয়নং কৰ্ত্তুমৰ্হতি, ৰাজন্যো দ্বয়স্য। বৈশ্যো বৈশ্যস্যৈৱেতি। শূদ্ৰমপি কুলগুণসম্পন্নং মন্ত্ৰৱৰ্জ্জমনুপনীয়মধ্যাপয়েদিত্যেকে॥

এয়া হ'ল সুশ্ৰুতৰ সূত্ৰস্থানৰ দ্বিতীয় অধ্যায়ৰ বচন। ইয়াত কোৱা হৈছে যে ব্ৰাহ্মণে ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যৰ; ক্ষত্ৰিয়ই ক্ষত্ৰিয় আৰু বৈশ্যৰ; বৈশ্যই কেৱল বৈশ্যৰ উপনয়ন সংস্কাৰ কৰি পঢ়াব পাৰে। অনেক আচাৰ্য্যৰ মতে কুলীন, সৎচৰিত্ৰৱান শূদ্ৰক উপনয়ন সংস্কাৰ নকৰাকৈয়ে মন্ত্ৰ সংহিতাৰ বাহিৰে আন সকলো শাস্ত্ৰ পঢ়াব লাগে। তাৰ পাছত পঞ্চম বা অষ্টম বছৰ বয়সৰ পৰাই বালকক বালকৰ বিদ্যালয়লৈ আৰু বালিকাক বালিকাৰ বিদ্যালয়লৈ পঠিয়াই তলত উদ্ধৃত কৰা নিয়ম অনুসাৰে শিক্ষা আৰম্ভ কৰিব লাগে।

ষট্‌ত্ৰিংশদাব্দিকং চৰ্য্যং গুৰৌ ত্ৰৈৱেদিকং ব্ৰতম্।
তদৰ্দ্ধিকং পাদিকং বা গ্ৰহণান্তিকমেৱ বা॥ মনুঃ (৩।১)॥

অৰ্থ—অষ্টম বছৰৰ পৰা ৩৬ বছৰ পৰ্য্যন্ত ব্ৰহ্মচৰ্য্য (অৰ্থাৎ একোখন বেদৰ সাঙ্গোপাঙ্গ অধ্যয়নত বাৰ বছৰকৈ ৩৬ বছৰ) তাৰ লগত আঠ যোগ হৈ ৪৪ বছৰ বা ১৮ বছৰ পৰ্য্যন্ত ব্ৰহ্মচৰ্য্য আৰু তাৰ লগত পূৰ্ব্বৰ আঠ বছৰ যোগ দিলে ২৬ বছৰ; সিয়ো সম্ভৱ নহলে অন্ততঃ ৯ বছৰ কাল, অথবা যিমান বছৰ পৰ্য্যন্ত অধ্যয়নপূৰ্ণ নহয় সিমান দিনলৈ ব্ৰহ্মচৰ্য্য

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ব্ৰত পালন কৰিব লাগে।

পুৰুষো বাৱ যজ্ঞস্তস্য যানি চতুৰ্ব্বিংশতি বৰ্ষাণি তৎ প্ৰাত সৱনং চতুৰ্ব্বিংশত্যক্ষৰা গায়ত্ৰী গায়ত্ৰং প্ৰাতঃ সৱনং, তদস্য ৱসৱো ঽন্বায়ত্তাঃ প্ৰাণা ৱাৱ ৱসৱ এতে হীদং সৰ্ব্বং ৱাসয়ন্তি ॥১॥

তঞ্চেদেতস্মিন্ বয়সি কিঞ্চিদুপতপেৎস ব্ৰূয়াৎ প্ৰাণা ৱস ইদং মে প্ৰাতঃ সৱনং মাধ্যন্দিনং সৱনমনুসন্তনুতেতি মাহ প্ৰাণানাং ৱসূনাং মধ্যেযজ্ঞো বিলোপ্ সীয়েত্যুদ্ধৈৱ তত এত্যগদো হ ভৱতি ॥২॥

অথ যানি চতুশ্চত্বাৰিংশদ্বৰ্ষাণি তন্মাধ্যন্দিনং সৱনং চতুশ্চত্বাৰিং শদক্ষৰা ত্ৰিষ্টুপ্ ত্ৰৈষ্টুভং মাধ্যন্দিনং সৱনং তদস্য ৰুদ্ৰা অন্বায়ত্তাঃ প্ৰাণা ৱাৱ ৰুদ্ৰা এতে হীদং সৰ্ব্বং ৰোদয়ন্তি ॥৩॥

তং চেদেতস্মিন্ বয়সি কিঞ্চিদুপতপেৎস ব্ৰূয়াৎ প্ৰাণা ৰুদ্ৰা ইদং মে মাধ্যন্দিনং সৱনং তৃতীয় সৱনমনুসন্তনুতেতি মাহং প্ৰাণানাং ৰুদ্ৰাণাং মধ্যে যজ্ঞো বিলোপ্ সীয়েত্যুদ্ধৈৱ তত এত্যগদো হ ভৱতি ॥৪॥

অথ যান্যষ্টাচত্বাৰিংশদ্বৰ্ষাণি তত্তৃতীয়সৱনমষ্টাচত্বাৰিংশদক্ষৰা জগতী জাগতং তৃতীয় সৱনং তদস্যাদিত্যান্বায়ত্তাঃ প্ৰাণা ৱাৱাদিত্যা এতে হীদং সৰ্ব্বমাদদতে ॥৫॥

তং চেদেতস্মিন্ বয়সি কিঞ্চিদুপতপেৎস ব্ৰূয়াৎ প্ৰাণা আদিত্যা ইদং মে তৃতীয় সৱনমায়ুৰনুসন্তনুতেতি মাহং প্ৰাণানামাদিত্যানাং মধ্যে যজ্ঞো বিলোপ্ সীয়েত্যুদ্ধৈৱ তত এত্যগদো হৈৱ ভৱতি ॥৬॥

ছান্দোগ্যোপনিষদ (প্ৰপাঃ ৩। খণ্ড ১৬)॥

ইয়াৰ অৰ্থ :—ব্ৰহ্মচৰ্য্য তিনি বিধ—নিকৃষ্ট, মধ্যম আৰু উৎকৃষ্ট। ইয়াৰ ভিতৰত নিকৃষ্ট ব্ৰহ্মচৰ্য্য :—মানুহৰ অন্নৰ সময় দেহ আৰু পুৰি (অৰ্থাৎ দেহস্থ জীৱাত্মা) যজ্ঞ অৰ্থাৎ শুভ গুণেৰে যুক্ত আৰু সৎ কৰ্ত্তব্য পৰায়ণ হোৱা উচিত কৰ্ত্তব্য। বিবাহিত জীৱনতো লম্পট নহৈ নৈষ্টিক

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

জীৱন যাপন কৰিব পাৰিলে প্ৰাণ বলবান হয় অৰ্থাৎ স্বাস্থ্য সৌন্দৰ্য্য, মেধা প্ৰবল হৈ থাকে। আদি বয়সতে শৈশৱত বিদ্যাভ্যাসৰ তপস্যাত আত্মনিয়োগ কৰিবলৈ আচাৰ্য্য সকলে উপদেশ দিয়া কৰ্ত্তব্য। ব্ৰহ্মচৰ্য্য ব্ৰতীৰ নিশ্চিত ধাৰণা হব লাগে যে "যৌৱনৰ প্ৰথম ভাগত ব্ৰহ্মচাৰী হৈ থাকিব পাৰিলে শেষ জীৱনলৈকে দেহৰ সুস্থতা, আত্মাৰ পৱিত্ৰতাৰে সকলো শুভ গুণৰ অধিকাৰী হব পাৰি।" হে মানৱ! এনে ধাৰণা বিস্তাৰ কৰা যে "২৪ বছৰ বয়সলৈকে ব্ৰহ্মচাৰী হৈ গৃহাশ্ৰমী হলে ৭০ বা ৮০ বছৰ বয়সলৈকে নীৰোগীহৈ থাকিব পাৰি।"

মধ্যম ব্ৰহ্মচৰ্য্য :—যি ৪৪ বছৰ বয়স পৰ্য্যন্ত ব্ৰহ্মচাৰী হৈ জ্ঞান লাভ কৰে তেওঁ প্ৰাণ, ইন্দ্ৰিয়, অন্তঃকৰণ আৰু আত্মা বলবান হৈ দুষ্টক দমন আৰু সন্তক পালন কৰিব পাৰে। ব্ৰহ্মচাৰীয়ে আচাৰ্য্যক প্ৰাৰ্থনা কৰিব—"যদি আপোনাৰ উপদেশ মতে মই প্ৰথম বয়সত যৎসামান্য তপস্যা কৰোঁ। তেন্তে যেন মোৰ এই ৰুদ্ৰৰূপ প্ৰাণযুক্ত মধ্যম ব্ৰহ্মচৰ্য্য সিদ্ধ হয়। ব্ৰহ্মচাৰীয়ে ব্ৰহ্মচাৰী সকলক কব লাগে—"ব্ৰহ্মচৰ্য্যব্ৰতী সকল! তোমালোকৰ ব্ৰহ্মচৰ্য্য সফল হওক। যেনেকৈ মই ব্ৰহ্মচৰ্য্য ব্ৰতেৰে সমুজ্জ্বল যজ্ঞস্বৰূপ হৈ আচাৰ্য্য কুলৰ পৰা প্ৰত্যাৱৰ্ত্তন কৰি স্বাস্থ্যৱান, সুশ্ৰী সম্পন্ন হৈ আছো আৰু এই ব্ৰহ্মচাৰী সকল সৎ কৰ্ম্ম পৰায়ণ, তোমালোকেও সেইদৰেই কৰাই মঙ্গল"।

উৎকৃষ্ট ব্ৰহ্মচৰ্য্য :—৪৮ বছৰ পৰ্য্যন্ত তৃতীয় প্ৰকাৰ ব্ৰহ্মচৰ্য্য ব্ৰত কৰা হয়। জগতী ছন্দ ৪৮ অক্ষৰ যুক্ত, সেই হিচাপত ৪৮ বছৰ পৰ্য্যন্ত ব্ৰহ্মচৰ্য্য পালন কৰিলে প্ৰাণৰ অনুকূল হৈ সকলো বিদ্যা গ্ৰহণৰ বাবে তেওঁ সমৰ্থ হয়। শৈশৱৰ পৰাই মাতা পিতা আৰু আচাৰ্য্যই সন্তানক ব্ৰহ্মচৰ্য্য ব্ৰতত ব্ৰতী আৰু সৎ চিন্তাত প্ৰেৰণা যোগাব, অখণ্ডিত ব্ৰহ্মচৰ্য্যৰ শক্তিৰে ৪০০ বছৰ পৰ্য্যন্ত জীৱন কাল বৃদ্ধি কৰিব পাৰি। স্বাস্থ্য আৰু আয় বৃদ্ধিয়েই জীৱনৰ ইষ্ট। যি ব্ৰহ্মচৰ্য্য সিদ্ধি আৰু ৰক্ষা কৰিব পাৰে তেওঁৰ জীৱনত ধৰ্ম্ম, অৰ্থ, কাম আৰু মোক্ষ লাভ হয়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চতস্ত্ৰোঽৱস্থাঃ শৰীৰস্য বৃদ্ধির্যৌবনং সম্পূৰ্ণতা কিঞ্চিৎ পৰিহাণি শ্চেতি। আষোড়শাদ্বৃদ্ধিঃ। আপঞ্চবিংশতের্যৌৱনম্। আচত্বাৰিং শতঃ সম্পূৰ্ণতা। ততঃ কিঞ্চিৎ পৰিহাণিশ্চেতি।

পঞ্চবিংশে ততোবৰ্ষে পুমান্ নাৰী তু ষোড়শে।
সমত্বাগতবীৰ্য্যৌ তৌ জানীয়াৎ কুশলো ভিষক্॥

সুশ্ৰুত সূত্ৰস্থানৰ ৩৫ অধ্যায়

শৰীৰৰ চাৰি অৱস্থা। প্ৰথম বৃদ্ধি—ষোলৰ পৰা পচিশ বছৰ পৰ্য্যন্ত সকলো ধাতুৰ বৃদ্ধি কাল। দ্বিতীয় যৌৱন—২৬ বছৰৰ পৰা যৌৱন আৰম্ভ হয়। তৃতীয় সম্পূৰ্ণতা—২৫ বছৰ শেষ হোৱাৰ পাছত ২৬ বছৰৰ পৰা ৪০ বছৰ বয়স পৰ্য্যন্ত সকলো ধাতুৰ পুষ্টি হয়। কিঞ্চিৎ পৰিহাণি-শৰীৰৰ সকলো অঙ্গ প্ৰত্যঙ্গৰ পূৰ্ণ বিকাশ হোৱাৰ পাছত শৰীৰৰ বৰ্দ্ধিত ধাতু স্বপ্ন আৰু ঘাম আদিৰ দ্বাৰা বাহিৰ হৈ ওলাই যায়। সেয়ে ৪ বছৰত বিয়া কৰোৱাটোৱেই উত্তম। কিন্তু ৪৮ বছৰ পৰ্য্যন্ত বীৰ্য্য ৰক্ষা কৰি বিবাহ কৰা সকলোতেকৈ শ্ৰেষ্ঠ।

প্ৰশ্ন—ব্ৰহ্মচৰ্য্য নিয়ম স্ত্ৰী পুৰুষ দুয়োৰো একেই নেকি?

উত্তৰ—নহয়, বিবাহ ইচ্ছুক নাৰী পুৰুষৰ কাৰণে, যি পুৰুষে ২ বছৰ পৰ্য্যন্ত ব্ৰহ্মচৰ্য্য পালন কৰে সেই পুৰুষৰ লগত ১৬ বছৰলৈ ব্ৰহ্মচাৰি হৈ থকা নাৰীয়ে বিবাহ কৰিব, ৩০ বছৰীয়া ব্ৰহ্মচাৰী পুৰুষৰ লগত বছৰীয়া কন্যা, ৩৬ বছৰীয়া ব্ৰহ্মচাৰী পুৰুষৰ লগত ১৮ বছৰীয়া কন্যা ৪০ বছৰীয়া ব্ৰহ্মচাৰী পুৰুষৰ লগত ২০ বছৰীয়া কন্যা, ৪৪ বছৰীয়া ব্ৰহ্মচাৰী পুৰুষৰ লগত ২২ বছৰীয়া কন্যা আৰু ৪৮ বছৰীয়া ব্ৰহ্মচাৰী পুৰুষৰ লগত ২৪ বছৰীয়া ব্ৰহ্মচৰ্য্য ৰক্ষা কৰা কন্যাৰ বিবাহ কৰা স্বাস্থ্য সঙ্গত। পুৰুষ ৪৮ বছৰৰ পাছত আৰু নাৰীয়ে ২৪ বছৰৰ পাছত ব্ৰহ্মচৰ্য্য পালন কৰা অনাৱশ্যক। পূৰ্ণ জ্ঞানী জিতেন্দ্ৰিয় নাৰী পুৰুষ আমৰণ ব্ৰহ্মচাৰী আৰু অবিবাহিত হৈও থাকিব পাৰে যদিহে কাম-বাসনা দমন আৰু ইন্দ্ৰিয়বোৰক আত্মাধীন কৰি ৰাখিব পাৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ঋতং চ স্বাধ্যায়প্ৰৱচনে চ। সত্যং চ স্বাধ্যায়প্ৰৱচনে চ। তপশ্চ স্বাধ্যায়প্ৰৱচনে চ। দমশ্চ স্বাধ্যায়প্ৰৱচনে চ। শমশ্চ স্বাধ্যায়প্ৰৱচনে চ। অগ্নয়শ্চ স্বাধ্যায়প্ৰৱচনে চ। অগ্নিহোত্ৰঞ্চ স্বাধ্যায়প্ৰৱচনে চ। অতিথয়শ্চ স্বাধ্যায়প্ৰৱচনে চ। মানুষং চ স্বাধ্যায়প্ৰৱচনে চ। প্ৰজা চ স্বাধ্যায়প্ৰৱচনে চ। প্ৰজনশ্চ স্বাধ্যায়প্ৰৱচনে চ। প্ৰজাতিশ্চ স্বাধ্যায়প্ৰৱচনে চ।

তৈত্তিৰীয় উপনিষদ (প্ৰঃ ৭।অনুঃ ৯)॥

পঢ়া আৰু পঢ়োৱাৰ বিষয়ে নিয়ম ঃ—(ঋতং....) যথাৰ্থ আচৰণ সহকাৰে অধ্যয়ন আৰু অধ্যাপনা কৰিব। (সত্যং....) সদাচাৰ সহকাৰে সৎ বিদ্যা পঢ়াব আৰু পঢ়িব। (তপঃ....) তপস্বী হৈ অৰ্থাৎ ধৰ্মানুষ্ঠান কৰি পঢ়িব আৰু পঢ়াব। (দমঃ....) ইন্দ্ৰিয় বৃত্তি দমন কৰি অধ্যয়ন আৰু অধ্যাপনা কৰিব। (শমঃ....) বিশুদ্ধ মনোবৃত্তিৰে অধ্যয়ন আৰু অধ্যাপনা কৰিব। (অগ্নয়ঃ....) আহবনীয়াদি অগ্নি আৰু বিদ্যুৎ আদিৰ তত্বজ্ঞানেৰে অধ্যয়ন আৰু অধ্যাপনা কৰিব। (অগ্নিহোত্ৰং....) অগ্নিহোত্ৰৰ অনুষ্ঠান সহকাৰে পঠন পাঠন কৰিব। (অতিথয়ঃ....) অতিথি-সেৱা সহকাৰে অধ্যয়ন আৰু অধ্যাপনা কৰিব। (মানুষং....) যথাযোগ্য মনুষ্যোচিত আচৰণ সহকাৰে অধ্যয়ন আৰু অধ্যাপনা কৰিব। (প্ৰজাঃ....) সন্তানৰ পালন আৰু জাতি ৰক্ষা সহকাৰে অধ্যয়ন আৰু অধ্যাপনা কৰিব। (প্ৰজনঃ....) বীৰ্য্য ৰক্ষা আৰু বীৰ্য্য পুষ্টি সহকাৰে অধ্যয়ন আৰু অধ্যাপনা কৰা উচিত। (প্ৰজাতিঃ....) সন্তান আৰু শিষ্যক পালন কৰি অধ্যয়ন আৰু অধ্যাপনা কৰিব।

যমান্ সেৱেত সততং ন নিয়মান্ কেৱলান্ বুধঃ।
যমান্ পতত্যকুৰ্ব্বাণো নিয়মান্ কেৱলান্ ভজন্॥ মনু অ০ ৪।২০৪

যম পাঁচ প্ৰকাৰ ঃ—

তত্ৰাহিংসাসত্যাস্তেয়ব্ৰহ্মচৰ্য্যাপৰিগ্ৰহা যমাঃ।

যোগ সাধন পাদে সূত্ৰ (৩০)॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অৰ্থ—অহিংসা অবৈৰভাৱ ; **সত্য** সত্যৰ আচৰণ, **অস্তেয়** কায় মনে বাক্যৰে পৰৰ দ্ৰব্য চুৰি নকৰা : **ব্ৰহ্মচৰ্য্য** উপস্থেন্দ্ৰিয়ৰ সংযম ; **অপৰিগ্ৰ** অতিলোভ আৰু স্বাৰ্থহীনতা ; এই পাঁচ বিধ "যম" সদায় পালন কৰিব নিয়ম :—

শৌচসন্তোষতপঃস্বাধ্যায়েশ্বৰপ্ৰণিধানানি নিয়মাঃ ॥

যোগ সাধন পাদে সূত্ৰ (৩২)

শৌচ স্নানাদিৰ দ্বাৰা শৰীৰ শুদ্ধ কৰা, **সন্তোষ** ক্ষতি বা লাভ দুখ বা আনন্দ নকৰি পুৰুষাৰ্থ কৰি সন্তুষ্ট থকা, উদ্যমশীলতা, **তপঃ** কষ্ট সহ্য কৰিও সৎ অনুষ্ঠান কৰা, **স্বাধ্যায়** অধ্যয়ন ; **ঈশ্বৰপ্ৰণিধান** ঈশ্বৰ প্ৰতি ভক্তিযুক্ত হৈ মন-প্ৰাণ অৰ্পণ কৰা ; এই পাঁচ বিধ হল "নিয়ম" কেৱল নিয়ম পালন কৰিলেই নহয়, যম আৰু নিয়ম উভয়ৰে সাধ আৰু পালন কৰিহে জীৱন সফল কৰিব পাৰি।

কামাত্মতা ন প্ৰশস্তা ন চৈৱেহাস্ত্যকামতা।
কাম্যো হি বেদাধিগমঃ কৰ্ম্মযোগশ্চ বৈদিকঃ ॥

মনুঃ (অঃ ২।২) ॥

অৰ্থ—অতিশয় কামনাশীল হোৱা আৰু একেবাৰে কামনাশূন্য হোৱা ইয়াৰ কোনোটোৱেই কাৰো বাবে প্ৰশস্ত নহয়। কাৰণ বিনা কামনাৰে বেদৰ জ্ঞান আৰু বেদবিহিত কাৰ্য্য অনুষ্ঠিত হব নোৱাৰে এই বাবে—

স্বাধ্যায়েন ব্ৰতৈৰ্হোমৈ স্ত্ৰৈবিদ্যেনেজ্যয়া সুতৈঃ।
মহাযজ্ঞৈশ্চ যজ্ঞৈশ্চ ব্ৰাহ্মীয়ং ক্ৰিয়তে তনুঃ ॥

মনুঃ (অঃ ২।২৮)।

অৰ্থ—বেদাদিৰ অধ্যয়ন আৰু অধ্যাপনা ; ব্ৰহ্মচৰ্য্য, সত্য ভাষণাদি যম নিয়ম পালন ; অগ্নি, হোম, সত্য আচৰণ আৰু সত্য ভাষণ ; বৈদিক কৰ্ম্ম জ্ঞান, বিদ্যাৰ আচৰণ ; পক্ষেষ্টি আদি কৰ্ম্ম ; অৰ্থাৎ সন্তান সৃষ্টি ; ব্ৰহ্ম, বেদ, পিতৃ, বৈশ্বদেৱ আৰু অতিথি শুশ্ৰূষা কৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পঞ্চ মহাযজ্ঞ আৰু অগ্নিষ্টোমাদি আৰু শিল্পবিদ্যা বিজ্ঞানাদি যজ্ঞানুষ্ঠানৰ দ্বাৰা এই শৰীৰক ব্ৰাহ্মী অৰ্থাৎ ভগৱদ্ অনুভূতিৰ আধাৰ কৰা যায়। ইয়াৰ ভাবাৰ্থ এই যে এইবোৰ সাধনৰ দ্বাৰাইহে ব্ৰাহ্মণ শৰীৰ অৰ্থাৎ জীৱন সফল কৰা সম্ভৱ।

ইন্দ্ৰিয়াণাং বিচৰতাং বিষয়েষ্বপহাৰিষু।
সংযমে যত্নমাতিষ্ঠেদ্বিদ্বান্ যন্তেব বাজিনাম্॥

মনুঃ (২।৮৮)।

ভাবাৰ্থ—যেনেকৈ লেকাম ধৰি চতুৰ সাৰথিয়ে ঘোৰা সংযত কৰে সেই দৰেই বিষয়ত বিচৰণশীল ইন্দ্ৰিয়বোৰক যত্নেৰে নিগ্ৰহ কৰা উচিত। কাৰণ:—

ইন্দ্ৰিয়াণাং প্ৰসঙ্গেন দোষমৃচ্ছত্যসংশয়ম্।
সন্নিয়ম্য তু তান্যেৱ ততঃ সিদ্ধিং নিযচ্ছতি॥

মনুঃ (২।৯৩)।

অৰ্থ—ইন্দ্ৰিয়বোৰৰ দ্বাৰা পৰিচালিত হৈ জীৱাত্মাই নানা দোষেৰে যুক্ত হয়, কিন্তু ইন্দ্ৰিয়বোৰক আত্মবশ কৰিব পাৰিলেই সিদ্ধি লাভ হয়।

বেদাস্ত্যাগশ্চ যজ্ঞাশ্চ নিয়মাশ্চ তপাংসি চ।
ন বিপ্ৰদুষ্টভাৱস্য সিদ্ধিং গচ্ছন্তি কৰ্হিচিৎ॥

মনুঃ (২।৯৭)।

অৰ্থ—দুৰাচাৰী আৰু অজিতেন্দ্ৰিয় পুৰুষৰ বেদ, ত্যাগ, যজ্ঞ, যম, নিয়ম, তপ আৰু অন্যান্য সৎ কৰ্ম্ম কেতিয়াও সিদ্ধি হব নোৱাৰে।

বেদোপকৰণে চৈৱ স্বাধ্যায়ে চৈৱ নৈত্যিকে।
নানুৰোধোহস্ত্যনধ্যায়ে হোমমন্ত্ৰেষু চৈৱ হি॥১॥
নৈত্যিকে নাস্ত্যনধ্যায়ো ব্ৰহ্মসত্ৰং হি তৎ স্মৃতম্।
ব্ৰহ্মাহুতিহুতং পুণ্যমনধ্যায়ৱষট্ কৃতম্॥২॥

মনুঃ (২।১০৫-১০৬)।

অৰ্থ—বেদ পঠন পাঠনত সন্ধ্যা উপাসনাদি পঞ্চ মহাযজ্ঞ আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হোম মন্ত্ৰত অনধ্যায় বিষয়ক অনুৰোধ (আগ্ৰহ) নাই ।১। কাৰ
নিত্য কৰ্ম্মত অনধ্যায় হব নোৱাৰে। শ্বাস-প্ৰশ্বাস যেনেকৈ নিৰন্তৰ চলি
থাকে, সেইদৰেই নিত্য কৰ্ম্মও চলি থাকিব লাগে, কেতিয়াও খতি কৰ
অনুচিত। কাৰণ, অনধ্যায়তো অগ্নিহোত্ৰাদি উত্তম কৰ্ম্মবোৰ পুণ্য স্বৰূ
হয়। যেনেকৈ মিথ্যা আচৰণ পাপ আৰু সদাচৰণ পুণ্য সেই দৰেই
অপকৰ্ম্মত সদায় অনধ্যায় আৰু সৎ কৰ্ম্মত সদায় স্বাধ্যায় কৰাই
মঙ্গল।

অভিৱাদনশীলস্য নিত্যং বৃদ্ধোপসেৱিনঃ।
চত্বাৰি তস্য বৰ্দ্ধন্তে আয়ুৰ্বিদ্যা যশো বলম্ ॥

মনুঃ (২।১২১)।

যি নম্ৰ, সুশীল, বিদ্বান আৰু বৃদ্ধৰ সৎকাৰ কৰে—তেওঁৰ আয়ু,
বিদ্যা, কীৰ্ত্তি আৰু বল বৃদ্ধি হয়, তাৰ বিপৰীতে বিপৰীত পৰিণাম
ঘটে।

অহিংসয়ৈৱ ভূতানাং কাৰ্যং শ্ৰেয়োহনুশাসনম্।
বাক্ চৈৱ মধুৰাশ্লক্ষ্ণা প্ৰযোজ্যা ধৰ্ম্মমিচ্ছতা ॥১॥
যস্য ৱাঙ্‌মনসে শুদ্ধে সম্যগ্‌গুপ্তে চ সৰ্বদা।
স ৱৈ সৰ্বমৱাপ্নোতি বেদান্তোপগতং ফলম্ ॥২॥

মনুঃ (২।১৫৯, ১৬০)।

বিদ্বান্ আৰু বিদ্যাৰ্থী সকলে সদায় নিৰ্বৈৰী ভাৱেৰে সকলোকে
সৎপথ প্ৰদৰ্শন কৰা উচিত আৰু মধুৰ তথা শিষ্টাচাৰ যুক্ত বাণী বোল
বাঞ্ছনীয়। যি সকলোৰে মঙ্গল কামনা কৰে তেওঁ স্বয়ং সদায় সত
আচৰণ কৰিহে পৰক সদ উপদেশ দিয়া উচিত। যাৰ বাক্য আৰু
মন শুদ্ধ আৰু সুৰক্ষিত, তেৰেঁই বেদ সমূহৰ সুনিশ্চিত ফল প্ৰাপ্ত
কৰিব পাৰে।

সম্মানাদ্ ব্ৰাহ্মণো নিত্যমুদ্বিজেত ৱিষাদিৱ।
অমৃতস্যেৱ চাকাঙ্ক্ষেদৱমানস্য সৰ্ব্বদা ॥ মনুঃ (২।১৬২)।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যি সন্মানক বিষ তুল্য জ্ঞান কৰে আৰু অপনমানক অমৃতৱৎ কামনা কৰে, সেই জন ব্ৰাহ্মণেই প্ৰকৃত জ্ঞানী আৰু ব্ৰহ্মজ্ঞ।

অনেন ক্ৰমযোগেন সংস্কৃতাত্মা দ্বিজঃ শনৈঃ।
গুৰৌ বসন্ সংশ্চিনুয়াদ্ ব্ৰহ্মাধিগমিকং তপঃ॥

মনুঃ (২।১৬৪)।

এইদৰে কৃতোপনয়ন দ্বিজ ব্ৰহ্মচাৰী কুমাৰ আৰু ব্ৰহ্মচাৰিণী কন্যা বৈদিক তত্ত্ব জ্ঞানেৰে ক্ৰমান্বয়ে ব্ৰাহ্মণত্ব প্ৰাপ্তিৰ ফালে আগবাঢ়ি যাব পাৰে।

যোঽনধীত্য দ্বিজো বেদমন্যত্ৰ কুৰুতে শ্ৰমম্।
স জীৱন্নেৱ শূদ্ৰত্বমাশু গচ্ছতি সান্বয়ঃ॥ মনুঃ (২।১৬৮)।

যি দ্বিজই বেদাধ্যয়ন নকৰি অন্য বিষয়ত পৰিশ্ৰম কৰে তেওঁ জীৱিত কালতেই পুত্ৰ পৌত্ৰাদি সহিত শূদ্ৰত্বত পতিত হয়।

বৰ্জ্জয়েন্মধু মাংসঞ্চ গন্ধং মাল্যং ৰসান্ স্ত্ৰিয়ঃ।
শুক্তানি যানি সৰ্ব্বাণি প্ৰাণিনাং চৈৱ হিংসনম্ ॥১॥
অভ্যঙ্গমঞ্জনং চাক্ষ্ণোৰুপানচ্ছত্ৰধাৰণম্।
কামং ক্ৰোধঞ্চ লোভঞ্চ নৰ্ত্তনং গীতবাদনম্ ॥২॥
দ্যূতঞ্চ জনবাদঞ্চ পৰিবাদং তথাঽনৃতম্।
স্ত্ৰীণাঞ্চ প্ৰেক্ষণালম্ভমুপঘাতং পৰস্য চ ॥৩॥
একঃ শয়ীত সৰ্ব্বত্ৰ ন ৰেতঃ স্কন্দয়েৎ ক্বচিৎ।
কামাদ্ধি স্কন্দয়ন্ ৰেতো হিনস্তি ব্ৰতমাত্মনঃ ॥৪॥

মনুঃ (২।১৭৭-১৮০)।

ব্ৰহ্মচাৰী আৰু ব্ৰহ্মচাৰিণীয়ে মদ্য, মাংস, গন্ধ, মাল্য, ৰস, স্ত্ৰী-পুৰুষ সঙ্গ, টেঙা জাতীয় আহাৰ, প্ৰাণী হিংসা ।১॥ অঙ্গ-মৰ্দ্দন, অকাৰণ উপস্থেন্দ্ৰিয় স্পৰ্শ, নেত্ৰাঞ্জন, জোতা, ছত্ৰ ধাৰণ, কাম, ক্ৰোধ, লোভ, মোহ, ভয়, শোক, ঈৰ্ষা, দ্বেষ, নৃত্য, গীত, বাদ্য ॥২॥ দ্যূতক্ৰীড়া, পৰচৰ্চ্চা, পৰনিন্দা, মিথ্যা ভাষণ, স্ত্ৰী দৰ্শন, আশ্ৰয়, পৰনিৰ্ভৰশীলতা আৰু পৰৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অপকাৰ ইত্যাদি কুকৰ্ম্ম সৰ্ব্বদা পৰিত্যাগ কৰিব লাগে ।৩। সদায় অকা শুব আৰু বীৰ্য্য স্খলন কেতিয়াও নকৰিব । কাম বাসনাৰ বশহৈ বী স্খলন কৰিলে নিজৰ ব্ৰহ্মচৰ্য্য ব্ৰত নষ্ট হয় ।৪॥

বেদমনুচ্যাচাৰ্য্যোঽন্তেৱাসিনমনুশাস্তি । সত্যং বদ । ধৰ্ম্মং চৰ স্বাধ্যায়ান্মা প্ৰমদঃ । আচাৰ্য্যায় প্ৰিয়ং ধনমাহৃত্য প্ৰজাতন্তুং ব্যৱচ্ছেৎসীঃ । সত্যান্ন প্ৰমদিতৱ্যম্ । ধৰ্ম্মান্ন প্ৰমদিতৱ্যম্ । কুশলা প্ৰমদিতৱ্যম্ । ভূত্যৈ ন প্ৰমদিতৱ্যম্ । স্বাধ্যায় প্ৰৱচনাভ্যাং ন প্ৰমদিতৱ্য দেৱপিতৃকাৰ্য্যাভ্যাং ন প্ৰমদিতৱ্যম্ । মাতৃদেৱো ভৱ । পিতৃদেৱো ভৱ আচাৰ্য্যদেৱো ভৱ । অতিথিদেৱো ভৱ । যান্যনৱদ্যানি কৰ্ম্মাণি তানি সেৱিতৱ্যানি নো ইতৰাণি । যান্যস্মাকং সুচৰিতানি তানি ত্বয়ো পাস্যানি নো ইতৰাণি । যে কে চাস্মচ্ছ্ৰেয়াংসো ব্ৰাহ্মণাস্তেষাং ত্বয়াসনে প্ৰশ্বসিতৱ্যম্ । শ্ৰদ্ধয়া দেয়ম্ । অশ্ৰদ্ধয়া দেয়ম্ । প্ৰিয়া দেয়ম্ । হ্ৰিয় দেয়ম্ । ভিয়া দেৱম্ । সংবিদা দেয়ম্ । অথ যদি তে কৰ্ম্ম বিচিকিৎস বা বৃত্তবিচিকিৎসা বা স্যাৎ । যে তত্ৰ ব্ৰাহ্মণাঃ সম্মৰ্শিনো যুক্তা অযুক্ত অলুক্ষা ধৰ্ম্মকামাঃ স্যুৰ্যথা তে তত্ৰ বৰ্ত্তেৰন্ তথা তত্ৰ বৰ্ত্তেথাঃ এষ আদেশ, এষ উপদেশ এষা বেদোপনিষৎ । এতদনুশাসনম্ এৱমুপাসিতৱ্যম্ । এৱমুচৈতদুপাস্যম্ ।

তৈত্তিৰীয়ঃ (প্ৰপাঃ ৭ অনুঃ ১১ কং ১।২।৩।৪)

অন্তেবাসী ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি আচাৰ্য্যৰ উপদেশ :—“তুমি সদায় সত্য কবা, ধৰ্ম্মাচৰণ কৰিবা, অধ্যয়ন আৰু অধ্যাপনাত প্ৰমা নকৰিবা, শিক্ষা সমাপ্ত নোহোৱালৈকে ব্ৰহ্মচৰ্য্য ব্ৰত পালন কৰিবা আচাৰ্য্যৰ যি প্ৰিয় ধন, সেই মতে প্ৰদান কৰি বিবাহ কৰি সন্তান সৃষ্টি কৰিবা । প্ৰমাদ বশহৈ কেতিয়াও সত্য ত্যাগ নকৰিবা । প্ৰমা বশহৈ কেতিয়াও ধৰ্ম্ম ত্যাগ নকৰিবা । প্ৰমাদৰ বশহৈ নিজৰ আৰোগ আৰু নিপুণতা নেহেৰুৱাবা । প্ৰমাদ বশহৈ উত্তম ঐশ্বৰ্য্য বৃদ্ধিলৈ অৱ হেলা নকৰিবা । প্ৰমাদ বশহৈ পঠন আৰু পাঠনৰ ত্যাগ নকৰিব

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দেৱ, বিদ্বান, আৰু মাতা পিতাৰ সেৱা শুশ্রূষাত প্রমাদ নকৰিবা। মাতা, পিতা, আচাৰ্য্য আৰু অতিথিক দেৱতুল্য জ্ঞান কৰিবা। আমাৰ অনিন্দনীয় আচৰণবোৰহে অনুকৰণ কৰিবা, নিন্দনীয় বোৰ গ্রহণ নকৰিবা। আমাৰ ভিতৰত যি সকল সৰ্ব্বশ্রেষ্ঠ বিদ্বান, ধৰ্ম্মাত্মা, ব্রাহ্মণ, সেই সকলৰ সমীপস্থ হ'বা আৰু তেওঁকেই বিশ্বাস কৰিবা। শ্রদ্ধাৰে দিবা। অশ্রদ্ধাৰে দিবা। শোভাৰ কাৰণে দিবা, লজ্জাৰ কাৰণে দিবা, আৰু ভয়ৰ কাৰণেও দিবা। প্রতিজ্ঞা বদ্ধ দান দিবা। কৰ্ম্ম, শীল, উপাসনা, আৰু জ্ঞান আদিৰ বিষয়ত কোনো সংশয় হলে বিবেচনাশীল, নিৰপেক্ষ, যোগী অথবা অযোগী সৰলচিতীয়া, ধৰ্ম্মপৰায়ণ সকলে আচৰণ কৰা পথকেই অনুকৰণ কৰিবা। এয়েই আদেশ, এয়েই উপদেশ, এয়েই বেদৰ সাৰ তত্ত্ব। এয়েই নৈতিক অনুবৰ্ত্তিতা। এইদৰেই উপাসনা কৰিবা। এয়েই উপাস্য আচৰণ।

অকামস্য ক্রিয়া কাচিৎ দৃশ্যতে নেহ কৰ্হিচিৎ।
যদ্যদ্ধি কুৰুতে কিঞ্চিৎ তত্তৎ কামস্য চেষ্টিতম্॥ মনুঃ (২।৪)॥

কামনা নহলে কোনেও কোনো কামকে নকৰে। যেয়ে যি কৰে তাৰ প্রেৰণাৰ মুল কামেই।

আচাৰঃ পৰমো ধৰ্ম্মঃ শ্রুত্যুক্তঃ স্মাৰ্ত্ত এৱ চ।
তস্মাদস্মিন্ সদা যুক্তো নিত্যং সাদাত্মৱান্ দ্বিজঃ॥ ১॥
আচাৰাদ্বিচ্যুতো বিপ্রো ন বেদফলমশ্নুতে।
আচাৰেণ তু সংযুক্তঃ সম্পূৰ্ণফলভাগ্ ভৱেৎ॥ ২॥

মনু০ (১।১০৮-১০৯)॥

বেদৰ বিষয়ে কথন, শ্রৱণ, শ্রাবণ, অধ্যয়ন, আৰু অধ্যাপনাৰ ফল বেদ আৰু বেদানুকূল স্মৃতি শাস্ত্ৰৰ প্রতিপাদিত পৰম ধৰ্ম্ম। গতিকে সেই ধৰ্ম্ম আচৰণত দ্বিজ সদায় নিষ্ঠাৱান হব লাগে। আচৰণ হীন বিপ্রই বেদ প্রতিপাদিত পৰম সুখ পাব নোৱাৰে, সেই মতে কেৱল আচৰণ কৰিলেহে তাৰ সম্পূৰ্ণ ফল ভাগী হব পাৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যোঽৱমন্যেত তে মূলে হেতুশাস্ত্ৰাশ্ৰয়াদ্ দ্বিজঃ।
স সাধুভিৰ্ব্বহিষ্কাৰ্য্যো নাস্তিকো বেদনিন্দকঃ॥ মনুঃ ২।১১)॥

যি দ্বিজই তৰ্কবিতৰ্কৰ বলত বেদ আৰু আপ্ত পুৰুষ সকলৰ প্ৰণী শাস্ত্ৰবোৰৰ অবমাননা কৰে সেই বেদ নিন্দক নাস্তিকক —সৎ পুৰুষৰ সমাজ পৰা বহিষ্কাৰ কৰা উচিত। কাৰণ ঃ—

বেদঃ স্মৃতিঃ সদাচাৰঃ স্বস্য চ প্ৰিয়মাত্মনঃ।
এতচ্চতুৰ্ব্বিধং প্ৰাহুঃ সাক্ষাৎ ধৰ্ম্মস্য লক্ষণম্॥ মনু০ (২।১২)॥

বেদ, স্মৃতি অৰ্থাৎ বেদানুকুল আপ্তোক্ত মনুস্মৃতি আদি শাস্ত্ৰ, সৎপুৰু আচৰণ আৰু নিজ আত্মাৰ নিৰপেক্ষ বিবেচনা এই চাৰি বিধ প্ৰত্যক্ষ ধৰ্ লক্ষণ। এই চাৰি প্ৰকাৰেই ধৰ্ম্ম, অধৰ্ম্ম, কৰ্ত্তব্য অকৰ্ত্তব্য বা উচিত অ চিত নিৰ্ণয় কৰাৰ উপায়। যিবোৰ কৰ্ম্ম আৰু আচৰণৰ দ্বাৰা নি সমাজৰ আৰু জগতৰ মঙ্গল সাধন হয় সেয়েই ধৰ্ম্ম, ইয়াৰ বিপৰীত হলে অধৰ্ম্ম।

অৰ্থকামেষ্বসক্তানাং ধৰ্ম্মজ্ঞানং বিধীয়তে।
ধৰ্ম্মং জিজ্ঞাসমানানাং প্ৰমাণং পৰমং শ্ৰুতিঃ॥ মনু০ ৪ (২।১৩)॥

যি অৰ্থ অৰ্থাৎ ধন-সম্পত্তিত অতি আসক্ত আৰু কাম বা নাত আবদ্ধ নহয় তেওঁহে সত্য ধৰ্ম্মৰ জ্ঞান লাভ কৰিব পাৰে। বেদ অৰ্থ একমাত্ৰ জ্ঞানেই ধৰ্ম্মাধৰ্ম্ম নিৰ্ণয়ৰ উপায়।

আচাৰ্য্য সকলে নিজৰ শিষ্য বৰ্গক এনেকুৱা শিক্ষা দিয়া উচিত দ্বাৰা সমাজৰ মঙ্গল সাধন হয়। ৰজা, অন্যান্য ক্ষত্ৰিয়, বৈশ্য, আৰু অ পতিত শূদ্ৰকো বিদ্যাভ্যাস কৰাব লাগে। কেৱল ব্ৰাহ্মণ সকলেই বি শিক্ষা কৰিলে আৰু অন্যান্য বৰ্ণই বিদ্যা জ্ঞান নেপালে মানৱ সমাজ বিদ্যা, ধৰ্ম্ম, অৰ্থ আৰু ৰাজ্যৰ উন্নতি সাধন হব নোৱাৰে। জ্ঞান-বি নহলে ক্ষত্ৰিয়ই সমাজ ৰক্ষা, অৰ্থবিদ্যা নেজানিলে বৈশ্য সকলে অৰ্থ সং আৰু জ্ঞান বিবেচনা নহলে শ্ৰমিক শূদ্ৰ সকলে কেনেকৈ নিজৰ নি কৰ্ত্তব্য পালন কৰিব? তদুপৰি নিজৰ নিজৰ চৰিত্ৰ আদৰ্শ ৰক্ষা কৰিবা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

শিক্ষা আৰু জ্ঞানৰ একান্ত আৱশ্যক। সমাজত অন্যান্য বৰ্ণৰ জ্ঞান নহলে ব্ৰাহ্মণৰ জ্ঞানৰ মূল্য বা কেনেকৈ বুজিব। জ্ঞান নহলে ৰজাই ৰাজ্য পৰিচালনা আৰু ন্যায়দণ্ড কেনেকৈ ৰক্ষা কৰিব আৰু ব্ৰাহ্মণ জ্ঞানী সকলৰ বা জ্ঞান আচৰণৰ মান কেনেকৈ নিৰ্ণয় কৰিব পাৰিব? ৰজা অবিদ্বান হলে ৰাজ্যৰ সকলোৱে ভ্ৰষ্টাচাৰী হব। সেই দৰেই নিজৰ নিজৰ কৰ্ত্তব্য পালনৰ কাৰণে সকলোৰে বিদ্যা আৰু জ্ঞানৰ প্ৰয়োজন। সমাজৰ সকলো বিভাগ জ্ঞানযুক্ত নহলে একোটা বিভাগেই বাকীবোৰক নানা ভেশচন কৰি শোষণ কৰিব। ৰক্ষক আৰু ক্ষমতাত অধিষ্ঠিত সকল জ্ঞান বিবেচনা শূন্য হলে যি ইচ্ছা তাকেই কৰিব পাৰে। গতিকে ব্ৰাহ্মণ শিক্ষক সকলেও তেওঁলোকৰ নিজৰ মঙ্গলৰ কাৰণেই সকলোকে উদাৰ মনেৰে শিক্ষা দিয়াই উচিত। সকলোৱে মিলিহে দেশৰ আৰু জগতৰ বিদ্যা, ধৰ্ম্ম, ঐশ্বৰ্য্যৰ উন্নতি সাধন কৰিব পাৰে। সমাজৰ সকলো বৰ্ণ বা বিভাগত বিদ্যাৰ প্ৰচাৰ হলে সমাজত ভণ্ডামি আৰু দুৰ্নীতিৰ অৱসান ঘটাৰ সম্ভৱ। সমাজৰ ৰক্ষক ক্ষত্ৰিয় সকলক নীতি বিধি অনুসাৰে পৰিচালনা কৰিব ব্ৰাহ্মণ সকলে আৰু ব্ৰাহ্মণ সকলকো পৰিচালনা কৰিব সমাজৰ অন্যান্য বিভাগে। গতিকে সমাজৰ সকলো বৰ্ণৰ সকলো নৰনাৰীৰে বিদ্যা শিক্ষাৰ আৱশ্যক।

অধ্যয়ন আৰু অধ্যাপনাৰ বিষয়েও বিবেচনা কৰা উচিত। বিবেচনা বা পৰীক্ষা পাঁচ প্ৰকাৰে কৰা যায়:— (১) যিবোৰ গুণ, কৰ্ম্ম স্বভাৱ, সৃষ্টিশীল ঐশ্বৰীয়, আৰু বেদৰ অনুকূল, সেইবোৰেই সত্য তাৰ যি বিপৰীত সেইবোৰ অসত্য। (২) যিবোৰ সৃষ্টি ক্ৰমৰ অনুকূল সেইবোৰ সত্য আৰু যিবোৰ প্ৰতিকুল সেইবোৰ অসত্য। (৩) যিবোৰ আপ্ত অৰ্থাৎ সৎ, নিৰপেক্ষ জ্ঞানীৰ আচৰণ আৰু উপদেশৰ অনুকূল সেইবোৰ গ্ৰহণযোগ্য তাৰ বিপৰীতবোৰ অগ্ৰাহ্য। (৪) যি আত্মাৰ পৱিত্ৰতা আৰু বিবেকৰ অনুকুল, যেনেকৈ সুখ আত্মাৰ ইষ্ট দুখ অনিষ্ট সেই দৰেই সকলোৰে একে অৱস্থা; অৰ্থাৎ এজনৰ আচৰণত যদি মই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দুখিত বা সুখী হওঁ তেন্তে মোৰ আচৰণৰ পৰাও অন্যজন দুখী বা সুখী হ'ব পাৰে। (৫) প্ৰমাণ আঠোটা :—প্ৰত্যক্ষ, অনুমান, উপমান, শব্দ, ঐতিহ্য, অৰ্থাপত্তি, সম্ভৱ আৰু অভাৱ। ইয়াৰ ভিতৰত ন্যায় শাস্ত্ৰৰ প্ৰত্যক্ষ প্ৰমাণৰ সূত্ৰ তলত উদ্ধৃত কৰা হৈছে।

ইন্দ্ৰিয়াৰ্থ সন্নিকৰ্ষোৎপন্নং জ্ঞানমব্যপদেশ্যমব্যভিচাৰি ব্যৱসায়াত্মকং প্ৰত্যক্ষম্ ॥ ন্যায় সূ০। অ০ ১। অহ্নিক ১। সূত্ৰ ৪।

শ্ৰোত্ৰ, ত্বক, চক্ষু, জিহ্বা আৰু ঘ্ৰাণেন্দ্ৰিয়ৰ শব্দ, স্পৰ্শ, ৰূপ, ৰস, আৰু গন্ধৰ লগত **অব্যভিচাৰি** অৰ্থাৎ ব্যৱধান হীন সংযোগ সম্বন্ধ হৈ মন আৰু আত্মাৰ যি অনুভূতি হয় তাকেই **প্ৰত্যক্ষ** (জ্ঞান) বোলা হয়। ব্যপদেশ্য মানে সংজ্ঞা-সংজ্ঞীৰ সম্বন্ধ বশত যি উৎপন্ন হয় সি জ্ঞান নহয়। যেনেঃ—এজনে এজনক কলে, "পানী আনা।" সেই মতে পানী আনি তেওঁৰ আগত থৈ কলে, "এইয়া পানী।" এই স্থলত পানী এই দুই আখৰীয়া সংজ্ঞাক পানী আনোটা আৰু পানী অনাৰ আদেশ দাতাই নেদেখে, "পানী" নামৰ পদাৰ্থ হে দেখে। শব্দৰ পৰা যি অনুভূতি হয় তাকেই **শব্দ প্ৰমাণ** বোলে। ৰাতি আন্ধাৰত এটা স্তম্ভ অৰ্থাৎ খুটা দেখিয়েই মানুহ বুলি ভ্ৰম হয়, দিনৰ প্ৰকাশত সেই স্তম্ভ দেখিলে ৰাতি হোৱা মানুহৰ জ্ঞান নষ্ট হৈ স্তম্ভৰ জ্ঞানহে থাকে। এনেকুৱা বিনাশী জ্ঞানক **ব্যভিচাৰী** বোলা হয়। "**ব্যৱসায়াত্মক**" মানে নিশ্চয়াত্মক। ৰদত দূৰৈৰ পৰা নদীৰ বালিচৰ দেখি তাক মেলি থোৱা কাপোৰ নে পানী? বুলি কৰা জ্ঞান বা সেইটো কোন? দেৱদত্ত নে যজ্ঞদত্ত? এনে সন্দেহাত্মক অনুভৱক "**অব্যৱসায়াত্মক**" বোলা হয়। যি অব্যপদেশ্য, অব্যভিচাৰী আৰু নিশ্চয়াত্মক জ্ঞান তাকেহে **প্ৰত্যক্ষ** বোলে।

দ্বিতীয়তে অনুমান :—

অথ তৎপূৰ্ব্বকং ত্ৰিবিধমনুমানং পূৰ্ব্ববচ্ছেষবৎ সামান্যতো দৃষ্টঞ্চ। ন্যায়০ অ০ ১। সূ০ ৫।

যি প্ৰত্যক্ষ পূৰ্ব্বক, অৰ্থাৎ যাৰ কোনো অংশ বা সম্পূৰ্ণ, কোনো

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স্থান বা কালত প্ৰত্যক্ষ হৈছে, দূৰ দেশৰ পৰা তাৰ সহচাৰী এক দেশৰ বা অংশৰ অপ্ৰত্যক্ষ অবয়বীৰ জ্ঞান হোৱাকেই অনুমান বোলে। যেনে—পুত্ৰক দেখি পিতাৰ, দূৰৈত ধোৱা দেখি অগ্নিৰ আৰু জগতৰ দুঃখ দেখি পুৰ্ব্বজন্মৰ বিষয়ে জ্ঞান হয়। এই অনুমান তিনি প্ৰকাৰৰ যেনে :—(১) পুৰ্ব্ববৎ যেনে—মেঘ দেখি বৰষুণৰ, বিবাহ দেখি সন্তান জন্মৰ, অধ্যয়নৰত ছাত্ৰ দেখি বিদ্যা লাভৰ নিশ্চয়তা হয়। অৰ্থাৎ য'ত কাৰণ দেখি কাৰ্য্যৰ জ্ঞান হয় তাক পুৰ্ব্ববৎ বোলে। (২) শেষবৎ—যত কাৰ্য্য দেখি কাৰণৰ জ্ঞান হয়। যেনে—নৈত পানী বঢ়া দেখি নদীৰ মূল পৰ্ব্বত আদিত বৰষুণ হোৱাৰ, পুত্ৰ দেখি পিতাৰ, সৃষ্টি দেখি স্ৰষ্টাৰ কাৰণ বা কৰ্ত্তাৰ, সুখ, দুখ দেখি পাপ পুণ্য আচৰণৰ। (৩) সামান্যতোদৃষ্ট—যি কোনো কাৰো কাৰণ বা কাৰ্য্য নহয় কিন্তু পৰম্পৰৰ ভিতৰত কিবা নহয় কিবা সাধৰ্ম্য থাকে। যেনে—গমন বিনা কোনেও স্থানান্তৰিত হব নোৱাৰে, গতিকে যি স্থানান্তৰিত হৈছে সি গতি কৰিছে। অনুমান শব্দৰ অৰ্থ "**অনু অৰ্থাৎ প্ৰত্যক্ষস্য পশ্চান্মীয়তে, জ্ঞায়তে যেন তদনুমানম্**" প্ৰত্যক্ষৰ পাছত উৎপন্ন হোৱা জ্ঞান। যেনে—ধোৱাৰ প্ৰত্যক্ষ নহলে নেদেখা অগ্নিৰ জ্ঞান হব নোৱাৰে।

তৃতীয়তে উপমান :—

প্ৰসিদ্ধসাধৰ্ম্ম্যাৎ সাধ্যসাধনমুপমানম্॥ ন্যায়• অ• ১ আ• ১ সূ• ৬॥

প্ৰসিদ্ধ সাধৰ্ম্ম্যৰে সাধ্যৰ সাধনক উপমান বোলে অৰ্থাৎ সাদৃশ্য লক্ষণেৰে কোনো অজ্ঞাত বস্তুৰ প্ৰমাণ কৰাকেই উপমান বোলে। "**উপমীয়তে যেন তদুপমানম**।" যেনে এক পিতাকে পুত্ৰক কলে "বিষ্ণুমিত্ৰক মাতি আনা", পুত্ৰই "চিনি নেপাওঁ" বুলি কোৱাত বাপেকে কলে "দেৱদত্ত যেনেকুৱা বিষ্ণুমিত্ৰও দেখাত তেনেকুৱা" বা গাই গৰু যেনেকুৱা গৱয় অৰ্থাৎ নীলগায়ো ঠিক তেনেকুৱাই। সাদৃশ্যৰে বিষ্ণুমিত্ৰ বা নীলগাইৰ প্ৰমাণ কৰাকে উপমান বোলে।

চতুৰ্থতে শব্দ প্ৰমাণ :—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আপ্তোপদেশঃ শব্দঃ ॥ ন্যায়০। অ০ ১। সূ০ ৭॥

জিতেন্দ্ৰিয় নিৰপেক্ষ সৎ ৰিদ্বান্ পুৰুষক আপ্ত বোলা হয়। সৃষ্টি অৰ্থাৎ দৃশ্য জগত আৰু তাৰ মুল অদৃশ্য মূলৰ জ্ঞানী বৈদিক ঋষি সকলক আপ্ত বোলা হয় গতিকে বেদ শব্দ প্ৰমাণ।

পঞ্চমতে ঐতিহ্য :–

ন চতুষ্ট্বমৈতিহ্যাৰ্থাপত্তিসম্ভৰাভাৰ প্ৰামাণ্যাৎ।

ন্যায়০। অ০ ২। আ০ ২। সূ০ ১।

ঐতিহাসিক প্ৰমাণক ঐতিহ্য বোলে।

ষষ্ঠতে অৰ্থাপত্তি:—

"অৰ্থাদাপদ্যতে সা অৰ্থাপত্তিঃ।" কেনচিদুচ্যতে" সৎসু ঘনেষু বৃষ্টিঃ সতি কাৰণে কাৰ্য্যং ভৱতীতি কিমত্ৰ প্ৰসজ্যতে,

অসৎসু ঘনেষু বৃষ্টিৰসতি কাৰণে চ কাৰ্য্যং ন ভৱতি"। যেনে—এজনে এজনক ক'লে "ডাৱৰ হ'লে বৰষুণ আৰু কাৰণ হ'লে কাৰ্য্যৰ উৎপত্তি হয়।" এই ক্ষেত্ৰত নকলেও ইয়াৰ তাৎপৰ্য্য ওলাই পৰে যে, বিনামেঘে বৰষুণ আৰু বিনা কাৰণে কাৰ্য্য হ'ব নোৱাৰে।

সপ্তম প্ৰমাণ হৈছে সম্ভৱ :- "**সম্ভৱতি যস্মিন্ স সম্ভৱঃ।**" যি সম্ভৱ নহয় সেয়ে অসম্ভৱ, যেনে—মাতা-পিতা নহ'লে সন্তানৰ জন্ম হোৱা, মৃতক পুনৰ্জীবিত হোৱা, পৰ্ব্বত তুলি মূৰত লোৱা, পানীত শিল ওপঙোৱা, ঈশ্বৰৰ অৱতাৰ হোৱা, মানুহৰ মূৰত শিং গজা ইত্যাদি সৃষ্টি-ক্ৰমৰ বিৰুদ্ধ কাৰ্য্য; সেয়ে এইবোৰ অসম্ভৱ আৰু যিবোৰ কাৰ্য্য সৃষ্টিক্ৰমৰ অনুকুল, সেয়ে—"সম্ভৱ।"

অষ্টমতে অভাৱ :— ন ভৱন্তি যস্মিন্ সোঽভাৱঃ। যেনে—এজনে আন এজনক ক'লে "হাতী এটা আনা"। তেওঁ সেই ঠাইত হাতীৰ অভাৱ দেখি হাতী থকা ঠাইৰ পৰা এটা হাতী আনিলে। এয়েই হ'ল আঠবিধ প্ৰমাণ। ইয়াৰ ভিতৰত ঐতিহ্যক শব্দ প্ৰমাণৰ ভিতৰত আৰু অৰ্থাপত্তি, সম্ভৱঁ আৰু অভাৱক অনুমানৰ ভিতৰত ধৰিলে মাত্ৰ চাৰি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰকাৰৰ প্ৰমাণ থাকে। এই পাঁচবিধ পৰীক্ষাৰ বাহিৰে সত্যাসত্যক প্ৰমাণ কৰাৰ অন্য উপায় নাই।

ধৰ্ম্মবিশেষপ্ৰসুতাদ্ দ্ৰব্যগুণকৰ্ম্মসামান্যবিশেষ সমবায়ানাং পদাৰ্থানাং সাধৰ্ম্ম্যবৈধৰ্ম্ম্যাভ্যাং তত্ত্বজ্ঞানান্নিঃশ্ৰেয়সম্ ॥

বৈশেষিক :। অ০ ১। আ০ ১। সূ০ ৪ ॥

"সাধৰ্ম্ম্য" মানে তুল্যধৰ্ম্মবিশিষ্ট অৰ্থাৎ পৃথিৱী যেনে জড় দ্ৰব্য, জলো সেইদৰে জড়। "বৈধৰ্ম্ম্য"—যেনে পৃথিৱী স্থুল কিন্তু জল তৰল, এইদৰে দ্ৰব্য, গুণ, কৰ্ম্ম, সামান্য, বিশেষ আৰু সমবায় এই ছয় পদাৰ্থৰ স্বৰূপ জ্ঞান বা তত্ত্বজ্ঞান আৰু তদনুৰূপ ধৰ্ম্মানুষ্ঠানৰ দ্বাৰাই "নিঃশ্ৰেয়সম্" মোক্ষ লাভ কৰিব পাৰে।

পৃথিব্যাপস্তেজোবায়ুৰাকাশং কালোদিগাত্মা মন ইতি দ্ৰব্যানি ॥

বৈ০। অ০ ১। আ০ ১। সূ০ ৫ ॥

পৃথিৱী, জল, তেজ, বায়ু, আকাশ, কাল, দিক, আত্মা আৰু মন এই ন'টা দ্ৰব্য।

ক্ৰিয়াগুণবৎ সমবায়িকাৰণমিতি দ্ৰব্যলক্ষণম্ ।।

বৈ০ অ০ ১। আ০ ১ সূ০ ১৫ ॥

"ক্ৰিয়াশ্চ গুণাশ্চ বিদ্যন্তে যস্মিংতৎ ক্ৰিয়াগুণবৎ"—যত ক্ৰিয়াগুণ আৰু কেৱল গুণ থাকে তাক দ্ৰব্য বোলে। পৃথিৱী, জল, তেজ, বায়ু, মন আৰু আত্মা এই ছয়টা দ্ৰব্য ক্ৰিয়া আৰু গুণবিশিষ্ট। **(সমবায়ি) "সমবেতুং শীলং যস্য তৎ সমবায়ি, প্ৰাগ্বৃত্তিত্বং কাৰণং সমবায়ি চ তৎ কাৰণং সমবায়ি কাৰণম্" "লক্ষ্যতে যেন তল্লক্ষণম্"।** যি স্বাভাৱিক মিলনযুক্ত আৰু যি কাৰ্য্যৰ পৰা কাৰণ পূৰ্ব্বকালস্থ হয় তাকেই দ্ৰব্য বোলে। যাৰ দ্বাৰাই লক্ষ্য জনা যায় তাক লক্ষণ বোলে, যেনে—চকুৰ দ্বাৰাই ৰূপ জনা যায়।

ৰূপৰসগন্ধস্পৰ্শৱতী পৃথিৱী ॥ বৈ০ অ০ ২। আ০ ১। সূ০ ১॥

পৃথিৱী ৰূপ, ৰস, গন্ধ আৰু স্পৰ্শবিশিষ্ট। পৃথিৱীৰ গুণ ৰূপ,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰস, আৰু স্পৰ্শ আৰু পৃথিৱীৰ লগত অগ্নি, জল আৰু বায়ু যো
হৈ থাকে।

ব্যৱস্থিতঃ পৃথিব্যাং গন্ধঃ॥ বৈ০ অ০ ২। আ০ ২। সূ০ ২॥

পৃথিৱীৰ স্বাভাৱিক গুণ গন্ধ। সেইদৰে জলৰ ৰস, অগ্নিৰ ৰূপ, বা
স্পৰ্শ আৰু আকাশৰ শব্দ স্বাভাৱিক গুণ।

ৰূপৰসস্পৰ্শবত্য আপো দ্ৰবাঃ স্নিগ্ধা॥ বৈ০ অ০ ২। আ০ ১। সূ০

যি ৰূপ, ৰস আৰু স্পৰ্শযুক্ত, দ্ৰবীভূত আৰু স্নিগ্ধ তাকেই জল বোলে
কিন্তু এইবোৰৰ ভিতৰত জলৰ স্বাভাৱিক গুণ ৰস। অগ্নি আৰু বা
সংযোগত হে ৰূপ আৰু স্পৰ্শ হয়।

অপ্সু শীততা॥ বৈ০ অ০ ২। আ০ ২। সূ০ ৫॥

শীতত্ব জলৰ স্বাভাৱিক গুণ।

তেজো ৰূপস্পৰ্শবৎ॥ বৈ০ অ০ ২। আ০ ১। সূ০ ৩॥

অগ্নি বা তেজৰ গুণ ৰূপ আৰু স্পৰ্শ। ৰূপ স্বাভাৱিক গুণ আ
বায়ুৰ যোগত স্পৰ্শ অনুভূত হয়।

স্পৰ্শবান্ বায়ুঃ॥ বৈ০ অ০ ২। আ০ ১। সূ০ ৪

বায়ুৰ স্বাভাৱিক গুণ স্পৰ্শ; কিন্তু তেজ আৰু জলৰ সংযোগ
উষ্ণতা আৰু শীততা অনুভূত হয়।

ত আকাশে ন বিদ্যন্তে॥ বৈ০ অ০ ২। আ০ ১। সূ০

ৰূপ, ৰস, গন্ধ আৰু স্পৰ্শ আকাশৰ নাই। আকাশৰ গুণ কেৱল শব্দ

নিষ্ক্ৰমণং প্ৰৱেশনমিত্যাকাশস্য লিঙ্গম্॥

বৈ০ অ০ ২। আ০ ১। সূ০

য'ত প্ৰৱেশ আৰু বাহিৰলৈ ওলোৱা কাৰ্য্য হয়, সেয়েই আকাশ
লিঙ্গ বা চিহ্ন।

কাৰ্য্যান্তৰাপ্ৰাদুৰ্ভাবাচ্চ শব্দঃ স্পৰ্শবতাম্ গুণঃ॥

বৈ০ অ০ ২। আ০ ১। সূ০

অন্যান্য গুণবিশিষ্ট পৃথিৱী আদিৰ কাৰ্য্যত শব্দ প্ৰকাশ নহয়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যো শব্দ আকাশৰহে গুণ ।

অপৰস্মিন্নপৰং যুগপচ্চিৰং ক্ষিপ্ৰমিতি কাললিঙ্গানি ॥

বৈ০ অ০ ২। আ০ ২। সূ০ ৬॥

আগত, পাচত, একেসময়তে, পলম, ততালিকে আদি বুজোৱা দ্ৰব্যই কাল ।

নিত্যেম্বভাৱাদনিত্যেষু ভাৱাৎ কাৰণে কালাখ্যেতি ॥

বৈ০ অ০ ২। আ০ ২। সূ০ ৯॥

নিত্য পদাৰ্থত নাথাকি অনিত্য পদাৰ্থত থাকে, গতিকে উপাদান কাৰণকো কাল বোলা হয়।

ইত ইদমিতি যতস্তদ্দিশ্যং লিঙ্গম্ ॥ বৈ০ অ০ ২। সূ০ ১০॥

পূৱ, পশ্চিম, উত্তৰ, দক্ষিণ, উৰ্দ্ধ বা অধঃ আদি যি ব্যৱহাৰ কৰা হয়, তাকেই দিক্ বোলা হয় ।

আদিত্যসংযোগাদ্ ভূতপূৰ্ব্বাদ্ ভৱিষ্যতো ভূতাচ্চ প্ৰাচী ॥

বৈ০ অ০ ২। আ০ ২। সূ০ ১৪॥

যিফালে সূৰ্য্য সংযোগ হয়, হৈছিল আৰু হ'ব তাকেই পূৰ্ব্বদিক বোলে। যি ফালে সূৰ্য্য অস্ত হয় তাক পশ্চিম। পূৰ্ব্বাভিমুখী ব্যক্তিৰ সোঁফালক দক্ষিণ আৰু বাওঁ ফালক উত্তৰ দিক বোলা হয় ।

এতেন দিগন্তৰালানি ব্যাখ্যাতানি ॥ বৈ০ অ০ ২। আ০ ২। সূ০ ১৬॥

পূব আৰু দক্ষিণৰ মধ্যৱৰ্ত্তী আগ্নেয় দিক, দক্ষিণ আৰু পশ্চিমৰ মধ্যৱৰ্ত্তী নৈঋৰ্ত, পশ্চিম আৰু উত্তৰৰ মধ্যৱৰ্ত্তী বায়ৱী আৰু উত্তৰ আৰু পূৰ্ব্বৰ মধ্যৱৰ্ত্তী দিকক ঐশানী বোলা হয়।

ইচ্ছাদ্বেষ প্ৰয়ত্নসুখদুঃখজ্ঞানান্যাত্মনো লিঙ্গমিতি ॥

ন্যায়০ অ০ ১। সূ০ ১০॥

য'ত ইচ্ছা, দ্বেষ, যত্ন, সুখ, দুখ, আৰু জ্ঞান হয়, তাকেই জীৱাত্মা বোলে। বৈশেষিক দৰ্শনত আত্মাৰ গুণ বা লক্ষণ ইয়াতকৈও বিস্তাৰভাৱে বৰ্ণনা কৰা হৈছে ঃ—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰাণাঽপাননিমেষোন্মেষজীৱনমনোগতীন্দ্ৰিয়ান্তৰ্ব্বিকাৰাঃ সুখদুঃখেচ্ছাদ্বেষপ্ৰযত্নাশ্চাত্মনো লিঙ্গানি ॥

বৈ॰ অ॰ ৩। আ॰ ২। সূ॰ ৪

উশাহ, নিশাহ, চকু মুদা, চকু মেলা, প্ৰাণক ধাৰণ কৰ বিবেচনা কৰা, গমন কৰা, ইন্দ্ৰিয়বোৰক পৰিচালনা কৰা, ভোক, পিয়া বেমাৰ-আজাৰ সুখ-দুখ, ইচ্ছা-দ্বেষ, আৰু যত্ন এইবোৰ আত্মাৰ লক্ষণ অৰ্থা গুণ আৰু কৰ্ম্ম। চৈতন্য ভিন্ন জড় বস্তুত এইবোৰ গুণ থাকিব নোৱাৰে

যুগপজ্জ্ঞানানুৎপত্তিৰ্মনসো লিঙ্গম্ ॥ ন্যায়॰ অ॰ ১। সূ॰ ১৬ ॥

একেলগে বা একেসময়তে য'ত দুই প্ৰকাৰৰ জ্ঞান নহয়, সেয়ে মন

ইমানলৈকে দ্ৰব্যৰ স্বৰূপ আৰু লক্ষণ ব্যাখ্যা কৰা হ'ল। ইয়া পাছত এতিয়া দ্ৰব্যৰ গুণ বৰ্ণনা কৰা হব:—

ৰূপৰসগন্ধস্পৰ্শাঃ সংখ্যাপৰিমাণানি পৃথকত্বং সংযোগবিভাগে পৰত্বাঽপৰত্বে বুদ্ধয়ঃ সুখদুঃখে ইচ্ছাদ্বেষৌ প্ৰযত্নাশ্চ গুণাঃ ॥

বৈ॰ অ॰ ১। আ॰ ১। সূ॰ ৬ ॥

ৰূপ, ৰস, গন্ধ, স্পৰ্শ, সংখ্যা, পৰিমাণ, পৃথক্ত্ব, সংযোগ, বিভাগ পৰত্ব, অপৰত্ব, বুদ্ধি, সুখ, দুঃখ, ইচ্ছা, দ্বেষ, প্ৰযত্ন, গুৰুত্ব, দ্ৰবত্ব, স্নেহ সংস্কাৰ, ধৰ্ম্ম, অধৰ্ম্ম, আৰু শব্দ এই ২৪টাকে গুণ বোলে।

দ্ৰব্যাশ্ৰয্যগুণৱান্ সংযোগবিভাগেষ্বকাৰণমনপেক্ষ ইতি গুণলক্ষণম্ ॥ বৈ॰ অ॰ ১। আ॰ ১ সূ॰ ১৬

যি দ্ৰব্যক আশ্ৰয় কৰি থাকে, অন্য গুণৰ আশ্ৰয় নহয়, সংযোগ আৰ বিভাগৰ হেতু নহয়, আৰু আনৰ অপেক্ষা নকৰে, তাকেই গুণ বোলে।

শ্ৰোত্ৰোপলব্ধিৰ্বুদ্ধিনিৰ্গ্ৰাহ্যঃ প্ৰয়োগেণাঽভিজ্বলিত আকাশদেশ শব্দঃ ॥ মহাভাষ্যে

যি কৰ্ণৰ দ্বাৰা উপলব্ধ হয়, বুদ্ধিৰ দ্বাৰা গ্ৰহণীয়, আৰু প্ৰয়োগৰ দ্বাৰা প্ৰকাশিত হয় আকাশ যাৰ আশ্ৰয়স্থল তাক শব্দ বোলে। নেত্ৰৰ দ্বাৰা অনুভূত হয় সেয়েই ৰূপ, জিহ্বাৰ দ্বাৰা বুজিব পৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মধুৰাদি নানা প্ৰকাৰৰ জ্ঞানেই ৰস। যি নাসিকাৰ দ্বাৰাই গৃহীত হয় সেয়ে গন্ধ। ছালৰ সংযোগৰ দ্বাৰা যি গৃহীত হয় সেয়ে স্পৰ্শ। যাৰ দ্বাৰাই এক দুই আদি গণনা হয় সেয়ে সংখ্যা। যাৰ দ্বাৰাই গুৰুত্ব লঘুত্ব আদি পৰিমাণ বা মাত্ৰা গ্ৰহণ হয় সেয়ে পৰিমাণ, এটা অন্যৰ পৰা ভিন্নতা হোৱাই পৃথকত্ব, পৰস্পৰ মিলন হোৱাই সংযোগ। খণ্ডিত হোৱা বিভাগ। ইয়াৰ পূৰ্ব্বই পৰ। ইয়াৰ পাছৰ যি সেয়ে অপৰ। যাৰ দ্বাৰাই বিবেচনা হয় সেয়েই বুদ্ধি। আনন্দই সুখ, আৰু ক্লেশ কষ্টই দুঃখ। ইচ্ছাই ৰাগ, দ্বেষেই বিৰাগ। প্ৰযত্নই সকলো চেষ্টা। গুৰুত্ব গধুৰ। দ্ৰবত্ব পনীয়া, স্নেহ—প্ৰীতি আৰু মসৃনতা। সংস্কাৰ আনৰ সংযোগত হোৱা বাসনা। ধৰ্ম্ম-ন্যায় আচৰণ আৰু কঠিনতা। অধৰ্ম্ম-ন্যায় আচৰণ আৰু কঠিনতাৰ বিপৰীত। এই ২৪ টাই গুণ।

উৎক্ষেপণমৱক্ষেপনমাকুঞ্চনং প্ৰসাৰণং গমনমিতি কৰ্ম্মাণি॥

বৈ০ অ০ ১। আ০ ১। সূ০ ৭॥

উৎক্ষেপণ—ওপৰলৈ নিয়া, অবক্ষেপণ—তললৈ নিয়া, আকুঞ্চণ—সংঙ্কোচ, প্ৰসাৰন বিস্তাৰ, গমন—ভ্ৰমণ এইবোৰকে কৰ্ম্ম বোলে।

কৰ্ম্মৰ লক্ষণ :—

একদ্ৰব্যমগুণং সংযোগবিভাগেষ্বনপেক্ষকাৰণমিতি কৰ্ম্মলক্ষম্॥

বৈ০ অ০ ১। আ০ ১। সূ ১৭॥

"একং দ্ৰব্যমাশ্ৰয় আধাৰো যস্য তদেকদ্ৰব্যং, ন বিদ্যতে গুণো যস্য যস্মিন্ বা তদগুণং, সংযোগেষু বিভাগেষু চাপেক্ষাৰহিতং কাৰণং তৎকৰ্ম্মলক্ষণম্ অথবা "যৎ ক্ৰিয়তে তৎকৰ্ম্ম, লক্ষ্যতে যেন তল্লক্ষণং, কৰ্ম্মণো লক্ষণং কৰ্ম্মলক্ষণম্।"

পদাৰ্থৰ আশ্ৰিত, গুণহীন, আৰু সংযোগ বিভাগৰ অপেক্ষা নথকা কাৰণ হলেই কৰ্ম্ম বোলে।

দ্ৰব্যগুণকৰ্ম্মণাং দ্ৰব্যং কাৰণং সামান্যম্॥

বৈ০ অ০ ১। আ০ ১।সূ০ ১৮॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যি কৰ্ম্ম দ্ৰব্য, গুণ আৰু কৰ্ম্মৰ কাৰণ দ্ৰব্য, সেয়েই সামান্য দ্ৰ

দ্ৰব্যাণাং দ্ৰব্যং কাৰ্য্যং সামান্যম্॥ বৈ° অ° ১। আ° ২। সূ° ২

যি দ্ৰব্যৰ কাৰ্য্য দ্ৰব্য সি কাৰ্য্যত্ব বশতঃ সকলো কাৰ্য্যতেই সামান্য

দ্ৰব্যত্বং গুণত্বং কৰ্ম্মত্বঞ্চ সামান্যানি বিশেষাশ্চ।

বৈ° অ° ১। আ° ২। সূ° ৫॥

দ্ৰব্যবোৰৰ দ্ৰব্যত্ব, গুণবোৰৰ গুণত্ব, কৰ্ম্মবোৰৰ কৰ্ম্মত্ব, এইবো সামান্য আৰু বিশেষ বোলে। কাৰণ দ্ৰব্যবোৰৰ দ্ৰব্যত্ব সামান্য অ গুণত্ব, কৰ্ম্মত্বৰ দ্ৰব্যত্ব বিশেষ। এই দৰেই সকলো বিবেচনা কৰি সকলে তথ্য বুজিব লাগে।

সামান্যং বিশেষ ইতি বুদ্ধ্যপেক্ষম্॥ বৈ° অ° ১। আ° ২। সূ°

বুদ্ধিৰ অপেক্ষানুসৰি সামান্য আৰু বিশেষৰ ভিন্নতা হয়। যেনে মানুহৰ ভিতৰত মনুষ্যত্ব সামান্য পশুত্ব আদিৰ ভিতৰত বিশেষ। এই মনুষ্যত্বৰ ভিতৰত স্ত্ৰীত্ব পুৰুষত্বৰ ভিতৰত ব্ৰাহ্মণত্ব, ক্ষত্ৰিয়ত্ব, বৈশ্যত্ব, শূ বিশেষ। ব্ৰাহ্মণৰ ভিতৰত ব্ৰাহ্মণত্ব সামান্য কিন্তু মনুষ্যত্বৰ বিশেষ। এ দৰেই জগতৰ সকলো তত্ত্ব পৰীক্ষা কৰিব লাগে।

ইহেদমিতি যতঃ কাৰ্য্যকাৰণয়োঃ স সমবায়ঃ॥

বৈ° অ° ৭। আ° ২। সূ° ২৬॥

কাৰণ অৰ্থাৎ অবয়ববোৰৰ ভিতৰত অবয়বী, কাৰ্য্যৰ ভিতৰত ক্ৰি আৰু ক্ৰিয়াবান, গুণ আৰু গুণী জাতি আৰু ব্যক্তি, কাৰ্য্য আৰু কা অবয়ব আৰু অবয়বী এই বোৰৰ ভিতৰত যি নিত্য সম্বন্ধ তাকেই সম সম্বন্ধ বা সমবায় বোলে। ইয়াৰ ভিন্ন সম্বন্ধক সংযোগ সম্বন্ধ বোলে সংযোগ সম্বন্ধ অনিত্য অৰ্থাৎ নাশবান।

দ্ৰব্যগুণয়োঃ সজাতীয়াৰম্ভকত্বং সাধৰ্ম্ম্যম্॥

বৈ° অ° ১। আ° ১। সূ° ৯।

দ্ৰব্য আৰু গুণৰ সমান জাতীয় কৰ্ম্মৰ যি আৰম্ভ তাকেই সা বোলে; যেনে— পৃথিবীৰ জড়ত্ব ধৰ্ম্ম আৰু ঘট আদি কৰ্ম্মৰ উৎপাদ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স্বসদৃশ ধৰ্ম্ম, সেই দৰে জলত জড়ত্ব আৰু হিম আদি স্বসদৃশ কাৰ্য্যৰ আৰম্ভ। পৃথিবীৰ লগত জলৰ আৰু জলৰ লগত পৃথিবীৰ তুল্য বা একে ধৰ্ম্ম আছে। অৰ্থাৎ 'দ্ৰব্য গুণয়োৰ্ব্বিজাতীয়াৰম্ভকত্বং বৈধৰ্ম্ম্যম্।"

ইয়াৰ তাৎপৰ্য্য হয় যে দ্ৰব্য আৰু গুণৰ বিপৰীত ধৰ্ম্ম আৰু কাৰ্য্যৰ যি আৰম্ভ, তাকেই বৈধৰ্ম্ম্য বোলে; যেনে, পৃথিবীৰ কঠিনত্ব, গুৰুত্ব আৰু গন্ধবত্ত্ব ধৰ্ম্ম জলৰ বিৰুদ্ধ (বিপৰীত) আৰু জলৰ দ্ৰবত্ব কোমলতা আৰু ৰস গুণ পৃথিৱীৰ বিৰুদ্ধ॥

কাৰণভাৱাৎ কাৰ্য্যাভাৱঃ॥ বৈ০ অ০ ৪। আ০ ১। সূ০ ৩॥

কাৰণ হ'লেহে কাৰ্য্য হয়।

নতু কাৰ্য্যভাৱাৎ কাৰণাভাৱঃ॥ বৈ০ অ০ ১। আ০ ২। সূ০ ২॥

কাৰ্য্যৰ অভাৱ হ'লেও কাৰণৰ অভাৱ নহয়।

কাৰণাঽভাৱাৎ কাৰ্য্যাঽভাৱঃ॥ বৈ০ অ০ ১। আ০ ২। সূ০ ১॥

কাৰণ নহ'লে কাৰ্য্য কেতিয়াও হ'ব নোৱাৰে।

কাৰণগুণপূৰ্ব্বকঃ কাৰ্য্যগুণো দৃষ্টঃ॥ বৈ০ অ০ ২। আ০ ১। সূ০ ২৪॥

কাৰণত যি গুণ থাকে কাৰ্য্যতো সেই গুণেই হয়।

পৰিমাণ দুই প্ৰকাৰ :—

অনুমহদিতি তস্মিন্ বিশেষভাৱাদ্বিশেষাভাৱাচ্চ॥

বৈ০ অ০ ৭। আ০ ১। সূ০ ১১॥

অণু,=সূক্ষ্ম, মহৎ=প্ৰকাণ্ড,। ত্ৰ্যসৰেণু লিক্ষা (চাৰি ত্ৰ্যসৰেণু)ৰ তুলনাত ক্ষুদ্ৰ, কিন্তু দ্ব্যণুকৰ তুলনাত ডাঙৰ।

সদিতি যতো দ্ৰব্যগুণকৰ্ম্মসু সা সত্তা॥

বৈ০ অ০ ১। আ০ ২। সূ০ ৭॥

যি দ্ৰব্য, গুণ আৰু কৰ্ম্মৰ লগত সৎ শব্দ যুক্ত থাকে অৰ্থাৎ যিবোৰৰ লগত বৰ্ত্তমান কালবাচক শব্দৰ অৰ্থ সংহতি থাকে, তাক সত্তা বোলে, যেনে :—সৎদ্ৰব্য, সৎগুণ, সৎকৰ্ম্ম।

ভাৱোঽনুবৃত্তেৰেব হেতুত্বাৎ সামান্যমেব॥ বৈ০ অ০ ১। আ০ ২।সূ০ ৪॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যাৰ সকলোৰে লগত অনুবৰ্ত্তমান সত্তাৰূপ ভাৱ (বৰ্ত্তমান), সে[illegible]
মহাসামান্য। এয়েই ভাৱৰূপ দ্ৰব্যৰ ক্ৰম।

অভাৱ পাঁচ প্ৰকাৰ হয় :—

ক্ৰিয়াগুণব্যপদেশাভাৱাৎ প্ৰাগসৎ॥ বৈ০ অ০ ৯। আ০ ১। সূ০ [illegible]

প্ৰাগ্ মানে পূৰ্ব্ব। ক্ৰিয়া আৰু গুণৰ বিশেষ নিমিত্তৰ পূ[illegible] অভাৱক "প্ৰাগভাৱ" বোলে। যেনে :— ঘট, বস্ত্ৰ-আদি নিৰ্মিতৰ পূ[illegible] অৱস্থা, ঘট বস্ত্ৰৰ পূৰ্ব্ব অভাৱ। অৰ্থাৎ ঘট বস্ত্ৰ পূৰ্ব্বে নাছিল।

(২) সদসৎ॥ বৈ০ অ০ ৯। আ০ ১। সূ০ ২

হোৱাৰ পাচত নষ্ট হোৱাক "প্ৰধ্বংসাভাৱ" বোলে; যেনে—ঘট, [illegible] আদি নষ্ট হোৱাৰ পাচত হোৱা ঘটাভাৱ, বস্ত্ৰাভাৱ আদি প্ৰধ্বংসাভাৱ।

(৩) সচ্চাসৎ॥ বৈ০ অ০ ৯। আ০ ১। সূ০ ৪

যি আছে, নাই বা নহয় তাকে " অন্যোঽন্যাভাৱ" বোলে। যেনে-"অগৌৰশ্বোঽনশ্বো গৌঃ" ঘোড়া গৰু নহয় আৰু গৰুও ঘোড়া নহয়; অৰ্থ[illegible] ঘোড়াত গৌত্বৰ অভাৱ আৰু গৰুত অশ্বত্বৰ অভাৱ। ইয়াক অন্যোন[illegible]ভাৱ বোলে।

(৪) যচ্চান্যদসদতস্তদসৎ॥ বৈ০ অ০ ৯। আ০ ১। সূ০ ৫

পূৰ্ব্বোক্ত তিনিওবিধ অভাৱৰ—যি ভিন্ন, সেই অভাৱক "অত্যন্তাভা[illegible] বোলে। যেনে—"নৰশৃঙ্গ" অৰ্থাৎ মানুহৰ শিং, "খপুষ্প"—আকাশকুসুম ইত্যাদি।

(৫) নাস্তি ঘটো গেহ ইতি সতো ঘটস্য গেহসংসৰ্গ প্ৰতিষেধঃ

বৈ০ অ০ ৯। আ০ ১। সূ০ ১০

ঘট ঘৰত নাই, অৰ্থাৎ অন্যত আছে; ঘৰ আৰু ঘটৰ সংলগ্ন[illegible] অভাৱ। ইয়াক "সংসৰ্গপ্ৰতিষেধ" বা সংসৰ্গাভাৱ বোলে।

ইন্দ্ৰিয়দোষাৎ সংস্কাৰদোষাচ্চাবিদ্যা॥ বৈ০ অ০ ৯। আ০ ২। সূ০ ১০

ইন্দ্ৰিয়ৰ আৰু সংস্কাৰৰ দোষত অবিদ্যা বা অজ্ঞানতাৰ উৎপত্তি হয়।

তদ্‌দুষ্টজ্ঞানম্॥ বৈ০ অ০ ৯। আ০ ২। সূ০ ১১

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দুষ্ট বা বিপৰীত জ্ঞানক অবিদ্যা বোলে।

অদুষ্টং বিদ্যা ॥ বৈ০ অ০ ৯। আ০ ২। সূ০ ১২ ॥

অদুষ্ট বা যথাৰ্থ জ্ঞানক বিদ্যা বোলে।

পৃথিব্যাদিৰূপৰসগন্ধস্পৰ্শা দ্ৰব্যানিত্যত্বাদনিত্যাশ্চ ॥

বৈ০ অ০ ৭। আ০ ১। সূ০ ২ ॥

এতেন নিত্যেষু নিত্যত্বমুক্তম্ ॥ বৈ০ অ০ ৭। আ০ ১। সূ০ ৩ ॥

কাৰ্য্যস্বৰূপ পৃথিৱী আদি পদাৰ্থ অনিত্য হেতুকে তাৰ ৰূপ, ৰস,, গন্ধ আৰু স্পৰ্শ গুণো অনিত্য আৰু কাৰণস্বৰূপ পৃথিৱী আদি নিত্যদ্ৰব্যৰ যিবোৰ গন্ধ আদি গুণ সিবোৰ নিত্য।

সদকাৰণবন্নিত্যম্ ॥ বৈ০ অ০ ৪। আ০ ১। সূ০ ১।

যি বিদ্যমান আৰু যাৰ কোনো কাৰণ নাই, সি নিত্য। কিন্তু "সৎকাৰণবদনিত্যম্" কাৰণ বিশিষ্ট কাৰ্য্যৰূপগুণক অনিত্য বোলে।

অস্যেদং কাৰ্য্যং কাৰণং সংযোগি বিৰোধি সমৱায়ি চেতি লৈঙ্গিকম্॥

বৈ০ অ০ ৯। আ০ ২। সূ০ ১॥

ইয়াৰ এই কাৰ্য্য বা ইয়াৰ এই কাৰণ ইত্যাদি সমবায়ি, সংযোগি একাৰ্থ সমবায়ি আৰু বিৰোধি এই চাৰি প্ৰকাৰ লৈঙ্গিক অৰ্থাৎ লিঙ্গ লিঙ্গীৰ সম্বন্ধৰ পৰাই জ্ঞান হয়। "সমবায়ি" যেনে—আকাশ পৰিমাণ বিশিষ্ট। "সংযোগি" যেনে শৰীৰ ত্বক্ বিশিষ্ট ইত্যাদি ক্ষেত্ৰত নিত্য সম্বন্ধ আছে। "একাৰ্থসমবায়ি" এক বস্তুত দুটা গুণ থকা; যেনে—কাৰ্য্যৰূপ স্পৃৰ্শ, আৰু কাৰ্য্যৰ লিঙ্গ অৰ্থাৎ জানোঁতা। ''বিৰোধি', যেনে অতীতৰ বৃষ্টি আৰু ভৱিষ্যতৰ বৃষ্টি বিৰোধী লিঙ্গ।

"ব্যাপ্তি"—**নিয়ত ধৰ্ম্মসাহিত্যমুভয়োৰেকতৰস্য বা ব্যাপ্তিঃ ॥ নিজশক্ত্যুদ্ভৱমিত্যাচাৰ্য্যাঃ ॥ আধেয়শক্তিযোগ ইতি পঞ্চশিখঃ ॥**

সাংখ্য সূ০ অ০ ৫। সূ০ ২৯।৩১।৩২

সাধ্য, সাধন, অৰ্থাৎ সিদ্ধ কৰিব লগীয়া আৰু যাৰ দ্বাৰাই সিদ্ধ কৰা যায়। এই দুই বা এটাৰ সাধনৰ নিশ্চিত ধৰ্ম্মৰ যি সহচাৰ, তাকে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ব্যাপ্তি বোলে। যেনেকৈ ধোঁৱা আৰু অগ্নিৰ সহচাৰ আছে ॥ ২৯॥ ব্যাপ্য ধোৱাঁ নিজ শক্তিৰেই উৎপন্ন হয়, আৰু যেতিয়া স্থানান্তৰ হয় তেতিয়াও বিনা অগ্নি সংযোগতেই থাকে। ইয়াকেই ব্যাপ্তি বোলে। অৰ্থাৎ অগ্নিৰ ছেদন, ভেদন সামৰ্থ্যৰ দ্বাৰাই জল আদি দ্ৰব্য ধূমৰূপে আবিৰ্ভাৱ হয়। ৩১॥ যেনেকৈ মহত্তত্ত্ব আদিত প্ৰকৃতিৰ ব্যাপকতা আৰু বুদ্ধি আদিত ব্যাপ্যতা ধৰ্ম্মৰ সম্বন্ধৰ নাম ব্যাপ্তি। যেনে শক্তি আধেয় ৰূপ আৰু শক্তিমান আধাৰৰূপৰ সম্বন্ধ ॥৩২॥

এইবোৰ শাস্ত্ৰীয় প্ৰমাণৰ জ্ঞানেৰে অধ্যয়ন আৰু অধ্যাপনা কৰা উচিত। এয়ে নহলে বিদ্যাৰ্থী সকলৰ কেতিয়াও সত্যৰ উপলব্ধি হব নোৱাৰে। পঢ়াব লগীয়া গ্ৰন্থবোৰ পূৰ্ব্বোক্ত দাৰ্শনিক প্ৰমাণেৰে পৰীক্ষা কৰি যিবোৰ সৎ শাস্ত্ৰৰূপে প্ৰমাণিত হয় সেইবোৰহে পঢ়াব লাগে। অপ্ৰমাণিত গ্ৰন্থবোৰ পঠন পাঠনৰ পৰা জ্ঞান হব নোৱাৰে।

কাৰণ ;—লক্ষণ প্ৰমাণাভ্যাং বস্তুসিদ্ধিঃ ॥

লক্ষণৰ দ্বাৰা, যেনে "গন্ধৱতী পৃথিৱী" যতে মাটি ততেই গোন্ধ বা পৃথিবী হলে গন্ধ থাকিবই এনেকুৱা লক্ষণ আৰু প্ৰত্যক্ষ আদি প্ৰমাণেৰে সকলো সত্য অসত্যৰ আৰু সকলো বস্তুৰ নিৰ্ণয় হয়।

এইবোৰৰ বাহিৰে সত্যাসত্য জ্ঞানৰ উপায় অন্য একো থাকিব নোৱাৰে।

অথ পঠন—পাঠন বিধিঃ ॥

এতিয়া পঠন পাঠনৰ বিধি লিখা হৈছে। প্ৰথম পাণিনি মুনিৰ ৰচিত শিক্ষা, যি সূত্ৰৰূপ, সেই ৰীতি বা নিয়মানুসাৰে বৰ্ণৰ স্থান, প্ৰযত্ন, আৰু কৰণ শিকাব লাগে। যেনে—"প"ৰ স্থান ওষ্ঠ, প্ৰযত্ন স্পৃষ্ঠ, আৰু প্ৰাণ ও জিহ্বাৰ ক্ৰিয়াক কৰণ বোলে। মাতা, পিতা আৰু আচাৰ্য্য সকলে যথাযোগ্য বৰ্ণৰ উচ্চাৰণ শিকাব লাগে।

তাৰ পাছত ব্যাকৰণৰ শিক্ষা দিব লাগে। প্ৰথম অষ্টাধ্যায়ীৰ সূত্ৰ পাঠ; যেনে, "বৃদ্ধিৰাদৈচ্।" তাৰ পাছত পদচ্ছেদ, যেনে —বৃদ্ধিঃ আৎ, ঐচ্, বা অদৈচ্।" তাৰ পাছত সমাসৰ শিক্ষা। যেনে— আচ্চ, ঐচ্চ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আদৈচ্ ।" তাৰ পাছত অৰ্থ যেনে—"আদৈচাং বৃদ্ধি সংজ্ঞা ক্রিয়তে" অৰ্থাৎ আ, ঐ, ঔ, ৰ বৃদ্ধি সংজ্ঞা কৰা হয়। "তঃ পৰো যস্মাৎ স তপ-ৰস্তাদপি পৰস্তপৰঃ"—"ত"কাৰ যাৰ পাছত থাকে, আৰু যি "ত"ৰো পাছত থাকে তাক "তপৰ" বোলে। ইয়াৰ অৰ্থ হ'ল—যি "আ"কাৰৰ পৰ "ৎ" আৰু "ৎ"ৰ পৰত "ঐচ্" উভয়েই "তপৰ।" হ্ৰস্ব আৰু প্লুতৰ বৃদ্ধি সংজ্ঞা নহবৰ বাবেই "ত" পৰৰ প্ৰয়োজন। উদাহৰণ—ভাগঃ ইয়াত ভজ্ ধাতুৰ উত্তৰ 'ঘঞ্' হ'ল। ঘঞ্ৰ 'ঘ,ঞ,' অৰ "ইৎ" সংজ্ঞা হৈ লোপ হ'ল। তেতিয়া "ভজ্+অ" ৰ'ল। "জ"কাৰৰ আগৰ আৰু "ভ"কাৰৰ পাছৰ "অ"কাৰৰ বৃদ্ধি সংজ্ঞক "আ"কাৰ হ'ল। গতিকে "ভাজ" হ'ল। আকৌ "ভাজ"ৰ "জ" ঠাইত "গ" হৈ "অ"কাৰৰ লগত মিলহৈ "ভাগঃ" এই ৰূপত প্ৰয়োগ হ'ল।

"অধ্যায়ঃ" এই স্থলত "অধি" পূৰ্ব্বক ইঙ্ ধাতুৰ হ্ৰস্ব "ই"ৰ বৃদ্ধি হৈ "এ" হ'ল "ঘঞ্" প্ৰত্যয় পাছত থকা বাবে তাৰ পাছত "ঐ"ৰ ঠাইত "আয়্" হ'লত সকলো মিলি "অধ্যায়ঃ" হ'ল।

"নায়কঃ" এই শব্দত "নীঞ্" ধাতুৰ দীৰ্ঘ "ঈ"কাৰৰ ঠাইত "ণ্বুল্" প্ৰত্যয় পাছত থকা বাবে "ঐ" বৃদ্ধি; পাছত "ঐ"ৰ ঠাইত "আয়্" হোৱাৰ পাছত সকলো মিলিত হৈ "নায়কঃ" হ'ল।

"স্তাৱকঃ" এই শব্দত "স্তু" ধাতুৰ পাছত "ণ্বুল্" প্ৰত্যয় হৈ "স্তু"ৰ হ্ৰস্ব উকাৰৰ বৃদ্ধি হৈ "ঔ" আৰু পাছত "আৱ" আদেশ হ'ল। পাচত সকলো মিলিত হৈ "স্তাৱক" সিদ্ধ হয়। "কৃঞ্" ধাতুৰ পাছত "ণ্বুল্" প্ৰত্য "ল্"ৰ ইৎ সংজ্ঞা হৈ লোপ, "বু"ৰ ঠাইত "অক্" আৰু ঋকাৰৰ ঠাইত "আৰ্" বৃদ্ধি হৈ "কাৰক" সিদ্ধ হ'ল।

পদ সিদ্ধ কৰোতে যিবোৰ সূত্ৰৰ ব্যৱহাৰ হয় সেইবোৰ পৰিপাটিকৈ লিখি দেখুৱাই বুজাব লাগে। যেনে—"ভজ্+ঘঞ্+সু" এইদৰে লিখি প্ৰথম ঘকাৰৰ, পাছত "ঞ"ৰ লোপ হৈ "ভজ+অ+সু" হয়, আকৌ "অ"ৰ আকাৰ বৃদ্ধি আৰু জ্ ৰ ঠাইত "গ" হোৱাত "ভাগ্+অ+সু"

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰূপ, তাৰ পাছত উকাৰৰ ইৎ সংজ্ঞা "স্"ৰ ঠাইত "ৰু" হৈ আ
উকাৰৰ ইৎ সংজ্ঞা, লোপ হোৱাৰ পাছত "ভাগৰ্" এই ৰূপ থাকি
তাৰ পাছত ব্যঞ্জনৰ ঠাইত (ঃ) বিসৰ্গ হৈ "ভাগঃ" এই ৰূপ সিদ্ধ হ
যিবোৰ সূত্ৰৰ যেনেকুৱা ৰূপ কাম হয়, সেইবোৰ পঢ়ুৱাই, লিখ
অভ্যাস কৰাব লাগে। এনে ধৰণে শিক্ষা অতি সোনকালে অ
নিঃসন্দিগ্ধ জ্ঞান হয়। এবাৰ এইদৰে অষ্টাধ্যায়ী পঢ়ুৱাই, অৰ্থসহ ধ
পাঠ দহো 'ল' কাৰৰ ৰূপ আৰু প্ৰক্ৰিয়া সহ সূত্ৰবোৰৰ উৎসৰ্গ শিক
লাগে। সামান্য সূত্ৰ, যেনে "কৰ্মণ্যণ্" কৰ্ম্ম উপপদ থাকিলে ধ
মাত্ৰতেই "অণ্" প্ৰত্যয় হয়। উদাহৰণ "কুম্ভকাৰঃ। তাৰ পাছত অ
বাদ সূত্ৰবোৰ শিকাব। যেনে—"আতোঽনুপসৰ্গে-কঃ" উপসৰ্গ ভি
কৰ্ম্ম উপপদ থাকিলে আকাৰান্ত ধাতুৰ পাছত "ক" প্ৰত্যয় হব, অৰ্থ
যি বহুব্যাপক, যেনে কৰ্ম্ম উপপদ বিশিষ্ট হলে সকলো ধাতুৰ অ
"অণ্" প্ৰাপ্ত হয়, তাতকৈ বিশেষ অৰ্থাৎ অল্পবিষয় সেই পূৰ্ব্বসূ
বিষয়ৰ পৰা আকাৰান্ত ধাতুৰ "ক" প্ৰত্যয় গৃহীত হল। যেনে
উৎসৰ্গ বিষয়ত অপবাদ সূত্ৰৰ প্ৰবৃত্তি হয়, সেইদৰে অপবাদ সূ
বিষয়ত উৎসৰ্গ সূত্ৰৰ প্ৰবৃত্তি নহয়; যেনে চক্ৰবৰ্ত্তী ৰাজাৰ ৰাজ
মাণ্ডলিক আৰু ভূস্বামী বা ভূপতি অধীন থাকে, কিন্তু মাণ্ডলিক ৰজ
ৰাজ্যত চক্ৰবৰ্ত্তী ৰাজা অধীন হৈ নাথাকে। এইদৰেই মহৰ্ষি পাণিনি
সহস্ৰ সহস্ৰ শ্লোকৰ মাজত সকলোবোৰ শব্দ, অৰ্থ আৰু পৰম্প
সম্বন্ধৰ জ্ঞান প্ৰতিপাদন কৰিছে। ধাতুৰূপ শিকোৱাৰ পাছত উণাদি
পঢ়াবৰ সময়ত সকলো সুবন্ত বিষয় পঢ়াই, দ্বিতীয়বাৰ সংশয় সমাধা
বাৰ্ত্তিক, কাৰিকা আৰু পৰিভাষাৰ প্ৰয়োগ সহ অষ্টাধ্যায়ীৰ দ্বিতীয়
বৃত্তি পঢ়াব লাগে। তাৰ পাছত মহাভাষ্য পঢ়াব লাগে। বিদ্যাভিলা
বুদ্ধিমান বিদ্যাৰ্থীয়ে নীতি পদ্ধতিৰে ডেৰ বছৰ কাল অষ্টাধ্যায়ী অ
ডেৰ বছৰ মহাভাষ্য পঢ়িলে মুঠ তিনিবছৰৰ ভিতৰত ব্যাকৰণৰ সম্প
জ্ঞান লাভ কৰিব পাৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এইদৰে বৈদিক আৰু লৌকিক সংস্কৃত শব্দৰ ব্যাকৰণ বোধ হলে অন্য শাস্ত্ৰ সহজে অধ্যয়ন আৰু অধ্যাপনা কৰিব পৰা হয়। ব্যাকৰণৰ জ্ঞান আয়ত্ত কৰোতে যিমান পৰিশ্ৰম কৰিব লাগে, অন্য শাস্ত্ৰ অধ্যয়নত সিমান পৰিশ্ৰম কৰিব নেলাগে। তিনিবছৰ অষ্টাধ্যায়ী আৰু মহাভাষ্য অধ্যয়ন কৰি যিমান ভাষাজ্ঞান লাভ কৰিব পাৰি অন্যান্য ব্যাকৰণ সাৰস্বত, চন্দ্ৰিকা, কৌমুদী, মনোৰমা আদি পঞ্চাশ বছৰ পঢ়িও সিমান ভাষাজ্ঞান লাভ কৰিব নোৱাৰি। কাৰণ প্ৰতিভাৱান্ মহৰ্ষিসকলে যি যি মহান বিষয় তেওঁলোকৰ গ্ৰন্থত স্ব স্ব প্ৰতিভাৰে অতি সহজ আৰু সংক্ষেপে প্ৰকাশ কৰিছে; অনুকৰণকাৰী গ্ৰন্থকাৰৰ গ্ৰন্থত সেইবোৰ বিষয় তেনেদৰে প্ৰকাশিত কৰিব পৰা নাই। সেই সকল মনীষী আছিল, তেওঁলোক মানৱ সভ্যতা ডাঙি ধৰা বিষয়বোৰৰ একোজন আচাৰ্য্য। মহৰ্ষি সকলৰ গ্ৰন্থ, যিমানদূৰ সম্ভৱ, সৰল আৰু কম সময়ৰ ভিতৰতে আয়ত্ত কৰিব পাৰি। ক্ষুদ্ৰাশয় গ্ৰন্থকাৰে জটিল ৰচনা প্ৰণয়ন কৰিব পৰাটোকেই বৈশিষ্ট্য বোধ কৰে, যাক অশেষ পৰিশ্ৰমেৰে পঢ়িও পঢ়ুৱৈয়ে সামান্য জ্ঞান হে লাভ কৰিব পাৰে; যেনে এখন পাহাড় খানি তাৰ ভিতৰত এটা সামান্য কড়ি লাভ কৰা। আৰ্ষগ্ৰন্থ অধ্যয়ন কৰি অধিক জ্ঞানৰ অধিকাৰী হ'ব পাৰি।

ব্যাকৰণ অধ্যয়নৰ অন্তত যাস্কমুনিৰ ৰচিত নিঘণ্টু আৰু নিৰুক্ত অৰ্থসহিত ছ-মাহৰ পৰা আঠ মাহলৈকে অধ্যয়ন কৰিব লাগে। অন্যান্য নাস্তিক সকলৰ ৰচিত অমৰকোষ আদি পঢ়ি সময়ৰ অপব্যয় কৰিব নালাগে। তাৰ পাছত পিঙ্গল আচাৰ্য্যৰ ৰচিত ছন্দোগ্ৰন্থ অধ্যয়ন কৰিলে বৈদিক আৰু লৌকিক ছন্দৰ জ্ঞানেৰে ৰচনাবোৰ ছন্দোবদ্ধ কৰিবলৈও শিকিব পাৰে। অল্পজ্ঞ সকলৰ ৰচিত ছন্দোগ্ৰন্থ বৃত্তৰত্নাকৰ আদি পঢ়ি সময়ৰ অপব্যৱহাৰ কৰা অসঙ্গত। তাৰ পাছত মনুস্মৃতি, বাল্মীকীয় ৰামায়ণ আৰু মহাভাৰতৰ উদ্যোগ পৰ্বৰ বিদুৰনীতি আদি নীতিমূলক প্ৰকৰণসমূহ শিক্ষক আচাৰ্য্য সকলে কাৱ্যৰীতিৰে ছাত্ৰ সকলক বুজাব

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

লাগে, যাৰ দ্বাৰাই শিষ্টতা আৰু সৎচৰিত্ৰ গঠন হ'ব পাৰে। এই কা
বোৰ এবছৰ কাল অধ্যয়ন কৰা প্ৰয়োজন।

ইয়াৰ পাছত পূৰ্ব্ব মীমাংসা, বৈশেষিক, ন্যায়, যোগ, সাংখ্য আ
বেদান্ত দৰ্শন ঋষিকৃত ব্যাখ্যা সহ অধ্যয়ন কৰিব। বেদান্ত
আৰম্ভ কৰাৰ আগতে ঈশ, কেন, কঠ, প্ৰশ্ন, মুণ্ডক, মাণ্ডুক্য, ঐতৰে
তৈত্তেৰীয়, ছান্দোগ্য, আৰু বৃহদাৰণ্যক এই দশ উপনিষদ পঢ়ি, ঐতৰে
শতপথ, সাম, আৰু গোপথ এই চাৰি ব্ৰাহ্মণ গ্ৰন্থ, চাৰিও বেদৰ
শব্দ, অৰ্থ, সম্বন্ধ, ক্ৰিয়া সহিত অধ্যয়ন কৰা আৱশ্যক। কাৰণ:—

স্থাণুৰয়ং ভাৰহাৰঃ কিলাভূদধীত্য বেদং ন বিজানাতি যোঽৰ্থ
যোঽৰ্থজ্ঞ ইৎসকলং ভদ্ৰমশ্নুতে নাকমেতি জ্ঞানবিধূতপাপ্‌মা
(নিৰুক্ত ১। ১৮)॥

এই মন্ত্ৰ হ'ল নিৰুক্তৰ। যিবোৰে কেৱল স্বৰ আৰু পাঠমাত্ৰহে জা
অৰ্থ নাজানে, তেওঁ শাখা, পত্ৰ, পুষ্প আৰু ফলৰ ভাৰ বহনকাৰী
অথবা ধানাদিৰ ভাৰবহন কাৰী পশুৰ দৰে ভাৰবাহীহে। যি বেদ পাঠ ক
অৰ্থ উপলব্ধি কৰে তেওঁ সদ্ আচৰণশীল হৈ পৰম আনন্দ উপভোগ কৰে

উত ত্বঃ পশ্যন্ন দদৰ্শ বাচমুত ত্ব শৃণ্বন্ন শৃণোত্যেনাম্। উ
ত্বস্মৈ তন্বং ৱি সস্ৰে জায়েৱ পত্য উশতী সুবাসাঃ॥
ঋ০। ম০ ১০। সূ০ ৭১। ম০ ৪

যি অজ্ঞানী তেওঁ শুনিও নুশুনে, দেখিও নেদেখে, কৈও
নোৱাৰে, অৰ্থাৎ অজ্ঞানীয়ে জ্ঞানৰ তত্ত্ব জানিব নোৱাৰে। কিন্তু যেনে
সুযোগ্য পতি কামী স্ত্ৰীয়ে বস্ত্ৰ অলঙ্কাৰ আদিৰে বিভূষিতাহৈ নিজৰ স্বৰ
প্ৰকাশ কৰি পতিৰ প্ৰীতিৰ অৰ্থে নিজৰ দেহ অৰ্পণ কৰে, সেইদৰে জ্ঞা
তত্ত্বজ্ঞানীৰ আগত নিজৰ ৰহস্য প্ৰকাশ কৰে।

ঋচো অক্ষৰে পৰমে ব্যোমন্ যস্মিন্ দেৱা অধি বিশ্বে নিষেদুঃ
যস্তন্ন বেদ কিমৃচা কৰিষ্যতি য ইত্তদ্বিদুস্ত ইমে সমাসতে॥
(ঋ০। ম০ ১। সূ০ ১৬৪। ম০ ৩৯)।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যি সকলোতে পৰিব্যাপ্ত, অবিনাশী আৰু সৰ্ব্বশ্ৰেষ্ঠ, যত সকলো গ্ৰহ নক্ষত্ৰ অৱস্থিত, সেই পৰম তত্ত্ব উদ্‌ঘাটন কৰাই সকলো বেদৰ তাৎপৰ্য্য, যি সেই পৰমতত্ত্ব পৰম ব্ৰহ্মক নাজানে তেওঁ ঋক্ বেদাদি পাঠ কৰি কিবা আনন্দ পাব পাৰে নে ? কেতিয়াও নোৱাৰে। কিন্তু যি বেদ দৰ্শনেৰে আত্মদৰ্শী যোগী, সেই সকলে পৰমাত্মাৰ স্থিতি উপলব্ধি কৰি পৰমানন্দ পায়। এই কাৰণেই তত্ত্বজ্ঞানেৰেই অধ্যয়ন আৰু অধ্যাপনা কৰা একান্ত আৱশ্যক। এইদৰেই সকলো বেদ অধ্যয়নৰ পাছত আয়ুৰ্ব্বেদ অৰ্থাৎ চৰক, সুশ্ৰুত আদি ঋষি প্ৰণীত চিকিৎসা শাস্ত্ৰৰ অৰ্থ, ক্ৰিয়া, শাস্ত্ৰ, ছেদন, ভেদন, লেপ, চিকিৎসা, নিদান, ঔষধ, পথ্য, শৰীৰ, দেশ, কাল আৰু দ্ৰব্যৰ গুণ চাৰি বছৰ কাল পৰ্য্যন্ত অধ্যয়ন কৰিব লাগে। তাৰ পাছত ধনুৰ্ব্বেদ অৰ্থাৎ ৰাষ্ট্ৰবিজ্ঞান অধ্যয়ন কৰিব লাগে। এই ৰাষ্ট্ৰবিজ্ঞান দুবিধ—(১) ৰাজপুৰুষ সম্বন্ধীয় আৰু (২) প্ৰজা সম্বন্ধীয়। ৰাজকীয় হ'ল :– প্ৰশাসন, সভা, সৈনিক, নিপুণতা, শস্ত্ৰ-অস্ত্ৰবিদ্যা, বেহু-ৰচনা, আন্তঃৰাষ্ট্ৰীয়, মৈত্ৰ, বিভেদ, সন্ধি আদিৰ যথাৰ্থ জ্ঞান। প্ৰজা সম্বন্ধীয় হ'ল :—প্ৰজাৰ শাসন, পৰিপালন, ন্যায় আৰু শান্তি আদি। দুষ্ট আৰু দুৰ্নীতিৰ দমন, ন্যায় সৎপৰায়ণ সকলৰ পালন আৰু বৰ্দ্ধন। বিদ্যাৰ বৃদ্ধি অবিদ্যাৰ নাশ। এই ৰাষ্ট্ৰবিজ্ঞান দুইবছৰ কাল অধ্যয়ন কৰি তাৰ পাছত গন্ধৰ্ব্ববেদ অৰ্থাৎ সঙ্গীত, স্বৰ, ৰাগ, ৰাগিনী, সময়, তাল, গ্ৰাম, তান, বাদ্য, নৃত্য, আদিৰ অধ্যয়ন কৰিব লাগে। গন্ধৰ্ব্ব বিদ্যাৰ ভিতৰত নাৰদ সংহিতা আদি আৰ্যগ্ৰন্থৰ অধ্যয়ন আৰু সামবেদৰ গান, যন্ত্ৰবাদ্য সহকাৰে অভ্যাস কৰিব। লম্পট, বেশ্যা, বৈৰাগী আদিৰ কাম বাসনা উদ্দীপক সঙ্গীতাদিৰ কেতিয়াও চৰ্চ্চা কৰিব নালাগে।

অৰ্থবেদো অধ্যয়ন কৰা আৱশ্যক। অৰ্থবেদৰ বিষয় শিল্পবিজ্ঞান। পদাৰ্থৰ গুণ, ক্ৰিয়া, কৌশল, নিৰ্ম্মাণ আৰু পৃথিৱীৰ পৰা আকাশৰ জ্ঞানেৰে অৰ্থ অৰ্থাৎ ঐশ্বৰ্য্য বৰ্দ্ধন কৰিব পাৰি। ইয়াৰ উপৰিও দুইবছৰ মান সূৰ্য্য

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সিদ্ধান্ত আদি জ্যোতিষ শাস্ত্ৰ, বীজগণিত, অঙ্ক, ভূগোল, খগোল আৰু ভূতত্ত্ব বা ভূগৰ্ভ বিদ্যাও অধ্যয়ন কৰিব লাগে। ইয়াৰ কৰ্ম্মক্ষেত্ৰৰ উপযোগী হাতৰ কাম আৰু যন্ত্ৰ কৌশলো অভ্যাস কৰিব লাগে। কিন্তু গ্ৰহ, নক্ষত্ৰ, জন্মপত্ৰ, ৰাশি আৰু মুহূৰ্ত্ত আদিৰ ফল বিধায়ক যিবোৰ গ্ৰন্থ আছে, সেইবোৰৰ সত্যতা নাই গতিকে সেইবোৰ কেতিয়াও পঢ়িব বা পঢ়াব নালাগে। বিদ্যাৰ্থী আৰু অধ্যাপক সকলৰ লক্ষ্য হোৱা উচিত যাতে বিশ বা একৈশ বছৰৰ ভিতৰত সকলো আৱশ্যকীয় বিদ্যাৰ জ্ঞান প্ৰাপ্ত হৈ মানুহবিলাকে কৰ্ম্মময় জীৱন সফল কৰিব পাৰে। এইবোৰ সুচিন্তিত পদ্ধতিৰে ২০।২১ বছৰৰ ভিতৰত যিমান জ্ঞান হ'ব পাৰে অন্যান্য নীতিৰে শত বছৰেও হ'ব নোৱাৰে।

ঋষিসকল সত্যৰ অন্বেষী, নিৰপেক্ষ, জগতৰ কল্যাণ, ন্যায় ধৰ্ম্মৰ আচৰণশীল আৰু সৰ্ব্বশাস্ত্ৰজ্ঞ গতিকে সেইসকলৰ প্ৰণীত গ্ৰন্থবোৰহে বাঞ্ছনীয়। ইয়াৰ বিপৰীতে অনৃষি অৰ্থাৎ অল্পতে পক্ষপাতী সকলৰ গ্ৰন্থ পঢ়ি জীৱন সফল আৰু জগতৰ মঙ্গল সাধন কৰিব নোৱাৰি।

দৰ্শন শাস্ত্ৰৰ অধ্যয়ন—ব্যাস মুনিৰ ব্যাখ্যাসহ পূৰ্ব্বমীমাংসা, গৌতম মুনিৰ ব্যাখ্যাসহ বৈশেষিক, বাৎস্যায়ন মুনিৰ ব্যাখ্যাসহ ন্যায়সূত্ৰ, ব্যাস মুনিকৃত ব্যাখ্যাসহ পাতঞ্জল যোগসূত্ৰ ভাগুৰি মুনিকৃত ভাষ্য কপিল সাংখ্য দৰ্শন, বাৎসায়ন মুনিকৃত ভাষ্য নাইবা বৌধায়ন মুনিকৃত ভাষ্য বৃত্তিসহ ব্যাসমুনিৰ বেদান্ত সূত্ৰ অধ্যয়ন আৰু অধ্যাপনা কৰিব লাগে। এই মৌলিক দৰ্শনসূত্ৰ ছয়োখন কল্প আৰু অঙ্গৰ পৰ্য্যায়ত ধৰা হয়। ঋক্, যজু, সাম আৰু অথৰ্ব এই আদি চাৰিবেদ ঈশ্বৰকৃত অৰ্থাৎ আত্মিক উপলব্ধি। ঐতেৰেয়, শতপথ, সাম আৰু গোপথ এই চাৰিখন ব্ৰাহ্মণ। শিক্ষা, কল্প, ব্যাকৰণ, নিঘণ্টু, নিৰুক্ত, ছন্দঃ আৰু জ্যোতিষ এই ছয়খন বেদাঙ্গ। মীমাংসা আদি ছয় শাস্ত্ৰ বেদৰ উপাঙ্গ। আয়ুৰ্ব্বেদ, ধনুৰ্ব্বেদ গান্ধৰ্ববেদ আৰু অৰ্থবেদ এই চাৰিখন বেদৰেই উপবেদ। এইবোৰ আৰ্যগ্ৰন্থ অৰ্থাৎ ঋষি মুনিৰ প্ৰণীত। চাৰিবেদেই অভ্ৰান্ত প্ৰমাণ স্বৰূপ। ব্ৰাহ্মণ আদি বাকী

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সকলো গ্রন্থ পঞ্চঃ প্রমান অর্থাৎ এইবোৰৰ প্রমাণ বেদাধীন। মূল চাৰিবেদৰ বাহিৰে বাকী-বেদৰ গ্রন্থৰ কোনো বিষয় বেদ বিৰুদ্ধ হ'লে অর্থাৎ চাৰিবেদৰ বিৰুদ্ধ হ'লে বৰ্জ্জনীয়। এই বিষয়ে মন্তব্য "ঋক্ বেদাদি ভাষ্য ভূমিকাত" ব্যাখ্যা কৰা হৈছে। এই গ্রন্থতো সেই বিষয়ে ইয়াৰ পাছত লিখা হ'ব। যিবোৰ গ্রন্থ বৰ্জ্জনীয় সেইবোৰ তলত উল্লেখ কৰা হ'ল,—আৰু এইবোৰ জাল গ্রন্থ বুলিহে বিবেচনা কৰা হয়ঃ—

ব্যাকৰণৰ ভিতৰত, "কাতন্ত্র" সাৰস্বত, চন্দ্রিকা, মুগ্ধবোধ, কৌমুদী, শেখৰ আৰু মনোৰমা ইত্যাদি। অভিধানৰ ভিতৰত অমৰকোষ আদি। ছন্দোগ্রন্থৰ ভিতৰত বৃত্তৰত্নাকৰ আদি। শিক্ষাৰ ভিতৰত—"অথ শিক্ষাং প্রৱক্ষ্যামি পাণিনীয়ং মতং যথা" ইত্যাদি। জ্যোতিষৰ ভিতৰত "শীঘ্র-বোধ", "মুহূৰ্ত্তচিন্তামণি" ইত্যাদি। কাব্যৰ ভিতৰত "নায়িকা ভেদ" "কুৱলয়া-নন্দ", "ৰঘুবংশ", "মাঘ", কিৰাতাৰ্জ্জনীয়, আদি। মীমাংসাৰ ভিতৰত "ধৰ্ম্মসিন্ধু", "ব্রতার্ক", আদি। বৈশেষিকৰ ভিতৰত তর্ক সংগ্রহ আদি। ন্যায়ৰ ভিতৰত "জাগদীশী" আদি। যোগৰ ভিতৰত "হঠপ্রদীপিকা" আদি। সাংখ্যৰ ভিতৰত "সাংখ্যতত্ত্ব কৌমুদী" ইত্যাদি। বেদান্তৰ ভিতৰত "যোগবাশিষ্ঠ", পঞ্চদশী ইত্যাদি। চিকিৎসাৰ ভিতৰত "শাঙ্গ্ৰ্ধৰ" আদি। স্মৃতিৰ ভিতৰত মনুস্মৃতিৰ প্রক্ষিপ্ত শ্লোকসমূহ আৰু অন্য সকলো স্মৃতিৰ, সকলো তন্ত্রগ্রন্থ, সকলো পুৰাণ, সকলো উপপুৰাণ,—তুলসীদাসকৃত ৰামায়ণ—"ৰুক্মিণীমঙ্গল" আদি সকলো কপোল কল্পিত গ্রন্থ।

প্রশ্ন ঃ—এইবোৰ গ্রন্থত একো সত্য নাই নেকি?

উত্তৰঃ—কিছু সত্য আছে কিন্তু তাৰ লগত বহুত অসত্যও আছে। এতেকে "**বিষসম্পৃক্তান্নবৎ ত্যাজ্যাঃ**"। যেনেকৈ উত্তম পাকান্ন বিষ মিহলি হ'লে সি ত্যাজ্য হয়, সেইদৰে এইবোৰ গ্রন্থও পৰিত্যাজ্য।

প্রশ্ন ঃ—আপুনি পুৰাণ আৰু ইতিহাস নামানে নেকি?

উত্তৰঃ—মানো। কিন্তু সত্যহে মানো, অসত্য নেমানো।

প্রশ্ন ঃ—কোনটো সত্য আৰু কোনটো অসত্য?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰঃ—ব্ৰাহ্মণানীতিহাসান্ পুৰাণানি কল্পান্ গাথা নাৰাশংসীৰিতি।
আ° গৃ° ৩।৩।১

এই হ'ল গৃহ্য সূত্ৰাদিৰ বচন। পূৰ্ব্বোক্ত ঐতেৰেয় আৰু শতপথ আদি ব্ৰাহ্মণ গ্ৰন্থকেই ইতিহাস, পুৰাণ, কল্প, গাথা আৰু নাৰাশংসী এই পাঁচ নামে অভিহিত কৰা হয়। শ্ৰীমদ্ভাগৱতাদিৰ নাম পুৰাণ নহয়।

প্ৰশ্ন ঃ—ত্যাজ্য গ্ৰন্থবোৰৰ ভিতৰতো যিবোৰ সত্য আছে সেই বোৰ গ্ৰহণ নকৰিব কিয় ?

উত্তৰঃ—তাৰ ভিতৰত যিবোৰ সত্য আছে, সেইবোৰ বেদাদি সত্য-শাস্ত্ৰৰ, আৰু বাকী মিথ্যাবোৰ গ্ৰন্থকাৰ সকলৰ নিজৰ। বেদাদি সৎশাস্ত্ৰ অধ্যয়ন আৰু স্বীকাৰ কৰিলে সকলো সত্য গৃহীত হয়। যদি কোনোৱে এইবোৰ গ্ৰন্থৰ পৰা সত্য গ্ৰহণ কৰিব খোজে, সেই সত্যৰ লগত অসত্যও জড়িত নহৈ নাথাকে, তেতিয়া সত্যৰ ঠাইত অসত্যৰ জালতহে বদ্ধ হোৱাৰ সম্ভাৱনা থাকে। গতিকেঃ—"**অসত্যমিশ্ৰং সত্যং দূৰতস্ত্যাজ্যমিতি**" অসত্যমিশ্ৰিত গ্ৰন্থৰ সত্যকো বিষ মিশ্ৰিত অন্নৰ দৰে পৰিত্যাগ কৰা কৰ্ত্তব্য।

প্ৰশ্ন ঃ—আপোনাৰ মত কি ?

উত্তৰঃ—বেদ অৰ্থাৎ বেদত যিবোৰ কৰিবলৈ আৰু পৰিত্যাগ কৰিবলৈ শিক্ষা দিয়া আছে, সেইবোৰ যথাৰ্থভাৱে কৰা আৰু পৰিত্যাগ কৰাকেই উচিত বুলি মানো। বেদ মোৰ মান্য আৰু বেদেই মোৰ মত। এইদৰে মানি সকলো মানুহ, বিশেষকৈ বৈদিক সংস্কৃতি পৰায়ণ সকল এক মতাৱলম্বী হোৱাই বাঞ্ছনীয়।

প্ৰশ্ন—সত্যৰ লগত অসত্য আৰু এক গ্ৰন্থৰ লগত অন্য গ্ৰন্থৰ যেনে বিৰোধ, সেইদৰে এক শাস্ত্ৰৰ লগত অন্য শাস্ত্ৰৰো বিৰোধ আছে। উদাহৰণ স্বৰূপে, সৃষ্টিৰ বিষয়ে ছয়োখন শাস্ত্ৰৰ পৰস্পৰ বিৰোধ আছে। যেনেঃ—মীমাংসাই কৰ্ম্মৰ পৰা, বৈশেষিকে কালৰ পৰা, ন্যায়ে পৰমাণুৰ পৰা, যোগে পুৰুষাৰ্থৰ পৰা, সাংখ্যই প্ৰকৃতিৰ পৰা আৰু বেদান্তই ব্ৰহ্মৰ পৰা সৃষ্টিৰ উৎপত্তি স্বীকাৰ কৰে। এইবোৰ পৰস্পৰৰ বিৰোধ নহয় জানো ?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ—প্ৰথম কথা হল—সাংখ্য আৰু বেদান্তৰ বাহিৰে অন্য চাৰিখন শাস্ত্ৰত সৃষ্টি উৎপত্তিৰ বিষয়ে স্পষ্টকৈ একো কোৱা নাই। দ্বিতীয়তে—এই ছয়োখন শাস্ত্ৰৰ ভিতৰত বিৰোধ নাই। কিন্তু আপোনাৰ বিৰোধ আৰু অবিৰোধৰ বিষয়ে জ্ঞানেই নাই। কওকচোন বিৰোধ কোন ক্ষেত্ৰত আছে? বিৰোধ একেটা বিষয়তে, নে বেলেগ বেলেগ বিষয়ত?

প্ৰশ্ন—একেটা বিষয়তে অনেকৰ পৰস্পৰ বিৰুদ্ধ কথন বা মতৰ অনৈক্যকেই বিৰোধ বোলে। এই ক্ষেত্ৰতো সৃষ্টি একেটাই।

উত্তৰ—বিদ্যা এক, নে দুই? যদি একেই হয়, তেন্তে ব্যাকৰণ, চিকিৎসা-শাস্ত্ৰ, জ্যোতিষ আদি ভিন্ন ভিন্ন হোৱাৰ কাৰণ কি? যেনেকৈ এক বিদ্যাৰেই অনেক অৱয়ব, আৰু ইটো সিটোৰ পৰস্পৰ ভিন্ন ৰূপে প্ৰতিপাদিত হয়, সেই দৰেই সৃষ্টি বিদ্যাৰ ভিন্ন ভিন্ন ছয় অৱয়ব বা ছয় দিশ ছয় শাস্ত্ৰত প্ৰতিপাদিত হোৱাত, ইয়াৰ ভিতৰত বিৰোধ একো নাই। যেনেকৈ ঘট নিৰ্ম্মাণ বিষয়ত কৰ্ম্ম, সময়, মৃত্তিকা, (মাটি) বিচাৰ, সংযোগ বিয়োগাদিৰ পুৰুষাৰ্থ, প্ৰকৃতিৰ গুণ, আৰু কুমাৰ কাৰণ হয়, সেইদৰে সৃষ্টিৰ যি কৰ্ম্ম কাৰণ তাৰ ব্যাখ্যা মীমাংসাত, সময়ৰ ব্যাখ্যা বৈশেষিকত; উপাদান কাৰণৰ ব্যাখ্যা ন্যায়ত, পুৰুষাৰ্থৰ ব্যাখ্যা যোগত, তত্ত্ব সমূহৰ ক্ৰমানুসাৰে পৰিগণনাৰ ব্যাখ্যা সাংখ্যত আৰু যি নিমিত্ত কাৰণ পৰম-ব্ৰহ্ম তাৰ ব্যাখ্যা বেদান্ত শাস্ত্ৰত দিয়া আছে। ইয়াত মূল বিৰোধ একো নাই। যেনেকৈ চিকিৎসা শাস্ত্ৰত নিদান, চিকিৎসা, ঔষধ, আৰু পথ্যৰ প্ৰকৰণ পৃথক পৃথককৈ প্ৰতিপাদিত কৰা হৈছে, (যদিও প্ৰত্যেকৰ উদ্দেশ্য ৰোগৰ নিবৃত্তি,) সেই দৰে সৃষ্টিৰ ছয়টা কাৰণ আছে, তাৰে এক এক কাৰণৰ ব্যাখ্যা এক এক শাস্ত্ৰত কৰা হৈছে। গতিকে ইয়াৰ ভিতৰত পৰস্পৰ বিৰোধ একো নাই। এই বিষয়ে বিস্তাৰিত ব্যাখ্যা সৃষ্টি প্ৰকৰণত দিয়া হব।

বিদ্যা আহৰণ আৰু বিদ্যাদানত যিবোৰ বাধা-বিঘিনি, সেইবোৰ সৰ্ব্বথা পৰিত্যাগ কৰিব লাগে। যেনে:—কুসঙ্গ অৰ্থাৎ দুষ্ট বিষয়াসক্ত লোকৰ সংসৰ্গ, দুষ্ট ব্যসন যেনে, মদ্য আদি পান, বেশ্যাগমন, বাল্য:

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিবাহ অৰ্থাৎ পঁচিশ বছৰৰ আগত পুৰুষৰ আৰু ষোল বছৰৰ আগত স্ত্ৰীৰ বিবাহ, ব্ৰহ্মচৰ্য্য ভ্ৰষ্ট, ৰাজা, মাতা, পিতা, বিদ্বান আৰু বেদৰ বিৰোধ কৰা, অতিভোজন, অতি জাগৰণ কৰা, পঢ়াত, পঢ়োৱাত, পৰীক্ষা দিয়াত আৰু পৰীক্ষা লোৱাত এলাহ, বিদ্যাক সৰ্ব্বাপেক্ষা লাভজনক বুলি নভৱা, বিনা ব্ৰহ্মচৰ্য্যৰেই বল, বুদ্ধি, পৰাক্ৰম, আৰোগ্য, ৰাজত্ব, অৰ্থবৃদ্ধিৰ দুৰাশা কৰা, ঈশ্বৰক ধ্যান নকৰি জড় পাষাণ প্ৰতিমাৰ পূজা দৰ্শনত সময় নষ্ট কৰা, সত্যমূৰ্ত্তি, মাতা,-পিতা, জ্ঞানী, আচাৰ্য্য আৰু অতিথি সকলৰ সেৱা শুশ্ৰূষাত অৱহেলা, ব্ৰহ্মচৰ্য্য, গাৰ্হস্থ্য, আদি বৰ্ণাশ্ৰম ধৰ্ম্ম এৰি উৰ্দ্ধ-পুণ্ড্ৰ, ত্ৰিপুণ্ড, তিলক, কণ্ঠী আৰু মালা ধাৰণ; একাদশী, ত্ৰয়োদশী আদিৰ ব্ৰত কৰি পূণ্য অৰ্জ্জনৰ আশা; কাশী আদি তীৰ্থৰ পুণ্য, ৰাম কৃষ্ণ, নাৰায়ণ, শিৱ ভগৱতী, আৰু গণেশ আদিৰ নাম লৈ পাপ ক্ষয় কৰা, দুষ্ট ভণ্ডসকলৰ কথাত বিদ্যাৰ প্ৰতি অশ্ৰদ্ধা, বিদ্যা, ধৰ্ম্ম, যোগাভ্যাস আৰু ঈশ্বৰৰ উপাসনা এৰি পুৰাণ ভাগৱতাদিৰ পাঠ শুনি মুক্তিলাভৰ বাঞ্ছা, ধনৰ লোভত জ্ঞান বিদ্যালৈ অশ্ৰদ্ধা। এইবোৰ মিথ্যা প্ৰৱঞ্চনাৰ জালত আৱদ্ধ হৈ আৰু বিদ্যা ব্ৰহ্মচৰ্য্যৰ পৰা বঞ্চিত হৈ ৰুগ্ন আৰু মূৰ্খ জীৱন ব্যতীত কৰিব লগা হয়।

কালক্ৰমত কিছুমান স্বাৰ্থপৰ ব্ৰাহ্মণাদি আৰু সম্প্ৰদায়বাদীয়ে অসৎ অভিসন্ধিৰে আনক বিদ্যা আৰু সৎসঙ্গৰ পৰা বঞ্চিত কৰি আৰু সেই সকলক অজ্ঞানতাৰ জালত আৱদ্ধ কৰি দেহ, মন, ধন আদি নষ্ট কৰে। সেই স্বাৰ্থপৰ সম্প্ৰদায়বাদী সকলৰ অভিপ্ৰায় হৈছে—যাতে ক্ষত্ৰিয়াদি বৰ্ণই জ্ঞান বিদ্যাত উন্নত হৈ, তেওঁলোকে ছল চাতুৰীত ব্যাঘাত জন্মাব নোৱাৰে। পূৰ্ব্বোক্ত বিঘিনিবোৰ দূৰ কৰি সকলোৱে নিজ নিজ লৰা-ছোৱালীক বিদ্বান কৰিবলৈ দেহ, মন আৰু ধনেৰে প্ৰচেষ্টা চলাব লাগে।

প্ৰশ্নঃ—স্ত্ৰী আৰু শূদ্ৰয়ো বেদ পঢ়িব লাগে নেকি? এওঁলোকেও যদি পঢ়ে, তেন্তে আমাৰ কি দশা হ'ব? স্ত্ৰী আৰু শূদ্ৰৰ বেদ পঢ়াৰ কোনো প্ৰমাণ নাই, নিষেধ হে আছে; যথা:—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স্ত্রীশূদ্রৌ নাধীয়াতামিতি শ্রুতেঃ ॥

শ্রুতিত আছে যে স্ত্রী আৰু শূদ্ৰই বেদ পঢ়িব নোৱাৰে।

উত্তৰঃ— স্ত্রী-পুৰুষ সকলোৰে অৰ্থাৎ মনুষ্য মাত্ৰৰেই বেদ পঢ়াত অধিকাৰ আছে। এই বাক্য আযাৰ কল্পনাপ্রসূত হে, কোনো প্রামাণিক শাস্ত্ৰৰ নহয়। সকলোৰে যে বেদাদি শাস্ত্ৰ পঢ়াৰ অধিকাৰ আছে সেই বিষয়ে যজুৰ্ব্বেদৰ ষড়্‌বিংশতি অধ্যায়ৰ মন্ত্ৰই তাৰ প্ৰমাণ; যথাঃ—

যথেমাম্ বাচং কল্যাণীমাৱদানি জনেভ্যঃ ॥

ব্ৰহ্ম ৰাজন্যাভ্যাং শূদ্ৰায় চাৰ্য্যায় চ স্বায় চাৰণায়।

যজু০ অ০ ২৬।২॥

পৰমেশ্বৰে কৈছে যে যেনেকৈ মই সকলো মনুষ্যৰ কাৰণে এই কল্যানকাৰী অৰ্থাৎ সাংসাৰিক সুখ শান্তি আৰু মুক্তি প্ৰদায়িনী ঋগ্বেদাদি চাৰি বেদৰ বাণী উপদেশ কৰিছো, সেই দৰেই তোমালোকেও উপদেশ কৰিবা।

প্ৰশ্ন ঃ—এই মন্ত্ৰৰ "জন" শব্দটো দ্বিজৰ অৰ্থতহে লোৱা উচিত, কাৰণ স্মৃতি আদি গ্ৰন্থত লিখিত আছে যে, ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যৰ হৈ বেদ অধ্যয়নৰ অধিকাৰ আছে, স্ত্ৰী আৰু শূদ্ৰাদি বৰ্ণৰ নাই।

উত্তৰ—"ব্ৰহ্মৰাজন্যাভ্যাম্" ইত্যাদিলৈ লক্ষ্য কৰা যাওক। পৰমেশ্বৰে স্বয়ং কৈছে যে "সেই ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ আৰু নিজৰ ভৃত্য বা স্ত্ৰী আদি আৰু অতি শূদ্ৰাদিৰ কাৰণে বেদ প্ৰকাশ কৰিছো," অৰ্থাৎ সকলো মানুহে বেদৰ অধ্যয়ন, অধ্যাপনা, শ্ৰৱণ, শ্ৰাৱণৰ দ্বাৰা বিজ্ঞান বৃদ্ধি কৰি সত্যৰ গ্ৰহণ আৰু অসত্যৰ বৰ্জ্জন কৰি দুখ দূৰ কৰি আনন্দ লাভ কৰক।

এতিয়া এই কপোল কল্পিত কথাখিনিক নে বেদ ভগবানৰ কথাক প্ৰমাণ বুলি ধৰা উচিত? বেদৰ কথাকেই অৱশ্যে মানিব লাগিব। ইমানতো যি নামানে তাক নাস্তিক বুলিব লাগিব। কাৰণ "নাস্তিকো বেদ নিন্দকঃ" যি বেদৰ নিন্দা কৰে বা বেদ নামানে, তেওঁ নাস্তিক।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পৰমেশ্বৰে শূদ্ৰৰ মঙ্গল কামনা নকৰে নেকি? ঈশ্বৰ পক্ষপাতী নেকি? যে, দ্বিজৰ কাৰণে বেদ অধ্যয়ন বিধি কৰিব আৰু শূদ্ৰাদিৰ কাৰণে নিষেধ কৰিব? যদি শূদ্ৰ আদিক বেদ পঢ়িবৰ আৰু শুনিবৰ অধিকাৰ নিদিলেহেতেন তেন্তে শূদ্ৰক জিভা আৰু কাণ ভগবানে কিয় দিলেহেতেন? সৃষ্টি কৰ্ত্তাই, মাটি, পানী, অগ্নি, বায়ু, চন্দ্ৰ, সূৰ্য্য আৰু অন্ন আদি যেনেকৈ সকলোৰে কাৰণে সৃষ্টি কৰিছে, সেই দৰেই বেদো (জ্ঞানো) সকলোৰে কাৰণে প্ৰকাশ কৰিছে। জ্ঞানৰ পোহৰ নহলে, চন্দ্ৰ, সূৰ্য্য বা অগ্নিৰ পোহৰত ভগবানক কোনেও নেদেখে। যত নিষেধ আছে, সেই নিষেধৰ অভিপ্ৰায় হৈছে এয়ে যে, যাক পঢ়ালেও একো শিকিব নোৱাৰে; আৰু বুদ্ধি জড়, মূৰ্খ তাকেই শূদ্ৰ বোলে। সেই শূদ্ৰক পঢ়া আৰু পঢ়োৱা নিষ্ফল। আৰু যি সকলে স্ত্ৰীৰ বেদাধ্যয়ন নিষেধ বুলি কয় তেওঁ নিৰ্বোধ বা স্বাৰ্থপৰ। বেদত কন্যাৰো বেদাধ্যয়নৰ প্ৰমাণ আছে ঃ—

ব্ৰহ্মচৰ্য্যেণ কন্যা যুবানম্ বিন্দতে পতিম্ ॥

অথৰ্ব্বঃ (কা০ ১১। প্ৰ০ ২৪। অ০ ৩। ম০ ১৮)

কুমাৰে যেনেকৈ ব্ৰহ্মচৰ্য্য, ব্ৰতৰ দ্বাৰা বিদ্যা শিক্ষা কৰি অনুকূলা বিদুষী স্ত্ৰীক বিবাহ কৰে, সেই দৰে (কন্যা) অৰ্থাৎ কুমাৰীয়েও ব্ৰহ্মচৰ্য্যৰ দ্বাৰা বেদাদি শাস্ত্ৰ অধ্যয়ন কৰি. যৌবন অৱস্থাতেই নিজৰ অনুকূল বিদ্বান আৰু যৌবন সম্পন্ন পুৰুষক পতিৰূপে গ্ৰহণ কৰিব। ইয়াৰ তাৎপৰ্য্য নাৰীয়েও ব্ৰহ্মচৰ্য্য ব্ৰতেৰে বিদ্যা শিক্ষা কৰা আৱশ্যক।

প্ৰশ্ন ঃ—স্ত্ৰী সকলেও বেদ পঢ়িব নে?

উত্তৰ ঃ—নিশ্চয়। তাৰ প্ৰমাণ শ্ৰৌত সূত্ৰাদিত আছে ঃ—

ইম্ মন্ত্ৰম্ পত্নী পঠেৎ ॥

অৰ্থাৎ যজ্ঞত পত্নীয়ে এই মন্ত্ৰ পাঠ কৰিব। বেদাদি শাস্ত্ৰ নপঢ়া স্ত্ৰীয়ে যজ্ঞানুষ্ঠানত স্বৰ, উচ্চাৰণৰ সৈতে সংস্কৃত ভাষা কেনেকৈ কব পাৰে? ভাৰতীয় নাৰী কুলৰ ভূষণৰূপিনী গাৰ্গীয়ে সকলো বেদাদি শাস্ত্ৰ অধ্যয়ন কৰি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পূৰ্ণ বিদুষী হৈছিল। ইয়াৰ স্পষ্ট প্ৰমাণ শতপথ ব্ৰাহ্মণত আছে। পুৰুষ বিদ্বান আৰু পত্নী অবিদুষী অথবা পত্নী বিদুষী আৰু পতি অবিদ্বান হলে দাম্পত্য জীৱনত সদায় দেৱাসুৰৰ সংগ্ৰাম চলি থাকে, তাত সুখ কত? নাৰীয়ে অধ্যয়ন নকৰিলে বালিকা বিদ্যালয়ত অধ্যাপিকা কেনেকৈ হব? গৃহস্থীৰ পৰা ৰাজকাৰ্য্যলৈকে নাৰী পুৰুষৰ পৰামৰ্শ, সহায়-সহযোগ নিতান্ত আৱশ্যক সেয়ে নহলে মানৱ সমাজত সুখ শান্তিৰ পূৰ্ণতা হব নোৱাৰে।

আৰু এটা কথা! আৰ্য্যাৱৰ্ত্তৰ ৰমণী সকলে ধনুৰ্ব্বেদ অৰ্থাৎ যুদ্ধ-বিদ্যাও ভালদৰে শিকিছিল। নহলে কৈকেয়ী আদি নাৰী সকলে দশৰথ আদি নৃপতি সকলৰ লগত যুদ্ধলৈ গৈ যুদ্ধত সহায় কেনেকৈ কৰিব পাৰিছিল? গতিকে ব্ৰাহ্মণাদি সকলো বৰ্ণৰ (বিভাগৰ) নাৰী সকলে লিখা-পঢ়া শিকাৰ উপৰিও স্ব স্ব বিভাগৰ অৰ্থাৎ অধ্যাপনা, যুদ্ধ, বেপাৰ, শ্ৰম, শিল্প আদি সকলো কামতেই যথাযোগ্য পাৰদৰ্শিতা লাভৰ বাবে চেষ্টা কৰা উচিত। পুৰুষৰ যেনেকৈ ব্যাকৰণ, ধৰ্ম্ম শাস্ত্ৰ, ব্যৱসায় বিদ্যা যিমান পৰা যায় শিকা আৱশ্যক, সেইদৰে নাৰীৰো ব্যাকৰণ ধৰ্ম্ম, চিকিৎসা, গণিত আৰু শিল্প বিদ্যা শিকাটো অতি প্ৰয়োজনীয়। কাৰণ শিক্ষা আৰু অভিজ্ঞতা নাথাকিলে সত্যাসত্যৰ নিৰ্ণয়, পতি আদি অন্যান্য সকলৰ প্ৰতি আচৰণ, উপযুক্ত সন্তানোৎপত্তি, পালন, পোষণ, সুশিক্ষা দান গৃহ-কাৰ্য্যৰ সুশৃঙ্খল ভাবে পৰিচালনা কৰা আৰু কৰোৱা চিকিৎসা বিদ্যানুযায়ী ঔষধ, পথ্য, আৰু খাদ্য বস্তু প্ৰস্তুত কৰা কৰোৱা আদি কাৰ্য্য কেনেকৈ কৰিব? গৃহ পত্নী শিক্ষিতা হলেহে গৃহত সুখ শান্তি আৰু আনন্দ বিৰাজ-মান হয়। শিল্প বিদ্যা নাজানিলে গৃহাদি নিৰ্ম্মাণ কৰোৱা, বস্ত্ৰ অলঙ্কাৰা প্ৰস্তুত কৰোৱা, গণিত বিদ্যা নেজানিলে হিচাব বুজা আৰু বুজোৱা আৰু বেদাদি শাস্ত্ৰ নাজানিলে ধৰ্ম্ম অধৰ্ম্মৰ তত্ত্ব বুজা অসম্ভৱ। গতিকে যি সকলে ব্ৰহ্মচৰ্য্য, সুশিক্ষা আৰু জ্ঞানেৰে নিজৰ নিজৰ সন্তানৰ স্বাস্থ্য, শক্তি, আত্মিক বল বৃদ্ধি কৰিব পাৰে সেই সকল নাৰীৰ জীৱন সফল আৰু তেওঁলোকে জাতিৰ গৌৰব। সেই সকল নাৰীয়েহে সন্তান, মাতা, পিতা,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পতি, শাহু-শহুৰ, নেতা, ৰাইজ, জ্ঞাতি, কুটুম্ব, চৰও-চুবুৰীয়া, আত্মীয় স্বজন প্ৰতি যথাযোগ্য আচৰণ শীলা হব পাৰে। বিদ্যাৰূপ ধন অক্ষয়। বিদ্যাধন যিমানেই ব্যয় কৰা হয় সিমানেই বাঢ়ি থাকে। ব্যয় কৰিলে আন সকলো ধন বস্তু কমি যায় আৰু উত্তৰাধিকাৰী সকলেও অংশ পায় কিন্তু বিদ্যাধন চোৰ বা উত্তৰাধিকাৰীয়েও হৰণ কৰিব নোৱাৰে। সমাজ আৰু বিশেষকৈ নেতা, শাসক এই বিদ্যাৰূপী ঐশ্বৰ্য্যৰ পৰিবৰ্দ্ধক আৰু ৰক্ষক।

কন্যানাম্ সম্প্ৰদানঞ্চ কুমাৰাণাঞ্চ ৰক্ষণম্॥ মনুঃ (৭।১৫২)

ৰাজাৰ সকলো বালক-বালিকাক ওপৰত বিস্তাৰিত ব্যাখ্যা কৰা নীতি অনুসাৰে, ব্ৰহ্মচৰ্য্যৰে বিদ্বান্ কৰাটো ৰাজা বা ৰাজ্য চৰকাৰৰ কৰ্ত্তব্য। আজ্ঞা অনুসাৰে সকলো লৰা-ছোৱালীক মাক-বাপেকে বিদ্যালয়ত ভৰ্ত্তি কৰা লাগে, এই ৰাজ অনুশাসন নমনা মাক-বাপেক বা অভিভাৱকসকল দণ্ডনীয় হ'ব লাগে। সকলো ছাত্ৰ-ছাত্ৰীকে আচাৰ্য্য কুলত অৰ্থাৎ আচাৰ্য্যৰ তত্ত্বাবধানত আঠ বছৰ বয়সৰ পৰা শিক্ষা সমাপ্ত নোহোৱা পৰ্য্যন্ত বিদ্যালয়ৰ আবাসত ৰাখিব লাগে যাতে শিক্ষা সমাপ্ত নকৰাকৈ বিবাহ কৰিব নোৱাৰে।

সৰ্ব্বেষামেৱ দানানাম ব্ৰহ্মদানম বিশিষ্যতে।
বাৰ্য্যন্নগোমহীবাসস্তিলকাঞ্চনসৰ্পিষাম্॥ মনুঃ (৪।২২৩)

সংসাৰত জল, অন্ন, গো, ভূমি, বস্ত্ৰ, তিল, সুৱৰ্ণ আৰু ঘৃতদান আদি যত ধৰণৰ দান আছে তাৰ ভিতৰত জ্ঞানদান সৰ্ব্বশ্ৰেষ্ঠ। গতিকে শৰীৰ, মন অৰ্থৰে যথাসম্ভৱ বিদ্যা অৰ্জন কৰা কৰ্ত্তব্য। যি দেশত ব্ৰহ্মচৰ্য্য, বিদ্যা আৰু বেদে বিবেচনা কৰা ধৰ্ম্ম কৰ্ম্মৰ প্ৰচাৰ হয়, সেই দেশ সৌভাগ্যশালী হয়। ব্ৰহ্মচৰ্য্য আশ্ৰমৰ শিক্ষা ইমানখিনিকে সংক্ষেপে লিখিত হ'ল। ইয়াৰ পাছত চতুৰ্থ সমুল্লাসত সমাৱৰ্ত্তন আৰু গৃহাশ্ৰমৰ বিষয়ে লিখা হ'ব।

ইতি শ্ৰীমদ্দয়ানন্দ সৰস্বতী স্বামিকৃতে সত্যাৰ্থপ্ৰকাশে সুভাষাবিভূষিতে শিক্ষাবিষয়ে তৃতীয়ঃ সমুল্লাসঃ সম্পূৰ্ণঃ॥ ৩॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অথ চতুৰ্থ সমুল্লাসাৰম্ভঃ

অথ সমাবৰ্ত্তন বিবাহ গৃহাশ্ৰমবিধিম্ বক্ষ্যামঃ ।

বেদানধীত্য বেদৌ বা বেদং ৱাপি যথাক্ৰমম্ ।
অৱিপ্লুত ব্ৰহ্মচৰ্য্যো গৃহস্থাশ্ৰমমাৱিশেৎ ॥ মনু০ (৩।২) ॥

যথাবিধি ব্ৰহ্মচৰ্য্যাশ্ৰমত আচাৰ্য্যৰ অনুকূল আচৰণ কৰি ধৰ্ম্মানুসৰি সাঙ্গোপাঙ্গ চাৰি, তিনি, দুই বা এক বেদৰ অধ্যয়ন কৰি অখণ্ড ব্ৰহ্মচাৰী পুৰুষ বা স্ত্ৰী গৃহাশ্ৰমত প্ৰৱেশ কৰিব।

তং প্ৰতীতং স্বধৰ্ম্মেণ ব্ৰহ্মদায়হৰং পিতুঃ।
স্ৰগ্বিণং তল্প আসীনমৰ্হয়েৎ প্ৰথমং গৱা। মনু০ (৩।৩) ॥

স্বধৰ্ম্ম অৰ্থাৎ নিজৰ নিজৰ কৰ্ত্তব্য ধৰ্ম্মপৰায়ণ, পিতা, জনক বা অধ্যাপকৰ পৰা ব্ৰহ্মদায় অৰ্থাৎ বিদ্যাভাগ গ্ৰহণ আৰু সাফল্যতাৰ মালা ধাৰণকাৰী শিষ্যই, নিজৰ আসনত উপবিষ্ট আচাৰ্য্যক প্ৰথমতে গোদানেৰে সন্মান কৰিব লাগে। সেই একে লক্ষণযুক্ত বিদ্যাৰ্থীকো কন্যাৰ পিতাই গোদানেৰে সন্মানীত কৰিব লাগে।

গুৰুণানুমতঃ স্নাত্বা সমাবৃত্তো যথাবিধি ।
উদ্বহেত দ্বিজোভাৰ্য্যাং সৱৰ্ণাং লক্ষণান্বিতাম্ ॥ মনু০ (৩।৪) ॥

গুৰুৰ আজ্ঞানুসাৰে স্নান কৰি, যথাবিধি গুৰুকুলৰ পৰা প্ৰত্যাবৰ্ত্তন কৰি স্ব স্ব বৰ্ণৰ অনুকূল সুলক্ষণা কন্যাক বিবাহ কৰিব।

অসপিণ্ডা চ যা মাতুৰসগোত্ৰা চ যা পিতুঃ।
সা প্ৰশস্তা দ্বিজাতীনাং দাৰকৰ্ম্মণি মৈথুনে॥ মনু০ (৩।৫)।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যি কন্যা মাতৃকুলৰ ছয় পুৰুষৰ বাহিৰত আৰু পিতৃ গোত্ৰৰ না সেই কন্যাক বিবাহ কৰা উচিত।

পৰোক্ষপ্ৰিয়া ইব হি দেৱাঃ প্ৰত্যক্ষদ্বিষঃ ॥ শতপথ ॥ ১৪।৪।

এই কথা নিশ্চিত যে নেদেখা বস্তুলৈ যেনেকুৱা আগ্ৰহ প্ৰীতি চকুৰে দেখা বস্তুলৈ তেনে নহয়; যেনে :—যদি কোনোৱে মিশ্ৰী সোৱাদৰ কথা শুনিছে, কিন্তু কেতিয়াও খাই তাৰ যুতি পোৱা না তেন্তে তেওঁৰ সেই মিশ্ৰীৰ প্ৰতি হেঁপাহ থাকে। আৰু কোনো পৰো অৰ্থাৎ অপ্ৰাপ্ত বস্তুৰ প্ৰসংশা শুনি তাক পাবৰ কাৰণে আকাঙ্ক্ষা হ সেই দৰে পিতৃ আৰু মাতৃ কূলৰ লগত সম্বন্ধ নথকা কন্যাৰ লগ বিবাহ হোৱাই উচিত। সমীপবৰ্ত্তী আৰু দূৰবৰ্ত্তীৰ লগত বিবাহৰ দোষ গু আছে :—(১) যি বালক বালিকা বাল্য কালৰ পৰা সমীপবৰ্ত্তী, পৰস্প প্ৰীতি, খেল ধেমালি আৰু কন্দল কৰে, পৰস্পৰৰ দোষ, গুণ, স্বভা আৰু বাল্যকালৰ অসঙ্গত আচৰণ জানে আৰু পৰস্পৰৰ উলঙ্গ অৱ দেখিছে, তেওঁলোকৰ ভিতৰত বিবাহ হলে প্ৰেম হব নোৱাৰে। (২ যেনেকৈ পানীৰ লগত পানী বা একে বস্তু যোগ হলে কোনো বিশে গুণ উৎপন্ন হব নোৱাৰে, সেই দৰে একে গোত্ৰৰ ভিতৰত, পিতৃকূ বা মাতৃ কূলৰ, বিবাহ হলে, ধাতুৰ বিনিময় নোহোৱাৰ কাৰণে বিশে উন্নতি হব নোৱাৰে। (৩) যেনেকৈ দুগ্ধত মিশ্ৰী বা শুণ্ঠি (শুকা আদা) আদি ঔষধি মিলালে বিশেষ উত্তম গুণ উৎপন্ন হয়, সেই দৰে পিতৃ-মাতৃ কূলৰ বাহিৰৰ লগত বিবাহ কৰিলে বিশেষ উন্নতি হয় (৪) যেনেকৈ এক দেশৰ ৰোগীৰ ৰোগ অন্য দেশৰ জলবায়ু আৰু আহা ৰত নোহোৱা হয়, সেইদৰে ভিন্ন গোত্ৰ বা বংশৰ আৰু দূৰবৰ্ত্তী লগত হোৱা বিবাহৰো পৰিণাম ভাল হয়। (৫) সমীপস্থৰ লগত সম্ব স্থাপন কৰিবলৈ, সদায় সহজে দেখা শুনা হৈ থাকিলে, স্নেহ নাথা আৰু পৰস্পৰৰ সুখ দুঃখত অভিভূত হব লগা হয়—আচৰণ ব্যৱহাৰতে বিৰোধ কন্দল হোৱাৰ সম্ভাৱনা থাকে। দূৰস্থৰ ভিতৰত তেনে সম্ভাৱ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিৰল। আৰু দূৰস্থৰ ভিতৰত প্ৰেম প্ৰীতি উত্তৰোত্তৰ বাঢ়িছে যায়, ওচৰৰ লগত তেনে কেতিয়াও হব নোৱাৰে। (৬) দূৰবাসীৰ লগত সম্বন্ধ হলে বস্তুৰ আদান প্ৰদান আগ্ৰহেৰে হয় আৰু নহলেও কোনো গ্লানি নাথাকে; কিন্তু ওচৰৰ লগত তেনে হোৱা সম্ভৱো নহয় আৰু নহলে গ্লানিৰ পৰা সাৰিবও নোৱাৰি। গতিকে—

দুহিতা দুৰ্হিতা দূৰে হিতা ভৱতীতি। নিৰুঃ (৩।৪)॥

কন্যাৰ বিবাহ দূৰৈত হলে হিতকৰ, সেই কাৰণেই কন্যাৰ নাম দুহিতা। ওচৰত হিত নহয়। (৭) ওচৰত কন্যাৰ বিবাহ হলে পিতৃকুল দৰিদ্ৰ হোৱাৰো সম্ভাৱনা, কাৰণ, যেতিয়াই কন্যা মাক বাপেকৰ ঘৰলৈ আহে তেতিয়াই কিবা এটা নহয় এটা টোপোলা দিব লগা হয়। (৮) ওচৰত কন্যাৰ বিবাহ হলে যেই কোনো বিষয়তেই কন্যাই পিতৃকুলৰ সহায় বিচাৰে, আৰু সঘনে সহায়তা পাই গৰ্ব্ব কৰে; তাৰ বাহিৰেও স্বামী স্ত্ৰীৰ ভিতৰত সামান্য মনোমালিন্য হলেই গপ মাৰি পিতৃ গৃহলৈ যাব। দুয়োৰো ভিতৰত কথাই কথাই নিন্দা, বাদ-বিবাদ হয়, কাৰণ ক্ষণে ৰুষ্ট আৰু ক্ষণে তুষ্ট হোৱাটো নাৰীৰ স্বভাৱ সিদ্ধ। ইত্যাদি কাৰণতেই পিতৃ বংশৰ বাহিৰত, মাতৃ বংশৰ ছয় পুৰুষৰ বাহিৰত আৰু দূৰত বিবাহ হোৱাই শ্ৰেষ্ঠ।

মহান্ত্যপি সমৃদ্ধানি গোঽজাবিধনধান্যতঃ।
স্ত্ৰীসম্বন্ধে দশৈতানি কুলানি পৰিবৰ্জয়েৎ॥ মনুঃ (৩।৬)॥

ধন, ধান, গৰু, ছাগলী, হাতী, ঘোৰা, ৰাজ্য আদি ঐশ্বৰ্য্যৰে সমৃদ্ধিশালী হলেও তলত উল্লেখ কৰা ১০ কুলত অৰ্থাৎ বংশত বিবাহ সম্বন্ধ পৰিত্যাজ্য:—

হীনক্ৰিয়ং নিষ্পুৰুষং নিশ্ছন্দো ৰোমশাৰ্শসম্।
ক্ষয্যাময়াব্যপস্মাৰিশ্বিত্ৰকুষ্ঠি কুলানি চ॥ মনুঃ (৩।৭)॥

যি কুল অসৎকৰ্ম্ম পৰায়ণ, আৰু পৌৰুষত্ব বিহীন, যি কুলত বেদৰ চৰ্চ্চা নাই, যাৰ শৰীৰ লোম বিশিষ্ট আৰু যাৰ অৰ্শ, ক্ষয়, শ্বাস, কাশ,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আমাশয় (পেট ৰোগ) আওঁৰুগীয়া, ধবল, গলিত কুষ্ঠ ৰোগ আছে সে কুলৰ বৰ কন্যাৰ বিবাহ সম্বন্ধ অমঙ্গল। এইবোৰ দোষ আৰু সে সংক্ৰামক, গতিকে সুলক্ষণযুক্ত বৰ কন্যাৰ ভিতৰত বিবাহ সম্বন্ধ কৰা মঙ্গলজনক।

নোদ্বহেৎ কপিলাং কন্যাং নাঽধিকাঙ্গীং ন ৰোগিণীম্।
নালোমিকাং নাতিলোমাং ন বাচাটান্ন পিঙ্গলাম্॥ মনু (৩।৮)

কপিল বৰণীয়া, অধিকাঙ্গী, অৰ্থাৎ বৰতকৈ ওখ, স্থূলকায়া অ অধিক শাৰীৰিক শক্তিশালী, ৰুগীয়া, লোমহীনা, অস্বাভাৱিকভাৱে অধি লোম থকা প্ৰগল্‌ভা অৰ্থাৎ মুখ চোকা আৰু ভঁহা চকুৰা ক কুলক্ষণীয়া।

নৰ্ক্ষবৃক্ষনদীনাম্নীং নান্ত্যপৰ্ব্বত নামিকাম্।
ন পক্ষ্যহিপ্ৰেষ্যনাম্নীং ন চ ভীষণনামিকাম্॥ মনু (৩।৯)

অশ্বিনী, ভৰণী আদি নক্ষত্ৰৰ নামৰ, তুলসী, তগৰ, গোলাপী, চম্প চামেলী, আদি বৃক্ষৰ নামৰ, গঙ্গা, যমুনা আদি নৈৰ নামৰ, চাণ্ড আদি অন্ত্য নামৰ, বিন্ধ্যা আদি পৰ্ব্বত নামৰ, কোকিল, কুলি, ম আদি পক্ষী নামৰ, নাগী ভূজঙ্গী আদিসৰ্প নামৰ, মাধোদাসী, মীৰাদা আদি পৰিচাৰিকা নামৰ, ভীমকুমাৰী, চণ্ডিকা, কালী আদি শ্ৰৱণ ভী নামৰ কন্যাৰ লগত বিবাহ অৱাঞ্ছনীয়; কাৰণ এই নামবোৰ কুৎসি আৰু পদাৰ্থবাচক।

অব্যঙ্গাঙ্গীম্ সৌম্যনাম্নীম্ হংসবাৰণগামিনীম্।
তনুলোমকেশদশনাম্ মৃদ্বঙ্গীমুদ্বহেৎ স্ত্ৰিয়ম্॥ মনু (৩।১০)

সুস্থ, সুগঢ়ৰ, হংস, হস্তিৰ দৰে গতি গমনৰ আৰু যশোদা সু আদি সৰলা নামৰ, সুদৰ্শনীয় দন্ত-কেশযুক্তা আৰু শ্ৰীযুক্তা কন্যাৰ ল বিবাহ বাঞ্ছনীয়।

প্ৰশ্নঃ—বিবাহৰ সময় আৰু ৰীতি কোনটো শ্ৰেষ্ঠ ?

উত্তৰঃ—ষোড়শৰ পৰা চতুৰ্বিংশতি বৰ্ষ পৰ্য্যন্ত কন্যাৰ আৰু পঁ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বছৰৰ পৰা আঠচল্লিশ বছৰ লৈকে বৰৰ বিবাহৰ সৰ্ব্বোত্তম সময়। নাৰীৰ ১৬ বছৰ আৰু পুৰুষৰ ২৫ বছৰৰ ভিতৰত হোৱা বিবাহ নিকৃষ্ট। ১৮—২০ বছৰৰ নাৰীৰ লগত, ৩০—৪০ বছৰীয়া পুৰুষৰ মধ্যম। ২৪ বছৰীয়া নাৰী আৰু ৪৮ বছৰীয়া পুৰুষৰ লগত হোৱা উৎকৃষ্ট। এনেকুৱা বিধিৰে যি দেশত বিবাহ হয়, আৰু যি দেশত ব্ৰহ্মচৰ্য্য আৰু বিদ্যাৰ প্ৰাধান্য, সেই দেশ সুখী। যি দেশৰ দেশবাসী ব্যাভিচাৰী চৰিত্ৰহীন, জ্ঞানবিদ্যাত পিচপৰা, অকালত আৰু অযোগ্যৰ লগত বিবাহ হয়, সেই দেশৰ দুখ দুৰ্গতি অনন্ত। কাৰণ ব্ৰহ্মচৰ্য্য, বিদ্যাধ্যয়ন আৰু বিবাহ সংস্কাৰৰ দ্বাৰাই ব্যক্তি জীৱনৰ আৰু সমাজৰ সকলো বিষয় সংস্কাৰৰ সংশোধন হয়; ইয়াৰ বিপৰীতে সকলো বিকৃত হয়।

প্ৰশ্নঃ— **অষ্টবৰ্ষা ভবেদ্ গৌৰী নৱবৰ্ষা চ ৰোহিণী।**
দশবৰ্ষা ভবেৎ কন্যা তত উৰ্দ্ধং ৰজস্বলা ১॥
মাতা চৈৱ পিতা তস্যা জ্যেষ্ঠো ভ্ৰাতা তথৈৱ চ।
ত্ৰয়স্তে নৰকং যান্তি দৃষ্ট্বা কন্যাং ৰজস্বলাম্॥ ২॥

এই শ্লোক পৰাশৰ আৰু শীঘ্ৰবোধত আছে। ইয়াৰ অৰ্থ হ'ল কন্যাৰ আঠ বছৰত গৌৰী, ন বছৰত ৰোহিণী, দহ বছৰত কন্যা আৰু তাৰ পাছত ৰজস্বলা নাম হয়। ১॥ দশম বছৰ পৰ্য্যন্ত বিবাহ নিদি অবিবাহিত ৰজস্বলা কন্যা যদি মাতা, পিতা, জ্যেষ্ঠ ভ্ৰাতাই দেখে তেতিয়া সেই তিনিও নৰকত পতিত হয়।

উত্তৰঃ ব্ৰহ্মোবাচ—

একক্ষণা ভবেদ্ গৌৰী দ্বিক্ষণেয়ন্তু ৰোহিণী।
ত্ৰিক্ষণা সা ভবেৎ কন্যা হ্যত উৰ্দ্ধং ৰজস্বলা॥ ১॥
মাতা পিতা, তথা ভ্ৰাতা মাতুলো ভগিনী স্বকা।
সৰ্ব্বে তে নৰকং যান্তি দৃষ্ট্বা কন্যাং ৰজস্বলাম্॥ ২॥

এইয়া আধুনিক কালত ৰচিত ব্ৰহ্মপুৰাণৰ বচন।

ইয়াৰ অৰ্থ—পৰমাণুৰ এবাৰ আবৰ্ত্তনৰ সময়কে ক্ষণ বোলে। জন্মৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰথম ক্ষণতেই কন্যা গৌৰী, দ্বিতীয় ক্ষণত ৰোহিণী, তৃতীয় ক্ষণত কন্যা আৰু চতুৰ্থ ক্ষণত ৰজস্বলা হয় ॥ ১॥ সেই ৰজস্বলা কন্যাৰ দৰ্শন হ... কন্যাৰ মাতা, পিতা, ভ্ৰাতা, মাতুল আৰু সহোদৰা ভগ্নী সকলোৱে নৰকত পতিত হয় ॥ ২॥

প্ৰশ্ন ঃ—এইবোৰ শ্লোক প্ৰমাণ নহয়।

উত্তৰ ঃ—কিয় প্ৰমাণ নহ'ব ? যদি ব্ৰহ্মাৰ বচন প্ৰমাণ নহয় তে... আপোনাৰ শ্লোক কেনেকৈ প্ৰমাণ হ'ব ?

প্ৰশ্ন ঃ—আচৰিত! পৰাশৰ আৰু কাশীনাথৰ প্ৰমাণো নেমানে ?

উত্তৰ ঃ—কি আচৰিত ? আপুনি ব্ৰহ্মাৰ প্ৰমাণো নেমানে ? পৰাশৰ আৰু কাশীনাথতকৈ ব্ৰহ্মাৰ বচন শ্ৰেষ্ঠ নহয় নে ? আপুনি যদি ব্ৰহ্মাৰ শ্লোক নেমানে মইয়ো পৰাশৰ আৰু কাশীনাথৰ শ্লোক নেমানো।

প্ৰশ্ন ঃ—আপোনাৰ শ্লোকবোৰ অসঙ্গত, গতিকে প্ৰমাণ হ'ব নোৱাৰে। কাৰণ সহস্ৰক্ষণ জন্মৰ সময়তেই যায়, তেনেস্থলত—প্ৰথম, দ্বিতীয় বা তৃতীয় ক্ষণত বিবাহ কেনেকৈ হ'ব ? আৰু সেই সময়ত বিবাহৰ কি ফল হ'ব ?

উত্তৰ ঃ—যদি মোৰ শ্লোকবোৰ অসম্ভব, তেন্তে আপোনাৰ শ্লোক বোৰো অসঙ্গত; কাৰণ ৮, ৯, বা ১০ বছৰৰ বালিকাৰ বিবাহ নিষ্ফল। কন্যাৰ ১৬ বছৰৰ পৰা ২৪ বছৰ পৰ্য্যন্ত গৰ্ভাশয় পূৰ্ণ বিকাশ হোৱাত বলিষ্ঠ পুৰুষৰ পৰিপক্ক বীৰ্য্যৰে সুস্থ সন্তান হ'ব পাৰে।

---

*উপযুক্ত বয়সতকৈ কম বয়সৰ স্ত্ৰীত কমবয়সীয়া পুৰুষৰ গৰ্ভাধান কাৰ্য্য ধন্বন্তৰিয়ে সুশ্ৰুতত নিষেধ কৰি থৈছে—

ঊনষোড়শবৰ্ষায়ামপ্ৰাপ্তঃ পঞ্চবিংশতিম্।
যদ্যাধত্তে পুমান্ গৰ্ভং কুক্ষিস্থঃ স বিপদ্যতে ॥
জাতো বা ন চিৰঞ্জীবেজ্জীবেদ্বা দুৰ্ব্বলেন্দ্ৰিয়ঃ।
তস্মাদত্যন্তবালায়াং গৰ্ভাধানং ন কাৰয়েৎ ॥

অৰ্থ—ষোল বছৰতকৈ কমবয়সীয়া স্ত্ৰীত পঁচিশ বছৰতকৈ কম বয়সৰ পুৰু...

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অষ্টম বয়সীয়া কন্যাৰ জন্ম হোৱা যেনে অসম্ভৱ, গৌৰী, ৰোহিণী আদি নাম দিয়াও তেনে অসঙ্গত। কন্যাৰ বৰণ গৌৰ নহৈ কৃষ্ণ বৰ্ণ হলে, গৌৰী নাম দিয়া ইস্যকৰ। গৌৰী মহাদেৱৰ পত্নী আৰু ৰোহিণী বসুদেৱৰ পত্নী আছিল। আপোনালোক পুৰাণবাদী আৰু গৌৰী আৰু ৰোহিণীক মাতৃ তুল্য জ্ঞান কৰে। যেতিয়া কন্যা মাত্ৰকেই গৌৰী ৰোহিণী জ্ঞান কৰে তেতিয়া গৌৰী ৰোহিণী সংজ্ঞাৰ কন্যাৰ লগত বিবাহ কৰা কেনেকৈ ধৰ্ম্ম সঙ্গত হ'ব? আপোনাৰ কোৱা শ্লোকবোৰ আৰু মোৰ ৰচিত শ্লোক মিথ্যা। যেনেকৈ "ব্ৰহ্মোবাচ" বুলি শ্লোক ৰচনা কৰিলো সেইদৰে স্বাৰ্থবাদী সকলেও পৰাশৰ আদিৰ নামত বিভিন্ন শ্লোক ৰচনা কৰিছে। গতিকে এইবোৰ প্ৰমাণ বুলি গণ্য নকৰি বেদৰ প্ৰমাণ অনুসাৰে কৰ্ম্ম কৰিব লাগে। এতিয়া মনুস্মৃতিত কি লিখা আছে দেখক :—

ত্ৰীণি বৰ্ষাণ্যুদীক্ষেত কুমাৰ্য্যৃতুমতী সতী।

উৰ্দ্ধং তু কালাদেতস্মাদ্বিন্দেত সদৃশং পতিম্ ॥ মনুঃ (৯।৯০)॥

অৰ্থ—কন্যা ৰজস্বলা হোৱাৰ পাছত তিনিবছৰ পৰ্য্যন্ত স্বসদৃশপতি অন্বেষণ কৰি পতি গ্ৰহণ কৰিব। কাৰণ প্ৰতি মাহে ৰজোদৰ্শন হয় গতিকে তিনি বছৰত ছয়ত্ৰিশ বাৰ ৰজোদৰ্শনৰ পাছত বিবাহ কৰা উচিত, তাৰ আগত নহয়।

গৰ্ভাধান হলে সেই কুক্ষিস্থ গৰ্ভ বিপন্ন হয় অৰ্থাৎ পূৰ্ণকাল নোহওঁতেই গৰ্ভপাত হয় ॥ ১॥ বা জন্ম হলেও দীৰ্ঘজীৱী নহয়, আৰু জীৱিত থাকিলেও দুৰ্ব্বল আৰু ৰুগীয়া হয়। গতিকে কম বয়সীয়া স্ত্ৰীত গৰ্ভস্থাপন নকৰিব ॥ ২॥

এইদৰে বৈদ্যক শাস্ত্ৰৰ ৰচনা, সৃষ্টি বিকাশৰ ক্ৰম লক্ষ্য কৰি বুদ্ধিৰে বিবেচনা কৰি চালে বুজিব পাৰি যে ষোল বছৰৰ কমৰ নাৰী আৰু পঁচিশ বছৰৰ কমৰ পুৰুষৰ গৰ্ভাধান কেতিয়াও উপযুক্ত নহয়। যিসকলে এইবোৰ বিজ্ঞান শাস্ত্ৰৰ বিধিৰ বিপৰীতে আচৰণ কৰে তেওঁলোকৰ সাংসাৰিক জীৱন দুখজনক হয়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কামমামৰণাত্তিষ্ঠেদ্ গৃহে কন্যৰ্ত্তুমত্যপি ।
ন চৈবৈনাং প্ৰয়চ্ছেত্তু গুণহীনায় কৰ্হিচিৎ ॥ মনুঃ (৯।৮৯)

অসদৃশ অৰ্থাৎ পৰস্পৰ বিৰুদ্ধ গুণ, স্বভাৱৰ বৰ কন্যাৰ বিবা[হ] হোৱাতকৈ আমৰণ অবিবাহিত থকা ভাল। ইয়াৰ দ্বাৰা প্ৰমাণ হয় [যে] অসমম্মত আৰু অসদৃশ গুণ স্বভাৱৰ বৰকন্যাৰ ভিতৰত বিবাহ অনুচিত।

প্ৰশ্ন ঃ—বিবাহ মাতা-পিতাৰ ইচ্ছাধীন হোৱা উচিত, নে বৰ কন্যা[ৰ] ইচ্ছাধীন হোৱা উচিত ?

উত্তৰ ঃ—বিবাহ বৰ কন্যাৰ ইচ্ছাধীন হোৱাই উত্তম। যোগ্য বিবাহ[ৰ] মাতা-পিতাই বিবেচনা কৰিলেও, বৰ কন্যা পৰস্পৰ সন্মত নহলে, অনুচিত[।] কাৰণ যি দুই প্ৰাণীৰ বিবাহ হ'ব সেই দুয়োৰো পৰস্পৰ সম্মতি সন্তো[ষ] হলে দাম্পত্য জীৱনত সুখ শান্তি আৰু সুসন্তান জন্ম হয়। অসন্মত বিবাহৰ পৰিণাম অশান্তি, বৈবাহিক সম্বন্ধ বৰ আৰু কন্যাৰহে ; মাতা পিতা বা অভিভাৱকৰ নহয়, আৰু পুত্ৰ কন্যাৰ সুখ দুখৰ বিবেচনা কৰাই মাতা-পিতাৰ কৰ্ত্তব্য।

সন্তুষ্টো ভাৰ্য্যয়া ভৰ্ত্তা ভৰ্ত্ৰা ভাৰ্য্যা তথৈৱ চ।
যস্মিন্নেৱ কুলে নিত্যং কল্যাণং তত্ৰ বৈ ধ্ৰুৱম্ ॥ মনু০ (৩।৬০)

যি পৰিবাৰত স্ত্ৰীৰ প্ৰতি পতি আৰু পতিৰ প্ৰতি স্ত্ৰী সদায় সন্তুষ্ট থাকে সেই গৃহত শান্তি লক্ষ্মী আৰু কীৰ্ত্তি অৱস্থান কৰে। য'ত বিৰো[ধ] আৰু কলহ, তত দুখ দাৰিদ্ৰ্য আৰু নিন্দা নিবাস কৰে। গতিকে প্ৰাচীন ভাৰতত পৰম্পৰা প্ৰচলিত স্বয়ম্বৰ বিবাহেই সৰ্ব্বোত্তম আছিল।

স্ত্ৰী-পুৰুষৰ বিবাহৰ ক্ষেত্ৰত বিদ্যা, বিনয়, শীল, ৰূপ, আয়ুস, বল, কুল আৰু শৰীৰৰ পৰিমাণাদি যথাযোগ্য হলেহে বিবাহৰ উদ্দেশ্য সিদ্ধি হয়। ইয়াৰ বিপৰীত হলে বৈবাহিক জীৱনত কোনো সুখ শান্তি নাথাকে।

যুবা সুবাসাঃ পৰিবীত আগাৎ স উ শ্ৰেয়ান্ ভৱতি জায়মানঃ।
তং ধীৰাসঃ কৱয় উন্নয়ন্তি স্বাধ্যো মনসা দেৱয়ন্তঃ ॥ ১॥
ঋ০ ম০ ৩। সূ০ ৮। ম০ ৪॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আ ধেনৱো ধুনয়ন্তামশিশ্বীঃ শবৰ্দুঘাঃ শশয়া অপ্ৰদুগ্ধাঃ নব্যানব্যা যুৱতয়ো ভৱন্তীৰ্মহদ্দেৱানামসুৰত্বমেকম্ ॥ ২ ॥

ঋ০ ম০ ৩। সূ০ ৫৫। ম০ ১৬॥

পূৰ্ব্বীৰহং শৰদঃ শশ্ৰমাণা দোষা বস্তো ৰুষসো জৰয়ন্তীঃ। মিনাতি শ্ৰিয়ং জৰিমা তনূনামপ্যূ নু পত্নীৰ্বৃষণো জগম্যুঃ ৩ ॥

ঋ০ ম০ ১। সূ০ ১৭৯। ম০ ১॥

যি পুৰুষ সুস্থৰূপে যজ্ঞোপৱীত ধাৰণ আৰু ব্ৰহ্মচৰ্য্যৰে বিদ্বান আৰু সুশিক্ষিত হৈ সুবস্ত্ৰ পৰিধান কৰি ব্ৰহ্মচৰ্য্যযুক্ত পূৰ্ণ যৌৱনলৈকে বিদ্যাধ্যয়ন কৰি গৃহাশ্ৰমত প্ৰৱেশ কৰে, তেওঁ দ্বিতীয় বিদ্যাজন্মত প্ৰসিদ্ধ হৈ শ্ৰেষ্ঠ হয়। আত্মধ্যানশীল বিজ্ঞানেৰে বিদ্যাৰ উন্নতিকামী ধৈৰ্য্যশীল তত্ত্বজ্ঞসকলে সেই পুৰুষক উন্নত আসনত প্ৰতিষ্ঠিত কৰে। ইয়াৰ বিপৰীত ব্ৰহ্মচৰ্য্য, বিদ্যা, চৰিত্ৰহীন স্ত্ৰী-পুৰুষে জ্ঞানী সমাজত কোনো সন্মান নেপায়।

দোহন নকৰা গাইৰদৰে যাৰ বাল্য অৱস্থা অতিক্ৰম হৈছে, যি আৱশ্যকীয় সদাচাৰ পালন কৰে আৰু যাৰ বাল্যকাল অতিক্ৰম হৈছে নব নব শিক্ষা আৰু অৱস্থাত পৰিপূৰ্ণ হৈছে, সেই পূৰ্ণ যৌবনা স্ত্ৰীসকলে সদাচাৰী তথা সুশিক্ষিত সিদ্ধ, বিদ্বানসকলৰ অদ্বিতীয়, মহান্ শাস্ত্ৰ শিক্ষা-যুক্ত আৰু প্ৰজ্ঞাত আনন্দ উপভোগৰ তত্ত্বজ্ঞ যুৱক পতি লাভ কৰি গৰ্ভধান কৰক। যিসকল নাৰীয়ে অপ্ৰাপ্ত বয়সত, নিজৰ নিজৰ মনত কাম বাসনাৰ স্থান দিয়া নাই, তেওঁলোকেই স্বাস্থ্য, সুখ শান্তিৰ সফল জীৱন আশা কৰিব পাৰে। অপ্ৰাপ্ত বয়সত বিয়া হলে পুৰুষতকৈ নাৰীৰ ক্ষতি অধিক আৰু গুৰুতৰ হয়।

যাতে শীঘ্ৰে অত্যন্ত পৰিশ্ৰমী, বীৰ্য্য সিঞ্চনত সমৰ্থ, যৌৱন সম্পন্ন পুৰুষে প্ৰস্ফুটিতা পত্নী লাভ কৰি শতবৰ্ষ বা তাৰো অধিক আয়ু সানন্দে ভোগ কৰি পুত্ৰ পৌত্ৰাদিৰো কল্যাণ সাধিব পাৰে, সেই উদ্দেশ্যত স্ত্ৰী আৰু পুৰুষ উভয়ে আচৰণশীল হ'ব লাগে। যিহেতু পূৰ্ব্ববৰ্ত্তী শৰৎ ঋতুবোৰ আৰু দুৰ্ব্বল বা বাৰ্দ্ধক্যকাৰক উষা কাল ৰাত্ৰি আৰু দিনে শৰীৰৰ শ্ৰীক,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নাশ কৰি দুৰ্ব্বল আৰু জড়ত্ব বৃদ্ধি কৰে সেয়ে, মই (স্ত্ৰী বা পুৰুষ) উত্তমৰূপে নিশ্চয় ব্ৰহ্মচৰ্য্যৰে বিদ্যা, শাৰীৰিক আৰু আধ্যাত্মিক শক্তি সাধন কৰি বিবাহ কৰিম। এনেকুৱা বৈদিক বিবেচনাৰ বিৰুদ্ধ বিবাহ কেতিয়াও সুখ শান্তিৰ হ'ব নোৱাৰে।

যি যুগত ভাৰতৰ ঋষি মুনিৰ পৰা ৰজা মহাৰজালৈ সমাজৰ সকলো বিভাগত ব্ৰহ্মচৰ্য্য, বিদ্যাধ্যয়ন, স্বয়ম্বৰ বিবাহ আৰু ন্যায় দণ্ডৰ অনুশাসন প্ৰচলিত আছিল, সেই যুগৰ ভাৰতবাসীৰ শাৰীৰিক মানসিক আৰু আৰ্থিক মানদণ্ড পৃথিৱীৰ ভিতৰত উন্নত আছিল।

যেতিয়াৰ পৰা এই দেশত ব্ৰহ্মচৰ্য্য, বিদ্যা আৰু বিবাহ অনুশাসন আদিত নৈতিক অধঃপতন হ'বলৈ ধৰিলে তেতিয়াৰ পৰা অধোগতি আৰম্ভ হয়। গতিকে যিবোৰ কুনীতি বা দুৰ্নীতি জাতীয় অধঃপতনৰ মূল, সেইবোৰ পৰিত্যাগ কৰা উচিত। গুণ, কৰ্ম্ম, স্বভাৱৰ অনুকূল বৰ্ণ ব্যৱস্থা অনুসাৰে বিবাহ হোৱাই মঙ্গল।

প্ৰশ্নঃ—যাৰ মাতা-পিতা ব্ৰাহ্মণ, তেওঁ ব্ৰাহ্মণ। যাৰ মাতা-পিতা অন্য বৰ্ণৰ তেওঁ ব্ৰাহ্মণ হ'ব পাৰে নেকি?

উত্তৰঃ—পাৰে, পূৰ্ব্বে অনেকে হৈ গৈছে আৰু হৈ আছে। তাৰ উদাহৰণ—(ছান্দোগ্য উপনিষদৰ) অজ্ঞাত কুলৰ জাবাল ঋষি, মহাভাৰতৰ ক্ষত্ৰিয় কুলৰ বিশ্বামিত্ৰ ঋষি, আৰু চণ্ডাল কুলৰ মাতঙ্গ ঋষিয়ে ব্ৰাহ্মণত্ব লাভ কৰে। সেইদৰে এতিয়াও জ্ঞান, গুণ আৰু স্বভাৱেৰে ব্ৰাহ্মণ হ'ব পাৰে। ব্ৰাহ্মণৰ সন্তান মূৰ্খ হলে শূদ্ৰ। ইয়েই চিৰন্তন নীতি।

প্ৰশ্ন ঃ—বাৰু, এক বৰ্ণৰ মাক-বাপেকৰ ৰজবীৰ্য্যৰ পৰা উৎপন্ন হোৱা দেহ কেনেকৈ অন্য বৰ্ণৰ যোগ্য হ'ব পাৰে?

উত্তৰ ঃ—ৰজবীৰ্য্যৰ সংযোগত ব্ৰাহ্মণ শৰীৰ নহয়, কিন্তু—

স্বাধ্যায়েন জপৈ ৰ্হোমৈস্ত্ৰৈবিদ্যেনেজ্যয়া সুতৈঃ।
মহাযজ্ঞৈশ্চ যজ্ঞৈশ্চ ব্ৰাহ্মীয়ং ক্ৰিয়তে তনুঃ॥ মনুঃ (২।২৮)॥

ইয়াৰ অৰ্থ আগত কৈ অহা হৈছে। সংক্ষেপ অৰ্থ হল ঃ— পঠন,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পাঠন, চিন্তা কৰা, আৰু কৰোৱা; পৌৰ্ণমাসী, ইষ্টি আদি অনুষ্ঠানেৰে বিধিমতে সন্তানৰ জন্মৰ কাৰণ হোৱা আৰু শিক্ষা দিয়া দৈনিক পঞ্চ-মহাযজ্ঞ, অগ্নিষ্টোমাদি যজ্ঞ, বিদ্বৎসঙ্গ, সৎকাৰ, সদাচৰণ, পৰোপকাৰ, শিল্পবিদ্যাৰ জ্ঞান আৰু কৰ্ম্মৰ দ্বাৰাই এই শৰীৰলৈ ব্ৰাহ্মণত্ব অনা যায়।

এই শ্লোক আপুনি প্ৰমাণ বুলি নেমানে নেকি?

প্ৰশ্নঃ— মানো।

উত্তৰঃ—তেন্তে ৰজবীৰ্য্যৰ সংযোগত বৰ্ণ ব্যৱস্থা কেনেকৈ হব?

প্ৰশ্নঃ—মই মাত্ৰ এজনে নেমানিব পাৰো কিন্তু অনেকে পৰম্পৰা ক্ৰমে এই দৰেই মানি আহিছে। আপুনি পৰম্পৰাও খণ্ডন কৰে নেকি?

উত্তৰঃ—পৰম্পৰা খণ্ডন নকৰো, কিন্তু আপোনাৰ ভুল আৰু বিপৰীত ধাৰণাহে খণ্ডন কৰো।

প্ৰশ্নঃ—মোৰ বুদ্ধি বা ধাৰণা যদি বিপৰীত হয়, আপোনাৰ ধাৰণা নিৰ্ভুল হোৱাৰ প্ৰমাণ কি?

উত্তৰঃ—তাৰ প্ৰমাণ এই যে, আপুনি পাঁচ বা সাত পুৰুষৰ পৰা প্ৰচলিত প্ৰমাণকেই পৰম্পৰা বা সনাতন বুলি ধৰিছে। মই বেদ আৰু সৃষ্টিৰ আৰম্ভৰ পৰা আজি পৰ্য্যন্ত চলি অহা পৰম্পৰাকে প্ৰমাণ বুলি স্বীকাৰ কৰো। চাওক, পিতা সৎ হলেও পুত্ৰ অসৎ আৰু পিতা দুষ্ট হলেও পুত্ৰ শিষ্ট হোৱা দেখা যায়। কোনো কোনো ক্ষেত্ৰত পিতা পুত্ৰ উভয়েই শিষ্ট বা দুষ্ট হোৱাও দেখা যায়। গতিকে আপোনালোক ভুল ধাৰণাত আবদ্ধ। এতিয়া চাওঁক, মনুৱে কি কৈছেঃ—

যেনাস্য পিতৰো যাতা যেন যাতাঃ পিতামহাঃ।
তেন যায়াৎ সতাং মাৰ্গং তেন গচ্ছন্নৰিষ্যতে॥ মনু০ (৪।১৭৯)

যি পথেদি পিতা আৰু পিতামহ চলি গৈছে, সেই পথেৰেই পুত্ৰ বিলাকো চলিব লাগিব। কিন্তু যদি পিতা আৰু পিতামহ সৎ হয়, তেন্তে তেওঁলোকৰ প্ৰদৰ্শিত পথ অনুসৰণ কৰিব, কিন্তু পিতামহ দুষ্ট

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হলে তেওঁলোকৰ পথ কেতিয়াও অনুসৰণ কৰিব নালাগে। কাৰণ অসৎ পিতা, পিতামহৰ পথ অনুসৰণ নকৰি সৎ পুৰুষে দেখুৱা পথেদি চলিলে কেতিয়াও দুখ ভোগ কৰিব নালাগে। এই কথা আপুনি স্বীকাৰ কৰে নে নকৰে?

প্ৰশ্নঃ—স্বীকাৰ কৰো।

উত্তৰঃ—আৰু চাওঁক, পৰমেশ্বৰপ্ৰকাশিত বেদ বাক্যই একমাত্ৰ সনাতন। যি বেদ বিৰুদ্ধ, সি কেতিয়াও সনাতন বুলি গণ্য হব নোৱাৰে। এই বিবেচনাকেই সকলোৱে স্বীকাৰ কৰা উচিত, হয় নে নহয়?

প্ৰশ্নঃ—অৱশ্যে হয়।

উত্তৰঃ—যি এনেকুৱা বিবেচনা স্বীকাৰ নকৰে, তেওঁক সোধা উচিত যে কোনো পিতা দৰিদ্ৰ আৰু পুতেক ধনবান হলে তেতিয়া সেই পুত্ৰই পিতাকৰ দৰিদ্ৰতাত গৌৰৱবোধ কৰি নিজৰ আৰ্জিত ধন সম্পত্তি সকলো পৰিত্যাগ কৰিব নেকি? যাৰ পিতা অন্ধ সেই পুত্ৰই নিজৰ চকু নষ্ট কৰি অন্ধ হব নেকি? যাৰ পিতা কুকৰ্ম্মৰত, সেই পুত্ৰয়ো কুকৰ্ম্মকেই কৰিব নেকি? নিশ্চয় কেতিয়াও নকৰে। অৱশ্যে পূৰ্ব্বপুৰুষৰ প্ৰদৰ্শিত সৎ পথ অনুসৰণ আৰু অসৎ পথ পৰিত্যাগ কৰাটো সকলোৰে বাবেই বাঞ্ছনীয়। ৰজবীৰ্য্যৰ সংযোগত উৎপন্ন হোৱাটোকে যিয়ে বৰ্ণাশ্ৰম ব্যৱস্থা বুলি মানে, তেওঁ ব্ৰাহ্মণৰ জন্ম লোৱা জনক, মুছলমান বা খ্ৰিষ্টিয়ান ধৰ্ম্ম গ্ৰহণ কৰিলেও ব্ৰাহ্মণ বুলি মানিব নে নামানে? এনেকুৱা ক্ষেত্ৰত কোৱা হয় যে অমুকে ব্ৰাহ্মণৰ ধৰ্ম্ম কৰ্ম্ম এৰি মুছলমান বা খ্ৰিষ্টিয়ান হল, অৰ্থাৎ ব্ৰাহ্মণ হৈ নৰল। সকলো শাস্ত্ৰৰ পৰা এয়েই প্ৰমাণ হয় যে, যি ব্ৰাহ্মণৰ ধৰ্ম্ম কৰ্ম্ম পালন কৰে, সেয়েই ব্ৰাহ্মণ আৰু যি ব্ৰাহ্মণে স্বধৰ্ম্ম পৰিত্যাগ কৰি অসৎ কৰ্ম্মত প্ৰবৃত্ত হয়, তেওঁ শূদ্ৰতকৈও নীচ, আৰু শূদ্ৰ বা অতি অনুন্নত বৰ্ণত জন্ম হৈও যদি ব্ৰাহ্মণাদিৰ ধৰ্ম্ম কৰ্ম্ম আচৰণ কৰিব পাৰে তেওঁৰ ধৰ্ম্ম কৰ্ম্মৰ যোগ্যতা অনুসাৰে বৰ্ণ বিভাগ নিৰ্ণীত হয়।

প্ৰশ্ন ঃ—ব্ৰাহ্মণোঽস্য মুখমাসীদ্ বাহূ ৰাজন্যঃ কৃতঃ।
উৰূ তদস্য যদ্বৈশ্যঃ পদ্ভ্যাং শূদ্ৰোঽজায়ত॥ যজু০ অ০ ৩১। মন্ত্ৰ০ ৩১॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ইয়াৰ অৰ্থ—ঈশ্বৰৰ মুখৰ পৰা ব্ৰাহ্মণ, বাহুৰ পৰা ক্ষত্ৰিয়, উৰুৰ পৰা বৈশ্য আৰু চৰণৰ পৰা শূদ্ৰ উৎপন্ন হৈছে। যেনেকৈ মুখ বাহু আৰু বাহু মুখ হব নোৱাৰে, সেইদৰে ব্ৰাহ্মণো ক্ষত্ৰিয়াদি হব নোৱাৰে আৰু ক্ষত্ৰিয়াদিও ব্ৰাহ্মণ হব নোৱাৰে।

উত্তৰঃ—আপুনি এই মন্ত্ৰৰ প্ৰকৃত অৰ্থ বুজা নাই। কাৰণ, এই স্থলত পুৰুষ নিৰাকাৰ পৰমাত্মাৰ অনুবৃত্তি। যি নিৰাকাৰ, তেওঁৰ মুখাদি অঙ্গ নাই। মুখাদি অঙ্গ বিশিষ্ট হলে তেওঁ পুৰুষ অৰ্থাৎ ব্যাপক হ'ব নোৱাৰে। ব্যাপক নহলে তেওঁ সৰ্ব্বশক্তিমান, সৃষ্টিকৰ্ত্তা, ধৰ্ত্তা, প্ৰলয় কৰ্ত্তা, জীৱৰ অন্তৰ্য্যামী নিয়ন্তা, সৰ্ব্বজ্ঞ, অজ, আৰু অমৰ আদি বিশেষণ যুক্ত হব নোৱাৰে। গতিকে এই মন্ত্ৰৰ অৰ্থ হল :—পূৰ্ণ ব্যাপক পৰমাত্মাৰ সৃষ্টিত যি মুখৰ দৰে মুখ্য বা শ্ৰেষ্ঠ, তেওঁ ব্ৰাহ্মণ। বাহুৰ্বৈ বলং বাহুৰ্বৈ বীৰ্য্যম্ (শত পথ ব্ৰাহ্মণ) বল বীৰ্য্যৰ নাম বাহু। বল বীৰ্য্য আদিত যি শ্ৰেষ্ঠ তেওঁ ক্ষত্ৰিয়, কটি প্ৰদেশৰ অধোভাগ আৰু জানুৰ উপৰিভাগৰ নাম উৰু। যি উৰু বল বিশিষ্ট অৰ্থাৎ বেপাৰ বাণিজ্যৰে অৰ্থ সংগ্ৰহৰ নিমিত্তে নানা ঠাই ভ্ৰমণ কৰে, তেওঁ বৈশ্য। আৰু যি অঙ্গবোৰৰ ভিতৰত নিম্ন চৰণৰ দৰে মুৰ্খতাদি গুণ বিশিষ্ট তেৱেঁই শূদ্ৰ। এইদৰেই শতপথ ব্ৰাহ্মণাদি গ্ৰন্থতো এই মন্ত্ৰৰ এনেকুৱা অৰ্থই কৰিছে। যেনে :—

যস্মাদেতে মুখ্যাস্তস্মান্মুখতো হ্যসৃজ্যন্ত ইত্যাদি।

যিহেতু এই সকল মুখ্য, গতিকে মুখৰ পৰা উৎপন্ন হৈছে বুলি কোৱাই সঙ্গত। যেনেকৈ—দেহৰ ভিতৰত মুখমণ্ডল শ্ৰেষ্ঠ আৰু মুখমণ্ডলৰ ভিতৰতো মুখ শ্ৰেষ্ঠ সেইদৰে মনুষ্য সমাজৰ ভিতৰত বিদ্যা, গুণ, কৰ্ম্ম স্বভাৱত যি শ্ৰেষ্ঠ তেওঁ ব্ৰাহ্মণ। পৰমেশ্বৰ যেতিয়া—নিৰাকাৰ—মুখাদি অঙ্গ বা অৱয়বৰ প্ৰশ্নই নাই, গতিকে মুখ অঙ্গৰ পৰা উৎপন্ন হোৱাৰ অৰ্থ অসঙ্গত, আৰু প্ৰকৃতিৰ নীতি বিৰুদ্ধ। মুখাদি অঙ্গৰ পৰা ব্ৰাহ্মণাদি উৎপন্ন হোৱা হলে উৎপন্ন বস্তুৰ আকৃতিও উপাদান কাৰণৰ দৰে হলহেতেন। মুখৰ আকাৰ যেনে ব্ৰাহ্মণ শৰীৰৰ আকাৰো তেনেহে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হলহেঁতেন। সেইদৰে ক্ষত্ৰিয়ৰ দেহ বাহুৰ দৰে, বৈশ্যৰ উৰুৰ দৰে আৰু শূদ্ৰৰ চৰণৰ দৰে আকৃতি হলহেঁতেন, কিন্তু তেনে নহয়। আৰু যদি কৰ খোজে যে, ব্ৰাহ্মণ মুখৰ পৰা জন্ম হৈছিল গতিকেই ব্ৰাহ্মণ সংজ্ঞা হৈছে, সি হব পাৰে, কিন্তু যিবোৰৰ মুখৰ পৰা জন্ম হোৱা নাই, সেইবোৰে ব্ৰাহ্মণ সংজ্ঞা কেনেকৈ পাব? অন্যান্য বৰ্ণ ই যেনেকৈ গৰ্ভাশয়ৰ পৰা জন্ম পাইছে—ব্ৰাহ্মণ কুলত জন্মা সকলেও গৰ্ভাশয়ৰ পৰাই জন্ম পাইছে। যি মুখৰ পৰা জন্ম হোৱা নাই, ব্ৰাহ্মণ সংজ্ঞা পাবৰ কোনো অধিকাৰ তেওঁৰ নাই। গতিকে বেদ মন্ত্ৰৰ আপুনি যি অৰ্থ কৰিছে, সেই অৰ্থ হব নোৱাৰে, মই যি অৰ্থ কৰিছো সেয়েহে প্ৰকৃত অৰ্থ। এনে অৰ্থকেই অন্যতো পোৱা যায়। যেনেঃ—

শূদ্ৰো ব্ৰাহ্মণতামেতি ব্ৰাহ্মণশ্চেতি শূদ্ৰতাম্।
ক্ষত্ৰিয়াজ্জাতমেবন্তু বিদ্যাদ্বৈশ্যাত্তথৈব চ॥

মনুঃ (১০।৬৫)॥

অৰ্থ—যদি কোনো ব্যক্তি শূদ্ৰকুলত জন্ম হৈ ব্ৰাহ্মণ, ক্ষত্ৰিয়, অথবা বৈশ্যৰ গুণ, কৰ্ম্ম স্বভাৱ বিশিষ্ট হয়, সেই শূদ্ৰ, গুণ, কৰ্ম্ম, স্বভাৱ অনুসৰি ব্ৰাহ্মণ, ক্ষত্ৰিয় বা বৈশ্য হব। সেইদৰে কোনো ব্যক্তি ব্ৰাহ্মণ ক্ষত্ৰিয় বা বৈশ্য কুলত জন্ম হৈ শূদ্ৰৰ গুণ, কৰ্ম্ম, স্বভাৱ, বিশিষ্ট হলে তেওঁ শূদ্ৰ হব। এইদৰে কোনো ক্ষত্ৰিয় বা বৈশ্যকুলত জন্ম হৈ ব্ৰাহ্মণ বা শূদ্ৰৰ গুণ, কৰ্ম্ম, স্বভাৱ সম্পন্ন হয়—তেওঁ সেইমতে ব্ৰাহ্মণ বা শূদ্ৰ হব। অৰ্থাৎ পুৰুষ বা স্ত্ৰী যি বৰ্ণৰ যোগ্য, সেই বৰ্ণতেই গণ্য হব।

ধৰ্ম্মচৰ্য্যয়া জঘন্যো বৰ্ণঃ পূৰ্ব্বং বৰ্ণমাপদ্যতে জাতি পৰিবৃত্তৌ।
অধৰ্ম্মচৰ্য্যয়া পূৰ্ব্বো বৰ্ণো জঘন্যং জঘন্যং বৰ্ণমাপদ্যতে জাতি পৰিবৃত্তৌ॥ আপস্তম্ব সূত্ৰ (১।৮২)

অৰ্থ—ধৰ্ম্মাচৰণৰ দ্বাৰা নিকৃষ্ট বৰ্ণৰ পৰা উচ্চবৰ্ণ লাভ কৰে, আৰু যি যি বৰ্ণৰ উপযুক্ত সেই সেই বৰ্ণতে গণ্য হয়। সেইদৰেই অধৰ্ম্মাচৰণৰ দ্বাৰা পূৰ্ব্ববৰ্ণ অৰ্থাৎ উচ্চ বৰ্ণত জন্ম হোৱা মানুহ নিম্ন বৰ্ণ প্ৰাপ্ত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হয়, আৰু সেই বৰ্ণত গণ্য হয়॥ ২॥ পুৰুষৰ যিদৰে বৰ্ণৰ নিৰ্ণয় হয় সেইদৰেই স্ত্ৰী সকলৰো হব। এনেকুৱা ব্যৱস্থা হলে সকলো বৰ্ণই নিজৰ নিজৰ গুণ, কৰ্ম্ম আৰু স্বভাৱৰ উন্নতি কামী হব। সকলো বৰ্ণই নিজৰ নিজৰ কৰ্ম্ম আচৰণৰ দ্বাৰাই শ্ৰেষ্ঠতা বিকাশ কৰিবলৈ সচেতন হব আৰু আচৰণত বৰ্ণ সঙ্কৰ নহলে সামাজিক আৰু জাতীয় জীৱনৰ আৰু ৰাজ্যৰ উন্নতি হব। কোনো বৰ্ণৰ নিন্দা অপবাদ বা অযোগ্যতাও নাথাকিব।

প্ৰশ্ন ঃ—যদি কাৰোবাৰ মাত্ৰ এটা পুত্ৰ বা কন্যা হৈ বৰ্ণান্তৰ হয়, তেতিয়া সেই মাতা-পিতাৰ সেৱা কোনে কৰিব? বংশ নাশ নঘটিব জানো? ইয়াৰ ব্যৱস্থা কি হোৱা উচিত?

উত্তৰ ঃ—কাৰো সেৱা শুশ্ৰূষাৰ অভাৱ নঘটে আৰু বংশ নাশো হব নোৱাৰে। কাৰণ সমাজৰ বা ৰাজ্যৰ নিৰ্দ্ধাৰিত বিধি অনুশাসন অনুসাৰে স্ব বৰ্ণানুকূল অন্য সন্তান গ্ৰহণ কৰিব পাৰিব। গতিকে কোনো অব্যৱস্থা হব নোৱাৰে।

এনেকুৱা বৰ্ণ ব্যৱস্থা কন্যাৰ ১৬ বছৰত আৰু পুত্ৰৰ ২৫ বছৰত গুণ, কৰ্ম্ম আৰু স্বভাৱ অনুসাৰে নিয়ন্ত্ৰিত হোৱা আৱশ্যক। এই নিয়মানুসাৰে অৰ্থাৎ গুণ, কৰ্ম্ম আৰু স্বভাৱ অনুসাৰে ব্ৰাহ্মণৰ লগত ব্ৰাহ্মণীৰ, ক্ষত্ৰিয়ৰ লগত ক্ষত্ৰিয়াৰ, বৈশ্যবৰ্ণৰ লগত বৈশ্যাৰ আৰু শূদ্ৰৰ লগত শূদ্ৰাৰ বিবাহ সম্বন্ধ হোৱা উচিত। এনে অৱস্থাত স্ব স্ব বৰ্ণৰ ধৰ্ম্ম কৰ্ম্মৰ আচৰণ আৰু পাৰস্পৰিক প্ৰীতি অক্ষুণ্ণ থাকিব।

চাৰি বৰ্ণৰ কৰ্ত্তব্য কৰ্ম্ম আৰু গুণ, যথা—

অধ্যাপনমধ্যয়নং যজনং যাজনং তথা।
দানং প্ৰতিগ্ৰহশ্চৈব ব্ৰাহ্মণানামকল্পয়ৎ ॥ ১ ॥ মনু০ (১।৮৮)

শমো দমস্তপঃ শৌচং ক্ষান্তিৰাৰ্জ্জৱমেৱ চ।
জ্ঞানবিজ্ঞানমাস্তিক্যং ব্ৰহ্মকৰ্ম্ম স্বভাৱজম্ ॥ ২ ॥ গীতা

(১ম অৰ্থ) ঃ—ব্ৰাহ্মণৰ কৰ্ম্ম ছয়, প্ৰথম বেদাদি শাস্ত্ৰৰ অধ্যাপন, [illegible]

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰোৱা, দান আৰু প্ৰতিগ্ৰহ। কিন্তু "প্ৰতিগ্ৰহঃ প্ৰত্যৱৰঃ" (মনুঃ)। (প্ৰতি- গ্ৰহ) গ্ৰহণ কৰা হীন কৰ্ম্ম॥ ১॥ শমঃ অৰ্থাৎ মনতো কুকৰ্ম্মৰ ইচ্ছা নকৰা আৰু মনক অধৰ্ম্মত প্ৰবৃত্ত হবলৈ নিদিয়া, দমঃ অৰ্থাৎ চকু কাণ আদি ইন্দ্ৰিয় বোৰক সংযত ৰখা, তপঃ অৰ্থাৎ কষ্ট সহিও সদাচৰণ আৰু ধৰ্ম্মানুষ্ঠান কৰা. শৌচ :—

অদ্ভির্গাত্রাণি শুধ্যন্তি মনঃ সত্যেন শুধ্যতি।
বিদ্যাতপোভ্যাং ভূতাত্মা বুদ্ধির্জ্ঞানেন শুধ্যতি॥ মনু০ ৫। ১০৯।

জলেৰে শৰীৰ, সত্যাচৰণেৰে মন, বিদ্যা আৰু ধৰ্ম্মানুষ্ঠানৰ দ্বাৰা জীৱাত্মা, আৰু জ্ঞানৰ দ্বাৰাই বুদ্ধি পৱিত্ৰ হয়। আভ্যন্তৰীণ ৰাগ-দ্বেষাদি দোষ আৰু বাহিৰৰ মলিনতা শুদ্ধ কৰা. অৰ্থাৎ সত্যাসত্য বিবেচনাৰে সত্যৰ আচৰণ আৰু অসত্যৰ বৰ্জ্জনৰ দ্বাৰাই নিশ্চয় পৱিত্ৰ হব পাৰি। ক্ষান্তি অৰ্থাৎ নিন্দা স্তুতি, সুখ-দুখ, শীত উষ্ণ, ক্ষুধা তৃষ্ণা, হানি-লাভ, মান অপমান, হৰ্ষ শোক সমতুল্য জ্ঞান কৰি কৰ্ত্তব্য ধৰ্ম্মত স্থিৰ থকা, আৰ্জ্জৱ অৰ্থাৎ শান্ত. কোমলতা, নিৰভিমান, সৰলতা, আৰু অকপটতাৰ আচৰণশীল, জ্ঞান অৰ্থাৎ সাঙ্গোপাঙ্গ বেদাদি শাস্ত্ৰৰ অধ্যয়ন কৰি অধ্যাপনাৰ যোগ্যতা, বিবেক অৰ্থাৎ সত্যৰ নিৰ্ণয়, বা যথাৰ্থ জ্ঞান, (জড়ক জড় বুলি আৰু চেতনক চেতন বুলি উপলব্ধি কৰা), বিজ্ঞান অৰ্থাৎ পৃথিবীৰ পৰা পৰমাত্মালৈকে জগতক সবিশেষ জানি যথোচিত আচৰণ কৰা বা প্ৰয়োগ কৰা, আস্তিক্য অৰ্থাৎ শাস্ত্ৰ, ঈশ্বৰ আৰু মুক্তিত আস্থা, জন্ম জন্মান্তৰ, ধৰ্ম্ম, বিদ্যা, সৎসঙ্গ, মাতা, পিতা, আচাৰ্য্য আৰু অতিথিৰ যথাযোগ্য সেৱা সৎকাৰ কৰা। ২॥ এই পঞ্চদশ গুণ কৰ্ম্ম ব্ৰাহ্মণৰ গাত নিশ্চয়ভাৱে থাকিবই লাগে।

ক্ষত্ৰিয় :—

প্ৰজানাং ৰক্ষণং দানমিজ্যাধ্যয়নমেৱ চ।
বিষয়েষ্বপ্ৰসক্তিশ্চ ক্ষত্ৰিয়স্য সমাসতঃ॥ ১॥ মনু০ (১।৮৯)॥
শৌৰ্য্যং তেজো ধৃতি-দাৰ্ক্ষ্যং যুদ্ধে চাপ্যপলায়নম্।
দানমীশ্বৰভাৱশ্চ ক্ষাত্ৰং কৰ্ম্ম স্বভাৱজম্॥ ২॥ ভা০গী০ (অ০ ১৮। শ্লোক ৪৩)

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ন্যায়দণ্ড অনুসাৰে প্ৰজাৰ ৰক্ষা আৰু পৰিপালন কৰা, সদ্ অনুষ্ঠানত প্ৰবৃত্তি সহ অৰ্থ ব্যয় কৰা, হোম যজ্ঞ কৰা আৰু কৰোৱা, শাস্ত্ৰৰ অধ্যয়ন আৰু অধ্যাপনা কৰা, বিষয় বাসনাত অনাসক্ত, জিতেন্দ্ৰিয়, শাৰীৰিক আৰু মানসিক শক্তিৰ সাধনৰত ৫৬, । ১॥
নিৰ্ভীক, সাহসী, তেজস্বী, শক্তিশালী আৰু আগৰণুৱা, ধৈৰ্য্যশীল, কামত দক্ষ আৰু নিপুণ, যুদ্ধত ভয়হীন আৰু নপলোৱা. অৰ্থাৎ কৌশলেৰে যুদ্ধত জয় কৰিব পৰা, দানশীল, পক্ষপাত নকৰাকৈ সকলোৰে সৈতে ব্যৱহাৰ কৰা. প্ৰতিজ্ঞা ৰক্ষা কৰা আদি ক্ষত্ৰিয়ৰ স্বাভাৱিক গুণ আৰু কৰ্ম্ম। ২॥
বৈশ্য :—

পশূনাং ৰক্ষণং দানমিজ্যাধ্যয়নমেৱ চ ।
ৱণিক্ পথং কুসীদংচ বৈশ্যস্য কৃষিমেৱচ ॥ মনু০ (১।৯০) ॥

গৰু আদি পশুৰ পালন, ব্যৱসায় কৰা, বিদ্যা ধৰ্ম্ম আদি বৃদ্ধিৰ বাবে সৎ অনুষ্ঠানত ধন-সম্পত্তি ব্যয় কৰা, অগ্নি হোত্ৰাদি যজ্ঞ কৰ্ম্ম পালন কৰা. বেদাদি শাস্ত্ৰ অধ্যয়ন কৰা, বেহা বেপাৰ কৰা, অধিক সুদ আৰু অধিক লাভ নকৰা অৰ্থাৎ কেতিয়াও যেই কোনো পৰিস্থিতিতেই মূল ধনৰ লাভ দুগুণৰ অধিক নোলোৱা আৰু কৃষি কৰ্ম্ম; বৈশ্যৰ এই বোৰেই গুণ আৰু কৰ্ম্ম। শূদ্ৰ :—

একমেৱ 'তু শূদ্ৰস্য প্ৰভুঃ কৰ্ম্ম সমাদিশৎ ।
এতেষামেৱ বৰ্ণানাম্ শুশ্ৰূষামনসূয়য়া ॥ মনু০ (১। ৯১ ॥)

নিন্দা, ঈৰ্ষা আৰু অভিমান আদি এৰি ব্ৰাহ্মণ, ক্ষত্ৰিয়, আৰু বৈশ্যৰ যথাযোগ্য পৰিচৰ্য্যা কৰা আৰু তাৰ দ্বাৰা জীৱিকা চলোৱাই শূদ্ৰৰ গুণ আৰু কৰ্ম্ম।

বৰ্ণ বিভাগৰ গুণ কৰ্ম্ম সংক্ষেপে লিখা হ'ল। যি মানুহ যি বৰ্ণৰ গুণ আৰু স্বভাৱ অনুসাৰে উপযুক্ত, সেই মানুহক সেই বৰ্ণৰহে অধিকাৰ দিব লাগে। এনে ব্যৱস্থাতহে ব্যক্তিৰ আৰু সমাজৰ উন্নতি হব পাৰে। কাৰণ, শ্ৰেষ্ঠ বৰ্ণৰ সন্তান মুৰ্খ হলে শূদ্ৰ শ্ৰেণীত গণ্য হোৱাৰ ভয় থাকিব আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সন্তানেও নিজৰ নিজৰ গুণ কৰ্ম্ম আৰু স্বভাৱৰ প্ৰতি সচেতন থাকিবলৈ চেষ্টা শীল হব। নিম্ন বৰ্ণ বা শ্ৰেণীৰ মানুহেও উচ্চ বৰ্ণৰ অধিকাৰ পাবলৈ উৎসাহ বোধ কৰিব। বিদ্যা আৰু ধৰ্ম্ম ব্যৱস্থাৰ অধিকাৰ ব্ৰাহ্মণৰ থাকিব কাৰণ যি সকল বিদ্যাবান আৰু ধৰ্ম্মত ৰত সেই সকলহে সেই ব্যৱস্থা যথাৰ্থভাৱে সম্পাদন কৰিব পাৰে। ৰাজ্যৰ ন্যায়, দণ্ড আৰু ৰক্ষাৰ অধিকাৰ ক্ষত্ৰিয়ক দিলেহে সেই দায়িত্ব যথাৰ্থভাৱে সম্পাদিত হব পাৰে। সেইদৰে বাণিজ্য আৰু শিল্প আদি কৰ্মৰ অধিকাৰী বৈশ্য। জ্ঞান বিজ্ঞান হীন। শূদ্ৰই সমাজৰ অন্যান্য বিভাগৰ নিৰ্দ্দেশানুসৰি শাৰীৰিক শ্ৰম কৰিব পাৰে। এইদৰে সকলোৰে গুণ কৰ্ম্ম স্বভাৱ অৰ্থাৎ যোগ্যতা অনুসৰি কৰ্ম্ম বিভাগৰ বা বৰ্ণ বিভাগৰ সামাজিক বিধি হোৱা উচিত।

বিবাহৰ লক্ষণঃ

ব্ৰাহ্মো দৈৱস্তথৈবাৰ্ষঃ প্ৰাজাপত্যস্তথাসুৰঃ।
গান্ধৰ্ব্বো ৰাক্ষসশ্চৈৱ পৈশাচশ্চাষ্টমোঽধমঃ॥ মনুঃ (৩।২১)॥

বিবাহ আঠ প্ৰকাৰঃ ব্ৰাহ্ম, দৈৱ, আৰ্ষ, প্ৰাজাপত্য, আসুৰ, গান্ধৰ্ব্ব, ৰাক্ষস, আৰু পৈশাচ।

এই বিবাহবোৰৰ ব্যৱস্থা এনেঃ নাৰী আৰু পুৰুষ দুয়ো যথাবিধি ব্ৰহ্মচৰ্য্য ব্ৰতেৰে বিদ্বান আৰু সৎ আচৰণশীল হোৱাৰ পাচত তেওঁলোকৰ পৰস্পৰ সন্মতিৰে যি বিবাহ হয় তাক "ব্ৰাহ্ম" বিবাহ বোলে। সমাজৰ যজ্ঞ (কৰ্ম্মত) ঋত্বিক্ ৰূপে নিযুক্ত পুৰুষক সালংকাৰা কন্যা দানক "দৈৱ" বিবাহ বোলে। কন্যা প্ৰাৰ্থী বৰৰ পৰা অৰ্থ লৈ কন্যাক বিবাহ দিয়াক "আৰ্ষ" বিবাহ বোলে। ধৰ্ম্মৰ উন্নতি লক্ষ্য কৰি যি বৰ কন্যাৰ বিবাহ হয় তাক "প্ৰাজাপত্য" বোলে। বৰ আৰু কন্যা দুয়োকো অৰ্থ দি যি বিবাহ কৰা হয় তাক "আসুৰ" বোলে। অনিয়ম আৰু অসময়ত নাৰী পুৰুষ দুয়োৰো আকৰ্ষণত যি বিবাহ হয় তাক "গান্ধৰ্ব্ব" বোলে। বলাৎকাৰ, প্ৰলোভন বা প্ৰৱঞ্চনাৰে কন্যা গ্ৰহণ কৰাক "ৰাক্ষস" বোলে। নিদ্ৰিত বা মদমত্ত কন্যাক বলাৎকাৰ কৰি সম্পৰ্ক কৰাক "পৈশাচ"

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিবাহ বোলে। এই সকলোৰে ভিতৰত ব্ৰাহ্ম বিবাহ সৰ্ব্ব শ্ৰেষ্ঠ. দৈৱ, আৰু প্ৰাজাপত্য মধ্যম, আৰ্য, আসুৰ আৰু গান্ধৰ্ব্ব নিকৃষ্ট, ৰাক্ষস অধম আৰু পৈশাচ মহাভ্ৰষ্ট বা মহা অধম।

বিবাহ নোহোৱালৈকে স্ত্ৰী পুৰুষ (দৰা কন্যা) নিৰ্জ্জন স্থানত লগ হোৱা অনুচিত কাৰণ, যৌৱন কালত স্ত্ৰী পুৰুষৰ একেলগে নিৰ্জ্জন বাস অহিতকৰ। যুৱক যুৱতীৰ বিবাহৰ সময় হলে অৰ্থাৎ ব্ৰহ্মচৰ্য্য আশ্ৰম বা বিদ্যা অধ্যয়নৰ সময় পূৰ্ণ হোৱাৰ এবছৰ বা ছয় মাহৰ আগত লৰাৰ প্ৰতিচ্ছবি (ফটোগ্ৰাফ) বা প্ৰতিকৃতি কন্যাৰ অধ্যাপিকা আৰু কন্যাৰ প্ৰতিচ্ছবি লৰাৰ অধ্যাপকক দিব লাগে। ৰূপ যৌৱনৰ মিল যেন দেখিলে অধ্যাপক আৰু অধ্যাপিকাসকলে বিবাহাৰ্থী যুবক যুৱতীৰ শিক্ষা আৰু চৰিত্ৰৰ ইতিহাস মিলাই চাব লাগে। যিবিলাকৰ মাজত পৰস্পাৰৰ গুণ, কৰ্ম্ম. স্বভাৱৰ মিল দেখে আৰু যাৰ লগত যাৰ বিবাহ উপযুক্ত হব বুলি ভাৱে, অধ্যাপক আৰু অধ্যাপিকা সকলে সেই কন্যাৰ ছবি সেই বৰক আৰু বৰৰ ছবি কন্যাক চাবলৈ দিব লাগে আৰু তাৰ পাছত তেওঁলোকৰ মতামত শুনিব লাগে। দুয়ো পৰস্পৰ বিবাহত সন্মত হলে যথা সময়ত দুয়োকো নিজৰ নিজৰ বিদ্যাশ্ৰমৰ পৰা সমাবৰ্ত্তন অনুষ্ঠান কৰি বিদায় দিব লাগে। বিবাহ কন্যাৰ মাতা পিতাৰ ঘৰত অথবা অনুকূল বিবেচনাৰে অন্য নিৰ্দ্দিষ্ট স্থানতো হব পাৰে কিন্তু বিবাহত অধ্যাপক সকলৰ উপস্থিতি আৱশ্যক। সেই অনুষ্ঠানত, সজ্জনাদিৰ উপস্থিতিত দৰা কন্যা উভয়ৰে শাস্ত্ৰ নীতি বিষয়ত আলোচনাও সকলোৱে শুনা উচিত। দৰা কন্যাৰ ভিতৰত কোনো গোপনীয় আলোচ্য বিষয় থাকিলেও পৰস্পৰে লিখিত প্ৰশ্নোত্তৰেৰে বুজা বুজি কৰিব লাগে।

দুয়োৰো পৰস্পৰ বিবাহৰ আগ্ৰহ আৰু প্ৰেম হলে তেতিয়াৰ পৰা তেওঁলোকে পুষ্টিকৰ আহাৰ খাব লাগে, যাতে ব্ৰহ্মচৰ্য্য আৰু বিদ্যাধ্যয়নৰ তপস্যাত জীৰ্ণ শীৰ্ণ শৰীৰৰ সোনকালে স্বাস্থ্য শ্ৰী বৃদ্ধি হয়। তাৰ পাছত কন্যা ৰজস্বলা হৈ যি দিনা শুদ্ধ হ'ব, সেই দিনা ঘৃত আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সুগন্ধি দ্ৰব্যৰে হোম কৰিব লাগে। তাৰ পাছত যেতিয়া ঋতুদানৰ উপযুক্ত শুভ দিন ধাৰ্য্য হয়, সেইদিনা সংস্কাৰ বিধি অনুসাৰে যজ্ঞকৰ্ম অনুষ্ঠান কৰিব লাগে আৰু সেই দিনা ৰাতি দহ বজাৰ পাছত প্ৰশস্ত অন্তৰেৰে নিৰ্জ্জন বাস কৰিব।

পুৰুষৰ বীৰ্য্য স্থাপনৰ আৰু স্ত্ৰীৰ বীৰ্য্য আকৰ্ষণৰ যি নিয়ম আছে তাক জনা আৱশ্যক আৰু সেই নিয়মমতে সকলো হব লাগে। যিমান সম্ভৱ ব্ৰহ্মচৰ্য্য কালত বীৰ্য্য ক্ষয় হবলৈ দিব নালাগে। অক্ষত বীৰ্য্য ৰজৰ লগত সংযোগ হৈ যি শৰীৰ সৃষ্টি হয় সেই শৰীৰ সুস্থ আৰু সবল হয়। গৰ্ভাশয়ত বীৰ্য্য পতনৰ সময়ত স্ত্ৰী পুৰুষ দুয়ো নাকৰ সন্মুখত নাক আৰু চকুৰ সন্মুখত চকু একে স্থিৰে ৰাখিব লাগে। স্ত্ৰীয়ে বীৰ্য্য গ্ৰহণৰ সময়ত জননেন্দ্ৰিয়ৰ ভিতৰলৈ বায়ু আকৰ্ষণ কৰি উৰ্দ্ধ আকৰ্ষণ কৰিব লাগে। * তাৰ পাছত দুয়ো স্নান কৰিব লাগে। স্ত্ৰী বিদুষী হলে নিজৰ গৰ্ভ-স্থিতিৰ বিষয়ে তেতিয়াই বুজিব পাৰে। এমাহৰ পাছত ঋতুস্ৰাৱ নহলে সৰ্ব্বসাধাৰণ সকলোৱেই জানিব পাৰে। স্নান কৰাৰ পাছত শুণ্ঠি কেশৰ অশ্বগন্ধা, সৰু ইলাচি, তালমিশ্ৰি আদি সিজাই চেচা কৰি ৰখা দুগ্ধ নিজৰ নিজৰ ৰুচিমতে পান কৰি সুকীয়া শয্যাত শুব লাগে। প্ৰতি গৰ্ভাধানত এই বিধি পালন কৰা কৰ্ত্তব্য। এমাহৰ পাছত গৰ্ভস্থিতিৰ প্ৰমাণ হলে, এবছৰ পৰ্য্যন্ত সমাগম অনুচিত। এনে আচৰণত গৰ্ভৰ সন্তান, সুস্থ, সৎ, দীৰ্ঘায়ু হয়, এই দৰে তাৰ পাছত হোৱা সন্তানবোৰে উন্নত আৰু সবল হয়। অথবা বীৰ্য্য ক্ষয় কৰিলে মাতা পিতা দুয়োৰে আয়ু ক্ষয় হয় আৰু উভয়ে ৰোগগ্ৰস্ত হয়। ইয়াৰ বাহিৰে দুয়োৰে ভিতৰত ব্যাৱহাৰিক প্ৰেম-প্ৰীতি অটুট থাকিব লাগে। গৰ্ভস্থিতিৰ পাছত স্ত্ৰী পুৰুষ দুয়ো সংযত ভাবে আহাৰ বিহাৰ কৰিব লাগে। যাতে পুৰুষৰ বীৰ্য্য নষ্ট নহয় আৰু স্ত্ৰীৰো গৰ্ভস্থ সন্তান সুশ্ৰী সৰল হৈ দহ মাহত সুকলমে প্ৰসৱ হব পাৰে। গৰ্ভস্থিতিৰ চতুৰ্থ মাহৰ পৰা বিশেষ ভাৱে

* এইবোৰ গোপনীয় ৰহস্য গতিকে বিস্তাৰকৈ লিখিব নোৱাৰি।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আৰু অষ্টম মাহৰ পৰা অতি সতৰ্কতাৰে গৰ্ভ ৰক্ষা কৰা আৱশ্যক। গৰ্ভৱতী স্ত্ৰীয়ে খাৰ, তিতা, নীৰস আৰু বুদ্ধি নাশক মাদক বস্তু কেতিয়াও খাব নালাগে। চাউল, ঘেঁহু জাতীয় আহাৰ, ঘৃত, দুগ্ধ, মউ আৰু মাটি দাইল অতি শ্ৰেষ্ঠ আহাৰ। দেশ কাল আৰু জলবায়ু অনুসাৰে বিবেচনা কৰি চলিব লাগে।

গৰ্ভাৱস্থাত দুটা সংস্কাৰ ঃ—প্ৰথম সংস্কাৰ পুংসবন, চতুৰ্থ মাহত আৰু দ্বিতীয় সীমন্তোন্নয়ন অষ্টম মাহত যথা বিধি সম্পন্ন কৰিব লাগে। সন্তান জন্ম হোৱাৰ পাছত সন্তান আৰু সন্তানৰ মাকৰ স্বাস্থ্য ৰক্ষাৰ বাবে আৱশ্যকীয় যত্ন কৰিব লাগে। প্ৰসৱৰ আগতেই শুণ্ঠীপাক, বা সৌভাগ্য শুণ্ঠীপাক প্ৰস্তুত কৰি ৰাখিব লাগে। ঈষদুষ্ণ আৰু সুগন্ধি যুক্ত জলেৰে শিশুৰ মাক আৰু শিশু উভয়কে স্নান কৰাব লাগে। তাৰ পাছত নাৰীচ্ছেদন কৰিব। শিশুৰ নাড়ীৰ মূলত কোমল সূতাৰে বান্ধি চাৰি আঙ্গুল এৰি কাটিব লাগে। নাৰীৰ ৰক্ত পাত বন্ধ কৰিবৰ কাৰণেই সূতাৰে বন্ধা হয়। তাৰ পাছত প্ৰসূতি গৃহৰ দুৱাৰ মুখত ঘৃত আৰু সুগন্ধি দ্ৰব্যাদিৰে হোম কৰি শিশুৰ পিতাকে সোণ বা ৰূপৰ শলাৰে শিশুৰ জিহ্বাত "ওঁ" অঙ্কন কৰি সেই শলাৰেই মৌ আৰু ঘি চেলেকিব পৰাকৈ জিহ্বাৰ গুৰিত দিব লাগে। শিশুৰ পিতাকে শিশুৰ কাণত "বেদোসি" (অৰ্থাৎ তোমাৰ নাম বেদ) এই কথা- ষাৰ শুনাব লাগে। তাৰ পাছত শিশুক মাকৰ হাতত দিব লাগে। শিশুৰ ইচ্ছা বুজি মাকৰ স্তন পান কৰিবলৈ দিব লাগে। সেই সময়ত মাকৰ গাখীৰ নেথাকিলে কোনো দুগ্ধৱতী মাতাৰ স্তন পান কৰিবলৈ দিব পাৰি। তাৰ পাছত বিশুদ্ধ বায়ু চলাচল কৰিব পৰা কোঠাত শিশুসহ মাতাক ৰাখিব লাগে আৰু সেই কোঠাত পুৱা-গধুলি দুৱাৰকৈ ঘিউ আৰু সুগন্ধি দ্ৰব্যৰে হোম কৰিব লাগে। শিশুৱে ছয় দিন পৰ্য্যন্ত মাতৃস্তন পান কৰিব লাগে। মাককো স্বাস্থ্য আৰু পুষ্টিকৰ খাদ্য খুৱাব লাগে। যাতে প্ৰসৱ জনিত সকলো বেদনা দূৰ হৈ জননেন্দ্ৰিয় সংকো-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

িত হয় তাৰো ব্যৱস্থা কৰিব লাগে। ষষ্ঠ দিনত প্ৰসূতি বাহি ওলাব আৰু শিশুৰ কাৰণে অন্য উপযুক্ত দুগ্ধৰ ব্যৱস্থা কৰিব পাৰে অনেকে ধাত্ৰীৰ গাখীৰেৰেও শিশুৰ পালন পোষণ কৰে আৰু কৰি পাৰে। জন্মৰ পৰাই শিশুৰ তত্ত্বাৱধান কৰা মাকৰ স্বাভাৱিক কৰ্ত্তব্য ছয় দিনৰ পাছত শিশুক স্তন দুগ্ধ পান কৰিব ল নিদিলে দুগ্ধ ক্ষৰ বন্ধ কৰিবলৈ প্ৰলেপ ব্যৱহাৰ কৰিব লাগে। সেই অনুকূলে আহাৰ কৰিব। সময়ত সংস্কাৰ বিধি অনুসাৰে শিশুৰ নামকৰণ কৰিব। উ যুক্ত সময়ত পত্নী ৰজস্বলা হলে পুনঃ ঋতুদান কৰিব।

ঋতুকালাভিগামী স্যাৎ স্বদাৰনিৰতঃ সদা।
পৰ্ব্ববৰ্জ্জং ব্ৰজেচ্চৈনাং তদ্‌ব্ৰতো ৰতিকাম্যয়া॥ মনু০ (৩।৪৫
নিন্দাস্বষ্টসু চান্যাসু স্ত্ৰিয়ো ৰাত্ৰিষু বৰ্জ্জয়ন্।
ব্ৰহ্মচাৰ্য্যেব ভৱতি যত্ৰ তত্ৰাশ্ৰমে বসন্॥ মনু০ (৩।৫০)॥

যি পত্নীব্ৰতী অৰ্থাৎ নিজ ভাৰ্য্যাতেই সন্তুষ্ট আৰু ঋতুগা তেওঁ গৃহস্থ হৈও ব্ৰহ্মচাৰীয়েই।

সন্তুষ্টো ভাৰ্য্যয়া ভৰ্ত্তা ভৰ্ত্ৰা ভাৰ্যা তথৈব চ।
যস্মিন্নেব কুলে নিত্যং কল্যাণং তত্ৰ বৈ ধ্ৰুৱম্॥১॥
যদি হি স্ত্ৰী ন ৰোচেত পুমাংসন্ন প্ৰমোদয়েৎ।
অপ্ৰমোদাৎ পুনঃ পুংসঃ প্ৰজনং ন প্ৰবৰ্ত্ততে॥২॥
স্ত্ৰিয়াংতু ৰোচমানায়াং সৰ্ব্বং তদ্ৰোচতে কুলম্।
তস্যাং ত্বৰোচমানায়াং সৰ্ব্বমেব ন ৰোচতে॥৩॥
মনু০ (৩।৬০-৬২)

যি পৰিয়ালত ভাৰ্য্যাৰ প্ৰতি পতি, আৰু পতিৰ প্ৰতি ভাৰ্য্যা সুপ্ৰসন্ন থাকে সেই পৰিয়ালত সকলো সুখ-সম্পদ আৰু ঐশ্বৰ্য্য লক্ষ্মী বিৰাজ মান থাকে। য'ত সদায় কন্দল, তাত দুৰ্ভাগ্য আৰু দাৰিদ্ৰ্যৰ স্থায়ী নিবা হয়॥১॥ পতিৰ প্ৰতি স্ত্ৰীৰ প্ৰীতি নেথাকিলে আৰু পতিক অসন্তু কৰিলে কামোৎপত্তি নহয়॥২॥ স্ত্ৰী প্ৰসন্ন থাকিলে সমস্ত পৰিয়াল প্ৰস

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

থাকে, স্ত্ৰী অপ্ৰসন্ন হলে সমস্ত পৰিয়ালত অপ্ৰসন্নতা, অপায় অমঙ্গল আৰু অশান্তি হয়।

পিতৃভিৰ্ভ্ৰাতৃভিশ্চৈতাঃ পতিভিৰ্দেৱৰৈস্তথা।
পূজ্যা ভূষয়িতব্যাশ্চ বহুকল্যাণমীপ্সুভিঃ ॥ ১ ॥
যত্ৰ নাৰ্য্যস্তু পূজ্যন্তে ৰমন্তে তত্ৰ দেৱতাঃ।
যত্ৰৈতাস্তু ন পূজ্যন্তে সৰ্ব্বাস্তত্ৰাহফলাঃ ক্ৰিয়াঃ ॥ ২ ॥
শোচন্তি জাময়ো যত্ৰ বিনশ্যত্যাশু তৎ কুলম্।
ন শোচন্তি তু যত্ৰৈতা ৰ্বৰ্দ্ধতে তদ্ধি সৰ্ব্বদা ॥ ৩ ॥
তস্মাদেতাঃ সদা পূজ্যা ভূষণাচ্ছাদনাশনৈঃ।
ভূতিকামৈ নৰৈৰ্নিত্যং সৎকাৰেষূৎসৱেষু চ ॥৪॥মনু॰ (৩।৫৫। ৫৭।৫৯) ॥

পিতা, ভ্ৰাতা, পতি আৰু দেৱৰ সকলোৱে নাৰীক সসন্মানে বস্ত্ৰালঙ্কাৰ আদিৰে প্ৰসন্ন ৰাখিব লাগে। যি নিজৰ মঙ্গল কামনা কৰে তেওঁলোকে এইদৰেই কৰা উচিত ॥ ১॥ যি পৰিয়ালত স্ত্ৰীসকল সন্মানিত হয়, সেই পৰিয়ালৰ পুৰুষসকলো বিদ্বান হৈ দেৱতাৰ দৰে ক্ৰীড়া মগ্ন হৈ আনন্দিত হয় ॥ ২॥ যি পৰিয়ালত বা কুলত স্ত্ৰীসকল শোকাতুৰা হৈ অশান্তিত থাকে, সেই কুল শীঘ্ৰে নষ্ট ভ্ৰষ্ট হৈ যায়। যি কুলত স্ত্ৰীসকল আনন্দ উৎসাহত থাকে, সেই কুলে দিনক দিনে উন্নতি কৰে। ৩॥ গতিকে উন্নতিকামী মানুহে উংসৱ অনুষ্ঠান আদিত সকলো, আহাৰ, ভূষণ বস্ত্ৰ আদিৰে স্ত্ৰীসকলক সদায় সন্মান কৰা উচিত। ৪॥

সকলোৱে মনত ৰখা উচিত যে পূজা শব্দৰ অৰ্থ হৈছে সন্মান। দিনটোৰ ভিতৰত প্ৰথম দেখাদেখি আৰু পৃথক হোৱাৰ সময়ত পৰস্পৰে প্ৰীতি শ্ৰদ্ধাৰে "নমস্তে" আদি শব্দৰে অভিবাদন কৰা উচিত।

সদাপ্ৰহৃষ্টয়া ভাব্যং গৃহকাৰ্য্যেষু দক্ষয়া।
সুসংস্কৃতোপস্কৰয়া ব্যয়ে চামুক্তহস্তয়া ॥ মনুঃ (৫।১৫০) ॥

অতি প্ৰসন্ন মনেৰে গৃহ কৰ্ম্ম সমাধান কৰা, নিপুণতাৰে ঘৰৰ সকলো বয়বস্তু পৰিস্কাৰ আৰু পৰিপাটিকৈ সজাই পৰাই ৰখা, ঘৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিশুদ্ধ কৰি ৰখা স্ত্ৰী সকলৰ পৰম কৰ্ত্তব্য। নাৰীসকল মিতব্যয়ী হব লাগে। ঘৰৰ খাদ্য সামগ্ৰীৰে শুদ্ধ ভাবে ৰোগনাশক, পুষ্টিকৰ আৰু তৃপ্তিকৰ আহাৰ প্ৰস্তুত কৰিব পাৰিব লাগে। সকলো খৰচৰ হিচাব ৰাখি ঘৰৰ সকলোকে জনাব পাৰিব লাগে। গৃহত কৰ্ম্মচাৰী থাকিলে তেওঁলোকৰ পৰিচালনা কৰিব পাৰিব লাগে, গৃহৰ কোনো কৰ্ত্তব্য কৰ্ম্মই যাতে অৱহেলিত নহয়, তাৰো দায়িত্ব বুজিব পাৰিব লাগে।

স্ত্ৰিয়োৰত্নান্যথো ৰিদ্যা সত্যং শৌচং সুভাষিতম্।
ৰিবিধানি চ শিল্পানি সমাদেয়ানি সৰ্ব্বতঃ॥ মনুঃ (২।২৪০)॥

উত্তম স্ত্ৰী সকলে নানা প্ৰকাৰৰ ৰত্ন, বিদ্যা, সত্য, পবিত্ৰতা, শ্ৰেষ্ঠ বাণী আৰু নানা প্ৰকাৰ শিল্প বিদ্যাও সকলোৰে পৰা শিকিব লাগে।

সত্যং ব্ৰূয়াৎ প্ৰিয়ং ব্ৰূয়ান্ন ব্ৰূয়াৎ সত্যমপ্ৰিয়ম্।
প্ৰিয়ং চ নানৃতং ব্ৰূয়াদেষ ধৰ্ম্মঃ সনাতনঃ॥ ১॥
ভদ্ৰং ভদ্ৰমিতি ব্ৰূয়াদ্ ভদ্ৰমিত্যেব বা বদেৎ।
শুষ্কবৈৰং বিবাদং চ ন কুৰ্য্যাৎ কেনচিৎ সহ॥ ২॥
মনু॰ ৪।১৩৮-১৩৯)॥

সদায় পৰৰ হিতকৰ প্ৰিয় সত্য কব। অপ্ৰিয় সত্য (যেনে কণাক কণা) বুলিব নালাগে। অন্যক সন্তুষ্ট কৰিবলৈ মিছা কব নালাগে। সদায় ভদ্ৰ অৰ্থাৎ সকলোৰে হিতৰ কথা কব। বিনা কাৰণত বা অপৰাধত কাৰো লগত বিবাদ কৰিব নালাগে। যি আনৰ হিতকৰ, তাক অপ্ৰিয় হলেও নোকোৱাকৈ থাকিব নালাগে।

হে মহাৰাজ ধৃতৰাষ্ট্ৰ! এই সংসাৰত অন্যক সন্তুষ্ট ৰাখিবৰ বাবে অনেক প্ৰিয়বাদী আৰু প্ৰশংসাকাৰী লোক আছে, কিন্তু শ্ৰুতিকটু অথচ হিতকৰ বাক্যৰ বক্তা আৰু শ্ৰোতা দুৰ্লভ। কাৰণ আনৰ দোষৰ কথা আগত কোৱা, নিজৰ দোষ শ্ৰৱণ কৰা আৰু পৰোক্ষত (পাছত) আনৰ প্ৰশংসা কৰা সৎপুৰুষৰহে কৰ্ত্তব্য। সন্মুখত গুণ বৰ্ণনা কৰা আৰু পৰোক্ষত দোষৰ নিন্দা কৰা দুৰ্জ্জনৰ কাম। যেতিয়ালৈকে মানুহে নিজৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দোষ আনৰ আগত প্ৰকাশ নকৰে সেই পৰ্য্যন্ত মানুহ দোষমুক্ত হৈ গুণৱান হ'ব নোৱাৰে। গতিকে কাৰো নিন্দা কৰা ভাল নহয়। যেনেঃ—

"গুণেষু দোষাৰোপণমসূয়া" অৰ্থাৎ "দোষেষু গুণাৰোপণমপ্যসূয়া" "গুণেষু গুণাৰোপনম্ দোষেষু দোষাৰোপণং চ স্তুতিঃ। গুণত দোষাৰোপ কৰা আৰু দোষত গুণাৰোপ কৰাকে নিন্দা বোলে। গুণত গুণাৰোপ আৰু দোষত দোষাৰোপ কৰাক স্তুতি বোলে। মিথ্যা কথনৰ নাম নিন্দা আৰু যথাৰ্থ বা সত্য কথনৰ নাম স্তুতি।

বুদ্ধিবৃদ্ধিকৰাণ্যাশু ধন্যানি চ হিতানি চ।
নিত্যং শাস্ত্ৰাণ্যবেক্ষেত নিগমাংশ্চৈব বৈদিকান্ ॥ ১ ॥
যথা যথা হি পুৰুষঃ শাস্ত্ৰং সমধিগচ্ছতি।
তথা তথা বিজানাতি বিজ্ঞানং চাস্য ৰোচতে ॥ ২ ॥

মনু০ (৪।১৯-২০) ॥

বুদ্ধি, ধন আৰু কল্যাণ তুৰন্তে বৃদ্ধিকাৰী শাস্ত্ৰ সাহিত্য আৰু বেদ সদায় শুনিব লাগে আৰু আনকো শুনাব লাগে। ব্ৰহ্মচৰ্য্য আশ্ৰমত অধ্যয়ন কৰা বিষয়বোৰ স্ত্ৰী-পুৰুষ সকলোৱে সদায় বিবেচনা কৰিব লাগে আৰু আনকো পঢ়াব লাগে। ১॥ মানুহে যিমানেই পঢ়ে, শিকে সিমানেই তেওঁলোকৰ জ্ঞান বিজ্ঞান বাঢ়ি থাকে আৰু তাৰ প্ৰতি অনুৰাগো বাঢ়ি গৈ থাকে। ২॥

ঋষিযজ্ঞং দেৱযজ্ঞং ভূতযজ্ঞং চ সৰ্ব্বদা।
নৃযজ্ঞং পিতৃযজ্ঞং চ যথাশক্তি ন হাপয়েৎ ॥ মনু০ (৪।২১)॥
অধ্যাপনং ব্ৰহ্মযজ্ঞঃ পিতৃযজ্ঞশ্চ তৰ্পণম্।
হোমোদৈবো বলিভৌতো নৃযজ্ঞোঽতিথি পূজনম্ ২ ॥

মনু০ (৩।৭০)॥

স্বাধ্যায়েনাৰ্চ্চয়েদৃষীন্ হোমৈ দেৱান্ যথাবিধি।
পিতৄন্ শ্ৰাদ্ধৈশ্চ নৄনন্নৈভূৰ্তানি বলিকৰ্ম্মণা ॥ ৩ ॥

মনু০ (৩।৮১) ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ব্ৰহ্মচৰ্য্য আশ্ৰমৰ বিষয়ত দুই যজ্ঞৰ কথা লিখা হৈছে ; (১) অধ্যয়ন, অধ্যাপনা, সন্ধ্যোপাসনা আৰু যোগাভ্যাস ব্ৰহ্মযজ্ঞ। (২) অগ্নিহোত্ৰ বিদ্বানসকলৰ সঙ্গসেৱা, আত্মসংশোধন, দিব্যগুণধাৰণ, দান, বিদ্যানুষ্ঠান আদি দেৱযজ্ঞ। এই দুই যজ্ঞ সায়ং প্ৰাতঃ দৈনিক কৰিব লাগে।

সায়ং সায়ং গৃহপতিনৌ অগ্নিঃ প্ৰাতঃ প্ৰাতঃ সৌমনসস্য দাতা।
প্ৰাতঃ প্ৰাতগৃহপতি নৌ অগ্নিঃ সায়ং সায়ং সৌমনস্য দাতা॥

অ০ কাং ১৯। অনু০ ৭। ম০ সূ০ ৩।৪।

তস্মাদহোৰাত্ৰস্য সংযোগে ব্ৰাহ্মণঃ সন্ধ্যামুপাসীত।
উদ্যন্তমস্তং যান্তমাদিত্যমভিধ্যায়ন্॥ ৩॥

ব্ৰাহ্মণে (ষড়বিংশ ব্ৰাহ্মণে। প্ৰ০ ৪। খ০ ৫)॥

ন তিষ্ঠতি তু যঃ পূৰ্ব্বাং নোপাস্তে যস্তু পশ্চিমাম্।
স শূদ্ৰবৎ বহিষ্কাৰ্য্যঃ সৰ্ব্বস্মাদ দ্বিজকৰ্ম্মণঃ॥ ৪॥

মনু০ (২।১০৩)।

প্ৰতিদিনে সন্ধ্যাকালত অগ্নিত নিক্ষেপ কৰা দ্ৰব্যই পিচদিনা পুৱালৈকে বায়ু শুদ্ধ ৰাখি স্বাস্থ্য ৰক্ষা কৰে॥ ১॥ সেইদৰে প্ৰাতঃকালত কৰা হোমৰ হুত দ্ৰব্যয়ো সন্ধ্যালৈকে বায়ু শুদ্ধ কৰি স্বাস্থ্যৰক্ষাত সহায় কৰে। ২॥ এই উদ্দেশ্যতেই দিন আৰু ৰাতিৰ সন্ধিকালত অৰ্থাৎ সূৰ্য্যৰ উদয় আৰু অস্তৰ সময়ত পৰমাত্মাৰ ধ্যান আৰু অগ্নিহোত্ৰ কৰা পৰম কৰ্ত্তব্য। ৩॥ যি সায়ং আৰু প্ৰাতঃকালত এই দুই নিত্যকৰ্ম্ম নকৰে, তেওঁৰ সৎসমাজে সকলো দ্বিজ কৰ্ম্মানুষ্ঠানৰ পৰা বহিষ্কাৰ কৰিব লাগে, অৰ্থাৎ তেওঁক শূদ্ৰবৎ বিবেচনা কৰিব লাগে। ৪॥

প্ৰশ্ন :—দিনত তিনিবাৰকৈ সন্ধ্যা কৰিব নেলাগে কিয় ?

উত্তৰ :—যিহেতু তিনিবাৰ সন্ধি নহয়। দিনটোত প্ৰকাশ আৰু অন্ধকাৰৰ সন্ধি মাত্ৰ দুবাৰ হে হয়। যিসকলে তিনিবাৰ সন্ধ্যা, অৰ্থাৎ মধ্যাহ্ন বা দুপৰীয়াতো সন্ধ্যা কৰে, তেওঁলোকে মাজৰাতিও সন্ধ্যা নকৰে কিয় ?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আৰু মধ্যাহ্ন বা মধ্যৰাত্রিত সন্ধ্যা কৰিব লাগিলে, প্রত্যেক প্রহৰ আৰু ঘটিকাৰ সন্ধিতো সন্ধ্যা কৰিব লাগিব। এনেকুৱা হব নোৱাৰে আৰু ই সম্ভৱো নহয়। মধ্যাহ্ন সন্ধ্যাৰ শাস্ত্র বিধিও নাই। গতিকে দুবাৰ সন্ধ্যা কৰাই সঙ্গত। ভূত, ভৱিষ্যত আৰু বৰ্ত্তমানৰ ভেদতহে তিনিটা কাল হয়, সন্ধ্যা উপাসনাৰ ভেদত নহয়।

(৩) **তৃতীয়তে পিতৃযজ্ঞ**— মাতা পিতা, জ্ঞানী, বৃদ্ধ, ঋষি, যোগী সকলৰ সেৱা সৎকাৰ। পিতৃযজ্ঞৰ ভিতৰত শ্ৰাদ্ধ, আৰু তৰ্পণ দ্বিবিধ। "শ্ৰৎ" মানে সত্য। "শ্ৰৎ সত্যং দধাতি যয়া ক্রিয়য়া সা শ্রদ্ধা, শ্রদ্ধয়া যৎ ক্রিয়তে তচ্ছ্রাদ্ধম্।" যি ক্রিয়াৰে সত্যৰ গ্ৰহণ হয় তাক শ্ৰদ্ধা বোলে, আৰু শ্ৰদ্ধাৰে যি কৰ্ম্ম অনুষ্ঠান কৰা হয় তাকেই শ্ৰাদ্ধ বোলে।

"তৃপ্যন্তি তৰ্প্পয়ন্তি যেন পিতৃন্ তত্তৰ্প্পণম্" — যিবোৰ কৰ্ম্ম আচৰণৰ দ্বাৰাই মাতা, পিতা, জ্ঞানী বৃদ্ধ আদি পিতৰগণৰ তৃপ্তি হয় বা প্ৰসন্ন হয় তাৰ নাম তৰ্পণ। সেই তৰ্পণ জীৱিত সকলৰহে, মৃতসকলৰ হব নোৱাৰে।

অথ দেৱতৰ্পণম্

ওম্ ব্ৰহ্মাদয়ো দেবাস্তৃপ্যন্তাম্। ব্ৰহ্মাদিদেৱপত্ন্যস্তৃপ্যন্তাম্।
ব্ৰহ্মাদিদেৱসুতাস্তৃপ্যন্তাম্। ব্ৰহ্মাদিদেৱগণাপ্যন্তাম্।

ইতি দেৱতৰ্পণম্।

"বিদ্বাংসো হি দেবাঃ"—এই হ'ল শত পথ ব্ৰাহ্মণৰ বচন। বিদ্বান সকলকেই দেৱতা বোলে। যি সাঙ্গোপাঙ্গ চাৰিবেদৰ জ্ঞাতা তেওঁক ব্ৰহ্মা বোলে। যি সকল ব্ৰহ্মাতকৈ জ্ঞানত কম সেই সকলক বিদ্বান বোলে। সেই দৰেই নাৰীৰ ক্ষেত্ৰত পূৰ্ণ বিদুষী হলে ব্ৰাহ্মণী আৰু কম হলে দেৱী বোলা হয়। সেই সকলৰ সদৃশ পুত্ৰ, শিষ্য, গণ অৰ্থাৎ সেৱক সকলৰ যথাযোগ্য সেৱা সৎকাৰ কৰাকেই শ্ৰাদ্ধ আৰু তৰ্পণ বোলে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অথ ঋষিতৰ্পণম্

ওঁ মৰীচ্যাদয় ঋষয়স্তৃপ্যন্তাম্। মৰীচ্যাদ্যৃষিপত্ন্যস্তৃপ্যন্তাম্। মৰীচ্যাদ্যৃষিসুতাস্তৃপ্যন্তাম্। মৰীচ্যাদ্যৃষিগণাস্তৃপ্যন্তাম্॥

ইতি ঋষিতৰ্পণম্।

ব্ৰহ্মাৰ প্ৰপৌত্ৰ মৰীচিৰ দৰে বিদ্বান হৈ যিসকলে অধ্যাপনা আ[…] শিক্ষা দান কৰে, আৰু সেই সকলৰ দৰেই বিদুষী পত্নীসকলে কন্যাবো[…] বিদ্যাদান কৰে, সেই সকলৰ দৰে আদৰ্শ পুত্ৰ, শিষ্য আৰু অনু[…] সকলৰ শ্ৰদ্ধা সন্মান কৰাৰ নাম ঋষি তৰ্পণ।

অথ পিতৃতৰ্পণম্

ওঁ সোমসদঃ পিতৰস্তৃপ্যন্তাম্। অগ্নিষ্বাত্তাঃ পিতৰস্তৃপ্যন্তাম্। বৰ্হিষদঃ পিতৰস্তৃপ্যন্তাম্। সোমপাঃ পিতৰস্তৃপ্যন্তাম্। হবিভু[…] পিতৰস্তৃপ্যন্তাম্। আজ্যপাঃ পিতৰস্তৃপ্যন্তাম্। সুকালিনঃ পিতৰ[…] প্যন্তাম্ যমাদিভ্যো নমঃ যমাদীংস্তৰ্পয়ামি। পিত্ৰে স্বধা নমঃ পি[…] তৰ্পয়ামি। পিতামহায় স্বধা নমঃ পিতামহং তৰ্পয়ামি। (প্ৰপিতাম[…] স্বধা নমঃ প্ৰপিতামহং তৰ্পয়ামি)। মাত্ৰে স্বধা নমো মাতৰং তৰ্পয়া[…] পিতামহ্যৈ স্বধা নমঃ পিতামহীং তৰ্পয়ামি। (প্ৰপিতামহ্যৈ স্বধা ন[…] প্ৰপিতামহীং তৰ্পয়ামি)। স্বপত্ন্যৈ স্বধা নমঃ স্বপত্নীং তৰ্পয়া[…] সম্বন্ধিভ্যঃ স্বধা নমঃ সম্বন্ধিনস্তৰ্পয়ামি। সগোত্ৰেভ্যঃ স্বধা নমঃ সগো[…] স্তৰ্পয়ামি। ইতি পিতৃতৰ্পণম্।

"যে সোমে জগদীশ্বৰে পদাৰ্থবিদ্যায়াঞ্চ সীদন্তি তে সোমস[…] যিসকল পৰমতত্ত্ব আৰু পদাৰ্থবিদ্যাবিষয়ত নিপুণ সেইসকল সোমস[…] যৈৰগ্নেৰ্বিদ্যুতো বিদ্যা গৃহীতা তেঽগ্নিষ্বাত্তাঃ"—যিসকল অগ্নি অৰ্থাৎ বি[…] আদি পদাৰ্থৰ জ্ঞাতা সেইসকল অগ্নিষ্বাত্তাঃ। "যে বৰ্হিষি উত্ত[…] ব্যৱহাৰে সীদন্তি তে বৰ্হিষদঃ—যিসকল উত্তম বিদ্যাবুদ্ধিযুক্ত কাৰ্যত নি[…] সেই সকল বৰ্হিষদ। "যে সোমৈশ্বৰ্যমোষধিৰসং বা পান্তি পিবন্তি বা[…]

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সোমপাঃ"—ৰিসকল ঐশ্বৰ্য্যৰ ৰক্ষক আৰু মহৌষধি ৰস পান দ্বাৰা ৰোগমুক্ত হয়, আৰু যিসকল ঐশ্বৰ্য্য ৰক্ষকে অন্যকো ঔষধ প্ৰদান কৰি আৰোগ্য কৰে সেইসকল সোমপা। যে হবির্হোতুমত্তুমর্হং ভুঞ্জতে ভোজয়ন্তি বা তে হবির্ভুজঃ" যি সকলে মাদক পদাৰ্থ আৰু হিংসা লব্ধ দ্ৰব্য ত্যাগ কৰি আহাৰ কৰে সেই সকল হবিৰ্ভুজঃ। "য আজ্যং জ্ঞাতুং প্ৰাপ্তুং বা যোগ্যং ৰক্ষন্তি বা পিবন্তি ত আজ্যপাঃ— যি সকল জ্ঞাতব্য বস্তুৰ ৰক্ষক, আৰু ঘৃত দুগ্ধাদি ভোজী সেই সকল আজ্যপা। "শোভনঃ কালো বিদ্যতে যেষাং তে সুকালিনঃ"—সৎ আৰু সদানুষ্ঠানৰ দ্বাৰা যাৰ সময় উদ্যোগ আনন্দত ব্যতীত হয় সেই সকল সুকালিন্। "যে দুষ্টান্ যচ্ছন্তি নিগৃহ্ণন্তি তে যমাঃ ন্যায়াধীশাঃ"— যি সকলে দুষ্টক দণ্ড দিয়ে আৰু সন্তসকলক প্ৰতিপালন কৰে আৰু যি সকল ন্যায়পৰায়ণ সেই সকল যম। "যঃ পাতি সঃ পিতা"— যি অন্ন আশ্ৰয় ভৰণপোষণ কৰে, ৰক্ষা কৰে, অথবা জন্মদাতা তেওঁ পিতা। "পিতুঃ পিতা পিতামহঃ"। "পিতামহস্য পিতা প্ৰপিতামহঃ"— যি পিতাৰ পিতা তেওঁ পিতামহ। যি পিতামহৰ পিতা তেওঁ প্ৰপিতামহ। "যা মানয়তে সা মাতা" যি আহাৰ স্নেহৰ উদাৰতাৰে মান্য কৰে তেওঁ মাতা। "যা পিতুৰ্মাতা সা পিতামহী"। "পিতামহস্য মাতা প্ৰপিতামহী"— যি পিতাৰ মাতা তেওঁ পিতামহী, আৰু পিতামহীৰ মাতা প্ৰপিতামহী। আত্মীয় সগোত্ৰ বা অনাত্মীয় অগোত্ৰৰ ভদ্ৰ বৃদ্ধ সকলক শ্ৰদ্ধাৰে আহাৰ বস্ত্ৰ অৰ্থ আদি সকলো সম্ভৱপৰ সেৱা শুশ্ৰূষা কৰি তৃপ্ত কৰে সেয়েই শ্ৰাদ্ধ আৰু তৰ্পণ। যি কাৰ্য্যৰ দ্বাৰা তৃপ্ত হয় সেয়ে তৰ্পণ আৰু কাৰো প্ৰতি শ্ৰদ্ধাৰে শ্ৰেয় বা হিত কৰা হয় সেয়েই শ্ৰাদ্ধ।

(৪) চতুৰ্থতে **বৈশ্বদেৱ যজ্ঞ**—সিদ্ধ বা প্ৰস্তুত অন্ন অৰ্থাৎ টেঙা, ক্ষাৰ, লৱণ নোহোৱা অন্ন, ৰন্ধন শালৰ প্ৰজ্বলিত অগ্নি পৃথক কৰি সেই চৌকাত দিয়া মন্ত্ৰ পাঠ কৰি আহুতি দি অন্ন ভাগ কৰিব লাগে—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

"বৈশ্বদেৱস্য সিদ্ধস্য গৃহেঽগ্নৌ বিধিপূৰ্ব্বকম্ ।
আভ্যঃ কুৰ্য্যাদ্দেবতাভ্যো ব্ৰাহ্মণো হোমমন্বহম্ ॥ মনুঃ (৩।৮...

ভোজনৰ কাৰণে যি অন্ন প্ৰস্তুত কৰা হয় তাৰ দিব্য গুণৰ কা... সেই পাকাগ্নিত তলত লিখা মন্ত্ৰৰে বিধিপূৰ্ব্বক নিত্য অৰ্থাৎ দৈ... হোম কৰিব লাগে ।

হোমৰ মন্ত্ৰ

ওঁ অগ্নয়ে স্বাহা। সোমায় স্বাহা। অগ্নীষোমাভ্যাং স্বাহা... বিশ্বেভ্যো দেবেভ্যঃ স্বাহা। ধনন্তৰয়ে স্বাহা। কুহ্বৈ স্বাহা। অনুম... স্বাহা। প্ৰজাপতয়ে স্বাহা। সহ দ্যাবাপৃথিবীভ্যাং স্বা... স্বিষ্টকৃতে স্বাহা।

এই ওপৰৰ প্ৰতিটো মন্ত্ৰৰে একোবাৰকৈ প্ৰজ্বলিত অগ্নিত আহু... দিব। তাৰ পাছত কাঁহী বা পাত পাৰি পূৰ্ব্বপৰা যথাক্ৰমে এইবোৰ... পাঠ কৰি পক অন্ন একো ভাগ থৈ যাবঃ—

ওম্ সানুগায়েন্দ্ৰায় নমঃ। সানুগায় যমায় নমঃ। সানুগা... বৰুণায় নমঃ। সানুগায় সোমায় নমঃ। মৰুদ্ভ্যো নমঃ। অদ্ভ... নমঃ। বনস্পতিভ্যো নমঃ। শ্ৰিয়ৈ নমঃ। ভদ্ৰকাল্যৈ নমঃ। ব্ৰহ্মপত... নমঃ। বাস্তুপতয়ে নমঃ। বিশ্বেভ্যো দেবেভ্যো নমঃ। দিবাচৰেভ... ভূতেভ্যো নমঃ। নক্তংচাৰিভ্যো ভূতেভ্যো নমঃ। সৰ্ব্বাত্মভূতয়ে নমঃ...

এই ভাগবোৰেৰে কোনো অতিথি সৎকাৰ কৰিব পাৰে, নহলে অগ্নি... দিব। তাৰ পাছত লৱণান্ন অৰ্থাৎ দাইল, ভাত, শাক আদিৰে মাটি... ছয় ভাগ ৰাখিব লাগে। ইয়াৰ প্ৰমাণঃ—

শুনাং চ পতিতানাঞ্চ শ্বপচাং পাপৰোগিণাম্ ।
বায়সানাং কৃমীণাঞ্চ শনকৈৰ্নিৰ্ব্বপেদ্ভুবি॥ মনুঃ (৩।৯২) ॥

এইদৰে "শ্বভ্যো নমঃ", "পতিতেভ্যো নমঃ", "শ্বপগ্ভ্যো নমঃ... "পাপৰোগিভ্যো নমঃ", "বায়সেভ্যো নমঃ, "কৃমিভ্যো নমঃ, বুলি পৃ...

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পৃথক্ ভাগ ৰাখি, পাছত দুখীয়া, মগনীয়া অথবা কুকুৰ, কাউৰী আদিক দিব। এই ক্ষেত্ৰত নমঃ শব্দৰ অৰ্থ অন্নবোধক। কুকুৰ, পাপী, চাণ্ডাল, পাপৰোগী, কাউৰী, কৃমি অৰ্থাৎ পোক-পৰুৱা আদিকো আহাৰ দিয়াৰ বিধি মনুস্মৃতি আদি শাস্ত্ৰত আছে। পাকঘৰত হোম কৰাৰ প্ৰয়োজন হৈছে পাক ঘৰৰ বায়ু শুদ্ধ কৰা, আহাৰৰ কাৰণে যিবোৰ অজ্ঞাত অদৃষ্ট প্ৰাণীৰ হত্যা হয়, সেইবোৰৰ বাবে প্ৰত্যুপকাৰ কৰি আৰু অগ্নি-বায়ুৰ যোগেদি সমভাৱে বিশ্বজগতক যথা সম্ভৱ অন্নদান যোগোৱা।

(৫) পঞ্চমতে **অতিথি পূজা বা নৃযজ্ঞ**—যি অনিৰ্দ্ধাৰিত দিন বাৰ তিথিত আৰু আমন্ত্ৰণ নোহোৱাকৈ উপস্থিত হয় তাকেই অতিথি বোলে। কোনো ধৰ্ম্মপৰায়ণ, সত্যান্বেষী, সমাজৰ হিতাৰ্থে ভ্ৰমণকাৰী বিদ্বান, যোগী, সন্ন্যাসী অকস্মাৎ গৃহস্থৰ ঘৰত উপস্থিত হলে তেওঁৰ প্ৰথমতে পাদ্য, অৰ্ঘ্য আৰু আচমনীয় এই তিনি কৰ্ম্মৰ বাবে জল দি, সসন্মানে বহুৱাই যথাযোগ্য আহাৰ পানীৰে শুশ্ৰূষা আৰু সন্তুষ্ট কৰিব লাগে। তাৰ পাছত তেওঁৰ সঙ্গত ধৰ্ম্ম, অৰ্থ, কাম মোক্ষ জনক জ্ঞান-বিজ্ঞান আদিৰ উপদেশ শুনি সেই মতে আচৰণ কৰিব লাগে। সময় অনুসাৰে যেই কোনো অতিথি শুশ্ৰূষা আৰু সন্মানৰ যোগ্য। কিন্তু :—

পাষণ্ডিনো বিকৰ্ম্মস্থান্ বৈড়ালবৃত্তিকান্ শঠান্।
হৈতুকান্ বকবৃত্তীংশ্চ বাঙ্মাত্ৰেনাপি নাৰ্চ্চয়েৎ॥ মনু০ (৪।৩০)

পাষণ্ডী অৰ্থাৎ ভ্ৰষ্টাচাৰী বা নৈতিক অধঃপতিত, বিকৰ্ম্মস্থ নিকৰ্ম্মা বা বেদ বিৰুদ্ধ আচৰণকাৰী, বিড়ালবৃত্তিক অৰ্থাৎ বিড়াল তপস্বী, শঠ অৰ্থাৎ দুৰাগ্ৰহী, গৰ্ব্বিত, নিজে নেজানে আৰু আনকো নোসোধে, হৈতুক অৰ্থাৎ কুতৰ্কী, পক্ষপাতী, বাদী, আৰু বকবৃত্তি অৰ্থাৎ বক-তপস্বী, বা সন্ন্যাসীৰ ভেশধৰি জীৱিকা অৰ্জ্জনকাৰী, এনেবোৰক কথাৰেও অভ্যৰ্থনা কৰা অনুচিত। কাৰণ তেওঁলোকক সন্মান সুবিধা দিলে উৎসাহহে পায় আৰু দুষ্কৰ্মীক প্ৰশ্ৰয় দিয়া হয়।

এই পঞ্চমহাযজ্ঞৰ ফলঃ— **ব্ৰহ্মযজ্ঞৰ দ্বাৰা জ্ঞান, বিদ্যা, ধৰ্ম্ম, কৰ্ম্ম,**

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সত্যজ্ঞা আদি সৎগুণৰ বিস্তাৰ হয়। দেৱযজ্ঞৰ দ্বাৰা জগতৰ বা বৃষ্টি শুদ্ধি হয়। জল বায়ু আৰু তাপেই জগতৰ চৰ অচৰ সকল প্ৰাণীৰ প্ৰাণ। দেৱযজ্ঞ জগতৰ হিতৰ কাৰণেই কৰা হয়। জল বা আৰু তাপেই জগতৰ হিত আৰু অহিতৰ কাৰণ। এই দেৱযজ্ঞ হোম মানৱতাৰ সৰ্ব্বশ্ৰেষ্ঠ কৰ্ম্ম, আৰু তাক ব্যক্তিগত স্বাৰ্থৰ কাৰণে ক নহয়। হোমাগ্নিৰ গুণ, প্ৰভাৱ বায়ু যোগে বিশ্ব আকাশত জগতৰ কা বিস্তাৰিত হৈ জগতৰ উন্নতি সাধন কৰে। ইয়াৰ ফলাফল, ব্যক্তি পৰিয়াল, জাতি বা সম্প্ৰদায়ত সীমিত নেথাকে। ইয়াৰ দ্বাৰাই স লোৰে ধৰ্ম্ম, অৰ্থ, কাম আৰু মোক্ষ সাধন হয়। পিতৃযজ্ঞ— মাত পিতা, জ্ঞানী, সৎ পুৰুষৰ সেৱা শুশ্ৰূষা আৰু সঙ্গ ললে নিজৰ জ্ঞানবৃ আৰু ভৱিষ্যত হিত সাধন কৰিব পাৰি, সেই সকলৰ গুণেৰে নিজক গু ৱান, আৰু সত্য অসত্যৰ উপলব্ধি কৰিব পাৰি। দ্বিতীয়তে মাতা, পি জ্ঞানী সকলৰ মহা উপকাৰৰ কৃতজ্ঞতা প্ৰকাশ কৰাও হয়। কাৰণ মাত পিতা আৰু সৎ পুৰুষ সকলে কৰা উপকাৰতকৈ সংসাৰত শ্ৰেষ্ঠ উপকা একো থাকিব নোৱাৰে। বলি বৈশ্বদেৱ যজ্ঞৰ বিষয়ে আগতে লি হৈছে। আচলতে শ্ৰেষ্ঠ অতিথি সেই সকল, যি জ্ঞানৰ বাবে ক অনুষ্ঠানৰ কাৰণে নানা ঠাই প্ৰব্ৰজন কৰে, সত্য অসত্যৰ অভিজ্ঞ লাভ কৰে, সেই সকলৰ আতিথ্য সৎকাৰ কৰি পৰম উপকৃত হব পাৰি আৰু তেনে পুৰুষৰ আতিথ্যত ঘৰৰ আৰু ওচৰৰ সকলোৰে লাভৱা হব পাৰে। তেনে জ্ঞানী পুৰুষ নাপালে সংশয় নিবৃত্তি হব নোৱা আৰু সংশয় দূৰ নহলে বুদ্ধি স্থিৰ আৰু উৎপ্ৰেৰণা জাগ্ৰত হব নোৱাৰে

ব্ৰাহ্মেমুহূৰ্ত্তে বুধ্যেত ধৰ্ম্মাৰ্থৌ চানুচিন্তয়েৎ।
কায়ক্লেশাংশ্চ তন্মূলান্ বেদতত্ত্বাৰ্থমেব চ॥ মনু০ (৪।৯২)॥

ৰাতিৰ চতুৰ্থ প্ৰহৰ বা চাৰিটা বজাৰ সময়ত উঠি নিত্যকৰ্ম্ম শে কৰি ধৰ্ম্ম, অৰ্থ, স্বাস্থ্য ৰক্ষাৰ হেতু পৰমাত্মাৰ ধ্যান কৰা আৱশ্যক অধৰ্ম্মাচৰণ কৰিব নেলাগে কাৰণ :—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নাধৰ্ম্মশ্চৰিতো লোকে সদ্যঃ ফলতি গৌৰিব।
শনৈৰাবৰ্ত্তমানস্তু কৰ্ত্তুৰ্মূলানি কৃন্ততি ॥ মনু॰ (৪।১৭২)॥

অৰ্থ —অধৰ্ম্মৰ ফল কেতিয়াও ব্যৰ্থ নহয়। অধৰ্ম্মৰ ফল থিতাতে অৰ্থাৎ লগে লগে নঘটে। সেই কাৰণে অজ্ঞানী মানুহে অধৰ্ম্মৰ কাৰণে ভয় নকৰে। কিন্তু নিশ্চয়কৈ জনা উচিত যে অধৰ্ম্মৰ ফলে, পলমকৈ হলেও, নিৰ্ম্মূলকৈ ধ্বংস কৰিব। এই নীতি অনুসাৰে :—

অধৰ্ম্মেণৈধতে তাবত্ততো ভদ্ৰাণি পশ্যতি।
ততঃ সপত্নাঞ্জয়তি সমূলস্তু বিনশ্যতি ॥ মনু॰ (৪।১৭৪)॥

পাৰ ভাগিলে যেনেকৈ পুখুৰীৰ পানী ওলাই চাৰিওফালে বিয়পি প্লাৱন কৰে সেইদৰে ধৰ্ম্মৰ নৈতিক মৰ্য্যাদা ভঙ্গ কৰি অধৰ্মী মানুহে মিছা কথা কৈ অন্যায় অধৰ্ম্ম আদিৰ আচৰণ অৰ্থাৎ বেদাদি উলজ্ঘন কৰি আৰু পৰস্ব অপহৰণ কৰি গৌৰৱ অভিমান কৰে, ঐশ্বৰ্য্যৰ আৰু প্ৰভুত্বৰ অনুভৱ কৰে, কিন্তু অন্তত এদিন সবংশে নিৰ্মূল হয়। এয়েই সৃষ্টিৰ নীতি।

সত্যধৰ্ম্মাৰ্য্যবৃত্তেষু শৌচে চৈৱাৰমেৎ সদা।
শিষ্যাংশ্চ শিষ্যাদ্ধৰ্ম্মেণ ৱাগ্বাহূদৰ সংযতঃ ॥ মনু॰ (৪।১৭৫)॥

আৰ্য্য মানে সভ্য। আৰ্য্য শিক্ষকে যে সত্য ধৰ্ম্ম অৱলম্বন কৰি চলে, শিষ্যসকলেও সেইদৰে মুখ-পেট সংযত কৰি সেই ধৰ্ম্ম আচৰণ কৰাই হিতকৰ।

ঋত্বিক্ পুৰোহিতাচাৰ্য্যৈ ৰ্মাতুলাতিথিসংশ্ৰিতৈঃ।
বালবৃদ্ধাতুৰৈ ৰ্বৈদ্যৈৰ্জ্ঞাতিসম্বন্ধিবান্ধবৈঃ ॥ ১॥
মাতাপিতৃভ্যাং যামীভিৰ্ভ্ৰাত্ৰা পুত্ৰেণ ভাৰ্য্যয়া।
দুহিত্ৰা দাসবৰ্গেণ বিবাদং ন সমাচৰেৎ ॥ ২॥ মনুঃ (১৭৯-১৮০)॥

যজ্ঞকৰ্ত্তা, ভৱিষ্যত হিতৰ শিক্ষাদাতা, শিক্ষাগুৰু, মোমাই, আলহী, শৰণাৰ্থী, বালক, বৃদ্ধ বা প্ৰাচীন, পীড়িত, চিকিৎসক, সগোত্ৰ বা সবৰ্ণ, সম্বন্ধিত, মিত্ৰ, মা, পিতা, বাই-ভনী, ককাই-ভাই, পত্নী,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কন্যা, আৰু সেৱক বা পৰিচাৰ্য্যকৰ লগত কেতিয়াও বিবাদ, কন্দল ক
অনুচিত। ১।২

অতপাস্ত্বনধীয়ানঃ প্ৰতিগ্ৰহৰুচিৰ্দ্বিজঃ।
অম্ভস্যশ্মপ্লবেনৈব সহ তেনৈব মজ্জতি॥ মনু॰ (৪।১৯

ব্ৰহ্মচৰ্য্য আদি তপস্যা নকৰা, অধ্যয়ন নকৰা, যি অতিপাত দ
গ্ৰহণ কৰে, এই তিনি প্ৰকাৰৰ দ্বিজ শিলৰ নৌকাত উঠি সাগৰ পা
হোৱাৰ দৰে, নিজৰ দুষ্কৰ্ম্মৰ সাগৰত ডুব যায়, আৰু লগত দাতা সকলৰে
ডুবায়।

ত্ৰিষ্বপ্যেতেষু দত্তং হি বিধিনাপ্যৰ্জ্জিতং ধনম্।
দাতুৰ্ভবত্যনৰ্থায় পৰত্ৰাদাতুৰেব চ॥ মনু॰ (৪।১৯

যি ন্যায় ধৰ্ম্মৰে উপাৰ্জ্জন কৰা ধন ওপৰত কোৱা তিনি প্ৰকা
দ্বিজক দান কৰে তেওঁৰ এই জন্মতেই আৰু দান গ্ৰহণ কৰোতাৰ পৰজন্ম
নাশ ঘটে। তাৰ ফলত কি হব?

যথা প্লবেনৌপলেন নিমজ্জত্যুদকে তৰন্।
তথা নিমজ্জতোঽধস্তাদজ্ঞৌ দাতৃপ্ৰতীচ্ছকৌ॥ মনু॰(৪।১৯

যেনেকৈ শিলৰ ভূৰৰ যাত্ৰী জলমগ্ন হয়, সেইদৰে অজ্ঞানী দাত
আৰু গ্ৰহীতা দুয়োৰো অধোগতি হয়।

পাষণ্ডৰ লক্ষণ

ধৰ্ম্মধ্বজী সদা লুব্ধশ্ছাদ্মিকো লোকদম্ভকঃ।
বৈড়ালব্ৰত্তিকো জ্ঞেয়ো হিংস্ৰঃ সৰ্ব্বাভিসন্ধকঃ॥ ১॥
অধোদৃষ্টিৰ্নৈষ্কৃতিকঃ স্বাৰ্থসাধনতৎপৰঃ।
শঠো মিথ্যাবিনীতশ্চ বকব্ৰতচৰো দ্বিজঃ॥ ২॥

মনু॰ (৪।১৯৫।১৯৬)॥

ধৰ্ম্মৰ নাম আৰু দোহাই দি ফুৰা, সদায় লুভীয়া, কপট, ভেশচন-
কাৰী, অহংকাৰ বা ফুতনিকাৰী, মিছলীয়া, পৰশ্ৰীকাতৰ, উত্তম আৰু অধম

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দুই কলীয়া, তাক বিড়াল তপস্বীৰ বুলি ধৰিব লাগে। যি স্বাৰ্থৰ কাৰণে নীচ আৰু জঘন্য আচৰণ কৰে, যি ঈৰ্ষাযুক্ত, আৰু পৰৰ ক্ষুদ্ৰ দোষক তিলৰ পৰা তাল কৰে, স্বাৰ্থৰ কাৰণে পৰৰ অনিষ্ট কৰে, নিজৰ দোষ ভুল স্বীকাৰ কৰিব নোখোজে, বাহিৰত দেখুৱাই শিষ্টাচাৰ কৰে, তেওঁক বক বৃত্তি ধাৰী বুলি জানিবা। এইবোৰ লক্ষণৰ মানুহক পাষণ্ড বোলে। তেওঁলোকক কেতিয়াও বিশ্বাস আৰু সন্মান কৰিব নালাগে।

ধৰ্ম্মং শনৈঃ সঞ্চিনুয়াদ্বল্মীকমিব পুত্তিকাঃ।
পৰলোকসহায়াৰ্থং সৰ্ব্বভূতান্যপীড়য়ন্ ॥১॥
নামুত্ৰ হি সহায়াৰ্থং মাতা পিতা চ তিষ্ঠতঃ।
ন পুত্ৰদাৰং ন জ্ঞাতি ৰ্ধৰ্ম্মস্তিষ্ঠতি কেৱলঃ ॥২॥
একঃ প্ৰজায়তে জন্তুৰেক এব প্ৰলীয়তে।
একোনুভুঙ্ক্তে সুকৃতমেক এব চ দুষ্কৃতম্ ॥৩॥

মনু° ২৩৮।২৪০

একঃ পাপানি কুৰুতে ফলং ভুঙ্ক্তে মহাজনঃ।
ভোক্তাৰো বিপ্ৰমুচ্যন্তে কৰ্ত্তা দোষেণ লিপ্যতে ॥৪॥
(মহাভাৰত উদ্যোগ প° প্ৰজাগৰ প°। অ° ৩২)।
মৃতং শৰীৰমুৎসৃজ্য কাষ্ঠলোষ্ট্ৰসমং ক্ষিতৌ।
বিমুখা বান্ধবা যান্তি ধৰ্ম্মস্তমনুগচ্ছতি– ॥৫। মনু° ৪ ।২৪১।

উয়ে যেনেকৈ হাফলু প্ৰস্তুত কৰে, সেই দৰে কোনেও কাৰো উৎপীড়ন নকৰাকৈ পৰলোক বা পৰজন্ম উন্নত কৰিবলৈ ধৰ্ম্ম সঞ্চয় কৰা কৰ্ত্তব্য। ১॥ পৰলোকত আতা, পিতা, পুত্ৰ, স্ত্ৰী, পতি, আৰু জ্ঞাতি কোনেও সহায় কৰিব নোৱাৰে—কেৱল ধৰ্ম্মইহে সহায় কৰিব পাৰে। ২॥ জীৱই অকলে জন্ম লয় অকলেই মৰে, আৰু অকলেই নিজৰ ধৰ্ম্মৰ ফল সুখ আৰু অধৰ্ম্মৰ ফল দুখ ভোগ কৰে, আন কোনেও তেওঁৰ কৰ্ম্মফলৰ ভাগী নহয়। ৩॥ পৰিয়ালৰ এজনেই পাপ কৰি যি উপাৰ্জ্জন কৰে তাক ঘৰৰ সকলোৱেই ভোগ কৰে,—(মহাজন মানে বংশ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পৰিয়াল) ভোগ কৰাবোৰ পাপৰ ভাগী নহয় যি পাপ কৰে সিহে পাপৰ ফল ভোগ কৰে। ৪॥

কোনো মৰিলে মাটিৰ পুতলাৰ দৰে মাটিতে পৰি ৰয়, আত্মীয় স্বজন কোনো তেওঁৰ লগত পৰি নেথাকে, কেৱল ধৰ্ম্মহে তেওঁৰ সহযাত্ৰী হয়। ৫।

তস্মাদ্ধৰ্ম্মং সহায়াৰ্থং নিতং সঞ্চিনুয়াচ্ছনৈঃ।
ধৰ্ম্মেণ হি সহায়েন তমস্তৰতি দুস্তৰম্ ॥ ১॥
ধৰ্ম্ম প্ৰধানং পুৰুষং তপসা হতকিল্বিষম্।
পৰলোকং নয়ত্যাশু ভাস্বন্তং স্ব শৰীৰিণম্। ২॥

মনুঃ (৪।১৪১-২৪৩)।

অৰ্থ—পৰজন্মৰ সহায়াৰ্থে অলপ অলপকৈ সদায় ধৰ্ম্মৰ সঞ্চয় কৰিব লাগে। কাৰণ ধৰ্ম্মৰ সাহায্যতেই অঠাই আৰু দুস্তৰ সাগৰ পাৰ হব পাৰি। ১॥ যাৰ জীৱনত ধৰ্ম্মই প্ৰধান আৰু যি ধৰ্ম্মানুষ্ঠান কৰি নিজৰ কৃত পাপ দূৰ কৰে, তেওঁক ধৰ্ম্মই প্ৰকাশ স্বৰূপ আৰু আকাশ তুল্য আকাৰৰ পৰলোক অৰ্থাৎ পৰমাত্মাৰ সাক্ষাৎ লাভ কৰায়। ২॥

দৃঢ়কাৰী মৃদুৰ্দান্তঃ ক্ৰূৰাচাৰৈৰসংবসন্।
অহিংস্ৰো দমদানাভ্যাং জয়েৎ স্বৰ্গং তথাব্ৰতঃ। ১॥
বাচ্যৰ্থা নিয়তাঃ সৰ্ব্বে বাঙ্মূলা বাগ্বিনিঃসৃতাঃ।
তাস্তু যঃ স্তেনয়েদ্ বাচং স সৰ্ব্বস্তেয়কৃন্নৰ ॥ ২॥
আচাৰাল্লভতে হ্যায়ুৰাচাৰাদীপ্সিতাঃ প্ৰজাঃ।
আচাৰাদ্ধনমক্ষয্যমাচাৰো হন্ত্যলক্ষণম্ ॥ ৩॥

মনুঃ (৪।২৪৬, ২৫৬-১৫৬)॥

যি দৃঢ় কৰ্ম্মা, কোমল স্বভাৱ, আৰু জিতেন্দ্ৰিয়, যি হিংসুক, ক্ৰূৰ আৰু দুষ্টাচাৰীৰ সঙ্গৰ পৰা দূৰৈত থাকে, অহিংসা, সংযম আৰু দান আদিৰ ব্ৰতীয়ে স্বৰ্গ সুখ লাভ কৰে। ১॥ কিন্তু মনত ৰখা উচিত যে, যি বাণীত যি অৰ্থ থাকে, সেই বাণীয়েই তাৰ মূল আৰু সেই বাণীৰ দ্বাৰায়েই সকলো কাৰ্য্য বা ব্যৱহাৰ সম্পন্ন হয়। যি বাণীকেই অপহৰণ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰে অৰ্থাৎ মিছা কথা কয়, তেওঁ চুৰিৰ পাপত লিপ্ত হয়। ২॥

গতিকে যি অসত্য কথন ৰূপ অধৰ্ম্ম পৰিত্যাগ কৰি ধৰ্ম্মাচৰণ অৰ্থাৎ ব্ৰহ্মচৰ্য্য আৰু জিতেন্দ্ৰিয়তাৰ দ্বাৰা স্বাস্থ্য আৰু আয়ু, ধৰ্ম্মাচৰণৰ দ্বাৰা, প্ৰজাৰ উন্নতি আৰু অক্ষয় ধনৰ সুখ পায় আৰু যি ধৰ্ম্মাচৰণৰ দ্বাৰাই সকলো কুলক্ষণ বিনাশ কৰে, তেওঁৰ দৰে সকলোৰে সদায় আচৰণ কৰা কৰ্ত্তব্য। কাৰণঃ

দুৰাচাৰো হি পুৰুষো লোকে ভৱতি নিন্দিতঃ।
দুঃখভাগী চ সততং ব্যাধিতোঽল্পায়ুৰেব চ॥ ১॥ মনু০ (৪। ১৫৭)।

যি দুৰাচাৰী তেওঁক সকলো সৎ পুৰুষেই নিন্দা কৰে, পৰিণামত দুঃখভাগী আৰু ব্যাধিগ্ৰস্ত হৈ অল্পায়ু হয়। গতিকে চেষ্টা কৰা কৰ্ত্তব্যঃ

যদ্ যৎ পৰবশং কৰ্ম তত্তদ্‌যত্নেন বৰ্জ্জয়েৎ।
যদ্ যদাত্মবশং তু স্যাত্তত্তৎ সেৱেত যত্নতঃ॥ ১॥
সৰ্ব্বং পৰবশং দুঃখং সৰ্ব্বমাত্মবশং সুখম্।
এতদ্বিদ্যাৎ সমাসেন লক্ষণং সুখদুঃখয়োঃ॥ ২॥

মনু০ (৪। ১৫৯-১৬০)॥

যিবোৰ পৰাধীন কাৰ্য্য সেইবোৰ যত্নপূৰ্ব্বক ত্যাগ আৰু যিবোৰ আত্মবশ অৰ্থাৎ নিজৰ অধীনকাৰ্য্য সেইবোৰ যত্নৰে পালন কৰা উচিত। ১॥ কাৰণ সকলো দুঃখৰ মূল পৰাধীনতা, আৰু সকলো সুখৰ মূল স্বাধীনতা। সংক্ষেপকৈ কলে এয়েই সুখ আৰু দুঃখৰ লক্ষণ। ২॥ কিন্তু উভয়ৰ যত্নীয়া বিষয় হলে পৰস্পাৰৰ অধীনতা থাকে, যেনে পতি পত্নী সদায় পৰস্পাৰৰ অধীন। স্ত্ৰী সুলভ কাম কৰাত স্ত্ৰী স্বাধীন সেইদৰে পুৰুষযোগ্য কামত পুৰুষ স্বাধীন কিন্তু তাতো পৰস্পৰৰ পৰামৰ্শ, আদেশ আৰু অধীনতা থাকে। ইটোৱে সিটোৰ অসৎ কাৰ্য্যত বাধা দিয়াত অধিকাৰ আছে। বিবাহ সম্বন্ধৰ পাছত, সকলো বিষয়তে স্ত্ৰী পুৰুষ দুয়ো পৰস্পৰ অধীন। পৰস্পৰৰ প্ৰতিকূল আচৰণ কৰিলেই, কলহ বিবাদ আৰু অশান্তি। পতিৰ পৰস্ত্ৰীৰ সংসৰ্গ আৰু পত্নীৰ পৰপুৰুষৰ সংসৰ্গ পৰস্পৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অপ্ৰীতিকৰ। পতি পত্নীৰ যেনেকৈ পুজনীয়, পত্নীও পতিৰ সেই দৰেই পুজনীয়া। ছাত্ৰ-ছাত্ৰী যেতিয়া আৰু যিমান দিন বিদ্যালয়ত বা গুৰুকুলত থাকে তেতিয়া অধ্যাপক আৰু অধ্যাপিকা সকলে মাতা পিতা আৰু অধ্যাপক অধ্যাপিকা সকলেও ছাত্ৰ-ছাত্ৰীক নিজৰ সন্তানৰ দৰেই আচৰণ কৰিব। অধ্যাপক আৰু অধ্যাপিকাৰ লক্ষণ ঃ—

আত্মজ্ঞানং সমাৰম্ভস্তিতিক্ষা ধৰ্ম্ম নিত্যতা।
যমৰ্থা নাপকৰ্ষন্তি স বৈ পণ্ডিত উচ্যতে ॥ ১ ॥
নিষেবতে প্ৰশস্তানি নিন্দিতানি ন সেবতে।
অনাস্তিকঃ শ্ৰদ্দধান এতৎ পণ্ডিতলক্ষণম্ ॥২॥
ক্ষিপ্ৰং বিজানাতি চিৰং শৃণোতি, বিজ্ঞায় চাৰ্থং ভজতে ন কামাৎ।
নাসম্পৃষ্টোহ্যুপযুঙ্‌ক্তে পৰাৰ্থে, তৎ প্ৰজ্ঞানং প্ৰথমং পণ্ডিতস্য ।৩॥
নাপ্ৰাপ্যমভিবাঞ্ছন্তি নষ্টং নেচ্ছন্তি শোচিতুম্।
আপৎসু চ ন মুহ্যন্তি নৰাঃ পণ্ডিত বুদ্ধয়ঃ ॥৪॥
প্ৰবৃত্তবাক্ চিত্ৰকথ উহবান্ প্ৰতিভানবান্।
আশু গ্ৰন্থস্য বক্তা চ যঃ স পণ্ডিত উচ্যতে ॥৫॥
শ্ৰুতং প্ৰজ্ঞানুগং যস্য প্ৰজ্ঞা চৈব শ্ৰুতাণুগা।
অসংভিন্নাৰ্য্যমৰ্য্যাদঃ পণ্ডিতাখ্যাং লভেত সঃ ॥৬॥

(মহাভাৰত, উদ্যোগপৰ্ব্ব বিদুৰ প্ৰজাগৰ অ০ ৩৩)

অৰ্থঃ—যাৰ আত্মজ্ঞান হৈছে আৰু সমাৰম্ভ অৰ্থাৎ যি এলাহহীন আৰু কৰ্ম্মশীল, যাৰ সুখ-দুঃখ, লাভ-লোকচান, মান-অপমান, আৰু নিন্দা প্ৰশংসাত সমানজ্ঞান; বিষয় বাসনাত যি অনাসক্ত আৰু ধৰ্ম্মত সদায় স্থিৰ তেওঁকেই পণ্ডিত বোলে ।১॥ যাৰ সদায় ধৰ্ম্মত প্ৰবৃত্তি, অধৰ্ম্মত নিবৃত্তি; যি আস্তিক শ্ৰদ্ধাৱান, সৎ সত্যৰ অনুকৰণ কৰে আৰু নিন্দনীয় কৰ্মৰ অনুকৰণ নকৰে তেৱেঁই পণ্ডিত। ২॥ যাৰ অতি জটিল সমস্যাৰ শীঘ্ৰ বোধ হয়, সদায় যি অধ্যয়নশীল, শ্ৰৱণ আৰু বিবেচনাশীল. যি পৰোপকাৰত ব্ৰতী, নিঃস্বাৰ্থী. দেশ কাল পাত্ৰৰ জ্ঞান নোহোৱাকৈ পৰৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিষয়ত যি সন্মতি নিদিয়ে তেওঁ প্ৰজ্ঞানী আৰু প্ৰজ্ঞানৱান প্ৰথম শ্ৰেণীৰ পণ্ডিত।৩॥ যি যি বস্তুৰ অযোগ্য তাৰ আকাঙ্খা নকৰে, নষ্ট বস্তুৰ কাৰণে শোক নকৰে, যি বিপত্তিৰ সময়ত ব্যাকুল বা ধৈৰ্য্যহীন নহয়, সেই জনেই বুদ্ধিমান পণ্ডিত। ৪ ॥ জ্ঞান বিদ্যাবিষয়ত যি বাক্ নিপুণ, সফল বক্তা, শাস্ত্ৰজ্ঞ, যথাৰ্থ তৰ্কত চতুৰ, স্মৃতি শক্তিসম্পন্ন, শাস্ত্ৰ সন্মত সত্যৰ বক্তা তেওঁকেই পণ্ডিত বোলে। ৫ ॥ যাৰ প্ৰজ্ঞা সত্য অৰ্থৰ অনুকূল যাৰ শ্ৰৱণ ইন্দ্ৰিয় বুদ্ধিৰ অনুৰূপ, যি আৰ্য্য অৰ্থাৎ শিষ্ট পুৰুষ সকলৰ মৰ্য্যাদা ভঙ্গ নকৰে তেওঁক পণ্ডিত বোলে। ৬ ॥

যত এইবোৰ লক্ষণৰ স্ত্ৰী পুৰুষ অধ্যাপিকা আৰু অধ্যাপক থাকে তাত জ্ঞান, ধৰ্ম্ম, সদাচাৰ আৰু সুখ শান্তি বৃদ্ধি হয়। অধ্যয়নৰ অযোগ্য আৰু মূৰ্খৰ লক্ষণঃ—

অশ্ৰুতশ্চ সমুন্নদ্ধো দৰিদ্ৰশ্চ মহামনাঃ।
অৰ্থাংশ্চাহকৰ্ম্মণা প্ৰেপ্সুৰ্মূঢ় ইত্যুচ্যতে বুধৈঃ। ১॥
অনাহূতঃ প্ৰবিশতি হ্যপৃষ্টো বহু ভাষতে।
অবিশ্বস্তে বিশ্বসিতি মূঢ়চেতা নৰাধমঃ ॥ ২ ॥

(মহাভাৰত উদ্যোগপৰ্ব্ব প্ৰজাগৰ-অঃ ৩৩।)

অৰ্থ:— যি কোনো শাস্ত্ৰ পাঠ বা শ্ৰৱণ কৰা নাই, যি অতি গৰ্ব্বিত, অতি দৰিদ্ৰ হৈও নিজকে মহাধনী বুলি ভাবে উদ্যোগহীন আৰু নিষ্কৰ্ম্মা হৈও যি ধন লাভৰ ইচ্ছা কৰে, তেওঁক জ্ঞানীসকলে মূৰ্খ বোলে। ১॥ যি বিনা নিমন্ত্ৰণেই কোনো সভা বা পৰৰ ঘৰত সোমাই উচ্চাসনত বহে, বা বহিবলৈ ইচ্ছা কৰে, কোনেও নুসুধিলেও বাক্য ব্যয় কৰে, বিশ্বাসৰ অযোগ্য বস্তু বা ব্যক্তিত বিশ্বাস কৰে, তাকেই মূৰ্খ নৰাধম বোলে। ২ ॥ যত এনে মানুহৰ সমাগম হয় তাত অবিদ্যা, অসভ্যতা, অধৰ্ম্ম, কন্দল, বিৰোধ, বিবাদ বিৰাজ কৰে।

বিদ্যাৰ্থীৰ লক্ষণ :—

আলস্যং মদমোহৌ চ চাপল্যং গোষ্ঠিৰেব চ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স্তব্ধতা চাভিমানিত্বং তথাঽত্যাগিত্বমেৱ চ ॥
এতে বৈ সপ্ত দোষাঃ স্যুঃ সদা ৱিদ্যাৰ্থিনাং মতাঃ। ১ ॥
সুখাৰ্থিনঃ কুতো বিদ্যা কুতো ৱিদ্যাৰ্থিনঃ সুখম্।
সুখাৰ্থী বা ত্যজেদ্বিদ্যাং বিদ্যাৰ্থী বা ত্যজেৎ সুখম্ ॥ ২ ॥

(মহা ভা॰ বিদুৰ প্ৰজাগৰ অ॰ ৩৯ শ্লোক)

অৰ্থ :—আলস্য অৰ্থাৎ শাৰীৰিক আৰু মানসিক জড়তা, মাদকতা, মোহ অৰ্থাৎ বস্তু বিশেষৰ প্ৰতি আসক্তি, চঞ্চলতা, ইটো সিটো বিষয়ে অনৰ্থক কথা পতা আৰু শুনা, পঠন পাঠনত অৱহেলা, দাম্ভিকতা, ত্যাগ বিমুখতা, বিদ্যাৰ্থী জীৱনত এই সাতোটা দোষ। এনেকুৱা দোষযুক্ত বিদ্যাৰ্থীৰ বিদ্যা লাভ সম্ভৱ নহয়। সুখ বিচাৰিলে বিদ্যা নহয়, আৰু বিদ্যা বিচৰা সকলৰ বাবে সুখ নাই। এতেকে বিষয় সুখাৰ্থীয়ে বিদ্যা আৰু বিদ্যাৰ্থীয়ে বিষয় সুখ পৰিত্যাগ কৰিব লাগিব। ২ ॥

বিদ্যা লাভ কাৰ হয়?

সত্যে ৰতানাং সততং দান্তানামূৰ্দ্ধৰেতসাম্।
ব্ৰহ্মচৰ্য্যং দহেদ্ ৰাজন্ সৰ্ব্বপাপান্যুপাসিতম্ ॥১॥

যি সদায় সত্য আচৰণত ৰত, জিতেন্দ্ৰিয় আৰু যাৰ বীৰ্য্যক্ষয় কেতিয়াও নহয় তেওঁৰ ব্ৰহ্মচৰ্য্যহে সত্য আৰু তেওঁৱেই বিদ্বান হ'ব পাৰে ॥ ১॥

গতিকে শিক্ষক আৰু শিক্ষাৰ্থী উভয়ে শুভ ফলদায়ক আচৰণশীল হোৱা আৱশ্যক। অধ্যাপকসকলে উৎপ্ৰেৰণা দিব পাৰিব লাগে যাতে বিদ্যাৰ্থীসকল সত্যপৰায়ণ, সত্যবিশ্বাসী, আৰু সত্যকামী হ'ব পাৰে আৰু শিষ্টতা, জিতেন্দ্ৰিয়তা, সুশীলতা আদি গুণেৰে, শাৰীৰিক আধ্যাত্মিক শক্তি সম্পন্ন হৈ বেদাদি সকলো শাস্ত্ৰত বিদ্বান হ'ব পাৰে। ছাত্ৰক অসৎ স্বভাৱ পৰিহাৰ কৰাই, সৎ স্বভাৱেৰে বিদ্যাবুদ্ধি সম্পন্ন কৰিব পৰাই শিক্ষকৰ সফলতা। বিদ্যাৰ্থীসকলে সদায় জিতেন্দ্ৰিয়, শান্ত, সহপাঠীৰ লগত সৌহাৰ্দপূৰ্ণ প্ৰেম প্ৰীতি, বিবেচনা আৰু অশেষ পৰিশ্ৰমেৰে সাধনা কৰি স্বাস্থ্য আৰু জ্ঞানেৰে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

জীৱন সকল কৰিব লাগে। এইয়া হ'ল ব্ৰাহ্মণ বৰ্ণৰ কৰ্ত্তব্য।

ক্ষত্ৰিয়ৰ কৰ্ত্তব্য ৰাজধৰ্ম্মৰ বিষয়ত কোৱা হ'ব।

বৈশ্যই ব্ৰহ্মচৰ্য্যাদিৰে অৰ্থ বিদ্যালাভ কৰি, নানা দেশৰ ভাষা, পণ্য সামগ্ৰীৰ ক্ষেত্ৰ, দৰ-দাম, ক্ৰয়-বিক্ৰয়ৰ, ৰীতি-নীতি, দেশান্তৰৰ গমনাগমন, ব্যয়-লাভ, পশু, কৃষি উন্নয়ন, সমাজত অৰ্থ, বিদ্যা, ধৰ্ম্মৰ উন্নতিৰ কাৰণে অৰ্থ সংগ্ৰহ আৰু যোগান ধৰা কৰ্ত্তব্য। এইবোৰৰ মূলত সত্য পৰায়ণতাৰ পৰম আৱশ্যক।

শূদ্ৰ সকলে ত্ৰিবৰ্ণৰ আশ্ৰয়ত ৰন্ধন, পৰিচৰ্য্যা আদিৰ ব্যৱহাৰত নিপুণ হৈ, শ্ৰদ্ধা বিশ্বাসেৰে দ্বিজ সকলৰ সেৱা সাহায্য কৰি উপজীৱিকা লব। আশ্ৰয়দাতা দ্বিজসকলেও শূদ্ৰবৰ্গক আৱশ্যকীয় অন্ন বস্ত্ৰ আদিৰ বাবে খৰচৰ দায়িত্ব গ্ৰহণ কৰা কৰ্ত্তব্য। চাৰিও বৰ্ণই পৰস্পৰে শ্ৰদ্ধা প্ৰীতিৰে যথাযোগ্য সহায় সহযোগত সামূহিকভাৱে উন্নতি কৰা কৰ্ত্তব্য।

পতি পত্নীৰ পৃথক্ অৱস্থান অহিতকৰ। কাৰণ :--

পানং দুৰ্জ্জনসংসৰ্গঃ পত্যা চ বিৰহোঽটনম্।
স্বপ্নোঽন্যগেহবাসশ্চ নাৰী সন্দূষণানি ষট্॥ মনু০ (৯।১৩)

মাদকদ্ৰব্য সেৱন, দুষ্টৰ সংসৰ্গ, পতিবিৰহ, ভণ্ড সাধু দৰ্শনৰ ছলত যলৈ তলৈ যোৱা, পৰৰ ঘৰত গৈ শোৱা বা পৰৰ ঘৰত বাস কৰা, এই ছয় প্ৰকাৰ স্বভাৱে নাৰীক কলুষিত কৰে। নাৰীৰ বিপৰীতে পুৰুষৰো এইবোৰেই দোষ। পতি পত্নীৰ ভিতৰত দুই ৰকমে বিৰহ ঘটে। প্ৰথম—কাৰ্য্যবশতঃ স্থানান্তৰ বা দেশান্তৰ গমন। দ্বিতীয়—মৃত্যুবশতঃ বিচ্ছেদ। প্ৰথমটোৰ এনেদৰে প্ৰতিকাৰ হ'ব পাৰে। যথাসম্ভৱ দূৰ দেশত পতি থাকিব লগা হলে পত্নীও লগতে যাব লাগে, কাৰণ বহুদিন পত্নী পৃথকই থকা অসঙ্গত।

প্ৰশ্নঃ—স্ত্ৰী আৰু পুৰুষৰ বহু বিবাহ হোৱা উচিত নে অনুচিত ?

উত্তৰঃ—এটাৰ বৰ্ত্তমানত দ্বিতীয় বিয়া কৰা অনুচিত।

প্ৰশ্নঃ—সময়ান্তৰত বহু বিবাহ কৰা উচিত নেকি ?

উত্তৰঃ—উচিত, যেনেঃ—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সা চেদক্ষতযোনিঃ স্যাদ্গতপ্ৰত্যাগতাপি বা।
পৌনৰ্ভবেন ভৰ্ত্ৰা সা পুনঃ সংস্কাৰমৰ্হতি ॥ মনু০ (৯।১৭৬)

বিবাহ মাত্ৰ হৈছে কিন্তু সংযোগ সম্বন্ধ নঘটিল, তেনে নাৰী পুৰুষে অন্য পুৰুষ নাৰীৰ লগত পুনৰ বিবাহ কৰা উচিত। ক্ষত যোনি স্ত্ৰী-পুৰুষ ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যবৰ্ণৰ হলে পুনৰ বিবাহ অনুচিত।

প্ৰশ্নঃ—পুনঃ বিবাহৰ দোষ কি?

উত্তৰঃ—(১) পুনৰ্বিবাহিত প্ৰেমৰ মাত্ৰা কম। পুনৰ্বিবাহৰ ব্যৱস্থা থাকিলে এজনৰ ইচ্ছামতে আনজনক এৰি বিবাহ কৰিবলৈ বাধাগ্ৰস্ত নহ'ব। (২) পতি বা পত্নীৰ কোনো এটা মৰিলে যি থাকে তেওঁ সম্পত্তিৰ অধিকাৰী হয়। পুনৰ্বিবাহত সেই সম্পত্তিৰ উত্তৰাধিকাৰ লৈ পৰিয়ালত মহা কন্দল আৰু অশান্তিৰ সৃষ্টি হয়। (৩) অনেক ভদ্ৰবংশৰ নাম ধাম নৰব। (৪) পতিব্ৰত বা পত্নীব্ৰত ধৰ্ম্ম নষ্ট হ'ব ইত্যাদি কাৰণতেই দ্বিজাতিৰ ভিতৰত পুনৰ্বিবাহ বা বহুবিবাহ অহিতকৰ আৰু অনুচিত।

প্ৰশ্ন ঃ—পুনৰ্বিবাহ নহলে বংশলোপ আৰু ব্যভিচাৰ হয়।

উত্তৰ—নহয়। ব্যভিচাৰৰ পৰিণাম অহিত বিবেচনা কৰিলে জ্ঞানী স্ত্ৰী পুৰুষৰ কেতিয়াও নৈতিক অধঃপতন হব নোৱাৰে। তদুপৰি কোনো সুলক্ষণযুক্ত বালকক পুত্ৰৰূপে গ্ৰহণকাৰী বংশ ৰক্ষা কৰিব পাৰি। বিশেষ পাৰিস্থিতিত নিয়োগ বিধিৰেও বংশ পৰম্পৰা ৰক্ষা কৰিব পাৰে।

প্ৰশ্ন ঃ—পুনৰ্বিবাহ আৰু নিয়োগৰ পাৰ্থক্য কি?

উত্তৰ ঃ—(১) বিবাহিতা কন্যাই পিতৃকুল ত্যাগ কৰি পতি গৃহলৈ যায়, সেইদৰে বিধবা স্ত্ৰীয়েও পতিকুল ত্যাগ কৰি নব পতিৰ গৃহলৈ যাব লগা হয়; গতিকে পূৰ্ব্ব পতিৰ বংশ ৰক্ষা নপৰে। (২) নিয়োগ বিধিৰে বিধবাৰ পুত্ৰ লাভ হলে, পুত্ৰ পূৰ্ব্ব পতিৰ উত্তৰাধিকাৰী হয়, বীৰ্য্যদাতাৰ সেই পুত্ৰৰ ওপৰত কোনো স্বত্ব নেথাকে। মৃত পতিৰ উত্তৰাধিকাৰী, বিধবা আৰু বিধবাৰ নিয়োগত জন্ম হোৱা পুত্ৰ, বিধবা মাতাৰ উত্তৰাধিকাৰী হয়; বিবাহিতা স্ত্ৰী পুৰুষৰ পৰস্পৰ ভৰণ পোষণ লালন

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পালন অৱশ্য কৰ্ত্তব্য। নিযুক্ত স্ত্ৰী পুৰুষৰ তেনে দায়িত্ব নেথাকে। এক্তে ঘৰতো তেওঁলোক নেথাকে।

প্ৰশ্ন ঃ—বিবাহ আৰু নিয়োগৰ বিধি একে নে পৃথক?

উত্তৰঃ—সামান্য প্ৰভেদ আছে, যাক আগতেই কোৱা হৈছে। আগতে কোৱাৰ বাহিৰে বিবাহিত স্ত্ৰী পুৰুষে এক পতি আৰু এক স্ত্ৰীৰ পৰা দহোটালৈকে সন্তান জন্ম দিব পাৰে, কিন্তু নিযুক্তৰ ক্ষেত্ৰত চাৰিটাৰ অধিক নিষেধ। অৰ্থাৎ কুমাৰ আৰু কুমাৰীৰ বিবাহৰ দৰেই বিপত্নীক পুৰুষ আৰু বিধবা স্ত্ৰীৰ বিশেষ পৰিস্থিতিত নিয়োগ কৰা হয়। কুমাৰ কুমাৰীৰ নিয়োগ হব নোৱাৰে। বিবাহিত স্ত্ৰী পুৰুষ একে লগে থাকে, নিযুক্ত স্ত্ৰী পুৰুষৰ তেনে ব্যৱহাৰ হব নোৱাৰে। কুমাৰ কুমাৰীৰ নিয়োগৰ প্ৰশ্ন নুঠে। বিশেষ সমস্যা সমাধানৰ কাৰণে ঋতু দানৰ সময়তহে নিযুক্ত স্ত্ৰী পুৰুষৰ সংযোগ হব পাৰে। স্ত্ৰীৰ প্ৰয়োজনত নিয়োগ হলে, দ্বিতীয় গৰ্ভস্থিতিৰ দিনৰ পৰা নিযুক্ত পুৰুষৰ লগত সম্বন্ধ ৰাখিব নোৱাৰে। পুৰুষৰ আৱশ্যক মতে নিয়োগ হলেও দ্বিতীয় গৰ্ভস্থিতিৰ দিনৰ পৰা সম্বন্ধ ৰাখিব নোৱাৰে। আৰু স্ত্ৰীয়ে সেই সন্তান কিটা দুই তিনি বছৰ পৰ্য্যন্ত লালন পালন কৰি সেই পুৰুষক দিব। এইদৰে নিয়োগত স্ত্ৰীয়ে নিজৰ কাৰণে দুটা আৰু চাৰিজন সন্তান কামী নিযুক্ত পুৰুষৰ বাবে দুটাকৈ ধৰি সৰ্ব্বমুঠ ১০টা সন্তান জন্ম দিব পাৰে। নিযুক্ত পুৰুষেও ঠিক সেই দৰেই নিজৰ কাৰণে দুটা আৰু ২টাকৈ চাৰিগৰাকী স্ত্ৰীৰ কাৰণে মুঠ ১০টা সন্তানৰ বাবে বীৰ্য্য দান কৰিব পাৰে। ইয়াৰ বিধান বেদত আছে ঃ—

ইমাং ত্বমিন্দ্ৰ মীঢ্বঃ সুপুত্ৰাং সুভগাং কৃণু।
দশাস্যাং পুত্ৰানাধেহি পতিমেকাদশং কৃধি॥

ঋ০ ম০ ১০। সূ০ ৮৫। ম০ ৪৫॥

"হে মীঢ্ৱ, ইন্দ্ৰ বীৰ্য্য সিঞ্চনত শক্তিশালী পুৰুষ! এই বিবাহিতা বিধবা স্ত্ৰীক শ্ৰেষ্ঠ সন্তানৰ মাতা আৰু সৌভাগ্যৱতী কৰা। বিবাহিতা গৰ্ভত দশ পুত্ৰ বা সন্তান উৎপন্ন কৰি স্ত্ৰীক একাদশৰূপে গণ্য কৰা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হে স্ত্ৰী, তুমিও বিবাহিত বা নিযুক্ত পুৰুষৰ দ্বাৰাই দহোটা সন্তান জন্ম ... পতিক একাদশৰূপে গণ্য কৰা।" এই বৈদিক বিধি অনুসাৰে স্ত্ৰী-পুৰু... দহটাৰ অধিক সন্তান জন্ম দিয়া নিষেধ। অধিক সন্তান জন্ম দি... মাতা পিতা আৰু সন্তান দুৰ্ব্বল, নিৰ্বুদ্ধি আৰু অল্পায়ু হয়।

প্ৰশ্নঃ—দেখা যায় নিয়োগো ব্যভিচাৰৰ নামান্তৰ মাত্ৰ।

উত্তৰঃ—যেনেকৈ অবিবাহিতসকলৰ অবৈধ সংসৰ্গ ব্যভিচাৰ, সে... দৰেই নিয়োগৰ অতিৰিক্ত সংসৰ্গ ব্যভিচাৰ হ'ব। অৰ্থাৎ বিধিস... বিবাহক ব্যভিচাৰ নোবোলে আৰু বিধিসঙ্গত নিয়োগকো ব্যভি... বুলিব নোৱাৰি। যেনেকৈ শাস্ত্ৰৰ বিধি অনুসাৰে এজনৰ ক... লগত আন এজনৰ পুত্ৰৰ বিবাহ হোৱাৰ পাছত হোৱা সমাগমক ব্যভি... পাপ বা লজ্জা বুলি গণ্য কৰা নহয়, সেইদৰে—শাস্ত্ৰীয় বিধি অনু... কৰা নিয়োগো ব্যভিচাৰ, পাপ বা লজ্জা বুলি গণ্য কৰা অনুচিত।

প্ৰশ্নঃ—নিয়োগ যথাৰ্থ হলেও কাৰ্য্যত বেশ্যাবৃত্তিৰ দৰেই দেখা ...

উত্তৰঃ—বেশ্যা সমাগমত কোনো নিশ্চিত পুৰুষ বা বিধি নাই, ... নিয়োগত বিবাহৰ দৰেই বিধি নিয়ম মনা হয়। যেনেকৈ এজনৰ ক... আন এজনক সম্প্ৰদান কৰাৰ পাছত সমাগমত লজ্জা নাই, সেই... নিয়োগতো লজ্জাৰ কথা উঠা অনুচিত। ব্যভিচাৰশীল নাৰী পু... বিবাহৰ পাছতো কুকৰ্ম্ম পৰিত্যাগ কৰে জানো?

প্ৰশ্নঃ—যি কি হ'ক, মোৰ বোধেৰে নিয়োগো ব্যভিচাৰেই?

উত্তৰঃ—যদি নিয়োগক পাপ বুলি বিবেচনা কৰা হয়, তেন্তে বিবাহ... পাপ বুলি বিবেচনা কৰা উচিত। নিয়োগত বাধা দিয়াও তো পা... হয়। কাৰণ জিতেন্দ্ৰিয় সিদ্ধযোগীত বাহিৰে স্ত্ৰী পুৰুষৰ প্ৰাকৃতিক বি... আকৰ্ষণ কোনেও ৰুদ্ধ কৰিব নোৱাৰে। এয়েই সৃষ্টিৰ ক্ৰম। গৰ্ভপা... ভ্ৰূণ হত্যা আৰু বিধবা নাৰী আৰু বিপত্নীক পুৰুষৰ মহা দুঃখক পা... ভিতৰত নধৰে নেকি? সেই সকলৰ যৌবন থাকে মানে সন্তান স... কামনা আৰু বিষয় ভোগৰ স্পৃহা প্ৰজ্বলিত হৈ থাকে। যদিও স...

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আৰু ৰাজ্যিক বিধি শাসনৰ দ্বাৰা বাধা আৰোপ কৰা হয়, ব্যভিচাৰ কুকৰ্ম্ম গোপনে চলি থাকে। জিতেন্দ্ৰিয় হ'ব পাৰিলেহে তেনে ব্যভিচাৰ আৰু কুকৰ্ম্ম পৰিত্যাগ কৰিব পাৰে আৰু বিবাহ বা নিয়োগ নকৰাকৈও থাকিব পৰা সম্ভৱ। সেয়ে হ'ব নোৱাৰিলে অৰ্থাৎ জিতেন্দ্ৰিয় হ'ব নোৱাৰিলে প্ৰাপ্ত বয়সত বিবাহ আৰু আপৎ কালত নিয়োগ আৱশ্যকীয় কৰ্ত্তব্য। ইয়াৰ দ্বাৰা সমাজত ব্যভিচাৰ হ্ৰাস হয় আৰু প্ৰেম প্ৰীতিৰে সন্তান সৃষ্টি হলে সমাজত কল্যাণ হোৱাৰ হে সম্ভাৱনা। এনে ৰীতিৰ জৰিয়তে ভ্ৰূণ হত্যাও লোপ হয়।

অধম পুৰুষৰ লগত উত্তম স্ত্ৰীৰ আৰু বেশ্যাদি অধঃপতিতা স্ত্ৰীৰ লগত উত্তম পুৰুষৰ ব্যভিচাৰ ৰূপ কুকৰ্ম্ম, সৎকুলৰ কলঙ্ক, বংশনাশ, মানসিক সন্তাপ আৰু সমাজত ভ্ৰূণ হত্যাদি অশান্তি নিবাৰণৰ কাৰণেই বিবাহ আৰু নিয়োগৰ বিধি বিধান দিয়া আছে। গতিকে নিয়োগ উচিত কৰ্ম্ম।

প্ৰশ্নঃ—নিয়োগৰ বিধি কেনেকুৱা হোৱা উচিত ?

উত্তৰঃ—বিবাহৰ দৰেই নিয়োগতো সৰ্ব্ব সন্মতিৰ আৱশ্যক। অৰ্থাৎ ভদ্ৰ সমাজৰ অনুমোদন আৰু নিয়োগাৰ্থী স্ত্ৰী-পুৰুষৰ স্বাভাৱিক সন্মতি হোৱা আৱশ্যক। পৰিস্থিতি অনুকূলে নিয়োগৰ উদ্দেশ্য প্ৰকাশ কৰি নিয়োগ অনুষ্ঠান কৰি সঙ্কল্প কৰিব লাগে যে "আমি সন্তানৰ কামনাত নিয়োগ কৰিবলৈ সঙ্কল্প কৰিছো, আৰু আমাৰ উদ্দেশ্য পূৰ্ণ হলেই পৰস্পৰৰ সম্বন্ধ পৰিত্যাগ কৰিম, অন্যথায় সমাজ আৰু ৰাজদণ্ড বিধি অনুসাৰে দণ্ডনীয় হম। গৰ্ভস্থিতিৰ পাছত এবছৰ পৰ্য্যন্ত অৰ্থাৎ পুনঃ গৰ্ভাধানৰ সময় নোহোৱা পৰ্য্যন্ত পৃথক থাকিম"।

প্ৰশ্ন—নিয়োগ স্ববৰ্ণৰ ভিতৰত হবনে ভিন্ন বৰ্ণৰ ভিতৰতো হব পাৰে?

উত্তৰ—সবৰ্ণ অথবা উত্তম বৰ্ণৰ পুৰুষৰ লগত অৰ্থাৎ বৈশ্যাবৰ্ণৰ স্ত্ৰীৰ বৈশ্য ক্ষত্ৰিয় আৰু ব্ৰাহ্মণ বৰ্ণৰ পুৰুষৰ লগত, ক্ষত্ৰিয় স্ত্ৰীৰ ক্ষত্ৰিয় বা ব্ৰাহ্মণৰ লগত আৰু ব্ৰাহ্মণীৰ ব্ৰাহ্মণৰ লগত নিয়োগ হব পাৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ইয়াৰ অভিপ্ৰায় এয়ে যে বীৰ্য্য সমান বা উত্তম পুৰুষৰ হোৱা উচি
স্ত্ৰীতকৈ নিম্ন বৰ্ণৰ পুৰুষৰ বীৰ্য্যই উত্তম সন্তান সৃষ্টি কৰিব নোৱাৰে
বেদোক্ত ৰীতিৰে স্ত্ৰী বা পুৰুষে বিবাহ বা নিয়োগ কৰি সন্তান স
কৰা কৰ্ত্তব্য।

প্ৰশ্ন—পুৰুষে পুনৰ্বিবাহ কৰিব পাৰে, পুৰুষৰ নিয়োগৰ প্ৰয়োজন কি

উত্তৰ—ইয়াৰ আগতে লিখি অহা হৈছে যে, বেদাদি শাস্ত্ৰৰ ম
দ্বিজৰ ভিতৰত স্ত্ৰী পুৰুষৰ মাত্ৰ এবাৰেই বিবাহ সংস্কাৰ হোৱা সঙ্গত
কুমাৰৰ লগত কুমাৰীৰ বিবাহ নীতি সঙ্গত। বিধবাৰ লগত কুমাৰ
আৰু কুমাৰীৰ লগত বিপত্নীকৰ বিবাহ ন্যায় সঙ্গত নহয় অৰ্থাৎ অধৰ্ম
পুৰুষে যেনেকৈ বিধবাক বিবাহ কৰিব নোখোজে, সেই দৰে বিপত্নী
পুৰুষকো কুমাৰী নাৰীয়ে বিবাহ কৰিব নোখোজে। কুমাৰী কন্যা
বিপত্নীক পুৰুষক আৰু কুমাৰে বিধবা স্ত্ৰীক বিবাহ কৰাত অনিচ্ছুক
গতিকে বিধবা আৰু বিপত্নীকৰ নিয়োগৰ প্ৰয়োজন হয়। যাৰ লগত
যি উপযুক্ত, তেনে সম্বন্ধ কৰাই ধৰ্ম্ম।

প্ৰশ্ন—বিবাহৰ যেনেকৈ বেদাদি শাস্ত্ৰত প্ৰমাণ আছে, নিয়োগৰে তেনে প্ৰমাণ আছেনে ?

উত্তৰ— নিয়োগৰো বহু প্ৰমাণ আছে। সেইবোৰ ইয়াত উদ্ধৃত
কৰা হ'ল :—

কুহস্বিদ্দোষা কুহ বস্তোৰশ্বিনা কুহাভিপিত্বং কৰতঃ কুহোষতুঃ।
কো বাং শয়ুত্ৰা বিধবেব দেবৰং মৰ্য্যং ন যোষা কৃণুতে সধস্থ আ॥

(ঋ০ ম০ ১০। সূ০ ৪০। ম০ ২)

অৰ্থ :—"হে স্ত্ৰী পুৰুষ! যেনেকৈ বিধবাই দেৱৰৰ লগত আৰু বিবাহিত
স্ত্ৰীয়ে নিজ পতিৰ লগত সমান শয্যাত একত্ৰ হৈ সৰ্বতো প্ৰকাৰে সন্তান
সৃষ্টি কৰে, সেইদৰে তোমালোক দুয়ো স্ত্ৰী-পুৰুষে ক'ত বা কোন ৰাতি
আৰু কোন দিনত সহবাস কৰিছিলা? ক'তনো পদাৰ্থ (বয়বস্তু) লাভ
কৰিছিলা? তোমালোকৰ শয়নস্থান ক'ত? তোমালোক কোন আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ক'ৰ নিবাসী ?" ইয়াৰ ভাবাৰ্থ হ'ল – বিবাহিতা স্ত্ৰী-পুৰুষ দেশে-বিদেশে একেলগে থাকিব আৰু বিধবা স্ত্ৰীয়েও নিযুক্ত পুৰুষক বিবাহিত পতিৰ দৰে সন্তান কামনাৰে গ্ৰহণ কৰিব।

প্ৰশ্নঃ—যদি কাৰোবাৰ দেৱৰ অৰ্থাৎ কনিষ্ঠ ভ্ৰাতা নাথাকে তেন্তে বিধবাই কাৰ লগত নিয়োগ কৰিব ?

উত্তৰঃ—দেৱৰৰ লগত। কিন্তু দেৱৰ শব্দৰ অৰ্থ আপুনি যিদৰে বুজিছে সেইটো নহয়। নিৰুক্তত কি অৰ্থ আছে চাওকঃ—

দেৱৰঃ কস্মাদ্ দ্বিতীয়ো বৰ উচ্যতে ॥ নিৰু০ অ০ ৩। খণ্ড০ ১৫॥

বিধবাৰ দ্বিতীয় পতিক দেৱৰ বোলে। পতিৰ কনিষ্ঠ বা জ্যেষ্ঠ ভ্ৰাতা নাইবা নিয়োগ কৰা পুৰুষক দ্বিতীয় পতি বা দেৱৰ বোলে।

উদীৰ্ষ্ব নাৰ্য্যভিজীৱলোকং গতাসুমেতমুপ শেষ এহি।
হস্তগ্ৰাভস্য দিধিষোস্তবেদং পত্যুৰ্জনিত্বমভি সং বভূথ ॥

(ঋ০ ম০ ১০। সূ০ ১৮। মং ৮॥)

হে বিধবে! তুমি এই মৃত পতিৰ আশা ত্যাগ কৰি অৱশিষ্ট পুৰুষৰ ভিতৰৰ পৰা দ্বিতীয় পতি গ্ৰহণ কৰা। এই কথা বিবেচনা কৰি নিশ্চিত জানি থবা যে তোমাৰ পুনঃ পাণিগ্ৰহণকাৰী নিযুক্ত পতিৰ প্ৰয়োজনত যদি নিয়োগ হয়, তেন্তে তাৰ পৰা উৎপন্ন হোৱা সন্তান, সেই নিযুক্ত পতিৰ হ'ব আৰু তোমাৰ প্ৰয়োজনত নিয়োগ কৰা হলে, উৎপন্ন হোৱা সন্তান তোমাৰ হ'ব। তুমি এইদৰে স্থিৰ নিশ্চয় জানিবা। নিযুক্ত পুৰুষেও এই ব্যৱস্থা পালন কৰিব।

অদেৱৃঘ্ন্যপতিঘ্নী হৈধি শিৱা পশুভ্যঃ সুযমাঃ সুৱৰ্চাঃ।
প্ৰজাৱতী বীৰসূৰ্দেৱৃকামা স্যোনেমমগ্নিং গাৰ্হপত্যং সপৰ্য্য ॥

অথৰ্ব্ব০ কা০ ১৪। অনু০ ২। ম০ ১৮॥

হে নাৰী! তুমি পতি আৰু দেৱৰৰ। তুমি এই গৃহাশ্ৰমত পশুৰ বাবে কল্যাণকাৰিণী, যথাৰ্থ কৰ্ত্তব্যৰ আচৰণকাৰিণী, ৰূপৱতী আৰু মিষ্টভাষিণী, সৎপুত্ৰ পৌত্ৰাদিযুক্তা, বীৰ প্ৰসৱিনী, দেৱৰৰ কামনাকাৰিণী

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আৰু সুখদায়িনী। পতি বা দেৱৰক গ্ৰহণ কৰি তুমি এই গৃহস্থ সম্বন্ধীয় অগ্নিহোত্ৰ সেৱন বা পালন কৰা।

তামনেন বিধানেন নিজো বিন্দেত দেৱৰঃ॥ মনু॰ (৯।৬৯)

অক্ষতযোনি বিধবা স্ত্ৰীক পতিৰ কনিষ্ঠ সহোদৰেও বিবাহ কৰিব পাৰে।

প্ৰশ্নঃ—এগৰাকী স্ত্ৰী বা পুৰুষে কেইবাৰ নিয়োগ কৰিব পাৰে? বিবাহিত আৰু নিযুক্ত পতিক কি কি বোলা হয়?

উত্তৰঃ—সোমো প্ৰথমো বিবিদে গন্ধৰ্ব্বো বিবিদ উত্তৰঃ।
তৃতীয়ো অগ্নিষ্টে পতিস্তুৰীয়স্তে মনুষ্যজাঃ॥

ঋ॰ ম॰ ১০। সূ॰ ৮৫। ম॰ ৪০।

হে স্ত্ৰী! তোমাৰ যি প্ৰথম বিবাহিত পতি তেওঁৰ সোম আখ্যা হয়; সোম মানে সুকুমাৰ গুণান্বিত। দ্বিতীয় পতি যাক নিয়োগৰ দ্বাৰা প্ৰাপ্ত কৰা, তেওঁক গন্ধৰ্ব্ব বোলা হয়। দুই পতিৰ পৰবৰ্ত্তী তৃতীয় পতিক অগ্নি বোলা হয়, আৰু যিবোৰ তোমাৰ চতুৰ্থৰ পৰা একাদশ পৰ্য্যন্ত নিযুক্ত পতি, সেইসকল মনুষ্য নামেৰে অভিহিত হয়। যেনেকৈ এই বেদমন্ত্ৰ অনুসাৰে নাৰীয়ে একাদশজন পৰ্য্যন্ত পুৰুষ নিয়োগ কৰিব পাৰে, সেইদৰে পুৰুষেও একাদশজনী স্ত্ৰীলৈকে নিয়োগ কৰিব পাৰে।

প্ৰশ্নঃ—একাদশ শব্দৰ অৰ্থ দশ সন্তান আৰু পতিক একাদশৰূপে ধৰিব নোৱাৰি নে?

উত্তৰঃ—এনেকুৱা অৰ্থ ধৰিলে "বিধবেব দেৱৰম্", "দেৱৰঃ কস্মাদ দ্বিতীয়ো বৰ উচ্যতে", "অদেবৃঘ্নি" আৰু "গন্ধৰ্ব্বো বিবিদ উত্তৰঃ" ইত্যাদি বৈদিক প্ৰমাণভূত বাক্যবোৰৰ অৰ্থ বিৰুদ্ধ হয়। আপোনাৰ অৰ্থ ললে স্ত্ৰীয়ে দ্বিতীয় পতি গ্ৰহণ কৰিব নোৱাৰে।

দেৱৰাদ্বা সপিণ্ডাদ্বা স্ত্ৰিয়া সম্যঙ্‌ নিযুক্তয়া।
প্ৰজেপ্সিতাধিগন্তব্যা সন্তানস্য পৰিক্ষয়ে॥ ১॥
জ্যেষ্ঠো যবীয়সো ভাৰ্য্যাং যবীযাম্বাগ্ৰজস্ত্ৰিয়ম্।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পাততো ভৱতো গত্বা নিযুক্তাবপ্যনাপদি ॥ ২॥

ঔৰসঃ ক্ষেত্ৰজশ্চৈব ॥ ৩॥ (মনু০ ৯।৫৯।৫৮।১৫৯)॥

মনুস্মৃতিত লিখিত আছে যে "সপিণ্ড" অৰ্থাৎ পতিবংশৰ ছয় পুৰুষৰ ভিতৰত পতিৰ কনিষ্ঠ বা জ্যেষ্ঠ ভ্ৰাতা, অথবা স্বজাতীয় বা উচ্চবৰ্ণৰ পুৰুষৰ লগত বিধবা স্ত্ৰীয়ে নিয়োগ কৰা উচিত। বিপত্নীক পুৰুষ আৰু বিধবা স্ত্ৰীয়ে সন্তান কামনা কৰিলেহে নিয়োগ কৰা উচিত। কোনো সন্তান নাথাকিলেহে নিয়োগ কৰিব পাৰি। আপৎ কাল, অৰ্থাৎ সন্তান কামনাৰ বাহিৰে, জ্যেষ্ঠ ভ্ৰাতাৰ স্ত্ৰীৰ লগত কনিষ্ঠ ভ্ৰাতাৰ আৰু কনিষ্ঠ ভ্ৰাতাৰ স্ত্ৰীৰ লগত জ্যেষ্ঠ ভ্ৰাতাৰ নিয়োগ হলে আৰু সন্তান উৎপত্তিৰ পাছতো নিযুক্ত স্ত্ৰী-পুৰুষ সমাগম হলে নৈতিক পতন হয়। এক নিয়োগৰ সীমা দ্বিতীয় গৰ্ভধাৰণ পৰ্য্যন্ত। ইয়াৰ বিপৰীত অবিধেয়। উভয়ৰ সন্তানৰ প্ৰয়োজনত নিয়োগ হলে চতুৰ্থ গৰ্ভ পৰ্য্যন্ত অৰ্থাৎ পূৰ্ব্বোক্ত ৰীতি অনুসাৰে দশ সন্তান পৰ্য্যন্ত হ'ব পাৰে। ইয়াৰ অতিৰিক্ত হলে কাম বাসনাসক্ত বুলি গণ্য হয়। যাক নৈতিক পতন বোলে। বিবাহ বা নিয়োগ প্ৰজা সৃষ্টিৰ কাৰণেহে।

প্ৰশ্নঃ— পতিৰ মৃত্যুতহে নিয়োগ হ'ব পাৰে নে, পতিৰ জীৱিত অৱস্থাতো নিয়োগ হ'ব পাৰে ?

উত্তৰঃ—পতিৰ জীৱিত দশাতো হ'ব পাৰে।

অন্যমিচ্ছস্ব সুভগে পতিং মৎ ॥ ঋ০ ম০ ১০। সূ০ ১০ ॥

সন্তান উৎপাদনত অসমৰ্থ হলে পতিয়ে নিজৰ পত্নীক আদেশ দিব "হে সুভগে! সৌভাগ্যকামী নাৰী! মোৰ উপৰিও অন্য পতি কামনা কৰা, কাৰণ মোৰ দ্বাৰাই আৰু সন্তান উৎপত্তি হ'ব নোৱাৰিব। তেতিয়া স্ত্ৰীয়ে উপযুক্ত পুৰুষৰ লগত নিয়োগ কৰি সন্তান জন্ম দিব পাৰে, কিন্তু সেই বিবাহিত সদাশয় পতিক সৰ্ববপ্ৰকাৰে সেৱা শুশ্ৰূষা কৰা কৰ্ত্তব্য। স্ত্ৰীয়েও ৰোগাগ্ৰস্ত হৈ সন্তান প্ৰসৱৰ অসমৰ্থ হলে পতিক অনুৰোধ কৰিব "হে স্বামিন্! মোৰ পৰা সন্তান উৎপত্তিৰ আশা ত্যাগ কৰি অন্য

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কোনো বিধবাৰ লগত নিয়োগ কৰি সন্তান লাভ কৰক।" পাণ্ডু ৰজাৰ পত্নী কুন্তী আৰু মাদ্ৰী আদিয়ে এই দৰেই সন্তান সৃষ্টি কৰিছিল। চিত্ৰাঙ্গদা আৰু বিচিত্ৰবীৰ্য্যৰ মৃত্যুৰ পাছত ব্যাসদেৱ তেওঁৰ ভ্ৰাতৃবধূ অম্বিকা আৰু অম্বালিকাৰ লগত নিয়োগ কৰি যথাক্ৰমে ধৃতৰাষ্ট্ৰ আৰু পাণ্ডু আৰু দাসীৰ গৰ্ভত বিদুৰৰ জন্মদান দিছিল। এইবোৰ ঐতিহাসিক প্ৰমাণ।

প্ৰোষিতো ধৰ্ম্মকাৰ্য্যাৰ্থং প্ৰতীক্ষ্যোঽষ্টৌ নৰঃ সমাঃ।
বিদ্যাৰ্থং ষড় যশোঽৰ্থং বা কামাৰ্থং ত্ৰীংস্তু বৎসৰান্॥ ১॥
বন্ধ্যাষ্টমেঽধিবেদ্যাব্দে দশমে তু মৃতপ্ৰজা।
একাদশে স্ত্ৰী-জননী সদ্যস্ত্বপ্ৰিয়বাদিনী॥ ২॥

মনু॰ (৯।৭৬।৮১)॥

বিবাহিত পতি ধৰ্ম্মাৰ্থে বিদেশলৈ গ'লে আঠ বছৰ, বিদ্যা আৰু কীৰ্ত্তিৰ উদ্দেশ্যত বিদেশলৈ গ'লে ছয় বছৰ, অৰ্থ উপাৰ্জ্জনৰ উদ্দেশ্যত দূৰ দেশলৈ গ'লে তিনি বছৰ প্ৰতীক্ষা কৰি বিবাহিতা স্ত্ৰীয়ে নিয়োগ কৰি সন্তান জন্ম দিব পাৰে। পুনঃ বিবাহিত পতি ঘূৰি আহিলে সেই নিযুক্ত পুৰুষৰ লগত কোনো সম্বন্ধ থাকিব নোৱাৰে॥ ১॥ সেইদৰে পুৰুষৰ কাৰণে স্ত্ৰী বন্ধ্যা হলে অৰ্থাৎ গৰ্ভ নহ'লে বিবাহৰ পাছত আঠ বছৰ, এবাৰ সন্তান হৈ মৰিলে দহ বছৰ, বাৰে বাৰে কন্যা প্ৰসৱ কৰিলে একাদশ বৎসৰ অপেক্ষা কৰিব, কিন্তু অপ্ৰিয়বাদিনী হলে তৎক্ষণাৎ সেই পত্নী পৰিত্যাগ কৰি অন্য বিধবাৰ লগত নিয়োগ কৰি সন্তান লাভ কৰিব। ২॥ সেইদৰে পতি দুশ্চৰিত্ৰবান হলে পৰিত্যাগ কৰি স্ত্ৰীয়ে অন্য পুৰুষৰ লগত নিয়োগ কৰি, উত্তৰাধিকাৰী সন্তান জন্ম দিব। এইবোৰ প্ৰমাণ যুক্তিৰ আধাৰত স্বয়ম্বৰ আৰু নিয়োগ ৰীতিৰে বংশোন্নতি কৰা কৰ্ত্তব্য। যিদৰে "ঔৰসজাত" অৰ্থাৎ বিবাহিত পতিৰ সন্তান পিতৃ সম্পত্তিৰ অধিকাৰী হয়, "ক্ষেত্ৰজ" অৰ্থাৎ নিয়োগজ পুত্ৰও মৃত পিতৃৰ সম্পত্তিৰ অধিকাৰী হয়।

সকলো স্ত্ৰী-পুৰুষে মনত ৰখা আৱশ্যক যে ৰজ আৰু বীৰ্য্য হৈছে সৃষ্টিৰ প্ৰধান পদাৰ্থ, যি ইয়াক দুষ্টা স্ত্ৰী আৰু দুষ্ট পুৰুষৰ সংসৰ্গত অপব্যয়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰে, সি মহা মুৰ্খ। মহা মূৰ্খ কৃষকেও পৰৰ ক্ষেত্ৰত বীজ বপন নকৰে। সৃষ্টিৰ সৰ্ব্বশ্ৰেষ্ঠ মানৱদেহ ৰূপী বৃক্ষৰ বীজ কুক্ষেত্ৰত নষ্ট কৰা মানৱ সভ্যতাৰ পৰিচয় হ'ব নোৱাৰে। কুক্ষেত্ৰত বপন কৰা বীজৰ ফল নধৰে।

"আত্মা বৈ জায়তে পুত্ৰঃ"—এই হ'ল ব্ৰাহ্মণ গ্ৰন্থৰ বচন।

অঙ্গাদঙ্গাৎ সম্ভৱসি হৃদয়াদধিজায়সে।

আত্মা বৈ পুত্ৰানামাসি স জীৱ শৰদঃ শতম্॥ (নিৰুক্ত ৩।৪॥)

"হে পুত্ৰ! তুমি মোৰ প্ৰত্যেক অঙ্গজাত বীৰ্য্য আৰু হৃদয়ৰ পৰা উৎপন্ন হৈছা, গতিকে তুমি মোৰ আত্মা। তুমি মোৰ আগত নমৰি শত বৎসৰ জীৱিত থাকা।" যি বীজে শ্ৰেষ্ঠ মহামানৱ সৃষ্টি কৰিব পাৰে সেই বীজক অযথা কুক্ষেত্ৰত নষ্ট কৰা অজ্ঞতাৰ পৰিচয় আৰু মহাপাপ।

প্ৰশ্নঃ— বিবাহৰ প্ৰয়োজন কি? বিবাহ বন্ধনত আবদ্ধ হলে অনেক দুখ ভুগিব লগা হয়। বন্ধন নহলে যাৰ যাৰ যিমান দিন প্ৰণয় থাকে সিমান দিন প্ৰেমত থাকিব পাৰে, প্ৰণয় অৱসান হলে কন্দল অশান্তিৰ পৰা পৰস্পৰ আঁতৰি যাব পাৰে।

উত্তৰঃ—এইবোৰ বিবেচনা পশু পক্ষীৰহে, বিবেচনাশীল মানৱৰ হ'ব নোৱাৰে মানৱ সমাজত বিবাহৰ নিয়ম নীতি নেথাকিলে গৃহাশ্ৰমৰ সকলো কৰ্ত্তব্য আচৰণ নষ্ট ভ্ৰষ্ট হ'ব, পৰস্পৰ সহায় সহযোগ নেথাকিব, ব্যভিচাৰ অনাচাৰ আৰু অশান্তিৰ ৰাজত্ব হ'ব। কাৰো ক'তো অৰ্থসম্পত্তি ও উত্তৰাধিকাৰিত্ব নেথাকিব আৰু মানৱ সভ্যতা সমূলে ধ্বংস পাব। মানৱ সমাজৰ মঙ্গলৰ অৰ্থেই নিৰ্দ্ধাৰিত নীতি ব্যৱস্থাৰে বিবাহ কৰা কৰ্ত্তব্য।

প্ৰশ্নঃ—বিবাহতে এক পুৰুষৰ এক পত্নী, আৰু এক পত্নীৰ এক স্বামী থাকিব। স্ত্ৰী গৰ্ভৱতী বা চিৰৰোগিনী হলে অথবা পুৰুষ চিৰ-ৰোগা হলে যেতিয়া এজন যৌৱনৰ বিকাৰ সংযম কৰাত অসমৰ্থ হয় তেতিয়া কি কৰা উচিত?

উত্তৰঃ—ইয়াৰ উত্তৰ নিয়োগ প্ৰসঙ্গত দিয়া হৈছে। গৰ্ভৱতী স্ত্ৰীৰ পৰা এবছৰ সমাগম বন্ধ থকাৰ কালত পুৰুষ আৰু চিৰৰোগী পুৰুষৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স্ত্ৰীয়ে সংযম অসম্ভৱ হলে যথাযোগ্য ৰীতিৰে নিয়োগ কৰি সন্তান জন্ম দিব পাৰে, কিন্তু কেতিয়াও ব্যভিচাৰ কৰিব নেলাগে।

দেশৰ সমাজৰ হিতৰ অৰ্থে যথা সম্ভৱ অপ্ৰাপ্ত বস্তুৰ প্ৰাপ্তি কামনা, প্ৰাপ্তৰ ৰক্ষা, ৰক্ষিতৰ পৰিবৰ্দ্ধন, আৰু পৰিবৰ্দ্ধনৰ ব্যয় কৰা কৰ্ত্তব্য। ওপৰত আলোচনা কৰা, ৰীতি অনুসাৰে, নিজ নিজ বৰ্ণাশ্ৰমৰ কৰ্ত্তব্য, ধৰ্ম্ম আৰু দায়িত্ব অনুযায়ী, অতি যত্নৰে, কায়, মন, ধনেৰে পৰম অৰ্থ সাধন কৰা কৰ্ত্তব্য। মাতা, পিতা, শহুৰ আৰু শাহুক শ্ৰদ্ধাৰে শুশ্ৰূষা কৰা কৰ্ত্তব্য। বন্ধু, প্ৰতিবেশী, শাসক, জ্ঞানী, চিকিৎসক আৰু সজ্জন সকলৰ প্ৰতি শ্ৰদ্ধা প্ৰীতি ৰাখি দুৰ্জ্জন অসৎবোৰক উপেক্ষা কৰা কৰ্ত্তব্য। যথাসম্ভৱ অসৎ আৰু দুৰ্জ্জনাদিক সংশোধনৰ চেষ্টা কৰিব লাগে। যথাসম্ভৱ সন্তান আৰু সমাজৰ জ্ঞান বিদ্যাৰ উন্নতিৰ কাৰণে ধন-সম্পত্তি ব্যয় কৰিব লাগে। নিজৰ মোক্ষ আৰু কল্যাণৰ বাবে সত্য ধৰ্ম্ম আচৰণ কৰিব লাগে যাৰ দ্বাৰা পৰম আনন্দ হ'ব পাৰে। তলত লিখা শ্লোকবোৰ শাস্ত্ৰৰ বচন বুলি বিবেচনা কৰিব নেলাগে :—

পতিতোঽপি দ্বিজঃ শ্ৰেষ্ঠো ন চ শূদ্ৰো জিতেন্দ্ৰিয়ঃ।
নিৰ্দুগ্ধা চাপি গৌঃ পূজ্যা ন চ দুগ্ধৱতী খৰী॥ ১॥
অশ্বালম্ভং গবালম্ভং সন্ন্যাসং পলপৈত্ৰিকম্।
দেৱৰাচ্চ সুতোৎপত্তিং কলৌ পঞ্চ বিবৰ্জ্জয়েৎ॥ ২॥
নষ্টে মৃতে প্ৰব্ৰজিতে ক্লীবে চ পতিতে পতৌ।
পঞ্চস্বাপৎসু নাৰীণাং পতিৰন্যো বিধীয়তে॥ ৩॥

এইবোৰ কপোলকল্পিত পাৰাশৰীৰ শ্লোক। কুকৰ্ম্ম দ্বিজক শ্ৰেষ্ঠ আৰু শ্ৰেষ্ঠ কৰ্ম্মী শূদ্ৰক নীচ গণ্য কৰাতকৈ অন্যায় অধৰ্ম্ম কি হ'ব পাৰে? দুগ্ধৱতী অথবা দুগ্ধহীনা সকলো গাই গোপালকে পালিবৰ আৱশ্যক কি? কুমাৰ আদিৰ গাধ পালন কৰাৰ আৱশ্যক নাই নেকি? এইবোৰ দৃষ্টান্ত যুক্তিহীন। দ্বিজ আৰু শূদ্ৰ মানুহজাতি, গো-গৰ্দ্দভ ভিন্ন জাতি। পশু জাতিৰ লগত দৃষ্টান্তৰ একাংশৰ কোনো বিষয়ৰ সামঞ্জস্য থাকিলেও

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

শ্লোকৰ অভিপ্ৰায় যুক্তিহীন, এনেকুৱা শ্লোক বিদ্বান্ সমাজত সমৰ্থিত হ'ব নোৱাৰে ॥ ১॥

অশ্বালম্ভ অৰ্থাৎ অশ্ব বধ কৰি অথবা (গবালম্ভ) গোবধ কৰি হোম কৰা বেদ বিহিত কৰ্ম্ম নহয় যেতিয়া, সেইবোৰৰ কলিযুগত নিষেধ কৰা কথাই উঠিব নোৱাৰে। এই হীন কৰ্ম্মবোৰ কেৱল কলিযুগতহে নিষেধ হলে, ত্ৰেতা আদি অন্যান্য যুগত বিধি হ'ব পাৰে। কলিৰ বাহিৰে ত্ৰেতা আদি যুগবোৰ শ্ৰেষ্ঠ বুলি প্ৰসিদ্ধ, কিন্তু এনেকুৱা কলিযুগত নিন্দনীয় হীন কৰ্ম্মানুষ্ঠান যি যুগত কৰা হৈছিল, সেইযুগ কেনেকৈ শ্ৰেষ্ঠ হ'ব ? বেদাদি শাস্ত্ৰত সন্ন্যাসৰ বিধি আছে; সন্ন্যাস জ্ঞান উপলব্ধিৰ বিষয়, কলি-যুগত নিষেধ কৰাৰ ভিত্তি নাই। মাংসৰ যেতিয়া নিষেধেই আছে সি চিৰকালৰ বাবে নিষেধ। দেৱৰৰ দ্বাৰা সন্তান জন্মোৱাৰ বিধান বেদত আছে যেতিয়া. শ্লোক ৰচয়িতাৰ কথা শুনিব কোনে ? । ২॥

তৃতীয় শ্লোকৰ (নষ্টে) পতি দেশান্তৰলৈ যোৱাত অৰ্থাৎ পতিৰ অনুপস্থিতিত স্ত্ৰীয়ে নিয়োগ কৰে, আৰু সেই সময়ত বিবাহিত পতি আহিলে সেই স্ত্ৰী কোন পতিৰ হব ? যদি সেই স্ত্ৰী পূৰ্ব্বৰ বিবাহিত পতিৰ হব বুলি কয়, তেন্তে আমি মানিব পাৰো. কিন্তু পাৰাশৰীত তেনে ব্যাখ্যা লিখিত নাই। এই শ্লোকত স্ত্ৰীৰ আপৎ কাল পাচটীৰ উল্লেখ কৰিছে। এই পাচটাৰো অধিক চিৰৰুগ্ন, কলহ বিবাদ ইত্যাদি আপৎ কালত কি বিধান ? গতিকে এইবোৰ শ্লোকে সমস্যা সমাধান নকৰে আৰু সেইবোৰ মানিবও নোৱাৰি।

প্ৰশ্ন–আপুনি পৰাশৰ মুনিৰ বচনো নেমানে নেকি ?

উত্তৰ –বেদ বিৰুদ্ধ হলে কাৰো বচন মানিব নোৱাৰো। আৰু এইবোৰ পৰাশৰ মুনিৰ বচনো নহয়। কাৰণ "ব্ৰহ্মোবাচ", "বশিষ্ঠ উবাচ", 'ৰাম উবাচ", "শিৱ উবাচ", "বিষ্ণুৰবাচ", আৰু "দেব্যু-বাচ" ইত্যাদিৰে শ্ৰেষ্ঠ পুৰুষ সকলৰ নামত গ্ৰন্থ লিখি সমাজক প্ৰতাৰণা কৰি নিজৰ নিজৰ জীৱিকাৰ উপায় সাধন কৰা হৈছে মাথোন। স্বাৰ্থ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সিদ্ধিৰ উদ্দেশ্যতেই অৰ্থহীন নানা আখ্যান উপাখ্যানেৰে গ্ৰন্থবোৰ ৰচিত হৈ আহিছে। কিছু প্ৰক্ষিপ্ত শ্লোকৰ বাহিৰে কেৱল মনুস্মৃতিয়েই বেদানুকূল স্মৃতি। বাকীবোৰ বেদানুকূল নহয়। অন্যান্য জাল কৰা গ্ৰন্থবোৰো এইদৰেই বিবেচনা কৰা বাঞ্ছনীয়।

প্ৰশ্ন—গৃহাশ্ৰম বাকীবোৰ আশ্ৰমতকৈ উৎকৃষ্ট নে নিকৃষ্ট?

উত্তৰ—নিজৰ নিজৰ কৰ্ত্তব্য ধৰ্ম্মত সকলোৱেই শ্ৰেষ্ঠ কিন্তু :—

যথা নদীনদাঃ সৰ্ব্বে সাগৰে যান্তি সংস্থিতিম্।
তথৈবাশ্ৰমিণঃ সৰ্ব্বে গৃহস্থে যান্তি সংস্থিতিম্॥ মনুঃ (৬।৯১)।
যথা বায়ুং সমাশ্ৰিত্য বৰ্ত্তন্তে সৰ্ব্বজন্তবঃ।
তথা গৃহস্থমাশ্ৰিত্য বৰ্ত্তন্তে সৰ্ব্ব আশ্ৰমাঃ॥ ২॥
যস্মাত্ৰয়োপ্যাশ্ৰমিণো দানেনান্নেন চান্বহম্।
গৃহস্থেনৈব ধাৰ্য্যন্তে তস্মাজ্জ্যেষ্ঠাশ্ৰমো গৃহী॥ ৩॥
স সংধাৰ্য্যঃ প্ৰয়ত্নেন স্বৰ্গমক্ষয়মিচ্ছতা।
সুখং চেহেচ্ছতা নিত্যং যোঽধাৰ্য্যো দুৰ্ব্বলেন্দ্ৰিয়ৈঃ॥ ৪॥

মনুঃ (৩।৭৭-৭৯)।

যেনেকৈ সকলো নদ নদীৰ আধাৰ সাগৰ, সেইদৰে বাকী সকলো আশ্ৰম গৃহস্থাশ্ৰমৰ আধাৰত বৰ্ত্তি থাকে। গৃহস্থ আশ্ৰমতেই জীৱনৰ সকলো সাধন সিদ্ধ হয়। ব্ৰহ্মচাৰী, বানপ্ৰস্থ আৰু সন্যাসী এই তিনিও আশ্ৰমীক অন্নাদি দানেৰে প্ৰতিদিন গৃহাশ্ৰমীয়েই ধাৰণ কৰে। গতিকে গাৰ্হস্থ্য জ্যেষ্ঠাশ্ৰম অৰ্থাৎ সকলো সাধনৰ ক্ষেত্ৰ। গতিকে সংসাৰৰ সুখ আৰু জীৱনৰ মোক্ষ কামনা কৰিলে সংযত্নৰে গৃহাশ্ৰম ধাৰণ কৰিব। দুৰ্ব্বলেন্দ্ৰিয় অৰ্থাৎ ভীৰু আৰু দুৰ্ব্বল পুৰুষ গৃহাশ্ৰম ধাৰণৰ অযোগ্য। গৃহস্থাশ্ৰমেই সংসাৰৰ সকলো আচৰণৰ আধাৰ। এই আশ্ৰমতেই জীৱনৰ সৃষ্টি হয়। আগতে জীৱনৰ সৃষ্টি নহলে ব্ৰহ্মচৰ্য্য, বানপ্ৰস্থ আৰু সন্যাস কেনেকৈ হব? যি গৃহাশ্ৰমৰ নিন্দা কৰে তেওঁহে নিন্দনীয়। কিন্তু এই গৃহাশ্ৰম অত্যন্ত জটিল, কষ্ট সাধ্য। স্ত্ৰী পুৰুষ দুয়ো জ্ঞান কৰ্ম্মত নিপুণ, পৰস্পৰ দায়িত্ব-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

শীল, প্ৰীত প্ৰসন্ন থাকিব পাৰিলেহে সাংসাৰিক সুখ ভোগ কৰিব পাৰে। এই আশ্ৰমত সফল হোৱাৰ বাবে ব্ৰহ্মচৰ্য্য আৰু স্বয়ম্বৰ বিবাহেই প্ৰধান আৰু মুল হেতু। ইমানলৈকে সমাবৰ্ত্তন, বিবাহ, আৰু গৃহাশ্ৰমৰ শিক্ষা সম্বন্ধে সংক্ষেপত লিখা হ'ল। ইয়াৰ পাছত বানপ্ৰস্থ আৰু সন্ন্যাসৰ বিষয়ে লিখা হ'ব।

ইতি— শ্ৰীমদ্দয়ানন্দ সৰস্বতী স্বামিকৃতে সত্যাৰ্থ প্ৰকাশে সুভাষা-বিভূষিতে সমাবৰ্ত্তন বিবাহ গৃহাশ্ৰম বিষয়ে চতুৰ্থঃ সমুল্লাসঃ সম্পূৰ্ণঃ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অথ পঞ্চম সমুল্লাসাৰম্ভঃ

অথ বানপ্রস্থ সন্ন্যাসবিধিং ৰক্ষ্যামঃ

ব্রহ্মচর্য্যাশ্রমং সমাপ্য গৃহী ভৱেৎ, গৃহী ভূত্বা
বনী ভৱেদ্বনী ভূত্বা প্রব্রজেৎ ॥ শত০ কা০ ১৪ ॥

ব্রহ্মচর্য্যাশ্রম সমাপ্ত কৰি গৃহী হব। গৃহস্থাশ্রম শেষ কৰি বানপ্রস্থ আৰু বানপ্রস্থ হোৱাৰ পাছত সন্ন্যাসী হব। ক্রমান্বয়ে এইবোৰ আশ্রমৰ বিধান বা জীৱনৰ চাৰিটা বিভাগ।

এবং গৃহাশ্রমে স্থিত্বা বিধিবৎ স্নাতকো দ্বিজঃ।
বনে বসেত্তু নিয়তো যথাবদ্বিজিতেন্দ্রিয়ঃ ॥ ১॥
গৃহস্থস্তু যদা পশ্যেদ্বলীপলিতমাত্মনঃ।
অপত্যস্যৈব চাপত্যং তদাৰণ্যং সমাশ্রয়েৎ ॥ ২॥
সন্ত্যজ্য গ্রাম্যমাহাৰং সর্ব্বং চৈৱ পৰিচ্ছদম্।
পুত্রেষু ভার্য্যাং নিঃক্ষিপ্য বনং গচ্ছেৎ সহৈব বা ॥ ৩॥
অগ্নিহোত্রং সমাদায় গৃহ্যং চাগ্নিপৰিচ্ছদম্।
গ্রামাদৰণ্যং নিঃসৃত্য নিবসেন্নিয়তেন্দ্রিয়ঃ ॥ ৪॥
মুন্যন্নৈর্বিবিধৈর্মেধ্যৈঃ শাকমূলফলেন বা।
এতানেৱ মহাযজ্ঞান্নির্বপেদ্বিধিপূর্ব্বকম্ ॥ ৫॥

মনু০ (৬।১-৫)॥

এইদৰে স্নাতক অর্থাৎ গৃহাশ্রম অৱলম্বনকাৰী, দ্বিজ অর্থাৎ ব্রাহ্মণ ক্ষত্রিয় আৰু বৈশ্যই গৃহাশ্রমত থকাৰ পাছত নিশ্চিতাত্মা আৰু সংযমী হৈ বনত বাস কৰিব। ১॥

গৃহাশ্রমীয় যেতিয়া মূৰৰ চুলি পকে, ছাল শিথিল হয়, নাতি-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নাতিনীৰ মুখ দেখে, তেতিয়া বনবাসী হব লাগে। ২॥ সকলো প্ৰকাৰ গ্ৰাম্য আহাৰ, বসন-ভূষণ আদি বস্তু পৰিত্যাগ কৰি পত্নীক পুত্ৰক গতাই দি বা লগত লৈ বনবাস কৰিব। ৩॥ অগ্নিহোত্ৰৰ সাধন সামগ্ৰী লগত লৈ গাওঁৰ পৰা ওলাই, ইন্দ্ৰিয় সংযমী হৈ অৰণ্যত বাস কৰিব। ৪॥ জাতিন্নাৰ (শ্যামাক) আদি অন্ন, শাক, ফল, মূল, কন্দ আদিৰেই পঞ্চ মহাযজ্ঞ কৰিব আৰু তাৰেই অতিথি সৎকাৰ আৰু জীৱন নিৰ্ব্বাহ কৰিব ॥ ৫ ॥

স্বাধ্যায়ে নিত্যযুক্তঃ স্যাদ্দান্তো মৈত্ৰঃ সমাহিতঃ।
দাতা নিত্যমনাদাতা সৰ্ব্বভূতানুকম্পকঃ॥ ১॥
অপ্ৰযত্নঃ সুখাৰ্থেষু ব্ৰহ্মচাৰী ধৰাশয়ঃ।
শৰণেষ্বমমশ্চৈৱ বৃক্ষমূলনিকেতনঃ ॥ ২ ॥ মনুঃ (৬,৮,২৬)॥

স্বাধ্যায় অৰ্থাৎ অধ্যয়ন অধ্যাপনাত সহায় যুক্ত, জিতাত্মা সকলোৰে প্ৰিয়, ইন্দ্ৰিয় সংযমী, দাতা, দয়ালু আৰু কাৰো পৰা কোনো দান গ্ৰহণ নকৰাকৈ থাকিব। ১॥ শাৰীৰিক সুখৰ বাবে বেছি যত্ন নকৰিব। নিজৰ পত্নীৰ লগত সহবাস নকৰাকৈ ভূমিত বিছনা পাতি শয়ন কৰিব। নিজৰ আশ্ৰিত অথবা নিজৰ বস্তু সামগ্ৰীত মায়া মমতা নাৰাখিব আৰু বৃক্ষৰ তলত বাস কৰিব। ২॥

তপঃশ্ৰদ্ধে যে হ্যুপৱসন্ত্যৰণ্যে শান্তা বিদ্বাংসো ভৈক্ষচৰ্য্যাং চৰন্তঃ। সূৰ্য্যদ্বাৰেণ তে বিৰজাঃ প্ৰয়ান্তি যত্ৰামৃতঃ স পুৰুষো হ্যব্যয়াত্মা ॥ ১॥ (মু॰ খ॰ ২। মং ১১)॥

যিসকল শান্ত, বিদ্বান লোকে বনত তপস্যা ধৰ্ম্মানুষ্ঠান আৰু সত্যলৈ শ্ৰদ্ধাশীল হৈ ভিক্ষাচৰণ কৰি বনত বাস কৰে, তেওঁলোকে য'ত অবিনাশী, লাভ অলাভ ৰহিত, পূৰ্ণ পুৰুষ পৰমাত্মা আছে, সেই স্থানত, নিৰ্ম্মলচিত্ত হৈ প্ৰাণদ্বাৰেদি সেই পৰমাত্মাক প্ৰাপ্ত কৰি আনন্দ লাভ কৰে। ১॥

অভ্যাদধামি সমিধমগ্নে ব্ৰতপতে ত্বয়ি।
ব্ৰতঞ্চ শ্ৰদ্ধাং চোপৈমীন্ধে ত্বা দীক্ষিতো অহম্ ॥ ১॥

যজুৰ্ব্বেদ ॥ অ॰ ২০। মং ২৪॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বানপ্ৰস্থীসকলে—"মই অগ্নিত হোম কৰি দীক্ষিত হৈ ব্ৰত, সত্যাচৰণ আৰু শ্ৰদ্ধা লাভ কৰিম"—এই অভিলাষেৰে বানপ্ৰস্থ অৱলম্বন কৰিব। সকলো তপশ্চৰ্য্যা, সৎসঙ্গ, যোগাভ্যাস, আৰু সুবিবেচনা, জ্ঞান, পৱিত্ৰতা অৱলম্বন কৰিব। তাৰ পাছত সন্ন্যাস গ্ৰহণৰ ইচ্ছা হলে স্ত্ৰীক পুত্ৰৰ ঘৰলৈ পঠিয়াই সন্ন্যাস গ্ৰহণ কৰিব।

ইতি সংক্ষেপেণ বানপ্ৰস্থবিধিঃ।

অথ সন্ন্যাসবিধিঃ

বনেষু চ বিহৃত্যৈৱং তৃতীয়ং ভাগমায়ুষঃ।
চতুৰ্থমায়ুষো ভাগং ত্যক্ত্বা সঙ্গান্ পৰিব্ৰজেৎ॥

আয়ুসৰ তৃতীয় ভাগ অৰ্থাৎ পঞ্চাশৰ পৰা পয়সত্তৰ বছৰ পৰ্য্যন্ত বাণপ্ৰস্থ হৈ থাকি জীৱনৰ চতুৰ্থ ভাগত সঙ্গত্যাগ কৰি পৰিব্ৰাট অৰ্থাৎ সন্ন্যাসী হ'ব।

প্ৰশ্নঃ—গৃহাশ্ৰম আৰু বাণপ্ৰস্থাশ্ৰম নকৰাকৈ সন্ন্যাস আশ্ৰম গ্ৰহণ কৰিলে পাপ হ'ব নেকি?

উত্তৰঃ—হ'বও পাৰে, নহ'বও পাৰে।

প্ৰশ্নঃ—দুয়োৰকমে কিয় ক'লে?

উত্তৰঃ দুইৰকমে কোৱা নাই। যি বাল্য অৱস্থাতে বৈৰাগ্য অৱলম্বন কৰি বিষয়ৰ প্ৰতি আসক্ত হয়, সি মহাপাপী হয়। যি তেনে নহয়, তেওঁ মহাপুণ্যাত্মা আৰু সৎপুৰুষ।

যদহৰেৱ বিৰজেত্তদহৰেৱ প্ৰৱ্ৰজেদ্বনাদ্বা গৃহাদ্বা
ব্ৰহ্মচৰ্য্যাদেৱ প্ৰৱ্ৰজেৎ॥

এইয়া ব্ৰাহ্মণ গ্ৰন্থৰ বচন। যি দিনা বৈৰাগ্য লাভ হয় সেই দিনাই গৃহ বা বনৰ পৰাই সন্ন্যাস গ্ৰহণ কৰিব। আগতে ক্ৰমানুসাৰ সন্ন্যাসৰ বিষয়ে লিখা হৈছে। ইয়াত বিকল্প ইমানেই যে বাণপ্ৰস্থ পালন নকৰাকৈয়ে গৃহাশ্ৰমৰ পৰাই সন্ন্যাস গ্ৰহণ কৰিব পাৰে। আৰু পূৰ্ণ জ্ঞানী, জিতেন্দ্ৰিয়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিষয় বাসনা ৰহিত আৰু সমাজৰ হিতকামী পুৰুষে ইচ্ছা হলে ব্ৰহ্মচৰ্য্য আশ্ৰমৰ পৰাই সন্ন্যাস গ্ৰহণ কৰিব পাৰে। বেদতো "যত্তয়ঃ ব্ৰাহ্মণস্ত বিজানতঃ" ইত্যাদি বাক্যত সন্ন্যাস বিধি আছে।

নাবিৰতো দুশ্চৰিতান্নাশান্তো নাসমাহিতঃ।
নাশান্তমানসো বাপি প্ৰজ্ঞানেনৈনমাপ্নুয়াৎ॥

কঠ; বল্লী ২। মং ২৩॥

যি দুৰাচাৰ ৰহিত নহয়, যাৰ চিত্ত অশান্ত, যি আত্মযোগী নহয় আৰু শান্তিবিহীন, তেওঁ সন্ন্যাস গ্ৰহণ কৰিও প্ৰজ্ঞানেৰে পৰমাত্মাক পাব নোৱাৰে। গতিকে :—

যচ্ছেদ্বাঙ্‌মনসী প্ৰাজ্ঞস্তদ্যচ্ছেদ্ জ্ঞান আত্মনি।
জ্ঞানমাত্মনি মহতি নিয়চ্ছেত্তদ্যচ্ছেচ্ছান্ত আত্মনি॥

কঠ০ বল্লী ৩। মং ১৩॥

বুদ্ধিমান্ সন্ন্যাসীয়ে বাক্য আৰু মনক অধৰ্ম্মৰ পৰা নিবৃত্তি কৰি, জ্ঞান আৰু আত্মাত যুক্ত কৰিব আৰু সেই জ্ঞান স্বাত্মাক পৰমাত্মাত নিয়োজিত কৰিব। আৰু সেই বিজ্ঞানক শান্তস্বৰূপ আত্মাত স্থিৰ কৰিব।

পৰীক্ষ্য লোকান্ কৰ্ম্মচিতান্ ব্ৰাহ্মণো
নিৰ্বেদমায়ান্নাস্ত্যকৃতঃ কৃতেন।
তদ্বিজ্ঞানাৰ্থং স গুৰুমেবাভিগচ্ছেৎ সমিৎপাণিঃ
শ্ৰোত্ৰিয়ং ব্ৰহ্মনিষ্ঠম্॥ মুণ্ড০ খ০ ২ ম০ ১২॥

সকলো লৌকিক ভোগ কৰ্ম্মৰ দ্বাৰা সঞ্চিত হোৱা বুলি জ্ঞান কৰি ব্ৰাহ্মণ অৰ্থাৎ সন্ন্যাসীয়ে বৈৰাগ্য অৱলম্বন কৰিব। কাৰণ অকৃত অৰ্থাৎ যি কাৰো দ্বাৰা সৃষ্ট হোৱা নাই, সেই পৰমাত্মাক কৃত অৰ্থাৎ কেৱল কৰ্ম্মৰ দ্বাৰাই প্ৰাপ্ত হব নোৱাৰি। গতিকে অৰ্পণ কৰিবলৈ হাতত কিবা দ্ৰব্য লৈ বিজ্ঞানৰ কাৰণে বেদবিদ আৰু ব্ৰহ্মজ্ঞ গুৰুৰ ওচৰলৈ গৈ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সকলো সংশয় দূৰ কৰিব কিন্তু তলত উল্লেখ কৰা লোক সকলৰ সংসৰ্গ একেবাৰে পৰিত্যাগ কৰিব :—

অবিদ্যায়ামন্তৰে বৰ্ত্তমানাঃ স্বয়ং ধীৰাঃ পণ্ডিতম্মন্যমানাঃ।
জঙ্ঘন্যমানাঃ পৰিয়ন্তি মূঢ়া অন্ধেনৈব নীয়মানা যথান্ধাঃ।
অবিদ্যায়াং বহুধা বৰ্ত্তমানা বয়ং কৃতাৰ্থা ইত্যভিমন্যন্তি বালাঃ।
যৎকৰ্ম্মিণো ন প্ৰবেদয়ন্তি ৰাগাৎ তেনাতুৰাঃ ক্ষীণলোকাশ্চ্যবন্তে॥২

মুণ্ডঃ মঃ ২। মঃ ৮।৯।

যি সকলে অবিদ্যাৰ মাজত আমোদ প্ৰমোদ কৰি থাকে আৰু নিজকে নিজে ধীৰ আৰু পণ্ডিত বুলি ভাৱে, সেই সকলে নীচগতি প্ৰাপ্ত হয়। মূৰ্খই অন্ধৰ পথ অনুসৰণ কৰি দুৰ্দ্দশাগ্ৰস্ত হোৱাৰ দৰে সেই বিলাকে দুঃখ ভোগ কৰিব লগীয়া হয়॥ ১॥ চঞ্চল বাল্য বুদ্ধি যুক্ত যিবিলাকে অবিদ্যাত বহু প্ৰকাৰে থাকি নিজক কৃতাৰ্থ হোৱা বুলি অনুভৱ কৰে, যিবিলাকে কেৱল কৰ্ম্মকাণ্ডত ৰত থাকে, তেওঁলোক বিষয়ত আসক্ত আৰু মোহান্ধ হৈ জানিব আৰু জনাবও নোৱাৰে; তেওঁলোক আতুৰ হৈ জন্ম মৰণ ৰূপ দুখত নিমগ্ন হৈ থাকে॥ ২॥ গতিকে—

বেদান্তবিজ্ঞানসুনিশ্চিতাৰ্থাঃ সংন্যাসযোগাদ্ যতয়ঃ শুদ্ধসত্ত্বাঃ
তে ব্ৰহ্মলোকেষু পৰান্তকালে পৰামৃতাঃ পৰিমুচ্যন্তি সৰ্ব্বে॥

মুণ্ডঃ খঃ ২। মঃ ৬।

যি সকল বেদান্ত অৰ্থাৎ পৰমজ্ঞানৰ প্ৰতিপাদক বেদমন্ত্ৰৰ অৰ্থজ্ঞান আৰু তদনুকূল আচৰণত দৃঢ় নিশ্চয় আৰু যি সকল সন্ন্যাস যোগ দ্বাৰা শুদ্ধান্তঃকৰণ সন্ন্যাসী হয়, তেওঁলোকে পৰম (পৰমেশ্বৰ) মুক্তি সুখ ভোগৰ সীমা অন্ত হলে, সেই স্থানৰ পৰা নিক্ৰান্ত হৈ পুনৰায় সংসাৰলৈ আগমন কৰে। মুক্তি ব্যতীত দুঃখৰ নাশ নহয়।

ন বৈ সশৰীৰস্য সতঃ প্ৰিয়াপ্ৰিয়য়োৰপহতিৰস্ত্যশৰীৰং
বাবসন্তং নপ্ৰিয়াপ্ৰিয়ে স্পৃশতঃ॥

ছান্দো০ প্ৰ০ ৮। ম০ ১২।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দেহধাৰী অৰ্থাৎ দেহ থাকে মানে বা দেহত প্ৰাণ থাকে মানে সুখ দুখ নোহোৱাকৈ থাকিব নোৱাৰে। যেতিয়া অশৰীৰী জীৱাত্মা শুদ্ধ আৰু মুক্ত অৱস্থাত পৰমাত্মাৰ লগত অৱস্থান কৰে, তেতিয়াহে সাংসাৰিক সুখ দুখ নোহোৱা হয়।

বিত্তৈষণায়াশ্চ লোকৈষণায়াশ্চ পুত্ৰৈষণায়াশ্চ
ব্যুত্থায়াথ ভিক্ষাচৰ্য্যং চৰন্তি॥ (শত০ কা০ ১৪। প্ৰ০ ৫ প্ৰ০ ২। ক০ ১)

সাংসাৰিক খ্যাতি বা লাভ, ঐশ্বৰ্য্য ভোগ, সন্মান আৰু পুত্ৰাদিৰ মোহৰ পৰা দূৰৈত থাকি ভিক্ষা-বৃত্তি অৱলম্বন কৰি সন্ন্যাসী সকলে মোক্ষ সাধনত তৎপৰ থাকে।

প্ৰাজাপত্যাং নিৰূপ্যেষ্টিং তস্যাং সৰ্ব্ববেদসং হুত্বা ব্ৰাহ্মণঃ
প্ৰব্ৰজেৎ ॥১॥ যজুৰ্ব্বেদ ব্ৰাহ্মণে ॥
প্ৰাজাপত্যাং নিৰূপ্যেষ্টিং সৰ্ব্ববেদসদক্ষিণাম্।
আত্মন্যগ্নীন্ সমাৰোপ্য ব্ৰাহ্মণঃ প্ৰব্ৰজেদ্ গৃহাৎ ॥২॥
যো দত্বা সৰ্ব্বভূতেভ্যঃ প্ৰব্ৰজত্যভয়ং গৃহাৎ।
তস্য তেজোময়া লোকা ভৱন্তি ব্ৰহ্মবাদিনঃ ॥৩॥
(মনুঃ ৬।৩৮,৩৯ ॥)

প্ৰজাপতি অৰ্থাৎ পৰমেশ্বৰ লাভৰ কাৰণে ইষ্টি অৰ্থাৎ যজ্ঞ কৰি সেই যজ্ঞতেই যজ্ঞোপৱীত আৰু শিখাদি চিহ্ন পৰিত্যাগ কৰিব। আহৱনীয়াদি পাঁচ প্ৰকাৰৰ অগ্নিক প্ৰাণ, অপান, ব্যান, উদান আৰু সমান এই পঞ্চ প্ৰাণত আৰোপণ কৰি ব্ৰহ্মবিদ ব্ৰাহ্মণে গৃহত্যাগ কৰি সন্ন্যাসী হব।

যি সৰ্ব্বভূত অৰ্থাৎ প্ৰাণীমাত্ৰকেই অভয়দান দি গৃহ ত্যাগ কৰি সন্ন্যাসী হয়, সেই ব্ৰহ্মবাদী ধৰ্ম্ম আৰু জ্ঞানৰ উপদেশৰ সন্ন্যাসীয়ে জ্যোতিৰ্ময় আনন্দময় মুক্তি-লোক প্ৰাপ্ত হয়।

প্ৰশ্ন—সন্ন্যাসীৰ ধৰ্ম্ম কি ?

উত্তৰ—নিৰপেক্ষ ন্যায় আচৰণ সত্য গ্ৰহণ, অসত্য বৰ্জ্জন, [illegible]

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কথন, পৰহিতকেই নিজ হিত জ্ঞান, ইত্যাদিবোৰ সকলো আশ্ৰমৰ অৰ্থাৎ মনুষ্য মাত্ৰেই কৰ্ত্তব্য ধৰ্ম্ম। কিন্তু সন্ন্যাসীৰ বাবে বিশেষ ধৰ্ম্ম এইবোৰ:—

দৃষ্টি পূতাং ন্যসেৎ পাদং বস্ত্ৰপূতং জলং পিবেৎ।
সত্য পূতং বদেদ্বাচং মনঃ পূতং সমাচৰেৎ ॥ ১॥
ক্ৰুদ্ধ্যন্তং ন প্ৰতিক্ৰুধ্যেদাক্ৰুষ্টঃ কুশলং বদেৎ।
সপ্তদ্বাৰাবকীৰ্ণাঞ্চ ন বাচমনৃতাং বদেৎ ॥ ২॥
অধ্যাত্মৰতিৰাসীনো নিৰপেক্ষো নিৰামিষঃ।
আত্মনৈব সহায়েন সুখাৰ্থী বিচৰেদিহ ॥ ৩॥
ক্লৃপ্তকেশনখশ্মশ্ৰুঃ পাত্ৰী দণ্ডী কুসম্ভবান্।
বিচৰেন্নিয়তো নিত্যং সৰ্ব্বভূতান্যপীড়য়ন্ ॥ ৪॥
ইন্দ্ৰিয়াণাং নিৰোধেন ৰাগদ্বেষক্ষয়েণ চ।
অহিংসয়া চ ভূতানামমৃতত্বায় কল্পতে ॥ ৫॥
দূষিতোঽপি চৰেদ্ধৰ্ম্মং যত্ৰ তত্ৰাশ্ৰমে ৰতঃ।
সমঃ সৰ্ব্বেষু ভূতেষু ন লিঙ্গং ধৰ্ম্মকাৰণম্ ॥ ৬॥
ফলং কতকবৃক্ষস্য যদ্যপ্যম্বুপ্ৰসাদকম্।
ন নামগ্ৰহণাদেব তস্য বাৰি প্ৰসীদতি ॥ ৭॥
প্ৰাণায়ামা ব্ৰাহ্মণস্য ত্ৰয়োঽপি বিধিবৎ কৃতাঃ।
ব্যাহৃতি প্ৰণবৈৰ্যুক্তা বিজ্ঞেয়ং পৰমন্তপঃ ॥ ৮॥
দহ্যন্তে ধ্যায়মানানাং ধাতূনাং হি যথা মলাঃ।
তথেন্দ্ৰিয়াণাং দহ্যন্তে দোষাঃ প্ৰাণস্য নিগ্ৰহাৎ ॥৯॥
প্ৰাণায়ামৈৰ্দহেদ্দোষান্ ধাৰণাভিশ্চ কিল্বিষম্।
প্ৰত্যাহাৰেণ সংসৰ্গান্ ধ্যানেনানীশ্বৰান্ গুণান্ ॥১০॥
উচ্চাবচেষু ভূতেষু দুৰ্জ্ঞেয়ামকৃতাত্মভিঃ।
ধ্যানযোগেন সংপশ্যেদ্ গতিমস্যান্তৰাত্মনঃ ॥১১॥
অহিংসয়েন্দ্ৰিয়াসঙ্গৈ বৈদিকৈশ্চৈব কৰ্ম্মভিঃ।
তপসশ্চৰণৈশ্চোগ্ৰৈঃ সাধয়ন্তীহ তৎপদম্ ॥১২॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যদা ভাবেন ভবতি সৰ্ব্বভাবেষু নিস্পৃহঃ।
তদা সুখমবাপ্নোতি প্রেত্য চেহ চ শাশ্বতম্ ॥ ১৩॥
চতুর্ভিৰপি চৈবৈতৈৰ্নিত্যমাশ্ৰমিভি র্দ্বিজৈঃ।
দশ লক্ষণকো ধৰ্ম্মঃ সেবিতব্যঃ প্রয়ত্নতঃ ॥ ১৪॥
ধৃতিঃ ক্ষমা দমোঽস্তেয়ং শৌচমিন্দ্রিয়নিগ্রহঃ।
ধীৰ্বিদ্যা সত্যমক্রোধো দশকং ধৰ্ম্মলক্ষণম্ ॥ ১৫॥
অনেন বিধিনা সৰ্ব্বাংস্ত্যক্ত্বা সঙ্গান্ শনৈঃ শনৈঃ।
সৰ্ব্বদ্বন্দ্ববিনিৰ্ম্মুক্তো ব্ৰহ্মণ্যেবাবতিষ্ঠতে ॥ ১৬॥
(মনু০ অ০ ৬।৪৬।৪৯।৫২।৬০।৬৬।৬৭।৭০।৭১।৭২।৭৩।৭৫।৮০।৯১।৯২।৮১)

গমন কালত সন্ন্যাসীয়ে ইতস্ততঃ দৃষ্টিপাত নকৰি ভূমিত দৃষ্টি ৰাখিব লাগে। কাপোৰেৰে চেকি জল পান কৰিব, সদায় সত্য কথা কব, সত্য অসত্যৰ বিবেচনা কৰি সত্যৰ গ্ৰহণ আৰু অসত্যৰ বৰ্জ্জন কৰিব ॥ ১॥ কেতিয়াবা কোনোৱে ক্ৰোধ বা নিন্দা কৰিলেও প্ৰতিক্ৰোধ বা প্ৰতিবাদ নকৰি সেই সকলৰ কল্যাণমূলক উপদেশ দিয়া সন্ন্যাসীৰ কৰ্ত্তব্য। মুখৰ এক, নাসিকাৰ দুই, চক্ষুৰ দুই আৰু কৰ্ণৰ দুই ছিদ্ৰত প্ৰৱেশ কৰা কোনো কথাকেই কোনো কাৰণত মিছা নামাতিব। ২॥ নিজৰ আত্মা আৰু পৰমাত্মাত স্থিৰ নিৰপেক্ষ থাকি মদ্য মাংসাদি বৰ্জ্জন কৰি, আত্মাৰেই সহায়ত সুখাৰ্থী হৈ এই সংসাৰত ধৰ্ম্মোন্নতি আৰু বিদ্যাৰ উন্নতি জনক কাৰ্য্যত সদায় লিপ্ত থাকিব। ৩॥ কেশ, নখ, দাড়ি, গোফ খুৰাই, সুন্দৰ পাত্ৰ আৰু দণ্ড ধাৰণ কৰি আৰু কুসুম্ভ আদিৰে ৰঞ্জিত বস্ত্ৰ পৰিধান কৰি আত্মবিশ্বাসী হৈ আৰু কাকো উৎপীড়ন নকৰাকৈ বিচৰণ কৰিব। ৪॥ ইন্দ্ৰিয় সংযম আৰু ৰাগ দ্বেষ ত্যাগ কৰি কাৰো প্ৰতি বৈৰভাৱ নেৰাখি মোক্ষৰ সাধন কৰি থাকিব লাগে। ৫॥ আনে নিন্দা বা প্ৰশংসা কৰিলেও আৰু যেই কোনো আশ্ৰমত যুক্ত থাকিও ধৰ্ম্মৰ আচৰণ কৰিব, সকলো প্ৰাণীতে সমজ্ঞান কৰিব। বেশভূষাই ধৰ্ম্মৰ কাৰণ নহয় অৰ্থাৎ কেৱল দণ্ড কমণ্ডলু আদি ধাৰণ কৰিলেই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ধৰ্ম্ম হব নোৱাৰে। বিদ্যাৰ বৃদ্ধি আৰু অবিদ্যাৰ হ্রাস কৰ
সন্ন্যাসীৰ কৰ্ত্তব্য।৬॥ যদ্যপি নিৰ্ম্মলী বৃক্ষৰ ফল বতি গুৰি কৰি অ
বিকাৰ জলত দিলে সেই জল পৰিস্কাৰ হয়, কিন্তু তাৰ জলত মিহ
নকৰি কেৱল নাম ললে বা ডিঙিত বান্ধি ললেই জল পৰিস্কাৰ
নোৱাৰে।৭॥ গতিকে ব্রাহ্মণ অৰ্থাৎ ব্রহ্মবিৎ সন্ন্যাসীয়ে তিনি ওঙ্কা
লগত সপ্তব্যাহৃতিৰে বিধিবৎ যথাশক্তি প্রাণায়াম কৰা কৰ্ত্তব্য। প্রা
য়াম তিনিটাৰ কম হব নেলাগে। এই প্রাণায়াম সন্ন্যাসীৰ প
তপস্যা।৮॥ ধাতু যেনেকৈ অগ্নিত গলালে বা তপত কৰিলে নি
হয়, সেইদৰে প্রাণায়াম অৰ্থাৎ প্রাণৰ নিগ্রহ কৰিলে মন আদি ইন্দ্রি
বোৰৰ দোষ দূৰ হয়।৯॥ সকলোৱে প্রতিদিন প্রাণায়ামেৰে আত্ম অ
কৰণ, আৰু ইন্দ্রিয়বোৰৰ দোষ, ধাৰণাৰদ্বাৰা পাপ, প্রত্যাহাৰৰ দ্ব
সমদোষ আৰু ধ্যানেৰে অনীশ্বৰ গুণ, অৰ্থাৎ হৰ্ষ শোক আৰু অবিদ
জীৱৰ দোষ ভস্মীভূত কৰিব লাগে।১০॥ এই ধ্যান যোগৰ দ্বাৰা অযো
আৰু অজ্ঞানী সকলৰ পক্ষে দুৰ্জ্ঞেয় সকলোতে পৰমাত্মাৰ যি ব্যাপ্তি অ
নিজৰ আত্মা আৰু অন্তৰ্য্যামী পৰমাত্মাৰ যি গতি, তাক দৰ্শন কৰিব।১
সকলো ভূতৰ প্রতি নিৰ্বৈৰ ভাৱ, ইন্দ্রিয়ৰ বশ, বৈদিক কৰ্ম্ম আৰু উ
তপস্যাৰ দ্বাৰাই এই সংসাৰত মোক্ষ পদ পূৰ্ব্বোক্ত সন্ন্যাসীয়েহে লি
কৰিব আৰু কৰাব পাৰে।১২॥ যেতিয়া সন্ন্যাসী সৰ্ব্বপ্রকাৰে সকলো বি
পদাৰ্থত নিস্পৃহ, চিন্তাত বাহিৰে ভিতৰে পৱিত্র হয় তেতিয়া দেহ থা
মানে আৰু মৰণৰ পাছতো পৰম শান্তি পাব পাৰে।১৩॥ গতিকে সকলো অৱ
তেই সকলোৱে যত্ন পূৰ্ব্বক দশ লক্ষণ যুক্ত ধৰ্ম্মৰ আচৰণ কৰা উচিত।১
ধৰ্মৰ ৰূপ লক্ষণ যথা :— (ধৃতি) ধৈৰ্য্য, (ক্ষমা) সহিষ্ণুতা, (দম) সদ
অৰ্থাৎ কৰ্ত্তব্য ধৰ্ম্মত ৰতি আৰু অধৰ্ম্মত বিৰতি, (অস্তেয়) পৰৰ অপহ
বা চুৰি নকৰা, (শৌচ) জল আদিৰে শৰীৰৰ শুদ্ধি আৰু ৰাগ, দ্বে
পক্ষপাত ত্যাগ কৰি অন্তৰ শুদ্ধি, (ইন্দ্রিয়নিগ্রহ) ইন্দ্রিয়ক সংযম ক
(ধীঃ) বুদ্ধিৰ বৃদ্ধি আৰু বুদ্ধিস্থ (বিদ্যা) সংসাৰৰ সৎ অসৎ বা হিতাহি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

জ্ঞান, (সত্য) আচৰণ কৰা, (অক্রোধ) ক্রোধ পৰিত্যাগ কৰা । এই দশ লক্ষণ বিশিষ্ট পক্ষপাত ৰহিত, ন্যায়াচৰণ ৰূপ ধৰ্ম্ম চাৰিও আশ্ৰমীয়েই পালন কৰা পৰম কৰ্ত্তব্য। এই ধৰ্ম্মৰ আচৰণ কৰা আৰু আনক হৃদয়ঙ্গম কৰোৱাই সন্ন্যাসীৰ বিশেষ ধৰ্ম্ম। ১৫॥ এই বিধিৰেই সকলো আসক্তি ধীৰে ধীৰে এৰি সংসাৰৰ সকলো দুখ শোক, মায়ামোহৰ পৰা সন্ন্যাসী মুক্ত হৈ পৰমাত্মাত লীন হয়। সকলোকে এনে উপদেশ দিয়া সকলো সংশয় আৰু সমস্যাৰ সমাধান কৰি দিয়া, আৰু কৰ্ত্তব্য ধৰ্ম্মত প্ৰবৃত্ত কৰোৱা সন্ন্যাসীৰ প্ৰধান কৰ্ত্তব্য। ১৬॥

প্ৰশ্ন— সন্ন্যাস কেৱল ব্ৰাহ্মণৰহে ধৰ্ম্ম, নে ক্ষত্ৰিয় আদি অন্য বৰ্ণৰো ধৰ্ম্ম ?

উত্তৰ—সন্ন্যাস ধৰ্ম্মত কেৱল ব্ৰাহ্মণৰহে অধিকাৰ। সকলো বৰ্ণৰ ভিতৰত যি পূৰ্ণ বিদ্বান, জ্ঞানী, ধৰ্ম্মপৰায়ণ, যাৰ সকলো প্ৰাণীতেই সমতাৰ জ্ঞান, তেনে পুৰুষেই ব্ৰাহ্মণ। যাৰ এইবোৰ গুণ স্বভাৱ নাই তেওঁৰ সন্যাস গ্ৰহণ কৰাৰ অধিকাৰ নাই আৰু সেই গুণৰ অধিকাৰী নোহোৱাকৈ সন্ন্যাসী হলে তেওঁৰ বা জগতৰ একো উপকাৰ সাধিব নোৱাৰে। এই কাৰণেই জনশ্ৰুতি আছে যে কেৱল ব্ৰাহ্মণৰহে সন্ন্যাসত অধিকাৰ আছে, অন্যৰ নাই। মনুস্মৃতিতো প্ৰমাণ আছে ঃ—

এষ বোঽভিহিতো ধৰ্ম্মো ব্ৰাহ্মণস্য চতুৰ্ব্বিধঃ।
পুণ্যোঽক্ষয়ফলঃ প্ৰেত্য ৰাজধৰ্ম্মান্ নিবোধত॥ মনুঃ ৬।৯৭

মহাৰাজ মনুৱে কৈ গৈছে "হে ঋষিসকল! এই চতুৰ্বিধ অৰ্থাৎ ব্ৰহ্মচৰ্য্য, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্ন্যাস আশ্ৰম পালন কৰা ব্ৰাহ্মণৰ ধৰ্ম্ম। সন্ন্যাস ধৰ্ম্ম বৰ্ত্তমানে অৰ্থাৎ দেহ থাকে মানে পুণ্যস্বৰূপ, আৰু দেহত্যাগ কৰাৰ পাছত মুক্তি স্বৰূপ অক্ষয় আনন্দপ্ৰদ। ইয়াৰ পাছত ৰাজধৰ্ম্মৰ বিষয়ে শ্ৰৱণ কৰক"। ইয়াৰ দ্বাৰা বুজা যায় যে, প্ৰধানকৈ ব্ৰাহ্মণৰহে সন্নাস গ্ৰহণৰ অধিকাৰ, বাকী ক্ষত্ৰিয়াদিৰ ব্ৰহ্মচৰ্য্য আশ্ৰম।

প্ৰশ্ন ঃ—সন্ন্যাস লোৱাৰ কি আৱশ্যক ?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰঃ— শৰীৰৰ ভিতৰত যেনেকৈ মস্তকৰ প্ৰয়োজন, সেইদৰে আশ্ৰম সমূহৰ ভিতৰত সন্ন্যাস আশ্ৰমৰ প্ৰয়োজন হয়। কাৰণ সন্ন্যাস নহলে সমাজত কেতিয়াও বিদ্যা আৰু ধৰ্ম্মৰ উন্নতি হ'ব নোৱাৰে। অন্যান্য আশ্ৰমীয়ে, বিদ্যাধ্যয়ন, গৃহকৃত্য, আৰু তপস্যাত আবদ্ধ থাকি লাগে গতিকে অবসৰ নেথাকে। পক্ষপাত সম্পূৰ্ণ ত্যাগ কৰা অন্য আশ্ৰমীৰ পক্ষে সম্ভৱপৰ নহয়। সৰ্ব্বত্যাগী আৰু সকলোৰে পৰা মুক্ত সন্ন্যাসীৰ সৎ বিদ্যাৰে পদাৰ্থ বিজ্ঞানৰ উন্নতি সাধনৰ যিমান অৱকাশ থাকে, আন কাৰো সিমান থাকিব নোৱাৰে। আৰু ব্ৰহ্মচৰ্য্য আশ্ৰমৰ পৰাই সন্ন্যাসী হৈ সমাজৰ যিমান উপকাৰ সাধন কৰিব পৰা যায় গৃহস্থ বা বানপ্ৰস্থ আশ্ৰমৰ পাছত সন্ন্যাসী হৈ সিমানখিনি কৰিব নোৱাৰি।

প্ৰশ্নঃ—সন্ন্যাস গ্ৰহণ কৰাটো সৃষ্টি নীতিৰ পৰিপন্থী, কাৰণ সৃষ্টিৰ ক্ৰমবিকাশ কৰাই সৃষ্টিকৰ্ত্তাৰ অভিপ্ৰেত। গৃহাশ্ৰম নকৰিলে সন্ন্যাসী হবলৈ সন্তান কেনেকৈ হ'ব, আৰু সন্ন্যাসেই যদি প্ৰধান ধৰ্ম্ম, সেই মতে সকলোৱে সন্ন্যাসী হলে মনুষ্য জাতি একেবাৰে লোপ নাপাব নে ?

উত্তৰঃ—বিবাহ কৰিলেও অনেকৰ সন্তান জন্ম নহয় বা হলেও অকালতে মৰি যায়। এইবোৰো সৃষ্টিৰ বা সৃষ্টি কৰ্ত্তাৰ বিৰুদ্ধ হব নেকি ? যদি কোৱা হয়—"যত্নে কৃতে যদি ন সিধ্যতি কোঽত্ৰ দোষঃ" এইটো কোনোৱা কবিৰ উক্তি। ইয়াৰ অৰ্থ হৈছে চেষ্টা কৰা সত্বেও কাৰ্য্যসিদ্ধি নহলে দোষ কি ? অৰ্থাৎ একো দোষ নাই। সেয়ে যদি হয়, আপোনাক প্ৰশ্ন কৰোঁ—যদি গৃহাশ্ৰমত বহুত সন্তান জন্ম হয় আৰু সেইবোৰে অজ্ঞান অশিক্ষা বশতঃ পৰস্পৰ বিৰুদ্ধাচৰণ আৰু কন্দল বিবাদ কৰি মৰে, তাৰ পৰা মনুষ্য জাতিৰ অনিষ্ট নহবনে ? ভুল বুজা বুজিৰ কাৰণেই অনেক সময়ত বাদ বিবাদ ঘটে। সন্ন্যাসীৰ ধৰ্ম্ম উপদেশৰ প্ৰভাৱত পৰস্পৰৰ ভিতৰত প্ৰীতি, সহায়, সহযোগ হলে লক্ষ লক্ষ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মনুষ্য গৃহস্থৰ সমান সংখ্যক মানুহ বাঢ়িব। আৰু সকলোৱে সন্ন্যাসী হোৱাৰ যোগ্যও নহয়, কাৰণ সৰ্ব্বসাধাৰণৰ বিষয় বাসনাৰ আসক্তি কেতিয়াও দূৰ নহয়। সন্ন্যাসীৰ আদৰ্শ শিক্ষাত যিবোৰ ধৰ্ম্ম পৰায়ণ হয় সেইবোৰ সন্ন্যাসীৰ পুত্ৰ তুল্য।

প্ৰশ্ন:—সন্ন্যাসী সকলে কয় —যে তেওঁলোকৰ কোনো কৰ্ত্তব্য কৰ্ম নাই। কেৱল অন্ন বস্ত্ৰ পালেই শান্তি আৰু সন্তোষত থাকে। অনিত্য মায়াময় সংসাৰৰ কাৰণে চিন্তা দুঃখ কৰি মৰে কিয়? স্বয়ং ব্ৰহ্ম বুলি সন্তুষ্ট থাকি যেয়ে সোধে, তাকো ব্ৰহ্ম বুলি কোৱা হয়। পাপ পুণ্য একোৱে কাকো স্পৰ্শ কৰিব নোৱাৰে। কাৰণ শীত উষ্ণ শৰীৰৰ, ক্ষুধা-তৃষ্ণা প্ৰাণৰ আৰু সুখ-দুখ মনৰ ধৰ্ম। জগত যেতিয়া মিথ্যা, জগতৰ সকলো ব্যৱহাৰো কল্পিত অৰ্থাৎ মিথ্যা। গতিকে মিথ্যা মায়াত আবদ্ধ হোৱা জ্ঞানীৰ কাম নহয়। পাপ পুণ্য সকলো দেহ আৰু ইন্দ্ৰিয়ৰ ধৰ্ম, আত্মাৰ নহয়। সন্ন্যাসী সকলে এনেকুৱা উপদেশকে দিয়ে। আপুনি বিপৰীত সন্ন্যাস ধৰ্মৰ কথা হৈছে। এতিয়া আমি কাৰ কথা সঁচা আৰু কাৰ কথা মিছা বুলি মানিম?

উত্তৰ:—সন্ন্যাসীৰ পক্ষে সেইবোৰ সৎকৰ্ম্মও কৰ্ত্তব্য নহয় নেকি? মনুস্মৃতিত কৈছে "বৈদিকৈশ্চৰ কৰ্ম্মভিঃ" অৰ্থাৎ—বৈদিক কৰ্ম্ম যিবোৰ ধৰ্ম্মসঙ্গত সত্যকৰ্ম্ম, সেইবোৰ সন্ন্যাসীৰ অৱশ্যে কৰ্ত্তব্য। খোৱা পিন্ধাও সন্ন্যাসীয়ে ত্যাগ কৰিব পাৰে নেকি? যদি এইবোৰ কৰ্ম্ম পৰিত্যাগ কৰিব নোৱাৰে, তেন্তে সৎ কৰ্ম্ম পৰিত্যাগ কৰিলে মহা পাপী নহব জানো? সন্ন্যাসীয়ে গৃহস্থ সকলৰ পৰা অন্ন বস্ত্ৰ গ্ৰহণ কৰি নিজৰ জীৱন নিৰ্ব্বাহ কৰে, গৃহস্থ সকলৰ কোনো প্ৰত্যুপকাৰ নকৰিলে অকৃতজ্ঞ আৰু মহাপাপী নহব নে? যেনেকৈ চকুৰে দৰ্শন আৰু কাণেৰে শ্ৰৱণ নকৰিলে চকু-কাণ নিৰৰ্থক হয়, সেই দৰেই সত্য জ্ঞানৰ আলোচনা আৰু প্ৰচাৰ নকৰিলে সন্ন্যাসী সমাজো বৃথা ভাৰ স্বৰূপ হে হয়। "মায়া বা অবিদ্যা ৰূপী সংসাৰ চিন্তা কৰা বৃথা" ইত্যাদি সি সকলে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

লিখে বা প্ৰচাৰ কৰে তেওঁলোক স্বয়ং অবিদ্যা আৰু মায়াত মুগ্ধ আৰু পাপী। শৰীৰেৰে যি কোনো কৰ্ম্মই কৰা হয়—সকলো আত্মাৰেই কৰা আৰু কৰ্ম্মৰ ফল ভোগে আত্মাই। যি সকলে জীৱকেই ব্ৰহ্ম বোলে তেওঁলোক ঘোৰ অন্ধকাৰত নিমগ্ন। কাৰণ জীৱ এক দেশী আৰু অল্পজ্ঞ, কিন্তু ব্ৰহ্ম সৰ্ব্বব্যাপক আৰু সৰ্ব্বজ্ঞ। ব্ৰহ্ম নিত্য শুদ্ধ, বুদ্ধ আৰু মুক্ত স্বভাৱৰ। জীৱ কেতিয়াবা বদ্ধ আৰু কেতিয়াবা মুক্ত হয়। ব্ৰহ্ম সৰ্ব্বব্যাপক আৰু সৰ্ব্বজ্ঞ কাৰণে তেওঁৰ কেতিয়াও অবিদ্যা বা ভ্ৰম হব নোৱাৰে। কিন্তু জীৱৰ কেতিয়াবা বিদ্যা আৰু কেতিয়াবা অবিদ্যা বা ভ্ৰম হয়। ব্ৰহ্মই জন্ম-মৰণৰ দুখ ভোগ নকৰে কিন্তু জীৱেহে সেইবোৰ ভোগ কৰে। গতিকে জীৱকেই ব্ৰহ্ম বোলে উপদেশবোৰ মিথ্যা।

প্ৰশ্ন ঃ—সন্ন্যাসী সৰ্ব্বকৰ্ম্মবিনাশী অগ্নি আৰু ধাতু স্পৰ্শ নকৰে —এই কথা সত্য নে ?

উত্তৰ ঃ—সত্য নহয়। "সম্যঙ্ নিত্যমাস্তে যস্মিন্ যদ্ বা সম্যঙ্ ন্যশ্যন্তি দুঃখানি কৰ্ম্মাণি যেন স সন্ন্যাসঃ, স প্ৰশস্তো বিদ্যতে যস্য স সন্ন্যাসী" যি ব্ৰহ্মস্থ, যাৰ দ্বাৰা অসৎ কৰ্ম্ম ত্যাগ কৰা হয়, যি এই সৎ স্বভাৱ বিশিষ্ট তাকেই সন্ন্যাসী বোলে। গতিকে যি সৎকৰ্ম্ম কৰে আৰু অবিদ্যা অসৎ কৰ্ম্মৰ নাশ কৰে তেওঁকেই সন্ন্যাসী বোলে।

প্ৰশ্ন ঃ— গৃহস্থয়ো অধ্যাপনা আৰু উপদেশ দিয়ে, তেনেস্থলত সন্ন্যাসীৰ প্ৰয়োজন কি ?

উত্তৰ ঃ—সকলো আশ্ৰম বাসীয়েই সত্য আৰু জ্ঞানৰ উপদেশ দিব আৰু শুনিব পাৰে। কিন্তু সন্ন্যাসীৰ যিমান দূৰ অৱকাশ আৰু নিৰপেক্ষতা থাকে, গৃহস্থৰ সিমান হব নোৱাৰে। অৱশ্যে ব্ৰাহ্মণ বৰ্ণৰ ভিতৰত পুৰুষে পুৰুষক আৰু নাৰীসকলে নাৰী সমাজত সত্যবিদ্যাৰ উপদেশ কৰা সম্ভৱ। সন্ন্যাসীৰ ইচ্ছামতে ভ্ৰমণৰ সদায় অবকাশ থাকে, কিন্তু গৃহস্থ ব্ৰাহ্মণৰ গৃহস্থৰ দায়িত্ব এৰি ফুৰিবৰ সিমান সময় কত ? গৃহী ব্ৰাহ্মণেও নিজৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰ্ত্তব্য ধৰ্ম্মৰ বিৰুদ্ধাচৰণ কৰিলে সন্ন্যাসীৰহে তাক নিয়ন্ত্ৰণ কৰিবৰ অধিকাৰ থাকে। গতিকে সমাজত সন্ন্যাসীৰো প্ৰয়োজন।

প্ৰশ্ন ঃ—"একৰাত্ৰিং বসেৎ গ্ৰামে" ইত্যাদি বচন অনুসাৰে সন্ন্যাসী কোনো স্থানত মাত্ৰ এৰাতিহে বাস কৰিব পাৰে। বেছিদিন থকা অনুচিত নহয় নে ?

উত্তৰ ঃ—ইয়াত আংশিক সত্য আছে। সন্ন্যাসী একেস্থানত থাকিলে সমাজৰ বেছি উপকাৰ হ'ব নোৱাৰে, আৰু স্থান বিশেষৰ প্ৰতি আসক্তি আৰু ৰাগ দ্বেষ বাঢ়ে। কোনো এঠাইত থাকিলে যদি বিশেষ উপকাৰ সাধন কৰিব পাৰে, তেতিয়া থকাই ভাল। উদাহৰণ স্বৰূপে জনকৰজাৰ ভৱনত পঞ্চশিখা আদি আৰু অন্যান্য সন্ন্যাসী সকল বহু বছৰ বাস কৰিছিল। কাৰণ কোনো স্থানত বেছিদিন থাকিলে সেই ঠাইৰ ছল চাতুৰী বুজিব পাৰে আৰু সেইবোৰ যাতে বেছি নাবাঢ়ে তাৰ বাবে চেষ্টা কৰিব পাৰে।

প্ৰশ্নঃ—যতীনাং কাঞ্চনং দদ্যাত্তাম্বুলং ব্ৰহ্মচাৰিণাম্।
চৌৰাণামভয়ং দদ্যাৎ স নৰো নৰকং ব্ৰজেৎ॥

এই শ্লোকৰ অৰ্থমতে সন্ন্যাসীক সুৱৰ্ণ দান কৰিলে দাতা নৰকগামী হয়।

উত্তৰ ঃ—এইবোৰ বৰ্ণাশ্ৰমবিৰোধী সাম্প্ৰদায়িক স্বাৰ্থপৰৰ কল্পিত ৰচনা। কাৰণ সন্ন্যাসীয়ে ধন পালে তেওঁলোকৰ স্বাৰ্থপৰ মতৰ বিৰোধিতা কৰিব, গতিকে স্বাৰ্থৰ ব্যাঘাত হ'ব, সন্ন্যাসীসকল সত্য বক্তা আৰু কাৰো অধীন নহয়। সন্ন্যাসী ভিক্ষাধীন থাকিলে বিৰোধিতা কৰিব নোৱাৰে আৰু যদি মূৰ্খ আৰু স্বাৰ্থপৰ সকলক দান কৰাটো শ্ৰেষ্ঠ কৰ্ম হয়, তেন্তে জ্ঞানী, পৰৰ হিতপৰায়ণ সন্ন্যাসীসকলক দান দিলে কোনো দোষ হ'ব নোৱাৰে। মনুস্মৃতিত আছে ঃ—

বিবিধানি চ ৰত্নানি বিবিক্তেষূপপাদয়েৎ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অৰ্থঃ – নানাবিধ ৰত্ন, সুবৰ্ণ আদি ধন বিবিক্ত অৰ্থাৎ সন্ন্যাসীক দান কৰিব। গতিকে পূৰ্ব্বোক্ত শ্লোকৰ অৰ্থ যুক্তিহীন। সেইমতে সন্ন্যাসীক সুবৰ্ণ দান কৰিলে যদি যজমান নৰকত পৰে, তেন্তে ৰূপ, মুক্তা, হীৰা আদি দান কৰিলে স্বৰ্গলৈ যাব।

প্ৰশ্ন ঃ—পণ্ডিত দেউ, এই শ্লোক পঢ়োতে ভুল কৰিছে। আচলতে "যতিহস্তে ধনং দদ্যাৎ"—অৰ্থাৎ যি সন্ন্যাসীক ধন দিয়ে সি নৰকত পতিত হয়।

উত্তৰ ঃ—এই বচনো স্বাৰ্থান্ধ প্ৰৱঞ্চকৰ কল্পিত। কাৰণ যদি হাতে হাতে দান দিলে দাতা নৰকত পৰে, তেন্তে ভৰিত বা টোপোলা বান্ধি দিলে স্বৰ্গলৈ যাব, এইবোৰ কল্পনা মনাৰ যুক্তি নাই।

হ'ব পাৰে যে, যদি সন্ন্যাসীয়ে যথাৰ্থ ব্যৱহাৰ নকৰি ধন হাতত ৰাখে, তেন্তে চুৰি অথবা মোহগ্ৰস্ত হোৱাৰো আশঙ্কা থাকে। কিন্তু বিদ্বান্ ব্যক্তি হলে কেতিয়াও অনুচিত ব্যৱহাৰ নকৰে আৰু মোহগ্ৰস্ত হ'ব নোৱাৰে। কাৰণ গৃহাশ্ৰমত অথৱা ব্ৰহ্মচৰ্য্য আশ্ৰমতেই তত্ত্বজ্ঞান পাই পূৰ্ণ বিৰাগত যিজন সন্ন্যাসী হয়, তেওঁক ধন-সম্পত্তি আদি বিষয়ত আসক্ত কেতিয়াও কৰিব নোৱাৰে।

প্ৰশ্ন ঃ—মানুহে কয় যে, শ্ৰাদ্ধত সন্ন্যাসীক ভোজন দান কৰিলে সেই শ্ৰাদ্ধ অনুষ্ঠাতাৰ পিতৃপুৰুষ সকল পলায়ন কৰে আৰু নৰকত পৰে।

উত্তৰ ঃ – মৃত পিতৃৰ সকলৰ আগমন বা অনুষ্ঠিত শ্ৰাদ্ধক তেওঁ লোকলৈ পঠোৱাই অসম্ভৱ। ই বেদ বিৰুদ্ধ আৰু যুক্তি বিৰুদ্ধ; গতিকে মিথ্যা। আগমনেই যেতিয়া অসম্ভৱ পলোৱাৰ কথাই নুঠে। সৃষ্টিকৰ্তাৰ ব্যৱস্থাত কৰ্ম্ম অকৰ্ম্ম অনুসাৰে জীৱ মৃত্যুৰ পাছত নতুন জন্মত আৱদ্ধ হয়, সেই শৰীৰ বন্ধন এৰি অহা কেনেকৈ সম্ভৱ হ'ব পাৰে? গতিকে এইবোৰ পৌৰাণিক কল্পনা। ইয়াৰ ৰহস্য এই যে, শ্ৰাদ্ধানুষ্ঠানত সন্ন্যাসী উপস্থিত হলে মৃতকৰ বেদ বিৰুদ্ধ শ্ৰাদ্ধৰ ছল-চাতুৰী পলাই দূৰ হয়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰশ্ন ঃ—ব্ৰহ্মচৰ্য্যৰ পৰাই সন্ন্যাসী জীৱন নিৰ্ব্বাহ কৰা অতি কঠোৰ কাম। কাম নিৰোধ কৰা অতি কষ্টসাধ্য। গতিকে গৃহাশ্ৰম আৰু বানপ্ৰস্থাশ্ৰম শেষ কৰি সন্ন্যাসী হোৱাহে বাঞ্ছনীয়?

উত্তৰ ঃ—যি সন্ন্যাস ধৰ্ম্ম আচৰণত আৰু ইন্দ্ৰিয় নিৰোধত অসমৰ্থ, তেওঁ ব্ৰহ্মচৰ্য্য আশ্ৰমৰ পৰাই সন্ন্যাস গ্ৰহণ নকৰিব। কিন্তু যি সমৰ্থ, তেওঁ নকৰিব কিয়? যি বিষয় ভোগৰ দোষ আৰু বীৰ্য্যসংৰক্ষণৰ মহত্ত্ব জানে তেওঁ কেতিয়াও বিষয়ত আসক্ত হ'ব নোৱাৰে। আৰু তেওঁৰ বীৰ্য্য জ্ঞানাগ্নিৰ ইন্ধন সদৃশ অৰ্থাৎ জ্ঞানাগ্নিতেই খৰচ হয়। যেনেকৈ চিকিৎসক আৰু ঔষধৰ আৱশ্যক ৰোগীৰ কাৰণেহে, নিৰোগীৰ কাৰণে নহয়। যি পুৰুষ বা নাৰীৰ মানৱ সমাজৰ বিদ্যা, ধৰ্ম্মৰ উন্নতি আৰু কল্যাণ সাধন কৰাই উদ্দেশ্য, তেওঁলোকে বিবাহ নকৰে। পঞ্চশিখ আদি পুৰুষসকল আৰু গাৰ্গী আদি অনেক নাৰী দেৱী এনেকুৱাই আছিল। গতিকে যি সকল সন্ন্যাসৰ অধিকাৰী, তেওঁলোকহে সন্ন্যাসী হ'ব। অনধিকাৰীয়ে সন্ন্যাসী হলে নিজেতো ডুবিবই, আনকো ডুবাব। "সম্রাট" অৰ্থাৎ চক্ৰৱৰ্ত্তী ৰাজা যেনেকুৱা, সেইদৰে সন্ন্যাসীও "পৰিব্ৰাট্"। ৰাজা স্বজাতি বা স্বদেশতহে সন্মানিত, কিন্তু সন্ন্যাসী সৰ্ববত্ৰ সন্মানিত হয়।

বিদ্বত্বং চ নৃপত্বং চ নৈব তুল্যং কদাচন।
স্বদেশে পূজ্যতে ৰাজা বিদ্বান্ সৰ্ব্বত্ৰ পূজ্যতে॥

(চাণক্য নীতি)

বিদ্বান আৰু ৰাজা কেতিয়াও সমান হ'ব নোৱাৰে। কাৰণ ৰাজা স্বদেশতহে সন্মানিত, কিন্তু বিদ্বানৰ শ্ৰদ্ধা আৰু খ্যাতি সকলো দেশতে। গতিকে বিদ্যা আৰু বল আৰ্জ্জনৰ কাৰণে ব্ৰহ্মচৰ্য্য আশ্ৰম, সৎ অনুষ্ঠান আৰু ধৰ্ম্মকাৰ্য্যৰ কাৰণে গৃহস্থ আশ্ৰম, বিবেচনা ধ্যান, বিজ্ঞান আৰু তপস্যাৰ কাৰণে বানপ্ৰস্থ আশ্ৰম আৰু পৰম ধৰ্ম্ম আচৰণ, সৎ আদৰ্শৰ প্ৰচাৰ, সত্য শাস্ত্ৰৰ ব্যাখ্যা আৰু সংশয়, সমস্যা সমাধান আদিৰ কাৰণে সন্ন্যাস আশ্ৰম। যি সন্ন্যাসীয়ে এনেবোৰ কৰ্ত্তব্য ধৰ্ম্ম পালন কৰিব নোৱাৰে,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তেওঁ পতিত আৰু নৰকগামী হয়। গতিকে সত্যৰ উপদেশ, সংশয় নিবাৰণ, বেদাদি জ্ঞানমূলক শাস্ত্ৰৰ অধ্যাপন আৰু সৎ আদৰ্শৰে জগতৰ উন্নতি সাধন কৰাই সন্ন্যাসীৰ কৰ্ত্তব্য।

প্ৰশ্নঃ—বৈৰাগী, সাধু, গুৰুগিৰি কৰি ফুৰা আদিও সন্ন্যাস আশ্ৰমত গণ্য হয় নে নহয়?

উত্তৰঃ—নহয়। কাৰণ সেইবোৰৰ ভিতৰত সন্ন্যাসীৰ লক্ষণ এটাও নাই। সেই সকলৰ আচৰণ বেদ-বিৰুদ্ধ, আৰু বেদতকৈও তেওঁলোকৰ সম্প্ৰদায়ৰ গুৰুসকলৰ বাক্যকেই মানে। নিজৰ নিজৰ সম্প্ৰদায়ৰহে প্ৰশংসা কৰে, আৰু মিথ্যা প্ৰপঞ্চত আবদ্ধ হৈ স্বাৰ্থৰ কাৰণে আনকো আবদ্ধ কৰায়। সংশোধনৰ কথাতো নায়েই, তাৰ পৰিবৰ্ত্তে মানৱ সমাজক বিভ্ৰান্ত কৰি অধঃপতিত কৰে আৰু নিজৰ উদ্দেশ্য সিদ্ধি কৰে। গতিকে সেই সকল সন্ন্যাস আশ্ৰমত গণ্য হ'ব নোৱাৰে, কিন্তু স্বাৰ্থাশ্ৰমী হে; তাত সন্দেহ থাকিব নোৱাৰে। যি স্বয়ং ধৰ্ম্মৰ আচৰণ কৰে, সমাজকো পথ প্ৰদৰ্শন কৰায়, নিজে ইহজন্ম আৰু পৰজন্মত শান্তি পায় আৰু আনকো সেই শান্তিৰ অনুভৱ কৰাব পাৰে, সেই সকল প্ৰকৃত সন্ন্যাসী আৰু মহাত্মা। ইমানতে সন্ন্যাস ধৰ্ম্ম এৰি ইয়াৰ পাচত ৰজা আৰু প্ৰজাৰ ধৰ্ম্মৰ বিষয়ে লিখা হ'ব।

ইতি– শ্ৰীমদ্দয়ানন্দ সৰস্বতী স্বামিকৃতে সত্যাৰ্থপ্ৰকাশে সুভাষা-বিভূষিতে বানপ্ৰস্থসন্ন্যাসাশ্ৰমবিষয়ে পঞ্চম সমুল্লাসঃ সম্পূৰ্ণঃ ॥ ৫॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অথ ষষ্ঠ সমুল্লাসাৰম্ভঃ

অথ ৰাজধৰ্ম্মান্ ব্যাখ্যাস্যামঃ

ৰাজধৰ্ম্মান্ প্ৰবক্ষ্যামি যথাবৃত্তো ভৱেন্নৃপঃ।
সম্ভৱশ্চ যথা তস্য সিদ্ধিশ্চ পৰমা যথা॥ ১॥
ব্ৰাহ্মং প্ৰাপ্তেন সংস্কাৰং ক্ষত্ৰিয়েণ যথাবিধি
সৰ্ব্বস্যাস্য যথান্যায়ং কৰ্ত্তব্যং পৰিৰক্ষণম্॥ ২॥

মনু° (৭।১-২)

মহাৰাজ মনুৱে ঋষি সকলক কলে—চাৰি বৰ্ণ আৰু চাৰি আশ্ৰমৰ ধৰ্ম্ম আচৰণ বৰ্ণনা কৰাৰ পাচত এতিয়া ৰাজ ধৰ্ম্ম বৰ্ণনা কৰা হব। ৰজাবিলাক যেনেকুৱা হোৱা উচিত, তেনেকুৱাই যাতে হোৱাটো সম্ভৱ হয়, আৰু যাৰ দ্বাৰাই পৰম সিদ্ধি অৰ্থাৎ সফলতা লাভ হব পাৰে, তাকেই সৰ্ব্ব প্ৰকাৰে বৰ্ণনা কৰা হব ধৰিছে। ১॥ ব্ৰাহ্মণে যেনেকৈ সংস্কাৰ লাভ কৰে, ক্ষত্ৰিয়য়ো যথাৰ্থ ন্যায় ধৰ্ম্ম ৰক্ষা কৰিবলৈ হলে সেইদৰে উপযুক্ত সংস্কাৰ আৰু সুশিক্ষা লাভ কৰা আৱশ্যক॥২॥

ৰাজ্য পৰিচালনা প্ৰণালী:—

ত্ৰীণি ৰাজানা বিদথে পুৰূণি পৰি বিশ্বানি ভূষথঃ সদাংসি॥

ঋ° ম° ৩। সু° ৩৮। মং ৬॥

ৰজা আৰু প্ৰজাবৰ্গ মিলি জ্ঞান-বিজ্ঞানৰ উন্নতি বিধায়ক আৰু ৰজা আৰু প্ৰজাৰ আচৰণ বিষয়ক তিনিখন সভা, যেনে বিদ্যাবিধান সভা, ধৰ্ম্ম কৰ্ম্ম বিধান সভা আৰু ৰাজনৈতিক বিধান সভা গঠন কৰি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নানা প্ৰকাৰে ৰাজ্যৰ সকলো মানুহ আদি প্ৰাণী সকলক অৰ্থ, বিদ্যা, ধৰ্ম্ম, জ্ঞান আদিৰে সৰ্ব্বতোভাবে অলঙ্কৃত কৰা কৰ্ত্তব্য।

তং সভা চ সমিতিশ্চ সেনা চ ॥ ১

অথৰ্ব্ব, কা০ ১৫। অনু০ ২ ব০ ৯ ম০ ২॥

সভ্য সভাং মে পাহি যে চ সভ্যাঃ সভাসদঃ ॥ ২॥

অথৰ্ব্ব, কা০ ১৯ অনু০ ৭ ব০ ৫৫ ম০ ৬॥

সেই তিনিখন সভা, তাৰ অন্তৰঙ্গ ভিন্ন ভিন্ন উপসমিতি আৰু সৈন্য —এই সকলো মিলি ৰাজধৰ্ম্ম পালন কৰা কৰ্ত্তব্য। ১॥ ৰজাই সভাসদ সকলক আহ্বান কৰি ক'ব— "সুযোগ্য সভাসদ সকল, আপোনালোকে মোৰ অৰ্থাৎ ৰাজ্যৰ ধৰ্ম্মযুক্ত ব্যৱস্থাবোৰ পালন কৰক" ২॥ ইয়াৰ অভি- প্ৰায় এয়েই হয় যে ৰাজ্যৰ ৰজা প্ৰজা সকলো পৰস্পৰ অধীন। ৰাজ্য ৰাষ্ট্ৰৰ সৰ্ব্বপ্ৰধান, ৰজাৰ অধীন সভা, সভাৰ অধীন ৰজা, প্ৰজাৰ অধীন ৰজা আৰু সভা আৰু ৰাজসভাৰ অধীন প্ৰজাসকল। সেয়ে নহলে-

ৰাষ্ট্ৰমেৱ বিশ্যাহন্তি তস্মাদ্ৰাষ্ট্ৰী বিশং ঘাতুকঃ।
বিশমেব ৰাষ্ট্ৰায়াদ্যাং কৃৰোতি তস্মাদ্ৰাষ্ট্ৰী
বিশমত্তি ন পুষ্টং পশুং মন্যত ইতি ॥

শত০ কা০ ১৩। প্ৰ০ ২ ব্ৰা০ ৩। (কং০ ৭।৮)

ৰজাসকল যদি প্ৰজাৰ অধীন নহয়, তেন্তে ৰাজ্য শাসনত সোমাই প্ৰজাক নাশ কৰিব পাৰে। তেনে ৰজাই স্বেচ্ছাচাৰী বা উন্মত্ত হৈ প্ৰজাৰ অনিষ্টকাৰী হৈ পৰে, অৰ্থাৎ ৰক্ষক নহৈ ভক্ষক হয় বা বৰকৈ উৎপীড়ন কৰে। গতিকে ৰাজ্যত কোনো ব্যক্তি বিশেষক স্বাধীনতা দিয়া অনুচিত। যেনেকৈ সিংহ বা কোনো পৰাক্ৰমী মাংসাহাৰীয়ে হৃষ্টপুষ্ট পশুক বশ নকৰি বধ কৰি ভক্ষণ কৰে, সেইদৰে স্বতন্ত্ৰ ৰজাই প্ৰজা নাশ কৰে অৰ্থাৎ নিজতকৈ আনক প্ৰভাৱৱান হোৱা সহ্য নকৰে, আৰু সকলোকে নিজৰ প্ৰভাৱৰ বশ কৰি ৰাখিবলৈ বিচাৰে। গতিকে :—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ইন্দ্রো জয়াতি ন পৰা জয়াতা অধিৰাজো ৰাজসু ৰাজয়াতৈ।
চৰ্কৃত্য ঈড্যো বন্দ্যশ্চোপসদ্যো নমস্যো ভবেহ ॥ ১॥

অথৰ্ব্ব০ কা০ ৬। অনু০ ১০. ব০ ৯৮, ম০ ১॥

(বেদবাণী অৰ্থাৎ জ্ঞান মানৱ জাতিৰ কাৰণেই গতিকে) হে মানৱ সকল! যি মানৱ সমাজৰ ভিতৰত শ্ৰেষ্ঠ, পৰম ঐশ্বৰ্য্যৱান, যি সকলোকে জয় কৰিব পাৰে, যি কেতিয়াও পৰাজিত নহয়. যি ৰজাসকলৰ মাজত মাননীয়, যি.উৎকৃষ্ট গুণৰাজিৰে প্ৰকাশমান, যি নেতা বা সমাজপতি হোৱাৰ যোগ্য, যি সকলোৰে পূজনীয়, সন্মানীয়, যি শৰণ লোৱাৰ যোগ্য, শ্ৰদ্ধাস্পদ অৰ্থাৎ নেতৃত্বৰ যোগ্য, তেওঁকেই ৰজাই সভাপতি কৰিব।

ইমং দেবা অসপত্নং সুবধ্বং মহতে ক্ষত্ৰায়
মহতে জ্যৈষ্ঠ্যায় মহতে জানৰাজ্যায়েন্দ্ৰস্যেন্দ্ৰিয়ায় ॥ ১॥

যজু০ অ০ ৯, ম০ ৪॥

হে জ্ঞানী ৰজাপ্ৰজা সকল! এনেকুৱা পুৰুষক, মহৎ উদ্দেশ্যৰ কাৰণে, সৰ্ব্বাধিনায়কৰ কাৰণে, বিশাল সমৃদ্ধিশালী ৰাজ্য প্ৰতিষ্ঠাৰ কাৰণে আৰু নিয়ন্ত্ৰণ কৰ্ত্তাৰো নিয়ন্ত্ৰণ কৰিবলৈ, পৃথিৱীত নিৰ্বৈৰতাৰ বৃদ্ধি কৰিবলৈ সমৰ্থহোৱা লোকক সভাপতি কৰি আনুগত্য জনোৱা।

স্থিৰা বঃ সন্ত্বায়ুধা পৰাণুদে বীলু উত প্ৰতিষ্কভে।
যুষ্মাকমস্তু তৱিষী পনীয়সী মা মৰ্ত্ত্যস্য মায়িনঃ ॥ ১॥

ঋ০ ম০ ১ সূ০ ২৩৯, ম০ ২॥

তোমালোকৰ নানা ধৰণৰ আগ্নেয় অস্ত্ৰ, শতঘ্নী অৰ্থাৎ তোপ, ভুশুণ্ডী অৰ্থাৎ বন্দুক, অগ্নিবান, বৰুণ বান আদি ধ্বংসাত্মক অস্ত্ৰ আৰু তৰোৱাল আদি অন্যান্য অস্ত্ৰ-শস্ত্ৰবোৰে শত্ৰুক পৰাজয় কৰিবলৈ বা প্ৰতিৰোধ কৰিবলৈ প্ৰশংসিত বা ধনাী আৰু দৃঢ় হওক। তোমালোকৰ সেনা প্ৰশংসনীয় শক্তিশালী হওক, তোমালোকৰ বিজয়ৰ কাৰণে, কিন্তু নিন্দনীয় আৰু অন্যায় কৰ্ম্মৰ কাৰণে নহওক। অৰ্থাৎ যিমান দিন ন্যায় ধৰ্ম্ম

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰ্ম্মৰ বিবেচনা থাকে, সিমান দিন ৰাজ্য সৰ্ব্বপ্ৰকাৰ উন্নতিৰ পথ থাকে, তাৰ বিপৰীত হলে অধোগামী হয়। যথাযোগ্য গুণ বিদ্যা অনুসাৰে বিদ্বান সকলক বিদ্যা-সভাৰ অধিকাৰ, কৰ্ম্মজ্ঞ বা কৰ্ম্মকৌশলী সকলক কৰ্ম্মবিধান সভাৰ অধিকাৰ, ৰাজনীতিজ্ঞ সকলক ৰাজনৈতিক সভাৰ সভাসদ কৰিব লাগে। সৰ্ব্বশ্ৰেষ্ঠ সন্মানীয়জনক ৰাজসভাৰ সভাপতি ৰূপে বৰণ কৰিব লাগে। সকলো সভাৰ বিবেচনাৰে নিৰ্ধাৰিত নীতিৰে ৰাজ্য পৰিচালনা কৰিব লাগে। নিৰ্ধাৰিত নীতিৰ সকলো অধীন থাকিব লাগে। যাক যি দায়িত্ব দিয়া হয় তাক যথাৰ্থৰূপে পালন কৰাই ধৰ্ম। সভাপতিৰ যোগ্যতাৰ লক্ষণ :—

> ইন্দ্ৰাঽনিলযমাৰ্কাণামগ্নেশ্চ বৰুণস্য চ।
> চন্দ্ৰবিত্তেশয়োশ্চৈব মাত্ৰা নিৰ্হৃত্য শাশ্বতী। ১॥
> তপত্যাদিত্যবচ্চৈব চক্ষূংষি চ মনাংসি চ।
> ন চৈনং ভুবি শক্নোতি কশ্চিদপ্যভিবীক্ষিতুম্। ২॥
> সোঽগ্নিৰ্ভবতি বায়ুশ্চ সোঽৰ্কঃ সোমঃ স ধৰ্ম্মৰাট্।
> স কুবেৰঃ স বৰুণঃ স মহেন্দ্ৰঃ প্ৰভাবতঃ। ৩॥

মনু০ ৭ (৪।৬...

সেই সভাপতি, নৃপতি বা ৰজা, বৰুণ, অগ্নি, সূৰ্য্য, চন্দ্ৰ, ধনকুবেৰ আৰু যমৰ দৰে বিশেষ বিশেষ গুণৰ অধিকাৰী হোৱা উচিত আৰু ... দৰে সকলোকে নিয়ন্ত্ৰণ কৰিব পৰা সামৰ্থ্যৱান হোৱা আৱশ্যক। ... মানে নিয়ন্ত্ৰণ কাৰী শক্তি। ১॥ সকলোৰে চকুত আৰু মনত ... অন্তৰে বাহিৰে, সূৰ্য্যৰ দৰে নিজ প্ৰভাৱেৰে সকলোকে প্ৰভাবান্বিত ... পাৰিব আৰু যাক কোনেও পৃথিবীত কটু দৃষ্টিৰে চাব নোৱাৰে। ২॥ অগ্নি, বায়ু, সূৰ্য্য ধৰ্ম্ম, কুবেৰ, বৰুণ, সোম, ইন্দ্ৰৰ দৰে সকলো প্ৰ... বিশেষ বিশেষ গুণৰ অধিকাৰী, তেওঁৱেই সভাপতি, নৃপতি ... উপযুক্ত। ৩॥ (এইবোৰ লাক্ষণিক অৰ্থ)

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰকৃত—ৰজা কোন ?

স ৰাজা পুৰুষো দণ্ডঃ স নেতা শাসিতা চ সঃ।
চতুৰ্ণামাশ্ৰমাণাঞ্চ ধৰ্ম্মস্য প্ৰতিভূঃ স্মৃতঃ॥ ১॥
দণ্ডঃ শাস্তি প্ৰজাঃ সৰ্ব্বা দণ্ড এবাভিৰক্ষতি।
দণ্ডঃ সুপ্তেষু জাগৰ্ত্তি দণ্ডং ধৰ্ম্মং বিদুৰ্বুধাঃ॥ ২॥
সমীক্ষ্য স ধৃতঃ সম্যক্ সৰ্ব্বা ৰঞ্জয়তি প্ৰজাঃ।
অসমীক্ষ্য প্ৰণীতস্তু বিনাশয়তি সৰ্ব্বতঃ॥ ৩॥
দুষ্যেয়ুঃ সৰ্ব্ববৰ্ণাশ্চ ভিদ্যৰন্ সৰ্ব্বসেতৰঃ।
সৰ্ব্বলোক প্ৰকোপশ্চ ভবেদ্দণ্ডস্য বিভ্ৰমাৎ॥ ৪॥
যত্ৰ শ্যামো লোহিতাক্ষো দণ্ডশ্চৰতি পাপহা।
প্ৰজাস্তত্ৰ ন মুহ্যন্তি নেতা চেৎ সাধু পশ্যতি॥ ৫॥
তস্যাহুঃ সংপ্ৰণেতাৰং ৰাজানং সত্যবাদিনম্।
সমীক্ষ্য কাৰিণং প্ৰাজ্ঞং ধৰ্ম্মকামাৰ্থকোবিদম্॥ ৬॥
তং ৰাজা প্ৰণয়ন্ সম্যক্ ত্ৰিবৰ্গেনাভিবৰ্দ্ধতে।
কামাত্মা বিষমঃ ক্ষুদ্ৰো দণ্ডেনৈৰ নিহন্যতে॥ ৭॥
দণ্ডো হি সুমহত্তেজো দুৰ্দ্ধৰশ্চাকৃতাত্মভিঃ।
ধৰ্ম্মাদ্বিচলিতং হন্তি নৃপমেৱ সবান্ধৱম্॥ ৮॥
সোঽসহায়েন মূঢ়েন লুব্ধেনাকৃতবুদ্ধিনা।
ন শক্যো ন্যায়তো নেতুং সক্তেন বিষয়েষু চ॥ ৯॥
শুচিনা সত্যসন্ধেন যথাশাস্ত্ৰানুসাৰিণা।
প্ৰণেতুং শক্যতে দণ্ডঃ সুসহায়েন ধীমতা॥ ১০॥

মনু০ ৭ (১৭-১৯|২৪-২৮|৩০,৩১)॥

দণ্ডই পুৰুষ, ৰজা, ন্যায়ৰ প্ৰৱৰ্ত্তক, আৰু সকলোৰে শাসন কৰ্ত্তা চাৰিও বৰ্ণ আৰু চাৰিও আশ্ৰমৰ ধৰ্ম্মৰ প্ৰতিভূ অৰ্থাৎ দায়িত্ব স্বৰূপ।১॥ দণ্ডই প্ৰজাক শাসন কৰে, দণ্ডই সকলোকে ৰক্ষা কৰে, দণ্ডই শুই থকা অৱস্থাৰ পৰা সকলোকে জাগ্ৰত কৰে, জ্ঞানী সকলে দণ্ডকেই ধৰ্ম্ম

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বোলে ।২॥ সু-বিবেচিত দণ্ড প্ৰজাৰ আনন্দ দায়ক আৰু অবিবেচিত
বিনাশৰ কাৰণ । ৩॥ দণ্ড বিনা সকলো বৰ্ণ দূষিত হয়, সকলো দা
সীমা উল্লঙ্ঘন হয় । যথাৰ্থ দণ্ড নহলে সকলো লোকৰ উচ্ছৃ
বৃদ্ধি পায় । ৪॥ কৃষ্ণবৰ্ণ ভয়ঙ্কৰ কায়ৰ ৰঙাচকুৰা দণ্ড আগত দেখি থা
প্ৰজা মোহ-প্ৰাপ্ত নহয় অৰ্থাৎ সচেতন হৈ থাকে, যদিহে সেই
অধিকাৰী নেতা সাধু হয় ।৫॥ যি সত্যবাদী, বিবেচনাশীল, বুদ্ধি
ধৰ্ম্ম অৰ্থ কামৰ তত্বজ্ঞ তেওঁকেই জ্ঞানীসকলে দণ্ডৰ অধিকাৰী ক
যোগ্য বুলি বিবেচনা কৰে ।৬॥ যি ন্যায়দণ্ড যথাৰ্থভাৱে চলায়,
ধৰ্ম্ম-অৰ্থ আৰু কাম এই তিনি বৰ্গৰ সিদ্ধি কৰ্ত্তা । কিন্তু যি দণ্ডাধি
শাসক বিষয়াসক্ত, কুটিল, ঈৰ্ষা পৰায়ণ, হীনমনা, তেওঁ দণ্ডৰ দ্বাৰাই বি
পায় । ৭॥ ন্যায়দণ্ড যিহেতু মহৎ শক্তিশালী, সেইবাবে তাক অবি
অজ্ঞানী পুৰুষে ধাৰণ কৰা অসাধ্য ও ধৰ্ম্ম জ্ঞানহীন ৰজাক সবংশে
দণ্ডই নাশ কৰে ।৮॥ কাৰণ যাৰ আপ্ত উপদেষ্টা নাই, বিদ্যা,
বিবেচনা নাই, যি বিষয়াসক্ত মূৰ্খ, তেওঁ ন্যায়দণ্ড ৰক্ষাৰ অযোগ্য
পৰিত্ৰাত্মা. সদাচৰণশীল, সৎসঙ্গ পৰায়ণ, নৈতিক আচৰণশীল, আৰু
সৎ পুৰুষৰ সহায় সহযোগ পায়, তেওঁৰেই ন্যায়দণ্ড পৰিচালনত
হ'ব পাৰে । ১০॥ গতিকেঃ—

সৈনাপত্যং চ ৰাজ্যং চ দণ্ডনেতৃত্বমেৱ চ ।
সৰ্ব্বলোকাধিপত্যং চ বেদশাস্ত্ৰবিদৰ্হতি । ১॥
দশাবৰা বা পৰিষদ্ যং ধৰ্ম্মং পৰিকল্পয়েৎ ।
ত্ৰ্যৱৰা বাপি বৃত্তস্থা তং ধৰ্ম্মং ন বিচালয়েৎ । ২॥
ত্ৰৈবিদ্যো হৈতুকস্তৰ্কী নৈৰুক্তো ধৰ্ম্মপাঠকঃ ।
ত্ৰয়শ্চাশ্ৰমিনঃ পূৰ্ব্বে পৰিষৎ স্যাদ্দশাবৰা । ৩॥
ঋগ্বেদবিদ্যজুৰ্বিচ্চ সামবেদবিদেৱ চ ।
া পৰিষজ্জ্ঞেয়া ধৰ্ম্মসংশয়নিৰ্ণয়ে । ৪॥
পি বেদবিদ্ধৰ্ম্মং যং ব্যৱস্যেদ্দ্বিজোত্তমঃ ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স বিজ্ঞেয়ঃ পৰো ধৰ্ম্মো নাজ্ঞানামুদিতোঽযুতৈঃ ॥
অব্রতানামমন্ত্রাণাং জাতিমাত্রোপজীবিনাম।
সহস্রশঃ সমেতানাং পৰিষত্ত্বং ন বিদ্যতে ॥ ৬
যংবদন্তি তমোভূতা মূৰ্খা ধৰ্ম্মমতৰ্দ্বিদঃ।
তৎ পাপং শতধা ভূত্বা তদ্বক্তৃননুগচ্ছতি ॥ ৭

মনু০ ১২। (১০০।১১০-১১৫) ॥

সেনা আৰু সেনাপতিৰ আধিপত্য, প্ৰশাসনীয় অধিকাৰ, দণ্ডবিধিৰ অধিকাৰ, সৰ্ব্বোপৰি সৰ্ব্বাধীশ ৰাজ্যাধিকাৰ, এই চতুৰ্বিধ অধিকাৰ বেদাদি শাস্ত্ৰৰ যথাৰ্থ জ্ঞানী, জিতেন্দ্ৰিয়, ধৰ্ম্মপৰায়ণ, সদাচাৰণশীল ব্যক্তিকহে দিয়া কৰ্ত্তব্য ॥ ১ ॥ অন্ততঃ দহজন সদস্য বা অতিকমে তিনিজন সদস্যৰ সভাৰ মন্ত্ৰণাত যি সিদ্ধান্ত হয় সেই ধৰ্ম্ম সিদ্ধান্ত অৰ্থাৎ ব্যৱস্থা উলঙ্ঘন কৰা অনুচিত ॥ ২ ॥ এই সভাত তিনিবিদ্যাবিদ, ন্যায় শাস্ত্ৰজ্ঞ, তৰ্কশাস্ত্ৰজ্ঞ নিৰুক্ত শাস্ত্ৰজ্ঞ, ধৰ্ম্মশাস্ত্ৰজ্ঞৰ দহজন সদস্য থকা আৱশ্যক। আৰু সেই দহজন সদস্যই আগতে ব্ৰহ্মচৰ্য্য, গৃহস্থ আৰু বানপ্ৰস্থ এই তিনি আশ্ৰম পালন কৰা হব লাগিব ॥ ৩ ॥ যি সভাত ঋক, যজু, সাম এই তিনি বেদজ্ঞ সভাসদ থাকে, সেই সভাৰ বিবেচনা কৰা সিদ্ধান্ত উলঙ্ঘন কৰা অনুচিত ॥ ৪ ॥ দ্বিজশ্ৰেষ্ঠ অৰ্থাৎ বিশুদ্ধাত্মা, বেদজ্ঞ এজনে বিধান কৰা ধৰ্ম্মও অযুত সংখ্যক অজ্ঞানীয়ে বিধান কৰা সিদ্ধান্ততকৈ শ্ৰেষ্ঠ ধৰ্ম ॥ ৫ ॥ ব্ৰতহীন, সংযমহীন কেৱল মাত্ৰ জাতিজীৱিৰ শত সহস্ৰ সমবেত হলেও পৰিষদ বা সভা হব নোৱাৰে ॥ ৬ ॥ শাস্ত্ৰ-জ্ঞানহীন মূৰ্খবোৰে দিয়া ধৰ্ম্মোপদেশ গণ্য কৰা অনুচিত; মূৰ্খৰ মতে চলিলে শত শত পাপৰ ভাগী হব লগা হয় ॥ ৭ ॥

বিদ্বান আৰু ধাৰ্ম্মিক পুৰুষৰ লক্ষণ :—

ত্ৰৈবিদ্যেভ্যস্ত্ৰয়ী বিদ্যাং দণ্ডনীতিঞ্চ শাশ্বতাম্।
আন্বীক্ষিকীং চাত্মবিদ্যাং বাৰ্ত্তাৰম্ভাংশ্চ লোকতঃ ॥ ১
ইন্দ্ৰিয়াণাং জয়ে যোগং সমাতিষ্ঠেদ্দিবানিশম্।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

জিতেন্দ্ৰিয়ো হি শক্নোতি বশে স্থাপয়িতুং প্ৰজাঃ । ২॥
দশ কামসমুত্থানি তথাষ্টৌ ক্ৰোধজানি চ।
ব্যসনানি দুৰন্তানি প্ৰযত্নেন বিবৰ্জ্জয়েৎ । ৩॥
কামজেষু প্ৰসক্তো হি ব্যসনেষু মহীপতিঃ।
বিযুজ্যতেঽৰ্থধৰ্ম্মাভ্যাং ক্ৰোধজেষ্বাত্মনৈব তু। ৪॥
মৃগয়াক্ষো দিবাস্বপ্নঃ পৰীবাদঃ স্ত্ৰিয়ো মদঃ ।
তৌৰ্য্যত্ৰিকং বৃথাট্যা চ কামজো দশকো গণঃ । ৫॥
পৈশুন্যং সাহসং দ্ৰোহ ঈৰ্ষাসূয়াৰ্থদূষণম্।
বাগ্দণ্ডজঞ্চ পাৰুষ্যং ক্ৰোধজোঽপি গণোষ্টকঃ। ৬॥
দ্বয়োৰপ্যেতয়োৰ্মূলং যং সৰ্ব্বে কবয়ো বিদুঃ।
তং যত্নেন জয়েল্লোভং তজ্জাবেতাবুভৌ গণৌ । ৭॥
পানমক্ষাঃ স্ত্ৰিয়শ্চৈব মৃগয়া চ যথাক্ৰমম্।
এতৎ কষ্টতমং বিদ্যাচ্চতুষ্কং কামজে গণে। ৮॥
দণ্ডস্য পাতনং চৈব বাক্পাৰুষ্যাৰ্থদূষণে।
ক্ৰোধজেঽপি গণে বিদ্যাৎ কষ্টমেতত্ৰিকং সদা। ৯॥
সপ্তকস্যাস্য বৰ্গস্য সৰ্ব্বত্ৰৈবানুষঙ্গিনঃ।
পূৰ্ব্বং পূৰ্ব্বং গুৰুতৰং বিদ্যাদ্ ব্যসনমাত্মবান্। ১০॥
ব্যসনস্য চ মৃত্যোশ্চ ব্যসনং কষ্টমুচ্যতে।
ব্যসন্যধোঽধো ব্ৰজতি স্বৰ্যাত্যব্যসনী মৃতঃ । ১১॥

মনু॰ ৭ (৪৩-৫৩

যি ত্ৰৈবিদ্যাৰ বিশেষজ্ঞৰ পৰা তিনি বিদ্যাৰ সনাতন দণ্ড ন্যায়শাস্ত্ৰ, আত্মবিদ্যা আৰু লোক ব্যৱহাৰৰ সম্পূৰ্ণ জ্ঞানলাভ কৰি সেই সকলহে ৰজা আৰু ৰাজসভাৰ সভাপদৰ যোগ্য। ১॥ সভাস আৰু সভাধ্যক্ষই ইন্দ্ৰিয় সংযম, ধৰ্ম্মৰ আচৰণ কৰি আনকো আচৰণৰ পৰা নিবৃত্তি কৰাব পাৰিব লাগিব। কাৰণ নিজে নিজৰ বণৰ আদৰ্শ প্ৰদৰ্শন কৰিব নোৱাৰিলে আনক আদেশ বা উপদেশ দি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অধিকাৰ নাইঃ নীতি পৰায়ণ নেতাৰ আদর্শহে প্রজাই অনুকৰণ কৰে। ২॥ কামজ দহ আৰু ক্রোধজ আঠ প্রকাৰ দুর্ব্যসনত আসক্ত হলে, মুক্ত হোৱা দুঃসাধ্য। গতিকে অশেষ যত্নৰে সেইবোৰ ব্যসনৰ পৰা স্বয়ং মুক্ত হৈ আনকো নিবৃত্ত কৰোৱা বাঞ্ছনীয়।৩॥ ৰজা, বা ৰাজনৈতিক পুৰুষ কামজ ব্যসনত আসক্ত হলে ৰাজ্য অর্থ সম্পদ আৰু ধর্ম্ম বিনষ্ট হয়। ক্রোধজ ব্যসনত আসক্ত হলে নিজৰেই বিনাশ ঘটে।৪॥ মৃগয়া পাশা, জুৱা আদি খেল, দিবা-নিদ্রা, কামচর্চা, পৰনিন্দা বা অযথা পৰৰ কুৎসা ৰটনা কৰা, অত্যধিক স্ত্রীসংসর্গ, মাদকতা, গান-বাদ্য, নৃত্যাদি কৰা আৰু তাত অত্যন্ত আসক্ত হোৱা, নিৰর্থক ভ্রমি ফুৰা এই, দহ বিধ কামজ ব্যসন।৫॥ পৰৰ কুৎসা, অবলাক বলাৎকাৰ কৰা দ্রোহ, ঈর্ষা, অর্থাৎ পৰশ্রীকাতৰ, অসূয়া অর্থাৎ দোষত গুণৰ আৰু গুণত দোষৰ আৰোপ কৰা, অধর্ম্মত ধনব্যয় কৰা, অযথা বা বিনা কাৰণে কটু বচন বোলা, বা ক্ষতি কৰা, এই আঠ প্রকাৰ ক্রোধজ ব্যসন।৬॥ লোভেই যে কামজ আৰু ক্রোধজ ব্যসনৰ মূল, তাক কবি অর্থাৎ তত্ত্বজ্ঞানী সকলে জানে, গতিকে সেই সকলো দুঃখৰ মুল লোভক যত্নেৰে পৰিত্যাগ কৰা কর্ত্তব্য।৭॥ কামজ ব্যসনৰ ভিতৰত প্রধান দোষ মাদকতা, জুৱা, অতিৰিক্ত কাম বাসনাত আসক্তি আৰু মৃগয়া। এই চাৰিটা মহা দুষ্ট ব্যসন।৮॥ ক্রোধজৰ ভিতৰত বিনাদোষে শাস্তি, কটু বচন অধর্ম্ম কার্য্যত ধনব্যয়, এই তিনি অত্যন্ত দুঃখৰ মূল।৯॥ এই কামজ আৰু ক্রোধজ সাত দোষৰ ভিতৰত পূর্ব্ব পূর্ব্বৰ অর্থাৎ আগৰ দোষত কৈ উত্তৰ উত্তৰ অর্থাৎ পাছৰ পাছৰ দোষ গুৰুতৰ। অর্থাৎ অপ-ব্যয়তকৈ কটু বাক্য, কটু বাক্যতকৈ অন্যায় দণ্ড, অন্যায় দণ্ডতকৈ মৃগয়া ইত্যাদি।১০॥ এই বিষয়ে নিশ্চিত জনা আৱশ্যক যে দুর্ব্যসনত আসক্ত হোৱাতকৈ মৰণেই ভাল। কাৰণ দুৰাচাৰী মানুহ যিমান দিন জীৱিত থাকে, দিনক দিনে পাপ আৰু অধর্ম্মৰ বৃদ্ধি হয় আৰু যিমানে দুষ্কর্ম্মৰ মাত্রা বাঢ়ে, সিমানেই দুঃখভোগ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰিব লাগে। যি জীৱনত দুকৰ্ম্মৰ পৰা মুক্ত, তেওঁ মৃত্যুৰ পাছ... মুক্ত। গতিকে ৰাজনৈতিক নেতা সকলে দুৰ্ব্যসনত আসক্ত নৈ... আচৰণশীল হোৱা কৰ্ত্তব্য ॥ ১০ ॥

ৰাজ সভাসদ আৰু মন্ত্ৰীৰ লক্ষণঃ—

মৌলান্ শাস্ত্ৰবিদঃ শূৰাঁল্লব্ধলক্ষান্ কুলোদগতান্।
সচিবান্ সপ্ত চাষ্টৌ বা প্ৰকুৰ্ব্বীত পৰীক্ষিতান্॥ ১।
অপি যৎ সুকৰং কৰ্ম্ম তদপ্যেকেন দুষ্কৰম্।
বিশেষতোঽসহায়েন কিন্তু ৰাজ্যং মহোদয়ম্॥ ২॥
তৈঃ সাৰ্দ্ধং চিন্তয়েন্নিত্যং সামান্যং সন্ধিবিগ্ৰহম্।
স্থানং সমুদয়ং গুপ্তিং লব্ধ প্ৰশমনানি চ॥ ৩॥
তেষাং স্বং স্বমভিপ্ৰায়মুপলভ্য পৃথক্ পৃথক্।
সমস্তানাঞ্চ কাৰ্যেষু বিদধ্যাদ্ধিতমাত্মনঃ॥ ৪॥
অন্যামপি প্ৰকুৰ্ব্বীত শুচীন্ প্ৰজ্ঞানবস্থিতান্।
সম্যগৰ্থসমাহৰ্ত্তৃনমাত্যান্ সুপৰীক্ষিতান্॥ ৫।
নিবৰ্ত্তেতাস্য যাবদ্ভিৰিতি কৰ্ত্তব্যতা নৃভিঃ।
তাবতোঽতন্দ্ৰিতান্ দক্ষান্ প্ৰকুৰ্ব্বীত বিচক্ষণান্॥ ৬
তেষামৰ্থে নিযুঞ্জীত শূৰান দক্ষান্ কুলোদগতান্।
শুচীনাকৰকৰ্ম্মান্তে ভীৰূনন্তৰ্নিবেশনে॥ ৭
দূতং চৈব প্ৰকুৰ্ব্বীত সৰ্ব্বশাস্ত্ৰ বিশাৰদম্।
ইঙ্গিতাকাৰ চেষ্টজ্ঞং শুচিং দক্ষং কুলোদগতম্॥ ৮
অনুৰক্তঃ শুচিদক্ষঃ স্মৃতিমান্ দেশ-কালবিৎ।
বপুষ্মান্ বীতভীৰ্বাগ্মী দূতো ৰাজ্ঞঃ প্ৰশস্যতে॥ ৯

মনু০ ৭ (৫৪—৫৭।৬০—৬৪)

মৌলিক বিবেচনাশীল, শাস্ত্ৰজ্ঞ, শৌৰ্য্যশালী, অভিজ্ঞতাশালী, জাতীয়... সুন্দৰী আৰু সুপৰীক্ষিত সাত বা আঠজন সচিব (মন্ত্ৰী) নিযুক্ত কৰা... আৱশ্যক ॥ ১ ॥ কাৰণ, সহজ সাধ্য কৰ্ম্মও অকলে কৰা দুঃসাধ্য

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিশেষকৈ ৰাজকাৰ্য্য বিনা সহায়তাৰে এজন ৰজাই অকলে কৰিব নোৱাৰে। অৰ্থাৎ এক সত্ব দায়িত্ব ৰাজ্যত কাৰো সুখ-শান্তি থাকিব নোৱাৰে। ২॥ ৰজা বা সভাপতিয়ে সচিব সকলৰ সৈতে সাধাৰণ সন্ধি-বিগ্ৰহ, ভাল-বেয়া পৰিস্থিতি, অভ্যুদয়ৰ সময়ত শত্ৰু আক্ৰমণ, ৰাজ-নিধি ৰক্ষা, সেনা ৰক্ষা, আৰু অধিকৃত দেশ বা অঞ্চলবোৰত শান্তি প্ৰতিষ্ঠা এই ছয় বিষয়ে সদায় নিয়মিত আলোচনা কৰা কৰ্ত্তব্য। ৩॥ সেই সকলৰ পৃথক্ পৃথক্ কৈ সকলো অভিপ্ৰায় শুনি নিজৰো বিবেচনাৰে একমত হৈ হিতকাৰ্য্যত প্ৰবৃত্ত হব লাগে। ৪॥ ইয়াৰ উপৰিও, সৎ আচৰণশীল, স্থিৰ বুদ্ধি সম্পন্ন, অৰ্থনীতিজ্ঞ, সুপৰীক্ষিত মন্ত্ৰী নিযুক্ত কৰা কৰ্ত্তব্য। ৫॥ ৰাজ্য পৰিচালনাৰ কাৰণে যিমান জন আলস্যহীন, সুদক্ষ বিচক্ষণ পুৰুষৰ আৱশ্যক সিমান জন নিযুক্ত কৰা বাঞ্ছনীয়। ৬॥ সেই সকলৰ অধীনত শৌৰ্য্য-বীৰ্য্যশালী, কৰ্ম্মদক্ষ, জাতীয়তা অনুভৱী সদাচাৰীক গুৰুতৰ কাৰ্য্যত আৰু ভীৰুবোৰক আভ্যন্তৰীণ কামত নিযুক্ত কৰিব লাগে। ৭॥ সুপৰীক্ষিত সৰ্ব্বশাস্ত্ৰ বিশাৰদ, সদাচাৰশীল, আকাৰ ইঙ্গিতৰ পৰা অন্তৰৰ ভাৱ আৰু ভবিষ্যৎ বুজাত সুদক্ষ, জাতীয় মৰ্য্যাদা পৰায়ণ পুৰুষক দূত নিযুক্ত কৰিব লাগে। ৮॥ সদাচাৰী, অনুৰক্ত সুদক্ষ, স্মৰণশক্তি সম্পন্ন, দেশ কালৰ বিষয়ে অভিজ্ঞ, নিৰ্ভীক, বাকচতুৰ, সুশ্ৰী-সম্পন্ন পুৰুষ ৰাজদূতৰ যোগ্য। ৯॥

কোন কি দায়িত্বৰ যোগ্য :—

অমাত্যে দণ্ড আয়ত্তো দণ্ডে বৈনয়িকী ক্ৰিয়া।
নৃপতৌ কোশৰাষ্ট্ৰে চ দূতে সন্ধিৰ্বিপৰ্য্যয়ৌ ॥ ১ ॥
দূত এব হি সংধত্তে ভিনত্ত্যেব চ সংহতান্।
দূতস্তৎ কুৰুতে কৰ্ম্ম ভিদ্যতে যেন বা ন বা ॥ ২ ॥
বুদ্ধা চ সৰ্ব্বতত্ত্বেন পৰৰাজচিকীৰ্ষিতম্।
তথা প্ৰয়ত্নমাতিষ্ঠেৎ যথাত্মানং ন পীড়য়েৎ ॥৩॥
ধনুৰ্দুৰ্গং মহীদুৰ্গমব্দুৰ্গং ৰাক্ষমেৰ বা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নৃদুৰ্গং গিৰিদুৰ্গং বা সমাশ্ৰিত্য বসেৎ পুৰম ॥৪।
একঃ শতং যোধয়তি প্ৰাকাৰস্থো ধনুৰ্ধৰঃ ।
শতং দশসহস্ৰাণি তস্মাদ্দুৰ্গং বিধীয়তে ॥৫।
তৎ স্যাদায়ুধসম্পন্নং ধনধ্যান্যেন বাহনৈঃ ।
ব্ৰাহ্মণৈঃ শিল্পিভিযন্ত্ৰৈৰ্যবসেনোদকেন চ ॥৬।
তস্য মধ্যে সুপৰ্য্যাপ্তং কাৰযেদ্ গৃহমাত্মনঃ ।
গুপ্তং সৰ্ব্বৰ্ত্তুকং শুভ্ৰং জলবৃক্ষসমন্বিতম্ ॥৭।
তদধ্যাস্যোদ্বহেদ্ভাৰ্য্যাং সবৰ্ণাং লক্ষণান্বিতাম্ ।
কুলে মহতি সম্ভূতাং হৃদ্যাং ৰূপগুণান্বিতাম্ ॥৮।
পুৰোহিতং প্ৰকুৰ্ব্বীত বৃণুয়াদেৰ চৰ্ত্বিজম্ ।
তেঽস্য গৃহ্যাণি কৰ্মাণি কুৰ্য্যুবৈ তানি কানি চ ।৯॥

মনু০ ৭ (৬৫।৬৬।৬৮।৭০।৭৪-৭৮

অমাত্যক দণ্ডাধিকাৰ দিব, দণ্ডত বিনয় ক্ৰিয়া অৰ্থাৎ সেই দ
অধিকাৰ যাতে অন্যায় ভাৱে প্ৰয়োগ হব নোৱাৰে তাৰ ব্যৱস্থাও থা
লাগিব। ৰাজ কোষ আৰু ৰাজকাৰ্য্য ৰজাৰ অধীন থাকিব, ৰজা
সকলো কাৰ্য্য সভাৰ অধীন থাকিব, আৰু পৰ ৰাষ্ট্ৰৰ লগত বন্ধুত
বিচ্ছেদৰ বিষয় দূতৰ অধীন থাকিব।১॥ যি বিৰোধৰ মাজত মি
স্থাপন কৰে, মিলিত বিপক্ষৰ মাজত বিভেদ সৃষ্টি কৰে, তাকেই
বোলে।২॥ দূতৰ যোগেদি পৰ ৰাষ্ট্ৰৰ সকলো অভিপ্ৰায় যথাৰ্থ ভ
বুজি লৈ স্বৰাষ্ট্ৰৰ যাতে কোনো বিপৰ্জ্জয় নঘটে তাৰ কাৰণে যথা যে
চেষ্টা কৰা কৰ্ত্তব্য।৪॥ ধনুদুৰ্গং অৰ্থাৎ অস্ত্ৰ-শস্ত্ৰধাৰী সৈন্যৰ দুৰ্গ, মা
নিৰ্ম্মাণ কৰা দুৰ্গ, পানীৰ গভীৰ খাৱৈৰ দুৰ্গ, ডাঠ বনেৰে বেষ্টিত
অথবা নৃদুৰ্গ অৰ্থাৎ চাৰিও ফালে সেনাৰ ছাউনী পাতি বা পৰ্ব্বত মা
দুৰ্গৰ মাজত ৰাজধানী প্ৰতিষ্ঠা কৰিব লাগে।৪॥ নগৰ বা ৰাজ
ধন প্ৰাকাৰেৰে বেষ্টিত হব লাগে। প্ৰাকাৰ মানে প্ৰাচীৰ বা
প্ৰাকাৰৰ ভিতৰৰ পৰা এজনমাত্ৰ অস্ত্ৰধাৰী সৈন্যই এশজন শত্ৰুৰ সৈ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যুজিব পাৰে আৰু এশজন সৈন্যই দহ হেজাৰৰ সৈতে যুজিব পাৰে. গতিকে দুৰ্গৰ ব্যৱস্থা কৰা কৰ্ত্তব্য।৫॥ সেই দুৰ্গ অস্ত্ৰ-শস্ত্ৰ, ধন-ধান, বাহন জ্ঞানী অধ্যাপক ব্ৰাহ্মণ, যন্ত্ৰ শিল্পী, যন্ত্ৰ, কলা, ঘাঁহনি আৰু পানীয় জল আদিৰে পৰিপূৰ্ণ হোৱা আৱশ্যক।৬॥ সেই দুৰ্গৰ ভিতৰত সু-পৰ্য্যাপ্ত শুভ্ৰ ৰাজ ভৱন নিৰ্ম্মাণ কৰিব লাগে, সকলো ঋতুৰ গছ গছনি, ফল-ফুল আৰু জলৰ ব্যৱস্থা সহ।৭॥ আৱশ্যকীয় অধ্যয়ন পৰিপূৰ্ণ কৰি নিজৰ দৰেই (ৰজাই) গুণ, কৰ্ম্ম স্বভাৱৰ লক্ষণযুক্তা, মহৎ কুলত জন্মা, ৰূপ আৰু গুণৰ সমন্বয় থকা প্ৰেয়সীক বিবাহ কৰা কৰ্ত্তব্য। ৮॥ ৰাজ গৃহত শুভানুষ্ঠানবোৰ সম্পন্ন কৰিবৰ কাৰণে সুপৰীক্ষিত পুৰোহিত আৰু ঋত্বিক্ বৰণ কৰিলোৱা কৰ্ত্তব্য। সমাজৰ সকলোৰে হিত চিন্তা কৰা আৰু যথাৰ্থ নীতিৰে বেদবিহিত কাৰ্য্য সমাধান কৰা পুৰোহিত আৰু ঋত্বিজৰ দায়িত্ব। ৯ ॥

সাংবৎসৰিকমাপ্তৈশ্চ ৰাষ্ট্ৰাদাহাৰয়েদ্বলিম্ ।
স্যাচ্চাম্নায়পৰো লোকে বৰ্ত্তেত পিতৃবন্নৃষু ॥ ১ ।
অধ্যক্ষান্ বিবিধান্ কুৰ্য্যাৎ তত্ৰ তত্ৰবিপশ্চিতঃ ।
তেহস্য সৰ্ব্বাণ্যবেক্ষেৰন্নৃণাং কাৰ্য্যান কুৰ্ব্বতাম্ ॥ ২ ।
আবৃত্তানাং গুৰুকুলাদ্ বিপ্ৰাণাং পূজকো ভৱেৎ ।
নৃপাণামক্ষয়ো হ্যেষ নিধিৰ্ব্ৰাহ্মো বিধীয়তে। ৩॥
সৰ্ব্বোত্তমাধমৈ ৰাজা ত্বাহূতঃ প্যালয়ন্ প্ৰজাঃ।
ন নিবৰ্ত্তেত সংগ্ৰামাৎ ক্ষাত্ৰং ধৰ্ম্মমনুস্মৰন্ ॥ ৪।
আহবেষু মিথোঽন্যোঽন্যং জিঘাংসন্তো মহীক্ষিতঃ।
যুধ্যমানাঃ পৰং শক্ত্যা স্বৰ্গং যান্ত্যপৰাঙ্মুখাঃ ॥ ৬।
ন চ হন্যাৎ স্থলাৰূঢ়ং ন ক্লীবং ন কৃতাঞ্জলিম্।
ন মুক্তকেশং নাসীনং ন তবাস্মীতিবাদিনম্ ॥ ৬।
ন সুপ্তং ন বিসন্নাহং ন মগ্নং ন নিৰায়ুধম্।
নায়ুধ্যমানং পশ্যন্তং ন পৰেণ সমাগতম্ ॥ ৭।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নায়ুধব্যসনং প্ৰাপ্তং নাৰ্ত্তং নাতিপৰিক্ষতম্।
ন ভীতং ন পৰাবৃত্তং সতাং ধৰ্ম্মমনুস্মৰন্ ॥ ৮।
যস্তু ভীতঃ পৰাবৃতঃ সংগ্ৰামে হন্যতে পৰৈঃ।
ভৰ্ত্তুৰ্যদ্দুষ্কৃতং কিঞ্চিত্তৎ সৰ্ব্বং প্ৰতিপদ্যতে ॥ ৯।
যচ্চাস্য সুকৃতং কিঞ্চিদমুত্ৰাৰ্থমুপাৰ্জ্জিতম্।
ভৰ্তা তৎসৰ্ব্বমাদত্তে পৰাবৃত্তহতস্য তু ॥ ১০।
ৰথাশ্বং হস্তিনং ছত্ৰং ধনং ধান্যং পশূন্ স্ত্ৰিয়ঃ॥
সৰ্ব্বদ্ৰব্যাণি কুপ্যং চ যো যজ্জয়তি তস্য তং ॥ ১১।
ৰাজ্ঞশ্চ দদ্যুৰুদ্ধাৰমিত্যেষা বৈদিকী শ্ৰুতিঃ।
ৰাজ্ঞা চ সৰ্ব্বযোধেভ্যো দাতব্যমপৃথগ্জিতম্ ॥ ১২।

মনু০ ৭(৮০-৮২। ৮৭। ৮৯। ৯১-৯৭)

আপ্ত পুৰুষৰ দ্বাৰাই বাৰ্ষিক কৰ সংগ্ৰহ কৰিব আৰু ৰাষ্ট্ৰ নায়ক বেদ পৰাৰয়ণ হৈ পিতৃবৎ সকলো প্ৰজাক পালন কৰিব ॥১। বিভিন্ন বিভাগৰ অধ্যক্ষ সকলে বিভিন্ন ৰাজ কাৰ্য্যত নিয়োজিত কৰ্ম কৰ্ত্তা সকলৰ কাম কাজ নিৰীক্ষণ কৰিব ॥৩। গুৰুকুলৰ প... শিক্ষা লাভ কৰি অহা স্নাতক সকলক নৃপতি বা ৰাষ্ট্ৰ নেতা সকলে সন্মান কৰিব লাগে, জ্ঞানেই নৃপ সকলৰ অক্ষয় নিধি।৩ প্ৰজা পালক ৰজাক কোনো যুদ্ধলৈ মাতিলে, সৰ্ব্বোত্তমেই হওক ... নিম্নই হওক অৰ্থাৎ ডাঙৰ সৰুৰ পক্ষপাত' নেৰাখি ক্ষত্ৰিয়ৰ ধৰ্ম্ম অনুসাৰে যুদ্ধত বিমুখ হব নেলাগে ॥ ৪ ॥ যুদ্ধত ইটোৱে সিটোক বধ কৰাৰ কামনাৰে যুদ্ধ হোৱা আৰু ভয়ত পলায়ন নকৰা যোদ্ধাৰ স্বৰ্গ সুখ হয় ॥ ৫ ॥ যু... কালত ইফালে সিফালে যাকে তাকে, নপুংসকক, ক্ষমাপ্ৰাৰ্থীক, মুক্তকেশৰে বহি থকাক, আৰু শৰণ প্ৰাৰ্থীক ॥ ৬। নিদ্ৰিত, মুৰ্চ্ছিত, নগ্ন, অ... শস্ত্ৰহীন দৰ্শক শত্ৰুৰ সঙ্গীক বধ কৰা অনুচিত ॥ ৭। অস্ত্ৰাঘাতত আহ... দুখগ্ৰস্ত, আহত, ভীত, আৰু পলায়নপৰক সৎপুৰুষৰ আদৰ্শ প... অনুস্মৰণ কৰি বধ নকৰিব, কিন্তু কাৰাগাৰত আবদ্ধ কৰি যথাযোগ্য

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

শুশ্ৰূষা কৰিব লাগে ॥৮। কোনো ব্যক্তি ভীত হৈ পলায়ণ কৰা অৱস্থাত হত হলে, বধ কৰ্ত্তাৰ স্বামীৰ কলঙ্ক আৰু অপৰাধ হয় ॥৯। ৰাষ্ট্ৰৰ সংৰক্ষণৰ বাবেই সদায় লক্ষ্য ৰাখি বিধি বিধান আচৰণ কৰা উচিত সুপ্ৰতিষ্ঠিত ৰাষ্ট্ৰৰ খ্যাতিত হৈ পাৰ্থিব সুখ লাভ হয় ॥১০। ৰণত ৰথ, হাতী, ছত্ৰ, ধন, ধান, পশু, স্ত্ৰী খনি যি জয় কৰে তেওঁৰেই সেইবোৰৰ অধিকাৰী হোৱা উচিত ॥১১। সৈনিকৰ বিজয় লব্ধ সকলো সম্পত্তিৰ ষোল অংশৰ একাংশ ৰাজ কোষলৈ যাব আৰু ৰাজ্যৰ সৰ্ব্ব মুঠ বিজয় লব্ধৰ ষোল অংশৰ একাংশ সৈনিকক বিতৰণ কৰিব ॥১২। যুদ্ধত নিহত যোদ্ধা সকলৰ পৰিয়ালে ৰাজ কোষৰ পৰা ভৰণ-পোষণ পাই প্ৰতি পালিত হব।

অলব্ধং চৈব লিপ্সেত লব্ধং ৰক্ষেৎ প্ৰয়ত্নতঃ।
ৰক্ষিতং বৰ্দ্ধয়েচ্চৈব বৃদ্ধং পাত্ৰেষু নিঃক্ষিপেৎ ॥ ১।
অলব্ধমিচ্ছেদ্দণ্ডেন লব্ধং ৰক্ষেদৱেক্ষয়া।
ৰক্ষিতং বৰ্দ্ধয়েদ বৃদ্ধ্যা বৃদ্ধং দানেন নিঃক্ষিপেৎ ॥ ২
অমায়য়ৈব বৰ্ত্তেত ন কথঞ্চন মায়য়া।
বুধ্যেতাৰি প্ৰযুক্তাঞ্চ মায়ান্নিত্যং স্বসংবৃতঃ ॥ ৩
নাস্য ছিদ্ৰং পৰো বিদ্যাচ্ছিদ্ৰং বিদ্যাৎ পৰস্য তু।
গুহেৎ কূৰ্ম্ম ইবাঙ্গানি ৰক্ষেদ্বিবৰমাত্মনঃ ॥ ৪
বকবচ্চিন্তয়েদৰ্থান্ সিংহবচ্চ পৰাক্ৰমেৎ।
বৃকবচ্চাবলুম্পেত শশবচ্চ বিনিষ্পতেৎ ॥ ৫
এবং বিজয়মানস্য যেঽস্য স্যুঃ পৰিপন্থিনঃ।
তানানয়েদ্বশং সৰ্ব্বান্ সামাদিভিৰুপক্ৰমৈঃ ॥ ৬
যথোদ্ধৰতি নিৰ্দ্দাতা কক্ষং ধান্যং চ ৰক্ষতি।
তথা ৰক্ষেন্নৃপো ৰাষ্ট্ৰং হন্যাচ্চ পৰিপন্থিনঃ ॥ ৭
মোহাদ্ৰাজা স্বৰাষ্ট্ৰং যঃ কৰ্ষয়ত্যনৱেক্ষয়া।
সোঽচিৰাদ ভ্ৰশ্যতে ৰাজ্যাৎ জীবিতাচ্চ সবান্ধবঃ ॥ ৮

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

শৰীৰকৰ্ষণাৎ প্ৰাণাঃ ক্ষীয়ন্তে প্ৰাণিনাং যথা।
তথা ৰাজ্ঞামপি প্ৰাণাঃ ক্ষীয়ন্তে ৰাষ্ট্ৰকৰ্ষণাৎ।
ৰাষ্ট্ৰস্য সংগ্ৰহে নিত্যং বিধানমিদমাচৰেৎ।
সুসংগৃহীত ৰাষ্ট্ৰোহি পাৰ্থিবঃ সুখমেধতে ॥১০।
দ্বয়োস্ত্ৰয়াণাং পঞ্চানাং মধ্যে গুল্মমধিষ্ঠিতম।
তথা গ্ৰাম শতানাঞ্চ কুৰ্য্যাদ্ৰাষ্ট্ৰস্য সংগ্ৰহম্ ॥১১।
গ্ৰামস্যাধিপতিং কুৰ্য্যাদ্দশগ্ৰামপতিং তথা।
বিংশতীশং শতেশং চ সহস্ৰ পতিমেব চ ॥১২।
গ্ৰামে দোষান্ সমুৎ পন্নান্ গ্ৰামিকঃ শনকৈঃ স্বয়ম্।
সংসেদ্ গ্ৰামদশেশায় দশেশো বিংশতীশিনম্ ॥১৩।
বিশতীশস্তু তৎ সৰ্ব্বং শতেশায় নিবেদয়েৎ।
শংসেদ্ গ্ৰামশতে শস্তু সহস্ৰ পতয়ে স্বয়ম্ ॥১৪।
তেষাং গ্ৰাম্যাণি কাৰ্য্যানি পৃথক্ কাৰ্য্যানি চৈব হি।
ৰাজ্ঞোহন্যঃ সচিবঃ স্নিগ্ধস্তানি পশ্যেদতন্দ্ৰিতঃ ॥১৫।
নগৰে নগৰে চৈকং কুৰ্য্যাৎ সৰ্ব্বাৰ্থচিন্তকম্।
উচ্চৈঃ স্থানং ঘোৰৰূপং নক্ষত্ৰাণামিব গ্ৰহম্ ॥১৬
স তাননুপৰিক্ৰামেৎ সৰ্ব্বানেব সদা স্বয়ম্।
তেষাং বৃত্তং পৰিণয়েৎ সম্যগ্ৰাষ্ট্ৰেষু তচ্চৰৈঃ ॥১৭।
ৰাজ্ঞো হি ৰক্ষাধিকৃতাঃ পৰস্বাদায়িনঃ শঠাঃ।
ভৃত্যা ভৱন্তি প্ৰায়েণ তেভ্যো ৰক্ষেদিমাঃ প্ৰজাঃ ॥১৮।
যে কাৰ্য্যিকেভ্যোঽৰ্থমেব গৃহ্ণীয়ুঃ পাপচেতসঃ।
তেষাং সৰ্ব্বস্বমাদায় ৰাজা কুৰ্য্যাৎ প্ৰবাসনম্ ॥১৯।

মনু০ ৭ (৯৯।১০১।১০৪-১০৭।১১০-১১৭।১২০-১২৪)

অলব্ধ ধনৰ প্ৰাপ্তিৰ কামনা, লব্ধ ধনৰ ৰক্ষা, ৰক্ষিত ধনৰ বৃদ্ধি আৰু বৃদ্ধিৰ পৰা সৎ অনুষ্ঠান আৰু সৎ পাত্ৰত ব্যয় কৰা ৰজা আৰু ৰাষ্ট্ৰ নেতা সকলৰ কৰ্ত্তব্য ॥১। এই চতুৰ্বিধ পুৰুষাৰ্থৰ, আৱশ্যক মতে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সদায় আলস্য এৰি যত্ন পৰ হব। দণ্ডৰ দ্বাৰা অপ্ৰাপ্ত ধনৰ প্ৰাপ্তিৰ কামনা, প্ৰাপ্তৰ ৰক্ষা, ৰক্ষিতৰ সংবৰ্দ্ধন আৰু বৰ্দ্ধিত ধন সৎ কাৰ্য্যত ব্যয় কৰিব লাগে ॥১২। কাৰো সৈতে ছল কপট নকৰি সৎ ব্যৱহাৰ কৰিব লাগে। সদায় সৰ্ব্বতোভাৱে আত্ম ৰক্ষা কৰি, সাৱধানে শত্ৰুৰ চল-চক্ৰান্ত প্ৰতিৰোধ কৰা কৰ্ত্তব্য ॥৩॥ শত্ৰুৱে যাতে নিজৰ ছিদ্ৰ অৰ্থাৎ দুৰ্ব্বলতা জানিব নোৱাৰে তাৰৈ লক্ষ্য ৰাখিব আৰু নিজে শত্ৰুৰ দুৰ্ব্বলতা জানিবলৈ যত্নপৰ হোৱা আৱশ্যক। নিজৰ গোপনীয় অঙ্গ যেনেকৈ গোপন কৰি ৰখা হয়, সেই দৰে নিজৰ গোপনীয় ছিদ্ৰবোৰ শত্ৰুৰ পৰা গোপনে ৰক্ষা কৰা কৰ্ত্তব্য ॥৪। ধন সংগ্ৰহত বকৰ দৰে স্থিৰ চিন্তাশীল. সিংহৰ দৰে পৰাক্ৰমশীল, বাঘৰ দৰে ছল চাই শত্ৰুক আক্ৰমণ, বলৱান শত্ৰুৰ সন্মুখীন হলে শহাৰ দৰে পলাই পাছত ছলচাই পৰাস্ত কৰা কৰ্ত্তব্য ॥৫। এই দৰে বিজয় অভিলাষীৰ যিবোৰ বিৰোধী, সেই বোৰক (সাম) মিত্ৰতাৰে, (দান) কিছু দান দি আৰু (ভেদ) বিদ্ৰোহীৰ ভিতৰত পৰস্পৰ বিভেদ সৃষ্টি কৰি অথবা পৰাক্ৰমেৰে সকলোকে বশীভূত কৰিব লাগে ॥৬। ধান বাছনীয়ে যেনেকৈ ধানৰ পৰা তুঁহহে গুছায় চাউল নভঙাকৈ ৰাখে সেইদৰে ৰাষ্ট্ৰ নেতা সকলে ৰাষ্ট্ৰৰ বিৰোধী অনিষ্টকাৰী বোৰক বিনাশ কৰি ৰাজ্য ৰক্ষা কৰিব লাগে ॥৭। মোহান্ধ অবিবেকী ৰজাৰ ৰাজ্য দুৰ্ব্বল হলে অবিলম্বে বন্ধু বান্ধৱ সহ ৰাজ্য বিনাশ হয় ॥৮। যেনেকৈ দেহ ক্ষীণ হলে প্ৰাণীৰ প্ৰাণো ক্ষীণ হৈ যায়, সেই দৰে ৰজাই প্ৰজাক দুৰ্ব্বল কৰিলে, নিজৰ প্ৰাণ শক্তি আৰু বন্ধু বান্ধৱৰ সৈতে তেওঁ বিনাশ পায় ॥৯। ৰাষ্ট্ৰ সংৰক্ষণাৰ্থে সদায় এই বিধিৰেই আচৰণ কৰিব। সুপ্ৰতিষ্ঠিত ৰাষ্ট্ৰই সকলোৰে পাথিৱ সুখ ॥১০। দুখন, তিনিখন, পাঁচখন আৰু এশখন গাওঁৰ একোটাকৈ ৰাজ্যিক কাৰ্য্যালয় স্থাপন কৰি ৰাজ কাৰ্য্য পৰিচালনা কৰিবলৈ উপযুক্ত কাৰ্য্য কৰ্ত্তা নিযুক্ত কৰা কৰ্ত্তব্য ॥১১। একোখন গাওঁত একোজনকৈ অধিপতি, দহখন গাওঁৰ ওপৰত একোজনকৈ অধিপতি, বিশখন গাওঁৰ ওপৰত একোজন অধিপতি, এশখনৰ ওপৰত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

একোজন অধিপতি আৰু এহেজাৰ খনৰ ওপৰত একোজন অধিপতি নিৰ্ব্বাচন কৰিব লাগে, যাক আজি কালি পঞ্চায়ত নীতি বোলা হৈছে ॥১২ এই নীতিৰেই গাওঁৰ দোষবোৰ গ্ৰামৰ অধিপতিয়ে দশ গ্ৰামৰ অধিপতিক জনাব। সেই দৰে দহখন গাওঁৰ দোষবোৰ দশগ্ৰামৰ অধিপতিয়ে বিশ গ্ৰামৰ অধিপতিক জনাব ॥১৩। বিশ বিশ গাওঁৰ অধিপতি সকলে শত গ্ৰামৰ অধিপতিক জনাব। শত গ্ৰামৰ অধিপতি সকলৰ বিষয়ে-সহস্ৰ গ্ৰামৰ অধিপতিক, প্ৰত্যেক সহস্ৰ গ্ৰামৰ অধিপতিয়ে দহ সহস্ৰ গ্ৰামৰ বাৰ্ত্তা ৰাজ সভাক প্ৰতিদিনে জনাব লাগিব। আৰু বিভাগী ৰাজ সভাবোৰে—ৰাজ্যৰ সৰ্ব্বোচ ৰাজ সভাক জনাব ॥১৪। গাওঁৰ কাৰ্য্য কৰ্ত্তা সকলৰ কৰ্ম্মতৎপৰতা পৰিদৰ্শন কৰিবৰ কাৰণে আৰু প্ৰশাসনীয় কাৰ্য্য পৰিচালনাৰ কাৰণে উপযুক্ত কৰ্ম্ম ধৰ্ম্ম পৰায়ণ পৃথক্ পৃথক্ সচিব নিযুক্ত কৰিব লাগে ॥১৫। নগৰে প্ৰতি সকলো বিষয় চৰ্চ্চাৰ উপযোগী নক্ষত্ৰৰ মাজত গ্ৰহৰ দৰে অৰ্থাৎ ৰাতিৰ তৰাৰ মাজত জোনৰ দৰে ওখ আৰু ডাঙৰকৈ একোটা কাৰ্য্যালয় নিৰ্ম্মান কৰিব ॥১৬॥ ৰাজ কৰ্ম্মচাৰী সকলৰ চৰিত্ৰ নিৰীক্ষণ কৰিবৰ কাৰণে পৰিদৰ্শকৰ অধীনত গুপ্তচৰ নিযুক্ত কৰিব ॥ ১৭ ॥ ন্যায় ধৰ্ম্মপৰায়ণ সকলৰ হাতত প্ৰজা ৰক্ষাৰ দায়িত্ব দিব। শঠ আৰু পৰৰ ধন সম্পত্তি অপহৰণ কাৰীৰ দুষ্কৰ্ম্মৰ পৰা ৰক্ষা কৰিবলৈ উপযুক্ত ৰাজ-ভৃত্য নিযুক্ত কৰিব ॥ ১৮। যিবোৰ ৰাজকৰ্ম্মচাৰীয়ে বাদী প্ৰতিবাদীৰ পৰা ভেটি খাই অন্যায় পক্ষপাত কৰে তেনে পাপাত্মাবোৰৰ সৰ্ব্বস্ব ৰাজ্যৰ শেষলৈ আনি নিৰ্ব্বাসন দণ্ড দিব লাগে, যাতে তেনে দণ্ড দেখি আন আন ৰাজ কৰ্ম্মচাৰী বিলাক সাৱধান আৰু সচেতন হয় ॥ ১৯ ॥

যথা ফলেন যুজ্যেত ৰাজা কৰ্ত্তা চ কৰ্ম্মণাম্ ।
তথাবেক্ষ্য নৃপো ৰাষ্ট্ৰে কল্পয়েৎ সততং কৰান্ ॥ ১ ॥
যথাঽল্পাঽল্পমদন্ত্যাঽদ্যং বাৰ্য্যোকোবৎসষট্ পদাঃ।
তথাঽল্পাঽল্পো গ্ৰহীতব্যো ৰাষ্ট্ৰাদাজ্ঞাব্দিকঃ কৰঃ ॥ ২

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নোচ্ছিন্দ্যাদাত্মনো মূলং পৰেষাং চাতিতৃষ্ণয়া।
উচ্ছিন্দন হ্যাত্মনো মূলমাত্মানং তাংশ্চ পীড়য়েৎ ॥
তীক্ষ্ণশ্চৈৰ মৃদুশ্চৈব ৰাজা ভবতি সম্মতঃ ॥ ৪।
এবং সৰ্ব্বং বিধায়েদমিতি কৰ্ত্তব্যমাত্মনঃ।
যুক্তশ্চৈবা প্ৰমত্তশ্চ পৰিৰক্ষেদিমাঃ প্ৰজাঃ ॥ ৫
বিক্ৰোশন্ত্যো যস্য ৰাষ্ট্ৰাদ্ ধ্ৰিয়ন্তে দস্যুভিঃ প্ৰজাঃ।
সম্পশ্যন্তঃ সভৃত্যস্য মৃতঃ স ন তু জীবতি ॥ ৬॥
ক্ষত্ৰিয়স্য পৰোধৰ্ম্মঃ প্ৰজানামেব পালনম্।
নিৰ্দ্দিষ্ট ফল ভোক্তা হি ৰাজা ধৰ্ম্মেণ যুজ্যতে ॥ ৭

মনুঃ ৭ (১২৮।১২৯।১৩৯।১৪০।১৪২-১৪৪)

ৰাজ্যৰ সকলোৰে সুখ সমৃদ্ধিৰ লক্ষ্যতেই যথাযোগ্য কৰ সংগ্ৰহৰ পৰিকল্পনা ৰজাই কৰিব লাগে ॥১।

জোক, গৰু-পোৱালী আৰু ভোমোৰাই অলপ অলপকৈ আহাৰ সংগ্ৰহ কৰে; সেইদৰে ৰজায়ো প্ৰজাৰ পৰা অলপ অলপহে বাৰ্ষিক কৰ আদায় কৰা উচিত ॥২। লোভৰ বশীভূত হৈ নিজৰ বা অন্যৰ সুখৰ মূল উচ্ছেদ কৰা অনুচিত। যি সদ্ আচৰণ আৰু সুখৰ মূল উচ্ছেদ কৰে, তেওঁ নিজেও দুঃখৰ ভাগী আৰু আনকো দুঃখৰ ভাগী কৰে ॥৩। কাৰ্য্য অনুৰূপে ৰজা কঠোৰ আৰু কোমল হৃদয়ৰ হলে, অসতৰ প্ৰতি কঠোৰ আৰু সন্তৰ প্ৰতি কোমল ব্যৱহাৰ কৰিলে সকলোৰে পৰা সন্মান লাভ কৰে ॥৪॥ এই নীতিৰে ৰাজ্য পৰিচালনাৰ সকলো ব্যৱস্থা কৰি, অপ্ৰমত্ত ভাৱে সদায় প্ৰজাৰ পালন কৰাই ৰজাৰ ধৰ্ম্ম ॥৫॥ যেতিয়া ৰাজ্যত দস্যুৰ উপদ্ৰৱত প্ৰজাৰ ধন সম্পত্তি আদি হানি হয়, তেতিয়া ৰজা, মন্ত্ৰী আৰু ৰাজ কৰ্ম্ম কৰ্ত্তা সকলক জীৱনতে মৃত বুলিব লাগিব ॥৬॥ প্ৰজাৰ পালন কৰাই ৰজা আৰু ৰাজ কৰ্ম্মচাৰী সকলৰ পৰম ধৰ্ম্ম। ৰাজ সভাৰ সুবিবেচনাৰে নিৰ্দ্দিষ্ট কৰ সংগ্ৰহ কাৰী ধৰ্ম্ম পৰায়ণ ৰজাহে সুখী হব পাৰে ॥৭।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্থায় পশ্চিমে যামে কৃতশৌচঃ সমাহিতঃ।
হুতাগ্নিৰ্ব্ৰাহ্মণাংশ্চাৰ্চ্য প্ৰবিশেৎ স শুভাং সভাম্ ॥১।
তত্ৰ স্থিতাঃ প্ৰজাঃ সৰ্ব্বাঃ প্ৰতিনন্দ্য বিসৰ্জ্জয়েৎ।
বিসৃজ্য চ প্ৰজাঃ সৰ্ব্বা মন্ত্ৰয়েৎ সহ মন্ত্ৰিভিঃ ॥২।
গিৰি পৃষ্ঠং সমাৰুহ্য প্ৰাসাদং বা ৰহোগতঃ।
অৰণ্যে নিঃশলাকে বা মন্ত্ৰয়েদবিভাবিতঃ ॥৩।
যস্য মন্ত্ৰং ন জানন্তি সমাগম্য পৃথক্ জনাঃ।
স কৃৎস্নাং পৃথিবীং ভুঙ্‌ক্তে কোশহীনোঽপি পাৰ্থিবঃ ॥৪।

মনু০ ৭ (১৪৫-১৪...

ৰজা ৰাষ্ট্ৰ নেতা, বা ৰাজ সভাসদ প্ৰত্যেকেই ৰাতিৰ শেষ প্ৰ... উঠি, শৌচাদি শেষ কৰি. অগ্নিহোত্ৰ আৰু পৰমেশ্বৰৰ উপা... কৰি, সময়ানুকূল আহাৰ কৰি শুভ কামনাৰে ৰাজ সভাত প্ৰ... কৰিব ॥১। ৰজা বা ৰাষ্ট্ৰ নেতাই উপস্থিত ৰাজ কৰ্ম্মচাৰী বা প্ৰ... প্ৰতি নমস্কাৰ কৰি আৰু বিদায় দি প্ৰধান মন্ত্ৰীৰ লগত আলো... কৰিব ॥২। পৰ্ব্বতৰ শিখৰ, নিৰ্জ্জন গৃহ বা কাঁইট নোহোৱা অৰ... অবিৰুদ্ধ আৰু অকৃত্ৰিম ভাৱে মন্ত্ৰীৰ লগত পৰামৰ্শ কৰিব ॥৩। ... সকলো লোক মিলিত হৈও যি ৰজাৰ গভীৰ গোপন মন্ত্ৰণা জা... নোৱাৰে—সেই ৰজা ধনহীন হৈও বিশাল ৰাজ্যৰ পাৰ্থিব সুখ ... কৰিব পাৰে॥ অৰ্থাৎ যি ৰাজ্যত ৰজা স্বেচ্ছাচাৰী নহয়, যাৰ ... নীতি বিধান, সভাসদ সকলৰ অনুমোদিত, তেওঁ স্বৰাষ্ট্ৰৰ প্ৰজাৰ ... জয় কৰি পৰৰাষ্ট্ৰও জয় কৰিব পাৰে ॥৪।

আসনং চৈৱ যানং চ সন্ধিং বিগ্ৰহমেৱ চ।
কাৰ্য্যং বীক্ষ্য প্ৰযুঞ্জীত দ্বৈধং সংশ্ৰয়মেৱ চ ॥১।
সন্ধিং তু দ্বিবিধং বিদ্যাদ্ ৰাজা বিগ্ৰহমেৱ চ।
উভে যানাসনে চৈৱ দ্বিবিধঃ সংশ্ৰয়ঃ স্মৃতঃ ॥২।
সমানযানকৰ্ম্মা চ বিপৰীতস্তথৈৱ চ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তথা ত্বায়তিসংযুক্তঃ সন্ধির্জ্ঞেয়ো দ্বিলক্ষণঃ ॥৩।
স্বয়ংকৃতশ্চ কাৰ্য্যাৰ্থমকালে কাল এৱ ৱা।
মিত্ৰস্য চৈৱাপকৃতে দ্বিবিধো বিগ্ৰহঃ স্মৃতঃ ॥৪।
একাকিনশ্চাত্যয়িকে কাৰ্য্যে প্ৰাপ্তে যদৃচ্ছয়া।
সংহতস্য চ মিত্ৰেণ দ্বিবিধং যানমুচ্যতে ॥৫।
ক্ষীণস্য চৈৱ ক্ৰমশো দৈৱাৎ পূৰ্ব্বকৃতেন ৱা।
মিত্ৰস্য চানুৰোধেন দ্বিবিধং স্মৃতমাসনম ॥৬।
বলস্য স্বামিনশ্চৈৱ স্থিতিঃ কাৰ্য্যাৰ্থসিদ্ধয়ে।
দ্বিবিধং কীৰ্ত্ত্যতে দ্বৈধং ষাড্‌গুণ্যগুণৱেদিভিঃ ॥৭।
অৰ্থসম্পাদনাৰ্থঞ্চ পীড্যমানঃ স শত্ৰুভিঃ।
সাধুষু ব্যপদেশাৰ্থং দ্বিবিধঃ সংশ্ৰয়ঃ স্মৃতঃ ॥৮।
যদাৱগচ্ছেদায়ত্যামাধিক্যং ধ্ৰুৱমাত্মনঃ।
তদাত্বে চাল্পিকাং পীড়াং তদা সন্ধিং সমাশ্ৰয়েৎ ॥৯।
যদা প্ৰহৃষ্টা মন্যেত সৰ্ব্বাস্তু প্ৰকৃতীৰ্ভৃশম্।
অত্যুচ্ছ্ৰিতং তথাত্মানং তদা কুৰ্ব্বীত বিগ্ৰহম্ ॥১০।
যদা মন্যেত ভাৱেন হৃষ্টং পুষ্টং বলং স্বকম্।
পৰস্য বিপৰীতঞ্চ তদা যায়াদ্ৰিপুং প্ৰতি ॥১১।
যদা তু স্যাৎ পৰিক্ষীণো ৱাহনেন বলেন চ।
তদাসীত প্ৰযত্নেন শনকৈঃ সান্ত্বয়ন্নৰীন্ ॥১২।
মন্যেতাৰিং যদা ৰাজা সৰ্ব্বথা বলৱত্তৰম্।
তদা দ্বিধা বলং কৃত্বা সাধয়েৎ কাৰ্য্যমাত্মনঃ ॥১৩।
যদা পৰবলানাস্তু গমনীয়তমো ভৱেৎ।
তদা তু সংশ্ৰয়েৎ ক্ষিপ্ৰং ধাৰ্ম্মিকং বলিনং নৃপম্ ॥১৪।
নিগ্ৰহং প্ৰকৃতীনাং চ কুৰ্য্যাদ্যোঽৰিবলস্য চ।
উপসেৱেত তং নিত্যং সৰ্ব্বযত্নৈৰ্গুৰুং যথা ॥১৫।
যদি তত্ৰাপি সংপশ্যেদ্দোষং সংশ্ৰয় কাৰিতম্।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স্বযুদ্ধমেৱ তত্ৰাপি নিৰ্বিশঙ্কঃ সমাচৰেৎ ॥১৬।

মনু০ ৭ (১৬১-১৭৬)।

স্থিৰতা, যুদ্ধযাত্ৰা, শত্ৰুৰ লগত মিত্ৰতা স্থাপন, যুদ্ধৰ, সেনা দুভাগ কৰি পৰিচালনা কৰা আৰু শক্তিশালী ৰজাৰ আশ্ৰয় লোৱা ছয় প্ৰকাৰ কাৰ্য্য গভীৰ বিবেচনাৰে সমাধান কৰা কৰ্ত্তব্য ॥ ১। সন্ধি, বিগ্ৰহ, যান, আসন, দ্বৈধীভাৱ আৰু সংশ্ৰয় দুই প্ৰকাৰৰ, ৰজা আৰু ৰাজ পুৰুষ সকলে এইবোৰৰ প্ৰত্যেক প্ৰকাৰ ভালদৰে জনা উচিত। শত্ৰুৰ লগত মিত্ৰতা অথবা শত্ৰুৰ বিপক্ষ ৰাষ্ট্ৰৰ লগত মিত্ৰতা কৰি বৰ্ত্তমান আৰু ভৱিষ্যতৰ কাৰণে সজাগ হৈ কৰ্ত্তব্য কৰা, এই দুই প্ৰকাৰ সন্ধি হয় ॥ ৩। বিগ্ৰহ সময়ত বা অসময়ত নিজৰ উদ্দেশ্য সিদ্ধিৰ কাৰণে নিজে কাৰো বিৰুদ্ধে যুদ্ধত প্ৰৱেশ কৰা, বা মিত্ৰ ৰাজ্যৰ শত্ৰুৰ বিৰুদ্ধে যুদ্ধ কৰা এই দৰে দুই প্ৰকাৰ বিগ্ৰহ হয় ॥ ৪। পৰিস্থিতিত বিবশ হৈ অকস্মাৎ অকলেই কোনো শত্ৰু ৰাজ্যৰ বিৰুদ্ধে যাত্ৰা কৰা. অথবা কোনো মিত্ৰ ৰাজ্যৰ সহযোগ হৈ সুপৰিকল্পনাৰে যুদ্ধ আৰম্ভ কৰা. এই দুই ধৰণৰ যান বা যাত্ৰা হয় ॥ ৫। নিজৰ অসমৰ্থ পৰিস্থিতি অথবা কোনো মিত্ৰ পক্ষৰ স্বাৰ্থত নিৰপেক্ষতা অৱলম্বন কৰা এই দুই প্ৰকাৰ আসন ॥ ৬। কোনো উদ্দেশ্য সিদ্ধিৰ কাৰণে সেনা আৰু সেনাধ্যক্ষক দুভাগত বিভক্ত কৰি জয়লাভ কৰা. এনেকুৱাকৈ দুভাগ কৰাৰ পৰা দুই প্ৰকাৰ দ্বৈধ হয় ॥ ৭। নিজৰ সামৰ্থ্য নোহোৱা হ'লে যাতে কোনো পৰাক্ৰমী শত্ৰুৰ আক্ৰমণত অন্য কোনো প্ৰতাপশালী ৰজাৰ আশ্ৰয় লোৱা অথবা কোনো প্ৰভাৱশালী মহাত্মাৰ আশ্ৰয় লোৱা এই দুই প্ৰকাৰক সংশ্ৰয় বা আশ্ৰয় বোলে ॥ ৮। যি সময়ত যুদ্ধ আৰম্ভ কৰিলে পৰাজয়ৰ আশঙ্কা থাকে. সেই সময়ত ধৈৰ্য্য অৱলম্বন কৰি সন্ধি স্থাপন কৰা উচিত আৰু যি সময়ত যুদ্ধ আৰম্ভ কৰিলে বিজয়ৰ সম্ভাৱনা থাকে সেই সময়ত শত্ৰুৰ বিৰুদ্ধে যুদ্ধ কৰিব লাগে ॥ ৯। যেতিয়া প্ৰজা প্ৰসন্ন, সেনা বাহিনী সবল, উন্নত আৰু ৰজা প্ৰজা একতাবদ্ধ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হয়, তেতিয়া শত্রুৰ লগত যুদ্ধ কৰিব পাৰে ॥ ১০ । যেতিয়া নিজৰ সেনা সবল আৰু সুসজ্জিত, শত্রুৰ বল তাৰ বিপৰীত প্রতীত হয়, তেতিয়াই শত্রুৰ বিৰুদ্ধে যুদ্ধ যাত্রা কৰিব লাগে ॥ ১১ । নিজৰ সেনাবল, যানবাহন ক্ষীণ হলে, সকলো প্রকাৰ চেষ্টা কৰি শত্রুক শান্ত কৰি নিজে স্থিৰ হব লাগে ॥ ১২ । যেতিয়া শত্রু অতি প্রবল যেন বোধ হয় তেতিয়া নিজৰ সৈন্য দুগুণ বা দুই প্রকাৰৰ সেনা গঠন কৰি অৰ্থাৎ দুই প্রকাৰৰ যুদ্ধৰে কাৰ্য্য সাধন কৰিব লাগে ॥ ১৩ ॥ যেতিয়া কোনো পৰাক্রমী শত্রুৰ হঠাৎ আক্রমণৰ সম্ভাৱনা হয়, তেতিয়া অবিলম্বে কোনো নীতি পৰায়ণ শক্তিশালী ৰাজাৰ আশ্রয় লব লাগে ॥ ১৪ ।

যিবোৰ প্রজা আৰু সৈন্যই শত্রুৰ শক্তি প্রতিৰোধ কৰে, সেই সকলক গুৰুৰ দৰে সদায় কৃতজ্ঞতাৰে সেৱা শুশ্রূষা কৰা কৰ্ত্তব্য ॥ ১৫ । যাৰ আশ্রয় লোৱা হয়, তেওঁৰ কাৰ্য্যত দোষ পৰিলক্ষিত হলেও নিঃশঙ্ক ভাৱে তেওঁৰ কাৰণে যুদ্ধ কৰা কৰ্ত্তব্য ॥ ১৬ । কোনো ন্যায় নীতি পৰায়ণ ৰজাৰ বিৰোধিতা কেতিয়াও কৰা অনুচিত, তেনে ৰজা বা ৰাজ্যৰ লগত সদায় মিত্রতা ৰক্ষা কৰিবলৈ যত্নপৰ হোৱা উচিত। দুৰ্বৃত্ত আৰু শক্তিশালী ৰজাক পৰাজয় কৰিবৰ কাৰণে পূৰ্ব্বোক্ত সকলো প্রকাৰ উপায় অৱলম্বন কৰা কৰ্ত্তব্য ।

সৰ্ব্বোপায়ৈস্তথা কুৰ্য্যান্নীতিজ্ঞঃ পৃথিবীপতিঃ ।
যথাস্যাভ্যধিকা ন স্যুৰ্মিত্রোদাসীনশত্রৱঃ ॥১।
আয়তিং সৰ্ব্বকাৰ্য্যাণাং তদাত্বং চ বিচাৰয়েৎ ।
অতীতানাঞ্চ সৰ্ব্বেষাং গুণদোষৌ চ তত্ত্বতঃ ॥২।
আয়ত্যাং গুণদোষজ্ঞস্তদাত্বে ক্ষিপ্রনিশ্চয়ঃ ।
অতীতে কাৰ্য্যশেষজ্ঞঃ শত্রুভিৰ্নাভিভূয়তে ॥৩।
যথৈনং নাভিসংদধ্যুৰ্মিত্রোদাসীন শত্রৱঃ ।
তথা সৰ্ব্বং সংবিদধ্যাদেষ সামাসিকো নয়ঃ ॥৪।

মনু০ ৭ (১৭৭-১৮০) ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মিত্ৰ যাতে উদাসীন আৰু শত্ৰু যাতে শক্তিশালী হব নোৱাৰে তাৰ কাৰণে নীতিজ্ঞ আৰু পৃথিৱীপতি ৰজাই সকলো প্ৰকাৰ উপায় অবলম্বন কৰা কৰ্ত্তব্য ॥ ১ । অতীতত কৰা কাৰ্য্যৰ সকলো দোষ গুণ ভালদৰে বিবেচনা কৰি বৰ্ত্তমান আৰু ভৱিষ্যতৰ কৰ্ত্তব্যত সচেতন হোৱা উচিত ॥ ২ । যি ৰজাই ভৱিষ্যতৰ গুণ দোষ অৰ্থাৎ কৰ্ত্তব্য অকৰ্ত্তব্য অৱগত হৈ বৰ্ত্তমানৰ কৰণীয় কাৰ্য্য অবিলম্বে নিৰ্ণয় কৰে আৰু অতীতত কৰা কাৰ্য্যৰ ফলাফল অৱগত, তেওঁ শত্ৰুৰ হাতত কেতিয়াও পৰাজিত হব নোৱাৰে ॥ ৩ । এই দৰে মিত্ৰ শক্তিৰ উদাসীন আৰু শত্ৰুক বশীভূত কৰি কাৰো দ্বাৰাই অন্য কোনো প্ৰকাৰে বিৰুদ্ধাচৰণ যাতে নহয় তাৰ কাৰণে ৰাজ্যিক কৰ্ম্ম কৰ্ত্তা সকল, বিশেষকৈ ৰজা বা ৰাষ্ট্ৰ নায়ক সদায় সচেতন থকা কৰ্ত্তব্য। সংক্ষেপত ইয়াকেই ৰাজনীতি বোলে ॥৪॥

কৃত্বা বিধানং মূলে তু যাত্ৰিকং চ যথাবিধি ।
উপগৃহ্যাস্পদং চৈব চাৰান্ সম্যগ্ বিধায় চ ॥১।
সংশোধ্য ত্ৰিবিধং মাৰ্গং ষড়বিধং চ বলং স্বকম্ ।
সাংপৰায়িককল্পেন যায়াদৰিপূৰং শনৈঃ ॥২।
শত্ৰুসেবিনি মিত্ৰে চ গূঢ়ে যুক্ততৰো ভবেৎ ।
গত প্ৰত্যাগতে চৈব স হি কষ্টতৰো ৰিপুঃ ॥৩।
দণ্ডব্যূহেন তন্মাৰ্গং যায়াত্তু শকটেন বা ।
বৰাহ-মকৰাভ্যাং বা সূচ্যা বা গৰুড়েন বা ॥৪।
যতশ্চ ভয়মাশঙ্কেত্ততো বিস্তাৰয়েদ্বলম্ ।
পদ্মেন চৈব ব্যূহেন নিবিশেত সদা স্বয়ম্ ॥৫।
সেনাপতিবলধ্যক্ষৌ সৰ্ব্বদিক্ষু নিবেশয়েৎ ।
যতশ্চ ভয়মাশঙ্কেৎ প্ৰাচীং তাং কল্পয়েদ্দিশম্ ॥৬।
গুল্মাংশ্চ স্থাপয়েদাপ্তান্ কৃতসংজ্ঞান্ সমন্ততঃ ।
স্থানে যুদ্ধে চ কুশলানভীৰূনবিকাৰিণঃ ॥৭।
সংহতান বোধয়েদল্পান্ কামং বিস্তাৰয়েদ্ বহূন্ ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সূচ্যা বজ্রেণ চৈবৈতান্ ব্যূহেন ব্যূহ্য যোধয়েৎ ॥৮॥
স্যন্দনাশ্বৈঃ সমে যুধ্যেৎদনূপে নৌদ্বিপৈস্তথা।
বৃক্ষগুল্মাবৃতে চাপৈৰসিচৰ্ম্মায়ুধৈঃ স্থলে ॥৯॥
প্ৰহৰ্ষয়েদ্ বলং ব্যূহ্য তাংশ্চ সম্যক্ পৰীক্ষয়েৎ।
চেষ্টাশ্চৈব বিজানীয়াদৰীন্ যোধয়তামপি ॥১০॥
উপৰুধ্যাৰিমাসীত ৰাষ্ট্ৰং চাস্যোপপীড়য়েৎ।
দূষয়েচ্চাস্য সততং যবসান্নোদকেন্ধনম্ ॥১১॥
ভিন্দ্যাচ্চৈব তডাগানি প্ৰাকাৰ পৰিখাস্তথ।
সমবস্কন্দয়েচ্চৈনং ৰাত্ৰৌ বিত্ৰাসয়েত্তথা ॥১২॥
প্ৰমাণানি চ কুৰ্বীত তেষাং ধৰ্ম্মান্যথোদিতান্।
ৰত্নৈশ্চ পূজয়েদেনং প্ৰধানপুৰুষৈঃ সহ ॥১৩॥
আদানমপ্ৰিয়কৰং দানঞ্চ প্ৰিয়কাৰকম্।
অভীপ্সিতানামৰ্থানাং কালে যুক্তং প্ৰশস্যতে ॥১৪॥

মনু০ ৭ (১৮৪-১৯২ । ১৯৪-১৯৬ । ২০৩ । ২০৪)

যুদ্ধ যাত্ৰাৰ পূৰ্ব্বে নিজৰ ৰাজ্য ৰক্ষাৰ ব্যৱস্থা কৰি, চাৰিওফালে গুপ্তচৰ নিযুক্ত কৰি, যুদ্ধ যাত্ৰাৰ উপযোগী যান, বাহন, সেনা আৰু অস্ত্ৰ-শস্ত্ৰ আৰু আৱশ্যকীয় সমল সামগ্ৰী লৈ যাত্ৰা কৰা কৰ্ত্তব্য ॥ ১। তিনি মাৰ্গ সংশোধন কৰি, অৰ্থাৎ জল, স্থল, আৰু আকাশ পথেদি, পদাতি, ৰথ, অশ্ব, হস্তী, অস্ত্ৰ-শস্ত্ৰ আৰু আহাৰ সম্বল এই ষড় বিধ বল সম্বল লগত লৈ, কোনো কাৰণ ঘোষণা কৰি, ক্ৰমান্বয়ে শত্ৰুৰ নগৰৰ ফালে আগবাঢ়িব ॥ ২। যি ব্যক্তি ভিতৰি শত্ৰুৰ ফালিয়া কিন্তু বাহিৰত পৰম মিত্ৰৰ দৰে দেখুৱায়, তেনে ব্যক্তিৰ চালচলন, গতিগোত্ৰ, ভাৱভঙ্গী আৰু কথা বাৰ্ত্তাত অতি সাৱধানে লক্ষ্য দিয়া উচিত। কাৰণ তেনে ব্যক্তি অতি ভয়ঙ্কৰ শত্ৰু ॥ ৩। যুদ্ধ যাত্ৰাত আৰু আগ বাঢ়োতে দণ্ডব্যূহ, শকটব্যূহ, বৰাহব্যূহ, মকৰব্যূহ, সূচী ব্যূহ, গৰুড়ব্যূহ ৰচনা কৰি আগ বাঢ়িব লাগে ॥ ৪। যত ভয়ৰ আশঙ্কা জন্মে, সেইফালে সৈন্য বিস্তাৰ কৰি,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কেওকালে অৰ্থাৎ প্ৰতি বিভাগত সেনাপতি সঞ্চালক নিয়োগ কৰি নি
অৰ্থাৎ স্বয়ং ৰজা বা প্ৰধান সেনাপতি পদ্মব্যূহৰ কেন্দ্ৰত স্থিত হৈ থাক
সেনাপতি আৰু আদেশদাতা সকলক সকলো দিশতেই নিয়োজিত ক
যুদ্ধ ক্ষেত্ৰাভিমুখে আগ বাঢ়িব, কিন্তু পাছ ফালৰ পৰা ভয়ৰ আশঙ্কা হ
পাছ ফালৰ পৰা ৰক্ষাৰো ব্যৱস্থা ৰাখিব লাগে ।। ৬। যি সকল
অৰ্থাৎ দৃঢ় স্তম্ভৰ দৰে, যুদ্ধ কৌশলী, ধৰ্ম্মব্ৰতী, নিৰ্ভীক, নিৰ্ব্বিকাৰ চি
সেই সকলক সেনাৰ সকলো ফালে নিয়োগ কৰিব ।। ৭। কম সংখ
সৈন্যৰে বহু সংখ্যক সৈন্যৰ বিৰুদ্ধে যুদ্ধ কৰিব লগীয়া হলে, নিজৰ ক
সংখ্যক সৈন্য একগোট হৈ ফুৰিব লাগে। সূচী আৰু বজ্ৰ ব্যূহ ব
কৰি ব্যূহ কৌশলেৰে যুজিব ।। ৮ সম ভূমিত ৰথ, অশ্ব, পদাতিয়ে
জলত নৌ সৈন্যৰে, অলপীয়া পানীত দ্বিপ অৰ্থাৎ হাতীৰে, গছ গছনি
হাবিত ধনুৰ্বাণ, আৰু স্থল যুদ্ধত ঢাল-তৰোৱাল আদিৰে যুদ্ধ কৰিব ।।
যুদ্ধ কালত আৰু যুদ্ধ স্থগিত সময়ত যোদ্ধা সকলক উৎসাহিত আ
আনন্দিত কৰিব। ব্যূহ আদিও ভালদৰে পৰীক্ষা কৰি থাকিব লা
যুদ্ধনিৰত সৈন্য সকলৰ কাৰ্য্যৰ প্ৰতিও দৃষ্টি ৰাখিব লাগে ।। ১০ আৱশ
হলে শত্ৰুক চাৰিওফালৰ পৰা ঘেৰি ধৰি অবৰুদ্ধ কৰি আৰু
অন্ন, জল ইন্ধন দূষিত কৰি উৎপীড়ন কৰিব ।। ১১। শ
ৰাজ্যৰ পুখুৰী, নগৰ বেষ্টনী প্ৰাচীৰ, খাৱৈ আদি ধ্বংস কৰি বা
ৰাতি ভয় প্ৰদৰ্শন কৰি জয়লাভ কৰাৰ চেষ্টা কৰিব ।। ১২। শত্ৰু
পৰাজিত কৰি প্ৰমাণ হিচাপে প্ৰতিজ্ঞা পত্ৰ লিখাই লব লাগে।
ভৱিষ্যতে ধৰ্মানুমোদিত ৰাজনীতি অনুসাৰে প্ৰজাক পালন কৰি
ৰাজ্যৰ প্ৰধান পুৰুষ সকলক সমবেত কৰি পৰাজিত শত্ৰু ৰজাক
ৰত্ন আদি উপহাৰ দি সন্মানিত কৰিব লাগে, ভবিষ্যতে যাতে উপদ্ৰ
ষড়যন্ত্ৰ কৰিব নোৱাৰে তাৰো যথাযোগ্য ব্যৱস্থা কৰি ৰাখিব লাগে ।।
সংসাৰত পৰৰ পৰা গ্ৰহণ কৰা অপ্ৰীতিকৰ আৰু পৰক দান কৰা
প্ৰীতিকৰ; গতিকে পৰৰ মনোবাঞ্ছিত অৰ্থ সম্পদ প্ৰদান কৰা সময়ে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যোগী প্ৰসংশনীয় কাৰ্য্য, বিজিতক বিজিত বুলি বিদ্ৰূপ কৰাটো সত্য হলেও, অপ্ৰিয় ॥ ১৪ ।

হিৰণ্যভূমিসংপ্ৰাপ্ত্যা পাৰ্থিবো ন তথৈধতে ।
যথা মিত্ৰং ধ্ৰুবং লব্ধ্বা কৃশমপ্যায়তিক্ষমম্ ॥১।
ধৰ্ম্মজ্ঞং চ কৃতজ্ঞং চ তুষ্টপ্ৰকৃতিমেৱ চ ।
অনুৰক্তং স্থিৰাৰম্ভং লঘুমিত্ৰং প্ৰশস্যতে ॥২।
প্ৰাজ্ঞং কুলীনং শূৰং চ দক্ষং দাতাৰমেৱ চ ।
কৃতজ্ঞং ধৃতিমন্তঞ্চ কষ্টমাহুৰৰিং বুধাঃ ॥৩।
আৰ্য্যতা পুৰুষজ্ঞানং শৌৰ্য্যং করুণবেদিতা ।
স্থৌললক্ষ্যং সততমুদাসীনগুণোদয়ঃ ॥৪।
মনু০ ৭ (২০৮-২১১) ॥

মিত্ৰৰ লক্ষণ :—

অটল বিশ্বাসৰ বন্ধু হলে, সেই ৰজা ক্ষীণ শক্তিৰেই হওক বা পৰাক্ৰমীয়েই হওঁক, তেনে বন্ধুত্বৰ পৰা যি লাভ হয়, ধনসোণ আৰু ভূমিলাভ তাৰ সমান হব নোৱাৰে ॥ ১ । ধৰ্ম্মজ্ঞ, কৃতজ্ঞ, প্ৰসন্ন স্বভাৱ, শ্ৰদ্ধাশীল আৰু স্থিৰ কৰ্ম্মা মিত্ৰ লঘু নিৰ্ধনী হলেও প্ৰশংসনীয় ॥ ২ । জ্ঞানী, কুলীন, শৌৰ্য্য-বীৰ্য্যশালী কৰ্ম্মচতুৰ, দাতা, কৃতজ্ঞ আৰু ধৈৰ্য্যৱান পুৰুষৰ লগত শত্ৰুতা কৰিলে, দুঃখ ভুগিব লগা হয়, এয়েই জ্ঞানী সকলৰ মত ॥ ৩ । যি প্ৰশংসনীয় গুণযুক্ত, শৌৰ্য্যবীৰ্য্য যুক্ত, করুণাশীল কিন্তু স্থূল-লক্ষ্য অৰ্থাৎ সূক্ষ্ম আৰু গম্ভীৰকৈ নেভাৱে তেওঁক উদাসীন বোলে ॥ ৪ ।

এবং সৰ্ব্বমিদং ৰাজা সহ সংমন্ত্ৰ্য মন্ত্ৰিভিঃ ।
ব্যায়াম্যাপ্লুত্য মধ্যাহ্নে ভোক্তুমন্তঃপুৰং বিশেৎ ॥ ১ ।
মনু০ (৭ । ২১৬) ॥

এইদৰে পূৰ্ব্বোক্ত সকলো বিধিৰে মন্ত্ৰী সকলৰ লগত মন্ত্ৰণা কৰি, তাৰ পাছত ব্যায়াম অৰ্থাৎ যুদ্ধ বিদ্যাৰ শাৰীৰিক অভ্যাস নিজে কৰি আৰু আনকো কৰাই, অস্ত্ৰ-শস্ত্ৰৰ আগাৰ পাত্তি দৰ্শন কৰি, সকলোকে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আনন্দ উৎসাহ আদি দি, দিনৰ শেষ ভাগত আহাৰাদিৰ কাৰণে অন্তঃপুৰলৈ যাব। অন্তঃপুৰত প্ৰৱেশ কৰি স্বাস্থ্যকৰ আহাৰ ভোজন পান কৰি অন্তঃপুৰৰ বিষয় দেখা শুনা কৰি নৈতিক সুখৰ জীৱন যাপন কৰিব।

প্ৰজাৰ কৰ গ্ৰহণৰ প্ৰণালী :—

পঞ্চাশদ্ভাগ আদেয়ো ৰাজ্ঞা পশুহিৰণ্যয়োঃ।
ধান্যানামষ্টমো ভাগঃ ষষ্ঠো দ্বাদশ-এৱ বা ॥

মনু০ (৭।১৩০)॥

বণিক আৰু উদ্যোগীৰ পৰা লাভৰ পঞ্চাশভাগ, পশু, ধন সোণ লব আৰু কৃষক সকলৰ পৰা ষষ্ঠ, অষ্টম বা দ্বাদশ ভাগ অৱস্থা বুজি অন্নাদি শস্যৰে কৰ গ্ৰহণ কৰিব। কৰ দি প্ৰজা যাতে দুঃখ গ্ৰস্ত নহয় তাৰো লক্ষ্য ৰাখিব লাগিব ॥ ১

প্ৰজাৰ উন্নতিয়েই ৰাজ্যৰ উন্নতি, প্ৰজাৰ আৰ্থিক. শাৰীৰিক আৰু মানসিক স্থিৰতা নহলে ৰাজ্যৰো স্থিৰতা থাকিব নোৱাৰে। প্ৰজাৰ পালন কৰাই ৰজাৰ বা ৰাষ্ট্ৰ নেতাৰ ধৰ্ম্ম; সেইদৰে ৰজা, নেতা আৰু ৰাজ্যিক কৰ্ম্মকৰ্ত্তা সকলক প্ৰজায়ো প্ৰীতি শ্ৰদ্ধাৰে পিতৃবৎ জ্ঞান কৰা কৰ্ত্তব্য। প্ৰজাৰ ৰক্ষক ৰজা, কিন্তু কৃষক সৈন্য আদি শ্ৰমজাৱি সকল ৰাজ্যৰ ৰক্ষক; ৰাজ্য নহলে ৰজা বা ৰাজনেতা ক'ত হব? গতিকে শ্ৰমিক সকল ৰজাৰো ৰজা। যি ৰাষ্ট্ৰ নেতা আৰু ৰাজ্যিক কৰ্ম্ম কৰ্ত্তা সকলৰ এই জ্ঞান নাই, সেই ৰাজ্য তিষ্ঠি থাকিব নোৱাৰে। ব্যক্তিগত ভাৱে ৰজা আৰু প্ৰজা কোনো কাৰো অধীন নহয়, কিন্তু সংহতি আৰু সহযোগত পৰস্পৰৰ অধীন। ৰজা বা ৰাষ্ট্ৰ নেতা সকলে প্ৰজাৰ সাধাৰণ সন্মতি বা বহু মতৰ বিৰুদ্ধে কোনো কাম নকৰিব। ৰাজ্য জুৰি প্ৰজাৰ মাজত জ্ঞান বিদ্যাৰ অৰ্থাৎ জ্ঞান কৰ্ম্ম কৌশলৰ প্ৰচাৰ কৰা ৰাষ্ট্ৰ নায়কৰ প্ৰধান কৰ্ত্তব্য। সংক্ষেপত ইয়াকেই ৰাজনীতি বোলে। বিস্তাৰিত ৰাজনীতি জ্ঞানৰ কাৰণে চাৰিবেদ, মুনুস্মৃতি, শুক্ৰনীতি আৰু মহাভাৰত আদি গ্ৰন্থ অধ্যয়ন কৰিব লাগে। ৰাজনীতি সময়ৰ পৰিস্থিতি—অনুকূলে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নিৰ্দ্ধাৰণ কৰা হয়। ন্যায় দণ্ডৰ সূক্ষ্ম বিবেচনাৰ কাৰণে মনুস্মৃতিৰ অষ্টম আৰু নবম অধ্যায় অধ্যয়ন যোগ্য। এই প্ৰসঙ্গত সংক্ষেপকৈ তলত উদ্ধৃত কৰা হল :—

প্ৰত্যহং দেশদৃষ্টৈশ্চ শাস্ত্ৰদৃষ্টৈশ্চ হেতুভিঃ।
অষ্টাদশসু মাৰ্গেষু নিবদ্ধানি পৃথক্ পৃথক্ ॥১॥
তেষামাদ্যমৃণাদানং নিক্ষেপোঽস্বামিবিক্ৰয়ঃ।
সম্ভুয় চ সমুত্থানং দত্তস্যানপকৰ্ম্ম চ ॥২॥
বেতনস্যৈব চাদানং সংবিদশ্চ ব্যতিক্ৰমঃ।
ক্ৰয়বিক্ৰয়ানুশয়ো বিবাদঃ স্বামিপালয়োঃ ॥৩॥
সীমাবিবাদ ধৰ্ম্মশ্চ পাৰুষ্যে দণ্ডবাচিকে।
স্তেয়ঞ্চ সাহসঞ্চৈব স্ত্ৰীসংগ্ৰহণমেব চ ॥৪॥
স্ত্ৰীপুংধৰ্ম্মো বিভাগশ্চ দ্যূতমাহ্বয় এব চ।
পদান্যষ্টাদশৈতানি ব্যৱহাৰস্থিতাবিহ ॥৫॥
এষু স্থানেষু ভূয়িষ্ঠং বিবাদং চৰতাং নৃণাম্।
ধৰ্ম্মং শাশ্বতমাশ্ৰিত্য কুৰ্য্যাৎ কাৰ্য্যবিনিৰ্ণয়ম্ ॥৬॥
ধৰ্ম্মো বিদ্ধস্ত্বধৰ্ম্মেণ সভাং যত্ৰোপতিষ্ঠতে।
শল্যং চাস্য ন কৃন্তন্তি বিদ্ধাস্তত্ৰ সভাসদঃ ॥৭॥
সভাং বা ন প্ৰবেষ্টব্যং বক্তব্যং বাসমঞ্জসম্।
অব্ৰুবন্ বিব্ৰুবন্ বাপি নৰো ভবতি কিল্বিষী ॥৮॥
যত্ৰ ধৰ্ম্মো হ্যধৰ্ম্মেণ সত্যং যত্ৰানৃতেন চ।
হন্যতে প্ৰেক্ষমাণানাং হতাস্তত্ৰ সভাসদঃ ॥৯॥
ধৰ্ম্ম এব হতো হন্তি ধৰ্ম্মো ৰক্ষতি ৰক্ষিতঃ।
তস্মাদ্ধৰ্মো নহন্তব্যো মা নো ধৰ্মো হতোঽবধীৎ ॥১০॥
বৃষো হি ভগবান্ ধৰ্মস্তস্য যঃ কুৰুতে হ্যলম্।
বৃষলং তং বিদুৰ্দেবা স্তস্মাদ্ধৰ্ম্মং ন লোপয়েৎ ॥১১॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এক এব সুহৃদ্ ধৰ্মো নিধনেঽপ্যনুযাতি যঃ।
শৰীৰেণ সমন্নাশং সৰ্ব্বমন্যদ্ধি গচ্ছতি ॥১২।
পাদোঽধৰ্মস্য কৰ্ত্তাৰং পাদঃ সাক্ষিণমৃচ্ছতি।
পাদঃ সভাসদঃ সৰ্ব্বান্ পাদো ৰাজানমৃচ্ছতি ॥১৩।
ৰাজা ভবত্যনেনাস্তু মুচ্যন্তে চ সভাসদঃ।
এনো গচ্ছতি কৰ্ত্তাৰং নিন্দাৰ্হো যত্ৰ নিন্দ্যতে ॥১৪।

মনু০ ৮ (৩৮।১২-১৯)।

ৰাজ সভা, ৰজা, আৰু ৰাজ্যিক কৰ্ম্মকৰ্ত্তা সকলে প্ৰত্যেকে দেশাচাৰ আস্ত্ৰবিধি অনুসাৰে নিম্নলিখিত বিবাদাস্পদ মাৰ্গৰ বিবাদাস্পদ কৰ্ম্ম বোৰৰ গভীৰ বিবেচনাৰে মীমাংসা কৰিব। যিবোৰ শাস্ত্ৰবিধিৰ বাহিৰত পৰে, অথচ ৰাজ্যৰ সামুহিক উন্নতিৰ কাৰণে প্ৰয়োজনীয়, ৰজা আৰু ৰাজ সভাই বিবেচনা কৰি সেই বিষয়ে বিধি বিধান নিৰ্ণয় কৰিব ॥১। অষ্টাদশ মাৰ্গৰ ভিতৰত :— (১) ঋণদান—ঋণ দিয়া আৰু ঋণ লোৱা বিষয়ৰ বাদ বিবাদ। (২) নিক্ষেপ—ধন সম্পত্তি বন্ধক দিয়া আৰু মুক্ত কৰা বিষয়ৰ বাদ বিবাদ। (৩) অস্বামিবিক্ৰয়—এজনৰ সম্পত্তি আন এজনে বিক্ৰয় কৰা। (৪) সম্ভুয় চ সমুত্থানম্—দল বদ্ধ হৈ কাৰোবাক উৎপীড়ন কৰা। (৫) দত্তস্যানপকৰ্ম চ—দান কৰি অস্বীকাৰ কৰা বা দানৰ বস্তু আত্মসাৎ কৰা। (৬) বেতনস্যৈব চাদানম্—কাৰোবাৰ জীৱিকাৰ প্ৰাপ্য বেতন কমকৈ দিয়া, নিদিয়া আৰু বেতনৰ ভাগ খোৱা। (৭) প্ৰতিজ্ঞা—প্ৰতিজ্ঞা ভঙ্গ কৰা। (৮) ক্ৰয়বিক্ৰয়ানুশয়—ক্ৰয় বিক্ৰয় সম্বন্ধীয় বাদ বিবাদ। (৯) স্বামিপালয়োঃ—পশুৰ গৰাকী আৰু পালকৰ ভিতৰত হোৱা বাদ বিবাদ। (১০) সীমাৰ বিবাদ, (১১) কঠোৰ দণ্ড দিয়া, (১২) চুৰি ডকাতি। (১৩) অবাচ্য বাক্যৰে কাৰোবাক আঘাত কৰা। (১৪) বল পূৰ্ব্বক অন্যায় কাম কৰা। (১৫) স্ত্ৰী পুৰুষৰ ব্যভিচাৰ। (১৬) স্ত্ৰী বা পুৰুষৰ কৰ্ত্তব্য ধৰ্মত ব্যতিক্ৰম। (১৭) বিভাগ অৰ্থাৎ দায়ভাগ সম্বন্ধে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিবাদ। (১৮) দ্যূত অৰ্থ সম্পত্তি পণ ৰাখি জুৱা খেলা। এই অষ্টাদশ ব্যৱহাৰৰ বিষয়ত পৰস্পৰ বিবাদ ঘটে ॥৫॥ এই বোৰ বিষয়ত বাদী প্ৰতিবাদীৰ সনাতন ধৰ্ম অনুসাৰে, পক্ষপাত ৰহিত হৈ বিচাৰ কৰা কৰ্ত্তব্য ॥৬॥ অধৰ্মৰ দ্বাৰাই শৰবিদ্ধ হৈ সভাত ধৰ্ম উপস্থিত হলে, যদি ধৰ্ম্মৰ শল্য অৰ্থাৎ ক্ষত স্থানৰ শূল বাহিৰ কৰি অধৰ্ম্মক সেই শূলেৰে ছেদন কৰা নহয়—অৰ্থাৎ ধৰ্ম্মপৰায়ণক ৰক্ষা আৰু অধৰ্ম্মপৰায়ণক দণ্ড বিহা নহয়—, তেনেহলে সেই সভাৰ সভাসদ সকলেই আহত বুলি ভাৱিব লাগিব ॥৭॥ ধাৰ্ম্মিকে সভাত প্ৰৱেশ কৰিলে সত্য কব; নহলে সভাত কেতিয়াও প্ৰৱেশ নকৰিব। সভাত অন্যায় দেখিও যি নীৰব হৈ থাকে বা সত্য আৰু ন্যায়ৰ বিৰুদ্ধে কয়, তেওঁ মহাপাপী ॥৮॥ যি সভাত সভাসদ সকলৰ সাক্ষাতত অধৰ্ম্মৰ দ্বাৰাই ধৰ্ম্ম, আৰু অসত্যৰ দ্বাৰাই সত্য বিনষ্ট হয় সেই সভাস্থ সকলোৱেই মৃতবৎ, তাৰ ভিতৰত কোনো জীৱিত নাই ॥৯॥ বিনষ্ট ধৰ্ম্মই বিনাশকাৰীক বিনাশ কৰে। ৰক্ষিত ধৰ্ম্মই ৰক্ষকক ৰক্ষা কৰে। গতিকে বিনষ্ট ধৰ্ম্মই যাতে বিনাশ কৰিব নোৱাৰে—তাৰ বাবেই অৰ্থাৎ সেই ভয়তেই ধৰ্ম্মক কেতিয়াও বিনাশ কৰিব নেলাগে ॥১০॥ যি সকলো ঐশ্বৰ্য্য ও সুখ বৰ্ষণকাৰী ধৰ্ম্মৰ লোপ কৰে, তাকেই বিদ্বান লোক সকলে বৃষল অৰ্থাৎ শূদ্ৰ আৰু নীচ বুলি ভাবে। গতিকে ধৰ্ম্মৰ লোপ কৰা উচিত নহয় ॥১১॥ এই সংসাৰত একমাত্ৰ ধৰ্ম্মই সুহৃদ্। মৃত্যুৰ পাচতো ধৰ্ম্মই লগ নেৰে, অন্য সকলো সঙ্গী আৰু সম্পত্তি দেহ ত্যাগৰ লগে লগে নাশ হয় অৰ্থাৎ এৰা-এৰি হয় ॥১২॥ ধৰ্ম্মৰ সম্বন্ধ কেতিয়াও ছিন্ন হব নোৱাৰে। ৰাজ সভাত পক্ষ পাতৰ ফলত কোনো অন্যায় অধৰ্ম্ম অনুষ্ঠিত হলে, সেই অধৰ্ম্ম চাৰি ভাগত বিভক্ত হয়, প্ৰথম ভাগ অধৰ্ম্মকাৰী, দ্বিতীয় ভাগ সাক্ষী, তৃতীয় ভাগ সভাসদবৰ্গ আৰু চতুৰ্থ ভাগ সভাৰ সভাপতি ৰজাৰ ওচৰলৈ যায় ॥১৩॥ যি সভাত নিন্দনীয়ৰ নিন্দা, প্ৰশংসনীয়ৰ প্ৰশংসা, দণ্ডনীয়ৰ দণ্ড আৰু মাননীয়ৰ সম্মান হয় সেই সভাৰ ৰজা, সভাসদ সকলে পবিত্ৰ আৰু নিষ্পাপ হৈ থাকে। পাপে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কেৱল পাপীকহে আশ্ৰয় কৰে ॥১৪॥

সাক্ষীৰ লক্ষণঃ—

আপ্তাঃ সৰ্ব্বেষু বৰ্ণেষু কাৰ্য্যাঃ কাৰ্য্যেষু সাক্ষিণঃ।
সৰ্ব্বধৰ্মবিদোঽলুব্ধা বিপৰীতাংস্তু বৰ্জয়েৎ ॥১॥
স্ত্ৰীণাং সাক্ষ্যং স্ত্ৰিয়ঃ কুৰ্য্যুৰ্দ্বিজানাং সদৃশদ্বিজাঃ।
শূদ্ৰাশ্চ সন্তঃ শূদ্ৰাণামন্ত্যানামন্ত্যযোনয়ঃ ॥২॥
সাহসেষু চ সৰ্ব্বেষু স্তেয়সংগ্ৰহণেষু চ।
বাগ্দণ্ডয়োশ্চ পাৰুষ্যে ন পৰীক্ষেত সাক্ষিণঃ ॥৩॥
বহুত্বং পৰি গৃহ্ণীয়াৎ সাক্ষিদ্বৈধে নৰাধিপঃ।
সমেষু তু গুণোৎকৃষ্টান্ গুণদ্বৈধে দ্বিজোত্তমান্ ॥৪॥
সমক্ষদৰ্শনাৎ সাক্ষ্যং শ্ৰৱণাচ্চৈৱ সিধ্যতি।
তত্ৰ সত্যং ব্ৰুৱন্ সাক্ষী ধৰ্ম্মাৰ্থাভ্যাং ন হীয়তে ॥৫॥
সাক্ষী দৃষ্ট শ্ৰুতাদন্যদ্ বিব্ৰুৱন্নাৰ্য্যসংসদি।
অৱাঙ্ নৰকমভ্যেতি প্ৰেত্য স্বৰ্গাচ্চ হীয়তে ॥৬॥
স্বভাৱেনৈৱ যদ্ ব্ৰূয়ুস্তদ্ গ্ৰাহ্যং ব্যাৱহাৰিকম্।
অতো যদন্যদ্ বিব্ৰূয়ুৰ্ধৰ্ম্মাৰ্থং তদপাৰ্থকম্ ॥৭
সভান্তঃ সাক্ষিণঃ প্ৰাপ্তানৰ্থি প্ৰত্যৰ্থিসন্নিধৌ।
প্ৰাড্ বিবাকোনুযুঞ্জীত বিধিনানেন সান্ত্বয়ন্ ॥৮
যদ্ দ্বয়োৰনয়োৰ্বেত্থ কাৰ্য্যেঽস্মিন্ চেষ্টিতং মিথঃ।
তদ্ ব্ৰূত সৰ্ব্বং সত্যেন যুষ্মাকং হ্যত্ৰ সাক্ষিতা ॥৯
সত্যং সাক্ষ্যে ব্ৰুৱন্ সাক্ষী লোকানাপ্নোতি পুষ্কলাম্।
ইহ চানুত্তমাং কীৰ্ত্তিং বাগেষা ব্ৰহ্মপুজিতা ॥১০।
সত্যেন পূয়তে সাক্ষী ধৰ্ম্মঃ সত্যেন বৰ্দ্ধতে।
তস্মাৎ সত্যং হি বক্তব্যং সৰ্ব্ববৰ্ণেষু সাক্ষিভিঃ ॥১১।
আত্মৈব হ্যাত্মনঃ সাক্ষী গতিৰাত্মা তথাত্মনঃ।
মাৱসংস্থাঃ স্বামাত্মানং নৃণাং সাক্ষিণমুত্তমম্ ॥১২॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যস্য বিদ্বান্ হি বদতঃ ক্ষেত্রজ্ঞো নাভিশঙ্কতে ।
তস্মান্ন দেবাঃ শ্রেয়াংসং লোকেঽন্যং পুরুষং বিদুঃ ॥ ১৩।
একোঽহমস্মীত্যাত্মানং যত্ত্বং কল্যাণং মন্যসে ।
নিত্যং স্থিতস্তে হৃদ্যেষ পুণ্যপাপেক্ষিতা মুনিঃ ॥ ১৪

মনু০ ৮। (৬৩।৬৮।৭২-৭৫।৭৮-৮১।৮৩।৮৪।৯১।৯৬)

সকলো বৰ্ণৰ ধাৰ্ম্মিক, বিদ্বান, অকপট, সৰ্ব্বধৰ্ম্মবিদ। নিৰ্লোভী, আৰু সত্যবাদী ব্যক্তিক ন্যায় ব্যৱহাৰত সাক্ষী কৰা কৰ্ত্তব্য, তাৰ বিপৰীত ব্যক্তিক কেতিয়াও সাক্ষী কৰা অনুচিত ॥ ১। স্ত্ৰীসকলৰ সাক্ষী স্ত্ৰী, দ্বিজৰ সাক্ষী দ্বিজ, শূদ্ৰৰ সাক্ষী শূদ্ৰ আৰু অন্ত্যজৰ সাক্ষী অন্ত্যজ হে হব। ২ চুৰি, ব্যভিচাৰ, কঠোৰ বাক্যাঘাত, আৰু দণ্ড প্ৰহাৰ আদি যিবোৰ বল-পূৰ্ব্বক কৰা অপৰাধ, তাৰ সাক্ষী পৰীক্ষা কৰিব নেলাগে। কাৰণ এনেবোৰ অপৰাধ গোপনে কৰে, গতিকে এইবোৰৰ অতি শীঘ্ৰে মীমাংসা আৱশ্যক ॥ ৩॥ দুয়ো পক্ষৰ সাক্ষীৰ ভিতৰত সাক্ষী বহুত হলে, দুয়োপক্ষৰ সমান সংখ্যক সাক্ষী হলে উৎকৃষ্ট গুণ সম্পন্ন সাক্ষী প্ৰমাণ, আৰু উৎকৃষ্ট গুণ সম্পন্ন সাক্ষীত দুয়ো পক্ষৰ সমান হলে, দ্বিজোত্তম অৰ্থাৎ দ্বিজতকৈও উত্তম ঋষি মুনি আৰু যতি সকলৰ সাক্ষ্য অনুসাৰে বিচাৰ কৰিব লাগে ॥ ৪। এই দুবিধ সাক্ষীয়েই প্ৰমাণ যোগ্য ঃ প্ৰথমতে সাক্ষাৎ দ্ৰষ্টা আৰু দ্বিতীয়তে শ্ৰোতা। সভাই যি সাক্ষীক সুধিলে সত্য কথা কয় সেই সাক্ষী ধাৰ্ম্মিক আৰু দণ্ডনীয় নহয়। কিন্তু যি সাক্ষীয়ে মিছা কথা কয়—সি যথাযোগ্য দণ্ডনীয় হব ॥ ৫।

যি সাক্ষীয়ে অৰ্থাৎ সংসদত বা সৎপুৰুষৰ আগত দেখা আৰু শুনাৰ বিপৰীত কথা কয়, সি "অবাঙনৰ"ক জিহ্বা নাশৰ দুঃখ ভুগিব আৰু মৰাৰ পাচতো স্বৰ্গ অৰ্থাৎ সুখ শান্তিৰ পৰা বঞ্চিত হব ॥ ৬। সাক্ষীয়ে কোনো ঘটনাৰ বিষয়ে স্বাভাৱিক ৰূপে যি কয় সেয়েই গ্ৰাহ্য। তাৰ বাহিৰে পৰৰ শিকোৱা যিবোৰ কয়, সি "ধৰ্ম্মাৰ্থং অপাৰ্থকম্" অৰ্থাৎ ন্যায় বিবেচনাৰ অগ্ৰাহ্য ॥ ৭ সভাত উপস্থিত (অৰ্থী) বাদী,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আৰু (প্ৰত্যৰ্থী) প্ৰতিবাদীৰ সাক্ষী সকলক ন্যায়াধীশ আৰু প্ৰাড্‌বিবাক অৰ্থাৎ উকিলে শান্ত ভাৱে প্ৰশ্ন কৰিব ॥ ৮॥ সাক্ষী সকল! এই দুজনৰ বা দুয়ো পক্ষৰ মাজত ঘটিত হোৱা কাৰ্য্যৰ বিষয়ে আপোনা লোকে যি জানে, তাকেই সত্য কৰি কওক, যিহেতু আপোনালোক এই বিষয়ত সাক্ষী ॥ ৯ ॥ যি সাক্ষীয়ে সত্য কথা কয়, তেওঁ ইহ জীৱনত কীৰ্ত্তি লাভ কৰে আৰু মৃত্যুৰ পাছত উত্তম জন্ম লাভ কৰি সুখ ভোগ কৰে এই বাণীয়েই সন্মান আৰু অপমানৰ হেতু, এই বাণী ব্ৰহ্ম পূজিতা অৰ্থাৎ সত্য বাণীয়েই পৰম পূজিতা বুলি বেদে কৈছে॥১০॥ সত্যৰ দ্বাৰাই সাক্ষী পৱিত্ৰ হয়, সত্যৰ দ্বাৰাই ধৰ্ম্মৰ উন্নতি হয়, গতিকে সকলো বৰ্ণৰ সাক্ষীয়ে সত্যহে কোৱা উচিত ॥১১॥ আত্মাই আত্মাৰ সাক্ষী, আত্মাই আত্মাৰ গতি। মানৱ সকলৰ উত্তম সাক্ষী নিজৰ আত্মাৰ অৱমাননা নকৰিবা ॥১২॥ যি জন বিদ্বান্ ক্ষেত্ৰজ্ঞ অৰ্থাৎ দেহৰ জ্ঞাতা আত্মাই অন্তৰত শঙ্কিত নহয়, তেওঁৰ বাহিৰে বিদ্বান্ সকলে আন কাকো উত্তম পুৰুষ বুলি নেভাৱে ॥১৩॥ "মই অকল শৰীয়া, মোৰ মনৰ কথা কোনেও নেজানে গতিকে মোৰ দুৰ্গতিৰ আশঙ্কা নাই" এনে ধাৰণা কৰিব পাৰা কিন্তু তোমাৰ অন্তৰত যি অন্তৰ্য্যামী পৰম পুৰুষ "দ্ৰষ্টা মুনি"ৰূপে সদায় বৰ্ত্তমান আছে তোমাৰ পাপ পুণ্য সকলোকে সাক্ষী ৰূপে দেখি থাকে, গতিকে সচাঁহে কবা ॥১৪॥

লোভান্মোহাদ্ভয়ান্মৈত্ৰাৎ কামাৎ ক্ৰোধাত্তথৈৱ চ।
অজ্ঞানাদ্ বালভাৱাচ্চ সাক্ষ্যং বিতথমুচ্যতে ॥১॥

এষামন্যতমে স্থানে যঃ সাক্ষ্যমনৃতং বদেৎ।
তস্য দণ্ডবিশেষাস্তু প্ৰৱক্ষ্যাম্যনুপূৰ্ব্বশঃ ॥ ২ ॥
লোভাৎ সহস্ৰদণ্ড্যস্তু মোহাৎ পুৰ্ব্বন্তু সাহসম্।
ভয়াদ্দ্বৌ মধ্যমৌ দণ্ডৌ মৈত্ৰাৎ পূৰ্ব্বং চতুৰ্গুণম্ ॥ ৩
কমাদ্দশগুণং পুৰ্ব্বং ক্ৰোধাত্তু ত্ৰিগুণং পৰম্।
অজ্ঞানাদ্ দ্বে শতে পূৰ্ণে বালিশ্যাচ্ছতমেৱ তু ॥ ৪

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উপস্থমুদৰং জিহ্বা হস্তৌ পাদৌ চ পঞ্চমম্ ।
চক্ষুৰ্নাসা চ কর্ণৌ চ ধনং দেহস্তথৈব চ ॥ ৫ ।
অনুবন্ধং পৰিজ্ঞায় দেশ কালৌ চ তত্ত্বতঃ ।
সাৰাহপৰাধৌ চালোক্য দণ্ডং দণ্ড্যেষু পাতয়েৎ ॥ ৬ ।
অধৰ্মদণ্ডনং লোকে যশোঘ্নং কীৰ্ত্তিনাশনম্ ।
অস্বৰ্গ্যঞ্চ পৰত্ৰাপি তস্মাত্তৎ পৰিবৰ্জ্জয়েৎ ॥ ৭
অদণ্ড্যান্ দণ্ডয়ন্ ৰাজা দণ্ড্যাংশ্চৈবাপ্যদণ্ডয়ন্ ।
অযশো মহদাপ্নোতি নৰকং চৈব গচ্ছতি ॥ ৮ ।
বাগ্দণ্ডং প্ৰথমং কুৰ্য্যাদ্ ধিগ্দণ্ডং তদন্তৰম্ ।
তৃতীয়ং ধনদণ্ডন্তু বধদণ্ডমতঃ পৰম্ ॥ ৯ ॥

মনু০ ৮ (১১৮-১২১ । ১২৫-১২৯) ॥

লোভ, মোহ, ভয়, মিত্ৰতা, কাম, ক্ৰোধ, অজ্ঞতা আৰু বালক বুদ্ধিৰ সাক্ষীক মিছা বুলি জানিব আৰু তাক বিবেচনা নকৰিব ॥ ১ ॥ কোন ক্ষেত্ৰত সাক্ষীয়ে মিছা সাক্ষী দিলে কি, কি বিশেষ দণ্ড দিয়া কৰ্ত্তব্য তাক ব্যাখ্যা কৰা হৈছে ॥ ২ ॥ লোভৰ বশত মিথ্যা সাক্ষী দিলে সাক্ষীৰ (১৫.৬২) পোন্ধৰ টকা বাষষ্ঠি পইচা দণ্ড হব, মোহ বশতঃ মিছা সাক্ষী দিলে, সেই সাক্ষীৰ (৩.১২) তিনি টকা বাৰ পইচা দণ্ড হব, ভয়ত মিছা সাক্ষী দিলে সাক্ষীৰ (৬.১৫) ছয় টকা পচিশ পইচা দণ্ড হব, মিত্ৰতা বশতঃ মিছা সাক্ষী দিলে (১২.৫০) বাৰ টকা পঞ্চাশ পইচা দণ্ড হব ॥৩॥ কামনাৰ বশ হৈ মিছা সাক্ষী দিলে (২৫.০০) পঁচিশ টকা দণ্ড হব, ক্ৰোধৰ বশত মিছা সাক্ষী দিলে (৪৬.৯০) ছয়চল্লিশ টকা নব্বই পইচা দণ্ড হব, অজ্ঞতা বশত মিছা সাক্ষী দিলে (৬.০০) ছয় টকা দণ্ড হব, বাল-বুদ্ধি বশত মিছা সাক্ষী দিলে (১.৫৬) এটকা ছাপ্পন্ন পইচা দণ্ড হব ॥ ৪ ॥ উপস্থেন্দ্ৰিয়, উদৰ, জিহ্বা, হস্ত, পদ, চক্ষু, নাসিকা, কৰ্ণ, দেহ, আৰু ধন এই দহ স্থানত দণ্ড প্ৰয়োগ কৰা হয় ॥ ৫ ॥ (যিবোৰ দণ্ডৰ বিধান কৰা হয়) সেইবোৰৰ দেশ কাল পাত্ৰ বিবেচনা কৰি হে যথাযোগ্য

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দণ্ড দিব লাগে। উদাহৰণ স্বৰূপে লোভত মিছা সাক্ষী দিয়াত ১
পইচা দণ্ড বিধান হৈছে কিন্তু অপকাৰী দৰিদ্ৰ হলে, অতি সামান্য
ধনী হলে, দ্বিগুণ ত্ৰিগুণ বা চতুৰ্গুণ পৰ্য্যন্ত দণ্ড আদায় কৰিব লাগে।
কাৰণ অধৰ্ম্ম দণ্ড দিলে অৰ্থাৎ অন্যায় বিবেচনা কৰিলে দণ্ডাধীশৰ
বৰ্ত্তমান ভবিষ্যৎ কীৰ্ত্তি নষ্ট আৰু পৰজন্মত দুঃখৰ ভাগী হবলগা
গতিকে ধৰ্ম্ম ৰক্ষা কৰিহে দণ্ড দিব লাগে ॥ ৭ ॥ যি ন্যায়াধীশ বা
দণ্ডনীয়ক দণ্ড নিদি অদণ্ডনীয়ক দণ্ড দিয়ে, তেওঁ জীৱিত অৱস্থাত
নিন্দা আৰু মৃত্যুৰ পাছত মহা দুঃখ ভোগ কৰিব লগা হয় ॥ ৮।

প্ৰথমতে বাক্ দণ্ড অৰ্থাৎ নিন্দা আৰু সাৱধান; দ্বিতীয়তে
দণ্ড অৰ্থাৎ কুকৰ্ম্মৰ ধিক্কাৰ, তিৰস্কাৰ; তৃতীয়তে "অৰ্থ দণ্ড" আৰু চ
"বধ" দণ্ড অৰ্থাৎ বেত প্ৰহাৰ অন্তিমত শিৰশ্চেদ দণ্ড বা প্ৰ
দিব ॥ ৯ ॥

যেন যেন যথাঙ্গেন স্তেনো নৃষু বিচেষ্টতে।
তত্তদেৱ হৰেদস্য প্ৰত্যাদেশায় পাৰ্থিবঃ ॥ ১।
পিতাচাৰ্য্যঃ সুহৃন্মাতা ভাৰ্য্যা পুত্ৰ পুৰোহিতঃ।
নাদণ্ড্যো নাম ৰাজ্ঞোঽস্তি য়ঃ স্বধৰ্ম্মেন তিষ্ঠতি ॥ ২
কাৰ্ষাপণং ভবেদ্দণ্ড্যো যত্ৰান্যঃ প্ৰাকৃতোজনঃ।
তত্ৰ ৰাজা ভবেদ্দণ্ড্যঃ সহস্ৰমিতি ধাৰণা ॥ ৩।
অষ্টা পাদ্যন্তু শূদ্ৰস্য স্তেয়ে ভৱতি কিল্বিষম্।
ষোড়শৈব তু বৈশ্যস্য দ্বাত্ৰিংশৎ ক্ষত্ৰিয়স্য চ ॥ ৪
ব্ৰাহ্মণস্য চতুঃৰ্ষষ্টিঃ পূৰ্ণং বাপি শতং ভবেৎ।
দ্বিগুণা বা চতুঃশষ্টিস্তদ্দোষগুণবিদ্ধি সঃ ॥ ৫।
ঐন্দ্ৰং স্থানমভিপ্ৰেপ্সুৰ্য্যশশ্চাক্ষয়মব্যয়ম্।
নোপেক্ষেত ক্ষণমপি ৰাজা সাহসিকং নৰম্ ॥ ৬
বাগ্ দুষ্টাত্তস্কৰাচ্চৈব দণ্ডেনৈব চ হিংসতঃ।
সাহসস্য নৰঃ কৰ্ত্তা বিজ্ঞেয়ঃ পাপকৃত্তমঃ ॥ ৭

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সাহসে বৰ্ত্তমানন্তু যো মৰ্ষয়তি পাৰ্থিবঃ।
স বিনাশং ব্ৰজত্যাশু বিদ্বেষং চাধিগচ্ছতি ॥ ৮
ন মিত্ৰকাৰণাদ্ৰাজা বিপুলাদ্বা ধনাগমাৎ।
সমুৎসৃজেৎ সাহসিকান্ সৰ্ব্বভূতভয়াবহান্ ॥ ৯
গুৰুং বা বালবৃদ্ধৌ বা ব্ৰাহ্মণং বা বহুশ্ৰুতম্।
আততায়িনমায়ান্তং হন্যাদেবাবিচাৰয়ন্ ॥ ১০।
নাততায়িবধে দোষো হন্তুৰ্ভৱতি কশ্চন।
প্ৰকাশং বাঽপ্ৰকাশং বা মন্যুস্তন্ মন্যুমৃচ্ছতি ॥ ১১
যস্য স্তেনঃ পুৰে নাস্তি নান্যস্ত্ৰীগো ন দুষ্টবাক্।
ন সাহসিকদণ্ডঘ্নৌ স ৰাজা শক্ৰলোকভাক্ ॥ ১২

মনু ০ ৮ (৩৩৪-৩৩৮। ৩৪৪-৩৪৭। ৩৫০। ৩৫১। ৩৮৬) ॥

যি চোৰ বা দুষ্ট মানুহে যি যি অঙ্গৰে সমাজৰ বিৰুদ্ধ আচৰণ কৰে, লোক শিক্ষাৰ অৰ্থে ৰজাই, সেই দুষ্টৰ সেই সেই অঙ্গ কাটি দিব ॥ ১। পিতা, মাতা, পত্নী, আচাৰ্য্য, পুৰোহিত বা বন্ধু, যিয়েই হওক লাগে, যি স্বধৰ্ম্মত স্থিৰ নহয় অৰ্থাৎ স্বধৰ্ম্ম পালন নকৰে, তেওঁ ৰজাৰ অদণ্ডনীয় হব নোৱাৰে ॥ অৰ্থাৎ ৰজাৰ স্বধৰ্ম্ম হল, ন্যায় বিচাৰ, গতিকে যাৰ ন্যায় ধৰ্ম্ম, তাৰ 'আপোন-পৰ'ৰ পক্ষপাত হব নোৱাৰে ॥ ২। যি অপৰাধত সাধাৰণ লোকৰ এক পইচা দণ্ড হয়, সেই অপৰাধত ৰজাৰ সহস্ৰ গুণ দণ্ড হব। মন্ত্ৰীৰ আঠশত গুণ, মন্ত্ৰীৰ অপেক্ষাত তল শ্ৰেণীৰ সাত শত গুণ, তাৰ তল শ্ৰেণীৰ ছয় শত গুণ, এইদৰে ক্ৰমশঃ নিম্ন পদস্থৰ দণ্ড বিধান হব। ৰাজকীয় বা প্ৰশাসনীয় সৰ্ব্ব নিম্ন ভৃত্যৰো সৰ্ব্ব সাধাৰণতকৈ আঠ গুণ বেচি দণ্ড হব। প্ৰজাতকৈ ৰাজ কৰ্ম্মচাৰীৰ দণ্ড অধিক নহলে নৈতিক মানদণ্ড নেথাকে ॥ ৩। সেইদৰে সামান্য বিবেকী শূদ্ৰৰ চুৰি আদি অপৰাধত আঠ গুণ, বৈশ্যৰ ষোল গুণ, ক্ষত্ৰিয়ৰ বিশ গুণ, আৰু ব্ৰাহ্মণৰ চৌষষ্ঠি গুণ, শত গুণ, বা এশ আঠাইশ গুণ দণ্ড হোৱা উচিত। অৰ্থাৎ যাৰ জ্ঞান প্ৰতিষ্ঠা অধিক তাৰ অপৰাধৰো অধিক দণ্ড হোৱা আৱশ্যক ॥ ৫।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰাজ্যাধিপতি, ধৰ্ম্ম আৰু ঐশ্বৰ্য্যৰ অভিলাষী ৰজাই কন্তেকো ক্ষি নকৰি বলপূৰ্ব্বক কুকৰ্ম্মকাৰী দুবৃৰ্ত্তক যথাযোগ্য দণ্ড দিয়া উচিত ॥
দুঃসাহসেৰে কুকৰ্ম্মকাৰীৰ লক্ষণ ঃ—

যি দুষ্ট কথা কয়, চুৰি কৰে, বিনা দোষে দণ্ড দিয়ে, আৰু দুঃসাহসিকতাৰে বল প্ৰয়োগ কৰে, সেইবোৰ পাপিষ্ঠ আৰু দুৰ্ব্বৃত্ত ॥ ৭। ৰজাই তেনে লোকক দণ্ড নিদি সহ্য কৰে, তেওঁৰ অচিৰেই বিনাশ হয়, ৰাজ্যত বিদ্ৰোহ উপস্থিত হয় ॥ ৮। বন্ধুত্বৰ কাৰণেই হওক বা প্ৰচুৰ ধনৰ লোভৰ কাৰণেই হওক এনেবোৰ উৎপীড়ক দুৰ্ব্বৃত্তক ৰজাই কেতিয়াও বন্ধনৰ পৰা মুক্ত কৰা অনুচিত ॥ ৯

গুৰু, পুত্ৰ, বালক, বৃদ্ধ, ব্ৰাহ্মণ, অথবা বহুশ্ৰুত বিদ্বান যেয়েই নহওক লাগে, যদি আততায়ী অৰ্থাৎ হত্যাকৰা অভিপ্ৰায়ত উদ্যত হয়, তেন্তে বিনা বিচাৰে বধ কৰা উচিত। আগতে বধ কৰি তাৰ পাচতহে বিচাৰ কৰা কৰ্ত্তব্য ॥ ১০ ॥ দুৰ্ব্বৃত্তক (আততায়ী) প্ৰকাশ্যে বা অপ্ৰকাশ্যে বধ কৰিলে হত্যাৰ অৰ্থাৎ বধ কৰোতাৰ পাপ নহয়। কাৰণ, ক্ৰুদ্ধক ক্ৰোধ দ্বাৰাই বধ কৰাক ক্ৰোধৰ লগত ক্ৰোধৰ যুদ্ধ বুলিহে গ্ৰাহ্য কৰা কৰ্ত্তব্য। যি ৰজাৰ ৰাজ্যত চোৰ, পৰস্ত্ৰীগামী, কটুভাষী, দুঃসাহসী দস্যু আৰু দণ্ডঘ্ন অৰ্থাৎ আইন দণ্ড বা বিধি লঙ্ঘনকাৰী নাই, সেই ৰজা শক্ৰ লোকৰ অৰ্থাৎ অতি শ্ৰেষ্ঠ ॥ ১২

ভৰ্ত্তাৰং লঙ্ঘয়েৎযা স্ত্ৰী স্বজ্ঞাতি গুণদৰ্পিতা।
তাং শ্বভিঃ খাদয়েদ্ৰাজা সংস্থানে বহুসংস্থিতে ॥ ১।
পুমাংসং দাহয়েৎ পাপং শয়নে তপ্ত আয়সে।
অভ্যাদধ্যুশ্চ কাষ্ঠানি তত্ৰ দহ্যেত পাপকৃৎ ॥ ২ মনুঃ ৮ (৩৭১।৩৭২)

যি স্ত্ৰীয়ে নিজৰ জাতি বংশ আৰু গুণৰ অহঙ্কাৰত স্বামীক পৰিত্যাগ কৰি ব্যভিচাৰ কৰে, সেই স্ত্ৰীক বহুলোকৰ সম্মুখত জীৱিত অৱস্থাতেই 'কুকুৰৰ' দ্বাৰা কামোৰাই বধ কৰাব ॥ ১। সেই দৰেই যি পুৰুষে নিজৰ পত্নীক এৰি পৰস্ত্ৰী বা বেশ্যাগমন কৰে, সেই পাপীক

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তপ্ত লৌহ পালঙ্কত শুৱাই বহুলোকৰ সম্মুখত জীৱিত অৱস্থাতেই দগ্ধ কৰিব ॥ ২

প্ৰশ্ন—ৰজা বা ৰাণী আৰু ন্যায়াধীশ বা তেওঁৰ পত্নীয়ে ব্যভিচাৰ আদি কুকৰ্ম্ম কৰিলে তেওঁলোকৰ দণ্ড কোনে কৰিব ?

উত্তৰ—সভাই দণ্ড দিব আৰু প্ৰজা সকলৰ তুলনাত সেইসকলৰ গুৰুতৰ দণ্ড হোৱা উচিত।

প্ৰশ্ন—ৰজা আদিয়ে প্ৰজাই দিয়া দণ্ড মানিব কিয় ?

উত্তৰ—ৰজাও এজন ভাগ্যবান মানুহ। প্ৰজাৰ দণ্ড ৰজাই নেমানিলে ৰজাৰ দণ্ড প্ৰজাই বা মানিব কিয় ? প্ৰজা আৰু ৰাজসভাই ধৰ্ম্মবিধি অনুসাৰে দণ্ড দিলে ৰজাই নেমানি কেনেকৈ থাকিব পাৰে ? ৰজায়ো ৰাজসভাৰ নীতি দণ্ড অনুসাৰে নচলিলে, ৰজা আৰু প্ৰভাৱশালী লোক সকল অধৰ্ম্ম কুকৰ্ম্মত নিমগ্ন হব। অধৰ্ম্মত প্ৰবৃত্তি হলে, ৰজা, ৰাজ্য আৰু প্ৰজা সকলো নাশ হব। উক্ত শ্লোকৰ ভাবাৰ্থ হল ন্যায় দণ্ডৰ নামেই ৰজা আৰু ধৰ্ম্ম। যি ব্যক্তিয়ে ন্যায় আচৰণ নকৰে তাতকৈ নীচ মনুষ্য কি হব পাৰে ?

প্ৰশ্ন—এনেকুৱা কঠোৰ দণ্ড হোৱা উচিত নহয়; কাৰণ মানুহ স্বাধীনতা বা কোনো অঙ্গৰ নিৰ্ম্মাণ কৰা নহয়, গতিকে এনেকুৱা দণ্ড দিব নোৱাৰে।

উত্তৰ—যি সকলে এনেবোৰ দণ্ড কঠোৰ বুলি কয় তেওঁলোকে ৰাজনীতিকেই বুজিব নোৱাৰে। কাৰণ এক অপৰাধীৰ এনেকুৱা দণ্ড হলে আন সকলোৱে কুকৰ্ম্মৰ পৰা সাৱধান হৈ ন্যায় ধৰ্ম্মত স্থিৰ থাকিব। এক অপৰাধীক এনেকুৱা কঠোৰ দণ্ড দিলে ৰাজ্যৰ বা সমাজৰ তিল পৰিমাণো ক্ষতি নহয়, কিন্তু লঘু দণ্ড দিলে কুকৰ্ম্মলৈ মানুহে ভয় নকৰে, ফলত কুকৰ্ম্মৰ বৃদ্ধি হব। আৰু আপুনি যাক লঘু দণ্ড বুলিছে, সেই লঘু দণ্ড কোটি কোটি গুণ বাঢ়ি গলে, কোটি কোটি গুণ কঠিন আৰু জটিল হব। কুকৰ্ম্মকাৰী সকলোকে লঘু দণ্ড দিব লাগিব। ধৰক

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এক ব্যক্তিক এক মোন আৰু অন্য এক ব্যক্তিক এপোৱা দণ্ড দিয়া হল। দুয়োজনৰ মুঠ এমোণ একপোৱা দণ্ড হ'ল। দুজনৰ গড় হিচাবে প্ৰত্যেকৰ ভাগত বিশ সেৰ আধাপোৱা হয়। দুৰ্দ্দান্ত দুৰ্ব্বৃত্তই লঘু দণ্ডলৈ ভয় নকৰে। এপোৱাকৈ সহস্ৰজনক দণ্ড দি ছয়মোন দহ সেৰ ব্যয় কৰাতকৈ এজনক এমোণৰ দণ্ড দিয়া ভাল। ৰাজ্যৰ বা সমাজৰ ছয়মোণ দহ সেৰৰ ঠাইত মাত্ৰ এমোণ ক্ষতি হোৱা ভাল। গতিকে সহস্ৰ দণ্ড দি সহস্ৰ ক্ষতি আৰু জটিল কৰাতকৈ এজনক গুৰু দণ্ড দিয়াহে ভাল, আৰু সমাজৰো মঙ্গল।

দীৰ্ঘাধ্বনি যথাদেশং যথাকালঙ্কৰো ভৱেৎ।
নদীতীৰেষু তদ্বিদ্যাৎ সমুদ্ৰে নাস্তি লক্ষণম্॥

৩। মনুঃ (৪০৬

দীৰ্ঘ পথ, উপসাগৰ, নদী, আৰু মহানদীত দেশৰ আয়তন অনুসাৰে কৰ ধাৰ্য্য কৰা কৰ্ত্তব্য। সমুদ্ৰত নিশ্চিত কৰ ধাৰ্য্য কৰা নেযায়। ৰজা আৰু সমুদ্ৰ যান পৰিচালক উভয়েই যাতে লাভবান হয় সেই হিচাবে কৰ স্থিৰ কৰা উচিত ॥৩। (ইয়াৰ দ্বাৰাই প্ৰমাণ হয় যে পূৰ্ব্বকালত দ্বীপ দ্বীপান্তৰ বা দেশ দেশান্তৰলৈ সমুদ্ৰ যান চলাচল কৰিছিল)

অহন্যহন্যবেক্ষেত কৰ্ম্মান্তান্ ৱাহনানি চ।
আয়ব্যয়ৌ চ নিয়তাবাকৰান্ কোষমেব চ॥৪।
এৱং সৰ্ব্বানিমান্ ৰাজা ব্যৱহাৰান্ সমাপয়ন্।
ব্যাপোহ্য কিল্বিষং সৰ্ব্বং প্ৰাপ্নোতি পৰমাং গতিম্॥৫।

মনু০ ৮ (৪১৯।৪২০)।

ৰজাই প্ৰতিদিনে নিত্য কৰ্ম্ম সমাপ্ত কৰি হস্তী, অশ্ব, বাহন দৈনিক আয় ব্যয়—আকৰ অৰ্থাৎ ৰত্নৰ খনি আৰু ৰাজ কোষ পৰ্য্যবেক্ষণ কৰিব ॥৪। এই দৰে সকলো কাম যথোচিত ভাবে সম্পন্ন কৰি ৰা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰাই ৰজাই সৰ্ব্ব পাপৰ পৰা মুক্ত হৈ পৰম গতি লাভ কৰে ॥৫।

প্ৰশ্ন—সংস্কৃত শাস্ত্ৰত যি ৰাজনীতি আছে সি সম্পূৰ্ণ নে অসম্পূৰ্ণ ?

উত্তৰ—সম্পূৰ্ণ। পৃথিৱীত যত প্ৰকাৰ ৰাজনীতি প্ৰচলিত হৈছে, আৰু হব, সকলোবোৰ সংস্কৃত শাস্ত্ৰৰ পৰাই গৃহীত হৈছে আৰু হব। যিবোৰ স্পষ্টকৈ লিখিত হোৱা নাই সেই বিষয়ে—

প্ৰত্যহং লোকদৃষ্টৈশ্চ শাস্ত্ৰদৃষ্টৈশ্চ হেতুভিঃ মনু॰ ৮। ৩॥

সমাজৰ দৃষ্টি আৰু শাস্ত্ৰীয় দৃষ্টিৰে সময়ানুকুল বিধিৰ বিবেচনা আৰু নিৰ্দ্ধাৰণ হৈ থাকিব। কিন্তু, বাল্য-বিবাহ, পৰস্পৰ অসন্মতিৰ বিবাহ, বহু বিবাহ, ব্যভিচাৰ ইত্যাদি জাতিৰ সৰ্ব্বনাশৰ মুল; গতিকে সকলো যুগতেই বৰ্জ্জনীয়। ব্যভিচাৰ আৰু অতি ইন্দ্ৰিয় আসক্তিৰ সমান বল বুদ্ধি নাশক আৰু একো নাই। ব্যক্তিৰ শাৰীৰিক আৰু মানসিক উন্নতিত সমাজৰ উন্নতি নিৰ্ভৰ কৰে। ন্যায় দণ্ডৰ অধিকাৰী ৰজা আৰু ৰক্ষক ক্ষত্ৰিয় সকল। এই ক্ষত্ৰিয় সকল ইন্দ্ৰিয়ৰ আসক্ত হলে ৰাষ্ট্ৰ আৰু ধৰ্ম্ম নষ্ট নহৈ থাকিব নোৱাৰে। "যথা ৰজা তথা প্ৰজা" ঃ—ৰজাৰ আদৰ্শই প্ৰজাৰ আদৰ্শ; গতিকে ৰাজনীতিত এই কথা মনত ৰখা অতি আৱশ্যক। ৰাজ কৰ্ম্মচাৰী সকলে নিজৰ নিজৰ কৰ্ত্তব্য যথাৰ্থ ৰূপে পালন কৰাই ধৰ্ম্ম, আৰু সেই ধৰ্ম্মই সমাজক বা ৰাষ্ট্ৰক ধাৰণ কৰি ৰাখে।

ইমানলৈকে সংক্ষেপত ৰাজনীতিৰ আদৰ্শ বৰ্ণনা কৰা হ'ল। ৰাজ-নীতিজ্ঞ হবলৈ হলে বেদ মনুস্মৃতিৰ সপ্তম, অষ্টম আৰু নবম অধ্যায়, শুক্ৰনীতি, বিদুৰ প্ৰজাগৰ, মহাভাৰতৰ শান্তি পৰ্ব্বৰ অন্তৰ্গত ৰাজ ধৰ্ম্ম আৰু আপদ্ধৰ্ম্ম আদি সম্পূৰ্ণ অধ্যয়ন কৰা কৰ্ত্তব্য। ৰাজনৈতিক নেতা সকলে মনত ৰক্ষা উচিত" **বয়ং প্ৰজাপতেঃ প্ৰজা অভূম" (যজুঃ অঃ**

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

২৮।২৯) আমি প্ৰজাপতি অৰ্থাৎ পৰমেশ্বৰৰ প্ৰজা। পৰমাত্মা আমা[illegible] ৰজা আৰু পিতা, আমি তেওঁৰ আজ্ঞাবহ ভৃত্য বা সন্তান। তেওঁ[illegible] সৃষ্টি আমি ৰাজ্য অধিকাৰী সত্য আৰু ন্যায়ৰ প্ৰতিষ্ঠা আমাৰ ৱ্ৰ[illegible] আৰু ঈশ্বৰৰ সেয়ে আদেশ।

ইয়াৰ পাছত ঈশ্বৰ আৰু বেদ বিষয় লিখা হব

ইতি শ্ৰীমদ্দয়ানন্দ সৰস্বতীস্বামিকৃত সত্যাৰ্থপ্ৰকাশে সুভাষাবিভূষিতে
ৰাজধৰ্মবিষয়ে ষষ্ঠঃ সমুল্লাসঃ সম্পূৰ্ণঃ ॥ ৬ ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অথ সপ্তম সমুল্লাসাৰম্ভঃ

অথেশ্বৰবেদবিষয়ং ব্যাখ্যাস্যামঃ

ঋচো অক্ষৰে পৰমে ব্যোমন্যস্মিন্ দেবা অধি বিশ্বে নিষেদুঃ।
যস্তন্ন বেদ কিমৃচা কৰিষ্যতি য ইত্তদ্বিদুস্ত ইমে সমাসতে ॥১।

ঋক; মং ১। সূং ১৬৪। মং ৩৯॥

ঈশা ৱাস্যমিদং সৰ্ব্বং যৎ কিঞ্চ জগত্যাঞ্জগৎ।
তেন ত্যক্তেন ভুঞ্জীথা মা গৃধঃ কস্য স্বিদ্ধনম্ ॥২॥

যজুং অং ৪০। মং ১॥

অহম্ভুৱং বসুনঃ পূৰ্ব্ব্যস্পতিৰহং ধনানি সংজয়ামি শশ্বতঃ।
মাং হবন্তে পিতৰং ন জন্তবোঽহং দাশুষে বিভজামি ভোজনম্ ॥৩॥
অহমিন্দ্ৰো ন পৰাজিগ্য ইদ্ধনং ন মৃত্যবেঽৱতস্থে কদাচন।
সোমমিন্মা সুন্বন্তো যাচতা বসু ন মে পূৰবঃ সখ্যেৰিষাথন ॥৪।

ঋং মং ১০। সূং ৪৮। মং ১।৫॥

ঋচো অক্ষৰে—এই মন্ত্ৰৰ অৰ্থ ব্ৰহ্মচৰ্য্যাশ্ৰমৰ শিক্ষাৰ প্ৰসঙ্গত লিখা হৈছে। অৰ্থাৎ যি সকলো দিব্য গুণ-কৰ্ম্ম-স্বভাৱ আৰু বিদ্যাৱান যি পৃথিবী আৰু সূৰ্য্যাদি লোকৰ আধাৰ; যি আকাশৰ দৰে ব্যাপক আৰু যি দেৱতা সকলৰো পৰমেশ্বৰ, যি বিলাকে সেই পৰম তত্বক নেজানে, নেমানে আৰু ধ্যান নকৰে, সেই মন্দমতি নাস্তিক বিলাকে দুঃখৰূপী সাগৰত নিমগ্ন থাকে। গতিকে সেই পৰম তত্ব জানিলে মানুহ সদায় সুখী হব পাৰে।

প্ৰশ্ন—বেদত ঈশ্বৰ অনেক, এই কথা আপুনি স্বীকাৰ কৰেনে নকৰে?

উত্তৰ—স্বীকাৰ নকৰো। চাৰিও বেদৰ ভিতৰত কতো এনেকুৱা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

লিখা পোৱা নেযায় যাৰ দ্বাৰাই অনেক ঈশ্বৰৰ প্ৰমাণ হয়। যি যি লিখা আছে সকলো এক ঈশ্বৰৰেই কথা।

প্ৰশ্ন—বেদত যে অনেক দেৱতাৰ উল্লেখ আছে তাৰ অভিপ্ৰায় কি ?

উত্তৰ—যাৰ দিব্য গুণ আছে সেয়েই দেৱতা; যেনে পৃথিৱী। কিন্তু ইয়াক কতো ঈশ্বৰ বা উপাস্য বুলি কোৱা নাই। এই মন্ত্ৰতেই চাওক—"যত সকলো দেৱতাৰ স্থিতি, সেই জনেই জানিবৰ আৰু উপাসনা কৰিবৰ যোগ্য ঈশ্বৰ।" দেৱতা শব্দৰ অৰ্থ ঈশ্বৰ বুলি ধৰা ভুল। পৰমেশ্বৰ দেৱতাৰো দেৱতা মহাদেৱ বুলি কথিত হয়, কাৰণ তেওঁ সমস্ত জগতৰ উৎপত্তি, স্থিতি, আৰু প্ৰলয় কৰ্ত্তা ন্যায়াধীশ আৰু অধিষ্ঠাতা।

"ত্ৰয়স্ত্ৰিংশৎত্ৰিংশতা"—ইত্যাদিৰে বেদত প্ৰমাণ আছে। শতপথ ব্ৰাহ্মণত ইয়াৰ ব্যাখ্যা কৰা আছে। তেত্ৰিশ দেৱ অৰ্থাৎ পৃথিৱী, জল, অগ্নি বায়ু, আকাশ, চন্দ্ৰমা, সূৰ্য্য আৰু নক্ষত্ৰ সকলৰো সৃষ্টিৰেই নিবাস স্থান; গতিকে, এই বোৰক অষ্ট বসু বোলে; প্ৰাণ, অপান, ব্যান, উদান, সমান, নাগ, কূৰ্ম্ম, কৃকল, দেবদত্ত, ধনঞ্জয়, আৰু জীৱাত্মা এই এঘাৰটাই দেহান্ত কালত ৰোদন কৰায় কাৰণে এই বোৰক ৰুদ্ৰ বোলে; পৰম ঐশ্বৰ্য্যবান বা ঐশ্বৰ্য্যৰ হেতু কাৰণে বিদ্যুতক ইন্দ্ৰ বোলে; সংবৎসৰৰ বাৰ মাহে সকলোৰে আয়ুস হৰণ কৰে গতিকে তাক বাৰ আদিত্য বোলে। বায়ু, বৃষ্টি, জল, ঔষধিৰ বিশুদ্ধি, বিদ্বান সকলৰ সৎকাৰ আৰু নানা প্ৰকাৰ শিল্প বিদ্যাৰ দ্বাৰাই প্ৰজাৰ পালন কৰিব পাৰে গতিকে যজ্ঞক প্ৰজাপতি বোলা হয়। এই তেত্ৰিশ দিব্য গুণেৰে যুক্ত হলে "দেৱ" বোলা হয়। শতপথ ব্ৰাহ্মণৰ চতুৰ্দশ কাণ্ডত স্পষ্ট লিখিত আছে যে সকলো দিব্য গুণৰ স্বামী আৰু সকলোতকৈ পৰম ডাঙৰ গতিকে পৰমাত্মা চতুস্ত্ৰিংশ উপাস্য দেৱ। এই দৰেই অন্যতো লিখিত আছে। যি সকলে এই বোৰ শাস্ত্ৰ অধ্যয়ন কৰিছে, সেই সকলে বেদত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অনেক ঈশ্বৰ মানে বুলি নকয় ॥১॥

হে মানৱ! যি জগতৰ সকলো গতিশীল বস্তুত পৰিব্যাপ্ত হৈ নিয়ন্তাৰূপে বিদ্যমান আছে, সেই পৰমেশ্বৰৰ ভয় ৰাখি কাৰো ধন অন্যায় ভাৱে গ্ৰহণ কৰাৰ আকাঙ্ক্ষা নকৰিবা। তেনে অন্যায় আকাঙ্ক্ষা পৰিত্যাগ কৰি আৰু ন্যায় ধৰ্ম্ম আচৰণ কৰি নিজৰ আত্মাত সন্তুষ্ট থাকিবা ॥২॥

স্বয়ং ঈশ্বৰৰ বাণীত কৈছে--"হে মানৱ সকল! মই সকলোৰে পূৰ্ব্বে বিদ্যমান, সমস্ত জগতৰ পতি, সনাতন জগতৰ কাৰণ, সমস্ত ধনৰ বিজেতা আৰু দাতা। সন্তানে যেনেকৈ পিতাকক সম্বোধন কৰে, সকলো জীৱই মোক সেই দৰে সম্বোধন কৰক। ময়েই সকলোৰে সুখৰ দাতা। জগতৰ পালনৰ অৰ্থে ময়েই সকলো ভোজ্য দ্ৰব্য বিতৰণ কৰো" ॥৩॥

মই পৰম ঐশ্বৰ্য্যশালী, আৰু সূৰ্য্যৰ দৰে সমস্ত জগতৰ প্ৰকাশক। মোৰ পৰাজয় আৰু মৃত্যু নাই। মই জগতৰূপ ঐশ্বৰ্য্যৰ সৃষ্টিকৰ্ত্তা। তোমালোকে মোকেই জগতৰ সৃষ্টিকৰ্ত্তা বুলি জানিবা। তোমালোকে ঐশ্বৰ্য্য লাভৰ কাৰণে যত্নপৰ হৈ মোৰ ওচৰত বিজ্ঞান আদি ধনৰ প্ৰাৰ্থনা কৰিবা। মোৰ মিত্ৰতা নেৰিবা। "হে মনুষ্য! সত্য ভাষণৰূপ স্তুতি কৰোতাক মই জ্ঞান আদি সনাতন ধন প্ৰদান কৰোঁ। মই ব্ৰহ্ম আৰু বেদৰ প্ৰকাশক। বেদে মোক যথাৰ্থৰূপে প্ৰকাশ কৰে। মই বেদেৰেই সকলোৰে জ্ঞান বৃদ্ধি কৰো। মই সৎ পুৰুষ সকলৰ প্ৰেৰণা দাতা। যজ্ঞানুষ্ঠাতা সকলৰ ফলদাতা। এই বিশ্বৰ সকলো পদাৰ্থৰ স্ৰষ্টা আৰু ধাৰণ কৰ্ত্তা। গতিকে মোক এৰি আন কাকো ঈশ্বৰ বুলি নেভাবিবা উপাসনা নকৰিবা আৰু নেমানিবাও। ৪ ॥

হিৰণ্যগৰ্ভঃ সমবৰ্ত্ততাগ্ৰে ভূতস্য জাতঃ পতিৰেক আসীৎ।
স দাধাৰ পৃথিবীং দ্যামুতেমাং কস্মৈ দেবায় হবিষা বিধেম ॥

যজু॰ অঃ ১৩। ম॰ ৪ ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অৰ্থঃ—যাৰ গৰ্ভত সূৰ্য্যাদি তেজোময় লোক সমূহ অৱস্থিত, সেই হিৰণ্যগৰ্ভ আবিৰ্ভাবৰ পূৰ্ব্বে ভূতৰো সৃষ্টিকৰ্ত্তা এক পতি আছিল, সেই পৰমাত্মায়েই পৃথিবীৰ পৰা দিব্য লোক পৰ্য্যন্ত সকলোকে সৃষ্টি আৰু ধাৰণ কৰি আছে, তেওঁকেই আমি সকলোৱে ভক্তি কৰা কৰ্ত্তব্য।

প্ৰশ্ন ঃ—আপুনি ঈশ্বৰ আছে বুলি কয় কিন্তু ঈশ্বৰৰ প্ৰমাণ কি?

উত্তৰ ঃ—প্ৰত্যক্ষাদি প্ৰমাণ।

প্ৰশ্ন ঃ—ঈশ্বৰৰ বিষয়ে প্ৰত্যক্ষাদি প্ৰমাণ নেথাকে।

উত্তৰ ঃ—

ইন্দ্ৰিয়াৰ্থসন্নিকৰ্ষোৎপন্নং জ্ঞানমব্যপদেশ্যমব্যভিচাৰি

ব্যৱসায়াত্মকং প্ৰত্যক্ষম্। (ন্যায় সূত্ৰ, অ॰ ১। সূ॰ ৪)॥

এই হল মহৰ্ষি গৌতমৰ ন্যায় দৰ্শনৰ সূত্ৰ। কৰ্ণ, ত্বক্, চকু, জিহ্বা, ঘ্ৰাণ আৰু মনৰ শব্দ, স্পৰ্শ, ৰূপ, ৰস, গন্ধ, সুখ, দুঃখ, আৰু সত্য অসত্য বিষয়ৰ লগত সংযোগ হলে যি জ্ঞান উৎপন্ন হয়, তাকেই প্ৰত্যক্ষ বোলে। কিন্তু সেই জ্ঞান অভ্ৰান্ত হব লাগিব। এতিয়া বিবেচনা কৰিব লাগে যে, মন আৰু ইন্দ্ৰিয়ৰ দ্বাৰাই গুণৰহে প্ৰত্যক্ষ হয়, গুণীৰ প্ৰত্যক্ষ নহয়। যেনেকৈ ত্বক আদি চাৰি ইন্দ্ৰিয়ৰে স্পৰ্শ, ৰূপ, ৰস আৰু গন্ধৰ জ্ঞান হয় গতিকে গুণ বিশিষ্ট পৃথিবীৰ প্ৰত্যক্ষ আত্মা সংযুক্ত মনৰ দ্বাৰাই হয়। সেই দৰেই এই প্ৰত্যক্ষ সৃষ্টিৰ ৰচনা বিশেষ আদি জ্ঞান গুণৰ প্ৰত্যক্ষৰ পৰাই পৰমেশ্বৰৰো প্ৰত্যক্ষ হয়। যেতিয়া আত্মাই মনক আৰু মনে ইন্দ্ৰিয়বোৰৰ কোনো বিষয়ত নিয়োজিত কৰে, চৌৰ্য্যাদি কুকৰ্ম্ম বা পৰোপকাৰ আদি সৎকৰ্ম্ম কৰিবলৈ আৰম্ভ কৰে, তেতিয়া জীৱৰ ইচ্ছা আৰু জ্ঞান আদি ঈপ্সিত বিষয়ৰ প্ৰতি আকৃষ্ট হয়। তেতিয়াই আত্মাৰ ভিতৰৰ পৰা কুকৰ্ম্মত ভয়, সংশয়, আৰু লজ্জা আৰু সৎকৰ্ম্ম হলে, নিৰ্ভয়, নিঃশঙ্কা, আনন্দ আৰু উৎসাহৰ সঞ্চাৰ হয়। এনেকুৱা অনুভৱ জীৱাত্মাই কৰিব নোখোজে কিন্তু পৰমাত্মাই কৰায়। যেতিয়া জীৱাত্মাই বিশুদ্ধ ভাৱত পৰমাত্মাৰ ধ্যান আৰু অনুভৱ কৰে তেতিয়া সৎ-অসৎ দুয়োকো

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰত্যক্ষ কৰিব পাৰে। এইদৰে যেতিয়া পৰমেশ্বৰৰ প্ৰত্যক্ষ অনুভৱ হয়, তেতিয়া অনুমান আদিৰে পৰমেশ্বৰৰ জ্ঞান হোৱাত কি সন্দেহ থাকিব ? যিহেতু কাৰ্য্য দেখিয়েই কাৰণৰ অনুমান হয়।

প্ৰশ্ন ঃ—ঈশ্বৰ ব্যাপক, নে কোনো স্থান বিশেষত থাকে ?

উত্তৰ ঃ—ব্যাপক, কাৰণ এক স্থানত থকা হলে সৰ্ব্বান্তৰ্যামী, সৰ্ব্বজ্ঞ, সৰ্ব্বনিয়ন্তা, সকলোৰে স্ৰষ্টা আৰু প্ৰলয়কৰ্ত্তা হব নোৱাৰে। যি ঠাইত কৰ্ত্তা নাই সেই ঠাইত কৰ্ম্ম হব নোৱাৰে।

প্ৰশ্ন ঃ—পৰমেশ্বৰ দয়ালু আৰু ন্যায়কাৰী হয়নে নহয় ?

উত্তৰ ঃ—হয়।

প্ৰশ্ন ঃ—এই দুই গুণ পৰস্পৰ বিৰুদ্ধ। ন্যায় কৰিলে দয়া আৰু দয়া কৰিলে ন্যায় হব নোৱাৰে। যাৰ যেনে কৰ্ম্ম—তাক তেনেকুৱা ফল, অৰ্থাৎ হেৰফেৰ নকৰাকৈ সুখ বা দুঃখ দিয়াকৈই ন্যায় বোলে। আৰু বিনাদণ্ডত অপৰাধীক এৰি দিয়াৰ নাম দয়া।

উত্তৰ ঃ—ন্যায় আৰু দয়াৰ প্ৰভেদ কেৱল নাম মাত্ৰহে। কাৰণ ন্যায়ৰ দ্বাৰাই যি প্ৰয়োজন সাধন হয়, সেই প্ৰয়োজন দয়াৰ দ্বাৰায়ো হয়। মানুহে অপৰাধজনক কৰ্ম্মৰ পৰা বিৰত থাকি দুখ ভোগৰ পৰা ৰক্ষা পৰক, এয়েই দণ্ড বিধিৰ উদ্দেশ্য। পৰৰ দুঃখ মোচনৰ বা দুঃখৰ পৰা উদ্ধাৰ কৰাৰ নাম দয়া। আপুনি যি দয়া আৰু ন্যায়ৰ অৰ্থ কৰিছে সি প্ৰকৃত অৰ্থ নহয়। কাৰণ যি যেনেকুৱা আৰু যিমান অপৰাধ কৰিছে তাক তেনেকুৱা আৰু তিমান দণ্ড দিয়া কৰ্ত্তব্য। ইয়াকেই ন্যায় বোলে। অপৰাধীক দণ্ড নিদিলে দয়া নষ্ট হয়। কাৰণ এজন দস্যু অপৰাধীক দণ্ড নিদিলে সহস্ৰ ধৰ্ম্মাত্মাক দুখ দিয়া হয়। এক অপৰাধীক এৰি দি সহস্ৰ জনক দুখ দিয়াত দয়া কেনেকৈ হব ? এটা দুৰ্দ্দান্ত দস্যুক কাৰাৰুদ্ধ কৰি কুকৰ্ম্ম কৰাৰ পৰা আঁতৰাই ৰাখিলে তাৰ প্ৰতি দয়া কৰা হয়। আৰু তেনে দস্যুক বধ কৰিলে সহস্ৰ জনৰ প্ৰতি দয়া কৰা হয়।

প্ৰশ্ন ঃ—তেতিয়া হলে ন্যায় আৰু দয়া এই দুটা ভিন্ন ভিন্ন

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

শব্দৰ প্ৰয়োজন কি ? এটা শব্দ ৰখাহে উচিত আছিল, ইয়াৰ প… বুজিব লাগিব যে ন্যায় আৰু দয়াৰ উদ্দেশ্য একে হব নোৱাৰে।

উত্তৰঃ—এটা বস্তুৰ অনেক নাম আৰু এটা নাম বা শব্দৰ অনে… অৰ্থ নহয় জানো ?

প্ৰশ্ন ঃঃ—হয়।

উত্তৰঃ—তেন্তে সংশয় কিয় হ'ল ?

প্ৰশ্ন ঃ—কাৰণ সমাজত সেই দৰেই শুনি আহিছো।

উত্তৰ ঃ—সংসাৰত সত্য আৰু মিথ্যা দুয়োটাকেই শুনা যায়। তা… বিবেচনা কৰি নিৰ্ণয় কৰা নিজৰ কাম। ঈশ্বৰে যেনেকৈ নানা বিধ… জীৱ সৃষ্টি কৰিছে, সেই দৰেই সকলো জীৱৰ প্ৰয়োজনীয় ভিন্ন ভি… বস্তুবোৰ সৃষ্টি কৰিছে, কাকো অৱহেলা কৰা নাই। এয়েই ঈশ্বৰৰ মহ… দয়া। ন্যায়ৰ পৰিণাম প্ৰত্যক্ষ দেখা যায়। সুখ বা দুঃখৰ কম … অধিকৰ পৰাই কৰ্ম্মৰ ফল বুজিব পাৰি। দয়া হল অন্তৰৰ "সকলোৱে… সুখী হক' 'সকলোৰেই দুঃখ দূৰ হওঁক'—এনেকুৱা মনৰ ভাব আৰু আচৰ… বাহিৰৰ চেষ্টা অৰ্থাৎ যথাযোগ্য দণ্ড আদিৰ ব্যৱস্থা কৰাই ন্যায়। দুয়োৰে… উদ্দেশ্য একে, সকলো দুখ আৰু কুকৰ্ম্মৰ পৰা নিস্তাৰ কৰা।

প্ৰশ্ন ঃ—ঈশ্বৰ সাকাৰ নে নিৰাকাৰ ?

উত্তৰ ঃ—নিৰাকাৰ, কাৰণ. সাকাৰ হলে সৰ্ব্বব্যাপক হব নোৱাৰে… সৰ্ব্বব্যাপক নহলে সৰ্ব্বজ্ঞত্বাদি গুণো থাকিব নোৱাৰে। পৰিমিত বস্তু… গুণ কৰ্ম্ম স্বভাৱো পৰিমিত আৰু শীত-উষ্ণ, ক্ষুধাতৃষ্ণা, ৰোগ, দোষ, আৰু… ছেদন-ভেদন আদি ৰহিত, বা মুক্ত হব নোৱাৰে। গতিকে ঈশ্বৰ নিশ্চ… নিৰাকাৰ। সাকাৰ হলে ঈশ্বৰৰ নাক, কাণ আদি অঙ্গ নিৰ্ম্মাণ কৰিবলৈ… অন্য এক কৰ্ত্তাৰ আৱশ্যক হয়। সাকাৰ বস্তু সংযোগতহে উৎপন্ন হয়… তাৰ কাৰণে নিৰাকাৰ চেতন বিশিষ্ট কৰ্ত্তা আছে। এই ক্ষেত্ৰত যদি… কোনোৱে কয় যে ঈশ্বৰে স্বয়ং নিজৰ দেহ নিৰ্ম্মাণ কৰিছে, তেতিয়াঃ… প্ৰমাণ হয়, যে শৰীৰ ধাৰণ কৰাৰ পূৰ্ব্বে ঈশ্বৰ নিৰাকাৰ আছিল। গতিকে…

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পৰমাত্মাই কেতিয়াও শৰীৰ ধাৰণ নকৰে. নিৰকাৰ স্বৰূপে তেওঁ সমগ্ৰ জগতক সূক্ষ্ম কাৰণৰ পৰা স্থূলাকাৰ কৰি নিৰ্ম্মাণ কৰিছে।

প্ৰশ্ন ঃ—ঈশ্বৰ সৰ্ব্বশক্তিমান্ হয়নে নহয়?

উত্তৰ ঃ—হয়, কিন্তু, আপুনি সৰ্ব্বশক্তিমান্ শব্দৰ অৰ্থ যি বুজিছে সেইটো নহয়। সৰ্ব্বশক্তিমান শব্দৰ অৰ্থ হ'ল ঈশ্বৰ, নিজৰ কৰ্ম্ম, অৰ্থাৎ সৃষ্টি, স্থিতি, প্ৰলয় আৰু সকলো প্ৰাণীৰ পাপ পুণ্যৰ ফলাফল নিৰ্ণয় কৰাত, আন কাৰো সহায় নোলোৱাকৈয়ে সমৰ্থ। অৰ্থাৎ তেওঁৰ নিজৰ কৰ্ম্ম সমাধানত সৰ্ব্বশক্তিমান্।

প্ৰশ্ন ঃ—মোৰ মতে ঈশ্বৰৰ যি ইচ্ছা তাকেই কৰে, কাৰণ তেওঁৰ ওপৰত দ্বিতীয় আৰু কোনো নাই।

উত্তৰ ঃ—ঈশ্বৰে কি ইচ্ছা কৰে? যদি আপুনি কব খোজে যে, তেওঁ সকলো ইচ্ছা কৰে আৰু সকলো কৰিব পাৰে, তেতিয়া হলে ঈশ্বৰে আত্মহত্যাও কৰিব পাৰে নেকি? পৰমেশ্বৰ কি মূৰ্খও হব পাৰে? পৰমেশ্বৰে চুৰি, ব্যাভিচাৰাদি পাপকৰ্ম্ম কৰি তাৰ ফলো ভুগিব পাৰে নেকি? এইবোৰ কৰ্ম্ম ঈশ্বৰৰ গুণ কৰ্ম্ম স্বভাৱৰ বিৰুদ্ধ। আপুনি কোৱা মতে ঈশ্বৰে সকলো কৰিব পাৰে এই কথা হবই নোৱাৰে। গতিকে মই যি সৰ্ব্বশক্তিমানৰ অৰ্থ কৰিছো সেয়েই প্ৰকৃত অৰ্থ হয়।

প্ৰশ্ন ঃ—পৰমেশ্বৰ সাদি অৰ্থাৎ আদি থকা নে অনাদি?

উত্তৰ ঃ—অনাদি। যাৰ কোনো আদি কাৰণ বা কাল নাই, তাকেই অনাদি বোলে। এইবোৰৰ ব্যাখ্যা প্ৰথম সমুল্লাসত কৰা হৈছে, পঢ়িলে বুজিব পাৰিব।

প্ৰশ্ন ঃ—পৰমেশ্বৰৰ কামনা কি?

উত্তৰ ঃ—তেওঁ সকলোৰে কল্যাণ কামনা কৰে, সকলোৰে স্বাধীনতা কামনা কৰে, বিনা পাপে কাৰো পৰাধীনতা কামনা নকৰে।

প্ৰশ্নঃ—পৰমেশ্বৰৰ স্তুতি-প্ৰাৰ্থনা আৰু উপাসনা কৰা সঙ্গত নে অসঙ্গত?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ ঃ—কৰাই সঙ্গত ।

প্ৰশ্ন ঃ—স্তুতি প্ৰাৰ্থনা কৰিলে পৰমেশ্বৰ প্ৰসন্ন হৈ নিজৰ নিয়ম ভঙ্গ কৰি স্তুতি প্ৰাৰ্থনাকাৰীৰ পাপ মোচন কৰে নেকি ?

উত্তৰ ঃ—নকৰে ।

প্ৰশ্ন ঃ—তেন্তে স্তুতি প্ৰাৰ্থনা কৰিবৰ প্ৰয়োজন কি ?

উত্তৰ ঃ—সেইবোৰৰ ফল অন্য ।

প্ৰশ্ন ঃ—কি ?

উত্তৰ ঃ— স্তুতিৰ পৰা ঈশ্বৰৰ প্ৰতি প্ৰীতি জন্মে । তেওঁৰ গুণ কৰ্ম স্বভাৱৰ দ্বাৰাই নিজ নিজ গুণ, কৰ্ম্ম, স্বভাৱৰ সংশোধন হয় । প্ৰাৰ্থনাৰ পৰা নিৰভিমানতা, উৎসাহ আৰু সাহায্য লাভ হয় । উপাসনাৰ দ্বাৰা পৰম ব্ৰহ্মৰ লগত মিলন হব পাৰে আৰু ব্ৰহ্মৰ সাক্ষাৎকাৰ হয়

প্ৰশ্ন ঃ—এইবোৰ স্পষ্টকৈ ব্যাখ্যা কৰক ।

উত্তৰ ঃ—যেনে ঃ—

স পৰ্য্যগাচ্ছুক্ৰমকায়ব্ৰণমস্নাবিৰং শুদ্ধমপাপবিদ্ধম
কৱিৰ্মনীষী পৰিভূঃ স্বয়ম্ভুযাথাতথ্যতোহৰ্থান্
ব্যদধাচ্ছাশ্বতীভ্যঃ সমাভ্যঃ ॥ যজু০ অ০ ৪০ । ম০ ৮ ॥

(ঈশ্বৰৰ স্তুতি) সেই পৰমাত্মা সৰ্ব্বত্ৰ ব্যাপক, ক্ষিপ্ৰকৰ্ম্মা আৰু অনন্ত বলশালী । তেওঁ শুদ্ধ, সকলোৰে অন্তৰ্যামী, সৰ্ব্বোপৰি বিৰাজমান, সনাতন, আৰু স্বয়ং সিদ্ধ । পৰমেশ্বৰে সনাতন বিদ্যাৰে জ্ঞান প্ৰকাশ কৰি তেওঁৰ সনাতন আৰু অনাদি জীৱৰূপী প্ৰজাবোৰক তাৰ অৰ্থ বোধ কৰায় । এনেকুৱা গুণ কীৰ্ত্তনৰ সগুণ স্তুতি বোলে । অৰ্থাৎ পৰমেশ্বৰৰ এইবোৰ গুণবিশিষ্ট স্তুতি সগুণ । (অকায়) অৰ্থাৎ পৰমেশ্বৰে কেতিয়াও কায় বা দেহ ধাৰণ বা জন্ম গ্ৰহণ নকৰে । তেওঁৰ কোনো ছিদ্ৰ নাই । তেওঁ নাড়ী আদি বন্ধনেৰে বদ্ধ নহয় । তেওঁ কেতিয়াও পাপ আচৰণ নকৰে । তেওঁৰ দুখ ক্লেশ আৰু অজ্ঞানতা নাই । এইবোৰ ৰাগ দ্বেষ আদিৰ পৰা ঈশ্বৰ সদা মুক্ত এই জ্ঞানেৰে স্তুতি কৰাৰ নাম নিৰ্গুণ স্তুতি । ইয়া উদ্দেশ্য

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পৰমেশ্বৰৰ গুণ কৰ্ম্ম স্বভাৱ অনুসাৰে নিজৰো গুণ, কৰ্ম্ম, আৰু স্বভাৱ গঠন কৰা। অৰ্থাৎ পৰমেশ্বৰ যেনেকৈ পক্ষপাত ৰহিত, ন্যায়কাৰী, সেই দৰেই নিজেও ন্যায়পৰায়ণ হোৱা কৰ্ত্তব্য। যি সকলে স্তুতি, প্ৰাৰ্থনা গুণ কীৰ্ত্তন আদি কেৱল বহুৱাৰ দৰে গায়, কিন্তু সেই দৰে নিজে আচৰণ শীল নহয়, তেওঁলোকৰ স্তুতি প্ৰাৰ্থনা আদি সকলো নিষ্ফল।

প্ৰাৰ্থনা :—

যাং মেধাং দেৱগণাঃ পিতৰশ্চোপাসতে।
তযা মামদ্য মেধয়াগ্নে মেধাৱিনং কুৰু স্বাহা ॥১॥

যজু০ অ০ ৩২। ম০ ১৪॥

তেজোঽসি তেজোময়ি ধেহি। বীৰ্য্যমসি বীৰ্য্যং ময়ি ধেহি।
বলমসি বলং ময়ি ধেহি। অজোঽস্যোজো ময়ি ধেহি।
মন্যুৰসি মন্যুং ময়ি ধেহি। সহোঽসি সহো ময়ি ধেহি ॥২॥

যজু০ অ০ ১৯। ম০ ৯॥

যজ্জাগ্ৰতো দুৰমুদৈতি দৈৱন্তদু সুপ্তস্য তথৈৱৈতি।
দূৰঙ্গমং জ্যোতিষাং জ্যোতিৰেকন্তন্মে মনঃ শিৱসঙ্কল্পমস্তু।
যেন কৰ্ম্মাণ্যপসো মনীষিণো যজ্ঞে কৃন্বন্তি বিদথেষু ধীৰাঃ।
যদ পূৰ্ব্বং যক্ষমন্তঃ প্ৰজানাং তন্মে মনঃ শিৱসঙ্কল্পমস্তু ॥৪॥
যৎ প্ৰজ্ঞানমুতচেতো ধৃতিশ্চ যজ্জ্যোতিৰন্তৰমৃতং প্ৰজাসু
যস্মান্ন ঋতে কিঞ্চন কৰ্ম্ম ক্ৰিয়তে, তন্মে মনঃ শিৱসঙ্কল্পমস্তু ॥
যেনেদং ভূতং ভুবনং ভবিষ্যৎ পৰিগৃহীতমমৃতেন সৰ্ব্বম্।
যেন যজ্ঞস্তায়তে সপ্ত হোতা তন্মে মনঃ শিৱসঙ্কল্পমস্তু ॥৬॥
যস্মিন্নৃচঃ সাম যজুংষি যস্মিন্ প্ৰতিষ্ঠিতা ৰথনাভাবিবাৰাঃ।
যস্মিশ্চিত্তং সৰ্ব্বমোতং প্ৰজানাং তন্মে মনঃ শিৱসঙ্কল্পমস্তু ॥৭॥
সুষাৰথিৰশ্বানিব যন্মনুষ্যান্নেনীয়তেঽভীশুভিৰ্বাজিন ইব।
হৃৎ প্ৰতিষ্ঠং যদজিৰং জবিষ্ঠং তন্মে মনঃ শিৱসঙ্কল্পমস্তু ॥৮॥

যজু০ অ০ ৩৪। মং ১।২।৩।৪।৫।৬॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হে অগ্নে! অৰ্থাৎ জ্যোতিঃস্বৰূপ পৰমেশ্বৰ! বিদ্বান জ্ঞা... আৰু যোগী সকলে যি (মেধা) বুদ্ধিৰ উপাসনা কৰে, সেই মেধা ... বা জ্ঞানেৰেই আমাক মেধাবী কৰা ॥১॥

তুমি জ্যোতিঃ স্বৰূপ, মোকো জ্যোতি দিয়া। তুমি শক্তি... মোকো শক্তি দিয়া, তুমি পৰম পৰাক্ৰমশালী, মোকো পৰাক্ৰম দি... তুমি পৰম উৎসাহশালী, মোকো উৎসাহ দিয়া, তুমি দুৰ্বৃত্ত দমন... কাৰী, মোকো দুৰ্বৃত্ত দমনৰ শক্তি দিয়া। তুমি নিন্দা স্তুতিত স... শীল, মোকো তেনে সহনশীল হবলৈ শক্তি দিয়া।২॥

জাগ্ৰত অৱস্থাত মোৰ মন দূৰ দূৰণিলৈ যায় আৰু দিব্য ... সন্ধানীও হয়, স্বপ্নতো মনৰ তেনেকুৱাই অনুভৱ হয়, হে জ্যোতি... সকলৰো জ্যোতি! মোৰ সেই একমাত্ৰ মন যেন শিৱসঙ্কল্প অ... সৎসঙ্কল্প যুক্ত হয়, এয়ে মোৰ প্ৰাৰ্থনা।৩॥

যাৰ দ্বাৰাই কৰ্ম্মনিষ্ঠ জ্ঞানীসকলে যজ্ঞ আৰু ন্যায় যুদ্ধত ... কৰে, যি অপূৰ্ব্ব শক্তিসম্পন্ন পূজনীয় আৰু প্ৰজাৰ অন্তৰ্নিহিত, ... মোৰ মন শিৱসঙ্কল্পযুক্ত হওক।৪॥

যি জ্ঞান জ্যোতি আৰু আনৰ প্ৰতিও জ্ঞানপ্ৰদ নিশ্চয়াত্মক ... যি প্ৰজাৰ অন্তৰ জ্যোতিঃ সম্পন্ন আৰু অবিনাশী, আৰু যাৰ বি... কোনেও কৰ্ম্ম কৰিব নোৱাৰে, তাত মোৰ মন শিৱসঙ্কল্পযুক্ত হওক...

যাৰ দ্বাৰাই ভূত বৰ্ত্তমান, আৰু ভৱিষ্যতৰ সকলো অমৃত ... কৰা হয়, যজ্ঞৰ সপ্ত প্ৰকাৰ হোতা যোগী সকলে যি সাধন ... তাত মোৰ মন শিৱসঙ্কল্পযুক্ত হওক।৬॥

ৰথ চক্ৰৰ কেন্দ্ৰত, ৰথৰ ধূৰাত আৰাবোৰ লাগি থকাৰ ... যত ঋক্, সাম, যজুৰ জ্ঞান প্ৰতিষ্ঠিত, যত প্ৰজ্ঞানাং অৰ্থাৎ সৃষ্টিৰ ... লোৰে চৈতন্য শক্তি ওতপ্ৰোত ভাৱে সংলগ্ন, তাত মোৰ মন শিৱ... যুক্ত হওক।৭॥

সাৰথিয়ে অশ্বনিয়ন্ত্ৰণ কৰাৰ দৰে হৃদয়ত প্ৰতিষ্ঠিত, গতিশীল ...

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অত্যন্ত বেগবান যি মানুহৰ ইন্দ্ৰিয়বোৰক শুভ আৰু অশুভৰ নিৰ্দ্দেশ ৰা নিয়ন্ত্ৰণ কৰে, তাত মোৰ মন শিৱসঙ্কল্প যুক্ত হওক ।৮॥

অগ্নে নয় সুপথা ৰায়েঽস্মান্ বিশ্বানি দেৱ বয়ুনানি
বিদ্বান্। যুয়োধ্যস্মজ্জুহুৰাণ মেনো ভূয়িষ্ঠাং তে
নম উক্তিং বিধেম ॥ যজু০ অ০ ৪০। ম০ ১৬॥

হে অগ্নিস্বৰূপ, প্ৰকাশস্বৰূপ পৰমাত্মন্। আমাক কুপথৰ পৰা যাবলৈ সুপথ প্ৰদৰ্শন কৰা, প্ৰজ্ঞান জ্যোতিঃ প্ৰকাশ কৰা, ইয়াৰ কাৰণেই আমি তোমাক বাৰে বাৰে স্তুতি কৰা কৰ্ত্তব্য।

মা নো মহান্তমুত মা নোঽৰ্ভকং মা ন উক্ষন্তমুত
মা ন উক্ষিতম্। মা নো ৰধীঃ পিতৰং মোত
মাতৰং মা নঃ প্ৰিয়াস্তন্বো ৰুদ্ৰ ৰীৰিষঃ ॥ যজু০ অ০ ১৬। ম০ ১৫॥

হে ৰুদ্ৰ ! দুৰ্ব্বৃত্তক দুষ্কৰ্ম্মৰ দুঃখদায়ক ফল দি ৰোদন কৰোৱা। মাতা, পিতা, জ্যেষ্ঠ, কনিষ্ঠ, গৰ্ভস্থ, প্ৰিয়জন, আৰু শৰীৰৰ হনন কাৰী প্ৰেৰণা আমাক নিদিবা। আমাক সৎ পথত প্ৰেৰণা দিয়া তাৰ বিপৰীতে গৈ যেন দণ্ডনীয় নহওঁ।

অসতো মা সদ্‌গময় তমসো মা জ্যোতিৰ্গময়,
মৃত্যোৰ্মাঽমৃতং গময়েতি ॥ যাত পথ ব্ৰা০ ১৪।৩।১।৩০॥

হে পৰমাত্মন্! অসৎ পথৰ পৰা সৎ পথলৈ যাবলৈ আমাক প্ৰেৰণা দিয়া, আন্ধাৰত প্ৰকাশ দিয়া অৰ্থাৎ আমাৰ অজ্ঞান দূৰ কৰি জ্ঞান জ্যোতি দিয়া, আৰু আমাৰ মৃত্যুৰ ভয় দূৰ কৰি অমৰত্বৰ উপলব্ধি কৰোৱা। অৰ্থাৎ যিবোৰ দুৰ্গুণৰ পৰা পৰমেশ্বৰ আৰু আত্মাক পৃথক ভাবি ঈশ্বৰক প্ৰাৰ্থনা কৰা হয়, তাকেই বিধেয় আৰু অবিধেয় অনুসাৰে সগুণ আৰু নিৰ্গুণ প্ৰাৰ্থনা বোলা হয়। যি বিষয়ৰ প্ৰাৰ্থনা বা বাঞ্ছা যিয়ে কৰে, তেওঁ, সেই দৰে কাৰ্য্যত চেষ্টা কৰা উচিত, অৰ্থাৎ প্ৰাৰ্থনাৰ উদ্দেশ্যত সফলতাৰ কাৰণে সকলো বাধা বিঘিনি অতিক্ৰম কৰি চেষ্টা কৰিব লাগে। যি প্ৰাৰ্থনাত পৰমেশ্বৰ প্ৰসন্ন হোৱাৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সম্ভাৱনা নাই, তেনে প্ৰাৰ্থনা কেতিয়াও কৰিব নেলাগে। সেই দে... যেনে:—হে ঈশ্বৰ! আমাৰ শত্ৰুবোৰক বিনাশ কৰা, মোকেই সকলো... কৈ ডাঙৰ ধনী, মানী, খ্যাতি প্ৰতিপত্তি শালী, কৰা ইত্যাদি। ... দুটা পৰস্পৰ শত্ৰুৱে ইটোৱে সিটোক বিনাশ কৰিবলৈ প্ৰাৰ্থনা ক... তেন্তে ঈশ্বৰে দুয়োকো নাশ কৰিবনে? কোনোৱে যদি কয় যে, ... প্ৰেম অধিক তেওঁৰ প্ৰাৰ্থনাই সফল হব। তেতিয়া হলে যাৰ ... কম তাৰে শত্ৰুৰ দৰে কমকৈ নাশ হোৱা উচিত হব। এনে... প্ৰাৰ্থনা যি কৰিব পাৰে তেওঁ আৰু প্ৰাৰ্থনা কৰিয়ে কব "ভগৱান ... মোক ভাত ৰান্ধি যা-জলপান কৰি খুৱাই দিয়া। কাপোৰ ধুই দি... খেতি বাতিও কৰি দিয়া।" এই দৰে যি পৰমেশ্বৰক ভৰসা কৰে, সি... মহা মূৰ্খ। কাৰণ, পৰমেশ্বৰে পুৰুষাৰ্থ কৰিবলৈ জ্ঞান দিছে, যি পু... ষাৰ্থ নকৰে সি কেতিয়াও সুখ শান্তি পাব নোৱাৰে। যেনে:-

"কুৰ্ব্বন্নেবেহ কৰ্ম্মাণি জিজীবিষেচ্ছতং সমাঃ॥

যজু০ অ০ ৪। ম০ ২

সৃষ্টি কৰ্ত্তা পৰমেশ্বৰৰ নিৰ্দ্দেশ বা প্ৰেৰণা এয়ে যে মানুহে এনে... নহৈ শত বৰ্ষ অৰ্থাৎ যাবজ্জীৱন কৰ্ম্মৰত থাকিব লাগে। জগ... যিমান প্ৰাণী বা অপ্ৰাণী আছে সকলোৱেই আজীৱন সচেষ্ট অ... কৰ্ম্মশীল। পোক পৰুৱা সদায় কৰ্ম্মৰত, পৃথিবী আদি গ্ৰহ নক্ষত্ৰ... ভ্ৰমণশীল, বৃক্ষ প্ৰস্তৰ আদিও বৃদ্ধি হ্ৰাস আদি লক্ষণেৰে কৰ্ম্মৰত ... দেখা যায়। ইয়াৰ বাহিৰে মানুহক আৰু কি দৃষ্টান্ত লাগে? পু... ষাৰ্থীক পুৰুষৰ প্ৰয়োজন হলে যেনেকৈ আনে সহায় কৰে সেই ... সৎ পুৰুষাৰ্থীক পৰমেশ্বৰে সহায় কৰে।

যেনেকৈ কৰ্ম্মক্ষম মানুহকহে মানুহে নিয়োগ কৰে, এলেহুৱাক নক... আৰু চকু থকা আৰু চাবলৈ ইচ্ছুক ব্যক্তিকহে কোনো বস্তু দেখুৱা... অন্ধক দেখুৱা নহয়, সেই দৰেই সকলোৰে মঙ্গলৰ অৰ্থে প্ৰাৰ্থনা কাৰী... পৰমেশ্বৰে সহায় কৰে। তেওঁ যি কৰে সকলো জগতৰ মঙ্গলৰ অ...

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰে। কোনো বস্তুৰ নাম কীৰ্ত্তন কৰিলেই লাভ নহয়, তাক প্ৰস্তুত বা সংগ্ৰহ কৰিলেহে পায়। যেনেকৈ গুড় মিঠা বুলিলেই গুড় আহি মুখত নপৰে, প্ৰস্তুত বা সংগ্ৰহ কৰি মুখত দিলেহে গুড়ৰ সোৱাদ পোৱা যায়।

তৃতীয় উপাসনা ঃ—

সমাধিনিধূতমলস্য চেতসো নিবিশিতস্যাত্মনি যৎ সুখং ভবেৎ।
ন শক্যতে বৰ্ণয়িতুং গিৰা তদা স্বয়ন্তদন্তঃকৰণেন গৃহ্যতে ॥

এয়া উপনিষদৰ বচন।

সমাধি যোগৰ দ্বাৰা যাৰ অবিদ্যা আদি মল পৰিষ্কাৰ হৈছে, যি আত্মস্থ হৈ পৰমাত্মাত চিত্তসংযোগ কৰিছে, তেওঁ পৰমাত্মাৰ সংযোগত যি আনন্দ পায়, সি অনিৰ্ব্বচনীয়। জীবাত্মাই নিজ অন্তঃকৰণত সেই আনন্দ উপলব্ধি কৰে।

উপাসনা শব্দৰ অৰ্থ সমীপস্থ হোৱা। অষ্টাঙ্গ যোগ সাধনাৰে পৰমাত্মাৰ সমীপস্থ হবলৈ আৰু পৰমাত্মাৰ সৰ্ব্বব্যাপী আৰু সৰ্ব্বান্তৰ্যামী স্বৰূপ প্ৰত্যক্ষ কৰিবলৈ যি যি সাধনা কৰিব লাগে তাক কৰা কৰ্ত্তব্য। অৰ্থাৎ :—

তত্ৰাহহিংসা সত্যাস্তেয় ব্ৰহ্মচৰ্য্যাপৰিগ্ৰহা যমাঃ ॥
যোগদৰ্শন সাধন পাদ। সূঃ ৩০ ॥

যি উপাসনা আৰম্ভ কৰিব খোজে তেওঁৰ বৈৰ ভাব দূৰ কৰিব লাগিব. সকলোৰে প্ৰতি প্ৰীতি ভাব জাগ্ৰত কৰিব লাগিব। মিথ্যা পৰিত্যাগ কৰি সত্যৰ আচৰণশীল হব লাগিব। অপহৰণ, চুৰি পৰিত্যাগ, সদায় ব্ৰহ্মচৰ্য্যব্ৰতী, জিতেন্দ্ৰিয়, নিৰহঙ্কাৰী হোৱা আৱশ্যক। এই পঞ্চবিধ যম উপাসনাযোগৰ প্ৰথম অঙ্গ।

শৌচ সন্তোষ তপঃ স্বাধ্যায়েশ্বৰ প্ৰণিধানানি নিয়মাঃ ॥
যোগসূত্ৰ সাধনপাদ। সূ॰ ৩২ ॥

জল আদিৰে দেহৰ বাহিৰ ভাগ শুদ্ধ কৰি ৰাগ দ্বেষ বৰ্জন কৰি অন্তৰ শুদ্ধ কৰা, কৰ্ত্তব্য কৰ্ম্মৰ ফল লাভ বা লোকচানত সন্তুষ্ট থকাত সুখ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বা দুঃখ সহন কৰি কৰ্ত্তব্য কৰ্ম্মানুষ্ঠান কৰা, জ্ঞান শাস্ত্ৰৰ অধ্যয়ন আ অধ্যাপনা, আৰু সৎসঙ্গ লোৱা, "ওম্" এই ঈশ্বৰৰ নামৰ অৰ্থ সহ পৰ ত্মাৰ ধ্যান কৰি নিজৰ আত্মাক পৰমাত্মাত সমৰ্পণ কৰা এই পাঁচ নিয়ম উপাসনাযোগৰ দ্বিতীয় অঙ্গ ।

ইয়াৰ পাছৰ বাকী ছয় অঙ্গ যোগশাস্ত্ৰ আৰু ঋক্ বেদাদি ভ ভূমিকাৰ উপাসনা বিষয়ৰ প্ৰসঙ্গত অধ্যয়ন কৰি জানিব পাৰিব।

উপাসনা কৰিবলৈ হলে এক নিৰ্জ্জন পৱিত্ৰ স্থানত আসন প্ৰাণায়াম সাধনেৰ ইন্দ্ৰিয়বোৰক বাহিৰৰ বিষয় সংযোগৰ পৰা নি কৰিব লাগে। মনক নাভি, হৃদয়, কণ্ঠ, নেত্ৰ, শিখা, বা মেৰুদণ্ডৰ মে এক স্থানত স্থিৰ কৰি আত্মা আৰু পৰমাত্মাৰ মনন বা চিন্তা কৰি মাত্মাত একাগ্ৰ ভাবে মগ্ন হব লাগিব। এইদৰে এইবোৰ সাধন অ কৰিলে আত্মা আৰু অন্তঃকৰণ পবিত্ৰ হৈ সত্যৰ দ্বাৰা পূৰ্ণ হয়। ক্ৰম দিনক দিনে জ্ঞান বিজ্ঞান বৃদ্ধি হৈ গৈ পৰম মোক্ষ প্ৰাপ্ত কৰাব পা যি অষ্ট প্ৰহৰৰ ভিতৰত এঘণ্টা সময় এই দৰে ধ্যান কৰে, তেওঁৰ উ হয় ।

আগত উল্লেখ কৰা সৰ্ব্বজ্ঞত্ব আদি গুণৰ সহিত পৰমাত্মাৰ উপা কৰাক সগুণ আৰু দ্বেষ, ৰূপ, ৰস, গন্ধ, আৰু স্পৰ্শ আদি গুণৰ পৃথক বুলি জ্ঞান কৰি পৰম সূক্ষ্ম আত্মাৰ ভিতৰে বাহিৰে পবি পৰমাত্মাত চিত্ত স্থিৰ কৰাকে "নিৰ্গুণ উপাসনা" বোলে।

উপাসনাৰ ফল—যেনেকৈ অগ্নিৰ কাষ চাপিলে শীতাৰ্ত্ত ব্যক্তিৰ দূৰ হয়. সেইদৰে পৰমেশ্বৰৰ সামীপ্য লাভ হলে সকলো দোষ সকলো দুঃখ দূৰ হয়, আৰু পৰমাত্মাৰ গুণ, কৰ্ম্ম, স্বভাৱৰ দৰেই জীবা গুণ, কৰ্ম্ম, স্বভাৱ পবিত্ৰ হৈ উঠে। গতিকে পৰমেশ্বৰৰ স্তুতি, প্ৰা আৰু উপাসনা কৰা আৱশ্যক। ইয়াৰ ফল ভিন্ন। কিন্তু ইয়াৰ আত্মিক বল ইমান বৃদ্ধি হব যে পৰ্ব্বতাকাৰ দুঃখতো ব্যাকুল নহৈ স শাৰীৰিক আৰু মানসিক কষ্ট সহ্য কৰিব পাৰিব। ই জানো সা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কথা? যি এনেকৈ পৰমাত্মাৰ স্তুতি, প্ৰাৰ্থনা আৰু উপাসনা নকৰে, সি কৃতঘ্ন আৰু মহামূৰ্খ। কাৰণ যি পৰমেশ্বৰে জীৱজগতৰ কাৰণে সকলো পদাৰ্থ সৃষ্টি আৰু ব্যৱস্থা কৰিছে, তেওঁক স্মৰণ নকৰা বা স্বীকাৰ নকৰা কৃতঘ্নতা আৰু মূৰ্খতাৰ বাহিৰে আন একো হব নোৱাৰে।

প্ৰশ্নঃ—পৰমেশ্বৰৰ যেতিয়া শ্ৰোত্ৰ-নেত্ৰাদি নাই তেওঁ ইন্দ্ৰিয়ৰ কৰ্ম্ম কেনেকৈ কৰে?

উত্তৰ—অপাণিপাদো জৱনো গ্ৰহীতা পশ্যত্যচক্ষুঃ
স শৃণোত্যকৰ্ণঃ। স বেত্তি বিশ্বং ন চ তস্যাস্তি বেত্তা
তমাহুৰগ্ৰ্যং পুৰুষং পুৰাণম্॥ শ্বেতাশ্বতৰ উ০ অ০ ৩। ম০ ১৯

পৰমেশ্বৰৰ হস্ত নাই, কিন্তু নিজ শক্তিৰূপ হস্তৰে সকলো ৰচনা আৰু গ্ৰহণ কৰে। চৰণ নাই, কিন্তু সৰ্ব্বব্যাপক; গতিকে সকলোতকৈ বেগবান। চক্ষু ইন্দ্ৰিয় নাই, কিন্তু সকলো যথাৰ্থৰূপে দেখে। শ্ৰোত্ৰ নাই, তথাপি সকলোৰে কথা শুনে। অন্তঃকৰণ নাই, কিন্তু সমস্ত জগতক জানে। তেওঁক সম্পূৰ্ণৰূপে জানিব পৰা অন্য কোনো নাই। তেওঁ সনাতন, সৰ্ব্বশ্ৰেষ্ঠ আৰু সকলোতে পৰিপূৰ্ণ কাৰণে তেওঁক পুৰুষ বোলা হয়। তেওঁ বিনা ইন্দ্ৰিয় আৰু অন্তঃ কৰণেৰেই নিজ সামৰ্থ্যৰে নিজৰ কাৰ্য্য সাধন কৰে।

প্ৰশ্ন—অনেকে ঈশ্বৰক নিষ্ক্ৰিয় আৰু নিৰ্গুণ বুলি কয়।

উত্তৰ—ন তস্য কাৰ্য্যং কৰণঞ্চ বিদ্যতে ন তৎসমশ্চাভ্যধিকশ্চ দৃশ্যতে।
পৰাস্য শক্তিৰ্বিবিধৈব শ্ৰূয়তে স্বাভাৱিকী জ্ঞানবলক্ৰিয়া চ॥
শ্বেতাশ্বতৰ উপনিষদ্ অ০ ৬। ম০ ৮॥

পৰমাত্মাৰ কোনো কাৰ্য্য আৰু কৰণ নাই অৰ্থাৎ তেওঁৰ কোনো সাধনৰ আৱশ্যক নাই। তেওঁৰ সমান বা তেওঁতকৈ অধিক মহৎ কোনো নাই। তেওঁৰ সৰ্ব্ব মহৎ শক্তি, অৰ্থাৎ তেওঁৰ যি অনন্ত জ্ঞান, অনন্ত বল, আৰু অনন্ত ক্ৰিয়া শক্তি আছে, সেই বোৰ স্বাভাৱিক আৰু সহজাত বুলি শুনা যায়। পৰমেশ্বৰ নিষ্ক্ৰিয় হলে জগতৰ উৎপত্তি,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স্থিতি আৰু প্ৰলয় ঘটাব নোৱাৰিলে হেঁতেন। সেই কাৰণেই তেওঁ বিভু। তেওঁ চৈতন্য, গতিকে ক্ৰিয়াশীলো।

প্ৰশ্ন—তেওঁৰ যদি ক্ৰিয়া আছে, তেন্তে তেওঁৰ ক্ৰিয়া শান্ত নে অনন্ত ?

উত্তৰ—তেওঁ জ্ঞানময় গতিকে দেশ কাল অনুসাৰে যত যিমানখিনি ক্ৰিয়াৰ প্ৰয়োজন বোধ কৰে, সেই পৰিমাণেই কৰে।

প্ৰশ্ন—পৰমেশ্বৰে নিজৰ অন্ত জানে নে ?

উত্তৰ—পৰমাত্মা পূৰ্ণজ্ঞানী। যাৰ দ্বাৰাই সকলোকে যথাৰ্থ ভাবে জনা যায় তাকেই জ্ঞান বোলে। অৰ্থাৎ যি বস্তু যেনেকুৱা তাক তেনেকৈ জনাকেই জ্ঞান বোলে। পৰমেশ্বৰ অনন্ত; গতিকে নিজক অনন্ত বুলি জনা জ্ঞান, তাৰ বিপৰীত হলে অজ্ঞান। অৰ্থাৎ অনন্তক সান্ত আৰু সান্তক অনন্ত বুলি জনাক ভ্ৰম বোলে।

"যথাৰ্থদৰ্শনং জ্ঞানমিতি" যাৰ যেনেকুৱা গুণ, কৰ্ম্ম, আৰু স্বভাব তাক তেনেকৈ জনাকেই জ্ঞান-বিজ্ঞান বোলে। সেয়ে নহলে অজ্ঞান। গতিকে—

ক্লেশ কৰ্ম্ম বিপাকাশয়ৈৰপৰামৃষ্টঃ পুৰুষবিশেষ ঈশ্বৰঃ॥

যোগ সূত্ৰ, (সমাধিপাদ সূ° ২৪)

যি অবিদ্যাদি ক্লেশ, কুশল, অকুশল, ইষ্ট, অনিষ্ট আৰু মিশ্ৰ ফলদায়ক কৰ্ম্ম বাসনাবিহীন, তেওঁৱেই সকলো জীৱৰ পৰা ভিন্ন বিশিষ্ট পুৰুষ ঈশ্বৰ।

প্ৰশ্ন—ঈশ্বৰাসিদ্ধেঃ ॥১॥ (সাং অ° ১। সূ° ১২)

প্ৰমাণাভাবান্নতৎসিদ্ধিঃ ॥২॥ (সাং অ° ৫। সূ° ১০) ॥

সম্বন্ধাভাবান্নানুমানম্ ।৩॥ সাং সূ° (অ° ৫। সূ° ১১) ॥

ঈশ্বৰ প্ৰত্যক্ষ সিদ্ধ নহয় ।১॥ ঈশ্বৰ সিদ্ধিৰ বিষয়ত প্ৰত্যক্ষ প্ৰমাণ নাই যেতিয়া অনুমান আদি প্ৰমাণো থাকিব নোৱাৰে ।২॥ আৰু ব্যাপ্তি সম্বন্ধৰ অভাবত অনুমানো হব নোৱাৰে। আকৌ প্ৰত্যক্ষ আৰু আ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মান নহলে শব্দ প্ৰমাণো হব নোৱাৰে। গতিকে ঈশ্বৰ থকাৰ কোনো প্ৰমাণ নাই।৩॥

উত্তৰ—এই ক্ষেত্ৰত ঈশ্বৰ থকাৰ প্ৰত্যক্ষ প্ৰমাণ নাই। ঈশ্বৰ জগতৰ উপাদান কাৰণ নহয়। আৰু অন্য পুৰুষৰ পৰাও বিলক্ষণ, অৰ্থাৎ সকলোতে পৰিপূৰ্ণ কাৰণে পৰমাত্মাৰ নাম পুৰুষ। শৰীৰত শয়ন কৰে গতিকে জীৱৰো নাম পুৰুষ। কাৰণ এই প্ৰকৰণতেই কৈছে যে—

প্ৰধান শক্তি যোগাচ্চেৎ সঙ্গাপত্তিঃ।১॥ সত্তামাত্ৰাচ্চেৎ সৰ্বৈশ্বৰ্য্যম্।২॥ শ্ৰুতিৰপি প্ৰধান কাৰ্য্যত্বস্য।৩॥

সাংখ্য সূ০ (অ০ ৫। সূ০ ৮।৯।১২)॥

পুৰুষৰ লগত প্ৰধান শক্তিৰ যোগ হলে পুৰুষত সঙ্গাপত্তি ঘটে। অৰ্থাৎ যি দৰে প্ৰকৃতি সূক্ষ্মৰূপত মিলিত হৈ কাৰ্য্যৰূপত পৰিণত হৈছে সেই দৰেই পৰমেশ্বৰো স্থূল হৈ পৰে। এই হেতুকেই পৰমেশ্বৰ জগতৰ উপাদান কাৰণ নহয়, নিমিত্ত কাৰণহে। ১॥

চেতনৰ পৰা জগতৰ উৎপত্তি হলে পৰমেশ্বৰৰ দৰেই জগতত সকলো ঐশ্বৰ্য্যৰ যোগ হোৱা আৱশ্যক। প্ৰকৃততে তেনে নহয়। এই কাৰণেই পৰমেশ্বৰ জগতৰ উপাদান কাৰণ নহয়, নিমিত্ত কাৰণ হে। ২॥

অজামেকাং লোহিত শুক্লকৃষ্ণাং বহবীঃ প্ৰজাঃ সৃজমানাং স্বৰূপাঃ॥

শ্বেতাশ্বতৰ উপনিষদ (অ০ ৪। ম০ ৫॥)

জন্মৰহিত সত্ত্ব ৰজঃ-তমোৰূপ যি প্ৰকৃতি সেয়েই স্বৰূপাকাৰ হৈ বহু প্ৰজা সৃষ্টি হয়, অৰ্থাৎ প্ৰকৃতি পৰিণামিনী হোৱা বাবে অৱস্থাৰ পৰিবৰ্ত্তন হয়। কিন্তু পুৰুষ অপৰিণামী, গতিকে অৱস্থান্তৰ হৈ অন্য ৰূপত পৰিণত নহয়, সদায় কূটস্থ আৰু নিৰ্ব্বিকাৰ। গতিকে যি কপিলাচাৰ্য্যক অনিশ্বৰবাদী বোলে, তেওঁহে অনিশ্বৰবাদী, কপিলাচায্য নহয়। সেই দৰেই মীমাংসাৰ "ধৰ্ম্ম", "ধৰ্ম্মী"ৰ পৰা, বৈশেষিক আৰু ন্যায়ৰ "আত্মা" শব্দৰ পৰা প্ৰমাণ হয় যে সেই সকল অনিশ্বৰবাদী নহয়। কাৰণ যি সৰ্ব্বজ্ঞতাদি ধৰ্ম্মযুক্ত আৰু **"অততি সৰ্ব্বত্ৰ ব্যাপ্নোতীত্যাত্মা"** যি সৰ্ব্বত্ৰ ব্যাপক

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আৰু সৰ্ব্বজ্ঞত্বাদি ধৰ্ম্মবিশিষ্ট আৰু সকলো জীৱৰ আত্মাস্বৰূপ, তাকেই মীমাংসা, বৈশেষিক, আৰু ন্যায়ে ঈশ্বৰ বুলি মানে।

প্ৰশ্ন—ঈশ্বৰৰ অৱতাৰ হয়নে নহয় ?

উত্তৰ—নহয়, কাৰণ "**অজ-একপাৎ**" (৩৪।৫৩), "**স পৰ্য্যগাচ্ছুক্ৰমকায়ম্**" (৪০।৮) ইত্যাদি যজুৰ্বেদৰ বচন। এইবোৰ বচনৰ পৰা প্ৰমাণ হয় যে ঈশ্বৰে জন্মগ্ৰহণ নকৰে।

প্ৰশ্ন—যদা যদা হি ধৰ্ম্মস্য গ্লানিৰ্ভৱতি ভাৰত।

অভ্যুত্থানমধৰ্ম্মস্য তদাত্মানং সৃজাম্যহম্ ॥ (ভ০ গী০ অ০ ৪।৭) ভগবান কৃষ্ণই কৈছে যে যেতিয়া ধৰ্ম্মৰ গ্লানি হয় তেতিয়াই মই জন্ম গ্ৰহণ কৰো।

উত্তৰ— এই বাক্য বেদ বিৰুদ্ধ; গতিকে প্ৰমাণ বুলি ধৰিব নোৱাৰি। হব পাৰে যে ভগবান কৃষ্ণ ধৰ্ম্মাত্মা আছিল আৰু ধৰ্ম্মৰ প্ৰতিষ্ঠা কৰিছিল। গতিকে "মই যুগে যুগে জন্ম গ্ৰহণ কৰি শ্ৰেষ্ঠ সকলক ৰক্ষা আৰু দুষ্টবোৰক বিনাশ কৰোঁ"। (ইয়াৰ ভাবাৰ্থ হল যে, যেতিয়া মানৱ সমাজত ধৰ্ম্মৰ অৱনতি অৰ্থাৎ নৈতিক পতন হয় তেতিয়া আত্ম প্ৰকাশ কৰি নীতি ধৰ্ম্মৰ প্ৰতিষ্ঠা কৰিব পৰাহে মহাত্মাৰ পৰিচয়। এনেকুৱা অৰ্থ হলে বেদ-বিৰুদ্ধ বা বিজ্ঞান-বিৰুদ্ধ হব নোৱাৰে। কাৰণ "**পৰোপকাৰায় সতাং বিভুতয়ঃ**" যি সমাজৰ হিতাৰ্থে দেহ, মন, ধন অৰ্পণ কৰে, সেই সকলেই সৎ পুৰুষ। গতিকে এই বাক্যৰ পৰা ভগৱান কৃষ্ণ ঈশ্বৰ হোৱাৰ প্ৰমাণ নহয়।

প্ৰশ্ন—তেনেহলে ঈশ্বৰৰ চতুৰ্ব্বিংশ অৱতাৰ মনা হয় কিয় ?

উত্তৰ—বেদৰ অৰ্থ জ্ঞান নথকা সাম্প্ৰদায়িক সকলৰ দ্বাৰাই বিভ্ৰান্ত হৈ সৰ্ব্বসাধাৰণ মানুহ ভ্ৰমজালত আবদ্ধ হয় আৰু এনে ধৰণৰ অপ্ৰামাণিক কথাত বিশ্বাস কৰে।

প্ৰশ্ন—ঈশ্বৰৰ অৱতাৰ নহলে কংস আৰু ৰাবণ আদি দুৰ্বৃত্তবোৰক কেনেকৈ বিনাশ কৰিব পাৰিলে ?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ—জন্ম হলেই মৃত্যু হয়। যি ঈশ্বৰে অৱতাৰ বা দেহ ধাৰণা নকৰাকৈয়ে জগতৰ সৃষ্টি, স্থিতি আৰু প্ৰলয় কৰে, তেওঁৰ মানত কংস, ৰাৱণ আদি একোটা সামান্য কীট পতঙ্গৰ তুল্যও নহয়। সৰ্ব্বব্যাপক ঈশ্বৰ কংস ৰাৱণ আদিতো পৰিব্যাপ্ত হৈ থাকে, ইচ্ছা কৰিলে নিমিষতে বিনাশ কৰিব পাৰে। বাৰু, যি সকলে এই অনন্ত গুণ, কৰ্ম্ম, স্বভাৱ বিশিষ্ট পৰমাত্মাক এটা ক্ষুদ্ৰ জীৱৰ দেহ বিনাশৰ কাৰণে জন্ম মৰণ-শীল অৱতাৰ হয় বুলি কয়, তেওঁলোকক জ্ঞানী বুলি বিবেচনা কৰিব পাৰি নে? যদিও বা কোনোৱে কয় যে ভক্ত সকলক উদ্ধাৰৰ কাৰণে ঈশ্বৰে জন্মগ্ৰহণ কৰে, সিও সত্য হব নোৱাৰে। কাৰণ, যি সকল ভক্তই ঈশ্বৰৰ প্ৰতি ভক্তি ৰাখি ধৰ্ম্ম পথত চলে, সেই সকলৰ উদ্ধাৰ কৰিবলৈ সামৰ্থ্য ঈশ্বৰৰ আছে। পৃথিবী, চন্দ্ৰ, সূৰ্য্য আদি কৰি সকলো সমষ্টিৰ জগতখনৰ সৃষ্টি, স্থিতি, প্ৰলয় ৰূপ কৰ্ম্মতকৈ কংস ৰাৱণ আদিৰ বিনাশ বা গোবৰ্দ্ধন পৰ্ব্বত আদিৰ উত্তোলন মহৎ কৰ্ম্ম নেকি? পৰমেশ্বৰৰ সৃষ্টি কৰ্ম্মৰ বিষয়ে কোনোৱে যদি চিন্তা কৰি চায়, তেন্তে, এই ধাৰণাই হব যে, "ন ভূতো ন ভৱিষ্যতি," অৰ্থাৎ ঈশ্বৰৰ সম কোনো নাই আৰু নহবও। যুক্তিৰ ফালৰ পৰাও ঈশ্বৰৰ জন্ম প্ৰমাণিত নহয়। 'অনন্ত আকাশ গৰ্ভস্থ হল, বা মুঠি মাৰি ধৰা হল,' এনেকুৱা কথা কোনোৱে যদি কয়, বিশ্বাস যোগ্য বুলি ধৰা নেযায়। কাৰণ আকাশ অনন্ত, ব্যাপক; গতিকে আকাশ ভিতৰলৈও নেযায় আৰু বাহিৰলৈও নাহে। সেইদৰেই অনন্ত সৰ্ব্বব্যাপক পৰমাত্মাৰ গমনাগমন বা স্থান পৰিবৰ্ত্তন নাই। যি স্থানত যি বস্তু নাই সেই স্থানলৈ সেই বস্তুৰ গমনাগমন হব পাৰে। গৰ্ভত থাকোঁতে পৰমেশ্বৰ ব্যাপক নাছিল নে কি যে, অন্য কোনো স্থানৰ পৰা আহি গৰ্ভত প্ৰবেশ কৰিব? তেওঁ জানো বাহিৰত নাই যে গৰ্ভৰ পৰা জন্ম হৈ বাহিৰ ওলাব? কেৱল মূৰ্খ আৰু অজ্ঞানীৰ বাহিৰে আন কোনেও ঈশ্বৰৰ বিষয়ে এনে ধৰণৰ কথা কব আৰু বিশ্বাস কৰিব নোৱাৰে। গতিকে ঈশ্বৰৰ গমনাগমন আৰু জন্ম মৰণ কেতিয়াও সম্ভৱ হব নোৱাৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ইয়াৰ দ্বাৰাই স্পষ্টকৈ বুজিব লাগিব যে, "ঈসা" আদি আন কোনোৱেই ঈশ্বৰৰ অৱতাৰ নহয়। কাৰণ, ৰাগ, দ্বেষ, ক্ষুধা, তৃষ্ণা, ভয়, শোক, সুখ দুঃখ, জন্ম, মৃত্যু আদি গুণ বিশিষ্ট সকলোৱেই মানুহ আছিল।

প্ৰশ্ন— ঈশ্বৰে তেওঁৰ ভক্ত সকলৰ পাপ বা দুষ্কৰ্ম্মৰ ক্ষমা কৰে নে নকৰে?

উত্তৰ— নকৰে। কাৰণ পাপ ক্ষমা কৰিলে ন্যায় কত থাকিব! তাৰ ফলত মানুহ মহাপাপী হব। ক্ষমাৰ কথা শুনি পাপ কৰ্ম্মত মানুহ নিৰ্ভীক আৰু উৎসাহীহে হব। ৰজাই অপৰাধীবোৰক ক্ষমা কৰিলে, সিহঁতে ৰজাক সন্তুষ্ট কৰি গুৰুতৰ পাপত লিপ্ত হব। ৰজাই অপৰাধীৰ অপৰাধ ক্ষমা কৰিলে অপৰাধীৰ ভৰসা হব যে ৰজাৰ স্তুতি প্ৰাৰ্থনা কৰি ক্ষমা ভিক্ষা খুজিলে অপৰাধ ক্ষমা কৰিব। পৰিণামত যি সকলে অপৰাধ নকৰে, সেই সকলেও দেখাক-দেখি নিৰ্ভয়ে দুষ্কৰ্ম্মত প্ৰবৃত্ত হব। গতিকে কৰ্ম্মানুসাৰে ফল বিধান কৰাই ঈশ্বৰৰ কৰ্ম্ম; ক্ষমা হব নোৱাৰে।

প্ৰশ্ন ঃ—জীৱ স্বাধীন নে পৰাধীন ?

উত্তৰ ঃ—জীৱ নিজৰ কৰ্ম্মত স্বাধীন, ঈশ্বৰৰ ব্যৱস্থাত পৰাধীন। পাণিনীয় ব্যাকৰণৰ সূত্ৰ মতে "**স্বতন্ত্ৰঃ কৰ্ত্তা**"। যি স্বতন্ত্ৰ বা স্বাধীন সিয়েই কৰ্ত্তা।

প্ৰশ্ন ঃ—স্বতন্ত্ৰ কাক বোলে?

উত্তৰ ঃ—শৰীৰ, প্ৰাণ, ইন্দ্ৰিয় আৰু অন্তঃকৰণ আদি যাৰ স্বাধীন। স্বতন্ত্ৰ নহলে কৰ্ম্ম ফলৰ, পাপ পুণ্যৰ অধিকাৰী হব নোৱাৰে। উদাহৰণ ৰূপে, পৰাধীন ব্যক্তিয়ে স্বামীৰ আৰু সেনাই সেনাধ্যক্ষৰ আজ্ঞা বা প্ৰেৰণা অনুসাৰে কাম কৰি বা যুদ্ধত বহু লোক বিনাশ কৰিও অপৰাধী নহয়। সেইৰূপে পৰমেশ্বৰৰ প্ৰেৰণা আৰু অধীনতাত কাৰ্য্য সমাধান হলে জীৱক পাপ পুণ্যই স্পৰ্শ নকৰিব। তেনে কৰ্ম্মৰ প্ৰেৰক পৰমেশ্বৰহে ফলভাগী হব। কোনো ব্যক্তিয়ে কোনো অস্ত্ৰ বিশেষেৰে কাৰোবাক হত্যা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰি ধৰা পৰিলে, ধৃত ব্যক্তিয়েহে দণ্ড ভোগ কৰে সেই শাস্ত্ৰ বিশেষে নকৰে। সেইদৰে পৰাধীন ব্যক্তিও পাপ পুণ্যৰ ভাগী হব নোৱাৰে। গতিকে জীৱ নিজৰ শক্তি সামৰ্থ্য অনুসাৰে কৰ্ম্ম কৰাত স্বতন্ত্ৰ, কিন্তু দুষ্কৰ্ম্ম কৰিলে ঈশ্বৰৰ বিধি ব্যৱস্থাৰ পৰতন্ত্ৰ হৈ তাৰ ফল ভোগ কৰে। সেয়ে নহলে জীৱই দুষ্কৰ্ম্ম কৰিও সুফল কামনা কৰিব।

প্ৰশ্ন—পৰমেশ্বৰে জীৱক সৃষ্টি নকৰিলে আৰু শক্তি সামৰ্থ্য নিদিলে জীৱই একোকে কৰিব নোৱাৰিলে হেঁতেন। গতিকে, ঈশ্বৰৰ প্ৰেৰণাতেই জীৱই কৰ্ম্ম কৰে?

উত্তৰ—জীৱক ঈশ্বৰে উৎপন্ন কৰা নাই. জীৱ অজৰ-অমৰ আৰু অনাদি। কিন্তু সূক্ষ্ম জীৱ (পৰমাণু ৰূপত) জগতৰ উপাদান কাৰণ আৰু নিমিত্ত কাৰণ ঈশ্বৰৰ দৰেই অনাদি। নিমিত্ত কাৰণ পৰমেশ্বৰৰ দ্বাৰাই জীৱৰ দেহ আৰু ইন্দ্ৰিয় গোলোক সৃষ্ট হৈছে। সেইবোৰ জীৱৰ অধীন। যদি কোনোৱে কায়মনোবাক্যে কুকৰ্ম্ম কৰে তাৰ ফল নিজে ভোগ কৰে, ঈশ্বৰে নকৰে। ভাবি চ'ক চোন, কোনো এক কমাৰে, কোনো এক পৰ্ব্বতৰ পৰা লোহ সংগ্ৰহ কৰিলে, কোনো বণিকে সেই লো কিনিলে, অন্য এক কমাৰে সেই বণিকৰ পৰা লো কিনি নি তাৰে তৰোৱাল প্ৰস্তুত কৰিলে. কোনো এক ব্যক্তিয়ে সেই তৰোৱাল কিনি নি তাৰেই কাৰোবাক হত্যা কৰিলে। এই ক্ষেত্ৰত লোৰ উৎপাদন কৰ্ত্তা, ক্ৰেতা, তৰোৱাল নিৰ্মাতা আৰু তৰোৱালক ৰাজ্যিক বিধি মতে দণ্ড নিদিয়ে, কেৱল হত্যাকাৰীক হে দণ্ড দিয়ে। সেইদৰে দেহাদি সৃষ্টি কৰ্ত্তা পৰমেশ্বৰে তেওঁৰ সৃষ্ট শৰীৰাদিৰে জীৱই কৰ্ম্ম কৰিলে কৰ্ম্মফল ভোগ নকৰে, জীৱইহে ভোগ কৰে। পৰমেশ্বৰে কৰ্ম্ম কৰিলে জীৱই পাপ কৰাৰ প্ৰশ্নই নুঠিল-হেঁতেন। কাৰণ পৰমেশ্বৰ পবিত্ৰ ধৰ্ম্মময়, গতিকে জীৱক পাপৰ প্ৰেৰণা নিদিয়ে। ইয়াৰ পৰা প্ৰমাণ হয় যে জীৱ নিজ কৰ্ম্মত স্বাধীন। জীৱ যেনেকৈ নিজৰ কৰ্ম্মত স্বাধীন, সেইদৰে ঈশ্বৰো নিজৰ কৰ্ম্মত স্বাধীন।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰশ্ন—জীৱ আৰু পৰমেশ্বৰৰ স্বৰূপ আৰু গুণ, কৰ্ম্ম, স্বভাৱ কেনেকুৱা ?

উত্তৰ—দুয়োৰো চেতন স্বৰূপ। দুয়োৰো স্বভাৱ পবিত্ৰ। দুয়ো অবিনাশী আৰু ধৰ্ম্মপৰায়ণ আদি গুণ যুক্ত। ইয়াৰ বাহিৰে সৃষ্টি স্থিতি, প্ৰলয় জগতৰ নিয়ন্ত্ৰণ· জীৱৰ কৰ্ম্ম ফলৰ বিচাৰ কৰা আদি পৰমেশ্বৰৰ কৰ্ম্ম। সৎ অসৎ কৰ্ম্ম কৰা আৰু তাৰ ফল ভোগ কৰা জীৱৰ গুণ ধৰ্ম্ম। ঈশ্বৰ অসৎ কৰ্মত নিলিপ্ত আৰু সদানন্দ। জীৱৰ লক্ষণ-

ইচ্ছাদ্বেষ প্ৰয়ত্নসুখদুঃখজ্ঞানান্যাত্মনো লিঙ্গমিতি।

ন্যায় সূ°। (অ° আ° ১। সূ° ১০)।

প্ৰাণা পাননিমেষোন্মেষমনো গতীন্দ্ৰিয়ান্তৰবিকাৰাঃ
সুখদুঃখেচ্ছাদ্বেষৌ প্ৰয়ত্নাশ্চাত্মনো লিঙ্গানি।

বৈশেষিক সূ°। (অ° ৩। আ° ২। সূ° ৪)।

(ইচ্ছা) বস্তু প্ৰাপ্তিৰ অভিলাষ, (দ্বেষ) দুঃখাদি প্ৰাপ্তিৰ অনিচ্ছা, অৰ্থাৎ বৈৰভাৱ; (প্ৰয়ত্ন) পুৰুষাৰ্থ আৰু বল; (সুখ) আনন্দ, (দুঃখ) অপ্ৰিয় আৰু অপ্ৰসন্নতা; (জ্ঞান) বিবেচনা আৰু জনা এইখিনি লক্ষণ ন্যায় আৰু বৈশেষিক দৰ্শন মতে একে; কিন্তু বৈশেষিকত অতিৰিক্ত আছে (প্ৰাণ) প্ৰাণ বায়ু বাহিৰ কৰা (অপান) অপান বায়ুক ভিতৰলৈ নিয়া, (নিমেষ) চক্ষুৰ পলক পাত কৰা, (উন্মেষ কৰা,) চকু মেলা, (মন) নিশ্চয়, স্মৰণ আৰু অহঙ্কাৰ কৰা (গতি) চলন, (ইন্দ্ৰিয়ৰ) ব্যাপাৰ, (অন্তৰ বিকাৰ) ভিন্ন ভিন্নকৈ ক্ষুধা, তৃষ্ণা, হৰ্ষ, শোক আদিৰ অনুভৱ কৰা, জীৱাত্মাৰ এইবোৰ গুণ পৰমাত্মাৰ গুণৰ পৰা পৃথক্। এইবোৰ লক্ষণৰ পৰাই আত্মাৰ প্ৰতীতি হয়। আত্মা স্থূল পদাৰ্থ নহয়। যেতিয়ালৈকে আত্মা দেহস্থ হৈ থাকে, তেতিয়ালৈকে এই গুণ বোৰৰ প্ৰকাশ পায়। আত্মাই দেহ ত্যাগ কৰিলে এই গুণ বোৰো দেহত নেথাকে। যি থাকিলে যি যি থাকে আৰু যি নেথাকিলে যি যি নেথাকে সেয়েই তাৰ গুণ। যেনেকৈ প্ৰদীপ বা সূৰ্য্যাদি নেথাকিলে প্ৰকাশ নেথাকে,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কিন্তু থাকিলে থাকে। সেই দৰেই গুণৰ দ্বাৰাই জীৱাত্মা আৰু পৰমাত্মাৰ বিশেষ বিশেষ জ্ঞান অনুভূত হয়।

প্ৰশ্ন—পৰমাত্মা ত্ৰিকালদৰ্শী গতিকে ভৱিষ্যতৰ কথা জানে। তেওঁ যি দৰেই সৃষ্টি কৰিব জীৱয়ো সেই দৰেই কৰিব। গতিকে জীৱ স্বতন্ত্ৰ হব নোৱাৰে। আৰু ঈশ্বৰে জীৱক দণ্ডও দিব নোৱাৰে। কাৰণ ঈশ্বৰে সৰ্ব্বজ্ঞভাৱে যিহকে নিৰ্দ্ধাৰণ কৰিছে, জীৱয়ো তাকেই কৰিছে ?

উত্তৰ—ঈশ্বৰক ত্ৰিকালদৰ্শী বোলাই ভুল। কাৰণ হৈ যোৱাক অতীত বোলে, যি হোৱা নাই হব তাক ভৱিষ্যত বোলে। পৰমেশ্বৰৰ কোনো জ্ঞান উৎপন্ন হৈ বিদ্যমান নেথাকে নেকি ? বা কোনো জ্ঞান হোৱা নাই, পাছত হব নেকি ? পৰমেশ্বৰৰ জ্ঞান সদায় এক ৰস আৰু অখণ্ডিত ভাৱে বৰ্ত্তমান। অতীত আৰু ভৱিষ্যত জীৱৰ কাৰণেহে ? অৱশ্যে জীৱৰ কৰ্ম্মৰ অপেক্ষাৰে ত্ৰিকালজ্ঞতা ঈশ্বৰত আছে, স্বতঃ নহয়। যেনেকৈ স্বাধীনতাৰে জীৱই কৰে, সেই দৰেই সৰ্ব্বজ্ঞতাৰে ঈশ্বৰে জানে। আৰু যেনেকৈ ঈশ্বৰে জানে সেই দৰেই জীৱই কৰে। অৰ্থাৎ ভূত ভৱিষ্যত বৰ্ত্তমানৰ জ্ঞান আৰু ফল দিয়াত ঈশ্বৰ স্বতন্ত্ৰ আৰু জীৱ কিঞ্চিৎ বৰ্ত্তমান আৰু কৰ্ম্ম কৰাত স্বতন্ত্ৰ। ঈশ্বৰৰ অনাদি জ্ঞান হোৱাত যেনেকুৱা কৰ্ম্মৰ জ্ঞান, তেনেকুৱা দণ্ড দিয়াৰ জ্ঞানো অনাদি। তেওঁৰ দুয়ো জ্ঞানেই সত্য। কৰ্ম্মৰ জ্ঞান সত্য আৰু দণ্ডৰ জ্ঞান মিথ্যা এনেকুৱা কেতিয়াও হব নোৱাৰে। গতিকে এই বিষয়ত কোনো দোষ নঘটে।

প্ৰশ্ন—জীৱ শৰীৰত ভিন্ন বিভু নে পৰিচ্ছিন্ন ?

উত্তৰ—বিভু হোৱা হলে জাগ্ৰত, স্বপ্ন, সুষুপ্তি, জন্ম, মৰণ, সংযোগ বিয়োগ, আৰু গমনাগমন কেতিয়াও নহল হেঁতেন। এই কাৰণেই জীৱৰ স্বৰূপ অল্পজ্ঞ আৰু সূক্ষ্ম। পৰমেশ্বৰ সূক্ষ্মাতকৈও সূক্ষ্ম, অনন্ত, সৰ্ব্বজ্ঞ, আৰু সৰ্ব্বব্যাপক স্বৰূপ। গতিকে জীৱ আৰু পৰমেশ্বৰৰ ভিতৰত ব্যাপ্য, ব্যাপক সম্বন্ধ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰশ্ন—যি স্থানত এটা বস্তু থাকে, সেই স্থানত আন এটা বস্তু থাকিব নোৱাৰে। গতিকে জীৱ আৰু ঈশ্বৰৰ ভিতৰত সংযোগ সম্বন্ধ থাকিব পাৰে কিন্তু ব্যাপ্য ব্যাপক সম্বন্ধ থাকিব নোৱাৰে।

উত্তৰ—এই নিয়ম সমআকাৰ বিশিষ্ট পদাৰ্থৰ ভিতৰত খাটে অসমান আকাৰ বিশিষ্ট পদাৰ্থৰ ভিতৰত নেখাটে। যেনে লোহ স্থূল আকাৰৰ বস্তু আৰু অগ্নি সূক্ষ্ম গতিকে লোৰ ভিতৰত অগ্নি আৰু বিদ্যুৎ ব্যাপক হৈ দুয়ো প্ৰকাৰ হৈ অৱস্থান কৰে। সেই দৰেই জীৱ পৰমেশ্বৰতকৈ স্থূল, আৰু পৰমেশ্বৰ জীৱতকৈ সূক্ষ্ম গতিকে পৰমেশ্বৰ ব্যাপক আৰু জীৱ ব্যাপ্য। জীৱ আৰু ঈশ্বৰৰ ভিতৰত ব্যাপ্য ব্যাপক সম্বন্ধ দৰে, সেব্য, সেৱক, আধাৰ আধেয়, স্বামী ভৃত্য, ৰজা প্ৰজা আৰু পিতা পুত্ৰ আদিৰ সম্বন্ধও আছে।

প্ৰশ্ন—যদি পৃথক্ পৃথক্ হয় তেন্তে ঃ—

প্ৰজ্ঞানং ব্ৰহ্ম ।১॥ অহং ব্ৰহ্মাস্মি ।২॥ তত্ত্বমসি ।৩॥ অয়মাত্মা ব্ৰহ্ম ।৪॥
বেদৰ এই মহাবাক্যবোৰৰ অৰ্থ কি ?

উত্তৰ—এইবোৰ বেদ বাক্য নহয় ব্ৰাহ্মণ গ্ৰন্থৰ বচন। এইবোৰ মহাবাক্য বুলি কোনো সত্য শাস্ত্ৰত লিখিত হোৱা নাই। **অৰ্থ**—(অহম্) মই (ব্ৰহ্ম) অৰ্থাৎ ব্ৰহ্মস্থ (অস্মি) হওঁ। এই ক্ষেত্ৰত তাৎস্থ্যোপাধি। যেনে "মঞ্চাঃ ক্ৰোশন্তি" মঞ্চবোৰে চিঞৰিছে। মঞ্চ জড় পদাৰ্থ, সেইবোৰৰ চিঞৰিবৰ সাধ্য নাই। অৰ্থাৎ মঞ্চস্থ মানুহে চিঞৰিছে। সেই দৰেই এই ক্ষেত্ৰতো বুজিব লাগিব। আৰু যদি কোনোৱে কয় যে—জগতৰ সকলো বস্তুৱেই ধোপ ব্ৰহ্মস্থ, কেৱল জীৱক ব্ৰহ্মস্থ বোলাৰ অৰ্থ কি ? ইয়াৰ উত্তৰ হ'ল সকলো পদাৰ্থই ব্ৰহ্মস্থ হলেও, জীৱ যেনে ঈশ্বৰৰ সাধৰ্ম্ম্যযুক্ত আৰু সমীপস্থ, অন্য একো তেনেকুৱা লক্ষণ যুক্ত নহয়। ইয়াৰ উপৰিও জীৱৰ ব্ৰহ্মজ্ঞান হয়, আৰু মুক্তিত জীৱ ব্ৰহ্মাৰ সাক্ষাৎ সম্বন্ধ হয়। এই কাৰণেই ব্ৰহ্মাৰ লগত জীৱৰ তাতস্থ্য আৰু তৎসহচাৰিতোপাধি, অৰ্থাৎ জীৱ ব্ৰহ্মৰ সহচাৰী ; গতিকে জীৱ আৰু ব্ৰহ্ম একে নহয়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যেনেকৈ কোনোৱে কাৰোবাক কলে "মই আৰু তেওঁ এক" অৰ্থাৎ অবিৰোধী। সেই দৰেই যি সমাধিস্থ হৈ ব্ৰহ্মৰ প্ৰেমত বদ্ধ হৈ আনন্দত নিমগ্ন থাকে, তেওঁ কব পাৰে "মই আৰু ব্ৰহ্ম এক অৰ্থাৎ এক অবকাশস্থ।" যি ব্ৰহ্মৰ গুণ, কৰ্ম্ম, স্বভাৱ অনুযায়ী নিজে আচৰণশীল হব পাৰে, তেওঁ ব্ৰহ্মৰ সাধৰ্ম্ম্য বশতঃ ব্ৰহ্মৰ লগত এক বুলি কব পাৰে।

প্ৰশ্নঃ—বাৰু তেনেহলে, (তৎ) ব্ৰহ্ম (ত্বম্) তুমি জীৱ (অসি) হোৱা" এই বাক্যৰ অৰ্থ কেনেকৈ কৰিব ?

উত্তৰঃ—আপুনি "তৎ" শব্দৰ অৰ্থ কি বুজিলে ? ব্ৰহ্ম নেকি ? তেনেহলে ব্ৰহ্ম পদৰ অনুবৃত্তি ক'ৰ পৰা আনিলে ?

প্ৰশ্নঃ—"সদেব সোম্যেদমগ্ৰ আসীদেকমেবাদ্বিতীয়ং ব্ৰহ্ম" ॥ ১ এই বাক্যৰ পৰা।

উত্তৰঃ—আপুনি বোধহয় ছান্দোগ্য উপনিষদ দেখাই নাই। দেখা হলে জানিলেহেঁতেন যে সেই ঠাইত ব্ৰহ্ম শব্দ নাই। মিছাকৈয়ে কৈছে কিয় ? ছান্দোগ্যত আছে ঃ—

সদেব সোম্যেদমগ্ৰ আসীদেকমেবাদ্বিতীয়ম্ ॥

(ছা০ প্ৰ০ ৬। খ০ ২। ম০ ১।)

এনেকুৱা পাঠহে আছে, তাত ব্ৰহ্ম শব্দ নাই।

প্ৰশ্নঃ—তেনেহলে আপুনি "তৎ" শব্দৰ দ্বাৰা কি অৰ্থ কৰে ?

উত্তৰঃ—স য এষোঽণিমৈতদাত্ম্যমিদং সৰ্ব্বং তৎ সত্যং স আত্মা তত্ত্বমসি শ্বেতকেতো ইতি ॥ ছা০ (প্ৰ০ ৬। ম০ ৮। ম০ ৭)

হে প্ৰিয় পুত্ৰ শ্বেতকেতো ! সেই পৰমাত্মাকেই জানিব লাগে। তেওঁ অতি সূক্ষ্ম আৰু সমস্ত জগত আৰু জীৱৰ আত্মা। তেওঁ সত্য স্বৰূপ আৰু নিজেই নিজৰ আত্মা।

তদাত্মকস্তদন্তৰ্য্যামী ত্বমসি ॥

তুমি সেই অন্তৰ্য্যামী পৰমাত্মাৰ লগত যুক্ত। এই অৰ্থই উপনিষদৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অবিৰুদ্ধ; কাৰণ—

য আত্মনিতিষ্ঠন্নাত্মনোন্তৰোয়মাত্মা ন বেদ যস্যাত্মা শৰীৰম্।
আত্মনোন্তৰোযময়তি স ত আত্মান্তৰ্য্যাম্যমৃতঃ।

এয়া বৃহদাৰণ্যকৰ বচন। মহৰ্ষি যাজ্ঞবল্ক্যই নিজৰ পত্নী মৈত্ৰে[য়ীক] কৈছে—হে মৈত্ৰেয়ি! যি পৰমাত্মা অৰ্থাৎ জীৱৰ ভিতৰত বৰ্ত্তমান আ[ৰু] জীৱাত্মাৰ পৰা পৃথক মূঢ় জীৱাত্মাই নেজানে যে সেই পৰমাত্মা নি[জ] অৰ্থাৎ জীৱৰ ভিতৰত ব্যাপক ৰূপে আছে। জীৱাত্মা পৰমাত্মাৰ শৰী[ৰ] অৰ্থাৎ যেনেকৈ শৰীৰৰ ভিতৰত জীৱ থাকে, সেই দৰেই জীৱৰ ভিত[ৰত] পৰমেশ্বৰ ব্যাপক হৈ আছে। তেওঁ জীৱাত্মাৰ পৰা পৃথক থাকি, জী[ৱৰ] পাপ পুণ্যৰ সাক্ষীৰূপে, জীৱক পাপ পুণ্যৰ ফল দি নিয়ন্ত্ৰণ ক[ৰে] সেই অবিনাশী স্বৰূপ আত্মা তোমাৰ অন্তৰ্য্যামী। কাৰণ তোমাৰ ভিত[ৰত] ব্যাপক হৈ আছে, তেওঁক তুমি জানা।

এইবোৰ বচনৰ কোনোৱে অন্য অৰ্থ কৰিব পাৰিবনে? "অয়মা[ত্মা] ব্ৰহ্ম" ইয়াৰ অৰ্থ হ'ল সমাধি অৱস্থাত পৰমেশ্বৰ যেতিয়া যোগীৰ প্ৰত্য[ক্ষ] হয়, তেতিয়া সেই যোগীয়ে কব পাৰে "যি মোৰ ভিতৰত ব্যাপক সে[ই] ব্ৰহ্মই সকলোতে ব্যাপক। গতিকে যি সকল আধুনিক বেদান্তীয়ে জী[ৱ] আৰু ব্ৰহ্ম এক বুলি কয় সেই সকলে বেদান্ত শাস্ত্ৰ নুবুজাৰেই প্ৰমাণ হ[য়]।

প্ৰশ্ন—"অনেন আত্মনা জীৱেনানুপ্ৰবিশ্য নামৰূপে ব্যাকৰবাণি"
(ছা০ প্ৰ০ ৬। খ০ ৩। ম০ ২)

তৎসৃষ্ট্বা তদেবানুপ্ৰাবিশৎ। (তৈত্তিৰীয়০ ব্ৰাহ্মণ অনু০ ৬)

পৰমেশ্বৰে কৈছে—, মই জগত আৰু শৰীৰ সৃষ্টি কৰি জগ[তত] ব্যাপক আৰু জীৱৰূপে শৰীৰত প্ৰবিষ্ট হৈ নাম আৰু ৰূপৰ ব্যাখ্যা কৰিম। পৰমেশ্বৰে জগৎ আৰু শৰীৰ নিৰ্ম্মাণ কৰি তাৰ ভিতৰত প্ৰবিষ্ট হৈ আ[ছে] ইত্যাদি শ্ৰুতিৰ অন্য অৰ্থ কেনেকৈ কৰিব।

উত্তৰ—আপুনি পদ, পদাৰ্থ, আৰু বাক্যাৰ্থ জনা হলে কেতিয়া[ও] অনৰ্থ অৰ্থাৎ বিপৰীত অৰ্থ নকৰিলেহেঁতেন। কাৰণ, এই ক্ষেত্ৰত বুজি[ব]

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

লাগিব যে, এক প্ৰবেশ, অন্য অনুপ্ৰবেশ, অৰ্থাৎ পশ্চাৎ প্ৰবেশ বোলা হয়। পৰমেশ্বৰে শৰীৰত প্ৰবিষ্ট হোৱা জীৱৰ লগত অনুপ্ৰবিষ্টৰ দৰে থাকি বেদৰ দ্বাৰা সকলো নাম ৰূপ আদি বিদ্যা প্ৰকাশ কৰে। শৰীৰৰ ভিতৰত জীৱক প্ৰবিষ্ট কৰাই স্বয়ং পৰমাত্মাই জীৱৰ ভিতৰত অনু-প্ৰবিষ্ট হৈ আছে। আপুনি "অনু" শব্দৰ অৰ্থ জনা হলে এনেকুৱা বিপৰীত অৰ্থ নকৰিলেহেঁতেন।

প্ৰশ্ন ঃ–"সোঽয়ং দেবদত্তো য উষ্ণকালে কাশ্যাং দৃষ্ট স ইদানীং প্ৰাবৃট্‌সময়ে মথুৰায়াং দৃশ্যতে ॥"

অৰ্থাৎ সেই দেবদত্তয়েই, যাক মই গ্ৰীষ্মকালত কাশীত দেখিছিলো, বৰ্ষা কালত এতিয়া মথুৰাত দেখা গৈছে। ইয়াত কাশী দেশ আৰু গ্ৰীষ্ম কাল পৰিত্যাগ কৰি কেৱল শৰীৰকেই লক্ষ্য কৰি দেৱদত্ত লক্ষিত হৈছে। সেই দৰেই এই ভাগ-ত্যাগ লক্ষণৰ দ্বাৰা ঈশ্বৰৰ পৰোক্ষ দেশ, কাল, মায়া, উপাধি আৰু জীৱৰ এই দেশ, কাল, অবিদ্যা আৰু অল্পজ্ঞতা উপাধি এৰি কেৱল চেতন মাত্ৰ লক্ষ্য কৰিলে এক ব্ৰহ্ম বস্তুই উভয়ত্ৰ লক্ষিত হয় অৰ্থাৎ জীব আৰু ব্ৰহ্ম এক বস্তুৰূপে দেখা যায়। এই ভাগ-ত্যাগ লক্ষণা অৰ্থাৎ কিঞ্চিৎ গ্ৰহণ আৰু কিঞ্চিৎ বৰ্জ্জনৰ দ্বাৰা, যেনে সৰ্ব্বজ্ঞত্বাদি বাক্যাৰ্থ ঈশ্বৰৰ আৰু অল্পজ্ঞত্বাদি বাক্যাৰ্থ জীৱৰ এৰি চেতন মাত্ৰ লক্ষ্যাৰ্থ গ্ৰহণ কৰিলে অদ্বৈত প্ৰতিপাদন হয়। এতিয়া ইয়াত আপোনাৰ বক্তব্য কি?

উত্তৰ ঃ—প্ৰথমতঃ আপুনি জীৱ আৰু ঈশ্বৰক নিত্য বুলি মানে নে অনিত্য বুলি?

প্ৰশ্ন ঃ—এই দুয়োকেই, উপাধিজন্য কল্পিত হোৱা বাবে অনিত্য বুলি ভাবোঁ।

উত্তৰ—সেই উপাধি নিত্য নে অনিত্য?

প্ৰশ্ন—আমাৰ মতে ঃ—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

জীবেশৌ চ বিশুদ্ধাচিদ্বিভেদস্তু তয়োৰ্দ্বয়োঃ।
অবিদ্যা তচ্চিতোৰ্যোগঃ ষড়স্মাকমনাদয়ঃ। ১॥
কাৰ্য্যোপাধিৰয়ং জীবঃ কাৰণোপাধিৰীশ্বৰঃ।
কাৰ্য্যকাৰণতাং হিত্বা পূৰ্ণবোধোঽৱশিষ্যতে। ২॥

এইয়া 'সংক্ষেপ শাৰীৰক" আৰু "শাৰীৰক ভাষ্যৰ" কাৰিকা। আমি বেদান্তী। আমি ছয় পদাৰ্থ (অৰ্থাৎ জীব, ঈশ্বৰ, ব্ৰহ্ম, জীৱ আৰু ঈশ্বৰৰ বিশেষ ভেদ, অজ্ঞান, আৰু অবিদ্যা) আৰু চেতনৰ যোগ এই সকলোকে অনাদি বুলি মানো। কিন্তু এক ব্ৰহ্মহে অনাদি আৰু অনন্ত, বাকী পাঁচোটা অনাদি সান্ত, যেনে প্ৰাগভাব। যিমান দিন অজ্ঞানতা থাকে সিমান দিন পৰ্য্যন্ত এই পাঁচোটা থাকে, আৰু এই পাঁচোটাৰ আদি বিদিত নহয়, এই কাৰণেই অনাদি। জ্ঞান হোৱাৰ পাছত ই নষ্ট হৈ যায়, গতিকে এই পাঁচোটাক সান্ত অৰ্থাৎ বিনাশশীল বোলে।

উত্তৰঃ—আপোনালোকৰ এই শ্লোক দুয়োটাই অশুদ্ধ। কাৰণ অবিদ্যাৰ বিনা যোগে জীব, আৰু মায়াৰ বিনা যোগে ঈশ্বৰ আপোনালোকৰ মতে সিদ্ধ হব নোৱাৰে। গতিকে "**তচ্চিতোৰ্যোগঃ**" এই ষষ্ঠ পদাৰ্থ আপোনালোকে গণনা কৰিছে, সি নেথাকিল। কাৰণ সেই অবিদ্যা আৰু মায়া, জীব আৰু ঈশ্বৰ চৰিতাৰ্থ হৈ গ'ল। আকৌ ব্ৰহ্ম আৰু মায়া বা অবিদ্যাৰ যোগ নহলে ঈশ্বৰ সিদ্ধ হব নোৱাৰে। গতিকে ঈশ্বৰক অবিদ্যা আৰু ব্ৰহ্মৰ পৰা পৃথক বুলি গণনা কৰা বৃথা। গতিকে আপোনালোকৰ মতানুসাৰে কেৱল মাত্ৰ দুই পদাৰ্থ অৰ্থাৎ ব্ৰহ্ম আৰু অবিদ্য' সিদ্ধ হব পাৰে, ছয়টা নহয়। গতিকে আপোনালোকৰ মত অনুসাৰে কেৱলমাত্ৰ দুই পদাৰ্থ অৰ্থাৎ ব্ৰহ্ম আৰু অবিদ্যাহে প্ৰতিপাদন হব পাৰে, ছয়টা নহয়। আৰু অনন্ত, নিত্য, শুদ্ধ, বুদ্ধ, মুক্ত স্বভাৱ আৰু সৰ্ব্বব্যাপক ব্ৰহ্মত অজ্ঞান প্ৰতিপাদন হলেই আপোনালোকৰ কাৰ্য্যোপাধি আৰু কাৰণোপাধিৰ পৰা জীৱ আৰু ঈশ্বৰ সিদ্ধ হব পাৰে।

যদি তেওঁৰ (ব্ৰহ্মৰ) এক দেশৰ স্বাশ্ৰয় আৰু স্ববিষয়ত অজ্ঞান অনাদি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সর্বত্র স্বীকাৰ কৰে, তেনেহলে সমস্ত ব্ৰহ্ম শুদ্ধ হব নোৱাৰে। আৰু এক দেশত অজ্ঞান মানিলে. পৰিচ্ছিন্ন হোৱাত ইতস্ততঃ যাতায়াত কৰিব। তেতিয়া যি যি স্থানলৈ যাব, সেই সেই স্থানৰ ব্ৰহ্ম অজ্ঞানী আৰু যি যি স্থান এৰিব সেই সেই স্থানৰ ব্ৰহ্ম জ্ঞানী হৈ হৈ যাব। গতিকে কোনো স্থানৰ ব্ৰহ্মকেই অনাদি, শুদ্ধ আৰু জ্ঞানী বুলিব নোৱাৰিব। আৰু যি ব্ৰহ্ম অজ্ঞানৰ সীমাত থাকিব তেওঁ অজ্ঞানকেহে জানিব। তেওঁৰ বাহিৰৰ ব্ৰহ্ম আৰু ভিতৰৰ ব্ৰহ্ম খণ্ড খণ্ড হৈ যাব। খণ্ড খণ্ড বা ভাগ ভাগ হলে ব্ৰহ্মৰ একো ক্ষতি নাই বুলি যদি কয়, তেন্তে ব্ৰহ্ম অখণ্ড হৈ নেথাকিব। আৰু যদি অখণ্ড বুলি কয় তেতিয়া অজ্ঞানী হব নোৱাৰে। আকৌ জ্ঞানৰ অভাৱ বা বিপৰীত জ্ঞানো গুণ, গুণ সদায় দ্ৰব্যৰ লগত নিত্য সম্বন্ধ কৰি থাকে। যদি সেয়েই হয়, তেন্তে সমবায় সম্বন্ধ হয়, সমবায় সম্বন্ধ হলে কেতিয়াও অনিত্য হব নোৱাৰে। যেনেকৈ শৰীৰৰ এক দেশত ব্ৰণ অৰ্থাৎ ফোড়া হলে তাৰ বিষ বেদনা সৰ্ব্বশৰীৰত বিয়পে। সেইদৰেই ব্ৰহ্মৰ একদেশত অজ্ঞান, সুখ-দুখ আদিৰ উপলব্ধি হলে, সমস্ত ব্ৰহ্মৰেই সুখ-দুখাদি অনুভৱ হব। যদি কাৰ্যোপাধি অৰ্থাৎ অন্তঃকৰণৰ উপাধিৰ যোগত ব্ৰহ্মক জীৱ বুলি মানে তেনেহলে সুধিব খোজো—আপোনালোকৰ মতে ব্ৰহ্ম ব্যাপক নে পৰিচ্ছিন্ন? যদি কয় ব্ৰহ্ম ব্যাপক আৰু উপাধি পৰিচ্ছিন্ন, অৰ্থাৎ একদেশী আৰু পৃথক পৃথক তেনেহলে অন্তঃকৰণ গতিশীল নে স্থিতিশীল?

বেদান্তী—গতিশীল।

স্বামীজী—অন্তঃকৰণৰ লগত ব্ৰহ্ময়ো গতি কৰে, নে স্থিৰ থাকে?

বেদান্তী—স্থিৰ থাকে।

স্বামীজী—তেনেহলে অন্তঃকৰণে যি যি স্থান ত্যাগ কৰে সেই সেই স্থানৰ ব্ৰহ্মৰ অজ্ঞানতা দূৰ হব আৰু যি যি স্থানলৈ যায় সেই সেই স্থানৰ শুদ্ধ ব্ৰহ্ম অজ্ঞান হৈ হৈ যাব। ব্ৰহ্ম এইদৰে ক্ষণে ক্ষণে জ্ঞানী আৰু ক্ষণে ক্ষণে অজ্ঞানী হব পাৰে নেকি? মোক্ষবন্ধনো ক্ষণস্থায়ী নেকি? আৰু যেনেকৈ এজনে যি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দেখে তাক অন্য এজনে স্মৰণ কৰিব নোৱাৰে, সেইদৰেই অতীতৰ দে... বা শুনা বস্তু বা বিষয়ৰ জ্ঞান থাকিব নোৱাৰে। কাৰণ যি সময়... দৰ্শন বা শ্ৰৱণ হৈছিল, সেইটো অন্য দেশ বা অন্য কাল আৰু ... সময়ত তাৰ স্মৰণ কৰা হয়, সেইটো অন্য দেশ বা অন্য কাল।

যদি আপুনি কয় যে, ব্ৰহ্ম এক, তেন্তে ব্ৰহ্ম সৰ্ব্বজ্ঞ নহব কিয়... অন্তঃকৰণ ভিন্ন হলে ব্ৰহ্মও ভিন্ন ভিন্ন হৈ পৰে, তেনেহলে ব্ৰহ্ম জড় বা... জড় বস্তুৰ জ্ঞান হব নোৱাৰে। আৰু যদি আপুনি কয় যে, কেৱ... ব্ৰহ্মাৰ বা কেৱল অন্তঃকৰণৰ জ্ঞান নহয়, অন্তঃকৰণস্থ চিদাভাসৰহে জ্ঞা... হয়, তেনেহলে অন্তঃকৰণৰ দ্বাৰাই চেতনৰহে জ্ঞান হয়, সেয়ে হলে নে... দ্বাৰাই অল্প অল্পজ্ঞ হব কেলেই? গতিকে কাৰণোপাধি আৰু কাৰ্য্যোপা... যোগ দি ব্ৰহ্ম, জীৱ, আৰু ঈশ্বৰৰ প্ৰমাণ কৰিব পৰা নেযায়। ঈশ্ব... ব্ৰহ্মাৰেই নাম, আৰু জীৱ ব্ৰহ্মাৰ ভিন্ন, যি অনাদি, অনুৎপন্ন আৰু অ... স্বৰূপ অৰ্থাৎ অমৰ। আৰু যদি কয় যে, চিদাভাসৰেই নাম জী... তেতিয়া হলে ক্ষণভঙ্গুৰ হয়, গতিকে বিনাশশীল হৈ নষ্ট হৈ যাব... তেতিয়া মোক্ষ কাৰ হব বা কোনে মোক্ষ সুখ ভোগ কৰিব? গতি... ব্ৰহ্ম কেতিয়াও জীৱ আৰু জীৱ কেতিয়াও ব্ৰহ্ম হব নোৱাৰে।

প্ৰশ্ন ঃ—তেনেহলে, "সদেৱ সোম্যেদমগ্ৰ আসীদেকমেবাদ্বিতীয়ম্"... ছান্দোগ্যৰ এই ৱাক্য মতে অদ্বৈতৰ প্ৰমাণ কেনেকৈ হয়? আ... মতে হলে সজাতীয়, বিজাতীয় আৰু স্বগত অবয়ব বোৰৰ, ব্ৰ... পৰা কোনো ভেদ নথকাত এক ব্ৰহ্মাই প্ৰমাণ হয়। জীৱ ব্ৰ... ভিন্ন হলে অদ্বৈতৰ সিদ্ধি বা প্ৰমাণ কেনেকৈ হব?

উত্তৰ ঃ—এই ভ্ৰমত পৰি বিবুদ্ধি হৈছে কিয়। ব্যাকৰণৰ বিশে... বিশেষণৰ দৃষ্টিৰে বিবেচনা কৰিলে অৰ্থ কি হয়? আপুনি যদি কয়... **"ব্যাবৰ্ত্তকং বিশেষণং ভবতীতি"** বিশেষণ ভেদ কাৰক হয়, আৰু "প্ৰ... **ৰ্ত্তকং প্ৰকাশকমপি বিশেষণং ভবতীতি"** বিশেষণ প্ৰবৰ্ত্তক আৰু প্ৰকা... **শকো হয়, ইয়াকো স্বীকাৰ কৰিব লাগিব।** তেতিয়া বুজিব লাগিব 'অদ্বি...

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিশেষণ ব্ৰহ্মৰ। ইয়াত ব্যাবৰ্ত্তক ধৰ্ম্ম হৈছে যে অদ্বৈত বস্তু ব্ৰহ্মক অনেক জীৱ আৰু তত্ত্বৰ পৰা পৃথক কৰিছে আৰু বিশেষণৰ প্ৰকাশক ধৰ্ম্মৰ দ্বাৰাই ব্ৰহ্মৰ একত্ব প্ৰতিপাদন কৰিছে। ইয়াৰ উদাহৰণ স্বৰূপে "অস্মিন্নগৰেঽদ্বিতীয়ো ধনাঢ্যো দেবদত্তঃ। অস্যাং সেনায়ামদ্বিতীয়ঃ শূৰবীৰো বিক্ৰমসিংহঃ। এজনে এজনক কলে "এই নগৰত দেবদত্ত অদ্বিতীয় ধনাঢ্য আৰু বিক্ৰমসিংহ এই সেনাৰ ভিতৰত অদ্বিতীয় শূৰবীৰ"। ইয়াৰ দ্বাৰাই এয়ে বুজায় যে, এই নগৰত দেবদত্তৰ সমান অন্য ধনাঢ্য আৰু এই সেনাৰ ভিতৰত বিক্ৰমসিংহৰ সমান শূৰবীৰ দ্বিতীয় কোনো নাই, তেওঁলোকতকৈ কম অৱশ্যে আছে। ইয়াৰ উপৰিও পৃথিবী আদি নানা জড় বস্তু পশু আদি নানাবিধ প্ৰাণী আৰু ব্ৰহ্মাদিও আছে। এইবোৰ নিষেধ অৰ্থাৎ নথকা নুবুজায়। সেই দৰেই ব্ৰহ্মৰ সমান জীৱ বা প্ৰকৃতি নহয়, কিন্তু ব্ৰহ্মতকৈ নিকৃষ্ট। ইয়াৰ পৰা এয়েই প্ৰমাণ হয় যে ব্ৰহ্ম সদায় এক, জীৱ আৰু প্ৰকৃতিস্থ তত্ত্ব অনেক। অদ্বৈত বা অদ্বিতীয় বিশেষণ ব্ৰহ্মৰ, যি জীৱ আৰু প্ৰাকৃতিক তত্ত্ববোৰৰ পৰা পৃথক কৰি প্ৰতিপাদন কৰিছে। ইয়াৰ দ্বাৰাই জীৱ, প্ৰকৃতি আৰু কাৰ্য্যৰূপ জগতৰ অভাৱ বা নিষেধ নুবুজায় এইবোৰ আছে আমি দেখিছো কিন্তু ব্ৰহ্ম এই সকলোৰে ভিতৰত অদ্বিতীয় অৰ্থাৎ যাৰ সমান আৰু কোনো নাই। ইয়াৰ দ্বাৰাই অদ্বৈত আৰু দ্বৈত প্ৰতিপাদনত ব্যাঘাত নহয়। হতবুদ্ধি নহৈ চিন্তা কৰিলেই বুজিব পাৰিব।

প্ৰশ্ন ঃ—ব্ৰহ্মৰ সৎ, চিৎ আৰু আনন্দ, আৰু জীৱ অস্তি, জাতি, আৰু প্ৰিয়ৰূপৰ দ্বাৰাই একত্ব হয়। তেন্তে আপুনি তাৰ খণ্ডন অৰ্থাৎ প্ৰতিবাদ কৰিছে কিয় ?

উত্তৰ ঃ—মাত্ৰ কিঞ্চিৎ সাধৰ্ম্ম্য থাকিলেই একত্ব হব নোৱাৰে। যেনে পৃথিবী জড় আৰু দৃশ্যমান। সেই দৰেই জল আৰু অগ্নি আদিও জড় আৰু দৃশ্যমান। ইয়াৰ দ্বাৰাই পৃথিবী, জল আৰু অগ্নিৰ একত্ব প্ৰমাণিত নহয়। এইবোৰৰ ভিতৰত বৈধৰ্ম্ম্য, অৰ্থাৎ বিৰুদ্ধ ধৰ্ম্ম, যি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ইটো সিটোৰ বিপৰীত গুণ আছে। যেনে গন্ধ, ৰুক্ষতা, আৰু কঠিনত্ব আদি পৃথিবীৰ গুণ। ৰস, দ্ৰবত্ব, আৰু কোমলত্ব, আদি জলৰ গুণ। ৰূপ, তপ্ততা, দাহকত্ব আদি অগ্নিৰ গুণ বা ধৰ্ম্ম। এইবোৰৰ ভিতৰত একত্ব নাই পৰস্পৰ ভিন্ন। মানুহে কীট আদিও চকুৰে দেখে, মুখেৰে খায়, পদেৰে যাতায়াত কৰে; তথাপি মনুষ্য আকৃতিত পদ দুটাহে আৰু কীটৰ অনেক পদৰ ভেদ থকাত মানুহ আৰু কীটৰ একত্ব নাই। সেই দৰেই পৰমব্ৰহ্মৰ অনন্তজ্ঞান, আনন্দ, বল, ক্ৰিয়া, অভ্ৰান্তত্ব, আৰু ব্যাপকতা জীৱৰ অল্পজ্ঞান, অল্পবল, অল্পস্বৰূপ, ভ্ৰান্তি আৰু পৰিচ্ছিন্নতা আদি গুণ হোৱাত ব্ৰহ্ম আৰু জীৱৰ ভিন্নতা প্ৰমাণ হয়। গতিকে জীৱ আৰু ঈশ্বৰ একে নহয়, দুয়োৰো স্বৰূপো ভিন্ন, পৰমেশ্বৰ অতি সূক্ষ্ম, আৰু জীৱ পৰমেশ্বৰতকৈ স্থূল।

প্ৰশ্ন ঃ—অথোদৰমন্তৰং কুৰুতে। অথ তস্য ভয়ং ভবতি। দ্বিতীয়াদ্বৈ ভয়ং ভবতি ॥

এইটো বৃহদাৰণ্যকৰ বচন। যি ব্ৰহ্ম আৰু জীৱৰ ভিতৰত অণু-মাত্ৰও ভেদ জ্ঞান কৰে, তেওঁ ভয় অনুভৱ কৰে। কাৰণ ভয় অন্যৰ পৰাহে হয়।

উত্তৰ ঃ—ইয়াৰ অৰ্থ এনেকুৱা নহয়, ইয়াৰ বিপৰীতহে। অৰ্থাৎ যি জীৱই ঈশ্বৰৰ অস্তিত্ব অস্বীকাৰ কৰে, বা পৰমাত্মাক কোনো দেশ বা কালত পৰিচ্ছিন্ন বুলি ভাবে, অথবা পৰমেশ্বৰৰ প্ৰেৰণা গুণ, কৰ্ম্ম স্বভাৱৰ বিৰুদ্ধাচৰণ কৰে আৰু যদি কোনো মনুষ্যৰ প্ৰতি বৈৰভাবাপন্ন হয়, সিহে ভয়ভীত হয় কাৰণ দ্বিতীয় বুদ্ধি অৰ্থাৎ ঈশ্বৰৰ লগত মোৰ কোনো সম্বন্ধ নাই, এনে-কুৱা ভাব হলে, আৰু যদি কাৰোবাক কয় "মই তোমাক গণ্য নকৰো, তুমি মোক একো কৰিব নোৱাৰা" অথবা কাৰোবাৰ ক্ষতি কৰে, বা কষ্ট দিয়ে তেতিয়া সেই ব্যক্তিৰ পৰাই তেওঁৰ ভয়ৰ কাৰণ হয়। আৰু সকলো প্ৰকাৰে অবিৰুদ্ধ হলেই এক বোলা হয়। যেনেকৈ মানুহে কয় "দেবদত্ত, যজ্ঞদত্ত আৰু বিষ্ণুমিত্ৰ এক অৰ্থাৎ পৰস্পৰ অবিৰুদ্ধ। বিৰো

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নেথাকিলেই সুখ শান্তি আৰু বিৰোধ থাকিলেই দুখ অশান্তি ঘটে।

প্ৰশ্ন— ব্ৰহ্ম আৰু জীৱ এক নে বেলেগ বেলেগ ? যদি বেলেগ, তেন্তে দুয়ো মিলি কেতিয়াবা এক হয়. নে নহয় ?

উত্তৰ—অলপ আগতে ইয়াৰ কিছু উত্তৰ দিয়া হৈছে। সাধৰ্ম্ম্য অন্বয়ভাৱত একতা হয়। যেনেকৈ আকাশ আৰু মূৰ্ত্তিদ্ৰব্যত সাধাৰণ ধৰ্ম্ম জড়ত্ব থকা বাবে আৰু মূৰ্ত্তদ্ৰব্যবোৰ সদায় আকাশতে থাকে কাৰণে এই উভয়ৰ একতা আছে। আনহাতে আকাশত থকা বিভুত্ব, সূক্ষ্মত্ব, ৰূপহীনতা, অনন্তত্ব আদি মূৰ্ত্তদ্ৰব্যত নাই, বৰং তাৰ বিপৰীত গুণ পৰিচ্ছিন্নত্ব, দৃশ্যত্ব, আদিহে আছে; সেয়ে এনেবোৰ বৈধৰ্ম্ম্যৰ বাবে ইহঁত বেলেগ বেলেগ। সকলো মূৰ্ত্ত দ্ৰব্যৰ আকাশত অৱস্থিতি। ইয়াকেই অন্বয় বোলে, যিহেতু আকাশ বিনা স্থান নাই। কিন্তু স্বৰূপত ভিন্ন হোৱাৰ কাৰণে ব্যতিৰেক। এইদৰেই ব্ৰহ্ম ব্যাপক হোৱাৰ কাৰণে জীৱ আৰু পৃথিবী আদি সকলো দ্ৰব্য ব্ৰহ্মৰ পৰা পৃথক্ হব নোৱাৰে আৰু স্বৰূপত একেও নহয়। যেনেকৈ গৃহ নিৰ্ম্মাণ হোৱাৰ আগতে ভিন্ন ভিন্ন দেশৰ বা স্থানৰ মাটি কাঠ, লো আদি পদাৰ্থ আকাশতেই থাকে, নিৰ্ম্মিত গৃহও আকাশতেই থাকে, যেতিয়া গৃহ নষ্ট হয় অৰ্থাৎ ভাগি ছিগি ভিন্ন ভিন্ন ভূত বা অৱস্থালৈ পৰিৱৰ্ত্তন হয় তেতিয়াও আকাশতেই থাকে। তিনিও কালত আকশতেই থাকে, কিন্তু স্বৰূপত গৃহ আকাশৰ পৰা ভিন্ন হোৱাত কেতিয়াও একে নাছিল আৰু হবও নোৱাৰে। এইদৰেই পৰমেশ্বৰ ব্যাপক হোৱাত জীৱ আৰু সংসাৰৰ সকলো পদাৰ্থ পৰমেশ্বৰত ব্যাপ্য হৈ আছে। ব্যাপকৰ পৰা ব্যাপ্য ভিন্ন আৰু স্বৰূপো ভিন্ন হোৱাত একে নহয়। আজি কালি বেদান্তী সকলৰ দৃষ্টিৰে কেৱল অন্বয়ৰ দিক্হে দেখে, ব্যতিৰেকৰ দৃষ্টি একেবাৰেই হেৰুৱাই পেলাইছে। এনেকুৱা বস্তু একো নাই যাৰ সগুণ নিৰ্গুণতা, অন্বয় ব্যতিৰেক, সাধৰ্ম্ম্য বৈধৰ্ম্ম্য আৰু বিশেষ্য বিশেষণৰ ভাৱ নাই।

প্ৰশ্ন—পৰমেশ্বৰ সগুণ নে নিৰ্গুণ ?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ – উভয়; অৰ্থাৎ সগুণ আৰু নিগু´ণ।

প্ৰশ্ন – সেয়ে যদি হয় দুখন তৰোৱাল একেটা খাপত কেনেকৈ থাকে ? একেটা পদাৰ্থতে সগুণতা আৰু নিগু´ণতা কেনেকৈ থকা সম্ভৱ ?

উত্তৰ—যেনেকৈ জড় বস্তুত ৰূপ আদি আছে, চেতনৰ দৰে জ্ঞান আদি গুণ জড় পদাৰ্থত নাই, সেইদৰেই চেতনৰ ইচ্ছা আদি গুণ আছে, কিন্তু জড়ৰ দৰে ৰূপ আদি গুণ চেতনত নাই। গতিকে— "যদ্ গুণৈঃ সহ বৰ্ত্তমানং তৎ সগুণম্." "গুণেভ্যো যন্নিৰ্গতং পৃথক্ ভূতং তন্নিগু´ণম্"—অৰ্থাৎ যি গুণ বিশিষ্ট সি সগুণ আৰু যি গুণ-বিহীন তাক নিগু´ণ বোলে। নিজৰ নিজৰ স্বাভাৱিক গুণযুক্ত আৰু অন্য বিৰোধী বা বিপৰীত গুণ ৰহিত হোৱাৰ কাৰণে সকলো পদাৰ্থই সগুণ আৰু নিগু´ণ। কেৱল সগুণত্ব বা কেৱল নিগু´ণত্ব বিশিষ্ট কোনো পদাৰ্থ নাই। বৰং একেটা পদাৰ্থতেই সগুণত্ব আৰু নিগু´ণত্ব সদায় আছে। সেইদৰেই পৰমেশ্বৰৰ স্বীয় অনন্ত জ্ঞান, বল ইত্যাদি গুণ থকাৰ কাৰণে সগুণ, কিন্তু ৰূপ আদি জড়ৰ গুণ, আৰু ৰাগ, দ্বেষ আদি জীৱৰ গুণ নথকাত তেওঁক নিগু´ণ বুলি কোৱা হয়।

প্ৰশ্ন—সংসাৰত নিৰাকাৰক নিগু´ণ আৰু সাকাৰক সগুণ বোলে নে? অৰ্থাৎ পৰমেশ্বৰে যেতিয়া জন্মগ্ৰহণ নকৰে তেতিয়া নিগু´ণ, আৰু যেতিয়া অৱতাৰ ৰূপত অৱতীৰ্ণ হয় তেতিয়া তেওঁক সগুণ বোলা নহয় জানো!

উত্তৰ—এইবোৰ কেৱল অজ্ঞানী আৰু অল্পজ্ঞ সকলৰ কল্পনা মাত্ৰ। মূৰ্খ সকলে সন্নিপাত জ্বৰত পীড়িতৰ দৰে প্ৰলাপ বকে, তেনেবোৰ লিখা বা কোৱা জ্ঞানী সকলে নিৰৰ্থক বুলি বিবেচনা কৰে।

প্ৰশ্ন—পৰমেশ্বৰ আসক্ত নে নিৰাসক্ত ?

উত্তৰ—এই দুটাৰ এটাও নহয়। কাৰণ নিজতকৈ শ্ৰেষ্ঠ কোনো ভিন্ন বস্তুৰ প্ৰতিহে আসক্তি হয়। পৰমেশ্বৰৰ পৰা বিচ্ছিন্ন বা পৰমেশ্বৰৰ অপ্ৰাপ্ত আৰু পৰমেশ্বৰতকৈ শ্ৰেষ্ঠ পদাৰ্থ হবই নোৱাৰে। গতিকে সেই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পৰম পুৰুষৰ আসক্তি থকা সম্ভৱ নহয়। প্ৰাপ্ত বস্তুৰ প্ৰতি বিতৃষ্ণা বা পৰিত্যাগ কৰাক বিৰাগ বোলে। পৰমেশ্বৰ যিহেতু সৰ্ব্বব্যাপক, কোনো বস্তু ভাল নোপোৱাৰ বা ত্যাগ কৰাৰো সম্ভৱ নহয়। গতিকে পৰমেশ্বৰ বিৰাগীও নহয়।

প্ৰশ্ন—পৰমেশ্বৰৰ ইচ্ছা আছে নে নাই ?

উত্তৰ—তথাকথিত ইচ্ছা নাই। কাৰণ, যি বস্তুৰ প্ৰাপ্তিত ৰিশেষ সুখ হব পাৰে, তেনেকুৱা অপ্ৰাপ্ত উত্তম বস্তুৰ কাৰণে ইচ্ছা হয়। ঈশ্বৰৰ বিষয়ে তেনে সম্ভাৱনা থকা হলে, ইচ্ছা থকাৰো সম্ভৱ হলহেতেন, কিন্তু ঈশ্বৰৰ কোনো বস্তু অপ্ৰাপ্ত নাই, আৰু ঈশ্বৰতকৈ উত্তম আৰু পৰম সুখজনক কোনো পদাৰ্থই নাই, তেনেস্থলত ঈশ্বৰৰ সুখৰ অভিলাষ কেনেকৈ থাকিব ? গতিকে তেওঁৰ ইচ্ছা থকাৰো সম্ভৱ নহয়। কিন্তু সকলো প্ৰকাৰৰ বিদ্যাৰ দৰ্শন আৰু সৃষ্টিৰ ৰচনাক ঈক্ষণ বোলে, সেই ঈক্ষণেই তেওঁৰ আছে।

এইবোৰ বিষয় সংক্ষেপতে আলোচনা কৰা হ'ল। সৎপুৰুষে ইয়াৰ পৰাই ৰিস্তাৰিত বিবেচনা কৰিব পাৰিব।

ঈশ্বৰৰ বিষয়ে সংক্ষেপত ইমানলৈকে লিখি, ইয়াৰ পাছত বেদৰ বিষয়ে লিখা হব :—

যস্মাদৃচো অপাতক্ষন্ যজুৰ্যস্মাদপাকষন্।
সামানি যস্য লোমান্যথৰ্বাঙ্গিৰসো মুখম্।
স্কম্ভন্তং ব্ৰূহি কতমঃ স্বিদেৱ সঃ ॥

অথৰ্ব্ব ০ কা০ ১০। প্ৰপা০ ২৩। অনু ০ ম০ ২০ ॥

য'ৰ পৰা ঋগ্বেদ, যজুৰ্ব্বেদ, সামবেদ আৰু অথৰ্ব্ববেদ প্ৰকাশিত হৈছে, তেওঁ কোন, কোন দেৱতা ? ইয়াৰ উত্তৰ এয়ে যে যি সকলো সৃষ্টি কৰি ধাৰণ কৰি আছে, তেওঁ পৰমাত্মা।

স্বয়ম্ভূৰ্যথাতথ্যতোহৰ্থান ব্যদধাচ্ছাশ্বতীভ্যঃ সমাভ্যঃ ॥

যজু ০ অ০ ৪। ম০ ৮ ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যি স্বয়ম্ভূ, সৰ্ববব্যাপক, শুদ্ধ, সনাতন, নিৰাকাৰ পৰমেশ্বৰ, তেওঁ সনাতন জীবৰূপী প্ৰজাসকলৰ কল্যাণৰ অৰ্থে, (আৰু) যথাবৎ ৰীতি অনুসাৰে বেদৰ দ্বাৰাই সকলো বিদ্যাৰ প্ৰকাশ অৰ্থাৎ উপদেশ কৰে।

প্ৰশ্ন—আপুনি পৰমেশ্বৰক নিৰাকাৰ বুলি মানে নে সাকাৰ বুলি?

উত্তৰঃ—নিৰাকাৰ বুলি মানো।

প্ৰশ্নঃ—তেনেহলে মুখ আদি অবয়ৱহীন নিৰাকাৰ পৰমেশ্বৰে কেনেকৈ বৰ্ণ উচ্চাৰণ কৰি বেদ বিদ্যাৰ উপদেশ কৰে? জিহ্বাৰ প্ৰয়ত্ন আৰু তালু আদি স্থান বিশেষতহে বৰ্ণ বিশেষৰ উচ্চাৰণ হব পাৰে।

উত্তৰঃ—পৰমেশ্বৰ সৰ্ববশক্তিমান্ আৰু সৰ্ববব্যাপক গুণে নিজৰ ব্যাপ্তিৰ দ্বাৰাই জীৱ সকলক জ্ঞান বিদ্যাৰ উপদেশ দিয়াত তেওঁৰ মুখ আদিৰ আৱশ্যক নকৰে। কাৰণ, নিজৰ কাৰণে মুখ জিহ্বা আদিৰে বৰ্ণ উচ্চাৰণ কৰাৰ প্ৰয়োজন নাই, আনক জনাবৰ কাৰণেহে প্ৰয়োজন। মুখ জিহ্বাৰে কাম নকৰাকৈও মনে মনে অনেক বিষয়ৰ বিবেচনা আৰু শব্দৰ উচ্চাৰণ হৈ থাকে। আঙুলিৰে কৰ্ণৰন্ধ্ৰ বন্ধ কৰি চাওক, আৰু শুনক, মুখ জিহ্বা আৰু তালু আদিয়ে কাম নকৰাকৈয়ে অনবৰত শব্দ হবই লাগিছে। সেই দৰেই ঈশ্বৰে অন্তৰ্য্যামীৰূপে জীৱক উপদেশ দি আহিছে। কেৱল আনক বুজাবৰ কাৰণেহে উচ্চাৰণৰ প্ৰয়োজন হয়। নিৰাকাৰ সৰ্ববব্যাপক পৰমেশ্বৰ জীৱস্থ স্বৰূপে জীৱাত্মাতেই নিজৰ সকলো বেদ বিদ্যাৰ উপদেশ প্ৰকাশ কৰে। পুনঃ তাকেই মানুহে নিজৰ নিজৰ মুখেৰে উচ্চাৰণ কৰি আনক শুনায়। গতিকে নিৰাকাৰ ঈশ্বৰে জ্ঞান বিদ্যাৰ উপদেশ দিয়াত আপোনাৰ সংশয় থাকিব নোৱাৰে।

প্ৰশ্নঃ—ঈশ্বৰে কেতিয়া আৰু কাৰ আত্মাত বেদৰ প্ৰকাশ কৰিছিল?

উত্তৰঃ—অগ্নেঋ্ৰ্গ্বেদো ৰায়োৰ্যজুৰ্বেদঃ সূৰ্য্যাৎ সামবেদঃ॥

শত • (১১।৪।২।৩)॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পৰমাত্মাই প্ৰথম সৃষ্টিৰ আদিতে অগ্নিৰ পৰা ঋগবেদ বায়ুৰ পৰা যজুৰ্ব্বেদ, সূৰ্য্যৰ পৰা সামবেদ প্ৰকাশ কৰে আৰু অঙ্গিৰাৰ পৰা অথৰ্ব্ব বেদ প্ৰকাশ কৰে।

প্ৰশ্ন—যো বৈ ব্ৰহ্মাণং বিদধাতি পূৰ্ব্বং যো বৈ বেদাংশ্চ প্ৰহিণোতি তস্মৈ॥ (শ্বেতাশ্ব০ অ০ ৩। ম০ ১৮)

এই উপনিষদৰ বচন অনুসাৰে পৰমেশ্বৰে প্ৰথম ব্ৰহ্মাৰ হৃদয়ত বেদৰ উপদেশ দিছিল, তেনেহলে আকৌ অগ্নি আদি ঋষি সকলৰ আত্মাত তাকেই প্ৰকাশ কৰিলে কিয় ?

উত্তৰঃ—ব্ৰহ্মাৰ আত্মাত অগ্নি আদিৰ দ্বাৰাই বেদ প্ৰকাশ কৰিছিল। মনু স্মৃতিত কি লিখিছে শুনক।

অগ্নিবায়ুৰবিভ্যস্তু ত্ৰয়ং ব্ৰহ্ম সনাতনম্।
দুদোহ যজ্ঞসিদ্ধ্যৰ্থমৃগ্‌ যজুঃ সামলক্ষণম্॥ মনু০ (১। ২৮)॥

মনুষ্য সৃষ্টিৰ আদিতে পৰমাত্মাই অগ্নি আদি চাৰি ঋষিৰ দ্বাৰাই ব্ৰহ্মাক চাৰি বেদৰ শিক্ষা দিছিল। অগ্নি, বায়ু, আদিত্য আৰু অঙ্গিৰাৰ পৰা ব্ৰহ্মাই ঋক্, যজুঃ, সাম, অথৰ্ব্ব এই চাৰি বেদৰ জ্ঞান পাইছিল।

প্ৰশ্নঃ—এই চাৰিজনৰ অন্তৰতেই জ্ঞান প্ৰকাশ কৰিছিল, অন্য সকলৰ অন্তৰত কৰা নাই যেতিয়া, ঈশ্বৰ পক্ষপাতী নহ'লনে ?

উত্তৰঃ—এই চাৰিজনেই সকলো জীৱৰ ভিতৰত সকলোতকৈ পবিত্ৰ আছিল, তেওঁলোকৰ দৰে অন্য কোনো নাছিল। গতিকেই তেওঁলোকৰ অন্তৰত সত্য জ্ঞানৰ বিকাশ হৈছিল।

প্ৰশ্নঃ—অন্যান্য ভাষাত বেদ প্ৰকাশ নকৰি কেৱল সংস্কৃত ভাষাতেই বেদ ৰচনা কৰিলে কিয় ?

উত্তৰঃ—কোনো দেশীয় ভাষাত প্ৰকাশ কৰিলেই ঈশ্বৰ পক্ষপাতী হলহেঁতেন। কাৰণ যি দেশৰ ভাষাত প্ৰকাশ কৰিলেহেঁতেন সেই দেশৰ অধিবাসী সকলৰ বেদৰ অধ্যয়ন আৰু অধ্যাপনা সহজ হলহেঁতেন আৰু অন্যান্য দেশৰ বাবে কঠিন হলহেঁতেন। এই বিবেচনাতেই সংস্কৃত ভাষাত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰকাশ কৰে। সংস্কৃত কোনো দেশৰ কথিত ভাষা নহয়। আৰু বেদ ভাষাই অন্য সকলো ভাষা'ৰ মূল। সেই ভাষাতেই বেদৰ প্ৰকাশ কৰা হৈছে। যেনেকৈ ঈশ্বৰৰ সৃষ্টি পৃথিবী আদি সকলোদেশ আৰু দেশ-বাসীৰ কাৰণে একে আৰু সকলো শিল্প বিদ্যাৰ মূল, সেই পৰমেশ্বৰৰ বিদ্যাৰ ভাষাও একে হোৱাই উচিত; যাৰ অধ্যয়নত সকলো দেশৰ লোকৰ সমান পৰিশ্ৰম হব। গতিকে ঈশ্বৰ পক্ষপাতী নহয় আৰু সংস্কৃত সকলো ভাষাৰ মূলো।

প্ৰশ্ন—বেদ যে ঐশ্বৰিক প্ৰকাশ, অন্যৰ নহয়, এই বিষয়ে প্ৰমাণ কি ?

উত্তৰ—যেনেকৈ ঈশ্বৰ পবিত্ৰ, সৰ্ব্ববিদ্যাবিদ শুদ্ধ গুণ কৰ্ম্ম স্বভাব বিশিষ্ট, ন্যায়কাৰী দয়ালু আৰু অন্যান্য গুণ সম্পন্ন, যি শাস্ত্ৰ তেনেকুৱা ঈশ্বৰৰ গুণ, কৰ্ম্ম স্বভাৱৰ অনুকূল সেই শাস্ত্ৰ ঈশ্বৰৰ বাহিৰে আনৰ দ্বাৰাই প্ৰকাশ হব নোৱাৰে। যি শাস্ত্ৰ বা সাহিত্যত সৃষ্টি ক্ৰম, প্ৰত্যক্ষাদি প্ৰমাণ আৰু পবিত্ৰ আপ্ত পুৰুষসকলৰ আচৰণৰ বিৰুদ্ধকথা নাই, সেই শাস্ত্ৰ ঈশ্বৰৰ বাণী। ঈশ্বৰৰ জ্ঞান অভ্ৰান্ত, যি শাস্ত্ৰত সেইদৰে অভ্ৰান্ত জ্ঞানৰ প্ৰতিপাদন হৈছে, সেই শাস্ত্ৰ ঈশ্বৰৰ প্ৰণীত। যি শাস্ত্ৰৰ পৰা পৰমেশ্বৰৰ, সৃষ্টিৰ, কাৰণ, আৰু জীৱৰ স্বৰূপ জ্ঞান আৰু উপলব্ধি হয় সেই শাস্ত্ৰ ঈশ্বৰ প্ৰেৰিত আৰু বেদত সং পুৰুষ সকলৰ বিবেচনাৰ অথবা প্ৰত্যক্ষাদি প্ৰমাণৰ বিৰুদ্ধবাদ নাই, গতিকে বেদত পৰমাত্মাৰ জ্ঞান বিজ্ঞান পৰমাত্মাৰ দ্বাৰাই ধ্বনিত হৈছে। বেদত ব্যক্তি বিশেষৰ, সম্প্ৰদায় বিশেষৰ বা কোনো জাতি বিশেষৰ পক্ষপাত নাই।

প্ৰশ্ন—ঈশ্বৰৰ দ্বাৰাই বেদ প্ৰকাশৰ কোনো প্ৰয়োজন নকৰে, কাৰণ মানুহৰ ক্ৰমশঃ জ্ঞানৰ বিকাশৰ ফলত নৈতিক বিৱেচনাৰো ক্ৰমোন্নতি হব পাৰে।

উত্তৰ—নহয়, আৰু হবও নোৱাৰে। বিনা কাৰণে কাৰ্য্যৰ উৎপত্তি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অসম্ভৱ। বনৰীয়া বনবাসী মানুহে জগতক দেখি জগৎবিজ্ঞানী নহয়, কোনো শিক্ষকৰ সহায়তহে হব পাৰে। এই জ্ঞান বিজ্ঞানৰ যুগতো এজনৰ ওচৰত নিশিকিলে কোনোৱে বিদ্বান হব নোৱাৰে। সেইদৰেই সৃষ্টিৰ আদিতে ঈশ্বৰে ঋষি সকলক আৰু ঋষি সকলে অন্যান্য মানুহক জ্ঞান বিদ্যা অৰ্থাৎ বেদ বিদ্যা নিদিয়া হলে সকলো অজ্ঞান আন্ধাৰতেই নিমগ্ন হৈ থাকিলহেতেন। কোনো মানুহ শিশুক জন্মৰ পাছৰ পৰাই নির্জ্জন ঠাইত, মূৰ্খৰ লগত অথবা পশুৰ লগত ৰাখিলে, যাৰ সঙ্গত ডাঙৰ হয়, তাৰ দৰেই হব। বনবাসী ভীল আদি উপজাতিৰ দৃষ্টান্তই যথেষ্ট প্ৰমাণ দিয়ে। যেতিয়ালৈকে বেদৰ উৎপত্তিস্থল আৰ্য্যাবৰ্ত্তৰ পৰা শিক্ষাৰ বিস্তাৰ হোৱা নাছিল, তেতিয়ালৈকে মিচৰ, গ্ৰীচ, আৰু ইউৰোপ আদিৰ অন্যান্য দেশবোৰতো কোনো বিদ্যাৰেই প্ৰচাৰ হোৱা প্ৰমাণ নাই। ইউৰোপৰ কলম্বচৰ দৰে ব্যক্তি সকলে যেতিয়ালৈকে আমেৰিকা আদিৰ আবিষ্কাৰ কৰা নাছিল তেতিয়ালৈকে তাৰ মানুহ অজ্ঞান আন্ধাৰতেই আছিল। তাৰ পাছত সুশিক্ষাৰ সংযোগতহে জ্ঞান বিজ্ঞানত উন্নতি কৰিব পাৰিছে। সেইদৰেই মানুহে আদিতে ঈশ্বৰ প্ৰদত্ত জ্ঞানৰ পৰাইহে দিনক দিনে জ্ঞান বিজ্ঞানৰ উন্নতি কৰি আহিব লাগিছে।

স এষ পূৰ্ব্বেষামপি গুৰুঃ কালেনানবচ্ছেদাৎ ॥
(যোগ সুঃ সমাধিপাদ, সূঃ ২৬ ॥)

বৰ্ত্তমান কালত আমি যেনেকৈ শিক্ষকৰ পৰা শিক্ষা পাই বিদ্যা লাভ কৰিছো, সেইদৰেই সৃষ্টিৰ আৰম্ভত উৎপন্ন অগ্নি আদি ঋষি সকলৰো গুৰু অৰ্থাৎ শিক্ষক হৈছে পৰমেশ্বৰ। তেওঁৰ জ্ঞান নিত্য, সুষুপ্তি আৰু প্ৰলয় কালতো জীৱৰ দৰে জ্ঞান নোহোৱা নহয়। গতিকে নিশ্চিত সিদ্ধান্ত এয়ে যে, নিমিত্ত নাথাকিলে নৈমিত্তিক অৰ্থ প্ৰতিপন্ন কেতিয়াও নহয়।

প্ৰশ্ন—বেদ সংস্কৃত শব্দৰ ধ্বনিতেই প্ৰকাশিত হৈছিল। অগ্নি আদি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ঋষি সকলে সেই ভাষা জনা নাছিল, তেনেহলে সেই ব্যক্তি সকলে বেদৰ অৰ্থ জানিলে কেনেকৈ ?

উত্তৰ ঃ—পৰমেশ্বৰৰ পৰাই বেদৰ অৰ্থ জ্ঞান পায়। জিজ্ঞাসু ধৰ্ম্ম-পৰায়ণ যোগী ঋষি সকলে যি যি মন্ত্ৰৰ অৰ্থ জিজ্ঞাসাৰে পৰমেশ্বৰত ধ্যানাবস্থিত হৈ সমাধিস্থ হৈছিল, তেতিয়াই পৰমাত্মাই সেই সেই মন্ত্ৰ শব্দৰ অৰ্থ উপলব্ধি কৰাইছিল। এই দৰে যেতিয়া অনেকৰ আত্মাত বেদাৰ্থৰ অনুভূতি আৰু বিকাশ হয়, তেতিয়াৰ পৰাই সেই সেই বেদাৰ্থ, আৰু সেই সেই ঋষিৰ নাম উল্লেখ কৰি অন্যান্য ঋষি-মুনি সকলে গ্ৰন্থ ৰচনা কৰে। এইবোৰ গ্ৰন্থৰ নাম "ব্ৰাহ্মণ" হয়। ব্ৰহ্ম বা বেদৰ ব্যাখ্যা গ্ৰন্থ হোৱাৰ কাৰণেই এইবোৰৰ নাম ব্ৰাহ্মণ হয়। আৰু—

ঋষয়ো (মন্ত্ৰদৃষ্টয়ঃ)……মন্ত্ৰান সম্প্ৰাদুঃ ॥ নিৰু ০ (১।২০)।

যি যি ঋষিয়ে যি যি মন্ত্ৰৰ অৰ্থ প্ৰথম প্ৰদৰ্শন কৰিলে, তাৰ আগতে সেইবোৰ মন্ত্ৰৰ অৰ্থ কোনেও প্ৰকাশ কৰা নাই। তেওঁলোকে যি অৰ্থ দৰ্শন কৰিছিল তাকেই আনকো শিক্ষা দিছিল। সেই কাৰণেই বেদৰ মন্ত্ৰবোৰৰ লগত সেই সেই ঋষি সকলৰ নাম স্মৰণৰ কাৰণে নিবদ্ধ হৈ আছে। সেই ঋষি সকলক মন্ত্ৰ ৰচয়িতা বোলা ভুল, কাৰণ সেই সকল মন্ত্ৰৰ দ্ৰষ্টা আৰু প্ৰকাশক হেমাত্ৰ।

প্ৰশ্ন ঃ—তেনেহলে কোন গ্ৰন্থৰ নাম বেদ ?

উত্তৰ ঃ—ঋক্, যজুঃ, সাম আৰু অথৰ্ব্ব মন্ত্ৰ সংহিতাৰ নাম বেদ। অন্য কোনো গ্ৰন্থৰ নাম বেদ নহয়।

প্ৰশ্ন ঃ—"মন্ত্ৰব্ৰাহ্মণয়োৰ্ব্বেদনামধেয়ম্"।। ইত্যাদি কাত্যায়ন আদি মুনিৰ প্ৰতিজ্ঞাসূত্ৰৰ কি অৰ্থ কৰিব ?

উত্তৰ ঃ—সংহিতা গ্ৰন্থৰ আৰম্ভ আৰু অধ্যায়ৰ শেষত "বেদ" শব্দ লিখিত হৈ আছে আৰু সেয়েই অনাদি কালৰ পৰাই চলি আহিছে। কিন্তু ব্ৰাহ্মণ গ্ৰন্থৰ আৰম্ভণিত বা অধ্যায় শেষত সেইদৰে 'বেদ' শব্দ লিখিত হোৱা নাই। ইয়াৰ উপৰিও নিৰুক্ত শাস্ত্ৰত আছে ঃ—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ইত্যপি নিগমো ভৱতি। ইতি ব্ৰাহ্মণম্। (নিঃ অঃ ৫ খঃ ৩।৪)॥
ছন্দো ব্ৰাহ্মণানি চ তদ্বিষয়াণি॥ (অষ্টাধ্যাঃ ৪।২।৬৬)॥

এই পাণিনিৰ সূত্ৰৰ পৰাও স্পষ্টকৈ জানিব পাৰি যে, মন্ত্ৰ ভাগ বেদ আৰু ব্যাখ্যা ভাগ ব্ৰাহ্মণ। এই বিষয়ে বিস্তাৰিত ব্যাখ্যা মোৰ দ্বাৰাই ৰচিত "ঋগ্বেদাদি ভাষ্যভূমিকাত" পাব। মোৰ সেই গ্ৰন্থত প্ৰতিপাদন কৰা হৈছে যে সকলো দৃষ্টিৰেই প্ৰমাণৰ অভাৱ গতিকে উক্ত বাক্য কাত্যায়ন মুনিৰ হব নোৱাৰে। কাত্যায়ন মুনিৰ নামত আন কোনোৰাই লিখিব পাৰে। সেই বচনৰ অৰ্থ মতে বেদ কেতিয়াও সনাতন হব নোৱাৰে। কাৰণ ব্ৰাহ্মণ গ্ৰন্থবোৰত বহু ঋষি, মুনি, আৰু ৰজাৰ ইতিহাসৰ উল্লেখ আছে। কাৰণ কাৰোবাৰ ইতিহাস হলে তেওঁৰ জন্মৰ পাছতহে লিখিত হব পাৰে, সেই গ্ৰন্থবোৰো তেওঁলোকৰ জন্মৰ পাছত হৈছে। বেদত তেনে কাৰো ইতিহাস নাই, বেদৰ ভিতৰত যিবোৰ শব্দৰ পৰা জ্ঞান হয় তেনেবোৰ শব্দহে আছে। কোনো মানুহ বিশেষৰ নাম বা কাৰো আখ্যান উপাখ্যান অথবা কথা প্ৰসঙ্গ বেদত নাই।

প্ৰশ্ন—বেদত কিমান শাখা আছে ?

উত্তৰ—এঘাৰশ সাতাইশ।

প্ৰশ্ন—শাখা কাক বোলে ?

উত্তৰ—ব্যাখ্যানকেই শাখা বোলে।

প্ৰশ্ন—পণ্ডিত সকলে বেদৰ অবয়বভূত বিভাগবোৰক শাখা নোবোলেনে ?

উত্তৰ—সেইটো যথাৰ্থ হয় নে নহয় অলপ বিবেচনা কৰিলেই বুজিব পাৰিব। কাৰণ বেদৰ সকলো শাখা আশ্বলায়ন আদি ঋষি সকলৰ নামেৰে প্ৰসিদ্ধ, কিন্তু মন্ত্ৰসংহিতা ঈশ্বৰৰ নামেৰে প্ৰসিদ্ধ। চাৰি বেদক যেনেকৈ ঈশ্বৰৰ বাণী বুলি মনা হয়, সেই দৰেই আশ্বলায়নী আদি শাখাবোৰো সেই সেই ঋষিৰ ৰচিত বুলিয়েই মনা হয়। সকলো শাখাত মন্ত্ৰৰ প্ৰতীক ধৰিয়েই ব্যাখ্যা কৰা হৈছে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যেনে, তৈত্তিৰীয় শাখাত "ঈষেত্বোৰ্জ্জে ত্বেতি" ইত্যাদি প্ৰতীক ধৰি ব্যাখ্যা কৰা হৈছে। কিন্তু বেদসংহিতাত কোনো প্ৰতীক লোৱা নাই। গতিকেই চাৰিবেদেই মূল. আৰু পৰমাত্মাৰ ধ্বনি। আশ্বলায়ন আদি সকলো শাখা ঈশ্বৰৰ বাণী নহয়, ঋষি মুনিসকলৰ প্ৰণীত। ইয়াৰ বিস্তাৰিত ব্যাখ্যা ঋগ্বেদাদি ভাষ্য ভূমিকাত পাব। মাতা পিতাই যেনে ৫ সন্তানৰ শুভ কামনাৰে উপদেশ দিয়ে সেই দৰেই পৰমেশ্বৰেও মানৱ জাতিৰ শুভ কামনাৰেই বেদ প্ৰকাশ কৰিছে, যাৰ দ্বাৰাই মানৱ জাতিয়ে অবিদ্যা অন্ধকাৰ আৰু ভ্ৰমজালৰ পৰা মুক্ত হৈ বিদ্যা-বিজ্ঞান ৰূপ সূৰ্য্যৰ প্ৰকাশত পৰম তত্ত্ব দৰ্শন কৰি পৰমানন্দ উপলব্ধি কৰিব পাৰে।

প্ৰশ্ন—বেদ নিত্য নে অনিত্য ?

উত্তৰ—নিত্য, পৰমেশ্বৰ নিত্য গতিকে তেওঁৰ জ্ঞান আদি গুণ নিত্য। পদাৰ্থ নিত্য হলে গুণ, কৰ্ম্ম স্বভাবো নিত্য হয়। আৰু অনিত্য পদাৰ্থৰ গুণ কৰ্ম্ম স্বভাবো অনিত্য।

প্ৰশ্ন—বেদ পুস্তকবোৰো নিত্য নেকি ?

উত্তৰ—নহয়। পত্ৰ বা কাগজ আৰু চিয়াঁহীৰে প্ৰস্তুত পুথি কেনেকৈ নিত্য হব পাৰে। বেদৰ শব্দ, অৰ্থ আৰু সম্বন্ধহে নিত্য।

প্ৰশ্ন—বোধহয় ঈশ্বৰে পূৰ্ব্বোক্ত ঋষিসকলক প্ৰথম জ্ঞান দিছিল। সেই সকলে সেই জ্ঞানৰ সহায়ত বেদ ৰচনা কৰিছিল।

উত্তৰ—জ্ঞেয় বিনা জ্ঞান হব নোৱাৰে। গায়ত্ৰী আদি ছন্দ, ষড়্জাদি ছন্দবোৰৰ ৰচনা কৰাৰ সামৰ্থ্য সৰ্ব্বজ্ঞৰ বাহিৰে আন কাৰো নাই। এইদৰে সৰ্ব্বজ্ঞানৰ শাস্ত্ৰ সৃষ্টি কৰাও ঈশ্বৰৰ বাহিৰে আনৰ অসাধ্য। ঋষি মুনি সকলে বেদৰ জ্ঞান হোৱাৰ পাছত অৰ্থাৎ বেদ অধ্যয়নৰ পাছত ব্যাকৰণ, নিৰুক্ত, আৰু ছন্দ আদি গ্ৰন্থ বিদ্যাৰ প্ৰকাশৰ কাৰণে ৰচনা কৰে। ঈশ্বৰে বেদৰ প্ৰকাশ নকৰা হলে কোনেও একো ৰচনা কৰিব নোৱাৰিলেহেঁতেন। গতিকে বেদৰ প্ৰকাশক পৰমেশ্বৰ সকলোৱেই বেদৰ অনুকূলে আচৰণ কৰাই কৰ্ত্তব্য। যদি কোনোৱে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আপোনাক সোধে যে আপোনাৰ মত কি; তেতিয়া নিশ্চয় বেদেই আপোনাৰ মত বুলিহে কব। অৰ্থাৎ বেদৰ বিবেচনাৰ বাহিৰে আপোনাৰ অন্য মত থাকিব নোৱাৰে। ঈশ্বৰ আৰু বেদৰ বিষয়ে সংক্ষেপত ইমানেই লিখা হ'ল। ইয়াৰ পাছত সৃষ্টিৰ বিষয়ে লিখা হব। ৭ ॥

ইতি শ্ৰীমদ্দয়ানন্দ সৰস্বতীস্বামিকৃতে সত্যাৰ্থপ্ৰকাশে সুভাষা-বিভূষিত ঈশ্বৰবেদবিষয়ে সপ্তমঃ সমুল্লাসঃ সম্পূৰ্ণঃ ॥৭॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অথ অষ্টম সমুল্লাসাৰম্ভঃ

অথ সৃষ্ট্যুৎপত্তিস্থিতিপ্রলয়বিষয়বিষয়ান্ ব্যাখ্যাস্যামঃ
ইয়ং বিসৃষ্টির্যত আৱভূৱ যদি বা দধে যদি ৱা ন্ ॥
যো অস্যাধ্যক্ষঃ পৰমে ব্যোমনৎসো অঙ্গ বেদ যদি ৱা ন বেদ ॥১॥
তম আসীত্তমসা গূঢ়মগ্রেহ প্রকেতং সলিলং সর্ব্বমা ইদম্ ।
তুচ্ছ্যেনাভ্বপিহিতং যদাসীত্তপসস্তন্মহিনা জায়তৈকম্ ॥২॥

ঋ০ ম০ ১০। সূ০ ১২৯। মঃ ১।২॥

হিৰণ্যগর্ভঃ সমৱর্ত্ততাগ্রে ভূতস্য জাতঃ পতিৰেক আসীৎ।
স দাধাৰ পৃথিৱীং দ্যামুতেমাং কস্মৈ দেবায় হবিষা বিধেম ॥

ঋ০ ম০ ১০ । সূ০ ১২১। ম০ ॥

পুৰুষ এৱেদং সর্ব্বং যদ্ভূতং যচ্চ ভাব্যম্ ।
উতামৃতত্বস্যেশানো যদন্নেনাতিৰোহতি ॥৪॥ যজু০ অ০ ৩১।ম০ ২

যতো ৱা ইমানি ভূতানি জায়ন্তে যেন জাতানি জীৱন্তি।
যৎ প্রয়ন্ত্যভিসংবিশন্তি তদ্বিজিজ্ঞাসস্ব তদ্ ব্রহ্ম ॥৫॥

তৈত্তিৰীয়োপনিঃ (ভৃগুৱল্লী। অনুঃ ১)॥

হে (অঙ্গ) মনুষ্য। যাৰ পৰা এই বিভিন্ন স্বৰূপৰ সৃষ্টি প্রকাশিত হৈছে, যি ধাৰণ আৰু প্রলয় কৰে, যি এই সৃষ্টি জগতৰ স্বামী, আৰু যাৰ পৰিব্যাপ্তিৰ ভিতৰত জগতৰ সৃষ্টি, স্থিতি আৰু প্রলয় ঘটি থাকে, সেই পৰম আত্মাক জানা ।১॥

এই সমস্ত জগৎ সৃষ্টিৰ পূৰ্ব্বে অন্ধকাৰাচ্ছন্ন ৰাত্ৰিৰূপে অবিজ্ঞেয় আকাশৰূপ সমগ্ৰ জগৎ তুচ্ছ অৰ্থাৎ অনন্ত পৰমেশ্বৰৰ সম্মুখত একদেশী

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আৰু আচ্ছাদিত আছিল। তাৰ পাছত সেই পৰমাত্মাই স্বশক্তি কাৰণ ৰূপৰ পৰাই কাৰ্য্য ৰূপ সৃষ্টি কৰিলে। ॥২॥

হিৰণ্য গৰ্ভৰ আবিৰ্ভাবৰ আগত ভূত সমূহৰ সৃষ্টিকৰ্ত্তা এক অদ্বিতীয় পতি অৰ্থাৎ মূল ব্ৰহ্ম আছিল। তেওঁৱেই এই পৃথিৱী, দ্যোলোক আৰু অন্তৰীক্ষ ধাৰণ কৰি আছে, সেই পৰম দেৱকেই আমি হৱিঃ অৰ্পণ কৰা কৰ্ত্তব্য। ॥ ৩ ॥

যি হৈছে আৰু যি ভৱিষ্যতেও হব, সকলোৰে সৃষ্টিকৰ্ত্তা পুৰুষেই। (উত) অৰ্থাৎ পুৰুষ কেৱল জগতৰ সৃষ্টি কৰ্ত্তাই নহয়, (অমৃতস্য ঈশানঃ) অমৰত্ব দাতা, অৰ্থাৎ প্ৰাণ ৰক্ষকো, (যৎ অন্নেন অতিৰোহতি) যি হেতু পুৰুষে অন্ন জলাদি সৃষ্টি কৰি সকলোৰে প্ৰাণ ৰক্ষা কৰে।৪॥

যাৰ পৰা জগতৰ সকলো সৃষ্টি হৈছে, যাৰ দ্বাৰাই সকলোৰে জীৱন ধাৰণ কৰে, আৰু যাৰ দ্বাৰাই সকলো বিনাশ হয় সেয়েই ব্ৰহ্ম। সেই পৰম তত্ত্বকেই জানা অৰ্থাৎ উপলব্ধি কৰা।৫॥

জন্মাদ্যস্য যতঃ॥ শাৰীৰিক সূত্ৰ। (অ০ ১। পা০ ১ সূ০ ২)॥

যাৰ পৰা জগতৰ সৃষ্টি, স্থিতি প্ৰলয় হয় সেই পৰম তত্ত্বক জনাই পৰম জ্ঞান।

প্ৰশ্ন—এই জগৎ পৰমেশ্বৰৰ পৰা নে আনৰ পৰা উৎপন্ন হৈছে?

উত্তৰ—জগৎ সৃষ্টিৰ নিমিত্ত কাৰণ পৰমাত্মা, আৰু উপাদান কাৰণ প্ৰকৃতি।

প্ৰশ্ন—পৰমাত্মায়েই প্ৰকৃতিক সৃষ্টি কৰা নাই জানো?

উত্তৰ—নাই, প্ৰকৃতি অনাদি।

প্ৰশ্ন—অনাদি কাক বোলে? আৰু কিমান পদাৰ্থ অনাদি?

উত্তৰ—ঈশ্বৰ, জীৱ আৰু জগতৰ উপাদান কাৰণ প্ৰকৃতি এই তিনি অনাদি।

প্ৰশ্ন—ইয়াৰ প্ৰমাণ কি

উত্তৰ—দ্বা সুপৰ্ণা সযুজা সখায়া সমানং বৃক্ষং পৰিষস্বজাতে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তয়োৰন্যঃ পিপ্পলং স্বাদ্বত্ত্যনশ্নন্নন্যো অভি চাকশীতি ॥৩॥

(ঋ০ ম০ ১। সূ০ ১৬৪। ম০ ২০)।

শাশ্বতীভ্যঃ সমাভ্যঃ ॥২॥ যজু০ ৪। ম০ ৮॥

ব্ৰহ্ম আৰু জীৱ দুয়ো চেতনত্ব আৰু পালকত্ব আদি গুণত সদৃশ; ব্যাপ্য ব্যাপকভাৱে সংযুক্ত; পৰস্পৰ মিত্ৰ; সনাতন আৰু অনাদি; সেইদৰে অনাদি মূল ৰূপ কাৰণ আৰু শাখাৰূপ কাৰ্য্যযুক্ত বৃক্ষ; অৰ্থাৎ কাৰ্য্যৰূপত বা সৃষ্টিকালত স্থূল আৰু প্ৰত্যক্ষ হৈও প্ৰলয় কালত পুনঃ মূল সূক্ষ্মলৈ পৰিবৰ্ত্তন হয়, সেই তৃতীয় অনাদি পদাৰ্থ; এই তিনিৰে গুণ কৰ্ম্ম আৰু স্বভাৱ অনাদি। জীৱাত্মা আৰু পৰমাত্মাৰ ভিতৰত জীৱাত্মাই এই বৃক্ষৰূপ সংসাৰৰ দুখ সুখৰূপ ফলবোৰ যথাৰ্থৰূপে ভোগ কৰে। পৰমাত্মাই কৰ্ম্মফল ভোগ নকৰাকৈ অন্তৰে বাহিৰে সাক্ষী হৈ আছে। পৰমাত্মাৰ পৰা জীৱাত্মা ভিন্ন আৰু প্ৰকৃতিও জীৱ আৰু পৰমাত্মাৰ পৰা ভিন্ন স্বৰূপ। এই তিনিও অনাদি তত্ত্ব ॥ ১॥

ইয়াৰ ভাবাৰ্থ :—অনাদি সনাতন জীৱৰূপ প্ৰজাৰ কাৰণেই পৰমাত্মাই সকলো জ্ঞান বিকাশ কৰিছে ॥ ২ ॥

অজামেকাং লোহিতশুক্লকৃষ্ণাং বহ্বীঃ প্ৰজাঃ সৃজমানাং স্বৰূপাঃ। অজো হ্যেকো জুষমাণোঽনুশেতে জহাত্যেনাং ভুক্তভোগামজোঽন্যঃ ॥ (শ্বেতাশ্বতৰোপনিষদ। অঃ ৪। মঃ ৫) ॥

প্ৰকৃতি, জীৱ, আৰু পৰমাত্মা—এই তিনি অজ অৰ্থাৎ জন্মহীন; এই তিনি তত্ত্বই জগতৰ কাৰণ। এই তিনিয়েই জগতৰ মূল; যাৰ অন্য কোনো কাৰণ নাই। অনাদি জীৱ অনাদি প্ৰকৃতিৰ চঞ্চল খেলাত আসক্ত হয়, আৰু তাৰ ফল ভোগ কৰে। পৰমাত্মা আসক্তও নহয় ফল ভোগো নকৰে। ঈশ্বৰ আৰু জীৱৰ লক্ষণ ঈশ্বৰৰ বিষয়ত বৰ্ণিত হৈছে। ইয়াত প্ৰকৃতিৰ লক্ষণহে বাখ্যা কৰা হৈছে :—

সত্ত্বৰজস্তমসাং সাম্যাৱস্থা প্ৰকৃতিঃ, প্ৰকৃতেৰ্মহান্‌, মহতোঽহঙ্কাৰঃ, পঞ্চতন্মাত্ৰাণ্যুভয়মিন্দ্ৰিয়ং পঞ্চতন্মাত্ৰেভ্যঃ স্থূলভূতানি পুৰুষ ইতি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পঞ্চবিংশতির্গণঃ ॥ (সাঙ্খ্য সূ০ অ০ ১। সূ০ ৬১)

(সত্ব) শুদ্ধ, (ৰজ) মধ্যম, (তমঃ) জাড্য অৰ্থাৎ জড়তা—এই তিনি গুণৰ ভাৱসাম্য অৰ্থাৎ মিলিত অৱস্থাৰ নাম প্ৰকৃতি। এই সাম্য প্ৰকৃতিৰ পৰাই মহত্তত্ত্ব অৰ্থাৎ বুদ্ধি বিকাশ হয়, সেই মহত্তত্ত্বৰ পৰা অহঙ্কাৰ, অহঙ্কাৰৰ পৰা পঞ্চতন্মাত্ৰা অৰ্থাৎ সূক্ষ্ম ভূতসমূহ আৰু মন আৰু দশ ইন্দ্ৰিয় আৰু সেই পঞ্চতন্মাত্ৰাৰ পৰাই পৃথিৱী আদি পঞ্চ স্থূল ভূত এই চতুৰ্বিংশতি তত্ত্ব আৰু পঞ্চবিংশতি তত্ত্ব পুৰুষ অৰ্থাৎ জীৱ আৰু পৰমেশ্বৰ। প্ৰকৃতি অবিকাৰিণী, মহত্তত্ত্ব, অহঙ্কাৰ, আৰু পঞ্চ সূক্ষ্মভূত প্ৰকৃতিৰ কাৰ্য্য আৰু ইন্দ্ৰিয়, মন, আৰু স্থূল ভূতবোৰৰ কাৰণ। পুৰুষ কাৰো প্ৰকৃতি অথবা উপাদন কাৰণ বা কাৰ্য্য নহয়।

সদেব সোম্যেদমগ্ৰ আসীৎ ॥ ১ ॥ (ছান্দো০ প্ৰ০ ৬। খ০ ২)।
অসদ্বা ইদমগ্ৰ আসীৎ ॥ ২ ॥ (তৈত্তিৰী০ ব্ৰহ্মানেন্দৱ০ অনু ৭)
আত্মৈবেদমগ্ৰ আসীৎ ॥ ৩ ॥ (বৃহ০ অ০ ১। ব্ৰা ০ ৪। ম ০ ১)
ব্ৰহ্ম বা ইদমগ্ৰ আসীৎ ॥ ৪ ॥
(শত০ কা০ ১১। অ০ ২। ব্ৰা০ ৬। ক০ ১ ॥

এইবোৰ উপনিষদৰ বচন। "হে শ্বেতকেতো! এই জগত সৃষ্টিৰ পূৰ্ব্বে সৎ। ১॥ অসৎ। ২॥ আত্মা। ৩॥ আৰু ব্ৰহ্মস্বৰূপ আছিল। ৪॥ পাছত—

তদৈক্ষত বহুঃ স্যাং প্ৰজায়েয়েতি। সোঽকাময়ত বহুঃ স্যাং প্ৰজায়েয়েতি ॥ (তৈত্তিৰীয় উপনিঃ ব্ৰহ্মানন্দবল্লী, অনু ০ ৬)॥

সেই পৰমাত্মাই স্বেচ্ছাই বহুৰূপ ধৰিছে।

সৰ্ব্বং খল্বিদং ব্ৰহ্ম নেহ নানাস্তি কিঞ্চন ॥

এইবোৰ উপনিষদৰ বচন, নিশ্চয় এই সমস্ত জগৎ ব্ৰহ্ম। জগতত ব্ৰহ্মৰ বাহিৰে অন্য কোনো পদাৰ্থৰ অস্তিত্ব নাই, সকলো ব্ৰহ্মৰেই ৰূপ।

উত্তৰ :—এইবোৰ উপনিষদ বচনৰ আপুনি অনৰ্থহে কৰিছে। উপনিষদত লিখিত আছে :—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

(এবমেৱ খলু) সোম্যান্নেন শুঙ্গেনাপো মূলমন্বিচ্ছদ্ভিস সোম্য শুঙ্গেন তেজোমূলমন্বিচ্ছ, তেজসা সোম্য শুঙ্গেন সন্মূলমন্বিচ্ছ সন্মূলাঃ সোম্যেমাঃ সৰ্ব্বাঃ প্ৰজাঃ সদায়তনাঃ সৎপ্ৰতিষ্ঠাঃ ॥

(ছান্দোগ্য উপনি ঃ প্ৰ॰ ৬। খঃ ৮। মঃ ৪)॥

অৰ্থ ঃ—হে শ্বেতকেতো। অন্নৰূপ পৃথিৱী কাৰ্য্যৰ দ্বাৰাই জলৰূপ মূল কাৰণক তুমি জানিবা। কাৰ্য্যৰূপ জলৰ পৰা তেজৰূপ মূল আৰু তেজৰূপ কাৰ্য্যৰ পৰা সৎৰূপ কাৰণ, নিত্য বা অবিনাশী প্ৰকৃতি এই মূল তুমি জানিবা। এই সত্যৰূপ প্ৰকৃতিয়েই সকলো জগতৰ মূল আৰু স্থিতি। এই সমস্ত জগৎ সৃষ্টিৰ আগৰ অৱস্থা অসৎসদৃশ, জীবাত্মা আৰু ব্ৰহ্মাণ্ড প্ৰকৃতিত লীন হৈ বিদ্যমান আছিল, তাৰ অভাৱ নাছিল।

সৰ্ব্বং খলু ঃ—এই বচন ফাঁকি কৰবাৰ পৰা আনি কৰবাত জো লগাইছে। কাৰণ—

"সৰ্ব্বং খল্বিদম্ ব্ৰহ্ম তজ্জলানিতি শান্ত উপাসীত ॥"

ছান্দোগ্য ॰ (প্ৰঃ ৩। খঃ ১৪। মঃ ১)

আৰু "নেহ নানাস্তি কিঞ্চন ॥"

(কঠোপনি ঃ অঃ ২ বল্লীঃ ৪ অ॰ ১১)॥

শৰীৰৰ অঙ্গ শৰীৰত থাকে মানে কাৰ্য্যকৰী হয়, শৰীৰৰ পৰা বিচ্ছিন্ন হলে অকৰ্ম্মণ্য হয়, সেইদৰে প্ৰকৰণৰ বাক্য প্ৰকৰণতহে খাটে, এক প্ৰকৰণৰ বাক্য অন্য প্ৰকৰণত যোগ দিলে অৰ্থান্তৰ আৰু অনৰ্থ হয়। এতিয়া উক্ত বচনৰ অৰ্থ শুনক! হে জীৱ! তুমি ব্ৰহ্মৰ উপাসনা কৰা সেই ব্ৰহ্মৰ পৰাই জগতৰ উৎপত্তি, স্থিতি আৰু জীৱন ধাৰণ হয়। ব্ৰহ্মই সৃজন আৰু ধাৰণ কৰে কাৰণেই এই সমস্ত জগত বিদ্যমান অথবা সহচাৰী হৈ আছে। সেই ব্ৰহ্মক বাদে অন্য কাৰো উপাসনা নকৰিবা। এই চৈতন্য মাত্ৰ, অখণ্ড আৰু একৰস ব্ৰহ্ম নানা বস্তুৰ সংমিশ্ৰন নহয়, কিন্তু সকলো বস্তু ভিন্ন ভিন্ন স্বৰূপত পৰমব্ৰহ্ম ৰূপ আধাৰত অৱস্থিত আছে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰশ্ন ঃ– জগতৰ কাৰণ কিমান ?

উত্তৰ ঃ—তিনিটা। নিমিত্ত, উপাদান আৰু সাধাৰণ। (১) যি বস্তু যাৰ দ্বাৰাই নিৰ্ম্মিত হয় সেই বস্তুৰ সি নিমিত্ত কাৰণ অৰ্থাৎ নিমিত্ত কাৰণে নিজৰ পৰা বস্তু সৃষ্টি নকৰে, নিমিত্তকাৰণৰ সহায়ত আন পদাৰ্থৰ পৰা বস্তু সৃষ্টি হয়। (২) যি পদাৰ্থৰ পৰা ৰূপান্তৰ হৈ বস্তু সৃষ্টি হয় তাকেই উপাদান কাৰণ বোলে। (৩) যি বস্তু নিৰ্ম্মাণত সাধন আৰু সাধাৰণ নিমিত্ত হয়, তাকেই সাধাৰণ কাৰণ বোলে। নিমিত্ত কাৰণ দুবিধ :- (১) কাৰণৰ দ্বাৰাই জগতৰ সকলো সৃষ্টি, স্থিতি, আৰু প্ৰলয় কৰাত পৰমাত্মা মুখ্য নিমিত্ত কাৰণ। (২) এই সৃষ্টিৰ ভিন্ন ভিন্ন বস্তুৰ কাৰ্য্যান্তৰ কৰ্ত্তা সাধাৰণ নিমিত্ত কাৰণ জীৱ। প্ৰকৃতি পৰমাণু, উপাদান কাৰণ জড়, যাৰ দ্বাৰাই জগতৰ নানা ৰূপ ৰঙৰ বস্তু বিকশিত হৈছে ; জড় গতিকে নিজে নিজে নানা ৰূপ লব বা বিনাশ হব নোৱাৰে, অন্য কাৰণৰ দ্বাৰাইহে সৃ আৰু বিনাশ হয়। কোনো কোনো ক্ষেত্ৰত জড়ৰ নিমিত্ত কাৰণ জড় হয়। যেনে এই সৃ ত বীজৰূপে বিকশিত হোৱা পদাৰ্থ পৃথিবী আৰু জল সংযোগত বৃক্ষাকাৰ হয় আৰু তাপ অগ্নি আদিৰ সংযোগত বিনাশ প্ৰাপ্তও হয় ; কিন্তু ইয়াৰ উৎপত্তি বিনাশৰ বিধি চৈতন্য স্বৰূপ পৰমাত্মা আৰু জীৱৰ নিয়ন্ত্ৰণাধীন। যি কোনো বস্তু সৃষ্ট হোৱা জ্ঞান, দৰ্শন, বল, হাত আদি সাধন আৰু দিক, কাল, আৰু আকাশ সাধাৰণ কাৰণ। যেনে, ঘট নিৰ্ম্মাণত কুমাৰ নিমিত্ত কাৰণ, মাটি উপাদান কাৰণ, দণ্ড চক্ৰ আদি সামান্য নিমিত্ত, দিক, কাল, আকাশ, প্ৰকাশ, চকু, হাত, জ্ঞান আৰু ক্ৰিয়া আদি নিমিত্ত সাধাৰণ, আৰু নিমিত্ত কাৰণো হয়। এই তিনি কাৰণ বিনা কোনো বস্তুৰ সৃষ্টি বা বিকৃতি হব নোৱাৰে।

প্ৰশ্ন—নবীন বেদান্তী সকলে কেৱল পৰম ব্ৰহ্মকেই জগতৰ অভিন্ননিমিত্তোপাদান কাৰণ মানে, অন্য কাৰণ স্বীকাৰ নকৰে ?

যথোৰ্ণনাভিঃ সৃজতে গৃহ্ণতে চ ॥ (মুণ্ডকোঃ মঃ ১। খঃ ১।৭) ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অৰ্থ :—মকৰাই যেনেকৈ বাহিৰৰ কোনো বস্তুৰ সহায় নোহোৱাকৈয়ে নিজৰ মুখৰ পৰা তন্তু (সূতা) সৃষ্টি কৰি জাল নিৰ্ম্মাণ কৰে আৰু সেই জালত নিজেই খেলা কৰে, সেই দৰেই ব্ৰহ্মায়ো নিজৰ অন্তৰৰ পৰাই জগত ৰচনা কৰি স্বয়ং জগদাকাৰ হৈ খেলা কৰিছে। সেই ব্ৰহ্মই কামনা কৰিলে "মই স্বয়ং বহুৰূপ অৰ্থাৎ জগদাকাৰ হওঁ" সেই সংকল্পমাত্ৰই সমস্ত জগতৰ বিকাশ হ'ল। কাৰণ :—

আদাবন্তে চ যন্নাস্তি বৰ্ত্তমানেঽপি তত্তথা ॥

(গৌড়পাদীয় কাঃ শ্লোক ৩১)॥

এই হ'ল মাণ্ডুক্য উপনিষদৰ কাৰিকা। যি আদিতে আৰু অন্তত নাই সি বৰ্ত্তমানতো নাই। সৃষ্টিৰ আদিত জগৎ নাছিল কেৱল ব্ৰহ্মহে আছিল। প্ৰলয়ৰ অন্তত জগৎ নেথাকে কেৱল ব্ৰহ্মহে থাকিব। সেয়েই যদি হয় তেন্তে বৰ্ত্তমানৰ সমস্ত জগৎ ব্ৰহ্মই নহব কিয়?

উত্তৰ—আপোনাৰ মতে জগতৰ উপাদান কাৰণ ব্ৰহ্ম হলে, ব্ৰহ্ম পৰিণামী, অৱস্থান্তৰযুক্ত বা বিকাৰশীল হব, কাৰণ উপাদান কাৰণৰ গুণ স্বভাৱ কৰ্ম্ম কাৰ্য্যতো ঘটে।

কাৰণগুণপূৰ্ব্বকঃ কাৰ্য্যগুণো দৃষ্টঃ ॥

(বৈশেষিক সূ০ অ০ ২। আ০ ১। সূ০ ২৪)॥

উপাদান কাৰণৰ গুণ কাৰ্য্যত থকাটো হলে, সচ্চিদানন্দ স্বৰূপ ব্ৰহ্মই কাৰ্য্যৰূপ জগৎ হোৱাত ই অসৎ, জড় আৰু আনন্দহীন কেনেকৈ হব? ব্ৰহ্ম অজ, কিন্তু জগৎ উৎপত্তিশীল। ব্ৰহ্ম অদৃশ্য. জগৎ দৃশ্য। ব্ৰহ্ম অখণ্ড, জগত খণ্ডিত। যদি ব্ৰহ্মৰ পৰা পৃথিৱী উৎপন্ন হয় অৰ্থাৎ পৃথিৱী ব্ৰহ্মৰ কাৰ্য্য, তেন্তে পৃথিৱী জড় গতিকে পৃথিৱীৰ জড়ত্ব গুণ ব্ৰহ্মৰো হব লাগিব। অৰ্থাৎ উপাদান কাৰণ আৰু কাৰ্য্যৰ গুণাগুণত ভেদাভেদ থাকিব নোৱাৰে; কাৰণ আৰু কাৰ্য্যৰ গুণ একেই থাকে। অথবা পৰম ব্ৰহ্মৰ যি চৈতন্য, সেই চৈতন্য কাৰ্য্য ৰূপ পৃথিৱী আদিতো থাকিব লাগে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মকৰাৰ দৃষ্টান্তই আপোনাৰ মতৰ সমৰ্থন নকৰে তাৰ বিৰোধহে কৰে। কাৰণ মকৰাৰ তন্তু মকৰাৰ জড় দেহৰ কাৰ্য্য। অৰ্থাৎ মকৰাৰ দেহ উপাদান কাৰণ, তন্তু সেই দেহ ৰূপ উপাদান কাৰণৰ কাৰ্য্য ; মকৰাৰ জীৱাত্মা তন্তুৰ উৎপত্তিৰ নিমিত্ত কাৰণ। ইয়ো পৰম আশ্চৰ্য্য ৰচনা কৌশল। কাৰণ অন্য কোনো প্ৰাণীয়ে দেহৰ পৰা তন্তু উৎপত্তি কৰিব নোৱাৰে। সেই দৰেই সৰ্ব্বব্যাপক ব্ৰহ্মই নিজৰ ভিতৰত ব্যাপ্য প্ৰকৃতি আৰু পৰমাণু উপাদান কাৰণৰ পৰাই স্থূল জগত সৃষ্টি কৰি আৰু দৃশ্যমান ৰূপ দি তেওঁ জগতত সৰ্ব্বব্যাপক, সাক্ষী স্বৰূপ আৰু সদানন্দময় হৈ আছে।

পৰম ব্ৰহ্মই ঈক্ষণ অৰ্থাৎ দৰ্শন, আৰু কামনা কৰিলে যে জগৎ সৃষ্টি কৰিব. অৰ্থাৎ যেতিয়া জগতৰ বিকাশ হয় তেতিয়া জীৱৰ জ্ঞান বিবেচনা, ধ্যান, উপদেশ শ্ৰৱণত আৰু স্থূল সৃষ্টিতো ব্ৰহ্ম বিদ্যমান থাকে। এই তত্ত্বৰ ৰহস্য পৰম ব্ৰহ্ম আৰু মুক্ত জীৱইহে জানে। পূৰ্ব্বোক্ত কাৰিকা ভ্ৰম মূলক। কাৰণ সৃষ্টিৰ পূৰ্ব্বে অৰ্থাৎ প্ৰলয় কালত জগৎ স্থূল ৰূপত প্ৰকাশিত নাছিল আৰু সৃষ্টিৰ অন্ত অৰ্থাৎ প্ৰলয়ৰ আৰম্ভৰ পৰা দ্বিতীয়বাৰ সৃষ্টি নোহোৱালৈকে জগতৰ কাৰণ সূক্ষ্ম স্বৰূপত অপ্ৰকাশিত হৈ থাকে। কাৰণ :—

"তম আসীত্তমসা গূঢ়মগ্ৰে.... ॥" (ঋ০ ম০ ১০। সূ০ ১২৯। ম০ ৩)॥

আসীদিদং তমোভূতম্ প্ৰজ্ঞাতমলক্ষণম্।
অপ্ৰতৰ্ক্যমবিজ্ঞেয়ং প্ৰসুপ্তমিব সৰ্ব্বতঃ॥ (মনু০ ১।৫)॥

এই সমস্ত দৃশ্য জগৎ, সৃষ্টিৰ পূৰ্ব্বে প্ৰলয় অৱস্থাত আবৃত বা আচ্ছাদিত আছিল। আৰু প্ৰলয় আৰম্ভৰ পাছতো সেইদৰেই থাকে। সেই অৱস্থাত ইয়াক জানিবৰ, তৰ্ক কৰিবৰ, বা কোনো সুস্পষ্ট চিহ্নৰ দ্বাৰা ইন্দ্ৰিয়ৰ উপলব্ধি কৰিবৰ কোনো উপায় নেথাকে। কিন্তু সৃষ্টি বৰ্ত্তমানত জনা যায়, বিকশিত চিহ্নবোৰৰ দ্বাৰা জানিবৰ যোগ্য আৰু যথাৰ্থৰূপে উপলব্ধ হয়। উক্ত কাৰিকাত বৰ্ত্তমানেও জগতৰ অভাৱ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বোলা হৈছে। গতিকে প্ৰত্যক্ষ আৰু প্ৰমাণ বিৰুদ্ধ। যি প্ৰমাণ প্ৰমাণৰ দ্বাৰাই জনা যায় আৰু প্ৰাপ্ত হয়, সি কেতিয়াও অন্যথা হব নোৱাৰে।

প্ৰশ্ন :— ঈশ্বৰৰ জগত সৃষ্টি কৰাৰ প্ৰয়োজন কি ?

উত্তৰ :— সৃষ্টি নকৰাৰ বা প্ৰয়োজন কি ?

প্ৰশ্ন :— সৃষ্টি নকৰিলে ঈশ্বৰো আনন্দত থাকিলেহেতেন আৰু জীৱ সকলেও সুখ দুখ ভুগিব নেলাগিলেহেতেন;

উত্তৰ :—ই পুৰুষাৰ্থহীনতাৰহে কথা, পুৰুষাৰ্থ সম্পন্ন ব্যক্তি তেনে হব নোৱাৰে। আৰু প্ৰলয় অৱস্থাত জীৱৰ সুখ দুখ কি ? সৃষ্টিত সুখ দুখৰ তুলনা কৰিলে দুখতকৈ সুখ বহুগুণে অধিক আৰু অধিক সংখ্যক পবিত্ৰ আত্মাৰ জীৱই মুক্তি সাধন কৰি মোক্ষৰ আনন্দ ভোগ কৰে। সৃষ্টি নহলে সুখ দুখৰ অনুভৱেই বা হব কেনেকৈ ? প্ৰলয় কালত জীৱই সুষুপ্তৰ দৰে পুৰুষাৰ্থহীন আৰু নিষ্কৰ্মা হৈ পৰি থাকে। ঈশ্বৰে প্ৰলয়ৰ পূৰ্ব্ব সৃষ্টিৰ জীৱবোৰৰ পাপ পূণ্য কেনেকৈ নিৰ্ণয় কৰিব আৰু জীৱবোৰে কৰ্ম্মফল বা কেনেকৈ ভুগিব ? যদি আপোনাক সোধা হয় "চকুৰ প্ৰয়োজন কি" ? আপুনি বোধহয় কব যে চকুৰ প্ৰয়োজন দৰ্শন। সেয়ে হলে, তেন্তে সৃষ্টি নহলে ঈশ্বৰৰ সৃষ্টিবিজ্ঞান, শক্তি আৰু ক্ৰিয়াৰ প্ৰয়োজন কি ? ইয়াৰ উত্তৰ আপোনাৰ নাই আৰু জগৎ সৃষ্টিৰ দ্বাৰাইহে ঈশ্বৰৰ ন্যায়শীলতা, ধাৰণ আৰু দয়া আদি গুণৰ সাৰ্থকতা হব পাৰে। জগতৰ সৃষ্টি, স্থিতি আৰু প্ৰলয় ব্যৱস্থাই ঈশ্বৰৰ অনন্ত শক্তি সামৰ্থ্যৰ সফলতা আনে। চকুৰ স্বাভাৱিক গুণ দৰ্শন, সেইদৰে জগতৰ সৃষ্টি, অনন্ত ৰূপ, ৰং, আকৃতি আৰু ভিন্নতাৰ প্ৰদৰ্শন আৰু জীৱৰ কল্যাণ সাধন কৰা ঈশ্বৰৰ স্বাভাৱিক গুণ।

প্ৰশ্ন :— বীজ আদি নে বৃক্ষ আদি ?

উত্তৰ :—বীজ। কাৰণ বীজ, হেতু, নিদান, নিমিত্ত আৰু কাৰণ এই শব্দবোৰৰ অৰ্থ একে। কাৰণৰ নাম বীজ যেতিয়া বীজেই আদি আৰু কাৰণ সদায় কাৰ্য্যৰ আদি।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰশ্নঃ— পৰমেশ্বৰ সৰ্ব্বশক্তিমান হলে কাৰণ বা বীজকো উৎপন্ন কৰিব পাৰে। যদি নোৱাৰে তেন্তে সৰ্ব্বশক্তিমান হব নোৱাৰে।

উত্তৰঃ— সৰ্ব্বশক্তিমান শব্দৰ অৰ্থ আগতেই লিখা হৈছে। যি অসম্ভৱক সম্ভৱ কৰিব পাৰে সেয়েই সৰ্ব্বশক্তিমান নেকি? যদি ঈশ্বৰে অসম্ভৱ কাৰ্য্য অৰ্থাৎ কাৰণ নোহোৱাকৈয়ে কাৰ্য্য উৎপন্ন কৰিব পাৰিলে-হেতেন, তেনেহলে কাৰণ নোহোৱাকৈ দ্বিতীয় ঈশ্বৰ সৃষ্টি কৰিব স্বয়ং মৃত্যুগ্ৰস্ত, জড়, দুঃখী অন্যায়কাৰী, অপবিত্ৰ আৰু দুষ্কৰ্ম্মকাৰী আদিও হব পাৰিলেহেতেন নেকি? ঈশ্বৰে স্বাভাৱিক গুণ বিশিষ্ট অগ্নিৰ উষ্ণতা, জলৰ শীতলত্ব, পৃথিৱীৰ জড়ত্ব গুণ বিপৰীত কৰিব নোৱাৰে। ঈশ্বৰ বিধি সত্য, পূৰ্ণ সাৰ্থক, গতিকে বিপৰীত কৰ্ম্ম কৰিব নোৱাৰে। সৰ্ব্বশক্তিমান শব্দৰ অৰ্থ হল ঈশ্বৰে আনৰ বিনা সাহায্যত নিজ কৰ্ম্ম সম্পন্ন কৰিব পাৰে।

প্ৰশ্নঃ— ঈশ্বৰ সাকাৰ নে নিৰাকাৰ? নিৰাকাৰ হলে হস্তাদি অঙ্গ সাধনং নহলে জগৎ সৃষ্টি কৰিব নোৱাৰে। গতিকে সাকাৰ হলে তেনে শঙ্কাৰ প্ৰশ্ন নুঠে।

উত্তৰঃ— নিৰাকাৰ। যি শৰীৰ বিশিষ্ট সি ঈশ্বৰ হব নোৱাৰে। কাৰণ শৰীৰ বিশিষ্ট হলে সসীম, দেশ, কাল, বস্তুবোৰত পৰিচ্ছিন্ন, আৰু ক্ষুধা, তৃষ্ণা, ছেদন, ভেদন, শীত উষ্ণ, জ্বৰপীড়াদি যুক্ত হলহেতেন। এনেবোৰ গুণ ধৰ্ম্ম ঈশ্বৰৰ হব নোৱাৰে জীৱৰহে। যেনেকৈ সাকাৰ অৰ্থাৎ দেহধাৰী আমি অনু পৰমাণু ত্ৰসৰেণু আৰু প্ৰকৃতিক বশ কৰিব নোৱাৰো সেইদৰেই স্থূল দেহধাৰী পৰমেশ্বৰেও সূক্ষ্ম পদাৰ্থবোৰৰ পৰা স্থূলজগত নিৰ্ম্মাণ কৰিব নোৱাৰে। পৰমেশ্বৰৰ ভৌতিক ইন্দ্ৰিয়গোলক আৰু হস্তপাদাদি অৱয়ব নাই কিন্তু তেওঁৰ অনন্ত শক্তি, বল পৰাক্ৰমেৰে যিবোৰ সৃষ্টি কৰে, সেইবোৰ জীৱ আৰু প্ৰকৃতিৰ দ্বাৰাই হব নোৱাৰে। পৰমেশ্বৰ প্ৰকৃতিতকৈও সূক্ষ্ম আৰু ব্যাপক হৈ প্ৰকৃতিক জগদাকাৰ দান কৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰশ্ন—মনুষ্যাদি প্ৰাণীৰ মাতা-পিতা সাকাৰ কাৰণে সন্তানবোৰো সাকাৰ হয়, মাতা-পিতা নিৰাকাৰ হলে সন্তানো নিৰাকাৰ হলহেঁতেন। সেইদৰেই পৰমেশ্বৰ নিৰাকাৰ হলে সৃষ্ট জগত খনো নিৰাকাৰেই হলহেঁতেন।

উত্তৰ—আপোনাৰ এই প্ৰশ্ন বালকৰ দৰে হৈছে, কাৰণ এই মাত্ৰ কোৱা হৈছে যে পৰমেশ্বৰ জগতৰ উপাদান কাৰণ নহয়—নিমিত্ত কাৰণ হে। প্ৰকৃতি আৰু পৰমাণু যি পৰমেশ্বৰতকৈ স্থূল, সেয়েহে জগতৰ উপাদান কাৰণ। প্ৰকৃতি আৰু পৰমাণু একেবাৰেই নিৰাকাৰ হব নোৱাৰে কিন্তু পৰমেশ্বৰৰ তুলনাত স্থূল আৰু অন্যান্য প্ৰকৃতিৰ কাৰ্য্যৰ তুলনাত সূক্ষ্ম।

প্ৰশ্ন—পৰমেশ্বৰে কাৰণ নোহোৱাকৈ কাৰ্য্য কৰিব নোৱাৰে নেকি?

উত্তৰ—নোৱাৰে। কিয়নো, যি অভাৱ অৰ্থাৎ যাৰ বৰ্ত্তমান নাই, তাৰ ভাৱ বা বৰ্ত্তমান হোৱা সৰ্ব্বথা অসম্ভৱ। বন্ধ্যাৰ পুত্ৰ কন্যাৰ বিবাহ দেখা, নৰ-শৃঙ্গ, আকাশ কুসুমৰ মালা ধাৰণ কৰা, মৃগতৃষ্ণাৰ জলত স্নান কৰা, গন্ধৰ্ব্ব নগৰীত বাস কৰা বিনা মেঘে বৃষ্টি, বিনা মাটিত অন্নৰ উৎপত্তি ইত্যাদি এইবোৰ যেনে অসম্ভৱ, সেইদৰে কাৰণ নোহোৱাকৈ কাৰ্য্যৰ উৎপত্তিও অসম্ভৱ। আৰু যদি কোনোৱে কয়" **মম মাতা-পিতৰৌ ন স্তোঽহমেবমেৱ জাতঃ। মম মুখে জিহ্বা নাস্তি ৱদামি চ"** অৰ্থাৎ মোৰ মাতা-পিতা নাছিল এনেয়েই হলো, মোৰ মুখত জিহ্বা নাই কিন্তু কথা কওঁ; গাতত সাপ আদি নাছিল কিন্তু গাতৰ পৰা ওলাইছে, আমাৰ কোনো ৰকম অস্তিত্বই নাছিল কিন্তু আমি উৎত্তি হলো। এনেবোৰ অসম্ভৱ কথা প্ৰলাপ বুলি গণ্য হয়।

প্ৰশ্ন—যদি বিনা কাৰণে কাৰ্য্য হব নোৱাৰে তেন্তে কাৰণৰ কাৰণ কি?

উত্তৰ—যি কেৱল কাৰণ ৰূপহে সি কেতিয়াও কাৰ্য্য হব নোৱাৰে। পৃথিবী, গৃহাদিৰ কাৰণ আৰু জলাদিৰ কাৰ্য্য; কিন্তু পৃথিবীৰ অনাদি কাৰণ প্ৰকৃতি।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মূলে মূলাভাবাদমূলং মূলম্। সাংখ্য (সূ০ অ০ ১। সূ০ ৬৭)॥

মূলৰ মূল অৰ্থাৎ কাৰণৰ কাৰণ নাই। গতিকে যিবোৰ কাৰ্য্যৰ কাৰণ তাৰ আৰু কাৰণ থাকিব নোৱাৰে। কাৰণ, যি কোনো কাৰ্য্যৰ সূচনাতে তিনিও প্ৰকাৰ কাৰণ থাকিবই লাগিব। যেনে, বস্ত্ৰ নিৰ্ম্মাণৰ পূৰ্ব্বে তন্তুবায়, সূত্ৰ আৰু তাঁতশাল আদি সৰঞ্জাম বৰ্ত্তমান থাকে কাৰণেই বস্ত্ৰ নিৰ্ম্মিত হয়। সেই দৰেই জগৎউৎপত্তিৰ পূৰ্ব্বে পৰমেশ্বৰ, প্ৰকৃতি, কাল, আকাশ আৰু জীৱ অনাদি বৰ্ত্তমান হোৱাৰ বাবেই জগতৰ সৃষ্টি হৈ আহিছে। এইবোৰৰ ভিতৰত এটাৰ অভাৱ হলেও জগতৰ উৎপত্তি হব নোৱাৰে।

অত্ৰ নাস্তিকা আহুঃ —শূন্যং তত্ত্বং ভাৱো
বিনশ্যতি বস্তুধৰ্ম্মত্বাদ্বিনাশস্য ॥১॥ (সাংখ্য সূ০ অ০ ১। সূ০ ৪৪) ॥
অভাবাৎ ভাবোৎপত্তিৰ্নানুপমৃদ্য প্ৰাদুৰ্ভাবাৎ ॥২॥
ঈশ্বৰঃ কাৰণং পুৰুষ কৰ্ম্মাফল্যাদৰ্শনাৎ ॥৩॥
অনিমিত্ততো ভাবোৎপত্তিঃ কণ্টকতৈক্ষ্ণ্যাদিদৰ্শনাৎ ॥৪॥
সৰ্ব্বমনিত্যমুৎপত্তিবিনাশধৰ্ম্মকত্বাৎ ॥৫॥
সৰ্ব্বং নিত্যং পঞ্চভূতনিত্যত্বাৎ ॥৬॥
সৰ্ব্বং পৃথগ্ ভাবলক্ষণপৃথক্ত্বাৎ ॥৭॥
সৰ্ব্বমভাবো ভাবেষ্বিতৰেতৰাভাবসিদ্ধেঃ ॥৮॥
ন স্বভাৱসিদ্ধিৰাপেক্ষিকত্বাৎ ॥ ৯ ॥ (ন্যায় সূ০ অ০ ৪। আ০ ১)॥

এই বিষয়ে নাস্তিকবাদী সকলে কয় যে এক মাত্ৰ শূন্যই পদাৰ্থ; শূন্যৰ বাহিৰে একো নাই। সৃষ্টিৰ আদিত শূন্য আছিল শেষতো শূন্য হব; গতিকে ভাৱ অৰ্থাৎ বৰ্ত্তমান থকা পদাৰ্থবোৰৰ অভাৱ হৈ শূন্যহে থাকিব।

উত্তৰ—ইয়াৰ উত্তৰত কওঁ যে আকাশ, অদৃশ্য, অৱকাশ আৰু বিন্দুকো শূন্য বোলে। শূন্য জড় পদাৰ্থ। এই শূন্যৰ ভিতৰত সকলো পদাৰ্থ অদৃশ্য হৈ থাকে। যেনেকৈ এক বিন্দুৰ পৰাই ৰেখা,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰেখাসমূহৰ পৰা বৰ্ত্তুলাকাৰ হয় সেই দৰেই ঈশ্বৰৰ ৰচনানুসাৰে ভূমি পৰ্ব্বতাদি সৃষ্টি হয়। ইয়াৰ উপৰিও শূণ্যক জনা জন শূণ্য হব নোৱাৰে ॥১॥

দ্বিতীয় নাস্তিকৰ যুক্তি যে অভাবৰ পৰাই ভাবৰ উৎপত্তি হয়। যেনেকৈ গছৰ বীজ নেফাটিলে অঙ্কুৰ উৎপত্তি নহয়। বীজ ভাঙি চালে তাৰ ভিতৰত অঙ্কুৰ দেখা নেযায়। যিহেতু আগত অঙ্কুৰৰ অভাব আছিল গতিকে অঙ্কুৰ অভাৱৰ পৰাই উৎপন্ন হয়। তাৰ উত্তৰ এয়ে যে বীজ ফালি যি অঙ্কুৰ বিকাশ হয়, সি বীজৰ ভিতৰতেই থাকে, নেথাকিলে কেতিয়াও উৎপন্ন হব নোৱাৰে। ॥ ২ ॥

তৃতীয় নাস্তিকৰ যুক্তি যে পুৰুষে কৰ্ম্ম কৰি কৰ্ম্ম ফল নেপায়। অনেকৰ অনেক কৰ্ম্ম নিস্ফল হোৱা দেখা যায়। গতিকে অনুমান কৰিব পাৰি যে, সকলো কৰ্ম্মৰ ফলে ঈশ্বৰৰ অধীন, ঈশ্বৰে যাক যি কৰ্ম্ম ফল দিবৰ ইচ্ছা কৰে, দিয়ে আৰু ইচ্ছা নহলে নিদিয়ে। গতিকে কৰ্ম্মফল ঈশ্বৰাধীন।

তাৰ উত্তৰত কওঁ যে কৰ্ম্মফল ঈশ্বৰৰ ইচ্ছাধীন হলে যাক ইচ্ছা কৰে কৰ্ম্ম নকৰাকৈও ফল দিব পাৰে চোন, নিদিয়ে কিয় ? ঈশ্বৰে পুৰুষৰ কৰ্ম্মানুযায়ী ফল নিৰ্ণয় কৰে। উদাসীন নিষ্কৰ্ম্মী পুৰুষে ফল পাব নোৱাৰে জীৱই কৰ্ম্ম অনুসাৰেহে ফল পাব পাৰে। এয়েই ঈশ্বৰৰ বিধান ॥ ৩॥

চতুৰ্থ শ্ৰেণীৰ নাস্তিকৰ যুক্তি যে বিনা নিমিত্তই বা কাৰণ নোহোৱাকৈয়ে বস্তুৰ উৎপত্তি হয়। যেনে কাইটিয়া গছৰ কণ্টক তীক্ষ্নাগ্ৰ দেখা যায়। ইয়াৰ দ্বাৰাই প্ৰতীত হয় যে সৃষ্টিৰ আৰম্ভত শৰীৰাদি পদাৰ্থ বিনা নিমিত্তেই উৎপন্ন হয়। তাৰ উত্তৰ এনে হব— যাৰ পৰা যি বস্তু উৎপন্ন হয় সেয়েই উৎপন্ন বস্তুৰ কাৰণ। যিহেতু কাইটীয়া গছৰহে কণ্টক উৎপন্ন হয় ॥ ৪ ॥

পঞ্চম শ্ৰেণীৰ নাস্তিকৰ যুক্তি যে সকলো পদাৰ্থই যেতিয়া উৎপত্তি আৰু বিনাশ শীল, গতিকে সকলো অনিত্য।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

শ্লোকাৰ্ধেন প্ৰৱক্ষ্যামি যদুক্তং গ্ৰন্থকোটিভিঃ।
ব্ৰহ্ম সত্যং জগন্মিথ্যা জীৱো ব্ৰহ্মৈব নাপৰঃ॥

এইটো কোনো নবীন বেদান্তীৰ ৰচিত শ্লোক। নবীন বেদান্তী সকল পঞ্চম শ্ৰেণীৰ নাস্তিকৰ ভিতৰত পৰে। কাৰণ তেওঁলোকে কয় যে কোটি কোটি গ্ৰন্থৰ সিদ্ধান্ত এয়েই যে "ব্ৰহ্ম সত্য, জগৎ মিথ্যা, জীৱ আৰু ব্ৰহ্মৰ ভেদ নাই।" এই যুক্তিৰ উত্তৰত কওঁযে সকলোৰে অনিত্যতা নিত্য হলে সকলো অনিত্য হব নোৱাৰে।

প্ৰশ্ন—সকলোৰে অনিত্যতাও অনিত্য; যেনেকৈ—জুইয়ে কাষ্ঠ ভস্ম কৰি নিজেও অন্ত হৈ যায়।

উত্তৰ—যিবোৰ যথাৰ্থ ৰূপত উপলব্ধ হয়, সেইবোৰৰ বৰ্ত্তমান অনিত্যত আৰু পৰম সূক্ষ্ম কাৰণক কেতিয়াও অনিত্য বুলিব নোৱাৰি। যদি বেদান্তী সকলে ব্ৰহ্মৰ পৰাই জগতৰ উৎপত্তি স্বীকাৰ কৰে, আৰু যদি ব্ৰহ্ম সত্য হয় সেই ব্ৰহ্মৰ কাৰ্য্য অসত্য হব নোৱাৰে। যদি কয় যে ৰজ্জু সৰ্পাদি স্বপ্নবৎ কল্পিত, তথাপিও হব নোৱাৰে, কাৰণ, কল্পনা হৈছে গুণ। গুণৰ পৰা দ্ৰব্য আৰু দ্ৰব্যৰ পৰা গুণ পৃথক্ হব নোৱাৰে। কল্পনাকাৰী নিত্য হলে তেওঁৰ কল্পনাও নিত্য হোৱা আৱশ্যক। কল্পনা অনিত্য হলে কল্পনাকাৰীকো অনিত্য বুলি স্বীকাৰ কৰিব লাগিব। দৰ্শন আৰু শ্ৰৱণ নহলে স্বপ্ন কেতিয়াও হব নোৱাৰে। জাগ্ৰত অৱস্থাত অৰ্থাৎ বৰ্ত্তমানত সত্য পদাৰ্থৰ সাক্ষাৎ সম্বন্ধৰ পৰা যি প্ৰত্যক্ষাদি জ্ঞান হয়, তাৰ সংস্কাৰ অৰ্থাৎ বাসনাৰূপ জ্ঞান আত্মাত স্থিত থাকে। সেয়েই স্বপ্নত প্ৰত্যক্ষৰূপে দৃষ্ট বা শ্ৰুত হয়। যেনেকৈ সুষুপ্তি অৱস্থাত বাহ্য পদাৰ্থৰ বিষয়ত জ্ঞানাভাব অৰ্থাৎ জ্ঞান নহলেও বাহ্য পদাৰ্থবোৰ বিদ্যমান থাকে, সেইদৰে প্ৰলয় কালতো কাৰণ দ্ৰব্য বিদ্যমান থাকে। বিনা সংস্কাৰত স্বপ্ন হোৱা হলে, জন্মান্ধয়ো ৰূপৰ স্বপ্ন দেখিলে হেঁতেন। গতিকে স্বপ্ন অৱস্থাত পদাৰ্থবোৰৰ জ্ঞানমাত্ৰহে থাকে, বাহিৰত সকলো পদাৰ্থ বিদ্যমান থাকে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰশ্ন—যেনেকৈ জাগ্ৰত অৱস্থাৰ দৃশ্যমান পদাৰ্থবোৰ সুষুপ্তি অনিত্য, সেইদৰে জাগ্ৰত অৱস্থাত দৃশ্যমান আন আন পদাৰ্থবো ৰকো স্বপ্ন অৱস্থাৰ দৃশ্যমান পদাৰ্থ বোৰৰ দৰেই জ্ঞান কৰা উচিত

উত্তৰ—তেনেকৈ মানিব নোৱাৰি, কাৰণ স্বপ্ন আৰু সুষুপ্তি বাহিৰৰ পদাৰ্থবোৰৰ মাত্ৰ জ্ঞানৰ অভাৱহে হয়, অস্তিত্বৰ অভাৱ নহয় যেনেকৈ কাৰোবাৰ পাছফালে কোনো পদাৰ্থ অদৃষ্ট হৈ থাকিলেও সে বোৰৰ অভাৱ নহয়, সেইদৰে স্বপ্ন আৰু সুষুপ্তি অৱস্থাতো অভাব হ নোৱাৰে। গতিকে আগতে কৈ অহা হৈছে যে, ব্ৰহ্ম, জীৱ আৰু জগ তৰ কাৰণ অনাদি আৰু নিত্য, সেই সিদ্ধান্তই সত্য।৫॥

ষষ্ঠ শ্ৰেণীৰ নাস্তিক সকলৰ যুক্তি যে যিহেতু পঞ্চভূত নিত্য, গতিকে সমস্ত জগতেই নিত্য।

তাৰ উত্তৰত কওঁ যে, এইটোও সত্য হব নোৱাৰে। কাৰণ যি পদাৰ্থৰ উৎপত্তি আৰু বিনাশৰ কাৰণ দেখা যায়, সেই পদাৰ্থ নিত্য হব নোৱাৰে। সমস্ত স্থূল জগৎ অৰ্থাৎ দেহ আৰু ঘট পটাদি পদা ৰ্থৰ উৎপত্তি আৰু বিনাশ দেখা যায়। গতিকে উৎপন্ন কাৰ্য্যক নিত্য বুলিব নোৱাৰি।৬॥

সপ্তম শ্ৰেণীৰ নাস্তিক সকলে কয় যে সকলো পদাৰ্থই ইটো সিটোৰ পৰা ভিন্ন, একে নহয়। আমি যিবোৰ পদাৰ্থ দেখিছো সেই বোৰৰ ভিতৰত একে ধৰণৰ দ্বিতীয় পদাৰ্থ দেখা নাই।

তাৰ উত্তৰ এনে—অবয়ব বোৰৰ ভিতৰত অবয়বী, বৰ্ত্তমান কাল আকাশ, পৰমাত্মা আৰু জাতি এইবোৰ ভিন্ন ভিন্ন পদাৰ্থৰ ভিতৰত একেই। এইবোৰৰ পৰা কোনো পদাৰ্থ ভিন্ন হৈ থাকিব নোৱাৰে গতিকে সকলো পদাৰ্থ পৃথক্ নহয়; কিন্তু স্বৰূপত পৃথক্ পৃথক্ আৰু পৃথক্ পৃথক্ পদাৰ্থ বোৰৰ ভিতৰত এক পদাৰ্থও আছে।৭॥

অষ্টম শ্ৰেণীৰ নাস্তিক সকলৰ কথন এই যে, সকলো পদাৰ্থৰ ভিত ৰত ইতৰেতৰ অভাব সিদ্ধ হয় অৰ্থাৎ প্ৰতীত হয়, গতিকে সকলো

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অভাবৰূপ। যেনে—"অনশ্বো গৌঃ, অগৌৰশ্বঃ।" অৰ্থাৎ গো অশ্ব নহয়, আৰু অশ্ব গো নহয়। গতিকে সকলোৰেই অভাব।

তাৰ উত্তৰ—সকলো পদাৰ্থতেই ইতৰেতৰাভাবৰ যোগ আছে। কিন্তু "গবি গৌৰশ্বেঽশ্বো ভাবৰূপো বৰ্ত্ততে এব," অৰ্থাৎ গোত গোৰ ভাব আৰু অশ্বত অশ্বৰ ভাবেই আছে, অভাব কেতিয়াও হব নোৱাৰে। পদাৰ্থত পদাৰ্থৰ ভাব নেথাকিলে ইতৰেতৰাভাব কাৰ ভিতৰত হব? ৮॥

নবম শ্ৰেণীৰ নাস্তিক সকলে যুক্তি দিয়ে যে স্বভাবৰ পৰাই জগতৰ উৎপত্তি হয়। যেনেকৈ জল আৰু অন্ন আদি বস্তু গেলি পচি কৃমি উৎপন্ন হয়। বীজ, মাটি আৰু জলৰ সংযোগত ঘাঁহ, বন আৰু শিল পাথৰ উৎপন্ন হয়। সমুদ্ৰ আৰু বায়ুৰ সংযোগত তৰঙ্গ, তৰঙ্গৰ পৰা সমুদ্ৰ ফেন আৰু হালধি, চূণ আৰু নেমুটেঙাৰ ৰসৰ সংমিশ্ৰণত ফাকু উৎপন্ন হয়, সেইদৰেই সমস্ত জগৎ বিভিন্ন তত্ত্বোৰৰ স্বাভাৱিক গুণৰ পৰাই উৎপত্তি হয়। জগতৰ সৃষ্টি কৰ্ত্তা কোনো নাই।

তাৰ উত্তৰ—স্বাভাৱিক ভাৱে জগতৰ উৎপত্তি হলে তাৰ বিনাশ হব নোৱাৰে আৰু যদি স্বাভাৱিক ভাৱেই বিনাশ হয়, পুনৰ উৎপত্তি কেতিয়াও হব নোৱাৰে। দ্ৰব্যত উভয় স্বভাৱ যুগপৎ অৰ্থাৎ একেলগে থাকিলে কেতিয়াও উৎপত্তি আৰু বিনাশ হব নোৱাৰে। কোনো নিমিত্ত এটা লৈ উৎপত্তি আৰু বিনাশ স্বীকাৰ কৰিলে, সেই নিমিত্তক উৎপন্ন আৰু বিনাশশীল দ্ৰব্যৰ পৰা ভিন্ন বুলি স্বীকাৰ কৰিবই লাগিব। স্বভাবৰ পৰা উৎপত্তি আৰু বিনাশ হলে যথা সময়ত উৎপত্তি আৰু বিনাশ হোৱা সম্ভৱ হব নোৱাৰে। যদি স্বাভাৱিক ভাৱে উৎপত্তি হয় তেন্তে এই পৃথিবীৰ ওচৰতে অন্য এখন পৃথিবী, চন্দ্ৰৰ কাষত অন্য এটা চন্দ্ৰ বা সূৰ্য্যৰ কাষত অন্য সূৰ্য্য উৎপন্ন নহয় কিয়? যি যি পদাৰ্থৰ যোগত যি যি উৎপন্ন হয়, সেইবোৰ ঈশ্বৰ সৃষ্ট পদাৰ্থৰ বাহিৰে অন্য হব নোৱাৰে; যেনেকৈ বীজ, অন্ন (পৃথিবী) আৰু জল আদিৰ যোগত ঘাঁহ, বন আৰু কৃমি আদি উৎপন্ন হয়, কিন্তু সেইবোৰৰ সেইদৰে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যোগ নহলে নহয়। হালধি চূণ আৰু নেমু স্বয়ং নানা ঠাইৰ পৰা আনি সংযুক্ত নহয়, এজন চেতন পুৰুষে মিল কৰিলেহে হব আৰু যথোচিত পৰিমাণৰ ব্যতিক্ৰম হলে পৰিণামো বিপৰীতহে হব। সেই দৰে চৈতন্য জ্ঞান বিবেচনাপূৰ্ণ এক পৰমেশ্বৰে সুনিশ্চিত পৰিকল্পনাৰে প্ৰকৃতি পৰমাণুৰ পৰা বিভিন্ন পদাৰ্থৰ বিশ্বখন সৃষ্টি নকৰা হলে এই জগৎ কাৰো উপযোগী হোৱা সম্ভৱ নহলহেঁতেন। এজন পৰম সৃষ্টি কৰ্ত্তা নহলে স্বভাৱত সৃষ্টি হব নোৱাৰে।

প্ৰশ্ন—এই জগতৰ কোনো সৃষ্টিকৰ্ত্তা নাই, অনাদি কালৰ পৰাই এইদৰেই চলি আহিছে। জগত নতুনকৈ সৃষ্টি বা সম্পূৰ্ণ বিনাশ হব নোৱাৰে।

উত্তৰ—কৰ্ত্তা বিনা কোনো ক্ৰিয়া আৰু ক্ৰিয়াৰ পৰা কোনো পদাৰ্থ নিৰ্মিত হব নোৱাৰে। পৃথিবী আদি পদাৰ্থবোৰৰ ভিতৰত কি সংযোগ বিশেষৰ দ্বাৰাই ৰচনা (সৃষ্টি) হোৱা দেখা যায় সি অনাদি কেতিয়াও হব নোৱাৰে। যি সংযোগৰ পৰা উৎপন্ন হয় সি সংযোগৰ আগত আৰু বিনাশৰ পাছত বৰ্ত্তমান নেথাকে। ইয়াৰ প্ৰমাণ স্বৰূপে সকলোতকৈ কঠিন শিল, প্ৰস্তৰ, হীৰা, ইস্পাত আদি ভাঙি গুৰি কৰি, গলাই বা ভস্ম কৰি চালে এইবোৰত পৃথক্ পৃথক্ পৰমাণু মিলন পোৱা যাব। যত মিলন, তাৰ কালক্ৰমত পৃথক্ পৃথক্ হোৱাটো অনিবাৰ্য্য।১০॥

প্ৰশ্ন—অনাদি ঈশ্বৰ কোনো নাই। যি যোগাভ্যাস কৰি অণিমা আদি অষ্ট সিদ্ধিৰে ঐশ্বৰ্য্যবান সৰ্ব্বজ্ঞ, আৰু পূৰ্ণ জ্ঞানী হব পাৰে সেই জীৱকেই পৰমেশ্বৰ বোলে।

উত্তৰ—জগতৰ স্ৰষ্টা অনাদি ঈশ্বৰ নহলে সাধনাৰে সিদ্ধি লাভ কৰা জীৱবোৰৰ আধাৰ জীৱন জগৎ, দেহ আৰু ইন্দ্ৰিয়গোলক কেনেকৈ নিৰ্ম্মিত হব পাৰে? দেহ ইন্দ্ৰিয় নহলে জীৱই সাধনা কৰিব কেনেকৈ? সাধনা নহলে সিদ্ধি কেনেকৈ হব? জীৱই সাধনা কৰি যিমানেই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সিদ্ধি লাভ কৰক লাগে, অনাদি, সনাতন আৰু অনন্ত সিদ্ধি সম্পন্ন পৰমেশ্বৰৰ সমান হব নোৱাৰে। জীৱৰ চৰম সীমালৈকে জ্ঞান বৃদ্ধি হলেও জীৱৰ জ্ঞান আৰু সামৰ্থ্য পৰিমিত। জীৱৰ জ্ঞান আৰু সামৰ্থ্য অনন্ত হব নোৱাৰে। অদ্য পৰিমিত ঈশ্বৰৰ নিৰ্ম্মিত এই সৃষ্টিৰ পৰিবৰ্ত্তন ঘটাব পৰা কোনো যোগী বা সাধক হব পৰা নাই, আৰু হবও নোৱাৰে। চকুৰে দেখা, কাণেৰে শুনা ইত্যাদি পৰমেশ্বৰৰ সৃষ্টিৰ বিধান আজি পৰ্য্যন্ত কোনো সাধক বা যোগীয়ে পৰিবৰ্ত্তন ঘটাব পৰা নাই, গতিকে জীৱ কেতিয়াও ঈশ্বৰ হব নোৱাৰে।

প্ৰশ্ন—কল্প কল্পান্তৰত ঈশ্বৰে ভিন্নৰূপৰ সৃষ্টি কৰে নে একে ধৰণৰেই কৰে ?

উত্তৰ—বৰ্ত্তমানৰ যি ৰূপ, সি অতীতত আছিল আৰু ভৱিষ্যতেও সেই একেদৰেই হব।

সূৰ্য্যাচন্দ্ৰমসৌ ধাতা যথা পূৰ্ব্বমকল্পয়ৎ।
দিবং চ পৃথিবীং চান্তৰিক্ষমথো স্বঃ॥

(ঋ০ ম০ ১০। সূ০ ১৯০। ম০ ৩)॥

(ধাতা) পৰমেশ্বৰে যেনেকৈ পূৰ্ব্বকল্পত সূৰ্য্য, চন্দ্ৰ, বিদ্যুৎ পৃথিবী আৰু অন্তৰিক্ষ আদি সৃষ্টি কৰিছিল বৰ্ত্তমানো সেইদৰে কৰিছে আৰু ভৱিষ্যতেও সেই দৰেই কৰিব। পৰমেশ্বৰৰ কাৰ্য্যত ভ্ৰম প্ৰমাদ আদি নাই, গতিকে সদায় এক ৰূপত থাকিব। যি অল্পজ্ঞ আৰু যাৰ জ্ঞান বঢ়া-টুটা হয়, তেওঁৰ কৰ্ম্মত ভ্ৰম প্ৰমাদ হয়, কিন্তু সৰ্ব্বজ্ঞ ঈশ্বৰৰ কাৰ্য্যত তেনে নহয়।

প্ৰশ্ন—সৃষ্টিৰ বিষয়ে বেদাদি সকলো শাস্ত্ৰত একমত নে মতৰ অনৈক্য আছে ?

উত্তৰ—ঐক্য আছে।

প্ৰশ্ন—ঐক্য থাকিলে—

তস্মাদ্বা এতস্মাদাত্মন আকাশঃ সম্ভূতঃ। আকাশাদ্বায়ুঃ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বায়োৰগ্নিঃ। অগ্নেৰাপঃ। অদ্ভ্যঃ পৃথিবী। পৃথিব্যা ওষধয়ঃ ওষধিভ্যোঽন্নম্। অন্নাদ্ৰেতঃ। ৰেতসঃ পুৰুষঃ স বা এষ পুৰুষোঽন্নৰসময়ঃ॥

(তৈত্তিৰীয়োপনিষৎ, ব্ৰহ্মানন্দব০। অনু০ ১॥)

ইয়াৰ অৰ্থ এয়ে যে সেই পৰম ব্ৰহ্ম আৰু প্ৰকৃতিৰ পৰাই আকাশ বা অৱকাশ অৰ্থাৎ যি কাৰণৰূপ তত্ত্ব সৰ্ব্বত্ৰ বিস্তৃত আছিল, তাৰ সংহতি কৰাবৰ কাৰণে অৱকাশ সৃষ্টি হয় আচলতে আকাশৰ সৃষ্টি নহয়। কাৰণ আকাশ নাথাকিলে প্ৰকৃতি আৰু পৰমাণু কত থাকিব? আকাশৰ পাছত বায়ু, বায়ুৰ পাছত অগ্নি, অগ্নিৰ পাছত জল, জলৰ পাছত পৃথিবী, পৃথিবীৰ পৰা গছ-লতা, তাৰ পৰা খাদ্য, খাদ্যৰ পৰা বীৰ্য্য আৰু বীৰ্য্যৰ পৰা পুৰুষ অৰ্থাৎ শৰীৰ উৎপন্ন হয়। তৈত্তিৰীয়ত এইদৰে আকাশাদি ক্ৰমানুসাৰে ছান্দোগ্যত অগ্নি আদি ক্ৰমে আৰু ঐতৰেয়ত জলাদি ক্ৰমানুসাৰে সৃষ্টি বিকাশ হৈছে। বেদৰ কোনো স্থলত পুৰুষৰ পৰা, কোনো স্থলত হিৰণ্যগৰ্ভ আদিৰ পৰা, মীমাংসাত কৰ্ম্মৰ পৰা, বৈশেষিকত কালৰ পৰা, ন্যায়ত পৰমাণুৰ পৰা, যোগত পুৰুষাৰ্থৰ পৰা, সাংখ্যত প্ৰকৃতিৰ পৰা আৰু বেদান্তত ব্ৰহ্মৰ পৰা সৃষ্টিৰ উৎপত্তি হোৱা বুলি ধৰা হয়। এতিয়া কোনটো সত্য আৰু কোনটো মিছা বুলি ধৰিম?

উত্তৰ—এই সকলোবোৰ সত্য, কোনোটো মিছা নহয়। বিপৰীত বুজাহে অসত্য। কিয়নো, পৰমেশ্বৰ জগতৰ নিমিত্ত কাৰণ আৰু প্ৰকৃতি উপাদান কাৰণ। মহাপ্ৰলয়ৰ পাছত সৃষ্টি আকাশাদি ক্ৰমানুসাৰে হয়। অৰ্থাৎ যেতিয়া আকাশ আৰু বায়ুৰ প্ৰলয় নহয়, অগ্নি আদিৰ হয়, তেতিয়া অগ্নি আদি ক্ৰমত সৃষ্টি হয়। অৰ্থাৎ যি প্ৰলয়ত যি তত্ত্ব বা পদাৰ্থ পৰ্য্যন্ত প্ৰলয় হয়, সেই পদাৰ্থৰ পৰা সৃষ্টিৰ আৰম্ভ হয়।

প্ৰথম সমুল্লাসত লিখা হৈছে যে পুৰুষ আৰু হিৰণ্যগৰ্ভ আদি পৰমেশ্বৰৰ নাম। একেই কাৰ্য্যত একে বিষয়ত বিৰুদ্ধবাদ হলে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিৰোধ বোলে। ছয় শাস্ত্ৰৰ ঐক্য এনেকুৱা :—

মীমাংসাৰ মতে কৰ্ম্ম-চেষ্টা বিনা জগতত কোনো কাৰ্য্যই হব নোৱাৰে। বৈশেষিকৰ মতে সময় বিনা সৃষ্টি হব নোৱাৰে। ন্যায়ৰ মতে উপাদান কাৰণ বিনা কোনো বস্তুৰ সৃষ্টি হব নোৱাৰে। যোগৰ মতে বিদ্যা, জ্ঞান আৰু বিবেচনা বিনা সৃষ্টি হব নোৱাৰে। সাংখ্যৰ মতে তত্ত্ব সমূহৰ মিলন বিনে সৃষ্টি হব নোৱাৰে। বেদান্তৰ মতে সৃষ্টি কৰ্ত্তাই সৃষ্টি নকৰিলে কোনো পদাৰ্থ উৎপন্ন হব নোৱাৰে। গতিকে এই ছয় কাৰণৰ পৰাই সৃষ্টি হয়। এই ছয় কাৰণৰ ব্যাখ্যা ছয় শাস্ত্ৰত এক এক প্ৰকাৰে লিখিত হৈছে। এই বোৰৰ ভিতৰত কোনো মৌলিক বিৰোধ নাই। ছয় শাস্ত্ৰই ছয় দৃষ্টিৰে সৃষ্টি কাৰ্য্যৰ ব্যাখ্যা পূৰ্ণ কৰিছে। যেনেকৈ পাঁচজন অন্ধ আৰু এজন ক্ষীণ দৃষ্টিৰ মানুহৰ একোজনক হাতীৰ বেলেগ বেলেগ একোটা অঙ্গৰ এজনে কথা কৈছিল। পাছত তেওঁলোকক আন এজনে হাতী কেনেকুৱা বুলি সুধিলত প্ৰথমজনে কলে "খুটাৰ দৰে" দ্বিতীয়জনে কলে "কুলাৰ দৰে", তৃতীয়জনে কলে "উৰাল মাৰিৰ দৰে", চতুৰ্থজনে কলে "ঝাড়ুৰ দৰে", পঞ্চমজনে কলে "বেদীৰ দৰে" আৰু ষষ্ঠজনে কলে 'চাৰিটা খুটাৰ ওপৰত থকা ম'হৰ" দৰে সেই দৰেই আধুনিক অনাৰ্ষ নবীন গ্ৰন্থ পঢ়োতা আৰু প্ৰাকৃত ভাষা ভাষী সকলে ঋষি প্ৰণীত গ্ৰন্থ অধ্যয়ন নকৰি অল্প বুদ্ধিৰ কল্পিত নবীন সংস্কৃত আৰু স্থানীয় ভাষাৰ গ্ৰন্থ পঢ়ি ইটো সিটোৰ মাজত মত-ভেদ হোৱা বাবে কাজিয়া-পেচাল কৰে। তেওঁলোকৰ বাদ বিবাদৰ যুক্তিয়ে বিদ্বান সমাজক আকৰ্ষণ কৰিব নোৱাৰে। কাৰণ অন্ধই পথ প্ৰদৰ্শন কৰিব নোৱাৰে। আচলতে আধুনিক অল্পজ্ঞ স্বাৰ্থপৰ আৰু ইন্দ্ৰিয়াসক্ত লোকৰ ছল চাতুৰিত জগতৰ সৰ্ব্বনাশ হবৰ উপক্ৰম হৈছে।

প্ৰশ্ন—যদি বিনা কাৰণে কাৰ্য্য নহয়, তেন্তে কাৰণৰ কাৰণ নাই কিয় ?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰঃ—সৰল বুদ্ধিৰ ভাই সকল! নিজৰ বুদ্ধিৰেই চিন্তা কৰি চাবচোন। সংসাৰত দুটা পদাৰ্থহে আছে; তাৰ ভিতৰত এটা কাৰণ আনটো কাৰ্য্য। যি কাৰণ, সি কাৰ্য্য হব নোৱাৰে আৰু যেতিয়া কাৰ্য্য তেতিয়া সেইটো কাৰণ নহয়। যিমান দিন মানুহে সৃষ্টিক যথাৰ্থৰূপে বুজিব নোৱাৰে, সিমান দিন পৰ্য্যন্ত সম্পূৰ্ণ জ্ঞান নহয়।

নিত্যায়াঃ সত্ত্বৰজস্তমসাং সাম্যাবস্থায়াঃ প্ৰকৃতেৰুৎপন্নানাং পৰমসূক্ষ্মাণাং পৃথক্ পৃথক্ বৰ্ত্তমানানাং তত্ত্বপৰমাণূনাং প্ৰথমঃ সংযোগাৰম্ভঃ সংযোগবিশেষাদবস্থান্তৰস্য স্থূলাকাৰপ্ৰাপ্তিঃ সৃষ্টিৰুচ্যতে ॥

অনাদি নিত্যস্বৰূপ সত্ত্ব-ৰজঃ-তমো গুণৰ সাম্যাৱস্থাৰূপ প্ৰকৃতিৰ পৰা উৎপন্ন যি পৰমসূক্ষ্ম পৃথক্ পৃথক্ বিদ্যমান তত্ত্বাবয়বৰ প্ৰথম যি সংযোগ **আৰম্ভ**, সেই সংযোগ বিশেষৰ পৰা অৱস্থান্তৰ অৰ্থাৎ **অৱস্থাৰ** পৰিৱৰ্তন হৈ **সূক্ষ্ম** আৰু স্থূলাকাৰ হৈ হৈ বিচিত্ৰৰূপ নিৰ্ম্মিত হৈছে। এইদৰে সংসৰ্গ হোৱাকেই সৃষ্টি বোলে!

যি পদাৰ্থ প্ৰথম সংযোগত মিলিত হয় আৰু মিলন ঘটায়, যি সংযোগৰ আদি আৰু বিয়োগৰ অন্ত অৰ্থাৎ যাৰ বিভাগ হব নোৱাৰে, তাকেই কাৰণ বোলে। যি সংযোগত নিৰ্ম্মিত হয়, কিন্তু বিয়োগৰ পাছত তদ্ৰূপ নেথাকে, তাকেই কাৰ্য্য বোলে। যি সেই কাৰণৰ কাৰণ, কাৰ্য্যৰ কাৰ্য্য, কৰ্ত্তাৰ কৰ্ত্তা, সাধনৰ সাধন আৰু সাধ্যৰ সাধ্য ইত্যাদিৰ কথা কয়, তেওঁৰ চকু থাকিও অন্ধ, কাণ থাকিও কলা আৰু জ্ঞান থাকিও মূৰ্খ। চকুৰ চকু, প্ৰদীপৰ প্ৰদীপ, সূৰ্য্যৰ সূৰ্য্য কেতিয়াবা হব পাৰেনে? যাৰ পৰা কোনো বস্তু উৎপন্ন হয় তাক কাৰণ বোলে, আৰু যি উৎপন্ন হয় তাক কাৰ্য্য বোলে। যি কাৰণক কাৰ্য্যৰূপত পৰিণত কৰে তেওঁৱেই কৰ্ত্তা।

নাসতো বিদ্যতে ভাবো নাভাবো বিদ্যতে সতঃ।
উভয়োৰপি দৃষ্টোঽন্তস্ত্বনয়োস্তত্ত্বদৰ্শিভিঃ ॥

(ভগবদ্‌গীতা অঃ ২। ১৬)।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অসতৰ ভাব অৰ্থাৎ বিদ্যমানতা আৰু সতৰ অভাব অৰ্থাৎ অবৰ্ত্তমানতা কেতিয়াও হব নোৱাৰে। তত্ত্বদৰ্শীসকলে এই দুই তত্ত্বৰ নিৰ্ণয় কৰিছে। পক্ষপাতী, দুৰাগ্ৰহী, মলিনাত্মা, আৰু অজ্ঞানী সকলে এই কথা উপলব্ধি কৰা সহজ নহয়। যি সকল বিদ্বান পুৰুষে সৎপৰায়ণ হৈ চিন্তা কৰিব নোৱাৰে তেওঁলোক সদায় ভ্ৰমজালতেই আবদ্ধ থাকে। যাৰ অন্তৰত জিজ্ঞাসা উদয় হয়, যিবিলাকে জানিবৰ কাৰণে নিৰপেক্ষ আৰু নিৰন্তৰ চেষ্টা কৰে—আৰু যি সকল ন্যায় আৰু সত্যত ব্ৰতী, সেই সকলেই মানব সমাজত শ্ৰেষ্ঠ আৰু ধন্য। গতিকে যি বিনা কাৰণত সৃষ্টি হোৱা বুলি মানে সেই জনে একো তত্ত্ব নেজানে।

সৃষ্টিৰ সময় উপস্থিত হলে পৰমাত্মাই পুৰ্ব্বোক্ত নিত্য বৰ্ত্তমান পৰম সূক্ষ্ম পদাৰ্থবোৰক সংযোগ সম্মিলিত কৰে। সেইবোৰৰ প্ৰথম অৱস্থাত পৰম সূক্ষ্ম প্ৰকৃতিৰূপ কাৰণৰ দ্বাৰা যি কিঞ্চিৎ স্থুল হয়, সেই অৱস্থা-কেই মহত্তত্ত্ব বোলা হয়। যি মহত্তত্ত্বতকৈ কিঞ্চিৎ স্থুল হয়, তাক অহঙ্কাৰ বোলা হয়। অহঙ্কাৰৰ পৰা ভিন্ন ভিন্ন পাঁচ বিধ সূক্ষ্মভূত, শ্ৰোত্ৰ, ত্বক, নেত্ৰ, জিহ্বা, আৰু ঘ্ৰাণ এই পঞ্চ জ্ঞানেন্দ্ৰিয় আৰু বাক্, হস্ত, পাদ, উপস্থ আৰু গুহ্য এই পাঁচ বিধ কৰ্ম্মেন্দ্ৰিয় আৰু মন, অপেক্ষাকৃত স্থুলৰূপত উৎপন্ন হয়। ওপৰোক্ত সূক্ষ্মভূত পঞ্চতন্মাত্ৰাৰ পৰাই বহুত স্থুল অৱস্থালৈ পৰিবৰ্ত্তন হৈ ক্ৰমে ক্ৰমে যি পঞ্চ স্থুলভূত উৎপন্ন হয়, সেইবোৰেই আমাৰ প্ৰত্যক্ষ হয়। স্থুলভূতৰ পৰাই নানা বিধ ঔষধি আৰু বৃক্ষাদি উৎপন্ন হয়। ঔষধি আৰু বৃক্ষাদিৰ পৰাই অন্ন, অন্নৰ পৰা বীৰ্য্য আৰু বীৰ্য্যৰ পৰা শৰীৰ উৎপন্ন হয়।

আদিতে মৈথুনী অৰ্থাৎ স্ত্ৰী-পুৰুষৰ মিলনৰ পৰা সৃষ্টি নহয়। পৰমাত্মাই স্ত্ৰীপুৰুষৰ শৰীৰ সৃষ্টি কৰি তাত জীৱসংযোগ কৰি দিলে তাৰ পাছত মৈথুনী সৃষ্টি চলি থাকে। শৰীৰ ৰচনাৰ ভিতৰত সৃষ্টি বিদ্যাৰ আশ্চৰ্য্য বিচক্ষণতা চিন্তা কৰি চাওক। এই আচৰিত সৃষ্টি বিদ্যাৰ অন্ত নেপাই পণ্ডিত সকল আশ্চৰ্য্যান্বিত আৰু অবাক্ হয়। দেহৰ ভিত-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰত অস্থি যোজনা, নাড়ীবন্ধন, মাংসলেপন, চৰ্ম্মাচ্ছাদন, প্লীহা, যকৃৎ ফুচু পংখা কৌশলৰ দৰে হাওফাও স্থাপন, জীৱ সংযোগ, শিৰোৰূপ মূলৰচনা লোম নখাদি স্থাপন, তন্ত্ৰীৰ দৰে চকুৰ অতি সূক্ষ্ম শিৰা ৰচনা, ইন্দ্ৰিয় মাৰ্গ প্ৰকাশ, জীৱৰ জাগ্ৰত, স্বপ্ন, সুষুপ্তি অৱস্থাত ভোগৰ বিশেষ বিশেষ স্থানৰ নিৰ্ম্মাণ, সকলো ধাতুৰ বিভাগ, কলা কৌশল স্থাপন, আদি অদ্ভুত সৃষ্টি পৰমেশ্বৰৰ বাহিৰে আন কোনে কৰিব পাৰে ? ইয়াৰ বাহিৰেও নানাবিধ ৰত্ন, ধাতু পুৰ্ণ ভূমি, বট আদি বৃক্ষাদিৰ বীজৰ ভিতৰত অতি সূক্ষ্ম ৰচনা, অসংখ্য হৰিৎ, শ্বেত, পীত, কৃষ্ণ, চিত্ৰবিচিত্ৰ ও মিশ্ৰিত বৰ্ণৰ পত্ৰ, পুষ্প আৰু ফল মূলৰ নিৰ্ম্মাণ, মিষ্ট, ক্ষাৰ, কটু, কষায়, তিক্ত, অম্ল (টেঙা) আদি বিবিধ ৰস, সুগন্ধাদি যুক্ত পত্ৰ, পুষ্প ফল, অন্ন, আৰু কন্দ-মূল, আদিৰ ৰচনা, কোটি কোটি পৃথিবী চন্দ্ৰ সূৰ্য্য আদি লোকৰ সৃষ্টি, ধাৰণ, ভ্ৰমণ, আৰু নিয়ন্ত্ৰণ আদি পৰমেশ্বৰৰ বাহিৰে কোনে কৰিব পাৰে ?

কোনোৱে যেতিয়া কোনো পদাৰ্থ দেখে তাৰ তেতিয়া দুই প্ৰকাৰৰ জ্ঞান হয়। প্ৰথম পদাৰ্থৰ জ্ঞান, দ্বিতীয় পদাৰ্থৰ ৰচনা দেখি সৃষ্টি কৰ্ত্তাৰ জ্ঞান। দৃষ্টান্ত ৰূপে কোনোৱে এঠাইত কোনো এক সুন্দৰ অলঙ্কাৰ পালে মনত অলঙ্কাৰৰ সৌন্দৰ্য্যৰ জ্ঞান আৰু সুদক্ষ শিল্পীৰ জ্ঞান। সেই দৰেই বিচিত্ৰ ৰচনা দেখি এক সৃষ্টিকৰ্ত্তা পৰমেশ্বৰৰ প্ৰতিপাদন হয়।

প্ৰশ্ন— প্ৰথমে মানৰ সৃষ্টি হৈছিল নে পৃথিবী আদিৰ ?

উত্তৰ— পৃথিবী আদিৰ। কাৰণ আগতে পৃথিবী আদি নহলে মনুষ্যাদিৰ স্থিতি আৰু পালন পোষণ হব নোৱাৰে।

প্ৰশ্ন—সৃষ্টিৰ আৰম্ভতে এজনৰ নে একেলগে বহু মানুহৰ সৃষ্টি হৈছিল ?

উত্তৰ—অনেক। কাৰণ যিবোৰ জীৱৰ কৰ্ম্ম ঐশী সৃষ্টিত উৎপন্ন হবৰ উপযুক্ত আছিল, সৃষ্টিৰ আৰম্ভত ঈশ্বৰে সেইবোৰক প্ৰথম উৎপন্ন

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰে। যজুৰ্ব্বেদ আৰু যজুৰ্ব্বেদীয় ব্ৰাহ্মণত লিখিত আছে, "মনুষ্যা ঋষয়শ্চ য়ে। ততো মনুষ্যা অজায়ন্ত"। ইয়াৰ দ্বাৰাই নিশ্চিত জ্ঞান হয় যে আদিতে অনেক অৰ্থাৎ শত সহস্ৰ মনুষ্য উৎপন্ন হৈছিল। সৃষ্টি লক্ষ কৰিলেও বুজিব পাৰি যে মনুষ্য জাতি অনেক মাতা পিতাৰ সন্তান।

প্ৰশ্ন— আদি সৃষ্টিত মনুষ্যাদি বাল্য, যৌৱন, বা বৃদ্ধাৱস্থাত নে তিনিও অৱস্থাত উৎপন্ন হৈছিল ?

উত্তৰ—যৌৱন অৱস্থাত। কাৰণ শৈশৱ অৱস্থাত উৎপন্ন কৰিলে প্ৰতিপালন কৰোঁতাৰ প্ৰয়োজন হয়। বৃদ্ধাবস্থাত সৃষ্টি কৰিলেও মৈথুনী সৃষ্টি হব নোৱাৰে। গতিকে যৌৱন অৱস্থাতেই সৃষ্টি হৈছে।

প্ৰশ্ন—সৃষ্টিৰ আৰম্ভ আছে নে নাই ?

উত্তৰ—নাই। যেনেকৈ দিনৰ আগত ৰাতি, ৰাতিৰ আগত দিন, দিনৰ পাছত ৰাতি, ৰাতিৰ পাছত দিন এইদৰেই চলি আহিছে, সেইদৰেই সৃষ্টিৰ আগত প্ৰলয়, প্ৰলয়ৰ আগত সৃষ্টি, সৃষ্টিৰ পাছত প্ৰলয়, প্ৰলয়ৰ পাছত সৃষ্টি চক্ৰবৎ অনাদি কালৰ পৰাই চলি আহিছে। সৃষ্টিৰ আদি বা অন্ত নাই। যেনেকৈ দিন ৰাতিৰ আৰম্ভ আৰু অন্ত দেখা যায় সেইদৰেহে সৃষ্টি আৰু প্ৰলয়ৰ আদি অন্তহে থাকে। যেনেকৈ পৰমাত্মা, জীৱ আৰু জগতৰ কাৰণ এই তিনি স্বৰূপতঃ অনাদি, সেইদৰে জগতৰ সৃষ্টি আৰু স্থিতি প্ৰবাহ ৰূপো অনাদি। যেনেকৈ নদীৰ প্ৰবাহ কেতিয়াবা শুকান, কেতিয়াবা অদৃশ্য দৃষ্টিগোচৰ হয়, অৰ্থাৎ বৰ্ষাকালত দৃশ্য আৰু গ্ৰীষ্মকালত অদৃশ্য হয়, সেইদৰে জগতৰ ব্যাপাৰবোৰো প্ৰবাহৰূপ বুজিব লাগিব। পৰমেশ্বৰৰ গুণ স্বভাৱ কৰ্ম্ম যেনে অনাদি, তেওঁৰ জগতৰ সৃষ্টি স্থিতি, প্ৰলয়ো তেনে অনাদি। ঈশ্বৰৰ গুণ কৰ্ম্ম স্বভাবৰ আৰম্ভ আৰু অন্ত নাই, সেইদৰে তেওঁৰ কৰ্ত্তব্য কৰ্ম্মৰো আৰম্ভ আৰু অন্ত নাই।

প্ৰশ্ন—পৰমেশ্বৰে কোনো জীৱক মনুষ্য, কোনোক সিংহাদি ক্ৰুৰ, কোনোক হৰিণ আৰু গবাদি পশু, কোনোক বৃক্ষ ক্ৰমি, কীট পতঙ্গ প্ৰভৃতি ৰূপে জন্ম দিয়াত তেওঁক পক্ষপাত কৰা বুলিব নোৱাৰি নে?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ—পক্ষপাত কৰা হোৱা নাই। কাৰণ পূৰ্ব্ব সৃষ্টিত কৰা সেই বোৰ জীৱৰ কৰ্ম্মানুসাৰেহে ব্যৱস্থা কৰা হৈছে। বিনা কৰ্ম্মত জন্ম ব্যৱস্থা কৰিলেহে পক্ষপাত হয়।

প্ৰশ্ন—মানুহৰ আদি সৃষ্টি ক'ত হৈছিল ?

উত্তৰ—ত্ৰিবিষ্টপত অৰ্থাৎ যাক আজিকালি তিব্বত বোলা হয়।

প্ৰশ্ন—আদি সৃষ্টিত জাতি একেটা আছিল নে বহুতো ?

উত্তৰ—এক মানৱ জাতি আছিল। পাছত "বিজানীহ্যাৰ্য্যান্ যে চ দস্যবঃ" (ঋ০ ১।৫১।৮) এয়া ঋগ্বেদৰ বচন। শ্ৰেষ্ঠ সকলে আৰ্য্য বিদ্বান আৰু দেব আখ্যা পায় আৰু দুষ্টবোৰে অসুৰ দস্যু আৰু মূৰ্খ আখ্যা পায়। "উত শূদ্ৰে উতাৰ্য্যে" অথৰ্ব বেদৰ বচন। আৰ্য্যসকলৰ ভিতৰত ওপৰত কোৱাৰ দৰে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ এই চাৰি বিভাগ হ'ল। দ্বিজ বিদ্বান্ সকলৰ সাধাৰণ আখ্যা আৰ্য্য হয় আৰু মূৰ্খবোৰৰ শূদ্ৰ, অনাৰ্য্য বা অনাড়ী আখ্যা হ'ল।

প্ৰশ্ন—বাৰু, তেওঁবিলাক এই দেশলৈ কেনেকৈ আহিল ?

উত্তৰ যেতিয়া আৰ্য্য আৰু দস্যু অৰ্থাৎ বিদ্বান্ দেব আৰু অবিদ্বান্ অসুৰৰ মাজত বাদ বিবাদ হৈ নানা উপদ্ৰৱ হবলৈ ধৰিলে, তেতিয়া আৰ্য্যসকলে সমগ্ৰ পৃথিৱীৰ ভিতৰত এই ভূভাগক সৰ্ব্বশ্ৰেষ্ঠ বুলি জানি এই দেশলৈ আহি বাস কৰিবলৈ ধৰিলে। সেই কাৰণেই এই ভূভাগৰ নাম "আৰ্য্যাবৰ্ত্ত" হ'ল।

প্ৰশ্ন—আৰ্য্যাবৰ্ত্তৰ সীমা কলৈকে ?

উত্তৰ— আসমুদ্ৰাত্তু বৈ পূৰ্ব্বাদাসমুদ্ৰাত্তু পশ্চিমাৎ।
তয়োৰেবান্তৰং গিৰ্য্যোৰাৰ্য্যাবৰ্ত্তং বিদুৰ্বুধাঃ ॥১॥
সৰস্বতীদৃষদ্বত্যো দেবনদ্যোৰ্যদন্তৰম্।
তং দেবনিৰ্ম্মিতং দেশমাৰ্য্যাবৰ্ত্তং প্ৰচক্ষতে ॥২॥
মনু০ (২।২২।১৭)॥

উত্তৰে হিমালয়, দক্ষিণে বিন্ধ্যাচল, পুবে আৰু পশ্চিমে সমুদ্ৰ॥১॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পশ্চিমে সৰস্বতী অৰ্থাৎ অটক নদী আৰু পূব দিশত দৃষদ্বতী নদী। এই নদী নেপালৰ পূৰ্ব্ব ভাগৰ পৰ্ব্বতশ্ৰেণীৰ পৰা ওলাই গৈ বঙ্গ আৰু আসামৰ পুব আৰু ব্ৰহ্মদেশৰ পশ্চিমেদি দক্ষিণৰ সমুদ্ৰত পৰিছেগৈ। ইয়াৰ নাম ব্ৰহ্মপুত্ৰ। অটক উত্তৰস্থ পৰ্ব্বত শ্ৰেণীৰ পৰা বাহিৰ হৈ দক্ষিণৰ উপসাগৰত মিলিত হৈছে। উত্তৰে হিমালয়ৰ মধ্যৰেখাৰ পৰা দক্ষিণ আৰু পাহাৰবোৰৰ ভিতৰ আৰু ৰামেশ্বৰ পৰ্য্যন্ত বিন্ধ্যাচলৰ মাজত থকা সকলো প্ৰদেশকেই আৰ্য্যাবৰ্ত্ত বোলে।

প্ৰশ্ন—এই দেশৰ আদিতে কি নাম আছিল আৰু কোনে বাস কৰিছিল ?

উত্তৰ—আৰ্য্য সকলৰ আগত এই দেশৰ কোনো নাম নাছিল আৰু আৰ্য্য সকলৰ আগত কাৰো বাসস্থানো নাছিল। কাৰণ সৃষ্টিৰ পাতনিতে আৰ্য্যসকল কিছুকাল তিব্বতৰ পৰা এই দেশলৈ আহি বাস কৰিবলৈ লৈছিল।

প্ৰশ্ন—কোনো কোনোৱে কয় আৰ্য্যসকল ইৰাণৰ পৰা আহিছিল বাবে তেওঁলোকে আৰ্য্য নাম পায়। তাৰ আগত এই দেশত বনৰীয়া লোকৰ বসতি আছিল যাক অসুৰ আৰু ৰাক্ষস বোলা হৈছিল। আৰ্য্য সকলে নিজক দেৱতা বুলি কৈছিল, আৰু আদিবাসী সকলৰ লগত যেতিয়া সংগ্ৰাম হৈছিল, সেই সংগ্ৰামবোৰ দেৱাসুৰৰ সংগ্ৰাম নাম দিছিল।

উত্তৰ—এই কথা একেবাৰেই মিছা—

বিজানীহ্যাৰ্য্যান্যে চ দস্যবো বৰ্হিষ্মতে ৰন্ধয়া
শাসদব্ৰতান্ ॥ ঋ০ ম০ ১। সূ০ ৫১। মং ৮॥
উত শূদ্ৰে উতাৰ্য্যে ॥ অথৰ্ব্ব০ কা০ ১৯। ব০ ৬২॥

আগতে লিখা হৈছে যে ধৰ্ম্ম পৰায়ণ, বিদ্বান, আৰু আপ্ত পুৰুষ সকলৰ আখ্যা আৰ্য্য, ইয়াৰ বিপৰীতবোৰৰ আখ্যা অসুৰ, ৰাক্ষস, অনাৰ্য্য আদি। সেই অৰ্থতেই ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, দ্বিজৰ নাম আৰ্য্য আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

শূদ্ৰৰ নাম অনাৰ্য্য বা অনাড়ী। আৰ্য্য সংস্কৃতিৰ মূল বেদে যেতিয়া এনেকুৱা ব্যাখ্যা দিছে, এনে স্থলত বিদেশী লোকৰ কল্পিত কথা বুদ্ধিমান মানুহে কেতিয়াও মানি লব নোৱাৰে। দেবাসুৰৰ সংগ্ৰামত, অৰ্থাৎ হিমালয় পৰ্ব্বতীয়া অঞ্চলৰ আৰ্য্য আৰু দস্যু, ম্লেচ্ছ, অসুৰ আদিৰ মাজত যিবোৰ যুদ্ধ হৈছিল, তেনেবোৰ যুদ্ধত আৰ্য্যাবৰ্ত্তীয় অৰ্জ্জুন, মহাৰাজ দশৰথ আদিয়ে দেব অৰ্থাৎ আৰ্য্য সকলৰ ৰক্ষা আৰু অসুৰৰ পৰাজয় সাধন কৰাত সহায়ক হৈছিল। ইয়াৰ দ্বাৰা এয়েই প্ৰতিপাদিত হয় যে আৰ্য্যাবৰ্ত্তৰ বাহিৰে চাৰিওফালে, আৰু হিমালয়ৰ পূব, পশ্চিম, উত্তৰ, দক্ষিণ, অগ্নি, বায়ু, নৈঋৰ্ত ঈশান দিশত থকা মানুহক অসুৰ বোলা হৈছিল। কাৰণ যেতিয়াই তেতিয়াই হিমালয় প্ৰদেশস্থ আৰ্য্য সকলৰ ওপৰত অনাৰ্য্যৰ আক্ৰমণ হৈছিল, এই দেশৰ বীৰ যোদ্ধা সকলে সেইবোৰ যুদ্ধত আৰ্য্য সকলৰ সহায়তাৰ কাৰণে যুদ্ধ কৰিবলৈ গৈছিল। এনেকুৱা আখ্যান বহুত সংস্কৃত সাহিত্যত পোৱা যায়। দক্ষিণত ৰামচন্দ্ৰ আৰু ৰাৱণৰ লগত যি যুদ্ধ হৈছিল সেই যুদ্ধৰ নাম দেবাসুৰ সংগ্ৰাম নহয়, ৰাম-ৰাৱণৰ যুদ্ধ বা আৰ্য্য ৰাক্ষসৰ যুদ্ধ বুলিহে বৰ্ণিত হৈছে। বেদৰ পৰা আৰম্ভ কৰি কোনো সংস্কৃত গ্ৰন্থত উল্লেখ পোৱা নেযায় যে, আৰ্য্য সকল ইৰাণৰ পৰা আহি এই দেশৰ অনাৰ্য্যবোৰক পৰাজয় কৰি বাস কৰে। এনেবোৰ বিদেশীৰ কল্পিত কল্পনা নিজস্ব বুদ্ধি বৃত্তি থকা মানুহে মানি লব নোৱাৰে।

আৰু :—

ম্লেচ্ছবাচশ্চাৰ্য্যবাচঃ সৰ্ব্বে তে দস্যবঃ স্মৃতাঃ॥ (মনু০ ১০।৪৫)

ম্লেচ্ছ দেশস্ত্বতঃ পৰঃ॥ মনু০ ২।২৩॥

আৰ্য্যাবৰ্ত্ত ভিন্ন অন্য দেশক দস্যুদেশ আৰু ম্লেচ্ছ দেশ বোলে। ইয়াৰ দ্বাৰাই বুজিব পাৰি যে আৰ্য্যাবৰ্ত্তৰ বাহিৰে পূব ঈশান, উত্তৰ বায়ব্য, আৰু পশ্চিম দেশবাসীৰ নাম দস্যু, ম্লেচ্ছ আৰু অসুৰ আৰু নৈঋত্য, দক্ষিণ, আৰু আগ্নেয় দিকৰ আৰ্য্যাবৰ্ত্তৰ বাহিৰৰ দেশবাসীৰ নাম ৰাক্ষস আছিল। ৰাক্ষসৰ যি ভয়ঙ্কৰ বৰ্ণনা দিয়া আছে সেইবোৰৰ মিল

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

'হবশী' সকলৰ চেহেৰাত গোৱা যায়। নাগ মানে পাহাড় আৰু সৰ্প। কোনো স্থান বা পাহাড় বাসীৰ নাম নাগী হয়। ঠাই বা দেশৰ নাম অনুসাৰে জাতিৰ নাম জনাজাত হয়। নাগ ৰাজ্যৰ কন্যা উলুপীৰ লগত অৰ্জুনৰ বিবাহ হৈছিল। পূৰ্ব্বপুৰুষ ইক্ষাকুৰ পৰা আৰম্ভ কৰি কৌৰৱ পাণ্ডৱৰ সময়লৈকে আৰ্য্যসকলৰ ৰাজত্ব দেশান্তৰলৈকে বিস্তাৰিত আছিল আৰু আৰ্য্যাবৰ্ত্তৰ বাহিৰেও অন্যান্য দেশতো বৈদিক সংস্কৃতিৰ অল্পবিস্তৰ প্ৰচাৰ আছিল। এই বিষয়ে প্ৰমাণ এয়ে যে, ব্ৰহ্মাৰ পুত্ৰ বিৰাট, বিৰাটৰ পুত্ৰ মনু, মনুৰ মৰীচি আদি দশ পুত্ৰৰ ভিতৰত স্বায়ম্ভুৱকে আদি কৰি সাতজন ৰজা হৈছিল। সেই সকলৰ বংশধৰ ইক্ষাকু আৰ্য্যাবৰ্ত্তৰ প্ৰথম ৰজা আছিল। কালক্ৰমত আৰ্য্যসকলৰ আলস্য প্ৰমাদ আৰু পাৰস্পৰিক বাদ বিবাদৰ পৰিণামত অন্যান্য দেশৰ আধিপত্যৰ বাহিৰেও আৰ্য্যাবৰ্ত্ত অখণ্ডিত আৰু স্বাধীন থাকিব নোৱাৰিলে। জাতীয় প্ৰমাদৰ ফলত দেশ বাসীয়ে অশেষ নিৰ্য্যাতন ভোগ কৰিব লগা হয়। বিদেশীৰ শাসনত জাতীয় সংহতি আৰু নৈতিক অধঃ পতন ঘটে। নিজৰ কলা কৃষ্টি শ্ৰেষ্ঠ হলেও পৰাধীনতাৰ ফলত শাসকৰ ভাষা, কলা কৃষ্টিৰ প্ৰভাৱ পৰে। শাসক বৎসল হলেও প্ৰজাক শাসকে বিশ্বাস নকৰে, পৰস্পৰ শাসক আৰু প্ৰজাৰ ভিতৰত সহযোগ নেথাকে। বেদাদি শাস্ত্ৰ আৰু ইতিহাসত এই সম্বন্ধে যি উল্লেখ আছে সেইবোৰ অধ্যয়ন কৰা বাঞ্ছনীয়।

প্ৰশ্ন—জগতৰ উৎপত্তি হোৱাৰ পাছত কিমান কাল অতীত হল ?

উত্তৰ—এক এক অৰ্বুদ ছয়ানবৈব কোটি, কেবা লক্ষ আৰু কেবা সহস্ৰ বৎসৰ উৎপত্তি আৰু বেদ প্ৰকাশৰ পাছত অতীত হৈছে। ইয়াৰ বিশদ ব্যাখ্যা মৎপ্ৰণীত "ঋগ্বেদাদি ভাষ্য ভূমিকাত" লিখিত হৈছে। উক্ত গ্ৰন্থদ্ৰষ্টব্য। সৃষ্টি উৎপত্তি আৰু ৰচনা এইদৰেই জানিব লাগিব।

সকলোতকৈ সূক্ষ্ম খণ্ড অৰ্থাৎ যাক আৰু বিভক্ত কৰিব নোৱাৰি, তাকেই পৰমাণু বোলে। ষাঠি পৰমাণু লগ হৈ এক অণু হয়। দুই অণু মিলি দ্ব্যণুক হয়। তিনি দ্ব্যণুকৰ পৰা পৃথিবী অৰ্থাৎ তিনি দ্ব্যনুকে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এক ত্ৰসৰেণু আৰু তাৰ দ্বিগুণ হলে পৃথিবী আদি দৃশ্য পদাৰ্থ সৃষ্ট হয়। এই ক্ৰম অনুসাৰেই পৰমাত্মাই পৰমাণুৰ মিলন কৰি পৃথিবী আদি নিৰ্ম্মাণ কৰিছে।

প্ৰশ্ন—পৃথিবী আদিক কোনে ধাৰণ কৰে ? কোনোৱে কয় যে সহস্ৰ ফণাধৰ শেষ নাগৰ মস্তকত অৱস্থিত। কোনোৱে কয় বৃষশৃঙ্গৰ ওপৰত পৃথিবী আছে। কোনোৰ মতে পৃথিবী কাৰো ওপৰত নাই। কোনোৱে কয় বায়ুই পৃথিৱীৰ আধাৰ। কোনোৱে কয় যে সূৰ্য্যৰ আকৰ্ষণত আকৃষ্ট হৈ পৃথিবী নিৰ্দ্দিষ্ট স্থানত আছে। আৰু অনেকৰ মতে পৃথিবীৰ গুৰুত্বৰ কাৰণে আকাশৰ নিম্ন ফালে চলি আছে। ইয়াৰ ভিতৰত কাৰ কথা সত্য ?

উত্তৰ—যাৰ মতে পৃথিবী শেষ নাগ আৰু বৃষশৃঙ্গৰ ওপৰত অৱস্থিত সেই সকলক সুধিব লাগে যে সৰ্প আৰু বৃষৰ মাতা-পিতাৰ জন্মৰ আগত পৃথিবী কাৰ ওপৰত আছিল ! সৰ্প আৰু বৃষ কাৰ ওপৰত আছে ? বৃষৰ পক্ষাবলম্বী বোধ হয় নিৰ্ব্বাক হব, কিন্তু সৰ্পৰ মতবাদীয়ে কব সৰ্প কুৰ্ম্মৰ ওপৰত, কুৰ্ম্ম জলৰ ওপৰত, জল অগ্নিৰ ওপৰত, অগ্নি বায়ুৰ ওপৰত আৰু বায়ু আকাশত অৱস্থিত। তেতিয়া সুধিব লাগে যে সমস্ত সৃষ্টি কাৰ ওপৰত আছে ? উত্তৰত নিশ্চয় কব যে পৰমেশ্বৰৰ ওপৰত। আৰু যদি কোনোৱে সোধে শেষ নাগ আৰু বৃষ কাৰ সন্তান ? তেওঁলোকে উত্তৰত কব যে শেষ নাগ কশ্যপ আৰু কদ্ৰুৰ আৰু বৃষ গাভীৰ সন্তান। কশ্যপ মৰীচিৰ, মৰীচি মনুৰ, মনু বিৰাটৰ, আৰু বিৰাট ব্ৰহ্মাৰ পুত্ৰ। আদিতে ব্ৰহ্মাই সৃষ্টি কৰিছিল। শেষ সৰ্পৰ জন্মৰ আগত পাঁচ পুৰুষ অতীত হৈছিল। তেতিয়া কোনে পৃথিবীক ধাৰণ কৰিছিল ? অৰ্থাৎ কশ্যপৰ জন্ম কালত পৃথিবী কাৰ ওপৰত আছিল ? তেতিয়া সোধাতে মুখ বন্ধ আৰু কোৱাৰো মুখ বন্ধ, তাৰ পাছতে বাদ বিবাদ চলিব।

সংক্ষেপত কবলৈ হলে যি অৱশেষ থাকে তাকেই শেষ বোলে। কোনোবা কবিয়ে কৈছিল—"শেষাধাৰা পৃথিবীত্যুক্তম্" অৰ্থাৎ শেষৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আধাৰ পৃথিৱী। কোনো কোনোৱে এই বাক্যৰ অৰ্থ নুবুজি শেষক সৰ্পৰ কল্পনা কৰিছে। সৃষ্টি আৰু প্ৰলয়ৰ পাছতো পৰমেশ্বৰ “শেষ” অৰ্থাৎ পৃথক হৈ থাকে। এই কাৰণেই শেষ বোলা হয়, সেই শেষেই পৃথিবীৰ আধাৰ।

সত্যেনোত্তভিতা ভূমিঃ। (ঋক্‌বেদ, ১০।৮৫।১॥

সত্য অৰ্থাৎ যি ত্ৰিকালাবাধ্য, আৰু যাৰ কেতিয়াও বিনাশ নাই, সেই পৰমেশ্বৰেই পৃথিৱী, আদিত্য আদি সকলো লোক ধাৰণ কৰে।

উক্ষা দাধাৰ পৃথিবীমুত দ্যাম্॥ *

এয়াও ঋক্ বেদৰ বচন। এই ‘উক্ষা’ শব্দৰ অৰ্থ অনেকে বৃষ বুলি ধৰে। কাৰণ বৃষৰ নামো উক্ষা। কিন্তু বৃষই যে এই বিশাল পৃথিবী খন ধাৰণ কৰা সম্ভৱ নহয়, ইয়াক সেই অল্পজ্ঞ সকলে বিবেচনা কৰিব নোৱাৰে। বৰ্ষণৰ দ্বাৰাই পৃথিবীৰ ওপৰত জলসিঞ্চন কৰে গতিকে সূৰ্য্যৰ নাম উক্ষা। সূৰ্য্যই নিজৰ আকৰ্ষণৰ দ্বাৰাই পৃথিবীক ধাৰণ কৰি আছে, কিন্তু পৰমেশ্বৰৰ বাহিৰে সূৰ্য্যক ধাৰণ কৰোতা অন্য কোনো নাই।

প্ৰশ্ন—পৰমাত্মাই ইমান অসংখ্য গ্ৰহ নক্ষত্ৰবোৰ কেনেকৈ ধাৰণ কৰিব পাৰে?

উত্তৰ—অনন্ত আকাশৰ আগত বৃহৎ বৃহৎ গ্ৰহ নক্ষত্ৰবোৰ, সমুদ্ৰৰ আগত ক্ষুদ্ৰ ক্ষুদ্ৰ জল বিন্দুৰ দৰে। সেইদৰে অনন্ত পৰমেশ্বৰৰ আগত অসংখ্য লোক লোকান্তৰবোৰ একোটি পৰমাণুৰ দৰেহে বুলিব পাৰি। পৰমেশ্বৰ অন্তৰে বাহিৰে সকলোতে পৰিব্যাপ্ত। “বিভুঃ প্ৰজাসু” (যজুঃ ...), সেই পৰমাত্মাই সকলো প্ৰজাৰ ভিতৰে বাহিৰে ব্যাপক হৈ ধাৰণ কৰিছে। পৌৰাণিক আৰু অন্যান্য মতাবলম্বী সকলৰ মত অনুসাৰে পৰমেশ্বৰ বিভু নহলে সমস্ত সৃষ্টি কেনেকৈ ধাৰণ কৰিব পাৰে? যদি কোনোৱে কব খোজে যে, সকলো লোক পৰস্পৰ আকৃষ্ট হৈ স্থিত

* ঋক্ বেদত ‘উক্ষা স দ্যাবাপৃথিবী বিভৰ্ত্তি’ এই বচন আছে। অথৰ্ববেদত ‘অনড্বান্ দাধাৰ পৃথিবীমুত দ্যাম্’॥ (৪।১১।১) এইদৰে আছে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আছে, পৰমেশ্বৰৰ ধাৰণ কৰাৰ প্ৰয়োজন নাই। তেওঁক প্ৰশ্ন কৰি লাগে "এই সৃষ্টি অনন্ত নে সান্ত?" যদি অনন্ত বুলি কয়, তেন্তে সাকাৰ বস্তু কেতিয়াও অনন্ত হব নোৱাৰে। যদি "সান্ত" বুলি ক তেন্তে শেষ সীমাত অৰ্থাৎ যাৰ পাছত আৰু কোনো লোক নাই, তাত লোকবোৰ কাৰ আকৰ্ষণত ধাৰণ হব পাৰে? উদাহৰণ ৰূপে স আৰু ব্যষ্টি; বৃক্ষৰ সমূহ বা অৰণ্য সমষ্টিক বোলে, এক এক কৈ বৃক্ষক ব্যষ্টি বোলে,। সেই দৰেই সৃষ্টিৰ সকলো লোক মিলি জগ সমগ্ৰ জগতৰ ধাৰণ বা আকৰ্ষণ কৰ্ত্তা পৰমেশ্বৰৰ বাহিৰে আন কো হব নোৱাৰে। পৰমেশ্বৰ সমগ্ৰ জগতৰ সৃষ্টি কৰ্ত্তা আৰু ধাৰণ কৰ্

স দাধাৰ পৃথিবীং দ্যামুতেমাম্ ॥ (যজু০ ১৩।৪)॥

অৰ্থ—যি পৰমেশ্বৰে পৃথিবী আদি আলোক বিহীন লোক লোকান্ত সূৰ্য্যাদি আলোকময় লোক সমূহ আৰু অন্যান্য সকলো পদাৰ্থ আৰু ধাৰণ কৰি সকলোতে ব্যাপক হৈ আছে, তেওঁৱেই সমস্ত জগ কৰ্ত্তা আৰু ধৰ্ত্তা।

প্ৰশ্ন—পৃথিবী আদি লোকবোৰে ভ্ৰমণ কৰে নে একে স্থি আছে?

উত্তৰ—ভ্ৰমণ কৰে।

প্ৰশ্ন—কোনো কোনোৱে কয় যে সূৰ্য্যইহে ভ্ৰমণ কৰে পৃথি একেস্থিৰে থাকে। আৰু অনেকে কয় পৃথিবীয়ে ভ্ৰমণ কৰে সূৰ্য নকৰে। কাৰ কথা সত্য?

উত্তৰ—এই দুয়োটাই অৰ্দ্ধ সত্য। কাৰণ বেদত লিখিত আছে যে

আয়ং গৌঃ পৃশ্নিৰক্ৰমীদসন্ মাতৰং পুৰঃ।
পিতৰং চ প্ৰয়ন্তস্বঃ॥ যজু০ অ০ ৩ মং ৬॥

অৰ্থাৎ—এই ভূ-মণ্ডল জলসহ সূৰ্য্যৰ চাৰিওফালে ঘূৰে। পৃথি পৃথিবী ঘূৰে।

আকৃষ্ণেণ ৰজসা বৰ্ত্তমানো নিৱেশয়ন্নমৃতং মৰ্ত্ত্যং চ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হিৰণ্ময়েন সৱিতা ৰথেনা দেৱো যাতি ভুৱানানি পশ্যন্ ॥

যজু॰ অ॰ ৩৩। মং ৪৩॥

বৰ্ষা আদিৰ প্ৰবৰ্ত্তক, প্ৰকাশস্বৰূপ, তেজোময় আৰু ৰমণীয় স্বৰূপ সৱিতা অৰ্থাৎ সূৰ্য্য অমৃতৰূপ বৃষ্টি আৰু কিৰণৰ দ্বাৰাই সকলো প্ৰাণী অপ্ৰাণীৰ ভিতৰত অমৃত প্ৰবেশ কৰাই আৰু মূৰ্ত্তিমান পদাৰ্থ বোৰক প্ৰকাশিত কৰি আৰু সকলো অন্যান্য লোকৰ লগত আকৰ্ষিত হৈ নিজ পৰিধিত আৰু নিজ গতিত ভ্ৰমণ কৰি থাকে; কিন্তু অন্য কোনো লোকৰ চতুৰ্দ্দিকে ভ্ৰমণ নকৰে। এক এক ব্ৰহ্মাণ্ডত এক এক সূৰ্য্য প্ৰকাশক, যাৰ দ্বাৰাই অন্য সকলো লোক লোকান্তৰ প্ৰকাশ্য; যেনে—

দিবি সোমো অধিশ্ৰিতঃ ॥ অথ॰ কাং ১৪ অনু॰ ১। মং ১॥

যেনেকৈ চন্দ্ৰলোক সূৰ্য্যৰ প্ৰকাশেৰে প্ৰকাশিত হয় সেইদৰেই পৃথিবী আদি অন্যান্য লোকবোৰো সূৰ্য্যৰ প্ৰকাশত প্ৰকাশিত হয়। কিন্তু দিন আৰু ৰাতি অৰ্থাৎ প্ৰকাশ আৰু অন্ধকাৰ সদায় বৰ্ত্তমান। কাৰণ সূৰ্য্যৰ গ্ৰহলোক বোৰ ঘূৰোতে ঘূৰোতে যি ভাগ সূৰ্য্যৰ সন্মুখীন হয় সেই ভাগত দিন আৰু যি ভাগ পাছফালে হয়, সেই ভাগত ৰাতি। উদয়, অস্ত সন্ধ্যা, মধ্যাহ্ন, মধ্য ৰাত্ৰি আদি যিবোৰ কালৰ অবয়ৱ, সেই সকলো-বোৰ দেশ দেশান্তৰত সদায় বৰ্ত্তমান থাকে। অৰ্থাৎ যেতিয়া ভাৰত-বৰ্ষত সূৰ্য্যোদয় হয়, সেই সময়ত পাতাল অৰ্থাৎ "আমেৰিকাত" অস্ত হয়, আৰু যেতিয়া ভাৰতবৰ্ষত মধ্য দিন বা মধ্য ৰাত্ৰি হয় সেই সময়ত পাতাল দেশত মধ্য ৰাত্ৰি বা মধ্য দিন হয়। কেৱল অজ্ঞ লোকেহে কব পাৰে যে পৃথিৱী নুঘূৰে, সূৰ্য্য ঘূৰে। সেয়ে হলে সহস্ৰ সহস্ৰ বছৰ দিন বা ৰাতি হ'লহেঁতেন, কাৰণ সূৰ্য্যৰ নাম (ব্ৰধ্নঃ) পৃথিবীতকৈ লাখ গুণে ডাঙৰ, আৰু কোটি কোটি মাইল দূৰত অৱস্থিত। যেনেকৈ এটা সৰি-যৰ আগত এটা পাহাৰ ঘূৰিলে অনেক কাল লাগিব, কিন্তু পাহাৰৰ আগত সৰিয়হ ঘূৰিলে যি সময় লাগে সি নগণ্য। সেই দৰে পৃথিবী ঘূৰে কাৰণেই পৃথিবীৰ গতি অনুসাৰে দিন ৰাতি হয়; সূৰ্য্যৰ গতিৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কাৰণে নহয়। যিয়ে সূৰ্য্য নুঘুৰে বুলি কয় তেওঁলোকৰ জ্যোতিষ বিদ্যাৰ জ্ঞান নাই, কাৰণ সূৰ্য্য নুঘূৰিলে এক ৰাশিৰ পৰা অন্য ৰাশিলৈ সূৰ্য্যৰ স্থান পৰিৱৰ্ত্তন হব নোৱাৰে। আৰু গুৰু পদাৰ্থ নুঘুৰিলে বা গতিশীল নহলে আকাশৰ এক নিশ্চিত স্থানত স্থিৰে থাকিব নোৱাৰে। জৈনী সিদ্ধান্তমতে পৃথিবী হেনো নুঘুৰে কিন্তু ক্ৰমশঃ তললৈ নামি গৈ আছে। কেৱল জম্বুদ্বীপত দুটা সূৰ্য্য আৰু দুটা চন্দ্ৰ আছে। এইবোৰ কেৱল গল্পৰ বাহিৰে আন একো হব নোৱাৰে। কাৰণ, পৃথিবী তললৈ গৈ থকা হলে, পৃথিবীৰ চাৰিও ফালে বায়ুৰ চক্ৰ গঠন নোহোৱাত পৃথিবী ছিন্ন ভিন্ন হৈ পৰিলহেঁতেন। আৰু পৃথিবীৰ তল ভাগৰ নিবাসী বোৰৰ বায়ু স্পৰ্শ নহলহেঁতেন, ওপৰ ভাগৰ অধিবাসী বোৰৰ বায়ুৰ স্পৰ্শ অতিপাত হ'ল হেঁতেন আৰু বায়ুৰ গতিও সদায় একেই থাকিল হেঁতেন। দুই সূৰ্য্য আৰু দুই চন্দ্ৰ থাকিলে ৰাতি আৰু কৃষ্ণ পক্ষ ঘটাও সম্ভৱ নহলহেঁতেন। গতিকে এক পৃথিবীৰ একেটাই চন্দ্ৰ আৰু অনেক পৃথিবী আদি গ্ৰহৰ মাজত একেটাই সূৰ্য্য থাকে।

প্ৰশ্ন—চন্দ্ৰ, সূৰ্য্য আৰু তাৰা কেনেকুৱা বস্তু? সেই বোৰত মনুষ্যাদি প্ৰাণীৰ সৃষ্টি আছে নে নাই?

উত্তৰ—সকলো তাৰা এক এক লোক, তাত মনুষ্যাদি প্ৰজা আছে। কাৰণ:—

এতেষু হীদং সৰ্ব্বং বসু হিতমেতে হীদং সৰ্ব্বং বাসয়ন্তে তদ্যদিদং সৰ্ব্ব তস্মাদ্বসব ইতি॥

শত॰ কা॰ ১৪। প্ৰ॰ ৬। ব্ৰা॰ ৭। ক॰ ৪)॥

পৃথিবী, জল, অগ্নি, বায়ু, আকাশ, চন্দ্ৰ, নক্ষত্ৰ. সূৰ্য্য এইবোৰৰ নাম বসু। কাৰণ এইবোৰৰ ভিতৰত সকলো পদাৰ্থ আৰু প্ৰজা অৱস্থান কৰে। এই বোৰেই সকলোকে অৱস্থান কৰায়। যিহেতু এইবোৰ বাসগৃহ স্বৰূপ গতিকে এইবোৰক বসু বোলা হয়। পৃথিবীৰ দৰেই চন্দ্ৰ সূৰ্য্য আৰু নক্ষত্ৰও বসু। গতিকে এই বোৰত প্ৰজা থকাৰ বিষয়ে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সন্দেহ থাকিব নেলাগে। পৰমেশ্বৰৰ এই ক্ষুদ্ৰ পৃথিবী মনুষ্যাদি জীৱৰ সৃষ্টিৰে পৰিপূৰ্ণ। গতিকে সেই লোকবোৰো শূন্য হৈ থাকিব নোৱাৰে। পৰমেশ্বৰৰ কোনো কৰ্ম্মই নিৰৰ্থক নহয়। সেই অসংখ্য লোকবোৰ মনুষ্যাদিৰ সৃষ্টি বিনে কেতিয়াও সফল হব নোৱাৰে। গতিকে সকলোতে মনুষ্যাদিৰ সৃষ্টি আছে।

প্ৰশ্ন—এই পৃথিবীত সৃষ্টি হোৱা মনুষ্যাদি প্ৰাণীৰ ৰূপ আকৃতি যেনেকুৱা, অন্যান্য লোকৰো ঠিক তেনেকুৱাই নে ইয়াৰ বিপৰীত?

উত্তৰ—আকৃতিত কিছু পৰিমাণে হলেও প্ৰভেদ থকাটো সম্ভৱ। এই পৃথিবীতে যেনেকৈ চীন, আফ্ৰিকা, ভাৰতবৰ্ষ, আৰু ইউৰোপ আদি বিভিন্ন দেশৰ মানুহৰ অবয়ব, বৰ্ণ, ৰূপ আৰু আকৃতিত কিছু কিছু পাৰ্থক্য আছে সেই দৰেই লোক লোকান্তৰতো থকাটোও স্বাভাৱিক। কিন্তু এই লোকত যি জাতিৰ যি ধৰণে সৃষ্টি হৈছে অন্য লোকতো সেই জাতি সেই ধৰণেই সৃষ্টি হৈছে। এই লোকৰ শৰীৰৰ যি যি স্থানত নেত্ৰাদি অঙ্গ আছে, অন্যলোকবোৰতে সেই জাতিৰ সেই সেই স্থানতে তেনে বোৰ অঙ্গ আছে। কাৰণ :—

সূৰ্য্যাচন্দ্ৰমসৌ ধাতা যথা পূৰ্ব্বমকল্পয়ৎ।
দিবং চ পৃথিবীং চান্তৰিক্ষমথো স্বঃ॥

ধাতা পৰমাত্মাই পূৰ্ব্ব কল্পত সূৰ্য্য, চন্দ্ৰ, দ্যুলোক, ভূমি, অন্তৰিক্ষ আৰু তাৰ উপযোগী পদাৰ্থবোৰ যি দৰে সৃষ্টি কৰিছিল, এই কল্প অৰ্থাৎ এই সৃষ্টিতো সেই দৰে আৰু সকলো লোক লোকান্তৰতো সেই দৰেই সৃষ্টি কৰিছে। তাৰ ভিতৰত কোনো প্ৰভেদ নাই।

প্ৰশ্ন—এই লোকত যিবোৰ বেদ প্ৰকাশ হৈছে সেইবোৰ লোকতো সেইবোৰ বেদেই প্ৰকাশিত হৈছে নেকি?

উত্তৰ—সেই বোৰেই প্ৰকাশ হৈছে। কেবাখনো দেশৰ এজন ৰজা হলে যেনেকৈ ৰাজ্য ব্যৱস্থা আৰু ৰাজনীতি সকলো দেশত একে থাকে সেইদৰেই জগত ঈশ্বৰ বা পৰমেশ্বৰৰ বেদ নীতি সমস্ত জগতৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কাৰণে একে।

প্ৰশ্ন—যদি জীৱ আৰু প্ৰকৃতিস্থ তত্ত্ব অনাদি যাক ঈশ্বৰে সৃষ্টি কৰা নাই, তেনেহলে জীৱ আৰু প্ৰকৃতিৰ ওপৰত ঈশ্বৰৰ অধিকাৰো থাকিব নোৱাৰে যিহেতু তিনিও স্বতন্ত্ৰ।

উত্তৰ—যেনেকৈ ৰজা আৰু প্ৰজা সমকালীন আৰু পৰস্পৰ ভিন্ন আৰু স্বতন্ত্ৰ, কিন্তু প্ৰজা ৰজাৰ অধীন সেইদৰেই জীৱ আৰু জড় পদাৰ্থ পৰমেশ্বৰৰ অধীন। পৰমেশ্বৰ যেতিয়া সমস্ত সৃষ্টিৰ কৰ্ত্তা, জীৱৰ কৰ্ম্ম অনুসাৰে ফলদাতা, জগতৰ ধাৰণ কৰ্ত্তা, অনন্ত শক্তিমান, তেতিয়া অল্প শক্তিমান আৰু জড় পদাৰ্থ তেওঁৰ অধীন নহব কিয়? গতিকে জীৱ কৰ্ম্ম কৰাতহে স্বতন্ত্ৰ, কৰ্ম্মৰ ফল ভোগত ঈশ্বৰৰ ব্যৱস্থাৰ অধীন। এই দৰেই সৰ্বশক্তিমান পৰমেশ্বৰে সৃষ্টি, পালন আৰু সংহাৰ কৰে।

ইয়াৰ পাছত বিদ্যা, অবিদ্যা, বন্ধ আৰু মোক্ষৰ বিষয়ে লিখা হব। ইমানতে অষ্টম সমুল্লাস সমাপ্ত কৰা হ'ল।

ইতি শ্ৰীমদ্দয়ানন্দসৰস্বতীস্বামিকৃতে সত্যাৰ্থপ্ৰকাশে সুভাষাবিভূষিতে সৃষ্ট্যুৎপত্তিস্থিতি প্ৰলয় বিষয়ে অষ্টমঃ সমুল্লাসঃ সম্পূৰ্ণঃ॥৮॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অথ নৱম সমুল্লাসাৰম্ভঃ

অথ বিদ্যাঽবিদ্যাবন্ধমোক্ষবিষয়ান্ ব্যাখ্যাস্যামঃ

বিদ্যাং চাঽবিদ্যাং চ যস্তদ্বেদোভয়ং সহ।

অবিদ্যায়া মৃত্যুং তীর্ত্বা বিদ্যয়াঽমৃতমশ্নুতে॥

যজু০ অ০ ৪০। ম০ ১৪॥

যিজনে বিদ্যা আৰু অবিদ্যাৰ স্বৰূপ জানে, তেওঁ অবিদ্যা অর্থাৎ কর্ম্মোপাসনাৰ দ্বাৰাই মৃত্যুক অতিক্রম কৰি বিদ্যা অর্থাৎ যথার্থ জ্ঞানেৰে পৰম মোক্ষ লাভ কৰে। অবিদ্যাৰ লক্ষণঃ—

অনিত্যাশুচিদুঃখানাত্মসু নিত্যশুচিসুখাত্মখ্যাতিৰবিদ্যা॥

(পাতঞ্জল দর্শন, সাধন পাদ, সূ০ ৫)

এইটো যোগ সূত্ৰৰ বচন। অনিত্য সংসাৰ আৰু দেহ আদিত নিত্য জ্ঞান, অর্থাৎ কার্য্য জগৎ, যি দৃষ্ট আৰু শ্ৰুত হয় সেইবোৰ চিৰকাল থাকিব, বা চিৰকাল আছে, আৰু যোগৰ বলত দেবতা সকলৰ এই কার্য্য-দেহ চিৰকাল থাকে—এনে ধৰণৰ বিপৰীত জ্ঞান হোৱাটোৱেই অবিদ্যাৰ প্ৰথম ভাগ। অশুচি অর্থাৎ মলময় নাৰীদেহ আদিত আৰু অসত্য কথন আৰু চৌর্য্য, অপহৰণ আদি অপবিত্ৰ বিষয়ত পৱিত্ৰ জ্ঞান হোৱাই দ্বিতীয় ভাগ। অত্যন্ত বিষয় সম্ভোগৰূপ দুখত সুখ বুদ্ধি বা সুখ বুলি ভবাটো তৃতীয় ভাগ। অনাত্মাত আত্মজ্ঞান কৰাটো অবিদ্যাৰ চতুর্থ ভাগ। এই চাৰি প্ৰকাৰৰ বিপৰীত জ্ঞানক অবিদ্যা বোলে। ইয়াৰ বিপৰীত অর্থাৎ অনিত্যত অনিত্যজ্ঞান, নিত্যত নিত্যজ্ঞান, দুঃখত দুঃখ বুদ্ধি, সুখত সুখ বুদ্ধি, অনাত্মাত অনাত্মা বুদ্ধি আৰু আত্মাত আত্ম বুদ্ধি হোৱাক বিদ্যা বোলে। অর্থাৎ—"**বেত্তি যথাবত্তত্ব পদার্থ স্বৰূপং যয়া সা বিদ্যা, যয়া তত্ত্বস্বৰূপং ন জানাতি**

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ভ্ৰমাদন্যস্মিন্নন্যন্নিশ্চিনোতি যয়া সাঽবিদ্যা ।" যাৰ দ্বাৰাই পদাৰ্থৰ যথাৰ্থ স্বৰূপ জনা যায় সেয়েই বিদ্যা যাৰ দ্বাৰাই তত্ত্বৰ স্বৰূপ জনা নেযায়—আৰু এটা বস্তুত অন্য বস্তু বুলি প্ৰতীতি হয়, তাকেই অবিদ্যা বোলে। কৰ্ম্ম উপাসনাক এই কাৰণেই অবিদ্যা বোলা হয় যে এইবোৰ বাহিৰ আৰু অন্তৰৰ ক্ৰিয়া বিশেষহে, জ্ঞান বিশেষ নহয়। সেয়ে উক্ত মন্ত্ৰত কোৱা হৈছে যে, শুদ্ধ কৰ্ম্ম আৰু পৰমেশ্বৰৰ উপাসনাৰ বিনা কোনেও মৃত্যু-দুঃখ অতিক্ৰম কৰিব নোৱাৰে। অৰ্থাৎ পৱিত্ৰ কৰ্ম্ম, পবিত্ৰ উপাসনা, আৰু যথাৰ্থ জ্ঞানৰ পৰাই মুক্তি, আৰু অপৱিত্ৰ মিথ্যা ভাষণ আদি কৰ্ম্ম, পাষাণাদিত মূৰ্ত্তিৰ উপাসনা আৰু মিথ্যা জ্ঞানৰ পৰাই বন্ধন হয়। কোনো মানুহেই ক্ষন্তেক সময়ো কৰ্ম্ম, উপাসনা আৰু জ্ঞান ৰহিত হৈ নেথাকে। গতিকে ধৰ্ম্মৰ অনুকূল সত্য ভাষণ আদি কৰ্ম্মৰ অনুষ্ঠান আৰু মিথ্যাভাষণাদি অধৰ্ম্ম ত্যাগ কৰাই মুক্তিৰ সাধন।

প্ৰশ্ন—কোনে মুক্তি পাব নোৱাৰে ?

উত্তৰ—যি বদ্ধ।

প্ৰশ্ন—বদ্ধ নো কোন ?

উত্তৰ—যি অধৰ্ম্ম আৰু অজ্ঞানত আবদ্ধ।

প্ৰশ্ন—বন্ধন আৰু মোক্ষ স্বাভাৱিক নে নৈমিত্তিক ?

উত্তৰ—নৈমিত্তিক। কাৰণ স্বাভাৱিক হোৱাহেঁতেন বন্ধন বা মুক্তিৰ অৱসান কেতিয়াও ঘটিব নোৱাৰিলেহেঁতেন।

প্ৰশ্ন—

ন নিৰোধো নচোৎপত্তিৰ্ন বদ্ধো ন চ সাধকঃ।
ন মুমুক্ষুৰ্ন বৈ মুক্ত ইত্যেষা পৰমাৰ্থতা ॥

(গৌড়পাদীয় কাৰিকা। প্ৰ০ ২। কা০ ৩২॥)

এইটো মাণ্ডুক্যোপনিষদৰ কাৰিকা। ইয়াৰ অৰ্থ এয়ে যে জীৱ ব্ৰহ্ম হোৱাৰ কাৰণে যেতিয়া বাস্তৱতে জীৱৰ নিৰোধ নাই, জীৱ কোনো আবৰণৰ দ্বাৰাই আচ্ছন্ন নহয়, জন্ম গ্ৰহণ নকৰে আৰু বন্ধনো নাই। জীৱ সাধকো

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নহয় অৰ্থাৎ কোনো অপ্ৰাপ্ত বস্তুৰ প্ৰাপ্তিৰ কাৰণে সাধনা নকৰে, মুক্তিৰো কামনা নাই আৰু জীৱৰ কোনো কালে মুক্তিও নাই। পৰমাৰ্থৰ দ্বাৰা বন্ধনেই নহয় যেতিয়া মুক্তি কিহৰ ?

উত্তৰ—নবীন বেদান্তবাদী সকলৰ এনেবোৰ উক্তি নিৰৰ্থক। কাৰণ জীৱৰ স্বৰূপ অল্প, গতিকে জীৱ আবৰণেৰে আবদ্ধ হয়, দেহৰ লগত প্ৰকট হৈ জন্ম গ্ৰহণ কৰে, দুষ্কৰ্ম্মৰ ফলৰ বন্ধনেৰে বদ্ধ হয়, সেই বন্ধন মোচনৰ কাৰণে সাধনা কৰে, দুঃখৰ পৰা মুক্তি পাবলৈ কামনা কৰে আৰু দুখৰ পৰা বিমুক্ত হৈ পৰমানন্দ স্বৰূপ পৰমেশ্বৰক লাভ কৰি মুক্তি ভোগ কৰে।

প্ৰশ্ন—এইবোৰ দেহ আৰু অন্তঃকৰণৰহে ধৰ্ম্ম, জীৱৰ নহয়। জীৱ পাপ পুণ্য ৰহিত সাক্ষীমাত্ৰ। শীত উষ্ণ আদি শৰীৰৰহে ধৰ্ম্ম, আত্মা নিৰ্লিপ্ত।

উত্তৰ—দেহ আৰু অন্তঃকৰণ জড় পদাৰ্থ। এইবোৰৰ শীত উষ্ণ আদিৰ অনুভৱ নাই। চেতন প্ৰাণীয়েহে দণ্ড মাত্ৰা বোৰ অনুভৱ কৰিব পাৰে। সেই দৰেই প্ৰাণো জড় পদাৰ্থ, প্ৰাণৰ ক্ষুধা তৃষ্ণা নাই, প্ৰাণবান জীৱইহে ক্ষুধা তৃষ্ণাৰ অনুভৱ কৰে। সেই দৰেই মনো জড় পদাৰ্থ, মনৰ হৰ্ষ শোক বা সুখ দুখৰ অনুভৱ নাই, জীবেহে মনৰ দ্বাৰাই হৰ্ষ শোক, বা সুখ দুখ অনুভৱ কৰে। জীৱে শ্ৰোত্ৰাদি বাহ্যেন্দ্ৰিয়ৰ দ্বাৰাই যেনেকুৱা উত্তম অধম বিষয় গ্ৰহণ কৰি সুখ দুখ ভোগ কৰে, সেই দৰেই অন্তঃকৰণ অৰ্থাৎ মন, বুদ্ধি চিত্ত আৰু অহঙ্কাৰৰ দ্বাৰাই সংকল্প, বিকল্প, নিশ্চয়, স্মৰণ, অহংভাৱ অনুভৱ কৰে যাৰ ফলত দণ্ড বা সন্মান ভোগ কৰে। যেনেকৈ তৰোৱাল আদি অস্ত্ৰৰ দ্বাৰাই হত্যাকাৰী দণ্ডনীয় হয়, তৰোৱাল আদি অস্ত্ৰ দণ্ডনীয় নহয়। সেইদৰেই দেহ, ইন্দ্ৰিয়, অন্তঃকৰণ আৰু প্ৰাণ ৰূপ সাধনৰ দ্বাৰাই উত্তম অধম কৰ্ম্মৰ কৰ্ত্তা জীৱই সুখ দুখ ভোগ কৰে। জীৱ কৰ্ম্মৰ সাক্ষী নহয়; কৰ্ত্তা, আৰু কৰ্ম্ম ফলৰোভোক্তা। কেৱল একমাত্ৰ পৰমাত্মাই জীৱৰ কৰ্ম্মৰ সাক্ষী। কৰ্ম্মানুষ্ঠাতা জীৱ কৰ্ম্মত লিপ্ত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হয়। জীৱ পৰমেশ্বৰৰ দৰে সাক্ষী হব নোৱাৰে।

প্ৰশ্ন—জীৱ ব্ৰহ্মৰ প্ৰতিবিম্ব। যেনেকৈ এখন দৰ্পণ ভাগিলে জগতৰ একোৱেই অনিষ্ট নহয়, সেইদৰে যিমান দিন অন্তঃকৰণ ৰূপ উপাধি থাকে, সিমান দিন পৰ্য্যন্ত ব্ৰহ্মৰ প্ৰতিবিম্ব ৰূপ জীৱ থাকে। অন্তঃকৰণ বিনষ্ট হলেই জীৱ উপাধি নেথাকে, তেতিয়া জীৱৰ মৃত্যু হয়।

উত্তৰ—এইবোৰ বালক সুলভ কথা। কাৰণ সাকাৰহে সাকাৰৰ প্ৰতিবিম্ব হয়। মুখ আৰু দৰ্পণ সাকাৰ আৰু ইটো সিটোৰ পৰা পৃথকো। পৃথক নহলে প্ৰতিবিম্বও হব নোৱাৰে। ব্ৰহ্ম নিৰাকাৰ আৰু সৰ্ববব্যাপক গতিকে ব্ৰহ্মৰ প্ৰতিবিম্বই হব নোৱাৰে।

প্ৰশ্ন—আপুনি জানে, গভীৰ স্বচ্ছ জলত নিৰাকাৰ আৰু ব্যাপক আকাশৰ আভাস পৰে। সেইদৰেই স্বচ্ছ অন্তঃকৰণত পৰমাত্মাৰ আভাস পৰে। এই কাৰণেই ইয়াক চিদাভাস বোলে।

উত্তৰ—এইবোৰ বাল্য বুদ্ধিৰ কল্পনা মাত্ৰ। কাৰণ আকাশ দৃশ্যমান পদাৰ্থই নহয় যেতিয়া, চকুৰে কেনেকৈ আকাশ দেখিব?

প্ৰশ্ন—ওপৰত যি নীলা আৰু ধোৱাঁ বৰণীয়া বস্তু দেখা যায়, সেইখন আকাশ নহয় নেকি?

উত্তৰ—নহয়তোন।

প্ৰশ্ন—সেইখননো কি তেন্তে?

উত্তৰ—পৃথিবী, জল আৰু অগ্নিৰ পৃথক্ পৃথক্ ত্ৰসৰেণু দৃষ্ট হয়। তাৰ ভিতৰত যি নীলা দেখা যায়, যি জলৰাশি বৰ্ষিত হয়, সেয়েই নীলা। যিভাগ ধূম্ৰাকাৰ অৰ্থাৎ ধোৱাঁ বৰণীয়া দেখা যায়, সেয়া পৃথিবীৰ পৰা বায়ুৰ লগত উৰি যোৱা ধূলিকণা, তাৰেই প্ৰতিবিম্ব জল বা দৰ্পণত দেখা যায়, আকাশৰ নহয়।

প্ৰশ্ন—যেনেকৈ ঘটাকাশ, মঠাকাশ, মেঘাকাশ আৰু মহদাকাশৰ ব্যৱহাৰিক ভেদ হয়, সেইদৰেই ব্ৰহ্মৰ ব্ৰহ্মাণ্ড আৰু অন্তঃকৰণৰ উপাধিগত ভেদৰ কাৰণে ঈশ্বৰ আৰু জীৱ সংজ্ঞা হয়। ঘট আদি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিনাশ হলে এক মহদাকাশেই শেষ থাকে।

উত্তৰ—ইয়ো তত্ত্বজ্ঞানীৰ কথা হব নোৱাৰে। কাৰণ, আকাশ কেতিয়াও বিচ্ছিন্ন হব নোৱাৰে। কামৰ সময়ত "ঘট এটা আনা" ইত্যাদি ব্যৱহাৰ হয় কিন্তু ঘটৰ আকাশ আনা বুলি কোনেও কেতিয়াও নকয়। গতিকে আপোনাৰ পূৰ্ব্বোক্ত যুক্তি সঙ্গত নহয়।

প্ৰশ্ন—যেনেকৈ মৎস্য আৰু কীট আদি নানা জলচৰ জীৱ সমুদ্ৰত আৰু পক্ষী আদি আকাশত বিচৰণ কৰে, সেইদৰেই চিদাকাশ ব্ৰহ্মত সকলো অন্তঃকৰণ বিচৰণ কৰে। অন্তঃকৰণ জড় পদাৰ্থ হলেও সৰ্ব্ব-ব্যাপক পৰমাত্মাৰ সত্তাৰ দ্বাৰা, অগ্নি সংযুক্ত লোৰ দৰে চেতন হয়। এইবোৰে বিচৰণ কৰে কিন্তু আকাশ আৰু ব্ৰহ্ম নিশ্চল, সেই ৰূপেই জীৱক ব্ৰহ্ম মানিলে কোনো দোষ নঘটে।

উত্তৰ—আপোনাৰ এই দৃষ্টান্তও নেখাতে, কাৰণ, যদি সৰ্ব্বব্যাপী ব্ৰহ্ম অন্তঃকৰণত প্ৰকাশমান হৈ জীৱ হয়, তেওঁ ব্ৰহ্মৰ সৰ্ব্বজ্ঞত্ব আদি গুণ নেথাকে কিয়? যদি কব খোজে যে আবৰণৰ কাৰণে সৰ্ব্বজ্ঞতা নেথাকে, তেনেহলে ব্ৰহ্মও আবৃত নেকি? আৰু সোধো, ব্ৰহ্ম খণ্ডিত নে অখণ্ডিত? যদি ব্ৰহ্ম অখণ্ডিত বুলি কয় তেন্তে ব্ৰহ্মত কোনো আবৰণ পেলাব নোৱাৰে। আবৰণ নেথাকিলে সৰ্ব্বজ্ঞতা থাকিবই লাগিব। যদি কব খোজে যে, ব্ৰহ্মই নিজৰ স্বৰূপ বিস্মৃত হৈ অন্তঃকৰণৰ লগত বিচৰণ কৰে, প্ৰকৃততে সেইটো নহয়, যদি ব্ৰহ্মই স্বয়ং বিচৰণ নকৰে, তেনেহলে অন্তঃকৰণে পূৰ্ব্বস্থিতিৰ যিবোৰ স্থান ত্যাগ কৰি যি যি স্থানলৈ যাব, সেই স্থানৰ ব্ৰহ্ম ভ্ৰান্ত, অজ্ঞানী হৈ যাব আৰু যিবোৰ স্থান এৰি আহে সেইবোৰৰ ব্ৰহ্ম জ্ঞানী, শুদ্ধ আৰু মুক্ত হৈ হৈ যাব। অন্তঃকৰণে এইদৰে সমগ্ৰ সৃষ্টিত ব্ৰহ্মক বিকৃত কৰিব আৰু বদ্ধ মুক্তও ক্ষণে ক্ষণে হৈ থাকিব। আপোনাৰ কথাকেই প্ৰমাণ বুলি ধৰিলে, কোনো জীৱৰেই পূৰ্ব্ব দৃষ্ট আৰু শ্ৰুত বিষয়ৰ স্মৰণ নহব। কাৰণ যি ব্ৰহ্মই দেখিছিল বা শুনিছিল সেই ব্ৰহ্ম নেথাকে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

গতিকে ব্ৰহ্ম আৰু জীৱ কেতিয়াও একে হব নোৱাৰে, দুয়ো পৃথক পৃথক সত্তা।

প্ৰশ্ন—এইবোৰ সকলো অধ্যাৰোপ মাত্ৰ। এটা বস্তুত অন্য এটা বস্তুৰ স্থাপন কৰাকেই অধ্যাৰোপ বোলে। ব্ৰহ্ম বস্তুত সমস্ত জগত আৰু জগতৰ ব্যাপাৰ বা ব্যৱহাৰ অধ্যাৰোপ কৰি জিজ্ঞাসুক বুজোৱা হয়। আচলতে যি আছে সকলোৱেই ব্ৰহ্ম।

প্ৰতি প্ৰশ্ন—আধ্যাৰোপ কৰায় কোনে ?

উত্তৰ—জীৱই।

প্ৰশ্ন—জীৱ কাক বোলে ?

উত্তৰ—অন্তঃকৰণাবচ্ছিন্ন চেতনক।

প্ৰশ্ন—অন্তঃকৰণাৱচ্ছিন্ন চেতন অন্য নে ব্ৰহ্মই ?

উত্তৰ—সেয়েই ব্ৰহ্ম।

প্ৰশ্ন—তেনেহলে ব্ৰহ্মই নিজতেই জগতৰ মিথ্যা কল্পনা কৰিছিল ?

উত্তৰ—তেনেহলেও তাৰ পৰা ব্ৰহ্মৰ কোনো হানি নাই।

প্ৰশ্ন—যি মিথ্যা কল্পনা কৰে, তেওঁ স্বয়ং মিথ্যা নহয়নে ?

উত্তৰ—নহয়, কাৰণ যি মন, বাণীৰে কল্পিত আৰু কথিত হয় সেই বোৰ মিথ্যা।

প্ৰশ্ন—তেনেহলে মন বাণীৰে মিথ্যা কল্পনা কৰোতা আৰু মিছা বোলোতা ব্ৰহ্ম কল্পিত আৰু মিথ্যাবাদী হ'ল নে নহল ?

উত্তৰ—হওক, আমাৰ ইষ্টাপত্তি আছে।

বাহ! মিথ্যা বেদান্তবাদী সকল! আপোনালোকে সত্য স্বৰূপ, সত্য-কাম, আৰু সত্যসঙ্কল্প পৰমাত্মাক মিথ্যাচাৰী কৰিলে! এইবোৰেই আপোনালোকৰ দুৰ্গতিৰ কাৰণ নহয় নে? কোন উপনিষদত, সূত্ৰগ্ৰন্থত বা বেদত লিখিত আছে যে পৰমেশ্বৰ মিথ্যাসংকল্পকাৰী আৰু মিথ্যাবাদী! কব পাৰেনে? আপোনালোকৰ কথা চোৰে ওভোটাই পুলিচক দণ্ড দিয়াৰ দৰে। পুলিচে চোৰক ধৰা স্বাভাৱিক, চোৰে পুলিচক ধৰি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দণ্ড দিয়া বিপৰীত কথা। সেইদৰেই আপোনালোক নিজে মিথ্যা বেদান্তবাদী, আৰু মিথ্যা সঙ্কল্পকাৰী হৈ, আপোনালোকৰ দোষ অনৰ্থক ব্ৰহ্মৰ গাত আৰোপ কৰিছে। ব্ৰহ্ম মিথ্যাজ্ঞানী, মিথ্যাবাদী আৰু মিথ্যাকাৰী হলে অনন্ত ব্ৰহ্মই তেনেকুৱা হব। ব্ৰহ্ম সদায় এক ৰস, সত্য স্বৰূপ, সত্যকামী, সত্যবাদী আৰু সত্যকাৰী। পূৰ্ব্বোক্ত দোষবোৰ আপোনালোকৰহে, ব্ৰহ্মৰ নহয়। আপোনালোকৰ কথিত বিদ্যা অবিদ্যা আৰু অধ্যাৰোপ মিথ্যা। কাৰণ আপোনালোক ব্ৰহ্ম নহৈও নিজকে ব্ৰহ্ম বুলি কব খোজে আৰু জীৱক ব্ৰহ্ম বোলে। এইবোৰ মিথ্যা জ্ঞান নহয় যদি কি? ব্ৰহ্ম সৰ্ব্বব্যাপক, যাৰ পৰিচ্ছিন্নতা আৰু মিথ্যা-জ্ঞান নাই আৰু কোনো বন্ধন নাই। জীৱ অজ্ঞানী, পৰিচ্ছিন্ন, একদেশী, অল্প আৰু অল্পজ্ঞ। সৰ্ব্বজ্ঞ আৰু সৰ্ব্বব্যাপী ব্ৰহ্মৰ লক্ষণ জীৱৰ দৰে নহয়।

এতিয়া মুক্তি আৰু বন্ধনৰ বিষয়ে লিখা হৈছে।

প্ৰশ্ন—মুক্তি কাক বোলে?

উত্তৰ--"মুঞ্চন্তি পৃথক ভবন্তি জনা যস্যাং সা মুক্তিঃ"। যি অৱস্থাত মুক্ত হৈ যায় তাৰ নাম মুক্তি।

প্ৰশ্ন—কিহৰ পৰা মুক্ত হোৱা?

উত্তৰ--যৰ পৰা সকলো জীৱই মুক্তিৰ বাঞ্ছা কৰে।

প্ৰশ্ন—কিহৰ পৰা নো মুক্ত হবলৈ বাঞ্ছা কৰে?

উত্তৰ—দুখৰ পৰা।

প্ৰশ্ন- মুক্ত হৈ কি পায় আৰু কলৈ যায় বা কত থাকে?

উত্তৰ - সুখ পায় আৰু ব্ৰহ্মত স্থিতি হয়।

প্ৰশ্ন – কি কি কৰিলে বন্ধন আৰু কি কি কৰিলে মুক্তি হয়?

উত্তৰ—ঈশ্বৰে দিয়া জ্ঞানেৰে অধৰ্ম্ম, অবিদ্যা, কুসঙ্গ, কুসংস্কাৰ আৰু দুষ্ট ব্যসন এৰি, সত্যপৰায়ণ, পৰোপকাৰ, বিদ্যা আৰু নিৰপেক্ষ ন্যায়, ধৰ্ম্মাচৰণ, ঈশ্বৰৰ উপাসনা, অৰ্থাৎ যোগাভ্যাস, অধ্যয়ন, অধ্যাপনা, পুৰুষাৰ্থ ইত্যাদি সাধনৰ দ্বাৰাই মুক্তি লাভ হয়। ইয়াৰ বিপৰীত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আচৰণ হলে বন্ধন হয়।

প্ৰশ্ন—মুক্তিত জীৱৰ লয় হয়নে জীৱ বিদ্যমান থাকে?

উত্তৰ—বিদ্যমান থাকে।

প্ৰশ্ন—কত থাকে? মুক্তজীৱ কোনো এক স্থানত থাকে নে স্বাধীন ভাবে সকলোতে যথা ইচ্ছা বিচৰণ কৰে?

উত্তৰ—যি ব্ৰহ্ম সকলোতে পৰিপূৰ্ণ, মুক্ত জীৱৰো তাত অব্যাহত গতি অৰ্থাৎ কোনো স্থানতেই বাধা নেথাকে, মুক্ত জীৱ বিজ্ঞান আৰু আনন্দৰে পূৰ্ণ হৈ স্বাধীন ভাবে বিচৰণ কৰে।

প্ৰশ্ন—মুক্ত জীৱৰ স্থূল দেহ থাকে নে নেথাকে?

উত্তৰ—নেথাকে।

প্ৰশ্ন—সুখ আৰু আনন্দ কেনেকৈ ভোগ কৰে?

উত্তৰ—মুক্ত জীৱৰ সত্য সংকল্প আদি স্বাভাৱিক গুণ আৰু সামৰ্থ্য থাকে, ভৌতিক সঙ্গ নেথাকে। যেনে :—

শৃন্বন্ শ্ৰোত্ৰং ভৱতি, স্পৰ্শয়ন্ ত্বগ্ ভৱতি, পশ্যন্ চক্ষুৰ্ভৱতি, ৰসয়ন্ ৰসনা ভৱতি, জিঘ্ৰন্ ঘ্ৰাণং ভৱতি, মন্বানো মনো, ভৱতি বোধয়ন্ বুদ্ধিৰ্ভৱতি, চেতয়ংশ্চিত্তম্ভৱতি, অহংকুৰ্ব্বাণোঽহঙ্কাৰো ভৱতি॥

শত পথ॰ কা॰ ১৪।

মোক্ষ প্ৰাপ্তি হলে জীৱৰ ভৌতিক শৰীৰ নাইবা ইন্দ্ৰিয়ৰ গোলক নেথাকে। কেৱল জীৱৰ স্বভাবিক গুণ থাকে। মুক্ত অৱস্থাত জীৱই শুনিবৰ ইচ্ছা হলে, নিজৰ কামনা শক্তিতেই শ্ৰোত্ৰ, স্পৰ্শ কৰিবৰ ইচ্ছা হলে ত্বক, দেখিবলৈ ইচ্ছা হলে চকু, স্বাদ লবৰ ইচ্ছা হলে জিভা, গন্ধ লবৰ ইচ্ছা হলে ঘ্ৰাণ, সংকল্প বিকল্প কৰিবৰ সময়ত মন, নিশ্চয় কৰিবলৈ বুদ্ধি, স্মৰণ কৰিবলৈ চিত্ত, অহংবুদ্ধিৰ কাৰণে অহঙ্কাৰ, আৰু সংকল্পমাত্ৰতেই সাংকল্পিক শৰীৰ হয়। স্থূল শৰীৰধাৰী জীৱই যেনেকৈ ইন্দ্ৰিয় গোলকেৰে স্ব কাৰ্য্য সাধন কৰে, সেইদৰেই মুক্ত অৱস্থাত স্বশক্তিৰ সংকল্পৰ দ্বাৰাই সকলো আনন্দ ভোগ কৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্রশ্ন—জীৱৰ শক্তি কিমান প্ৰকাৰৰ আৰু কিমান পৰিমাণৰ ?

উত্তৰ—মূল শক্তি এক, সেয়েই বল, পৰাক্ৰম, আকৰ্ষণ, প্ৰেৰণা গতি, ভীতি, বিচাৰ, ক্ৰিয়া, উৎসাহ, স্মৰণ, নিশ্চয়, ইচ্ছা, প্ৰেম, দ্বেষ, সংযোগ, বিভাগ, সংযোজন, বিভাজন, শ্ৰৱণ, স্পৰ্শন, দৰ্শন, আস্বাদন, গন্ধ গ্ৰহণ, আৰু জ্ঞান, এই চতুৰ্বিংশতি প্ৰকাৰ হয়। ইয়াৰেই জীৱই মুক্ত অৱস্থাত আনন্দ উপভোগ কৰে। মুক্তিৰ লগে লগে জীৱৰ লয় হলে মুক্তিৰ ফল ভোগ কৰিব কোনে ? জীৱৰ লয় মানে নাশ বুলি ভাবিলে মহা ভুল হব। যিহেতু সকলো দুখৰ পৰা মুক্ত হৈ সৰ্ব্বব্যাপক আনন্দ স্বৰূপ পৰমাত্মাৰ আনন্দ ভোগ কৰাই মুক্তি। এই বিষয়ে শাৰীৰক সূত্ৰত কি কৈছে চক :—

অভাবং বাদৰিৰাহ হ্যেবম্॥ (বেদান্ত দ০ ৪।৪।১০)॥

ব্যাসদেৱৰ পিতা বাদৰি মুনিয়ে মুক্ত অৱস্থাত জীৱৰ আৰু জীৱৰ লগত মনৰ বিদ্যমানতা স্বীকাৰ কৰে। অৰ্থাৎ পৰাশৰ মুনিয়ে মুক্তিত জীৱৰ আৰু মনৰ লয় স্বীকাৰ নকৰে। সেইদৰেই :—

ভাবং জৈমিনিৰ্বিকল্পামননাৎ॥ (বেদান্ত দ০ ৪।৪।১১)॥

জৈমিনি আচাৰ্য্যই মুক্ত জীৱৰ মনৰ দৰে সূক্ষ্ম শৰীৰ, ইন্দ্ৰিয় আৰু প্ৰাণ আদিৰো বিদ্যমানতা স্বীকাৰ কৰে, অভাৱ স্বীকাৰ নকৰো।

দ্বাদশাহবদুভয়বিধং বাদৰায়ণোঽতঃ। (বেদান্ত দ০ ৪।৪।১২)॥

বেদান্ত সূত্ৰৰ ৰচয়িতা ব্যাসমুনিয়ে মুক্ত অৱস্থাত ভাৱ আৰু অভাৱ উভয়কেই স্বীকাৰ কৰে। অৰ্থাৎ মুক্তিত জীৱৰ শুদ্ধ সামৰ্থ্য থাকে; অৰ্থাৎ অপবিত্ৰতা, পাপ আচৰণ, দুখ আৰু অজ্ঞান আদিৰ অভাৱ হয় বুলি ভাবে বা বিবেচনা কৰে।

যদা পঞ্চাবতিষ্ঠন্তে জ্ঞানানি মনসা সহ।
বুদ্ধিশ্চ ন বিচেষ্টতে তমাহুঃ পৰমাং গতিম্॥

(কঠ০ অ০ ২। ব০ ৬। ম০ ১০)॥

এই উপনিষদৰ বাক্যত কৈছে—যেতিয়া জীৱৰ লগত শুদ্ধ মন,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পঞ্চ জ্ঞানেন্দ্ৰিয় বিদ্যমান থাকে আৰু বুদ্ধি স্থিৰ নিশ্চয় হয়, সেই অৱস্থাকেই পৰমাগতি অৰ্থাৎ মোক্ষ বোলা হয়।

য আত্মা অপহত পাপ্মা বিজৰো বিমৃত্যুৰ্বিশোকোঽবিজিঘৎসোঽপিপাসঃ সত্যকামঃ সত্যসঙ্কল্পঃ সোঽন্বেষ্টব্যঃ স বিজিজ্ঞাসিতব্যঃ সৰ্ব্বাংশ্চ লোকানাপ্নোতি সৰ্ব্বাংশ্চ কামান্ যস্তমাত্মনমনুবিদ্য বিজানাতীতি। (ছান্দো০ প্ৰ০ ৮। খ০ ৭। মং ১)॥

স বা এষ এতেন দৈবেন চক্ষুষা মনসৈতান্ কামান্ পশ্যন্ ৰমতে॥ য এতে ব্ৰহ্মলোকে তং বা এতং দেৱা আত্মানমুপাসতে তস্মাত্তেষাং সৰ্ব্বে চ লোকা আত্তাঃ সৰ্ব্বে চ কামাঃ স সৰ্ব্বাংশ্চ লোকানাপ্নোতি সৰ্ব্বাংশ্চ কামান্ যস্তমাত্মানমনুবিদ্য বিজানাতীতি।
(ছান্দো০ প্ৰ০ ৮। খ০ ১২। মং ৫।৬)

মঘবন্মৰ্ত্ত্যং বা ইদং শৰীৰমাত্তং মৃত্যুনা তদস্যাঽমৃতস্যাশৰীৰস্যাত্মনোঽধিষ্ঠানমাত্তো বৈ সশৰীৰঃ প্ৰিয়াপ্ৰিয়াভ্যাং ন বৈ সশৰীৰস্য সতঃ প্ৰিয়াপ্ৰিয়য়োৰপহতিৰস্ত্যশৰীৰং বাব সন্তং ন প্ৰিয়াপ্ৰিয়ে স্পৃশতঃ॥ (ছান্দো০ প্ৰ০ ৮। খ০ ১২। মং ১)॥

যি আত্মা অপহৃত পাপ্মা; সৰ্ব্ব পাপ, জৰা, মৃত্যু, শোক, আৰু ক্ষুৎ পিপাসাৰহিত আৰু যি সত্যকাম, আৰু সত্য সংকল্প, তাৰ অনুসন্ধান কৰা, আৰু তাকেই জনা কৰ্ত্তব্য। সেই আত্মা স্বৰূপ উপলব্ধি কৰি অৰ্থাৎ মুক্ত জীৱই সমস্তলোক আৰু সমস্ত কামনা প্ৰাপ্ত কৰে। যি আত্মাৰ স্বৰূপ জানি বিশুদ্ধ হৈ মোক্ষ সাধন কৰিব পাৰে তেওঁ, সেই মুক্ত শুদ্ধ জীৱ দিব্য নেত্ৰৰে কামনা বোৰ প্ৰত্যক্ষ কৰে আৰু শুদ্ধ মনেৰে আনন্দত বিচৰণ কৰে। তেওঁ ব্ৰহ্মলোক অৰ্থাৎ দৰ্শনীয় পৰমাত্মাত স্থিতি হৈ মোক্ষ আনন্দ ভোগ কৰে। মুমুক্ষু বিদ্বান্ সকলে আত্মাৰ উপলব্ধিৰে সৰ্ব্বান্তৰ্যামী পৰমাত্মাৰ উপাসনা কৰে। তাৰ দ্বাৰাই তেওঁলোকে সৰ্ব্বলোক আৰু সৰ্ব্বকামনা লাভ কৰে। মুক্ত জীৱবোৰে স্থূল শৰীৰ এৰি সংকল্প শৰীৰৰ দ্বাৰাই অব্যাহত গতিৰে আকাশত পৰমাত্মাত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিচৰণ কৰে। দেহধাৰী জীৱই সাংসাৰিক দুখৰ পৰা মুক্ত হব নোৱাৰে। প্ৰজাপতিয়ে ইন্দ্ৰক কৈছিল—"হে পৰম পূজিত ঐশ্বৰ্য্যবান পুৰুষ। এই স্থুল শৰীৰ মৰণশীল, সিংহৰ মুখত ছাগলীৰ দৰে এইদেহ মৃত্যুৰ মুখত অৱস্থিত। অমৰ আৰু বিদেহী জীৱাত্মাৰ এই দেহ বাসস্থান। গতিকে জীৱ দেহত থাকে মানে সকলো সুখ দুখ ভোগ কৰে। দেহধাৰী জীৱৰ সাংসাৰিক সুখৰ নিবৃত্তি হয়, আৰু শৰীৰ ৰহিত জীৱাত্মাই ব্ৰহ্মত অৱস্থান কৰে। সাংসাৰিক সুখ দুখে সেই মুক্ত জীৱক স্পৰ্শ নকৰে।

প্ৰশ্ন—জীৱই মুক্তি লাভ কৰাৰ পাছত আকৌ জনম মৰণ দুখত পৰে নে নপৰে ? কাৰণ :—

ন চ পুনৰাবৰ্ত্ততে ন চ পুনৰাবৰ্ত্ততে ইতি—।

উপনিষদ্বচনম্ (ছা॰ প্ৰ॰ ৮। অ॰ ১৫)॥

অনাবৃত্তিঃ শব্দাদনাবৃত্তিঃ শব্দাৎ॥ (শাৰীৰক সূ॰ ৪।৪।৩৩)॥

যদ্ গত্বা ন নিবৰ্ত্তন্তে তদ্ধাম পৰমং মম॥ (ভ॰ গীতা)॥

ইত্যাদি বচনৰ পৰা বুজিব পাৰি যে যি অৱস্থাৰ পৰা জীৱই সংসাৰলৈ আকৌ প্ৰত্যাবৰ্তন নকৰে তাকেই মুক্তি বোলে।

উত্তৰ—এইবোৰকেই প্ৰমাণ বুলি মানিব নোৱাৰি; কাৰণ বেদত ইয়াৰ নিষেধ আছে। যথা :—

কস্য নূনং কতমস্যামৃতানাং মনামহে চাৰু দেৱস্য নাম।
কো নো মহ্যা অদিতয়ে পুনৰ্দাৎ পিতৰং চ দৃশেয়ং মাতৰং চ॥১॥
অগ্নেৰ্বয়ং প্ৰথমস্যামৃতানাং মনামহে চাৰু দেৱস্য নাম।
স নো মহ্যা অদিতয়ে পুনৰ্দাৎ পিতৰং চ দৃশেয়ং মাতৰং চ॥২॥

(ঋ॰ ম॰ ১। সূ॰ ২৪। মং ১। ২॥)

ইদানীমিব সৰ্ব্বত্ৰ নাত্যন্তোচ্ছেদঃ।৩॥ (সাংখ্য সূ॰ ১। সূ॰ ১৫৯)

প্ৰশ্ন—আমি কাৰ নাম পৱিত্ৰ বুলি জানিম ? অবিনাশী তত্ত্ববোৰৰ ভিতৰত বিদ্যমান চিৰ প্ৰকাশ স্বৰূপ কোন দেৱতাই আমাক মুক্তি আনন্দ ভোগ কৰাই পুনঃ সংসাৰত জন্মদান দি পিতৃ মাতৃৰ দৰ্শন কৰায় ? ॥১॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ—আমি এই স্বপ্ৰকাশ স্বৰূপ, অনাদি আৰু সদামুক্ত পৰমাত্মাৰ নামকেই পৱিত্ৰ বুলি জানিব লাগিব। যি আমাৰ মুক্তিত আনন্দ ভোগ কৰাই পুনৰায় মাতা পিতাৰ সংযোগত জন্ম দি তেওঁলোক দৰ্শন কৰায়, সেই পৰমাত্মাই মুক্তি বিধাতা আৰু সকলোৰে অধিপতি।২॥ যেনেকৈ এই সময়ত জীৱ বদ্ধ আৰু মুক্ত হয় সেই দৰেই সকলো কালতে হয়। বন্ধন আৰু মুক্তিৰ অত্যন্ত বিচ্ছেদ কেতিয়াও হব নোৱাৰে আৰু বন্ধন আৰু মুক্তিও সদায় নেথাকে।৩॥

প্ৰশ্ন—তদত্যন্তবিমোক্ষোঽপবৰ্গঃ।

দুঃখজন্মপ্ৰবৃত্তিদোষমিথ্যাজ্ঞানানামুত্তৰোত্তৰাপায়ে

তদনন্তৰাপায়াদপবৰ্গঃ। (ন্যায় সূত্ৰ ১।২২।২)॥

দুঃখৰ অত্যন্ত বিচ্ছেদকেই মুক্তি বোলে। কাৰণ মিথ্যাজ্ঞান, অবিদ্যা, লোভ আদি দোষ, দুৰ্ব্যসনত প্ৰবৃত্তি আৰু জন্ম আদিৰ উত্তৰোত্তৰ অৱসানত পূৰ্ব্বৰ নিবৃত্তি হলেই মোক্ষ হয় আৰু সদায় বিদ্যমান থাকে।

উত্তৰ—অত্যন্ত শব্দৰ অৰ্থ অত্যন্ত অভাবেই হব লাগে, যেনে যুক্তি নাই। যেনে—"অত্যন্তং দুঃখমত্যন্তং সুখং চাস্য বৰ্ত্ততে"-এওঁৰ অত্যন্ত দুঃখ আৰু অত্যন্ত সুখ হৈছে। ইয়াৰ পৰা বুজা যায় যে তেওঁৰ বেছি দুখ আৰু বেছি সুখ হৈছে। সেই দৰেই এই স্থলতো "অত্যন্ত" শব্দৰ অৰ্থ বুজিব লাগিব।

প্ৰশ্ন—মুক্তিৰ পাচত যদি জীৱই প্ৰত্যাবৰ্ত্তন কৰে, তেন্তে মুক্ত অৱস্থাত সি কিমান কাল থাকে?

উত্তৰ—তে ব্ৰহ্মলোকে হ পৰান্তকালে পৰামৃতাৎ পৰিমুচ্যন্তি সৰ্ব্বে॥ (মুণ্ডক॰ ৩। ম॰ ২। মং ৬)॥

মুক্ত জীৱবোৰে মুক্ত অৱস্থাত ব্ৰহ্ম প্ৰাপ্ত হৈ ব্ৰহ্মত আনন্দ ভোগ কৰি মহাকল্পৰ পাছত, মুক্তি সুখৰ অৱসানত পুনৰায় সংসাৰলৈ আহে।

মহাকল্পৰ গণনাঃ—তিয়াল্লিশ লক্ষ, বিশ সহস্ৰ বছৰত এক চতু-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যুগী; দুই সহস্র চতুর্যুগীত এক অহোৰাত্র; ত্রিশ অহোৰাত্রত এক মাহ এই দৰে বাৰ মাহত এক বছৰ আৰু এশ বছৰত এক পৰান্ত কাল হয়। এই গণনা গণিত বিদ্যাৰে বুজি লোৱা আৱশ্যক। মুক্তি সুখ ভোগৰ পৰিমাণ কাল ইমানেই।

প্রশ্ন—মানৱ জগতৰ আৰু সকলো গ্রন্থকাৰৰ মত এয়ে যে জীৱই মুক্ত হোৱাৰ পাছত পুনৰায় জন্ম-মৰণৰ চক্রত নপৰে।

উত্তৰ—এনেকুৱা কেতিয়াও হব নোৱাৰে। কাৰণ, জীৱৰ সামৰ্থ্য আৰু দেহাদি সাধন পৰিমিত। গতিকে এইবোৰৰ ফল অনন্ত কেনেকৈ হব? জীৱৰ অসীম সামৰ্থ্য, কৰ্ম্ম আৰু সাধন নাই। এই কাৰণেই জীৱই অনন্ত সুখ ভোগ কৰিব নোৱাৰে। যাৰ সাধন অনিত্য তাৰ ফল নিত্য হব নোৱাৰে। আৰু যদি জীৱই মুক্তিৰ পৰা প্রত্যাবৰ্ত্তন নকৰে তেন্তে সংসাৰৰ উচ্ছেদ হব আৰু জীৱও নোহোৱা হব লাগিব।

প্রশ্ন—যিমানবোৰ জীৱৰ মুক্তি হয় সিমানবোৰ জীৱ ঈশ্বৰে সৃষ্টি কৰি পঠায় গতিকে জীৱ নিঃশেষ হব নোৱাৰে।

উত্তৰ—তেনেহলে জীৱক অনিত্য বুলি কব লাগিব। কাৰণ যাৰ উৎপত্তি হয় তাৰ বিনাশো হয়। আপোনাৰ মতে তেনেহলে জীৱই মুক্তি পায়ো বিনষ্ট হয়। গতিকে মুক্তি অনিত্য বুলি মানিব লাগিব। উপৰি মুক্তিৰ ঠাইত বহুত ভিৰ হব। কাৰণ, সদায় আগমন হব কিন্তু একেবাৰেই নোহোৱাত সংখ্যা বাঢ়ি অপাৰ হব। দুখৰ অনুভৱ নহলে সুখৰ অনুভৱো হব নোৱাৰে। তিতাকেহা নেথাকিলে মিঠা কাক বুলিব? এক স্বাদ, এক ৰসৰ বিৰুদ্ধ হোৱাৰ পৰাই দুই ৰসৰ পৰীক্ষা হয়। যদি কোনোৱে কেৱল মিঠা বস্তুকেই ভোগ কৰি থাকে, তেনেহলে সকলো ৰসৰ বস্তু ভোগ কৰোতাৰ সুখ তেওঁৰ অনুভৱ নহয়। আৰু যদি ঈশ্বৰে সান্ত কৰ্ম্মৰ অনন্ত ফল দিয়ে তেতিয়া ঈশ্বৰৰ ন্যায়শীলতাও নেথাকে। যি যিমানৰ যোগ্য তাক সিমান দিয়াহে ন্যায়-কাৰীৰ কৰ্ত্তব্য। বালক বা দুৰ্ব্বলক তুলিব নোৱাৰা ভাৰ দিলে ভাৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দিওঁতাৰহে নিন্দা হয়। সেইদৰে অল্পজ্ঞ আৰু অল্প সামৰ্থ্য বিশিষ্ট জীৱক অনন্ত সুখৰ ভাৰ অৰ্পণ কৰা ঈশ্বৰৰ ন্যায্য নহব। আৰু যদি ঈশ্বৰে নতুন নতুন জীৱৰ সৃষ্টি কৰে, তেতিয়া হলে যি কাৰণৰ পৰা উৎপন্ন হয় সেই কাৰণৰ অৱসান হব। কোনো ভৰাল যিমানেই পৰিপূৰ্ণ হওক লাগে, যাৰ আয় নাই কেৱল ব্যয়েই হৈ থাকে সি এদিন একেবাৰে নিঃশেষ হবই। গতিকে জীৱৰ মুক্তি লাভ আৰু মুক্তিৰ পৰা প্ৰত্যাগমন অনিবাৰ্য্য। কোনো অপৰাধীয়ে অলপ কালৰ কাৰাগাৰতকৈ আজীৱন কাৰাবাস বা ফাঁচী দণ্ড নিবিচাৰে। মুক্তিৰ পাছত জীৱৰ প্ৰত্যাবৰ্ত্তন নহলে আজীৱন ফাটেকৰ পৰা মুক্তিৰ পাৰ্থক্য এয়েই হব যে, মুক্তিত বাধ্যতামূলক পৰিশ্ৰম নাই, ফাটেকত আছে। ব্ৰহ্মত লয় হোৱাও জীৱৰ সমুদ্ৰত ডুবি মৰাৰ সমান হব।

প্ৰশ্ন—পৰমেশ্বৰৰ দৰেই জীৱ নিত্য মুক্ত আৰু পূৰ্ণসুখী হলে কোনো দোষ নেথাকে।

উত্তৰ—পৰমেশ্বৰ অনন্ত স্বৰূপ, তেওঁৰ গুণ, কৰ্ম্ম, স্বভাৱ আৰু সামৰ্থ্যও অনন্ত। এই কাৰণেই তেওঁ অবিদ্যা আৰু দুখ বন্ধনৰ অতীত। জীৱ মুক্ত হলে, যি শুদ্ধ স্বৰূপ হয় সি অল্পজ্ঞ, আৰু পৰিমিত গুণ, কৰ্ম্ম, স্বভাৱ বিশিষ্ট হৈয়েই থাকে। জীৱ কেতিয়াও ঈশ্বৰৰ সমান হব নোৱাৰে।

প্ৰশ্ন—তেনেহলে জন্ম আৰু মৰণ যেনে মুক্তিও তেনে; গতিকে তাৰ কাৰণে চেষ্টা কৰা নিৰৰ্থক।

উত্তৰ—মুক্তিৰ লগত জন্ম মৰণৰ তুলনা নেখাতে। ছয়ত্ৰিশ হেজাৰ বাৰ (৩৬০০০) সৃষ্টি আৰু প্ৰলয় হওঁতে যিমান কাল লাগে, সিমান কাল পৰ্য্যন্ত জীৱই মুক্তিৰ আনন্দত থকা সামান্য বা নিৰৰ্থক কথা নহয়। আজি উদৰ পূৰণ কৰি খালেও যদি কাইলৈ ক্ষুধা তৃষ্ণা হয়, তেন্তে খোৱা পিয়া নিৰৰ্থক নহয় কিয়? ক্ষুধা, তৃষ্ণা, সামান্য ধন, ৰাজ্য, প্ৰতিষ্ঠা বিবাহ আৰু সন্তান আদিৰ ব্যৱস্থা আৱশ্যক হলে, মুক্তি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চেষ্টা প্ৰয়োজন নহব কিয় ? মৃত্যু অৱশ্যম্ভাবী হোৱা সত্ত্বেও যেনেকৈ জীৱন ৰক্ষাৰ উপায় অৱলম্বন কৰা হয়, সেইদৰে মুক্তিৰ পৰা প্ৰত্যাবৰ্তন কৰি জন্ম গ্ৰহণ কৰিব লাগিলেও মুক্তিৰ উপায় অৱলম্বন কৰা একান্ত প্ৰয়োজন।

প্ৰশ্ন—মুক্তিৰ সাধন কি কি ?

উত্তৰ—সাধনৰ কথা কিছু আগতে উল্লেখ কৰা হৈছে। আৰু কেইটামান বিশেষ সাধন তলত দিয়া হল। মুক্তিকামী জীৱন মুক্ত হব লাগিব অৰ্থাৎ কুফল দায়ক মিথ্যা আচৰণাদি সকলো দুষ্কৰ্ম্মৰ পৰা মুক্ত হৈ সুফলদায়ক সৎ কৰ্ম্মপৰায়ণ হোৱা আৱশ্যক। যি দুখৰ নিবৃত্তি আৰু সুখৰ কামনা কৰে তেওঁ অসৎ প্ৰবৃত্তি আৰু অধৰ্ম্ম আচৰণৰ পৰা আঁতৰত থাকি অন্তৰ শুদ্ধ কৰি সৎ হৈও, আৰু ধৰ্ম্মৰ আচৰণ শীল হব লাগিব। যিহেতু অসৎ আচৰণ দুখৰ আৰু সৎ আচৰণ সুখৰ মূল। সৎ সঙ্গৰ সহায়ত সৎ অসৎ, ধৰ্ম্ম-অধৰ্ম্ম, আৰু কৰ্ত্তব্য অকৰ্ত্তব্যৰ বিবেচনা কৰিব পাৰিব লাগিব। এইবোৰৰ স্বৰূপ যথাৰ্থ ভাবে উপলব্ধি কৰিব লাগিব। জীৱৰ শৰীৰ অৰ্থাৎ জীৱৰ পঞ্চকোষৰ ভিন্ন ভিন্ন স্বৰূপ উপলব্ধি কৰিব পাৰিব লাগিব।

(১) ত্বচা (ছাল)ৰ পৰা অস্থি পৰ্য্যন্ত "অন্নময়" কোষ। (২) পঞ্চবায়ুৰ সমষ্টি "প্ৰাণময়" কোষ। ভিতৰৰ বায়ু বাহিৰ (নিশাহ) কৰা প্ৰাণ বায়ু; বাহিৰৰ বায়ু ভিতৰলৈ টনা (উশাহ) "অপান"; যি নাভিস্থ বায়ুয়ে সৰ্বশৰীৰত ৰস সঞ্চাৰ কৰে "সমান"; যি কণ্ঠৰ পৰা অন্নজল টানি নিয়ে তাৰ নাম "উদান" আৰু যাৰ দ্বাৰাই জীৱই সকলো শাৰীৰিক চেষ্টা কৰে তাৰ নাম "ব্যান"।

(৩) মন, অহঙ্কাৰ আৰু পঞ্চ কৰ্ম্মেন্দ্ৰিয় অৰ্থাৎ বাক্, পাণি, পাদ, পায়ু আৰু উপস্থ এই বোৰৰ সমষ্টিক "মনোময়" কোষ বোলে। (৪) বুদ্ধি চিত্ত আৰু পঞ্চজ্ঞানেন্দ্ৰিয় অৰ্থাৎ নেত্ৰ, জিহ্বা, শ্ৰোত্ৰ, ত্বক্ আৰু নাসিকা এই বোৰৰ সমষ্টিক –"বিজ্ঞানময়" কোষ বোলে। এই বিজ্ঞানময়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কোষেৰেই জীৱই জ্ঞান সম্পাদন কৰে। (৫) প্ৰীতি প্ৰসন্নতা, কম বেছি আনন্দ আৰু আধাৰ কাৰণ ৰূপ প্ৰকৃতি "আনন্দময়" কোষৰ ভিতৰত পৰে।

জীৱৰ অৱস্থা বা স্থিতি ত্ৰিবিধ; যেনে জাগ্ৰত, স্বপ্ন, আৰু সুষুপ্তি। জীৱৰ শৰীৰ চতুৰ্বিধ—(১) স্থূলশৰীৰ, যি দৃশ্যমান। (২) পঞ্চপ্ৰাণ, পঞ্চজ্ঞানেন্দ্ৰিয়, পঞ্চসূক্ষ্মভূত, মন, আৰু বুদ্ধি এই সপ্তদশ তত্ত্বৰ সমষ্টিক "সূক্ষ্ম শৰীৰ" বোলে। এই সূক্ষ্ম শৰীৰ জীৱৰ জীবিত আৰু মৃত দুয়ো অৱস্থাতেই থাকে। সূক্ষ্ম শৰীৰো দুই প্ৰকাৰৰ অৰ্থাৎ ভৌতিক আৰু স্বাভাৱিক। সূক্ষ্ম ভূত অংশৰ পৰা "ভৌতিক" নিৰ্ম্মিত, আৰু যি জীৱৰ স্বভাৱিক গুণ স্বৰূপ সেয়েই "স্বাভাৱিক"। এই দ্বিতীয় বিধ শৰীৰ অভৌতিক, মুক্ত অৱস্থাতো থাকে। এই শৰীৰেৰেই জীৱই মুক্তিত সুখ ভোগ কৰে। (৩) কাৰণ শৰীৰ, সুষুপ্তি অৱস্থা জীৱৰ কাৰণ শৰীৰ। কাৰণ শৰীৰ প্ৰকৃতিৰূপ কাৰণে সৰ্ব্বব্যাপক আৰু সকলো জীৱৰেই একে। (৪) "তুৰীয় শৰীৰ", যেতিয়া জীৱ সমাধিস্থ হৈ পৰমাত্মাৰ আনন্দত থাকে সেয়েই তুৰীয় শৰীৰ।

এই সমাধিৰ পৰা হোৱা শুদ্ধ শৰীৰৰ পৰাক্ৰম মুক্তিতো যথাৰ্থৰূপে সহায় কৰে। জীৱ যে এইবোৰ কোষ আৰু অৱস্থাৰ পৰা ভিন্ন বস্তু এই কথা সকলোৱেই জানে! ইয়াৰ প্ৰমাণ এয়ে যে, মৃত্যু হলে সকলোৱেই কয় জীৱ ওলাই গ'ল, জীৱ নাই। এই জীৱকেই সকলো বিষয়ৰ প্ৰেৰয়িতা, ধৰ্ত্তা, সাক্ষী আৰু ভোক্তা বোলা হয়। জীৱ কৰ্ত্তা আৰু ভোক্তা নহয় বুলি কেৱল অজ্ঞ আৰু বিবেচনাহীন ব্যক্তিয়েহে কব পাৰে জড় পদাৰ্থবোৰৰ সুখ দুখৰ ভোগ বা পাপ পুণ্যৰ কৰ্ত্তৃত্ব জীৱৰ বাহিৰে আন কাৰো হব নোৱাৰে। আৰু এইবোৰৰ সংযোগ সম্বন্ধতেই জীৱ পাপ পুণ্যৰ কৰ্ত্তা আৰু সুখ দুখৰ ভোক্তা হয়।

যেতিয়া ইন্দ্ৰিয় অৰ্থ (বিষয়)ৰ লগত, মন ইন্দ্ৰিয়ৰ লগত, আৰু আত্মা মনৰ লগত সংযুক্ত হৈ প্ৰেৰণাৰে প্ৰাণক উত্তম বা অধম কৰ্ম্মত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নিয়োজিত কৰে, তেতিয়া সেইবোৰ বহির্মুখী হৈ যায়। সেই সময়ত, লগে লগেই ভিতৰৰ পৰা আনন্দ, উৎসাহ, অভয়, আৰু কুকৰ্ম্মলৈ ভয়, শঙ্কা আৰু লজ্জা এইবোৰ উৎপন্ন হয়। এইবোৰেই অন্তর্য্যামী, সাক্ষী পুৰুষ, পৰমাত্মাৰ শিক্ষা আৰু নির্দ্দেশ। যি এই শিক্ষাৰ অনুকূল আচৰণ কৰে তেওঁ মুক্তিজনিত সুখ পায়। যি তাৰ বিপৰীত আচৰণ কৰে, তেওঁ বন্ধন জনিত দুখ ভোগী হয়। মুক্তিৰ দ্বিতীয় সাধন হ'ল বৈৰাগ্য অৰ্থাৎ সৎ অসৎৰ বিবেচনা কৰি অসৎ প্ৰবৃত্তি এৰি সৎ পৰায়ণ হোৱাকেই বিবেক বোলে। জড় চৈতন্যৰ গুণ. কৰ্ম্ম, স্বভাৱ উপলব্ধি কৰি, ঈশ্বৰ পৰায়ণ হৈ উপাসনা কৰা, ইয়াৰ বিপৰীত আচৰণ নকৰি সৃষ্টিৰ পৰা অমৃত গ্ৰহণ কৰিব পৰাকেই বিবেক বোলে।

ইয়াৰ পাছত মুক্তিৰ তৃতীয় সাধন হল "ষট্ক সম্পত্তি", অৰ্থাৎ ষড়বিধ কৰ্ম্মানুষ্ঠান। প্ৰথম "শম" অৰ্থাৎ আত্মাক অন্তঃকৰণ সহ অসৎ প্ৰবৃত্তিৰ পৰা নিবৃত্ত কৰি সদায় সৎ প্ৰবৃত্তিশীল হোৱা। দ্বিতীয় "দম" অৰ্থাৎ শ্ৰোত্ৰাদি ইন্দ্ৰিয়বোৰক শৰীৰিক ব্যভিচাৰ আদি কুৰ্ম্মৰ পৰা নিবৃত্ত কৰি, জিতেন্দ্ৰিয় আৰু সৎ কৰ্ম্মত প্ৰবৃত্ত কৰা। তৃতীয় "উপৰতি" অৰ্থাৎ অসৎ সঙ্গৰ পৰা আঁতৰি থকা। চতুৰ্থ "তিতিক্ষা" অৰ্থাৎ নিন্দা, স্তুতি, হানি লাভ, হৰ্ষশোক, উপেক্ষা কৰি সদায় মুক্তি সাধনত মনোযোগ দিয়া। পঞ্চম "শ্ৰদ্ধা" অৰ্থাৎ বেদাদি সত্য শাস্ত্ৰ, আৰু ইয়াৰ তত্ত্বজ্ঞ সৎপুৰুষ, আৰু আপ্ত পৰায়ণ মাহাত্মা সকলৰ বাক্যত বিশ্বাস কৰা। ষষ্ঠ "সমাধান"—অৰ্থাৎ চিত্তৰ একাগ্ৰতা। এই ছয়টিক একেলগে তৃতীয় সাধন বোলে।

চতুৰ্থ সাধন "মুমুক্ষুত্ব" অৰ্থাৎ যেনেকৈ ক্ষুধাৰ্ত্ত আৰু তৃষ্ণাৰ্ত্তৰ আহাৰ আৰু জলৰ বাহিৰে অন্য একোতে স্পৃহা নেথাকে সেইদৰে মুক্তি সাধনৰ বাহিৰে আন একোতেই স্পৃহা নৰখা।

এই চাৰি সাধনৰ পাছত চাৰি "অনুবন্ধ"—অৰ্থাৎ সাধনৰ পৰবৰ্ত্তী অনুষ্ঠেয় কৰ্ম্ম।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ইয়াৰ ভিতৰত প্ৰথম "মোক্ষৰ অধিকাৰী" অৰ্থাৎ যি এই চাৰিবিধ সাধনত সফল, তেওঁৱেই মোক্ষৰ অধিকাৰী।

দ্বিতীয়—"সম্বন্ধ" অৰ্থাৎ—ব্ৰহ্ম প্ৰাপ্তিৰূপ মুক্তিৰ প্ৰতিপাদ্য আৰু বেদাদি শাস্ত্ৰৰ—প্ৰতিপাদকক যথাৰ্থৰূপে উপলব্ধি কৰি অন্বয় কৰা।

তৃতীয় "বিষয়ী" সকলো শাস্ত্ৰৰ প্ৰতিপাদনৰ বিষয় বস্তু ব্ৰহ্ম, সেই ব্ৰহ্মপ্ৰাপ্তি বিষয় বিশিষ্ট পুৰুষৰ নাম "বিষয়ী"।

চতুৰ্থ—"প্ৰয়োজন" অৰ্থাৎ সকলো প্ৰকাৰ দুখনিবৃত্তিৰ অন্তত পৰমানন্দ বা মুক্তি সুখ ভোগ কৰা। এই চাৰিটাক অনুবন্ধ বোলে।

ইয়াৰ পাছত—"শ্ৰৱণ চতুষ্টয়"—প্ৰথম "শ্ৰৱণ" অৰ্থাৎ তত্ত্বজ্ঞানীৰ পৰা শান্ত চিত্তে মনোযোগ দি উপদেশ শুনা। বিশেষকৈ ব্ৰহ্মজ্ঞান শুনাত অত্যন্ত মনোযোগ দিয়া আৱশ্যক। যিহেতু ব্ৰহ্মতত্ত্বৰ বিষয় সকলোতকৈ সূক্ষ্ম। দ্বিতীয় "মনন"—অৰ্থাৎ শ্ৰৱণৰ পাছত নিৰ্জ্জন স্থানত শান্ত চিত্তে বহি শ্ৰুত বিষয়ৰ চিন্তা কৰা। যি যি বিষয়ত সংশয় হয় সেইবোৰ পুনৰায় প্ৰতিপ্ৰশ্ন কৰি বুজা আৰু শুনাৰ সময়তো বক্তা আৰু শ্ৰোতা দুয়োৰে ভিতৰত প্ৰশ্ন উত্তৰেৰে সমাধান কৰা। তৃতীয় "নিদিধ্যাসন" অৰ্থাৎ স্ৰবণ আৰু মনন কৰি নিঃসন্দেহ হোৱাৰ পাছত—সমাধিস্থ হৈ যি যি শ্ৰবণ মনন কৰা হৈছে, সেইবোৰ ধ্যান যোগেৰে প্ৰত্যক্ষ উপলব্ধি কৰা অৰ্থাৎ যিবোৰ শ্ৰবণ মনন কৰা হৈছে সেইবোৰ সেইমতে হয়নে নহয় তাৰ অনুভব কৰা। চতুৰ্থ—"সাক্ষাৎকাৰ"— অৰ্থাৎ তত্ত্ব বা পদাৰ্থ বোৰৰ গুণ, ধৰ্ম্ম, স্বভাৱ যথাৰ্থৰূপত উপলব্ধি কৰা। এই চাৰিটাকেই "শ্ৰৱণ চতুষ্টয়"—বোলে।

ক্ৰোধ মলিনতা, আলস্য প্ৰমাদ আদি তমোগুণ, আৰু ঈৰ্ষ্যা দ্বেষ, কাম, অভিমান আৰু বিক্ষেপ আদি ৰজোগুণ সংযম কৰি শান্ত প্ৰকৃতি পবিত্ৰতা, জ্ঞান বিবেচনা, আদি সত্ত্ব পৰায়ণ হোৱা। মৈত্ৰী অৰ্থাৎ সুখী লোকৰ লগত মিত্ৰতা কৰুণা অৰ্থাৎ—দুঃখগ্ৰস্তক দয়া কৰা, মুদিতা অৰ্থাৎ—পুণ্যাত্মা দৰ্শনত আনন্দিত হোৱা, উপেক্ষা অৰ্থাৎ—দুৰাত্মা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

লোকৰ প্ৰতি প্ৰীতি নৰখা, আৰু বৈৰী ভাব নৰখা।

মুমুক্ষু অৰ্থাৎ মোক্ষৰ কামনাৰে প্ৰতিদিন দুঘণ্টা কাল ধ্যান কৰিব লাগে। কিয়নো তাৰ দ্বাৰাই অভ্যন্তৰস্থিত মন আদি তত্ত্বৰ প্ৰত্যক্ষ হয়। জীৱ চেতন কাৰণেই জ্ঞানস্বৰূপ আৰু মনৰ সাক্ষী। কাৰণ যেতিয়া মন শান্ত, চঞ্চল, প্ৰফুল্ল বিষাদ মুক্ত হয়, তাৰ যথাৰ্থ স্বৰূপ জীৱই দৰ্শন কৰে। সেইদৰেই ইন্দ্ৰিয়, আৰু প্ৰাণ আদিৰো জীৱ জ্ঞাতা, পূৰ্ব্বদৃষ্ট বিষয়ৰ স্মৰণকৰ্ত্তা, আৰু একে সময়তেই অনেক পদাৰ্থৰ বক্তা, ধাৰণ আৰু আকৰ্ষণ কৰ্ত্তা, কিন্তু সকলো পদাৰ্থৰ পৰা ভিন্ন। এইবোৰৰ পৰা ভিন্ন নহলে, এইবোৰৰ কৰ্ত্তা, প্ৰেৰয়িতা, অধিষ্ঠাতা বা নিয়ন্তা হব নোৱাৰিলেহেতেন।

অবিদ্যাঽস্মিতা ৰাগদ্বেষাভিনিবেশাঃ পঞ্চক্লেশাঃ

যোগশাস্ত্ৰ পাদ ২। সূঃ ৩॥

এইবোৰৰ ভিতৰত অবিদ্যাৰ স্বৰূপ আগতে কৈ অহা হৈছে। পৃথক আৰু বৰ্ত্তমান বুদ্ধিক আত্মাৰ অভিন্ন বুলি ভবাই "অস্মিতা"। সুখৰ প্ৰীতিৰ নাম "ৰাগ"।

দুঃখত অপ্ৰীতিৰ নাম "দ্বেষ" প্ৰাণী মাত্ৰৰেই নিজৰ নিজৰ জীৱন আটাইতকৈ প্ৰিয় সকলোৰে ভয় আৰু তাক অতিক্ৰম কৰিবলৈ বাঞ্ছা কৰে। মৃত্যুৰ ভয়ক "অভিনিবেশ" বোলে। যোগাচৰণ আৰু বিজ্ঞানেৰে এই পঞ্চ ক্লেশ দূৰ কৰি ব্ৰহ্ম সাক্ষৎ স্বৰূপ মুক্তিৰ পৰমানন্দ অনুভৱ কৰিব পাৰি।

প্ৰশ্ন—আপুনি যি বোৰ মুক্তিৰ লক্ষণ ব্যাখ্যা কৰিলে, সেইবোৰ অন্য কোনেও কৰা নাই। আৰু নেমানে।

শুনক! জৈন সকলৰ মতে শিৱপুৰলৈ গৈ মোক্ষ শিলাত নিস্তব্ধ ভাবে বহি থকা, খৃষ্টান সকলৰ মতে চতুৰ্থ আকাশত বিবাহ, যুদ্ধ, গীত বাদ্য কৰা, আৰু নানা বস্ত্ৰ আভৰণ পৰিধান কৰি, আনন্দ উপভোগ কৰা; মুছলমান সকলেও সেইদৰেই সপ্তম আকাশত; বামমাৰ্গি সকলে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

শ্ৰীপুৰক; শৈব সকলে কৈলাসক; বৈষ্ণৱ পন্থী সকলে বৈকুণ্ঠক; আৰু গোকুলৰ গোঁসাই পন্থী সকলে গোলকলৈ গৈ দিব্য অপেশ্বৰী, অন্ন, পানীয় বস্ত্ৰ স্থান আদি লাভ কৰি আনন্দত থকাকেই মুক্তি বোলে। পৌৰাণিক সকলে (সালোক্য) অৰ্থাৎ ঈশ্বৰ ধামত নিবাস, (সানুজ্য) অৰ্থাৎ কনিষ্ঠ ভ্ৰাতাৰ দৰে ঈশ্বৰৰ সমীপত অৱস্থান, (সাৰূপ্য) অৰ্থাৎ—উপাস্য দেৱৰ স্বৰূপ ধৰি থকা, (সামীপ্য) অৰ্থাৎ—সেৱক ৰূপত ঈশ্বৰ সমীপত থকা, (সাযুজ্য) অৰ্থাৎ—ঈশ্বৰ লগত সংযুক্ত হোৱা এই পাচ প্ৰকাৰৰ মুক্তি মানে। বেদান্তবাদী সকলে ব্ৰহ্মত লয় হোৱাকেই মুক্তি বোলে।

উত্তৰ—দ্বাদশ, ত্ৰয়োদশ আৰু চতুৰ্দশ সমুল্লাসত যথাক্ৰমে জৈন, খৃষ্টান, আৰু মুছলমান সম্প্ৰদায়ৰ মুক্তিৰ বিষয়ে বিস্তাৰিত আলোচনা কৰা হব।

এতিয়া বামপন্থী সম্প্ৰদায়ৰ মোক্ষ বিষয়েই আলোচন কৰা হ'ক। বামপন্থী সকলৰ মতে যদি শ্ৰীপুৰ লাভ কৰি লক্ষ্মীৰ তুল্য দিব্য ৰমণীৰ লগত সম্ভোগ আৰু মদ্য মাংস আদি ভোজন পান কৰি আমোদ-প্ৰমোদ কৰাই মোক্ষ হয় তেন্তে ইহলোকতকৈ বিশেষতা থাকিল? মহাদেৱ বিষ্ণুৰ দৰে ৰূপ যৌবন আৰু পাৰ্ব্বতী, লক্ষ্মী আদিৰ দৰে ৰূপবতীৰ লগত আমোদ প্ৰমোদ ভোগ বিলাস কৰাই যদি মোক্ষ হয় তেন্তে ইয়াৰ ধনাঢ্য ৰাজা সকলৰ ভোগ বিলাসতকৈ মোক্ষৰ বিশেষত্ব ক'ত? যি কয়, যত ৰোগ নাই, চিৰযৌবন থাকে, তেওঁৰ কথা মিছা নহয় বুলি কোনে বিশ্বাস কৰিব? কাৰণ য'ত ভোগ আছে তাতেই ৰোগ আছে আৰু যত ৰোগ আছে তাত বৃদ্ধাৱস্থাও আছে। ইয়াৰ অধিক আৰু নকলেও হব।

পৌৰাণিক সম্প্ৰদায়ৰ মতে যি পাঁচ প্ৰকাৰ মুক্তি হয়, সেই পাঁচ প্ৰকাৰৰ মুক্তি কৃমি, কীট-পতঙ্গ আৰু পশু আদিৰো স্বাভাৱিক ভাৱে প্ৰাপ্তি হয়; কাৰণ পৃথিৱী, স্বৰ্গ আদি সকলো লোকেই ঈশ্বৰৰ, য'ত সকলো জীৱৰ স্থিতি আৰু ঈশ্বৰ সৰ্ব্বব্যাপক। গতিকে "সালোক্য" মুক্তি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সকলো জীৱৰ অনায়াসেই প্ৰাপ্ত হৈ আছে। ঈশ্বৰ সকলোতে পৰিব্যাপ্ত যেতিয়া "সামীপ্য" মুক্তিও সকলো জীৱৰেই সমীপস্থ। গতিকে "সামীপ্য" মুক্তি সকলোৰেই স্বতঃসিদ্ধ।

জীৱ ঈশ্বৰৰ তুলনাত সসীম আৰু অতি ক্ষুদ্ৰ, জীৱৰ চৈতন্য থকা হেতুকে ঈশ্বৰৰ চৈতন্যৰ অনুকুল হোৱাত স্বতঃ বন্ধুৱৎ। গতিকে "সানুজ্য" মুক্তিৰ কাৰণেও বিশেষ সাধনাৰ প্ৰয়োজন নাই। সকলো জীৱ সৰ্ব্বব্যাপক পৰমাত্মাত ব্যাপ্ত, গতিকে সংযুক্ত গতিকে "সাযুজ্য" মুক্তিও স্বাভাবিক।

নাস্তিকবাদী সকলৰ মতে মৃত্যুৰ পাছত তত্ত্বৰ লগত তত্ত্বৰ মিলন হোৱাই পৰম মুক্তি, সেয়েই যদি মুক্তি হয় তেনে মুক্তি নিকৃষ্ট দেহধাৰী জীৱৰো অনায়াসে হয়।

দেখা যায় এইবোৰ মুক্তি হব নোৱাৰে বৰঞ্চ একপ্ৰকাৰ বন্ধনহে। এই সকলে শিৱস্তুভ, মোক্ষশিলা, চতুৰ্থ আকাশ, সপ্তম আকাশ, শ্ৰীপুৰ, কৈলাস. বৈকুণ্ঠ আৰু গোলক এই স্থান বিশেষ বোৰক মুক্তিৰ স্থান বুলি মানে। সেই সেই স্থানৰ পৰা বিচ্ছিন্ন হলেই মুক্তিৰ অৱসান হয়। গতিকে কোনো নগৰৰ চাৰি সীমাৰ ভিতৰত নজৰ বন্ধ হৈ থকাৰ দৰে একপ্ৰকাৰ বন্ধনেই হয়।

জীৱই যি অৱস্থাত ইচ্ছানুসাৰে সকলোতে বিনা বাধাই, বিনা সঙ্কোচে, বিনা ভয়ে বিচৰণ কৰিব পাৰে, সেই অৱস্থাকেই জীৱৰ মুক্তি বোলে। জন্মক সৃষ্টি আৰু মৃত্যুক প্ৰলয় বোলে আৰু জীৱই যথা সময়ত জন্ম গ্ৰহণ কৰে।

প্ৰশ্ন—জন্ম এক নে অনেক?

উত্তৰ—অনেক।

প্ৰশ্ন—অনেক যদি হয় তেন্তে জীৱৰ পূৰ্ব্বজন্ম আৰু মৃত্যুৰ কথাৰ স্মৰণ নহয় কিয়?

উত্তৰ—জীৱ অল্পজ্ঞ, ত্ৰিকালজ্ঞ নহয়। গতিকে স্মৰণ নেথাকে। ইয়াৰ উপৰিও যি মনৰ দ্বাৰাই জনা যায়, সি একে সময়তে দুটাৰ জ্ঞান

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ধাৰণ কৰিব নোৱাৰে। পূৰ্ব্বজন্মৰ কথা নকলেও হব, এই দেহতেই যেতিয়া মাতৃ গৰ্ভত আছিল, সেই গৰ্ভতেই দেহৰ সৃষ্টি হয়, তাৰ পাছত প্ৰসৱ হৈ ভূমিষ্ঠ হয়, কিন্তু পাচ বছৰ বয়সৰ আগত হোৱা ঘটনাবোৰ স্মৰণ নহয়। আৰু জাগ্ৰত আৰু স্বপ্ন অৱস্থাত জীৱই নানা বিষয় প্ৰত্যক্ষ কৰে কিন্তু সুষুপ্তি অৱস্থাত কোনো কথাই স্মৰণ নেথাকে। এই ধৰণে যদি কোনোৱে আপোনাক সোধে যে বাৰ বছৰৰ আগত ত্ৰয়োদশ বৎসৰৰ পঞ্চম মাহৰ নৱম দিনৰ দহটাৰ পাছৰ প্ৰথম মিনিটত আপুনি কি কৰিছিল, তেতিয়া আপোনাৰ হাত মুখ, কাণ আৰু চকুৱে কি কৰিছিল আৰু আপুনি মনেৰে কি চিন্তা কৰিছিল, তাৰ উত্তৰ আপুনি দিব পাৰিব নে? এই জীৱনৰেই যেতিয়া এনে অৱস্থা, পূৰ্ব্বজন্মৰ কথা কেনেকৈ কব? পুৰ্ব্বজন্মৰ বা অতীতৰ স্মৰণ নহয় কাৰণেই সুখ অনুভৱ কৰে, সেয়ে নহলে সকলো জন্মৰ দুখৰ কথা স্মৰণ কৰি জীৱই জীৱন ধাৰণ নকৰিলে হেঁতেন। পুৰ্ব্বজন্ম আৰু ভবিষ্যত জন্মৰ কথা জানিব খুজিলেও কোনেও জানিব নোৱাৰে, কাৰণ জীৱৰ জ্ঞান আৰু স্বৰূপ পৰিমিত। সৰ্ব্বজ্ঞ আৰু অসীম ঈশ্বৰেহে সকলো জানে, জীৱই নোৱাৰে।

প্ৰশ্ন—ঈশ্বৰে জীৱৰ কৰ্ম্মানুসাৰে ফল বিধান কৰে, জীৱৰ যেতিয়া পূৰ্ব্বৰ জ্ঞান নেথাকেই জীৱৰ সংশোধন কেনেকৈ হব? যি যি কৰ্ম্মৰ যি যি ফল (ভাল বা বেয়া পালে) তাক জানিব পাৰিলেহে জীৱই অসৎ কৰ্ম্মৰ পৰা নিবৃত্ত হব পাৰে।

উত্তৰ—আপুনি কেই প্ৰকাৰৰ জ্ঞান মানে?

প্ৰশ্ন—প্ৰত্যক্ষ আদি প্ৰমাণেৰে আঠ প্ৰকাৰৰ জ্ঞান হয়।

উত্তৰ—তেনেহলে আপোনাৰ এই জগতত জন্মৰ পৰা বিভিন্ন সময়ৰ, ৰাজ্য, ধন, বিদ্যা, বুদ্ধি, দৰিদ্ৰতা, মুৰ্খতা আৰু সুখ দুখ আদি দেখি পুৰ্ব্বজন্মৰ জ্ঞান নহয় কিয়? যেনেকৈ দুজন লোকৰ কোনো ৰোগ হলে, আৰু সেই দুজনৰ এজন চিকিৎসক আৰু আনজন চিকিৎসক নহলে, সেই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চিকিৎসক জনে ৰোগৰ নিদান অৰ্থাৎ কাৰণ জানিব পাৰে কিন্তু চিকিৎসক নোহোৱা জনে জানিব নোৱাৰে। আৰু কোনো জ্বৰ আদি ৰোগ হলে চিকিৎসাত অনভিজ্ঞ মানুহেও জানিব পাৰে যে তেওঁৰ ৰোগৰ নিশ্চয় কোনো কাৰণ বা হেতু আছে। কাৰণ, সকলোৰে ৰোগ হোৱা নাই। সেই দৰেই জগতত বিচিত্ৰ সুখ-দুখ আদিৰ কম বেছি দেখি পূৰ্ব্বজন্মৰ কাৰণ অনুমান কৰিব নোৱাৰিনে? পূৰ্ব্ব জন্ম নেমানিলে পক্ষপাতী হৈ পৰে। কাৰণ বিনা দোষে ঈশ্বৰে দাৰিদ্ৰ্য আদি দুখ আৰু পূৰ্ব্বৰ সঞ্চিত সৎকৰ্ম্ম নহলে, ৰাজ্য, ঐশ্বৰ্য্য আৰু সুবুদ্ধি কেনেকৈ দিব? পূৰ্ব্ব জন্মৰ সৎ অসৎ কৰ্ম্মৰ ফল অনুসাৰেই সুখ দুঃখৰ বিধান কৰে কাৰণেই ঈশ্বৰ যথাৰ্থ ন্যায়কাৰী।

প্ৰশ্ন—মাত্ৰ এক জন্ম হলেও ঈশ্বৰ ন্যায়কাৰী হব নোৱাৰে জানো? কাৰণ, ৰজাৰ অধিকাৰ সকলোৰে ওপৰত—ৰজাই যি কৰে সেয়েই ন্যায়। উদ্যান পালকে নিজৰ উদ্যানত নানা বিধৰ গছ গছনি ৰোৱে। তাৰ ভিতৰত ইচ্ছামতে কোনো গছ কাটি পেলায়, কোনো গছক যত্ন কৰি ৰক্ষা কৰে। তেওঁৰ কাৰ্য্যত কোনেও হস্তক্ষেপ কৰিবৰ অধিকাৰ নাই, গতিকে তেওঁ যি কৰে সেয়েই ন্যায়। তাৰ বাবে তেওঁ কাকো ভয় কৰিব নালাগে।

উত্তৰ—পৰমাত্মাই কেতিয়াও অন্যায় নকৰে, গতিকেই ন্যায়কাৰী, পক্ষপাত আৰু ন্যায় বিৰুদ্ধ কৰিলে জীৱ আৰু তেওঁৰ পাৰ্থক্য বা থাকিব কি? যেনেকৈ উদ্যান পালকে বিবেচনা নকৰি বাটে পথে বা অস্থানত গছ ৰুলে, কাটিবলগীয়া গছক নেকাটিলে, অনাৱশ্যকীয় গছৰ সংৰক্ষণ কৰিলে আৰু আৱশ্যকীয় গছৰ সংখ্যা নবঢ়ালে অপ্ৰশংসনীয় হয় সেইদৰে ঈশ্বৰেও অযথাৰ্থ কাম কৰিলে পুজনীয় নহৈ নিন্দনীয়হে হব। ঈশ্বৰ স্বভাবতেই নিত্য শুদ্ধ বুদ্ধ আৰু ন্যায়কাৰী; গতিকে ন্যায় সঙ্গত বিবেচনাই তেওঁৰ স্বভাৱ। উন্মত্তৰ দৰে ন্যায় নীতি বিহীন কাম কৰিলে পাৰ্থিব ন্যায়ধীশতকৈ ঈশ্বৰৰ বৈশিষ্ট্য

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নেথাকিব আৰু ঈশ্বৰৰ গুণ কীৰ্ত্তনৰ ঠাইত দুৰ্গুণৰ দুৰ্নামহে কৰিব। সংসাৰত সৎগুণ, সৎ কৰ্ম্মৰ সম্মান, আৰু দুৰ্গুণ আৰু দুষ্কৰ্ম্মৰ নিন্দা নহয় জানো ? ঈশ্বৰৰ স্বভাৱ ন্যায়কাৰী, গতিকে ন্যায়হে কৰে তাৰ কাৰণে কাকো তেওঁ ভয় কৰিব নেলাগে।

প্ৰশ্ন—ঈশ্বৰে আৰম্ভৰ পৰাই যাক যি পৰিমাণে দিব খোজে তাক সেই পৰিমানেই দিয়ে আৰু যাৰ কাৰণে যি বিবেচনা উচিত বুলি ভাবে তাৰ কাৰণে তেনেকৈয়ে কৰে।

উত্তৰ—জীৱৰ কৰ্ম্ম অনুসাৰেই বিবেচনা কৰে তাৰ বিপৰীত নকৰে। তেনে নকৰিলে ঈশ্বৰ অন্যায়কাৰী আৰু অপৰাধী হয়।

প্ৰশ্ন—ডাঙৰ সৰু বা ধনী দুখীয়া সকলোৰে দুখ একেই প্ৰকাৰ। ডাঙৰৰ ডাঙৰ চিন্তা, সৰুৰ সৰু চিন্তা। উদাহৰণ স্বৰূপে, কোনো ধনী লোকৰ লাখ লাখ টকাৰ গোচৰ হলে দোলাত উঠি বিচাৰালয়লৈ বাটেদি যেতিয়া যায়, সৰ্ব্ব সাধাৰণ মানুহে দেখি কয়—"পাপ পুণ্যৰ ফল চোৱা ! এজনে দোলাত বহি আৰামত গৈছে—দোলাভাৰী কিটাই মুৰৰ ঘাম মাটিত পেলাই ৰ'দৰ তাপত দোলা বৈছে"। কিন্তু জ্ঞানী মানুহে অনুমান কৰিব পাৰে যে যিমানে বিচাৰালয়ৰ ওচৰ চাপে সিমানেই সেই ধনী জনৰ মনৰ চিন্তা আৰু সন্দেহ বাঢ়ি যায়। ইফালে দোলাভাৰীৰ মনৰ ভাৰ লাঘব হয়। ধনীয়ে দোলাৰ পৰা নামি কাছাৰীৰ চাৰিও ফালে উকিল, মহৰী, পেছকাৰৰ পাছে পাছে জয় পৰাজয়ৰ চিন্তাত ঢপলীয়াই ফুৰিব লগা হয়। অনাপিনে দোলাভাৰীয়ে পান বিৰি খাই কথা বতৰা পাতি গছৰ তলত আৰামত শুই নিঃচিন্তে ভাগৰ পলায়। ধনীৰ গোচৰত জয় হলে কিছু আনন্দ হয়, হাৰিলে দুখ সাগৰত ডুব যায়। কিন্তু দোলাভাৰী যেনে আছিল তেনেই থাকে। এইদৰে ধনী মানুহৰ সুন্দৰ সুকোমল শয্যাত শুলেও সহজে টোপনি নাহে, কিন্তু দৰিদ্ৰ শ্ৰমজীৱী কাঠ, জাবৰক ওখ চাপৰ মাটিত পৰিয়েই লালকাল টোপনিত শোৱে। সকলো এইদৰেই বুজিব লাগে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ—জ্ঞানী লোকে এনেদৰে বিবেচনা নকৰে। কাৰণ ধনীক দোলাভাৰী হবলৈ কলে আগ্ৰহ কৰিব। সুখ দুখ যদি সমান হ'লহেঁতেন তেন্তে কোনেও নিজৰ নিজৰ অৱস্থাৰ পৰা উন্নত বা অবনত হবলৈ ইচ্ছা বা অনিচ্ছা নকৰিলেহেঁতেন। একেখন জগততে এজনে জ্ঞানী, পূণ্যাত্মা, আৰু অতুল ঐশ্বৰ্য্যশালী ৰজাৰ ৰাণীৰ গৰ্ভত জন্ম পায় আৰু এজনে দিনদৰিদ্ৰ খৰিকটীয়াৰ স্ত্ৰীৰ গৰ্ভত জন্ম পায়। এজনে গৰ্ভস্থ অৱস্থাৰ পৰা আজীৱন সকলো সুখ ভোগ কৰে আৰু এজনে মাকৰ গৰ্ভৰ পৰা মৰণলৈকে দুখতেই জীৱন কটায়। এজন ভূমিষ্ঠ হোৱাৰ পৰাই সুযত্নত সকলো ঐশ্বৰ্য্য বৈভৱৰ মাজেদি লালিত পালিত হৈ উঠে। বিধে বিধে খেলাৰ পুতুলা লৈ খেলে, ধাত্ৰীয়ে সুকোমল গাডীত শুৱাই বিশুদ্ধ জলবায়ুৰ মাজত ফুৰাই সৰ্ব্বশ্ৰেষ্ঠ আহাৰেৰে পৰিপুষ্ট কৰি স্বৰ্গ সুখত ৰাখে আৰু এজনে গেলেকনীৰ ভগা জুপুৰীত ভূমিষ্ঠ হৈ মাটিতেই চুচৰি বাগৰী চৰ কিলেৰেই লালিত পালিত হৈ জীৱন নিৰ্ব্বাহ কৰে।

পাপ পূণ্য নকৰাকৈ দুখ সুখ ঘটিলে ঈশ্বৰ দোষী হয়। আৰু আকৌ বিনা কৰ্ম্মফলত সুখ বা দুখ হলে, স্বৰ্গ বা নৰকো থাকিব নোৱাৰে। ঈশ্বৰে যদি জীৱনত বিনা কৰ্ম্মফলেই সুখ বা দুখ দিয়ে তেন্তে মৃত্যুৰ পাছতো বিনা কৰ্ম্মফলেই স্বৰ্গ বা নৰকলৈ পঠাব পাৰে। তেনেকুৱা হলে কাৰো ধৰ্ম্ম কৰ্ম্ম কৰাৰ প্ৰয়োজন নেথাকে। ধৰ্ম্ম কৰ্ম্মৰ যদি ফলেই নাই, তাৰ কাৰণে চেষ্টা কৰাৰ আৱশ্যক কি? সকলো ঈশ্বৰৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ, যাৰ প্ৰতি ঈশ্বৰৰ যি ইচ্ছা তাকেই কৰিব। এনেকুৱা বিবেচনা হলে এইখন সংসাৰ এইদৰে নেথাকিব। সেই গতিকে সকলোৰে জনা উচিত যে পূৰ্ব্বজন্মৰ সৎ অসৎ কৰ্ম্মৰ ফল অনুসাৰে বৰ্ত্তমান জন্ম আৰু পূৰ্ব্বৰ জন্ম আৰু বৰ্ত্তমানৰ জন্মৰ কৰ্ম্ম অনুসাৰে ভবিষ্যত জন্মৰ স্বৰূপ নিৰ্ণয় হয়।

প্ৰশ্ন—মনুষ্য আৰু পশ্বাদি প্ৰাণী শৰীৰৰ জীৱ একেই নে বিভিন্ন জাতীয়?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ—সকলো জীৱ একে জাতীয়, কিন্তু পাপ পুণ্যৰ সংযোগ অনুসাৰে অপবিত্ৰ বা পবিত্ৰ হয়।

প্ৰশ্ন—মনুষ্যৰ জীৱ পশ্বাদিত, পশ্বাদিৰ জীৱ মনুষ্যৰ শৰীৰত, স্ত্ৰীৰ জীৱ পুৰুষৰ শৰীৰত আৰু পুৰুষৰ জীৱ স্ত্ৰীৰ শৰীৰত অহা যোৱা কৰে নে নকৰে ?

উত্তৰ—নিশ্চয় কৰে; পাপৰ ফলত পুণ্যৰ ক্ষয় হলেই মনুষ্যৰূপী জীৱই পশু আদিৰ নিকৃষ্ট দেহ ধাৰণ কৰিব লগা হয়। সেইদৰে ধৰ্ম্মৰ আধিক্য আৰু অধৰ্ম্মৰ ন্যূন হলে, দেৱ দেহ অৰ্থাৎ জ্ঞানৱান শ্ৰেষ্ঠ মানৱ দেহ লাভ হয়। পাপ আৰু পুণ্যৰ পৰিমাণ সমান হলে সাধাৰণ মানৱ দেহ পায়। মানৱ দেহৰ ভিতৰতো উত্তম, মধ্যম, আৰু অধম কৰ্ম্ম অনুসাৰে বা পাপপুণ্য অনুসাৰে উত্তম, মধ্যম আৰু অধম মানৱ দেহ ধাৰণ কৰিব লগা হয়। অধিক পাপৰ ফল পশু আদিৰ শৰীৰৰে ভোগ কৰাৰ পাছত, পাপ আৰু পুণ্য সমান হলে আকৌ মনুষ্য দেহ পায়। পুণ্যৰ ফল ভোগ কৰাৰ পাছত পুনঃ মধ্যম মনুষ্য দেহৰ ৰূপ পায়। জীৱৰ স্থূল দেহৰ পৰা বিয়োগ হোৱাৰ নাম "মৃত্যু" আৰু শৰীৰৰ লগত সংযোগ হোৱাৰ নাম "জন্ম"।

শৰীৰৰ পৰা বিয়োগহৈ জীৱ যমালয়ত থাকে, অৰ্থাৎ আকাশৰ বায়ুত থাকে। যম মানে গৰুড় পুৰাণৰ কাল্পনিক যম নহয়, "যম" বায়ুৰে নাম। যিহেতু বেদত লিখিত আছে "যমেন বায়ুনা"। এই বিষয়ে বিস্তাৰিত আলোচনা একাদশ সমুল্লাসত হব।

আকাশত থকাৰ পাচত ধৰ্ম্মৰাজে অৰ্থাৎ পৰমেশ্বৰে জীৱক পাপ পুণ্য অনুসাৰে জন্মৰূপ দিয়ে। জীৱ ঈশ্বৰৰ প্ৰেৰণাত বায়ু, অন্ন, জল বা দেহৰ ছিদ্ৰৰ দ্বাৰাই আন দেহত প্ৰবেশ কৰে, তাৰ পাছত কাৰ্য্যত পৰিণত হৈ গৰ্ভস্থিত দেহ ধাৰণ কৰি বিকাশ হয়। কৰ্ম্মৰ পৰিনাম অনুসাৰে স্ত্ৰী অথবা পুৰুষৰ দেহ ধাৰণ কৰে। গৰ্ভস্থ কালত স্ত্ৰীপুৰুষৰ সংসৰ্গত ৰজ আৰু বীৰ্য্য সমান নহলেপুংসক হয়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এই দৰে জীৱই যত কাল পৰ্য্যন্ত সৎকৰ্ম্ম উপাসনা আৰু জ্ঞানৰ দ্বাৰাই মুক্তি লাভ নকৰে, ততকাল পৰ্য্যন্ত বহুবিধ জন্ম মৃত্যুৰ চক্ৰত ঘুৰি থাকে, সৎ কৰ্ম্মৰ ফলত মানৱ জীৱনৰ ভিতৰতো শ্ৰেষ্ঠ মানৱ জীৱন পায় আৰু মুক্তি লাভ হলে জন্মান্তৰ দুখৰ পৰা মুক্তহৈ মহাকল্প পৰ্য্যন্ত মোক্ষৰ পৰমানন্দত থাকে।

প্ৰশ্ন— মুক্তিলাভ একে জন্মতেই হব পাৰে নে অনেক জন্ম লাগে।

উত্তৰ—অনেক জন্ম। কাৰণ—

ভিদ্যতে হৃদয়গ্ৰন্থিশ্ছিদ্যন্তে সৰ্ব্বসংশয়াঃ।
ক্ষীয়ন্তে চাস্য কৰ্ম্মাণি তস্মিন্ দৃষ্টে পৰাহবৰে॥

মুণ্ডক (২। খঃ ২ মং ৮)॥

যেতিয়া জীৱৰ হৃদয়ৰ অবিদ্যা আৰু অজ্ঞানৰূপী গ্ৰন্থি বা বন্ধন ছিন্ন হয়, সকলো সংশয় ছিন্ন আৰু অসৎ কৰ্ম্মৰ ক্ষয় হয়, তেতিয়া সেই জীৱ, যি পৰমাত্মা, তাৰ অন্তৰে বাহিৰে ব্যাপ্ত হৈ আছে, সেই পৰম তত্ত্বক পাই তাৰেই আনন্দত থাকে।

প্ৰশ্নঃ—মুক্ত অৱস্থাত জীৱ পৰমেশ্বৰত মিল হৈ যায় নে পৃথকৈ থাকে ?

উত্তৰঃ—পৃথকৈ হৈ থাকে, মিলি গলে মোক্ষৰ আনন্দ পাব কোনে ? আৰু মিলি গলে মুক্তিৰ সকলো সাধন নিষ্ফল হৈ যাব। সেয়ে হলে, জীৱৰ মুক্তি নহৈ প্ৰলয়হে হব। যি জীৱই ঈশ্বৰৰ বিধান অনুসাৰে সৎসঙ্গ, সৎ কৰ্ম্মানুষ্ঠান আৰু যোগাভ্যাস কৰে আৰু আগত উল্লেখ কৰা সকলো সাধন অৱলম্বন কৰে, সি মুক্তি লাভ কৰে।

সত্যং জ্ঞানমনন্তং ব্ৰহ্ম যো বেদ নিহিতং গুহায়াং পৰমে ব্যোমন্। সোঽশ্নুতে সৰ্ব্বান্ কামান্ সহ ব্ৰহ্মণা বিপশ্চিতেতি।

তৈত্তেৰীয় (আনন্দ ব০ অনু০ ১)॥

যি জীৱাত্মা স্বীয় বুদ্ধি আৰু আত্মাত অৱস্থিত সত্য, জ্ঞান আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অনন্ত আনন্দ স্বৰূপ পৰমাত্মাক জানে, সেই জীৱাত্মা, সেই সর্ববব্যাপক ব্ৰহ্মত অৱস্থিত হৈ "বিপশ্চিৎ" অনন্ত জ্ঞানৰ ব্ৰহ্মৰ লগত যি কামনা কৰে তাকেই পায় অর্থাৎ সকলো পৰম আনন্দ পাব পাৰে, ইয়াকেই মুক্তি বোলে।

প্ৰশ্ন ঃ—জীৱই যদি ৰিনা শৰীৰে সাংসাৰিক সুখ ভোগ কৰিব নোৱাৰে তেনেহলে মুক্তিত ৰিনা শৰীৰে কেনেকৈ আনন্দ ভোগ কৰিব ?

উত্তৰ ঃ --ইয়াৰ আগত এই বিষয়ে মীমাংসা কৰা হৈছে। আৰু শুনক তেন্তে। জীৱাত্মাই যেনেকৈ দেহৰ আধাৰেৰে পাৰ্থিৱ সুখ দুঃখ ভোগ কৰে, সেই দৰেই পৰমেশ্বৰৰ আধাৰেৰে মুক্তি সুখ ভোগ কৰে। মুক্ত জীৱ অনন্ত ব্যাপক ব্ৰহ্মত স্বচ্ছন্দে বিচৰণ কৰে, শুদ্ধ জ্ঞানৰ দ্বাৰা সমস্ত সৃষ্টি দর্শন কৰে; অন্য মুক্ত আত্মাবোৰৰ লগত মিলিত হয় আৰু সৃষ্টি জ্ঞানৰ ক্ৰম অনুসাৰে দর্শন কৰি কৰি সকলো লোক লোকান্তৰ অর্থাৎ সকলো দৃশ্য আৰু অদৃশ্য লোক পৰিভ্ৰমণ কৰে। তেতিয়া সেই মুক্ত আত্মাই নিজৰ জ্ঞানৰ অতীত ৰহস্যবোৰ উপলব্ধি কৰে। জ্ঞান অধিক হলে আনন্দৰো অধিক হয়। মুক্ত অৱস্থাত জীৱাত্মা নির্ম্মল হৈ থাকে, গতিকে পূর্ণ জ্ঞানেৰে সন্নিহিত সকলো তত্ত্ব যথার্থৰূপে উপলব্ধি কৰে। এইৰূপ অপাৰ সুখেই স্বৰ্গ, আৰু বিষয় তৃষ্ণাত আবদ্ধ হৈ বিবিধ দুঃখ ভোগ কৰাক নৰক বোলে। সুখৰ নাম "স্বঃ"। "স্বঃ সুখং গচ্ছতি যস্মিন্ স স্বৰ্গঃ"।

"অতো বিপৰীতো দুঃখভোগো নৰক ইতি"।

সাংসাৰিক সুখক সামান্য স্বৰ্গ আৰু পৰমেশ্বৰ প্ৰাপ্তিৰ সুখক বিশেষ স্বৰ্গ বোলে। সকলো জীৱৰ স্বভাৱ সুখ অভিলাষী। সকলোৱেই দুঃখৰ পৰা মুক্তি বাঞ্ছা কৰে। কিন্তু যিমান কাল পুণ্য কৰ্ম্মৰ ফল সঞ্চয় নহয় আৰু পাপৰ ফল পৰিশোধ নহয়, সিমান কাল সুখ লাভ আৰু দুঃখৰ মোচন নহয়। কাৰণ যাৰ যেতিয়ালৈকে মূল অর্থাৎ কাৰণ থাকে সেই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তেতিয়ালৈকে নাশ নাই। যেনে :—

ছিন্নে মূলে বৃক্ষো নশ্যতি তথা পাপে ক্ষীণে দুঃখং নশ্যতি ॥

যেনেকৈ মূল ছিন্ন হলে বৃক্ষ নাশ হয়, সেইদৰে পাপৰ ফল নির্ম্মূল হলেহে দুখৰ নাশ হয়। মনুস্মৃতিত পাপ পুণ্যৰ বহু প্ৰকাৰ গতি বৰ্ণনা কৰা আছে। যথাঃ—

মানসং মনসৈবায়মুপভুঙ্‌ক্তে শুভাশুভম্।
বাচা বাচাকৃতং কৰ্ম্ম কৰ্ম্ম কায়েনৈব চ কায়িকম্ ॥১॥
শৰীৰজৈঃ কৰ্ম্মদোষৈৰ্যাতি স্থাবৰতাং নৰঃ।
বাচিকৈঃ পক্ষিমৃগতাং মানসৈৰন্ত্যজাতিতাম্ ॥২॥
যো যদৈষাং গুণো দেহে সাকল্যেনাতিৰিচ্যতে।
স তদা তদ্‌গুণপ্ৰায়ং তং কৰোতি শৰীৰিণম্ ॥৩॥
সত্ত্বং জ্ঞানং তমোঽজ্ঞানং ৰাগদ্বেষৌ ৰজঃ স্মৃতম্।
এতদ্‌ ব্যাপ্তিমদেতেষাম্ সৰ্ব্বভূতাশ্ৰিতং বপুঃ ॥৪॥
তত্ৰ যৎ প্ৰীতিসংযুক্তং কিঞ্চিদাত্মনি লক্ষয়েৎ।
প্ৰশান্তমিব শুদ্ধাভং সত্ত্বং তদুপধাৰয়েৎ ॥৫॥
যত্তু দুঃখসমাযুক্তমপ্ৰীতিকৰমাত্মনঃ।
তদ্ৰজোঽপ্ৰতিপং বিদ্যাৎ সততং হাৰিদেহিনাম্ ॥৬॥
যত্তু স্যান্মোহসংযুক্তমব্যক্তং বিষয়াত্মকম্।
অপ্ৰতৰ্ক্যমবিজ্ঞেয়ং তমস্তদুপধাৰয়েৎ ॥৭॥
ত্ৰয়াণামপি চৈতেষাং গুণানাং যঃ ফলোদয়ঃ।
অগ্ৰ্যো মধ্যো জঘন্যশ্চ তং প্ৰবক্ষ্যাম্যশেষতঃ ॥৮॥
বেদাভ্যাসস্তপো জ্ঞানং শৌচমিন্দ্ৰিয়নিগ্ৰহঃ।
ধৰ্ম্মক্ৰিয়াত্মচিন্তা চ সাত্ত্বিকং গুণলক্ষণম্ ॥৯॥
আৰম্ভৰুচিতাঽধৈৰ্য্যমসৎকাৰ্য্যপৰিগ্ৰহঃ।
বিষয়োপসেবা চাজস্ৰং ৰাজসং গুণলক্ষণম্ ॥১০॥
লোভঃ স্বপ্নো ধৃতিঃ ক্ৰৌৰ্য্যং নাস্তিক্যং ভিন্নবৃত্তিতা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যাচিকুৎস্তা প্ৰমাদশ্চ তামসং গুণলক্ষণম্ ॥১১॥
যৎ কৰ্ম্ম কৃত্বা কুৰ্ব্বংশ্চ কৰিষ্যংশ্চৈব লজ্জতি।
তজ্ জ্ঞেয়ং বিদুষা সৰ্ব্বং তামসং গুণলক্ষণম্ ॥১২॥
যেনাস্মিন্ কৰ্ম্মণা লোকে খ্যাতিমিচ্ছতি পুষ্কলাম্।
ন চ শোচত্যসম্পত্তৌ তদ্বিজ্ঞেয়ংতু ৰাজসম্ ॥১৩॥
যৎ সৰ্ব্বেণেচ্ছতি জ্ঞাতুং যন্ন লজ্জতি চাচৰন্।
যেন তুষ্যতি চাত্মাস্য তৎ সত্বগুণলক্ষণম্ ॥১৪॥
তমসো লক্ষণং কামো ৰজসত্বৰ্থ উচ্যতে।
সত্বস্য লক্ষণং ধৰ্ম্মঃ শ্ৰৈষ্ঠ্যমেষাং যথোত্তৰম্ ॥১৫॥

মনু০ অ০ ১২ (শ্লোক ৮।৯। ২৫ ৩৩। ৩৫-৩৮

অৰ্থাৎ মানুহে এই দৰে উত্তম, মধ্যম, আৰু অধম স্বভাৱ জানি উত্তম স্বভাৱ গ্ৰহণ, আৰু মধ্যম আৰু অধম স্বভাৱ ত্যাগ কৰিব লাগে। ইয়াকো নিশ্চয়কৈ জনা আৱশ্যক যে, জীৱই মন, বাক্য আৰু শৰীৰৰ দ্বাৰাই যি শুভ বা অশুভ কৰ্ম্ম কৰে, তাৰ ফল যথাক্ৰমে মন, বাক্য আৰু দেহৰ দ্বাৰাই ভোগ কৰে অৰ্থাৎ সুখ বা দুঃখ ভোগ কৰে। মানুহে শৰীৰৰ দ্বাৰাই চুৰি, পৰস্ত্ৰী গমন, শ্ৰেষ্ঠ ব্যক্তিৰ হত্যা, আদি কুকৰ্ম্ম কৰিলে বৃক্ষাদি স্থাবৰ জন্ম; বাক্য দ্বাৰা কুকৰ্ম্ম কৰিলে পক্ষী আৰু মৃগাদিৰ জন্ম; আৰু মনৰ দ্বাৰাই পাপ কৰিলে চাণ্ডালাদি শৰীৰ পায় ॥২। যি জীৱৰ শৰীৰত যিবোৰ গুণ অধিক, সেই গুণে তাক আত্মবৎ কৰি তোলে ॥৩। যেতিয়া আত্মাৰ জ্ঞান থাকে তেতিয়া সত্বগুণ, যেতিয়া অজ্ঞান থাকে তেতিয়া তমঃ আৰু যেতিয়া ৰাগ দ্বেষ থাকে তেতিয়া ৰজোগুণ প্ৰবল বুলি জানিব লাগিব। এই তিনিবিধ প্ৰাকৃতিক গুণ সকলো পদাৰ্থতে ব্যাপ্ত হৈ আছে ॥৪। এই বিষয়ে জনা আৱশ্যক যে, যেতিয়া আত্মাৰ প্ৰসন্নতা থাকে, মন প্ৰসন্ন আৰু প্ৰশান্ত অৱস্থাৰ দৰে শুদ্ধ জ্ঞানযুক্ত থাকে, তাৰ পৰা বুজিব লাগিব যে সত্বগুণ প্ৰধান আৰু ৰজঃ আৰু তমোগুণ অপ্ৰধান হৈ আছে ॥৫। যেতিয়া আত্মা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আৰু মন দুঃখিত আৰু অপ্ৰসন্ন হৈ বিষয়ত ইতস্ততঃ বিচৰণ কৰে, তেতিয়া ৰজো গুণ প্ৰধান আৰু সত্ত্ব আৰু তমোগুণ অপ্ৰধান হৈছে ॥৬। যেতিয়া আত্মা আৰু মন সাংসাৰিক বিষয়ত বিমোহিত আৰু বিবেক শূন্য অৱস্থাত থাকে আৰু বিষয়াসক্তিৰ কাৰণে বিতৰ্ক আৰু জ্ঞানৰ উপযুক্ত নেথাকে, তেতিয়া বুজিব লাগিব যে মোৰ শৰীৰত তমোগুণ প্ৰধান আৰু সত্ত্ব আৰু ৰজোগুণ অপ্ৰধান হৈছে ॥৭। এতিয়া আমি এই গুণ ত্ৰয়ৰ উত্তম, মধ্যম আৰু অধম ফলৰ বিষয়ে যথাৰ্থৰূপে আলোচনা কৰিম ॥৮। বেদাভ্যাস, ধৰ্ম্মানুষ্ঠান, জ্ঞানৰ উন্নতি, পবিত্ৰতা ইচ্ছা, ইন্দ্ৰিয় নিগ্ৰহ, ধৰ্ম্মক্ৰিয়া আৰু আত্ম চিন্তা সত্ত্ব গুণৰ লক্ষণ ॥৯। যেতিয়া ৰজোগুণৰ উদয় আৰু সত্ত্ব আৰু তমোগুণৰ তিৰোভাৱ হয়, তেতিয়া কাম আৰম্ভ কৰাত ৰুচি ধৈৰ্য্য নহয়, আৰু অসৎ বিষয় ভোগত আগ্ৰহ হয় সেই অৱস্থাত বুজিব লাগিব যে ৰজোগুণৰ প্ৰাধান্য হৈছে ॥১০। যেতিয়া তমোগুণৰ আবিৰ্ভাব আৰু অন্য দুই গুণৰ তিৰোভাৱ হয়, তেতিয়া অতিলোভ অৰ্থাৎ—সকলো পাপৰ মূল বৃদ্ধি হৈছে, অতি আলস্য, নিদ্ৰা, ধৈৰ্য্যহীন, ক্ৰূৰতা, নাস্তিকতা, জ্ঞান আৰু ঈশ্বৰৰ প্ৰতি অশ্ৰদ্ধা; অন্তঃকৰণৰ বিভিন্ন বৃত্তি আৰু একাগ্ৰতাৰ অভাৱ আৰু দুষ্ট ব্যসনত বিশেষ আসক্তি হয়, সেয়েই তমোগুণৰ লক্ষণ বুলি জ্ঞানীসকলে বুজিব পাৰে॥ ১১। যেতিয়া কোনো কাম কৰোতে, কোনো কাম কৰি, আৰু কোনো কাম কৰিবৰ ইচ্ছা হলে, নিজৰ আত্মাত লাজ, শোক আৰু ভয় অনুভৱ হয়—তেতিয়া বুজিব লাগিব যে আত্মাত তমোগুণৰ প্ৰাবল্য হৈছে ॥ ১২। যেতিয়া—কৰ্মানুষ্ঠানৰ দ্বাৰাই জীৱনত গৌৰৱ যশস্যাৰ অন্তৰত আকাঙ্ক্ষা হয়, দৰিদ্ৰ আৰু অভাৱগ্ৰস্ত হৈয়ো দান দক্ষিণা কৰে, তাৰ কাৰণ হৈছে ৰজোগুণৰ প্ৰবলতা ॥ ১৩। যেতিয়া অন্তৰত জ্ঞানলাভৰ আকাঙ্খা হয়, সৎগুণৰ গ্ৰহণ কৰে, সৎ-কৰ্ম্মত লজ্জা অনুভৱ নকৰে, ক্ষতি হলেও সৎ কামত আনন্দিত থাকে, সেই অৱস্থা সত্ত্বগুণৰ প্ৰবলতাৰ লক্ষণ ॥ ১৪। তমোগুণৰ লক্ষণ কমুকতা, ৰজোগুণৰ লক্ষণ অৰ্থসংগ্ৰহৰ আকাঙ্ক্ষা আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সত্ত্বগুণৰ লক্ষণ ধৰ্ম্ম বা কৰ্ত্তব্য পৰায়ণতা। তমোগুণতকৈ ৰজোগুণ ৰজোগুণতকৈ সত্ত্বগুণ শ্ৰেষ্ঠ ॥ ১৫ ।

ইয়াৰ পাছত জীৱই যি যি গুণৰ দ্বাৰাই যি যি গতি পায় তাৰ বৰ্ণনা কৰা হৈছে :—

দেবত্বং সাত্ত্বিকা যান্তি মনুষ্যত্বঞ্চ ৰাজসাঃ।
তিৰ্য্যকৃত্বং তামসা নিত্যমিত্যেষা ত্ৰিবিধা গতিঃ ॥১॥
স্থাবৰাঃ কৃমিকীটাশ্চ মৎস্যাঃ সৰ্পাশ্চ কচ্ছুপাঃ।
পশবশ্চ মৃগাশ্চৈব জঘন্যা তামসী গতিঃ ॥২॥
হস্তিনশ্চ তুৰঙ্গাশ্চ শূদ্ৰা ম্লেচ্ছাশ্চ গৰ্হিতাঃ।
সিংহা ব্যাঘ্ৰ্যা বৰাহাশ্চ মধ্যমা তামসী গতি ঃ ॥৩॥
চাৰণাশ্চ সুপৰ্ণাশ্চ পুৰুষাশ্চৈৱ দাম্ভিকাঃ।
ৰক্ষাংসি চ পিশাচাশ্চ তামসীষূত্তমা গতি ঃ ॥৪॥
ঝল্লা মল্লা নটাশ্চৈব পুৰুষাঃ শাস্ত্ৰবৃত্তয়ঃ।
দ্যূতপানপ্ৰসক্তাশ্চ জঘন্যা ৰাক্ষসী গতিঃ ॥৫॥
ৰাজনঃ ক্ষত্ৰিয়াশ্চৈৱ ৰাজ্ঞাং চৈৱ পুৰোহিতাঃ।
বাদযুদ্ধ প্ৰধানাশ্চ মধ্যমা ৰাজসী গতি ঃ ॥৬॥
গন্ধৰ্ব্বা গুহ্যকা যক্ষা বিবুধানুচৰাশ্চ যে।
তথৈবাপ্সৰসঃ সৰ্ব্বা ৰাজসীষুত্তমা গতিঃ ॥৭॥
তাপসা যতয়ো বিপ্ৰা যে চ বৈমানিকা গণাঃ।
নক্ষত্ৰাণি চ দৈত্যাশ্চ প্ৰথমা সাত্ত্বিকী গতিঃ ॥৮॥
যজ্বান ঋষয়ো দেবা বেদা জ্যোতীংষি বৎসৰাঃ।
পিতৰশ্চৈব সাধ্যাশ্চ দ্বিতীয়া সাত্ত্বিকী গতিঃ ॥৯॥
ব্ৰহ্মা বিশ্বসৃজো ধৰ্ম্মো মহানব্যক্তমেৱ চ।
উত্তমাং সাত্ত্বিকীমেতাং গতিমাহুৰ্ম্মনীষিণঃ ॥১০॥
ইন্দ্ৰিয়াণাং প্ৰসঙ্গেন ধৰ্ম্মস্যাসেবনেন চ।
পাপান্সংযান্তি সংসাৰানবিদ্বাংসো নৰাধমাঃ ॥১১॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মনু॰ অ॰ ১২। (শ্লো॰ ৪০। ৪২-৫০।৫২)॥

সাত্ত্বিক মনুষ্য দেৱ অৰ্থাৎ বিদ্বান, ৰজগুণী মনুষ্য মধ্যম আৰু তমোগুণী মানুহে নীচগতি পায় ॥ ১। যিবোৰ অতি তমোগুণী সেইবোৰে স্থাবৰ বৃক্ষ আদি, কৃমি, কীট মৎস্য, সৰ্প, কচ্ছপ, পশু আৰু মৃগজন্ম পায়।।২। যি সকল মধ্যম তমোগুণী সেই সকলে হস্তী, অশ্ব,, শূদ্ৰ, ম্লেচ্ছ নিন্দিত কৰ্ম্মকাৰী, সিংহ ব্যাঘ্ৰ, আৰু বৰাহৰ জন্ম পায়।।৩। যি উত্তম তমোগুণী সেইবোৰে চাৰণ (কবিত্তা যোজনা কৰি পৰৰ গুণ বৰ্ণনাকাৰী) সুন্দৰ পক্ষী, দাম্ভিক পুৰুষ; অৰ্থাৎ আত্মপ্ৰশংসাকাৰী, হিংসুক, ৰাক্ষস, পিশাচ আৰু অনাচাৰী অৰ্থাৎ জঘন্য বৃত্তিৰ জন্ম পায়॥৪॥ জঘন্য ৰজোগুণীয়ে ভল্লা অৰ্থাৎ অস্ত্ৰৰে প্ৰহাৰকাৰী, কোৰেৰে কাম কৰা, মল্লা অৰ্থাৎ নাৱৰীয়া, নট অৰ্থাৎ শাৰীৰিক খেলা কৌশল প্ৰদৰ্শক, শস্ত্ৰধাৰী ৰক্ষক আৰু মদপী মানুহৰ জন্ম পাৰ ॥৫। মধ্যম ৰজো গুণ বিশিষ্ট সকলে ৰাজ বংশ, ৰাজ কৰ্ম্মচাৰী, ৰাজনীতি জীৱী, বাদ বিবাদকাৰী, দূত, প্ৰাড্‌বিৱাক (উকিল) আৰু যুদ্ধ প্ৰিয় সৈনিক স্বভাৱেৰে জন্ম পায়॥৬। উত্তম ৰজোগুণ বিশিষ্ট সকলে গন্ধৰ্ব (গায়ক) গুহাক (বাদ্য বাদক), যক্ষ (ধনাঢ্য), বিদ্যানুষ্ঠানৰ অনুৰাগী আৰু অপ্সৰা অৰ্থাৎ ৰূপবতী নাৰী আদিৰ স্বভাৱ আৰু ৰূপ লৈ জন্ম পায়।।৭। প্ৰথম সত্ত্ব গুণৰ কৰ্ম্মৰ ফল স্বৰূপে তপস্বী, যতি, সন্ন্যাসী, অধ্যয়নশীল, বৈমানিক, (বিমান বিশাৰদ) জ্যোতিষ বিদ্যানুৰাগী আৰু দৈত্য অৰ্থাৎ দেহ ৰক্ষণশীল স্বভাৱৰ মনুষ্য জন্ম পায়॥৮। মধ্যম সত্ত্বগুণ বিশিষ্ট কৰ্ম্মৰ ফলত জীৱই যজ্ঞ কৰ্ত্তা (সমাজ সেৱী) জ্ঞান বিজ্ঞানানুৰাগী, শিল্পাদি কলা প্ৰিয়, অধ্যাপনাশীল স্বভাৱ লৈ মানৱ জন্ম পায়।৯। সৰ্বোত্তম সত্ত্বগুণৰ কৰ্ম্মৰ ফলত ব্ৰহ্মা (দাৰ্শনিক তত্ত্বজ্ঞ) বিশ্বসৃজ (বিশ্ব বিজ্ঞানী) ধৰ্ম্ম পৰায়ণ, তত্ত্বজ্ঞ আৰু প্ৰকৃতিক বশ কৰিব পৰা সাধনশীল প্ৰতিভাৰে মানৱ জন্ম পায় ।।১০। যি সকল ইন্দ্ৰিয়ৰ বশীভূত, বিষয়াসক্ত, অধৰ্ম্মচাৰী, হিতাহিত বিবেচনা শূন্য, মূৰ্খৰ জীৱন কটায়, সেই সকলে অতি নীচ,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দুখজনক আৰু ঘৃণিত মানৱ জীৱনৰ জন্ম পায় ॥১১।

এই দৰেই সত্ব, ৰজ, আৰু তমোগুণৰ প্ৰভাৱত জীৱই যেনেকুৱা কৰ্ম্ম কৰে, তেনে ফল পায়। যি সকলে মুক্তিৰ কামনা কৰে, সেই সকলে গুণাতীত হৈ অৰ্থাৎ গুণৰ প্ৰভাৱত আৱদ্ধ নহয়, কিন্তু যোগস্থ হৈ মুক্তি সাধন কৰে। কাৰণ :-

যোগশ্চিত্তবৃত্তিনিৰোধঃ ॥১॥ (যোগসূঃ পাঃ ১।২)

তদা দ্ৰষ্টুঃ স্বৰূপেঽৱস্থানম্ ২ (যোগ সূ॰ পা॰ ১।৩)

এই হ'ল পাতঞ্জল যোগ শাস্ত্ৰৰ সূত্ৰ। প্ৰকৃতিৰ সত্ব, ৰজ আৰু তমো গুণৰ প্ৰভাৱত বিচালিত চিত্তবৃত্তি নিৰুদ্ধ কৰি কেৱল কৰ্ত্তব্য কৰ্ম্মত একাগ্ৰ হোৱাই যোগ ॥১॥ চিত্তৰ বৃত্তি নিৰুদ্ধহৈ যেতিয়া চিত্ত একাগ্ৰ হয়, তেতিয়া সৰ্ব্বদ্ৰষ্টা ঈশ্বৰৰ স্বৰূপত জীৱৰ স্থিতি হয় ॥২॥ মুক্তিৰ কাৰণে এইবোৰ সাধনৰ আৱশ্যক।

অথ ত্ৰিবিধ দুঃখাত্যন্তনিবৃত্তিৰত্যন্ত পুৰুষাৰ্থঃ ॥

সাংখ্য সূ॰ (১।১)॥

আধ্যাত্মিক, অৰ্থাৎ শৰীৰ সম্বন্ধীয় পীড়া, আধিভৌতিক অৰ্থাৎ অন্যান্য প্ৰাণীৰ পৰা পোৱা দুখ আৰু আধিদৈৱিক অৰ্থাৎ অতিবৃষ্টি, অতিতাপ, অতিশীত, মন আৰু ইন্দ্ৰিয়ৰ চঞ্চলতাৰ পৰা উৎপন্ন হোৱা দুখ—এই তিনি প্ৰকাৰৰ দুখৰ পৰা মুক্তিলাভেই পৰম পুৰুষাৰ্থ।

ইয়াৰ পাছত আচাৰ অনাচাৰ আৰু ভক্ষ্যাভক্ষৰ বিষয়ে লিখা হব।

ইতি—শ্ৰীমদ্দয়ানন্দ সৰস্বতীস্বামিকৃতে সত্যাৰ্থপ্ৰকাশে সুভাষাবিভূষিতে বিদ্যাঽবিদ্যাবন্ধমোক্ষবিষয়ে নৱম সমুল্লাসঃ সম্পূৰ্ণঃ ॥৯॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অথ দশমসমুল্লাসাৰম্ভঃ

অথাচাৰানাচাৰভক্ষ্যাঽভক্ষ্যবিষয়ান্ ব্যাখ্যাস্যামঃ ।

ধৰ্ম্ম কৰ্ম্মানুষ্ঠান, সুশীলতা, সৎসংগ আৰু সৎবিদ্যাৰ প্ৰতি আগ্ৰহেই আচাৰ আৰু তাৰ বিপৰীতক অনাচাৰ বোলে ঃ—

বিদ্বদ্ভিঃ সেবিতঃ সদ্ভিৰ্নিত্যমদ্বেষৰাগিভিঃ ।
হৃদয়েনাভ্যনুজ্ঞাতো যো ধৰ্ম্মস্তন্নিবোধত ॥১॥
কামাত্মতা ন প্ৰশস্তা ন চৈবেহাস্ত্যকামতা ।
কাম্যোহি বেদাধিগমঃ কৰ্ম্মযোগশ্চ বৈদিকঃ ॥২॥
সঙ্কল্পমূলঃ কামো বৈ যজ্ঞাঃ সঙ্কল্পসম্ভবাঃ ।
ব্ৰতানি যমধৰ্ম্মাশ্চ সৰ্ব্বে সঙ্কল্পজাঃ স্মৃতাঃ ॥৩॥
অকামস্য ক্ৰিয়া কাচিদ্ দৃশ্যতে নেহ কৰ্হিচিৎ ।
যদ্যদ্ধি কুৰুতে কিঞ্চিৎ তত্তৎ কামস্য চেষ্টিতম্ ॥৪॥
বেদোঽখিলো ধৰ্ম্মমূলং স্মৃতিশীলে চ তদ্বিদাম্ ।
আচাৰশ্চৈব সাধূনামাত্মনস্তুষ্টিৰেব চ ॥৫॥
সৰ্ব্বন্তু সমবেক্ষ্যেদং নিখিলং জ্ঞানচক্ষুষা ।
শ্ৰুতিপ্ৰামাণ্যতো বিদ্বান্ স্বধৰ্ম্মে নিৱিশেত বৈ ॥৬॥
শ্ৰুতিস্মৃত্যুদিতং ধৰ্ম্মমনুতিষ্ঠন্ হি মানবঃ ।
ইহ কীৰ্ত্তিমৱাপ্নোতি প্ৰেত্য চানুত্তমং সুখম্ ॥৭॥
যোঽৱমন্যেত তে মূলে হেতুশাস্ত্ৰাশ্ৰয়াদ্দ্বিজঃ ।
স সাধুভিৰ্ব্বহিষ্কাৰ্য্যো নাস্তিকো বেদনিন্দকঃ ॥৮॥
বেদঃ স্মৃতিঃ সদাচাৰঃ স্বস্য চ প্ৰিয়মাত্মনঃ ।
এতচ্চতুৰ্ব্বিধং প্ৰাহুঃ সাক্ষাদ্ধৰ্ম্মস্য লক্ষণম্ ॥৯॥
অৰ্থকামেষ্বসক্তানাং ধৰ্ম্মজ্ঞানং বিধীয়তে ।
ধৰ্ম্মং জিজ্ঞাসমানানাং প্ৰমাণং পৰমং শ্ৰুতিঃ ॥১০॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বৈদিকৈঃ কৰ্ম্মভিঃ পণ্যৈৰ্নিষেকাদিৰ্দ্বিজন্মনাম্ ।
কাৰ্য্যঃ শৰীৰসংস্কাৰঃ পাবনঃ প্ৰেত্য চেহ চ ॥১১॥
কেশান্তঃ ষোড়শে বৰ্ষে ব্ৰাহ্মণস্য বিধীয়তে ।
ৰাজন্যবন্ধোৰ্দ্বাবিংশে বৈশ্যস্য দ্ব্যধিকে ততঃ ॥১২॥

মনু• অ• ২, (শ্লোক ১-৪।৬।৮।৯।১১-১৩।২৬।৬৫)॥

অৰ্থঃ—মানৱ সমাজৰ আদৰ্শ, ধৰ্ম্ম বা কৰ্ত্তব্য কি ? ৰাগ দ্বেষ বিহীন বিদ্বান সকলে যি সদায় আচৰণ কৰে, আৰু নিজৰ আত্মায়ো যাক সত্য আৰু কৰ্ত্তব্য বুলি অনুভৱ কৰে ; সেয়েই আচৰণীয় ধৰ্ম্ম ॥১॥ মানুহৰ অতি কামনা বা অতি নিষ্কামনা প্ৰশস্ত নহয় । কাৰণ, কামনাৰ দ্বাৰাইহে বেদৰ উপলব্ধি, আৰু বেদানুকুল ধৰ্ম্ম—কৰ্ম্মৰ অৰ্থাৎ জ্ঞান আৰু কৰ্ম্মৰ সিদ্ধি হয় ॥২॥ নিষ্কাম বা নিস্পৃহ হোৱাটো একেবাৰেই নিৰৰ্থক,—কাৰণ সকলো কৰ্ম্মই সঙ্কল্পজাত । যজ্ঞ, ব্ৰত, যম, নিয়ম, ধৰ্ম্ম সকলোৰে মূল সঙ্কল্প, আৰু সঙ্কল্প কামনাৰ মূল ॥৩॥ (স্মৃতাঃ মানে বিবেচনা কৰি চালে যি তাৎপৰ্য্য ওলায় তাকেই স্মৃতি বোলে) কামনা নহলে কোনো ক্ৰিয়াই হব নোৱাৰে । হাত, ভৰি, চকু, মন আদি কামনাৰ দ্বাৰাইহে লৰচৰ কৰে, যি য'ত কৰে সকলো কামনাৰেই চেষ্টা ॥৪॥ বেদেই সকলো ধৰ্ম্মৰ মূল, যাক ঋষিমুনিৰ প্ৰণীত স্মৃতিশাস্ত্ৰয়ো অনুমোদন কৰে, সাধুসকলে যি আচৰণ কৰে, আৰু নিজৰ আত্মাৰ যি প্ৰিয় বোধ হয়, আৰু যি কৰিবলৈ আত্মাত ভয় লজ্জা বা সঙ্কোচবোধ নহয়, সেয়েই কৰ্ত্তব্য ধৰ্ম্ম ॥৫॥ জ্ঞান চকুৰে নিৰীক্ষণ কৰাত নিৰ্ণয় হয়, আৰু বেদাদি শাস্ত্ৰয়ো যাৰ প্ৰমাণ দিয়ে সেই ধৰ্ম্মকেই বিদ্বান সকলে আচৰণ কৰে ॥৬॥ বেদৰ বিহিত আৰু স্মৃতিশাস্ত্ৰৰ অনুমোদিত ধৰ্ম্মৰ আচৰণ কৰিলে মানুহে ইহজীৱনত কীৰ্ত্তি আৰু পৰজীৱনত পৰম সুখ লাভ কৰিব পাৰে ॥৭॥ যি তাৰ্কিক বিলাকে কেৱল তৰ্কৰ কৌশলেৰে মূল বেদ আৰু বেদানুকুল শাস্ত্ৰৰ নিন্দা কৰে, সেই বেদনিন্দুক নাস্তিকক সাধু সন্ত সকলে বহিষ্কাৰ কৰা কৰ্ত্তব্য ॥৮॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বেদ, স্মৃতি, সৎপুৰুষৰ আচৰণ, আৰু নিজৰ আত্মাৰ অনুভৱ এই চাৰিয়েই ধৰ্ম্ম নিৰ্ণয়ৰ লক্ষণ বা উপায় ॥৯॥ কিন্তু, যি ধনৰ লালসাত আৰু কামনা বাসনাত অনাসক্ত, তেওঁৰহে ধৰ্ম্মৰ বোধ বা বিবেচনা হ'ব পাৰে। আৰু যাৰ অন্তৰত উপলব্ধিৰ জিজ্ঞাসা উদয় হয়, সেই জিজ্ঞাসা সমাধানৰ বাবে বেদেই পৰম প্ৰমাণ অৰ্থাৎ জ্ঞানেই পৰম সমাধান ॥১০॥ গতিকে বেদানুকূল পুণ্যকৰ্ম্মৰ অনুষ্ঠান মানৱ মাত্ৰৰেই কৰ্ত্তব্য। নিষেক আদিৰে শৰীৰ সংস্কাৰ দ্বিজ সকলৰ ইহ আৰু পৰলোকৰ জীৱন পৱিত্ৰকাৰী হয় ॥১১॥ ব্ৰাহ্মণৰ যোল বছৰ বয়সত, ক্ষত্ৰিয়ৰ বাইশ বছৰ বয়সত আৰু বৈশ্যৰ চৌবিশ বছৰ বয়সত কেশান্ত সংস্কাৰ বা মুণ্ডন সংস্কাৰ কৰা বিধেয় ॥১২॥ (মাত্ৰ শিখা ৰাখি বাকী কেশ, শ্মশ্ৰু, গুম্ফ, সেই সংস্কাৰৰ পাছৰ পৰা খুৰাই থাকিব লাগে। শীতপ্ৰধান দেশত এবাৰ সংস্কাৰ কৰাৰ পাছত এইদৰে চুলি কাটিব নালাগে আৰু উষ্ণ প্ৰধান দেশত শিখা নৰখাকৈ চুলি কাটি থাকিব লাগে। মূৰত দীঘল চুলি থাকিলে গৰমত আৰু ঘামত অস্বস্তিবোধ হয়, ফলত মস্তিষ্ক ক্লান্ত হয়। দাড়ি গোফ ৰাখি আহাৰ পানী খোৱাতো বিশেষ অসুবিধা হয়। আৰু গাল মুখ ধোৱাৰো অসুবিধা।

ইন্দ্ৰিয়াণাং বিচৰতাং বিষয়েষ্বপহাৰিষু।
সংযমে যত্নমাতিষ্ঠেদ্ বিদ্বান্ যন্তেব বাজিনাম্ ॥১॥
ইন্দ্ৰিয়াণাং প্ৰসঙ্গেন দোষমৃচ্ছত্যসংশয়ম্।
সন্নিয়ম্য তু তান্যেব ততঃ সিদ্ধিং নিয়চ্ছতি ॥২॥
ন জাতু কামঃ কামানামুপভোগেন শাম্যতি।
হৰিষা কৃষ্ণবৰ্ত্মেৱ ভূয় এবাভিবৰ্দ্ধতে ॥৩॥
বেদাস্ত্যাগশ্চ যজ্ঞাশ্চ নিয়মাশ্চ তপাংসি চ।
ন বিপ্ৰদুষ্টভাবস্য সিদ্ধিংগচ্ছতি কৰ্হিচিৎ ॥৪॥
বশেকৃত্বেন্দ্ৰিয়গ্ৰামং সংযম্য চ মনস্তথা
সৰ্ব্বান্ সংসাধয়েদৰ্থানাক্ষিন্বন্ যোগতস্তনুম্ ॥৫॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

শ্ৰুত্বা স্পৃষ্ট্বা চ দৃষ্ট্বা চ ভুক্ত্বা ঘ্ৰাত্বা চ যো নৰঃ।
ন হৃষ্যতি গ্লায়তি ৰা স বিজ্ঞেয়ো জিতেন্দ্ৰিয়ঃ ॥৬॥
নাপৃষ্টঃ কস্যচিৎ ব্ৰূয়ান্ন চান্যায়েন পৃচ্ছতঃ।
জানন্নপি হি মেধাবী জড়ৱল্লোক আচৰেৎ ॥৭॥
ৰিত্তং ৰন্ধুৰ্বয়ঃ কৰ্ম্ম ৰিদ্যা ভৱতি পঞ্চমী।
এতানি মান্যস্থানানি গৰীয়ো যদ্যদুত্তৰম্ ॥৮॥
অজ্ঞো ভৱতি বৈ ৰালঃ পিতা ভৱতি মন্ত্ৰদঃ।
অজ্ঞং হি ৰালমিত্যাহুঃ পিতেত্যেৱ তু মন্ত্ৰদম্ ॥৯॥
ন হায়নৈৰ্ন পলিতৈৰ্ন ৰিত্তেন ন বন্ধুভিঃ।
ঋষয়শ্চক্ৰিৰে ধৰ্ম্মং যোঽনূচানঃ স নো মহান্ ॥১০॥
ৰিপ্ৰাণাং জ্ঞানতো জ্যৈষ্ঠং ক্ষত্ৰিয়াণান্তু ৰীৰ্য্যতঃ।
বৈশ্যানাং ধান্যধনতঃ শূদ্ৰানামেৱ জন্মতঃ ॥১১॥
ন তেন বৃদ্ধো ভৱতি যেনাস্য পলিতং শিৰঃ।
যো বৈ যুবাপ্যধীয়ানস্তং দেৱাঃ স্থৱিৰং বিদুঃ ॥১২॥
যথা কাষ্ঠময়ো হস্তী যথা চৰ্ম্মময়ো মৃগাঃ।
যশ্চ বিপ্ৰোঽনধীয়ানস্ত্ৰয়স্তে নাম বিভ্ৰতি ॥১৩॥
অহিংসয়ৈৱ ভূতানাং কাৰ্য্যং শ্ৰেয়োঽনুশাসনম্।
ৰাক্ চৈৱ মধুৰা শ্লক্ষ্ণা প্ৰয়োজ্যা ধৰ্ম্মমিচ্ছতা ॥১৪॥

মনু০অ০ ২। শ্লোক. ৮৮।৯৩।৯৪।৯৭।১০০।৯৮।১১০।১৩৬,১৫৩-১৫৭।১৫৯)॥

যিবোৰ ইন্দ্ৰিয়ই চিত্তহৰণকাৰী বিষয়বোৰত মনক প্ৰবৃত্ত কৰায়, সেইবোৰক নিৰোধ কৰাৰ চেষ্টা কৰা প্ৰধান কৰ্ত্তব্য। ৰথৰ সাৰথিয়ে অশ্বক সংযত কৰি গন্তব্য পথেদি পৰিচালিত কৰাৰ দৰে; ইন্দ্ৰিয়বোৰক অসৎ পথৰ পৰা নিবৃত্ত কৰি সৎপথেদি পৰিচালিত কৰা কৰ্ত্তব্য ॥১॥ ইন্দ্ৰিয় বোৰক বিষয় আসক্তিত আৰু অসৎ কৰ্ম্মত প্ৰবৃত্ত হবলৈ দিলে, মানুহৰ নিশ্চয় দোষ ঘটে, কিন্তু ইন্দ্ৰিয়ক সংযত কৰি সৎকৰ্ম্মত নিয়োজিত কৰিলে, অভীষ্ট সিদ্ধি হয়॥২॥ এই কথা নিশ্চিত যে যেনেকৈ অগ্নিত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ইন্ধন আৰু ঘৃত দিলে অগ্নি অধিক প্ৰজ্বলিত হয়, সেইদৰেই যিমানেই বিষয় ভোগ কৰে সিমানেই বিষয় আসক্তি বাঢ়ি যায়, গতিকে বিষয় আসক্তি সংযম কৰাই কৰ্ত্তব্য ।।৩।। যি জিতেন্দ্ৰিয় নহয় তেওঁক বিপ্ৰদুষ্ট বোলে। তেওঁৰ (কৰ্ম্মৰ দ্বাৰাই) বেদজ্ঞান, ত্যাগ, যজ্ঞ, নিয়ম আৰু তপ সিদ্ধি হব নোৱাৰে ।।৪।। গতিকে পাঁচ কৰ্ম্মেন্দ্ৰিয়, পাঁচ জ্ঞানেন্দ্ৰিয় আৰু মনক নিজৰ বশত ৰাখি যুক্ত আহাৰ বিহাৰ আৰু যোগাভ্যাসেৰে শৰীৰ ৰক্ষা কৰি জীৱনত সকলো অৰ্থ সিদ্ধি কৰা কৰ্ত্তব্য ।।৫।। যি শুনি, স্পৰ্শ কৰি, চকুৰে দেখি, কোনো বস্তু খাই, আৰু নাকেৰে গোন্ধ লৈ অতি প্ৰসন্ন বা অপ্ৰসন্ন নহয়, তেওঁকেই জিতেন্দ্ৰিয় বোলে ।।৬।। নোসোধাকৈয়ে বা হেয় আৰু বিদ্ৰূপৰ সুৰত সুধিলে কোৱা বা উত্তৰ দিয়া অনুচিত, তেনে ক্ষেত্ৰত বুদ্ধিমান মানুহে জড়ৰ দৰে নিৰ্ব্বাক হৈ থাকে। কিন্তু জিজ্ঞাসু পাত্ৰ যেন বুজি নোসোধাকৈও উপদেশ দিয়া আৱশ্যক ।।৭।। ধন, বন্ধু, বয়স, কৰ্ম্ম আৰু বিদ্যা এই পাঁচ বিধ বস্তু মানুহৰ সন্মানাস্পদ, কিন্তু ধনতকৈ বন্ধু সন্মাননীয়, বন্ধুতকৈ বয়স, বয়সতকৈ কৰ্ম্ম আৰু কৰ্ম্মতকৈও বিদ্যা অধিক সন্মানাস্পদ ।।৮।। বয়সত বৃদ্ধ হলেও অজ্ঞ (অৰ্থাৎ বিদ্যা বিজ্ঞানহীন ব্যক্তি) লোকক বালকৰ দৰে আৰু জ্ঞান বিজ্ঞানৰ উপদেশ দাতা বয়সত বালক হলেও বৃদ্ধৰ দৰে জ্ঞান কৰিব লাগে। কাৰণ অজ্ঞকেই বালক আৰু উপদেশ দাতা জ্ঞানীক পিতৃৰ দৰে ভাবিবলৈ শাস্ত্ৰত কোৱা হৈছে। ।।৯।। বয়স বৃদ্ধি হলে, চুলি পকিলে, ধন সম্পত্তিৰ অধিকাৰী, বা আত্মীয় স্বজন থাকিলেই বৃদ্ধ নহয়, সেইবোৰ নোহোৱাকৈয়েই ঋষি সকল মহান ।।১০।। বিপ্ৰ সকলৰ মাজত জ্ঞানেৰে ক্ষত্ৰিয় সকলৰ মাজত বীৰত্বেৰে, বৈশ্যসকলৰ মাজত ধন ধানেৰে আৰু শূদ্ৰ বিলাকৰ মাজত বয়সেৰেহে জ্যেষ্ঠতা ধৰা হয় ।।১১।। মূৰৰ কেৱল চুলি পকিলেই বৃদ্ধ নহয়, কৃতবিদ্য অৰ্থাৎ জ্ঞান বিজ্ঞানত সফল লোকক যুৱক হলেও জ্ঞানী সকলে বৃদ্ধ ৰূপে সন্মান কৰে ।।১২।। কাঠৰ হাতী আৰু ছালৰ নিৰ্ম্মিত মৃগ যেনে, বিদ্যাহীন,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিপ্ৰও তেনে অৰ্থাৎ এই তিনিক কেৱল নামতহে হাতী, মৃগ আৰু বিপ্ৰ বোলা হয়॥১৩॥ গতিকে ধৰ্ম্মকামী অৰ্থাৎ কল্যাণ ইচ্ছুক সকলক, মধুৰ কোমল বাণী আৰু অহিংসাৰে উপদেশ দিয়াই শ্ৰেষ্ঠ কৰ্ম্ম॥

নিত্য স্নান, বসন, বাসস্থান, অন্ন আৰু মন পৰিস্কাৰ আৰু পবিত্ৰ ভাবে ৰাখিব লাগে। কিয়নো এইবোৰ শুদ্ধ, পবিত্ৰ হলে চিত্তৰ শুদ্ধি, আৰোগ্য, বুদ্ধি আৰু উৎসাহৰ বৃদ্ধি হয়। মলি আৰু দুৰ্গন্ধ যাতে নহয়, তাৰ কাৰণে সকলোবোৰ বস্তু যথাসম্ভৱ পৰিকাৰকৈ ৰখা কৰ্ত্তব্য।

আচাৰঃ প্ৰথমো ধৰ্ম্মঃ শ্ৰুত্যুক্তঃ স্মাৰ্ত্ত এৱ চ ॥ মনুঃ অঃ (১।১০৮)॥

বেদ আৰু স্মৃতিত প্ৰতিপাদন কৰা আছে যে আচাৰ বা আচৰণেই সৰ্ব্বপ্ৰধান ধৰ্ম্ম অৰ্থাৎ কৰ্ত্তব্য।

মা নো বধীঃ পিতৰং মোত মাতৰম্

যজুঃ অঃ ১৬। মঃ ১৫॥

আচাৰ্য্যো উপনয়মানো ব্ৰহ্মচাৰিণমিচ্ছতে।

(অথৰ্ব্বঃ কাঃ ১১। বঃ ১৫)।

মাতৃদেবো ভৱ। পিতৃদেবো ভব। আচাৰ্য্যদেবো ভব। অতিথিদেবো ভব॥ (তৈত্তেৰীয়াৰণ্যকো প্ৰঃ ৭। অনুঃ ১১)॥

মাতা, পিতা, আচাৰ্য্য আৰু অতিথি—এই সকল দেৱতা, এই সকলৰ শ্ৰদ্ধা বা পূজাই দেব পূজা। জগতত হিতকৰ কৰ্ম্ম কৰা আৰু অনিষ্টকৰ কৰ্ম্ম পৰিত্যাগ কৰাটো মানুহৰ প্ৰধান কৰ্ত্তব্য। আচৰণেই কৰ্ম্ম আৰু কৰ্ম্মই আচৰণ। নাস্তিক, লম্পট, বিশ্বাসঘাটক, মিথ্যাবাদী, স্বাৰ্থপৰ, হিংসুক, প্ৰবঞ্চক আদি অসৎবোৰৰ সংগ ত্যাগ কৰাই মঙ্গল। আপ্ত অৰ্থাৎ সত্যবাদী ধৰ্ম্মপৰায়ণ আৰু সমাজৰ হিতাকাঙ্ক্ষী পুৰুষৰ সঙ্গ লোৱাটোৱেই শ্ৰেষ্ঠ আচাৰ।

প্ৰশ্ন—কোনো আৰ্য্যাবৰ্ত্তবাসী আৰ্য্যাবৰ্ত্তৰ বাহিৰৰ দেশলৈ গলে আচাৰ নষ্ট হয় নেকি ?

উত্তৰ—নহয়, সেইবোৰ মিছা কথা। কাৰণ যেই কোনো স্থান

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বা দেশত অন্তৰ বাহিৰ শুদ্ধ ৰাখি সৎ পথত থাকিলে কেতিয়াও ধৰ্ম্ম ভ্ৰষ্ট হব নোৱাৰে, আৰ্য্যাবৰ্ত্তত থাকিও অসৎ কৰ্ম্ম কৰিলে ধৰ্ম্ম ভ্ৰষ্ট হয়। বিদেশলৈ গলেই জাতি, ধৰ্ম্ম ভ্ৰষ্ট হয় বুলি কোনো কথা আমাৰ শাস্ত্ৰ গ্ৰন্থত নাই আৰু সি যুক্তি সঙ্গত কথাও হব নোৱাৰে। তাৰ প্ৰমাণ মহাভাৰতত :—

মেৰোৰ্হৰেশ্চ দ্বে বৰ্ষে বৰ্ষং হৈমৱতং ততঃ।
ক্ৰমেণৈব ব্যতিক্ৰম্য ভাৰতং বৰ্ষমাসদৎ ॥১।
স দেশান্ বিবিধান্ পশ্যংশ্চীনহূণনিষেৱিতান্ ॥
(মহা॰ ভা॰ অ॰ ৩২৭)॥

এই শ্লোক বোৰ মহাভাৰতৰ শান্তিপৰ্ব্বত মোক্ষধৰ্ম্মৰ বিষয়ে ব্যাস শুক সংবাদত লিখিত আছে। এসময়ত ব্যাস মুনিয়ে তেওঁৰ পুত্ৰ শুক আৰু অন্যান্য শিষ্য সকলক লগতলৈ পাতালত অৰ্থাৎ বৰ্ত্তমানৰ আমেৰিকাত বাস কৰিছিল। শুকদেৱে পিতাকক প্ৰশ্ন কৰিলে "আত্ম-জ্ঞান ইমানেই নে আৰু আছে ?" ব্যাস দেৱে একো উত্তৰ নিদিলে, কাৰণ এই বিষয়ৰ সকলো উপদেশ আগতেই দিয়া হৈছিল। আনক সাক্ষী কৰিবৰ কাৰণেই ব্যাসদেৱে শুকক কলে "পুত্ৰ! তুমি মিথিলা নগৰলৈ গৈ জনক ৰজাক এই প্ৰশ্নটো সোধাগৈ, তোমাৰ প্ৰশ্নৰ যথাযোগ্য উত্তৰ তাত পাবা" পিতাকৰ কথা শুনি শুকদেৱ মিথিলালৈ যাত্ৰা কৰিলে। ক্ৰমান্বয়ে দুবছৰ কাল মেৰু অঞ্চলৰ হৰিবৰ্ষ ভ্ৰমণ কৰি আৰু হিমালয় অঞ্চল এবছৰত অতিক্ৰম কৰি ভাৰতবৰ্ষ পাইছিল। তেওঁ চীন হুন আদি নানা দেশ চাই আহিছিল। হৰিবৰ্ষ হিমালয়ৰ ঈশান, উত্তৰ আৰু বায়ব্য দিশত অৱস্থিত। হৰিবৰ্ষ লাক্ষণিক নাম, "হৰি" মানে বান্দৰ, বান্দৰৰ মুখ ৰঙচুৱা আৰু চকু পিঙ্গল বৰণীয়া। সেই অঞ্চলৰ অধিবাসীৰ মুখ ৰঙচুৱা আৰু চকু পিঙ্গল বৰণীয়া। যাক সংস্কৃতত হৰিবৰ্ষ বুলিছে সেয়েই বৰ্ত্তমানৰ ইউৰোপ। "হুণ" মানে ইহুদী বুলি কৈছে।

শ্ৰীকৃষ্ণ আৰু অৰ্জ্জুন অশ্বতৰী অৰ্থাৎ অগ্নিবান বা বাষ্পীয় পোতেৰে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

গৈ পাতালৰ পৰা উদ্দালক ঋষিক যুধিষ্ঠিৰৰ যজ্ঞলৈ আনিছিল। গান্ধাৰ অৰ্থাৎ কান্দাহৰৰ, যাক কাবুল বোলে, ৰাজকন্যা গান্ধাৰীৰ লগত ধৃতৰাষ্ট্ৰৰ বিবাহ হৈছিল। পাণ্ডু ৰজাৰ পত্নীও ইৰাণৰ ৰাজকন্যা আছিল। আজিৰ আমেৰিকা পাতাল হলে, পাতালৰ ৰাজকন্যা উলুপীৰ লগত অৰ্জ্জুনৰ বিবাহ হৈছিল। এনেবোৰ ঘটনাৰ পৰা ভাৰত বাসী দেশ-দেশান্তৰলৈ যোৱা অহাৰ কথাই প্ৰমাণ হয়। ইয়াৰ উপৰিও মনুস্মৃতিত সাগৰত চলাচল কৰা জলযান বা পোতৰ কৰ আদায়ৰ কথা উল্লেখ আছে। গতিকে ভাৰতীয়ই দ্বীপ দ্বীপান্তৰলৈ যাতায়াত কৰাৰেই পুৰণি শাস্ত্ৰ সমূহে সাক্ষী দিয়ে। যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞত পৃথিবীৰ সকলো ৰজাক নিমন্ত্ৰণ কৰিবলৈ ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱ একোএকো ফালে গৈছিল। দোষ বুলি বিবেচনা হোৱা হলে তেনেবোৰ নহল হেঁতেন। অতীতত আৰ্য্যাবৰ্ত্তবাসীয়ে বাণিজ্য আৰু ৰাজনৈতিক উদ্দেশ্য লৈও দেশ-দেশান্তৰ ভ্ৰমণ কৰিছিল। এতিয়াৰ স্পৰ্শদোষ আৰু ধৰ্ম্ম নাশৰ আশঙ্কাৰ মূল মূৰ্খতা, অজ্ঞানতা আৰু ভ্ৰম। যি দেশান্তৰ ভ্ৰমণ কৰি নানা জনৰ সংসৰ্গত নানা বিষয়ত অভিজ্ঞ হব পাৰে, সেই সকলেই স্বদেশৰ ৰীতি নীতি আৰু অৰ্থ সম্পদৰ উন্নতি সাধন কৰিব পাৰে আৰু লগতে স্বদেশৰ বা স্বজাতিৰ কুসংস্কাৰবোৰো দূৰ কৰাত সহায়ক হব পাৰে। পৰদেশী বা বিভিন্ন আচাৰ ব্যৱহাৰৰ মানুহক স্পৰ্শ কৰিলে অশুদ্ধ বা অপবিত্ৰ হব নোৱাৰে। বেশ্যা বৃত্তি, চৰিত্ৰহীনতা আৰু অধৰ্ম্মৰ আচৰণহে দোষাবহ আৰু অপবিত্ৰ। এইবোৰ আচৰণ স্বদেশত কৰিলেও দোষ, বিদেশত গৈ কৰিলেও দোষ। যি ইয়াকে বুজিব নোৱাৰে, সি যদি মূৰ্খ নহয়, মূৰ্খনো কোন? অৱশ্যে চৰিত্ৰহীন, অভক্ষ্য—খাদক লোকৰ সংসৰ্গ আৰু স্পৰ্শ মহাদোষকাৰক, যাৰ পৰিণাম ভয়ানক। স্বদেশতেই হওক বা বিদেশতেই হওঁক দুষ্ট আৰু চৰিত্ৰহীনৰ সংসৰ্গ সংক্ৰামক ব্যাধিতকৈও ভয়াবহ। তাৰ পৰা নিজক আৰু সমাজক ৰক্ষা কৰাই সকলোৰে ধৰ্ম্ম। বিদেশীৰ বা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অন্যান্য জাতিৰ গুণ গ্ৰহণ আৰু অনুকৰণ কৰাটো দোষ বুলি কেৱল মূৰ্খইহে কব পাৰে। নানা দেশৰ লোকৰ লগত যোগাযোগ, সংসৰ্গ আৰু গুণৰ আদান প্ৰদান নহলে নিজৰ, জাতিৰ বা জগতৰ মঙ্গল কেনেকৈ হব? তাকেই নকৰিলে নিজৰ বা স্বদেশৰ দোষ গুণবোৰ কেনেকৈ বুজিব পাৰিব আৰু তাৰ প্ৰয়োজনীয় সংশোধন কৰিব? ধৰ্ম্মৰ সম্বন্ধ আত্মা আৰু কৰ্ত্তব্যৰ লগতহে। ধৰ্ম্মব্ৰতী হৈ ধৰ্ম্মাচৰণ কৰিবলৈ হলে বৈদিক ধৰ্ম্মৰ জ্ঞান অত্যন্ত আৱশ্যক। ধৰ্ম্মৰ জ্ঞান তথা স্বৰূপ দেশে বিদেশে প্ৰচাৰ নকৰাও অধৰ্ম্ম। দেশ দেশান্তৰৰ শিল্প, উদ্যোগ, বাণিজ্য আদিৰ লগত যোগাযোগ স্থাপন নহলে স্বদেশৰ উন্নতি কেনেকৈ কৰিব? "বিদেশলৈ গলে, স্পৰ্শ কৰিলে আৰু বিদেশীৰ ঘৰত খালে জাতি যায়" এনেবোৰ কথা এক শ্ৰেণীৰ স্বাৰ্থপৰ মানুহৰ মৰ্য্যাদা, জীৱিকা আদি ৰক্ষাৰ প্ৰতাৰণাহে। কাৰণ দেশ দেশান্তৰলৈ যোৱাৰ ফলত মানুহৰ চকু মুকলি হলে সেই শ্ৰেণী মানুহৰ প্ৰতাৰণা ধৰা পৰিব। তেতিয়া আৰু তেওঁলোকৰ জীৱিকা নচলিব।

যুদ্ধত প্ৰত্যেক সৈনিকে সুকীয়া সুকীয়াকৈ চৌ-খুঁটি মাৰি ৰন্ধাত লাগিলে শত্ৰুৰ লগত যুদ্ধ কৰিব কেনেকৈ? অভাৱত আৰু আতুৰত অৰ্থাৎ ৰুগ্ন অৱস্থাত যেই কোনো জাতিয়ে স্পৰ্শ কৰা আহাৰ খাই জীৱন ৰক্ষা কৰাও পাপ, দোষ, বা জাতি ভ্ৰষ্ট হোৱা বুলি যিজনে কয়, তাতকৈ অধম মহামূৰ্খ জগতত কোনো থাকিব নোৱাৰে। কিন্তু যি সকলে এনেকুৱা পৰিকল্পিত চক্ৰান্ত ৰচনা কৰিছিল, তেওঁলোক তেনে মূৰ্খ নহয়, তেওঁলোকে চক্ৰান্তৰ জালেৰে সমাজৰ সৰ্ব্ব সাধাৰণক অজ্ঞান আন্ধাৰত বুৰাই ৰাখিলে আৰু নিজৰ জীৱিকা আৰ্জ্জনৰ স্বাৰ্থত বৈদিক সংস্কৃতি আৰু জাতীয় স্বাৰ্থক বলি দিলে। জ্ঞান, ধৰ্ম্ম আৰু সদাচৰণৰ ঠাইত জাতিভেদ, চৌখুটৰ ভেদ প্ৰতিষ্ঠা কৰি জাতীয় স্বাধীনতা, অৰ্থ, বিদ্যা উদ্যোগ আদি সকলো বিনষ্ট কৰি আহিছে। কেৱল চৌখুটি মাৰি নিজে ৰান্ধি খোৱাই ধৰ্ম্ম হব নোৱাৰে। অৱশ্যে অপৰিষ্কাৰ আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সংক্ৰামক ব্যাধিগ্ৰস্ত জাতি বা ব্যক্তিৰ হাতে আহাৰ কৰা অনুচিত।

প্ৰশ্ন—সখৰী আৰু নিখৰী আহাৰ কাক বোলে ?

উত্তৰ—পানী আদিৰে সিজোৱা অন্নক সখৰী আৰু গাখীৰ, ঘিউ, আদিৰে প্ৰস্তুত কৰা আহাৰক নিখৰী আহাৰ বোলে। পক্ক বা সখৰী আহাৰ. আনে ৰন্ধা খালে জাতি যায়, কিন্তু কেচা অৰ্থাৎ ঘিউ, গাখীৰ আদিৰে প্ৰস্তুত কৰা শ্ৰেষ্ঠ উপাদেয় আহাৰ যাৰে তাৰে ছোৱা খালেও দোষ হব নোৱাৰে। এইবোৰো ধূৰ্ত্ত লোকৰ ছল চতুৰতা মাত্ৰ। যি আহাৰ সি আহাৰেই, পক্ক খালে দোষ হয় আৰু অপক্ক খালে দোষ নহয়, এনেকুৱা যুক্তি হব নোৱাৰে।

প্ৰশ্ন—দ্বিজ সকলে শূদ্ৰই ৰন্ধা আহাৰ খাব পাৰে নে নোৱাৰে?

উত্তৰ—শূদ্ৰৰ ৰন্ধা কেলেই খাব নোৱাৰিব? ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্যৰ পুৰুষ স্ত্ৰীসকলে নিজৰ নিজৰ কৰ্ত্তব্য ধৰ্ম্ম অৰ্থাৎ অধ্যয়ন-অধ্যাপনা, দেশ ৰক্ষা, ৰাজ্যৰ ন্যায় দণ্ড ৰক্ষা আৰু বাণিজ্য, কৃষি, উদ্যোগ আদি কৰাত ব্যস্ত থাকিব লাগে, গতিকে যিবোৰ মানুহ এইবোৰ কামৰ অনুপযুক্ত অৰ্থাৎ শূদ্ৰ সেই বোৰে ওপৰত কোৱা তিনি শ্ৰেণীৰ কৰ্ত্তব্য পৰায়ণ সকলক ৰন্ধা বঢ়া আৰু অন্যান্য কৰিব পৰা কামত সহায় নকৰিলে আৰু তাৰ পৰিবৰ্ত্তে তেওঁলোকৰ ভৰণ পোষণ নহলে কেনেকৈ চলিব! অৱশ্যে শূদ্ৰৰ খোৱা পাত্ৰত আৰু শূদ্ৰৰ ঘৰত ৰন্ধা আহাৰ বিশেষ কাৰণ নহলে খাব নালাগে। কাৰণ তাৰ যুক্তি আছে।

আৰ্য্যাধিষ্ঠিতা বা শূদ্ৰাঃ সংস্কৰ্ত্তাৰঃস্যুঃ ॥

(আপস্তম্ব ধৰ্ম্মসূত্ৰ। প্ৰপাঠক ২। পটল ২। খ০ ২। সূ০ ৪)।

শূদ্ৰ অৰ্থাৎ বুদ্ধি বৃত্তিহীন নৰ নাৰীয়ে দেহ বস্ত্ৰ আদি পৰিষ্কাৰ কৰি ৰীতি নীতিৰে সমাজৰ দায়িত্ব বহন কৰা লোক সকলৰ গৃহত ৰন্ধন আদিৰে পৰিচৰ্য্যা কাম কৰিব লাগে। জাতীয় কৰ্ম্মানুষ্ঠানৰ যথাৰ্থ দায়িত্ব পালন কৰা সকলক আৰ্য্য বোলে। আৰ্য্য মানে শিষ্ট আচৰণশীল। শূদ্ৰই আৰ্য্য সকলৰ ঘৰত ৰন্ধন কৰোতে মুখ আৰু নাকত আঁ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কাপোৰ বান্ধি লব লাগে, যাতে নাক আৰু মুখৰ পৰা বাহিৰ হৈ উচ্ছিষ্ট খাদ্যত নপৰে। প্ৰতি সপ্তাহে নখ আৰু দাড়ি গোফ কাটিব লাগে। শৌচ কৰাৰ পাচত হাত আদি চাবোনেৰে পৰিষ্কাৰ কৰি, গা পা ধুই ৰন্ধন কৰিব লাগে আৰু গৃহস্থই আহাৰ কৰাৰ পাছত খাব পাৰে।

প্ৰশ্ন—শূদ্ৰই স্পৰ্শকৰা কৰা অন্ন ভেজনো দোষজনক, তেনে-স্থলত শূদ্ৰই ৰন্ধন কৰা আহাৰ কেনেকৈ ভোজ্য হব পাৰে ?

উত্তৰ—এইবোৰ বিবেচনাহীন লোকৰহে কথা, জ্ঞানী মানুহৰ হব নোৱাৰে। গুড়, চেনি, ঘৃত, দুগ্ধ, আটা, ফলমূল আদি যিসকলে খায় সি সকলে লোকৰ হাতৰ প্ৰস্তুত আৰু উচ্ছিষ্ট আহাৰকেই খায়। কাৰণ নানা জাতিৰ মানুহে খেতিৰ কুঁহিয়াৰ কাটে, ভৰিৰে গছকে, পেৰি ৰস উলিয়াই সেই ৰস, শৌচ পেছাব কৰি হাত নোধোৱাকৈ-য়েই ছোৱে, আধাখোৱা কুঁহিয়াৰ ডোখৰো পেলাই নিদি একেলগে পেৰী ৰসৰ লগত মিলাই দিয়ে। ৰস পগাই থাকোতে সেই গৰম পকা ৰনত ৰুটী জুবুৰীয়াই খায়। চেনি প্ৰস্তুত কৰোতেত্ত পুৰণা জোতাৰে ঘঁহে। সেই জোতাৰ তলত কি যে লাগি নেথাকে তাক কোনে জানে ? গাখীৰৰ লগত খোৱা পাত্ৰৰ উচ্ছিষ্ট পানীকেই ঢালে। খোৱা পাত্ৰতেই ঘিউ মাখনো ৰাখে। ঘেহু আদি চাকিত বা কলত গুৰি কৰোতে খোৱা হাতেৰেই ছোৱে, গছকে, গাৰ ঘামো পৰে, গা খজুৱায়ো সেই হাতেৰেই ছোৱে। কিছুমান ফল মূল শাক পাছলিৰ খেতো এনেকুৱা কাণ্ডই হয়, মল মুত্ৰ আদি কৰা ঠাইত পৰিলেও তাকেই তুলি আনি বিক্ৰি কৰে। এইবোৰ খালে কাৰো ছোৱা বা উচ্ছিষ্ট খাবলৈ বাকী নেথাকে। বজাৰত পোহাৰ দি থোৱা গুড়, চেনি, আদি বস্তুৰ অৱস্থালৈ মন কৰিলে ইয়াৰ সত্যাসত্য বুজিবলৈ বাকী নাথাকে।

প্ৰশ্ন—কিনা বেচা বস্তুবোৰত হোৱা কাণ্ডবোৰ অদৃষ্ট, গতিকে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ভাত দোষ ধৰিব নোৱাৰি।

উত্তৰ—এইবোৰ বিবেচনাশীল মানুহৰ কথা নহয়, সুবিধাবাদী মানুহৰহে কথা। ঘিউ, গুড় আৰু চেনিত দোষ নাই, আচৰিত যুক্তি! অদৃষ্ট ভাবে দোষী কৰা বস্তুত যদি কোনো দোষ নাই, তেন্তে অদৃষ্টৰে কোনোৱে উচ্ছিষ্ট কৰা বা মল মূত্ৰ আদি মিহলি হোৱা খাদ্য কোনোৱে অতি পৱিত্ৰ বুলি আনি দিয়ে তেতিয়া খোৱাত দোষ হবনে নহয়! যদি হয়, তেন্তে অদৃষ্টতো দোষ হয়। সজ শিষ্ট মানুহৰ তত্ত্বাৱধানত পৰিস্কাৰ ভাৱে শুদ্ধই ৰন্ধন কৰা আহাৰ খোৱাত কেতিয়াও দোষ হব নোৱাৰে; জঘন্য অপৰিস্কাৰ আৰু অনাচাৰী মানুহে ৰন্ধন কৰা আহাৰ খোৱাহে দোষ। আহাৰৰ বাছ বিচাৰৰ সম্বন্ধ স্বাস্থ্য নীতিৰ লগত; বাকী সকলো প্ৰকাৰ উন্নতি নিৰ্ভৰ কৰে জ্ঞান বিদ্যা আৰু সদ্‌কুল আচৰণত। আৰ্য্যাবৰ্ত্তত পৰম্পৰা নৈতিক ব্যৱস্থাৰ ঠাইত দুৰ্নীতি দুষ্কৰ্ম্মৰ প্ৰাধান্য হ'ল, পৰিণামত দেশৰ সৰ্ব্বস্ব বিদেশীৰ অধীনস্থ হ'ল। ইয়াৰ কাৰণ হ'ল জাতীয় বৈষম্য, আৰু দুৰ্নীতিৰ শোষণ। মানুহৰ ভেদ হব নোৱাৰে। কেৱল গুণ, আৰু আচৰণৰহে ভেদ হব পাৰে। নিজৰ ভিতৰত শাসন আৰু ঈৰ্ষাৰ পৰিণাম মহাভাৰতৰ যুদ্ধ, যাক ব্যাস মুনিয়ে চিত্ৰণ কৰি দেখুৱাই দিছে। তাৰ অনুভূতি আমাৰ এতিয়াও হোৱা নাই আৰু সেইবোৰ জাতীয় ব্যাধিৰ পৰা আমি আৰোগ্য হব পৰা নাই। মহাভাৰত আৰু ৰামায়ণ পাঠ কৰি দুৰ্য্যোধন আৰু ৰাৱণৰ আদৰ্শ পৰিত্যাগ কৰিব নোৱাৰিলে সেইবোৰ পঢ়াৰ কোনো অৰ্থ নাথাকে। ৰাম আৰু কৃষ্ণৰ কেৱল নাম ললেই নহয়, তেওঁলোকৰ প্ৰদৰ্শিত আদৰ্শ আচৰণ কৰাহে সকলোৰে বাঞ্ছনীয়। পৰমেশ্বৰক সাক্ষী কৰি এনেকুৱা সংক্ৰামক ব্যাধিবোৰ অন্তৰৰ পৰা নিৰ্ম্মূল কৰিব লাগে।

ভক্ষ্য অভক্ষ্য দ্বিবিধ। এক—ধৰ্ম্মশাস্ত্ৰোক্ত, দ্বিতীয়—চিকিৎসাশাস্ত্ৰোক্ত।

ধৰ্ম্মশাস্ত্ৰোক্ত যথা—

অভক্ষ্যাণি দ্বিজাতীনামমেধ্য প্ৰভবানি চ॥ মনু॰ (৫।৫)॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দ্বিজ অৰ্থাৎ ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰয়ো অপবিত্ৰ আৰু মল মূত্ৰাদিৰ সংসৰ্গজাত শাক, ফল, মূল আদি ভোজন কৰা অনুচিত।

বৰ্জয়েন্মধুমাংসঞ্চ। মনু॰ (২।১৭৭) ॥

মদ, গণিকা, ভাং আৰু অহিফেন আদি মাদক দ্ৰব্য পৰিত্যাজ্য।

বুদ্ধিং লুম্পতি যদ্ দ্ৰব্যং মদকাৰী তদুচ্যতে ॥

(শাৰ্ঙ্গধৰ অ॰ শ্লোক॰ ২১) ॥

বুদ্ধি নাশক দ্ৰব্য খোৱা অনুচিত। গেলা পচা, দূষিত, কুপক্ক আৰু মাংসাহাৰী ম্লেচ্ছে প্ৰস্তুত কৰা আহাৰ খোৱা অনুচিত। কাৰণ তেনে মানুহৰ দেহত তেনেকুৱা পৰমাণুৰেই পৰিপূৰ্ণ হৈ থাকে।

উপকাৰী পশুক হিংসা কৰিব নেলাগে। এজনী গাইৰ দেহৰ পৰাই দুগ্ধ, ঘৃত, বৃষ, আৰু গাই উৎপন্ন হয়। এজনী গাইৰ এক পুৰুষত অৰ্থাৎ এজনী গাইৰ পূৰ্ণ জীৱন কালৰ ভিতৰত চাৰি লাখ পঁচাত্তৰ হেজাৰ আৰু ছয় শ মানুহৰ উপকাৰ হয়। এনে পশুক হত্যা কৰিলে মানৱ জাতিৰেই অহিত হয়। গতিকে নিজৰ অধিক হিতৰ কাৰণেই গো জাতিক ৰক্ষা কৰিব লাগে।

যদি কোনো এজনী গাইৰ প্ৰতিদিনে বিশ লিটাৰ আৰু আন এজনীৰ পৰা দুই লিটাৰ গাখীৰ পোৱা যায় প্ৰতিগাইৰ গড় হিচাপে দিনে এঘাৰ লিটাৰকৈ গাখীৰ হয়। কোনো কোনো গাইয়ে ১৮ মাহ, আৰু কোনো কোনোৱে ছয় মাহ পৰ্যন্ত গাখীৰ দিয়ে, গতিকে গড় হিচাপত বাৰ মাহ হয়। গতিকে প্ৰত্যেক গাইৰ আজীৱন গাখীৰৰ পৰা ২৪৯৬০ জন মানুহ এবাৰ তৃপ্ত হব পাৰে। যদি প্ৰতি গাইয়ে ৬টা দমৰা আৰু ৬ জনী চেউৰী পোৱালী দিয়ে, আৰু ভিতৰত দুটাকৈ মৰিলেও ১০টা থাকে। ৫জনী গাইৰ গোটেই জীৱনৰ গাখীৰ হিচাপ কৰিলে ১২৪৮০০ (এক লাখ চৌবিশ হেজাৰ আঠ শ) মানুহ তৃপ্ত হব পাৰে। বাকী ৫টা দমৰা গৰুৱে গোটেই জীৱনত ৫০০০ (পাঁচ হেজাৰ) মোন শস্য উৎপন্ন কৰিব পাৰে। মানুহবোৰে প্ৰতি জনে পোৱা কৰি খাব পাৰে ২৫০০০০ (দুইলাখ পঞ্চাশ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হেজাৰ) মানুহ এবাৰ তৃপ্ত হব পাৰে। সেইদৰে বংশানুবংশৰ হিচাব ললে অসংখ্য মানুহৰ পালন হব পাৰে। ইয়াৰ বাহিৰেও যানবাহন টনা হয়। গৰুৰ গোবৰ শস্যৰ উপযোগী সাৰ। গৰুৰ আৰু মহৰ গাখীৰ উপাদেয় আহাৰ, তাৰ ভিতৰত গৰুৰ গাখীৰ আৰু ঘিউৰ পৰা অধিক বুদ্ধি হয়। গতিকেই আৰ্য্য সভ্যতাত গৰুক সকলোতকৈ বেছি হিতকাৰী বুলি বিবেচনা কৰা হৈছিল। সকলোৱে এনেকৈয়ে বিবেচনা কৰা বাঞ্ছনীয়।

ছাগলীৰ গাখীৰৰ পৰা ২৫৯২০ (পঁচিশ হেজাৰ ন শ বিশ) মানুহৰ পালন হয়। সেই দৰে হাতী, ঘোড়া, উট, ভেড়া আৰু গাধ আদি পশুৰ পৰাও বহুত উপকাৰ হয়। যি এনেকুৱা পশুক হত্যা কৰে- তেওঁলোকে নিজক হত্যা কৰাৰ দৰেই হয়। *

আৰ্য্য সভ্যতা বিকাশ হোৱাস্ত গৰু আদি উপকাৰী পশু হত্যা কৰা নহৈছিল। সেই সময়ত আৰ্য্যাবৰ্ত্ত আৰু অন্যান্য দেশতো মানুহৰ উপকাৰী পশুৰ জীৱন নিৰাপদ আছিল, মানুহে সেইবোৰৰ বংশ বৃদ্ধিৰ কাৰণে যত্ন লৈছিল, তাৰ ফলত মানুহৰ আহাৰৰ অভাৱ নাছিল, কাৰণ গাখীৰ আৰু শস্য উৎপন্ন হৈছিল। পৃথিবীত যেতিয়াৰ পৰা মদ আৰু মাংসাহাৰী মানুহৰ সংখ্যা বৃদ্ধি হবলৈ ধৰিলে তেতিয়াৰ পৰাই গাখীৰ আৰু অন্নৰ উৎপন্ন হ্ৰাস হৈ আহিবলৈ ধৰিলে। বৈজ্ঞানিক যন্ত্ৰৰ উন্নতি হৈছে হয়, কিন্তু যন্ত্ৰই গাখীৰ আৰু অন্ন উৎপন্ন নকৰে।

নষ্টে মূলে নৈব ফলং ন পুষ্পম্॥

(বৃদ্ধচাণক্য। অ০ ১০।১৩)

বৃক্ষৰ মূল নিৰ্ম্মূল হলে ফুল ফল কৰ পৰা হব ?

প্ৰশ্ন—সকলোৱেই অহিংস হলে বাঘ আদি হিংসুক পশুৰ বৃদ্ধি হব আৰু গৰু আদি নিৰীহ পশুক খাই নিঃশেষ কৰিব আৰু পুৰু-

* (ইয়াৰ বিশেষ ব্যাখ্যা "গোকৰুণানিধি" পুস্তিকাত কৰা আছে)

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স্বাৰ্থও ব্যৰ্থ হব।

উত্তৰ—অনিষ্টকাৰী পশু আৰু মানুহক দণ্ড দিয়াই ৰাজনীতি আৰু ন্যায় দণ্ড।

প্ৰশ্ন—তেনেহলে সেই দৰে বধ কৰা পশুৰ মাংসবোৰ পেলাই দিব নেকি ?

উত্তৰ—পেলাই দিবও পাৰে, কুকুৰাদি মাংসাহাৰী পশুক খুৱাবও পাৰে, বা কোনো মাংসাহাৰীক খাবলৈও দিব পাৰে। তাৰ পৰা সংসাৰৰ একো ক্ষতি নহয় ; কিন্তু মাংসাহাৰী মানুহৰ স্বভাৱ হিংস্ৰ হব পাৰে। যিবোৰ খাদ্য বস্তু হিংসা, চুৰি, বিশ্বাসঘাতকতাৰে আৰু ছল প্ৰবঞ্চনাৰে সংগ্ৰহ কৰা হয়, সেইবোৰ অভক্ষ্য। যিবোৰ অহিংসা, সৎকৰ্ম্মৰ যোগেদি সংগ্ৰহ কৰা হয়, সেইবোৰ ভক্ষ্য আৰু আনন্দদায়ক। যিবোৰ খাদ্যৰ পৰা স্বাস্থ্য লাভ, ৰোগ নাশ, আয়ুবৃদ্ধি, বুদ্ধি, বল, পৰাক্ৰম বৃদ্ধি আৰু স্থিৰ হয়, তেনে খাদ্য— চাউল, ঘেহু, ফল-মুল, গাখীৰ, ঘিউ, মিষ্টান্ন যথোচিত ভাবে প্ৰস্তুত কৰি, যথাসময়ত পৰিমিত ভাৱে খাব লাগে। এইবোৰেই ভক্ষ্য ; যিবোৰ নিজৰ প্ৰকৃতিবিৰুদ্ধ আৰু বিকাৰ উৎপাদন কাৰী, তেনেবোৰ পৰিত্যাগ কৰা বাঞ্ছনীয়। যাৰ পক্ষে যি বস্তু বিহিত পথ্য, সি তেনে আহাৰ কৰাহে উচিত। ইয়াকেই ভক্ষ্য বোলে।

প্ৰশ্ন—একেলগে একে পাত্ৰতে আহাৰ কৰাত কিবা দোষ আছে নেকি ?

উত্তৰ—দোষ আছে। কাৰণ এজনৰ প্ৰকৃতিৰ লগত সিজনৰ মিল নাই। ৰোগীৰ লগত আহাৰ খালে সুস্থ ব্যক্তিৰো ৰক্ত বিকৃত হয়। সেইদৰে একে পাতত একেলগে আহাৰ কৰিলে অলপ নহয় অলপ বিকৃতি ঘটিবই। এই কাৰণেঃ—

নোচ্ছিষ্টং কস্যচিদ্দদ্যান্নাদ্যাচ্চৈব তথান্তৰা।
ন চৈবাত্যশনং কুৰ্য্যান্নচোচ্ছিষ্টঃ ক্বচিদ্‌ব্ৰজেৎ॥ মনু০ ২।৫৬॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কাকো নিজৰ উচ্ছিষ্ট (অৰ্থাৎ খাই এৰা) খাবলৈ দিয়া অনুচিত। কাৰো লগত একে পাত্ৰতে খোৱা অনুচিত। বেছিকৈ খোৱাও অনুচিত। খোৱাৰ পাছত মুখ হাত নোধোৱাকৈ ইফালে সিফালে ফুৰাও অনুচিত।

প্ৰশ্ন—তেনেহলে "গুৰোৰুচ্ছিষ্ট ভোজনম্" এই বাক্যৰ অৰ্থ কি হব ?

উত্তৰ—ইয়াৰ অৰ্থ গুৰুক আগতে আহাৰ কৰাই তাৰ পাছত শিষ্য সকলে আহাৰ কৰিব লাগে, গুৰুৱে খাই এৰা নহয়।

প্ৰশ্ন—যদি উচ্ছিষ্ট-মাত্ৰই নিষিদ্ধ হয়, তেনেহলে মৌও মৌমাখিৰ উচ্ছিষ্ট, গাখীৰো পোৱালীৰ উচ্ছিষ্ট, নিজৰ আহাৰো এগৰাহৰ পাছত উচ্ছিষ্ট হয়।

উত্তৰ—মৌ মাত্ৰ নামতহে উচ্ছিষ্ট। মৌ মাখিৰ মুখৰ শুং বিশেষেৰে নানা দ্ৰব্যৰ নিৰ্দোষ সাৰ অংশ সংগ্ৰহ কৰে। মৌৰ অনেক ব্যাধি উপশম কৰিব পৰা শক্তি আছে, সি ব্যাধি উৎপত্তি নকৰে। গতিকে উচ্ছিষ্ট হব নোৱাৰে। গৰু পোৱালীয়ে মাকৰ বাহিৰ হৈ অহা গাখীৰ বাহিৰৰ পৰা পান কৰে, ভিতৰৰ গাখীৰ উচ্ছিষ্ট নকৰে। পোৱালীয়ে দুগ্ধ পান কৰাৰ পাছত মাকৰ স্তনবোৰ, যাক বাট বোলা হয়, পানীৰে ভালকৈ ধুই পখালিহে শুদ্ধ পাত্ৰত খীৰাব লাগে। আৰু নিজৰ উচ্ছিষ্ট নিজৰ কাৰণে বিকাৰ জনক নহয়। এজনৰ উচ্ছিষ্ট যে আন এজনে খাব নোৱাৰে ই স্বাভাৱিক নীতি। নিজৰ মুখ, নাক, কাণ, চকু, উপস্থ আৰু গুহ্যেন্দ্ৰিয়ৰ মল মূত্ৰাদি স্পৰ্শ কৰাত ঘৃণা বোধ নহয়, কিন্তু আনৰ হলে ঘৃণা হয়। ইয়াৰ দ্বাৰাই প্ৰতীত হয় যে এনে ব্যৱহাৰ সৃষ্টি ক্ৰমৰ স্বভাৱ বিৰুদ্ধ। গতিকে মানুহ মাত্ৰই কাৰো উচ্ছিষ্ট বা ভুক্তাবশেষ খোৱা অনুচিত।

প্ৰশ্ন—তেনেহলে পতি পত্নীয়েও পৰস্পৰৰ উচ্ছিষ্ট খোৱা উচিত নহয় ?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ— অৱশ্যে অনুচিত। কাৰণ পৰস্পৰৰ শৰীৰ বিভিন্ন প্ৰকৃতিৰ।

প্ৰশ্ন—যেই কোনো মানুহে ৰন্ধা খালে দোষ কি? ব্ৰাহ্মণৰ পৰা চণ্ডাল পৰ্য্যন্ত অস্থি চৰ্ম্ম আৰু শোণিতৰ দেহ, কাৰো পাৰ্থক্য নাই।

উত্তৰ—দোষ আছে। কাৰণ যি যেনেকুৱা বস্তু খায়—তাৰ সেই বস্তুৰ গুণ অনুসাৰে ৰক্ত মাংস সৃষ্টি হয়। সেই দৰেই ৰজ-বীৰ্য্যৰো সৃষ্টি হয়। শৰীৰৰ পৰমাণুবোৰো সেই ধৰণৰে হয়। ব্ৰাহ্মণ আদি সুসভ্য মানুহৰ ৰজবীৰ্য্যৰ দুৰ্গন্ধ আদি দোষ নাই, কিন্তু চাণ্ডাল আদিৰ দৰে আচৰণশীল মানুহৰ তেনে নহয়, দুৰ্গন্ধিত ওচৰ চাপিব নোৱাৰি। ব্ৰাহ্মণ আদিৰ বা সৎ আচৰণ পৰায়ণ সুভক্ষ্যকাৰীৰ তেনে দুৰ্গন্ধ নাই। গতিকে আৰ্য্য, উত্তম, শ্ৰেষ্ঠ আচৰণশীল মানুহৰ হাতে প্ৰস্তুত আহাৰ কৰাহে উচিত। অনাৰ্য্য অৰ্থাৎ জঘন্য আচৰণশীল মানুহৰ হাতে খোৱা দোষ। আপোনাৰ যুক্তিমতে মাতা, শাহু, বাই-ভনী, কন্যা, বোৱাৰী আদিৰ দেহ যেনেকুৱা চৰ্ম্ম নিৰ্ম্মিত, পত্নীৰো তেনে চৰ্ম্ম নিৰ্ম্মিত। কিন্তু আপোনাৰ পত্নীৰ লগত যি ব্যৱহাৰ কৰে তেনে ব্যৱহাৰ আনৰ লগত কৰাত আপোনৰ মন সংকুচিত হয় কিয়? পৰিকাৰ হাত মুখেৰে উত্তম আহাৰ খুৱাই মানুহৰ ধ্যেয়; অখাদ্য, দুৰ্গন্ধিত আৰু অধিক আহাৰ কৰা ধ্যেয় হব নোৱাৰে।

প্ৰশ্ন—গোবৰেৰে বাসস্থান আৰু ৰন্ধন শালা যে লেপন কৰা হয়, আৰু পবিত্ৰ বুলি মনা হয়, নিজৰ মলৰ দ্বাৰাই নকৰে কিয়? গোবৰ যদি পবিত্ৰ হয়, নিজৰ মল অপবিত্ৰ হব কিয়?

উত্তৰ—মানুহৰ ময়লা যেনেকুৱা দুৰ্গন্ধ, গোবৰৰ তেনেকুৱা দুৰ্গন্ধ নাই। গোবৰৰ এঠাই মাটি ঢাকি ৰাখিব পাৰে। গোবৰেৰে মোছা ঠাই শুকালে, তাত বহিলেও কাপোৰত দাগ নেলাগে কিন্তু মাটিত বহিলে কাপোৰত মাটিৰ দাগ লাগে। গোবৰ মাটিৰে মোছা ঠাই দেখাতো সুন্দৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰন্ধনশালাত ৰন্ধা বঢ়া কৰোতে যি অলপ-চলপ চিতিকি পৰে তাত অপৰিষ্কাৰ ঠাইৰ পৰা মাখি আৰু নানা পোক পৰুৱা আদি প্ৰৱেশি, সদায় পৰিষ্কাৰ নকৰিলে দুৰ্গন্ধ আৰু ৰোগৰ সৃষ্টি কৰে। গতিকে প্ৰতিদিনে লিপি মুছি পৰিষ্কাৰ কৰি ৰখা আৱশ্যক। শুকান গোবৰৰ গোন্ধে বতাহ বিশুদ্ধ কৰে আৰু পোক পৰুৱাকো যথা সম্ভৱ বাধা দিয়ে। জোতা পিন্ধি বা বাহিৰত ফুৰি ভৰি হাত নোধোৱাকৈ ৰন্ধনশালাত সোমালে তাৰ পৰা যি অনিষ্ট হোৱাৰ সম্ভাৱনা তাক নকলেও সকলোৱে বুজিব পাৰিব। দেখা যায় অনেকৰ পাকঘৰৰ চাৰিওফালে খৰি, কয়লা, ছাই, ভগাছিগা বাচন বৰ্ত্তন, ফটা-চিঙা লেতেৰা কাপোৰ, খাই এৰা বস্তু, হাড়মুৰ, ভগাছিগা মাটিৰ চৰু কলহ সিচঁৰিত হৈ পৰি থাকে, পোক পৰুৱা আৰু মাখিয়ে ভেন ভেনাই থাকে। দুৰ্গন্ধৰ কথাই নাই। পৰিষ্কাৰ স্বভাৱৰ মানুহে তেনেকুৱা পাকঘৰ দেখি সেই পাক ঘৰত ৰন্ধা আহাৰ গৃহস্থই যিমানেই আদৰ সাদৰ কৰি যাচক লাগে, খোৱাৰ কথা দূৰতে থ'ক, মনত পৰিলেও বমি হোৱাৰ উপক্ৰম হয়। কিছুমান মানুহে গোবৰেৰে ঘৰ লিপা মোচা দোষ বুলি ভাবে, কিন্তু সেইবোৰ মানুহেই গোবৰৰ টিকিৰা বা গোবৰগুটি জ্বলাই ধপাতৰ চিলিমত দি ধপাত হুপিলে একো দোষৰ নেভাবে।

প্ৰশ্ন—পাক ঘৰত আহাৰ কৰা উচিত নে বাহিৰত কৰিব লাগে?

উত্তৰ—অতি পৰিষ্কাৰ ঠাইত আহাৰ কৰা ভাল, কিন্তু যুদ্ধ বা কৰ্ম্ম ক্ষেত্ৰত যানবাহনৰ ওপৰতো খোৱা কৰ্ত্তব্য।

প্ৰশ্ন—কেৱল স্বহস্তে ৰান্ধি খোৱাই ভাল নেকি?

উত্তৰ—সেইটো সকলোৰে সম্ভৱ নহয়। শুদ্ধ ৰীতি নীতিৰে সুসভ্য মানুহে ৰন্ধা আৰু সুসভ্য সমাজত খোৱা একো বেয়া নহয়। ব্ৰাহ্মণ আদি শ্ৰেষ্ঠ গুণ বিদ্যা থকা আৰু কৰ্ম্মদক্ষ মানুহৰ পুৰুষ স্ত্ৰীৰ ৰন্ধা বঢ়া, ঘৰ আদি পৰিষ্কাৰ কৰা কামত থাকিলে সমাজৰ উন্নয়নমূলক কাম কেনেকৈ হব? মহাৰাজ যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞত সমস্ত ভাৰতৰেই নহয়, কিছুমান

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ভাৰতৰ বাহিৰৰ ৰজা মহাৰজাও আমন্ত্ৰিত হৈ আহিছিল। সেই যজ্ঞত ঋষি মুনিকে আদি কৰি সকলোৱে একে ৰাজকীয় ৰন্ধনশালাৰ পৰাই ভোজন কৰিছিল। কুৰুবংশীয় ৰজাই কান্ধাৰ অৰ্থাৎ কাবুলৰ ৰজকুমাৰীৰ লগত বিয়া কৰিছিল, উলুপী, হিড়িম্বাক পাণ্ডৱে বিয়া কৰিছিল। শ্ৰীকৃষ্ণই ভীষ্মক কুমাৰী ৰুক্মিণীৰ লগত বিয়া কৰে। গান্ধাৰীৰ ভ্ৰাতৃ শকুনিয়ে কৌৰৱ পাণ্ডৱৰ লগতেই খোৱা পীয়া কৰে, ইত্যাদি। গতিকে প্ৰাচীন ভাৰতীয় সমাজত বিয়াত, খোৱাত, আৰু স্পৰ্শত দোষ বুলি ভবাৰ প্ৰমাণ নহয়। আমাৰ সমাজত পাছত যিবোৰ নীতি কৰা হ'ল সেইবোৰ বৈদিক সভ্যতাৰ প্ৰতিকূল। গতিকে বেদ বিৰুদ্ধ দুৰ্নীতিবোৰ যিমান সোনকালে পাৰি নিৰ্ম্মূল কৰাই দেশৰ আৰু জাতিৰ মঙ্গল।

আচাৰ অনাচাৰ আৰু ভক্ষ্যাভক্ষ্যৰ বিষয়ে সংক্ষেপত ইমানকেই লিখি এই দশম সমুল্লাস সমাপ্ত কৰাৰ লগতে এই গ্ৰন্থৰ পূৰ্ব্বাৰ্দ্ধও সমাপ্ত কৰা হ'ল। এই পূৰ্ব্বাৰ্দ্ধত বিভিন্ন মতবাদৰ বিশেষ আলোচনা কৰা হোৱা নাই। কাৰণ মানুহে আগতে সত্য আৰু অসত্যৰ যথাৰ্থ স্বৰূপ উপলব্ধি কৰিব নোৱাৰিলে স্থূল আৰু সূক্ষ্ম আলোচনা বুজিব নোৱাৰে। গতিকে পূৰ্ব্বাৰ্দ্ধত সত্য আৰু অসত্যৰ স্বৰূপ নিৰূপণ কৰি উত্তৰাৰ্দ্ধত সত্য অসত্যৰ তুলনামূলক আলোচনা কৰা হব। উত্তৰাৰ্দ্ধৰ চাৰি সমুল্লাসৰ ভিতৰত প্ৰথম সমুল্লাসত ভাৰতীয় সম্প্ৰদায় বাদৰ, দ্বিতীয় সমুল্লাসত জৈন মতৰ, তৃতীয়ত খৃষ্টিয়ান মতৰ, আৰু চতুৰ্থ সমুল্লাসত মুছলমান মতৰ পৰ্য্যালোচনা কৰা হব। চতুৰ্থ সমুল্লাসৰ শেষত নিজৰ মত প্ৰকাশ কৰা হব। বিশেষ খণ্ডন মণ্ডন অৰ্থাৎ সমালোচনা এইবাৰ সমুল্লাসত পাব। পূৰ্ব্বাৰ্দ্ধৰ ১০ সমুল্লাসতো সামান্য ভাবে আলোচনা কৰা হৈছে। নিৰপেক্ষ দৃষ্টিৰে চতুৰ্দশ সমুল্লাস পঢ়িলে আত্মাত সত্যৰ প্ৰকাশ পাব আৰু আনন্দ অনুভৱো হব। কিন্তু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অশ্ৰদ্ধা আৰু ঈৰ্ষা ভাবেৰে পঢ়িলে সত্যৰ অনুভৱ নহব। সত্য-অসত্যৰ বিবেচনা, অসত্যৰ পৰিহাৰ আৰু সত্যৰ আচৰণ কৰাই জ্ঞানী সকলৰ পৰম আনন্দ। সংসাৰত গুণগ্ৰাহী পুৰুষেই ধৰ্ম্ম, অৰ্থ, কাম আৰু মোক্ষৰ আনন্দ লাভ কৰে।

ইতি শ্ৰীমদ্দয়ানন্দ সৰস্বতী স্বামিকৃতে সত্যাৰ্থপ্ৰকাশে সুভাষাবিভূষিত আচাৰাঽনাচাৰভক্ষ্যাঽভক্ষ্যবিষয়ে দশমঃ সমুল্লাসঃ সম্পূৰ্ণঃ॥১০॥

সমাপ্তোঽয়ম্পূৰ্বাৰ্দ্ধঃ ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰাৰ্দ্ধ ঃ

অনুভূমিকা

—:00:—

এইটো সন্দেহাতীত সত্য যে এতিয়াৰ পৰা প্ৰায় পাঁচ হেজাৰ বছৰ পূৰ্ব্বতে বেদৰ বাহিৰে অইন কোনো মত বা সিদ্ধান্ত নাছিল, কিয়নো, বেদোক্ত সকলোবোৰ কাৰ্য্যই জ্ঞান-বিদ্যাৰ অবিৰোধী আছিল। বেদলৈ অশ্ৰদ্ধা হোৱাৰ কাৰণেই মহাভাৰত যুদ্ধ অৰ্থাৎ কুৰুক্ষেত্ৰ যুদ্ধ হৈছিল। বেদোক্ত কাৰ্য্যসমূহৰ প্ৰতি আস্থাহীন হোৱাৰ ফলত পৃথিবীত অজ্ঞান-অন্ধকাৰ বিয়পি পৰিছিল। এই অজ্ঞান-অন্ধকাৰে মনুষ্যৰ বুদ্ধিৰ প্ৰমাদ ঘটাই প্ৰত্যেককেই নিজৰ ইচ্ছামতে সু-কু সকলো প্ৰকাৰ কাৰ্য্যতেই প্ৰবৃত্ত কৰাইছিল। এইবোৰৰ পৰাই বেদবিৰুদ্ধ চাৰি প্ৰকাৰৰ মত প্ৰচলিত হৈছিল; যেনে প্ৰথমতে পুৰাণী, তাৰ পিচত যথাক্ৰমে কিৰানী আৰু কুৰানী মতৰ প্ৰচলন হবলৈ লয়। এইবোৰেই কালক্ৰমত শাখা-প্ৰশাখাৰে বিস্তৃত হৈ বৰ্ত্তমানে হাজাৰ-বিজাৰ মতবাদত পৰিণত হৈছে। এই বিভিন্ন মতাৱলম্বীসকলে, তেওঁলোকৰ শিষ্য প্ৰশিষ্য সকলে আৰু আন আন সকলেও যাতে পৰস্পৰে নিজৰ মতবাদৰ সত্যাসত্য বিচাৰ-বিবেচনা কৰোতে বিশেষ পৰিশ্ৰম কৰিব লগীয়া নহয়, সেই উদ্দেশ্য আগত ৰাখিয়েই এই গ্ৰন্থ ৰচনা কৰা হৈছে। এই গ্ৰন্থত সত্য মতৰ মণ্ডন আৰু অসত্য মতৰ খণ্ডন কৰি যিবোৰ যুক্তি তৰ্কৰ অৱতাৰণা কৰা হৈছে সেই সকলোবোৰকে প্ৰত্যেকেই জনা উচিত। মোৰ বিদ্যা, বুদ্ধি আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

জ্ঞানেৰে এই মতসমূহ বিচাৰ-বিবেচনা কৰি যিবোৰ প্ৰথমতে আলোচনা কৰা উচিত বুলি বোধ হৈছে, সেই বিলাককেই প্ৰথমতে উল্লেখ কৰা উচিত বুলি ভাবিছো, কাৰণ, বিজ্ঞান গুপ্ত হৈ থাকিলে তাৰ তাৎপৰ্য সঠিকভাবে নিৰ্ণয় কৰাটো সম্ভৱপৰ নহয়। যদি কোনোৱে নিৰপেক্ষ মন লৈ এইবোৰ বুজিবলৈ চেষ্টা কৰে, তেনেহলে প্ৰকৃত সত্য উদ্ঘাটন নিশ্চিত ভাৱে কৰিব পাৰিব। ইয়াৰ পাচত সত্য মতৰ গ্ৰহণ আৰু অসত্য মতৰ বৰ্জন কৰাটো সকলোৰে পক্ষেই সহজ-সাধ্য হব।

এইবোৰৰ ভিতৰত পুৰাণাদি গ্ৰন্থৰ পৰা শাখা-প্ৰশাখা সহ যিবোৰ মত এই আৰ্য্যাবৰ্ত্ত দেশত প্ৰচলিত হৈছে, সেইবোৰৰ দোষ-গুণ চমুকৈ এই একাদশ সমুল্লাসত দেখুৱা হৈছে। মোৰ এই কাৰ্য্যৰ দ্বাৰা যদি কোনোৱে উপকাৰ হোৱা বুলি নাভাৱে তেনেহলে যেন তেওঁলোকে ইয়াৰ বিৰুদ্ধাচৰণো নকৰে। কাৰণ এইবোৰৰ সত্যাসত্য নিৰ্ণয় কৰাৰ বাহিৰে কাৰো অনিষ্ট বা বিৰোধ কৰাটো মোৰ উদ্দেশ্য নহয়। মই ভাবো— এনেভাবে সকলো মানুহেই নিৰপেক্ষ ন্যায় দৃষ্টিৰে সকলো কথা বিবেচনা কৰি চোৱা উচিত। মনত ৰখা উচিত যে প্ৰাণী শ্ৰেষ্ঠ এই মনুষ্য জীৱনটো অনৰ্থক বাদ-বিসম্বাদ কৰিবলৈ নহয়, বিবেক বুদ্ধিৰে সকলো চালিজাৰি চাই সত্যক নিৰ্ণয় কৰাটোহে ইয়াৰ সাৰ্থকতা। এনে মত মতান্তৰ লৈ পৰস্পৰে বিবাদত মগ্নহোৱাৰ ফলত জগতত কিমানবোৰ কুফল ফলিছে আৰু আগলৈও তেনে হোৱাৰ সম্ভাৱনা আছে সেই নিৰপেক্ষ সুধীসকলে ভালদৰে জানে। যেতিয়ালৈকে মনুষ্য সমাজত পৰস্পৰৰ মতদ্বৈধ্য বিৰোধ আদি থাকিব, তেতিয়ালৈকে সমাজত মিলাপ্ৰীতিৰ আনন্দ আৰু সুফল পোৱা নাযাব—ই নিঃসন্দেহ। যদি আমি সকলোৱে, বিশেষকৈ বিদ্বানসকলে পৰস্পৰৰ মাজত থকা ঈৰ্ষ্যা, দ্বেষ পৰিত্যাগ কৰি আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সত্যাসত্য নিৰ্ণয় কৰি অসত্যক ত্যাগ কৰিব আৰু সত্যক গ্ৰহণ কৰিব খোজো তেনেহলেহে সকলোৰেই মঙ্গল হব। এই কথা অস্বীকাৰ কৰিব নোৱাৰি যে তথাকথিত বিদ্বানসকলৰ মাজত মত বিৰোধ থকা কাৰণেই জনতাৰ মাজত বিভেদৰ সৃষ্টি হৈছে। সেয়ে, যদি তেওঁবিলাকে ব্যক্তি স্বাৰ্থতকৈ সামুহিক স্বাৰ্থত গুৰুত্ব দি মনুষ্য জাতিৰ মঙ্গল সাধিব খোজে তেনেহলে **তেওঁলোকে সৰ্বপ্ৰথমে ঐক্যমতত উপনীত হওক।** এই বিষয়ে পিচত আলোচনা কৰা হব।

সৰ্ব্বশক্তিমান পৰমাত্মাই একমতত উপনীত হবলৈ যেন মানৱ জাতিৰ অন্তৰত উৎসাহ জাগৰিত কৰে।

অলমতিবিস্তৰেণ বিপশ্চিদ্বৰশিৰোমণিষু ॥

—:০০:—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অথৈকাদশ সমুল্লাসাৰম্ভঃ

অথার্য্যাবৰ্ত্তীয়মতখণ্ডন-মণ্ডনে বিধাস্যামঃ

এতিয়া আর্য্যসকলৰ, যি সকল আর্য্যাবৰ্ত্ত দেশৰ অধিবাসী তেওঁ-বিলাকৰ মতৰ খণ্ডন-মণ্ডনৰ বিধান কৰিম। এই আর্য্যাবৰ্ত্ত দেশখন এনে এখন দেশ তাৰ তুলনা পৃথিবীৰ কোনো দেশৰ লগতেই কৰিব নোৱাৰি। সেই কাৰণেই এই দেশৰ আন এটা নাম সুবর্ণভূমি; কিয়নো একমাত্র এই দেশতেই সুবর্ণ আদি ৰত্নসমুহ উৎপন্ন হয় আৰু পোৱা যায়। সেই কাৰণেই সৃষ্টিৰ আদিতে আহি আর্য্যসকলে এইদেশত বসতি কৰে। আমি সৃষ্টিৰ বিষয় আলোচনা কৰোতে কৈ আহিছো যে আৰ্য্য মানে উত্তম পুৰুষ আৰু অনাৰ্য্য মানে দস্যু। পৃথিৱীত যিবোৰ দেশ আছে সেই সকলোবোৰ দেশেই এই আর্য্যাবৰ্ত্ত দেশৰ প্রশংসা কৰি কয় যে সকলো ধাতুক স্পর্শ কৰা মাত্রে সোণলৈ পৰিবৰ্ত্তন কৰিব পৰা পৰশ মণি নামৰ কোনো শিল নাথাকিলেও আচলতে এই আর্য্যভূমিয়েই পৰশমণি। কাৰণ লৌহময় অর্থাৎ দৰিদ্র দেশবোৰ এই দেশৰ সংস্পর্শলৈ আহিলেই ধন ঐশ্বর্য্যশালী হৈ উঠে।

এতদ্দেশ প্রসূতস্য সকাশদগ্রজন্মনঃ।
স্বং স্বং চৰিত্রং শিক্ষেৰন্ পৃথিব্যাং সৰ্ব্বমানবাঃ ॥
—মনু—২।২০।

অৰ্থ—এই আর্য্যাবৰ্ত্ত দেশত জন্ম গ্রহণ কৰা ব্রাহ্মণ অর্থাৎ জ্ঞানীসকলৰ পৰাই পৃথিবীৰ সকলো মানুহে নিজৰ বাবে উপযুক্ত বিদ্যা চৰিত্র আদি শিকা উচিত। মনুস্মৃতিৰ এই শ্লোকটোৱে মানৰ ইতিহাস বিদ সকলক গভীৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চিন্তা সাগৰত ডুবাই দিব পাৰে। বুদ্ধ যুগৰ বহুকাল পাছত পৃথিবীৰ অন্যান্য দেশত সভ্যতা বিস্তাৰ হয়। ভাৰতীয় সাহিত্যৰ ঐতিহাসিক দৃষ্টিত দেখা যায় যে, বুদ্ধৰ বহুকাল পূৰ্ব্বে মহাভাৰত, তাৰো পূৰ্ব্বে ৰামায়ণ, ৰামায়ণৰো পূৰ্ব্বে মনুস্মৃতি ৰচিত হৈছিল। মনুস্মৃতি, মানৱ সভ্যতাত যে সৰ্ব্ব প্ৰথম বিধি এই কথা জগতৰ সকলো মনীষীয়ে স্বীকাৰ কৰে। এই কথা যদি সত্য হয় তেন্তে মনুস্মৃতিৰ কথনৰ পৰা ধাৰণা কৰিব পাৰি যে, মনুস্মৃতিৰ বহুকাল পূৰ্ব্বতেই এই দেশত সভ্যতাৰ বিকাশ হৈছিল আৰু সেই সভ্যতাৰ প্ৰভাৱতেই পৃথিবীৰ অন্যান্য দেশৰ লগতে এই দেশৰ সংযোগ ঘটিছিল। মানৱ সভ্যতাত এই দেশ সৰ্ব্ব প্ৰথম হলে, এই দেশৰ পৰাই সভ্যতাৰ প্ৰচাৰ দেশ দেশান্তৰত হোৱাও সম্ভৱ। এয়েই উক্ত শ্লোকৰ ভাবাৰ্থ।

মানৱ সভ্যতা এই দেশত পূৰ্ণ বিকশিত হৈছিল যদিও, এই দেশৰেই বহুতো মানুহ সভ্য হৈ উঠা নাছিল। কালক্ৰমত এইদেশৰ সভ্যতা শাস্ত্ৰ সাহিত্যতেই আবদ্ধ হৈ ৰ'ল, কিন্তু বাস্তৱ আচৰণত সেই সভ্যতা নৰ'ল। ইয়াৰ মূলতে হ'ল দাম্ভিকতা, অন্যায়, অতিলোভ, বিদ্যাৰ অপপ্ৰচাৰ, জাতিভেদ, সম্প্ৰদায়—ভেদ, পাৰস্পৰিক বিৰোধ আৰু সংঘৰ্ষ ইত্যাদি।

অথ কিমেতৈৰ্ব্বা পৰেঽন্যে মহাধনুৰ্দ্ধৰাশ্চক্ৰৱৰ্ত্তিনঃ কেচিৎ সুদ্যুম্ন, ভূৰিদ্যুম্নেন্দ্ৰদ্যুম্ন, কুৱলয়াশ্ব যৌৱনাশ্ব ৱদ্ধ্ৰ্যশ্বাশ্বপতি শশবিন্দু হৰিশ্চন্দ্ৰাঽম্বৰীষো ননক্তু সৰ্য্যাতি যযাত্য নৰণ্যাক্ষসেনাদয়ঃ। অথ মৰুত্তভৰতপ্ৰভৃতয়ো ৰাজানঃ।

মৈত্ৰ্যুপান প্ৰঃ ১। খঃ ৪।

ইয়াৰ পৰা ধাৰণা কৰিব পাৰি যে আৰম্ভৰ পৰা মহাভাৰতৰ যুগ পৰ্য্যন্ত সাৰ্ব্বভৌম চক্ৰৱৰ্ত্তী নৃপতি সকল আৰ্য্যবংশৰেই হৈছিল। অন্তু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তাপৰ বিষয় সেই সকলৰ বংশধৰ সকল কালক্ৰমত বিদেশীৰ পদানত হব লগা হয়। ইয়াত যেনেকৈ সুহ্যুম্ন, ভূৰিদ্যুম্ন, ইন্দ্ৰদ্যুম্ন, কুবলয়াশ্ব, যৌবনাশ্ব, বদ্ধ্যশ্ব, অশ্বপতি, শশবিন্দু, হৰিশ্চন্দ্ৰ, অম্বৰীষ, ননক্কু, সৰ্য্যাতি যযাতি, অনৰণ্য, অক্ষসেন, মৰুত্ত আৰু ভৰত সাৰ্ব্বভৌম অৰ্থাৎ সৰ্ব্ব-দেশ প্ৰসিদ্ধ, নৃপতি সকলৰ উল্লেখ আছে, সেইদৰে স্বায়ম্ভব আদি সাৰ্ব্ব-ভৌম নৃপতি সকলৰ উল্লেখ মনুস্মৃতি আৰু মহাভাৰত আদি গ্ৰন্থতো আছে।

প্ৰশ্ন—আগ্নেয়াস্ত্ৰ আদি যিবোৰ অস্ত্ৰৰ কথা বৰ্ণিত আছে, সেই-বোৰ সঁচা নে ? তদুপৰি তোপ বন্দুক আদি তেতিয়া আছিল নে ?

উত্তৰ—আগ্নেয় অস্ত্ৰ সেই যুগত আমাৰ দেশত নথকাৰ কোনো সংশয় নাই। যিহেতু আগ্নেয় অস্ত্ৰ আদি পদাৰ্থ বিজ্ঞানৰ বিষয়। পদাৰ্থ বিদ্যা থাকিলে সেইবোৰো থকা সম্ভৱ।

প্ৰশ্ন—সেইবোৰ দেৱতাৰ মন্ত্ৰৰ দ্বাৰাই সাধন কৰা হৈছিল নেকি ?

উত্তৰ—নহয়, যিবোৰ বাক্যেৰে যন্ত্ৰ মূলক অস্ত্ৰশস্ত্ৰ কাৰ্য্যকৰী কৰা যায়—সেইবোৰকেই মন্ত্ৰ বোলে। বেদৰ বাক্যবোৰক মন্ত্ৰ বোলে। যি বাক্যৰ দ্বাৰাই যি কাৰ্য্যকৰী আৰু প্ৰচলন কৰা যায়, সেই বাক্য মন্ত্ৰ। "মন্ত্ৰ" শব্দমূলক হোৱা বাবে তাৰ দ্বাৰাই কোনো দ্ৰব্য উৎপন্ন কৰা নাযায়। মন্ত্ৰৰ দ্বাৰাই অগ্নি উৎপন্ন হলে, যি জনে মন্ত্ৰৰে অগ্নি উৎপন্ন কৰে তেওঁৰ হৃদয় আৰু জিহ্বাই ভস্ম হব আৰু শত্ৰুক বিনাশ কৰাৰ আগতে নিজে বিনাশ প্ৰাপ্ত হব। মন্ত্ৰ মানে জ্ঞান বিদ্যা। ৰাজ মন্ত্ৰী মানে যাৰ ৰাজ-নৈতিক জ্ঞান আছে। মন্ত্ৰ মানে কাৰ্য্যকৰী জ্ঞান, যাৰ দ্বাৰাই ৰাসায়নিক পদাৰ্থ আৰু কলা কৌশল উৎপন্ন হয়। লোকে বাণ বা তোপ, গোলা নিৰ্ম্মাণ কৰি, তাত যি পদাৰ্থ দি অগ্নি সংযোগ কৰিলে বায়ুৰ সংস্পৰ্শত অগ্নি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰজ্বলিত হয়, তাকেই আগ্নেয়াস্ত্ৰ বোলে। সেই আগ্নেয়াস্ত্ৰ প্ৰতিৰোধ কৰিবলৈ হলে তাৰ বিপৰীত বাৰুণাস্ত্ৰ প্ৰয়োগ কৰিব লাগে। শত্ৰু সেনাই আগ্নেয়াস্ত্ৰ প্ৰয়োগ কৰি যুদ্ধ কৰিলে, নিজৰ পক্ষৰ সেনা ৰক্ষা কৰিবলৈ বাৰুণাস্ত্ৰৰ দ্বাৰাই আগ্নেয়াস্ত্ৰৰ ক্ৰিয়া নিষ্ক্ৰিয় কৰিব লাগে। বাৰুণাস্ত্ৰও এনেকুৱা দ্ৰব্য বিশেষৰ সংযোগত নিৰ্মিত হয় যে, বি বায়ুস্পৰ্শ মাত্ৰেই ধূম্ৰ মেঘত পৰিণত হৈ তৎক্ষণাৎ বৰ্ষণ কৰিবলৈ আৰম্ভ কৰে আৰু অগ্নি নিৰ্ব্বাপিত হয়। সেইদৰে নাগপাশো অস্ত্ৰ বিশেষ, যাক প্ৰয়োগ কৰিলে শত্ৰু যোদ্ধাৰ অঙ্গ নিষ্ক্ৰিয় হৈ পৰে। সেইদৰে মোহনাস্ত্ৰৰ দ্বাৰা মাদকদ্ৰব্য নিক্ষেপ কৰিলেই তাৰ বাষ্পত সকলো শত্ৰু সেনা নিদ্ৰিত বা মূৰ্চ্ছিত হৈ পৰে। এইদৰে তাঁৰ বা অন্য কোনো বিশেষ পদাৰ্থৰ পৰা বিদ্যুৎ সৃষ্টি কৰি শত্ৰু সৈন্য বিনাশ কৰা হৈছিল। তাকো আগ্নেয়াস্ত্ৰ আৰু পাশুপাত অস্ত্ৰ বোলা হৈছিল।

"তোপ" আৰু "বন্দুক" অন্যদেশীয় ভাষাৰ শব্দ, সংস্কৃত বা এই দেশীয় শব্দ নহয়। সংস্কৃতত "তোপ" আৰু "বন্দুক"ক—সংস্কৃত ভাষাত "শতঘ্নী" আৰু "ভুশুণ্ডী" বোলে। সকলো বিদ্যাৰ মন্ত্ৰ বা সূত্ৰ এই আৰ্য্যাবৰ্ত্তৰ। ই আৰ্য্যাবৰ্ত্তৰ পৰা মিচৰলৈ যায়, মিচৰৰ পৰা গ্ৰীচ, গ্ৰীচৰ পৰা ৰোম, ৰোমৰ পৰা অন্যান্য য়ুৰোপীয় দেশ আৰু য়ুৰোপৰ পৰা আমেৰিকা আদিলৈ যায়।

মানৱ সভ্যতাৰ প্ৰথম বিকাশ আৰ্য্যাবৰ্ত্তত। তাৰ প্ৰমাণ সংস্কৃত সাহিত্য। সংস্কৃত সাহিত্যৰ এই দেশত যিমান প্ৰচাৰ, অন্যদেশত সিমান নাই। সংস্কৃত নজনা কোনো কোনোৱে কয় যে জাৰ্ম্মানীত সংস্কৃতৰ বহুল প্ৰচাৰ আৰু মোক্ষমূলাৰ চাহাবে যিমান সংস্কৃত অধ্যয়ন কৰিছে আন কোনেও সিমান কৰিব পৰা নাই। এইবোৰ কেৱল কথাৰ কথা। কাৰণ, "যস্মিন্ দেশে দ্ৰুমো নাস্তি তত্ৰৈৰণ্ডোঽপি দ্ৰুমায়তে।" অৰ্থাৎ যি দেশত কোনো

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বৃক্ষ নাই, সেই দেশত এৰা গছেই বৃহৎ বৃক্ষ বুলি গণ্য হয়। জার্ম্মানীত সংস্কৃতত প্ৰচাৰ নাছিল, জার্ম্মান সকলে কিছু আৰু বিশেষকৈ মোক্ষমূলাৰে অধ্যয়ন কৰাত সেয়েই সেই দেশৰ কাৰণে অধিক প্ৰতীত হৈছে। কিন্তু আৰ্য্যাবৰ্ত্তৰ তুলনাত সেই দেশৰ সংস্কৃতৰ পাণ্ডিত্য অতি নগণ্য। কাৰণ জাৰ্ম্মান "প্ৰিন্সিপাল" এজনৰ চিঠিৰ পৰা জানিব পৰা গৈছে যে সংস্কৃতত লিখা চিঠিৰ অৰ্থ কৰিব পৰা মানুহ সেই দেশত বিৰল। মোক্ষমূলাৰ চাহাবৰ সংস্কৃত সাহিত্য আৰু কিঞ্চিৎ বেদ-ব্যাখ্যা পাঠ কৰি মই বুজিব পাৰিছো যে, তেখেতে নানা ঠাইত আৰ্য্যাবৰ্ত্তীয় টীকাকাৰ সকলৰ টীকা পঢ়ি যেনে তেনে কিছুমান লিখিছে। যেনে—"যুঞ্জন্তি ব্ৰধ্নমৰুষং চৰন্তং পৰিতস্থুষঃ। ৰোচন্তে ৰোচনা দিবি ॥" (ঋক্ ১।৬।১)॥ তেখেতে এই মন্ত্ৰৰ অৰ্থ "ঘোৰা" কৰিছে। সায়ণাচাৰ্য্যই ইয়াৰ যি সূৰ্য্য অৰ্থ কৰিছে, সি মোক্ষমূলাৰৰ অৰ্থতকৈ শ্ৰেষ্ঠ। কিন্তু ইয়াৰ প্ৰকৃত অৰ্থ হৈছে পৰমাত্মা। এই বিষয়ে মোৰ "ঋক্‌বেদাদি ভাষ্যভূমিকা" গ্ৰন্থ দ্ৰষ্টব্য। সেই গ্ৰন্থত এই মন্ত্ৰৰ ব্যাখ্যা কৰা হৈছে। জাৰ্ম্মানসকলৰ আৰু মোক্ষমূলাৰৰ—সংস্কৃত ভাষাৰ জ্ঞান কিমান দূৰ, এই দৃষ্টান্তৰ পৰাই বুজা যায়। এই কথা নিশ্চিত যে, পৃথিবীত যিমোৰ বিদ্যা আৰু মতবাদৰ প্ৰচাৰ হৈছে—সকলোবোৰ এই আৰ্য্যাবৰ্ত্তৰ পৰাই উদ্ভাৱন হোৱা। "জ্যাকালয়ট" (মূলত গোলুইকাৰ আছিল) নামৰ এজন ফৰাচী দেশীয় লিখকে তেওঁৰ "বাইবেল-ইন্-ইণ্ডিয়া" নামৰ গ্ৰন্থত লিখিছে যে, আৰ্য্যাবৰ্ত্ত হৈছে সকলো বিদ্যা আৰু কল্যাণৰ ভাণ্ডাৰ। সকলো বিদ্যা আৰু সকলো মত এই দেশৰ পৰাই বিস্তাৰিত হৈছে। তেওঁ পৰমেশ্বৰক প্ৰাৰ্থনা কৰিছে, "হে পৰমেশ্বৰ! পূৰ্ব্বকালত আৰ্য্যাবৰ্ত্ত যেনেকুৱা উন্নত আছিল আমাৰ দেশকো তেনে উন্নত কৰা।" উক্ত গ্ৰন্থ দ্ৰষ্টব্য। সম্ৰাট্ দাৰাচিকোহেও নিশ্চয়কৈ জানিছিল যে, সংস্কৃত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ভাষাত যিমান বিদ্যা আছে, অন্য কোনো ভাষাতে সিমান নাই। তেওঁ উপনিষদৰ অনুবাদত লিখিছে—"মই আৰবী আদি অনেক ভাষা অধ্যয়ন কৰিছো কিন্তু তাৰ পৰা মোৰ মনৰ সংশয় দূৰ হোৱা নাই আৰু আনন্দও পাব পৰা নাই। যেতিয়া সংস্কৃত পঢ়িলো আৰু শুনিলো, তেতিয়াহে নিঃসংশয় হৈ পৰম আনন্দ পাইছো।" কাশীৰ মানমন্দিৰৰ শিশুমাৰ চক্ৰৰ সম্পূৰ্ণ ৰক্ষণাবেক্ষণ নোহোৱা সত্তেও কিমান সুন্দৰ হৈ আছে। ইয়াৰ দ্বাৰাই আজি পৰ্য্যন্ত খগোলৰ অনেক বৃত্তান্ত জানিব পাৰি। "সৱাই জয়পুৰাধীশ" এ যদি সংৰক্ষণ আৰু ভগ্নাংশবোৰ পুনৰ্নিৰ্ম্মাণ কৰে তেন্তে সি অতি উত্তম কাৰ্য্য হব। মহাভাৰতৰ যুদ্ধই এই দেশৰ অধঃপতনৰ কাৰণ, সেইয়ে তেতিয়াৰ পৰাই এই দেশৰ পুনৰুত্থান হব পৰা নাই। গৃহ যুদ্ধৰ পৰিণাম যে ভয়াবহ তাত সন্দেহ কি ?

"বিনাশ কালে বিপৰীত বুদ্ধিঃ" (বৃদ্ধ চাণক্য, অঃ ১৬।১৭) এই ফাঁকি কোনোবা কবিৰ বচন। বিনাশ কাল ওচৰ চাপিলে বুদ্ধিও বিপৰীত হয়। মানুহৰ বিপৰীত কাৰ্য্যত প্ৰবৃত্তি হয়। ভাল কথা বুজালে বিপৰীত জ্ঞান কৰে। আৰু বিপৰীত বুলি কলে তাকেহে ভাল বুলি ভাবে। মহাভাৰতৰ যুদ্ধৰ সংক্ৰান্তত অনেক বিদ্বান ৰাজা, মহাৰাজা, আৰু ঋষি মুনি মৃত্যু মুখত পতিত হয়। তাৰ ফলত অধ্যয়ন অধ্যাপনা বিদ্যাৰ চৰ্চ্চা লোপ হয়। সকলোৱে পৰস্পৰে ঈৰ্ষা-দ্বেষ আৰু দলা দলিৰ সংঘৰ্ষত মগ্ন হয়। নৈতিক আচৰণৰ ঠাইত শক্তি আৰু অন্যায় অধৰ্ম্ম বলৱৎ হল। এইদৰে আৰ্য্যাবৰ্ত্ত দলা দলি আৰু খণ্ড খণ্ড ৰাজ্যত পৰিণত হৈ হিংসাৰ ক্ষেত্ৰ হল। দেশৰ ব্ৰাহ্মণ শ্ৰেণী বিদ্যাহীন হলে বাকী ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰৰ জ্ঞান থাকিব কত ? পৰম্পৰ ক্ৰমে অৰ্থ সহ বেদ অধ্যয়নৰ যি প্ৰথা আছিল, সি লুপ্ত হয়। ব্ৰাহ্মণসকলে কেৱল জীৱিকাৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অৰ্থে কোনো মতে সামান্য পাঠ কৰিবলৈ শিকিলে, কিন্তু ক্ষত্ৰিয় আদিক সামান্যও নিদিয়া হল। গুৰুসকল বিদ্যাহীন হলত, ছল, কপট আৰু অন্যায় অধৰ্ম্ম বাঢ়ি যাবলৈ ধৰিলে। স্বাৰ্থপৰ ব্ৰাহ্মণসকল সমাজৰ স্বাৰ্থতকৈ নিজৰ নিজৰ জীৱিকা প্ৰতিষ্ঠা কৰাত ব্যস্ত হ'ল। গতিকে সেই উদ্দেশ্যতেই প্ৰচাৰ কৰাত লাগিল যে ব্ৰাহ্মণেই ক্ষত্ৰিয় আদি বাকী সকলো বৰ্ণৰ "পূজ্য দেৱ"। আমাৰ অৰ্থাৎ ব্ৰাহ্মণসকলৰ পূজা সেৱা নকৰিলে বাকী বৰ্ণৰ স্বৰ্গ বা মুক্তিলাভ হব নোৱাৰে। গতিকে বাকী সকলো বৰ্ণই ব্ৰাহ্মণসকলৰ পূজা সৎকাৰ কৰাই ধৰ্ম্ম—তাকে নকৰিলে ঘোৰ নৰক ভুগিব লাগিব। সৰ্ব্বমান্য বেদ আৰু ঋষি মুনিসকলৰ অন্যান্য শাস্ত্ৰত লিখিত আছে যে, জ্ঞানী আৰু ধৰ্ম্মাত্মা হব পাৰিলেহে ব্ৰাহ্মণ হব পাৰে, ব্ৰাহ্মণ কুলত জন্ম হলেই নহয়। কিন্তু মুৰ্খ, বিষয়াসক্ত, কপটীয়া, লম্পট আৰু অধাৰ্ম্মিক সকলেও ব্ৰাহ্মণ কুলত জন্ম লোৱা বাবে ব্ৰাহ্মণ বুলি দাবী কৰিবলৈ ধৰিলে। শাস্ত্ৰত বিদ্বান আপ্ত পুৰুষসকলৰ যিবোৰ লক্ষণ বৰ্ণনা কৰা আছে সেইবোৰ জানো মূৰ্খ ব্ৰাহ্মণৰ গাত থাকিব পাৰে? ক্ষত্ৰিয় আদি যজমান সকল যেতিয়া সংস্কৃত ভাষাত অজ্ঞ হল, তেতিয়া সেই অলীক সাধুকথাবোৰ বিশ্বাস কৰিবলৈ বাধ্য হ'ল। তেতিয়াৰ পৰা সেই নামত ব্ৰাহ্মণসকলৰ সুবিধাৰ ক্ষেত্ৰ সৃষ্টি হল, সেইসকলে তেওঁলোকৰ কথাৰ জালেৰে সকলোকে বশীভূত কৰিবলৈ ধৰিলে—

ব্ৰহ্মবাক্যং জনাৰ্দ্দনঃ

অৰ্থাৎ ব্ৰাহ্মণৰ মুখৰ পৰা যি কোনো বাক্য নিৰ্গত হয়, সি সাক্ষাৎ ভগৱানৰ মুখৰ নিঃসৃত। যেতিয়া অজ্ঞানেৰে অন্ধ অথচ ধনাঢ্য ক্ষত্ৰিয়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আদি বৰ্ণৰ লোক শিষ্য হল, তেতিয়া তথাকথিত ব্ৰাহ্মণসকলৰ বিষয়ানন্দ ভোগৰ সুযোগ মিলিল। তেওঁলোকে ঘোষণা কৰিলে যে সংসাৰৰ উৎকৃষ্ট ভোগৰ সামগ্ৰীসমূহ ব্ৰাহ্মণৰ কাৰণেহে। গুণ, কৰ্ম্ম-স্বভাৱৰ ভিত্তিত প্ৰতিষ্ঠিত বৰ্ণ ব্যৱস্থাৰ ঠাইত জন্মৰ ভিত্তিত বৰ্ণ ব্যৱস্থা স্থাপন কৰা হ'ল। ব্ৰাহ্মণসকলে যজমানৰ পৰা মৰা মানুহৰো দান গ্ৰহণ কৰিবলৈ ধৰিলে। তেওঁলোকে ইচ্ছামতে যি কয়, সেয়েই বিধি ব্যৱস্থা হবলৈ ধৰিলে, তেওঁলোকে নিজে নিজে ঘোষণা কৰিবলৈ ধৰিলে যে, তেওঁলোক ভূদেৱ, তেওঁলোকৰ সেৱা নকৰিলে কোনেও দেৱলোক পোৱাৰ আশা কৰিব নোৱাৰে। তেওঁলোকৰ কুকৰ্ম্মৰ কোনো দোষ নাই। তেওঁলোকৰ কুকৰ্ম্মৰ কথা সুধিলে, বিতুষ্ট হৈ শাপ দি ভস্ম কৰিব পাৰে বুলি আনক ভয় খুৱাবলৈ আৰু অজ্ঞ মানুহে তাকেই বিশ্বাস কৰিবলৈ ধৰিলে। নিজৰ নিজৰ কুকৰ্ম্মৰ ফলত তেওঁলোকেও যে নৰক ভুগিব লাগিব, তেওঁলোকৰ সেই জ্ঞান নাই। শাস্ত্ৰত অৱশ্যে আছে "ব্ৰহ্মদ্ৰোহী বিনশ্যতি" অৰ্থাৎ যি ব্ৰাহ্মণৰ বিদ্বেষ কৰে তাৰ সৰ্ব্বনাশ ঘটে। যি সকল আত্মদৰ্শী, জগতৰ হিতকাৰী ব্ৰাহ্মণ সেই সকলৰ বিদ্বেষ কৰিলে নিশ্চয় সৰ্ব্বনাশ হব, কিন্তু যি সকল প্ৰকৃত ব্ৰাহ্মণেই নহয়, যাৰ গাত ব্ৰাহ্মণৰ লক্ষণেই নাই, সেইসকলৰ সেৱা কিয় কৰিব ? আৰু যি সকল অধৰ্ম্মত লিপ্ত তেওঁলোকৰ নকৰি, কাৰ নিন্দা কৰিব ?

প্ৰশ্ন—যাৰ পিতা-মাতা ব্ৰাহ্মণ আৰু কোনো সাধুৰ শিষ্য, তেওঁ সাধু ব্ৰাহ্মণ নহব কিয় ?

উত্তৰ—পিতা মাতা ব্ৰাহ্মণ আৰু কোনো সাধু গুৰুৰ শিষ্যও হব পাৰে কিন্তু স্বয়ং গুণ কৰ্ম্ম আৰু স্বভাৱত ব্ৰাহ্মণ আৰু আচৰণত সাধু নহলে ব্ৰাহ্মণ বা সাধু হব নোৱাৰে। জন্মৰ পৰাই ব্ৰাহ্মণ হোৱা সকলে আমাৰ সমাজত পোপৰ লীলা চলাবলৈ ধৰিছে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰশ্ন—পোপৰ লীলা নো কি ?

উত্তৰ—ৰোমান ভাষাত জ্যেষ্ঠ আৰু পিতাকক পোপ বোলে। শুনা যায়, ৰোমৰ পোপসকলে তেওঁলোকৰ শিষ্যবোৰক হেনো কয় "তোমালোকে তোমালোকৰ পাপবোৰ মোৰ আগত প্ৰকাশ কৰিলে ক্ষমা কৰিব পাৰো। মোৰ সেৱা আৰু মোৰ বিনা আদেশে স্বৰ্গ পাব নোৱাৰা। স্বৰ্গলৈ যোৱাৰ ইচ্ছা হলে, মোৰ হাতত যিমান ধন জমা দিয়া সিমান মূল্যৰ সুখ সম্পত্তি স্বৰ্গত পাব পাৰা।" এইদৰে পোপৰ কথা শুনি যেতিয়া কোনো অজ্ঞানান্ধ ধনী মানুহে স্বৰ্গ লাভৰ আশাত পোপক ধন দিয়ে তেতিয়া পোপে যীশু আৰু মেৰীৰ মূৰ্ত্তিৰ সন্মুখত ঠিয় হৈ খত লিখি দিয়ে এই বুলি—"হে প্ৰভু যীশুখৃষ্ট! অমুকে স্বৰ্গলৈ যোৱাৰ কাৰণে তোমাৰ নামত মোৰ হাতত ইমান ধন জমা দিছে। তেওঁ স্বৰ্গত উপস্থিত হলেই তোমাৰ পিতাৰ স্বৰ্গৰাজ্যত তেওঁ জমা দিয়া টকাৰ মূলৰ সুখৰ বাস-ভৱন, যান-বাহন, আহাৰ-পানী, বস্ত্ৰ-ভূষণ আদি প্ৰদান কৰাবা।" তাৰ পাছত পোপে সেই খতৰ শেষত স্বাক্ষৰ কৰি দাতাৰ হাতত দি কয়—"তোমাৰ আত্মীয় স্বজনক কৈ থবা যে, তোমাৰ মৃত্যু হলে এই খতখন তোমাৰ কবৰত তোমাৰ মূৰৰ তলত যেন ৰাখে। স্বৰ্গীয় দূতে তোমাৰ সেই খতখন চাই স্বৰ্গলৈ লৈ যাব আৰু এই খতত লিখা মতে তোমাৰ স্বৰ্গ সুখৰ ব্যৱস্থা কৰাব।" পোপ জানিবা স্বৰ্গৰ ঠিকাদাৰ। ইউৰোপত যিমান দিনলৈ মানুহ অজ্ঞান আছিল, সিমান দিনলৈ এনেকুৱা পোপৰ লীলা চলিছিল। বিদ্যা শিক্ষাৰ প্ৰচাৰ হোৱাৰ পাছত তেনেকুৱা পোপৰ লীলা আৰু নচলে যদিও, একেবাৰেই নিৰ্মূল হোৱা নাই।

আমাৰ দেশতো সেইদৰেই ছল-প্ৰৱঞ্চনাৰে পোপৰ লীলা কৰি সমাজৰ হিতৰ নামত নিজৰ নিজৰ জীৱিকা উপাৰ্জ্জনৰ পৰিকল্পনা চলিল। সেই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বুলি আমাৰ সমাজত একেবাৰে সৎ পুৰুষ নিঃশেষ হোৱা বুলি কব নোৱাৰি। যি সকল বিদ্বান, পৰোপকাৰী, সেইসকলহে ব্ৰাহ্মণ সেই সকলেই এতিয়ালৈকে আমাৰ সমাজক যুগে যুগে ৰক্ষা কৰি আহিছে। সৎ ব্ৰাহ্মণ একেবাৰেই নিঃশেষ হোৱা হলে বেদ বিদ্যাও লোপ পালেহেতেন। **"ব্ৰাহ্মণো ন হন্তব্যঃ সাধুৰ্ন হন্তব্যঃ"** যি প্ৰকৃত ব্ৰাহ্মণ আৰু সাধু, তেওঁৰ ক্ষেত্ৰত হে এই বাক্যবোৰ প্ৰযোজ্য হয়। এই বাক্যবোৰ পোপৰ দৰে ব্ৰাহ্মণ নামধাৰী সমাজৰ প্ৰবঞ্চকবোৰেও নিজৰ নিজৰ ক্ষেত্ৰত আৰোপ কৰি ললে। সঙ্ঘবদ্ধ হৈ নিজৰ নিজৰ জীৱিকাৰ স্বাৰ্থত ঋষি মুনিসকলৰ নাম দি গ্ৰন্থ ৰচনা কৰি, তাকেই শাস্ত্ৰ বুলি অবিদ্বান শাসক নৃপতিসকলক ব্যাখ্যা কৰি ব্ৰাহ্মণৰ নামত দণ্ড-ব্যৱস্থা নিষেধ কৰি ললে। কিছুমান বিধিৰ বিধান শাস্ত্ৰৰ বাক্যবোৰ বদলাই আৰু তাৰ ঠাইত প্ৰক্ষিপ্ত বাক্য ৰচনা কৰি প্ৰচাৰ কৰিলে। ঋষিমুনিৰ বিধি-বিধানৰ ঠাইত প্ৰবঞ্চনাৰ বিধি-বিধানৰ প্ৰচলন হল। ৰাজ্যৰ শাসক সকলৰ ধাৰণা বদ্ধমূল কৰিলে যে, ব্ৰাহ্মণ যিমানেই চৰিত্ৰহীন হওক বা দোষ কৰক তাৰ বাবে দণ্ডনীয় কেতিয়াও হব নোৱাৰে, ব্ৰাহ্মণৰ সৰু বৰ নাই ইত্যাদি। দুষ্কৰ্মকাৰী ব্ৰাহ্মণ যে দণ্ডনীয় হব পাৰে এই কথা সমাজৰ কোনেও ভাবিবই নোৱাৰা হ'ল। পৰিণামত বেদাদি শাস্ত্ৰৰ প্ৰচাৰ নোহোৱা হল আৰু জাতি-উপজাতিৰ ওপৰত ব্ৰাহ্মণৰ শোষণ চলিবলৈ ধৰিলে। মহাভাৰতৰ যুদ্ধৰ এহেজাৰ বছৰৰ আগৰ পৰাই এই নৈতিক অধঃপতনৰ সূত্ৰপাত হয়। সেই সময়ত ঋষি মুনিসকলৰ প্ৰতিষ্ঠিত বেদ বিদ্যাৰ শিক্ষানুষ্ঠান থকা সত্ত্বেও কিছুমান চতুৰ প্ৰবঞ্চকে সঙ্ঘবদ্ধ হৈ এনেধৰণৰ ষড়যন্ত্ৰত লিপ্ত হয়।

উপদেশ্যোপদেষ্টৃত্বাৎ তৎসিদ্ধিঃ। ইতৰথান্ধপৰম্পৰা॥
সাংখ্য সূঃ (অঃ ৩।৭৯।৮১)॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অৰ্থাৎ— সত্থপদেষ্টা হলেহে ধৰ্ম্ম, অৰ্থ, কাম আৰু মোক্ষৰ সাধন আৰু সিদ্ধি হব পাৰে, আৰু সত্থপদেশ দিওঁতা আৰু শ্ৰোতাৰ অভাৱত অন্ধপৰম্পৰা চলিবলৈ ধৰে। পুনঃ সৎপুৰুষৰ সৃষ্টি হৈ সত্থপদেশ দিলে অন্ধপৰম্পৰা দূৰ হৈ জ্ঞান পৰম্পৰা চলিবলৈ ধৰে। শেষত গোপৰ দৰে জাতি উপজীৱি আত্ম প্ৰবঞ্চক ব্ৰাহ্মণে চৰণৰ পূজা আৰু চৰণ ধোৱা পানী পৰ্য্যন্ত মানুহক পান কৰাই পাপ মুক্ত কৰিবলৈ ধৰিলে। এই দৰে যেতিয়া জনসাধাৰণ আত্ম প্ৰবঞ্চক মিথ্যা গুৰু শিষ্যৰ বশীভূত হৈ পৰিল, তেতিয়া আৰ্য্যাবৰ্ত্তৰ জনসাধাৰণ অজ্ঞান, প্ৰমাদ আৰু বিষয়াসক্তিত নিমগ্ন হ'ল। বিদ্যা, বুদ্ধি, পৰাক্ৰম আৰু শৌৰ্য্য বীৰ্য সকলো নিৰ্মূল হল। সেই প্ৰবঞ্চক সঙ্ঘৰ ভিতৰৰ পৰাই বাম-মাৰ্গীৰ আৱিৰ্ভাব হৈ "শিৱ-উবাচ", "পাৰ্ব্বত্যুবাচ" আৰু "ভৈৰব উবাচ" ইত্যাদি লিখি তন্ত্ৰ শাস্ত্ৰ ৰচনা কৰি তাৰ ভিতৰত গোপন বিচিত্ৰ লীলা-খেলা সন্নিবিষ্ট কৰা হ'ল—

মীনংমদ্যং মাংসংচ মুদ্ৰা মৈথুনমেৱ চ।
এতে পঞ্চ মকাৰাঃ স্যুৰ্মোক্ষদা হি যুগে যুগে ॥

(কালীতন্ত্ৰ)

প্ৰবৃত্তে ভৈৰবীচক্ৰে সৰ্ব্বে বৰ্ণা দ্বিজাতয়ঃ ॥
নিবৃত্তে ভৈৰবীচক্ৰে সৰ্ব্বে বৰ্ণাঃ পৃথক্ পৃথক্ ॥ ২

(কুলাৰ্ণব তন্ত্ৰ)।

পীত্বা পীত্বা পুনঃ পীত্বা যাবৎ পততি ভূতলে।
পুনৰুত্থায় বৈ পীত্বা পুনৰ্জন্ম ন বিদ্যতে ॥ ৩

(মহানিৰ্ব্বাণ তন্ত্ৰ)।

মাতৃযোনিং পৰিত্যজ্য বিহৰেৎ সৰ্বযোনিষু ॥ ৪

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বেদশাস্ত্ৰ পুৰাণানি সামান্যগণিকা ইব।
একৈব শাম্ভবী মুদ্ৰা গুপ্তা কুলবধূৰিব ॥ ৫
(জ্ঞান-সঙ্কলনী তন্ত্ৰ)

এইবোৰ পোপৰ দৰে প্ৰবঞ্চকৰ লীলা। যিবোৰ বেদবিৰুদ্ধ অধৰ্ম, সেই বোৰকেই বাম-পন্থীয়ে শ্ৰেষ্ঠধৰ্ম্ম বুলি আচৰণ কৰে। তেওঁলোকে মদ, মাংস, মীন (অৰ্থাৎ মৎস্য) মুদ্ৰা, পুৰী, কচৌৰী, ৰুটি আদি চৰ্ব্বণ, যোনি, পাত্ৰাধাৰ, মুদ্ৰা আৰু পঞ্চম মৈথুন অৰ্থাৎ সকলো পুৰুষ শিৱ আৰু স্ত্ৰীসকলো পাৰ্ব্বতীৰ তুল্য মানি—

"অহং ভৈৰবস্ত্বং ভৈৰবী হ্যাবয়োৰস্তু সঙ্গীমঃ।" এই অৰ্থহীন বচন উচ্চাৰণ কৰি সমাগম কৰাত মহা দোষ বুলি ভাবিব নোৱাৰে। চৰিত্ৰহীন স্ত্ৰীক অতি পবিত্ৰ বুলি কয়। যি ৰজস্বলা স্ত্ৰীৰ স্পৰ্শ শাস্ত্ৰত নিষেধ কৰিছে, তাকেই বামপন্থীয়ে অতি পবিত্ৰ বুলি কয়। তেওঁলোকৰ শ্লোকৰ নমুনা—

ৰজস্বলা পুষ্কৰং তীৰ্থং চাণ্ডালী তু স্বয়ং কাশী।
চৰ্ম্মকাৰী প্ৰয়াগঃ স্যাদ্ৰজকী মথুৰা মতা ॥
অযোধ্যা পুক্কসী প্ৰোক্তা ॥ (ৰুদ্ৰ যামল তন্ত্ৰ)।

বামপন্থীৰ মতে ৰজস্বলা হোৱা স্ত্ৰীৰ লগত সমাগম পুষ্কৰ তীৰ্থস্নান, চাণ্ডালী সহ সমাগম কাশী গমন, চৰ্ম্মকাৰিণীৰ লগত সমাগম প্ৰয়াগ স্নান, ৰজকীৰ লগত সমাগম, মথুৰা ভ্ৰমণ আৰু কঞ্জৰীৰ লগত সমাগম, অযোধ্যা তীৰ্থ গমন বুলি কয়। তেওঁলোকে মদক "তীৰ্থ", মাংসৰ নাম "শুদ্ধি", আৰু "পুষ্প", মাছৰ নাম "তৃতীয়", "জলতুম্বিকা" মুদ্ৰাৰ নাম "চতুৰ্থী" আৰু মৈথুনৰ নাম "পঞ্চমী" ৰাখিছে। আনে যাতে বুজিব নোৱাৰে তাৰ কাৰণেই এনেবোৰ নাম ৰাখিছে। তেওঁলোকে নিজক "কৌল"

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

"আৰ্দ্ৰবীৰ", "শাম্ভৱ" আৰু "গণ" আদি নামেৰে পৰিচয় দিয়ে। যি তেওঁলোকৰ মত অনুসৰণকাৰী নহয়, সেই সকলক "কণ্টক" "বিমুখ" আৰু "শুষ্কপশু" আদি বোলে। ভৈৰবীচক্ৰ আৰম্ভ হলে ব্ৰাহ্মণৰ পৰা আৰম্ভ কৰি সকলো "দ্বিজ" হৈ যায়, ভৈৰবীচক্ৰ ভাঙিলে পুনঃ নিজৰ নিজৰ বৰ্ণত ভিন্ন হয়। ভৈৰবীচক্ৰত মাটি বা আসন বিশেষত এটা বিন্দু, ত্ৰিকোণ, চতুষ্কোণ বা বৰ্ত্তুলাকাৰ চিহ্ন অঙ্কন কৰি তাৰ ওপৰত মদৰ পাত্ৰ স্থাপন কৰি পূজা কৰে। পূজাৰ মন্ত্ৰ "ব্ৰহ্মশাপং বিমোচয়" অৰ্থাৎ হে মদ! তুমি ব্ৰহ্মাৰ অভিশাপৰ পৰা মুক্ত। কোনো গোপন স্থানত বামপন্থীসকল গোট খায়। তাত অন্য মানুহৰ প্ৰবেশ নিষেধ। ভৈৰৱীচক্ৰত এক বিবস্ত্ৰা নাৰীক পুৰুষ সকলে আৰু এক বিবস্ত্ৰ পুৰুষক নাৰীসকলে পূজা কৰে। তাত কাৰোবাৰ মাক, কাৰোবাৰ স্ত্ৰী, কাৰোবাৰ কন্যা আদি নাৰী আৰু সেই দৰেই পুৰুষো গোটখায়। তাৰ পাছত এক মদপূৰ্ণ পাত্ৰ আৰু এক পাত্ৰত মাংস আৰু অন্য ভজা খাদ্য তেওঁলোকৰ গুৰুৰ আগত দিয়ে। গুৰুৱে মদৰ পাত্ৰ হাতত লৈ "ভৈৰৱোঽহম্" "শিৱোঽহম্" অৰ্থাৎ মই ভৈৰৱ বা মই শিৱ বুলি প্ৰথমতে পান আৰু ভোজন আৰম্ভ কৰে। তাৰ পাছত গুৰুৱে খোৱা পাত্ৰৰ পৰা প্ৰসাদ বুলি সকলোৱে পান আৰু আহাৰ আৰম্ভ কৰে। তাৰ পাছত কোনো নাৰীয়ে কোনো পুৰুষক ভৈৰৱ বুলি সম্বোধন কৰি মদ যাচে আৰু পুৰুষেও সেইদৰে কোনো নাৰীক ভৈৰবী বুলি মদ দিয়ে। এইদৰে ভৈৰৱৰ প্ৰসাদ ভৈৰৱীয়ে আৰু ভৈৰৱীৰ প্ৰসাদ ভৈৰৱে পান কৰোঁতে যেতিয়া উন্মত্ত হৈ পৰে, তেতিয়া নাৰী পুৰুষৰ বাচ-বিচাৰ এৰি ইচ্ছামতে কুকৰ্ম্মত নিমগ্ন হয়। নিশা অধিক হলে মাৰপিতো চলে। কোনো কোনোৱে বমন কৰে। সেই বমন তেওঁলোকৰ ভিতৰত যি খাব পাৰে, সেইজন অঘোৰী অৰ্থাৎ সিদ্ধ পুৰুষ আৰু সৰ্ব্ব শ্ৰেষ্ঠ। শ্ৰেষ্ঠ পুৰুষৰ লক্ষণ—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হালাং পিবতি দীক্ষিতস্য মন্দিৰে সুপ্তো নিশায়াং
গণিকাগৃহেষু। বিৰাজতে কৌলবচক্ৰবৰ্ত্তী ॥

যি সুৰীৰ ঘৰত নিৰ্ভয় নিঃসঙ্কোচ হৈ মদ পান কৰে ৰাতি বেশ্যাৰ ঘৰত শোৱে তেওঁৱেই বামপন্থীসকলৰ ভিতৰত চক্ৰবৰ্ত্তী অৰ্থাৎ সৰ্বোচ্চ সন্মানীয়। অৰ্থাৎ তেওঁলোকৰ সমাজত যি অধিক কুকৰ্ম্ম কৰিব পাৰে তেওঁ শ্ৰেষ্ঠ আৰু সৎ কৰ্ম্মত আস্থা ৰাখে তেওঁ মায়াত আবদ্ধ আৰু নিকৃষ্ট। কাৰণ—

পাশবদ্ধো ভৱেজ্জীবঃ পাশমুক্তঃ সদাশিবঃ ॥
(জ্ঞানসঙ্কলিনী তন্ত্ৰ, শ্লোক—৪৩)।

তন্ত্ৰত কথিত আছে যে, যি লোকলজ্জা, শাস্ত্ৰলজ্জা, কুললজ্জা আৰু দেশলজ্জা, আদি পাশত বদ্ধ থাকে সি জীৱ, যি এইবোৰ পাশৰ পৰা মুক্ত অৰ্থাৎ সভ্য সমাজে যিবোৰ কুকৰ্ম্মৰূপে বিবেচনা কৰে, সেইবোৰ কৰিব পাৰিলে সদাশিৱ হব পাৰে। উড্ডীশ তন্ত্ৰত এক প্ৰকাৰ বিধি আছে। সেই বিধিমতে এটা ঘৰৰ চাৰিওফালে কোঠাই প্ৰতি পাত্ৰ ভৰাই মদ ৰাখিব। প্ৰথম কোঠাত মদ পান কৰি দ্বিতীয় কোঠালৈ যাব, দ্বিতীয় কোঠাৰ মদ পান কৰি তৃতীয় কোঠালৈ যাব, তৃতীয় কোঠাৰ মদ পান কৰি চতুৰ্থ কোঠালৈ যাব। এইদৰে কাঠৰ দৰে মাটিত পৰি নোযোৱালৈকে মদ পান কৰিব। তাৰ পাছত মদৰ নিচা কমিলেহে আকৌ আগৰ দৰে তিনিবাৰ মদ পান কৰি যদি উঠিব পাৰে তেন্তে পুনৰ্জন্ম নহয়। ৩ ॥ অৱশ্যে এই কথা সত্য বুলিয়েই ভাবিব লাগিব—কাৰণ এনেকুৱা মানুহ বহুকাল নিকৃষ্ট যোনিতেই জন্মিব লাগিব, মানৱ জন্ম পুনৰায় দুৰ্ল্লভ। বামপন্থীৰ তন্ত্ৰ গ্ৰন্থত এনে কথাও আছে যে মাতৃ যোনিৰ বাহিৰে ভগ্নী, কন্যা আদি সকলো যোনিত সমাগম কৰা উচিত। বামমাৰ্গী চাৰীসকলৰ ভিতৰত দশ মহাবিদ্যা প্ৰসিদ্ধ। তাৰ ভিতৰতে কোনো মাতঙ্গী

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিদ্যাবিশিষ্টই কৈছে "মাতৰমপি ন ত্যজেৎ", অর্থাৎ মাতৃ সমাগমো ত্যাগ কৰা নহয় ।। ৪ ।। তেওঁলোকৰ সমাগমৰ সময়ত মন্ত্র পাঠ কৰে "আমাৰ সিদ্ধি লাভ হওক।" এয়েই বামাচাৰী মন্ত্ৰৰ ৰহস্য। অসত্য প্ৰচাৰ কৰিবলৈ হলে সত্যৰ নিন্দা কৰিবই লাগিব। গতিকে বামাচাৰীয়ে কয়—যে বেদ, শাস্ত্র, পুৰাণ সামান্য গণিকাতুল্য। কিন্তু তেওঁলোকৰ শাম্ভৱী মুদ্ৰা গুপ্ত কুলবধুতুল্য ।। ৫ ।। এইদৰে গোপনে বামাচাৰী পন্থ চলে। বামাচাৰী সজ্ঘ বিস্তাৰ হোৱাত বেদৰ নামতো চতুৰ ৰচনা কৰে। যেনে—

সৌত্ৰামন্যাং সুৰাং পিবেৎ। প্ৰোক্ষিতং ভক্ষয়েন্মাংসম্। বৈদিকী হিংসা হিংসা ন ভৱতি।।

ন মাংস ভক্ষণে দোষো, ন মদ্যে ন চ মৌথুনে।
প্ৰবৃত্তিৰেষা ভুতানাং নিবৃত্তিস্তু মহাফলা ।।

মনু (অঃ ৫।৫৬) ।।

সৌত্ৰামণি যজ্ঞত মদ পান কৰিব—ইয়াৰ অর্থ সৌত্ৰামণি যজ্ঞত সোমৰস অর্থাৎ সোমলতাৰ ৰস পান কৰিব। "প্ৰাক্ষিত" যজ্ঞত মন্ত্ৰ পুত মাংস ভোজনত দোষ নাই। এনেবোৰ পাপাচাৰী বামাচাৰীৰ হে কথা কোনো সৎপুৰুষৰ বচন হব নোৱাৰে। বৈদিকী হিংসা যদি হিংসা নহয়, তেন্তে পশু মাৰি হোম কৰাতকৈ তেওঁলোকৰ আত্মীয় স্বজনক মাৰি হোম নকৰে কিয় ? মাংস ভক্ষণ, মদ্যপান, পৰস্ত্ৰীগমন ইত্যাদি বিবেচনা শূণ্য মানুহৰ কথা হব পাৰে। বিনা অপৰাধে প্ৰাণি বধ ধৰ্ম্ম কৰ্ম্ম হব নোৱাৰে। বামাচাৰীৰ গ্ৰন্থৰ বাহিৰে আন সকলো গ্ৰন্থতেই মদ্য পান নিষেধ। বিনা বিবাহে মৈথুন দোষণীয় কাৰণেই সমাজত বিবাহ বিধিৰ বিবেচনা কৰা হৈছে। এইদৰে মনীষীসকলৰ গ্ৰন্থত অযথা বাক্য প্ৰক্ষিপ্ত কৰিছে আৰু সৎপুৰুষ সকলৰ ৰচিত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বাক্যৰ অংশ মিলাই অসৎ প্ৰকৃতিৰ মানুহে নিজৰ নামত গ্ৰন্থ ৰচনা কৰিছে। পশু হত্যা কৰি যজ্ঞ কৰিলে পশু আৰু যজমানে স্বৰ্গ লাভ কৰে। এনেবোৰ কথা প্ৰচাৰ কৰি "গোমেধ", "অশ্বমেধ" আদি নাম দি যজ্ঞৰ প্ৰচলন কৰে। ব্ৰাহ্মণ গ্ৰন্থত এইবোৰ শব্দৰ অৰ্থ যিদৰে কৰিছে সেইদৰে বুজিব পৰা হলে এনেকুৱা অনৰ্থ কৰিব নোৱাৰিলেহেঁতেন।

প্ৰশ্ন—অশ্বমেধ, গোমেধ আৰু নৰমেধ আদি শব্দৰ অৰ্থ কি?

উত্তৰ—ইয়াৰ অৰ্থ—

ৰাষ্ট্ৰং বা অশ্বমেধঃ ॥ (শতঃ ১৩।১।৬।৩)

অন্নং হি গৌঃ ।। (শতঃ ৪।৩।১।২৫)

অগ্নিৰ্বা অশ্বঃ । আজ্যং মেধঃ ॥ (শতঃ পথ ব্ৰাহ্মণ)

অশ্ব গবাদি পশু আৰু মানুহ বধ কৰি হোম কৰাৰ কথা কোনো শাস্ত্ৰত নাই। কেৱল বামাচাৰীৰ গ্ৰন্থত হে এনেকুৱা বিপৰীত অৰ্থ লিখা হৈছে। বামাচাৰী সকলৰ দ্বাৰাই এনেবোৰ অৰ্থ প্ৰচাৰিত হৈছে। অন্যান্য গ্ৰন্থতো যদি এনেকুৱা বাক্য আছে তেন্তে সিবোৰ বামাচাৰী সকলৰ দ্বাৰাই প্ৰক্ষিপ্ত হৈছে। শাসক নৃপতিসকলৰ ন্যায় ধৰ্ম্মৰে প্ৰজাৰ পালন, জ্ঞান বিদ্যাৰ কৰ্ম্মানুষ্ঠানেৰে মানৱ সমাজত জ্ঞানৰ বৃদ্ধি কৰা, হোমাগ্নিত পবিত্ৰ ঘৃতাহুতি দি বায়ু মণ্ডল বিশুদ্ধ কৰাকে অশ্বমেধ যজ্ঞ বোলে। গো মানে পৃথিবী, অন্ন শস্য আদিৰে পৃথিবীত সৰ্ব্বপ্ৰকাৰ উন্নয়ন মূলক কৰ্ম্মানুষ্ঠান কৰাই গোমেধ যজ্ঞ। মৃত মানৱৰ দেহদাহ কৰা অনুষ্ঠানক নৰমেধ যজ্ঞ বোলে। ৰাষ্ট্ৰৰ উন্নয়ন মূলক সকলো কৰ্ম্ম অশ্বমেধ যজ্ঞ! গো মানে অন্ন, পৃথিবী, কিৰণ ইত্যাদি। অশ্ব মানে, অগ্নি, জ্ঞান আদি। মেধ মানে হোম।

প্ৰশ্ন—যজ্ঞৰ ব্যৱস্থাপক সকলে কয়—যে যজ্ঞত বধ কৰা পশু আৰু যজমান দুয়ো স্বৰ্গ লাভ কৰে আৰু সেই যজ্ঞত বধ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰা পশুকো হোমৰ দ্বাৰা পুনৰ্জীবিত কৰে এইবোৰ কথা সঁচা নে ?

উত্তৰ—মিছা কথা, যি সকলে স্বৰ্গলৈ যায় বুলি কয়—তেওঁলোককো বধ কৰি তাৰেই হোম কৰি স্বৰ্গলৈ পঠোৱা উচিত। তেওঁলোকে নিজৰ নিজৰ প্ৰিয় মাতা-পিতা, স্ত্ৰী-পুত্ৰ আদিক বধ কৰি হোমৰ দ্বাৰাই স্বৰ্গলৈ পঠিয়াই নিদিয়ে কিয় ? নাইবা যজ্ঞবেদীৰ পৰা পুনৰ্জীবিত কৰি নলয় কিয় ?

প্ৰশ্ন—যজ্ঞ কৰোতে বেদৰ মন্ত্ৰ পাঠ কৰা হয়, বেদত সেইবোৰ তেনে বিষয়ৰ মন্ত্ৰ নাথাকিলে কেনেকৈ পাঠ কৰিব পাৰে ?

উত্তৰ—মন্ত্ৰই পাঠ কৰোতাক বাধা নিদিয়ে। মন্ত্ৰ শব্দ বিশেষ হে। পশু বধ কৰি হোম কৰাটো মন্ত্ৰৰ অৰ্থ নহয়। ঘৃত, অন্ন আদি পুষ্টিকৰ ৰোগ নাশক আৰু সুগন্ধি দ্ৰব্যৰে অগ্নিত আহুতি দিলে বায়ু, বৃষ্টি বিশুদ্ধ হয়, আৰু ফলত জগতৰ সকলো প্ৰাণীৰে উপকাৰ হয়। মূৰ্খ বিলাকেহে এই সত্যৰ তাৎপৰ্য্য নুবুজি যজ্ঞৰ নামত স্বাৰ্থ সিদ্ধি কৰে। কাৰণ স্বাৰ্থপৰে স্বাৰ্থৰ বাহিৰে আন একো ভাবিবই নোৱাৰে।

এই দৰেই এক বৃত্তি ধাৰীসকলে মৃতকৰ শ্ৰাদ্ধ তৰ্পণ আদি অনুষ্ঠান প্ৰচাৰ কৰি জীৱিকা অৰ্জ্জন কৰে। বেদ বিদ্যাৰ অধ্যয়ন, অধ্যাপনা লোপ পায়। বক বৃত্তিধাৰীসকলৰ অনাচাৰ আৰু প্ৰবঞ্চনাত মানুহে বৈদিক ধৰ্ম্মত আস্থা হেৰুৱায়—আৰু বেদ বিৰুদ্ধ বৌদ্ধ আৰু জৈন মত প্ৰচলিত হয়।

নাস্তিক মত। নাস্তিক সম্প্ৰদায়ৰ চাৰ্ব্বাক আৰু আভাণকে ৰচনা কৰা শ্লোক—

পশুশ্চেন্নিহতঃ স্বৰ্গং জ্যোতিষ্টোমে গমিষ্যতি।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স্বপিতা যজমানেন তত্ৰ কস্মান্ন হিংস্যতে ॥ ১
মৃতানামিহ জন্তূনাং শ্ৰাদ্ধং চেত্তৃপ্তিকাৰণম্ ।
গচ্ছতামিহ জন্তূনাং ব্যৰ্থং পাথেয়কল্পনম্ ॥ ২

অৰ্থ— যদি পশু বধ কৰি অগ্নিত হোম কৰিলে সেই বধ কৰা পশু স্বৰ্গলৈ যায়, তেন্তে যজমানে নিজৰ পিতাকক বধ কৰি স্বৰ্গলৈ নপঠায় কিয় ? ॥ শ্ৰাদ্ধ তৰ্পণৰ দ্বাৰাই যদি মৃতকৰ তৃপ্তি হয়, তেন্তে স্থানান্তৰলৈ যোৱা মানুহৰ আহাৰ পানী ঘৰতেই অৰ্পণ কৰিলে তৃপ্তি হব পাৰে দেখোন ? ॥২॥ এঠাইৰ মানুহে যদি আন এঠাইৰ আহাৰত তৃপ্ত হব নোৱাৰে, তেন্তে মৃতকৰ শ্ৰাদ্ধ তৰ্পণ কৰিলেও তৃপ্তি হব নোৱাৰে, গতিকে ই মিছা প্ৰবঞ্চনা। এনেবোৰ যুক্তিৰ ভিত্তিত জৈন মতৰ আবিৰ্ভাৱ হয়। দেশৰ প্ৰভাৱশালী শাসক নৃপতিৰ অনেকে জৈনমত অৱলম্বন কৰাত আৰু জৈনমতৰ প্ৰচাৰ হোৱাত বক বৃত্তিধাৰী সকলেও স্বাৰ্থ সিদ্ধিৰ কাৰণে জৈনমতৰ সুযোগ লয়। বেদৰ অধ্যয়ন অধ্যাপণা হ্ৰাস হোৱাত আৰু যাৰ যি ইচ্ছা সংস্কৃতত লিখি বেদ বুলি প্ৰচাৰৰ পৰিণামত— সৰ্ব্ব-সাধাৰণে বেদৰ প্ৰতি আস্থা হেৰুৱায়—। জৈন মতাৱলম্বী সকলে বেদ নজনাৰ কাৰণে সেই বক বৃত্তিধাৰী সকলৰ লিখিত গ্ৰন্থবোৰকে বেদ বুলি বেদৰ নিন্দা প্ৰচাৰ কৰাত লাগিল। ফলত বেদৰ অধ্যয়ন-অধ্যাপনা আৰু বৈদিক আশ্ৰম ধৰ্ম্মৰ আচৰণ উঠি যায়। জৈন মতাৱলম্বী সকলৰ ঋষভদেৱৰ পৰা মহাবীৰলৈকে তীৰ্থঙ্কৰ সকলৰ বৃহৎ মূৰ্ত্তি নিৰ্ম্মাণ কৰি পূজা প্ৰচলিত কৰে। প্ৰায় তিনি বছৰ জুৰি দেখাত জৈন মতৰ প্ৰভাৱ আৰু বেদৰ জ্ঞান লুপ্ত প্ৰায় হয়।

এইদৰে প্ৰায় আঢ়ৈ হেজাৰ বছৰ অতীত হোৱাৰ পিছত ভাৰতৰ দ্ৰাবিড় প্ৰদেশত অখণ্ড ব্ৰহ্মচাৰী, ব্যাকৰণাদি শাস্ত্ৰ শঙ্কৰাচাৰ্য্যৰ আবি-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ভাৰ হয়। শঙ্কৰাচাৰ্য্যই জৈন সম্প্ৰদায়ৰ গ্ৰন্থসমূহো সম্পূৰ্ণ অধ্যয়ন কৰে। শঙ্কৰাচাৰ্য্যই উজ্জয়িনী ৰাজ্যলৈ আহি, উজ্জয়িনীৰ ৰজা সুধন্বাক সাক্ষাৎ কৰে। ৰজা সুধন্বা জৈন মতাবলম্বী, তেওঁ জৈন গ্ৰন্থৰ বাহিৰে সংস্কৃত গ্ৰন্থৰো অধ্যয়নশীল আছিল। জৈন পণ্ডিতসকল আৰু শঙ্কৰাচাৰ্য্যৰ মাজত এক আনুষ্ঠানিক শাস্ত্ৰ আলোচনাৰ বাবে শঙ্কৰাচাৰ্য্যই প্ৰস্তাব কৰে। আলোচনাৰ চৰ্ত্ত আছিল যে, আলোচনাত যি পৰাজিত হয়, তেওঁ নিজৰ মত পৰিত্যাগ কৰি বিজেতাৰ মত গ্ৰহণ কৰিব লাগিব আৰু ৰজায়ো বিজেতাৰ মতকেই গ্ৰহণ কৰিব লাগিব। সুধন্বা জৈনমতাৱলম্বী আছিল যদিও সংস্কৃত শাস্ত্ৰৰ জ্ঞানো আছিল। যি সত্য আৰু অসত্যৰ বিবেচনা কৰি সত্যৰ গ্ৰহণ আৰু অসত্যক পৰিত্যাগ কৰে সেয়েই প্ৰকৃত জ্ঞানী। জৈন মতৰ বিষয়ে তেওঁৰ মনত যিবোৰ সংশয় আছিল তাৰ দূৰীকৰণৰ বাবে কোনো জ্ঞানী পুৰুষৰ সাক্ষাৎ লাভ হোৱা নাছিল। ৰজা সুধন্বাই শঙ্কৰাচাৰ্য্যৰ প্ৰস্তাৱত আনন্দ আৰু আগ্ৰহ প্ৰকাশ কৰি দূৰ দূৰান্তৰৰ জৈন পণ্ডিত সকলক আমন্ত্ৰণ কৰি সভা আহ্বান কৰে। আলোচনাৰ বিষয় শঙ্কৰাচাৰ্য্যৰ বৈদিক মত "অনাদি পৰমাত্মা জগতৰ কাৰণ; জীৱ আৰু জগত পৰমেশ্বৰৰ মায়া গতিকে মিথ্যা, জগত স্বপ্নবৎ। বৈদিক মতৰ বিৰুদ্ধে জৈন মত আছিল—জীৱ আৰু জগত অনাদি; এই দুইৰ অন্য কাৰণ নাই।

বহুদিন তৰ্ক-বিতৰ্ক, আলোচনা হোৱাৰ পাছত শঙ্কৰাচাৰ্য্যই জৈনী পণ্ডিত সকলক নিমাত কৰি বৈদিক অদ্বৈত মত প্ৰমাণ কৰে। পৰাজিত জৈন পণ্ডিত সকলে আৰু ৰজাই শঙ্কৰাচাৰ্য্যৰ মত গ্ৰহণ কৰে। ৰজা সুধন্বাই দূৰস্থ আত্মীয় স্বজন আৰু বন্ধু-বান্ধৱ সকলক আমন্ত্ৰণ কৰি অনাই শঙ্কৰাচাৰ্য্যৰ লগত আলোচনা কৰালে। শঙ্কৰাচাৰ্য্যই তেওঁলোকৰ সংশয় দূৰ কৰাত সকলোৱে শঙ্কৰাচাৰ্য্যৰ মত গ্ৰহণ কৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তাৰ পাছত ৰজা সুধন্বা আৰু অন্যান্য ৰজাসকলে আলোচনা কৰি ৰক্ষণাবেক্ষণ আৰু সেৱক আদিৰ ব্যৱস্থাৰে সমগ্ৰ আৰ্য্যাবৰ্ত্তত শঙ্কৰাচাৰ্য্যৰ পৰ্য্যটনৰ ব্যৱস্থা কৰে। সেই সময়ৰ পৰাই আকৌ বৈদিক মতৰ প্ৰচাৰ আৰু বেদৰ অধ্যয়ন অধ্যাপনা চলিবলৈ ধৰে। শঙ্কৰাচাৰ্য্যই দহ বছৰ কাল সমস্ত ভাৰতবৰ্ষ পৰিভ্ৰমণ কৰি জৈনমতাৱলম্বী সকলক পৰাজিত আৰু নিস্তব্ধ কৰে। জৈন মতাৱলম্বী সকলে সমগ্ৰ ভাৰতত পৰ্ব্বত ভৈয়ামত জৈন মূৰ্ত্তিৰ প্ৰতিষ্ঠা কৰিছিল, সেইবোৰ শঙ্কৰাচাৰ্য্যৰ জীৱিত কালৰ ভিতৰতে ভাঙি মাটিৰ তলত পুতি পেলোৱা হৈছিল। এতিয়াও সেই ভগ্ন বা অৰ্দ্ধভগ্ন জৈন মূৰ্ত্তিবোৰৰ চিনচাব নানা স্থানত পোৱা গৈছে। শঙ্কৰাচাৰ্য্যই শৈৱ আৰু বামাচাৰী সকলকো তীব্ৰ সমালোচনাৰে ক্ষত বিক্ষত কৰে। শঙ্কৰাচাৰ্য্য আৰু সুধন্বা আদি নৃপতি সকলে জৈনমন্দিৰ বোৰ ধ্বংস নকৰি তাত বৈদিক শিক্ষানুষ্ঠান স্থাপন কৰাৰ পৰিকল্পনা কৰিছিল। সেই সময়তে দুজন জৈনে শঙ্কৰাচাৰ্য্যৰ শৰণ লৈ বৈদিক মতাৱলম্বী হয়, যাক শঙ্কৰাচাৰ্য্যই অতি বিশ্বাস কৰিছিল। কিন্তু সেই দুজন আছিল আত্ম গোপন কাৰী। তেওঁলোকৰ উদ্দেশ্য আছিল চল চাই শঙ্কৰাচাৰ্য্যৰ প্ৰাণ নাশ কৰা। তেওঁলোকে সুযোগ পাই শঙ্কৰাচাৰ্য্যৰ আহাৰত বিষ মিহলি কৰে। পৰিণামত শঙ্কৰাচাৰ্য্যৰ উদৰৰোগ আৰু ৰক্ত দুষিত হয়। শৰীৰত ফোঁড়া আদি ভুগি ছয় মাহৰ ভিতৰতেই শঙ্কৰাচাৰ্য্যই দেহ ত্যাগ কৰে। সেই শোকাবহ ঘটনাত সকলো হতাশ হয়। শঙ্কৰাচাৰ্য্যই দেহ বৈদিক শিক্ষানুষ্ঠান প্ৰতিষ্ঠাৰ যি পৰিকল্পনা কৰিছিল সি শঙ্কৰাচাৰ্য্যৰ লগতে অস্ত পৰে। শঙ্কৰাচাৰ্য্যই ব্ৰহ্ম সূত্ৰৰ শাৰীৰিক ভাষ্য আৰু প্ৰধান প্ৰধান উপনিষদ কেইখনৰ ভাষ্য ৰচনা কৰিছিল। শঙ্কৰাচাৰ্য্যৰ শিষ্য সকলে তাকেই প্ৰচাৰ কৰিবলৈ ধৰে। জৈন মত নিষ্ক্রিয় কৰিবৰ কাৰণে শঙ্কৰাচাৰ্য্যই যি 'ব্ৰহ্ম সত্য জগন্মিথ্যা' আৰু জীৱ ব্ৰহ্ম

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ব্যাখ্যা কৰিছিল, তাকেই শঙ্কৰাচাৰ্য্যৰ অনুগামী সকলে প্ৰচাৰ কৰে। শঙ্কৰাচাৰ্য্যৰ অনুগামী সকলে ভাৰতৰ দক্ষিণাংশত শৃঙ্গেৰী, পূৰ্বাংশত ভূগোবৰ্দ্ধন, উত্তৰাংশত যোশী, আৰু দ্বাৰিকাত সাৰদা মঠ স্থাপন কৰে। শঙ্কৰাচাৰ্য্যৰ পাচত তেওঁৰ শিষ্য-মহন্ত সকলে সন্মান প্ৰতিষ্ঠাৰ লগত শ্ৰীমন্ত হৈ আনন্দ মুখৰ হ'ল।

জীৱ আৰু ব্ৰহ্মৰ স্বৰূপ।

জীৱ আৰু ব্ৰহ্মৰ একত্বই শঙ্কৰাচাৰ্য্যৰ মত, নে নিৰীশ্বৰবাদী—জৈন মতৰ পৰাজয় ঘটোৱাৰ বাবেই জীৱ ব্ৰহ্মৰ একত্ব বুলি যুক্তি দিয়া হৈছিল? ইয়াৰ আলোচনা কৰা হব।

নবীন বেদান্তীৰ মতে— জগত স্বপ্নবৎ; ৰজ্জুত সৰ্পভ্ৰম, সীহত ৰূপৰ ভ্ৰম, মৰীচিকাত জলৰ ভ্ৰম, গন্ধৰ্ব্ব নগৰ আৰু ইন্দ্ৰজালৰ দৰে এই সংসাৰ মিছা। এক ব্ৰহ্মহে সত্য।

সিদ্ধান্তীৰ উত্তৰ— আপুনি মিছা কাক বোলে?

নবীন বেদান্তী— যি নাই অথচ আছে যেন প্ৰতীত হয় সেয়েই মিছা।

সিদ্ধান্তী— যি বস্তু নায়েই, তাৰ আকৌ প্ৰতীতি কেনেকৈ হব?

নবীন বেদান্তী— অধ্যাৰোপৰ দ্বাৰা হয়।

সিদ্ধান্তী— অধ্যাৰোপ নো কাক বোলে?

নবীন বেদান্তী— "বস্তুন্যবস্ত্বাৰোপণমধ্যাসঃ" "অধ্যাৰোপাদাপবাদাভ্যাং নিষ্প্ৰপঞ্চং প্ৰপঞ্চ্যতে।" এটা বস্তুত আন এটা বস্তুৰ আৰোপক অধ্যাস বা অধ্যাৰোপ বোলে আৰু প্ৰকৃত সত্য নিৰাকৰণ কৰাকে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অপবাদ বোলে। এই দুইৰ দ্বাৰাই প্ৰপঞ্চৰহিত ব্ৰহ্মত প্ৰপঞ্চৰূপ জগং বিস্তৃত হয়।

সিদ্ধান্তী—আপুনি ৰজ্জুক বস্তু আৰু সৰ্পক অবস্তু বুলি ভাবি নিজেই ভ্ৰমৰ জালত পৰিছে। সৰ্প জানো বস্তু নহয়? যদি আপুনি কব খোজে যে ৰজ্জুত সৰ্প নাই, কিন্তু সৰ্প আছে, বজ্জুত নাই যদি অন্যত আছে। আপোনাৰ মতত সৰ্পৰ সংস্কাৰ বা স্মৃতি আছে কাৰণেহে বজ্জু বা বচিকেই সাপ যেন দেখে। গতিকে সৰ্পও অবস্তু হব নোৱাৰে। সেইদৰে আপোনাৰ বাকীবোৰ উদাহৰণবো একেই অৱস্থা। আৰু স্বপ্নত যিবোৰ বস্তুৰ ভান অৰ্থাৎ অনুভৱ হোৱা যেন লাগে, সেইবোৰ বস্তু অন্যত আছে আৰু আত্মাত সেইবোৰৰ সংস্কাৰ থাকে। গতিকে স্বপ্নও বস্তুত অৱস্তুৰ আৰোপৰ দৰে নহয়।

নবীন বেদান্তী—স্বপ্নত নিজৰ শিৰশ্চেদ, নিজেকন্দা তলৰ পৰা ওপৰলৈ জল প্ৰবাহিত হোৱা দেখা যায়—আত্মাত যিবোৰৰ সংস্কাৰ নাই, সেইবোৰ কেনেকৈ সত্য হব পাৰে?

সিদ্ধান্তী—এই যুক্তিয়েও আপোনাৰ নিজৰ পক্ষকে সমৰ্থন নকৰে। কাৰণ দৰ্শন, শ্ৰৱণ নহলে সংস্কাৰেই নহয়। সংস্কাৰ নহলে স্মৃতি আৰু স্মৃতি নহলে সাক্ষাৎ অনুভূতি নহয়। যি কৰবাত কৰোবাৰ শিৰশ্চেদ, কন্দা, প্ৰস্ৰবণৰ জল উৰ্দ্ধলৈ যোৱা দেখিছে বা শুনিছে তাৰ সেই সংস্কাৰবোৰ আত্মাত থাকে। যেতিয়া আত্মা জাগ্ৰত অৱস্থাত নাথাকে আৰু কোনো পদাৰ্থৰ লগত ইন্দ্ৰিয় সংযোগ নাথাকে, তেতিয়া নিজৰ আত্মাত সংস্কাৰ হৈ থকা অৰ্থাৎ আগতে দেখা শুনা বোৰকে দেখে। আত্মাৰেই সংস্কাৰ আত্মাই যেতিয়া অনুভব কৰে, তেতিয়া নিজৰ শিৰশ্চেদ কৰা, নিজেই কন্দা আৰু ওপৰলৈ পানী যোৱা আদি দেখে। স্বপ্ন দেখাও বস্তুত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অৱস্থৰ আৰোপৰ দৰে নহয়। যেনেকৈ চিত্ৰকৰে পূৰ্ব্ব দৃষ্ট, শ্ৰুত বা অস্থিত কোনো চিত্ৰ নিজৰ মনৰ পৰা অৰ্থাৎ আত্মাৰ পৰাই বাহিৰ কৰি কাগজত অঙ্কন কৰে, ইও তেনেকুৱাই। অৱশ্যে কেতিয়াবা কেতিয়াবা স্বপ্নত স্মৰণ যুক্ত বস্তুবো প্ৰতীতি হয়; যেনে নিজৰ শিক্ষক দেখিছে। কেতিয়াবা কেতিয়াবা বহু অতীতত দেখা বা শুনা জ্ঞানবো সাক্ষাৎকাৰ হয়। কিন্তু জাগ্ৰৎ অৱস্থাত দেখা শুনাৰ দৰে স্মৰণ নেথাকে। জন্মান্ধই যে ৰূপৰ স্বপ্ন নেদেখে এই কথা আপুনি জানে নে নেজানে? গতিকে দেখা যায় আপুনি অধ্যাস আৰু অধ্যাৰোপৰ যি লক্ষণ দিছে সেইবোৰ মিছা। আৰু বেদান্তবাদীসকলৰ বিবৰ্ত্তবাদো অৰ্থাৎ ৰজ্জুত সৰ্পৰ ভ্ৰম হোৱাৰ দৰে ব্ৰহ্মত জগতৰ ভ্ৰমৰ দৃষ্টান্তও নাখাটে।

নবীন বেদান্তী—অধিষ্ঠান বিনা অধ্যস্ত প্ৰতীত হব নোৱাৰে। যেনেকৈ ৰজ্জু নহলে সৰ্পৰ সংশয়ো হব নোৱাৰে। যেনেকৈ ৰজ্জুত সৰ্পৰ সংশয় তিনিও কালত, অৰ্থাৎ সদায় হব নোৱাৰে, ক্ষীণ প্ৰকাশ অৰ্থাৎ পোহৰ আৰু আন্ধাৰৰ মাজত অকস্মাৎ ৰজ্জু দেখি সাপৰ ভ্ৰমত ভয় হয়। যেতিয়া প্ৰদীপ জ্বলাই দেখে, তেতিয়া ভ্ৰম আৰু ভয়ৰ নিবৃত্তি হয়। সেইদৰে ব্ৰহ্মতেই যি জগতৰ মিছা প্ৰতীতি হৈছে, সি ব্ৰহ্মৰ সাক্ষাৎকাৰ হলে জগতৰ প্ৰতীতি নাথাকে, ব্ৰহ্মৰ প্ৰতীতি হে থাকে। যেনেকৈ সৰ্পৰ নিবৃত্তি আৰু ৰজ্জুৰ প্ৰতীতি হয়।

সিদ্ধান্তী—ব্ৰহ্মত জগতৰ ভ্ৰম কাৰ হয়?

নবীন—জীৱৰ।

সিদ্ধান্তী—জীৱ কৰ পৰা হ'ল?

নবীন বেদান্তী—অজ্ঞানৰ পৰা।

সিদ্ধান্তী—অজ্ঞান ক'ৰ পৰা হ'ল আৰু ক'ত থাকে?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নবীন—অজ্ঞান অনাদি আৰু ব্ৰহ্মতেই থাকে।

সিদ্ধান্তী—ব্ৰহ্মতেই ব্ৰহ্মৰ বা অন্য কাৰোবাৰ অজ্ঞান হল? আৰু সেই অজ্ঞান কাৰ হ'ল?

নবীন—চিদাভাসৰ।

সিদ্ধান্তী—চিদাভাসৰ স্বৰূপ কি?

নবীন—ব্ৰহ্ম; ব্ৰহ্মৰেই ব্ৰহ্মৰ অজ্ঞান হয়, অৰ্থাৎ ব্ৰহ্মই নিজৰ স্বৰূপ নিজেই পাহৰি যায়।

সিদ্ধান্তী—ব্ৰহ্মৰ ভ্ৰম হোৱাৰ কাৰণ কি?

নবীন—অবিদ্যা।

সিদ্ধান্তী—অবিদ্যা সৰ্ব্বব্যাপী আৰু সৰ্ব্বজ্ঞৰ গুণ নে অল্পজ্ঞৰ?

নবীন—অল্পজ্ঞৰ।

সিদ্ধান্তী—তেনেহলে আপোনাৰ মতে এক 'অনন্ত সৰ্ব্বজ্ঞ চেতনৰ বাহিৰে অন্য কোনো চেতন আছে নে নাই? অল্পজ্ঞ কি আৰু ক'ৰ পৰা উপস্থিত হ'ল? যদি অল্পজ্ঞ চেতনক ব্ৰহ্মৰ ভিন্ন সত্ত্বা বুলি মানে তেতিয়া ঠিক হয়। যদি ব্ৰহ্মৰেই কোনো এক স্থানত নিজৰ স্বৰূপৰ অজ্ঞান হয়, তেতিয়া সেই অজ্ঞান সৰ্ব্বত্ৰ বিস্তৃত হৈ পৰে। যেনেকৈ দেহৰ এঠাইত ঘা-ফোঁহাৰ যন্ত্ৰণা হলে সমস্ত দেহত অনুভৱ হয়, সেইদৰে যদি ব্ৰহ্মৰ একাংশত অজ্ঞান আৰু ক্লেশ হয়, তেতিয়া সমস্ত ব্ৰহ্মই অজ্ঞান বা ক্লেশ অনুভৱ কৰিব।

নবীন—এইবোৰ উপাধিৰ ধৰ্ম্ম, ব্ৰহ্মৰ নহয়।

সিদ্ধান্তী—উপাধি জড় নে চেতন? আৰু উপাধি সত্য নে মিথ্যা?

নবীন—অনিৰ্ব্বচনীয়; অৰ্থাৎ যাক জড় বা চেতন, সত্য বা মিথ্যা বুলিব নোৱাৰি।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সিদ্ধান্তী—আপোনাৰ কথা "বদতো ব্যাঘাতঃ'ৰ দৰে। কাৰণ যাক আপুনি অবিদ্যা বুলিছে সি জড় নে চেতন, বা সৎ নে অসৎ কব নোৱাৰে। ধৰক আপোনাৰ কথা এনেকুৱা হল :—এজনে সোণ আৰু পিতল মিহলি ধাতু এডোখৰ কোনো সোণাৰীৰ ওচৰত পৰীক্ষা কৰিবলৈ লৈ গ'ল। সোণাৰীয়ে পৰীক্ষা কৰি কলে--ইয়াত সোণ আৰু পিতল দুয়োটা মিহলি আছে গতিকে সোণো বুলিব পাৰি আৰু পিতলো বুলিব পাৰি। আৰু সোণ পিতল দুয়োটাই মিহলি যেতিয়া— মই সোণো বুলিব নোৱাৰো পিতলো বুলিব নোৱাৰো। কিন্তু ইয়াৰ ভিতৰত দুটা ধাতু আছে।

নবীন বেদান্তী—যেনেকৈ ঘটাকাশ, মঠাকাশ আৰু মেঘাকাশ, মহাকাশৰেই উপাধি অৰ্থাৎ ঘট, ঘৰ আৰু মেঘ থাকিলে এক মহা আকাশেই ভিন্ন ভিন্ন প্ৰতীত হয়, যদিও আচলতে এক মহাকাশেই! সেইদৰেই মায়া, অবিদ্যা, সমষ্টি, ব্যষ্টি আৰু অন্তঃকৰণৰ উপাধি বশতঃ ব্ৰহ্ম অজ্ঞানীৰ কাৰণে পৃথক্ পৃথক্ প্ৰতীয়মান হয়। আচলতে ব্ৰহ্ম এক। তলত উদ্ধৃত কৰা শ্ৰুতি বাক্যই তাৰ প্ৰমাণ :—

অগ্নির্যথৈকো ভুবনং প্রবিষ্টো ৰূপং ৰূপং
প্ৰতিৰূপো বভূব।
একস্তথা সৰ্ব্বভূতান্তৰাত্মা ৰূপং ৰূপং
প্ৰতিৰূপো বহিশ্চ॥ কঠঃ উঃ বল্লীৰ ৫৯।

যেনেকৈ অগ্নি দীৰ্ঘ, বিস্তৃত, গোলাকাৰ, ক্ষুদ্ৰ আৰু বৃহৎ আদি বেলেগ বেলেগ আকৃতি বিশিষ্ট পদাৰ্থত প্ৰবিষ্ট হৈ তদাকাৰ দেখায়, কিন্তু এই অগ্নি সেইবোৰ পদাৰ্থৰ পৰা ভিন্ন। কিন্তু অন্তঃকৰণৰ পৰা সম্পূৰ্ণ ভিন্ন

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সিদ্ধান্তী—আপোনাৰ এই উদাহৰণো যথাৰ্থ নহয়। কাৰণ যেনেকৈ ঘট, মঠ, মেঘৰ পৰা আকাশক ভিন্ন বুলি মানিছে, সেইদৰে কাৰ্য্য কাৰণ ৰূপ জগত আৰু জীৱক ব্ৰহ্মৰ পৰা ভিন্ন, আৰু ব্ৰহ্মক এইবোৰৰ পৰা ভিন্ন বুলি স্বীকাৰ নকৰে কিয়?

নবীন বেদান্তী—যেনেকৈ অগ্নি সকলো পদাৰ্থতে প্ৰবিষ্ট হৈ তদাকাৰ দেখায়, সেইদৰেই পৰমাত্মাও জড় আৰু জীৱত ব্যাপক হৈ সাকাৰ অজ্ঞানী কাৰণে সাকাৰ যেন দৃষ্ট হয়। প্ৰকৃততে ব্ৰহ্ম জড়ো নহয়—জীৱো নহয়। যেনেকৈ সহস্ৰ জল-কুণ্ডত জল পৃথক্ পৃথক্কৈ ৰাখিলে সেই কুণ্ডবোৰত সূৰ্য্যৰ সহস্ৰ প্ৰতিবিম্ব দৃষ্ট হয়; আচলতে সূৰ্য্য এটাহে। কুণ্ডবোৰ ভাঙিলে জল প্ৰবাহিত বা প্ৰসাৰিত হলে সূৰ্য্য নষ্ট, প্ৰবাহিত বা প্ৰসাৰিত নহয়। সেইদৰে অন্তঃকৰণত যি ব্ৰহ্মৰ আভাস পৰে তাকেই চিদাভাস বোলে। যেতিয়ালৈকে অন্তঃকৰণ থাকে তেতিয়ালৈকে জীৱ হৈ থাকে। জ্ঞানৰ দ্বাৰা অন্তঃকৰণ বিনাশ হলে জীৱ ব্ৰহ্মস্বৰূপ হয়। নিজৰ ব্ৰহ্ম-স্বৰূপ নাজানি জীৱই এই চিদাভাসকে কৰ্ত্তা, ভোক্তা, সুখী, দুঃখী, পাপী, পুণ্যবান জন্ম মৰণ আদি আৰোপ কৰে। এই মিছা আৰোপ দূৰ নহয় মানে সংসাৰৰ বন্ধনৰ পৰা মুক্ত হব নোৱাৰে।

সিদ্ধান্তী- আপোনাৰ এই দৃষ্টান্তও নাখাটে। কাৰণ সূৰ্য্য আৰু জল-কুণ্ড দুয়োটা সাকাৰ পদাৰ্থ আৰু পৰস্পৰ ভিন্ন; গতিকে সূৰ্য্যৰ প্ৰতি-বিম্ব নাই। পৰমেশ্বৰ নিৰাকাৰ আৰু আকাশৰ দৰে সৰ্ব্বব্যাপক, গতিকে কোনো পদাৰ্থই পৰমেশ্বৰৰ পৰা পৃথক্ বা পৰমেশ্বৰো কোনো পদাৰ্থৰ পৰা পৃথক্ হোৱা সম্ভৱ নহয়। আৰু সকলো পদাৰ্থ আৰু পৰমেশ্বৰৰ বাপ্য ব্যাপক সম্বন্ধ গতিকে একতাও হব নোৱাৰে। অৰ্থাৎ অন্বয় ব্যতিৰেক দৃষ্টিৰে দেখিলে বাপ্য আৰু ব্যাপক মিলিত কিন্তু সদায় পৰস্পৰ ভিন্ন হৈ থাকে। যি এক তাৰ বাপ্য ব্যাপক সম্বন্ধ কেনেকৈ খাটে!

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অর্থাৎ ব্যাপ্য আৰু ব্যাপক মানে দুটা পৰস্পৰ ভিন্ন বস্তু। বৃহদাৰণ্যকৰ অন্তৰ্যামী ব্ৰাহ্মণত স্পষ্টকৈ লিখা আছে যে ব্ৰহ্মৰ আভাসো পৰিব নোৱাৰে যাৰ আকাৰ নাই তাৰ আভাসো নাই। আপুনি যি অন্তঃকৰণ উপাধিৰে ব্ৰহ্মকেই জীৱ বুলিছে তাৰ যুক্তি প্ৰমাণ কি? অন্তঃকৰণ চলায়মান আৰু খণ্ড খণ্ড, আনহাতে ব্ৰহ্ম অচল আৰু অখণ্ড।

আপুনি যদি ব্ৰহ্ম আৰু জীৱক পৃথক্‌ৰূপে স্বীকাৰ নকৰে তেনেহলে গতিশীল অন্তঃকৰণ য'লৈ যাব তাৰ ব্ৰহ্মক অজ্ঞানী আৰু যি যি স্থান এৰিব তাৰ ব্ৰহ্মক জ্ঞানী নকৰিব জানো? তাৰ উদাহৰণ স্বৰূপে ব'দৰ পোহৰত ছাতি মেলি গলে য'ত ছাতি থাকে—তাত পোহৰ আঁৰ হয়—আৰু য'ত ছাতি নাই সেই ঠাইৰ পোহৰত আঁৰ নাই। এইদৰেই অন্তঃকৰণে ব্ৰহ্মক ক্ষণে ক্ষণে জ্ঞানী, অজ্ঞানী, বদ্ধ আৰু মুক্ত কৰি থাকিব। অখণ্ড ব্ৰহ্মৰ এক অংশত আৱৰণৰ প্ৰভাব হলে সমস্ত ব্ৰহ্মতেই অজ্ঞান হয়, কাৰণ ব্ৰহ্ম চেতন। মথুৰাৰ কোনো অন্তঃকৰণস্থ ব্ৰহ্মই যি বস্তু দেখিব, সেই বস্তুৰ স্মৰণ কাশীৰ অন্তঃকৰণস্থ ব্ৰহ্মই কৰিব নোৱাৰিব। "অন্যদৃষ্টমন্যো ন স্মৰতীতি ন্যায়াৎ" অৰ্থাৎ এজনে দেখা বস্তু আন এজনে স্মৰণ কৰিব নোৱাৰে। যি চিদাভাসে মথুৰাত দেখিছে, সেই চিদাভাস কাশীত নাই। যি মথুৰাত স্থিত অন্তঃকৰণৰ প্ৰকাশক—সি কাশীত স্থিত ব্ৰহ্ম নহয়। যদি ব্ৰহ্মই জীৱ হয় বা ব্ৰহ্ম আৰু জীৱৰ পাৰ্থক্য নাই, তেন্তে জীৱ সৰ্ব্বজ্ঞ হব লাগিব। ব্ৰহ্মৰ প্ৰতিবিম্ব বেলেগ বেলেগ হলে প্ৰত্যভিজ্ঞা অৰ্থাৎ পূৰ্ব্বদৃষ্ট বা পূৰ্ব্বশ্ৰুতৰ জ্ঞান কাৰো হব নোৱাৰিব। আপুনি যদি কব খোজে যে ব্ৰহ্ম এক কাৰণে স্মৰণ হয়, তেনেহলে কোনো এঠাইত অজ্ঞানতা বা দুঃখ হলে, সমস্ত ব্ৰহ্মৰে অজ্ঞানতা বা দুঃখ হোৱা উচিত। আপোনালোকৰ এনেবোৰ দৃষ্টান্ত ব্ৰহ্মৰ স্বৰূপৰ বিপৰীত, অৰ্থাৎ নিত্য, শুদ্ধ, বুদ্ধ মুক্ত স্বভাৱ ব্ৰহ্মক অশুদ্ধ, অজ্ঞানী আৰু বদ্ধ আদি দোষ যুক্ত আৰু অখণ্ড ব্ৰহ্মক খণ্ড খণ্ড কৰা হয়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নবীন বেদান্তী—নিৰাকাৰৰো আভাস হব পাৰে, দৰ্পণ বা জল আদিত নিৰাকাৰ আকাশৰ যি আভাস পৰে তাক নীলা বা অন্য কিবা বস্তুৰ দেখা যায়—সেইদৰে ব্ৰহ্মৰো সকলো অন্তঃকৰণত আভাস পৰে।

সিদ্ধান্তী—আকাশৰ ৰূপেই নাই, গতিকে আকাশ কোনেও চকুৰে নেদেখে। যি বস্তু দেখাই নেযায়, তাক দৰ্পণ বা জল আদিত কেনেকৈ দেখিব? যি বস্তু সাকাৰ তাৰ ৰং গভীৰেই হ'ক বা অগভীৰেই হওক, দেখা যায়,—যি নিৰাকাৰ তাক দেখাৰ প্ৰশ্নই নাই।

নবীন—ওপৰত যে নীলবৰ্ণ দেখা যায়— তাকেই দৰ্পণত দেখোতাই দেখে, সেইবোৰ তেনেহলে কি বস্তু?

সিদ্ধান্তী—সেইবোৰ পৃথিবীৰ পৰাই আকাশলৈ উঠি যোৱা জল, পৃথিবী আৰু অগ্নিৰ ত্ৰসৰেণু। যৰ পৰা বৰষুণ হয়, তাত জল নহলে বৰষুণ কৰ পৰা হব? দূৰ আকাশত যিবোৰ দৃশ্য দেখা যায়, সেইবোৰ জলচক্ৰ বা পানী-গছা। দূৰৰ পৰা কুঁৱলী ঘন দেখা যায়, কিন্তু ওচৰত নিজৰ চাৰিওফালে পাতল পাতল দেখা যায়। সেইদৰে জলীয় বাষ্পকো দূৰ আকাশত নানা দৃশ্যত দেখা যায়।

নবীন বেদান্তী—তেনেহলে ৰজ্জু, সৰ্প আৰু স্বপ্ন আদিৰ দৃষ্টান্তবোৰ মিছা নেকি?

সিদ্ধান্তী—সেইবোৰ মিছা নহয়, আপোনাৰ ধাৰণা হে মিছা তাক আগতেই কোৱা হৈছে। বাৰু, এতিয়া কওকচোন অজ্ঞান কাৰ হয়!

নবীন বেদান্তী—ব্ৰহ্মৰ।

সিদ্ধান্তী—ব্ৰহ্ম অল্পজ্ঞ নে সৰ্ব্বজ্ঞ? **নবীন**—ব্ৰহ্ম অল্পজ্ঞও নহয় আৰু সৰ্ব্বজ্ঞও নহয়। অল্পজ্ঞতা আৰু সৰ্ব্বজ্ঞতাৰ কাৰণ উপাধিহে।

সিদ্ধান্তী—উপাধি কাৰ?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নবীন —ব্ৰহ্মাৰ ।

সিদ্ধান্তী—তেনেহলে ব্ৰহ্ম অল্পজ্ঞ আৰু সৰ্ব্বজ্ঞ হয় । তেনেহলে কিন্তু হোৱাৰ আগতে আপুনি নহয় বুলিও কৈছিল । যদি আপুনি কব খোজে যে, উপাধি কল্পিত, অৰ্থাৎ মিছা, তেনেহলে কল্পক বা কল্পনাকাৰী কোন হব ! এতিয়া প্ৰশ্ন কৰে, নবীন বেদান্তীয়ে—জীৱ ব্ৰহ্ম, নে আন কিবা ?

সিদ্ধান্তী—আনবস্তু । জীৱ ব্ৰহ্মস্বৰূপ হলে মিছা কল্পনা কৰিব নোৱাৰে, আৰু যি মিছা, কল্পনা কৰে, সি ব্ৰহ্ম হব নোৱাৰে । যাৰ কল্পনাই মিছা, সি কেতিয়াও সত্য হব নোৱাৰে ।

নবীন —আমাৰ মতে সত্য আৰু অসত্য উভয়ে মিছা আৰু বাণীৰ দ্বাৰা কথনো মিছা ।

সিদ্ধান্তী—আপুনি যেতিয়া মিথ্যাবাদী, আৰু মিছা কল্পনাকাৰী তেতিয়া আপুনিয়েই মিছা নহ'ল জানো ?

নবীন —সত্য আৰু মিথ্যা মোৰেই কল্পিত । এই দুয়োৰো ময়েই সাক্ষী আৰু অধিষ্ঠান ।

সিদ্ধান্তী— আপুনি সত্য আৰু মিথ্যাৰ আধাৰ হলে সাধু আৰু অসৎ দুয়ো ৰকমেই হব । গতিকে আপুনি সাক্ষী কেনেকৈ হব ? যি ন্যায় সত্যৰ বিশ্বাস কৰে, আচৰণ কৰে আৰু কেতিয়াও অসত্যৰ আচৰণ নকৰে—তেওঁহে সাক্ষী আৰু সাক্ষীৰ প্ৰমাণ । আপুনি নিজেই নিজৰ বাক্য মিছা বুলি স্বীকাৰ কৰিছে যেতিয়া আপুনি মিথ্যাবাদী ।

নবীন —মায়া অনাদি, ব্ৰহ্মতেই যাৰ আশ্ৰয় আৰু ব্ৰহ্মকেই যি আবৃত কৰি থাকে, সেইকথা আপুনি নিশ্চয় মানে ।

সিদ্ধান্তী—নেমানো । কাৰণ আপুনি মায়াৰ অৰ্থ কৰিছে—যি বস্তু নাই, অথচ ভাসমান হয় । বিবেচনাহীন লোকেহে এনেকুৱা কথা কব

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বা বিশ্বাস কৰিব পাৰে। যি বস্তু নায়েই, তাৰ ভাসমান হোৱা কেতিয়াও সম্ভৱ নহয়। উদাহৰণ স্বৰূপে বন্ধ্যা স্ত্ৰীৰ পুত্ৰৰ কেতিয়াও প্ৰতিবিম্ব হব নোৱাৰে। যাৰ পুত্ৰই জন্ম নহয় তেওঁৰ পুত্ৰৰ প্ৰতিবিম্ব কৰ পৰা হব ? তদুপৰি আপুনি যি কৈছে, সি ছান্দোগ্য উপনিষদত থকা কথাৰ বিপৰীত। তাত আছে "সন্মূলাঃ সোম্যেমাঃ প্ৰজাঃ" ইত্যাদি। অৰ্থাৎ মূল আছিল গতিকে সেই মূলৰ পৰাই এইবোৰ প্ৰজাৰ সৃষ্টি হৈছে।

নবান—বশিষ্ঠ, শঙ্কৰাচাৰ্য্য আৰু নিশ্চলদাস আদি আপোনাতকৈ অধিক বিদ্বান—আমি তেওঁলোকৰ মতকে মানো, আপুনি তেওঁলোকৰ মতো সত্য নহয় বুলি প্ৰতিবাদ কৰিছে।

সিদ্ধান্তী—আপুনি নিজে বিদ্বান্ নে অবিদ্বান্ ?

নবীন—মোৰো সামান্য বিদ্যা আছে।

সিদ্ধান্তী—তেনেহলে আপুনি তেওঁলোকৰ মত যুক্তিৰে প্ৰমান নকৰে কিয় ? তেওঁলোকৰ আৰু আপোনাৰ যুক্তিৰে মোৰ কথাওতো আপুনি খণ্ডন কৰিব পাৰে। আপুনি যদি মোৰ কথা খণ্ডন কৰিব পাৰে আপোনালোকৰ মত মই নিশ্চয় মানিম। যাৰ পক্ষ যুক্তিত অখণ্ডনীয় তাকেই মানা উচিত। মোৰ অনুমান হয় যে, শঙ্কৰাচাৰ্য্যই কেৱল নাস্তিক জৈন মতৰ বিৰুদ্ধেই সেই অদ্বৈত যুক্তি অৱলম্বন কৰিছিল। কাৰণ সমাজৰ হিতৈষী জ্ঞানীসকলে দেশ কাল অনুযায়ী, উদ্দেশ্য সিদ্ধিৰ কাৰণে, নিজৰ মতৰ বিৰুদ্ধেও উপায় অৱলম্বন কৰে। সেয়ে হলে যথাৰ্থ। আৰু যদি তেওঁলোকে জীৱ আৰু ঈশ্বৰৰ একত্ব আৰু জগৎ মিছা বুলি মানে, তেনেহলে তেওঁলোকৰ এই মত সত্য হব নোৱাৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এতিয়া নিশ্চলদাসৰ পাণ্ডিত্য চাওক! "জীৱো ব্ৰহ্মাঽভিন্নশ্চেতনত্বাৎ"। তেওঁ "বৃত্তি প্ৰভাকৰত" লিখিছে যে জীৱ আৰু ব্ৰহ্ম চেতন অৰ্থাৎ দুয়োৰো ধৰ্ম্ম বা গুণ এক গতিকে জীৱ আৰু ব্ৰহ্মা অভিন্ন। এনেবোৰ যুক্তি কেৱল অল্পবুদ্ধিৰহে হব পাৰে। কেৱল সাধৰ্ম্ম্যই ইটো সিটো একত্ব স্থাপন নকৰে। ইটো সিটোৰ বৈধৰ্ম্ম্যই ইটো সিটোক পৃথক কৰে। উদাহৰণ স্বৰূপে কোনোৱে যদি কয় যে "পৃথিবী জলাঽভিন্না জড়ত্বাৎ" অৰ্থাৎ পৃথিবী আৰু জল দুয়ো জড় পদাৰ্থ, গতিকে অভিন্ন। এই যুক্তি যেনে অসঙ্গত, নিশ্চল দাসৰ যুক্তিও তেনে অসঙ্গত। কাৰণ, জীৱ আৰু ব্ৰহ্ম দুয়ো চেতন, চৈতন্য দুয়োৰো একে ধৰ্ম্ম কিন্তু জীৱৰ অল্পত্ব আৰু ভ্ৰান্তিত্ব আদি ধৰ্ম্ম, ব্ৰহ্মৰ বিৰুদ্ধ বা বিপৰীত আৰু ব্ৰহ্মৰ সৰ্ব্বাগত্ব, সৰ্ব্বজ্ঞত্ব, অভ্ৰান্তত্ব আদি ধৰ্ম্ম জীৱৰ, বিৰুদ্ধ। এই বিপৰীত গুণৰ পৰা প্ৰমাণ হয় যে জীৱ আৰু ব্ৰহ্ম পৰস্পৰ ভিন্ন। যেনেকৈ গন্ধবত্ত্ব আৰু কঠিনত্ব আৰু দ্ৰৱত্ব আদি জলৰ গুণৰ বিপৰীত; গতিকে পৃথিবী আৰু আৰু জল একে বস্তু নহয়। সেইদৰে জীৱ আৰু জল একে নহয়। সেইদৰে জীৱ আৰু ব্ৰহ্মৰ বৈধৰ্ম্ম্য থকা গতিকে জীৱ ব্ৰহ্মা একে নহয়। ইয়াৰ দ্বাৰাই নিশ্চল দাসৰ পাণ্ডিত্য বিবেচনা কৰা যায়।

যোগবাসিষ্ঠৰ ৰচয়িতা কোনোবা আধুনিক বেদান্তী হব। যোগবাসিষ্ঠৰ কথা বাল্মীকি, বসিষ্ঠ, বা ৰাম চন্দ্ৰৰ দ্বাৰা কথিত বা শ্ৰুত নহয়। সেই সকলে যি কৈ গৈছে, সকলো বেদৰ অনুকূল। তেওঁলোকে বেদ—বিৰুদ্ধ ৰচনা কৰিব বা শুনিব নোৱাৰে। ইমানলৈকে নবীন বেদান্তীৰ মত আলোচনা কৰা হ'ল।

প্ৰশ্ন—ব্যাসদেৱৰ ৰচিত শাৰীৰিক সূত্ৰতো জীৱ আৰু ব্ৰহ্মৰ একত্ব দেখা যায়ঃ—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সম্পাদ্যাহঽৰ্বিৰ্ভাৱঃ স্বেন শব্দাৎ ॥ ১।
ব্ৰাহ্মেণ জৈমিনিৰুপন্যাসাদিভ্যঃ ॥ ২।
চিতিতন্মাত্ৰেণ তদাত্মকত্বাদিত্যৌডুলোমিঃ ॥ ৩॥
এৱমপ্যুপন্যাসাৎ পুৰ্ব্বভাবাদবিৰোধং বাদৰায়ণঃ ॥ ৪।
অত এব চানন্যাধিপতিঃ ॥ ৫।

(বেদান্ত, অঃ ৪ পাঃ ৪ং সূ ১।৫-৭।৯)

অৰ্থ—জীৱ স্বীয় স্বৰূপ প্ৰাপ্ত হৈ প্ৰকট হয়। জীৱ পূৰ্ব্বে ব্ৰহ্ম-স্বৰূপত আছিল। কাৰণ স্ব শব্দৰ দ্বাৰা ব্ৰহ্মস্বৰূপৰ বোধ হয়॥১॥ **"অয়মাত্মা অপহতপাপ্মা"** ইয়াত উদ্ধৃত বাক্যত ঐশ্বৰ্য্যপ্ৰাপ্তি পৰ্য্যন্ত হেতু দ্বাৰা ব্ৰহ্মস্বৰূপে জীৱ স্থিত হয়, এয়েই জৈমিনি আচাৰ্য্যৰ মত॥২॥ ঔডুলোমি আচাৰ্য্যৰ মতে তদাত্মক স্বৰূপনিৰূপণ আদি বৃহদাৰণ্যকৰ হেতুৰূপ বচন অনুসাৰে, জীৱ চৈতন্যমাত্ৰ স্বৰূপত মুক্তিত স্থিত থাকে॥৩॥ ব্যাসদেৱে পূৰ্ব্বোক্ত উদ্ধৃত ঐশ্বৰ্য্য প্ৰাপ্তিৰূপ হেতু বশতঃ জীৱৰ ব্ৰহ্মস্বৰূপ হোৱা বাবে অবিৰোধ নাই বুলি কয়॥৪॥ যোগীয়ে ঐশ্বৰ্য্যযুক্ত নিজ ব্ৰহ্মস্বৰূপ প্ৰাপ্ত কৰি অন্য অধিপতি ৰহিত অৰ্থাৎ স্বয়ং নিজৰ আৰু সকলোৰে অধিপতিৰূপে ব্ৰহ্মস্বৰূপ পাই মুক্তিত অৱস্থিত থাকে॥৫॥

উত্তৰ—এইবোৰ সূত্ৰৰ অৰ্থ এনেকুৱা নহয়। আচল অৰ্থ শুনক। যেতিয়ালৈকে জীৱই স্বীয় শুদ্ধস্বৰূপ নেপায়, বা পবিত্ৰ হব নোৱাৰে, তেতিয়ালৈকে যোগ বলেৰে ঐশ্বৰ্য্য আৰু নিজৰ অন্তৰ্যামী ব্ৰহ্মক প্ৰাপ্তিৰ আনন্দত স্থিতি পাব নোৱাৰে॥ ১॥

এইদৰে যেতিয়া যোগীয়ে নিষ্পাপ আৰু ঐশ্বৰ্য্যযুক্ত হয়, তেতিয়া ব্ৰহ্মাত্ম স্থিতিত মুক্তিৰ আনন্দ কৰিব পাৰে। এয়েই জৈমিনি আচাৰ্য্যৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মত ॥ ২ ॥ যেতিয়া জীৱই অবিদ্যা আদি দোষৰ পৰা মুক্ত হৈ শুদ্ধ চৈতন্য স্বৰূপত স্থিৰ হয়, তেতিয়া "তদাত্মকত্ব" অৰ্থাৎ ব্ৰহ্মস্বৰূপ সাক্ষাৎ বা সংযোগ লাভ হয় ॥ ৩ ব্যাসদেৱৰো মত এয়েই যে, তেতিয়া জীৱই জীৱন অৱস্থাতেও শুদ্ধ, ঐশ্বৰ্য্য আৰু জ্ঞান যুক্ত হয়—তেতিয়া জীৱ মুক্ত হৈ নিজৰ বিশুদ্ধ স্বৰূপত—আনন্দ ভোগ কৰে ॥ ৪ ॥ যেতিয়া জীৱ সত্য সঙ্কল্প যোগী হয়, তেতিয়া স্বয়ং পৰমেশ্বৰৰ সাক্ষাৎ লাভ কৰি মুক্তি সুখ ভোগ কৰে। সেই অৱস্থাত জীৱ স্বাধীন। সংসাৰত যেনেকৈ কোনো স্বাধীন, আৰু কোনোবা পৰাধীন হয়, মুক্তি অৱস্থাত তেনেকুৱা নহয়; কিন্তু সকলো মুক্ত জীৱৰ একে স্বৰূপ হয় ॥ ৫ ॥ তেনে নহলে—

নেতৰোনুপপত্তেঃ ॥ (১।১।১৬) ১ ॥
ভেদব্যপদেশাচ্চ ॥ (১।১।১৭) ২ ॥
বিশেষণ ভেদব্যপদেশাভ্যাং চ নেতৰৌ ॥ (১।১।২২) ৩ ॥
অস্মিন্নস্য চ তদ্‌যোগং শাস্তি ॥ (১।১।১৯) ৪ ॥
অন্তস্তদ্ধৰ্ম্মোপদেশাৎ ॥ (১।১।২০) ৫ ॥
ভেদব্যপদেশাচ্চান্যঃ ॥ (১।১।২১) ৬ ॥
গুহাং প্ৰৱিষ্টাবাত্মানৌ হি তদ্দৰ্শনাৎ ॥ ১।২।১১) ৭ ॥
অনুপপত্তেস্তু ন শৰীৰঃ ॥ (১।২।৩) ৮ ॥
অন্তৰ্যাম্যাধিদৈবাদিষু তদ্ধৰ্ম্মব্যপদেশাৎ ॥ (১।২।১৮) ৯ ॥
শাৰীৰশ্চোভয়েঽপি হি ভেদেনৈনমধীয়তে ॥ ১।২।২০

(বেদান্ত সূত্ৰ)

অৰ্থ—ব্ৰহ্মতকৈ ভিন্ন ব্ৰহ্মৰ ইতৰ জীৱত সৃষ্টিৰ কৰ্তৃত্ব প্ৰমাণ নহয়। জীৱ অল্পজ্ঞ আৰু অল্পসমৰ্থযুক্ত, গতিকে জীৱ ব্ৰহ্ম নহয় ॥১। "ৰসং হোবায়ং লব্ধানন্দী ভৱতি" এই বচন উপনিষদৰ। জীৱ আৰু ব্ৰহ্ম পৃথক্, কাৰণ এই দুয়োৰো ভেদ প্ৰতিপাদন কৰা হৈছে। ভেদ নহলে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰস অৰ্থাৎ আনন্দ-স্বৰূপ ব্ৰহ্মক পাই জীৱ আনন্দিত হয়, এই প্ৰাপ্তিৰ বিষয় ব্ৰহ্ম আৰু পাওঁতা জীৱৰ নিৰূপণ হব নোৱাৰে। গতিকে জীৱ আৰু ব্ৰহ্ম এক হব নোৱাৰে ॥ ১ ॥

দিব্যো হ্যমূৰ্ত্তঃ পুৰুষঃ স বাহ্যভ্যন্তৰো হ্যজঃ।
অপ্ৰাণো হ্যমনাঃ শুভ্ৰোহ্যক্ষৰাৎ পৰতঃ পৰঃ॥
মুণ্ডকোপনিষদ (২ খঃ ১ মঃ ২)॥

অৰ্থাৎ দিব্য, শুদ্ধ, অমূৰ্ত্ত, সকলোতে পূৰ্ণ, অন্তৰে বাহিৰে নিৰন্তৰ ব্যাপক, অজ, জন্ম-মৰণ শৰীৰ ধাৰণ আদি ৰহিত, শ্বাস-প্ৰশ্বাস শৰীৰ মন সম্বন্ধ ৰহিত, প্ৰকাশস্বৰূপ ইত্যাদি পৰমেশ্বৰৰ বিশেষণ। অক্ষৰ অৰ্থাৎ নাশৰহিত, প্ৰকৃতিতকৈ জীৱ সূক্ষ্ম, জীৱতকৈও পৰমেশ্বৰ সূক্ষ্ম, অৰ্থাৎ সূক্ষ্মাতি সূক্ষ্ম। প্ৰকৃতি আৰু জীৱৰ পৰা ব্ৰহ্মৰ ভিন্নতা প্ৰতিপাদন হৈছে যেতিয়া, প্ৰকৃতি আৰু জীৱ ব্ৰহ্মতকৈ ভিন্ন ॥ ৩ ॥ এই সৰ্ব্বব্যাপক ব্ৰহ্মত জীৱৰ যোগ অথবা জীৱত ব্ৰহ্মৰ যোগ প্ৰতিপাদন হোৱাত জীৱ আৰু ব্ৰহ্ম ভিন্ন। কাৰণ, পদাৰ্থ ভিন্ন ভিন্ন হলেহে যোগ-বিয়োগ হব পাৰে ॥ ৪ ॥ ব্ৰহ্মৰ অন্তৰ্যামিত্ব আদি ধৰ্ম্ম আছে বুলি কোৱা হৈছে। জীৱৰ অভ্যন্তৰত ব্ৰহ্ম ব্যাপক, গতিকে ব্যাপ্য জীৱ ব্যাপক ব্ৰহ্মতকৈ ভিন্ন। ভেদ নহলে ব্যাপ্য-ব্যাপক সম্বন্ধ নঘটে ॥ ৫ ॥ শ্ৰুতিত ভেদ বুলি কোৱা আছে যেতিয়া, জীৱ, আৰু ব্ৰহ্মৰ ভেদকেই বুজিব লাগিব ॥ ৬ ॥

"গুহাং প্ৰবিষ্টৌ সুকৃতস্য লোকে" ইত্যাদি উপনিষদ বচন অনুসাৰে জীৱ আৰু পৰমাত্মা পৃথক্। ইয়াকেই অৰ্থাৎ ভিন্নতাকেই উপনিষদৰ বহুঠাই তপ্ৰদৰ্শন কৰিছে ॥ ৭ ॥ 'শৰীৰে ভবঃ শাৰীৰঃ'; শৰীৰ ধাৰী জীৱ, ব্ৰহ্ম নহয়। কাৰণ ব্ৰহ্মৰ গুণ, কৰ্ম্ম স্বভাব জীৱত নাই ॥ ৮ ॥ অধিদৈব অৰ্থাৎ দিব্য মন আৰু ইন্দ্ৰিয় আদি, অধিভূত অৰ্থাৎ পৃথিবী আদি ভূত আৰু অধ্যাত্ম অৰ্থাৎ সকলো জীৱৰ ভিতৰত পৰমাত্মা অন্তৰ্যামী

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰূপ আছে। কাৰণ পৰমাত্মাৰ ব্যাপকত্ব আদি ধৰ্ম্ম সকলো উপনিষদতেই ব্যাখ্যা কৰা হৈছে ॥ ৯ ॥ শৰীৰধাৰী জীৱ ব্ৰহ্ম নহয়। কাৰণ ব্ৰহ্মৰ পৰা জীৱৰ ভিন্নতা স্বাভাৱিক ভাবেই সিদ্ধ হৈছে।

এনে এইবোৰ শাৰীৰিক সূত্ৰৰ দ্বাৰাও জীৱ আৰু ব্ৰহ্মৰ স্বৰূপৰ ভেদ প্ৰমাণিত হয়। বেদান্তীসকলৰ উপক্ৰম আৰু উপসংহাৰত তেনেকুৱা পৰিণাম নঘটে। কাৰণ "উপক্ৰম" অৰ্থাৎ আৰম্ভ ব্ৰহ্মৰ পৰা আৰু "উপসংহাৰ"—অৰ্থাৎ প্ৰলয় ব্ৰহ্মতেই কৰা হয়। আপুনি যদি ব্ৰহ্মৰ বাহিৰে আন একো স্বীকাৰ নকৰে,—তেন্তে উৎপত্তি আৰু প্ৰলয় ব্ৰহ্মৰেই ধৰ্ম্ম হৈ পৰিব। অৰ্থাৎ ব্ৰহ্মৰেই উৎপত্তি হয় আৰু বিনাশো হয়। কিন্তু বেদাদি শাস্ত্ৰত ব্ৰহ্মৰ উৎপত্তি আৰু বিনাশ নাই বুলিয়ে প্ৰতিপাদন কৰা হৈছে। নিৰ্ব্বিকাৰ, অপৰিণামী, শুদ্ধ, সনাতন আৰু অভ্ৰান্ত আদি গুণ যুক্ত ব্ৰহ্মক বিকাৰ, উৎপত্তি আৰু অজ্ঞান আদি দোষ থকা অসম্ভৱ। ব্ৰহ্মক এনেবোৰ দোষ যুক্ত বুলি ভাবিলে বেদান্তবাদী সকলৰ কেতিয়াও মুক্তি লাভ হব নোৱাৰে। উপসংহাৰ (প্ৰলয়) হোৱাৰ পাছত ব্ৰহ্ম কাৰণাত্মক প্ৰকৃতি, আৰু জীৱ সদায় বিদ্যমান থাকে। গতিকে বেদান্ত বাদীৰ উপক্ৰম উপসংহাৰৰ কল্পনাও সত্য হব নোৱাৰে। বেদান্তবাদী সকলৰ এনেকুৱা অনেক ভ্ৰান্তি পূৰ্ণ কথা আছে, যি শাস্ত্ৰ আৰু প্ৰত্যক্ষ আদি প্ৰমাণ বিৰুদ্ধ।

শৈৱ সম্প্ৰদায় মত

বামাচাৰী সম্প্ৰদায় চলি থাকোঁতে শঙ্কৰাচাৰ্য্যৰ পূৰ্ব্বে এক শৈৱ সম্প্ৰদায় প্ৰচলিত হয়। বিক্ৰমাদিত্যৰ সময়ৰ পৰা শৈৱ সম্প্ৰদায়ৰ প্ৰভাৱ বাঢ়িছিল। বামাচাৰী সম্প্ৰদায়ৰ দশমহাবিদ্যা আদি শাখাৰ দৰে—শৈৱ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সম্প্ৰদায়ৰো পাশুপত আদি নানা শাখা আছিল। শৈৱ সম্প্ৰদায়ৰ মানুহে শঙ্কৰাচাৰ্য্যক শিৱৰ অৱতাৰ বুলিবলৈ ধৰাত শঙ্কৰাচাৰ্য্যৰ অনুগামী সন্ন্যাসী সকলেও শৈৱ মত অৱলম্বন কৰে। বামাচাৰী সকলে শিৱ-পত্নীৰ উপাসনা কৰে আৰু শৈৱসকলো মহাদেৱৰ উপাসক হ'ল। এই দুই সম্প্ৰদায়েই এতিয়াও ৰুদ্ৰাক্ষ আৰু ভস্ম ধাৰণ কৰে। কিন্তু শৈৱসকল বামাচাৰীসকলৰ দৰে বেদ-বিৰোধী নহয়।

ধিক্ ধিক্ কপালং ভস্ম-ৰুদ্ৰাক্ষ-বিহীনম্ ॥ ১।

ৰুদ্ৰাক্ষান্ কণ্ঠদেশে দশনপৰিমিতান্ মস্তকে বিংশতী দ্বে,
ষট্ ষট্ কৰ্ণ-প্ৰদেশে কৰযুগলগতান্ দ্বাদশন্ দ্বাদশৈৱ।
বাহ্বোৰিন্দোঃ কলাভিঃ পৃথগিতি গদিতমেকমেব শিখায়াম্,
বক্ষস্যষ্টাধিকং যঃ কলয়তি শতকং স স্বয়ং নীলকণ্ঠঃ॥

অৰ্থাৎ—যাৰ কপালত ভস্ম আৰু কণ্ঠত ৰুদ্ৰাক্ষ নাই তাক ধিক্। "তং ত্যজেদন্ত্যজং যথা" তাক চণ্ডালবৎ বৰ্জ্জন কৰা কৰ্ত্তব্য ॥১। যি কণ্ঠত বত্ৰিশ, মস্তকত চল্লিশ, কাণত ছটাকৈ, হাতত বাৰটাকৈ বাহুত ষোলটাকৈ, শিখাত এটা আৰু হৃদয়ত এশ আঠটা ৰুদ্ৰাক্ষ ধাৰণ কৰে, তেওঁ সাক্ষাৎ মহাদেৱ তুল্য ॥ ২। সেই বামাচাৰী সম্প্ৰদায়েই পাচত শাক্ত পন্থীৰূপে আত্ম প্ৰকাশ কৰে। আৰু শাক্তয়ো শৈৱৰ দৰেই ৰুদ্ৰাক্ষ ধাৰণ কৰিবলৈ ধৰে। তাৰ পাছত শৈৱ আৰু শাক্ত একেমত হৈ—যোনি আৰু লিঙ্গৰ পূজা প্ৰচলন কৰে, যাক তেওঁলোকে লিঙ্গ আৰু জলাধাৰীৰ পূজা বুলি কয়। সংসাৰত স্বাৰ্থপৰ মানুহে স্বাৰ্থ সিদ্ধি কৰিবলৈ যি কোনো কুকাৰ্য্যকেই কৰিবলৈ কুণ্ঠিত নহয় আৰু তাৰ পৰিণামৰ বিবেচনাও কৰিব নোৱাৰে সৰ্ব্বসাধাৰণ মানুহে পাষাণ মূৰ্ত্তিৰ আৰু যোনি লিঙ্গৰ পূজাতেই ধৰ্ম্ম-অৰ্থ কাম-মোক্ষ সিদ্ধি লাভ হয় বুলি বিশ্বাস

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰিবলৈ ধৰিলে। ৰাজা ভোজৰ পাছত জৈন সকলে আকৌ যেতিয়া মন্দিৰ স্থাপন আৰু মূৰ্ত্তিৰ প্ৰতিষ্ঠা কৰি দৰ্শন স্পৰ্শনৰ কাৰণে যাতায়াত কৰিবলৈ ধৰিলে, তাকেই শৈৱ আৰু শাক্তসকলেও অনুকৰণ কৰিবলৈ লয়। এইদৰে যেতিয়া ভাৰতৰ সমাজত বিভিন্ন মতবাদ, মন্দিৰ আৰু মূৰ্ত্তি পূজাৰ প্ৰচলন হল, তেতিয়াৰ পৰাই স্বাৰ্থপৰ সম্প্ৰদায়বাদী সকলৰ মন্দিৰ আৰু মূৰ্ত্তিপূজা বাণিজ্যৰূপে চলিবলৈ ধৰিলে। সেই সময়ৰ পৰাই আৰ্য্যাবৰ্ত্তৰ পশ্চিম পথেদি যবনসকলৰ আক্ৰমণ আৰু অনুপ্ৰবেশ আৰম্ভ হয়। তেতিয়া বক্-বৃত্তিৰ সম্প্ৰদায়বাদী সকলে কিছুমান শ্লোক ৰচনা কৰিলে; যেনে:—

ন দেদ্যাববনীং ভাষাং প্ৰাণৈঃ কণ্ঠগতৈৰপি।
হস্তিনা তাড্যমানোঽপি নগচ্ছেজ্জৈনমন্দিৰম্ ॥

অৰ্থ—প্ৰাণ গলেও যাবনী অৰ্থাৎ ম্লেচ্ছ ভাষা উচ্চাৰণ নকৰিব। উন্মত্ত হাতীয়ে খেদি আহিলেও প্ৰাণ ৰক্ষা কৰিবলৈও জৈন মন্দিৰত প্ৰৱেশ নকৰিব। এইদৰেই নতুন নতুন মতবাদ আৰু সম্প্ৰদায় প্ৰতিষ্ঠা হল আৰু কাল্পনিক অলৌকিক কাহিনীৰ গ্ৰন্থ ৰচনাও হল।

ভোজ ৰজাৰ ৰাজ্যত কেইজনমান পণ্ডিতে ব্যাস দেৱৰ নামত মাৰ্কণ্ডেয় পুৰাণ, আৰু শিৱ পুৰাণ ৰচনা কৰিছিল। সেই বৃত্তান্ত জানিবলৈ পাই ৰজা ভোজে সেই পণ্ডিত কেইজনৰ হস্তছেদন দণ্ড দিয়ে আৰু ভবিষ্যতে যেয়ে যি লিখে নিজৰ নিজৰ নাম দি লিখিবলৈ আদেশ দিয়ে। ঋষি মুনিৰ নাম দি যাতে— কোনোৱে গ্ৰন্থ ৰচনা নকৰে তাৰ বাবে সতৰ্ক কৰিছিল। এই বিষয়ে ভোজ ৰজা প্ৰণীত "সঞ্জীৱনী" নামৰ ইতিহাসত লিখিত আছে। এই গ্ৰন্থ গোৱালিয়ৰ ৰাজ্যৰ "ভিণ্ড নগৰৰ তেৱাৰী ব্ৰাহ্মণৰ পৰিয়ালত ৰক্ষিত হৈ আছে। সেই গ্ৰন্থত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এই কথাও লিখিত আছে যে ব্যাসদেৱে ৪৪০০ আৰু শিষ্য সকলে ৫৬০০ সৰ্ব্বমুঠ— ১০,০০০ শ্লোকৰ মহাভাৰত ৰচনা কৰিছিল। তাৰ পাছত মহাৰাজ বিক্ৰমাদিত্যৰ সময়ত মহাভাৰতৰ শ্লোকৰ সংখ্যা ২০,০০০ হয়। মহাৰাজ ভোজে তাত লিখিছে যে, তেওঁৰ পিতাকৰ সময়ত মহাভাৰতৰ শ্লোকৰ সংখ্যা বাঢ়ি ২৫,০০০ হয় আৰু তেওঁৰ আধা বয়সৰ সময়ত ৩০,০০০ হেজাৰ হয়। এই দৰে যেতিয়া ঋষি মুনিৰ নাম দি নানা পুৰাণ আদি গ্ৰন্থ ৰচনা হবলৈ ধৰিলে, তেতিয়া আৰ্য্যাবৰ্ত্তবাসী ভ্ৰমজালত সোমাল। পৰিণামত বৈদিক ভাবধাৰাৰ পৰা দেশ ভ্ৰষ্ট হয়। ইয়াৰ পৰা এয়েই প্ৰতীত হয় যে ৰজা ভোজ পৰ্য্যন্ত কিছু পৰিমাণে হলেও বৈদিক সংস্কাৰ আছিল।

ভোজ প্ৰবন্ধত লিখা আছেঃ—

ঘট্যৈকয়া ক্ৰোশদশৈকমশ্বঃ সুকৃত্ৰিমো গচ্ছতি চাৰুগত্যা।
বায়ুং দদাতি ব্যজনং সুপুষ্কলং বিনা মনুষ্যেণ চলত্যজস্ৰম্॥

অৰ্থাৎ ভোজ ৰজাৰ ৰাজ্যত সেই সময়ত সুদক্ষ শিল্পী বৰ্ত্তমান আছিল যি ঘোৰাৰ আকৃতিৰ যন্ত্ৰকলাযুক্ত যান বিশেষ নিৰ্ম্মাণ কৰিব পাৰিছিল। সেই যান্ত্ৰিক যানেৰে ঘণ্টাত প্ৰায় ৮৮ কিলোমিটাৰ যাব পাৰিছিল। সেই যান স্থল আৰু আকাশ দুয়ো পথেৰে যাব পাৰিছিল। এনে এবিধ পাংখা বা বিচনী সাজি উলিয়াইছিল যি যান্ত্ৰিক কলাৰে প্ৰচুৰ পৰিমাণে বতাহ দিব পাৰিছিল। এনেবোৰ কলা কালৰ সোঁতত লোপ পালে।

যেতিয়া সৰ্ব্ব-সাধাৰণৰ মাজত জৈন ধৰ্ম্ম প্ৰচাৰ হ'ল, মানুহে জৈন মন্দিৰলৈ অহা যোৱা কৰিবলৈ ধৰিলে, তেতিয়া বক বৃত্তিধাৰী সকলৰ প্ৰভাৱ কমি আহিল। গতিকে তেওঁলোকে নানা অলৌকিক আখ্যান উপাখ্যানেৰে পুৰাণ ৰচনা কৰে। আৰু অৱতাৰবাদ, মন্দিৰ, মূৰ্ত্তিপূজা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিষয়ৰ গ্ৰন্থ ৰচনা কৰি শাস্ত্ৰ বুলি প্ৰচাৰ কৰিবলৈ ধৰিলে। জৈনৰ ২৪ তীৰ্থঙ্কৰৰ দৰেই ২৪ অৱতাৰৰ আখ্যান ৰচনা কৰি মন্দিৰ স্থাপন আৰু মূৰ্ত্তি পূজাৰ প্ৰচলন কৰে। জৈনৰ আদি আৰু উত্তৰ পুৰাণাদিৰ আহিৰে অষ্টাদশ পুৰাণ পৰিকল্পিত আৰু সেইমতে ৰচিতো হ'ল।

ভোজৰ ৰাজত্বৰ দেড়শ বছৰৰ পাছত বৈষ্ণৱ মতৰ সূত্ৰপাত হয়। কঞ্জৰ কুলত জন্ম লোৱা "শঠকোপ" নামৰ এক ব্যক্তিয়ে এই মতৰ সূত্ৰপাত কৰে। তেওঁৰ পাচত মুনিবাহন আৰু যবনাচাৰ্য্য—এই মতৰ আচাৰ্য্য হয়। তাৰ পাছত ব্ৰাহ্মণ কুলজ চতুৰ্থ আচাৰ্য্য ৰামানুজ হয় আৰু তেওঁৰ পৰাই বৈষ্ণৱ মতে প্ৰাধান্য লাভ কৰে। শৈৱসকলে শিৱপুৰাণ আদি গ্ৰন্থ, শাক্তসকলে দেৱী ভাগৱত আদি, আৰু বৈষ্ণৱসকলে বিষ্ণু পুৰাণাদি ৰচনা কৰে। তেওঁলোকৰ ৰচিত গ্ৰন্থবোৰত নিজৰ নিজৰ নাম থাকিলে হয়তো মানুহে প্ৰামাণিক বুলি গণ্য নকৰিব পাৰে, গতিকে তাত ঋষি-মুনিসকলৰ নাম দিলে। আচলতে এই গ্ৰন্থবোৰ 'পুৰাণ' নহয় নবীন হে। এই তিনিও মতাবলম্বীৰ ভিতৰত পৰস্পৰ যিবোৰ বিবাদ দেখা যায়-সেইদৰেই তেওঁলোকৰ ৰচিত পুৰাণবোৰৰ ভিতৰতো বিবাদ আছে।

দেৱীভাগৱতত শ্ৰীপুৰৰ অধিষ্ঠাত্ৰী "শ্ৰী" নামৰ এক দেৱীৰ উল্লেখ আছে। তেওঁৱেই ব্ৰহ্মা, বিষ্ণু, মহাদেৱ আৰু সমগ্ৰ জগৎ সৃষ্টি কৰিছে। প্ৰথমে দেৱীৰ ইচ্ছা হোৱাত হাত দুখন ঘঁহিলে আৰু তাৰ পৰা হাতত এটা ফোঁটা অৰ্থাৎ পানী জোলা উৎপন্ন হল, সেই পানী জোলাৰ পৰা ব্ৰহ্মাৰ জন্ম হয়। দেৱীয়ে ব্ৰহ্মাক কলে "তুমি মোক বিবাহ কৰা।" ব্ৰহ্মাই কলে "তুমি মোৰ মাতৃ; গতিকে বিবাহ কৰিব নোৱাৰো।" দেৱী ক্ৰুদ্ধা হৈ পুত্ৰক ভস্ম কৰে। দ্বিতীয় বাৰ দেৱীয়ে হাত ঘঁহিলে, আগৰ দৰেই এক পানী জোলা হল, তাৰ পৰা বিষ্ণু উৎপন্ন হ'ল। সেই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিষ্ণুৰেও আগৰ দৰে বিয়া কৰিবলৈ অমান্তি হোৱাত বিষ্ণুকো ভস্ম কৰে। তৃতীয়বাৰ সেইদৰেই মহাদেৱ হয়। মহাদেৱকো বিবাহ কৰিবলৈ কোৱাত মহাদেৱে কলে, "তুমি মোৰ মা, বিবাহ কৰিব নোৱাৰোঁ। গতিকে তুমি অন্য স্ত্ৰীৰ দেহ ধাৰণ কৰা।" দেবীয়ে সেই মতে অন্য দেহ ধাৰণ কৰে। তেতিয়া মহাদেৱে সোধে "এই দুই স্থানত ভস্মৰ দৰে এইবোৰ কি?" দেবীয়ে কলে,—"এই দুই তোমাৰ অগ্ৰজ, মোৰ আজ্ঞা পালন নকৰাত ভস্ম কৰিছো।" তেতিয়া মহাদেৱে কলে, "মই অকলে কি কৰিম, মোৰ অগ্ৰজ দুজনকো জীৱিত কৰা আৰু দুজনী স্ত্ৰী সৃষ্টি কৰা তেতিয়া আমাৰ তিনিওৰো বিবাহ হব পাৰিব। দেবীয়েও সেই মতে কৰাত তিনিও বিবাহ কৰে। মাতাৰূপে বিবাহ নকৰি ভগ্নীৰূপে বিবাহ কৰিলে। তাৰ পাছত ইন্দ্ৰ আদিক সৃষ্টি কৰি ব্ৰহ্মা, বিষ্ণু, মহাদেৱ আৰু ইন্দ্ৰক পাল্কী বাহক কৰে। এতিয়া প্ৰশ্ন হ'ল—দেবীৰ দেহ আৰু শ্ৰী পুৰুষ সৃষ্টি কৰিলে কোনে? দেবীৰ পিতা-মাতা কোন? যদি স্বয়ম্ভূ, অনাদি বুলি কয়—সংযোগ জাত বস্তু কেতিয়াও অনাদি হব নোৱাৰে। মাতা-পুত্ৰই বিবাহ নকৰি ভ্ৰাতা-ভগ্নী হৈ বিয়া কৰিলে। এইবোৰ কেৱল মনে গঢ়া কল্পনাহে!

দেৱীভাগৱতত যেনেকৈ দেৱীৰ মহত্ব বৰ্ণনা কৰি মহাদেৱ, বিষ্ণু ব্ৰহ্মা আদিৰ হীনতা প্ৰতিপন্ন কৰিছে, সেইদৰেই শিৱপুৰাণত দেৱী আদিৰ হীনতা বৰ্ণনা কৰি—মহাদেৱক সকলোৰে ঈশ্বৰৰূপে প্ৰতিষ্ঠা কৰিছে। তাত লিখা মতে যদি ৰুদ্ৰাক্ষ আৰু ভস্ম ধাৰণ কৰিলেই মুক্তি হয়, তেন্তে ছাইত শোৱা পশুবোৰৰ মুক্তি নহয় কিয়?

প্ৰশ্ন—"কালাগ্নিৰুদ্ৰোপনিষদত ভস্ম লেপনৰ যি বিধি আছে সি মিছা নেকি? "ত্ৰ্যায়ুষং জমদগ্নেঃ", ইত্যাদি যজুৰ্বেদৰ বেদ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মন্ত্ৰত ভস্মধাৰণৰ বিধান আছে। আৰু পুৰাণত কোৱা আছে যে ৰুদ্ৰৰ চকুৰ পৰা অশ্ৰু পৰি যি বৃক্ষ হৈছিল তাৰ নাম ৰুদ্ৰাক্ষ। গতিকে ৰুদ্ৰাক্ষ ধাৰণ কৰিলে পূণ্য হয় বুলি লিখিত আছে। এটা মাত্ৰ ৰুদ্ৰাক্ষ ধাৰণ কৰিলেও সকলো পাপৰ পৰা মুক্ত হৈ স্বৰ্গ লাভ কৰিব পাৰি, যমৰাজ আৰু নৰকৰ ভয় আৰু নেথাকে।

উত্তৰ–যিজনে "কালাগ্নিৰুদ্ৰোপনিষৎ" ৰচনা কৰিছে তেওঁ কোনোবা ভস্মধাৰীয়েই হব। কাৰণ "যস্য প্ৰথমা ৰেখা সা ভূৰ্লোকঃ," ইত্যাদি যি বচন সেই গ্ৰন্থত আছে সি অৰ্থহীন। প্ৰতিদিনে হাতেৰে দিয়া ভস্ম-ৰেখা কেনেকৈ ভূলোক বা ভূলোক বাচক শব্দ হব পাৰে? আৰু যি "ত্ৰ্যায়ুষং জমদগ্নেঃ" ইত্যাদি বেদ মন্ত্ৰ আছে, তাৰ অৰ্থ ভস্ম বা ত্ৰিপুণ্ড্ৰ ধাৰণ নহয়, তাৰ আচল অৰ্থ শতপথ ব্ৰাহ্মণত এনেদৰে কৰিছে—"চক্ষুৰ্বৈঃ জমদগ্নিঃ"। গতিকে বেদমন্ত্ৰৰ অৰ্থ হল "হে পৰমেশ্বৰ! আমাৰ নেত্ৰৰ জ্যোতিঃ (ত্ৰ্যায়ুষম্) তিনি গুণ অৰ্থাৎ তিনি শ বছৰ পৰ্য্যন্ত থাকক; আৰু আমিও সেইদৰে পুণ্য কৰ্ম্ম কৰিব লাগে—যাতে আমাৰ দৃষ্টি নাশ নহয়। অশ্ৰু পাতৰ পৰা বৃক্ষ উৎপত্তি হয় বুলি কেৱল জড় বুদ্ধিৰ লোকৰ বাহিৰে আন কোনেও কব নোৱাৰে। সৃষ্টি-ক্ৰম বা সৃষ্টি বিকাশৰ নীতি-ক্ৰম আছে, নীতিক্ৰম মতেই সকলো উৎপত্তি হয়, তাৰ অন্যথা কোনেও কৰিব নোৱাৰে। সৃষ্টিৰ নীতি অনুসাৰে যি গছৰ যি বীজ ৰচিত হৈছে সেই বীজৰ পৰা সেই গছহে উৎপন্ন হয়। তাৰ বিপৰীত নহয়। গতিকে ৰুদ্ৰাক্ষ, ভস্ম, তুলসী, কমলাক্ষ, ঘাঁহ, বন, চন্দন আদি ধাৰণ কৰাত কোনো ৰোগ বিশেষ দূৰ হব পাৰে, কিন্তু পুণ্য হব নোৱাৰে। বামাচাৰী আৰু শৈৱ পন্থৰ যি সকল বিবেচনাশীল পুৰুষে এনেবোৰ কথাত বিশ্বাস নকৰে সেই সকল সৎপুৰুষ। ৰুদ্ৰাক্ষ আৰু ভস্ম ধাৰণ কৰিলে যদি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যমদূতেও ভয় কৰে, তেনেহলে কুকুৰ, সাপ, মাখি মহে ভয় নকৰে কিয়? যদি এইবোৰে ভয় নকৰে তেনেহলে বিচাৰ পতি ধৰ্ম্মৰাজ যমে ভস্ম আৰু ৰুদ্ৰাক্ষ ধাৰীক ভয় কৰিব কিয় ?

প্ৰশ্ন—বামাচাৰী আৰু শৈৱসকল জানিবা নিন্দনীয়ই হ'ল বৈষ্ণৱ সকলতো নিন্দনীয় হব নোৱাৰে।

উত্তৰ— বৈষ্ণৱ সকলো বেদ বিৰোধী; গতিকে আপেক্ষিকভাৱে নিন্দনীয়।

প্ৰশ্ন— "নমস্তে ৰুদ্ৰমন্যবে"। "বৈষ্ণৱমসি"। "বামনায় চ"। গণানাং ত্বা গণপতিং হবামহে।" "ভগৱতী ভূয়াঃ।" সূৰ্য্য আত্মা জগতস্তস্থূষশ্চ।" এইবোৰ বেদ বাক্যৰ প্ৰমাণেৰে শৈৱ আদি মত সিদ্ধ হয়। আপোনাৰ প্ৰতিবাদ কৰাৰ যুক্তি কি?

উত্তৰ— এইবোৰ বেদ বচনৰ দ্বাৰাই শৈৱ আদি সম্প্ৰদায় সিদ্ধি হ'ব নোৱাৰে। কাৰণ "**ৰুদ্ৰ**", পৰমেশ্বৰ, প্ৰাণ আদি বায়ু, জীৱ, অগ্নি আদিৰ নাম। যি বিতুষ্ট হৈ দুষ্টবোৰক ৰোদন কৰায় সেই ৰুদ্ৰ পৰমাত্মাক নমস্কাৰ, প্ৰাণ আৰু জাঠৰাগ্নিক অন্ন দিব লাগে, (নম ইতি অন্ন নাম—নিঘণ্টু ২। ৭), যি মঙ্গলকাৰী, যি সমস্ত জগতৰ হিতকাৰী সেই পৰমাত্মাক নমস্কাৰ।

"শিৱস্য পৰমেশ্বৰস্যায়ং ভক্তঃ শৈৱঃ।" "বিষ্ণোঃ পৰমাত্মনোহয়ং ভক্তো বৈষ্ণৱঃ।" "গণপতেঃ সকল জগৎ স্বামিনোহয়ং সেৱকো গাণপতঃ।" "ভগৱত্যা বাণ্যা অয়ং সেৱকঃ ভাগৱতঃ।" "সূৰ্য্যস্য চৰাচৰাত্মনোহয়ং সেৱকঃ সৌৰঃ।" ৰুদ্ৰ, শিৱ, বিষ্ণু, গণপতি আৰু সূৰ্য্য আদি পৰমেশ্বৰৰ নাম আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ভগৱতী সত্য-বাণীৰ নাম। যথাযথ অৰ্থ নুবুজাৰ কাৰণেই বাদ-বিবাদ হয়। এক পৰমেশ্বৰৰ বিভিন্ন লাক্ষণিক নাম, আৰু মূল বস্তু এক; এক পুৰুষৰে দুই পদৰ দৰে। অখণ্ড সচ্চিদানন্দ, অনন্তস্বৰূপ পৰমাত্মাৰ বিষ্ণু, ৰুদ্ৰ আদি অনেক নাম। এইবোৰ নামৰ অৰ্থ প্ৰথম সমুল্লাসত বৰ্ণনা কৰা হৈছে। তাত্ত্বিক অৰ্থ নুবুজি, নামে প্ৰতি একোটা সম্প্ৰদায়ত বিভাগ হৈ পৰস্পৰ নিন্দা আৰু বিবাদ কৰিব লগা হৈছে। জগতৰ ঈশ্বৰ এজনৰ বাহিৰে কেৱা জনো হ'ব নোৱাৰে। এজনৰে সৰ্ব্বজ্ঞত্ব সৰ্ব্বেশ্বৰত্ব জগদীশ্বৰত্ব আদি গুণ, কৰ্ম্ম স্বভাৱ অনুসাৰে অনেক নাম। যথাৰ্থ জ্ঞান নহলে আৰু এক ঈশ্বৰৰ বিভিন্ন নামত বাদ বিবাদ কৰিলে ঈশ্বৰ প্ৰসন্ন হোৱাৰ পৰিবৰ্ত্তে অপ্ৰসন্ন হে হ'ব।

চক্ৰাঙ্কিত বৈষ্ণৱ সকলৰ বিচিত্ৰ লীলাঃ—

তাপঃ পুণ্ড্ৰং তথা নাম মালা মন্ত্ৰস্তথৈৱ চ।
অমী হি পঞ্চ সংস্কাৰাঃ পৰমৈকান্তহেতৱঃ॥
অতপ্ততনুৰ্ন তদামো অশ্নুতে। ইতি শ্ৰুতেঃ।

(ৰামানুজ পটল পদ্ধতৌ)।

তাপ— অৰ্থাৎ শঙ্খ, চক্ৰ, গদা, পদ্মৰ চিহ্ন অঙ্কিত লো অগ্নিত গৰম কৰি বাহুত দাগ দিয়াৰ পাছত সেই গৰম লো দুগ্ধপূৰ্ণ পাত্ৰত শীতল কৰা হয় আৰু সেই দুগ্ধামৃত পান কৰে। সেই গৰম লোত নৰমাংসৰ স্বাদ বা ৰস কিঞ্চিৎ পৰিমাণে হলেও থকাৰ সম্ভৱ, সেই দুগ্ধ অমৃত বুলি পান কৰে। তেওঁলোকৰ মতে সেই দৰে শৰীৰত চিহ্ন অঙ্কন নকৰিলে আমঃ— অৰ্থাৎ অপৰিপক্ক হৈ থাকে বা অসিদ্ধ হৈ থাকে; সেইকে তেওঁৰ পৰমেশ্বৰ সাক্ষাৎ লাভ হব নোৱাৰে। যেনেকৈ কোনো ৰাজ্যৰ ৰাজ মোহৰৰ চাব লগত থাকিলে তেওঁক ৰাজ কৰ্ম্মচাৰী বুলি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সকলোৱে ভয়, সন্মান কৰে, সেই দৰে বিষ্ণুৰ শংখ চক্ৰ প্ৰভৃতিৰ চিহ্ন আদি গাত থাকিলে যম আৰু যমদূতেও সেইজনলৈ ভয় কৰে। এই বিষয়ে এটা দোহা আছেঃ—

বানা বড়া দয়াল কা, তিলক ছাপ ঔৰ মালা।
যম ডৰপে কালু কহে, ভয় মানে ভূপাল॥

অৰ্থাৎ ভগবানৰ ভেশ, তিলক, ছাপ, আৰু মালা ধাৰণ কৰা পুণ্য কৰ্ম্ম। সেইবোৰ দেখি জীৱনত নৰ-ৰজা আৰু মৰণত যমৰাজেও ভয় কৰে।

এই দৰেই পুণ্ড্ৰ অৰ্থাৎ কপালত দুডাল উৰ্দ্ধ ৰেখা আঁকি চেলাউৰিৰ মাজত দুয়োডালৰ মুৰ গোলাকাৰ কৰি মিলাই দিয়া, নাম অৰ্থাৎ নাৰায়ণ দাস, বিষ্ণু দাস, আদি দাস শব্দান্ত নাম ৰখা, মালা অৰ্থাৎ পদ্মবীজৰ মালা ধাৰণ, আৰু পঞ্চমতে "মন্ত্ৰ" যেনে ওম্ নমো নাৰায়ণায়"॥ ১॥ (এইটো সাধাৰণ মানুহৰ কাৰণে) আৰু শ্ৰীমন্নাৰায়ণ চৰণং শৰণং প্ৰপদ্যে॥ শ্ৰীমতে নাৰায়ণায় নমঃ ॥ ২॥ শ্ৰীমতে ৰামানুজায় নমঃ॥ ৩॥ ইত্যাদি মন্ত্ৰ ধনী আৰু সন্তান্ত সকলৰ কাৰণে ৰচনা কৰিছে।

এইবোৰক এক প্ৰকাৰ জীৱিকাৰেই কৌশল বিশেষ বুলিব লাগে। যেনেকুৱা মুখ তেনেকুৱা তিলক। এই পাচ বিধ সংস্কাৰক চক্ৰাঙ্কিত বৈষ্ণৱে মুক্তিৰ সাধন বুলি মানে। মন্ত্ৰবোৰৰ অৰ্থঃ— আমি নাৰায়ণক নমস্কাৰ কৰোঁ॥ ১॥ আমি লক্ষ্মী যুক্ত নাৰায়ণৰ চৰণাৰবিন্দত শৰণ লৈছো॥ ২॥ আমি শ্ৰীশোভা যুক্ত নাৰায়ণক নমস্কাৰ কৰিছো॥ ৩॥

বামাচাৰী সকলে যেনেকৈ পঞ্চ মকাৰক সাধন বুলি মানে, চক্ৰাঙ্কিত বৈষ্ণৱ সকলেও সেই দৰে পাঁচ সংস্কাৰক সাধন বুলি মানে। তেওঁলোকে শঙ্খ, চক্ৰ আদিৰ দাগ দিবৰ কাৰণে যি বেদ মন্ত্ৰৰ প্ৰমাণ উল্লেখ কৰে সেই মন্ত্ৰ হ'ল এইঃ—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পাবত্রং তে বিততং ব্রহ্মণস্পতে প্রভুর্গাত্রাণি পর্য্যেষি বিশ্বতঃ। অতপ্ততনূর্ন তদামো অশ্নুতে শৃতাস ইদ্বহন্ত স্তৎসমাশত ॥১॥ তপোষ্পবিত্রং বিততং দিবস্পদে ।।২।।

(ঋঃ মঃ ৯, সূঃ ৮৩, মঃ ১-২) ॥

অৰ্থ— হে ব্ৰহ্মাণ্ডপতে! সৰ্ব্বশক্তিমান্ প্ৰভো! তুমি নিজৰ ব্যাপ্তিৰে জগতৰ সকলো অবয়ব পৰিব্যাপ্ত হৈ আছা। শম, দম, সত্য ভাষণ, ব্ৰহ্মচৰ্য্য আদি তপেৰে নিজৰ আত্মাক যিজনে পৰিপক্ক কৰিব পৰা নাই, তেওঁৰ কাৰণে তোমাৰ সৰ্ব্বব্যাপক শুদ্ধ, সূক্ষ্ম স্বৰূপ অলভ্য। তপশ্চৰ্য্যাৰ দ্বাৰা বিশুদ্ধ হোৱা আত্মাই তপশ্চৰ্য্যাতেই তোমাৰ শুদ্ধ স্বৰূপ উপলব্ধি কৰে।২।। এই সৃষ্টিত পৰিব্যাপ্ত প্ৰকাশ স্বৰূপ পৰমাত্মাৰ পোৱাৰ দ্বাৰে তপস্যাৰ দ্বাৰা বিশুদ্ধ হোৱা সকলেহে পৰমাত্মাক পাবৰ যোগ্য ।।২।।

এতিয়া ভাবি চাওক, ৰামানুজ আদি বৈষ্ণৱবাদীসকলে এই বেদ মন্ত্ৰৰে চক্ৰ আদি অঙ্কনৰ সমৰ্থনত কেনেকৈ প্ৰমাণ কৰিব পাৰে? তেওঁলোক যথাৰ্থ বিদ্বান্ হলে এই বেদ মন্ত্ৰৰ তেনেকুৱা অসঙ্গত অৰ্থ নকৰিলেহেঁতেন। এই মন্ত্ৰত "অতপ্ততনুঃ" শব্দহে আছে "অতপ্ত ভূজৈকদেশঃ" নাই। আৰু "অতপ্ততনূঃ" এই শব্দৰ অৰ্থ নখৰ পৰা শিখলৈকে সমস্ত তনুক (শৰীৰক) বুজায়—, এক অঙ্গক তনু নোবোলে। আৰু যদি চক্ৰাঙ্কিত বৈষ্ণৱসকলে এই মন্ত্ৰৰ "তাপ" মানে "অগ্নিৰ তাপ" বুলি অৰ্থ কৰে—তেন্তে তেওঁলোক প্ৰজ্বলিত অগ্নিত নিজৰ তনু বিশুদ্ধ কৰা উচিত। তেনে অৰ্থ কৰিলেও ভুল নহব পাৰে। কাৰণ বেদ শাস্ত্ৰ মতে দেহ আৰু আত্মাক তপস্যাৰেহে পবিত্ৰ কৰা যাব পাৰে—অগ্নিৰে নহয়।

ঋতং তপঃ সত্যং (তপঃ শ্ৰুতং তপঃ শান্তং)
তপো দমস্তপঃ স্বাধ্যায়স্তপঃ ॥ তৈত্তিৰীয়ঃ প্ৰঃ ১০।অঃ ৮।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ঋতং তপঃ অৰ্থাৎ যথাৰ্থ শুদ্ধভাৱ, সত্য শ্ৰৱণ, সত্য ভাষণ, সত্য আচৰণ, ইন্দ্ৰিয় সংযম, স্বাধ্যায় এইবোৰকেই তপ বোলে। কোনো ধাতুক তপ্ত কৰি দেহৰ চৰ্ম্ম দগ্ধ কৰাক 'তপ' নোবোলে। বৈষ্ণৱ সম্প্ৰদায়ো কেৱা ভাগত বিভক্ত হল, তাৰ ভিতৰত চক্ৰাঙ্কিতসকলে সৰ্ব্ব-শ্ৰেষ্ঠ বুলি ভাবে, কিন্তু তেওঁলোকৰ পৰম্পৰা চলি অহা কুআচৰণৰ প্ৰতি লক্ষ্য নাই।

চক্ৰাঙ্কিত সম্প্ৰদায়ৰ প্ৰবৰ্ত্তক শঠকোপ। তেওঁৰ জন্ম কঞ্জৰ কুলত, চক্ৰাঙ্কিত সম্প্ৰদায়ৰ গ্ৰন্থ সমূহত আৰু ভক্ত-মালাত লিখা আছে:—

বিক্ৰীয় শূৰ্পং বিচচাৰ যোগী।

অৰ্থাৎ শঠকোপ যোগীয়ে কুলা সাজি বেচি ফুৰিছিল। সম্ভৱ কঞ্জৰ কুলত জন্ম হোৱাৰ কাৰণে ব্ৰাহ্মণ পণ্ডিতৰ ওচৰত অধ্যয়ন আৰু শ্ৰৱণৰ পৰা বঞ্চিত হৈ ব্ৰাহ্মণৰ বিৰুদ্ধে তিলক আৰু চক্ৰ অঙ্কনৰ প্ৰচলন কৰে, যিবোৰ শাস্ত্ৰৰ বিৰুদ্ধ কাৰ্য্য। ভক্ত মালৰ ৰচয়িতাৰ নাম নাভা; জন্ম কুল "ডোম", যি কুলৰ, তেতিয়াৰ সমাজত সম অধিকাৰ নাছিল। শঠকোপৰ শিষ্য "মুনিবাহন" যাৰ জন্ম চাণ্ডাল কুলত। মুনিবাহনৰ শিষ্য "যাবনাচাৰ্য" যি পাছত "যাবুনাচাৰ্য্য" নামেও জনাজাত হৈছিল। তাৰ পাছত ব্ৰাহ্মণ কুলজ "ৰামানুজ" চক্ৰাঙ্কিত বৈষ্ণৱৰ আচাৰ্য্য হয়। ইয়াৰ আগতেই কেইখনমান মাতৃ ভাষাত গ্ৰন্থ ৰচিত হৈছিল কিন্তু ৰামানুজ সংস্কৃতৰ পণ্ডিত আছিল। গতিকে তেওঁ শঙ্কৰাচাৰ্য্যৰ উপনিষদৰ আৰু শাৰীৰিক সূত্ৰৰ টীকাৰ বিৰুদ্ধে সংস্কৃতত টীকা লিখিছিল।

শঙ্কৰাচাৰ্য্য মত— অদ্বৈত। অৰ্থাৎ জীৱ আৰু ব্ৰহ্ম এক, অন্য এটা দ্বিতীয় বস্তু নাই, জগৎ প্ৰপঞ্চ সকলো মিছা, মায়ারূপ আৰু অনিত্য। ৰামানুজ আচাৰ্য্যৰ মত ইয়াৰ বিপৰীত অৰ্থাৎ জীৱ ব্ৰহ্ম আৰু মায়া এই তিনটাই নিত্য। এতিয়া চিন্তা কৰি চাওক, শঙ্কৰাচাৰ্য্যৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মতে এক ব্ৰহ্মৰ বাহিৰে জীৱ আৰু জগতৰ কাৰণ নেমানিলে সঙ্গতি নোলায়। শঙ্কৰাচাৰ্য্যৰ বিৰুদ্ধে ৰামানুজৰ বিশিষ্ট অদ্বৈতবাদ অৰ্থাৎ—জীৱ আৰু মায়াৰে সৈতে পৰমেশ্বৰ এক, বুলিছে অথচ তিনিটাৰেই ভিন্ন ভিন্ন অস্তিত্বও স্বীকাৰ কৰিছে, আৰু অদ্বৈতো বুলিছে, গতিকে যুক্তিহীন সিদ্ধান্ত। জীৱক সদায় ঈশ্বৰৰ অধীন বোলাৰো অৰ্থ নাই।

ইপিনে কণ্ঠী, তিলক, মালা আৰু মূৰ্ত্তি পূজা আদিও মানে। দেখা যায় চক্ৰাঙ্কিত বৈষ্ণৱৰ সিদ্ধান্ত যিমান বেদ বিৰুদ্ধ, শঙ্কৰাচাৰ্য্যৰ সিদ্ধান্ত বেদ বিৰুদ্ধ নহয়; ইমানেই পাৰ্থক্য।

প্ৰশ্ন— মূৰ্ত্তি পূজাৰ কেনেকৈ প্ৰচলন হ'ল ?

উত্তৰ— জৈন সকলক অনুকৰণ কৰি।

প্ৰশ্ন— জৈনসকলে কৰ পৰা প্ৰচলন কৰিলে ?

উত্তৰ— তেওঁলোকৰ অজ্ঞতাৰ পৰা।

প্ৰশ্ন—জৈনসকলৰ মতে শান্ত ধ্যানাস্থিত মূৰ্ত্তি দৰ্শন কৰিলেও নিজৰ আত্মাৰ পৰিণাম শুভ হয়।

উত্তৰ— জীৱ হ'ল চেতন, মূৰ্ত্তি জড়। জড় মূৰ্ত্তি দেখি জীৱেও জড় হৈ যাব নেকি ? মূৰ্ত্তি পূজা ভ্ৰান্ত ধাৰণা বিশেষ, জৈন সকলৰ পৰাই প্ৰবৰ্ত্তিত হৈছে, এই বিষয়ে দ্বাদশ সমুল্লাসত সমালোচন কৰা হব।

প্ৰশ্ন—শাক্ত, বৈষ্ণৱ, আৰু শৈৱ সম্প্ৰদায়ৰ মূৰ্ত্তি জৈন মূৰ্ত্তিৰ দৰে নহয়।

উত্তৰ—একে নহয় সচাঁ, কাৰণ জৈন মূৰ্ত্তিৰ অনুকৰণ কৰিলে সকলো জৈন হৈ যাব, গতিকে জৈনৰ বিপৰীতে নিজৰ নিজৰ সাম্প্ৰদায়িক ধাৰণা অনুৰূপে মূৰ্ত্তি নিৰ্ম্মাণ কৰা হৈছে। সেই সময়ত জৈনৰ বিৰুদ্ধ আচৰণ কৰাটো বৈষ্ণৱাদিৰ আৰু বৈষ্ণৱাদিৰ বিৰুদ্ধতা কৰাটোৱেই জৈন সকলৰো প্ৰধান কাম আছিল। জৈনসকলে মূৰ্ত্তিবোৰ বিবস্ত্ৰ,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ধ্যানাবস্থিত, আৰু সংসাৰ বিৰাগী মনুষ্যৰ আকৃতি বিশিষ্ট কৰি নিৰ্ম্মাণ কৰে। আনহাতে বৈষ্ণৱ সকলে তাৰ বিপৰীত শৃঙ্গাৰ ৰস ব্যঞ্জক, ভোগ-বিলাসৰ আসক্তি সূচক আকৃতি বিশিষ্ট, দণ্ডায়মান আৰু উপবিষ্ট মূৰ্ত্তি নিৰ্ম্মাণ কৰে। জৈনসকলে শঙ্খ, ঘণ্টা, কাঁহ আদি বাদ্য নবজায়। বৈষ্ণৱ শাক্ত আদিয়ে নানা বাদ্য বজাই মহা কোলাহল কৰে। শাক্ত আৰু শৈৱসকলেও নিজৰ নিজৰ সাম্প্ৰদায়িক কল্পনা অনুসাৰেই মূৰ্ত্তি নিৰ্ম্মাণ কৰে। এইদৰে প্ৰতিযোগিতা চলাত সৰ্ব্ব সাধাৰণ জৈনমতৰ অনুগামী সকল জৈনৰ জালৰ পৰা মুক্ত হৈ বৈষ্ণৱ শাক্ত, শৈৱ আদিৰ জালত আবদ্ধ হয়। লগে লগে ব্যাস আদি মহৰ্ষিসকলৰ নাম দি মনে গঢ়া নানা আখ্যান উপাখ্যান ৰচনা কৰিবলৈ ধৰিলে। সেই নব ৰচিত গ্ৰন্থ বোৰক পুৰাণ নাম দি পাঠ শুনাবলৈ আৰম্ভ কৰিলে। আৰু এক বিচিত্ৰ মায়া ৰচনা কৰিলে যে, শিলৰ বা কোনো ধাতুৰ মূৰ্ত্তি গোপনে পৰ্ব্বত অথবা কোনো বিশেষ স্থানত পুতি থৈ, পাছত শিষ্য অনুগামী সৰ্ব্ব-সাধাৰণ মানুহৰ আগত ঘোষণা কৰে যে, মহাদেৱ, পাৰ্ব্বতী, ৰাধাকৃষ্ণ সীতাৰাম, লক্ষ্মীনাৰায়ণ, ভৈৰৱ, বা হনুমানে স্বপ্নত কৈছে—"মই অমুক স্থানত আছো, মোক তাৰ পৰা আনি কোনো মন্দিৰত স্থাপন কৰি পূজা কৰিলে বা যথা স্থানতেই মন্দিৰ পাতি পূজাৰ ব্যৱস্থা কৰিলে, তোমাৰ মনোবাঞ্ছা পূৰ্ণ কৰিম।" তাকেই জ্ঞানান্ধ, ধনী দুঃখী জনসাধাৰণে বিশ্বাস কৰে আৰু সেই মূৰ্ত্তি বিচাৰি পাই আচৰিত হয়। অথবা অন্ধবিশ্বাসী জনসাধাৰণক লগত লৈ গৈ সেই ধূৰ্ত্তই নিজেই দেখুৱাই দিয়ে। তেতিয়া সকলোৰে তেওঁক আচল সিদ্ধ পুৰুষ বুলি বিশ্বাস কৰি তেওঁৰ শৰণাপন্ন হয়। সকলোৰে যথা সম্ভৱ ধন সম্পত্তি ব্যয় কৰি মন্দিৰ সজাই দি পূজা কৰিবলৈ আৰম্ভ কৰে, সকলোৰে নিজৰ নিজৰ মনোবাঞ্ছা পূৰ্ণ কৰিবলৈ ধন সোণ, ভোজ্য বস্তু উছৰ্গা কৰি, সেই বক বৃত্তিধাৰীক সমৰ্পণ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰে। এইদৰে ছল চক্রান্ত কৰি ধূর্ত্তসকলে বিভিন্ন মূর্ত্তি স্থাপন কৰি লৈ নিজৰ নিজৰ জীৱিকা আৰ্জ্জন কৰিবলৈ ধৰিলে।

প্ৰশ্ন—পৰমেশ্বৰ নিৰাকাৰ, গতিকে তেওঁক কেনেকৈ চিন্তা কৰিব? সেইবাবে এটা মূৰ্ত্তিত ধ্যান কৰা উচিত। ধৰক, মূৰ্ত্তি পূজা নকৰিও যদি কোনোৱে মূৰ্ত্তি দেখি কৰযোৰে পৰমেশ্বৰক স্মৰণ কৰে বা নাম লয়, তাত কি ক্ষতি হব পাৰে?

উত্তৰ—পৰমেশ্বৰ নিৰাকাৰ আৰু সৰ্ব্বব্যাপক; যাৰ মূৰ্ত্তিৰ কল্পনা আৰু নিৰ্ম্মাণ হব নোৱাৰে। পৰমেশ্বৰৰ অদ্ভুত ৰচনা পৃথিবী, জল, অগ্নি, বায়ু আৰু গছ-গছনি আদিৰ মহামূৰ্ত্তি স্বৰূপ জগতখন দেখি যদি পৰমেশ্বৰৰ স্মৰণ নহয়, মনুষ্য নিৰ্ম্মিত মূৰ্ত্তিবোৰ দেখি কেনেকৈ স্মৰণ হব? মূৰ্ত্তি দৰ্শনত পৰমেশ্বৰৰ স্মৰণ হয়—এনে যুক্তি নিৰৰ্থক। কাৰণ সেই মূৰ্ত্তি আগত নেথাকিলে পৰমেশ্বৰৰ স্মৰণো নহব, আৰু যি কোনো কুকৰ্ম্ম কৰিবলৈও কুণ্ঠিত নহব। তেওঁ ভাবিব যে, নিৰ্জ্জনত তাৰ কুকৰ্ম্ম কোনেও নেদেখে। সেই ধাৰণাতেই মানুহ কুকৰ্ম্মত প্ৰবৃত্ত হয়। জড়-মূৰ্ত্তি পূজি মানৰ মন সংযত কৰা নাযায়।

যি জড় মূৰ্ত্তিৰ পূজা নকৰি সৰ্ব্বব্যাপক, সৰ্ব্বান্তৰ্য্যামী আৰু সাক্ষী স্বৰূপ পৰমাত্মাক সদায় সকলোতে অনুভৱ কৰে, নিজৰ অন্তৰতো অনুভৱ কৰে, আৰু সৎ অসৎ কৰ্ম্মৰ দ্ৰষ্টা বুলি অনুভৱ কৰে,—তেওঁ কেতিয়াও কুকৰ্ম্ম কৰিব নোৱাৰে। কায়, মন, আৰু বাক্যৰে যেয়ে যি কৰ্ম্মই কৰক অন্তৰ্য্যামী পৰমেশ্বৰে সকলো জানে আৰু তাৰ ফল ভোগ কৰিব লাগিব—এই উপলব্ধি হলে কেতিয়াও কোনেও কুকৰ্ম্ম কৰিব নোৱাৰে।

কেৱল ঈশ্বৰৰ নাম স্মৰণ কৰিলেও কোনো ফল পাব নোৱাৰে; যেনে মিঠাক মিঠা, বা তিতাক তিতা বুলি—থাকিলেও সেই মিঠা বা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তিতাৰ সোৱাদ মুখত পোৱা নাযায়। জিভাৰে আস্বাদন কৰিলেহে সোৱাদ অনুভৱ হয়।

প্ৰশ্ন—ঈশ্বৰৰ নাম লোৱাৰ ফল, তেনেহলে মিছা নেকি? পুৰাণত দেখোন নামৰ মাহাত্ম্য লিখা আছে।

উত্তৰ—ঈশ্বৰৰ নামৰ যেনে অৰ্থ, তেনে আচৰণ কৰিলেহে তাৰ ফল পায়। যেনে ঈশ্বৰ পক্ষপাত ৰহিত, ন্যায়কাৰী; গতিকে সেই অৰ্থ স্মৰণ কৰি নিজেও ন্যায়পৰায়ণ হব লাগে। এইদৰে এক নামৰ অৰ্থ উপলব্ধি কৰি আচৰণ কৰিলেহে নিজৰ আৰু জগতৰ কল্যাণ হব পাৰে।

প্ৰশ্ন—ঈশ্বৰ নিৰাকাৰ বুলি আমিও জানোঁ; কিন্তু শিৱ, বিষ্ণু, দেবী, গণেশ, সূৰ্য্য আদি স্বৰূপত আৱিৰ্ভাৱ হয় আৰু ৰাম কৃষ্ণ ৰূপে অৱতাৰ হৈছে। গতিকে সেই ৰূপত মূৰ্ত্তি নিৰ্ম্মিত হৈছে। এইবোৰ মিছা নেকি?

উত্তৰ—সেইবোৰ মিছা। কাৰণ, বেদত "অজ একপাৎ" "অকায়ম্" ইত্যাদি বিশেষণেৰে ঈশ্বৰ জন্ম আৰু আকাৰ ৰহিত বুলি কোৱা আছে। তদুপৰি যুক্তিৰ ফালৰ পৰা চালেও ঈশ্বৰৰ কেতিয়াও অৱতাৰ হব নোৱাৰে। যি আকাশৰ দৰে সৰ্ব্ব-ব্যাপক, অনন্ত আৰু সুখ-দুখ, দৃশ্য আদি গুণৰহিত, সেই পৰমেশ্বৰ এক ক্ষুদ্ৰ বীৰ্য, গৰ্ভাশয় আৰু দেহত সীমিত বা আবদ্ধ হব পাৰে জানো? একদেশী খণ্ডিত বস্তু হে এঠাইৰ পৰা আন ঠাইলৈ অহাযোৱা কৰিব পাৰে। যি অচল, অদৃশ্য, যি নোহোৱাকৈ এক পৰমাণু পৰিমাণৰ ঠাইও খালী নাই, সেই বস্তু অৱতাৰ হৈ ভিন্ন কেনেকৈ হব? বন্ধ্যা নাৰীৰ নাতি হোৱা বুলি কোৱা যেনে অসম্ভৱ, ঈশ্বৰৰ অৱতাৰৰ কথাও তেনে অসম্ভৱ।

প্ৰশ্ন—পৰমেশ্বৰ সৰ্ব্বব্যাপক, গতিকে মূৰ্ত্তিতো ব্যাপক হৈ থাকে। গতিকে যেই কোনো বস্তুকেই ঈশ্বৰ বুলি পূজা কৰাত কি আপত্তি?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

"ন কাষ্ঠে বিদ্যতে দেবো, ন পাষাণে ন মৃণ্ময়ে।
ভাবে হি বিদ্যতে দেবস্তস্মাদ্ভাবো হি কাৰণম্ ॥

সেই পৰম দেৱ, কাঠ, শিল, বা মাটিৰে নিৰ্ম্মাণ কৰা মূৰ্ত্তিত নাই বা নহয়. কেৱল ভাৱত হে পৰমেশ্বৰ বিদ্যমান ; য'ত যিজনে পৰমেশ্বৰ বুলি ভাৱে তেওঁ তাতেই পাব।

উত্তৰ—সৰ্ব্বব্যাপক পৰমেশ্বৰক এটা বস্তুত বা এক স্থানত ভাবিলে বাকীবোৰ উপেক্ষা আৰু অনীশ্বৰ জ্ঞান কৰা নহব জানো ? তেতিয়া সৰ্ব্ব-ব্যাপকৰ অৰ্থ কি হব ? আপোনালোকে ঈশ্বৰক সৰ্ব্বব্যাপক বুলিও কয় অথচ এটা বস্তুত ভাৱে ; ইয়াতকৈ অযুক্তিকৰ অন্ধবিশ্বাস আৰু কি হব পাৰে ? ঈশ্বৰক সৰ্ব্বব্যাপক বুলি যদি মানে, গছৰ পৰা ফুল ছিঙি আন এটা বস্তুত অৰ্পণ কৰে কি ? সেই চন্দন, ধূপ, ধূনা বা অন্যান্য বস্তুৰ নৈবেদ্য দিয়ে কিয় ? কাঁহ আদি বাদ্যবোৰ কাষ্ঠ দণ্ডৰে কোবায় কিয় ? ঈশ্বৰ হাততো আছে, হাতযোৰ কৰে কিয় ? মস্তকতো আছে, মুৰ দোঁৱায় কিয় ? ঈশ্বৰ যেতিয়া সকলোতে আছে, ব্যাপকৰ পূজা কৰে ; তেন্তে প্ৰস্তৰ মূৰ্ত্তিত পুষ্প চন্দন আদি অৰ্পণ কৰে কিয় ? আৰু যদি ব্যাপ্যৰ পূজা কৰে, তেন্তে পৰমেশ্বৰৰ পূজা কৰা বুলি কয় কিয় ? বা প্ৰস্তৰ আদিৰ পূজাৰী বুলি সত্য কথা নকয় কিয় ?

এতিয়া ভাবি চ'ক—"ভাব" সত্য নে মিথ্যা ? যদি ভাব সত্য বুলি কয়, তেন্তে আপুনি যি ভাবে সেয়েই পৰমেশ্বৰ হব নেকি ? বা পৰমে-শ্বৰ আপোনাৰ ভাবৰ অধীন নেকি ? যদি আপোনাৰ ভাবৰ অধীন কৰিব পাৰে, তেন্তে আপোনাৰ ভাবেৰে মাটিক সোণৰূপ, শিলক হীৰা মণি, শংখৰ ফেনক মুকুতা, জলক দুগ্ধ সৃষ্টি কৰিব নোৱাৰে কিয় ? মানুহে দুখৰ কথা কেতিয়াও নেভাবে, কিন্তু দুখ হয় কিয় ? অন্ধই নেত্ৰৰ ভাৱনা কৰি দেখিব নোৱাৰে কিয় ? মৰণ কোনেও নেভাবে, মৰণ হয়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কিয় ? গতিকে, ভাৱনা সত্য হব নোৱাৰে। যি বস্তু যেনেকুৱা তাক তেনে জ্ঞান কৰাহে সত্য ভাৱনা। জলক অগ্নি বুলি ভাবিলে, জল অগ্নি হব নোৱাৰে। যি বস্তু যেনেকুৱা, তাক তেনে ভাবে জনাকে জ্ঞান বোলে ইয়াৰ বিপৰীত হলেই অজ্ঞান। গতিকে আপোনালোকে অভাৱনাক ভাৱনা আৰু ভাৱনাক অভাৱনা বুলিছে।

প্ৰশ্ন—যেতিয়ালৈকে বেদ মন্ত্ৰৰে আবাহন কৰা নহয় তেতিয়ালৈকে দেৱতাৰ আবিৰ্ভাৱ নহয়—আবাহন কৰিলেহে দেৱতা আবিৰ্ভাৱ হয় আৰু বিসৰ্জ্জন কৰিলেই অন্তৰ্ধান হয়।

উত্তৰ—মন্ত্ৰ পঢ়ি আবাহন কৰিলেই যদি দেৱতা আহে, মূৰ্ত্তি জীৱন্ত নহয় কিয় ? অহাৰ প্ৰমাণ কি ? আৰু বিসৰ্জ্জন কৰিলে মূৰ্ত্তিটো নাযায় কিয় ? দেৱতা কৰ পৰা আহে আৰু কলৈ যায় ? মাজানে যদি শুনক। সকলোতে পৰিব্যাপ্ত পৰমাত্মাৰ অহাযোৱাৰ কথাই নুঠে। যদি মন্ত্ৰবলেৰে পৰমেশ্বৰক মাতি আনিব পাৰি, তেন্তে সেই মন্ত্ৰবলেৰেই পুত্ৰ মৰিলে জীৱটোক আকৌ মাতি আনিব নোৱাৰি কিয় ? আৰু শত্ৰুৰ দেহৰ জীৱাত্মাক বিসৰ্জ্জন কৰাই শত্ৰু বধ নকৰে কিয় ? আচল কথা হ'ল ধূৰ্ত্ত বক বৃত্তিধাৰীসকলে সৰল সহজ মানুহক এইবোৰ প্ৰবঞ্চনাৰ জালত পেলাই নিজৰ নিজৰ জীৱিকা আৰ্জ্জন কৰিছে। পাষাণ মূৰ্ত্তিক পূজা আৰু ঈশ্বৰক আবাহন বিসৰ্জ্জন কৰাৰ বিষয়ে বেদত এটা অক্ষৰো নাই।

প্ৰশ্ন—প্ৰাণা ইহাগচ্ছন্তু সুখং চিৰং তিষ্ঠন্তু স্বাহা।
আত্মেহাগচ্ছতু সুখং চিৰ তিষ্ঠতু স্বাহা।
ইন্দ্ৰিয়াণীহাগচ্ছন্তু সুখং চিৰং তিষ্ঠন্তু স্বাহা।।
আপুনি বেদত আবাহন আদি নাই বুলিছে, এইবোৰ বেদৰ মন্ত্ৰ নহয় নে ?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ—এইবোৰ বেদ মন্ত্ৰ নহয়, এইবোৰ বামাচাৰীৰ কল্পিত তন্ত্ৰ-গ্ৰন্থৰ বাক্য।

প্ৰশ্ন—তন্ত্ৰ মিছা নেকি ?

উত্তৰ—সম্পূৰ্ণ মিছা। বেদত পাষাণাদিৰ মূৰ্ত্তিত আৱাহন প্ৰাণ প্ৰতিষ্ঠাৰ বিষয়ে এটি মন্ত্ৰও নাই। "পাষাণাদি মূৰ্ত্তিং ৰচয়িত্বা মন্দিৰে সংস্থাপ্য গন্ধাদিভিৰৰ্চ্চয়েৎ"—অৰ্থাৎ পাষাণ মূৰ্ত্তি নিৰ্ম্মাণ কৰি মন্দিৰত স্থাপন কৰি চন্দন অক্ষতাদিৰ দ্বাৰা পূজা কৰিব, এনে অৰ্থৰ বাক্যও নাই।

প্ৰশ্ন—বেদত বিধি নাই যদি, তাৰ প্ৰতিবাদো নাই। যদি প্ৰতিবাদ (খণ্ডন) হব পাৰে, তেনেহলে "প্ৰাপ্তৌ সত্যাং নিষেধঃ" মূৰ্ত্তি থাকিলেহে খণ্ডন বা প্ৰতিবাদ হব পাৰে।

উত্তৰ—বিধি নাই, কিন্তু পৰমেশ্বৰৰ স্থানত অন্য কিহবাক পূজা কৰিবলৈ নিষেধ কৰিছে। অপূৰ্ব্ব বিধি হব নোৱাৰে জানো ? কি কৈছে শুনক—

অন্ধন্তমঃ প্ৰবিশন্তি যেঽসম্ভূতিমুপাসতে। ততো ভূয় ই'ব তে তমো য উ সম্ভূত্যাং ৰতাঃ ॥১॥

যজু॰ অ॰ ৪. ম॰ ৯ ॥

ন তস্য প্ৰতিমা অস্তি ॥২॥ যজু॰ অ॰ ৩২, ম॰ ॥৩॥

যদ্বাচানভ্যুদিতং যেন বাগভ্যুদ্যতে।
তদেব ব্ৰহ্ম ত্বং বিদ্ধি নেদং যদিদমুপাসতে ॥৩॥
যন্মনসা ন মনুতে যেনাহুৰ্ম্মনো মতম্।
তদেব ব্ৰহ্ম ত্বং বিদ্ধি নেদং যদিদমুপাসতে ॥২॥
যচ্চক্ষুষা ন পশ্যতি যেন চক্ষূংষি পশ্যন্তি।
তদেব ব্ৰহ্ম ত্বং বিদ্ধি নেদং যদিদমুপাসতে ॥৩॥
যচ্ছোত্ৰেণ ন শৃণোতি যেন শ্ৰোত্ৰমিদং শ্ৰুতম্।
তদেব ব্ৰহ্ম ত্বং বিদ্ধি নেদং যদিদমুপাসতে ॥৪॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যৎ প্ৰাণেন ন প্ৰাণিতি যেন প্ৰাণঃ প্ৰণীয়তে।
তদেব ব্ৰহ্ম ত্বং বিদ্ধি নেদং যদিদমুপাসতে ॥৫॥
কেনোপনিষদ ॥

যি সকলে ব্ৰহ্মৰ ঠাইত অসম্ভূতি অৰ্থাৎ অনুৎপন্ন, অনাদি প্ৰকৃতি কাৰণৰ উপাসনা কৰে, তেওঁলোক অন্ধকাৰ অৰ্থাৎ অজ্ঞানতা আৰু দুঃখসাগৰত নিমগ্ন হয়। যি সকলে ব্ৰহ্মৰ ঠাইত সম্ভূতিক অৰ্থাৎ কাৰণৰ পৰা উৎপন্ন কাৰ্যৰূপ পৃথিৱী আদি ভূত, পাষাণ, বৃক্ষাদিৰ অৱয়ব আৰু মনুষ্য আদিৰ শৰীৰৰ উপাসনা কৰে, তেওঁলোক উক্ত অন্ধকাৰতকৈয়ো অধিকতৰ অন্ধকাৰত নিপতিত হয়; অৰ্থাৎ— মহামূৰ্খৰূপে চিৰকাল ঘোৰ দুঃখৰূপ নৰকত পতিত হৈ মহা ক্লেশ ভোগে ॥১॥ সৰ্ব্বব্যাপক নিৰাকাৰ পৰমব্ৰহ্মৰ প্ৰতিমা নাই, অৰ্থাৎ পৰিণাম, সাদৃশ্য অথবা মূৰ্ত্তি নাই ॥২॥ যি বাণীৰ ইয়ত্তাৰ (বৰ্ণনাৰ) বিষয় নহয় অৰ্থাৎ "এইয়া জল গ্ৰহণ কৰা" এই দৰে নিৰ্দিষ্ট কৰা নাযায়; কিন্তু যাৰ দ্বাৰাই বাণীৰ প্ৰবৃত্ত হয় সেয়েই ব্ৰহ্ম বুলি জানিবা, উপাসনা কৰিবা, তাৰ বাহিৰে যি উপাসনা কৰা সেইবোৰ উপাস্য নহয় ॥১॥ যি মনৰ ইয়ত্তাৰে মনন কৰা নাযায়, যাৰ দ্বাৰাই মনে মনন কৰে, সেয়েই ব্ৰহ্ম, তাকেই জানিলোৱা, উপাসনা কৰা, তাৰ বাহিৰে অন্য যি উপাসনা কৰা সেই বিলাক ব্ৰহ্ম নহয় ॥২॥ যি চক্ষুৰ দ্বাৰাই দৃষ্ট নহয়, চক্ষুৱে যাৰ দ্বাৰাই দেখে সেয়েই ব্ৰহ্ম, তাৰেই উপাসনা কৰা, তাৰ বাহিৰে অন্য বস্তুৰ উপাসনা নকৰিবা ॥৩॥ যি শ্ৰোত্ৰৰ দ্বাৰাই শুনা নাযায়, যাৰ দ্বাৰাই শ্ৰোত্ৰই শুনে তেওঁকেই ব্ৰহ্ম বুলি জানিলোৱা আৰু উপাসনা কৰা...... ॥৪॥ যি প্ৰাণৰ দ্বাৰাই পৰিচালিত নহয়, যাৰ দ্বাৰাই প্ৰাণ পৰিচালিত হয়, তেওঁকেই ব্ৰহ্ম বুলি জানিলোৱা আৰু উপাসনা কৰা তেওঁৰ বাহিৰে যি কোনো বায়ুক উপাসনা নকৰিবা ॥৫॥ ইত্যাদি অনেক

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নিষেধ আছে। প্ৰাপ্ত আৰু অপ্ৰাপ্ত দুয়োৰে নিষেধ হব পাৰে। প্ৰাপ্তৰ নিষেধ যেনে, এঠাইত এজন মানুহ বহি আছে, তেওঁক তাৰ পৰা খঁতিৰি যাবলৈ কোৱা। **অপ্ৰাপ্তৰ** উদাহৰণ যেনে:— চুৰি নকৰিবলৈ, বেয়াকাম নকৰিবলৈ, দুষ্টৰ সঙ্গ নকৰিবলৈ উপদেশ দিয়া মানেই নিষেধ কৰা। যি মানৱ জ্ঞানত অপ্ৰাপ্ত, সি পৰমেশ্বৰ জ্ঞানত প্ৰাপ্ত; গতিকে প্ৰাপ্তবো নিষেধ কৰা হৈছে। এই নিমিত্তেই পাষাণাদি মূৰ্ত্তিৰ পূজা একান্ত নিষিদ্ধ।

প্ৰশ্ন— মূৰ্ত্তি পূজা কৰাত পুণ্য নহব পাৰে, কিন্তু পাপো হব নোৱাৰে।

উত্তৰ— কৰ্ম্ম দুই প্ৰকাৰৰ, বিহিত আৰু নিষিদ্ধ। সত্যভাষণাদি যিবোৰ কৰ্ত্তব্য বুলি বেদাদি শাস্ত্ৰই প্ৰতিপাদন কৰিছে সেইবোৰ বিহিত কৰ্ম। মিথ্যা ভাষণ আদি যিবোৰ অকৰ্ত্তব্য বুলি নিষেধ কৰিছে— সেইবোৰ নিষিদ্ধ। বিহিত কৰ্ম্মৰ অনুষ্ঠান ধৰ্ম্ম, তাকে নকৰাই অধৰ্ম্ম। সেইদৰে নিষিদ্ধ কৰ্ম্ম কৰাই অধৰ্ম্ম আৰু তাকে নকৰাই ধৰ্ম্ম। এনেই যদি হয়, তেন্তে বেদাদি শাস্ত্ৰ-নিষিদ্ধ মূৰ্ত্তি পূজা আদি অকৰ্ম্ম কৰিলে পাপ নহব কিয়?

প্ৰশ্ন— বেদ অনাদি। পূৰ্ব্বকালত মূৰ্ত্তিৰ আৱশ্যক নাছিল। কাৰণ তেতিয়া দেৱতাসকল প্ৰত্যক্ষ আছিল। মূৰ্ত্তিপূজাৰ পদ্ধতি তন্ত্ৰপুৰাণাদিৰ মতে পাচত প্ৰচলিত হৈছে।

যেতিয়া মানুহৰ জ্ঞান আৰু শক্তি হ্ৰাস পাবলৈ ধৰিলে, তেতিয়া পৰমেশ্বৰৰ ধ্যান কৰাৰ সমৰ্থ্য নোহোৱা হ'ল। গতিকে মূৰ্ত্তিৰ ধ্যান কৰা সহজ; এই কাৰণেই অজ্ঞানীসকলৰ কাৰণে মূৰ্ত্তি পূজা। এটি এটিকৈ খট খটি বগাইহে ওপৰলৈ উঠিব পাৰি। প্ৰথম খট্‌খটিত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ভৰি নিদিয়াকৈ একেবাৰে ওপৰলৈ উঠিব নোৱাৰি। সেইদৰে মূৰ্ত্তি পূজাও প্ৰথম সোপান বা খট্‌খটি। মূৰ্ত্তি পূজা কৰোঁতে জ্ঞান উদয়ৰ লগে লগে অন্তঃকৰণ পবিত্ৰ হলেহে পৰমাত্মাৰ ধ্যান কৰিব পাৰি। লক্ষ্য ভেদ কাৰীয়ে প্ৰথমে স্থূল লক্ষ্যত বান, গুলি আদি নিক্ষেপ কৰি কৰি অভ্যস্ত হলেহে যেনেকৈ সূক্ষ্ম লক্ষ্যও বিদ্ধ কৰিব পাৰে, সেই দৰেই স্থূল মূৰ্ত্তিৰ পূজা কৰোঁতে কৰোঁতে শেষত সূক্ষ্ম ব্ৰহ্মকো পাব পাৰে।

উত্তৰ— শুনক, বেদবিহিত আচৰণ কৰাই ধৰ্ম্ম আৰু বেদবিৰুদ্ধ আচৰণ কৰাটো অধৰ্ম্ম, গতিকে মূৰ্ত্তি পূজা কৰাটো অধৰ্ম্ম। যিবোৰ গ্ৰন্থ বেদবিৰুদ্ধ, সেইবোৰ গ্ৰন্থৰ প্ৰমাণ দিয়াও নাস্তিকৰহে কাম।

নাস্তিকো বেদনিন্দকঃ ॥১॥ (মনু০ ২। ১১)।
যা বেদবাহ্যাঃ স্মৃতয়ো যাশ্চ কাশ্চ যকুদৃষ্টয়ঃ।
সৰ্ব্বাস্তা নিষ্ফলাঃ প্ৰেত্য তমোনিষ্ঠা হি তাঃ স্মৃতাঃ॥
উৎপদ্যন্তে চ্যবন্তে চ যান্যতোঽন্যানি কানিচিৎ।
তান্যৰ্ব্বাক্কালিকতয়া নিষ্ফলান্যনৃতানি চ ॥৩॥
ম০ অ০ ১১।৯৫,৯৬

যি বেদৰ বিৰুদ্ধতা বা বেদক নিন্দা কৰে, তেওঁ নাস্তিক ॥১॥ যিবোৰ গ্ৰন্থ বেদৰবহিৰ্ভূত, কুৎসিত পুৰুষৰ দ্বাৰা ৰচিত, সংসাৰক দুঃখসাগৰত নিমগ্ন কৰে, সেইবোৰ গ্ৰন্থ নিষ্ফল, অসত্য, অন্ধকাৰময় আৰু ইহ পৰলোকত দুঃখদায়ক ॥২॥ এনেবোৰ বেদ বিৰুদ্ধ কল্পিত গ্ৰন্থ শীঘ্ৰে নষ্ট হৈ যায়। এনেবোৰ গ্ৰন্থ নিষ্ফল আৰু মিছা ॥৩॥

এই দৰেই ব্ৰহ্মাৰ পৰা আৰম্ভ কৰি মহৰ্ষি জৈমিনি পৰ্য্যন্ত সকলোৱে বেদানুকূল আচৰণকে ধৰ্ম্ম আৰু তাৰ বিপৰীত হলে অধৰ্ম্ম বুলি বিবেচনা কৰিছে। যিহেতু বেদ সত্য অৰ্থৰ প্ৰতিবাদক, ইয়াৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিপৰীত হলে তন্ত্র বা পুৰাণ, সকলো মিছা! গতিকে বেদ বিৰুদ্ধ গ্ৰন্থত প্ৰতিপাদন কৰা মূৰ্ত্তি পূজাও অধৰ্ম্ম। জড় পূজাৰ দ্বাৰাই মানুহৰ জ্ঞান বৃদ্ধি হব নোৱাৰে, যি আছে সেই খিনিও ভ্ৰষ্ট হৈ হ'ব। গতিকে জ্ঞানী সকলৰ সেৱা আৰু সংসৰ্গত হে জ্ঞানৰবৃদ্ধি হ'ব পাৰে, পাষাণাদিত হ'ব নোৱাৰে। পাষাণাদিৰ নিৰ্ম্মিত মূৰ্ত্তিৰ পূজা কৰি কোনেও কেতিয়াও পৰমেশ্বৰক ধ্যানগম্য কৰিব নোৱাৰে। মূৰ্ত্তি পূজা জ্ঞানৰ সোপান হব নোৱাৰে অধোগতিৰহে পথ হব। সেই পথেদি গভীৰ অন্ধকুপত পতিত হলে তাতেই বিনাশ হব লাগিব। অৱশ্যে সামান্য ধৰ্ম্মপৰায়ণ বিদ্বানৰ পৰা আৰম্ভ কৰি পৰম বিদ্বান যোগী পৰ্য্যন্ত সকলোৰে সঙ্গ লব্ধ সৎগুণ আৰু জ্ঞানেৰে পৰমেশ্বৰ লাভৰ সোপান হব পাৰে। জড় পূজা কৰোঁতে কৰোঁতে মানৱ জীৱনৰ লক্ষ্য ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষৰ পৰা বিমুখ হৈ জীৱন বৃথা হব লাগিছে। মূৰ্ত্তি পূজা ব্ৰহ্ম প্ৰাপ্তিৰ সহায়ক নহয়, ধাৰ্ম্মিক বিদ্বান আৰু সৃষ্টি বিদ্যাহে ব্ৰহ্ম প্ৰাপ্তিৰ সহায়ক

প্ৰশ্ন—সাকাৰত মন স্থিৰ হয়, নিৰাকাৰত মন স্থিৰ কৰা দুঃসাধ্য; গতিকে মূৰ্ত্তিপূজা কৰা আৱশ্যক।

উত্তৰ—সাকাৰতো কেতিয়াও মন স্থিৰ হব নোৱাৰে, কাৰণ প্ৰথমতে মূৰ্ত্তি মন দি পাচত প্ৰতিটো অঙ্গলৈ মন ঘূৰে আৰু এটাৰ পৰা আনটোলৈ মন যায়। কিন্তু নিৰাকাৰ ব্ৰহ্মৰ গ্ৰহণত মন, যিমান সম্ভৱ, প্ৰৱল বেগত ধাৱমান হৈও অন্ত নাপায়। আৰু নিৰৱয়ৱ কাৰণে মন চঞ্চলো হব নোৱাৰে। কিন্তু নিৰাকাৰ ব্ৰহ্মৰ গুণ, কৰ্ম্ম-স্বভাৱৰ চিন্তা কৰোঁতে কৰোঁতে অপূৰ্ব্ব আনন্দত মন স্থিৰ হয়। সাকাৰত মন স্থিৰ হোৱা হলে জগতত সকলোৰেই মন স্থিৰ হলহেঁতেন। সাকাৰ স্ত্ৰী, পুত্ৰ, ধন, বন্ধু আদিত মন আবদ্ধ হৈ থাকে। নিৰাকাৰত সংযোগ কৰিব নোৱাৰা পৰ্য্যন্ত কাৰো মন স্থিৰ নহয়। মনেই নিৰৱয়ৱ; গতিকে নিৰাকাৰত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মন স্থিৰ হয়। সকলো বিবেচনা কৰি চালে বুজা যায় যে, মূৰ্ত্তি পূজা অধৰ্ম্ম। ইয়াৰ উপৰিও অজস্ৰ ধন সম্পত্তি ব্যয় হয়, মন চঞ্চল হয়। মূৰ্ত্তি পূজা উদ্যম পুৰষাৰ্থৰ আৰু আত্মবিশ্বাসৰ প্ৰতি বন্ধক যাৰ পৰিণাম দৰিদ্ৰতা। মূৰ্ত্তি পূজাৰ ভৰষাত শত্ৰুৰ বিনাশ আৰু নিজৰ অভ্যুদয় আশা কৰোঁতে, পাশা বা জুৱা খেলৰ দৰে, নিজৰ আৰু জাতিৰ সৰ্ব্বস্বান্ত হয়। বিভিন্ন মূৰ্ত্তি দৰ্শন কৰি ভাগ্য পৰিবৰ্ত্তন কৰাৰ আশাত দেশ দেশান্তৰ ভ্ৰমণ কৰোঁতে, কষ্ট, অৰ্থব্যয় আৰু অকৰ্মণ্য হব লগা হয়। মূৰ্ত্তিৰ পূজাৰী পাণ্ডাৰ হাতত এই দৰে ধন গৈ পৰিলে লুভীয়া দুৰ্নীতি পৰায়ণ আৰু চৰিত্ৰহীন হৈ পৰে। প্ৰত্যক্ষ মাতা-পিতা, বিদ্বান, জ্ঞানী গুৰু যি প্ৰকৃত পুৰোহিত সেই সকলৰ পূজাত কৈ মূৰ্ত্তি আৰু মূৰ্ত্তি পূজাৰীৰ পূজাহে সৰ্ব্বপ্ৰধান হৈ পৰে। মূৰ্ত্তি আৰু মূৰ্ত্তিৰ বহুমূলীয়া আভূষণবোৰ কোনোৱে ভাঙিলে বা অপহৰণ কৰিলে অনৰ্থক দুখ আৰু মহা কন্দলৰ সৃষ্টি হয়। এই সকলো দিশ বিবেচনা কৰি মূৰ্ত্তি পূজাৰ ধাৰণা পৰিত্যাগ কৰাই সৎপৰুষৰ পক্ষে বাঞ্ছনীয়।

প্ৰশ্ন—আপোনাৰ মতে কোনো মূৰ্ত্তি পূজাকে সমৰ্থন নকৰে; কিন্তু আৰ্য্যাবৰ্ত্তত প্ৰাচীন পৰম্পৰাৰে "পঞ্চদেৱতা" পূজা" বুলি পূজা এভাগ চলি আহিছে। শিৱ, বিষ্ণু, অম্বিকা, গণেশ আৰু সূৰ্য্যৰ মূৰ্ত্তিৰ প্ৰতিষ্ঠা কৰি পূজা কৰাকেই "পঞ্চায়তন" বা "পঞ্চদেৱতা" নোবোলে জানো ?

উত্তৰ— কোনো মূৰ্ত্তিৰ পূজা নকৰি তলত উল্লেখ কৰা শাস্ত্ৰৰ বচন মতে মূৰ্ত্তিমান দেৱতা সকলক পূজা বা সন্মান কৰাহে— পঞ্চ দেৱতা পূজা আৰু সেয়েই পঞ্চায়তন পূজা শব্দৰ অৰ্থ। অজ্ঞানতা বশতঃ প্ৰকৃত অৰ্থ গ্ৰহণ কৰিব নোৱাৰি— বিকৃত অৰ্থক গ্ৰহণ কৰা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হৈছে। বেদোক্ত, বেদানুকূল পঞ্চায়তন, দেৱপূজা আৰু মূৰ্তি পূজাৰ মানে শুনক—

মা নো বধীঃ পিতৰং মোত মাতৰম্ ।।১।। যজুঃ (অঃ ১৬।মঃ ১৫)"

আচাৰ্য্যো ব্ৰহ্মচৰ্য্যেণ ব্ৰহ্মচাৰিণমিচ্ছতে ।।২।। অথৰ্ব্ব (কাং ১১। বং ৫। মং ১৭)

অতিথিৰ্গৃহানাগচ্ছেৎ ।।৩।। অথৰ্ব্বং (কাং ১৫, ব ১৩। মং ৬)

অৰ্চ্চত প্ৰাৰ্চ্চত প্ৰিয়মেধাসো অৰ্চ্চত ।।৪।। ঋগ্বেদ ।।

ত্বমেব প্ৰত্যক্ষং ব্ৰহ্মাসি ত্বামেব প্ৰত্যক্ষং ব্ৰহ্ম বদিষ্যামি ।।

(তৈত্তিৰীয়োপনিং বল্লীং ১। অনুং ১)"

প্ৰথম মূৰ্ত্তিমতী মাতৃদেবী পূজনীয়া। সন্তানে কায়-মনো বাক্যৰে মাতৃৰ কোনো প্ৰকাৰ বিদ্ৰোহ নকৰি সেৱা শুশ্ৰূষা কৰা কৰ্ত্তব্য। দ্বিতীয় মূৰ্ত্তিমান দেৱতা পিতৃদেৱ মাতাৰ দৰেই পূজনীয়। তৃতীয় মূৰ্ত্তিমান দেৱতা হৈছে ভাল-বিদ্যা-দাতা আচাৰ্য্য, যাক কায় মনো বাক্যে সেৱা শুশ্ৰূষা কৰিব লাগে। চতুৰ্থ—দেৱতা অতিথি, যি সত্য ধৰ্ম্ম পৰায়ণ, জ্ঞানী, আৰু সমাজৰ হিত সাধনৰ অৰ্থে কষ্ট সহ্য কৰিও ঘূৰি ফুৰে, সেই অতিথি দেৱতাৰ সেৱা শুশ্ৰূষাৰে পূজা কৰা কৰ্ত্তব্য ।।৩।। পঞ্চম—পতিৰ পত্নী পূজনীয়া আৰু পত্নীৰ পতি পূজনীয়। এয়েই পাঁচ মূৰ্ত্তিমান দেৱ দেৱী। এই পঞ্চ দেৱ পূজা বা পঞ্চায়তনৰ দ্বাৰা মানৱ জীৱনত ধৰ্ম্ম অৰ্থ কাম মোক্ষ অৰ্থাৎ পৰমেশ্বৰ প্ৰাপ্তি হব বা এইবোৰেই পৰমেশ্বৰ প্ৰাপ্তিৰ সোপান। নিৰাকাৰ বস্তুৰ মূৰ্ত্তি কল্পনা কৰি পূজা কৰিলে ইয়াৰ বিপৰীতহে হব।

প্ৰশ্ন—মাতা পিতা আদিৰ পূজা কৰিও মূৰ্ত্তি পূজা কৰাত কি দোষ ?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ—পাষাণ মূৰ্ত্তিৰ পূজা কৰা সৰু লৰাছোৱালীৰ পুতলাৰ খেলা, মূৰ্ত্তিৰ আগত নৈবেদ্য আদি দিয়াই নিজৰ নিজৰ উদৰ পূৰণ কৰা বাস্তৱ পূজা হব নোৱাৰে; কেৱল অভিনয় বা প্ৰতাৰণা কৰাহে হয়। যেনেকৈ কোনোৱে কাৰোবাক বুঢ়া আঙুলি দেখুওৱাৰ দৰে হয়– "ত্বমঙ্গুষ্ঠং গৃহাণ, ভোজনং পদাৰ্থবাঽহং গ্ৰহিষ্যামি।" পূজা নামক অনুষ্ঠানৰ পূজাৰী সকল সমাজৰ শত্ৰু; যাদু কৰৰ দৰে যাদু কৰি নিজৰ উপাৰ্জ্জন বঢ়ায়। মূৰ্ত্তিবোৰ জাক জমকেৰে পৰিপাটিকৈ সজাই নিৰ্বাধ জন সাধাৰণক ভুৰা দি জীৱিকা আৰ্জ্জন কৰি নিজে ভোগ বিলাস কৰে। এই যাদু জালত প্ৰতাৰিত হৈ জন সাধাৰণে ধন, সোণ, বস্ত্ৰ, অন্ন, ফল, মূল দুধ ঘৃত, মধু আদি শ্ৰেষ্ঠ বস্তু বোৰ ধাৰ-ঋণ কৰিও অৰ্পণ কৰে, পৰিণামত পূজাৰী সকল লাভবান হয় আৰু দুৰ্ভগীয়া সকল অধিক দুৰ্ভগীয়া হৈ পৰে।

প্ৰশ্ন -সুন্দৰী যুৱতী নাৰীৰ পাষাণ মূৰ্ত্তি দেখি যেনেকৈ পুৰুষৰ কাম বাসনা উদ্দীপ্ত হয়, সেইদৰে—বীতৰাগ শান্ত মূৰ্ত্তি দৰ্শন কৰিলে শান্তি সংযমৰ প্ৰেৰণা নহব কিয়?

উত্তৰ—তেনে হব নোৱাৰে। কাৰণ মূৰ্ত্তি জড়বস্তু; জড় দৰ্শন স্মৰণ কৰোতে আত্মাও জড় বুদ্ধি প্ৰাপ্ত হয়, বিবেচনা শক্তি হ্ৰাস পায়। বিবেক বিনা বৈৰাগ্য, বৈৰাগ্য বিনে বিজ্ঞান আৰু বিজ্ঞান বিনে শান্তি হব নোৱাৰে। যি হয়, সৎপুৰুষৰ সংসৰ্গ, উপদেশ, আৰু সেই সকলৰ ইতিহাস আদি পাঠ বা শ্ৰৱণৰ ফলত হে হয়। যাৰ দোষ গুণ নাজানে কেৱল মূৰ্ত্তি দেখিলেই তাৰ প্ৰতি প্ৰীতি হব নোৱাৰে। গুণৰ জ্ঞানতহে প্ৰীতি হয়। মূৰ্ত্তি পূজা আদি কুকৰ্ম্মৰ প্ৰচলনৰ ফলত আৰ্য্যাবৰ্ত্তত কোটি কোটি নিষ্কৰ্ম্মা পূজাৰী, ভিক্ষুক, আৰু পুৰুষাৰ্থহীন মানুহৰ সংখ্যা বৃদ্ধি হল। তেনে লোকৰ সংখ্যা বৃদ্ধি হোৱাৰ বাবেই তেনেকুৱা মূৰ্খতাহে মানৱ সমাজত প্ৰচাৰিত আৰু বিস্তাৰিত হব।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

লাগিছে। মিথ্যা আৰু প্ৰতাৰণাৰ বাহিৰে মানৱ-সমাজত আৰু কি উন্নতি হৈছে।

প্ৰশ্ন—আপুনি নেজানে নেকি কাশীৰ "লাটভৈৰব" আদিৰ মহিমা? যেতিয়া সম্ৰাট ঔৰঙ্গজেবৰ সৈন্যই সেই মূৰ্ত্তিবোৰ ভাঙি-বলৈ বৰতোপেৰে গোলা বৰ্ষণ কৰিছিল, মন্দিৰৰ ভিতৰৰ পৰা জাকে জাকে বৰল উৰি আহি মুছলমান সৈন্যৰ ওপৰত উবুৰি খাই পৰিল। মুছলমান সৈন্যই তৎ হেৰুৱাই "তৌবা" "তৌবা" কৰি পলাই সাৰিব লগা হয়?

উত্তৰ—সেই বৰলবোৰ পাষাণ মূৰ্ত্তিৰ মহিমাত সৃষ্টি হোৱা নাছিল। সেই মন্দিৰবোৰত নিশ্চয় বহুত বৰলৰ বাহ আছিল, বৰ তোপৰ গোলা পৰি সিহঁতৰ বাহ ভঙাত সিহঁতে খঙত সেই অচিনাকী মানুহ বোৰক আক্ৰমণ কৰে। বৰলৰ কামোৰত বিতৎ হৈ লগৰ কিছুমানক পৰোৱা দেখি বাকীবোৰো পলায়। তাকেই মানুহে লাটভৈৰৱ মূৰ্ত্তিৰ মহিমা বুলি প্ৰচাৰ কৰিলে। তদুপৰি দুগ্ধ প্ৰবাহৰ কাহিনীটোও পুজাৰী সকলৰেই আন এটা কৌশল।

প্ৰশ্ন—আৰু শুনক! মুছলমানে যেতিয়া মহাদেৱৰ মন্দি-ৰলৈ যায়, ম্লেচ্ছক দৰ্শন নিদি মহাদেৱে স্বয়ং অন্তৰ্দ্ধান হৈ নাৰত লুকাই থাকে আৰু বেনী মাধৱেও সেই দৰেই এজন ব্ৰাহ্মণৰ ঘৰত গৈ লুকাইছিল। এইবোৰ আচৰিত মহিমা নহয় নেকি?

উত্তৰ—কালভৈৰৱ আৰু লাটভৈৰৱ যাৰ ৰক্ষক ভূতপ্ৰেত, গৰুড় আদি যাৰ গণ অৰ্থাৎ অনুচৰ, সেইবিলাকে মুছলমানক মাৰি খেদিব নোৱাৰিলে কিয়? পুৰাণত উপাখ্যান আছে যে মহাদেৱ আৰু বিষ্ণুৱে ত্ৰিপুৰাসুৰ আদি অনেক মহাভয়ঙ্কৰ আৰু দুৰাত্মা অসুৰক ভস্মীভূত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰিছিল। তেওঁলোকে মুছলমান আক্ৰমণকাৰীবোৰক ভস্ম নকৰিলে কিয়? এইবোৰ মিছা কল্পনাৰ কাহিনী, জড় মূৰ্ত্তিয়ে একো কৰিব নোৱাৰে। মুছলমানে যেতিয়া চাৰিওফালৰ মূৰ্ত্তিবোৰ ভাঙি ভাঙি কাশীৰ ওচৰ চাপে তেতিয়া পূজাৰীসকলে পাষাণ লিঙ্গক নাদত পেলাই দিয়ে আৰু বেনীমাধৱৰ মূৰ্ত্তিক এক ব্ৰাহ্মণৰ ঘৰত লুকুৱাই ৰাখে। কাহিনী প্ৰচলিত আছে যে কালভৈৰৱৰ ভয়ত যমদূতো কাশী প্ৰবেশ কৰিব নোৱাৰে, আৰু কালভৈৰৱে প্ৰলয় কালতো কাশী বিনাশ হবলৈ নিদিয়ে,—সেয়ে যদি সত্য হয়, তেন্তে ম্লেচ্ছ দূতক কাশীত সোমাবলৈ দিলে কিয়? এইবোৰ বক বৃত্তিধাৰীসকলৰ চতুৰ কল্পনা, জনসাধাৰণক প্ৰবঞ্চনা কৰি জীৱিকা ৰক্ষা কৰাৰ জাল।

প্ৰশ্ন—গয়াত শ্ৰাদ্ধ কৰিলে পিতৃ-পুৰুষসকলৰ পাপ খণ্ডন হয়, গয়াত কৰা শ্ৰাদ্ধৰ প্ৰভাৱত পিতৃসকলৰ স্বৰ্গ লাভ হয়, আৰু তেওঁলোকে স্ব-হস্তে পিণ্ড গ্ৰহণ কৰে। এই কথাও মিছা নেকি?

উত্তৰ—সকলো মিছা। শ্ৰাদ্ধৰ নামত পাণ্ডাসকলক ধন বস্তু দিয়া হয়, নিষ্কৰ্মা পাণ্ডাই অনেকৰ ধন বস্তুৰে ধনী হৈ যিবোৰ বেশ্যাগমনাদি অসৎ কৰ্ম্ম কৰে, তাৰ ফলত পিতৃ পুৰুষ আৰু শ্ৰাদ্ধ কৰ্ত্তাসকলো পাপৰ ভাগী হয়, কাৰণ যাৰ ধনেৰে অসৎ কৰ্ম্ম কৰা হয়—সিহে সেই কৰ্ম্মৰ ফল পায়। সম্ভৱ, কোনোবা কালত কোনো কোনো প্ৰবঞ্চকে মাটিত গাঁত খান্দি তাৰ ভিতৰত এটা মানুহ বহুৱাই থৈ, ওপৰত কুশ জাপি দি তাৰ ওপৰত ফুল-পাত আদি দি থৈছিল, ধনী ধনী মানুহক ফান্দত পেলাবৰ কাৰণে। পিণ্ড দিওঁতে সেই ফুল-পাত আৰু কুৱাৰ মাজেদি হাত মেলি লোৱা দেখি সেই মূৰ্খ ধনী মানুহ জালত পৰে। সেইদৰেই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কাৰণে বৈদ্য নাথ মহাদেৱক কৈলাশৰ পৰা অনা কথাটোও মিছা।

প্ৰশ্ন—কলিকতাৰ কালী ভগৱতীক আৰু অসমৰ কামাখ্যা দেৱীক, কোনো মাহাত্ম্য নথকা হলে, লাখ লাখ মানুহে কিয় মানি আছে ?

উত্তৰ—একো মাহাত্ম্য নাই। অজ্ঞানান্ধ মানুহে দেখাক দেখি আৰু শুনাক শুনি অনুকৰণ আৰু অনুগমন কৰি গভীৰ গাঁতত পৰিছে এতিয়া উদ্ধাৰ হোৱাও দুঃসাধ্য হৈছে।

প্ৰশ্ন—এইবোৰ বাৰু মিছা। কিন্তু, জগন্নাথদেৱৰ প্ৰত্যক্ষ আচৰিত মাহাত্ম্যবোৰ, যেনে—(১) কলেবৰ পৰিবৰ্ত্তনৰ সময়ত সমুদ্ৰৰ পৰা চন্দন কাঠ নিজে নিজে আহে। (২) চৌকাৰ ওপৰত ওপৰা উপ-ৰিকৈ ৭টা পাত্ৰত যি ভোগ ৰন্ধা হয়, তাৰ ভিতৰত একেবাৰে ওপৰৰ চৌৰ বস্তু আগতে সিদ্ধ হয়, আৰু জগন্নাথলৈ গৈ যি প্ৰসাদ নাখায়, তাৰ কুষ্ঠৰোগ হয়। (৩) ৰথ নিজে নিজে চলে। (৪) পাপীবোৰে জগন্নাথৰ দৰ্শন নাপায়। (৫) ইন্দ্ৰদ্যুম্ন ৰজাৰ ৰাজ্যত দেৱতাসকলে মন্দিৰ নিৰ্ম্মাণ কৰিছিল। (৬) কলেবৰ পৰিবৰ্ত্তনৰ সময়ত এজন ৰজা, এজন পাণ্ডা, এজন বাঢ়ৈ মৰে। এই মাহাত্ম্যবোৰ আপুনি মিছা বুলি কব নেকি ?

উত্তৰ—এজন লোকে বাৰ বছৰ জগন্নাথৰ পূজা কৰাৰ পাছত বৈৰাগী হৈ ঘৰ এৰি মথুৰালৈ অহাত মোৰ লগত পৰিচয় হয়। মই তেওঁক এইবোৰ মাহাত্ম্যৰ কথা সোধাত তেওঁ সকলো মিছা বুলিয়েই কলে। যি হওক, বিবেচনা কৰি চালে দেখা যায়—যে চন্দন কাঠবোৰ নানা ঠাইৰ পৰা সংগ্ৰহ কৰি নি সাগৰৰ চৌৰ লগে লগে ওপঙাই নি পাৰত লগোৱা হয়। তাৰেই বাঢ়ৈয়ে মূৰ্ত্তি নিৰ্ম্মাণ কৰে। দ্বিতীয়তে ৰান্ধিবৰ সময়ত ৰন্ধাঘৰৰ দুৱাৰ বন্ধ কৰি দিয়ে, ৰান্ধনিৰ বাহিৰে অন্য

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কোনেও ভাত সোমাব নোৱাৰে। মজিয়াও ছয় পিনে ছয়টা, তাৰ মাজত এটা ঘূৰণীয়াকৈ চৌকা কৰা হৈছে। বঙ্কা পাত্ৰবোৰৰ বাহিৰ কালে ঘিউ, মাটি আৰু ছাই—লিপি ছয়োটা পাত্ৰতেই অন্ন সিদ্ধ কৰাৰ পাছত সেই পাত্ৰ কিটাৰ তলি ঘঁহি পৰিষ্কাৰ কৰি, সেই মাজৰ পাত্ৰত চাউল ঢালি তাৰ পাছত ছয়টা মুখ লোৰ ঢাকনিৰে ঢাকি দিয়ে। ধনী যাত্ৰী হলে ভিতৰলৈ নি ওপৰৰ পাত্ৰবোৰৰ সকলো সিদ্ধ একেবাৰে তলৰটোৰ চাউল দেখুৱাই দি জগন্নাথৰ মহিমা বুলি আচৰিত কৰি দিয়ে, আৰু সেই ভোগ চলি থাকিবৰ কাৰণে সেই ধনী দৰ্শন কাৰীৰ পৰা ভাল দৰে টকা পইচা আদায় কৰি লয়। কোনো কোনোৱে আজীৱন মাহেকীয়া বৃত্তি পঠিয়াই থাকে। সেই সিদ্ধ ভোগ মূৰ্ত্তিক অৰ্পণ কৰিবলৈ শূদ্ৰ বা নিম্ন শ্ৰেণীৰ মানুহে আনি মন্দিৰত মূৰ্ত্তিৰ আগত দিয়ে। সেই ভোগ নৈবেদ্য অৰ্পণ কৰাৰ পাছত সেই শূদ্ৰলোকে উচ্ছিষ্ট কৰি দিয়ে। কোনোৱে টকা বেছিকৈ দিলে বিশেষ ভাবে সেই পাত্ৰৰ পৰা অনাই দিয়ে। সেই উচ্ছিষ্ট প্ৰসাদকেই সকলোৱে কোনো বাচ-বিচাৰ নোহোৱাকৈ একেলগে বহি ইটোৱে সিটোৰ খোৱাকে খায়। এদলে খাই যোৱাৰ পাছত, সেই খোৱা পাত্ৰতেই পাছত অহা সকলকো খাবলৈ দিয়া হয়। এইবোৰক একেবাৰেই অনাচাৰ নুবুলি কি বুলিব পাৰি? অনেকে তালৈ গৈ তেনে উচ্ছিষ্ট প্ৰসাদ নাখাই নিজ হাতে ৰান্ধিও খায়। কিন্তু সেই সকলৰ কুষ্ঠ আদি কোনো ৰোগেই নহয়। জগন্নাথত অনেক কুষ্ঠ বেমাৰী আছে, সেইবোৰে প্ৰতিদিন সেই উচ্ছিষ্ট প্ৰসাদ খোৱা সত্ত্বেও ৰোগ দূৰ হোৱা নাই। জগন্নাথত বামাচাৰীসকলে ভৈৰৱী-চক্ৰ ৰচনা কৰিছিল, তাৰ কাৰণ সুভদ্ৰা, শ্ৰীকৃষ্ণ আৰু বলদেৱৰ ভগিনী। সেই ভগ্নীকেই দুয়ো ভ্ৰাতাৰ মাজত স্ত্ৰী আৰু মাতাৰ স্থানত বহুওৱা হৈছে। ভৈৰৱী চক্ৰ নহলে এনে ৰচনা কেতিয়াও হব নোৱাৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰথৰ চকাৰ লগতো যন্ত্ৰ কৌশল আছে। যেতিয়া চকা ঘূৰুৱা হয়, তেতিয়া চলে। ৰথ-যাত্ৰাৰ মেলাৰ মাজত ৰথ ৰাখি চকাৰ শলা খটোৱাই দিলে চকা নুঘূৰা হয়। তেতিয়া পূজাৰী পাণ্ডাসকলে "জগন্নাথ প্ৰভুক সকলোৱে দান কৰা, পুণ্য কৰা, তেহে যদি প্ৰভু প্ৰসন্ন হৈ নিজে ৰথ চলায়, আৰু তোমালোকৰ ধৰ্ম্ম ৰক্ষা কৰা," এইদৰে চিঞৰি থাকে আৰু যাত্ৰীসকলে সেই মতে টকা-পইচা, পূজাৰ সামগ্ৰী যিয়ে যিমান পাৰে দি থাকে। এইদৰে দিয়া শেষ হলে এজন পাণ্ডাই দৰ্শকক আকৰ্ষণ কৰা বস্ত্ৰ আদি পিন্ধি ৰথৰ আগত ঠিয় হৈ কৰযোৰে স্তুতি কৰে—"হে প্ৰভো জগন্নাথ কৃপা কৰি ৰথ চলাই আমাক ৰক্ষা কৰা, আমাৰ ধৰ্ম্ম ৰক্ষা কৰা"। এইদৰে স্তুতি কৰি সাষ্টাঙ্গে দণ্ডৱৎ প্ৰণাম কৰি ৰথত উঠে। সেই মুহূৰ্ত্ততে ৰথ যন্ত্ৰৰ কাঁটাডাল ঘূৰাই দিয়া হয় আৰু সহস্ৰ লোকে জয়ধ্বনি কৰি ৰথৰ ৰচি টানে। তেতিয়া ৰথ চলিবলৈ ধৰে।

দৰ্শন মহিমা—জগন্নাথৰ মন্দিৰ প্ৰকাণ্ড, ঘোপমৰা অন্ধকাৰ দিনতো প্ৰদীপ জ্বলাব লাগে। মূৰ্ত্তিবোৰৰ আগত দুই ফালৰ পৰা টানিব পৰা ব্যৱস্থাৰে দুখন পৰ্দ্দা থাকে। পৰ্দ্দা টনা পূজাৰী পাণ্ডা ভিতৰত থাকে। কৌশল খটোৱা কোনো এখন পৰ্দ্দা টানিলে মূৰ্ত্তি আঁৰ হয়। তেতিয়া দৰ্শন কৰোঁতা পাণ্ডাসকলে কবলৈ ধৰে—"তোমালোকৰ পাপ ক্ষয় নহলে, দৰ্শন নোপোৱা যি যেনে পাপ কৰিছিল ভাবি চিন্তি সেই পাপ অনুসাৰে পূজাৰ ধন সামগ্ৰী আদি দি পাপ ক্ষয় কৰিলেহে দৰ্শন হব পাৰে।" সকলো অভিনয় কৰা দি কৰে। সহজ সৰল মানুহে বিশ্বাস কৰি যেনে তেনে যি পাৰে দিলে, তৎক্ষণাৎ কৌশল খটোৱা পৰ্দ্দা টানি দিলে মূৰ্ত্তি দৰ্শন হয়। দৰ্শনাৰ্থী সকলে গাঁঠিৰ ধন শেষ কৰি মনে মনে কৃতাৰ্থ হোৱা বুলি ভাবি ওলাই আহে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ইন্দ্ৰদ্যুম্ন ৰজাৰ বংশধৰ এতিয়াও কলিকতাত আছে। তেওঁ এজন ঐশ্বৰ্য্যশালী, ধৰ্ম্মপৰায়ণ আৰু দেবীৰ উপাসক আছিল। তেওঁ কোটি কোটি টকা ব্যয় কৰি মন্দিৰ কৰাৰ উদ্দেশ্য আছিল এয়ে যে, নানা ঠাইৰ লোকে জাতি বৰ্ণ নিৰ্বিশেষে মন্দিৰৰ আকৰ্ষণত মন্দিৰ দৰ্শন কৰিবলৈ আহিলে আহাৰ পাব,—স্পৃশ্য-অস্পৃশ্য ভেদ এৰি সকলোৱে একেলগে বিশুদ্ধ পবিত্ৰ আহাৰ কৰিব পাৰিব। ধূৰ্ত্ত প্ৰৱঞ্চকবোৰে সেই মহৎ উদ্দেশ্য সফল হবলৈ কত দিলে? আৰু ইন্দ্ৰদ্যুম্ন ৰজাৰ ৰাজ্যত কোনো অলৌকিক দেৱতাই মন্দিৰ নিৰ্ম্মাণ কৰা নাই, যি সকল শিল্পীয়ে কৰিছিল, তেওঁলোকেই দেৱতা। কলেবৰ পৰিবৰ্ত্তনৰ সময়ত এজন ৰজা, এজন এজন পাত্ৰ, আৰু এজন মিস্ত্ৰী মৰে বুলি কোৱা কথা বিশ্বাস কৰিব নোৱাৰি।

প্ৰশ্ন—গঙ্গোত্তৰীৰ জল ঢালিলে ৰামেশ্বৰৰ শিৱ লিঙ্গ বাঢ়ি যোৱা কথাও মিছা নেকি?

উত্তৰ—অৱশ্যে মিছা। কাৰণ, সেই মন্দিৰৰ ভিতৰখন অন্ধকাৰ কাৰণে দিনে ৰাতিয়ে প্ৰদীপ জ্বলি থাকে। যেতিয়া জল নি সেই লিঙ্গত ঢলা হয়, তেতিয়া সেই জলত বিদ্যুতৰ দৰে প্ৰদীপৰ প্ৰতিবিম্ব উদ্ভাসিত হয়। তাৰ বাহিৰে আন একো নহয়। পাষাণ মুৰ্ত্তি বঢ়া টুটা নহয়। এনেবোৰ যাদু কৌশলৰ দ্বাৰা নিৰ্ব্বোধ জনসাধাৰণক প্ৰতাৰণা কৰি ধন উপাৰ্জ্জন কৰা হয় মাত্ৰ।

প্ৰশ্ন—ৰামচন্দ্ৰই ৰামেশ্বৰৰ মূৰ্ত্তি স্থাপন কৰে। যদি মূৰ্ত্তিপূজা বেদ বিৰুদ্ধ হয়, তেন্তে ৰামচন্দ্ৰই মূৰ্ত্তি স্থাপন কৰিছিল কিয়? বাল্মীকিয়েই বা ৰামায়ণত তাক লিখিছিল কিয়?

উত্তৰ—ৰামচন্দ্ৰৰ সময়ত উক্ত লিঙ্গ বা মন্দিৰৰ নাম গন্ধও নাছিল। দাক্ষিণাত্যৰ ৰাম নামৰ এজন ৰজাই মন্দিৰ নিৰ্ম্মাণ কৰি লিঙ্গৰ নাম

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বামেশ্বৰ ৰাখিছিল। ৰামচন্দ্ৰই বিমানত লঙ্কাৰ পৰা অযোধ্যালৈ হনুমান আদিৰে সৈতে যাওঁতে সীতাক কৈছিল ঃ—

অত্ৰ পূৰ্ব্বং মহাদেৱ প্ৰসাদেমকৰোদ্বিভুঃ।
সেতুবন্ধ ইতি বিখ্যাতম্ ॥
(বাল্মীকি ৰা০ লঙ্কা কা০ সৰ্গ, ১২৫। শ্লোক ২০)॥

হে সীতা! তোমাৰ বিয়োগত ভ্ৰমণ কৰি ফুৰোঁতে মই এই স্থানতেই চাতুৰ্মাস্য ব্ৰত কৰি সেই পৰমেশ্বৰৰ উপাসনা আৰু ধ্যান কৰিছিলো, যি বিভু (সৰ্ব্বব্যাপক), যি দেবাদিদেব মহাদেৱ পৰমাত্মা যাৰ কৃপাত সেতু বন্ধনত সফল হলোঁ। তেতিয়াৰ পৰাই এই স্থান "সেতু বন্ধ" এই নামে বিখ্যাত হল। ইয়াৰ বাহিৰে বাল্মীকিৰ ৰচিত ৰামায়ণত আৰু একো লিখা নাই।

প্ৰশ্ন—"ৰঙ্গ হ্যায় কালিয়াকন্ত কো।
জিস্‌নে হুক্কা পিলায়া সন্ত কো॥"

দক্ষিণে কালিয়া কন্তত এটা মূৰ্ত্তি আছে। সেই মূৰ্ত্তিয়ে আজিও ধূমপান কৰি থাকে অৰ্থাৎ ধোৱা খোৱাত ধপাত খাই থাকে। ইয়ো মূৰ্ত্তিৰেই মহিমা নহয় নে?

উত্তৰ সেইবোৰ মূৰ্ত্তিৰ মাহাত্ম্য নহয়, বক বৃত্তিধাৰী প্ৰবঞ্চকৰ খেলহে। সেই মূৰ্ত্তিৰ ভিতৰখন ফোপোলা হব। মুৰ্ত্তিৰ পাছফালে থকা বেৰৰ সিফালে থকা ঘৰত নলী সংলগ্ন হৈ আছে বোধ হয়। পূজাৰীয়ে ধপাত চিলিমত জ্বলাই ধোৱাঁ খোৱাৰ নলী মূৰ্ত্তিৰ মুখত সংলগ্ন কৰি দৈ পৰ্দ্দা টানি ওলাই আহে। বেৰৰ সিপাৰে থকা মানুহে নলীত মুখ দি যেতিয়া হোঁপে, তেতিয়া গড় গড় শব্দ হয় আৰু মূৰ্ত্তিৰ নাকে-মুখে ধোঁৱা ওলায়। এই ভোজ-বাজী দেখুৱাই দৰ্শক যাত্ৰীৰ পৰা টকা পইচা লৈ লয়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰশ্ন—আপুনি শুনা নাই নে যে ডাকোৰৰ মূৰ্ত্তি দ্বাৰিকাৰ পৰা এজন ভক্তৰ লগত গুছি আহিছিল? সেই মূৰ্ত্তিৰ ওজন কেৱা মোনো, কিন্তু ১।০ চোৰা ৰাতি সোণেৰে ওজন কৰা হয়। এইটো এটা মূৰ্ত্তিৰ মহৎ আশ্চৰ্য্যৰ কথা নহয় নে?

উত্তৰ—একো আচৰিত নহয়, সেই মূৰ্ত্তিটো কোনো ভক্তই চুৰি কৰি আনিছিল। আৰু চোৰা ৰতিৰে কেৱা মোনো ওজন কৰাৰ কথা কোনোবাই ভাঙৰ নিছাত দেখা সপোন হে।

সোম নাথৰ-মূৰ্ত্তি

প্ৰশ্ন—সোমনাথদেৱৰ মূৰ্ত্তি ভূমি স্পৰ্শ নকৰাকৈ সদায় শূন্যতে স্থিৰ থাকে, এইটো অতি আশ্চৰ্য্য নহয় নে?

উত্তৰ—আশ্চৰ্য্য নহয়, মিছা হে। মূৰ্ত্তিৰ ওপৰত অৰ্থাৎ মন্দিৰৰ মূৰত আৰু তলত চুম্বক ৰখা হৈছিল, তলে ওপৰে সমানে আকৰ্ষণ কৰাত মূৰ্ত্তি মাজতে স্থিৰ হৈ আছিল। সোমনাথৰ মন্দিৰ মহম্মদ গজনবীৰ আক্ৰমণৰ সময়ত,—মহা মহা প্ৰবঞ্চক পুজাৰীসকলে "হে মহাদেৱ! তুমি এই ম্লেচ্ছবোৰক বিনাশ কৰি আমাক ৰক্ষা কৰা" এইদৰে স্তুতি প্ৰাৰ্থনা কৰিছিল। সেই সময়ত ৰজা, যোদ্ধা আৰু জনসাধাৰণক ভুৰা দিলে যে সোমনাথে আমাক ৰক্ষা কৰিব, আপোনালোক নিশ্চিন্ত থাকক। মহাদেৱ ভৈৰৱ অথবা বীৰভদ্ৰৰ আবিৰ্ভাব হৈ ম্লেছক বিনাশ কৰিব। হনুমান, দুৰ্গা আৰু ভৈৰৱে স্বপ্নত দৰ্শন দি কৈছে—"তেওঁলোকে সকলো লক্ষ্য কৰি আছে। ধৰ্ম্ম বিশ্বাসী সৰল ৰজা আৰু যোদ্ধাসকলে ধূৰ্ত্ত পুজাৰীৰ কথাত ভৰসা কৰিলে। জ্যোতিষীয়ে কলে "এতিয়াও আমাৰ আক্ৰমণৰ শুভক্ষণ উপস্থিত হোৱা নাই। কোনোৱে কলে চন্দ্ৰ অষ্টম

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স্থানত আছে। আন এজনে সন্মুখত যোগিনী আছে বুলি কলে। বিনা বাধাই ম্লেচ্ছ সেনাই চাৰিওফালে ঘেৰি ধৰি অনেক পুজাৰীক ধৰি বান্ধি লোৱাত সিবিলাকে হাতযোৰ কৰি অনুৰোধ কৰি কৈছিল—"তিনি কোটি টকা লৈ মন্দিৰ আৰু মূৰ্ত্তি নভঙাকৈ এৰি থৈ য'ক।" তেতিয়া মুছলমানে কি উত্তৰ দিছিল? "আমি বুতপৰস্ত" অৰ্থাৎ মূৰ্ত্তি পূজক নহওঁ, 'বুতশিকন' অৰ্থাৎ মূৰ্ত্তি-ভঙ্গক হে। মন্দিৰ ভাঙোঁতে মন্দিৰৰ টুপ আৰু ওপৰৰ ছাটনি বিচ্ছিন্ন কৰি দিয়াত মূৰ্ত্তি মাটিত বাগৰি পৰে। শুনা যায়—সোমনাথৰ মূৰ্ত্তি ভাঙি ১৮ কোটি টকাৰ ৰত্ন বাহিৰ কৰে। তাৰ পাছত ধৃত পুজাৰীসকলক প্ৰহাৰেৰে অভ্যৰ্থনা কৰি ধনৰ ভৰাল ক'ত আছে দেখুৱাবলৈ কোৱাত সকলো দেখুৱাই দিলে। এইবোৰ আছিল প্ৰবঞ্চনাৰে জনসাধাৰণক দৰিদ্ৰ কৰি সংগ্ৰহ কৰা ধন সোন আৰু বহুমূলীয়া বস্তু। শত্ৰুৱে ধন ভৰালৰ সৰ্ব্বস্ব লুটপাত কৰি সবল, আৰু কাৰ্য্যক্ষম শিষ্যসকলক ভাৰবাহী গোলাম কৰি লৈ যায়। এই প্ৰস্তৰ পূজাই আমাৰ জাতিৰ সৰ্ব্বনাশৰ মূল। দূৰদৰ্শিতাহীন স্বাৰ্থজীবিসকলে এইদৰে প্ৰৱঞ্চনা নকৰা হলে আৰ্য্যাবৰ্ত্তঃ আজিও জ্ঞানবিদ্যা অৰ্থ আৰু বলবীৰ্য্যত অজেয় হৈ থাকিলহেঁতেন। যিমান সংখ্যক মূৰ্ত্তি আছে, সিমান সংখ্যক শূৰ বীৰ যুৱকক শিক্ষা জ্ঞান আৰু ভৰণ পোষণেৰে পৰিপুষ্ট কৰি সন্মান কৰা হলে, আমাৰ এনে দুঃখবহ অৱস্থা নহলহেঁতেন। ইমানবোৰ আচৰিত মাহাত্ম্য থকা মূৰ্ত্তিৰ এটায়ো শত্ৰুৰ আক্ৰমণ কাৰ নিজক ৰক্ষা কৰিবলৈ কিয় থিয় হব নোৱাৰিলে?

ঋণ পৰিশোধ

প্ৰশ্ন—দ্বাৰকাৰ ৰণছোড়ে * (কৃষ্ণৰ মূৰ্ত্তিয়ে) নৰ্সীমহতা'লৈ হুণ্ডী (Cheque) পঠিয়াই ঋণ পৰিশোধ কৰা আদি ঘটনা মিছা নেকি?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ—বোধ হয় কোনোৱা ধনী বণিকে ধন পঠাই দি ঋণৰ পৰা মুক্ত কৰিছিল,—তাকেই কোনোৱাই ৰহণ লগাই কৃষ্ণই পঠাইছে বুলি প্ৰচাৰ কৰি দিলে। সম্বৎ ১৯১৪ অত ইংৰাজে তোপৰ গোলা বৰ্ষণ কৰি মন্দিৰ আৰু মূৰ্ত্তিবোৰ উৰুৱাই দিছিল, সেই সময়ত মূৰ্ত্তিৰ মাহাত্ম্য ক'ত আছিল? বাঘেৰ ক্ষত্ৰিয় সকলেহে বীৰত্বৰে যুদ্ধ কৰি শত্ৰু সৈন্যক বিনাশ কৰিছিল কিন্তু মূৰ্ত্তিয়ে মাখি এটাও মাৰিব নোৱাৰিলে। শৰণ দাতাই যেতিয়া প্ৰহৃত হৈছে, শৰণাগত প্ৰহৃত নহব কিয়? F

প্ৰশ্ন—মূৰ্ত্তিপূজা আৰু তীৰ্থ চিৰন্তন কালৰ পৰা প্ৰচলিত আছে। এইবোৰ কেনেকৈ মিছা হব?

উত্তৰ—চিৰন্তন মানে কি? যি চিৰ চলিত আৰু চিৰ সত্য তাকেই চিৰন্তন বোলে। সেয়ে যদি হয়, বেদ, ব্ৰাহ্মণ আদি ঋষি-মুনিৰ ৰচিত গ্ৰন্থত এইবোৰৰ উল্লেখ নাই কিয়? মূৰ্ত্তি পূজা আঢ়ৈ হেজাৰ বা তিনি হেজাৰ বছৰৰ পূৰ্ব্বে জৈন আৰু বামাচাৰীসকলৰ দ্বাৰাই প্ৰচলন কৰা হৈছিল। তাৰ আগত আৰ্য্যাবৰ্ত্তত মূৰ্ত্তিপূজা নাছিল। তীৰ্থ বুলিও একো নাছিল। যেতিয়া জৈনসকলে গিৰনাৰ, পালিটানা, শিখৰ, শত্ৰুঞ্জয় আৰু আবু আদি তীৰ্থ ৰচনা কৰে, তেতিয়াৰ পৰা পুৰাণবাদী সকলেও সেই তীৰ্থ প্ৰতিষ্ঠা কৰে। এই তীৰ্থবোৰ কেতিয়াৰ পৰা প্ৰচলন

* কৃষ্ণই মগধৰ ৰজাসকলৰ লগত যুদ্ধত হাৰি সসৈন্য আৰু সবংশে পলাই গৈ দ্বাৰিকাত জীৱনৰ শেষলৈকে বসতি কৰিছিল। গতিকে কৃষ্ণৰ আন এটা নাম ৰণছোড়। জনশ্ৰুতি আছে, এবাৰ বোলে ৰণছোড়ৰ মূৰ্ত্তিয়ে এজন ভক্তলৈ 'চেক' পঠাই দিছিল।

F ইয়াৰ পাচৰ ৪টা প্ৰশ্ন আৰু উত্তৰৰ ভাঙনি কৰা হোৱা নাই।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হৈছে তাক যদি কোনোৱে অনুসন্ধান কৰিব খোজে তেন্তে পাণ্ডাসকলৰ অতি প্ৰাচীন বহী পত্ৰ আৰু তামৰ-ফলি আদি চাই পৰীক্ষা কৰিব পাৰে। এহেজাৰ বছৰৰ পূৰ্ব্বে প্ৰতিষ্ঠা কৰাৰ প্ৰমাণ পত্ৰ কাৰো হাতত পোৱা হোৱা নাই। গতিকে তীৰ্থবোৰ আধুনিক।

প্ৰশ্ন—তীৰ্থ বা নামৰ মাহাত্ম্য আদি যিবোৰ বৰ্নিত আছে যেনে—"অন্যক্ষেত্ৰে কৃতং পাপং কাশীক্ষেত্ৰে বিনশ্যতি" এই বোৰ সত্য হয় নে নহয়?

উত্তৰ—নহয়। কাৰণ পাপ দূৰ হোৱা হলে দৰিদ্ৰৰ ঐশ্বৰ্য্য আৰু ৰাজসিংহাসন লাভ হলহেঁতেন আৰু অন্ধৰ দৃষ্টিশক্তিও লাভ হলহেঁতেন। কুষ্ঠৰোগীবোৰেও ৰোগৰ পৰা আৰোগ্য হব পাৰিলেহেঁতেন। গতিকে নাম জপে বা তীৰ্থ কৰিলে পূণ্যও নহয় আৰু পাপো দূৰ নহয়।

প্ৰশ্ন—গঙ্গা গঙ্গেতি যো ব্ৰূয়াদ্যোজনানাং শতৈৰপি।
মুচ্যতে সৰ্ব্ব পাপেভ্যো বিষ্ণুলোকং স গচ্ছতি ॥১॥
হৰিৰ্হৰতি পাপানি হৰিৰিত্যক্ষৰদ্বয়ম ॥২॥
প্ৰাতঃ কালে শিবং দৃষ্ট্বা নিশি পাপং বিনশ্যতি।
আজন্মকৃতং মধ্যাহ্নে সায়াহ্নে সপ্তজন্মনাম্ ॥৩॥

এইবোৰ পুৰাণৰ শ্লোক। শত সহস্ৰ ক্ৰোশ দূৰৰ পৰাও গঙ্গা গঙ্গা বুলি নাম জপোঁতেই পাপ নষ্ট হয়, আৰু বিষ্ণুলোক অৰ্থাৎ বৈকুণ্ঠলৈ যাব পাৰে ॥ ১ ॥ "হৰি" এই দুই অক্ষৰ উচ্চাৰণ কৰিলেই সমস্ত পাপ হৰণ কৰে। ৰাম, কৃষ্ণ, শিৱ আৰু ভগৱতী আদি নামৰ মাহাত্ম্যও সেই দৰেই ॥ ২ ॥ প্ৰাতঃ কালত শিৱ অৰ্থাৎ শিৱলিঙ্গ বা শিৱ মূৰ্ত্তি দৰ্শন কৰিলে ৰাতি কৰা পাপ দূৰ হয়। মধ্যাহ্ন কালত দৰ্শন কৰিলে সমস্ত জীৱনৰ আৰু সায়ং কালত দৰ্শন কৰিলে সাত জন্মৰ পাপ দূৰ হয়। এই দৰ্শন মাহাত্ম্য মিছা নেকি?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ—মিছা, ইয়াত কোনো সংশয় নাই। গঙ্গা, হৰি, ৰাম, কৃষ্ণ, নাৰায়ণ, শিৱ আৰু ভগৱতী আদি নাম ললে, স্মৰণ কৰিলে পাপ দূৰ কেতিয়াও নহয়। পাপ দূৰ হোৱা হলে কোনো দুঃখীয়া দৰিদ্ৰ হৈ নাথাকিলহেঁতেন। আজি কালি বকবৃত্তিধাৰী সকলে নিজেও মহা পাপ কৰিব লাগিছে আৰু নিৰ্বোধ জনসমাজকো পাপত প্ৰবৃত্ত কৰাইছে। মূৰ্খ মানুহে বিশ্বাস কৰিছে যে, পাপ কৰিলেও নাম স্মৰণ, আৰু তীৰ্থ যাত্ৰা কৰিলেই পাপ খণ্ডন হব। এই বিশ্বাসত ইহলোক আৰু পৰলোক নষ্ট কৰিছে, কিন্তু কৃত পাপৰ ফল ভোগ কৰিবই লাগিব।

প্ৰশ্ন–কোনো প্ৰকৃত তীৰ্থ আৰু কোনো নাম স্মৰণৰ মাহাত্ম্য আছে নে নাই?

উত্তৰ—আছে। বেদ আদি সৎ শাস্ত্ৰৰ অধ্যয়ন অধ্যাপনা, ধাৰ্ম্মিক বিদ্বানৰ সঙ্গ, ধৰ্ম্মানুষ্ঠান, সংযম, যোগাভ্যাস, অবৈৰিভাৱ, সত্য-কথন, সত্য মনন, ব্ৰহ্মচৰ্য্য, আচাৰ্য্য-অতিথি, পিতা-মাতাৰ সেৱা, পৰমেশ্বৰৰ স্তুতি, প্ৰাৰ্থনা, উপাসনা, ধৈৰ্য্য, শান্তি, পুৰুষাৰ্থ, জ্ঞান, বিজ্ঞান এইবোৰে দুঃখৰ পৰা উদ্ধাৰ কৰে; গতিকে এইবোৰকেই তীৰ্থ বোলে। জলময় বা স্থলময় আদি স্থান কেতিয়াও তীৰ্থ হব নোৱাৰে। "লোকাঃ যৈস্তৰন্তি তানি তীৰ্থানি" যাৰ দ্বাৰা বা যিবোৰ আচৰণৰ দ্বাৰা মানুহৰ দুঃখৰ নিবৃত্তি হয়, তাৰ নাম তীৰ্থ। নৌকাৰ নাম তীৰ্থ হব পাৰে কাৰণ সি ইপাৰৰ পৰা সিপাৰ কৰি দিব পাৰে। জল আৰু স্থলে উপকাৰো কৰে আৰু অপকাৰো কৰে।

সমানতীৰ্থে বাসী ॥ (অষ্টাধ্যায়ী) অ০ ৪, পা০ ৪, সু০ ১০৮॥

নমস্তীৰ্থ্যায় চ ॥ যজু০ অ০ ১৬ (ম০ ৪২)॥

যিবোৰ ব্ৰহ্মচাৰী বিদ্যাৰ্থী একেলগে একেই আচাৰ্য্যৰ পৰা বিদ্যা অধ্যয়ন কৰে, তেওঁলোকৰ পৰস্পৰৰ সম্বন্ধ সতীৰ্থ অৰ্থাৎ সমান স্ব সম

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তীর্থসেৱী। যি বেদাদি শাস্ত্ৰ আৰু সৎ আচৰণ আদিত সাধু, তেওঁক আদিৰে সেৱা শুশ্ৰূষা কৰা আৰু তেনে পুৰুষৰ পৰা বিদ্যা অধ্যয়ন কৰা আদিক তীৰ্থ বোলে।

এই সকলৰ নাম স্মৰণ কৰা কৰ্ত্তব্য। যেনে—

যস্য নাম মহদ্‌যশঃ॥ যজুঃ (অ০ ৩২ ম০ ৩)

ব্ৰহ্মা, ঈশ্বৰ, পৰমেশ্বৰ, দয়াশীল, সৰ্ব্বশক্তিমান, আদি পৰমেশ্বৰৰ গুণ, কৰ্ম্ম-স্বভাৱ সূচক আৰু লাক্ষণিক নাম, এই নামবোৰ স্মৰণ কৰি গুণ, কৰ্ম্ম-স্বভাৱৰ আচৰণশীল হোৱাই নাম স্মৰণ।

প্ৰশ্ন— গুৰুৰ্ব্ৰহ্মা গুৰুৰ্বিষ্ণু গুৰুৰ্দেৱো মহেশ্বৰঃ।
গুৰুৰেৱ পৰং ব্ৰহ্ম তস্মৈ শ্ৰীগুৰৱে নমঃ।

এইবোৰ গুৰুমাহাত্ম্য সঁচা নে মিছা? গুৰুৰ চৰণামৃত পান কৰা, আজ্ঞা পালন কৰা, গুৰু লোভী হলে তেওঁক বামুণৰ দৰে, ক্ৰোধী হলে নৰসিংহৰ দৰে, মোহগ্ৰস্ত হলে ৰামৰ দৰে, আৰু কামুক হলে কৃষ্ণৰ দৰে মান্য কৰিব লাগে। পাপ কৰিলেও গুৰুক অশ্ৰদ্ধা কৰিব নালাগে। সন্ত বা গুৰু দৰ্শন কৰিবলৈ যাওঁতে প্ৰতি খোজত অশ্বমেধ যজ্ঞৰ ফল পায়। এইবোৰৰ বিষয়ে আপোনাৰ কি মত?

উত্তৰ—অসত্য কথা। ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ আৰু পৰম ব্ৰহ্ম পৰমেশ্বৰৰেই নাম। যাৰ তুল্য গুৰু বা আন কোনেও হব নোৱাৰে। এই গুৰু মাহাত্ম্য আৰু গুৰুগীতাও এক প্ৰকাৰ বকবৃত্তিধাৰী সকলৰেই ৰচিত। মাতা, পিতা, আচাৰ্য্য আৰু অতিথি এই সকলো গুৰু। এই সকলক সেৱা শুশ্ৰূষা কৰা, এই সকলৰ পৰা সুশিক্ষা গ্ৰহণ কৰা, শিক্ষা দান কৰা গুৰু আৰু শিষ্যৰ কৰ্ত্তব্য। গুৰু লোভী, ক্ৰোধী, মোহী আৰু কামুক হলে একেবাৰেই পৰিত্যাগ কৰা উচিত আৰু শিষ্যই সেই গুৰুক শিক্ষা দিব লাগে। কুকৰ্ম্ম ৰত গুৰুক যথা যোগ্য দণ্ডও দিব লাগে। জ্ঞান

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আৰু গুণেৰে গুৰু হব নোৱাৰিলে কণ্ঠী, তিলক জটা, মালা আদিৰে কাণে কাণে মন্ত্ৰ দিলেই গুৰু হব নোৱাৰে। গুৰুগিৰি কৰাটোও জীৱিকা অৰ্জ্জনৰ এটা পথ হে। তেনে গুৰুৰ বিষয়ে এটা দোহা :—

গুৰু লোভী চেলা লালচী, দোনোঁ খেলে দাও।
ভব সাগৰ মেঁ (ডুব ৰহেঁ হৈঁ) বৈঠ পথৰ কী নাও॥

গুৰুৱে ভাবে ভকত-ভকতনীয়ে যি পাৰে দিব; শিষ্য-শিষ্যাৱো মিছাতে সৌভাগ্য লাভ আৰু পাপ মোচন আদিৰ কাৰণে গুৰু বিচাৰে। ফল স্বৰূপে গুৰু-শিষ্য দুয়ো শিলৰ নাওত উঠি সাগৰ পাৰ হবলৈ যাওঁতে দুখৰ সাগৰতহে নিমগ্ন হয়। এনেকুৱা গুৰুশিষ্যৰ সংসৰ্গত কল্যাণ হব নোৱাৰে। এনেবোৰ গুৰুৱে নিজৰ জীৱিকাৰ বাহিৰে আনৰ কল্যাণৰ কথা চিন্তা নকৰে। এনেবোৰ গুৰুগীতা আৰু গুৰু মাহাত্ম্য ৰচনা কৰি মানুহক ভ্ৰান্ত কৰিছে।

প্ৰশ্ন—অষ্টাদশ পুৰাণানাং কৰ্ত্তা সত্যৱতীসুত: ॥ ১ ॥
ইতিহাস পুৰাণাভ্যাং বেদাৰ্থমুপবৃংহয়েৎ ।২। মহাভাৰত।
পুৰাণান্যখিলানি চ ।৩। মনুঃ
ইতিহাস পুৰাণঃ পঞ্চমো বেদানাং বেদঃ ।৪।
ছান্দোগ্য—প্ৰ০ ৭ খ০ ১॥
দশমেঽহনি কিঞ্চিৎ পুৰাণমাচক্ষীত ।৫। পুৰাণবিদ্যা বেদঃ।৬

অষ্টাদশ পুৰাণৰ ৰচয়িতা ব্যাসদেৱ। ব্যাসৰ বচন যেতিয়া তাৰ প্ৰমাণ বুলি মানিব লাগিব ।১। ইতিহাস, মহাভাৰত আৰু অষ্টাদশ পুৰাণৰ সহায়েৰে বেদাৰ্থৰ শিক্ষা কৰিব আৰু শিক্ষা দিব। কাৰণ ইতিহাস আৰু পুৰাণ বেদাৰ্থৰেই অনুকূল ।২। পিতৃ কৰ্ম্মত পুৰাণ আৰু খি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অর্থাৎ হৰিবংশ শ্ৰৱণ কৰিব লাগে ॥৩। অশ্বমেধৰ সমাপ্তিত দশম দিনত কিঞ্চিৎ পুৰাণৰ কথা শ্ৰৱণ কৰিব লাগে ॥৪। বেদাৰ্থ বোধক হোৱা বাবে পুৰাণ বিদ্যাক বেদ বোলে ॥৫। ইতিহাস আৰু পুৰাণ পঞ্চম বেদ ॥৬। ইত্যাদি প্ৰমাণৰ পৰা পুৰাণৰ প্ৰমাণ আৰু পুৰাণত বৰ্ণনা কৰা মূৰ্তিপূজা আৰু তীৰ্থ যাত্ৰাৰ বিধিও প্ৰমাণিত হয়।

উত্তৰ—যি সত্য অন্বেষী বেদব্যাসে ব্ৰহ্মসূত্ৰ আৰু যোগ দৰ্শনৰ ভাষ্য লিখিছে, সেইজন ব্যাসদেৱে এনেবোৰ পৰস্পৰ বিৰোধী ১৮ খন পুৰাণ ৰচনা কৰিব নোৱাৰে। এই পুৰাণবোৰ পৰস্পৰ বিৰোধী সম্প্ৰদায়ীবোৰে ৰচনা কৰি তাত ব্যাসদেৱৰ নাম দিছে, এইবোৰত ব্যাসদেৱৰ জ্ঞান লেশ মাত্ৰও নাই। আৰু বেদ-বিৰুদ্ধ অসত্য কথা লিখাটো ব্যাসদেৱ দৰে জ্ঞানী পুৰুষৰ কাম নহয়। এই পুৰাণবোৰ পৰস্পৰ বিৰোধী সম্প্ৰদায়বাদী ধূৰ্ত্ত পাপীবোৰৰহে কাম। শিৱ পুৰাণ আদিৰ নাম ইতিহাস আৰু পুৰাণ নহয়।

ব্ৰাহ্মণানীতিহাসান্ পুৰাণানি কল্পান্ গাথানাৰাশংসীৰিতি ॥

এই বচন ব্ৰাহ্মণ আৰু সূত্ৰ গ্ৰন্থৰ। ঐতৰেয়, শত পথ, সাম, আৰু গোপথ ব্ৰাহ্মণৰেই ইতিহাস, পুৰাণ, কল্প, গাথা আৰু নাৰাশংসী এই পাঁচ নাম। (ইতিহাস) যেনে জনক যাজ্ঞবল্ক্য সংবাদ; (পুৰাণ) জগতৰ উৎপত্তি আদিৰ বৰ্ণনা; (কল্প) বৈদিক শব্দবোৰৰ অৰ্থ নিৰূপণ, (গাথা) দৃষ্টান্ত দৃষ্টান্তৰূপ কোনো কথা প্ৰসঙ্গ আৰু (নাৰাশংসী) মানুহৰ প্ৰশংসনীয় বা নিন্দনীয় কৰ্ম্মৰ বৰ্ণন। এইবোৰৰ দ্বাৰাই বেদাৰ্থৰ প্ৰতীতি হয়। অশ্বমেধৰ অন্তত পিতৃ-কৰ্ম্ম অৰ্থাৎ জ্ঞানীসকলৰ গুণ-জ্ঞানৰ প্ৰশংসা শ্ৰৱণৰ কথা লিখা আছে কাৰণ ব্যাসদেৱৰ ৰচিত গ্ৰন্থৰ শ্ৰৱণ বা পঠন ব্যাসদেৱৰ জন্মৰ পাছতহে সম্ভৱ তাৰ আগতে নহয়। ব্যাসদেৱৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

জন্মৰ আগতো বেদাৰ্থৰ অধ্যয়ন অধ্যাপনা আৰু শ্ৰৱণ শ্ৰাৱণ হৈছিল। গতিকে প্ৰাচীন ব্ৰাহ্মণবোৰতহে এনেবোৰ ঘটনা হোৱা সম্ভৱ হব পাৰে। গতিকে নবীন কল্পনাৰ সৃষ্টি শ্ৰীমদ্ভাগৱত আৰু শিৱপুৰাণাদি অথবা অন্যান্য কল্পিত গ্ৰন্থবোৰত এইবোৰ ঘটনা হব নোৱাৰে। ব্যাসদেৱে বেদৰ অধ্যয়ন অধ্যাপনাৰ দ্বাৰাই বেদাৰ্থ বিস্তাৰ কৰিছিল কাৰণেহে বেদব্যাস নাম হৈছিল। পাৰাপাৰৰ মধ্যৰেখাক ব্যাস বোলে, অৰ্থাৎ ওপৰৰ পৰা তল লৈকে বা ইমুৰৰ পৰা সিমুৰলৈকে বুৰি স্পৰ্শ কৰা। ইয়াৰ মানে হল ব্যাসদেৱে ঋক্‌বেদৰ আৰম্ভৰ পৰা অথৰ্ব্ববেদৰ শেষ পৰ্য্যন্ত চাৰিও বেদ অধ্যয়ন কৰি শুকদেৱ আৰু জৈমিনি আদি শিষ্যসকলক শিকাইছিল, গতিকেই তেওঁ বেদব্যাস নামে জনাজাত হয়, তেওঁৰ জন্ম নাম আছিল "কৃষ্ণদ্বৈপায়ন"। কোনো কোনোৱে ধাৰণা কৰে যে ব্যাসদেৱে বেদবোৰ সংগ্ৰহ কৰি চাৰি ভাগত বিভাগ কৰিছিল, সেই ধাৰণা ভুল। কাৰণ ব্যাসদেৱৰ পিতা পিতামহ, প্ৰপিতামহ,—পৰাশৰ, শক্তি, বশিষ্ঠ আৰু ব্ৰহ্মা আদিয়েও চাৰিও বেদ অধ্যয়ন কৰিছিল।

প্ৰশ্ন—পুৰাণৰ সকলো কথাই মিছা নেকি? নে সত্যও আছে?

উত্তৰ—বেছি ভাগ মিছা, কিন্তু সত্যও আছে। সত্য ভাগ বেদাদি সত্য শাস্ত্ৰৰ, বাকী অসত্যবোৰ পুৰাণ ৰচয়িতাৰ কল্পনাৰ। শিৱ পুৰাণত যেনেকৈ—শিৱক পৰমেশ্বৰ মানি বিষ্ণু, ব্ৰহ্মা, ইন্দ্ৰ, গণেশ আৰু সূৰ্য্য আদিক তেওঁৰ দাসৰূপে প্ৰতিষ্ঠা কৰিছে, সেইদৰে বৈষ্ণৱসকলে বিষ্ণু পুৰাণ আদিত বিষ্ণুক পৰমাত্মা আৰু শিৱ আদিক বিষ্ণুৰ দাস মানিছে। দেৱী ভাগৱতত দেৱীক পৰমেশ্বৰী কৰি শিৱ আৰু বিষ্ণুক দাস কৰা হৈছে। গণেশ খণ্ডত গণেশক ঈশ্বৰ আৰু বাকীবোৰক হেয় প্ৰতি পন্ন কৰা হৈছে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এতিয়া ভাবি চ'ক এইবোৰ সাম্প্ৰদায়িক কল্পনা হয় নে নহয়। এজন লিখকৰ হলে এনে পৰস্পৰ বিৰুদ্ধ ৰচনা হব নোৱাৰে আৰু বিদ্বান লিখক হলে এনেবোৰ কথা লিখিবই নোৱাৰে। এইবোৰৰ এটাক সত্য বুলি ধৰিলে দ্বিতীয়টো অসত্য হয়, দ্বিতীয়টোক সত্য বুলি মানিলে তৃতীয়টো অসত্য হয় আৰু তৃতীয়টো সত্য বুলি ধৰিলে সকলোৰেই মিছা হৈ পৰে। শিৱ পুৰাণবাদীয়ে শিৱৰ পৰা, বিষ্ণু পুৰাণবাদীয়ে বিষ্ণুৰ পৰা, দেৱী পুৰাণবাদীয়ে দেৱীৰ পৰা, গণেশ খণ্ড বাদীয়ে গণেশৰ পৰা, সূৰ্য্যপুৰাণবাদীয়ে সূৰ্য্যৰ পৰা বায়ুপুৰাণ বাদীয়ে বায়ুৰ পৰা সৃষ্টিৰ উৎপত্তি আৰু প্ৰলয় বৰ্ণনা কৰি, যাৰ পৰা জগতৰ উৎপত্তি হৈছে বা যাক জগতৰ কাৰণ বুলিছে তাৰো উৎপত্তি, বৰ্ণনা কৰিছে। যদি পুৰাণবাদীসকলক প্ৰশ্ন কৰা হয়—“যি জগতৰ উৎপত্তি, স্থিতি আৰু প্ৰলয় কৰ্ত্তা তেওঁ উৎপন্ন হব পাৰেনে নোৱাৰে? আৰু যি উৎপন্ন হয়, সি কেতিয়াবা সৃষ্টিৰ কাৰণ হব পাৰেনে নোৱাৰে?” ইয়াৰ সন্তোষজনক উত্তৰ তেওঁলোকে দিব নোৱাৰে। সেই সৃষ্টিকৰ্ত্তাসকলৰ শৰীৰৰ উৎপত্তিও সৃষ্টিৰ উপাদানৰ পৰাই হব লাগিব। যি নিজেই সৃষ্ট পদাৰ্থ আৰু পৰিচ্ছিন্ন, সি জগতৰ সৃষ্টি-কৰ্ত্তা কেনেকৈ হব পাৰে? তেওঁলোকৰ সৃষ্টি যেনে আচৰিত, সৃষ্টি বিকাশৰ তত্ত্বও তেনেই আচৰিত আৰু অসম্ভৱ। যেনে—

শিৱ পুৰাণৰ মতে শিৱৰ যেতিয়া সৃষ্টি কৰিবৰ ইচ্ছা হল, তেতিয়া নাৰায়ণ অৰ্থাৎ মহাৰ্ণৱ সৃষ্টি হল, সেই মহা সমুদ্ৰৰ নাভি অৰ্থাৎ মাজৰ পৰা এক পদ্ম উৎপন্ন হল, সেই পদ্মৰ পৰাই ব্ৰহ্মাৰ উৎপত্তি হল। ব্ৰহ্মাই দেখিলে চাৰিওফালে জলৰ বাহিৰে আন একো নাই। ব্ৰহ্মাই এক অঞ্জলি জল তুলি লৈ আকৌ পেলাই দিলে, তেতিয়া জলত বুৰ বুৰণি উঠিল, সেই বুৰবুৰণিৰ পৰা এক পুৰুষ উৎপন্ন হল। সেই পুৰুষে ব্ৰহ্মাক কলে—“পুত্ৰ, সৃষ্টি কৰা।” ব্ৰহ্মাই উত্তৰ দিলে “মই তোমাৰ পুত্ৰ নহওঁ,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তুমিহে মোৰ পুত্ৰ। এইদৰে দুয়োৰো তৰ্ক-বিতৰ্ক হোৱাত সেই জলৰ ওপৰতে দুয়োৰো সহস্ৰ বছৰ পৰ্য্যন্ত ঘোৰ যুদ্ধ চলিল। মহাদেৱে নিজে নিজে ভাবিলে যে মই ইহঁতক সৃষ্টি কৰিবলৈ দিলোঁ। কিন্তু দুয়ো যুদ্ধত লাগিল। তেতিয়া তেওঁলোক দুয়োৰো মাজৰ পৰা এক উজ্জ্বল লিঙ্গ উৎপন্ন হৈয়েই আকাশেদি ওপৰলৈ গ'ল। তাকে দেখি দুয়ো আচৰিত হৈ ভাবিবলৈ ধৰিলে যে, ইয়াৰ আদি অন্ত জনা আৱশ্যক। যি গৈ অন্ত জানি আগতে ঘূৰি আহিব তেওঁ পিতা আৰু যি পাছত আহিব বা আদি অন্ত জানি ঘূৰি নাহে, তেওঁ তেওঁৰ পুত্ৰ বুলি কোৱা হব। এই যুক্তি মতে বিষ্ণুৱে কূৰ্ম্মৰূপ ধৰি জলৰ তললৈ গল, আৰু ব্ৰহ্মাই হংসৰূপ ধৰি ওপৰলৈ উৰা মাৰিলে। দুয়ো মনৰ সমান বেগেৰে সহস্ৰ বছৰ গৈ থাকিও লিঙ্গটোৰ শেষ সীমা নেপালে। তেতিয়া বিষ্ণুৱে ওপৰৰ কথা আৰু ওপৰত ব্ৰহ্মাই তলৰ কথা ভাবিবলৈ ধৰিলে—"যদি ব্ৰহ্মাই আদি অন্ত জানি আগতে উভতি আহিছে, তেন্তে মই পুত্ৰ হব লাগিব" আৰু সেইদৰেই ব্ৰহ্মাই ভাবিছে "যদি বিষ্ণুৱে আগতে আদি অন্ত জানি উভতি আহিছে, মই পুত্ৰ হব লাগিব।" তেওঁলোকে এইদৰে ভাবি থাকোঁতেই এজনী গাই আৰু এজোপা কেতেকী বৃক্ষ ওপৰৰ পৰা অৱতৰণ কৰে। ব্ৰহ্মাই তেওঁলোকক কব পৰা আহিছে বুলি সোধাত তেওঁলোকে সহস্ৰ যুগ জুৰি এই লিঙ্গৰ আধাৰতেই চলি আছে বুলি কলে। তেতিয়া ব্ৰহ্মাই সেই লিঙ্গৰ আদি অন্ত আছেনে নাই বুলি সোধাত তেওঁলোকে নাই বুলি কলে। তেতিয়া ব্ৰহ্মাই কলে যে তোমালোকে মোৰ লগত গৈ এই বুলি সাক্ষী দিব লাগিব। গায়ে 'এই লিঙ্গৰ মস্তকত দুগ্ধ বৰ্ষণ কৰিছিলোঁ' বুলি আৰু বৃক্ষই 'পুষ্প বৰ্ষণ কৰিছিলোঁ' বুলি। তোমালোকে যদি এই দৰে সাক্ষী দিয়া তেনেহলে তোমালোকক যথা স্থানলৈ লৈ যাম। তেতিয়া তেওঁলোক দুয়ো কলে "আমি এনেকৈ মিছা কব নোৱাৰোঁ।" তেতিয়া

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ব্রহ্মাই খণ্ডত সাক্ষী নিদিলে দুয়োকে ভস্ম কৰিব বুলি কলে। ব্রহ্মাই তেনেকৈ কোৰাত ভয় খাই দুয়ো সাক্ষী দিবলৈ মান্তি হয়। তাৰ পাছত তিনিও তললৈ আহিলে। বিষ্ণুৱে তাৰ আগতেই আহি সেই ঠাই পাইছি। বিষ্ণুক দেখি ব্রহ্মাই সুধিলে—"তুমি লিঙ্গৰ আদি অন্ত জানিব পাৰিলানে?" বিষ্ণুৱে "জানিব পৰা নাই" বুলি কলে। তেতিয়া ব্রহ্মাই কলে "মই জানি আহিছো।" বিষ্ণুৱে সুধিলে তুমি যে জানিলা তাৰ প্রমাণ কি? তেতিয় গাই আৰু কেতেকী বৃক্ষই সাক্ষী দি কলে "আমি দুয়ো লিঙ্গৰ মূৰত আছিলো।" এনেতে লিঙ্গৰ পৰা শব্দ ধ্বনি হৈ বৃক্ষক অভিশাপ দিলে "যিহেতু তুমি মিছা কথা কলা, তোমাৰ ফুল মোক বা অন্য কোনো দেৱতাক অৰ্পিত নহব। যি মোৰ বাক্য নামানি অৰ্পণ কৰে, তাৰো সৰ্ব্বনাশ হবং।" গাইক অভিশাপ দিলে "যি মুখেৰে মিছা কলা, সেই মুখেৰে তুমি বিষ্ঠা ভক্ষণ কৰিবা। কোনেও তোমাৰ মুখৰ পূজা নকৰে, পাছ ফালহে পূজা কৰিব।" শেষত ব্রহ্মাক শাপ দিলে "যিহেতু তুমি মিছা কথা কলা, সেয়ে সংসাৰত কোনেও তোমাৰ পূজা নকৰিব।" বিষ্ণুক বৰ দিলে "তুমি সত্য কথা কৈছা, গতিকে সকলোৱে তোমাৰ পূজা কৰিব।" তাৰ পাছত ব্রহ্মা বিষ্ণু দুয়ো স্তুতি কৰাত সেই লিঙ্গৰ পৰা এক জটাজুট মূৰ্ত্তিৰ আৱিৰ্ভাব হৈ কলে "মই তোমালোকক সৃষ্টি কৰিবৰ কাৰণে পঠাইছোঁ, তোমালোক বিবাদত প্রবৃত্ত হৈছা কিয়?" তেতিয়া ব্রহ্মা আৰু বিষ্ণু দুয়ো কলে "আমিনো কিহেৰে সৃষ্টি নিৰ্ম্মাণ কৰিব?" তেতিয়া মূৰ্ত্তিমান মহাদেৱে জটাৰ পৰা এমুঠি ভস্ম বাহিৰ কৰি দি কলে "ইয়াৰেই সমস্ত সৃষ্টি ৰচনা কৰাগৈ" ইত্যাদি। এতিয়া পুৰাণ কৰ্ত্তাক যদি সোধা হয়—যেতিয়া একো নাছিল অৰ্থাৎ সৃষ্টি তত্ত্ব আৰু পঞ্চভূত নাছিল, তেতিয়া ব্রহ্মা, বিষ্ণু, মহাদেৱ আদিৰ শৰীৰ আৰু জল স্থল, লিঙ্গী, গাই, কেতেকী বৃক্ষ আৰু ভস্ম ক'ৰ পৰা হল? তাৰ উত্তৰ কি দিব?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সেই দৰেই ভাগৱতৰ মতে বিষ্ণুৰ নাভিৰ পৰা কমল, কমলৰ পৰা ব্ৰহ্মা, ব্ৰহ্মাৰ দক্ষিণ চৰণৰ অঙ্গুষ্ঠৰ পৰা স্বায়ম্ভুব, বাম-চৰণৰ অঙ্গুষ্ঠৰ পৰা সত্যৰূপা ৰাণী, ললাটৰ পৰা ৰুদ্ৰ, মৰীচি আদি দশ পুত্ৰ আৰু সেই দশ পুত্ৰৰ পৰা দশ প্ৰজাপতি উৎপন্ন হয়। কাশ্যপৰ লগত দক্ষ প্ৰজাপতিৰ—এয়োদশ কন্যাৰ বিবাহ হয়। সেই কন্যাসকলৰ দিতিৰ পৰা দৈত্য, দনুৰ পৰা দানৱ, অদিতিৰ পৰা আদিত্য, বিনতাৰ পৰা পক্ষী, কদ্ৰুৰ পৰা সৰ্প, সৰমাৰ পৰা কুকুৰ, শৃগাল আদি, আৰু অন্যান্য স্ত্ৰীৰ পৰা হস্তী, অশ্ব, উষ্ট্ৰ, গৰ্দ্দভ, মহিষ, তৃণ, উলু আৰু কণ্টক আদিৰ বৃক্ষ উৎপন্ন হয়। এতিয়া বিবেচনা কৰি চ'ক—এইবোৰ কথা কিমান বিশ্বাসৰ যোগ্য। মানৰ গৰ্ভত পশু-পক্ষী, সৰ্প আদি উৎপত্তিৰ কথা সম্ভৱ নে? এইবোৰ শাস্ত্ৰৰ জ্ঞান-বিজ্ঞান নে লবা ওমোলাৰ কথা?

প্ৰশ্ন- এনেবোৰ বিষয়ত বিৰোধ ঘটিব নোৱাৰে। বিষ্ণুৰ স্তুতিৰ সময়ত বিষ্ণুৰেই পৰমেশ্বৰ, বাকীবোৰক দাস, আৰু শিৱৰ স্তুতিৰ সময়ত শিৱক পৰমাত্মা আৰু অন্যবোৰক শিৱৰ দাস কৰা হয়। পৰমেশ্বৰৰ মায়াতেই সকলো হয়। পৰমেশ্বৰে মনুষ্যৰ পৰাই পশু আদিৰ আৰু পশু আদিৰ পৰাও মনুষ্য আদিৰ উৎপত্তি কৰিব পাৰে। যি নিজৰ মায়াৰেই কোনো কাৰণ নোহোৱাকৈ সকলো সৃষ্টি কৰিছে, তেওঁৰ অসাধ্য আৰু অসম্ভৱ কি থাকিব পাৰে? তেওঁৰ যি ইচ্ছা সেয়ে হয়।

উত্তৰ—এজনৰ গুণ কীৰ্ত্তন কৰিলে অন্যান্য সকলোকে হেয় প্ৰতিপন্ন আৰু নিন্দা কৰা হয় নেকি? যাৰ গুণ কীৰ্ত্তন কৰা হয়, তেওঁকেই সকলোৰে পিতা বুলি ভবা হয় নেকি? এনেবোৰ কথা তোষামোদকাৰী চাৰণকো (বহুৱা) চেৰ পেলোৱা অলীক গল্প নহয়নে? যাৰ পক্ষ লয় তেওঁক সৰ্ব্বশ্ৰেষ্ঠ কৰা আৰু বিপক্ষক একেবাৰেই হেয় কৰাত সত্য অসত্যৰ নিৰ্ণয় হব পাৰেনে? সত্য আৰু ধৰ্ম্মৰ কিবা প্ৰয়োজন আছে নে নাই!

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...ৰ কেৱল স্বাৰ্থ সিদ্ধি কৰাইহে প্ৰয়োজন? মায়া মানুহৰহে। ৰি...
...লে চক্ৰান্ত কৰে সিহে মায়াবী। আদি সৃষ্টিত কশ্যপ আৰু কশ্যপৰ পত্নী
...বোৰৰ পৰা পশু-পক্ষী, সৰ্প বৃক্ষ আদিৰ উৎপত্তি হলে এতিয়াও তেনেকৈ
...নয় কিয়? এইবোৰ বকবৃত্তিধাৰী প্ৰবঞ্চক সকলৰ অলীক কল্পনা, আৰু
...জনসাধাৰণক ছলনা কৰি স্বাৰ্থসিদ্ধি কৰাৰ কৌশল। পূৰ্ব্বৰ শাস্ত্ৰৰ যি
...ষ্টি ক্ৰমৰ বৰ্ণনা আছে সেইবোৰহে যথাৰ্থ।

তস্মাৎ কাশ্যপ্য ইমাঃ প্ৰজাঃ ॥ (শতঃ ৭।৫।১।৫)

শত পথ ব্ৰাহ্মণত লিখিত আছে যে, সমস্ত সৃষ্টি কশ্যপৰ ৰচিত।

কাশ্যপঃ কস্মাৎ পশ্যকো ভৱতীতি ॥

নিৰুঃ (অঃ ২ খঃ ১) ॥

সৃষ্টিকৰ্ত্তা পৰমেশ্বৰৰ নাম "কশ্যপ"।

"পশ্যতীত পশ্যঃ, পশ্য এব পশ্যকঃ।" যি অভ্ৰান্ত, চৰাচৰ জগৎ ...সকলো প্ৰাণী জীৱৰ কৰ্ম্ম আৰু সকলো বিদ্যাৰ যথাৰ্থৰূপে দ্ৰষ্টা অৰ্থাৎ ...জানে তেওঁ কশ্যপ।

"আদ্যন্তবিপৰ্য্যয়শ্চ"— এই মহাভাষ্যৰ বচন অনুসাৰে আদিৰ ...ক্ষৰ অন্তলৈ আৰু অন্তৰ অক্ষৰ আদিলৈ অহাত "পশ্যক"ৰ স্থানত "কশ্যপ" হৈছে। এই শব্দৰ অৰ্থ নেজানি সৃষ্টি বিজ্ঞানৰ বিৰুদ্ধ বৃথা ...কল্পনা কৰি জনসাধাৰণক বিভ্ৰান্ত কৰিছে।

উদাহৰণ স্বৰূপে মাৰ্কণ্ডেয় পুৰাণৰ দুৰ্গাপাঠত আছে যে দেৱতা-...সকলৰ শৰীৰৰ পৰা তেজ অৰ্থাৎ জ্যোতি বাহিৰ হৈ এক দেৱী উৎপন্ন ...য়। সেই দেৱী শক্তিয়ে মহিষাসুৰক বধ কৰে। ৰক্তবীজৰ শৰীৰৰ ...এক বিন্দু ৰক্ত ভূমিত পৰাত তেনেকুৱা ৰক্তবীজ উৎপন্ন হৈ সমস্ত ...জগৎ ৰক্তবীজেৰে পৰিপূৰ্ণ কৰিলে আৰু ৰক্তনদী প্ৰবাহিত হল। তেনেৱাকু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বহুত অলীক গল্প ৰচিত হৈছে। যেতিয়া ৰক্তবীজেৰে সমস্ত জগৎ পূৰ্ণ হল, তেতিয়া দেৱী, দেৱীৰ সিংহ আৰু সেনাবোৰ কত আছিল? যদি কয় যে, ৰক্তবীজে দেৱীক প্লাবিত কৰা নাই তেনেহলে ৰক্তবীজে সমস্ত জগত পৰিপূৰ্ণ হোৱা হলে সৃষ্টিৰ জলচৰ, স্থলচৰ, খেচৰ আৰু বৃক্ষ আদি অচৰ প্ৰাণী ক'ত আছিল? এইবোৰ জ্ঞান বিজ্ঞানৰ সঙ্গতিবিহীন গল্প ৰচনা।

শ্ৰীমদ্ভাগৱত।

নাৰায়ণে ব্ৰহ্মাক চতুঃশ্লোকী ভাগৱতৰ উপদেশ দিয়ে।

জ্ঞানং পৰমগুহ্যং মে যদ্বিজ্ঞানসমন্বিতম্।
সৰহস্যং তদঙ্গঞ্চ গৃহাণ গদিতং ময়া॥

ভাগৱতৰ মূলেই মিছা কল্পিত। শ্লোকৰ অৰ্থঃ—হে ব্ৰহ্মা! মোৰ পৰম গুহ্য জ্ঞান, যি বিজ্ঞান আৰু ৰহস্যপূৰ্ণ আৰু ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষৰ অঙ্গস্বৰূপ, মোৰ দ্বাৰা কথিত হৈছে তাক গ্ৰহণ কৰা।" যেতিয়া বিজ্ঞান যুক্ত জ্ঞান বোলা হৈছে, তেতিয়া জ্ঞানৰ "পৰম" বিশেষণ নিৰৰ্থক আৰু "গুহ্য" বিশেষণৰূপে দিয়াত "ৰহস্য"ও পুনৰুক্ত হয়। মূল শ্লোৰ ৰচনাতেই দোষ, অৰ্থৰ ঠাইত অনৰ্থ হৈছে, সম্পূৰ্ণ গ্ৰন্থখন অনৰ্থক নহব কিয়? ব্ৰহ্মাক বৰদান কৰিলে যে,

ভবান্ কল্প-বিকল্পেষু ন বিমুহ্যতি কৰ্হিচিৎ॥
(ভাঃ স্কঃ ২ অঃ ৯ শ্লোঃ ৩৬)॥

"আপুনি (কল্প) সৃষ্টি আৰু (বিকল্প) প্ৰলয়ত কেতিয়াও মোহগ্ৰস্ত নহয়।" এইদৰে লিখি পাছত দশম স্কন্ধত লিখিলে যে, ব্ৰহ্মাই মোহিত হৈ বৎস হৰণ কৰিলে। এই দুই কথাৰ ভিতৰত এটা সঁচা হলে আনটো মিছা হয়, গতিকে দুয়োটাই মিছা প্ৰতীত হয়। বহুত সাধনাৰ ফলতহে বৈকুণ্ঠ লাভ হয়। বৈকুণ্ঠত ৰাগ, দ্বেষ, ক্ৰোধ, ঈৰ্ষা আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

শ্বৰ অশান্তি নাই। সেয়ে যদি হয় বৈকুণ্ঠৰ দ্বাৰত সনক আদিৰ ক্ৰোধ ল কিয়? যত ক্ৰোধ বা কন্দল হয় সেই স্থান স্বৰ্গ হব নোৱাৰে। জয় আৰু বিজয় দ্বাৰপাল আছিল। প্ৰভুৰ আজ্ঞা দ্বাৰ-পালৰ অৱশ্যে পালনীয়। প্ৰভুৰ আজ্ঞা পালনত সনক আদিক বাধা দিয়াত দ্বাৰপালৰ কিয় অপৰাধ হব? যদি অপৰাধ নহয়—তেওঁলোকক দিয়া অভিশাপ কিয় ফলিব? কিন্তু অভিশাপ দিয়া হল "তোমালোক পৃথিৱীত পতিত হোৱা।" এই অভিশাপৰ দ্বাৰা বুজিব লাগিব যে তাত ভূমি নাছিল কিন্তু আকাশ, বায়ু, অগ্নি আৰু জল থকা নথকা নুবুজায়। তেনেহলে দুৱাৰ, মন্দিৰ আৰু জল কিহঁৰ আধাৰত স্থিত আছিল? আৰু জয়, বিজয়ে, সনক আদিৰ স্তুতি কৰি সুধিলে "আমি আকৌ কেতিয়া বৈকুণ্ঠলৈ আহিব পাৰিম?" তেতিয়া স্তুতিত প্ৰসন্ন হৈ সনকাদিয়ে কলে—"প্ৰেম-ভাৱে নাৰায়ণক ভক্তি কৰিলে সপ্ত জন্মত, কিন্তু শত্ৰুভাবে ভক্তি কৰিলে তৃতীয় জন্মতেই বৈকুণ্ঠ লাভ হব।" এই খিনিতে বিবেচনা কৰি চাব লাগে যে জয় আৰু বিজয়—নাৰায়ণৰ আজ্ঞা পালনকাৰী ভৃত্য। ভৃত্য হলৰ সকলো প্ৰকাৰে ৰক্ষা আৰু সহায় কৰাটো নাৰায়ণৰ কৰ্ত্তব্য আছিল। বিনা অপৰাধে প্ৰভুভক্তক কোনোৱে যদি দণ্ড দিয়ে তাৰ প্ৰতিকাৰ প্ৰভুৱে নকৰিব নেকি? ভক্তৰ তেনে দশা দেখি-শুনি বাৰু কোন ভক্ত হব? কৰ্ত্তব্য পৰায়ণ জয়-বিজয়ক ৰক্ষা আৰু বিনা অপৰাধে দণ্ডবিধান কৰা সনক আদিক দণ্ড বিধান নকৰিলে জগতৰ প্ৰভু নাৰায়ণৰ ন্যায় কেনেকৈ প্ৰমাণিত হব? সনক আদি যদি জ্ঞানী হয়, তেন্তে জেদ আৰু জোৰ কৰি বৈকুণ্ঠত প্ৰবেশ কৰিবৰ কাৰণে কৰ্ত্তব্য পালন কৰি নাৰায়ণৰ ভৃত্যৰ লগত বিবাদ কৰিব কিয়? বা অভিশাপ দিয়াৰ বা আছে কি? তেনে অকৰ্ম্ম কৰাৰ বাবে নাৰায়ণে সনক আদিক পুনঃ পৃথিৱীলৈ ঘূৰাই নপঠালে কিয়? এই ক্ষেত্ৰত স্বয়ং নাৰায়ণৰেই বিবেচনা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যদি ঘোৰ অন্যায় প্ৰতীত হয়, তেন্তে তেওঁৰ ভক্ত বৈষ্ণৱসকলৰ কৰ্ম অকৰ্ম্মত বিবেচনাৰ যুক্তি কি থাকিব পাৰে ? অভিশাপৰ ফলত জয় বিজয়ে হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপুৰূপে জন্ম পায়। হিৰণ্যাক্ষক বৰাহ ৰূপী নাৰায়ণে বধ কৰে। এই আখ্যানত লিখিত আছে যে হিৰণ্যাক্ষই পৃথিবীক ঢাৰি মেৰিওৱাৰ দৰে মেৰিয়াই উপাধান অৰ্থাৎ গাৰু কৰি তাৰ ওপৰত মূৰ থৈ শয়ন কৰে। বিষ্ণুৱে বৰাহৰূপ ধৰি হিৰণ্যাক্ষৰ মূৰৰ তলত গাৰু কৰি ৰখা পৃথিবীক দাঁতেৰে ধৰি ভাঙি দিয়াত হিৰণ্যাক্ষই সাৰ পায়, তেতিয়া দুয়োৰো ভিতৰত যুদ্ধ হবলৈ ধৰে। শেষত বৰাহে হিৰণ্যাক্ষক যুদ্ধত বধ কৰে। কোনো ভৌগোলিকে যদি সেই পুৰাণ ৰচয়িতাক প্ৰশ্ন কৰে যে, গোলাকাৰ পৃথিবীক ঢাৰিৰ দৰে মেৰিয়াবলৈ চেপেটা কৰিলে কেনেকৈ ? তাৰ উত্তৰ কি দিব ? বাৰু, যদি হিৰণ্যাক্ষই পৃথিবীখন চেপেটা কৰি লৈ মেৰিয়াই গাৰু কৰি তাত মূৰ থৈ শুলে। মূৰটো বাৰু "পৃথিবী গাৰুত থলে, গাটো ক'ত থৈ শুলে ? বৰাহে বা কিহৰ ওপৰত থিয় হৈছিল ? বৰাহে যেতিয়া পৃথিবী মুখত তুলি লৈছিল তেতিয়া বৰাহ আৰু হিৰণ্যাক্ষ কিহৰ আধাৰত থাকি যুদ্ধ কৰিছিল থিয় হবলৈ যেতিয়া অন্যস্থান নাছিল, ভাগৱত ৰচয়িতাৰ মূৰত উঠি দুয়ো যুদ্ধ কৰিছিল নেকি ? এইবোৰ ভৌগোলিক জ্ঞানহীন মিছা কল্পনা অসঙ্গত কল্পনাৰ বাহিৰে আন একো হব নোৱাৰে।

হিৰণ্যকশিপুৰ পুত্ৰ প্ৰহ্লাদ বিষ্ণুভক্ত আছিল। পিতাকে শিক্ষাৰ ওচৰত পঢ়িবলৈ পঠোৱাত শিক্ষকৰ ওচৰত কেৱল ৰাম নামৰ কথাকে কয়; পিতাকে জানিব পাৰি তেওঁৰ শত্ৰুৰ নাম লবলৈ পুত্ৰ প্ৰহ্লাদক মনা কৰে কিন্তু প্ৰহ্লাদে পিতাকৰ উপদেশ নুশুনিলে। তেতিয়া পিতাকে অবাধ্য পুত্ৰৰ হাত ভৰি বান্ধি পৰ্ব্বতৰ ওপৰৰ পৰা বগৰাই দিলে, একো নহল; তাৰ পাছত নাদত পেলাই দিলে, তাতো একো নহল। শেষত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হিৰণ্যকশিপুৱে লোৰ এক স্তম্ভ বিশেষ সজায় আৰু উত্তপ্ত কৰাই প্ৰহ্লাদক কলে "এতিয়া এই স্তম্ভটো ধৰ, যদি তোৰ ইষ্ট দেৱতা ৰাম সত্য হয়, তেন্তে তোৰ হাত নোপোৰে।" প্ৰহ্লাদে সেই স্তম্ভ ধৰিবলৈ ওচৰ চাপোঁতে মনত সন্দেহ হল জানোচা দগ্ধ কৰে। নাৰায়ণে প্ৰহ্লাদৰ মনৰ কথা বুজিব পাৰি সেই উত্তপ্ত স্তম্ভত কিছুমান পৰুৱা সৃষ্টি কৰি বগা-ৱাই দিলে। পৰুৱা বগোৱা দেখি প্ৰহ্লাদে নির্ভয়ে স্তম্ভটো ধৰা মাত্ৰকেই স্তম্ভ ফাটি গল আৰু তাৰ ভিতৰৰ পৰা নৃসিংহ আবির্ভূত হৈ হিৰণ্যকশিপুৰ হৃদয় বিদীর্ণ কৰিলে। তাৰ পাছত অতি স্নেহেৰে নৃসিংহই প্ৰহ্লাদক চেলেকি সুধিলে "তোমাক কি বৰ লাগে কোৱা।" প্ৰহ্লাদে পিতাকৰ সদ্গতিৰ অর্থে বৰ প্রার্থনা কৰিলে আৰু নৃসিংহই পিতাকৰ একৈশ পুৰুষ পর্য্যন্ত সদ্গতি হবলৈ বৰ দান কৰিলে।

এইবোৰ গল্পলিখকৰ অসঙ্গত গল্প। ভাগৱত পাঠৰ আৰু শ্ৰোতাক কোনোবাই ওপৰলৈ দাঙি মাটিত ঠেকেচা মাৰি পেলাই দিলে কোনেও ৰক্ষা নকৰে। পিতাক হিৰণ্যকশিপুৰে প্ৰহ্লাদক শিক্ষকৰ ওচৰত বিদ্যা শিকিবলৈ পঠোৱা কোনো নিন্দনীয় কর্ম্ম হব নোৱাৰে। কিন্তু প্ৰহ্লাদে তাকে নকৰি পিতাকৰ কোনো শত্ৰুৰ দুৰ্বুদ্ধিত বৈৰাগী হব বিচাৰিছিল। প্ৰজ্বলিত স্তম্ভত পৰুৱা বগোৱা আৰু প্ৰহ্লাদে ধৰোঁতে হাত নোপোৰা আদি কথাত যি বিশ্বাস কৰে, তেওঁকো তেনেকৈ জুলি থকা চুই প্ৰমাণ কৰি দেখুৱাবলৈ দিব লাগে। যদি প্ৰমাণ দেখুৱাব নোৱাৰে, তেহে প্ৰহ্লাদক নাই পোৰা বুলি মানুহে বিশ্বাস কৰিব পাৰে। সেইদৰে যে জ্বলি নগল সেইটোহে আটাইতকৈ আচৰিত। পূর্ব্বে সনকৰ শাপত আছিল তৃতীয় জন্মৰ পাছতহে জয় বিজয়ৰ বৈকুণ্ঠ লাভ হব, সেই কথা নাৰায়ণে পাহৰি গৈছিল নেকি? ভাগৱতৰ মতেই ব্ৰহ্মা, প্ৰজাপতি, কশ্যপ, হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপু চতুর্থ পুৰুষৰ অন্তর্গত সেই মতে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰহ্লাদ পঞ্চম পুৰুষ হয়, তেনেস্থলত প্ৰহ্লাদৰ ২১ পুৰুষৰ সদ্‌গতিৰ কাৰণে বৰ দিয়া ভ্ৰম কথা নহব জানো? আকৌ সেই হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপুৱেই ৰাৱণ আৰু কুম্ভকৰ্ণ, আৰু তাৰ পাছত শিশুপাল আৰু বক্ৰদন্ত ৰূপে জন্ম লৈছিল। তেনেহলে নৃসিংহৰ বৰ কলৈ গ'ল? নফলিল নেকি? মতিভ্ৰম মানুহেহে এনেবোৰ কথা কয়, শুনে আৰু বিশ্বাস কৰে; বুদ্ধি বিবেচনা থকা মানুহে তেনে নকৰে।

আৰু অক্ৰূৰ :—

ৰথেন বায়ুবেগেন॥ (ভাঃ স্কঃ ১০ অঃ ৩৯ শ্লোক ৩৮)॥

জগাম গোকুলং প্ৰতি॥ (ভাঃ স্কঃ পূঃ অঃ ৩৮ শ্লোক ১৪)॥

কংসই পঠোৱামতে অক্ৰূৰে বায়ুৰ সমান বেগবান ঘোঁৰাৰ ৰথত উঠি পুৱা সূৰ্য্য উদয়ৰ লগে লগে যাত্ৰা কৰি সূৰ্য্য অস্ত যোৱাৰ সময়ত গোকুল পায়গৈ। গোকুল মথুৰাৰ পৰা মাত্ৰ চাৰি মাইল দূৰ। তেনেহলে ৰথৰ সাৰথিয়ে বাট হেৰুৱাই দিনৰ দিনটো ভাগৱত ৰচয়িতাৰ চাৰিওফালে প্ৰদক্ষিণ কৰি আছিল বা তেওঁৰ ঘৰত অক্ৰূৰে দিনটো শুই আছিল নেকি?

লিখিত আছে যে পুতনাৰ দেহ ছয় ক্ৰোশ বহল আৰু তাতকৈ বহুত দীঘল। শ্ৰীকৃষ্ণই পুতনাক বধ কৰি গোকুল আৰু মথুৰাৰ মাজতে পেলাই দিলে। লিখা কথা সঁচা হোৱা হলে গোকুল আৰু মথুৰাৰ লগতে ভাগৱত লিখকৰ ঘৰবাৰীও তললৈ গৈ ৰসাতল পালেগৈহেঁতেন।

অজামিলৰ উপাখ্যানো অদ্ভুত; নাৰদৰ উপদেশ মতে অজামিলে পুতেকৰ নাম ৰাখিছিল "নাৰায়ণ।" মৰিবৰ সময়ত নিজৰ পুতেকক মাতিছিল কিন্তু পুত্ৰৰ ঠাইত পালে স্বয়ং নাৰায়ণক। অন্তৰ্যামী নাৰায়ণে অজামিলৰ মনৰ ভাৱ নেজানিলে নেকি তেওঁক মাতিছেনে পুত্ৰক? হৰি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নামৰ মাহাত্ম্যই যদি এনে, তেনেহলে আজি কালিও নাৰায়ণৰ নাম লওঁতা সকলৰ দুখ-দুৰ্গতি মোচন কৰিবলৈ নাৰায়ণ নাহে কিয় ? সেইদৰে কাৰাগাৰত আবদ্ধ বন্দীয়েও দেখোন নাৰায়ণৰ নাম লৈ উদ্ধাৰ পাব পাৰিলেহেঁতেন।

এইদৰে সুমেৰু পৰ্ব্বতৰ যি পৰিমাণ দিয়া আছে সি জ্যোতিষ শাস্ত্ৰৰ বিৰুদ্ধ। প্ৰিয়ব্ৰত ৰজাৰ ৰথ-চক্ৰৰ লিক্ ৰা লোৰত সমুদ্ৰ হোৱা, পৃথিবীৰ আয়তন উনপঞ্চাশ কোটি যোজন, ইত্যাদি ধৰণৰ সঙ্গতিহীন কথা কাহিনী যে ভাগৱতত কিমান আছে কৈ অন্ত কৰিব নোৱাৰি।

ভাগৱতৰ ৰচয়িতা। এই ভাগৱত বোবদেৱে ৰচনা কৰিছে। বোবদেৱৰ ভায়েক জয়দেৱে গীতগোবিন্দ ৰচনা কৰিছে। বোবদেৱে নিজৰ ৰচিত "হিমাদ্ৰি" নামৰ গ্ৰন্থত লিখিছে— "ভাগৱত পুৰাণ মই ৰচনা কৰিলোঁ।" আৰু তেওঁৰ ভাগৱত ৰচনাৰ বিষয়ে উক্ত গ্ৰন্থত যিখিনি শ্লোকবদ্ধ কৰি লিখিছে সেইখিনি আমি তিনিখন কাগজত লিখি ৰাখিছিলো তাৰে এখন কাগজ হেৰাল। সেই হেৰোৱা কাগজৰ কথা খিনিৰ ভাবাৰ্থ আমি তলত শ্লোক বদ্ধ কৰিছিলো।—কাৰোবাৰ জানিবৰ ইচ্ছা হলে "হিমাদ্ৰি" নামৰ গ্ৰন্থ চাব পাৰে।

হিমাদ্ৰেঃ সচিবস্যাৰ্থে সূচনা ক্ৰিয়তেঽধুনা।
স্কন্ধাঽধ্যায়কথানাঞ্চ যৎপ্ৰমাণং সমাসতঃ ॥ ১॥
শ্ৰীমদ্ভাগৱতং নাম পুৰাণঞ্চ ময়েৰিতম্।
বিদুষা বোবদেৱেন শ্ৰীকৃষ্ণস্য যশোঽন্বিতম্ ॥ ২॥

সেই হেৰোৱা কাগজত যি উদ্ধৃত কৰা হৈছিল তাৰ অৰ্থ হ'ল এই যে ৰাজসচিব হিমাদ্ৰিয়ে পণ্ডিত বোবদেৱক কৈছিল, "আপোনাৰ ৰচিত সম্পূৰ্ণ শ্ৰীমদ্ভাগৱত শুনিবৰ মোৰ সময়ৰ অভাৱ। গতিকে তাৰ সংক্ষিপ্ত সূচীপত্ৰ এখন শ্লোক বদ্ধ কৰি দিয়ক, যাক পঢ়িলেই মই ভাগৱতৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিষয় জানিব পাৰিম।" সেইমতে পণ্ডিত বোবদেৱে সূচী-পত্ৰ ৰচনা কৰে। তাৰে লিখি ৰখা পূৰ্ব্ব ১০টা শ্লোকৰ পত্ৰখন হেৰোৱাত একাদশ শ্লোকৰ পৰা উদ্ধৃত কৰি দিয়া হল। তলৰ শ্লোকবোৰ বোবদেৱ ৰচিত "হিমাদ্ৰি" গ্ৰন্থৰ :—

বোধয়ন্তীতি হি প্ৰাহুঃ শ্ৰীমদ্ভাগৱতং পুনঃ।
পঞ্চ প্ৰশ্নাঃ শৌনকস্য সুতস্যাত্ৰোত্তৰং ত্ৰিষু। ১১।
প্ৰশ্নাবতাৰয়োশ্চৈব ব্যাসস্য নিৰ্ব্বৃতিঃ কৃতাৎ।
নাৰদস্যাত্ৰ হেতূক্তিঃ প্ৰতীত্যৰ্থং স্বজন্ম চ ॥ ১২॥
সুপ্তঘ্নং দ্ৰৌণ্যভিভৱস্তদস্ত্ৰাৎ পাণ্ডৱা বনম্।
ভীষ্মস্য স্বপদপ্ৰাপ্তিঃ কৃষ্ণস্য দ্বাৰিকাগমঃ ॥ ১৩॥
শ্ৰোতুঃ পৰীক্ষিতো জন্ম ধৃতৰাষ্ট্ৰস্য নিৰ্গমঃ।
কৃষ্ণ মৰ্ত্ত্যত্যাগসূচা ততঃ পাৰ্থমহাপথঃ ॥ ১৪॥
ইত্যষ্টাদশভিঃ পাদৈৰধ্যায়াৰ্থঃ ক্ৰমাৎ স্মৃতঃ।
স্বপৰপ্ৰতিবন্ধোনং স্ফীতং ৰাজ্যং জহৌ নৃপঃ ॥ ১৫॥
ইতি বৈ ৰাজ্ঞো দাৰ্ঢ্যোক্তৌ প্ৰোক্তা দ্ৰৌণিজয়াদয়ঃ।
ইতি প্ৰথমঃ স্কন্ধঃ ॥ ১।

বোবদেৱ পণ্ডিতে এইদৰে বাৰ স্কন্ধৰ সূচীপত্ৰ ৰচনা কৰি ৰাজ সচিব হিমাদ্ৰিক দিছিল। অন্যান্য পুৰাণবোৰতো এনেকুৱা অৰ্থহীন অবাস্তৱ কথা আছে, কোনোখনত কম, কোনো খনত বেছি। ইমানবেই পাৰ্থক্য।

ভগৱান কৃষ্ণ আপ্তপুৰুষ, তেওঁৰ গুণ, কৰ্ম্ম আৰু স্বভাৱৰ আদৰ্শ যি মহাভাৰতত বৰ্ণনা কৰা হৈছে সি অতি শ্ৰেষ্ঠ। তেওঁৰ অধৰ্ম্ম বা কুকৰ্ম্মৰ উল্লেখ মহাভাৰতৰ কতো এটাও নাই। কিন্তু ভাগৱত ৰচয়িতাই শ্ৰীকৃষ্ণৰ বিষয়ে কিছুমান নিন্দনীয় কলঙ্ক ৰচনা কৰিছে। যেনে, দুগ্ধ,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দধি, মাখন আদিৰ চুৰি কৰা, কুব্জীৰ লগত সমাগম, পৰস্ত্ৰীৰ লগত ৰাস-ক্ৰীড়া ইত্যাদি মিছা মনে গঢ়া দোষবোৰ কৃষ্ণ চৰিত্ৰত আৰোপ কৰিছে। এইবোৰ অন্য মতাবলম্বীয়ে পঢ়ি শুনি নিন্দা কৰে। এই ভাগৱতৰ ৰচনা আৰু প্ৰচাৰ নোহোৱা হলে শ্ৰীকৃষ্ণৰ দৰে মহাত্মাৰ চৰিত্ৰত কলঙ্কৰ প্ৰচাৰ নহলহেঁতেন। শিৱ পুৰাণত দ্বাদশ জ্যোতির্লিঙ্গৰ বৰ্ণনা কৰা হৈছে। আচলতে সেইবোৰ লিঙ্গত জ্যোতিৰ লেশমাত্ৰও নাই। এন্ধাৰত লিঙ্গৰ ওচৰেৰে অন্য বস্তু দেখা দূৰৰ কথা, প্ৰদীপ নজ্বলালে লিঙ্গকেই দেখা নেযায়। এইবোৰ ধৰ্ম্মৰ নামত বকবৃত্তিধাৰী মহাত্মাসকলৰ জীৱিকা অৰ্জ্জনৰ ছলনা।

প্ৰশ্ন—যেতিয়া বেদ অধ্যয়নৰ সামৰ্থ্য লোপ হল, তেতিয়া স্মৃতি, স্মৃতি পঢ়াৰো বুদ্ধি বিবেচনা নোহোৱা হোৱাত শাস্ত্ৰ, তেতিয়া শাস্ত্ৰ পঢ়াৰো বিদ্যা বুদ্ধি লোপ পালে তেতিয়া স্ত্ৰী-শূদ্ৰ আদিৰ কাৰণে পুৰাণ ৰচিত হ'ল। কাৰণ স্ত্ৰী আৰু শূদ্ৰৰ বেদ অধ্যয়ন আৰু শ্ৰৱণৰ অধিকাৰ নাই।

উত্তৰ—এইবোৰ মিছা কথা। কাৰণ অধ্যয়ন আৰু অধ্যাপনাৰ দ্বাৰাহে সামৰ্থ্য হয়। আৰু বেদ পঢ়া আৰু শুনাৰ অধিকাৰ সকলোৰে আছে। শুনক। গাৰ্গী আদি নাৰীসকলে বেদ অধ্যয়ন কৰিছিল। ছান্দোগ্যত লিখিত আছে যে শূদ্ৰ জানশ্ৰুতিয়েও ৰৈক্যমুনিৰ ওচৰত বেদ অধ্যয়ন কৰিছিল। যজুৰ্ব্বেদৰ ষড়্‌বিংশ অধ্যায়ৰ দ্বিতীয় মন্ত্ৰত স্পষ্টকৈ কোৱা আছে যে, মানুহ মাত্ৰৰেই বেদ পাঠ আৰু শ্ৰৱণ কৰিবৰ অধিকাৰ আছে। যি সকলে এনেকুৱা মিছা গ্ৰন্থ ৰচনা কৰি মানুহক সত্য গ্ৰন্থ পঢ়া আৰু শুনাৰ পৰা বঞ্চিত কৰে, আৰু জনসাধাৰণক ভ্ৰমজালত আবদ্ধ কৰি স্বাৰ্থ সিদ্ধি কৰে, সেই সকল মহাপাপী নহয় যদি কোন হব?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এই চাওক, সৰল জনসাধাৰণক প্ৰবঞ্চনা কৰি জীৱিকা অৰ্জনৰ কাৰণে কেনেকৈ গ্ৰন্থচক্ৰ ৰচনা কৰিছে ঃ—"আকৃষ্ণেন ৰজসা"।১। (সূৰ্য্যৰ মন্ত্ৰ)।। অগ্নিমূৰ্দ্ধা দিবঃ ককুৎপতিঃ...'।৩। (মঙ্গলৰ)।। উদ্বুধ্যস্বাগ্নে.......'।৪। (বুধৰ)।। বৃহস্পতে অতিযদৰ্য্যো....'।৫। (বৃহস্পতিৰ) 'শুক্ৰসন্ধসঃ.....'।৬। (শুক্ৰৰ)।। 'শন্নোদেবীৰভিষ্টয়...'।৭। (শনিৰ)।। 'কয়া নশ্চিত্ৰ আভুব...'।৮। (ৰাহুৰ)।। আৰু 'কেতুং কৃন্বন্ন কেতবে...'।৯। ইয়াকে কেতুৰ কণ্ডিকা বোলে।। ইয়াৰ আচল অৰ্থ (আকৃষ্ণে) সূৰ্য্য আৰু পৃথিবীৰ আকৰ্ষণ সূচক।।১।। দ্বিতীয়ৰ অৰ্থ ৰাজগুণ বিধায়ক।।২।। তৃতীয় মন্ত্ৰ অগ্নিসূচক।।৩।। চতুৰ্থ মন্ত্ৰ যজমান বাচক।।৪।। পঞ্চম মন্ত্ৰৰ অৰ্থ বিদ্বান।।৫।। ষষ্ঠ মন্ত্ৰৰ অৰ্থ বীৰ্য্য আৰু অন্ন।।৬।। সপ্তম মন্ত্ৰৰ অৰ্থ জল, প্ৰাণ আৰু ঈশ্বৰ।।৭।। অষ্টম মন্ত্ৰৰ অৰ্থ মিত্ৰ।।৮।। নবম মন্ত্ৰৰ অৰ্থ জ্ঞান, গ্ৰহণ বিধায়ক।।৯।। এইবোৰৰ অৰ্থ গ্ৰহবাচক নহয়। যথাৰ্থ নেজানি ভ্ৰমগ্ৰস্ত হৈছে।

প্ৰশ্ন—গ্ৰহৰ ফল আছে নে নাই ?

উত্তৰ—বকবৃত্তিধাৰী সকলে যিদৰে কয় সেইদৰে নহয়। কিন্তু সূৰ্য্য আৰু চন্দ্ৰৰ কিৰণৰ দ্বাৰা উষ্ণতা আৰু শীতলতা, বা কোনো ঋতুযুক্ত কালচক্ৰৰ সম্বন্ধ বশতঃ এইবোৰে প্ৰকৃতিৰ অনুকূলে সুখ দুখৰ নিমিত্ত হয়। বকবৃত্তিধাৰী গ্ৰহ পূজাৰীসকলে যজমানক কয়—" তোমাৰ আঠম চন্দ্ৰ আৰু সূৰ্য্যাদি শুভ স্থানৰ পৰা আঁতৰি গৈছে, শনিৰ দৃষ্টি বেয়া। তোমাৰ অমুক ৰিষ্ট আছে, ধন ক্ষয় হব। তাৰ প্ৰতিকাৰৰূপে গ্ৰহ পূজা দান, জপ পাঠ কৰিলে সকলো বিপদৰ পৰা ৰক্ষা পাবা।" এই দৈৱজ্ঞ গ্ৰহ পূজাৰীসকলক সুধিব লাগে—গ্ৰহ কি বস্তু আৰু গ্ৰহৰ লগত তেওঁ লোকৰ কিবা সম্বন্ধ আছে নেকি ?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বক তপস্বী—

দৈবাধীনং জগৎ সৰ্ব্বং মন্ত্ৰাধীনাশ্চ দেৱতাঃ।
তে মন্ত্ৰা ব্ৰাহ্মণাধীনাস্তস্মাৎ ব্ৰাহ্মণদৈবতম্ ॥

শুনক শাস্ত্ৰৰ প্ৰমাণ। সমস্ত জগৎ দেৱতাসকলৰ অধীন। সকলো দেৱতা মন্ত্ৰৰ অধীন। মন্ত্ৰবোৰ ব্ৰাহ্মণৰ অধীন। গতিকে ব্ৰাহ্মণক দেৱতা বোলে। দেৱতাক আহ্বান আৰু প্ৰসন্ন কৰি কাৰ্য্য সিদ্ধি কৰাৰ অধিকাৰ ব্ৰাহ্মণৰেই। ব্ৰাহ্মণৰ মন্ত্ৰশক্তি নথকা হলে আপোনালোকৰ দৰে নাস্তিক সকলে ব্ৰাহ্মণসকলক সংসাৰত থাকিবলৈ ঠাই দিলে হেঁতেন জানো?

বোধ হয় চোৰ, দস্যু আৰু কুকৰ্ম্মীবোৰো দেৱতাৰ অধীন আৰু দেৱতা সকলেই সিহঁতক দুষ্কৰ্ম্মত প্ৰবৃত্ত কৰায়। তেনেহলে দেৱতা আৰু ৰাক্ষসৰ কোনো প্ৰভেদেই নাথাকিলহেঁতেন। যদি মন্ত্ৰ বল ব্ৰাহ্মণৰ অধীন আৰু ইচ্ছানুৰূপ কাৰ্য্য সিদ্ধ কৰিব পাৰে—তেনেহলে সেই মন্ত্ৰ বলেৰে দেৱতাসকলক বশীভূত কৰি ধন সম্পত্তি সংগ্ৰহ কৰি তেওঁবিলাক নিজে সুখত জীৱন কটাব পাৰে, তাকেই নকৰে কিয়? গ্ৰহ পূজা কৰি সামান্য দক্ষিণা গ্ৰহণৰ আশাত ঘৰে ঘৰে ফুৰিব লাগে কিয়? সৰল হৃদয়ৰ মানুহবোৰা দৰিদ্ৰবোৰক বয়বস্তু চেপি খুন্দি লৈ যায় কিয়? গ্ৰহ শান্তি বা গ্ৰহ পূজা কৰাত ফল যে ধৰে, তাৰ প্ৰমাণ দেখুৱাব পাৰেনে? গ্ৰহ পূজকৰ যদি শক্তি থাকিলে নিজৰ ভাগ্য যথা ইচ্ছা পৰিবৰ্ত্তন কৰি লব পাৰিলেহেঁতেন। বেদ বা জ্ঞান বিবেচনা ঐশ্বৰিক আজ্ঞা, যি তাৰ বিৰুদ্ধাচৰণ কৰে সেই সকলহে নাস্তিক।

সূৰ্য্য, চন্দ্ৰ আদি নক্ষত্ৰ আৰু গ্ৰহবোৰ জড় পদাৰ্থ। প্ৰসন্ন বা অপ্ৰসন্ন হৈ বা পক্ষপাতী হৈ কাকো দুঃখ বা সুখ নিদিয়ে। গ্ৰহদান উপজীৱী সকলহে একোটা মূৰ্ত্তিমান গ্ৰহ। গ্ৰহ শব্দৰ অৰ্থও গ্ৰহদান উপজীৱীতেই খাটে। "যে গৃহ্ণান্তি তে গ্ৰহাঃ।" গ্ৰহজীৱীৰ সাক্ষাৎ নোহোৰা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পৰ্য্যন্ত কোনেও নবগ্ৰহৰ কথা নেভাবে। সেই মনুষ্যৰূপী গ্ৰহইহে আক্ৰমণ কৰে, চেপি খুন্দি কিবা নহয় কিবা আদায় নকৰা পৰ্য্যন্ত নেৰে।

বক তপস্বীয়ে কয় যে জ্যোতিষৰ ফল প্ৰত্যক্ষ। জ্যোতিষে সুদূৰস্থ আকাশৰ সূৰ্য, চন্দ্ৰ, ৰাহু আৰু কেতুৰ সংযোগৰূপ গ্ৰহণৰ কথা, সময় ক্ষণ পৰ্য্যন্ত নিশ্চিত কৰি আগতেই কব পাৰে। জ্যোতিষ সত্য। ধনী, দুখীয়া, ৰজা প্ৰজা বা ৰোগী সুখী আদি হোৱা গ্ৰহৰেই ফল।

তাৰ উত্তৰত কওঁ— গ্ৰহণ হৈছে গণিত বিদ্যাৰ বিষয়, ফলিত জ্যোতিষ নহয়। গণিত বিদ্যা সত্য। ফলিত জ্যোতিষ প্ৰাকৃতিক সম্বন্ধ জাত পৰিণাম। অনুলোম আৰু প্ৰতিলোম ভ্ৰমণকাৰী পৃথিবী আৰু চন্দ্ৰৰ বিষয়ে গণিতৰ সহায়ত স্পষ্টকৈ জানিব পাৰি যে কেতিয়া কোন দেশত, আৰু কোন অবয়বত সূৰ্য্য গ্ৰহণ হব। যেনে:—

ছাদয়ত্যৰ্কমিন্দুৰ্বিধুং ভূমিভা।

এইটো "সিদ্ধান্ত শিৰোমণিৰ" বচন। "সূৰ্য্যসিদ্ধান্ত" আদিতো এইদৰেই কোৱা আছে যেতিয়া সূৰ্য্য আৰু পৃথিবীৰ ভিতৰত চন্দ্ৰ পৰে তেতিয়া সূৰ্য্যগ্ৰহণ, আৰু যেতিয়া সূৰ্য্য আৰু চন্দ্ৰৰ ভিতৰত পৃথিবী পৰে তেতিয়া চন্দ্ৰগ্ৰহণ হয়। অৰ্থাৎ চন্দ্ৰৰ ছাঁ পৃথিবীৰ ওপৰত আৰু পৃথিবীৰ ছাঁ চন্দ্ৰৰ ওপৰত পৰে। সূৰ্য্য জ্যোতিৰ্ম্ময়, গতিকে সূৰ্য্যৰ ওপৰত কাৰো ছাঁ নপৰে। যিফালে সূৰ্য্য বা প্ৰদীপ থাকে সেইফালে কোনো বস্তুৰ ছাঁ নপৰে পোহৰৰ বিপৰীত ফালেহে পৰে। মানুহৰ কৰ্ম্মফল অনুসাৰে ধনী, দৰিদ্ৰ, ৰজা, প্ৰজা হয়, গ্ৰহৰ প্ৰভাৱত নহয়। জ্যোতিষী সকলে নিজৰ নিজৰ পুত্ৰ কন্যাৰ বিবাহৰ আগত গ্ৰহৰ ফলাফল গণনা কৰি বিবাহ স্থিৰ কৰে, তথাপি তাৰ পৰিণাম বেয়া হয় কিয়? তেনে বিবাহতো বিবাহ-বিচ্ছেদ, বাঁৰী বা বৰলা হোৱা দেখা যায়। গতিকে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...ৰ ফলেই সত্য। পৃথিবী আৰু অন্যান্য গ্ৰহবোৰ আকাশত দূৰে ...ৰে নিজৰ নিজৰ গতিত বিচৰণ কৰে। পৃথিৱীৰ অন্যান্য গ্ৰহৰ লগত ...ৰ্ত্তা আৰু কৰ্ম্মৰ কোনো সাক্ষাৎ সম্বন্ধ নাই। কৰ্ম্ম-কৰ্ত্তা জীৱ আৰু কৰ্ম্মৰ ফল ভোক্তাও সাক্ষীস্বৰূপ ঈশ্বৰে—জীৱক কৰ্ম্মফল ভোগ কৰায়। ...ক্ষণত এটা শিশুৰ জন্ম হয়—সেই ক্ষণকেই 'ধ্ৰুৱক্ৰটি' বুলি ধৰি জন্ম-পত্ৰিকা গণনা কৰা য়। সেই মুহূৰ্ত্তত পৃথিৱীত কিমান শিশুৰ ...ৰ জন্ম হয়, তাৰ হিচা নাই। সেই সকলোৰে ভাগ্য একে নহয় কিয়? ...জন্ম ক্ষণৰ পৰাইতো গ্ৰহৰ ফল গণনা কৰা হয়। এজন যদি ৰজা হয় অন্যজন ডাল দৰিদ্ৰ হয় কিয়? ই আচলতে নামত গ্ৰহফল গণনা ...ৰ্ত্তা, কিন্তু কামত উদৰ পূৰণ বিদ্যাহে।

প্ৰশ্ন—গৰুড় পুৰাণো মিছা নেকি?

উত্তৰ—হয়, মিছা।

প্ৰশ্ন—তেনেহলে মৃত জীৱৰ কেনেকুৱা গতি হয়?

উত্তৰ—যাৰ যেনে কৰ্ম্ম, তেনে গতি।

প্ৰশ্ন—যম ৰজা, চিত্ৰগুপ্ত তেওঁৰ মন্ত্ৰী। ঘোৰ ক'লা, ভয়ঙ্কৰ যমদূতবোৰে মৰণৰ সময়ত জীৱবোৰক ধৰি নি পাপীক নৰকত আৰু পুণ্যবানক স্বৰ্গত থাকিবলৈ দিয়ে। জীৱই যাতে বৈতৰণী নদী পাৰ হব পাৰে, তাৰ কাৰণেই দান পুণ্য, শ্ৰাদ্ধ তৰ্পণ আৰু গো দান আদি কৰা হয়। এইবোৰ মিছা কেনেকৈ হব?

উত্তৰ—এইবোৰ কেৱল গল্প। আন ঠাইৰ জীৱই পাপ পুণ্য কৰিলে ...ৰ ৰাজ্যলৈ নি যম আৰু চিত্ৰগুপ্তই ন্যায্য বিচাৰ কৰে। যমলোক ...জীৱে যদি দুষ্কৰ্ম্ম কৰে, তেন্তে তাৰ বিচাৰ কৰিবৰ বাবেও অন্য এখন যমলোকৰ আৱশ্যক হব দেখোন। সেই যমেহে তেওঁলোকৰ কৰ্ম্মফল

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিধান কৰিব পাৰিব। যমদূতৰ দেহবোৰ যদি ডাঙৰ ভয়ঙ্কৰ, তেন্তে তাক দেখা নেযায় কিয়? যমদূতৰ দেহ যদি পৰ্ব্বতাকাৰ, তেন্তে মৃত জীৱৰ ঘৰৰ ভিতৰলৈ সোমাওঁতে ঘৰ ভাঙি সোমায় নেকি? যদি কয় পৰ্ব্বতাকাৰ দেহ খুলি থৈ সূক্ষ্ম দেহ ধাৰণ কৰে, তেন্তে সোলোকাই কয় থয়—কোনোবাই দেখে নেকি? অৰণ্যত জুই থাকিলে অনেক জীৱ জন্তু পোক-পৰুৱা মৰে,—সেইবোৰক নিবৰ কাৰণে অসংখ্য ক'লা ক'লা পৰ্ব্বতাকাৰ দেহৰ যমদূত একেলগে উপস্থিত হ'লে সেই অঞ্চলটো অন্ধকাৰ হৈ যায় নেকি? যি স্থানত অসংখ্য ক্ষুদ্ৰ জীৱ থাকে তাত অসংখ্য পৰ্ব্বতাকাৰ দেহৰ অসংখ্য যমদূত গোট খাবলৈ ঠায়ে জুৰিব জানো? আৰু তাৰ ভৰত সেই ঠাই তললৈ বহি যাওঁতে গৰুড় পুৰাণৰ পাঠক—শ্ৰোতা-সকলৰ ঘৰ বাৰীও তল পৰি নগলহেঁতেন নে? শ্ৰাদ্ধ, তৰ্পণ আৰু পিণ্ড মৃত জীৱৰ মুখত নপৰে গৈ। মৃতকৰ প্ৰতিনিধি বকবৃত্তিধাৰী সকলৰ হাতত, ঘৰত আৰু উদৰতহে পৰেগৈ। নেজত ধৰি বৈতৰণীৰ নৈ পাৰ হবৰ কাৰণে যি গোদান কৰা হয়—সেই গো বৈতৰণী পাৰ নেপাই বক তপস্বীৰ গোহালিহে পায়গৈ। মৃতকৰ হাত ইয়াতেই জ্বলোৱা বা পোতা হয়, গতিকে জীৱ গৈ বৈতৰণীৰ পাৰ পালেও নিজৰ হাত নেথাকিলে আৰু গৰু গৈ নেপালে কাৰ নেজ, কিহেৰে ধৰি পাৰ হব? এই প্ৰসঙ্গত এটা গল্প শুনা যায়ঃ—

এক মানুহৰ ঘৰত এজনী খীৰতী গাই আছিল, দিনে ২০ সেৰ (লিটাৰ) কৈ গাখীৰ দিছিল। ঘৰৰ পৰিয়ালে খায়ো ওচৰ চুবুৰীয়াকো আৱশ্যক মতে দি সহায় কৰিব পাৰিছিল আৰু মাজে সময়ে কুলৰ পুৰোহিতৰ ঘৰলৈও পঠাইছিল। সেই পুৰোহিতৰ সেই গাইজনী দেখি অতিকৈ লোভ লাগিছিল। সেই মানুহজনৰ পিতাক অতি বৃদ্ধ আৰু ৰুগ্ন অৱস্থাত আছিল। পুৰোহিতেও ৰুগ্ন পিতাকৰ মৃত্যুৰ সময়তে গাইজনী দানৰূপে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যোৱাবলৈ মনতে আলচি আছিল আৰু প্ৰায় সদায় সেই আশাৰেই পিতাকৰ খবৰ বাতৰি লবলৈ অহাযোৱা কৰি আছিল। দৈবাৎ এদিন সেই পিতাকৰ মৃত্যুৰ কাল উপস্থিত হল। খবৰ শুনি ওচৰ চুবুৰীয়া আৰু সেই পুৰোহিতো আহিল। অৱস্থা শেষ প্ৰায় দেখি খাটৰ পৰা নমাই ৰীতি-নীতি অনুসাৰে মাটিত থোৱা হল। তেতিয়া পুৰোহিতে মানুহজনক ধীৰ ভাবে কলে "এতিয়া পিতাৰাৰ হাতেৰেই গো দান কৰোৱা।" তেওঁ পিতাকৰ হাতত ১০ টকা দি পুৰোহিতক কলে "আপুনি এতিয়া সঙ্কল্প গাওঁক। পুৰোহিতে কলে "হেৰ কি দিছ? তোৰ পিতাৰ বাৰে বাৰে মৰিব নেকি"? বেছি বয়স নোহোৱা এজনী খীৰতী গাই লাগলৈ আন।" তেওঁ কলে "মোৰ ঘৰত গাই এজনীয়েই আছে, তাকো দান কৰিলে ঘৰৰ লৰা-ছোৱালীৰ গাখীৰ খোৱাৰ মূদা মৰিব। এই ১০ টকা দিলো পাছত এজনী খীৰতী গাই কিনি লব়। এতিয়া মন্ত্ৰ পঢ়ক"। পুৰোহিতে কলে "ধন্য তুমি পুত্ৰ! পিতাৰে পুত্ৰৰ কাৰণে সকলো কৰিলে, এতিয়া সকলো এৰি দি যাবলৈ ওলাইছে, তোমাৰ পিতাৰাতকৈও গাইজনীয়েই ডাঙৰ হ'ল! এয়েই পিতৃ ভক্তি"! তাকে শুনি গাওঁৰ মানুহেও পুৰোহিতৰ কথাতেই হয় ভৰ দিলে। "পিতাৰাক বৈতৰণীত ডুবাই মাৰিব খুজিছা নেকি"? মানুহজন নিৰুপায় হৈ মনৰ দুঃখত গাইজনী দান কৰিলে। পিতাকৰ মৃত্যু হ'ল, ঘৰৰ সকলোৱে কান্দিবলৈ ধৰিলে। পুৰোহিতে, সেই দানৰ গাই-দামূৰী লৈ গৈ নিজৰ ঘৰত বান্ধি থৈ আকৌ তেওঁৰ ঘৰলৈ আহি শ্মশান যাত্ৰী হৈ গৈ শৱদাহ কৰালে। তাৰ পাছত দশা, শ্ৰাদ্ধ, পিণ্ড আদি কৰালে, যথা সম্ভৱ মানুহক খুৱালে। মানুহজনে ইঘৰ সিঘৰৰ পৰা কেইদিনমান গাখীৰ খুজি মাগি আনিলে। চৈধ্য দিনৰ দিনা পুৱাই সেই মানুহজন গৈ পুৰোহিতৰ ঘৰ পালেগৈ। সেই সময়ত পুৰোহিতে গাখীৰ খীৰাই ঘাগৰীত ভৰাই ভিতৰলৈ নিবলৈ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ধৰিছিল। তেওঁক দেখি বহিবলৈ কলে। মানুহজনে ঘপবাই কলে "আপুনি বৰ মিছলীয়া"। পুৰোহিতে কলে "মই কেনেকৈ মিছলীয়া হলো"?

মানুহজন—আপুনি গাইজনী কিহলৈ আনিছিল?

পুৰোহিত—তোমাৰ পিতাৰক বৈতৰণী পাৰ কৰাবলৈ।

মানুহজন—তেনেহলে গৰুজনী বৈতৰণী নৈৰ কিনাৰলৈ নপঠিয়ালে কিয়? মই তাৰ কাৰণেহে আপোনাক গৰুজনী দিছিলো। মোৰ পিতাই গৰুৰ নেজত ধৰি বৈতৰণী পাৰ হব নোৱাৰি চাগৈ কক বকাব লাগিছে, আপুনি আপোনাৰ গোহালিত বান্ধি লৈ গাখীৰ খীৰাই ঘাগৰী ভৰাই ভৰাই খাবলৈ ধৰিছে।

পুৰোহিত—তোমাৰ ইয়াত দিয়া দানৰ ফলত সেই বৈতৰণী পাৰ কৰিবলৈ অন্য গাই আবিৰ্ভাব হৈ পাৰ কৰি দিছে।

মানুহজন—বৈতৰণী নৈ ইয়াৰ পৰা কিমান দূৰত আৰু কোন ফালে?

পুৰোহিত—মোৰ অনুমান মতে ইয়াৰ পৰা ষাঠি কোটি মাইল দূৰ হব, কাৰণ: পৃথিবী উনপঞ্চাশ কোটি যোজন। আৰু বৈতৰণী দক্ষিণ নৈৰ্ঋত দিশত।

মানুহজন— ইয়াত দিয়া দান-পুণ্যৰ ফলত তাত অন্য গাই আবিৰ্ভাব হৈ মোৰ পিতাক বৈতৰণী পাৰ কৰি দিয়াৰ চিঠি বা অন্য কিবা প্ৰমাণ পাইছে যদি মোক দেখুৱাওক।

পুৰোহিত—গৰুড় পুৰাণত যি লিখা আছে সেয়েই প্ৰমাণ; তাৰ বাহিৰে মই আন প্ৰমাণ দিব নোৱাৰো।

মানুহজন—এই গৰুড় পুৰাণত কোৱা কথা যে সঁচা, তাক মই কেনেকৈ জানিম?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পুৰোহিত—আনে তাকেই সঁচা বুলি মানে।

মানুহজন—এই পুৰাণ আপোনাৰ পূৰ্ব্ব পুৰুষে আপোনালোকৰ চৌৰিকাৰ কাৰণে লিখি থৈ গৈছে। কাৰণ পিতাৰ পুত্ৰতকৈ বেছি প্ৰিয় আন একো নাই। যেতিয়া মোৰ পিতাই মোলৈ খবৰ দি গাই পঠা-বলৈ জনায়, তেতিয়া গাই পঠাই দি পিতাক বৈতৰণী নৈ পাৰ কৰাই দিম, তাৰ পাচত আকৌ গাইজনী ঘৰলৈ ঘূৰাই আনি ঘৰত আমি গাখীৰ খীৰাই খাম। এই বুলি তেওঁ গাখীৰৰ ঘাগৰী কান্ধত তুলি, হাতেৰে গাইৰ পঘা ধৰি গাই আৰু গাখীৰ লৈ ঘৰমুৱা হ'ল।

পুৰোহিত—এবাৰ সঙ্কল্প কৰি দিয়া দান ঘূৰাই নিলে তোমাৰ সৰ্ব্বনাশ হব।

মানুহজন—আজি ১৩ দিন মোৰ লৰা-ছোৱালীক বঞ্চিত কৰি গাখীৰ খোৱাৰ হোৰ তুলিব লাগে নেকি' বুলি দাঁত কৰচি মানুহজনে ঘৰলৈ বাবলৈ ধৰিলে। পুৰোহিতে তেওঁৰ উগ্ৰমূৰ্ত্তি দেখি মনে মনে চাই থাকিল।

মৰাৰ পাছত 'দশগাত্ৰ' সপিণ্ডন কৰিলে জীৱই অঙ্গুষ্ঠ অৰ্থাৎ বুঢ়া আঙুলিৰ সমান শৰীৰ ধাৰণ কৰি যম লোকলৈ যায়। এই কথা যদি সত্য বুলি ধৰা হয়, তেন্তে মৃত্যুকালত যমদূতে ধৰি বান্ধি নিয়া কথাৰ লগত সঙ্গতি নেথাকে! মৃত্যুৰ পাছত যদি জীৱই শৰীৰ ধাৰণ কৰে তেন্তে আত্মীয় স্বজনৰ মোহত ঘূৰি নাহে কিয়?

প্ৰশ্ন—যম আৰু যমলোক যদি নাই, তেন্তে মৃত্যুৰ পাছত জীৱৰ কৰ্ম্ম অকৰ্ম্ম ন্যায় বিচাৰ কোনে কৰে আৰু জীৱ কলৈ যায়?

উত্তৰ—গৰুড় পুৰাণৰ কথা সত্য নহয়, বেদৰ বাক্যহে সত্য—যমেন, বায়ুনা। সত্যৰাজন্। (যজুঃ ২০।৪)

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ইত্যাদি বেদ বাক্যৰ পৰা প্ৰমাণ হয় যে "যম" বায়ুৰ নাম। জীৱই দেহ ত্যাগ কৰাৰ পাছত বায়ুৰ লগত অন্তৰীক্ষত থাকে। সত্য-ৰাজ, ধৰ্ম্মৰাজ পৰমাত্মাই সকলোৰে ন্যায় বিচাৰ কৰ্ত্তা।

প্ৰশ্ন—আপোনাৰ মতে কোনো দান বা পুণ্য কৰিব নেলাগে নেকি ?

উত্তৰ—পৰোপকাৰী পুৰোহিত আদি সুপাত্ৰসকলক ধন, সোণ, অন্ন, বস্ত্ৰ আদি যথা যোগ্য দান কৰিব লাগে, কিন্তু কুপাত্ৰক কেতিয়াও দান কৰিব নেলাগে।

প্ৰশ্ন—সৎপাত্ৰ আৰু অসৎ পাত্ৰৰ লক্ষণ কি ?

উত্তৰ—ছলনাকাৰী, কপটী; স্বাৰ্থপৰ, চৰিত্ৰহীন, বিষয়াসক্ত, পৰৰ অনিষ্টকাৰী, মিথ্যাবাদী, বিদ্যাহীন, কুসঙ্গী, এলেহুৱা, বাৰে বাৰে খোজা, দিলেও সন্তুষ্ট নোহোৱা, অকৃতজ্ঞ, উপকাৰীৰ অহিত চিন্তক, হিংসুক, পৰশ্ৰী কাতৰ, সাধু সন্তৰ ভেশধাৰী, প্ৰবঞ্চনাকাৰী, অভাবগ্ৰস্ত নহৈও ভিক্ষা কৰা, পৰৰ পালে জ্বৰৰ গাৰেও খোৱা, সাধু সন্ত সৎঅনুষ্ঠানৰ বিৰুদ্ধাচৰণ কৰা, ইত্যাদি কুপাত্ৰৰ লক্ষণ।

ব্ৰহ্মচাৰী, জিতেন্দ্ৰিয়, অধ্যয়ন অধ্যাপনশীল, চৰিত্ৰবান পৰোপকাৰী, পুৰুষাৰ্থী, উদাৰ, বিবেচনাশীল, আত্মবিশ্বাসী, শান্তি প্ৰিয়, নিৰহঙ্কাৰী, সহিষ্ণু, নিজৰ ক্ষতি কৰিও পৰৰ উপকাৰ পৰায়ণ ইত্যাদি গুণ সৎপাত্ৰৰ লক্ষণ।

এইদৰেই দাতাও তিনি প্ৰকাৰ উত্তম, মধ্যম আৰু অধম। যি দেশ, কাল, পাত্ৰ আদিৰ যাথাৰ্থ্য বিবেচনা কৰি দান কৰে, তেওঁ উত্তম দাতা। যি নিজৰ যশ, স্বাৰ্থ, প্ৰভুত্ব আৰু প্ৰবঞ্চনাৰ কাৰণে দান কৰে, তেওঁ মধ্যম দাতা। যি অসৎ অভিপ্ৰায়ৰ কাৰণে দান কৰি নিজৰ বশ কৰে তেওঁ অধম দাতা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰশ্ন–দানৰ ফল এই জীৱনতেই, নে পৰজীৱনতো হয় ?

উত্তৰ–দানৰ ফল সকলোতে থাকে।

প্ৰশ্ন–দানৰ ফল বিবেচনা কোনে কৰে ?

উত্তৰ–পৰমাত্মাই কৰে। যেনেকৈ—দস্যু, তস্কৰ আদি দুষ্কৰ্ম্ম কাৰীয়ে দণ্ডভোগ স্বইচ্ছাই নকৰে, বিচাৰকে শাস্তি ভুগিবলৈ বাধ্য কৰায় আৰু সাধু সন্তসকলক অত্যাচাৰীৰ পৰা ৰক্ষা কৰায়, সেইদৰে জীৱৰ পাপ পুণ্যৰ ফল ভোগ পৰমাত্মাৰ ন্যায় বিচাৰৰ অধীন।

প্ৰশ্ন–গৰুড় পুৰাণ আদি বেদাদি শাস্ত্ৰৰ অনুকূল নে প্ৰতিকূল ?

উত্তৰ–বেদৰ প্ৰতিকূল। তন্ত্ৰ গ্ৰন্থবোৰো বেদৰ প্ৰতিকূল। যেনেকৈ ...জনক মিত্ৰজ্ঞান কৰিলে সংসাৰৰ বাকীবোৰক শত্ৰুজ্ঞান কৰা হয় ...ৰ নীতি বিবেচনাবোৰো তেনে।

উপবাসৰ দিন

প্ৰত্যেক পুৰাণৰ মতে উপবাসৰ তিথি আৰু বাৰ ভিন্ন ভিন্ন। শিৱ-পুৰাণৰ মতে ত্ৰয়োদশী আৰু সোমবাৰত, আদিত্য পুৰাণৰ মতে ৰবিবাৰত, চন্দ্ৰখণ্ডৰ মতে সোমগ্ৰহ অৰ্থাৎ চন্দ্ৰগ্ৰহণ যুক্ত মঙ্গল, বুধ, বৃহস্পতি ... আৰু শনিত, বিষ্ণুৰ দুয়ো পক্ষৰ একাদশীত, বামনৰ দ্বাদশীত, নৃসিংহ বা অনন্তৰ চতুৰ্দশীত, চন্দ্ৰৰ পূৰ্ণিমাত, দিগ্ পালৰ দশমীত, কাৰ্ত্তিকৰ ষষ্ঠীত, নাগৰ পঞ্চমীত, গণেশৰ চতুৰ্থীত, গৌৰীৰ তৃতীয়াত, অশ্বিনী কুমাৰৰ দ্বিতীয়াত, আদ্যাদেৱীৰ প্ৰতিপদত, আৰু পিতৰসকলৰ—অমাবস্যাত উপবাস কৰিব লাগে। সকলোবোৰতেই লিখা আছে যে সেই বাৰ তিথিত উপবাস নকৰিলে নৰকগামী হয়। "নিৰ্ণয়সিন্ধু," "ধৰ্ম্মসিন্ধু"

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আৰু "ব্ৰতাৰ্ক" আদি গ্ৰন্থবোৰ—চিন্তাবিবেচনাহীন লিখকৰ ৰচনা। এই গ্ৰন্থবোৰত ব্ৰতৰ দিন-ক্ষণ নিৰ্ণয় কৰিব পৰা নাই, ব্ৰতৰ দুৰ্দ্দশাহে কৰিছে। উদাহৰণ স্বৰূপে একাদশীৰ ব্ৰতকেই কোনোৱে দশমীত পালন কৰে। অদ্ভুত বিবেচনা। অনাহাৰ উপবাসতো বাঁদ বিবাদ আৰু সাম্প্ৰদায়িকতা। এইবোৰৰ পৰা জ্ঞান বিবেচনাৰ ঠাইত অজ্ঞান আৰু স্বাৰ্থ-পৰতাৰ ভাৱহে প্ৰতীত হয়। সেইসকলৰ ৰচনা মতে :—

"একাদশ্যামন্নে পাপানি বসন্তি।"

অৰ্থাৎ একাদশীৰ দিনত সকলো পাপ অন্নত (আহাৰত) অৱস্থান কৰে। কাৰ পাপ একাদশীৰ দিনা আহাৰত গৈ জমা হৈ থাকে? পাপৰ ফল যদি দুঃখ অশান্তি হয়, তেন্তে একাদশীত অনাহাৰে থকা সকলৰ কোনো প্ৰকাৰ দুখ অনুভৱ হব নোৱাৰে। কিন্তু তেনে নহয়। ভোকৰ যন্ত্ৰণাও হব নোৱাৰে। সেইদিনা পাপ আহাৰ নকৰি ব্ৰত কৰিলে কিয় ভোক যন্ত্ৰণা ভুগিব লাগে? দুঃখ যন্ত্ৰণা পাপৰ ফল। আহাৰ নেখালে ভোক যন্ত্ৰণা ভুগিব লাগে, গতিকে অনাহাৰত উপবাস কৰা মানে পাপ কৰা হয় যাৰ ফলত ভোক যন্ত্ৰণা ভোগ হয়। ইয়াৰ উপৰিও গোটেই দিনটো ভোকৰ যন্ত্ৰণাত নিষ্কৰ্মা হৈ থকা মহাপাপ। একাদশী ব্ৰতৰ বহুত মাহাত্ম্য ৰচনা হৈছে, যিবোৰ শুনি বহুত লোক প্ৰতাৰিত হৈছে। সেই মাহাত্ম্যবোৰৰ এটি আখ্যান তলত দিয়া হল :—

ব্ৰহ্মলোকত এটা বেশ্যা আছিল। সেই বেশ্যাৰ কোনো বিশেষ অপৰাধৰ কাৰণে পৃথিবীত পৰিবলৈ অভিশাপ হয়। সেই বেশ্যাই নামি আহিবৰ সময়ত স্তুতি কৰি পুনঃ ব্ৰহ্মলোক লাভ কৰিবলৈ উপায় প্ৰাৰ্থনা কৰাত এটা বৰ পালে যে পৃথিবীৰ কোনোৱে একাদশী ব্ৰতৰ ফল দিলে পুনঃ স্বৰ্গ লাভ কৰিব পাৰিব। সেই বেশ্যাই বিমানেৰে পৃথিবীত পৰিলত সেই ৰাজ্যৰ ৰজাই গৈ সুধিলে "তুমি কোন?" তেতিয়া বেশ্যাই নিজৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...লো বৃত্তান্ত জনাই ৰজাক প্ৰাৰ্থনা কৰিলে যদি কোমোৰে একাদশী ব্ৰতৰ ফল দান কৰে, তেন্তে সেই ফলৰ বলত আকৌ তেওঁৰ স্বৰ্গলাভ হ'ব। ৰজাই চাৰিওফালে মানুহ পঠিয়াই কোনে একাদশীৰ ব্ৰত কৰে সন্ধান কৰালে। কিন্তু একাদশীৰ ব্ৰত কৰা মানুহ বিচাৰি নেপালে। ... এক শূদ্ৰ পতি-পত্নীৰ ভিতৰত কাজিয়া লগাত ঘৈণীয়েকে এদিন ... খণ্ডত একোকে নেখালে। দৈবাৎ সেইদিনা আছিল একাদশী। ৰজাৰ মানুহে বিচাৰি গৈ ব্ৰতৰ কথা সোধাত মানুহজনীয়ে কলে "মই একাদশী ... ব্ৰত কৰা নাই, মনৰ বেজাৰত লঘোনে আছিলো।" ৰজাৰ টেকেলাই মানুহজনীক নি ৰজাৰ আগত হাজিৰ কৰাত ৰজাই তাইক সেই বেশ্যাৰ বিমানখন চুবলৈ কলে। ৰজাৰ আজ্ঞাত মানুহজনীয়ে বিমানখনত হাত ... মাত্ৰকে বিমান ওপৰলৈ উৰিবলৈ ধৰিলে। নজনা বুজাকৈ একাদশীৰ ... লঘোণে থকাৰে যদি ইমান মাহাত্ম্য, জানি বুজি ব্ৰত কৰিলে তাৰ ... ফলৰ কথাই নাই। এই গল্পবোৰ যদি সত্য হয়, তেন্তে এতিয়াও সকলো একাদশীৰ ব্ৰতীয়ে লগহৈ তেওঁলোকৰ ব্ৰতৰ সমবেত মহিমাৰে এখন তামোলো ... স্বৰ্গলৈ পঠাই প্ৰমাণ কৰিব পাৰে, আমিও একাদশীৰ ব্ৰত পালন কৰিম! যদি প্ৰমাণ নহয়, এনেবোৰ অন্ধ বিশ্বাস পৰিত্যাগ কৰা উচিত।

মাহে দুটাকৈ একাদশী হলে বছৰত চৌবিশটা হল। এই একাদশীবোৰৰ নামো বেলেগ বেলেগ। কোনোটোৰ নাম "ধনদা", কোনোটোৰ "...দা", "পুত্ৰদা", "নিৰ্জ্জলা" ইত্যাদি। কত দৰিদ্ৰ, ধনাকাংক্ষী আৰু ... মানুহ একাদশীৰ ব্ৰত কৰি কৰি বুঢ়া হল আৰু কত মৰিব ...ছে; কিন্তু কাম্য বস্তু লাভ নহল। জেঠমহীয়া প্ৰখৰ ৰদৰ তাপত ...ৰ পিয়াহৰ ব্যাকুলতা কি সকলোৱে অনুভৱ কৰিব পাৰে? এনেস্থলত ... একাদশীৰ ব্ৰত কৰোঁতা সকলে বিশেষকৈ বঙ্গদেশৰ বিধবা ...হে ব্ৰতৰ মহিমা শাস্তিৰূপে অনুভৱ কৰে। এনেবোৰ ব্ৰতৰ নীতি- ... বচোঁতাসকলৰ লেশমাত্ৰও দয়া থকা হলে জেঠ মাহৰ একাদশীৰ ... নজনা আৰু পুহমাহৰ একাদশীৰ নাম নিৰ্জ্জলা ৰাখি সুবিবেচনা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

শীলতাৰ পৰিচয় দিব পাৰিলেহেঁতেন। কিন্তু তেওঁলোকৰ সেই বিবেচনাৰ অভাৱ। তেওঁলোকৰ আচল অন্তৰ্নিহিত উদ্দেশ্য জীৱিকা আৰু প্ৰতিপত্তি। গৰ্ভৱতী, সদ্যবিবাহিতা, নাৰী, বালক, আৰু যুৱকসকলে অনাহকত উপবাস কৰা ক্ষতিকৰ। অজীৰ্ণ বা অভোকতো যথাযোগ্য সৰবত বা দুগ্ধ আহাৰ আৰু ভোকত অনাহাৰ, জীৱনৰ ঘোৰ ক্ষতিকৰ। এইবোৰ ধৰ্ম্ম হব নোৱাৰে, অধৰ্ম্মহে। গতিকে এনেবোৰ বিবেচনাহীন লিখকৰ কথা কেতিয়াও বিশ্বাসযোগ্য হব নোৱাৰে। এনেকৈ শৰীৰৰ অত্যাচাৰ কৰাৰ ফলত আজীৱন ৰুগীয়া হৈ শাস্তি ভোগ কৰিব লগা হয়।

গুৰু শিষ্য, মন্ত্ৰোপদেশ আৰু প্ৰচলিত মত মতান্তৰ

প্ৰশ্ন—মূৰ্ত্তি পূজাবাদীসকলে কয় যে বেদ অনন্ত, ঋক্‌বেদৰ ২১, যজুৰ্ব্বেদৰ ১০১, সামবেদৰ ১০০০ আৰু অথৰ্ব্ববেদৰ ৯ শাখা আছে। এইবোৰৰ কিছুমান শাখাহে আছে বাকীবোৰ লোপ হৈ গল। যিবোৰ লুপ্ত হল, সেইবোৰতেই মূৰ্ত্তি পূজা আৰু তীৰ্থ যাত্ৰাৰ মহিমাৰ কথা থকা সম্ভৱ। নহলে পুৰাণে এইবোৰ কথা কেনেকৈ জানিব বা লিখিব? কাৰ্য্য দেখিলে যেতিয়া কাৰণৰ অনুমান হয়, সেইদৰে পুৰাণত মূৰ্ত্তিপূজাৰ প্ৰতিপাদন দেখি বেদতো প্ৰতিপাদন কৰাৰ অনুমান হব পাৰে।

উত্তৰ—বৃক্ষ যেনে তাৰ শাখাও তেনে দেখা যায়, তাৰ বিপৰীত নহয়। শাখাৰ ভিতৰত সৰু বা ডাঙৰ হলে, শাখাৰ ভিতৰত পৰস্পৰ বিৰুদ্ধ নুবুজায়। সেইদৰে বেদৰ যিবোৰ শাখা পোৱা গৈছে সেইবোৰত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পুৰাণ আদিৰ মূৰ্ত্তিৰ আৰু জল-স্থলৰূপী তীৰ্থবোৰৰ উল্লেখ দেখা নাযায়। গতিকে জানব পাৰি যে লুপ্ত শাখাবোৰতো এইবোৰ বিষয় নাই। চাৰিও বেদ সম্পূৰ্ণ পোৱা গৈছে, তাৰ ভিতৰত এইবোৰ বিষয় নাই যেতিয়া শাখাবোৰতো নাই। কাৰণ বেদৰ শাখা বেদবিৰুদ্ধ হব নোৱাৰে। বিশেষকৈ পুৰাণ তো বেদৰ শাখা নহয়। পুৰাণবোৰ সম্প্ৰদায়বাদী লিখকৰ পৰম্পৰৰ বিৰুদ্ধে ৰচনা কৰা গ্ৰন্থ। আপোনালোকে যদি বেদক ঐশ্বৰিক জ্ঞান বুলি ভাবে, তেনেহলে "আশ্বলায়ন" আদি ঋষি মুনিসকলৰ জনাত গ্ৰন্থবোৰক বেদ বোলে কিয়? যেনেকৈ ঠাল পাত দেখিয়েই আহত আৰু আম আদি গছবোৰ চিনিব পাৰি সেইদৰে ঋষি মুনিৰ ৰচিত বেদাঙ্গ, চাৰি ব্ৰাহ্মণ, অঙ্গ উপাঙ্গ আৰু উপবেদ আদিৰ সহায়ত বেদৰ অৰ্থ জানিব পাৰি। এই কাৰণেই এইবোৰ গ্ৰন্থক বেদৰ শাখা বুলি কোৱা হৈছে। যিবোৰ বেদৰ বিৰুদ্ধে সেইবোৰ প্ৰামণিক আৰু যিবোৰ বেদৰ অনুকূল সেইবোৰ অপ্ৰামাণিক হব নোৱাৰে। যদি আপুনি নেদেখা শাখাবোৰৰ ভিতৰত মূৰ্ত্তি পূজা আদিৰ প্ৰমাণ আছে বুলি কল্পনা কৰে, সেইদৰে আনেও লুপ্ত শাখাবোৰত প্ৰচলিত বৰ্ণাশ্ৰম ব্যৱস্থাৰ বিপৰীতে শূদ্ৰ আৰু অন্ত্যজাদিৰ নাম ব্ৰাহ্মণ, আৰু ব্ৰাহ্মণাদিৰ নাম শূদ্ৰ আৰু অন্ত্যজাদি, অকৰ্ত্তব্যক কৰ্ত্তব্য, অধৰ্ম্মক ধৰ্ম্ম আৰু ধৰ্ম্মক অধৰ্ম্ম বুলি কয়, তেতিয়া আপুনিও সেই উত্তৰেই দিব যি উত্তৰ মই আপোনাক দিছো। অৰ্থাৎ বেদ আৰু প্ৰসিদ্ধ শাখাবোৰত যেনেকৈ ব্ৰাহ্মণ আদি আৰু শূদ্ৰ আদিৰ নাম শূদ্ৰ আদি লিখিত হৈ আছে সেইদৰেই অদৃষ্ট শাখাবোৰতো আছে বুলি স্বীকাৰ কৰা উচিত। নহলে বেদৰ কোনো কথাকেই নিশ্চিত বা প্ৰামাণিক বুলি নিৰ্ণয় কৰিব পৰা নেযাব। জৈমিনি, ব্যাস, পতঞ্জলিৰ সময়লৈকে সকলোবোৰ শাখা বিদ্যমান—আছিল নে নাছিল কওকচোন বাৰু? যদি আপুনি নাছিল বুলি কয় তেন্তে আৰু কোনো প্ৰশ্নই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হুঠে, যদি আছিল বুলি কয়—তেনেহলে থকাৰ প্ৰমাণেই বা কি ? জৈমিনি মীমাংসাত সকলো কৰ্ম্মকাণ্ড, পতঞ্জলিয়ে যোগশাস্ত্ৰত সকলো উপাসনা কাণ্ড আৰু ব্যাস মুনিয়ে শাৰীৰিক সূত্ৰত সকলো জ্ঞান কাণ্ড বেদানুকূল বুলি লিখিছে। এই শাস্ত্ৰবোৰত মূৰ্ত্তিপূজা আৰু প্ৰয়াগ আদি তীৰ্থবোৰৰ কোনো নাম-নিচান নাই। যদি বেদত এইবোৰ থাকিলহেঁতেন তেন্তে সেই ঋষি মুনিসকলে তাৰ উল্লেখ কৰিলে হেঁতেন। গতিকে লুপ্ত শাখা-বোৰতো মূৰ্ত্তি পূজা বা তীৰ্থৰ কথা থকা সম্ভৱ নহয়। দ্বিতীয় কথা, এই শাখাবোৰ বেদ নহয়। শাখাবোৰৰ আধাৰ বেদ, তাত বেদৰ বিষয়বোৰ ব্যাখ্যা কৰোতে সাংসাৰিক লোকৰ নাম, ইতিহাস আদিও লিখিত হৈছে। বেদত মূৰ্ত্তি পূজা বা তীৰ্থৰ কথা নাই, কোনো মানুহৰ নাম নাই। বেদত কেৱল জ্ঞান-বিজ্ঞানৰ উপদেশহে আছে। গতিকে মূৰ্ত্তি পূজা বেদ বিৰুদ্ধ।

ভাবি চ'কচোন মূৰ্ত্তি পূজাৰ দ্বাৰাই শ্ৰীৰামচন্দ্ৰ, শ্ৰীকৃষ্ণ, নাৰায়ণ আৰু শিৱ আদিৰ নিন্দনীয় উপহাস কৰা হোৱা নাই জানো ? সেই সকল যে ৰাজাধিৰাজ বা মহান ব্যক্তি আছিল এই কথা কোনোৱেই অস্বীকাৰ নকৰে, আৰু সীতা, ৰুক্মিণী, লক্ষ্মী আৰু পাৰ্ব্বতী এই সকল তেওঁলোকৰ চিৰস্মৰণীয় আদৰ্শ পত্নী একো গৰাকী মহাৰাণী আছিল কিন্তু মূৰ্ত্তি পূজকসকলে তেওঁলোকৰ মূৰ্ত্তিবোৰ মন্দিৰত স্থাপন কৰি তেওঁলোকৰ নামত ভিক্ষা প্ৰাৰ্থনা কৰে। অৰ্থাৎ সেইসকলৰ প্ৰতিমূৰ্ত্তিবোৰক ভিক্ষাৰী সজাই ৰজাৰ পৰা প্ৰজালৈকে আমন্ত্ৰণ কৰে "আহক, দৰ্শন কৰক, প্ৰসাদ, চৰণামৃত পান কৰক ; দেৱতাৰ পূজাৰ আৰু ভোগৰ সামগ্ৰী অৰ্পণ কৰক। মূৰ্ত্তিৰ ভোগ দিবলৈ একো নাই, অমুক দিয়ক, তমুক দিয়ক। আপোনাৰ নামত পুৱাৰ বাল্যভোগ দিয়ক, দুপৰীয়াৰ ৰাজভোগ দিয়ক, আবেলিৰ লঘু ভোগ দিয়ক অথবা সন্ধ্যাৰ আৰতি ভোগ দিয়ক

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ইত্যাদি মহিলাসকলক কয় আপুনি সীতাদেৱীৰ, পাৰ্ব্বতী দেবীৰ, ৰাধা দেৱী বা লক্ষ্মী দেৱীৰ চৰণৰ নেপুৰ গঢ়াই দিয়ক, আৰু সেই গহনা পিন্ধাবলৈ এভাগ পূজা আৰু তাৰ দক্ষিণাও দিয়ক। কোনোবাই মূৰ্ত্তিৰ নামত কিবা দিলেও তাক অৰ্পণ কৰিবলৈ পূজাৰীক দক্ষিণাও দিব লাগে। প্ৰথমতে দক্ষিণাৰ নিৰিখ বহুত কৰে, দৰদাম বেহায় কৰোতে কৰোতে শেষত গৈ বহুত কমতেও হয়গৈ। কোনো অঞ্চলত ৰামলীলা আদি পাতি সীতা আৰু ৰাম, ৰাধা আৰু কৃষ্ণ সজাই নচুৱাই গণ্য-মান্য, ধনী দৰিদ্ৰ সকলোৰে চায়। আৰু নাচৰ শেষত ৰাম সীতা বা ৰাধা-কৃষ্ণই প্ৰত্যেকৰ ওচৰলৈ গৈ পইচা খোজে। ভাৰতৰ কিছুমান ঠাইত সৰু লৰা-ছোৱালী আৰু ডাঙৰ মানুহেও ৰামসীতা, বা ৰাধাকৃষ্ণৰ ভেশচন কৰি হাটে বজাৰে আৰু ঘৰে ঘৰে ভিক্ষা কৰি ফুৰে। মন্দিৰ মণিকূটবোৰত ৰাধাকৃষ্ণ, ৰাম সীতা, বা চতুৰ্ভূজ নাৰায়ণৰ মূৰ্ত্তিবোৰ দণ্ডায়মান হৈ থাকে। আগত মঠ মন্দিৰৰ অধিকাৰী মহন্ত, পূজাৰী, পাণ্ডাসকলে গাদীত বহি গাৰুত আউজি আগত শৰাই আদি লৈ থাকে। দিনে তিনিবাৰকৈ ভোগ নৈবেদ্য আদি দিয়ে, কিন্তু জগত ঈশ্বৰৰ মূৰ্ত্তিবোৰ মন্দিৰৰ ভিতৰত গৰমতে দুৱাৰ বন্ধ কৰি বাহিৰৰ পৰা তালা লগাই, পূজাৰী পাণ্ডাসকলে নিজৰ নিজৰ মন্দিৰত বিজুলী বিছনি চলাই খাট-পালেঙত আৰাম কৰে। অনেকে মূৰ্ত্তিবোৰ টোমাত ভৰাই কাপোৰেৰে মেৰিয়াই ডিঙিত আৰি ঘৰে ঘৰে ভিক্ষা মাগি ফুৰে। ঘিউ উপাদেয় বস্তু; ঘিউ নহলে নাৰায়ণৰ পূজাই হব নোৱাৰে, তাৰ কাৰণে ধনী মানুহৰ লগত বিশেষ যোগাযোগ ৰাখে, পূজাৰ প্ৰসাদ, নিৰ্ম্মালি আদি নি ঘৰত দি আহে, যেনেতেনে অলপ হলেও ঘিউ যোগাৰ কৰি পঠাবলৈ আশীৰ্ব্বাদ দিয়ে। যত যেতিয়া উৎসৱ, হাট, মেলা আদিত জনসমাগম হয় তাৰ সন্মুখত প্ৰৱেশ পথৰ কাষত কোনো এটা সৰু লৰাক কানাই সজাই ভিক্ষা কৰোৱা হয়। কোনো এক দেৱতাৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মূৰ্ত্তি মূৰত লৈ এজন দুজনে বা দলে দলে ভিক্ষা কৰাও দেখা যায়। এইবোৰ উপহাস আৰু পৰিতাপৰ বিষয় হয় নে নহয় সকলোৱে ভাবি চক! ৰাম, সীতা, কৃষ্ণ আদি ভিক্ষাৰী আছিল নেকি? তেওঁলোকে ভিক্ষাৰ কিবা আদৰ্শ থৈ গৈছিল নেকি? অথবা জগতৰ ঈশ্বৰ বা দেৱ-দেৱীসকল ভিক্ষাৰী নেকি? এনেকুৱা আচৰণৰ দ্বাৰাই আমাৰ ঐতি-হাসিক মহামান্য আদৰ্শ ব্যক্তিসকলৰ উপহাস কৰা হোৱা নাই নে? সেই সকল বৰ্ত্তমান থকা হলে, এনেকুৱা আচৰণ কৰিবলৈ দিলেহেঁতেন নে! মূৰ্ত্তি পূজাৰ নামত ধনী দুঃখী সকলোৱে পৰা ধন সোণ আনি মূৰ্ত্তি সজায় আৰু জমা কৰে, শেষত এদিন চুৰি হয় বা পূজাৰী পাণ্ডায়েই অপহৰণ কৰি চোৰৰ বদনাম দিয়ে। শ শ বছৰ ধৰি মূৰ্ত্তিপূজা কৰি আহিছে, ক'তা দেশৰ, সমাজৰ বা ব্যক্তিৰ কি উন্নতি হৈছে? পূজাৰী পাণ্ডাবোৰে জীৱিকা আৰ্জ্জন কৰিছে, আৰু সেই দুষ্কৰ্ম্মৰ ফলো ভুগিছে। পাষাণ মূৰ্ত্তি পূজা আৰু তীৰ্থযাত্ৰাৰ পৰা যে আমাৰ দেশৰ আৰু সমাজৰ মহৎ অনিষ্ট হৈছে এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

বাম মাৰ্গৰ (বামাচাৰী) মন্ত্ৰ শিক্ষা

মূৰ্ত্তি পূজকৰ ভিতৰত বামমাৰ্গীসকল গুৰুতৰ অপৰাধী। দং দুৰ্গায়ৈ নমঃ। ভং ভৈৰবায় নমঃ। ঐং ক্লীং চামুণ্ডায়ৈ বিচ্চে। এইবোৰ দীক্ষাৰ মন্ত্ৰ।

হ্ৰীং, শ্ৰীং, ক্লীং॥ [শাবৰ তন্ত্ৰঃ বং: প্ৰকীঃ প্ৰঃ ৪৪] ইত্যাদি। একাক্ষৰী মন্ত্ৰ বঙ্গদেশত চলে।

ধনী মানুহ হলে পূৰ্ণাভিষেক কৰা হয়। দশমহাবিদ্যাৰ মন্ত্ৰ:—

হ্ৰাং হ্ৰাং হ্ৰূং বগলামুখৈ্য ফট্ স্বাহা।। [শাঃ প্ৰকীঃ প্ৰঃ ৪১]

কোনো কোনো ঠাইত :—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হূং ফট্ স্বাহা॥ (কামৰত্ন তন্ত্র, বীজ মন্ত্র ৪)

এই বামাচাৰী সকলে মাৰণ, মোহন, উচ্চাটন, বিদ্বেষ আৰু বশীকৰণ আদি কৰে। মন্ত্রবলেৰে এইবোৰৰ একোকে কৰিব নোৱাৰে; গোপনে ক্রিয়া বিশেষৰ দ্বাৰাই কৰে। যি মাৰণমন্ত্র কৰোৱায়, তেওঁৰ পৰা টকা আৰু পূজাৰ কাৰণে অন্যান্য কিবা কিবি বহুত লয়, যাক মাৰিবৰ কাৰণে মাৰণ মন্ত্র প্রয়োগ কৰা হয়, তাৰ আকৃতিৰ দৰে আটা বা মাটিৰ পুতলা এটা কৰে। সেই পুতলাৰ বুকু, নাভি, আৰু কণ্ঠত ছুৰিকা অস্ত্র সুমুৱাই দিয়া হয়। চকু, হাত আৰু ভৰিত সাল মাৰি দিয়া হয়। সেই পুতলাৰ ওপৰত ভৈৰৱ বা দুৰ্গাৰ মূৰ্ত্তি সাজি হাতত ত্রিশূল দি সেই ত্রিশূল পুতলাটোৰ বুকুত সংলগ্ন কৰা হয়। এক গোপন ঠাইত ছাগলী পাতি মাংস আদিৰে হোম কৰে। ইফালে গোপনে অন্য মানুহ নিযুক্ত কৰি যাৰ প্রতি মাৰণ মন্ত্র প্রয়োগ কৰা হয়—তাক বিহ খুৱাবলৈ বন্দবস্ত কৰে। যদি সেইদৰে মন্ত্র আদি কৰি থকাৰ সময়ৰ ভিতৰত মানুহটো মৰে তেতিয়া নিজক স্বয়ং ভৈৰৱ বা দেৱীৰ সিদ্ধ সাধক বুলি আত্ম প্রকাশ কৰে। আৰু **ভৈৰৱো ভূতনাথশ্চ** ইত্যাদি মন্ত্র গায়।

"মাৰয় মাৰয়, উচ্চাটয় উচ্চাটয়, বিদ্বেষয় বিদ্বেষয়, ছিন্ধি ছিন্ধি, ভিন্ধি ভিন্ধি, বশীকুৰু বশীকুৰু, খাদয় খাদয়, ভক্ষয় ভক্ষয়, ত্রোটয় ত্রোটয়, নাশয় নাশয়, মম শত্রূন্ বশীকুৰু বশীকুৰু হুং ফট্ স্বাহা।" (কামৰত্ন তন্ত্র, উচ্চাটন প্রকৰণ মং ৫–৭)॥

ইত্যাদি মন্ত্র জপ কৰোতে ইচ্ছা অনুসাৰে যিমান পাৰে মদ আৰু মাংস ভোজন কৰে। ভ্রূযুগলৰ মাজৰ কপালত সেন্দুৰৰ ফোট অঙ্কন কৰি লয়। কোনো কোনো সময়ত কালী দেৱীক মানুহ বলি দিয়ে, বলি দিয়া মানুহৰ মাংসৰে হোম কৰে, হোম কৰাৰ পাছত উক্ত মাংস ভক্ষণো কৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কোনোবাই ভৈৰৱী চক্ৰলৈ গৈ তাত মদ আৰু মাংস নেখালে তাক বধ কৰি হোম কৰা হয়। এই তান্ত্ৰিকসকলৰ ভিতৰত যি সকল অঘোৰী তেওঁলোকে মৰা মানুহৰ মাংসও ভক্ষণ কৰে। যি সকলে "অজৰী" "বজৰী" কৰে, তেওঁলোকে মুত আৰু বিষ্ঠাও ভক্ষণ কৰে। তেওঁলোকৰ ভিতৰতো "চোলী মাৰ্গী" আৰু "বীজ মাৰ্গী" পন্থ আছে। চোলি মাৰ্গীসকলে কোনো এক গোপন স্থানত সকলো স্ত্ৰী, পুৰুষ, পুত্ৰ-বোৱাৰী, জীয়াৰী, মাক-বাপেক লগ হৈ মদ-মাংস খাই এক স্ত্ৰীক উলঙ্গ কৰি পুৰুষ-সকলে তেওঁক দুৰ্গাদেৱী বুলি তেওঁৰ গুপ্ত ইন্দ্ৰিয়ৰ পূজা কৰে। আনফালে এক পুৰুষক সেইদৰেই উলঙ্গ কৰি তেওঁৰ গুপ্ত ইন্দ্ৰিয়ক স্ত্ৰীসকলে পূজা কৰে। মদ্যপান কৰোঁতে কৰোঁতে যেতিয়া সকলো উন্মত্ত হৈ পৰে তেতিয়া স্ত্ৰী সকলৰ "চোলী" অৰ্থাৎ স্তনৰ আৱৰণবোৰ নি এক মাটিৰ মঠিয়া বা ঘাগৰীৰ ভিতৰত জমা কৰে। তাৰ পাছত পুৰুষসকলৰ এজন এজনকৈ সেই মঠিয়াত হাত দিলে যাৰ কাপোৰত হাত পৰে সেই স্ত্ৰীৰ লগত সম্বন্ধৰ বাছ-বিচাৰ নকৰি সেই ৰাতিৰ কাৰণে যিমান পাৰে সঙ্গম কৰিব লাগে। তাকে নকৰি সম্বন্ধৰ বাছ-বিচাৰ বা সংকোচ কৰিলে মহা অপৰাধ হয় আৰু আনহাতে মদৰ নিছাত বাছ-বিচাৰ কৰিব পৰা জ্ঞানো নেথাকে। কোনো কোনোৱে অতিপাত মদৰ নিছাত গালি শপনি পাৰি পৰস্পৰৰ ভিতৰত মাৰপিত দবৰা দবৰিও কৰে। ৰাতিৰ শেষত দিনৰ পোহৰ হোৱাৰ আগতেই কাৰবাৰ বস্ত্ৰ কোনোৱাই পিন্ধি কোনো মতে ঘৰা ঘৰি যায়। ঘৰ গৈ পালেহে আগৰ দৰে যাৰ যি সম্বন্ধ স্থিৰ হয়। বীজ মাৰ্গী-সকলৰ স্ত্ৰী-পুৰুষে সমাগম কৰাৰ পাছত বীৰ্যবোৰ বাহিৰ কৰি পানী মিহলাই পান কৰে। তেওঁলোকৰ মতে সেইবোৰেই মুক্তিৰ সাধন। ইয়াৰ পৰাই তেওঁলোকৰ জ্ঞান বিবেচনা আৰু শিষ্টতাৰ পৰিচয় পোৱা যায়।

প্ৰশ্ন—শৈৱসকল এওঁলোকতকৈ ভাল নে ?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ—কি ভাল ? বামাচাৰীয়ে যেনেকৈ মন্ত্র দি মানুহৰ পৰা ধন লয়, সেইদৰেই “ওঁ নমঃ শিৱায়” আদি মন্ত্র দীক্ষা দিয়ে, ৰুদ্ৰাক্ষৰ মালা পিন্ধে আৰু ভস্মও সানে, মাটি বা শিলাদিৰ লিঙ্গ সাজি লিঙ্গ পূজা কৰে আৰু “হৰ হৰ, বম্ বম্” উচ্চাৰণ কৰি ছাগলীৰ মাতৰ দৰে বিকট শব্দ কৰে। এওঁলোকৰ মতে চাপৰি আৰু বম্ বম্ শব্দ কৰিলে পাৰ্ব্বতী প্ৰসন্ন হয়; কিন্তু মহাদেৱ হলে অপ্ৰসন্ন হয়। কিয়নো যেতিয়া মহাদেৱে ভস্মাসুৰৰ ভয়ত পৰা পলাইছিল তেতিয়া বিদ্ৰূপ সুচক বম্ বম্ শব্দ আৰু বিদ্ৰূপৰ হাত চাপৰি হৈছিল। আকৌ গাল বজালে পাৰ্ব্বতী অপ্ৰসন্ন হয় আৰু মহাদেৱ প্ৰসন্ন হয়। কাৰণ, পাৰ্ব্বতীৰ পিতা দক্ষ প্ৰজাপতিৰ শিৰটো কাটি অগ্নিত আহুতি দিয়া হৈছিল আৰু দক্ষ প্ৰজাপতিৰ গলত এটা ছাগলীৰ মুৰ লগাই দিয়া হৈছিল। তেওঁলোকে শিৱ ৰাত্ৰিৰ ব্ৰত কৰিলেই মুক্তি লাভ হয় বুলি ভাবে। এইদৰে শৈৱসকলো বামাচাৰীৰ দৰেই বিভ্ৰান্ত। শৈৱৰ ভিতৰত কাণফটা, নাথ, গিৰি, পুৰী, বন, অৰণ্য পৰ্ব্বত আৰু সাগৰ এইবোৰ শৈৱৰ সম্প্ৰদায়। ইয়াৰ বাহিৰে গৃহস্থীও শিৱভক্ত হয়। কিছুমান দুই ফলিয়া; অৰ্থাৎ বামাচাৰীৰ লগত বামাচাৰী আৰু শৈৱৰ লগত শৈৱ হৈ পৰে। আৰু কিছুমান বৈষ্ণৱৰ লগত বৈষ্ণৱ আৰু শৈৱৰ লগত শৈৱ হৈ পৰে। ইয়াৰ প্ৰমাণ আছে :—

অন্তঃশাক্তা বহিশ্ শৈৱাঃ সভামধ্যে চ বৈষ্ণৱাঃ।
নানাৰূপধৰা কৌলাঃ বিচৰন্তি মহীতলে॥ (তন্ত্ৰৰ শ্লোক)

এই বামাচাৰীসকলে বহু ৰূপ ধৰি পৃথিৱীত বিচৰণ কৰে। এওঁলোক ভিতৰত শাক্ত অৰ্থাৎ বামাচাৰী, বাহিৰত শৈৱ অৰ্থাৎ ৰুদ্ৰাক্ষ, ভস্মধাৰী আৰু সভাত বৈষ্ণৱ অৰ্থাৎ বিষ্ণুৰ উপাসক বুলি পৰিচয় দিয়ে।

বৈষ্ণৱ

প্ৰশ্ন—বৈষ্ণৱ কোন ?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ—শাক্তই কপালত সেন্দুৰ লয়, শৈৱই ছাই সানে আৰু বৈষ্ণৱে মাটি কলী আদিৰে কপালত, বুকত, বাহুত বিষ্ণুৰ পদ চিহ্ন আদি চিত্ৰ অঙ্কন কৰে, ইমানেই পাৰ্থক্য। এই চিত্ৰ-বিচিত্ৰবোৰ নিজৰ হাতে-ৰেই অঙ্কন কৰে, বৈকুণ্ঠৰ বিষ্ণুৱে তেওঁলোকৰ গাত দি যোৱা চিহ্ন নহয়। গাত জড় পদাৰ্থৰে চিত্ৰ অঙ্কন কৰি ভিক্ষা কৰি উদৰ পূৰণ কৰাৰ বাহিৰে আন বিশেষত্ব একো নাই।

বৈষ্ণৱসকলৰ ভক্তমাল গ্ৰন্থত এক আখ্যান আছে। "পৰিকাল" নামৰ এজন বৈষ্ণৱ ভক্ত আছিল। তেওঁ চুৰি, ডকাইতি, ছল, প্ৰৱঞ্চনা কৰি যি য'ত পায় সকলো বৈষ্ণৱসকলক দিয়ে। এদিন পৰিকালে চুৰি কৰিবলৈ একো নেপাই নিৰাশ মনে ঘূৰি ফুৰিছিল। নাৰায়ণে ভক্তৰ মনৰ দুঃখ বুজিব পাৰি এক ধনী বণিকৰ ৰূপ ধৰি এখন ৰথত উঠি পৰিকালৰ আগত উপস্থিত হয়। পৰিকালে আগত দেখি বণিকক কলে "তোমাৰ অলঙ্কাৰ যি যত আছে, খুলি মোক দিয়া, নহলে হত্যা কৰা হব।" বণিকৰূপী নাৰায়ণৰ আঙুঠিবোৰ সোলোকাওঁতে পলম হোৱাত পৰি-কালে আঙুঠিৰ লগত আঙুলিও কাটি লৈ গল। তেতিয়া নাৰায়ণ অতি প্ৰসন্ন হৈ ভক্তপ্ৰাণ পৰিকালক চতুৰ্ভুজ মূৰ্ত্তি ধাৰণ কৰি দৰ্শন দি কলে "তুমি মোৰ অতি প্ৰিয় ভক্ত; তুমি সকলো লুটপাট কৰি বৈষ্ণৱসকলৰ শুশ্ৰূষা কৰা, তুমি ধন্য!" এনেকুৱা আখ্যান আৰু আছে। সেই চোৰ আৰু দস্যু বৃত্তিৰ পৰিকালৰ মূৰ্ত্তি আজিও বৈষ্ণৱ মন্দিৰত বিষ্ণু ভক্তৰূপে প্ৰতি-ষ্ঠিত হৈ আছে। এতিয়া বিবেচনা কৰি চ'ক, বৈষ্ণৱ, বৈষ্ণৱৰ সেৱক আৰু স্বয়ং নাৰায়ণ, এই তিনিও চোৰ হলনে নহল? অন্যান্য মত মতা-ন্তৰৰ ভিতৰত বৈষ্ণৱ মতৰ কোনো বিষয় আপেক্ষিক ভাল হলেও সম্পূৰ্ণ সঙ্গত নহয়।

এই বৈষ্ণৱৰো নানা মতভেদ, নানা প্ৰকাৰৰ তিলক ধাৰণ আৰু কণ্ঠী ধাৰণ দেখা যায়। ৰামানন্দী পন্থই দুফালে গোপীচন্দন, মাজত ৰঙা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...; নিমাৱত পন্থই তুডাল সৰল ৰেখাৰ মাজত এটা কলা বিন্দু; ... পন্থৰ কলা ৰেখা; গৌড়ীয় বঙালীৰ কটাৰীৰ দৰে ৰেখা; আৰু ... প্ৰসাদী পন্থৰ তুডাল উজ্জ্বল ৰেখাৰ মাজত এটা বগা গোলাকাৰ ...টি লয়। এইবোৰৰ ব্যাখ্যাও তেওঁলোকৰ ভিন্ন ভিন্ন। ৰামানন্দীৰ ... নাৰায়ণৰ হৃদয়ত অঙ্কিত ৰক্তবৰ্ণ ৰেখা লক্ষ্মীৰ চিহ্ন। গোঁসাই পন্থৰ ... শ্ৰীকৃষ্ণ চন্দ্ৰৰ হৃদয়ত ৰাধা বিৰাজ মানৰ চিহ্ন ইত্যাদি। ভক্তমাল ...ত এক আখ্যায়িকা আছে :—

এটা মানুহ গছৰ তলত শুই থাকোতে কিবা কাৰণত সেই শুই ...থকা অৱস্থাতেই মৃত্যু হয়। গছৰ ওপৰৰ পৰা কাউৰীৰ বিষ্ঠা কপালত পৰি ...তিলকৰ দৰে হল। জীৱটো নিবৰ কাৰণে যমদূত আহি উপস্থিত হয়। ...ই একে সময়তে বিষ্ণুৰ দূতো আহি উপস্থিত হল। যমদূতে কলে "যমৰাজৰ আজ্ঞা মতে ইয়াক যমলোকলৈ নিম।" বিষ্ণুৰ দূতে কলে "আমাৰ ...ভু বিষ্ণুৰ আজ্ঞা মতে আমি ইয়াক নিব লাগিব। দেখা নাই ...াৰ কপালত বৈষ্ণৱৰ তিলক আছে, তোমালোকে কেনেকৈ নিবা।" ...তিয়া যমদূত নিমাত হৈ উভতি গল আৰু বিষ্ণুদূতে সগৰ্ব্বে তাক বৈকুণ্ঠলৈ ...গল। বিষ্ণুৱে তেওঁক বৈকুণ্ঠত ৰাখিলে। তিলকৰ কিমান মাহাত্ম্য চ'ক। ...বাং কপালত তিলক থকাৰেই ইমান মাহাত্ম্য, যেতিয়া শ্ৰদ্ধা ভক্তিৰে ...ৰ স্বহস্তে তিলক লয় তাৰ নৰকৰ পৰা মুক্তি পোৱাত সন্দেহ কি ...িব পাৰে? আমাৰ মতে এনেবোৰ কথাত জ্ঞান বিবেচনাশীল মানুহে ...াস কৰিব নোৱাৰে।

খাখী (যি বল্কলৰ কৌপিন পিন্ধে)

খাখীসকলে ধূনি অৰ্থাৎ জুই জ্বলাই ফুৰায়; দিনক দিনে মূৰৰ ...বৃদ্ধি কৰে, সিদ্ধ পুৰুষৰ বেশ ধাৰণ কৰে; বগলিৰ দৰে ধ্যানস্থ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হৈ দেখুৱায়; গাঞ্জা ভাং চৰসৰ নিছাত চকু ৰঙা হৈ থাকে। সকলোৱে পৰা অলপ অলপ ভোজনী অৰ্থাৎ চাউল, দাইল, আটা, ঘিউ, পইচা আদি ভিক্ষা কৰে, আৰু কাৰোবাৰ লৰা ফুচলাই চেলা কৰি লয়। এই খাখীসকলৰ ভিতৰত অধিকাংশই শ্ৰমিক শ্ৰেণীৰ মানুহ, লিখা-পঢ়া নাই, কোনোৱে পঢ়িব খুজিলে নিদিয়ে। এওঁলোকে কয়ঃ—

পঠিতব্যং তদপি মৰ্ত্তব্যং দন্তকটাকটেতি কিং কৰ্ত্তব্যম্।

অৰ্থাৎ সাধু সন্যাসীসকলৰ বিদ্যা-শিক্ষাৰ প্ৰয়োজন কি? বিদ্যা শিক্ষা কৰাবোৰো মৰে, গতিকে দাঁত কৰকৰাই শব্দ কৰাৰ কি লাভ! চাৰি ধাম ভ্ৰমণ কৰা, সাধু সন্তৰ সেৱা আৰু ৰামৰ ভজন কৰাই সাধু সকলৰ কাম।

যি মূৰ্খ আৰু অবিদ্যাৰ মূৰ্ত্তি বা স্বৰূপ দেখা নাই, তেওঁ খাখীৰ দৰ্শন কৰিলেই হব। খাখীৰ পিতা-মাতাৰ সম বয়সী নৰনাৰীকো খাখীয়ে "বচ্চা" "বচ্চী" অৰ্থাৎ "পুত্ৰ" "পুত্ৰী" বুলি মাতে। খাখী যেনে ৰুংখড়, সুংখড়, গোদড়ীয়, জমাতওয়ালে, সুতৰেসাই অকালী, কাণফটা যোগী ঔঘড় আদিও তেনে।

এসময়ত এক খাখীৰ চেলাই "শ্ৰীগণেশায় নমঃ" অশুদ্ধকৈ গাই গাই নাদৰ পৰা পানী আনিবলৈ গৈছিল। সেই নাদৰ পাৰত এজন পণ্ডিত বহি আছিল। খাখীৰ মুখত "স্ত্ৰীগণেসাজনমে" শুনি পণ্ডিত জনে কলে—সাধু বাবা! অশুদ্ধকৈ গাইছে কিয়? "শ্ৰীগণেশায় নমঃ" এইদৰে গাওঁক। খাখীৰ চেলাই পানী লৈ গৈ তেওঁৰ গুৰুক কলে যে এজন বামুণে মোৰ মন্ত্ৰ গোৰাত অশুদ্ধ হৈছে বুলি কৈছে। খাখীয়ে সেই কথা শুনি তৎক্ষণাৎ গৈ সেই নাদৰ ওচৰ পালেগৈ আৰু পণ্ডিতক কলে "তুমি মোৰ চেলাক কি ওভোটাই শিকাইছা? তুমি গুৰুৰ পাঠ কি পঢ়িছা? তুমি এক প্ৰকাৰ পাঠহে জানা, মই তিনি ৰকমে জানো।"

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

"স্ত্রাগণেসাজন্নমে," "স্ত্রীগণেসায়ন্নমেৎ," "শ্রীগণেসায়নমেৎ।"

পণ্ডিতে শুনি কলে—সাধু জী! বিদ্যা তেনে সহজলভ্য নহয়, নপঢ়িলে বিদ্যা কব পৰা হব? খাখীয়ে কলে—"যা যা, সব বিদ্বান মই মোহাৰি পেলাওঁ, ভাঙৰ চিলিমত ধৰি এহোপা মাৰি ললেই সব পণ্ডিত উৰাই দিওঁ। সন্তৰ মহিমা তুমি কি জানা?" পণ্ডিতে কলে "সাধু, তুমি বিদ্যা শিক্ষা কৰা হলে, সকলো জ্ঞান বিবেচনা হলহেঁতেন আৰু এনেকুৱা অশিষ্ট বাক্যও তোমাৰ মুখৰ পৰা উচ্চাৰণ নহলহেঁতেন।" খাখীয়ে কলে "হেৰ! তই জানো মোৰ গুৰু, যে তোৰ কথা মই শুনিম?" পণ্ডিতে কলে—"কেনেকৈ শুনিবা? বুদ্ধি হলেহে। উপদেশ শুনিবলৈ আৰু বুজিবলৈ হলে বিদ্যাও থাকিব লাগিব।" খাখীয়ে কলে—"যেয়ে যিমানেই শাস্ত্র জানক লাগে, সন্তক নেমানিলে সি একোকে নেজানে।" পণ্ডিতে কলে—"অৱশ্যে আমি সন্তসকলক সন্মান কৰো, কিন্তু তোমাৰ দৰে মূৰ্খ ভণ্ডক নকৰো। বিদ্বান, ধাৰ্ম্মিক, পৰোপকাৰী, সজ্জন পুৰুষকহে সন্ত বোলে।" খাখীয়ে কলে—"আমি দিন ৰাতি বিবস্ত্র হৈ থাকো, ধুনী জ্বলাই তাপ লও, গাজা, চৰস পান কৰো, তিনি ঘটিকৈ ভাঙৰ ঘোটা খাওঁ, ভাং আৰু ধতুৰা আদিৰ পাত ভাজি খাওঁ, সংখি, আফিঙো গিলি থওঁ, নিচাত বিভোৰ হৈ দিন ৰাতি নিশ্চিন্ত হৈ থাকো, সংসাৰৰ চিন্তাকে নকৰো, ভিক্ষা কৰি টিক্কৰা বনাই খাওঁ, ৰাতিৰ ৰাতিটো কাহি কাহি কটাও, আমাৰ কাহৰ প্ৰতাপত কোনেও ওচৰত ৰাতি শুব নোৱাৰে। ইত্যাদি সিদ্ধি আৰু সাধুত্ব আমাৰ আছে। তথাপি তুমি আমাৰ নিন্দা কৰা সাৱধান হৈ কবা, মোক বেছি বিৰক্ত কৰিলে ভস্ম কৰি পেলাম।"

পণ্ডিত—অসাধু, মূৰ্খ আৰু নিৰ্ব্বোধেহে এনেকুৱা কথা কয়, সাধুৱে নকয়। কেৱল "সাধ্নোতি পৰাণি ধৰ্ম্মকাৰ্য্যাণি স সাধুঃ" যি ধৰ্ম্মসঙ্গত উত্তম কৰ্ম্ম কৰে, পৰোপকাৰ পৰায়ণ, নিৰ্দ্দোষ, বিদ্বান, যি সত্য উপদেশ দি পৰৰ হিত সাধন কৰে—সেই জনকেই সাধু বোলে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

খাখী—যা, যা, সাধুৰ জ্ঞান কি তুমি কেনেকৈ জানিবা ? সাধু সকলৰ পৰাক্ৰম মহৎ। সাধুৰ লগত তৰ্ক-বিতৰ্ক নকৰিবা, নহলে চেপেনাৰ কোবত মূৰ উৰি যাব।

পণ্ডিত—খাখী, এতিয়া য'ৰ পৰা আহিছা তলৈকে যোৱাগৈ, মোৰ ওপৰত বেছি খং কৰিব নেলাগে। আইন কানুন কি বস্তু জানা জানো ? কাৰবাক মাৰিলে, তোমাকো ধৰি নি কাৰাগাৰত বন্ধ কৰি থব, বেতৰ কোবো খাব লাগিব বা তোমাকে যদি কোনোবাই মাৰে তেতিয়া কি হব ? এইবোৰ সাধুৰ লক্ষণ নহয়।

খাখী—উঃ। কেনেকুৱা ৰাক্ষসৰ মুখ দেখুৱালেহি।

পণ্ডিত—তুমি কেতিয়াও সৎসঙ্গ কৰি পোৱা নাই, নহলে তোমাৰ এনেকুৱা মূৰ্খ স্বৰূপ নেথাকিলেহেঁতেন।

খাখী—মই নিজেই মহাত্মা, মোৰ অন্য মহাত্মাৰ দৰকাৰ নাই।

পণ্ডিত—দুৰ্ভগীয়াৰহে তোমাৰ দৰে দুবুৰ্দ্ধি অহঙ্কাৰ হয়।

তাৰ পাছত খাখী নিজৰ ঠাইলৈ গ'ল আৰু পণ্ডিতো ঘৰলৈ গ'ল। গধূলি সন্ধ্যা আৰতি হোৱাৰ পাছত, সেই বৃদ্ধ খাখীক "দণ্ডোৎ" "দণ্ডোৎ" বুলি বহুতো পৰ খাখীয়ে সাষ্টাঙ্গ প্ৰণাম কৰি ওচৰতে বহিলে। সেই খাখীয়ে সুধিলে ৰামদসিয়া, তই কিমানলৈ কি পঢ়িছিলি ?

ৰামদাস—মহাৰাজ, মই "বেস্নু সহসৰ নাম" পঢ়িছো।

খাখী—হেৰ গোবিন্দাসিয়ে ! তই কি পঢ়িছ।

গোবিন্দদাস—মই অমুক খাখীৰ ওচৰত "ৰামসতবৰাজ" পঢ়িছো। তাৰ পাছত ৰাম দাসে সাধুক সুধিলে, মহাৰাজ ! আপুনি নো কি পঢ়িছিল ?

খাখী—মই গীতা পঢ়িছিলো।

ৰামদাস—কাৰ ওচৰত পঢ়িছিল ?

খাখী—ধেৎ, মই কাকো গুৰু নভজো। শুনা, মই যেতিয়া "গৰাগৰাজ্"ত আছিলো, আখৰ চিনি নেপাইছিলো। যেতিয়া কোনো

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আহল বহল ধুতি পিন্ধা পণ্ডিত দেখো তেতিয়া গীতা পন্থীক গৈ সোধো এই কলঙ্কীৰালা আক্‌খৰৰ কি নাম? এইদৰে সোধোতে ওঠৰ অধ্যায় গীতা শেষ কৰিলো, গুৰু কাকো নেমানিলো।

এতিয়া অবিদ্যাই এনেকুৱা বিদ্যাৰ শত্রুৰ আশ্রয় নলৈ কলৈ যাব? এইবোৰ মানুহে নিচা, হেলা, কাজিয়া, শোৱা, ঝাঁজ-পিতা, ঘণ্টা ঘড়ি আৰু শঙ্খবাদ্য, ধূনি জলোৱা, স্নান প্রলেপন কৰা আৰু চাৰিওফালে ভ্রমি ফুৰাৰ বাহিৰে অন্য কোনো সৎচিন্তা বা সৎকৰ্ম্ম নকৰে। কোনোৱে হয়তো শিলো গলাই পনীয়া কৰিব পৰা সম্ভৱ; কিন্তু এনেকুৱা খাখী সাধুৰ অন্তৰত জ্ঞান সঞ্চাৰ কৰিব পৰা দুঃসাধ্য। এই খাখীবোৰ সাধাৰণতে শূদ্র শ্রমজীৱী শ্রেণীৰ মানুহ।

তেওঁলোকে নিজৰ বৃত্তি এৰি হঠাতে গাত ভস্ম সানি বৈৰাগী বা খাখী হয়। গতিকে বিদ্যা আৰু সৎসঙ্গৰ মাহাত্ম্য জানিব নোৱাৰে। এওঁলোকৰ ভিতৰৰ নাথসকলৰ মন্ত্র "নমঃ শিবায়" খাখীবোৰৰ "নৃসিংহায় নমঃ" ৰামাৱত সকলৰ "শ্রীৰামচন্দ্রায় নমঃ" অথবা "সীতাৰামাভ্যাং নমঃ" কৃষ্ণৰ উপাসকসকলৰ "শ্রীৰাধা-কৃষ্ণাভ্যাং নমঃ" "নমো ভগৱতে বাসুদেবায়" আৰু বঙালী বৈষ্ণৱ সকলৰ "গোবিন্দায় নমঃ"। এই মন্ত্রবোৰ কাণে কাণে দি শিষ্য কৰি লোৱা হয় আৰু কমণ্ডলুৰ মন্ত্রও শিকায়:—

জল পবিতৰ সথল পবিতৰ ঔৰ পবিতৰ কুআ।
শিৱ কহে শুন পাৰ্ব্বতী কমণ্ডলু পবিতৰ হুৱা॥

এতিয়া ভাবি চ'ক, এনেকুৱা মানুহ সাধূ বা বিদ্বান হবৰ বা জগতৰ উপকাৰ সধাৰ উপযুক্ত নে? খাখীসকলে দিন ৰাতি কাঠ বা শুকান গোবৰ জ্বলাই থাকে। এমাহ জ্বলোৱা কাঠৰ দামৰ শতাংশৰ একাংশৰে গাৰত লোৱা কম্বল কিনিলেও সুখত দিন কটাব পাৰে। এইবোৰ বি ব-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চনা তেওঁলোকৰ কেনেকৈ হব। ধুনিৰ তাপ লৈ তেওঁলোক তপস্বী হয়। এনেকৈ তপস্বী হব পাৰিলে বনবাসী মানুহো তেওঁলোকতকৈ বেছি তপস্বী হব পাৰে। চুলিত জটা ৰাখিলে, গাত ভস্ম সানিলে আৰু তিলক চিহ্ন লগালেই তপস্বী হলে, সকলোৱেই হব পাৰে। এই সকল বাহিৰত ত্যাগী কিন্তু অন্তৰত অতি সংগ্ৰহী।

কবীৰ পন্থী

প্ৰশ্ন—কবীৰ পন্থীসকল ভাল নে? তেওঁলোকে মূৰ্ত্তি পূজাৰ প্ৰতিবাদ কৰে। কবীৰ চাহাবৰ ফুলৰ পৰাই জন্ম হৈছিল, শেষতো ফুল হৈ গল। ব্ৰহ্মা, বিষ্ণু আৰু মহাদেৱৰ জন্মৰ আগতো কবীৰ চাহাব বিদ্যমান আছিল। কবীৰ এজন সিদ্ধ পুৰুষ আছিল, বেদ পুৰাণ আদিয়ে জানিব নোৱাৰা কথাও কবীৰে জানিছিল। কবীৰেইহে সত্য পথ দেখুৱাইছিল। কবীৰ পন্থীসকলৰ মন্ত্ৰ "সত্য নাম কবীৰ" ইত্যাদি।

উত্তৰ—পাষাণ আদিৰ মূৰ্ত্তিৰ পূজা নকৰি খাট, গাদী, গাৰু, খৰম আৰু প্ৰদীপ আদিৰ পূজা কৰাৰ পাৰ্থক্য কি? কবীৰ চাহাব কীট আছিল নে কলি আছিল যি ফুলৰ পৰা উৎপন্ন হৈ শেষত যে ফুল হৈ গল! কবীৰৰ জন্ম সম্বন্ধে তলত উল্লেখ কৰা কথা শুনা যায়, সেয়েই সত্য হোৱা সম্ভৱ।

কাশীত এক নিঃসন্তান তন্তবায় আছিল। এদিন সেই তন্তবায় ৰাতিপুৱাৰ পোহৰ নৌ হওতেই এক সুৰুসুৰীয়া বাটেদি গৈ থাকোতে সেই বাটৰ কাষত এটা পাছিত ফুলেৰে সৈতে এটা শিশু পালে। সেই শিশুটি ঘৰলৈ লৈ গৈ ঘৈণীয়েকক দিলে। সেই লৰাটি প্ৰতিপালিত হৈ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...হোৰাত বাপেকৰ লগত তন্তুবায় অৰ্থাৎ কাপোৰ বৈছিল লৰাটিয়ে ...ৰ ইচ্ছাবে এক সংস্কৃত পণ্ডিতৰ ওচৰলৈ গৈছিল। পণ্ডিতে তন্তু- ...ক নপঢ়াও বুলি অপমান কৰি পঠালে। তাৰ পাছতো কেবাজনৰ ওচৰ ...গৈছিল কিন্তু কোনেও পঢ়াবলৈ সন্মত নহল। তেতিয়াৰ পৰা তেওঁ ...ৰ ভাষাত শুনাক শুনি কিছুমান অৰ্থ সংগতিহীন ৰচনা কৰি তন্তুবায় ...দি সাধাৰণ মানুহক বুজাবলৈ ধৰিলে। তেওঁ ভজন ৰচনা কৰি তান ...পুৰা বজাই - গাইছিল।

পণ্ডিত, শাস্ত্ৰ, বেদ আদিৰ নিন্দা কৰিছিল। কিছুমান অশিক্ষিত ...লোকক প্ৰভাবিত কৰিব পাৰিছিল। তেওঁ মৰাৰ পাছত তেওঁক মানুহে ...দ্ধ পুৰুষ পাতিলে। কবীৰৰ জীৱনত যিবোৰ ৰচনা কৰি গৈছে সেই ...কেই তেওঁৰ অনুগামীসকলে পঢ়ে আৰু মানে। কবীৰ পন্থৰ মতে ...ন্দ্ৰিয় বন্ধ কৰিলে যি শব্দ শুনা যায় সেয়েই "অনহত" শব্দ, মনৰ ...বোৰক "সৰতি" বোলে। সেই অনাহত শব্দ মনোযোগ দি শুনাই পৰমে- ...ৰ ধ্যান, আৰু যি তাকে কৰে তেওঁ সন্ত। সেই অনহত শব্দ কালৰ ...তীত। কবীৰ পন্থীসকলে যাঠীৰ আকৃতি কৰি তিলক আৰু চন্দন কাঠৰ ...টি পিন্ধে। বিবেচনা কৰি চ'ক, এইবোৰৰ পৰা জ্ঞান বা আত্মিক ...তি কি হব পাৰে? আচলতে এইবোৰ বালকোচিত খেলা।

নানক পন্থ

প্ৰশ্ন—পঞ্জাৱ প্ৰদেশত গুৰু নানকে এক মত প্ৰবৰ্ত্তন কৰি ...ি পূজাৰ প্ৰতিবাদ কৰিছে আৰু অনেকক মুছলমান ধৰ্ম্ম বিশ্বাস ...ণ কৰাৰ পৰাও ৰক্ষা কৰিছে। গুৰু নানকে সন্যাসী নহৈ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

গৃহস্থ হৈয়েই আছিল। তেওঁৰ উদ্দেশ্য ভাল বুলিয়ে বুজা যায়। তেওঁ যি মন্ত্ৰৰ উপদেশ দিছিল তাক তলত দিয়া হৈছে :—

ওঁ সত্যনাম কৰ্ত্তা পুৰুষ নিৰ্ভৌ নিৰ্বৈৰ অকালমূৰ্ত্ত অজোনি সহভং গুৰুপ্ৰসাদ জপ আদি সচ জুগাদি সচ হৈ ভী সচ নানক হোসী ভী সচ। (জপজী পৌড়ী)॥ ১॥

ওম্ যাৰ সত্য নাম, তেওঁ কৰ্ত্তা পুৰুষ, ভয় আৰু বৈৰীবহিত, অকালমূৰ্ত্তি, যাৰ কাল আৰু যোনি নাই, প্ৰকাশমান, তেওঁৰ জপ গুৰুৰ কৃপাৰ দ্বাৰা কৰা, সেই পৰমাত্মা আদিতো সৎ, যুগৰ আদিতো সৎ, বৰ্ত্তমানতো সৎ আৰু ভবিষ্যতেও সৎ থাকিব।

উত্তৰ—নানকৰ উদ্দেশ্য আছিল সৎ, কিন্তু বিদ্যা একেবাৰেই নাছিল। তেওঁ অৱশ্যে সেই দেশৰ গ্ৰাম্য ভাষা জানিছিল। সংস্কৃত ভাষা আৰু বেদাদি শাস্ত্ৰ একো নেজানিছিল। জনা হলে "নিৰ্ভয়" শব্দটো "নিৰ্ভৌ" বুলি কিয় লিখিলেহেঁতেন? তেওঁ সংস্কৃতৰো পাৰদৰ্শিতা মানুহক দেখুৱাব খুজিছিল, তাৰ উদাহৰণৰূপে তেওঁৰ ৰচিত স্তোত্ৰই প্ৰমাণ। কিন্তু অধ্যয়ন বিনা সংস্কৃতৰ আয়ত্ত কেনেকৈ সম্ভৱ! অৱশ্যে যিবোৰ গাৱঁলীয়া মানুহে কেতিয়াও সংস্কৃত শুনা নাছিল সেইসকলৰ আগত তেওঁৰ ৰচিত সংস্কৃত স্তোত্ৰ শুনাই সংস্কৃতজ্ঞ পণ্ডিতৰূপে গণ্য হব পাৰিছিল বোধ হয়। তেওঁৰ মান, প্ৰতিষ্ঠা, যশ, খ্যাতিৰ আকাঙ্খা নোহোৱা হলে তেনে কাম নকৰিলেহেঁতেন। গতিকে তেওঁৰ মান প্ৰতিষ্ঠাৰ আশা আছিল; নহলে যি ভাষা জানিছিল সেই ভাষাতেই ৰচনা কৰিলেহেঁতেন, আৰু সংস্কৃত নেজানো বুলিও কব পাৰিলেহেঁতেন। যাৰ অভিমান থাকে তাৰ মান প্ৰতিষ্ঠাৰ কাৰণে দম্ভ হোৱাও স্বাভাৱিক; এই কাৰণেই তেওঁৰ গ্ৰন্থত নিন্দাও আছে আৰু প্ৰশংসাও

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

রে। এইদৰে নকৰা হলে, আৰু কোনোৱে তেওঁক বেদৰ বিষয়ে সুধিলে, যদি উত্তৰ দিব নোৱাৰিলেহেঁতেন তেন্তে তেওঁৰ প্ৰতিষ্ঠা নৰল-হেঁতেন। সেই গতিকে তেওঁ আগৰ পৰাই তেওঁৰ অনুগামীসকলৰ আগত বেদৰ বিৰুদ্ধেও কৈছে আৰু কোনো স্থলত বেদৰ প্ৰশংসাও কৰিছে। যদি একেবাৰেই যদি বেদৰ বিৰুদ্ধে কয় তেনেহলে মানুহে তেওঁক নাস্তিকহে বুলিলেহেঁতেন। যেনে :-

বেদ পঢ়ত ব্ৰহ্মা মৰে চাৰেঁা বেদ কহানি। সন্ত (সাধু) কি মহিমা বেদ নজানি ॥ (সুখমনী পৌডী ৭। চৌঃ ৮)॥ নানক ব্ৰহ্মজ্ঞানী আপ পৰমেশ্বৰ॥ (সুঃ পৌঃ ৮। চৌঃ ৬)॥

বেদ পঢ়োতা ব্ৰহ্মা আদি মৰি গল তেনেহলে নানকে নিজক অমৰ বুলি ভাবিছিল নেকি? স্বয়ং নানক জানো মৰা নাই? বেদ সকলো জ্ঞান বিজ্ঞান, যি চাৰিও বেদক কাহিনী বুলি কয়—তেওঁৰ কোৱা সকলো কথাই কাহিনী। যি মূৰ্খকেই সন্ত বোলে, তেওঁ বেচেৰাই বেদৰ মহিমা কেনেকৈ বুজিব? নানকে কেৱল বেদকেই মনা হলে তেওঁৰ নামত বেলেগ ভিন্ন সম্প্ৰদায় নচলিলহেঁতেন, আৰু তেওঁ এক সম্প্ৰদায়ৰ গুৰুৰ প্ৰতিষ্ঠা নেপালেহেঁতেন। ইপিনে সংস্কৃতত শাস্ত্ৰ পঢ়ি গুৰু হবলৈও সংস্কৃত ভালকৈ নেজানিছিল। যি সময়ত নানকৰ পঞ্জাৱত আবিৰ্ভাৱ হয়, সেই সময়ত পঞ্জাৱত সংস্কৃত ভাষাৰ একেবাৰে চৰ্চাই নাছিল আৰু মুছলমানসকলৰ দ্বাৰা উৎপীড়িত হৈ আছিল। নানকে সেই সময়ত কিছুমান মানুহক মুছলমান হোৱাৰ পৰা ৰক্ষা কৰে। তেওঁৰ জীৱিত অৱস্থাত তেওঁৰ এটা বিশেষ সম্প্ৰদায় ৰূপে গঢ়ি উঠা নাছিল আৰু শিষ্যৰ সংখ্যাও সিমান বেছি নাছিল। অশিক্ষিত মানুহৰ এয়েই নীতি যে সমাজৰ কোনো প্ৰতিষ্ঠাশীল ব্যক্তিৰ মৃত্যুৰ পাছত সিদ্ধ পুৰুষ বুলি প্ৰচাৰ কৰে, তাৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পাছত অনেক মাহাত্ম্য বৰ্ণনা কৰি ঈশ্বৰসম বুলি ভাবে। নানক তেওঁ সম্ভ্ৰান্ত বা অতি ধনবানো নাছিল। কিন্তু তেওঁৰ অনুগামীসকলে "নানক চন্দ্ৰোদয়" আৰু "জন্মশাখী" আদি গ্ৰন্থত লিখিছে যে, নানক এজন বৰ সিদ্ধ আৰু ঐশ্বৰ্য্যশালী পুৰুষ আছিল। নানকে হেনো ব্ৰহ্মা আদিৰ লগত দেখা সাক্ষাৎ কৰি অনেক আলোচনা কৰিছিল আৰু তেওঁ লোকৰ দ্বাৰাই সন্মানিতো হৈছিল। নানকৰ বিয়াত বোলে ঘোৰা, ৰথ, হাতী, সোণ, ৰূপ, মুক্তা আৰু হীৰা আদিৰ সীমা সংখ্যা নোহোৱা হৈছিল। এইবোৰ কল্পিত মিছা গল্প নহয় বুলি বিশ্বাস কৰিব পাৰিনে! অৱশ্যে এনেবোৰ অসম্ভৱ কথা আৰোপ কৰাৰ বাবে তেওঁৰ শিষ্যবোৰহে দায়ী, তেওঁ নহয়।

তেওঁৰ পাছত তেওঁৰ পুত্ৰৰ পৰা উদাসী-সম্প্ৰদায় আৰু ৰাম দাসৰ পৰা নিৰ্ম্মল সম্প্ৰদায় প্ৰৱৰ্ত্তিত হয়। ইয়াৰ পৰাও মতানৈক্য হৈ কিছু ভিন্ন ভিন্ন ৰীতি-নীতিৰে ভিন্ন ভিন্ন গুৰুদ্বাৰ প্ৰতিষ্ঠিত হয়। তেওঁলোকৰ উত্তৰাধিকাৰী সকলে অনেক ৰচনা কৰি মূল গ্ৰন্থৰ লগত সংযোগ কৰে। দশম গুৰু গোবিন্দ সিঙৰ পাছত আৰু কাৰো ৰচনা সংযোগ কৰা হোৱা নাই, তেতিয়ালৈকে যিবোৰ ৰচনা কৰা হৈছিল সেই আটাইবোৰ একেলগে বন্ধাই ৰখা হয়। নানকৰ পাছত সেই সকলে অনেক ৰচনা কৰে। কিমানে যে পুৰাণৰ দৰে মিছা কথা ৰচনা কৰি নিজক নিজে একোজন ব্ৰহ্মজ্ঞ আৰু ঈশ্বৰ বুলি কৈ কৰ্ম্ম আৰু উপাসনা এৰি কেৱল শিষ্যহে সংগ্ৰহ কৰি গল। তাৰ দ্বাৰাই তেওঁলোকে গুৰু নানকৰ উদ্দেশ্যকেই বিকৃত ৰূপ দিলে। যি ঈশ্বৰ ভক্তিৰ বিষয়ে গুৰু নানকে লিখি গৈছিল সেই মত আচৰণ কৰা হলেও ভালেই হলহেঁতেন। তেওঁলোকৰ উদাসী সম্প্ৰদায়ে কয় যে তেওঁ'লাকহে শ্ৰেষ্ঠ, নিৰ্ম্মল সম্প্ৰদায়ে কয় যে নিৰ্ম্মল সম্প্ৰদায়ী সকলহে শ্ৰেষ্ঠ, অকালি আৰু সূতৰহসাই সকলৰ মতে তেওঁলোকহে সকলোতকৈ শ্ৰেষ্ঠ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তেওঁলোকৰ ভিতৰত গোবিন্দসিঙেই শৌৰ্য্য-বীৰ্য্যশীল আছিল। তেওঁৰ পূৰ্ব্বপুৰুষসকল মুছলমান সকলৰ দ্বাৰাই অশেষ নিৰ্য্যাতিত হৈছিল যাৰ তেওঁ প্ৰতিশোধ লবলৈ ভাবিছিল, কিন্তু তেওঁৰ যুদ্ধ কৰিবলৈ সম্বল নাছিল। ইপিনে যাৰ ওপৰত তেওঁ প্ৰতিশোধ লবলৈ ভাবিছিল তেওঁ-লোকৰ হাতত আছিল দেদীপ্যমান সাম্ৰাজ্য। গুৰু গোবিন্দসিঙে এক দুৰ্গানুষ্ঠান পাতি ঘোষণা কৰে—"দেবীয়ে মোক এখন খড়্গ দি মুছল-মানৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আদেশ দিছে আৰু মোৰ জয় হব বুলি বৰ দিছে।" তেওঁৰ কথাত বহুতে সহযোগ কৰিবলৈ ধৰিলে। তেতিয়া তেওঁ বামপন্থীৰ "পঞ্চ মকাৰ" আৰু চক্ৰাঙ্কিত পন্থীৰ "পঞ্চ সংস্কাৰৰ" দৰে যুদ্ধৰ উপযোগী বিবেচনাৰে পঞ্চ ককাৰৰ প্ৰবৰ্ত্তন কৰে। প্ৰথম "কেশ" অৰ্থাৎ মুৰৰ চুলিও যুদ্ধত অস্ত্ৰ প্ৰহাৰৰ পৰা আত্মৰক্ষাত কিছু সহায়ক হয়। দ্বিতীয় "কঙ্কণ" অকালীসকলে তালুৰ ওপৰত খোপাত ৰাখি পাগুড়ী মাৰে আৰু হাতত পিন্ধি হাত আৰু মুৰ আঘাতৰ পৰা ৰক্ষাত সহায় কৰে। তৃতীয় হৈছে "কাছ" বা জাঙিয়া, যি আঁঠুৰ ওপৰলৈকে ঢাকে আৰু লজ্জা নিবাৰণত নিৰাপদজনক। চতুৰ্থতে কাঁকৈ, যাৰ দ্বাৰা চুলি আচোৰা হয়। পঞ্চমত কাচু বা কৃপাণ, যি হাতাহাতি যুদ্ধৰ অস্ত্ৰ। নীতি নিপুণ গুৰু গোবিন্দসিঙে এইবোৰ নীতি সেই সময়ৰ যুদ্ধৰ অনুকূলে প্ৰচলন কৰিছিল, এই যুগত সেইবোৰৰ কোনো প্ৰয়োজন নাই। যিবোৰ সেই সময়ৰ যুদ্ধৰ কাৰণে নিৰ্দ্ধাৰণ কৰা হৈছিল সেইবোৰেই ধৰ্ম্মৰূপে প্ৰচলিত হল। তেওঁলোকে মূৰ্ত্তি পূজা নকৰে কিন্তু গ্ৰন্থৰ পূজা কৰে। এই-বোৰ মূৰ্ত্তিপূজা নহয় জানো? কোনো জড় পদাৰ্থৰ আগত মূৰ দোঁৱোৱা বা পূজা কৰা এই সকলোৱেই মূৰ্ত্তিপূজা। মূৰ্ত্তি পূজক সকলে যেনেকৈ মূৰ্ত্তি পূজাৰ ফান্দ পাতি জীৱিকা আৰ্জ্জনত লাগিল, সেইদৰে নানক পন্থী সকলেও কৰিছে। যেনেকৈপুজাৰীয়ে মূৰ্ত্তি দৰ্শন কৰায়, নৈবেদ্য উছৰ্গা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰায়, সেইদৰেই নানকপন্থীসকলেও গ্ৰন্থৰ পূজা কৰে, আনকো কৰোৱায়, উছৰ্গা কৰে আৰু কৰোৱায়। মূৰ্ত্তি পূজকসকলে বেদৰ যিমান সম্মান কৰে গ্ৰন্থ চাহাব পন্থীসকলে বেদক সিমান মান্য নকৰে। কেনেকৈ কৰিব? যিহেতু তেওঁলোকে বেদ দেখাও নাই আৰু শুনাও নাই। অন্ধবিশ্বাস আৰু সাম্প্ৰদায়িক পক্ষপাত ৰহিত যেই কোনো সম্প্ৰদায়ৰ সদ্‌বিবেচনাশীল মানুহেই বেদ অধ্যয়ন আৰু শ্ৰৱণ কৰা হলে বৈদিক মতহে অৱলম্বন কৰিলেহেঁতেন। নানক পন্থীসকলে অৱশ্যে আহাৰৰ বিষয়ে জাতি ভেদৰ আচাৰ-বিচাৰ প্ৰায় নাইকিয়া কৰিলে, সেইদৰেই বিষয় বাসনাৰ আসক্তি আৰু দুৰভিমানো এৰি বৈদিক আদৰ্শৰ আচৰণ কৰিলে মহৎ কল্যাণ সাধিব পাৰে।

দাদু সম্প্ৰদায়

প্ৰশ্ন—দাদু সম্প্ৰদায়ৰ মত কেনে?

উত্তৰ—বৈদিক আদৰ্শহে শ্ৰেয়ঃ। পাৰিলে বৈদিক আদৰ্শকেই অনুসৰণ কৰক, নহলে চিৰকাল দুৰ্গতিৰ পৰা নিস্তাৰ নহব। দাদু পন্থী সকলৰ মতে গুজৰাটত দাদুৰ জন্ম হৈছিল। পাছত গৈ তেওঁ জয়পুৰৰ সমীপবৰ্ত্তী আমেৰত বাস কৰিছিল। তেওঁ তেলীৰ কাম কৰিছিল। ঈশ্বৰৰ সৃষ্টিৰেই বিচিত্ৰ লীলা, যে দাদুও পূজিত হল। এতিয়া দাদু পন্থীসকলে বেদাদি শাস্ত্ৰৰ সকলো কথা এৰি কেৱল "দাদুৰাম দাদুৰাম" জপ কৰাকেই মুক্তিৰ সাধন বুলি মানি লৈছে। সদুপদেশৰ অভাৱ হলেই এনেবোৰ বিভ্ৰান্তিকৰ পথ প্ৰদৰ্শকৰ আবিৰ্ভাৱ হয়।

ৰামস্নেহী পন্থ

কিছু দিনৰ পৰা শাহ-পুৰাত এক "ৰামস্নেহী" পন্থ চলিবলৈ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ধৰিছে। সেই পন্থৰ প্ৰবৰ্ত্তকৰ মতে বৈদিক ধৰ্ম্ম এৰি "ৰাম ৰাম" বোলাহে শ্ৰেষ্ঠ, তাতেই জ্ঞান, ধ্যান আৰু মুক্তি লাভ হব। কিন্তু ভোকৰ আহাৰ ৰাম নামৰ পৰা নেপায়—কৰ্ম্মশীল গৃহস্থৰ ঘৰতহে পোৱা যায়। তেওঁলোকেও মূৰ্ত্তি পূজাৰ নিন্দা কৰে কিন্তু তেওঁলোকে স্বয়ং মূৰ্ত্তি হৈছে। তেওঁলোকৰ স্ত্ৰী সংসৰ্গত অধিক সময় যায় কাৰণ "ৰামকী" (ৰমণী বা ৰামৰ পত্নী) নহলে ৰামে আনন্দ নেপায়। এতিয়া ৰামস্নেহী মতৰ বিষয়ে অলপ আলোচনা কৰি চোৱা য'ক। ৰামচৰণ নামে এজন সাধু হয়। তেওঁৰ মত বিশেষকৈ মেবাৰৰ অন্তৰ্গত শাহপুৰাৰ পৰা প্ৰচলিত হয়। তেওঁৰ মতে "ৰাম" নামেই পৰম মন্ত্ৰ আৰু পৰম সিদ্ধান্ত। তেওঁৰ এক গ্ৰন্থত সন্তদাস আদিৰ বাণী তলত উদ্ধৃত কৰা হল :—

ভৰম ৰোগ তব হী মিট্যা, ৰট্যা নিৰঞ্জন ৰাই।
তব জম কা কাগজ ফট্যা, কট্যা কৰ্ম্ম তব জাই ॥সাখা ৬॥ *

এতিয়া বিবেচনাশীল সকলে বিবেচনা কৰি চ'ক—"ৰাম ৰাম" বুলিলেই অজ্ঞানতা, ভ্ৰম বা পাপৰ ফল নিৰ্ণয় কৰা যমৰাজৰ অধিকাৰ আৰু কৰ্ম্মৰ ফল নষ্ট হব পাৰে নে নোৱাৰে। এইবোৰ কেৱল মানুহক পাপ কৰ্ম্মত জড়িত কৰি মানৱ জন্ম নষ্ট কৰাৰ বাহিৰে আন একো নহয়। এই প্ৰসঙ্গত তেওঁলোকৰ প্ৰধান গুৰু ৰামচৰণৰ কেইটামান বাক্য উদ্ধৃত কৰা হল :—

মহমা নাঁৱ প্ৰতাপকী, সুণৌ সৰবণ চিত্ত লাই।
ৰামচৰণ ৰচনা ৰটৌ, ক্ৰম সকল ঝড় জাই ॥

* ভ্ৰম বা অজ্ঞানৰূপী ৰোগ তেতিয়াই দূৰ হয়। নিষ্কলঙ্ক তেতিয়াই ৰক্ষিত হৈ যায়। যমৰাজৰ পত্ৰ তেতিয়াই ছিন্ন হৈ যায়। সকলো কৰ্ম্মফল কটা অৰ্থাৎ নষ্ট হৈ যায়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

জিন জিন সুমৰ্য্যা, নাঁব কূং, সো সব উতৰ্য্যা পাৰ।
ৰামচৰণ জো বীসৰ্য্যা, সোহী জমকে দ্বাৰ ॥

ৰাম বিনা সব ঝূঠ বতায়ো ॥

ৰাম ভজত ছুট্যা সব কৰ্মা। চন্দ অৰু সূৰ দেহ পৰৰ
ৰাম কহে তিন কুঁ ভৈ নাহীঁ। তীন লোক মেঁ কীৰতি গাহীঁ॥

ৰাম ৰটত জম জোৰ ন লাগৈ ॥

ৰাম নাম লিখ পথৰ তৰাঁই। ভগতি হেতি ঔতাৰ হী ধৰহী॥ উঁচ নীচ কুল ভেদ বিচাবৈ। সো তো জনম আপণো হাৰৈ॥ সন্তা কৈ কুল দীসৈ নাঁহীঁ। ৰামঁ ৰামঁ কহ ৰাগ সমৃহাঁহীঁ। ঐসো কুণ জো কীৰতি গাবৈ। হৰি হৰি জন কো পাৰ ন পাবৈ॥ ৰামঁ সঁন্তাঁ কা অন্ত ন আবৈ। আপ আপ কী বুদ্ধি সম গাবৈ॥

* অৰ্থ :– একাগ্ৰমনে ৰামৰ মহিমা শুনা। ৰসনাৰ দ্বাৰাই সদাই ৰাম ৰাম উচ্চাৰণ কৰা, তোমাৰ সকলো ক্লেশ অচিৰে দূৰ হব। যি ৰাম নাম স্মৰণ কৰে, তাৰ দুঃখ দূৰ হয়, তেওঁ ভৱসাগৰ পাৰ হয়। যি ৰাম নাম স্মৰণ নকৰে, তেওঁ যমৰ দ্বাৰত দুঃখেৰে আবদ্ধ হয়। ৰাম বিনা সকলো মিছা। ৰামৰ ভজন কৰাই তোমাৰ কৰ্ত্তব্য। তাৰ পৰা সকলো পাপ খণ্ডন হব। চন্দ্ৰ, সূৰ্য্য তেওঁৰ দেহৰ অন্তৰীক্ষত স্থিত। ৰাম নাম ললে কোনো ভয় নেথাকে। তিনিও লোকত তেওঁৰ গুণ কীৰ্ত্তন হয়। ৰাম নাম ললে যমৰো জোৰ নেথাকে। ৰাম নাম লিখা পাথৰো ওপঙে। ভক্তৰ কাৰণেই ৰাম অৱতাৰ হৈছিল। যি উচ্চ নীচ জাতি বিচাৰ কৰে তাৰ জীৱন নষ্ট হয়। সাধুৱে জাতি কুলৰ বিচাৰ নকৰে ৰাম ৰাম বোলা, ৰাম সকলোতে আছে। ৰাম নামৰ মহিমাৰ অন্ত নাই। মানুহে নিজৰ নিজৰ বুদ্ধি অনুসাৰে তেওঁৰ গুণ গান কৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ইয়াৰ খণ্ডন

ৰামচৰণ আদিৰ গ্ৰন্থ পঢ়িলে বুজিব পৰা যায় যে তেওঁ এক মূৰ্খ গাৱঁলীয়া মানুহ আছিল। তেওঁ একো পঢ়া-শুনা কৰা নাছিল বাবে এনে নিৰৰ্থক কথা নিলিখিলেহেঁতেন। ৰাম নাম ললেই যে কৰ্ম্মফল খণ্ডন হয়—এই ধাৰণা ভুল। তেওঁ নিজৰ আৰু আনৰো জীৱন বৃথা কৰিছে। ৰাম নামৰ পৰা চিপাহী, চোৰ, ডকাইত, বাঘ, সাপ, মহ আদিৰ ভয়েই দূৰ নহয়, যমৰ ভয় কেনেকৈ দূৰ হব? দিন ৰাতি সদায় ৰাম ৰাম বুলিলেও একো নহয়। যেনেকৈ চেনি চেনি বুলিলেই মুখ মিঠা নহয়, সেইদৰে সৎকৰ্ম্ম নকৰিলে একো নহয়। যদি ৰাম ৰাম বুলিলে তেওঁৰ ৰামে নুশুনে, তেন্তে জন্মটো ৰাম ৰাম বুলিলেও নুশুনে। যদি শুনে এবাৰ বুলিলেই শুনিব, দ্বিতীয়বাৰ বোলা নিৰৰ্থক। এইবোৰ মানুহে নিজৰ উদৰ পূৰণ আৰু আনৰ জীৱন বৃথা কৰাৰ কাৰণে ভ্ৰমজাল ৰচনা কৰিছে। আশ্চৰ্য্যৰ বিষয় হৈছে যে, দেখাত আৰু শুনাত তেওঁলোকৰ নাম "ৰামস্নেহী" কিন্তু কাম কৰে "ৰাঁড়স্নেহী"। যিফালেই দৃষ্টিপাত কৰা হয়, ততেই সন্তসকল নাৰীসকলেৰে পৰিবেষ্টিত। এনে গুৰুৰ অনুগামী নচলা হলে আৰ্য্যাবৰ্ত্ত দেশৰ এই দুৰ্দশা কেনেকৈ হলহেঁতেন? তেওঁলোকে শিষ্যসকলক উচ্ছিষ্ট খোৱায়। নাৰীসকলে তেওঁলোকক দণ্ডবৎ কৰি প্ৰণাম কৰে। নিৰ্জ্জনত নাৰীসকলৰ লগত সাধুসকলৰ লীলা খেলাও চলি থাকে।

কুণ্ডাপন্থী

মাৰৱাড়ৰ অন্তৰ্গত "খেড়পা" গ্ৰামৰ পৰা তেওঁলোকৰেই অন্য এটা পন্থৰ উৎপত্তি হৈছে; তাৰ বৃত্তান্ত হল এই—ৰামদাস নামে চৰ্ম্মকাৰ জাতীয়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এক চতুৰ মানুহ আছিল। তেওঁৰ পত্নী আছিল দুগৰাকী। তেওঁ প্ৰথমতে অৰ্থী হৈ বহুত দিন পৰ্য্যন্ত কুকুৰৰ লগত একেলগে খাইছিল। তাৰ পাছত বামাচাৰী আৰু তাৰ পাছত কুণ্ডাপন্থী হয়। শেষত "ৰামদেৱৰ কামাড়িয়া" হৈ তুয়োজনী ঘৈণীয়েকৰ সৈতে গান কৰে। এইদৰে ভ্ৰমি ফুৰোতে ফুৰোতে "সীথল" গাৱঁত চৰ্ম্মকাৰসকলৰ "গুৰু ৰামদাসৰ" লগত সাক্ষাৎ হয়। ৰামদাসে তেওঁক "ৰামদেৱৰ" মতবাদৰ উপদেশ দি চেলা কৰে। ৰামদাসে "খেড়াপা" গাৱঁতে থাকিবলৈ লৈ তেওঁৰ মত প্ৰচাৰ কৰিবলৈ ধৰিলে। ইপিনে সাহপুৰত ৰামচৰণৰ মত প্ৰচাৰ হৈছে। তেওঁৰো বৃত্তান্ত শুনা মতে এই :— ৰামচৰণ জয়পুৰৰ এক বণিক আছিল। তেওঁ "দাতাড়া" গাৱঁত এজন সাধুৰ বেশ লৈ তেওঁৰেই গুৰু মানে। তাৰ পাছত ছাহ পুৰলৈ গৈ বাহৰ পাতিলে। সৰল জন সাধাৰণৰ মাজত অতি সহজে আৰু সোনকালে প্ৰবঞ্চনাৰ কৌশল খাটে। গতিকে তেওঁৰ মত প্ৰচাৰিত হৈ পৰিল। পূৰ্ব্বোক্ত ৰামচৰণৰ বচন প্ৰমাণ অনুসাৰে সেই পন্থৰ অন্তৰ্ভুক্ত হলে তেওঁলোকৰ ভিতৰত জাতি ভেদ বাধা নেথাকে। ব্ৰাহ্মণৰ পৰা অন্ত্যজ পৰ্য্যন্ত তেওঁলোকৰ শিষ্য হয়। এতিয়াও তেওঁলোকে কুণ্ডাপন্থীৰ দৰেই মৃন্ময় পাত্ৰত খায় আৰু সাধুৰ উচ্ছিষ্ট ভোজন কৰে। তেওঁলোকে পৰৰ সন্তানবোৰক ফুচলাই বৈদিক ধৰ্ম্ম, মাতা, পিতা আৰু সাংসাৰিক কৰ্ম্মক্ষেত্ৰৰ পৰা আঁতৰাই নি চেলা কৰি লয়। তেওঁলোকে ৰাম নামকেই মহামন্ত্ৰ আৰু "ছুচ্ছম্ অৰ্থাৎ সূক্ষ্ম বেদ বোলে। ৰাম ৰাম বুলিলেই অনন্ত জন্মৰ পাপ দূৰ হয় আৰু ৰাম নাম বিনে কাৰো মুক্তি হব নোৱাৰে। যি শ্বাস আৰু প্ৰশ্বাসৰ লগে লগে ৰাম নাম লবলৈ উপদেশ দিয়ে তেওঁকেই সত্যগুৰু বোলে, আৰু সেই সত্য গুৰুক পৰমেশ্বৰতকৈও ডাঙৰ বুলি মানে, তেওঁৰ মূৰ্ত্তি ধ্যান কৰে। সাধুৰ পাদোদক অৰ্থাৎ চৰণ ধোৱা জল পান কৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যেতিয়া চেলা গুৰুৰ ওচৰৰ পৰা আঁতৰি দূৰলৈ যাব লগা হয়—তেতিয়া গুৰুৰ নখ আৰু ডাড়ীৰ টুকুৰা লগত ৰাখে। সেইবোৰ ধুই তাৰ জল ...তো পান কৰে। ৰামদাস আৰু হৰৰামদাসৰ বাণীৰ পুস্তকক বেদতকৈও অধিক মান্য কৰে। তেওঁৰ পৰিক্ৰমা আৰু আঠবাৰ দণ্ডৱত দি প্ৰণাম হয়। গুৰুৰ ওচৰত থাকিলে দণ্ডৱৎ হৈ প্ৰণাম কৰে। স্ত্ৰী পুৰুষ সকলোকেই একেই ৰাম নামৰ মন্ত্ৰ দিয়া হয়। তেওঁলোকে নাম স্মৰণতেই কল্যাণ আৰু অধ্যয়নক পাপ বুলি মানে। তেওঁলোকৰ সাখী :—

পণ্ডতাই পানে পড়ী। ও পূৰৰ লো পাপ।
ৰাম ৰাম সুমৰঁ্যা বিনা, ৰাইগো ৰীতো আপ ॥
বেদ পুৰাণ পঢ়ে পঢ় গীতা, ৰাম ভজন বিন ৰই গয়ে ৰীতা।

এনে ধৰণৰ পুস্তক ৰচনা কৰা হৈছে। তেওঁলোকৰ মতে তিৰো-য়া পতিসেৱা পাপ, গুৰু আৰু সাধুৰ সেৱা কৰাহে ধৰ্ম্ম। বৰ্ণাশ্ৰম ধৰ্ম নেমানে। যি ব্ৰাহ্মণ ৰামস্নেহী নহয়, তেওঁক নীচ আৰু চাণ্ডাল ৰাম-স্নেহী হলে উত্তম বুলি মানে। ঈশ্বৰৰ অৱতাৰ নেমানে কিন্তু ৰামচৰণৰ ভাগৱত উল্লেখ কৰা বচন— "ভগতি হেতি ঔতাৰ হী ধৰহী" মানে ভক্ত সাধুসকলৰ হিতাৰ্থে অৱতাৰবাদো স্বীকাৰ কৰে। এনে ধৰণৰ পন্থবোৰ ছল প্ৰৱঞ্চনা প্ৰচলিত হৈছে, এইবোৰ আৰ্য্যাবৰ্ত্ত দেশৰ অহিতকৰ। ইয়াৰ পৰাই বিবেচনাশীল মানুহে সকলো বুজিব পাৰে।

গোকুলিয়া গোঁসাই পন্থ

প্ৰশ্ন—গোকুলিয়া গোঁসাইসকলৰ মতেই সৰ্ব্বশ্ৰেষ্ঠ। দেখা যায়, তেওঁলোকে কেনে ঐশ্বৰ্য্য ভোগ কৰে? ঐশ্বৰিক লীলা নহলে কেনেকৈ সম্ভৱ হব?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ—এইবোৰ ঐশ্বৰ্য্য গৃহস্থ লোকৰহে, গোঁসাইবোৰৰ একো নাই।

প্ৰশ্ন—বাহ বাহ! গোঁসাইসকলৰ প্ৰতাপত নহয় যদি, আনেও তেনে ঐশ্বৰ্য্য ভোগ কৰিবলৈ নেপায় কিয়?

উত্তৰ— আনেও যদি এইদৰে চতুৰ প্ৰপঞ্চ ৰচনা কৰিব পাৰে তেন্তে ঐশ্বৰ্য্যবান হোৱাত কি সন্দেহ থাকিব? আৰু যদি কোনোৱে তেওঁলোকতকৈও বেছি ধূৰ্ত্ততা কৰিব পাৰে তেনেহলে আৰু বেছি ঐশ্বৰ্য্যবান হব পাৰিব।

প্ৰশ্ন—বাহ বাহ! ইয়াৰ ভিতৰত কি ধূৰ্ত্ততা আছে? এইবোৰ সকলো গোলোকৰ লীলা।

উত্তৰ— গোলোকৰ লীলা নহয় গোঁসাইসকলৰহে লীলা। যদি গোলোকৰ লীলা হয় তেনেহলে গোলোকো এনেকুৱাই হব। এই পন্থ "তৈলঙ্গ" দেশৰ পৰা প্ৰচলিত হয়। এক তৈলঙ্গী লক্ষ্মণ ভট্ট নামৰ ব্ৰাহ্মণে বিয়া কৰাৰ পাছত কোনো কাৰণত নিজ স্ত্ৰী আৰু মাক বাপেকক এৰি কাশীলৈ গৈ সন্ন্যাসী হয়। সন্ন্যাস লবৰ সময়ত বিয়া হোৱা নাই বুলি মিছা কথা কৈছিল। দৈবযোগত খবৰ পাই তেওঁৰ মাতা, পিতা আৰু স্ত্ৰী গৈ কাশী পায়গৈ। কাশী গৈ পোৱাত যি তেওঁক সন্ন্যাস দিছিল তেওঁক মাক-বাপেকে দেখা কৰি কলে যে, আপুনি আমাৰ পুত্ৰক সন্ন্যাসী কৰিলে। এতিয়া তাৰ এই যুৱতী স্ত্ৰীৰ কি গতি হব? যুৱতী স্ত্ৰীয়েও কলে, যদি আপুনি মোৰ পতিক মোৰ লগত ঘৰলৈ যাবলৈ নিদিয়ে, তেন্তে মোকো সন্ন্যাসিনী কৰক। তেতিয়া গুৰুৱে তেওঁক (লক্ষ্মণভট্টক) মতাই নি কলে, তুমি মিথ্যাবাদী, তুমি এতিয়া সন্ন্যাস এৰি দি গৃহস্থী হোৱা, যিহেতু তুমি মিছা কথা কৈ সন্ন্যাসী হৈছিলা। তেওঁ তেতিয়া সেই মতে সন্ন্যাস

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...বি মাক-বাপেক আৰু স্ত্ৰীৰ লগত ঘৰলৈ যাত্ৰা কৰিলে। এতিয়া ...নেক, এই পন্থৰ মূলেই মিছা আৰু কপটৰ পৰা আৰম্ভ। তেওঁ গৈ ...তিয়া তৈলঙ্গ দেশ পালেগৈ তেতিয়া তেওঁক নিজৰ জাতিত স্থান নিদিলে। ...কো নিজৰ দেশৰ পৰা বাহিৰ হৈ ভ্ৰমণ কৰি কৰি কাশীৰ সমীপবৰ্ত্তী ...ৰ্গাৰগড়ৰ" ওচৰৰ "চম্পাৰণ্য" নামৰ বনলৈ গৈছিল। সেই ঠাইত ...ানোৱে এক বালকক হাবিত এৰি থৈ দূৰে দূৰে তাৰ চাৰিওফালে ...ুই জ্বলাই গুছি গল। তৎক্ষণাৎ কোনো জন্তুৱে মাৰাৰ আশংকাতেই ...াৰিওফালে জুই জ্বলাই দি গৈছিল। লক্ষ্মণভট্ট আৰু তেওঁৰ পত্নীয়ে ...েই লৰাটো পাই পুত্ৰৰূপে ললে আৰু কাশীত গৈ বাস কৰিবলৈ ধৰিলে। ...েই লৰা ডাঙৰ হোৱাৰ পাছত মাক-বাপেকৰো মৃত্যু হল।

বল্লভাচাৰ্য্য

সেই লৰাই কাশীতেই থাকি যৌবন অৱস্থালৈকে কিছু পঢ়িছিল। ...াৰ পাছত কোনো এক স্থানৰ কোনো এক বিষ্ণুস্বামীৰ মন্দিৰত শিষ্য ...। তাৰ পাছত তাত কোনো গোলমাল হোৱাত আকৌ কাশীলৈ আহি ...ন্যাসী হয়। সেই সময়তে কোনো এক ব্ৰাহ্মণ জাতিৰ পৰা বহিষ্কৃত ...ৈ কাশীত বাস কৰিছিল। যাৰ এক যুৱতী কন্যা আছিল। সেই ...ুৱতীকেই এই সন্ন্যাসীয়ে সন্ন্যাস এৰি বিয়া কৰে। বাপেকে যি লীলা ...ৰিছিল তাক পুতেকে নকৰিব কিয়? তাৰ পাছত সপত্নীৰে গৈ সেই ...ষ্ণু স্বামীৰ মন্দিৰ পালেগৈ, যত আগতে শিষ্য হৈছিল। কিন্তু বিবাহিত ...োৱাৰ বাবে তাত স্থান নাপাই— ব্ৰজদেশলৈ গল; যত অবিদ্যাই ...ন্ন কৰি ৰাখিছিল। ব্ৰজদেশত নানা ছল-কৌশল আৰু যুক্তিৰে ...জৰ মায়া মহিমা বিস্তাৰ কৰিবলৈ লাগিল। তেওঁ মিছা কথা ...ি প্ৰচাৰ কৰে—"শ্ৰীকৃষ্ণৰ সৈতে তেওঁৰ সাক্ষাৎ হৈছিল, গোলোকৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পৰা দিব্যলোকবাসী জীৱবোৰ মৰ্ত্ত্যলোকলৈ আহিছে, সেইবোৰক ব্ৰহ্ম সম্বন্ধ আদিৰে পবিত্ৰ কৰি পুনঃ গোলোকলৈ পঠাবলৈ কৃষ্ণই তেওঁক কৈছে।" ইত্যাদি। এইদৰে মূৰ্খ মানুহক প্ৰলোভন দি চৌৰাশী জনক বৈষ্ণৱ কৰি তলত দিয়া ৰচনা কৰি তাৰ ভিতৰতো ভেদ ৰাখিলে। যেনে:—

শ্ৰীকৃষ্ণঃ শৰণং মম।১ ক্লীং কৃষ্ণায় গোপীজনবল্লভায় স্বাহা॥২
(গোপাল সহস্ৰ নাম)॥

এই দুই হল সাধাৰণ মন্ত্ৰ। তলত দিয়া ব্ৰহ্ম সম্বন্ধ আৰু সমৰ্পণ কৰাৰ মন্ত্ৰ—

শ্ৰীকৃষ্ণঃ শৰণং মম সহস্ৰপৰিবৎসৰমিতকালজাতকৃষ্ণবিয়োগজনিততাপক্লেশানন্ত তিৰোভাবোঽহং ভগৱতে কৃষ্ণায় দেহেন্দ্ৰিয় প্ৰাণান্তঃকৰণ তদ্ধৰ্ম্মাংশ্চ দাৰাগাৰপুত্ৰাপ্তবিত্তেহ পৰাণ্যাত্মনা সহ সমৰ্পয়ামি দাসোঽহং কৃষ্ণ তবাস্মি॥৩॥

এই মন্ত্ৰৰ উপদেশ দি শিষ্য-শিষ্যাক সমৰ্পণ কৰায়। "ক্লীং কৃষ্ণায়েতি"—ইয়াৰ "ক্লীং" শব্দ তন্ত্ৰ গ্ৰন্থৰ। ইয়াৰ দ্বাৰাই প্ৰতীত হয় যে বল্লভ পন্থও বামাচাৰী পন্থৰেই ৰূপান্তৰ মাত্ৰ। এই কাৰণেই গোসাই সকলৰ স্ত্ৰীসঙ্গ প্ৰধান।

"গোপীবল্লভেতি" ইয়াৰ অৰ্থ কি? গোপীবোৰহে শ্ৰীকৃষ্ণৰ প্ৰিয়া আছিল নেকি? অন্যবোৰ প্ৰিয় নাছিল নেকি? স্ত্ৰী সম্ভোগত আসক্ত স্ত্ৰৈণৰহে স্ত্ৰী অধিক প্ৰিয়া। শ্ৰীকৃষ্ণ তেনেই আছিল নেকি? "সহস্ৰপৰিবৎসৰেতি" সহস্ৰ বৰ্ষৰ গণনা নিৰৰ্থক, কাৰণ বল্লভ আৰু তেওঁৰ শিষ্যসকল সৰ্ব্বজ্ঞ নহয় কৃষ্ণৰ বিয়োগ সহস্ৰ বছৰৰ পৰাহে হৈছে নেকি? বল্লভপন্থ আৰু বল্লভৰ জন্ম হোৱাৰ আগতে সেই দিব্যলোকবাসী জীৱবোৰক উদ্ধাৰ কৰিবলৈ নাহিলে কিয়? "তাপ" আৰু "ক্লেশ" এই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দুয়োটা পৰ্য্যায়বাচী শব্দ । এই দুটাৰ যেই কোনো এটাহে লিখিব লাগিছিল, দুয়োটা নেলাগে। পাঠত "অনন্ত" শব্দ ৰাখিলে "সহস্ৰ" শব্দও ৰখা নিৰৰ্থক হয়। বা "সহস্ৰ" শব্দ পাঠত ৰাখিলে সেই পাঠত "অনন্ত" শব্দৰ অৰ্থ নিৰৰ্থক হয় । আৰু যি অনন্ত কাল পৰ্য্যন্ত "তিৰোহিত" অৰ্থাৎ আচ্ছাদিত থাকে, তাৰ মুক্তিৰ কাৰণে বল্লভৰ প্ৰয়োজন নাই; কাৰণ অনন্ত কাল মানে অন্তহীন। দেহ, ইন্দ্ৰিয়, প্ৰাণ অন্তঃকৰণ আৰু তেওঁৰ ধৰ্ম্মপত্নী, পুত্ৰ, বাসস্থান আৰু ধন সম্পত্তি কৃষ্ণক কিয় অৰ্পণ কৰিব লাগে ? কৃষ্ণ পূৰ্ণকাম : গতিকে তেওঁ কাৰো দেহ আদিৰ কামনা কৰিব নোৱাৰে (তেওঁ নিষ্কাম), দেহ আদিৰ অৰ্পণ হবও নোৱাৰে ; কাৰণ দেহ বুলিলে কেশাগ্ৰৰ পৰা নখাগ্ৰ পৰ্য্যন্ত বুজায়। দেহৰ ভিতৰত ভাল বেয়া সকলো আছে, মলমূত্ৰাদি পৰ্য্যন্ত কেনেকৈ অৰ্পণ কৰা যাব ? আৰু পাপ পুণ্যৰ কৰ্ম্ম কৃষ্ণক অৰ্পণ কৰিলে কৃষ্ণহে তাৰ ফলভোগী হব লাগিব । আচলতে নাম লোৱা হয়, কৃষ্ণৰ সমৰ্পণ কৰা হয় নিজৰ কাৰণে। দেহৰ মলমূত্ৰ আদিও গোঁসাই প্ৰভুক অৰ্পণ কৰা নহয় কিয় ? মিঠাবোৰ গিলিবলৈ আৰু যিবোৰ তিতা লাগে তাক থুৱায় পেলাবলৈ নেকি ? তাত এই কথাও লিখিত আছে যে গোঁসাই প্ৰভুকহে অৰ্পণ কৰিব, অন্য মতাৱ-লম্বীক নহয়। এইবোৰ কেৱল স্বাৰ্থপৰৰ চতুৰতা, পৰস্ত্ৰী হৰণ আৰু বৈদিক ধৰ্ম্ম নাশ কৰিবলৈ লীলা ৰচনা কৰিছে। এতিয়া বল্লভৰ প্ৰপঞ্চ যেনে:—

শ্ৰাৱণস্যামলে পক্ষ একাদশ্যাং মহানিশি ।
সাক্ষাদ্ভগৱতা প্ৰোক্তং তদক্ষৰশ উচ্যতে ।১।
ব্ৰহ্মসম্বন্ধকৰণাৎ সৰ্ব্বেষাং দেহজীৱয়োঃ।
সৰ্ব্বদোষনিৰ্ব্বৃত্তি হি দোষাঃ পঞ্চবিধাঃ স্মৃতাঃ ।। ২

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সহজা দেশকালোত্থা লোকবেদনিৰূপিতাঃ।
সংযোগজাঃ স্পৰ্শজাশ্চ ন মন্তব্যাঃ কদাচন ॥৩
অন্যথা সৰ্ব্বদোষাণাং ন নিবৃত্তিঃ কথঞ্চন।
অসমৰ্পিত বস্তূনাং তস্মাদ্বৰ্জ্জনমাচৰেৎ ॥৪
নিবেদিভিঃ সমৰ্প্যৈব সৰ্ব্বং কুৰ্য্যাদিতি স্থিতিঃ।
ন মতং দেবদেৱস্য স্বামিভুক্তিসমৰ্পণম্ ॥৫
তস্মাদাদৌ সৰ্ব্বকাৰ্য্যে সৰ্ব্ববস্তুসমৰ্পণম্।
দত্তাপহাৰ বচনং তথা চ সকলং হৰেঃ ॥৬
ন গ্ৰাহ্যমিতি বাক্যং হি ভিন্নমাৰ্গপৰং মতম্।
সেৱকানাং যথা লোকে ব্যৱহাৰঃ প্ৰসিধ্যতি ॥৭
তথা কাৰ্য্যং সমৰ্প্যৈব সৰ্ব্বেষাং ব্ৰহ্মতা ততঃ।
গঙ্গাত্বে গুণদোষাণাং গুণদোষাদিবৰ্ণনম্ ॥৮

ইত্যাদি শ্লোক গোঁসাই পন্থৰ সিদ্ধান্তৰহস্যাদি গ্ৰন্থত লিখা আছে, গোঁসাই পন্থৰ এয়েই মূল তত্ত্ব। এওঁলোকক যদি কোনোৱে সোধে যে শ্ৰীকৃষ্ণৰ দেহান্ত হোৱাৰ পাঁচ হাজাৰ বছৰৰ অলপহে কম হব, তেওঁ শ্ৰাৱণ মাহৰ একাদশীৰ মাজ ৰাতি কেনেকৈ বল্লভক সাক্ষাৎ কৰিলে ? ॥১॥ যি গোঁসাইৰ শিষ্য হয় আৰু তেওঁক সকলো সমৰ্পণ কৰে তাৰ দেহ আৰু জীৱৰ সকলো দোষ নিবৃত্তি হৈ যায়, মূৰ্খ মানুহক বিভ্ৰান্ত কৰি নিজৰ মতৰ অন্তৰ্ভুক্ত কৰাৰ এয়েই বল্লভৰ প্ৰপঞ্চ। গোঁসাইৰ শিষ্য শিষ্যাৰ (ভকত-ভকতনীৰ) সকলো দোষ দূৰীভূত হয় যদি দাৰিদ্ৰ্যাদি দুঃখত কিয় পীড়িত হৈছে ? আৰু দোষ পাঁচ বিধ।২॥ প্ৰথম সহজ দোষ, যি স্বাভাৱিক অৰ্থাৎ কাম ক্ৰোধ আদিৰ পৰা উৎপন্ন হয়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তীয় কোনো দেশ কালত নানা প্ৰকাৰ পাপ কৰা হয়। তৃতীয় সংসাৰত ৰ ভক্ষ্যাভক্ষ্য বোলে, আৰু বেদোক্ত অসৎ কৰ্ম্ম। চতুৰ্থ সংযোগ অৰ্থাৎ বেয়া সঙ্গৰ পৰা হোৱা চুৰি, লাম্পট্য আৰু মাতা, ভগিনী, কন্যা, পুত্ৰবধূ, গুৰুপত্নী আদি অগম্যাৰ লগত সমাগম। পঞ্চম স্পৰ্শজ দোষ অৰ্থাৎ যি অস্পৰ্শনীয়ৰ স্পৰ্শৰ পৰা উৎপন্ন হয়। গোঁসাই পন্থীসকলে এই পাঁচ প্ৰকাৰ দোষ কেতিয়াও দোষ বুলি নামানে অৰ্থাৎ তেওঁলোকে স্বেচ্ছাচাৰ কৰে ।।৩। গোঁসাই পন্থৰ ভক্ত নহলে কোনো দোষৰেই হেনো নিবৃত্তি হব নোৱাৰে। গতিকে কোনো বস্তু প্ৰথমতে গোঁসাইক সমৰ্পণ নকৰাকৈ ভক্তসকলে ভোগ নকৰে। শিষ্যই নৱ-বিবাহিত স্ত্ৰীক প্ৰথম গোঁসাইৰ চৰণ সেৱাত সমৰ্পণ নকৰাকৈ স্পৰ্শও নকৰে।৪। গতিকে গোঁসাইক শিষ্যই সমৰ্পণ কৰিহে নিজৰ বস্তু ভোগ কৰে, আগতে নিজে ভোগ কৰাৰ পাছত আৰু সমৰ্পণ হব নোৱাৰে ।৫। এই নিমিত্তে সকলো ...ত সকলো বস্তু প্ৰথম সমৰ্পণ কৰিব লাগে। ভাৰ্য্যা আদিৰো প্ৰথম গোঁসাই প্ৰভুক সমৰ্পণ কৰি পাছত গ্ৰহণ কৰা হয়। এইদৰেই হৰিক সকলো বস্তু সমৰ্পণ কৰি গ্ৰহণ কৰা কৰ্ত্তব্য ।।৬। গোঁসাইৰ বিনা অনু-মোদিত অন্য মতৰ বিষয় কোনো কথাকে গোঁসাইৰ ভকত-ভকতনীসকলে কেতিয়াও শুনিব বা মানিব নোৱাৰে। তেওঁলোকৰ এই নীতি জনাজাত ।।৭ ...ৰে সকলো বস্তু সমৰ্পণ কৰি সকলোতে ব্ৰহ্মবুদ্ধি কৰিব লাগে। ...ৰ পাছত যেনেকৈ অন্য জল গঙ্গাত মিলিত হলে গঙ্গাৰূপ হয়, সেইদৰে ...ৰ মতে যিবোৰ দোষ নিজৰ মতত সেইবোৰ গুণ হৈ যায়। গতিকে ...ৰ মতে গুণৰ বৰ্ণনা কৰিব লাগে ।। ৮ ।।

এতিয়া বিবেচনা কৰি চক, গোঁসাই পন্থই অন্যান্য পন্থৰ তুলনাত ...ক স্বাৰ্থপৰ। এই গোসাঁই পন্থীসকলক কোনোৱে যদি সোধে, "তোমা-...ক ব্ৰহ্মৰ এটা লক্ষণো নেজানা, শিষ্য-শিষ্যাক ব্ৰহ্মসম্বন্ধ কেনেকৈ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰাব পাৰিবা ?" যদি কয়—"আমিয়েই ব্ৰহ্ম, আমাৰ লগত সম্বন্ধ হলেই ব্ৰহ্মসম্বন্ধ হয়," তেতিয়া হলে আমিও কব পাৰো যে—"তোমা-লোকৰ ভিতৰত ব্ৰহ্মৰ গুণ স্বভাৱ কৰ্ম্মৰ একো লক্ষণ নাই। তোমালোক কেৱল ভোগবিলাসৰ কাৰণেই ব্ৰহ্ম হৈছে নেকি ? বাৰু কোৱা চোন, তোমালোকে যে তোমালোকৰ শিষ্য-শিষ্যাসকলক তোমালোকতেই সমৰ্পণ কৰি বিশুদ্ধ কৰা, তোমালোক আৰু তোমালোকৰ স্ত্ৰী, কন্যা, পুত্ৰবধূ আদি অসমৰ্পিত হৈ থকাৰ বাবে অশুদ্ধ হৈ নেথাকে জানো ? অসমৰ্পিত বস্তু যদি তোমালোকে অপবিত্ৰ বুলি জ্ঞান কৰা, তেনেহলে অসমৰ্পিত মাতা, পিতাৰ পৰা উৎপন্ন হৈ তোমালোক অপবিত্ৰ নোহোৱা কিয় ? তোমালোক আৰু তোমালোকৰ স্ত্ৰী, কন্যা, পুত্ৰবধূ আদিক অন্য কোনো মতাৱলম্বীক অৰ্পণ কৰি লোৱা উচিত। যদি কৰিব নোখোজা তেনেহলে তোমালোকেও অন্য স্ত্ৰী পুৰুষ আৰু ধন আদি বস্তু সমৰ্পণ কৰা আৰু কৰাবলৈ এৰি দিয়া। এতিয়ালৈকে যি কৰিলা কৰিলা, এতিয়াৰ পৰা নিজৰ মিথ্যা প্ৰপঞ্চ, কুঅভিসন্ধি আদি অসৎ কৰ্ম্মবোৰ পৰিত্যাগ কৰি ঐশ্বৰিক বেদ বিহিত আচৰণশীল হৈ মানৱ জনম সফল কৰি ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ এই চতুষ্টয় ফল লাভ কৰি আনন্দ ভোগ কৰা।"

আৰু শুনক ! গোঁসাই পন্থীসকলে তেওঁলোকৰ পন্থক পুষ্টিমাৰ্গ বোলে। আহাৰ পান কৰি পুষ্ট হোৱা, স্ত্ৰী সংসৰ্গ আৰু নানা ভোগ বিলাস কৰাকে পুষ্টিমাৰ্গ বোলা হয়। কিন্তু ইয়াৰ ফলত যেতিয়া গুৰুতৰ ভগন্দৰ আদি ৰোগত আক্ৰান্ত হৈ ছট ফটাই মৰিব লগা হয় তাক নাজানে আচলতে সেইটো "পুষ্টিমাৰ্গ" নহয় "কুষ্ঠীমাৰ্গ"হে। যি দৰে কুষ্ঠৰোগীৰ দেহৰ পৰা সকলো ধাতু গেলি গেলি পৰি যায়—যন্ত্ৰণা ভুগি দেহত্যাগ কৰিব লগা হয়—সেইদৰে এনেবোৰ লীলা-খেলা কৰোতাসকলৰ ভিতৰতো দেখিবলৈ পোৱা যায়। ইয়াকেই নৰক মাৰ্গ বুলি কোৱা সঙ্গত হব পাৰে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কাৰণ দুঃখৰ নাম নৰক আৰু সুখৰ নাম স্বৰ্গ। এইদৰে মিছা কথাৰ জাল ৰচনা কৰি নিৰ্ব্বোধ সৰল মানুহক জালত পেলাই, নিজক নিজে শ্ৰীকৃষ্ণ বুলি ভাবি সকলোৰে স্বামী হৈ পৰে। তেওঁলোকে কয়—"যিবোৰ দৈৱী-জীৱ গোলোকৰ পৰা ইহলোকলৈ আহিছে, সেইবোৰৰ উদ্ধাৰৰ কাৰণেই আমি লীলা পুৰুষোত্তম ৰূপে জন্মগ্ৰহণ কৰিছো। যেতিয়ালৈকে আমাৰ উপদেশ গ্ৰহণ নকৰে তেতিয়ালৈকে গোলোক লাভ হব নোৱাৰে। সেই ঠাইত শ্ৰীকৃষ্ণই একমাত্ৰ পুৰুষ বাকী সকলোবোৰ স্ত্ৰী। বাহ! কিযে শ্ৰেষ্ঠ মত গোঁসাইসকলৰ॥ তেওঁলোকৰ সকলো শিষ্যই গোপী হৈ যাব। এতিয়া ভাবি চক এটা মানুহৰ দুজনী স্ত্ৰী হলে কিমান দুঃখ অশান্তি হয়, তেনে স্থলত এজন পুৰুষৰ পাছত যদি কোটি কোটি স্ত্ৰী লাগি থাকে তেওঁৰ দুঃখ দুৰ্গতিৰ সীমা পৰিসীমা থাকেনে? যদি কয় যে, শ্ৰীকৃষ্ণৰ অনন্ত শক্তি, তেওঁ সকলোকে সন্তুষ্ট কৰে। তেনেহলে তেওঁৰ স্ত্ৰী হলে তেওঁৰে শক্তিও তুল্য; যিহেতু তেওঁ শ্ৰীকৃষ্ণৰ অৰ্দ্ধাঙ্গিনী। যেনেকৈ ইয়াত স্ত্ৰী-পুৰুষৰ কাম বাসনা সমান বা পুৰুষতকৈ স্ত্ৰীৰ বেছি হয় তেনেকৈ গোলোকতো কিয় নহব? যদি সেয়েই হয় তেনেহলে অন্য স্ত্ৰীসকলৰ লগত খুব হাই কাজিয়া লাগি থাকিব; কাৰণ সপত্নী ভাৱ বৰ বেয়া। তেনেহলে গোলোক স্বৰ্গৰ ঠাইত নৰকৰ দৰেই হব। আৰু বহুস্ত্ৰীগামী পুৰুষ ভগন্দৰ আদি ৰোগগ্ৰস্ত হয়, গতিকে গোলোকতো তেনে হোৱা সম্ভৱ। ছি! ছি!! ছি!!! এনেকুৱা গোলোকতকৈ মৰ্ত্ত্যলোকেই ভাল। ইহলোকত যেনেকৈ গোঁসায়ে নিজক শ্ৰীকৃষ্ণ পাতি, বহুত স্ত্ৰীৰ লগত লীলা কৰাৰ ফলত ভগন্দৰ আৰু প্ৰমেহ আদি ৰোগ ভোগ কৰে, সেই দৰেই, গোলোক নাথ শ্ৰীকৃষ্ণই এই ৰোগবোৰ নুভুগিব কিয়? কাৰণ গোঁসাই সেই গোলোক নাথৰেই নিজ স্বৰূপ। তেওঁ পীড়িত নহলে, তেওঁৰে স্বৰূপ গোঁসাই পীড়িত কিয় হব?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰশ্ন—মৰ্ত্ত্যলোকত তেওঁ লীলা অৱতাৰ ধৰে কাৰণে ৰোগ দোষ আদি হয়, গোলোকত নহয়। কাৰণ তাত ৰোগ দোষ নায়েই।

উত্তৰ– 'ভোগে ৰোগভয়ম্' ভোগৰ পৰা ৰোগ অৱশ্যম্ভাৱী। ইয়াৰ বাহিৰে শ্ৰীকৃষ্ণৰ কোটি কোটি স্ত্ৰীৰ সন্তান হয়নে নহয়। যদি হয় কেৱল কন্যাহে হয় নে পুত্ৰ আৰু কন্যা উভয়েই হয়? যদি কেৱল কন্যাহে হয় তেন্তে কন্যাবোৰৰ বিবাহ কাৰ লগত হয়? গোলোকত শ্ৰীকৃষ্ণৰ বাহিলৈ অন্য পুৰুষেই নাই। যদি আছে বুলি কয়—তেনেহলে তোমাৰ প্ৰতিজ্ঞা হানি অৰ্থাৎ কথা মিছা প্ৰমাণ হয়। আৰু সকলো পুত্ৰই হয় বুলি কলেও সেই একেই দোষ ঘটে যে বিবাহ ক'ত বা কাৰ লগত হয়। যদি নিজৰ ঘৰতেই তেনে গোলমাল সংঘটিত হয় অথবা যদি কাৰোবাৰ পুত্ৰ আৰু কাৰোবাৰ কন্যা হয়—তেতিয়াহলে তোমাৰ কথা "গোলোকত একেই পুৰুষ শ্ৰীকৃষ্ণ"—মিছা বা প্ৰতিজ্ঞা হানি বুজায়। সন্তানেই নহয় বুলি কলে শ্ৰীকৃষ্ণৰ নপুংসকত্ব, আৰু স্ত্ৰীসকলৰ বন্ধ্যাত্ব (বাজী) দোষ আহে। সেই গোলোকখন দিল্লীৰ বাদশাহৰ বেগমপুৰ নেকি? গোঁসাই সকলে শিষ্য সকলৰ দেহ-মন ধন সকলো তেওঁলোকত অৰ্পণ কৰাইহে ভোগ কৰে, এইবোৰ উচিত কাম নহয়। কাৰণ বিবাহৰ সময়ত পত্নীয়ে পতিক আৰু পতিয়ে পত্নীক নিজৰ নিজৰ দেহ মন সমৰ্পণ কৰে। পুনৰাই সেই দেহ মন অন্যক সমৰ্পণ কৰা নাযায়। কেৱল মনৰ লগতেই দেহৰ সমৰ্পণ হব পাৰে। গতিকে এইদৰে সমৰ্পণ কৰিলে ব্যভিচাৰী হব। বাকী ধন আদিৰ বিষয়েও এনেকুৱা লীলা-খেলাই প্ৰতীতি হয়। কাৰণ মন নগলে একোৰেই অৰ্পণ নহয়। গোঁসাইসকলৰ অভিপ্ৰায় হৈছে শিষ্য সকলে উপাৰ্জ্জন কৰক আৰু তেওঁলোকে ভোগ বিলাস কৰিব। বল্লভ সম্প্ৰদায়ৰ গোঁসাইসকলৰ কোনোৰেই তৈলঙ্গী জাতীয় নহয়। যি তেওঁ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অভিভাৱক ভুল কৰি কন্যাদান কৰে সিও জাতিভ্ৰষ্ট আৰু কলুষিত হয়। যিহেতু গোঁসাইবোৰ স্বজাতিৰ পৰা বহিষ্কৃত, বিদ্যাহীন আৰু দিনৰাতি বিষয় বাসনাত আসক্ত থাকে। আৰু শুনক, শিষ্যই ঘট গছকাবলৈ অনুষ্ঠান পাতি যেতিয়া গোঁসাইক দিয়ে, তেতিয়া গোঁসাই তালৈ গৈ কেৱল কাঠৰ পুতলাৰ দৰে থাকে, একো নকয়ো, নকৰেও। বেচেৰাহঁত মূৰ্খ নোহোৱা হলে কথা নোকোৱাকৈ থাকিব নোৱাৰিলেহেঁতেন। "মূৰ্খাণাং বলং মৌনম্"—অৰ্থাৎ মৌনতাই মূৰ্খৰ বল। কাৰণ কথা কলেই মূৰ্খতা ওলাই পৰে। স্ত্ৰীসকলৰ ফালে হলে ভালকৈ চায়, আৰু যি জনী স্ত্ৰীৰ প্ৰতি বিশেষ দৃষ্টিপাত হয় সেই স্ত্ৰী ভাগ্যৱতী আৰু সেই স্ত্ৰীৰ পতি ভাই কলাই, মাক-বাপেক আদিৰ মনত সন্তোষ হয়। স্ত্ৰীসকলে গোঁসাই প্ৰভুৰ চৰণ স্পৰ্শ কৰোতে যাৰ প্ৰতি গোঁসাইৰ মন আকৃষ্ট হয় বা যাৰ কৃপা হয়—সেই স্ত্ৰীৰ হাত আঙুলিও গোঁসাইৰ চৰণৰ বৃদ্ধ আঙুলিৰে চেপি দিলে সেই স্ত্ৰী আৰু তেওঁৰ পতি আদিও সৌভাগ্য বুলি ভাবে আৰু সেই স্ত্ৰীক গোঁসাইৰ চৰণ সেৱা কৰিবলৈ পঠাই দিয়ে আৰু কোনো স্থলত পতি বা অভিভাৱক সকলৰ মনত শঙ্কা বা আপত্তি বোধ হলে, দূতী আৰু কুটনীয়ে বুজাই বঢ়াই কাম সম্পন্ন কৰে। এনেবোৰ অভিপ্ৰায় পূৰণ কৰিবৰ কাৰণেই গোঁসাইসকলৰ কাষত বা মন্দিৰত তেনে কামৰ উপযোগী মাইকী মানুহ তৎপৰ হৈ থাকে।

গোঁসাইসকলৰ দক্ষিণাৰ লীলা খেলা। তেওঁলোকে ভিন্ন ভিন্নকৈ প্ৰত্যেকৰ কাৰণে দক্ষিণা বিচাৰে—"গোঁসাই প্ৰভুৰ দক্ষিণা, স্ত্ৰীৰ, পুত্ৰৰ কন্যাৰ, প্ৰধান কৰ্ম্ম কৰ্ত্তাৰ, ভৃত্যৰ, গায়কৰ আৰু মূৰ্ত্তিৰ পূজাৰ সামগ্ৰী আদি প্ৰত্যেকৰ ভিন্ন ভিন্ন। এইদৰে তেওঁলোকে আঠ দোকানৰ পৰা এইবোৰ সমল সামগ্ৰী আদায় কৰে। গোঁসাইৰ কোনো সেৱকৰ মৃত্যুকাল উপস্থিত হলে, তাৰ বুকুৰ ওপৰত চৰণ থৈ যি য'ত পায় সকলো

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আত্মসাৎ কৰে। এনেবোৰ আচৰণ মহাব্ৰাহ্মণ আৰু মৰা শ পেলোৱা ডোমৰ কাম নহয়নে ?

কোনো শিষ্যই পুত্ৰ-কন্যাৰ বিয়াৰ সময়ত গোঁসাইক নি গোসাইৰ দ্বাৰাই পুত্ৰ-কন্যাৰ পাণি গ্ৰহণ কৰায়। কোনো কোনো সেৱকে গোসাই প্ৰভুক কেশৰ স্নান কৰায়, অৰ্থাৎ স্ত্ৰীসকলে গোঁসাইৰ শৰীৰত কেশৰ সানি এটা বৃহদাকাৰ পাত্ৰৰ ভিতৰত পিবা পাৰিলৈ স্ত্ৰী-পুৰুষসকলোৱে একেলগে স্নান কৰায় (এই হল বিশেষ আনুষ্ঠানিক স্নান) সাধাৰণতে সদায় স্ত্ৰীসকলেহে স্নান কৰায়। গোঁসায়ে পীতাম্বৰ পৰিধান আৰু চৰণত খৰম পিন্ধি ওলাই আহে আৰু পিন্ধি গাধোৱা বস্ত্ৰ অৰ্থাৎ ধুতিখন সেই গা ধোৱা কেশৰৰ পানীত পেলাই দিয়ে, তাৰ পাছত সেই পানীৰে শিষ্য সকলে আচমন কৰে। সুগন্ধি মছলা দিয়া তামোল গোঁসাইক খাবলৈ দিয়া হয়, গোঁসায়ে চোবাই এবাৰ ধোক গিলাৰ পাছত এক ৰূপৰ বাতিত মুখৰ পৰা উলিয়াই দিয়ে। সেইবোৰ প্ৰসাদ বুলি শিষ্যসকলে বাতিলৈ খায় ; ইয়াকেই "খাস" প্ৰসাদী বোলে।

এই সকল কেনে মনুষ্য এতিয়া বিবেচনা কৰি চক। মূৰ্খতা আৰু অনাচাৰ ইয়াতকৈ বেছি কি হব পাৰে। তেওঁলোকৰ অনেকে সমৰ্পণ লয় (পক্ক আহাৰ সমৰ্পণ কৰা খায়) কিমানে আকৌ বৈষ্ণৱৰ হাতেও নেখায়। খৰি পৰ্য্যন্ত ধুই লয়। কিন্তু আটা, গুৰ, চেনি, ঘিউ আদি হলে নুধুলেও হয়—কাৰণ সেইবোৰ ধুলেই শেষ হয়। কওঁতে গোঁসাই সকলে কয় "আমি ঠাকুৰ অৰ্থাৎ মূৰ্ত্তি গোঁসাইৰ ৰঙ্গ, ৰাগ আৰু ভোগৰ কাৰণে অনেক খৰচ কৰো" ; কিন্তু দেখা যায় সকলো ৰঙ্গ ৰাগ আৰু ভোগ নিজৰ বাবেহে কৰে। সত্য কথা কব লাগিলে তেওঁলোকে গুৰুতৰ নিন্দনীয় কৰ্ম্ম কৰে, অৰ্থাৎ হোলীৰ সময়ত পিচকাৰী ভৰাই লৈ তিৰোতাসকলৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...স্পর্শনীয় অঙ্গ বা গুপ্ত স্থানত নিক্ষেপ কৰে। ব্ৰাহ্মণৰ দুগ্ধ আৰু দুগ্ধ-...ৰ বস্তু বিক্ৰি নিসিদ্ধ; কিন্তু তাকো কৰে।

প্ৰশ্ন—ৰুটী, দাইল, কাড়া, ভাত, শাক, মিঠাই আদি গোঁসায়ে ...জে প্ৰকাশ্যে নেবেচে চাকৰ কৰ্ম্মচাৰীৰ দ্বাৰাই বেচায়। সেই-...বোৰ চাকৰ কৰ্ম্মচাৰীক পাতত ভাগ কৰি দিয়ে।

উত্তৰ—গোঁসাই সকলে ভৃত্যবোৰক মাসিক বেতন দিলে, সিহঁতে ...দ্ৰব্যৰ পাত লব কিয়? তেওঁলোকে ভৃত্যবোৰক বেতনৰ পৰিবৰ্ত্তে ...ৰৈন ভাত আদি দিয়ে। সিহঁতে সেইবোৰ বজাৰলৈ নি বিক্ৰী কৰে। ...গোঁসাই সকলে নিজে বজাৰত বেচিলে, তেওঁলোকৰ বামুণ ভৃত্যবোৰে ...বিক্ৰীৰূপ পাপৰ পৰা ৰক্ষা পালেহেঁতেন, কেৱল গোঁসাইবোৰেই ...এই পাপৰ ভাগী হলহেঁতেন। তেওঁলোকে নিজে এই পাপত নিমগ্ন ...আনকো সেই পাপত নিমগ্ন কৰে। নাথদ্বাৰা আদি ঠাইত গোঁসাই-...বোৰে নিজেই এই বস্তুবোৰ বিক্ৰী কৰে। দুগ্ধ বিক্ৰয় হীনৰ কৰ্ম্ম, শ্ৰেষ্ঠৰ ...নহয়। এইবোৰ মানুহেই আৰ্য্যাবৰ্ত্তৰ অধঃপতন আনিছে।

স্বামী নাৰায়ণ পন্থ

প্ৰশ্ন—স্বামী নাৰায়ণৰ মত কেনে?

উত্তৰ—"যাদৃশী শীতলা দেবী তাদৃশো বাহনঃ খৰঃ"—...গোঁসাইবোৰৰ ধনহৰণ আদিত যেনেকুৱা বিচিত্ৰ লীলা, স্বামী নাৰায়ণবো...ৰো তেনেকুৱাই। শুনক, অযোধ্যাৰ ওচৰে কোনো এখন গাৱঁত সহজানন্দ নামৰ ...এজন ব্যক্তিৰ জন্ম হয়। তেওঁ ব্ৰহ্মচাৰী হৈ গুজৰাট, কাঠিয়াৱাড় কচ্ছভূজ ...আদি দেশত ঘূৰি ফুৰিছিল। তেওঁ দেখিলে যে সেইবোৰ ঠাইৰ মানুহ মূৰ্খ আৰু ...প্ৰকৃতিৰ গতিকে তেওঁ যি মতেই ঘূৰাব খোজে, সেই মতেই ঘূৰিব। তাকে ...দেখি তেওঁ তাত দুই চাৰিটামান চেলা কৰি ললে। তেওঁলোকৰ ভিতৰত মন্ত্ৰণা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰি প্ৰচাৰ কৰি দিলে যে সহজানন্দ নাৰায়ণৰ অৱতাৰ আৰু মহা সিদ্ধ পুৰুষ। তেওঁৰ ভক্তবোৰক চতুৰ্ভুজ মূৰ্ত্তি ধৰি সাক্ষাৎ দৰ্শন দিয়ে। কাঠিয়াৱাড়ৰ কোনো এক অঞ্চলত "দাদাখাচৰ" নামৰ কৃষক জমিদাৰ আছিল। সহজানন্দৰ শিষ্যবোৰে গৈ দাদাখাচৰক কলে যে, তুমি যদি চতুৰ্ভুজ নাৰায়ণৰ দৰ্শন কৰিব খোজা আমি তোমাৰ কাৰণে সহজানন্দক প্ৰাৰ্থনা কৰিম। তেওঁ আছিল অতি সৰল হৃদয়ৰ মানুহ; চতুৰ্ভুজ ৰূপ দৰ্শন কৰিবলৈ আগ্ৰহ কৰিলে। সেই মতে সহজানন্দই এটা কোঠাৰ ভিতৰত সোমাই মূৰত মুকুট পিন্ধি হাতত শংখ আৰু চক্ৰ লৈ ওপৰলৈ হাত ডাঙি থিয় হল। অন্য এটা মানুহে পিছফালে থিয়হৈ হাতত গদা আৰু পদ্ম লৈ সহজানন্দৰ তুকাষেদি হাত মেলি চতুৰ্ভুজৰ আকাৰ ধৰিলে। সহজানন্দৰ চেলাই দাদাখাচৰক কলে যে এবাৰ চকুমেলি চায়েই চকু মুদিবা আৰু তৎক্ষণাত তাৰ পৰা ওলাই আহিবা। বহুত পৰ চাই থাকিলে নাৰায়ণ অপ্ৰসন্ন হব; তাৰ মানে বেছিপৰ দেখিলে তেওঁলোকৰ চালাকী ধৰা পৰিব পাৰে। সহজানন্দই উজ্জ্বল জিক্‌মিকিয়া গুণাৰ বন কৰা ৰেছমৰ বস্ত্ৰ পিন্ধি আন্ধাৰ কোঠাত থিয় হৈ আছিল। চেলাবোৰে দাদাখাচৰক ভিতৰলৈ লৈ গল, বাকী চেলাবোৰে প্ৰদীপ জ্বলাই সন্মুখৰ ফালে পোহৰ কৰি দিলে। পোহৰৰ লগে লগে দাদাখাচৰে চতুৰ্ভুজ মূৰ্ত্তি দেখিলে আৰু থিক দেখাৰ পাছতেই প্ৰদীপৰ পোহৰ আঁৰ কৰি দিলে। সকলোৱে আঠুকাঢ়ি সেৱা কৰি আনফালেদি ওলাই আছিল আৰু তেতিয়াও দাদাখাচৰক কলে যে তেওঁৰ ভাগ্য ধন্য। এতিয়া তুমি মহাৰাজৰ শৰণ লোৱা, তেওঁ ও সেই মতেই সম্মত হল। যেতিয়া ঘূৰি অন্য ঠাইলৈ গৈ দেখে তাত অন্য বস্ত্ৰ পিন্ধি সহজানন্দ আসনত বহি থকা দেখিলে। চেলাবোৰে কলে এতিয়া চোৱা বেলেগ স্বৰূপ ধৰি বিৰাজমান হৈ আছে। তেতিয়া দাদাখাচৰৰ মনত পৰিল, তেওঁ এক ধনী জমিদাৰ আছিল। তেতিয়াৰ পৰাই সেই মতৰ ভেটি স্থাপন হয়। সেইদৰে ভেটি স্থাপন কৰি লৈ ইফালে সিফালে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰচাৰ কৰি বহুতক সাধু কৰি ললে। মাজে সময়ে কোনো এক সাধুৰ নাক নালী টিপি ধৰি মূৰ্চ্ছিত কৰি লৈ কৈছিল যে এওঁক সমাধিস্থ কৰা হৈছে। এনেকুৱা ধূৰ্ত্তবোৰে কাঠিয়াবাড়ৰ সৰল নিৰ্বোধসকলক তেওঁ জালত পেলাই ললে সহজানন্দ মৰাৰ পাছত শিষ্যবোৰে নানা ভণ্ডামী আৰু ছল চতুৰতা কৰিবলৈ ধৰিলে। এই বিষয়ত এটা দৃষ্টান্ত দিয়া ভাল হব।

ধৰি ল'ক এটা মানুহ চুৰি কৰোতে ধৰা পৰে। বিচাৰত তাৰ নাক কাণ কটাৰ দণ্ড হল। তাৰ নাক কাটি দিয়াত সেই ধূৰ্ত্তই হাঁহি হাঁহি গাই গাই নাচিবলৈ ধৰিলে মানুহে তাকে দেখি সুধিলে "হাঁহিবৰ কাৰণ কি?" ধূৰ্ত্তই কলে 'এইটো কব পৰা কথা নহয়।" আকৌ মানুহে সুধিলে "কিনো এনে কব নোৱাৰা কথা?" ধূৰ্ত্তই কলে—"বৰ আচৰিত কথা, মই এনেকুৱা কেতিয়াও দেখা নাই" মানুহে সুধিলে "কি দেখিছ ক'চোন।" ধূৰ্ত্তই কলে—"মোৰ আগত চতুৰ্ভুজ নাৰায়ণক দেখি ধন্য হৈছো আৰু অপাৰ আনন্দ লাগিছে।" মানুহবোৰে কলে "তেন্তে আমি দেখা নাই কিয়"? ধূৰ্ত্তই কলে "নাক থাকে মানে দেখা নাযায়, নাক ছেদন হলেহে দৰ্শন হয়।" তেতিয়া মানুহৰ মাজৰ পৰা কোনো মূৰ্খই কলে "নাক যায় যক—নাৰায়ণৰ দৰ্শন পালেই হব"। সি কলে "মোৰো নাক কাটি নাৰায়ণৰ দৰ্শন কৰোঁৱা"। সেই ধূৰ্ত্তই তাৰ নাকটো কাটি লৈ কাণে কাণে কলে—"তুমিও মোৰ দৰেই নাৰায়ণক দেখিছো বুলি কোৱা, নহলে আমাৰ দুয়োকো মানুহে হাঁহিব।" সিয়ো অনুতাপ কৰি ভাবিলে, কটা নাকতো আৰু নাহে, আৰু মানুহেও হাঁহিব; তেন্তে ইয়াৰ দৰেই কৰা উচিত। তেতিয়া সিও সেই ধূৰ্ত্তৰ দৰেই "নাৰায়ণক দেখিছো" বুলি হাঁহি হাঁহি গাই নাচিবলৈ ধৰিলে। এইদৰে এটাৰ পাছত সিটোকৈ সহস্ৰ লোক সিহঁতৰ দলভুক্ত হল। খুব হুলস্থূল

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হবলৈ ধৰিলে। সেই দল বা সম্প্ৰদায়ৰ নাম হল "নাৰায়ণ দৰ্শী"। কোনো এক মূৰ্খ ৰজাই শুনিবলৈ পাই তেওঁলোকক মতাই অনালে। ৰজা সেই নাৰায়ণদৰ্শীৰ আগলৈ ওলাই অহাত সিহঁতে খুব হাঁহি হাঁহি নাচিবলৈ ধৰিলে। তেতিয়া ৰজাই সুধিলে "কি হল তোমালোকৰ?" সেই তেওঁলোকে কলে "আমি সাক্ষাৎ নাৰায়ণক আগত দেখিছোঁ।" ৰজা—"মই দেখা নাই কেলেই"? নাৰায়ণদৰ্শী—"নাক থাকিলে দেখা নেপায়, নাক কাটিলেহে নাৰায়ণৰ দৰ্শন হয়"। ৰজাই সিহঁতৰ কথাত বিশ্বাস কৰি জ্যোতিষীক নাক কাটিবৰ শুভ দিন বাৰ মুহূৰ্ত্ত চাবলৈ কলে। জ্যোতিষীয়ে তেতিয়াই চাই চিতি কলে "মহাৰাজ! দশমীৰ দিনা প্ৰাতঃ আঠ বজাত নাক কাটি নাৰায়ণ দৰ্শন কৰাৰ কাৰণে শুভ মুহূৰ্ত্ত"। বাহৰে ধূৰ্ত্তজীৰি! নিজৰ পুথিত নাককটা আৰু কটোৱাৰ মুহূৰ্ত্তও লিখি দিছে। ৰজাৰ ইচ্ছাত যেতিয়া সেই এহেজাৰ নাককটাৰ কাৰণে ভোজন যোগাৰ দিয়া হল, তেতিয়া আনন্দত পুলকিত হৈ আৰু গাই গাই সিহঁত নাচিবলৈ ধৰিলে। কিন্তু ৰজাৰ ভেনে কামত দেৱান আদি বুদ্ধিমান ব্যক্তিসকলৰ মনত ভাল লগা নাছিল। ৰজাৰ চাৰিপুৰুষীয়া এজন দেৱান আছিল, যাৰ বয়স নব্বৈ বছৰ। সেই সময়ত তেওঁৰ প্ৰপৌত্ৰই দেৱানৰ কামত আছে। এই প্ৰপৌত্ৰ দেৱানে গৈ বুঢ়া দেৱানক ঘটনা শুনোৱাত, বৃদ্ধ দেৱানে কলে—"ইহঁত ধূৰ্ত্ত, মোক ৰজাৰ ওচৰলৈ নি বলা।" সেই মতে গৈ পাই বৃদ্ধ দেৱান ৰজাৰ আগত বহাত ৰজাই আনন্দিত হৈ সেই নাক কটাৰ বৃত্তান্ত শুনালে। বৃদ্ধ দেৱান—"মহাৰাজ! কোনো গুৰুত্বৰ কাম ঘপহকৈ কৰিব নাপায় আগতে সন্তেদ নোলোৱাকৈ কৰিলে পশ্চাত্তাপো কৰিব লগা হয়"। ৰজা—"এই হেজাৰ মানুহেই মিছা কথা কৈছেনে"? দেৱান—"সচাঁই কৈছেনে, মিছা কৈছে তাৰ সন্তেদ নেপালে কেনেকৈ কব?"

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰজা—পৰীক্ষা কৰা যাব কেনেকৈ ?

দেৱান—বিদ্যা, সৃষ্টিক্রম আৰু প্রত্যক্ষ আদি প্রমাণৰ দ্বাৰা ।

ৰজা—যি এইবোৰ অধ্যয়ন কৰা নাই—সি কেনেকৈ পৰীক্ষা কৰিব ?

দেৱান—বিদ্বানৰ সংসৰ্গৰে জ্ঞানৰ উন্নতি কৰি ।

ৰজা—বিদ্বান লোক নাপালে কেনেকৈ হব ?

দেৱান—পুৰুষাৰ্থীৰ কাৰণে একো দুৰ্লভ নহয় ।

ৰজা—তেনেহলে কি কৰিব লাগে, আপুনিয়েই কৰক ।

দেৱান—মই এতিয়া বৃদ্ধ অকৰ্ম্মণ্য হৈ আছো, আৰু নো কিমান জীয়াই থাকিম ? গতিকে প্রথম পৰীক্ষা ময়েই কৰো, তাৰ পাছত উচিত হয় তাকেই কৰিব ।

ৰজা—তেনেহলে বৰ ভাল কথা । জোতিষী দেউ ! দেৱান যাত্রাৰ কাৰণে শুভ মুহূৰ্ত্ত গণনা কৰক ।

জ্যোতিষী—ভাল মহাৰাজ, এই শুক্ল পঞ্চমীৰ পুৱা দহ বজাত শুভ মুহূৰ্ত্ত আছে ।

পঞ্চমীৰ দিনা পুৱা আঠ বজাত বৃদ্ধ দেৱান ৰজাৰ ওচৰলৈ আহি কলে যে লগত দুই এক হেজাৰ সৈন্য লগত লৈ যোৱা উচিত হব । ৰজা—“তাত সৈন্যৰ কি কাম আছে” ? দেৱান—“আপোনাৰ ৰাজনীতিৰ খবৰ নাই। মই যি কৈছো তাকেই কৰক” । তেতিয়া ৰজাই সৈন্য সাজু হবলৈ আদেশ দিলে আৰু পুৱা চাৰে ন’ বজাত সকলোকে লগত লৈ যাত্রা কৰিলে । ৰজাৰ সমদল দেখি সিহঁতে খুব নাচি নাচি গাবলৈ ধৰিলে। ৰজা গৈ বহাৰ পাছত, সেই নাৰায়ণদৰ্শী সম্প্রদায়ৰ মহন্তক যাৰ প্রথম নাক কটা হৈছিল, তেওঁক মতাই আনি কোৱা হ’ল যে আমাৰ এই দেৱান মহোদয়ে নাৰায়ণৰ দৰ্শন কৰিব খোজে ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মহন্তই "বাক্" বুলি কলে আৰু দহ বজাৰ সময়ত এটা মানুহে হাতত এখন থালী লৈ দেৱানৰ আগত থিয় হ'ল, দেৱানৰ নাকৰ তলত এটাই থালীখন পাতিলে আৰু আন এটাই চোকা ছুৰীৰে বেপ মাৰি নাক কাটিলে, নাকৰ পৰা তেজ বৰলৈ ধৰিলে আৰু দেৱানৰ মুখ সেঁতা পৰি গ'ল। তাৰ পাছত সেই ধূৰ্ত্তই দেৱানৰ কাণত মন্ত্ৰ উপদেশ দি কলে যে- "আপুনিও হাঁহি মুখে নাৰায়ণ দৰ্শন কৰিছো বুলি সকলোকে কওক। এতিয়া আৰু কটা নাক ঘূৰি নাহে। এইদৰে নকলে মানুহে হাঁহি আপোনাক ঠাট্টা কৰিব"। ইয়াকে কৈ সেই নাক কটা নাৰায়ণদৰ্শী আঁতৰি গ'ল। দেৱানে গামোছাৰে নাকটো সোপামাৰি ধৰিলে। তেতিয়া ৰজাই নাৰায়ণ দৰ্শন কৰিছেনে নাই সোধাত দেৱানে ৰজাৰ কাণে কাণে দেখা নাই বুলি কৈ এই ধূৰ্ত্তই মিছাকৈ সহস্ৰ মানুহক নষ্ট কৰিছে বুলি কলে। ৰজাই তেতিয়া সুধিলে "এতিয়া কি কৰা কৰ্ত্তব্য?" দেৱানে কলে "ইহঁতক ধৰি কঠোৰ শাস্তি বিহি আজীৱন কাৰাগাৰত ৰাখিব লাগে। আৰু ধূৰ্ত্তক, যি এই মানুহবোৰক নষ্ট কৰিলে তাক গাধত তুলি বাটে বাটে মানুহক দেখুৱাই বেতেৰে কোবাই ফুৰিব লাগে"। ৰজা আৰু দেৱানে গোপনে আলোচনা কৰা দেখি সিহঁতে ভয়ত পলাবলৈ চেষ্টা কৰিছিল, কিন্তু চাৰিও ফালৰ সৈন্যই ঘেৰি ৰখাৰ বাবে পলাব নোৱাৰিলে। ৰজাৰ হুকুমত সকলোকে ধৰি বন্দী কৰা হ'ল আৰু হুকুম কৰা হ'ল যে, সিহঁতৰ মহন্তক ধৰি মুখত কলা ৰং সানি গাধৰ পিঠিত বহুৱাই কণ্ঠত ফটা জোতাৰ মালা পিন্ধাই বাটে বাটে ঘূৰাওক, লৰাবোৰে তাৰ গাত ছাই, ধুলি আদি চতিয়াওক, তিনি চাৰি আলিৰ চকত জোতাৰে কোবাই আৰু কুকুৰ লগাই কামোৰাই কামোৰাই বধ কৰিব লাগে। এনেকুৱা শাস্তি নিদিলে ভৱিষ্যতে আনেও এনেকুৱা কাম কৰাত ভয় নকৰা হব। সেই দৰে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

…ৰাত নাককটা সম্প্ৰদায় বিলুপ্ত হব। বেদ বিৰোধী সম্প্ৰদায়বোৰ এই দৰেই লোকৰ যথা সৰ্ব্বস্ব হৰণ কৰাত অতিশয় চতুৰ। সম্প্ৰদায় বাদীসকলৰ লীলা কৌশল এনেকুৱাই।

স্বামী নাৰায়ণৰ মতাবলম্বীসকলে পৰস্ব হৰণ কৰে, ছল প্ৰবঞ্চনা কৰে, আৰু নিৰ্ব্বোধ মানুহক মৰণৰ সময়ত বিভ্ৰান্ত কৰিবৰ কাৰণে কয় "সহজানন্দ শুক্ল অশ্বত আৰোহণ কৰি তোমাক মুক্তিধামলৈ লৈ যাবলৈ আহিব; তেওঁ এই মন্দিৰলৈ প্ৰতিদিনে এবাৰকৈ আহি থাকে।" উৎসৱ মেলাৰ সময়ত পুজাৰীবোৰ মন্দিৰৰ ভিতৰত থাকে, মন্দিৰৰ তলত বা কাষত দোকান পোহাৰ দিয়া থাকে। মন্দিৰৰ ভিতৰৰ পৰা দোকানলৈ এক গোপন ছিদ্ৰ পথ (সুৰঙ্গ) থাকে। কোনোৱে মন্দিৰৰ ভিতৰত নাৰিকল উৎসৰ্গা কৰিলে, সেই নাৰিকল পোন বাটেদি গৈ দোকানত জমা হয়, এইদৰেই একোটা নাৰিকলেই দিনটোত হেজাৰবাৰ বেচা কিনা হয়। এইদৰেই অন্যান্য বস্তুও কিনা বেচা হয়। যি জাতিৰ মানুহ তেওঁলোকৰ পন্থত সাধু হয়, তেওঁক সেই জাতিৰ তেনে কামৰ ভাৰ দিয়া হয়। যেনে নাপিত হলে নাপিতৰ কাম, কুমাৰ হলে কুমাৰৰ, শিল্পী হলে শিল্পৰ, বেপাৰী হলে বেপাৰৰ, শূদ্ৰক শ্ৰম আৰু পৰিচৰ্য্যাৰ কামত লগোৱা হয়। শিষ্য-বোৰৰ কৰ ধাৰ্য্য কৰা হয়। এনেকুৱা প্ৰতাৰণাৰে কোটি কোটি টকা সংগ্ৰহ কৰা হৈছে আৰু হবই লাগিছে। যি গাদীৰ অধিকাৰী হয়, তেওঁ বিবাহ কৰি সকলো অলঙ্কাৰ আদি পৰিধান কৰে। কেতিয়া কোনোৱে অধিকাৰীক আমন্ত্ৰণ কৰি উৎসৱ পাতিলে গোকুলৰ গোঁসাইৰ দৰে পত্নী পুত্ৰ আদিৰ কাৰণে ভাগে ভাগে দক্ষিণা দিব লাগে। তেওঁলোকে নিজক "সৎসঙ্গী" আৰু আন সম্প্ৰদায়ীবোৰক "কুসঙ্গী" বোলে। অন্যান্য সম্প্ৰদায়ৰ মানুহ যিমানেই বিদ্বান আৰু ধৰ্ম্মপৰায়ণ হওক লাগে, তেওঁ-লোকক সন্মান নকৰে, কাৰণ অন্য সম্প্ৰদায়ৰ সন্মান কৰিলে পাপ হয়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তেওঁলোকৰ সাধুসকলে প্ৰকাশ্যে স্ত্ৰীসকলৰ দৰ্শন নকৰে, কিন্তু গোপনে কি কৰে কোনে জানে ? কোনো কোনো স্থানত তেওঁলোকৰ সাধুৰ পৰস্ত্ৰীৰ লগত লীলা-খেলা কৰাও ধৰা পৰিছে। তেওঁলোকৰ বিশেষ বিশেষ ব্যক্তিৰ মৃত্যু হলে মৃতদেহ গোপনে লুপ্ত কৰি সশৰীৰেৰে বৈকুণ্ঠগামী হল বুলি চাৰিওফালে জনাজাত কৰে। "সহজানন্দই আহি লৈ গল। এই মহাত্মাক ইয়াতে ৰখা আৱশ্যক বুলি আমি কত প্ৰাৰ্থনা কৰি মাতিলো কিন্তু আমাৰ কথা নেমানি কলে যে তেওঁৰ এতিয়া বৈকুণ্ঠতহে ইয়াতকৈ বেছি আৱশ্যক হৈছে, গতিকেই নিবলৈ আহিছোঁ। আমি স্বচক্ষে সহজানন্দক দেখিছো আৰু মৃতককো বিমানত তুলি দিলো, বিমান ওপৰলৈ যাওঁতে পুষ্প বৰ্ষণ কৰি গৈছে।" কেতিয়াবা তেওঁলোকৰ কোনো সাধু ৰোগগ্ৰস্ত হৈ যদি জীয়াই থকাৰ আশা নাথাকে তেতিয়া প্ৰচাৰ কৰে যে, "মই কাইলৈ ৰাতি বৈকুণ্ঠলৈ যামগৈ।" শুনিবলৈ পোৱা মতে সেই সাধু সেই মতে সেই সময়ত নমৰিলে, বা অচেতন হলেও তাক নি গোপন নাদত পেলাই দি লুপ্ত কৰে, নহলে তেওঁলোকৰ কথা মিছা প্ৰমাণ হয়। গতিকেই এনে কামো কৰিব পাৰে। এইদৰেই গোকুলীয়া গোঁসাই যেতিয়া মৰে তেতিয়া শিষ্যবোৰে কয়—"গোসায়ে লীলা বিস্তাৰ কৰি গল।" গোঁসাই পন্থী আৰু স্বামীনাৰায়ণ পন্থীৰ দীক্ষাৰ মন্ত্ৰ একেই "শ্ৰীকৃষ্ণঃ শৰণং মম"। ইয়াৰ অৰ্থ শ্ৰীকৃষ্ণ মোৰ শৰণ অৰ্থাৎ মই শ্ৰীকৃষ্ণৰ শৰণাগত, কিন্তু ইয়াৰ বিপৰীত অৰ্থ হব পাৰে, শ্ৰীকৃষ্ণ মোৰ শৰণাগত বা মোৰ শৰণ প্ৰাপ্ত। এইবোৰ সম্প্ৰদায়ৰ প্ৰবৰ্ত্তকে নিজৰ মূৰ্খতা বশতঃ এনেবোৰ শাস্ত্ৰ বিৰুদ্ধ অৰ্থহীন বাক্য ৰচনা কৰে। তেওঁলোকৰ জ্ঞান বিবেচনা নাই।

মাধ্ব সম্প্ৰদায়

প্ৰশ্ন—মাধ্ব সম্প্ৰদায় কেনে ?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ—অন্যান্য মতাৱলম্বী যেনে, মাধ্বও তেনে, কাৰণ এওঁলোকো চক্ৰাঙ্কিত। মাধ্ব সম্প্ৰদায় আৰু চক্ৰাঙ্কিতৰ ভিতৰত এয়েই পাৰ্থক্য যে, ৰামানুজী মাত্ৰ এবাৰেই চক্ৰাঙ্কিত হয় কিন্তু মাধ্ব প্ৰতি বছৰে চক্ৰাঙ্কিত হৈ থাকে। চক্ৰাঙ্কিতে কপালত হালধীয়া ৰেখা আৰু মাধ্ব পন্থীয়ে কলা ৰেখা লগায়। এবাৰ এক মাধ্ব পণ্ডিতৰ লগত কোনো এজন মহাত্মাৰ শাস্ত্ৰ আলোচনা হৈছিল। মহাত্মা—আপুনি এই কলা ৰেখা আৰু চান্দলা (তিলক) কিয় লগাইছে? মাধ্বৰ পন্থী—এইবোৰ ধাৰণ কৰাৰ ফলত আমাৰ বৈকুণ্ঠ লাভ হব আৰু শ্ৰীকৃষ্ণৰ বৰণো শ্যাম বৰণীয়া আছিল, এই কাৰণেই আমি কলা তিলক ধাৰণ কৰো। মহাত্মা—কলা ৰেখা তিলক লগালেই যদি বৈকুণ্ঠলৈ যাব পাৰি, গোটেই মুখখন কলা কৰি লৈ কলৈ যাব? বৈকুণ্ঠও পাৰ হৈ যাব নেকি? যেনেকৈ শ্ৰীকৃষ্ণ বৰণ আছিল তোমালোকৰো গোটেই দেহবোৰ কলা কৰি নোলোৱা কিয়? তেতিয়া হলে শ্ৰীকৃষ্ণৰ সাদৃশ্য লাভ হব পাৰে। গতিকে মাধ্ব পন্থও আগত বৰ্ণনা কৰা সম্প্ৰদায়বোৰৰ দৰেই।

লিঙ্গাঙ্কিত পন্থ

প্ৰশ্ন—লিঙ্গাঙ্কিত পন্থ কেনে?

উত্তৰ—লিঙ্গাঙ্কিতো চক্ৰাঙ্কিতৰ দৰেই। চক্ৰাঙ্কিতে চক্ৰৰ দাগ দি লয় আৰু নাৰায়ণৰ বাহিৰে আনক নেমানে, সেইদৰে লিঙ্গাঙ্কিতে লিঙ্গৰ আকৃতিৰে দাগ দি লয় আৰু মহাদেৱৰ বাহিৰে আন কাকো নেমানে। লিঙ্গাঙ্কিতৰ বিশেষতা ইমানেই যে তেওঁলোকে শিলৰ লিঙ্গ এটা সোণ বা ৰূপেৰে বন্ধাই ডিঙিত পিন্ধি থাকে। পানী খাবৰ সময়তো সেই লিঙ্গক দেখুৱাইহে পানী গ্ৰহণ কৰে। তেওঁলোকৰ মন্ত্ৰও শৈৱসকলৰ দৰেই।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ব্ৰাহ্ম সমাজ আৰু প্ৰাৰ্থনা সমাজ

প্ৰশ্ন—ব্ৰাহ্ম সমাজ আৰু প্ৰাৰ্থনা সমাজ কেনে ?

উত্তৰ—কিছুমান ভাল আৰু অনেক বেয়াও আছে।

প্ৰশ্ন— ব্ৰাহ্ম সমাজ আৰু প্ৰাৰ্থনা সমাজৰ নীতি বেছি ভাল গতিকে সৰ্ব্বশ্ৰেষ্ঠ।

উত্তৰ— নীতি নিয়ম সম্পূৰ্ণৰূপে ভাল বুলি কব নোৱাৰি, কাৰণ বেদবিদ্যাহীন মানুহৰ কল্পনা সম্পূৰ্ণ সত্য কেনেকৈ হয় ? ব্ৰাহ্ম-সমাজ আৰু প্ৰাৰ্থনা সমাজে কিছুমান লোকক খৃষ্টীয়ান মত গ্ৰহণ কৰাৰ পৰা ৰক্ষা কৰিছে, পাষাণাদি মূৰ্ত্তিৰ পূজাও কিছু পৰিমাণে দূৰ কৰিছে। আৰু কিছুমান কাল্পনিক গ্ৰন্থৰ ফান্দৰ পৰা কিছু পৰিমাণে মুক্ত কৰিছে এইবোৰ ভাল। (১) কিন্তু এওঁলোকৰ ভিতৰত স্বদেশ ভক্তি খুব কম। খৃষ্টীয়ানৰ আচৰণ অধিক পৰিমাণে অনুকৰণ কৰিছে। খোৱালোৱা বিবাহ আদিৰ আচাৰ বিচাৰো পৰিবৰ্ত্তন কৰিছে। (২) স্বদেশ আৰু পূৰ্ব্বপুৰুষৰ গৌৰৱ দূৰৰ কথা, নিন্দাহে বেছিকৈ কৰে। তেওঁলোকৰ বক্তৃতাত ইংৰাজ আদি কৰি খৃষ্টিয়ান সকলৰহে খুব গুণ কীৰ্ত্তন কৰে, ব্ৰহ্মা আদি মহৰ্ষিসকলৰ নাম মাত্ৰও উল্লেখ নকৰে। বৰং এইদৰে কয় যে জগতত অদ্য পৰিমিত ইংৰাজতকৈ বিদ্বান কোনো হোৱা নাই। আৰ্য্যাবৰ্ত্তবাসী আদিৰ পৰাই মূৰ্খ হৈয়েই আছে কেতিয়াও কোনো উন্নতি কৰিব পৰা নাই। (৩) বেদাদিৰ শ্ৰেষ্ঠতাৰো প্ৰতিপাদন নকৰেই নিন্দা কৰাতো কুণ্ঠিত নহয়। ব্ৰাহ্ম সমাজৰ ৰচিত পুস্তক বোৰত 'ঈশা' "মুসা" "মহম্মদ" "নানক" আৰু "চৈতন্য" সন্তৰূপে গণ্য হৈছে। তাত কোনো ঋষি মুনিৰ নামো নাই। ইয়াৰ পৰাই বুজিব লাগিব যে ব্ৰাহ্ম সমাজ সেই সকলৰে মতানুগামী। যদিও এই সমাজৰ মতবাদী সকল আৰ্য্যাবৰ্ত্ততেই জন্ম লৈ এই দেশৰ অন্ন জলেৰেই প্ৰতি পালিত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...ছে তথাপি পূৰ্ব্বপুৰুষৰ আদৰ্শ পৰিত্যাগ কৰি অন্য বিদেশী আদৰ্শৰ ...তি আগ্ৰহশীল আৰু স্বদেশৰ সংস্কৃত বিদ্যা অৰ্থাৎ সংস্কাৰ-সংস্কৃতিত ...নভিজ্ঞ হৈও তেওঁলোকে নিজক নিজে বিদ্বান বুলি ভাবে। ইংৰাজী ...া শিকি পাণ্ডিত্যৰ অভিমানী সহসা কোনো মত বিশেষৰ প্ৰচলন ...টোৰে কেনেকৈ স্থায়ী উন্নতি সাধন কৰিব। (৪) তেওঁলোকে ইংৰাজ, ...ন আদি বিপৰীত আচাৰ ব্য[illegible]ৰী আৰু অন্ত্যজ আদিৰ লগত আহাৰ ...নীৰ কোনো ভেদাভেদ নেৰ য[illegible] তেওঁলোকৰ ধাৰণা হব পাৰে যে, ...নাৰে সৈতে নিৰ্বিচাৰে অ[illegible]নী খাই জাতিভেদ তুলি দিলেই ...সংস্কাৰ হব। কিন্তু এনেক[illegible] পৰা সংস্কাৰৰ পৰিবৰ্ত্তে বিকাৰহে ...ট।

প্ৰশ্ন—জাতিভেদ ঈশ্বৰৰ সৃষ্টি নে মানুহৰ সৃষ্টি?

উত্তৰ—ঈশ্বৰেও সৃষ্টি কৰে আৰু মানুহেও সৃষ্টি কৰে?

প্ৰশ্ন কোনবোৰ ঈশ্বৰৰ সৃষ্ট আৰু কোনবোৰ মানুহৰ সৃষ্ট?

উত্তৰ মানুহ, পশু, পক্ষী, বৃক্ষ, জলচৰ আদি জাতি ঈশ্বৰ সৃষ্ট। যেনেকৈ ...ৰ ভিতৰত গো, অশ্ব, হস্তী, আদি জাতি, বৃক্ষৰ ভিতৰত অশ্বত্থ, বট, ...ম্ৰ আদি, পক্ষীৰ ভিতৰত হংস, কাক, বক আদি, জল জন্তুৰ ভিতৰত মৎস্য ...ৰ আদি জাতিভেদ আছে সেইদৰে মনুষ্যৰ ভিতৰত, ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, ...ূ, অন্ত্যজৰ জাতিভেদ ঈশ্বৰৰ সৃষ্ট। কিন্তু মনুষ্যৰ ভিতৰত ব্ৰাহ্মণ ...দিক সামান্য জাতিৰূপে গণ্য কৰা নহয়, সামান্য বিশেষাত্মক জাতিত ...ৰা হয়। বৰ্ণাশ্ৰম ব্যৱস্থা প্ৰসঙ্গত এই বিষয়ে লিখি অহা হৈছে যে ...ণ, কৰ্ম্ম, স্বভাৱ অনুসাৰে বৰ্ণব্যৱস্থা স্বীকাৰ কৰা আৱশ্যক। গুণ ...ৰ্ম্ম স্বভাৱ অনুসাৰে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰাদিৰ বৰ্ণবিভাগ সমাজ, ...ক বিদ্বান ৰাইজৰ দ্বাৰাই কৰা সৃষ্ট (অৰ্থাৎ মনুষ্যৰ সৃষ্টি।) আহাৰবো ...ঈশ্বৰকৃত আৰু মনুষ্য কৃত আছে। যেনেকৈ সিংহ আদি মাংসাহাৰী,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আৰু গড়, মহিষ আদি তৃণাহাৰী। এনে ভেদ ঈশ্বৰ কৃত। দেশ, কাল আৰু বস্তু ভেদৰ আহাৰভেদ মনুষ্যকৃত।

প্ৰশ্ন—দেখক, ইয়ুৰোপবাসী সকলে কোট পটলুন জোতা পিন্ধি হোটেলত যেই কোনো সকলোৰে হাতৰ পৰিবেশন কৰা খায়। গতিকে উন্নতি পথত আগ বাঢ়িব পাৰিছে।

উত্তৰ—এইটো আপোনাৰ ভুল ধাৰণা; কাৰণ, মুছলমান অন্ত্যজ লোকে সকলোৰে হাতে খায়—তাৰ পৰা তেওঁলোকৰ কিমান উন্নতি হৈছে? য়ুৰোপবাসীৰ ভিতৰত বাল্যবিবাহ নাই, বালক-বালিকাবোৰৰ বিদ্যা আৰু সুশিক্ষাৰ ব্যৱস্থা প্ৰচলিত। তেওঁলোকৰ ভিতৰত স্বয়ম্বৰ বিবাহ প্ৰচলিত, তেওঁলোকে অসতৰ উপদেশ নলয়; জ্ঞান বিদ্যা হোৱাত তেওঁলোকে কাৰো জালত আবদ্ধ নহয়; তেওঁলোকে যি কৰে সকলো পৰস্পৰৰ ভিতৰত বিবেচনা আৰু সমাজৰ নিৰ্দ্ধাৰিত নীতি অনুসাৰে আচৰণ কৰে, তন, মন, ধন দি জাতিৰ উন্নতি সাধন কৰে, তেওঁলোক আলস্যহীন আৰু সদায় উদ্যোগশীল। দেখক! ইংৰাজ সকলে তেওঁলোকৰ দেশীয় জোতা পিন্ধিহে আদালত আৰু কাৰ্য্যালয়লৈ যোৱাৰ অনুমতি দিয়ে। আমাৰ দেশীয় জোতা পিন্ধি যাবলৈ নিদিয়ে। ইয়াৰ পৰা বুজিব পাৰি যে, তেওঁলোকে স্বদেশী জোতাৰ যিমান সন্মান কৰে, সিমান অন্যদেশৰ মানুহকো নকৰে। য়ুৰোপীয় সকল আমাৰ দেশলৈ অহা এশবছৰবো বেছি হল কিন্তু তেওঁলোকে স্বদেশত যিদৰে মোটা বস্ত্ৰ পৰিধান কৰিছিল আজি পৰ্য্যন্ত সেইদৰেই পৰিধান কৰে। তেওঁলোকে নিজৰ ৰীতি-নীতি এৰি আনৰ অনুকৰণ কৰা নাই কিন্তু আপোনালোকৰ অনেকে অনুকৰণ কৰিছে। গতিকে আপোনালোক নিৰ্ব্বোধ আৰু তেওঁলোক বুদ্ধিমান বুলি বিবেচিত হয়। পৰৰ অনুকৰণ কৰা বুদ্ধিমানৰ কাম নহয়। তেওঁলোকৰ ভিতৰত যেয়ে যি নিযুক্ত হয়—তাকেই যথাৰ্থৰূপে সম্পাদন কৰে। তেওঁলোক আজ্ঞানু-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰ্ত্তী আৰু বেপাৰ বাণিজ্যতো স্বদেশীক সহায়তা কৰে। এইবোৰ ভাল গুণৰ দ্বাৰাইহে তেওঁলোকৰ উন্নতি হৈছে। তেওঁলোকৰ, কোট পটলুন জোতা পৰিধান, হোটেলৰ আহাৰ আদি সাধাৰণ আৰু গৰ্হিত কৰ্ম্মৰ দ্বাৰাই উন্নতি হোৱা নাই। য়ুৰোপীয়সকলৰ ভিতৰতো জাতিভেদ আছে। দেখক! যি কোনো উচ্চপদস্থ আৰু উচ্চাধিকাৰী য়ুৰোপীয়ই হওক লাগিলে তেওঁ যদি ভিন্ন দেশীয় বা মতাৱলম্বীৰ কন্যা বিবাহ কৰে, অথবা যদি কোনো য়ুৰোপীয় কন্যাৰ লগত কোনো ভিন্নদেশীয় পুৰুষৰ বিবাহ হয়, তেতিয়া তেওঁলোকৰ ৰীতি অনুসাৰে তৎক্ষণাৎ সিহঁতৰ লগত নিমন্ত্ৰণ, সহ-ভোজন, আৰু বিবাহ আদিৰ সম্বন্ধ বন্ধ কৰে। এইবোৰ জাতিভেদ নহয় যদি কি? আপোনালোকৰ দৰে সৰল আৰু অজলা মানুহক তেওঁ-লোকৰ জাতিভেদ নাই বুলি ভুৰা দিব পাৰে আৰু আপোনালোকেও বিশ্বাস কৰিব পাৰে, ইয়াৰ দ্বাৰাই আপোনালোকৰ অজ্ঞতাহে প্ৰমাণ হয়।

গতিকে কিবা কৰিব লগা হলে, সকলো দিশ বিবেচনা কৰিহে কৰা উচিত, তাৰ পাছত যাতে অনুতাপ কৰিব লগাত নপৰে। দেখক! ৰোগীৰ কাৰণেহে বৈদ্য আৰু ঔষধৰ প্ৰয়োজন, নীৰোগীৰ কাৰণে নহয়। যিসকল বিদ্বান তেওঁলোক নীৰোগীয়া, আৰু যিসকল বিদ্যাহীন তেওঁলোক অবিদ্যাৰূপী ৰোগগ্ৰস্ত। এই অবিদ্যাৰূপী ৰোগ দূৰ কৰিবলৈ হলে সত্য, বিদ্যা আৰু সৎ উপদেশৰ প্ৰয়োজন। আহাৰ পানী খোৱাতেই ধৰ্ম্ম থাকে বা যায়—এই মনোবৃত্তিৰে তেওঁলোক ৰোগগ্ৰস্ত হৈছে আৰু এই ৰোগৰ কাৰণ হল অবিদ্যা আৰু অজ্ঞতা। কাৰোবাক আহাৰ পানী খোৱাত অনাচাৰ কৰা দেখিলে, তেওঁলোকে কয় যে ধৰ্ম্মভ্ৰষ্ট হৈ গৈছে। তেতিয়া আৰু কোনেও তাৰ কথাও নুশুনে, তাৰ লগত নবহে আৰু কাকো তাৰ লগত বহিবলৈও নিদিয়ে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এতিয়া কওকচোন! আপোনাৰ বিদ্যা স্বাৰ্থৰ কাৰণে নে পৰাৰ্থৰ কাৰণে? পৰাৰ্থ তেতিয়াহে হব যেতিয়া আপোনাৰ জ্ঞান বিদ্যাৰে সেই অজ্ঞানীৰ উপকাৰ হব। যদি আপুনি কয় যে তেওঁলোকে আমাৰ কথা নুশুনিলে আমি কি কৰিব পাৰো? ইয়াত তেওঁলোকৰ দোষ নাই আপোনালোকৰহে, কাৰণ আপোনালোকৰ সদাচাৰ দেখিলে তেওঁলোক আপোনালোকৰ সংসৰ্গত আহি উপকৃত হলহেঁতেন। কিন্তু আপোনালোকে সহস্ৰজনৰ হিতক তুচ্ছ কৰি কেৱল নিজৰ সুখ-ভোগৰ চিন্তাহে কৰিছে। এইটো আপোনালোকৰ গুৰুতৰ অপৰাধ। কাৰণ পৰৰ হিত সাধনাকে ধৰ্ম্ম আৰু পৰৰ অহিত সাধনাকে অধৰ্ম্ম বোলে। গতিকে বিদ্বানে যথাযোগ্য আচৰণেৰে অজ্ঞানীক দুঃখ সাগৰৰ পৰা পাৰ কৰিব পৰা হোৱা উচিত। সদায় অজ্ঞানীৰ দৰে আচৰণ নকৰি যাৰ দ্বাৰা আনৰ আৰু নিজৰ দিনক দিনে উন্নতি হয়—তেনে আচৰণ কৰাহে কৰ্ত্তব্য।

প্ৰশ্ন—আমি কোনো গ্ৰন্থকেই ঈশ্বৰ প্ৰণীত বা সৰ্ব্বাংশ সত্য বুলি মানিব নোৱাৰো; কাৰণ, মানৱ বুদ্ধি অভ্ৰান্ত নহয়। মানৱ ৰচিত সকলো গ্ৰন্থই ভ্ৰান্ত। গতিকে আমি সকলোৰে যিবোৰ সত্য, গ্ৰহণ কৰো আৰু অসত্যক পৰিত্যাগ কৰো। সত্য হলে, বেদ, বাইবেল, কোৰাণ আৰু অন্যান্য গ্ৰন্থৰ পৰাও গ্ৰহণ কৰো, আৰু অসত্য কাৰো পৰা নকৰো।

উত্তৰ—যি যুক্তিৰে আপুনি সত্যাগ্ৰহী হব খুজিছে, সেই একে যুক্তিৰেই অসত্যাগ্ৰহীও হয়, কাৰণ সকলো মানুহেই যদি নিৰ্ভুল হব নোৱাৰে তেন্তে আপুনিও বিভ্ৰান্ত হব নোৱাৰে। ভ্ৰান্তৰ কথাৰ যেতিয়া সৰ্ব্বাংশ প্ৰামাণিক নহয় আপোনাৰ কথাও বিশ্বাস যোগ্য নহয়। তেনে হলে আপোনাৰ বাক্যও একেবাৰে বিশ্বাস কৰা অনুচিত। গতিকে বিহ মিহলি মিষ্টান্নৰ দৰে বৰ্জ্জনীয়। আপোনালোকৰ ৰচিত ব্যাখ্যা গ্ৰন্থবোৰো

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কোনেও প্ৰমাণ বুলি গ্ৰহণ কৰিব নোৱাৰে। “চলে তো চৌবেজী ছব্বেজী বননে কো গাঠ কে দো খোকৰ দুবেজী বন গয়ে” অৰ্থাৎ চতুৰ্ব্বেদী পৰা ষষ্ঠবেদী হবলৈ যাওঁতে নিজৰ চাৰিবেদৰো দুই বেদ হেৰুৱাই শেষত দ্বিবেদী হৈ ৰল। আনৰ দৰেই আপোনালোকে সৰ্ব্বজ্ঞ নহয়। কেতিয়াবা হয়তো ভ্ৰমত পৰি সত্যক এৰি অসত্যকেই গ্ৰহণ কৰে। গতিকে আমাৰ দৰে অল্পজ্ঞ মানুহৰ বাবে সৰ্ব্বজ্ঞ পৰমাত্মাৰ বাক্যৰ সহায়তাৰ আৱশ্যক। আগত বেদৰ ব্যাখ্যানত যিদৰে লিখি অহা হৈছে সেইদৰেই আপোনাৰো সহানুভূতি থকা উচিত। সেয়ে নহলে “যতো ভ্ৰষ্টস্ততো ভ্ৰষ্টঃ” হৈ যায়। যিহেতু বেদত যি আছে সকলো সত্য; অসত্যৰ লেশমাত্ৰও নাই, গতিকে তাক গ্ৰহণ কৰাত শঙ্কা কৰা মানে নিজৰ আৰু পৰৰো হানি কৰা, এই কাৰণেই আপোনালোক আৰ্য্যাবৰ্ত্ত বাসীয়ে আপোন বুলি ভাবিব নোৱাৰে, আৰু আপোনালোক আৰ্য্যাবৰ্ত্তৰ উন্নতিৰ কাৰণো হব নোৱাৰে— কাৰণ আপোনালোকে ঘৰতেই ভিক্ষাৰী হৈছে। আপোনালোকে হয়তো ভাবিছে যে এইদৰে নিজৰ আৰু আনৰ উপকাৰ সাধন কৰিব পাৰিব; কিন্তু তাক কৰিব নোৱাৰে। যেনেকৈ কোনো সন্তানৰ মাক-বাপেকেই যদি সংসাৰৰ সকলো সন্তানৰ প্ৰতিপালনৰ দায়িত্ব লয়, সকলোৰে প্ৰতিপালন হোৱাটোতো অসম্ভৱেই আৰু নিজৰ সন্তানো প্ৰতিপালিত নহৈ নষ্ট হব। আপোনালোকৰো তেনে অৱস্থাই ঘটিব। বেদাদি সত্য শাস্ত্ৰ নমনাকৈ আপোনালোকৰ বিচাৰ বিবেচনাৰ সত্য অসত্যৰ পৰীক্ষা আৰু স্বদেশৰ কল্যাণ কেতিয়াবা কৰিব পাৰিব নে? এই দেশে যি ৰোগ ভুগিছে তাৰ ঔষধ আপোনালোকৰ হাতত নাই। য়ুৰোপবাসীসকলেও আপোনালোকৰ আৰোগ্যতাৰ চিন্তা নকৰে আৰু আৰ্য্যাবৰ্ত্তবাসীয়েও আপোনালোকক ভিন্ন মতাবলম্বী বুলি ভাবে। এতিয়াও যদি আপোনালোকে চিন্তা বিবেচনা কৰি, বেদাদি শাস্ত্ৰৰ প্ৰদৰ্শীত পথ অনুসৰণ কৰি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দেশৰ উন্নতি সাধনত প্ৰবৃত্ত হয় তেতিয়াহে আপোনালোকৰ কল্যাণ হ'ব পাৰে। আপোনালোকেতো কয় যে সকলো সত্য পৰমেশ্বৰৰ দ্বাৰা প্ৰকাশিত হয়। তেনেহলে পৰমেশ্বৰৰ দ্বাৰাই ঋষিসকলৰ আত্মাত প্ৰকাশিত সত্য স্বৰূপ বেদক নেমানে কিয় ? আপোনালোকে বেদ নমনাৰ কাৰণ হব পাৰে যে, আপোনালোকে বেদ অধ্যয়ন কৰা নাই আৰু তাৰ বাবে আগ্ৰহো নাই। তেতিয়াহলে আপোনালোকৰ বেদৰ জ্ঞান কেনেকৈ হয় ?

৬। খ্ৰীষ্টিয়ান আৰু মুছলমান সকলৰ দৰেই আপোনালোকেও উপাদান কাৰণ বিনাই জগতৰ উৎপত্তি আৰু জীৱও উৎপন্ন হয় বুলি মানে। জগতৰ সৃষ্টি জীৱ আৰু ঈশ্বৰৰ ব্যাখ্যা প্ৰসঙ্গত এই বিষয়ে উত্তৰ দিয়া হৈছে। বিনা কাৰণে কাৰ্য্য হোৱা যেনেকৈ অসম্ভৱ উৎপন্ন হোৱা বস্তুৰ বিনাশ নোহোৱাও তেনেকৈ অসম্ভৱ।

৭। পশ্চাত্তাপ আৰু প্ৰাৰ্থনাৰ দ্বাৰাই পাপ ক্ষয় হয় বুলি যদি আপোনালোকে বিশ্বাস কৰে, সিয়ো আপোনালোকৰ ভুল ধাৰণা। এনে বিশ্বাসৰ পৰাই জগতত পাপৰ বৃদ্ধি হৈছে। পুৰাণবাদী সকলে তীৰ্থযাত্ৰাৰ দ্বাৰা, জৈনসকলে "ন[illegible] [illegible]াৰ" মন্ত্ৰজপ, আৰু তীৰ্থাদিৰ দ্বাৰা; খ্ৰীষ্টিয়ান সকলে যিশুৰ প্ৰাৰ্থনাৰ দ্বাৰা, আৰু মুছলমানসকলে "তোবা, তোবা" শব্দ উচ্চাৰণৰ দ্বাৰাই পাপ ভোগ নকৰাকৈ পাপৰ খণ্ডন হয় বুলি বিশ্বাস কৰে। এনেকুৱা যুক্তিহীন বিশ্বাসৰ পৰা পাপলৈ মানুহৰ ভয় নহয় প্ৰবৃত্তিহে হয়। এই বিশ্বাসত ব্ৰাহ্ম আৰু প্ৰাৰ্থনা সমাজ পন্থীসকল পৌৰাণিক সকলৰ দৰেই একমত। তেওঁলোকৰ বেদৰ জ্ঞান হলে উপলব্ধি কৰিব পাৰিলেহেঁতেন যে যি পাপ আৰু পুণ্যৰ কৰ্ম্ম কৰে তাৰ ফল ভোগ নকৰাকৈ নিবৃত্ত হব নোৱাৰে। এই উপলব্ধি হলে সদায় পাপত ভয়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...ধৰ্ম্মত মতি হবহেঁতেন। বিনা ভোগে নবৃত্তি মানিলে ঈশ্বৰ ...কাৰী হব নোৱাৰে।

৮। আপোনালোকে যে জীৱৰ উন্নতি অনন্ত বুলি বিশ্বাস কৰে ...টো কেতিয়াও সম্ভৱ নহয়; কাৰণ জীৱ সসীম; জীৱৰ গুণ-কৰ্ম্ম-স্বভাবব ...লা নিশ্চয় সসীম।

প্ৰশ্ন—যিহেতু পৰমেশ্বৰ দয়ালু, গতিকে তেওঁ অসীম, কৰ্ম্মতো ...ীম ফল দিব পাৰে।

উত্তৰ—তেতিয়া হলে পৰমেশ্বৰ ন্যায়কাৰী নহয়, ধৰ্ম্ম কৰ্ম্মৰো ...ি নহব যদি পৰমেশ্বৰে অলপ সৎ কৰ্ম্মৰ বাবে অনন্ত ফল দিয়ে ...যদি প্ৰাৰ্থনা বা অনুতাপ কৰিলেই গুৰুতৰ পাপ দূৰ হয়। এনে ...সৰ পৰাই অধৰ্ম্মৰ বৃদ্ধি আৰু ধৰ্ম্মৰ হ্ৰাস হয়।

প্ৰশ্ন—আমি স্বাভাৱিক জ্ঞানক বেদতকৈও শ্ৰেষ্ঠ বুলি ...নো, নৈমিত্তিকক শ্ৰেষ্ঠ বুলি নেমানো, কাৰণ পৰমেশ্বৰ প্ৰদত্ত ...ভাৱিক জ্ঞান আমাৰ নহলে বেদকো কেনেকৈ অধ্যয়ন কৰি ...ৰ বা বুজাব পাৰিব? গতিকে আমাৰ মত সৰ্ব্বশ্ৰেষ্ঠ।

উত্তৰ—আপোনাৰ যুক্তি নিৰৰ্থক, কাৰণ, আনৰ প্ৰদত্ত জ্ঞান ...বিক হব নোৱাৰে। সহজাত জ্ঞানহে স্বাভাৱিক যাৰ বৃদ্ধি বা হ্ৰাস ... তাৰ দ্বাৰাই কোনেও উন্নতি কৰিব নোৱাৰে, কাৰণ স্বাভাৱিক ...থকা সত্ত্বেও বনবীয়া মানুহে উন্নতি কৰিব নোৱাৰে কিয়? ...িক জ্ঞানহে উন্নতিৰ কাৰণ। দেখক! বাল্যকালত আমাৰ আৰু ...নালোকৰো কৰ্ত্তব্য-অকৰ্ত্তব্য বা ধৰ্ম্ম-অধৰ্ম্মৰ যথাৰ্থ জ্ঞান নাছিল। ...জ্ঞানী বিজ্ঞানীৰ পৰা শিকাৰ পাছতহে কৰ্ত্তব্য অকৰ্ত্তব্য বা হিতা-...বোধ হবলৈ ধৰিছে। গতিকে স্বাভাৱিক জ্ঞানক শ্ৰেষ্ঠ বুলি মনাৰ ...যুক্তি নাই।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৯। আপোনালোকে যে পূৰ্ব্বজন্ম আৰু, পৰজন্ম স্বীকাৰ নকৰে, এই ধাৰণা আপোনালোকে খ্ৰীষ্টিয়ান আৰু মুছলমানসকলৰ পৰা গ্ৰহণ কৰিছে। পুনৰ্জ্জন্ম আলোচনা প্ৰসঙ্গত পুনজন্মৰ যুক্তি প্ৰদৰ্শন কৰা হৈছে। এই প্ৰসঙ্গত ইমানেই জানি ৰাখক যে জীৱ শাশ্বত অৰ্থাৎ নিত্য আৰু জীৱৰ কৰ্ম্মও প্ৰবাহ ৰূপে নিত্য। যিহেতু কৰ্ম্ম আৰু কৰ্ম্মীৰ সম্বন্ধ নিত্য। জীৱ কোনো অৱস্থাতেই নিষ্কৰ্ম্মা হৈ নেথাকে। আপোনালোকৰ মতে পৰমেশ্বৰো নিষ্কৰ্ম্মা হয়। পূৰ্ব্বাপৰ জন্ম অস্বীকাৰ কৰিলে কৃতহানি আৰু অকৃতাভ্যাগম নৈৰ্ঘৃণ্য আৰু বৈষম্য দোষো ঈশ্বৰত ঘটে। কাৰণ জন্ম নহলে জীৱৰ পাপ পুণ্যৰ ফল ভোগ কৰিব নোৱাৰে। কাৰণ পৰৰ যেনেকৈ সুখ দুঃখ, আৰু লাভ ক্ষতি কৰা হয়, সেই অনুসাৰে তাৰ ফল ভোগ জীৱই দেহ ধাৰণ বিনা কৰিব নোৱাৰে। পূৰ্ব্ব জন্মৰ পাপ পুণ্যৰ ফল অনুসাৰে নহলে ঈশ্বৰ ন্যায়পৰায়ণ হব নোৱাৰে। তেতিয়া হলে কৰ্ম্মফল ভোগৰ প্ৰশ্নই নুঠে। এইবোৰ কাৰণত আপোনালোকৰ ধাৰণা যুক্তি সঙ্গত নহয়।

১০। ইয়াৰ উপৰিও ঈশ্বৰৰ বাহিৰে দিব্য গুণবিশিষ্ট বস্তুবোৰ আৰু বিদ্বানসকলক দেৱতাৰূপে নমনাও অসঙ্গত হয়। কাৰণ পৰমেশ্বৰক যেতিয়া মহাদেৱ বোলা হয়, অন্য দেৱ নেথাকিলে মহাদেৱ কেনেকৈ বুলিব? সকলো দেৱতাৰ অধিপতি কাৰণেই তেওঁৰ নাম মহাদেৱ।

১১ অগ্নিহোত্ৰাদি পৰহিতকৰ—কৰ্ম্মানুষ্ঠানবোধক কৰ্ত্তব্য বুলি নমনাও সঙ্গত নহয়। (১২) ঋষি মুনিসকলে কৰি যোৱা উপকাৰ অস্বীকাৰ কৰি যীশু আদিৰ প্ৰতি অনুৰক্ত হোৱাও সঙ্গত নহয়। (১৩) কাৰণ বিদ্যা বেদৰ বাহিৰে অন্য কাৰ্য্য বিদ্যাৰ প্ৰবৃত্তি স্বীকাৰ হোৱা একেবাৰেই অসম্ভৱ। (১৪) বিদ্যাৰ চিহ্নস্বৰূপ যজ্ঞোপবীত আৰু শিখাক পৰিহাৰ কৰি মুছলমান আৰু খ্ৰীষ্টিয়ান সকলক অনুকৰণ কৰা অযুক্তিকৰ। পটলুং

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আদি পৰিধান কৰে আৰু "তমগো" অৰ্থাৎ পদক আদি পাবলৈও আকাঙ্খা কৰিব পাৰে তেতিয়া কৰে—যজ্ঞোপবীত আদিৰ ভাৰ বহন কৰিব নোৱাৰে নেকি ?

(১৫) ব্ৰহ্মাৰ পৰা আৰম্ভ কৰি তাৰ পাছতো আৰ্য্যাবৰ্ত্তত অনেক বিদ্বান হৈ গৈছে। সেই সকলৰ গৌৰৱ নকৰি ইয়ুৰোপীয় সকলৰেই প্ৰশংসাৰত হোৱা মানে পক্ষপাত আৰু তোষামোদৰ বাহিৰে আন কি হব পাৰে ?

(১৬) বীজাঙ্কুৰৰ দৰে জড় আৰু চেতনৰ সংযোগত জীৱৰ উৎপত্তি, উৎপত্তিৰ পূৰ্ব্বে জীৱতত্ত্বৰ অভাৱ মনা আৰু উৎপন্ন বস্তুৰ বিনাশ নমনা, পূৰ্ব্বাপৰ বিৰুদ্ধ। উৎপত্তিৰ আগত চেতন আৰু জড় নেথাকিলে জীৱ কৰ পৰা আহে আৰু কাৰ লগত সংযুক্ত হয় ? যদি জীৱ আৰু জড় দুয়োকো সনাতন মানে তেনেহলে ঠিক, যদিহে সৃষ্টিৰ পূৰ্ব্বে ঈশ্বৰৰ বাহিৰে আন কোনো তত্ত্বৰ অস্তিত্ব স্বীকাৰ নকৰে—তেনেহলে আপোনাৰ পক্ষ নিৰৰ্থক হয়। গতিকে যদি উন্নতি সাধন কৰিব খোজে তেনেহলে "আৰ্য্য সমাজৰ" লগত যোগ হৈ সেই উদ্দেশ্য অনুসাৰে কৰ্ত্তব্যত ব্ৰতী হওক, নহয় নহলে একো লাভ নহব। কাৰণ আপোনালোকৰ আৰু আমাৰো কৰ্ত্তব্য একেই যে, যি দেশৰ পদাৰ্থৰে আমাৰ দেহৰ সৃষ্টি হৈছে, ভৰণ পোষণ হৈ আছে আৰু থাকিব, সেই দেশৰ উন্নতি সাধনত আমি মিল হৈ তন, মন আৰু ধন অৰ্পণ কৰা উচিত। আৰ্য্য সমাজৰ দ্বাৰা আৰ্য্যাবৰ্ত্তৰ যিমান উন্নতি সাধন হোৱাৰ সম্ভৱ অন্যৰ দ্বাৰাই সিমান সম্ভৱ নহয়। এই সমাজৰ সহায়-সহযোগত যথাৰ্থ উন্নতি সাধন সম্ভৱ, কাৰণ সমাজৰ সৌভাগ্য বৰ্দ্ধন কৰা সকলোৰে কাম, এজনৰ নহয়।

প্ৰশ্ন—আপুনি চোন সকলো মতকেই খণ্ডন কৰি আহিছে, কিন্তু নিজৰ নিজৰ ধৰ্ম্মত সকলোৱেই শ্ৰেষ্ঠ, গতিকে কাৰো মত খণ্ডন কৰা অনুচিত। আপুনি খণ্ডন কৰি তেওঁলোকতকৈ বিশেষ কি কৰ পাৰিছে ? যদি কিবা বিশেষ কৈছে তেনেহলে আপোনা-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তকৈ শ্ৰেষ্ঠ বা আপোনাৰ সমান কোনো কেতিয়াও নাছিল নেকি? আপোনাৰ এনে অভিমান কৰা অনুচিত ; কাৰণ ঈশ্বৰৰ সৃষ্টিত কোনো কাৰোবাৰ তুলনাত শ্ৰেষ্ঠ, সমতুল্য বা নিকৃষ্ট আনেক আছে। তাৰ বাবে কোনেও গৰ্ব্ব কৰা অনুচিত।

উত্তৰ—ধৰ্ম্ম সকলোৰে এক নে অনেক? যদি অনেক তেন্তে ইটো সিটোৰ বিৰুদ্ধ নে অবিৰুদ্ধ? যদি বিৰুদ্ধ বুলি কয়—তেন্তে ধৰ্ম্ম একৰ বাহিৰে দুই হব নোৱাৰে। যদি অবিৰুদ্ধ বুলি কয়—তেনেহলে বেলেগ বেলেগ থকা নিৰৰ্থক। গতিকে ধৰ্ম্ম আৰু অধৰ্ম্ম সকলোৰে একেই; অনেক হব নোৱাৰে। মই যি বিশেষ কৈছো, সেইটো এই যে, যদি কোনো ৰজাই সকলো সম্প্ৰদায়ৰ নেতাসকলক একেলগ কৰে, তাৰ সংখ্যা এহেজাৰৰ কম নহব। কিন্তু সকলো সম্প্ৰদায় প্ৰধানকৈ চাৰি ভাগত বিভক্ত যেনে:—"পুৰাণী" (পৌৰাণিক) "কিৰাণী" (খ্ৰীষ্টিয়ান) "জৈন" আৰু "কুৰাণী" (মুছলমান)। সকলো সম্প্ৰদায় এই চাবিটাৰ অন্তৰ্গত। সকলো সম্প্ৰদায়ৰ নেতাসকলৰ এখন সভা পাতি, তাৰ ভিতৰত প্ৰথম বামমাৰ্গীৰ যদি কোনো জিজ্ঞাসুৱে সোধে, হে ধৰ্ম্মাত্মা! মই এতিয়ালৈকে কোনো ধৰ্ম্ম বা গুৰু গ্ৰহণ কৰা নাই। সকলো ধৰ্ম্মৰ ভিতৰত কোন ধৰ্ম্ম শ্ৰেষ্ঠ কওক চোন, যিটো মই গ্ৰহণ কৰা উচিত?

বামমাৰ্গী—আমাৰ।

জিজ্ঞাসু—বাকী ন শ নিবানব্বৈ (৯৯৯) ধৰ্ম্ম কেনে?

বামমাৰ্গী—সকলোৱেই মিথ্যাবাদী আৰু নৰকগামী; "কৌলাৎ পৰতৰং নহি", এই বাক্যই প্ৰমাণ যে কোনো ধৰ্ম্মই আমাৰ ধৰ্ম্মতকৈ শ্ৰেষ্ঠ নহয়।

জিজ্ঞাসু—আপোনালোকৰ নো ধৰ্ম্ম কি?

বামমাৰ্গী—ভগৱতীক উপাসনা কৰা, মদ, মাংস আদি পঞ্চমকাৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সেৱন কৰা আৰু ৰুদ্ৰযামল আদি চৌষট্টি তন্ত্ৰ মানি চলা ইত্যাদি। আপুনি মুক্তি কামনা কৰে যদি আমাৰ ধৰ্ম্মগ্ৰহণ কৰি আমাৰ শৰণ লওক।

জিজ্ঞাসু—বাৰু, এতিয়া অন্য ধৰ্ম্মাত্মাসকলৰ লগত সাক্ষাৎ কৰি সুধি চাওঁ, তাৰ পাছত মোৰ যাৰ প্ৰতি শ্ৰদ্ধা আৰু প্ৰীতি হয়, তেওঁৰেই শিষ্য হম।

বামমাৰ্গী—কেলেই মিছাকৈ ভ্ৰমত পৰে? তেওঁলোকে আপোনাক নানা ৰকমে ভুৰা দি তেওঁলোকৰ ফান্দত পেলাই লব! মিছাকৈ কাৰো ওচৰলৈ নেযাব, আমাৰেই শৰণ লওক; নহলে, উদ্ধাৰ নহব। দেখক! আমাৰ মতত সকলো ভোগ আৰু মোক্ষ দুয়োটাকে পাব।

জিজ্ঞাসু— বাৰু, এবাৰ সুধি পুছি চোৱা য'ক।

তাৰ পাছত শৈৱৰ ওচৰলৈ গৈ সোধাত এনেকুৱা উত্তৰেই দিলে। শৈৱই বিশেষকৈ কলে যে, শিৱ, ৰুদ্ৰাক্ষ, ভস্মধাৰণ আৰু লিঙ্গ পূজাৰ বিনা মুক্তি কেতিয়াও হব নোৱাৰে। তাৰ পাছত নবীন বেদান্তীৰ ওচৰলৈ গল।

জিজ্ঞাসু—মহাৰাজ! আপোনাৰ ধৰ্ম্ম কেনে কওকচোন।

বেদান্তী—মই ধৰ্ম্ম-অধৰ্ম্ম একো নেমানো, মই সাক্ষাৎ ব্ৰহ্ম। মোৰ আৰু ধৰ্ম্ম-অধৰ্ম্ম কি আছে? এই জগতৰ সকলো মিছা। যদি জ্ঞানী আৰু শুদ্ধ চেতন হব খোজে, তেতিয়া নিজক ব্ৰহ্মৰূপে ভাবি আৰু জীৱভাৱ পৰিহাৰ কৰি নিত্য মুক্ত হব পাৰে।

জিজ্ঞাসু—আপুনি যদি ব্ৰহ্ম, নিত্য মুক্ত তেনেহলে ব্ৰহ্মৰ গুণ, কৰ্ম্ম স্বভাৱ আপোনাৰ নাই কিয়? আৰু শৰীৰ আবদ্ধ কিয়?

বেদান্তী—আপুনি শৰীৰ দেখিছে; কাৰণ আপুনি মায়াত মুগ্ধ; এই ব্ৰহ্মৰ বাহিৰে আন একোকে দেখা নাই।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

জিজ্ঞাসু—দ্ৰষ্টা আপুনি কোন? আৰু কাক দেখিছে?

বেদান্তী—দ্ৰষ্টা ব্ৰহ্ম, ব্ৰহ্মই ব্ৰহ্মকেই দেখিছে।

জিজ্ঞাসু—ব্ৰহ্ম দুটা নেকি?

বেদান্তী—নহয়। ব্ৰহ্মই নিজেই নিজকে দেখিছে।

জিজ্ঞাসু—কোনোবাই নিজেই নিজৰ কান্ধত উঠিব পাৰে নেকি? আপোনাৰ কথাত অৰ্থ নাই, এইবোৰ কেৱল উন্মাদৰ প্ৰলাপ মাত্ৰ।

তাৰ পাছত জিজ্ঞাসুৱে জৈনক গৈ সুধিলে। জৈনেও এই দৰেই কলে, কিন্তু বিশেষকৈ কলে যে, জৈনধৰ্ম্মৰ বাহিৰে আন সকলো ধৰ্ম্মই মিছা। জগত অনাদি কালৰ পৰা যেনেকৈ আছিল তেনেকৈয়ে আছে আৰু ভবিষ্যতেও থাকিব। কাৰণ আমি "সম্যক্‌ত্বী", অৰ্থাৎ সৰ্ব্বোতোভাৱে যি উত্তম কথা সেইবোৰহে মানো। জৈন পন্থীৰ বাহিৰে বাকী সকলোবোৰ "মিথ্যাত্বী"।

তাৰ পাছত জিজ্ঞাসু আগবাঢ়ি গৈ খ্ৰীষ্টিয়ান পাদুৰীক সুধিলে। বামমাৰ্গীৰ দৰেই প্ৰশ্নোত্তৰ হল, তাৰ ভিতৰত বিশেষকৈ কলে যে, "সকলো মানুহেই পাপী, মানুহে নিজে নিজৰ পাপ দূৰ কৰিব নোৱাৰে। যীশুখ্ৰীষ্টক বিশ্বাস নকৰিলে কোনেও পবিত্ৰ হৈ মুক্তি লাভ কৰিব নোৱাৰে। যীশুৱে সকলোৰে প্ৰায়শ্চিত্তৰ কাৰণে নিজৰ জীৱন বিসৰ্জ্জন কৰি দয়া প্ৰদৰ্শন কৰিছে। আপুনি আমাৰ চেলা (শিষ্য) হৈ য'ক।" জিজ্ঞাসুৱে পাদুৰী চাহাবক এৰি মৌলবী চাহাবৰ ওচৰলৈ গ'ল। তেওঁৰ লগতো কথোপকথন হল। মৌলবীয়ে বিশেষকৈ ইমানকেই কলে যে "লাশৰীক এক অদ্বিতীয় খুদা, তেওঁৰ পৈগম্বৰ মহম্মদ আৰু কোৰাণ শ্বৰীফক বিশ্বাস বিনা কোনেও নিজাত (মুক্তি) পাব নোৱাৰে। যি এই মজহব নেমানে তেওঁ দোজখী আৰু কাফিৰ, বাজিবুলকৎল অৰ্থাৎ পাপী, নৰকী আৰু বধৰ যোগ্য"।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তাৰ পাছত জিজ্ঞাসু গৈ বৈষ্ণৱৰ ওচৰ চাপি আগৰ দৰেই সোধ পোছ কৰিলে। বৈষ্ণৱে বিশেষকৈ কলে "আমাৰ তিলক আৰু ছাপ দেখি যমৰাজেও ভয় কৰে।" জিজ্ঞাসুৱে তাকেই শুনি মনে মনে ভাবিলে" মহ, মাখি, চোৰ, ডকাইত, পুলিচ আৰু শত্রুৱে ভয় নকৰে তেতিয়া যমদূতে ভয় কৰিব কিয়"? জিজ্ঞাসুৱে এইদৰে ইটোৰ পাছত সিটোকৈ সুধি গল। সকলো মতবাদীয়েই নিজৰ নিজৰ মতকেই সত্য আৰু শ্ৰেষ্ঠ বুলি কলে। কোনোৱে কলে "আমাৰ কবীৰ সত্য, কোনোৱে কলে নানক, কোনোৱে দাদু, কোনোৱে বল্লভ, কোনোৱে সহজানন্দ, কোনোৱে মাধ্ব আদিক শ্ৰেষ্ঠ আৰু অৱতাৰ বুলি কলে। জিজ্ঞাসুৱে সকলোবোৰ শুনিলে।

এইদৰে সহস্র মতাৱলম্বীক সুধি বুজিব পাৰিলে যে তেওঁলোকৰ সকলোৱেই সকলোৰে বিৰোধী। তেওঁ দেখিলে যে তেওঁলোকৰ ভিতৰত গুৰু হবৰ উপযুক্ত কোনো নহয়, কাৰণ তেওঁলোকৰ প্ৰত্যেকৰ মত যে মিছা তাৰ ন শ নিৰানব্বৈই জনে সাক্ষী দিছে। মিথ্যাবাদী, দোকানী, বেশ্যা বা বেশ্যাৰ ভৃত্যবোৰে যেনেকৈ নিজৰ নিজৰ বস্তুৰ গৌৰৱ আৰু পৰৰ নিন্দা কৰে এওঁলোকবো তেনে।

তদ্বিজ্ঞানাৰ্থং স গুৰুমেবাভিগচ্ছেৎ।
সমিৎপাণিঃ শ্ৰোত্ৰিয়ং ব্ৰহ্মনিষ্ঠম্ ॥১॥
তস্মৈ স বিদ্বানুপসন্নায় সম্যক্ প্ৰশান্তচিত্তায় শমান্বিতায়।
যেনাক্ষৰং পুৰুষং বেদ সত্যং প্ৰোবাচ তান্তত্ত্বতো ব্ৰহ্মবিদ্যাম্ ॥২

মুণ্ডক (খং ২, মং ১২।১৩)

অৰ্থ ঃ—সেই সত্যৰ বিজ্ঞানৰ অৰ্থে—(স) জিজ্ঞাসুৱে সমিৎপাণি অৰ্থাৎ হাতত সমিধ আদি উপহাৰ লৈ বেদজ্ঞ ব্ৰহ্মনিষ্ঠৰ ওচৰলৈহে যোৱা উচিত। অৰ্থাৎ প্ৰবঞ্চকৰ ওচৰলৈ যোৱা অনুচিত ॥১॥ এইদৰে কোনো

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

জিজ্ঞাসু তেনেকুৱা বিদ্বানৰ ওচৰ চাপিলে, তেতিয়া সেই সমাগত শান্তচিত্ত, জিতেন্দ্ৰিয় জিজ্ঞাসুক যথাৰ্থ ব্ৰহ্মজ্ঞান আৰু পৰমাত্মাৰ গুণ-কৰ্ম্ম স্বভাৱ সম্বন্ধে উপদেশ দিব। যিবোৰ সাধন অৱলম্বন কৰিলে শ্ৰোতাৰ ধৰ্ম্ম, কৰ্ম্ম, কাম, মোক্ষ লাভ হয়, পৰমাত্মাক জানিব পাৰে, তাৰ শিক্ষা দিব ॥২॥

জিজ্ঞাসুৱে এইদৰে এজন আপ্ত পুৰুষৰ ওচৰলৈ গৈ কলে দেউ! সম্প্ৰদায়বাদী সকলৰ বাদ-বিবাদত মোৰ চিত্ত চঞ্চল হৈ পৰিছে, মই যদি এইবোৰৰ কোনো এটা মানি লওঁ তেন্তে বাকী (৯৯৯) ন শ নিৰানব্বৈ সম্প্ৰদায় মোৰ শত্ৰু হব। যাৰ মাত্ৰ এজন মিত্ৰ আৰু ন শ নিৰানব্বৈ জন শত্ৰু, তেওঁ কেতিয়াও শান্তিত থাকিব নোৱাৰে। গতিকে মই আপোনাৰ শৰণ লওঁ, আপুনি মোক উপদেশ দিয়ক।

আপ্তবিদ্বান — এই সকলোবোৰ মত অজ্ঞানতাৰ পৰা উৎপন্ন হৈছে আৰু বিদ্যাৰ বিৰোধী। এই সম্প্ৰদায়বাদী সকলে মূৰ্খ, অবোধ, বনবাসী মানুহক ভুৱা প্ৰৱঞ্চনাৰে নিজৰ নিজৰ ফান্দত পেলাই লৈ স্বাৰ্থ সিদ্ধি কৰে। সেই দুৰ্ভগীয়া অজলা মানুহবোৰে মানৱ জীৱনৰ কৰ্ম্মফলৰ পৰা বঞ্চিত হৈ নিজৰ নিজৰ জীৱন নিৰৰ্থক কৰে। দেখক! যি বিষয়ত এই সহস্ৰমতৰ ভিতৰত ঐক্য আছে, সেই বেদ মত গ্ৰাহ্য। যিবোৰ বিষয়ত পৰস্পৰৰ ভিতৰত বিৰোধ, সেইবোৰ কল্পিত, মিছা আৰু অগ্ৰাহ্য।

জিজ্ঞাসু—ইয়াক পৰীক্ষা কৰা যায় কেনেকৈ?

আপ্ত বিদ্বান—আপুনি সকলো সম্প্ৰদায়বাদীৰ ওচৰলৈ গৈ এই বিষয়বোৰ সোধক, তাত সকলো এক মত হব। তেতিয়া জিজ্ঞাসুৱে সেই মতে সেই এহেজাৰ সম্প্ৰদায়বাদীৰ আগত থিয় হৈ কলে:- আপোনালোকে শুনক! আৰু তাৰ উত্তৰ দিয়ক! সত্য কথন ধৰ্ম্ম নে অসত্য কথন ধৰ্ম্ম?

সকলোৱে সমস্বৰে কলে—"সত্য কথন ধৰ্ম্ম, অসত্য কথন অধৰ্ম্ম"।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

জিজ্ঞাসুৰ—বিদ্যা অধ্যয়ন, ব্ৰহ্মচৰ্য্যপালন, পূৰ্ণ যৌবনত বিবাহ, সৎসংসৰ্গ পুৰুষাৰ্থ আৰু সদাচৰণ আদি ধৰ্ম্ম নে অবিদ্যা, ব্ৰহ্মচৰ্য্য হানি, ব্যভিচাৰ অসৎসংসৰ্গ, আলস্য, অসদাচৰণ, ছল, কপট, হিংসা আৰু পৰৰ অহিত চিন্তা আদি ?" সকলোৱে উত্তৰ দিলে" বিদ্যাদি আচৰণ ধৰ্ম্ম, আৰু অবিদ্যাদিৰ আচৰণ অধৰ্ম্ম"। তেতিয়া জিজ্ঞাসুৱে কলে" এইদৰে আপোনালোকে সকলো একেমত হৈ সত্য ধৰ্ম্মৰ উন্নতি আৰু অসত্য মাৰ্গৰ হানি নকৰে কিয় ?" তেতিয়া আকৌ সকলোৱে কলে—'তেনে কৰিলে আমাক কোনে মানিব ? তাৰ পৰা আমাৰ শিষ্যবোৰে আমাৰ 'আজ্ঞা পালন নকৰা হব; আমাৰ জীবিকাও নষ্ট হব আৰু আমি যি সুখ সন্মান ভোগ কৰিছো, তাৰ পৰাও বঞ্চিত হব লাগিব। গতিকে এইবোৰ জানি শুনিও আমি নিজৰ নিজৰ ভিন্ন কৰি প্ৰচাৰ কৰো, আৰু তাৰ কাৰণেহে আমাৰ আগ্ৰহ; কাৰণ "ৰোটী খাইয়ে শক্কৰ সে দুনিয়া ঠগিয়ে মক্কৰ সে", এনে কথা কি জাননে ? সংসাৰত সৰল সত্যবাদীক কোনেও একো নিদিয়ে, আৰু নোসোধেও। যি চালাক চতুৰ আৰু ধূৰ্ত্ত তাৰ সকলো ঠাইতে জয় জয় ময় ময়"।

জিজ্ঞাসু—আপোনালোকে এইদৰে জনসাধাৰণক প্ৰবঞ্চনা কৰাৰ বাবে ৰাজ্যাধিকাৰীয়ে আপোনালোকক দণ্ড নিদিয়ে কিয় ? (

মতবাদী—আমি ৰাজ্য পৰিচালক সকলক শিষ্য কৰি লৈছো। আমি যি ফান্দত পেলাই ৰাখিছো তাৰ পৰা মুক্ত হোৱা সম্ভৱ নহয়।

জিজ্ঞাসু—আপোনালোকে যে ছল প্ৰবঞ্চনা কৰি অন্য মতাৱলম্বীক প্ৰতাৰিত আৰু ক্ষতিগ্ৰস্ত কৰিছে তাৰ বাবে অন্তৰ্য্যামী ঈশ্বৰক কি উত্তৰ দিব ! আপোনালোকে যে ঘোৰ নৰকত পৰিব লাগিব। কেৱল জীৱনৰ কাৰণে এনেকুৱা গুৰুতৰ অপৰাধৰ পৰা বিৰত নহয় কিয় ? মৃত্যু হৰ লগা আছেঁ, দেখা যাব। নৰক ভোগ বা ঈশ্বৰৰ শাস্তি যেতিয়া

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মতবাদী—যেতিয়াহয় হব ; এতিয়াতো আমি সুখ ভোগ কৰিব পাৰিছো। মানুহে আমাক সন্তোষ মনে ধন বস্তু দান কৰে, আমি বলপূৰ্ব্বক কাৰো পৰা নলওঁ যেতিয়া কিয় আমাৰ ৰাজদণ্ড হব ?

জিজ্ঞাসু—কোনোৱে নাবালকৰ পৰা ফুচুলাই ধন বস্তু হৰন কৰিলে, দণ্ডিত হয়। আপোনালোকৰেই বা নহব কিয় ? কাৰণ—

অজ্ঞো ভবতি বৈ বালঃ পিতা ভবতি মন্ত্ৰদঃ ॥

মনুঃ (অঃ ২ শ্লোকঃ ৫৩)॥

বয়সত বৃদ্ধ হলেও অজ্ঞলোকক বালক আৰু জ্ঞান দাতাক পিতা আৰু বৃদ্ধ বোলে। বুদ্ধিমান বিদ্বান আপোনালোকৰ কথাত মোহ নাযায় ; যিবোৰ বালকৰ দৰে জ্ঞান বিবেচনাহীন, সেইবোৰক আপোনালোকে প্ৰতাৰণা কৰে। তাৰ কাৰণে আপোনালোকে ৰাজদণ্ড পাব লাগে।

মতবাদী—ৰজা, ৰাজ্যিক কৰ্ম্মচাৰী আৰু প্ৰজা সকলোৱেই যেতিয়া আমাৰ মতাৱলম্বী আমাক কোনে দণ্ড দিব ? যেতিয়া তেনেকুৰা কিবা ঘটে তেতিয়া এইবোৰ এৰি অন্য কিবা ব্যৱস্থা অৱলম্বন কৰা যাব।

জিজ্ঞাসু—আপোনালোকে অকৰ্ম্মন্য হৈ, নিৰৰ্থক পৰৰ ধনেৰে উদৰ পূৰণ কৰি নাথাকি ; বিদ্যা শিক্ষা কৰি গৃহস্থৰ বালক-বালিকাবোৰক শিক্ষা দিব পাৰিলে সমাজৰ আৰু আপোনালোকৰো কল্যাণ সাধিব পাৰে।

(মতবাদী)—শৈশৱৰ পৰা বৃদ্ধ পৰ্য্যন্ত সুখ ভোগ এৰি, বাল্য পৰা যৌৱনলৈকে বিদ্যা শিকাত কষ্ট কৰা, তাৰ পাছত আকৌ অধ্যাপনা আৰু উপদেশ দিয়াত চিৰজীৱন পৰিশ্ৰম কৰাৰ প্ৰয়োজন কি ! আমি বিনা যত্ন আৰু বিনা পৰিশ্ৰমে অজস্ৰ ধন সম্পত্তি লাভ কৰি সুখ ভোগ কৰিব পাৰিছো যেতিয়া তাক পৰিত্যাগ কৰিম কেলেই ?

জিজ্ঞাসু— ইয়াৰ পৰিণাম ভাল নহয়। দেখক ! আপোনালোকে ভয়ানক ৰোগ ভুগীব লগা হয়, অকাল মৃত্যু ঘটে, আৰু জ্ঞানীসকলৰ নিন্দনীয় হয় ; তথাপি বুজিব নোৱাৰে কিয় ?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মতবাদী—অৰে ভাই!

টকা ধৰ্ম্মষ্টকা কৰ্ম্ম টকা হি পৰমং পদম্।
যস্য গৃহে টকা নাস্তি হা! টকা টক্ টকায়তে ॥১॥
আনা অংশকলাঃ প্ৰোক্তা ৰূপ্যোঽসৌ ভগবান্ স্বয়ম্।
অতস্তং সৰ্ব্ব ইচ্ছন্তি ৰূপ্যং হি গুণবত্তমম্ ॥ ২ ॥

তুমি এতিয়া বালক, সংসাৰৰ বিষয় একো নেজানা। দেখক! টকা বিনে ধৰ্ম্ম, টকা বিনে কৰ্ম্ম, টকা বিনে পৰমপদ লাভ নহয়। যাৰ ঘৰত টকা নাই সি "হায় টকা হায় টকা"! কৰি কৰি টক্ টক্ কৰি ভাল বস্তুলৈ চায় থাকে, আৰু মনৰ লোভত ভাবে হায়! মোৰো টকা থকা হলে এই ভাল ভাল বস্তুবোৰৰ ভোগ কৰিব পাৰিলো হেতেন" ॥ ১ ॥ ষোল কলাযুক্ত ভগৱানৰ কথা সকলোৱেই শুনিছে কোনেও দেখিবলৈ পোৱা নাই কিন্তু ষোল অনা আৰু পইচা কড়িৰূপ কলা যুক্ত টকাই সাক্ষাৎ ভগৱান। এই কাৰণে সকলোৱেই টকাৰ চিন্তা কৰে; কাৰণ টকাৰেই সকলো কাৰ্য্য সিদ্ধি হয়।

জিজ্ঞাসু—হয় নেকি? আপোনালোকৰ ভিতৰৰ লীলা খেলা এতিয়া বাহিৰ হৈছে। আপোনালোকে এই সকলোবোৰ ভণ্ডামী কেৱল নিজৰ স্বাৰ্থৰ কাৰণেই ৰচনা কৰিছে কিন্তু ইয়াৰ দ্বাৰাই সমাজৰ সৰ্ব্বনাশ হবৰ লাগিছে—যেনেকৈ সৎ উপদেশৰ পৰা জগতৰ কল্যাণ হয় অসৎ উপদেশৰ পৰা নাশ হয়। আপোনালোকৰ যদি টকাৰেই প্ৰয়োজন তেনেহলে চাকৰি বা বেপাৰ কৰি ধন নঘটে কিয়?

মতবাদী—তাত অশেষ পৰিশ্ৰম আৰু কেতিয়াবা ক্ষতিও হয় হয়; কিন্তু আমাৰ এই লীলা খেলাত কেতিয়াও অলপো ক্ষতি নহয়; সদায় লাভেই লাভ। দেখক! তুলসী পাতৰ নিৰ্ম্মালী দিলে, চৰণামৃত প্ৰদান কৰিলে বা কণ্ঠত কণ্ঠী বান্ধি দি নতুন কৰালে শিষ্যসকল চিৰজীৱন

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পশুৰ দৰে বশ হৈ যায়; তাৰ পাছত সিহঁতক ইচ্ছামতে চলাব পাৰি।

জিজ্ঞাসু—মানুহে (শিষ্যবোৰে) ইমানকৈ ধনবস্তু কিহৰ কাৰণে দিয়ে?

মতবাদী—ধৰ্ম্ম, স্বৰ্গ আৰু মুক্তিৰ কাৰণে।

জিজ্ঞাসু—আপোনালোক নিজেই যেতিয়া মুক্ত নহয়, মুক্তিৰ স্বৰূপ আৰু তাৰ সাধনো নেজানে, আপোনালোকৰ শিষ্য সকলে আপোনালোকৰ পৰা কি পাব?

মতবাদী—ইহলোকত কেনেকৈ পাব। মৰাৰ পাছত পৰলোকত হে পাব পাৰে। তেওঁলোকে আমাক যিমান দান কৰে আৰু আমাৰ যিমান সেৱা শুশ্ৰূষা কৰে তাৰ সকলো ফল পৰলোকত লাভ কৰিব।

জিজ্ঞাসু—তেওঁলোকে আপোনালোকক দিয়াৰ ফল পাওক বা নেপাওক আপোনালোকে লোৱাবোৰে কি পাব। নৰক নে অন্য কিবা?

মতবাদী—আমি ভজন কীৰ্ত্তন কৰো তাৰ বাবে আমি সুখ পাম।

জিজ্ঞাসু—আপোনালোকে টকাৰ কাৰণে কৰে। টকা ইয়াতেই পৰি থাকিব। যি মাংসপিণ্ডৰ ভৰণ-পোষণ কৰিছে সিও ভষ্ম হৈ ইয়াতেই পৰি থাকিব। ঈশ্বৰ উপাসনা কৰাহেঁতেন আপোনালোকৰ আত্মা পবিত্ৰ হলহেঁতেন।

মতবাদী—কেলেই আমি অশুদ্ধ নেকি?

জিজ্ঞাসু—আপোলোকৰ অন্তৰ অতি পবিত্ৰ।

মতবাদী—তুমি কেনেকৈ জানিলা?

জিজ্ঞাসু—আপোনালোকৰ ৰীতি-নীতি ব্যৱহাৰ দেখি।

মতবাদী—মহাত্মাসকলৰ ব্যৱহাৰ হাতী দাঁতৰ দৰে। হাতীৰ আহাৰ খোৱা দাঁতৰ স্বৰূপ এক ৰকম আৰু দেখুৱা দাঁতৰ স্বৰূপ অন্য ৰকম সেইদৰে আমাৰো অন্তৰ পবিত্ৰ, কেৱল বাহিৰত হে লীলা কৰো।

জিজ্ঞাসু—আপোনালোকৰ অন্তৰ পবিত্ৰ হলে, বাহিৰৰ কৰ্ম্মও পবিত্ৰ হলহেঁতেন। গতিকে আপোলোকৰ অন্তৰ অপবিত্ৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মতবাদী—আমি যেনেকুৱাই হওঁ লাগে, আমাৰ শিষ্যসকল মৰশ্যে ভাল।

জিজ্ঞাসু—আপুনি যেনে গুৰু আপোনাৰ ভকতো তেনেই হব।

মতবাদী—একেৰকম কেতিয়াও হব নোৱাৰে, কাৰণ মানুহৰ গুণ, কৰ্ম, স্বভাৱ ভিন্ন ভিন্ন।

জিজ্ঞাসু—বাল্যকালৰ পৰা সত্য আদি ধৰ্ম্মৰ গ্ৰহণ, আৰু অসত্য আদি অধৰ্ম্মৰ ত্যাগ কৰিবলৈ শিকা হলে নিশ্চয় একমত হব পাৰে। মতভেদ অৰ্থাৎ ধৰ্ম্মাত্মা আৰু অধৰ্ম্মাত্মা সদায় থাকিব। সংসাৰত ধৰ্ম্মাত্মাৰ সংখ্যা অধিক হলে সুখ শান্তিৰ বৃদ্ধি আৰু অধৰ্ম্মাত্মাৰ সংখ্যা অধিক হলে দুঃখ অশান্তিৰ বৃদ্ধি হয়। বিদ্বান সকলে একে শিক্ষা দিলে সকলো একেমত হোৱাত একো পলম নহয়।

মতবাদী—সেইবোৰ আছিল সত্য যুগৰ কথা, এতিয়া কলিযুগ।

জিজ্ঞাসু—কলিযুগ কালৰ নাম। কাল নিষ্ক্ৰিয়, গতিকে কোনোৱে ধৰ্ম্ম অধৰ্ম্মৰ সাধক বা বাধক হব নোৱাৰে। আচলতে আপোনালোকেই সাক্ষাৎ মূৰ্ত্তিমান কলিযুগ হৈ আবিৰ্ভাৱ হৈছে। মানুহেই সত্যযুগ আৰু কলিযুগ, নহলে সংসাৰত ধৰ্ম্মাত্মা কোনোৱেই নেথাকিলেহেঁতেন। দোষ গুণ সংসৰ্গজাত, স্বাভাৱিক নহয়।

ইমানলৈকে কথোপকথন কৰাৰ পাছত জিজ্ঞাসু গৈ আপ্তপুৰুষক কলে—"দেউ! আপুনি মোক ৰক্ষা কৰিলে। নহলে ময়ো এওঁলোকৰ হাতত পৰি নষ্ট ভ্ৰষ্ট হলোহেঁতেন। এতিয়াৰ পৰা ময়ো এই পাষণ্ডবোৰৰ প্ৰতিবাদ আৰু বৈদিক সৎ আদৰ্শৰ প্ৰতিপাদন আৰু প্ৰচাৰ কৰিম।

আপ্ত— যাতে সত্যৰ আচৰণ, আৰু অসত্যৰ পৰিত্যাগ কৰিব পাৰি, তাকেই সকলোকে পঢ়োৱা, শুনোৱা আৰু সকলোৱে সেইমতে আচৰণ কৰা, বিশেষকৈ বিদ্বান আৰু সন্ন্যাসী সকলৰ প্ৰধান কৰ্ত্তব্য।

প্ৰশ্ন— ব্ৰহ্মচাৰী আৰু সন্ন্যাসী সকল কেনে?

উত্তৰ—ব্ৰহ্মচৰ্য্য সন্ন্যাস এই দুয়ো আশ্ৰমৰ নৈতিক সিদ্ধান্ত আদৰ্শনীয়, কিন্তু আজি কালি এইবোৰতো নিন্দনীয় আচৰণ দেখা যায়। কতই যে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

জটা বঢ়াই নামত ব্ৰহ্মচাৰী হৈ সাধুতাৰ প্ৰদৰ্শন কৰে; জপ, তপ আদি আচৰণত ব্যস্ততা দেখুৱায়, কিন্তু বিদ্যা অধ্যয়নৰ ফালে একো নাই; ব্ৰহ্মচাৰী মানে (ব্ৰহ্ম) বেদবিদ্যা আদি অধ্যয়নত ব্ৰতী। আচলতে তেওঁলোকে বেদ বিদ্যা চৰ্চ্চা লেশ মাত্ৰও নকৰে। এনেকুৱা ব্ৰহ্মচাৰী ছাগলীৰ গলস্তনৰ দৰে নিৰৰ্থক। এইদৰেই যিবোৰ বিদ্যাহীন সন্যাসী দণ্ড, কমণ্ডলু লৈ কেৱল ভিক্ষা কৰি ফুৰে, কম বয়সতেই সন্যাসী হৈ ঘূৰি ফুৰে, তীৰ্থ আৰু পাষাণাদি মূৰ্ত্তি দৰ্শন, পূজন কৰি ঘূৰি ফুৰে, ভৰপেট ভোজন কৰি কোনো নিৰ্জ্জন স্থানত আৰাম কৰি শুই শুই দিন কটায়, ঈৰ্ষা-দ্বেষগ্ৰস্ত, পৰনিন্দা আৰু কুচেষ্টাশীল, সন্ন্যাসীৰ বেশ ধাৰণ কৰিয়েই নিজক কৃতাৰ্থ বুলি ভাবে, যি পৰোপকাৰ আৰু সৎকৰ্ম্মত আগ্ৰহহীন, এনেকুৱা সন্ন্যাসীৰ জীৱন নিৰৰ্থক আৰু সমাজৰ ভাৰমাত্ৰ। যিসকল জগতৰ হিত সাধক তেওঁলোকৰ সন্ন্যাস জীৱন ধন্য।

প্ৰশ্ন—গিৰি, পুৰী, ভাৰতী, আদি গোঁসাইবোৰ কেনে! কাৰণ তেওঁলোকে যলৈ তলৈ গলে মণ্ডলী বান্ধি যায়, শশ সাধুক আনন্দিত কৰে, অদ্বৈত বাদৰ প্ৰচাৰ কৰে, আৰু পঠন পাঠনো কৰে, গতিকে তেওঁলোক ভাল যেন লাগে।

উত্তৰ—এই গিৰি, পুৰী আদি দহ নাম কল্পিত, এইবোৰ সনাতন নাম নহয়। তেওঁলোকৰ মণ্ডলীবোৰ কেৱল ভোজনৰ অৰ্থে হয়। অনেকে কেৱল ভোজনৰ কাৰণেই মণ্ডলীভুক্ত হয় আৰু মণ্ডলীৰ গৌৰবো কৰে। তেওঁলোকৰ ভিতৰত এজনক মহন্ত পাতি সন্ধ্যা সময় প্ৰধানৰূপে গাদীত বহুৱাই ব্ৰাহ্মণ আৰু বাকী সাধুবোৰে ঠিয় হৈ পুষ্প হস্তে—

"নাৰায়ণং পদ্মভৱং বসিষ্ঠং শক্তিং তৎপুত্ৰপৰাশৰং চ।
ব্যাসং শুকং গৌৰপদং মহান্তম্॥"

ইত্যাদি শ্লোক পঢ়ি "হৰ হৰ" বুলি তেওঁৰ ওপৰত পুষ্প বৰ্ষা কৰি সাষ্টাঙ্গ প্ৰণাম কৰে। কোনোৱে সেই মতে নকৰিলে তেওঁলোকৰ মণ্ডলীত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...ৰিব নোৱাৰে। লোকক দেখুৱাবৰ কাৰণেই এনেবোৰ ভণ্ডামী ৰচনা ...ৰে, তাৰ পৰা তেওঁলোকৰ সন্মান আৰু অৰ্থ সামগ্ৰী লাভ হয়। কত ...ধিকাৰী গৃহস্থহৈও সন্ন্যাসীৰ অভিমান কৰে, কিন্তু তেনে কোনো কৰ্ম্ম ...ৰে। সন্ন্যাসীৰ কৰ্ত্তব্য পঞ্চম সমুল্লাসত লিখা হৈছে, তাকে নকৰি কেৱল ...ৰ্থক জীৱন কটায়। তেওঁলোকক কোনোৱে সৎ উপদেশ দিলেও তাৰ ...ৰীতহে বুজে। নানা ধৰণৰ ৰুদ্ৰাক্ষ, ভস্ম ধাৰণ কৰে আৰু তেওঁ-...কৰ ভিতৰত অনেকে শৈৱ বুলিও গৰ্ব্ব কৰে আৰু কেতিয়াবা শাস্ত্ৰৰ ...ৰ্থ আলোচনা হয়, তেতিয়া শঙ্কৰাচাৰ্য্যৰ যুক্তি প্ৰতিপাদন কৰাত লাগে। ...তিয়ালৈকে পাষণ্ড মত থাকে, তেতিয়ালৈকে পাষণ্ড মতৰ প্ৰতিবাদ ...ক বৈদিক আদৰ্শৰ প্ৰচাৰ হব নোৱাৰে। এই ধৰণৰ সন্ন্যাসীবোৰৰ ...ৰণা যে তেওঁলোকৰ কোনো মতৰ প্ৰতিপাদন বা প্ৰতিবাদ কৰাৰ আৱশ্যক ...ই। তেওঁলোকে নিজে নিজক মহাত্মা বুলি ভাবে, গতিকে তেনেকুৱা ...হৃ সংসাৰৰ বোজাহে। তেওঁলোকৰ এনেকুৱা অৱস্থাৰ কাৰণেই বৈদিক ...ৰ্মৰ বিৰোধী বামাচাৰী আদি সম্প্ৰদায়, খ্ৰীষ্টিয়ান, মুছলমান আৰু ...ন আদিৰ সংখ্যা দিনক দিনে বাঢ়িবলৈ ধৰিছে। তাৰ ফলত তেওঁ-...কৰ যে সৰ্ব্বনাশ ঘটিব লাগিছে তাৰ উপলব্ধি তেওঁলোকে কৰিব পৰা ...ই। তেওঁলোকৰ কৰ্ত্তব্যৰ বোধ আৰু তাৰ প্ৰতি উৎসাহ থাকিলেহে ...লোকৰ সেই উপলব্ধি হব পাৰে। তেওঁলোকৰ নিজৰ নিজৰ মান ...ন আৰু ভোজন সুখ আদিৰ বাহিৰে অন্য কিবা ডাঙৰ কৰ্ত্তব্যৰ ...ৰ আছে বুলি নেভাবে। তেওঁলোকে লোক নিন্দা বেছি ভয় কৰে ...ৰ্থাৎ তেওঁলোক উদাস আৰু সকলোৱে প্ৰিয় হৈ থাকিব খোজে) ...(লোকেষণা) ইহলোকত সন্মান, (চিত্তৈষণা) ধনৰ আকাঙ্খা ...বিষয় ভোগ আৰু (পুত্ৰৈষণা) শিষ্যসকলৰ প্ৰতি পুত্ৰবৎ ...ক্তি, এই তিনি প্ৰকাৰ পৰিত্যাগ কৰা কৰ্ত্তব্য। এষণা দূৰ ...ৰ সন্ন্যাসী কেনেকৈ হয়? পক্ষপাতৰহিত হৈ বৈদিক উপদেশেৰে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সদায় জগতৰ কল্যাণ সাধন কৰাত সন্ন্যাসী তৎপৰ থকা প্ৰধান কৰ্ত্তব্য। সন্ন্যাসীয়ে সন্ন্যাস আশ্ৰমৰ দায়িত্ব পালন নকৰিলে নামত সন্ন্যাসী হোৱা অৰ্থহীন।

গৃহাশ্ৰমী সকলে যেনেকৈ স্বাৰ্থৰ কাৰণে উদ্যোগ আৰু পৰিশ্ৰম কৰে, সেই দৰেই বা তাতোতকৈও অধিক পৰিশ্ৰম সন্ন্যাসী সকলে কৰিলেহে বাকীবোৰ আশ্ৰমৰ উন্নতি হব পাৰে। দেখক, আপোনালোকৰ আগতেই পাষণ্ড মতৰ সংখ্যা দিনকদিনে বৃদ্ধি হব লাগিছে। এইবোৰ দেখি শুনি মানুহে খ্ৰীষ্টিয়ান আৰু মুছলমান মত অবলম্বন কৰিব লাগিছে। আপোনালোকে স্বজাতিৰ ৰক্ষা আৰু আনক আপোনালোকৰ আদৰ্শৰে অনুপ্ৰেৰিত কৰিব পৰা নাই! তাৰ বাবে আপোনালোকে কোনো চেষ্টাকেই কৰা নাই। যদিহে আপোনালোক আদৰ্শ পৰায়ণ নহয়, বৰ্ত্তমান আৰু ভৱিষ্যতেও আৰ্য্যাবৰ্ত্ত আৰু অন্যান্য দেশৰ কল্যাণ হব নোৱাৰে। বেদাদি সৎ শাস্ত্ৰবোৰৰ অধ্যয়ন আৰু অধ্যাপনা, ব্ৰহ্মচৰ্য্য আদি আশ্ৰমবোৰৰ যথাৰ্থ অনুশীলন আৰু সদায় সৰ্ব্বত্ৰ সৎ আলোচনাই সকলোৰে উন্নতিৰ উপায়। আপোনালোকে জানেনে নেজানে যে, আমাৰ দেশত কত পাখণ্ডৰ ছল চতুৰতা চলিব লাগিছে। উদাহৰণ স্বৰূপে কোনো জীৱিকাৰ্থী সাধুৱে মানুহক জনায় যে তেওঁৰ পুত্ৰহীনক পুত্ৰ দিব পৰা অলৌকিক সাধন আছে, তাকে শুনি কত মাইকী মানুহ তেওঁৰ ওচৰলৈ গৈ চৰণ স্পৰ্শ কৰি পুত্ৰ লাভৰ কাৰণে কত কি অৰ্পণ কৰে। সেই সিদ্ধ সাধুৱে সকলোক পুত্ৰ লাভৰ নিমিত্তে আৰ্শীবাদ দিয়ে। সেই সকল নাৰীৰ ভিতৰত যাৰ যাৰ পুত্ৰ হল তেওঁলোকে ভাবে সাধুৰ আৰ্শীৰ্ব্বাদত হে পুত্ৰ লাভ হল। যদি তেওঁলোকক সোধা হয় যে গাহৰি, কুকুৰ, গাই আদিৰ পোৱালীবোৰ কোন সাধুৰ আৰ্শীৰ্ব্বাদত হয়, তেতিয়া তেওঁলোকৰ উত্তৰ নাই। যিবোৰ সাধুৱে কয় যে তেওঁলোকে সন্তান জীয়াই ৰাখিব পাৰে,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...লোকক সুধিব লাগে তেওঁলোক নিজে মৰে কিয় ? কত যে ধূৰ্ত্তই ... ধৰণৰ মায়া ৰচনা কৰে, তাত পৰি অতি বুদ্ধি বিবেচনা থকা ... প্ৰতাৰিত হয়। এই প্ৰসঙ্গত ধনসাৰীৰ ঠগৰ কথা উল্লেখ ... পাৰি।

ধনসাৰীৰ ঠগ- সিহঁতৰ পাঁচ সাতটামান লগ হৈ দূৰ প্ৰদেশলৈ ...। যাওঁতে লগতে এটা শাৰীৰিক সুগঠন সম্পন্ন মানুহ লৈ যায়। ... মানুহৰ বসতি কোনো এক গাওঁ অঞ্চল বা নগৰৰ কাষৰ অৰণ্যৰ ওচৰত ... সুশ্ৰী সম্পন্ন জনক সিদ্ধ পুৰুষ সজাই বহুৱাই ৰাখে। লগৰ কেই-... সাধুৰ ভেশছন ধৰি সেই অঞ্চলৰ মানুহক সুধি ফুৰে "আপোনালোকে ...ৰূপা লক্ষণৰ এজন সিদ্ধ পুৰুষ দেখিছিলেনে" ? তেতিয়া মানুহে ... সিদ্ধৰ কথা শুনি সোধা পোছা কৰিলে অলপ ইটো সিটো ইঙ্গিত ... "সেইজন এজন মহা সিদ্ধ পুৰুষ, মানুহৰ মনৰ কথাও কব ... যাকে যি কয় সেয়েই ফলিয়ায়, সেইজন মহাযোগী, আমি তেওঁক ... কৰিবলৈ বহু দূৰৰ পৰা আহিছো। আমি বিশেষ ভাৱে শুনিছো ... এই কালে আহি কৰবাত নিৰ্জ্জন ঠাইত আছে"। তেতিয়া ... মানুহবোৰে কয় "কেতিয়াবা সেই মহাত্মাক আপোনালোকে ... পালে আমাকো জনাব, আমিও দৰ্শন কৰিবলৈ যাম"। এইদৰে ... ভেশচনকাৰীবোৰে গাৱেঁ নগৰে দিনত মানুহক সেই সিদ্ধৰ কথা ...ৰে। ৰাতি হলে সেই আটাইবোৰ ঠগ লগহৈ খাই বৈ অটাই ... থাকে। এইদৰে কেই দিন মান প্ৰচাৰ কৰাৰ পাছত চাৰিজন ...কাৰী গৈ আগত কথা পতা কোনো এজন ধনী মানুহক জনায় যে ... সেই পুৰুষক বিচাৰি পাইছো, আপুনি বৰকৈ কোৱাৰ বাবে ...নাক খবৰ দিবলৈ আহিছো, দৰ্শন কৰিবৰ ইচ্ছা হলে আমাৰ লগত ..., আমি নহলে আপুনি তেওঁক দেখা নেপায়"। সিহঁতৰ কথাত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিশ্বাস কৰি কোনো ধনী মানুহ যাবলৈ ওলালে সিহঁতে তেওঁক সোধে "আপোনাৰ বিশেষ কি মনৰ বাঞ্ছা আছে আমাক কওক"। তেতিয়া কোনোৱে পুত্ৰ লাভ, কোনোৱে ধন লাভ, কোনোৱে দুৰাৰোগ্য ব্যাধিৰ আৰোগ্যতা, কোনোৱে বা শত্ৰুক জয় কৰাৰ ইচ্ছা প্ৰকাশ কৰে। সেই সাধুভেশধাৰীকিটাই সেই মতে যাক যেনেকৈ পায় সিদ্ধ পুৰুষৰ লগত পূৰ্ব্বৰ নিশ্চিত সঙ্কেত মতে ধনাকাঙ্ক্ষীক সোঁও ফালৰ পৰা পুত্ৰাকাঙ্ক্ষীক আগফালৰ পৰা আৰোগ্য কামীক বাওঁফালৰ পৰা আৰু শত্ৰু জয়াকাঙ্ক্ষীক পাছ ফালৰ পৰা নি সন্মুখত মানুহৰ লগত বহিবলৈ দিয়ে। দৰ্শনাৰ্থীসকলে নমস্কাৰ কৰোতে সিদ্ধপুৰুষে অলৌকিক শক্তিৰ বলত কবলৈ ধৰে— "মোৰ ওচৰত ল'ৰা আছেনেকি তুমি যে পুত্ৰ কামনা কৰি আহিছা"? ধনাকাঙ্ক্ষীক কয় "মোৰ ইয়াত ধনভৰাল আছেনেকি তুমি যে ধনৰ আকাঙ্ক্ষা কৰি আহিছা? ফকিৰৰ ধন কত?" ৰোগীক কয়— "মই জানো চিকিৎসক ধন্বন্তৰী, তুমি যে মোৰ ওচৰত আৰোগ্য কামনা কৰি আহিছা? মই ধন্বন্তৰী বৈদ্য নহওঁ অন্য কোনো বৈদ্যৰ ওচৰলৈ যোৱা"।

আকৌ দৰ্শনাভিলাষীৰ পিতাৰ ৰোগ হলে, সেই লগত যোৱা ছদ্মবেশীয়ে তাৰ বৃদ্ধাঙ্গুষ্ঠৰ মাকৰ ৰোগ হলে তৰ্জ্জনীৰ, ভ্ৰাতাৰ হলে মধ্যমা, পত্নীৰ হলে অনামিকা আৰু কন্যাৰ হলে কনিষ্ঠ আঙুলিৰে সংকেত কৰে। সেই মতে সিদ্ধ পুৰুষে কাৰ কি ৰোগ হৈছে কৈ দিয়ে। তেতিয়া সেই দৰ্শনাৰ্থী কিজন মোহিত হৈ পৰে। সাধু বেশী ঠগে কয় "আমি যি কৈছিলো তাৰ প্ৰমাণ পালেনে?" তেতিয়া দৰ্শনাৰ্থীবোৱে অৱশ্যে কয়—"আপোনালোকৰ অনুগ্ৰহ আৰু আমাৰ সৌভাগ্যৰ ফলতেই এই মহাত্মাৰ দৰ্শন পাই কৃতাৰ্থ হৈছো"। তেতিয়া সেই ভেশচন কাৰী বোৰে গম্ভীৰ আৰু আপোন ভাবে তেওঁলোকক কয়—"এই অন্তৰ্যামী

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...য়া ইয়াত বেছিদিন নেথাকে। কোনো বিশেষ আশীৰ্ব্বাদ লাভ কৰিব ...ছে যদি তন, মন, ধন, যথা সাধ্যে অৰ্পণ কৰি সেৱা শুশ্ৰূষা কৰক। ... দক্ষিণা সেৱা শুশ্ৰূষাৰ ফল আছে; এওঁ কাৰোবাৰ প্ৰতি প্ৰসন্ন ... কোৱা টান—কাক কি বৰ দান কৰে! সিদ্ধ পুৰুষৰ শক্তি মহিমা ...পাৰ”।

দৰ্শনকাৰী সকলে সিহঁতৰ এনেবোৰ হিতোপদেশ শুনি মনৰ ... আৰু আনন্দত ঘৰ মূৰা হয়, সিহঁতো তেওঁলোকৰ লগে লগে ...সৰণ কৰে, জানোচা কোনোৱে কোনেবাকৈ সিহঁতৰ গোপন ৰহস্যৰ ...দ্ৰ উলিয়ায়, তাৰো নিৰীক্ষণ কৰা সেইদৰে দৰ্শনকাৰীসকলে তেওঁ-...কৰ বন্ধু-বান্ধৱক মহাসিদ্ধ পুৰুষৰ প্ৰশংসা কৰে। শুনিলে তাৰো সুযোগ ... কৰে।

এনেকুৱা অলৌকিক সিদ্ধ মহাত্মাৰ বাতৰি নগৰৰ চাৰিওফালে ...ৰ মুখত গুণ-গুণনি শুনিলে দলে দলে দৰ্শনাৰ্থী মহাত্মাৰ ওচৰলৈ গৈ ...ন বাঞ্ছা সোধে। বহুলোকৰ সমাগম হলে পূৰ্ব্ব নিৰ্দ্দিষ্ট ব্যৱস্থা অচল ...পৰে। সিদ্ধ পুৰুষে তেতিয়া মৌনতা অৱলম্বন কৰে। ভেশচনকাৰী ... প্ৰচাৰ কৰি দিয়ে “মহাত্মাই ধ্যানত আছে, বেছি বিৰক্ত হলে ইয়াৰ ... অন্তৰ্দ্ধান হব।” তেনেকুৱা পৰিস্থিতি হলে, তাৰ ভিতৰত ধনী ধনী ...ৰ চাই সেই ভেশচনকাৰী ঠগে তেওঁলোকৰ ওচৰ চাপে। গোপনে ...লোকৰ উদ্দেশ্য সুধি লয়। দৰ্শনাৰ্থীও মনৰ কথা জানিবলৈ ...জ্ঞা কৰে। তেওঁলোকক সেই নিৰ্দ্দিষ্ট সঙ্কেত মতে বহুৱাই দিয়া ...-সিদ্ধ পুৰুষেও সঙ্কেত বুজি তৎক্ষণাৎ কৈ দিয়ে। তাৰ পাছত পৰস্পৰ ...মেলা শুনি জনসাধাৰণে আচৰিত পুৰুষ বুলি ভাবে। তেতিয়া ... ভোজন, ফল-মূল, ধন-বস্ত্ৰ আদি অৰ্পণ কৰি অনেকে প্ৰাৰ্থনা ... এইদৰে যেয়ে যিমান দিন দান দক্ষিণা আদি অৰ্পণ কৰে, সেই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বোৰ ঠগে লুণ্ঠন কৰে। কোনো কোনো পুত্ৰহীন ধনীক পুত্ৰ লাভৰ কাৰণে ভস্ম অকণ দিও হেজাৰ হেজাৰ টকা পাই কয় "তোমাৰ ভক্তি সত্য হলে পুত্ৰলাভ নিশ্চয় হব।"

এইদৰে অনেক প্ৰবঞ্চকে প্ৰতাৰণা কৰিবই লাগিছে, কেৱল বুদ্ধি বিবেচনাশীল লোকেহে এনেধৰণৰ ধূৰ্ত্তৰ চক্ৰান্ত বুজিব পাৰে, নির্বোধ সাধাৰণ মানুহে বুজিব নোৱাৰে। গতিকে বেদাদি শাস্ত্ৰৰ অধ্যয়ন আৰু সৎসংসৰ্গৰ আৱশ্যক; যাৰ দ্বাৰাই নিজৰ আৰু সমাজৰ কল্যাণ সাধিব পাৰে। কাৰণ বিদ্যাই মানুহৰ নেত্ৰস্বৰূপ। বিদ্যাহীনৰ জ্ঞান হব নোৱাৰে যি বাল্যকালৰ পৰাই সুশিক্ষা পায় সেই মানুহহে জ্ঞানী হব পাৰে। যিবোৰ কুসঙ্গ পৰায়ণ সেইবোৰ মহামূৰ্খ দুষ্ট আৰু পাপী হৈ অশেষ দুঃখ ভোগ কৰিব লগা হয়। গতিকে জ্ঞানেই পৰম শ্ৰেষ্ঠ। যি জ্ঞানে সিহে মানে—

ন বেত্তি যো যস্য গুণপ্ৰকৰ্ষং স তস্য নিন্দাং সততং কৰোতি।
যথা কিৰাতী কৰিকুম্ভজাতা মুক্তাঃ পৰিত্যজ্য বিভৰ্ত্তি গুঞ্জাঃ॥
(বৃঃ, চাঃ, অঃ, ১১, শ্লোঃ ১২)॥

এইটো কোনো কবিৰ ৰচিত শ্লোক। বনবাসী ভীলে যেনেকৈ গজমুক্তা এৰি গুঞ্জাৰ মালা পিন্ধে, সেইদৰে যি যাৰ গুণ নাজানে, সি সদায় তাৰ নিন্দাকেই কৰে। যি বিদ্বান, জ্ঞানী, ধৰ্ম্মপৰায়ণ, সৎসঙ্গী, যোগী, উদ্যোগশীল আৰু জিতেন্দ্ৰিয় তেওঁৱেঁই ধৰ্ম্ম, অৰ্থ, কাম আৰু মোক্ষ লাভ কৰি ইহ আৰু পৰজন্মত আনন্দ পায়।

এইয়া আৰ্য্যাবৰ্ত্তবাসীৰ মতমতান্তৰৰ বিষয়ে সংক্ষেপ আলোচনা কৰা হল।

ইয়াৰ পাছত আৰ্য্যাবৰ্ত্তীয় ৰজাসকলৰ যি সামান্য ইতিহাস পোৱা হৈছে, তাকেই পাঠকসকলৰ অৱগতিৰ কাৰণে বিবৃত কৰা হৈছে:—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স্বায়ম্ভুৱ মনুৰ পৰা আৰম্ভ কৰি মহাৰাজ যুধিষ্ঠিৰ পৰ্য্যন্ত ইতিহাস মহাভাৰত আদি গ্ৰন্থত লিখিত আছে। এতিয়া ইয়াত মহাৰাজ যুধিষ্ঠিৰৰ পৰা মহাৰাজ যশপাল পৰ্য্যন্ত আৰ্য্যাবৰ্ত্তীয় ৰাজবংশৰ ইতিহাসৰ সংক্ষেপ আভাস জানিব পাৰিব। এই বিষয়ে ইয়াত যি লিখা হৈছে সেয়া উদয়পুৰ মেৱাৰ ৰাজ্যৰ ৰাজধানী চিতোৰ গড়ৰ শ্ৰীনাথৰ দ্বাৰা প্ৰকাশিত আৰু ছাত্ৰ পযেকীয়া—"হৰিশ্চন্দ্ৰ চন্দ্ৰিকা" আৰু "মোহন চন্দ্ৰিকা" নামৰ পত্ৰিকাৰ পৰা অনুবাদ কৰা হৈছে। বিদ্বান সজ্জনসকলে এনেকুৱা ইতিহাস আৰু অন্যান্য বিষয়ৰ গ্ৰন্থাৱলী অনুসন্ধান কৰি প্ৰকাশ কৰিলে অতি প্ৰশংসনীয় কাম হব। উক্ত পত্ৰিকা দুখনৰ সম্পাদক মহোদয়ে ১৭৮২ বিক্ৰম সম্বতৰ লিখিত এখন গ্ৰন্থ তেওঁৰ কোনো বন্ধুৰ পৰা পাই প্ৰচলিত ১৯৩৯ সংবতৰ মাৰ্গশীৰ্ষ শুক্লপক্ষৰ ১৯ আৰু ২০ কিৰণত অৰ্থাৎ পত্ৰিকা সংখ্যাত মুদ্ৰিত কৰে। তাকেই প্ৰমাণ স্বৰূপে তলত দিয়া হল:—

আৰ্য্যাবৰ্ত্তদেশীয় ৰাজবংশাৱলী

ইন্দ্ৰপ্ৰস্থত আৰ্য্য ৰজাসকলে মহাৰাজ যশপাল পৰ্য্যন্ত ৰাজত্ব কৰিছিল। মহাৰাজ যুধিষ্ঠিৰৰ পৰা মহাৰাজ যশপাল পৰ্য্যন্ত আনুমানিক ১২৪ (এশ চৌৱিশ) জন ৰজাই সৰ্ব্বমুঠ ৪১৫৭ বছৰ ৯ মাহ ১৪ দিন ৰাজত্ব কৰিছিল তাৰ বিৱৰণ তলত দিয়া হ'ল।

আৰ্য্য ৰজা ১২৪ জন। ৰাজত্বৰ কাল ৪১৫৭ বছৰ ৯ মাহ ১৪ দিন। ইয়াৰ ভিতৰত যুধিষ্ঠিৰৰ পৰা ৩০ পুৰুষ পৰ্য্যন্ত যি সকলে আনুমানিক ১৭৭০ বছৰ ১১ মাহ ১০ দিন ৰাজত্ব কৰিছিল, সেই সকলৰ বিৱৰণ হৈ:—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰজা	বছৰ	মাহ	দিন
১। যুধিষ্ঠিৰ	৩৬	৮	২৫
২। পৰীক্ষিত	৬০	০	০
৩। জন্মেজয়	৮৪	৭	২৩
৪। অশ্বমেধ	৮২	৮	২২
৫। দ্বিতীয় ৰাম	৮৮	২	৮
৬। ছত্ৰমল	৮১	১১	২৭
৭। চিত্ৰৰথ	৭৫	৩	১৮
৮। দুষ্টশৈল্য	৭৫	১০	২৪
৯। উগ্ৰসেন	৭৮	৭	২১
১০। শূৰসেন	৭৮	৭	২১
১১। ভুবন পতি	৬৯	৫	৫
১২। ৰণজীত	৬৫	১০	৪
১৩। ঋক্ষক	৬৪	৭	৪
১৪। সুখদেৱ	৬২	০	২৪
১৫। নৰহৰি দেব	৫১	১০	২
১৬। সুচিৰথ	৪২	১১	২
১৭। শূৰসেন (২য়)	৫৮	১০	৮
১৮। পৰ্ব্বত সেন	৫৫	৮	১০
১৯। মেধাবী	৫২	১০	১০
২০। সোনচীৰ	৫০	৮	২১
২১। ভীমদেৱ	৪৭	৯	২০
২২। নৃহৰিদেৱ	৪৫	১১	২৩
২৩। পূৰ্ণমল	৪৪	৮	৭

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰজা	বছৰ	মাহ	দিন
২৪। কৰদৰী	৪৪	১০	৮
২৫। অলংমিক	৫০	১১	৮
২৬। উদয় পাল	৩৮	৯	০
২৭। ভুবনমল্ল	৪০	১০	২৬
২৮। দমাত	৩২	০	০
২৯। ভীম পাল	৫৮	৫	৮
৩০। ক্ষেমক	৪৮	১১	২১

ৰজা ক্ষেমকৰ প্ৰধান মন্ত্ৰী বিশ্ৰবাই ক্ষেমকক হত্যা কৰি সিংহাসন অধিকাৰ কৰে। তেওঁৰ বংশৰ ১৪ পুৰুষে ৫০০ বছৰ ৩ মাহ ১৭ দিন ৰাজত্ব কৰে। তেওঁলোকৰ বিৱৰণ :—

ৰজা	বছৰ	মাহ	দিন
১। বিশ্ৰবা	১৭	৩	২৯
২। পুৰসেনী	৪২	৮	২১
৩। বীৰসেনী	৫২	১০	৭
৪। অনঙ্গশায়ী	৪৭	৮	২৩
৫। হৰিজিৎ	৩৫	৯	১৭
৬। পৰমসেনী	৪৪	২	২৩
৭। সুখপাতাল	৩০	২	২১
৮। কদ্ৰুত	৪২	৯	২৪
৯। সজ্জ	৩২	২	১৪
১০। অমৰচুড়	২৭	৩	১৬
১১। অমীপাল	২২	১১	২৫

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

	ৰজা	বছৰ	মাহ	দিন
১২।	দশৰথ	২৫	৪	১২
১৩।	বীৰসাল	৩১	৮	১১
১৪।	বীৰসাল সেন	৪৭	০	১৪

ৰজা বীৰসাল সেনৰ প্ৰধান মন্ত্ৰী বীৰ মহা প্ৰধানে তেওঁক হত্যা কৰি ৰাজ্যাধিকাৰ কৰে। তেওঁৰ বংশত ১৬ পুৰুষে ৪৪৫ বছৰ ৫ মাহ ৩ দিন ৰাজত্ব কৰে। তেওঁলোকৰ বিৱৰণ :—

	ৰজা	বছৰ	মাহ	দিন
১।	বীৰমহা	৩৫	১০	৮
২।	অজিত সিং	২৭	৭	১৯
৩।	সৰ্ব্বদত্ত	২৮	৩	১০
৪।	ভুবন পতি	১৫	৪	১০
৫।	বীৰ সেন	২১	২	১৩
৬।	মহীপাল	৪০	৮	৭
৭।	শত্ৰুপাল	২৬	৪	৩
৮।	সঙ্ঘৰাজ	১৭	২	১০
৯।	তেজ পাল	২৮	১১	১০
১০।	মাণিক চন্দ	৩৭	৭	২১
১১।	কাম সেনী	৪২	৫	১০
১২।	শত্ৰুমৰ্দ্দন	৮	১১	১৩
১৩।	জীৱন লোক	২৮	৯	১৭
১৪।	হৰিৰাও	২৬	১০	২৯
১৫।	বীৰ সেন (২য়)	৩৫	২	২০
১৬।	আদিত্য কেতু	২৩	১১	১৩

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰয়াগৰ ৰজা ধন্ধৰে মগধৰ ৰজা আদিত্যকেতুক হত্যা কৰি ৰাজ্যাধিকাৰ কৰে। তেওঁৰ বংশত ৯ পুৰুষে ৩৭৪ বছৰ ১১ মাহ ২৬ দিন ৰাজত্ব কৰে। তেওঁলোকৰ বিৱৰণ যথাঃ—

ৰজা	বছৰ	মাহ	দিন
১। ধন্ধৰ	৪২	৭	২৪
২। মহৰ্ষি	৪১	২	২৯
৩। সনৰচচী	৫০	১০	১৯
৪। মহাযুদ্ধ	৩০	৩	৮
৫। তুৰনাথ	২৮	৫	২৫
৬। জীৱনৰাজ	৪৫	২	৫
৭। ৰুদ্ৰসেন	৪৭	৪	২৮
৮। আৰীলক	৫২	১০	৮
৯। ৰাজপাল	৩৬	০	০

সামন্ত মহান পালে ৰজা ৰাজপালক হত্যা কৰে। তেওঁ ১৪ বছৰ ৰাজত্ব কৰে। তেওঁতেই ৰাজবংশ শেষ।

ৰজা বিক্ৰমাদিত্যই অৱন্তিকাৰ (উজ্জয়নী) পৰা যুদ্ধত ৰজা মহান পালক নিহত কৰি ৰাজ্যাধিকাৰ কৰে। তেওঁ ৯৩ বছৰ ৰাজত্ব কৰে। তেওঁৰ পাছত তেওঁৰ বংশত ৰজা নহল।

শালিবাহনৰ মন্ত্ৰী পৈঠনক যোগী সমুদ্ৰপালে বিক্ৰমাদিত্যক হত্যা কৰি ৰাজ্যাধিকাৰ কৰে। তেওঁৰ বংশত ১৬ পুৰুষে ৩৭২ বছৰ ৪ মাহ ২৭ দিন ৰাজত্ব কৰে। তেওঁলোকৰ বিৱৰণ যেনে ঃ—

ৰজা	বছৰ	মাহ	দিন
১। সমুদ্ৰ পাল	৫৪	২	২০

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰজা	বছৰ	মাহ	দিন
২। চন্দ্ৰপাল	৩৬	৫	৪
৩। সাহায় পাল	১১	৪	১১
৪। দেৱপাল	২৭	১	২৮
৫। নৰসিংহ পাল	১৮	০	২০
৬। সাম পাল	২৭	১	১৭
৭। ৰঘুপাল	২২	৩	২৫
৮। গোবিন্দপাল	২৭	১	১৭
৯। অমৃত পাল	৩৬	১০	১৩
১০। বলীপাল	১২	৫	২৭
১১। মহীপাল	১৩	৮	৪
১২। হৰীপাল	১৪	৮	৪
১৩। সীমপাল	১১	১০	১৩
১৪। মদন পাল	১৭	১০	১৯
১৫। কৰ্ম্ম পাল	১৬	২	২
১৬। বিক্ৰম পাল	২৪	১১	১৩

ৰজা বিক্ৰম পালে পশ্চিমাঞ্চলৰ ৰজা মলুখচন্দ বোহৰাক আক্ৰমণ কৰি মুখমুখিকৈ যুদ্ধ কৰে। সেই যুদ্ধত মলুখচন্দে বিক্ৰম পালক নিহত কৰি ইন্দ্ৰপ্ৰস্থৰ সিংহাসন অধিকাৰ কৰে। এই বংশত ১০ পুৰুষে ১৯১ বছৰ ১ মাহ ১৬ দিন ৰাজত্ব কৰে। তেওঁলোকৰ বিৰৰণ যথা :—

ৰজা	বছৰ	মাহ	দিন
১। মলুখচন্দ	৫৪	২	০
২। বিক্ৰমচন্দ	১২	৭	১২
৩। অনীনচন্দ +	১০	০	৫

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰজা	বছৰ	মাহ	দিন
৪। ৰামচন্দ্ৰ	১৩	১১	৮
৫। হৰীচন্দ	১৪	৯	২৪
৬। কল্যাণ চন্দ	১০	৫	৪
৭। ভীমচন্দ	১৬	২	৯
৮। লোবচন্দ	২৬	৩	২২
৯। গোবিন্দচন্দ	৩১	৭	১২
১০। ৰাণী পদ্মাৱতী *	১	০	০

ৰাণী পদ্মাৱতীৰ নিঃসন্তানা অৱস্থাতেই পৰলোক হয়। তেওঁৰ মন্ত্ৰীসকলৰ সৰ্ব্বসন্মতি ক্ৰমে হৰিপ্ৰেম বৈৰাগীক সিংহাসনত বহুৱাই ৰাজত্ব কৰে। এই বংশত ৪ পুৰুষে ৫০ বছৰ ২১ দিন ৰাজত্ব কৰে। তেওঁলোকৰ নাম যথা :—

ৰজা	বছৰ	মাহ	দিন
১। হৰিপ্ৰেম	৭	৫	১৬
২। গোবিন্দপ্ৰেম	২০	২	৮
৩। গোপাল প্ৰেম	১	৭	২৮
৪। মহাবাহু	৬	৮	২৯

ৰজা মহাবাহুৱে ৰাজ্য ত্যাগ কৰি বনবাসী হৈ তপস্যা কৰিবলৈ গল। সেই সম্বাদ পাই বঙ্গদেশৰ ৰজা আধীসেনে ইন্দ্ৰ প্ৰস্থলৈ গৈ নিজে ৰাজত্ব কৰিবলৈ আৰম্ভ কৰে। তেওঁৰ বংশত ১২ পুৰুষে ১৫১ বছৰ ১১ মাহ ২ দিন ৰাজত্ব কৰে। তেওঁলোকৰ বিৱৰণ যথা :—

÷ কোনো ইতিহাস ভীমপাল বুলি লিখা আছে—

+ কোনো কোনো গ্ৰন্থত মানকচন্দ বুলি আছে।

* পদ্মাৱতী গোবিন্দচন্দৰ ৰাণী আছিল।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

	ৰজা	বছৰ	মাহ	দিন
১।	আধী সেন	১৮	৫	২১
২।	বিলাবল সেন	১২	৪	২
৩।	কেশৰ সেন	১৫	৭	১২
৪।	মাধ সেন	১২	৪	২
৫।	ময়ুৰ সেন	২০	১১	২৭
৬।	ভীম সেন	৫	১০	৯
৭।	কল্যাণ সেন	৪	৮	২১
৮।	হৰীসেন	২	০	২৫
৯।	ক্ষেমসেন	৮	১১	১৫
১০।	নাৰায়ণ সেন	২	২	২৯
১১।	লক্ষ্মী সেন	২৬	১০	০
১২।	দামোদৰ সেন	১১	৫	১৯

দামোদৰ সেনে তেওঁৰ পাত্ৰ মন্ত্ৰী বৰ্গক উৎপীড়ন কৰিছিল, ফলত দীপসিং নামৰ এজন মন্ত্ৰীয়ে সৈন্য সংগ্ৰহ কৰি যুদ্ধ কৰে। যুদ্ধত দামোদৰ সেনক নিহত কৰি স্বয়ং ৰাজত্ব কৰে। তেওঁৰ বংশত ৬ পুৰুষে ১০৭ বছৰ ৬ মাহ ১২ দিন ৰাজত্ব কৰে। তেওঁলোকৰ বিৱৰণ যথা:—

	ৰজা	বছৰ	মাহ	দিন
১।	দীপক সিংহ	১৭	১	২৬
২।	ৰাজ সিংহ	১৪	৫	০
৩।	ৰণসিংহ	৯	৮	১১
৪।	নৰসিংহ	৪৫	০	১৫
৫।	হৰিসিংহ	১৩	২	২৯
৬।	জীৱন সিংহ	৮	০	১

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কোনো কাৰণত ৰজা জীৱন সিংহে তেওঁৰ সৈন্য উত্তৰ ফালে পঠিওৱাত বৈৰাতৰ ৰজা পৃথিৰাজ চৌহানে সম্বাদ পাই জীৱন সিংহক আক্ৰমণ আৰু যুদ্ধত নিহত কৰি ইন্দ্ৰপ্ৰস্থ অধিকাৰ কৰি ৰাজত্ব কৰিবলৈ আৰম্ভ কৰে।

* তেওঁৰ বংশত ৫ পুৰুষে ৮৬ বছৰ ২০ দিন ৰাজত্ব কৰে। তেওঁলোকৰ বিৱৰণ যথা :—

ৰজা	বছৰ	মাহ	দিন
১। পৃথিৰাজ	১২	২	১৯
২। অভয় পাল	১৪	৫	১৭
৩। দুৰ্জ্জন পাল	১১	৪	১৪
৪। উদয় পাল	১১	৭	৩
৫। যশ পাল	৩৬	৪	২৭

গজনীৰ চুলতান ছাহাবুদ্দিন ঘোৰীয়ে ৰজা যশপালক আক্ৰমণ কৰি আৰু ১২৪৯ সংবতত তেওঁক প্ৰয়াগৰ দুৰ্গত বন্দী কৰি ইন্দ্ৰপ্ৰস্থত (দিল্লীত) ৰাজত্ব কৰিবলৈ আৰম্ভ কৰে। তেওঁলোকৰ বংশত ৫৩ পুৰুষে ৭৫৪ বছৰ ১ মাহ ১৭ দিন ৰাজত্ব কৰে। তেওঁলোকৰ বিষয়ে ইতিহাসত অনেকে লিখিছে।

ইয়াৰ পাছত বৌদ্ধ আৰু জৈন মতৰ বিষয়ে আলোচনা হব।

ইতি শ্ৰীমদ্দয়ানন্দসৰস্বতী স্বামীনিৰ্ম্মিতে সত্যাৰ্থপ্ৰকাশে সুভাষাবিভূষিতে আৰ্য্যাবৰ্ত্তীয়মতখণ্ডনমণ্ডন বিষয় একাদশঃ সমুল্লাসঃ সম্পূৰ্ণঃ।

---

* অন্যান্য ইতিহাসত আছে ছাহাবুদ্দিন ঘোৰীয়ে অনেকবাৰ ভাৰত আক্ৰমণ কৰিও পৰাজিত হয়। শেষত ১২৪৯ সংবতত পৃথিৰাজক ছাহাবুদ্দিনে পৰাজিত কৰে আৰু অন্ধ কৰি স্বদেশলৈ লৈ যায়। তাৰ পাছত ছাহাবুদ্দিনে ইন্দ্ৰপ্ৰস্থত ৰাজত্ব কৰে। মুছলমানৰ ৰাজত্ব কাল ৪৫ পুৰুষৰ ৬৯৩ বছৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অনুভূমিকা (২)

আৰ্য্যাবৰ্ত্তবাসী সকলৰ মাজত সত্য অসত্য নিৰ্ণয়ৰ সাধন স্বৰূপ বেদবিদ্যাৰ পৰিবৰ্ত্তে অবিদ্যাৰ বিস্তাৰ হোৱা বাবে নানা মত মতান্তৰৰ উৎপত্তি হয়। ফলত জৈন আদি বিদ্যাবিৰুদ্ধ মতবোৰ প্ৰচাৰ হবলৈ ধৰে। ৰামায়ণ আৰু মহাভাৰত আদি গ্ৰন্থত জৈনৰ নাম মাত্ৰও উল্লেখ নাই, কিন্তু জৈন গ্ৰন্থবোৰত ৰামায়ণ আৰু মহাভাৰতৰ ৰাম, কৃষ্ণ আদিৰ কাহিনীবোৰ বিস্তৃত ৰূপে লিখিত আছে। ইয়াৰ পৰা এইটোৰেই প্ৰমাণিত হয় যে, জৈন মত মহাভাৰত ৰচনা হৈ যোৱাৰ পাছত প্ৰৱৰ্ত্তিত হৈছে। জৈনসকলে কোৱা মতে তেওঁলোকৰ মত অতি প্ৰাচীন হোৱা হলে ৰামায়ণ আদি গ্ৰন্থত নিশ্চয় তাৰ উল্লেখ থাকিলহেঁতেন।

কোনোৱে যদি কয় যে, জৈন গ্ৰন্থৰ আখ্যানবোৰৰ আধাৰত ৰামায়ণ আদি গ্ৰন্থ ৰচিত হৈছে, তেতিয়া তেওঁক সুধিব লাগে যে-ৰামায়ণ আদিত সেই জৈন গ্ৰন্থবোৰৰ উল্লেখ নাই কিয়? আৰু জৈন গ্ৰন্থবোৰত ৰামায়ণ আদিৰ উল্লেখ কৰাৰ কাৰণ কি? পুত্ৰই পিতাকৰ জন্ম দৰ্শন কৰিব পাৰে নেকি? কেতিয়াও নোৱাৰে। গতিকে এয়েই সিদ্ধি হয় যে জৈন 'বৌদ্ধ মত' শৈৱ, শাক্ত আদি মতবো পাছত হে প্ৰচলিত হয়।

এতিয়া এই দ্বাদশ সমুল্লাসত জৈন মতৰ বিষয়ে যিবোৰ লিখা হৈছে সেইবোৰৰ প্ৰমাণ ৰূপে জৈন গ্ৰন্থৰ পৰা উদ্ধৃতি দিয়া হৈছে। গতিকে জৈন ভ্ৰাতৃসকলে বেয়া পোৱা অনুচিত; কাৰণ তেওঁলোকৰ প্ৰতি আমাৰ লেশমাত্ৰও বিদ্বেষ ভাৱ নাই, কেৱল সত্য-অসত্যৰ যুক্তিৰেহে আলোচনা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰিছো। আমাৰ আলোচনা পঢ়িলে জৈন, বৌদ্ধ আৰু অন্যান্য সকলো সম্প্ৰদায়েই সত্য অসত্যৰ বিবেচনা কৰিবলৈ বা প্ৰতিবাদ কৰিবলৈকো সুযোগ পাব আৰু তাৰ পৰা সকলোৰে বাস্তৱ অনুভূতি হব পাৰে। যেতিয়ালৈকে বাদী প্ৰতিবাদী দুয়ো পক্ষই পৰস্পৰে প্ৰেম প্ৰীতিৰে যুক্তি তৰ্ক প্ৰদৰ্শন কৰি মৌলিক বা লিখিতভাৱে আলোচনা নকৰে, তেতিয়ালৈকে সত্য-অসত্যৰ নিৰ্ণয় হব নোৱাৰে। সমাজৰ জ্ঞানীসকলে মিলা প্ৰীতিৰে সত্যাসত্যৰ নিৰ্ণয় কৰি সৎপথ প্ৰদৰ্শন কৰিব নোৱাৰিলে জনসাধাৰণে অজ্ঞতা বশতঃ অশেষ কষ্টভোগ কৰে। গতিকে প্ৰেম প্ৰীতিৰে সকলোৱে সত্যৰ জয় আৰু অসত্যৰ ক্ষয় সাধন কৰা পৰম কৰ্ত্তব্য। ইয়াকে নকৰিলে মানৱ সমাজৰ উন্নতি সম্ভৱপৰ নহয়।

বৌদ্ধ আৰু জৈন মতৰ বিষয়ে যিবোৰ আলোচনা কৰা হৈছে, সেইবোৰ বৌদ্ধ আৰু জৈনৰ বাহিৰেও অন্যান্য মতাৱলম্বীৰ পক্ষেও লাভদায়ক হব পাৰে, কাৰণ জৈনসকলে তেওঁলোকৰ গ্ৰন্থবোৰ অন্য মতাৱলম্বীক চাবলৈ, পঢ়িবলৈ বা লিখি লবলৈও নিদিয়ে। বোম্বাইৰ আৰ্য্য সমাজৰ মন্ত্ৰী শেঠ সেৱকলাল কৃষ্ণদাস আৰু আমাৰ অনেক চেষ্টাত কিছুমান জৈনগ্ৰন্থ আমাৰ হাতত পৰিছে। এই গ্ৰন্থবোৰৰ কাশীস্থ "জৈন প্ৰভাকৰ" যন্ত্ৰালয়ত মুদ্ৰণ হৈছে আৰু বোম্বাইত "প্ৰকৰণ ৰত্নাকৰ" নামৰ গ্ৰন্থখন মুদ্ৰিত হোৱাতো সকলোৱে জৈন মতৰ বিষয়ে জনাটো সম্ভৱ হৈছে।

নিজৰ সম্প্ৰদায়ৰ পুথি আনক চাবলৈ নিদিয়াটো কেনেকুৱা পণ্ডিতৰ কথা! ইয়াৰ পৰা এনে অনুমান হয় যে, এই গ্ৰন্থবোৰৰ লিখক আগৰ পৰাই সংশয়াত্মক হৈ আছে, জানোচা এই গ্ৰন্থবোৰত লিখিত অসম্ভৱ কথাবোৰ আন সম্প্ৰদায়ৰ মানুহে শুনি নিন্দা প্ৰতিবাদ কৰে আৰু নিজৰ মতানুযায়ী সকলেও অন্যান্য মতৰ গ্ৰন্থ পঢ়ি হয়তো সিবিলাকৰ প্ৰতি শ্ৰদ্ধাহীন হয়। যিকিহওক, এনেকুৱা অনেক মানুহ আছে যি নিজৰ দোষ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নেদেখে, কিন্তু পৰৰ দোষ দেখাত পাকৈত। তেনে লোকক ন্যায়পৰায়ণ বোলা নেযায়। আগতে নিজৰ দোষ সংশোধন কৰিহে আনৰো দোষ সংশোধন কৰা কৰ্ত্তব্য। এই সমুল্লাসত বৌদ্ধ আৰু জৈন মতৰ আলোচনা সদাশয় পাঠকসকলৰ বিবেচনাৰ কাৰণে আগবঢ়ালো। তেওঁলোকে নিজেই তাৰ বিবেচনা কৰিব পাৰিব।

কিমধিক লেখেন বুদ্ধিমদ্বৰ্য্যেষু ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অথ দ্বাদশ সমুল্লাসাৰম্ভঃ

অথ নাস্তিকমতান্তৰ্গতচাৰ্বাকবৌদ্ধজৈনমত খণ্ডনমণ্ডনবিষয়ান্ ব্যাখ্যাস্যামঃ ?

কোনোবা যুগত বৃহস্পতি নামৰ এজন মানুহ আছিল, যি বেদ, ঈশ্বৰ, যজ্ঞ আদি উত্তম কৰ্ম্মবোৰ নামানিছিল। তেওঁৰ মত শুনক :—

যাবজ্জীবং সুখং জীবেন্নাস্তি মৃত্যোৰগোচৰঃ।
ভস্মীভূতস্য দেহস্য পুনৰাগমনং কুতঃ।।

মনুষ্য আদি কোনো প্ৰাণীয়েই মৃত্যুৰ অগোচৰ নহয়, অৰ্থাৎ সকলোৰেই এদিন মৰিবই লাগিব। গতিকে যিমান দিনলৈ দেহত জীৱ থাকে সিমান দিনলৈ সুখেৰে থকা কৰ্ত্তব্য। যদি কোনোৱে কয়—যে ধৰ্ম্ম আচৰণ কৰিলে কষ্ট হয় আৰু নকৰিলেও পৰজন্মত বহুত দুখ ভুগিব লাগে। তাৰ উত্তৰো চাৰ্বাকে দিছে—"অবোধ মানুহ! মৰাৰ পাছত দেহ ভস্ম হৈ যায়, যি যত খাইছিল সি আকৌ সংসাৰলৈ ঘূৰি নাহে। যি কোনো উপায়েৰে আনন্দত দিন কটোৱা, সংসাৰৰ ৰীতি অনুসাৰে চলা, ঐশ্বৰ্য্য বৃদ্ধি কৰা, যিমান পাৰা ভোগ কৰা। ইহলোকৰ বাহিৰে পৰলোক বুলি একো নাই। দেখক! পৃথিবী, জল, অগ্নি আৰু বায়ু এই চাৰি বস্তুৰ পৰিণামতেই দেহৰ নিৰ্ম্মাণ হৈছে। আৰু তাত এইবোৰৰ সংযোগতেই চৈতন্যৰ উৎপত্তি হয়। যেনেকৈ মাদক বস্তু খালে মাদকতা (নিছা) উৎপন্ন হয়, সেইদৰেই জীৱ শৰীৰৰ লগত উৎপন্ন হৈ শৰীৰৰ নাশৰ লগত তাৰ বিনাশ হৈ যায়। তেন্তে কাৰ পাপ বা পুণ্য হ'ব?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তচ্চৈতন্যবিশিষ্টদেহ এব আত্মা, দেহাতিৰিক্ত আত্মনি প্ৰমাণাভাবাৎ ॥

চাৰি ভূতৰ সংযোগত এই দেহত আত্মাৰ উৎপত্তি হয় আৰু এইবোৰৰ বিয়োগ হলে আত্মাৰো বিনাশ হয়। কাৰণ মৃত্যুৰ পাছত জীৱ ৰূপে একো প্ৰত্যক্ষ নহয়। আমি কেৱল প্ৰত্যক্ষকহে প্ৰমাণৰূপে মানোঁ; কাৰণ, আগতে প্ৰত্যক্ষ নহলে অনুমানাদি হবই নোৱাৰে। মুখ্য প্ৰমাণ প্ৰত্যক্ষ নহলে অনুমান আদি গৌণ, গতিকে তাক প্ৰমাণ ৰূপে মানিব নোৱাৰি। সুন্দৰী স্ত্ৰীক আলিঙ্গন কৰিলে হোৱা সুখ পুৰুষাৰ্থৰ ফল।

উত্তৰ—পৃথিবী আদি ভূত জড়। জড়ৰ পৰা কেতিয়াও চৈতন্যৰ উৎপত্তি হব নোৱাৰে। এভিয়া যেনেকৈ মাতা-পিতাৰ সংযোগত দেহৰ সৃষ্টি হয়, সেইদৰে সৃষ্টিৰ আদিতে মনুষ্য আদি দেহৰ আকৃতিৰ নিৰ্ম্মাণ কৰ্ত্তা ঈশ্বৰৰ বাহিৰে আন একো হব নোৱাৰে। (অৰ্থাৎ ঈশ্বৰে নকৰিলে হব নোৱাৰে) মদৰ মাদকতাৰ দৰে চেতনৰ উৎপত্তি আৰু তাৰ বিনাশ নহয়, কাৰণ মদৰ নিছা চেতনৰহে হয় জড়ৰ নহয়। পদাৰ্থ নষ্ট হোৱা মানে অদৃশ্যহে হয়; অভাৱ নহয়। দেহৰ লগত সংযোগ হলে জীৱৰ প্ৰত্যক্ষ হয়। জীৱই দেহত্যাগ কৰিলে অৰ্থাৎ মৃত্যু হলে দেহৰ চৈতন্য নেথাকে, তেতিয়া জড়। এই কথাকেই বৃহদাৰণ্যকত কৈছে :—

নাহং মোহং ব্ৰবীমি অনুচ্ছিত্তিধৰ্ম্মায়মাত্মেতি ॥

যাজ্ঞবল্ক্যই মৈত্ৰেয়ীক কৈছে—"হে মৈত্ৰেয়ি! মই মোহত কথা কোৱা নাই; আচলতে আত্মা অবিনাশী। আত্মাৰ যোগ হলেহে শৰীৰে চেষ্টা কৰে, যেতিয়া দেহৰ পৰা জীৱৰ বিয়োগ হয়—তেতিয়া শৰীৰৰ একো জ্ঞান নেথাকে। দেহতকৈ ভিন্ন আত্মা যদি নাই, তেন্তে কাৰ সংযোগত চৈতন্য আৰু কাৰ বিয়োগত দেহৰ জড়তা হয়। গতিকে চেতন আত্মা দেহতকৈ পৃথক। যেনেকৈ চকুৱে সকলোকে দেখে, কিন্তু নিজক

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দেখে, সেইদৰে যি প্ৰত্যক্ষ কৰে, সি নিজে ইন্দ্ৰিয়ৰ দ্বাৰা প্ৰত্যক্ষ হয়। যেনেকৈ নিজৰ চকুৰে ঘট পট আদি বস্তু দেখে—সেইদৰে চকুক নিজৰ জ্ঞানেৰে দেখে। দ্ৰষ্টা কেতিয়াও দৃশ্য হব নোৱাৰে। যেনেকৈ আধাৰ বিনা আধেয়, কাৰণ বিনা কাৰ্য্য, অবয়বী বিনা অবয়ব আৰু কৰ্ত্তা বিনা কৰ্ম্ম থাকিব নোৱাৰে, সেইদৰে কৰ্ত্তা বিনা প্ৰত্যক্ষ কেনেকৈ হব ? পুৰুষ স্ত্ৰীৰ লগত সমাগম পুৰুষাৰ্থৰ ফল হলে, ক্ষণিক সুখ আৰু তাৰ পৰা হোৱা যি দুখ, সিও পুৰুষাৰ্থৰেই ফল হব। তেনে যদি হয়, স্বৰ্গ সুখৰ শেষ হলে দুখ ভোগ কৰিব লাগিব। যদি কয় যে, দুখ দূৰ কৰিবলৈ আৰু সুখৰ বৃদ্ধি কৰিবলৈ যত্ন কৰিব লাগে, তেতিয়া মুক্তি সুখৰ হানি হয়, গতিকে সেইবোৰ পুৰুষাৰ্থৰ ফল নহয়।

চাৰ্বাক—যিসকলে দুখ যুক্ত সুখ পৰিত্যাগ কৰে, তেওঁলোক মূৰ্খ। যেনেকৈ মানুহে পতান মিহলি ধান জাৰি-বাছি পতান পেলাই দি ধান খায়, সেইদৰে বুদ্ধিমান মানুহে সুখ ভোগ আৰু দুখ বৰ্জ্জন কৰিব লাগে। যিসকলে ইহলোকৰ উপস্থিত সুখ পৰিত্যাগ কৰি অনাগত স্বৰ্গসুখৰ আশাত ধূৰ্ত্তৰ কথিত বেদোক্ত অগ্নিহোত্ৰ আদি কৰ্ম্ম, উপাসনা আৰু জ্ঞানকাণ্ডৰ অনুষ্ঠান কৰে—তেওঁলোক অজ্ঞানী। পৰলোকেই যেতিয়া নাই, তাৰ চিন্তা কৰা মূৰ্খতা। কাৰণ :—

অগ্নিহোত্ৰং ত্ৰয়ো বেদাস্ত্ৰিদণ্ডং ভস্মগুণ্ঠনম্।
বুদ্ধিপৌৰুষহীনানাং জীৱিকেতি বৃহস্পতিঃ ॥

চাৰ্বাক মতৰ প্ৰচাৰক বৃহস্পতিয়ে কৈছে যে, বুদ্ধিহীন আৰু পুৰুষাৰ্থহীন মানুহে অগ্নিহোত্ৰ, ত্ৰিবেদ, ত্ৰিদণ্ড আৰু ভস্ম ঘঁহা আদি কাৰ্য্য জীৱিকা আৰ্জ্জনৰ কৌশল কৰি লৈছে। আচলতে কাঁইটে বিন্ধা আদিৰ পৰা যি দুখ উৎপন্ন হয় তাকেই বোলে নৰক; প্ৰসিদ্ধ ৰজাই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পৰমেশ্বৰ আৰু দেহৰ নাশ হোৱাই মোক্ষ। ইয়াৰ বাহিৰে মোক্ষ বুলি একো নাই।

উত্তৰ—বিষয়ৰ সুখেই পুৰুষাৰ্থৰ ফল আৰু বিষয়ৰ দুখ নিবৃত্তি কৰাই কৃতকাৰ্য্যতা বা স্বৰ্গসুখ বুলি ভবাটো মূৰ্খতা। অগ্নিহোত্ৰ আদি যজ্ঞৰ পৰা বায়ু, বৃষ্টি আৰু জল বিশুদ্ধ হয়; তাৰ পৰা আৰোগ্য, ধৰ্ম্ম, অৰ্থ, কাম আৰু মোক্ষ লাভ হয়। ইয়াকেই নাজানি, বেদ, ঈশ্বৰ, আৰু বেদোক্ত কৰ্ম্মৰ নিন্দা কৰা ধূৰ্ত্তৰহে কাম। ত্ৰিদণ্ড আৰু ভস্মধাৰণৰ নিন্দা অৱশ্যে যুক্তি সঙ্গত। কাঁইটে বিন্ধা বিষৰ পৰা হোৱা দুখ নৰক হলে, তাতোকৈ দুৰ্ঘোৰ ব্যাধিবোৰ নৰক নহব কেলেই? ঐশ্বৰ্য্যশালী আৰু প্ৰজা পালনৰ সমৰ্থ ৰজাক শ্ৰেষ্ঠ বুলি মানা কৰা সঙ্গত কিন্তু পাপী, অন্যায়কাৰী ৰজাক পৰমেশ্বৰ জ্ঞান কৰাতকৈ অধিক মূৰ্খতা আৰু কি হব পাৰে? শৰীৰৰ বিচ্ছেদ হোৱাই মোক্ষ হলে গাধ, কুকুৰ আদিৰ লগত তোমাৰ প্ৰভেদ কি থাকিব? কেৱল আকৃতিহে ভিন্ন।

চাৰ্বাক—অগ্নিৰুষ্ণো জলং শীতং, সম স্পৰ্শস্তথাঽনিলঃ।
কেনেদং চিত্ৰিতং তস্মাৎ স্বভাবাত্তদ্‌ব্যৱস্থিতিঃ॥ ১॥
ন স্বৰ্গো নাঽপবৰ্গো বা নৈবাত্মা পাৰলৌকিকঃ।
নৈব বৰ্ণাশ্ৰমাদীনাং ক্ৰিয়াশ্চ ফলদায়িকাঃ॥ ২॥
পশুশ্চেন্নিহতঃ স্বৰ্গং জ্যোতিষ্টোমে গমিষ্যতি।
স্বপিতা যজমানেন তত্ৰ কস্মান্ন হিংস্যতে। ৩।
মৃতানামপি জন্তূনাং শ্ৰাদ্ধং চেত্তৃপ্তিকাৰণম্।
গচ্ছতামিহ জন্তূনাং ব্যৰ্থং পাথেয়কল্পনম্॥ ৪।
স্বৰ্গস্থিতা যদা তৃপ্তিং গচ্ছেয়ুস্তত্ৰ দানতঃ
প্ৰাসাদস্যোপৰিস্থানামত্ৰ কস্মান্ন দীয়তে॥ ৫॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যাবজ্জীবেৎ সুখং জীবেদৃণং কৃত্বা ঘৃতং পিবেৎ।
ভস্মীভূতস্য দেহস্য পুনৰাগমনং কুতঃ ॥ ৬ ॥
যদি গচ্ছেৎ পৰং লোকং দেহাদেব বিনির্গতঃ।
কস্মাদ্ভূয়ো ন চায়াতি বন্ধুস্নেহসমাকুলঃ ॥ ৭ ॥
ততশ্চ জীৱনোপায়ো ব্ৰাহ্মণৈৰ্বিহিতস্ত্বিহ।
মৃতানাং প্ৰেতকাৰ্য্যাণি ন ত্বন্যদ্ বিদ্যতে কচিৎ ॥ ৮ ॥
ত্ৰয়ো বেদস্য কৰ্ত্তাৰো ভণ্ডধূৰ্ত্তনিশাচৰাঃ।
জৰ্ফৰীতুৰ্ফৰীত্যাদি পণ্ডিতানাং বচঃ স্মৃতম্ ॥ ৯ ॥
অশ্বস্যাত্ৰ হি শিশ্নস্তু পত্নীগ্ৰাহ্যং প্ৰকীৰ্ত্তিতম্।
ভণ্ডৈস্তদ্বৎ পৰঞ্চৈব গ্ৰাহ্যজাতং প্ৰকীৰ্ত্তিতম্ ॥১০॥
মাংসানাং খাদনং তদ্বন্নিশাচৰসমীৰিতম্ ॥ ১১ ॥

চাৰ্বাক, আভাণক, বৌদ্ধ আৰু জৈনৰ মতে জগতৰ উৎপত্তি স্বাভাৱিক। যিবোৰ স্বাভাৱিক গুণ আছে, সেইবোৰৰ লগত দ্ৰব্যৰ সংযোগ হৈ সকলো বস্তুৰ সৃষ্টি হয়। জগতৰ সৃষ্টি কৰ্ত্তা কোনো নাই ॥১॥

উক্ত চাৰিও পন্থৰ ভিতৰত বৌদ্ধ আৰু জৈনে কিন্তু পৰলোক আৰু জীৱাত্মাৰ অস্তিত্ব স্বীকাৰ কৰে। চাৰ্বাকৰ বাহিৰে বাকী তিনিও পন্থৰ, দুই এটা বিষয় বাদে প্ৰায় একে মত। চাৰ্বাকৰ মতে স্বৰ্গ, নৰক আৰু পৰলোক গামী আত্মা নাই আৰু বৰ্ণাশ্ৰমৰ ক্ৰিয়াও ফলদায়ক নহয় ॥২॥ যদি পশু বধ কৰি যজ্ঞ কৰিলে সেই পশু স্বৰ্গলৈ যায়, তেন্তে যজমানে নিজৰ পিতাকক বধ কৰি তাৰে হোম কৰি স্বৰ্গলৈ নপঠায় কিয়? ॥৩॥ শ্ৰাদ্ধ আৰু তৰ্পণ কৰিলেই যদি মৃত জীৱৰ তৃপ্তি হয়, তেনেহলে প্ৰবাসলৈ যোৱা সকলে অন্ন, বস্ত্ৰ আৰু ধন আদি কঢ়িয়াই নিব লাগে কিয়? মৃতকৰ নামত বস্তু অৰ্পণ কৰিলে যদি পৰলোকত পাব পাৰে, তেন্তে পৰদেশলৈ যোৱা সকলৰ কাৰণে তেওঁলোকৰ ঘৰৰ আত্মীয় স্বজনেও ঘৰৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পৰাই তেওঁলোকৰ নামত অৰ্পণ কৰিয়েই দেশান্তৰলৈ বয়বস্তু পঠাব পাৰে চোন, যদি পৰদেশলৈ পঠাব নোৱাৰে, তেন্তে স্বৰ্গলৈ কেনেকৈ পঠাব? ॥৪॥ ইয়াত দান কৰিলেই যদি স্বৰ্গবাসী তৃপ্ত হয়, তেনেহলে ওপৰ মহলত থকা মানুহৰ কাৰণে তলৰ মহলৰ পৰা বস্তু দিলে তৃপ্ত নহয় কেলেই? ॥৫॥ গতিকে যিমান দিন জীৱিত থাকে সিমান দিন যিমান পাৰে সুখ ভোগ কৰা উচিত, ধাৰ, ঋণ কৰিও ঘিউ আদি ভাল বস্তু খোৱা উচিত, মৰাৰ পাছত ঋণ দাতা ঋণ লওঁতা কোনো নাথাকে। গতিকে ঋণ পৰিশোধ কৰাৰ প্ৰশ্ন নাই ॥৬॥ মৃত্যুৰ সময়ত জীৱ দেহৰ পৰা ওলাই পৰলোকলৈ যায় বুলি যি সকলে কয়, তেওঁলোকৰ কথা মিছা। মিছা নহয় যদি, মৰাৰ পাছতো ঘৰৰ আত্মীয় স্বজনৰ স্নেহাবদ্ধ জীৱ পৰলোকৰ পৰা পুনঃ ঘূৰি নাহে কিয়? ॥৭॥ সেই দেখি এইবোৰ ব্ৰাহ্মণৰ ৰচিত জীৱিকাৰ উপায়। মৃতকৰ দহা-শ্ৰাদ্ধ আদি প্ৰেত কৰ্ম্মবোৰো তেওঁলোকৰ জীৱিকাৰ উপায়ৰ বাহিৰে অন্য একো নহয় ॥৮॥ বেদৰ ৰচয়িতা তিনিও ভণ্ড, ধূৰ্ত্ত, নিশাচৰ। "জৰ্ফৰী" "তুৰ্ফৰী" ইত্যাদি ধূৰ্ত্ত পণ্ডিতৰ ৰচিত বচন ॥৯॥ যজমানৰ স্ত্ৰীয়ে অশ্বলিঙ্গ স্পৰ্শ কৰিব লাগে, অশ্বৰ লগত যজমানৰ স্ত্ৰীৰ সমাগম কৰাই, যজমানৰ কন্যাৰ লগত ঠাট্টা পৰিহাস কৰে, এনেবোৰ কথা কেৱল ধূৰ্ত্তৰ বাহিৰে আন কোনে লিখিব পাৰে? ॥১০॥ বেদৰ য'ত য'ত মাংস খোৱাৰ কথা লিখা আছে, সেইবোৰ ৰাক্ষসৰ ৰচনা ॥১১॥

উত্তৰ—চেতন পৰমেশ্বৰে নিৰ্ম্মাণ নকৰিলে জড় পদাৰ্থবোৰ স্বাভাৱিক ভাৱে নিয়ম পূৰ্ব্বক মিল হৈ উৎপন্ন হব নোৱাৰে। যদি স্বভাৱতেই হৈছে তেনেহলে দ্বিতীয় সূৰ্য্য, চন্দ্ৰ, পৃথিবী আৰু গ্ৰহ নক্ষত্ৰ লোক স্বয়ং নিৰ্ম্মিত নহয় কিয়? ॥ ১ ॥ সুখ ভোগৰ নাম স্বৰ্গ আৰু দুঃখ-ভোগৰ নাম নৰক। জীৱাত্মা নাথাকিলে সুখ-দুঃখ কোনে ভোগিব? বৰ্ত্তমানৰ দৰেই পৰজন্মতো জীৱ সুখ-দুঃখৰ ভোক্তা। বৰ্ণাশ্ৰমীসকলৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সত্য কথন, পৰোপকাৰ আদি ক্রিয়া কেতিয়াও নিষ্ফল হব নোৱাৰে ।। ২ ।। বেদ আদি সত্য শাস্ত্রত কতো পশুবধ কৰি হোম কৰাৰ কথা লিখা নাই। মৃত্যুৰ পাছত শ্রাদ্ধ তর্পণ কৰাৰ বিধি জীৱিকার্থীৰ পৰিকল্পিত ; কাৰণ এইবোৰ বেদ আদি সত্য শাস্ত্রৰ বিৰুদ্ধ ; এইবোৰ ভাগৱত আদি পুৰাণৰ মত, গতিকে এইবোৰ নিন্দা আৰু প্রতিবাদৰেই যোগ্য। ইয়াত আমাৰ প্রতিবাদ বা খণ্ডন কৰিবলগীয়া একো নাই ।। ৩ । ৪ । ৫ ।। যি বস্তু আছে তাৰ কেতিয়াও অভাৱ হব নোৱাৰে, বিদ্যমান জীৱৰ অভাৱ হব নোৱাৰে, দেহ ভস্ম হলে জীৱই অন্য দেহ লয়। গতিকে যি পৰৰ ঋণ লৈ পৰিশোধ নকৰে, সি পাপী হৈ পৰজন্মত দুখৰূপী নৰক ভোগে, এই বিষয়ে কোনো সন্দেহ নাই ।। ৬ ।। দেহ ত্যাগ কৰিলে জীৱ স্থানান্তৰ বা শৰীৰান্তৰ হয়, পুৰ্ব্বজন্ম আৰু কুটুম্ব আদিৰ জ্ঞান নাথাকে, গতিকে পুনৰ কুটুম্বৰ স্নেহত ঘূৰি আহিব নোৱাৰে ।। ৭ ।। ব্রাহ্মণে যে প্রেত কর্ম্ম নিজৰ জীৱিকাৰ অর্থেহে ৰচনা কৰিছে, এই কথা সত্য আৰু বেদোক্তও নহয় কাৰণে খণ্ডনীয় অর্থাৎ প্রতিবাদৰেই যোগ্য ।।৮।। চার্বাক আদিয়ে বেদ আদি সত্য শাস্ত্র দেখা শুনা আৰু অধ্যয়ন কৰা হলে বেদ ভণ্ড, ধূর্ত্ত আৰু নিশাচৰৰ দ্বাৰাই ৰচিত বুলি কেতিয়াও নিন্দা নকৰিলেহেঁতেন। মহীধৰ আদি বেদৰ ভাষ্যকাৰ সকলহে ভণ্ড ধূর্ত্ত নিশাচৰ। বেদত ধূর্ত্ততা নাই। অতি অনুতাপৰ বিষয় যে চার্বাক আভাণক, বৌদ্ধ আৰু জৈন পন্থীসকলে মুল চাৰিবেদৰ সংহিতাবোৰ দর্শন, শ্রবণ আৰু কোনো বিদ্বানৰ পৰা অধ্যয়ন কৰি পোৱা নাই। তেওঁলোকৰ অজ্ঞতাৰ কাৰণেই আৰু দুষ্ট বামমার্গীবোৰৰ যুক্তি প্রমাণ হীন কল্পিত ভ্রষ্ট ভাষ্যবোৰ পঢ়ি বেদ বিৰোধী হৈ অজ্ঞান সাগৰত পতিত হৈছে ।।৯।

বিবেচনা কৰি চ'ক, তিৰোতাই অশ্বলিঙ্গ স্পর্শ কৰা, অশ্বৰ লগত সমাগম কৰা, যজমানৰ কন্যাৰ লগত হাস্য পৰিহাস কৰা, এনেবোৰ কথা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কেৱল বামমাৰ্গীৰ বাহিৰে আন কাৰো হব নোৱাৰে। এনেবোৰ বেদ বিৰুদ্ধ জঘন্য ভাষ্য মহাপাপী বামমাৰ্গীৰ বাহিৰে আন কোনে কৰিব পাৰে ? চাৰ্বাক আদিৰ প্ৰতি অনুশোচনা হয় যে, তেওঁলোকে কোনো বিবেচনা নকৰাকৈয়ে বেদৰ নিন্দা কৰাত লাগিল আৰু নিজৰ বুদ্ধি বিবেচনা ব্যৱহাৰকে নকৰিলে। সত্য আৰু অসত্যৰ বিবেচনা কৰি সত্যৰ মণ্ডন আৰু অসত্যৰ খণ্ডন কৰিব পৰা তেওঁলোকৰ বিদ্যা নাছিল, ই তেওঁলোকৰ দুৰ্ভাগ্য। বেদত সাংসাহাৰৰ কথা নাই, কেৱল বামমাৰ্গীৰ ব্যাখ্যাতহে আছে। গতিকে বামমাৰ্গীক ৰাক্ষস বোলাই উচিত। বেদৰ মিথ্যা ব্যাখ্যা কৰা আৰু বেদ নপঢ়া নুশুনাকৈ বেদৰ নিন্দা কৰা পাপ। যি সকলে বেদৰ নিন্দা কৰি আহিছে, তেওঁলোকে জ্ঞানৰ পোহৰ দেখা নাই আৰু যেতিয়া-লৈকে বেদৰ পোহৰত নেদেখে তেতিয়ালৈকে সুখৰ পৰিবৰ্ত্তে দুখহে ভুগিব লাগিব। গতিকে মানুহ মাত্ৰই বেদৰ পোহৰত বেদানুকূল আচৰণ কৰাই সমুচিত ॥১১। বামমাৰ্গীবোৰে ছল কল্পনা কৰি বেদৰ নামত নিজ প্ৰয়োজন সিদ্ধ কৰিছে, অৰ্থাৎ মদ, মাংস ভোজন আৰু পৰস্ত্ৰী গমনাদি প্ৰবৰ্ত্তন কল্পনা কৰি বেদৰ ওপৰত কলঙ্ক আৰোপ কৰিছে। এইবোৰ দেখি শুনিয়েই চাৰ্বাক, বৌদ্ধ আৰু জৈনসকলে বেদৰ নিন্দা কৰিবলৈ আৰম্ভ কৰে। তেওঁলোকে বেদবিৰোধী একোটা অনীশ্বৰবাদী অৰ্থাৎ নাস্তিক মতৰ প্ৰচলন কৰে। চাৰ্বাক আদিয়ে মূলবেদৰ অৰ্থ উপলব্ধি কৰা হলে মিছা ভাষ্যবোৰত বিশ্বাস নকৰিলেহেঁতেন আৰু বৈদিক মতো পৰিত্যাগ নকৰিলেহেঁতেন। "বিনাশ কালে বিপৰীত বুদ্ধিঃ" বিনাশৰ সময় উপস্থিত হলে মানুহৰ বুদ্ধি বিপৰীত হয়।

এতিয়া চাৰ্বাক আদিৰ মাজত যিবোৰ ভেদ আছে সেইবোৰৰ আলোচনা কৰা হব। তেওঁলোক অনেক বিষয়ত একে মত। চাৰ্বাকৰ মতে দেহৰ উৎপত্তিৰ লগত জীৱৰ উৎপত্তি আৰু দেহৰ নাশৰ লগত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰা নাশ হয়। তেওঁলোকে পুনৰ্জন্ম আৰু পৰলোক বিশ্বাস নকৰে আৰু ক্ষ প্ৰমাণৰ বাহিৰে অনুমান আদি আন কোনো প্ৰমাণ নেমানে। ক শব্দৰ অৰ্থ "বাক্ চতুৰ, বিশেষকৈ বৈতণ্ডিক অৰ্থ বোধক"। বৌদ্ধ জৈনে প্ৰত্যক্ষ আদি চাৰিও প্ৰমাণ, অনাদি জীৱ, পুনৰ্জন্ম, পৰলোক ক মুক্তিও মানে। চাৰ্বাক আৰু জৈন-বৌদ্ধৰ ভিতৰত ইমানেই পাৰ্থক্য। দিকতা, বেদ ঈশ্বৰৰ নিন্দা, পৰমত দ্বেষ, ছয় যত্ন; (আগত কোৱা ৰ্ম) আৰু জগতৰ কৰ্ত্তা স্বীকাৰ নকৰা ইত্যাদিত সকলো নাস্তিকৰ ৰ মত। চাৰ্বাকৰ মত সংক্ষেপত আলোচনা কৰা হ'ল।

সংক্ষেপত বৌদ্ধ মত

এতিয়া বৌদ্ধ মতৰ বিষয়ে সংক্ষেপত আলোচনা কৰা হৈছে—

কাৰ্য্যকাৰণভাবাদ্বা স্বভাবাদ্বা নিয়ামকাৎ।
অবিনাভাবনিয়মোঽদৰ্শনান্নতু দৰ্শনাৎ ॥

কাৰ্য্যকাৰণভাৱ অৰ্থাৎ কাৰ্য্যৰ দৰ্শনৰ পৰা কাৰণ আৰু কাৰণৰ ৰ পৰা কাৰ্য্য আদিৰ সাক্ষাৎকাৰ প্ৰত্যক্ষৰ শেষত অনুমান হয়। ইয়াৰ য়ে প্ৰাণীৰ সম্পূৰ্ণ ব্যৱহাৰ সম্পাদন হব নোৱাৰে—ইত্যাদি লক্ষণৰ ই অনুমানৰ প্ৰাধান্য স্বীকাৰ কৰাত চাৰ্বাকৰ পৰা বৌদ্ধ এক পৃথক্ া হৈছে।

বৌদ্ধৰ চাৰিটা বিভাগ আছে "মাধ্যমিক, যোগাচাৰ, সৌত্ৰা- ক আৰু বৈভাষিক"। "বুদ্ধ্যা নিৰ্বৰ্ত্ততে স বৌদ্ধঃ"। যি বুদ্ধিৰে হয় অৰ্থাৎ যিবোৰ নিজৰ বুদ্ধিৰ দ্বাৰাই বুজা যায়, সেইবোৰ মানিব আৰু যিবোৰ বুদ্ধিৰ অগম্য সেইবোৰ অমান্য কৰাই বৌদ্ধৰ লক্ষণ। ৰ ভিতৰত "মাধ্যমিক" সৰ্ব্বশূন্যবাদী। তেওঁলোকৰ মতে সকলো

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বস্তু শূন্য অৰ্থাৎ সকলো আদিতে নাছিল আৰু অন্ততো নেথাকে, মাজতে প্ৰতীতি হলে প্ৰতীতি কাল পৰ্য্যন্ত থাকি শেষত শূন্য হৈ যায়। উদাহৰণ-ৰূপে ঘটৰ উৎপত্তিৰ আগত ঘট নাছিল, ঘট ধ্বংস হৈ গলেও ঘট নেথাকে, ঘটজ্ঞানৰ সময়ত ভাসমান হয় আৰু পদাৰ্থান্তৰৰ জ্ঞান হলে ঘটৰ জ্ঞান নেথাকে। গতিকে শূন্যহে এক তত্ত্ব।

যোগাচাৰ—বাহ্যশূন্যবাদী ; অৰ্থাৎ ভিতৰৰ জ্ঞানত পদাৰ্থ ভাসমান হয়, বাহিৰত নহয়। যেনেকৈ আত্মাত ঘটৰ জ্ঞান আছে কাৰণেহে মানুহে "এইটো ঘট" বুলি কয়। ভিতৰত জ্ঞান নহলে কব নোৱাৰে। তেওঁ-লোকে এই যুক্তি মানে।

সৌত্ৰান্তিক—তেওঁলোকৰ মতে বাহিৰত বস্তুৰ অনুমান হয়; কাৰণৰ বাহিৰত কোনো পদাৰ্থ সাঙ্গোপাঙ্গ প্ৰত্যক্ষ নহয়। কেৱল একাংশ প্ৰত্যক্ষ হোৱাত বাকী অংশবোৰ অনুমান হয়।

বৈভাষিকৰ মতে—পদাৰ্থ বাহিৰতহে প্ৰত্যক্ষ হয়, ভিতৰত নহয়। যেনে "অয়ং নীলো ঘটঃ" এই প্ৰতীতিত নীলযুক্ত ঘটাকৃতি বাহিৰৰ প্ৰতীতি।

এক বুদ্ধদেৱেই এওঁলোকৰ গুৰু, তথাপি শিষ্যসকলৰ বুদ্ধি ভেদ হোৱাত চাৰিটা শাখা হয়. যেনেকৈ সূৰ্য্যাস্ত হলে লম্পট মানুহে পৰস্ত্ৰী গমনাদি আৰু বিদ্বানসকলে সৎ আচৰণ কৰে। সময় একেই, ভিন্ন ভিন্ন মানুহৰ ভিন্ন ভিন্ন বুদ্ধিৰে ভিন্ন ভিন্ন চেষ্টা কৰে।

বৌদ্ধৰ এই চাৰি সম্প্ৰদায়ৰ ভিতৰত মাধ্যমিকে সকলো ক্ষণিক বুলি মানে। অৰ্থাৎ ক্ষণে ক্ষণে বুদ্ধিৰ পৰিবৰ্ত্তন হয় গতিকে পূৰ্ব্বক্ষণৰ বস্তুৰ জ্ঞান তাৰ পাছৰ ক্ষণত একে নেথাকে। গতিকে তেওঁলোক ক্ষণিকবাদী।

যোগাচাৰৰ মতে—প্ৰবৃত্তিয়েই সকলো দুঃখৰ মূল। কাৰণ, প্ৰাপ্তিত কোনো সন্তুষ্ট নহয়। এটাৰ বা অলপ প্ৰাপ্তি হলে আৰু অধিক প্ৰাপ্তিৰ কামনা হৈয়েই থাকে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সৌত্ৰান্তিকৰ মতে — সকলো বস্তু নিজৰ নিজৰ লক্ষণেৰে লক্ষিত। যেনেকৈ গৰুৰ লক্ষণেৰে গৰু আৰু ঘোঁৰাৰ লক্ষণেৰে ঘোঁৰাৰ জ্ঞান হয়। এনেদৰে সকলো বস্তুৰ লক্ষণ লক্ষ্যত সদায় বিদ্যমান।

বৈভাষিক — শূন্যবাদী। প্ৰথমতে মাধ্যমিকে সকলো শূন্য বুলি কৈছিল। বৈভাষিকেও শূন্যবাদকেই মানে। বৌদ্ধসকলৰ ভিতৰতো অনেক বাদ বিবাদ (পক্ষ) আছে। এইদৰে চাৰি প্ৰকাৰ ভাবনা মানে।

উত্তৰ - যদি সকলোৱেই শূন্য হয়, শূন্যক জানোতাজন শূন্য হব নোৱাৰে আৰু যদি সকলো শূন্যই হয় তেতিয়া হলে শূন্যক শূন্যই জানিব নোৱাৰে। গতিকে শূন্যৰ জ্ঞাতা আৰু জ্ঞেয় দুটা পদাৰ্থৰ প্ৰমাণ হয়।

যোগাচাৰে যদি বাহিৰত শূন্য মানে তেতিয়া **হলে** পৰ্ব্বত তেওঁলোকৰ ভিতৰত থাকিব লাগিব। যদি পৰ্ব্বত ভিতৰত আছে বুলি কয়, তেনেহলে পৰ্ব্বতৰ সমান খালি স্থান তেওঁলোকৰ হৃদয়ত আছে জানো? গতিকে পৰ্ব্বত বাহিৰত আৰু পৰ্ব্বতৰ জ্ঞান আত্মাত থাকে।

সৌত্ৰান্তিকে কোনো বস্তুকেই প্ৰত্যক্ষ হয় বুলি স্বীকাৰ নকৰে, সেই মতে তেওঁলোক স্বয়ং আৰু তেওঁলোকৰ বাক্যও অনুমানহে হব লাগিব, প্ৰত্যক্ষ হব নোৱাৰে। যদি প্ৰত্যক্ষ নহয় তেনেহলে **"অয়ং ঘটঃ"** এনে প্ৰয়োগো নহে **"অয়ং ঘটৈকদেশঃ"** অৰ্থাৎ এইয়া ঘটৰ একাংশ হোৱা উচিত। কিন্তু একাংশৰ নাম ঘট নহয়, গোটেইটোৰ নাম ঘট। "অয়ং ঘটঃ" এইটো ঘট প্ৰত্যক্ষ, অনুমেয় নহয় কাৰণ সকলো অবয়বত অবয়বী এক। অবয়বী প্ৰত্যক্ষ হলে ঘটৰ সকলো অবয়বো প্ৰত্যক্ষ হয়। অৰ্থাৎ সাবয়ব ঘট প্ৰত্যক্ষ হয়।

বৈভাষিকে বাহিৰৰ পদাৰ্থহে প্ৰত্যক্ষ মানে। সিও যুক্তি সঙ্গত নহয়, কাৰণ, যত জ্ঞাতা আৰু জ্ঞান হয় (যত জ্ঞাতা আৰু জ্ঞান থাকে) সেইই প্ৰত্যক্ষ যদিও প্ৰত্যক্ষৰ বিষয় বাহিৰত থাকে, তদাকাৰ জ্ঞান

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আত্মাৰ হয়। এইদৰে ক্ষণিক পদাৰ্থৰ জ্ঞানো যদি ক্ষণিক হয়, তেতিয়া হলে "প্ৰত্যভিজ্ঞা" অৰ্থাৎ 'মই এই কথা কৈছিলোঁ।' এনে স্মৰণ হব নোৱাৰে, কিন্তু পুৰ্ব্ব দৃষ্ট আৰু শ্ৰুতৰ স্মৰণ হয়। গতিকে ক্ষণিকবাদ সত্য নহয়। যদি যি হয় সকলো দুঃখেই হয়, সুখ একেবাৰেই নাই, তেনেহলে ৰাতিৰ অপেক্ষাত দিন আৰু দিনৰ অপেক্ষাত ৰাতিৰ দৰে সুখৰ অপেক্ষা নহলে দুংখৰ প্ৰমাণেই হব নোৱাৰে। গতিকে 'সংসাৰৰ সকলোৱেই দুঃখ' এই কথা যুক্তি সঙ্গত নহয়। যদি স্বলক্ষণ মানে তেনেহলে নেত্ৰ ৰূপৰ লক্ষণ আৰু ৰূপ লক্ষ্য। যেনে ঘটৰ ৰূপ, ঘটৰ ৰূপৰ লক্ষণ চকু, লক্ষ্যৰ পৰা ভিন্ন। গন্ধ পৃথিবীৰ পৰা অভিন্ন। এইদৰেই ভিন্নাভিন্ন লক্ষ্য লক্ষণ স্বীকাৰ কৰিব লাগিব। শূন্যবাদীৰ উত্তৰ আগত দিয়া হৈছে অৰ্থাৎ শূন্যক জানোতা শূন্য নহয়, শূন্যতকৈ পৃথক।

সৰ্ব্বস্য সংসাৰস্য দুঃখাত্মকত্বং সৰ্ব্বতীৰ্থঙ্কৰসংমতম্ ॥

যিবোৰক বৌদ্ধই তীৰ্থঙ্কৰ মানে, সেইবোৰকেই জৈনসকলেও মানে। গতিকে দুয়ো সম্প্ৰদায়ৰ এইবিষয়ত কোনো প্ৰভেদ নাই আৰু তেওঁলোকে পুৰ্ব্বোক্ত ভাবনা চতুষ্টয় অৰ্থাৎ চাৰি প্ৰকাৰ ভাবনাৰ দ্বাৰাই বাসনাৰ নিবৃত্তি হৈ শূন্যৰূপ নিৰ্ব্বাণ অৰ্থাৎ মুক্তি মানে। তেওঁলোকে তেওঁলোকৰ শিষ্যবোৰক যোগ আৰু আচাৰৰ উপদেশ দিয়ে। নজনা কথা গুৰুৰ সোধাই হৈছে যোগ আৰু গুৰুৰ বাক্যক প্ৰমাণ বুলি মনাই হৈছে— আচাৰ। তেওঁলোকৰ মতে গুৰুবাক্যই প্ৰমাণ, অনাদি বুদ্ধিত বাসনা উৎপন্ন হয় কাৰণে বুদ্ধি অনেকাকাৰ হৈ ভাসমান হয়। বৌদ্ধৰ মতত পাঁচোটা স্কন্ধ আছে।

ৰূপবিজ্ঞান বেদনাসংজ্ঞাসংস্কাৰসংজ্ঞকঃ ॥

(বৌ. দ. পৃঃ ৩৯)

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰথমস্কন্ধ :—ইন্দ্ৰিয়বোৰৰ দ্বাৰাই যি ৰূপ আদি বিষয় গ্ৰহণ হয় তাকেই "ৰূপস্কন্ধ"। দ্বিতীয় স্কন্ধ— আলয়বিজ্ঞান প্ৰবৃত্তিৰ জ্ঞানৰূপ ব্যৱহাৰ কাৰ্য্য "বিজ্ঞান স্কন্ধ"। তৃতীয় স্কন্ধ—ৰূপ স্কন্ধ আৰু বিজ্ঞান স্কন্ধৰ পৰা উৎপন্ন সুখ-দুঃখ আদিৰ প্ৰতীতিৰূপ ব্যাপাৰক "বেদনা স্কন্ধ"। চতুৰ্থ স্কন্ধ – গো আদি সংজ্ঞাৰ লগত প্ৰকৃত বস্তুৰ সম্বন্ধ মনা ৰূপ ব্যৱহাৰক "সংজ্ঞাস্কন্ধ"। পঞ্চম স্কন্ধ বেদনা স্কন্ধৰ পৰা উৎপন্ন ৰাগ দ্বেষাদি ক্লেশ, আৰু ক্ষুধা তৃষ্ণাদি উপক্লেশ, মদ, প্ৰমাদ, অভিমান, ধৰ্ম্ম আৰু অধৰ্ম্মৰূপ ব্যৱহাৰক "সংস্কাৰ স্কন্ধ" বোলে। সমস্ত সংসাৰ দুঃখ, দুঃখৰ আলয় আৰু দুঃখৰ সাধন স্বৰূপ, এই দৰে ভাবনা কৰি সংসাৰৰ পৰা মুক্ত হোৱা বৌদ্ধ-সকলৰ মত বা সিদ্ধান্ত। চাৰ্বাকে মুক্তি, অনুমান আৰু জীৱ নেমানে, এয়েই চাৰ্বাকৰ বিশেষত্ব।

দেশনা লোকনাথানাং সত্বাশয়বশানুগাঃ।
ভিদ্যন্তে বহুধা লোকে উপায়ৈৰ্ব্বহুভিঃ কিল ॥১॥
গম্ভীৰোত্তানভেদেন ক্বচিচ্চোভয়লক্ষণা।
ভিন্না হি দেশনাঽভিন্না শূন্যতাদ্বয়লক্ষণা ॥২॥
অৰ্থানুপাৰ্জ্জ্য বহুশো দ্বাদশায়তনানি বৈ।
পৰিতঃ পূজনীয়ানি কিমন্যৈৰিহ পূজিতৈঃ ॥৩
জ্ঞানেন্দ্ৰিয়াণি পঞ্চৈৱ তথা কৰ্ম্মেন্দ্ৰিয়াণি চ।
মনো বুদ্ধিৰিতি প্ৰোক্তং দ্বাদশায়তনং বুধৈঃ ॥৪

অৰ্থাৎ যি জ্ঞানী, অনাসক্ত, জীৱন্মুক্ত, যি লোকনাথ, বুদ্ধ আদি তীৰ্থংকৰসকলৰ পদাৰ্থৰ বিষয়ে জ্ঞাতা, যি বিভিন্ন পদাৰ্থৰ উপদেষ্টা আৰু যি বহুৰূপে আৰু বহু উপায়ে বৰ্ণিত হৈছে তেওঁক মান্য কৰিব ॥১॥

অতি গম্ভীৰ আৰু প্ৰসিদ্ধ, কোনো স্থলত গুপ্ত আৰু কোনো স্থলত প্ৰকাশ্য, ভিন্ন ভিন্ন গুৰুৰ ন্যূন লক্ষণযুক্ত উপদেশবোৰ, যিবোৰ পূৰ্ব্বে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কোৱা হৈছে, মান্য কৰিব লাগে ।।২। দ্বাদশায়তন পূজা মোক্ষ দায়ক, সেই পূজাৰ কাৰণে ধন, দ্ৰব্য আদি সংগ্ৰহ কৰি দ্বাদশায়তন অৰ্থাৎ বাৰ প্ৰকাৰ বিশেষ স্থান ৰচনা কৰি সকলো প্ৰকাৰে পূজা কৰা বিধেয়, আনৰ পূজা কৰাৰ প্ৰয়োজন কি ? ।।৩। তেওঁলোকৰ দ্বাদশায়তন পূজা এই :—পাঁচ জ্ঞানেন্দ্ৰিয় অৰ্থাৎ শ্ৰোত্ৰ, ত্বক্‌, চক্ষু জিহ্বা আৰু নাসিকা। পাঁচ কৰ্ম্মেন্দ্ৰিয় অৰ্থাৎ বাক্‌, হস্ত, পাদ, গুহ্য আৰু উপস্থ। এই ১০ ইন্দ্ৰিয় আৰু মন বুদ্ধি, এই বাৰবিধৰ সংকাৰ অৰ্থাৎ এইবোৰক আনন্দত প্ৰবৃত্ত কৰি ৰখা আদি বৌদ্ধ সম্প্ৰদায়ৰ মত ।।৪।

উত্তৰ—সমস্ত সংসাৰ দুঃখময় হোৱা হলে কোনো জীৱৰেই প্ৰবৃত্তি নেথাকিলেহেঁতেন, কিন্তু সংসাৰত জীৱৰ প্ৰবৃত্তি দেখা যায়। গতিকে সমস্ত সংসাৰ একেবাৰে দুঃখময় হব নোৱাৰে, সংসাৰত সুখ আৰু দুঃখ দুয়ো বিধেই আছে। বৌদ্ধসকলৰ সিদ্ধান্ত অনুসাৰে সংসাৰ যদি একেবাৰেই দুঃখময় হয়, তেন্তে তেওঁলোকে আহাৰ-পানী খাই আৰু ঔষধ, পথ্য আদি সেৱন কৰি দেহ ৰক্ষা আৰু আৰোগ্য সুখ বিচাৰে কিয় ? যদি তেওঁলোকে কয় যে, যদিও তেওঁলোকে সকলো যত্ন কৰে তথাপি সংসাৰৰ সকলোবোৰ দুঃখময়। তেওঁলোকৰ তেনে কথাৰ যুক্তি নাই ; কাৰণ জীৱৰ সুখৰ প্ৰতি প্ৰবৃত্তি আৰু দুঃখৰ প্ৰতি নিবৃত্তি হয়। সংসাৰত ধৰ্ম্মানুষ্ঠান, বিদ্যা-চৰ্চ্চা, সৎসঙ্গ আদি সকলো শ্ৰেষ্ঠ কৰ্ম্ম সুখকৰ বৌদ্ধসকলৰ বাহিৰে আন কোনো পণ্ডিতে এইবোৰ দুঃখজনক বুলি ভাবিব নোৱাৰে।

তেওঁলোকৰ পূৰ্ব্বোক্ত পঞ্চ স্কন্ধ একেবাৰেই অপূৰ্ণ। কাৰণ এই স্কন্ধবোৰৰ এটা-এটাকৈ বিবেচনা কৰি চালে একোটাৰে অনেক ভেদ হব পাৰে।

অনাদি, অৰ্থাৎ নাথৰো নাথ পৰমাত্মাৰ পৰিবৰ্ত্তে যিসকল তীৰ্থঙ্কৰক উপদেষ্টা আৰু লোকনাথ বুলি মনা হয়, সেই তীৰ্থঙ্কৰসকলক কোনে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উপদেশ দিছিল? যদি কব খোজে যে, তেওঁলোকে স্বয়ং জ্ঞান লাভ করিছিল, সেইটো সম্ভৱ হব নোৱাৰে, যিহেতু বিনা কাৰণে কাৰ্য্য হব নোৱাৰে। তেওঁলোকৰ কথানুসাৰে যদি এনেকুৱা হয়, তেনেহলে এতিয়াও বিনা পঠন-পাঠন, শ্ৰৱণ-শ্ৰাৱণ আৰু বিনা সৎসঙ্গে জ্ঞানী কিয় নহয়? ময় যদি এনেকুৱা কথাবোৰ একেবাৰেই নিৰৰ্থক, যুক্তিহীন আৰু সন্নিপাত ৰোগগ্ৰস্তৰ প্ৰলাপৰ দৰে। বৌদ্ধসকলে যে কয় সকলো শূন্যৰূপ অদ্বৈত অৰ্থাৎ শূন্যই এক সত্য, সেই কথা যুক্তিহীন, কাৰণ বিদ্যমান বস্তু শূন্য হব নোৱাৰে। অৱশ্যে প্ৰত্যক্ষ হোৱা বস্তুবোৰ সূক্ষ্ম হৈ যেতিয়া কাৰণ ৰূপলৈ পৰিবৰ্ত্তন হয়, তেতিয়া অপ্ৰত্যক্ষ অৱস্থাত থাকে।

যদি উপাৰ্জ্জিত অৰ্থব্যয়ৰে দ্বাদশায়তন পূজা কৰাই মোক্ষ সাধন বুলি ভাবে, তেন্তে দহ প্ৰাণ আৰু একাদশ জীবাত্মাৰ পূজা নকৰে কিয়? ইন্দ্ৰিয় আৰু অন্তঃকৰণৰ পূজাও যদি মোক্ষ সাধক হয় তেন্তে বৌদ্ধ আৰু বিষয়াসক্ত সকলৰ ভিতৰত পাৰ্থক্য কি থাকে? বৌদ্ধ সকলে বিষয়াসক্তিৰ পৰা যদি নিস্তাৰ নেপায়; তেনেহলে মুক্তি সিহঁতৰ বা কিহৰ হয়? আৰু মুক্তিৰেই বা প্ৰয়োজন কি? অজ্ঞান অবিদ্যাত বৌদ্ধসকলে যিমান উন্নতি কৰিছে সিমান উন্নতি আন কোনেও কৰিব পৰা নাই। সত্য কথা কবলৈ হলে তেওঁলোকে বেদ আৰু ঈশ্বৰৰ বিৰোধিতা কৰিয়েই এই ফল লাভ কৰিছে যে প্ৰথমতে সমস্ত সংসাৰ দুঃখময় বুলি ভাবি তাৰ পাছত মাজতেই দ্বাদশায়তন পূজা আৰম্ভ কৰি দিলে। এই দ্বাদশায়তনৰ পূজা পাৰ্থিব বস্তুৰ বাহিৰে শূন্যৰে হয় নেকি? যদি তাৰ দ্বাৰাই মুক্তি লাভ হব পাৰে তেনেহলে কোনোৱে যদি অন্বেষণ কৰিলেও ৰত্ন লাভ কৰিব পাৰে নেকি? বেদ আৰু ঈশ্বৰত বিশ্বাস নথকাৰ কাৰণেই তেওঁলোকৰ এনেকুৱা লীলা খেলা হৈছে। এতিয়াও সুখৰ বাঞ্ছা আছে যদি, তেওঁলোকে বেদ আৰু ঈশ্বৰৰ শৰণাপন্ন হৈ জীৱন সফল কৰক।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

"বিবেক বিলাস" নামৰ গ্ৰন্থত বৌদ্ধমত এইদৰেলিখা আছে :—

বৌদ্ধানাং সুগতো দেবো বিশ্বং চ ক্ষণভঙ্গুৰম্ ।
আৰ্য্যসত্ত্বাখ্যয়াতত্ত্বচতুষ্টয়মিদং ক্ৰমাৎ ॥ ১ ॥
দুঃখমায়তনং চৈব ততঃ সমুদয়ো মতঃ ।
মাৰ্গশ্চেত্যস্য চ ব্যাখ্যা ক্ৰমেণ শ্ৰূয়তামতঃ ॥ ২ ॥
দুঃখসংসাৰিণ স্কন্ধাস্তে চ পঞ্চ প্ৰকীৰ্ত্তিতাঃ ।
বিজ্ঞানং বেদনা সংজ্ঞা সংস্কাৰো ৰূপমেবচ । ৩ ।
পঞ্চেন্দ্ৰিয়াণি শব্দাদ্যা বিষয়াঃ পঞ্চ মানসম্ ।
ধৰ্ম্মায়তনমেতানি দ্বাদশায়তনানি তু ॥ ৪ ।
ৰাগাদীনাং গণো যঃ স্যাৎ সমুদেতি নৃণাং হৃদি ।
আত্মাত্মীয়স্বভাবাখ্যঃ স স্যাৎ সমুদয়ঃ পুনঃ । । ৫ ।
ক্ষণিকাঃ সৰ্ব্ব-সংস্কাৰা ইতি যা বাসনা স্থিৰা ।
স মাৰ্গ ইতি বিজ্ঞেয়ঃ স চ মোক্ষোঽভিধীয়তে । ৬ ।
প্ৰত্যক্ষমনুমানং চ প্ৰমাণং দ্বিতয়ং তথা ।
চতুঃ প্ৰস্থানিকা বৌদ্ধাঃ খ্যাতা বৈভাষিকাদয়ঃ ॥ ৭ ।
অৰ্থো জ্ঞানান্বিতো বৈভাষিকেণ বহু মন্যতে ।
সৌত্ৰান্তিকেন প্ৰত্যক্ষগ্ৰাহ্যোঽৰ্থো ন বহিৰ্ম্মতঃ ॥ ৮ ।
আকাৰসহিতাবুদ্ধিৰ্যোগাচাৰস্য সম্মতা ।
কেৱলাং সংবিদাং স্বস্থাং মন্যন্তে মধ্যমাঃ পুনঃ ॥ ৯ ।
ৰাগাদিজ্ঞানসন্তানবাসনাচ্ছেদসম্ভবা ।
চতুৰ্ণামপি বৌদ্ধানাং মুক্তিৰেষা প্ৰকীৰ্ত্তিতা ॥ ১০ ।
কৃত্তিঃ কমণ্ডলুৰ্ম্মৌণ্ড্যং চীৰং পূৰ্ব্বাহ্ণ ভোজনম্ ।
সংঘো ৰক্তাম্বৰত্বং চ শিশ্ৰিয়ে বৌদ্ধভিক্ষুভিঃ ॥ ১১ ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অৰ্থ— বৌদ্ধ সকলৰ সুগতদেৱ বুদ্ধ ভগবান পূজনীয় দেৱ, আৰু জগত ক্ষণভঙ্গুৰ, আৰ্য্য পুৰুষ, আৰ্য্য স্ত্ৰী আৰু তত্ত্বৰ আখ্যা সংজ্ঞা আদি প্ৰসিদ্ধি এই চাৰিটা বৌদ্ধ সকলৰ মনন কৰিব লগীয়া বিষয় ॥১॥ এই বিশ্ব দুঃখৰ আলয়, ইয়াকে জানিব পাৰিলে মানুহে সমুদয় অৰ্থাৎ উন্নতি লাভ কৰে। এইবোৰৰ ব্যাখ্যা ক্ৰম অনুসাৰে শ্ৰৱণ কৰা ॥ ২ ॥ সংসাৰত কেৱল দুঃখহে আছে। পূৰ্ব্বোক্ত পঞ্চ স্কন্ধ সম্যক্‌ৰূপে জানিবা ॥ ৩ ॥ পঞ্চ জ্ঞানেন্দ্ৰিয়, এইবোৰৰ শব্দ আদি পঞ্চ বিষয় আৰু মন তথা বুদ্ধি, অন্তঃকৰণ ধৰ্ম্মৰ এই দ্বাদশ স্থান ॥ ৪ ॥ মানুহৰ হৃদয়ত যিবোৰ ৰাগ দ্বেষ আদি উৎপত্তি হয়, সেইবোৰক সমুদয় আৰু আত্মা আৰু আত্মাৰ স্বভাৱ আৰু গুণক আখ্যা বোলে। এইবোৰৰ পৰাই পুনৰায় সমুদয় হৈ থাকে ॥ ৫ ॥ সকলো সংস্কাৰ ক্ষণিক। বাসনাৰ স্থিৰতাই বৌদ্ধ সকলৰ পন্থা। উক্ত শূন্যতত্ত্ব শূন্যৰূপ হোৱাৰ নাম মোক্ষ ॥ ৬ ॥ বৌদ্ধ সকলে প্ৰত্যক্ষ আৰু অনুমান এই দুই প্ৰমাণক মানে। বৌদ্ধ সকলৰ ভিতৰত চাৰি প্ৰকাৰ ভেদ আছে, যেনে—বৈভাষিক, সৌত্ৰান্তিক, যোগাচাৰ, আৰু মাধ্যমিক ॥ ৭ ॥ তেওঁলোকৰ ভিতৰত বৈভাষিকৰ মতে জ্ঞানত যি পদাৰ্থ আছে সেয়ে বিদ্যমান বুলি স্বীকাৰ্য্য। যি জ্ঞানত নাই, সিদ্ধ পুৰুষ সকলে তাৰ অস্তিত্ব স্বীকাৰ কৰিব নোৱাৰে। সৌত্ৰান্তিক সকলে ভিতৰক পদাৰ্থ বুলি স্বীকাৰ কৰে, বাহিৰক নকৰে ॥ ৮ ॥ যোগাচাৰে আকাৰ বিশিষ্ট বিজ্ঞানকে বুদ্ধি স্বীকাৰ কৰে অৰ্থাৎ মানে আৰু মাধ্যমিকে কেৱল নিজৰ ভিতৰত পদাৰ্থবোৰৰ জ্ঞান মাত্ৰ (কেৱল জ্ঞানহে) মানে, পদাৰ্থ স্বীকাৰ নকৰে ॥ ৯ ॥ চাৰিও প্ৰকাৰ বৌদ্ধৰ মতেই ৰাগ আদি জ্ঞান বাহিৰ বাসনাৰ নাশৰ পৰা মোক্ষ লাভ হয় ॥ ১০ ॥ মৃগাদিৰ চৰ্ম্ম কমণ্ডলু, মুণ্ডিত মস্তক, বক্কলবস্ত্ৰ পূৰ্ব্বাহ্নত অৰ্থাৎ ৯ বজাৰ আগত আহাৰ, নিঃসঙ্গ নথকা আৰু ৰক্ত বস্ত্ৰ পৰিধান, এইবোৰেই বৌদ্ধ সাধুৰ বেশ ॥ ১১ ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ—সুগত বুদ্ধই যদি বৌদ্ধ সকলৰ দেব হয়, তেনেহলে তেওঁৰ গুৰু কোন আছিল? বিশ্ব ক্ষণভঙ্গুৰ হয় যদি, বহু কাল পূৰ্ব্বে দৃষ্ট পদাৰ্থৰ 'এইটো সেইটোৱেই' এনেকুৱা স্মৰণ হব নোৱাৰে। ক্ষণভঙ্গুৰ হলে কোনো পদাৰ্থ পদাৰ্থ হৈ নেথাকে, তেতিয়া কিহৰ স্মৰণ হয়? 'ক্ষণিক বাদেই বৌদ্ধ সকলৰ মাৰ্গ হলে তেওঁ লোকৰ মোক্ষও ক্ষণভঙ্গুৰ হব। যদি জ্ঞানযুক্ত অৰ্থই দ্ৰব্য হয়, তেনেহলে জড়দ্ৰব্যতো জ্ঞান থকা উচিত। সেয়েহলে সঞ্চালন আদি ক্ৰিয়া কাৰ ওপৰত হয়? (অৰ্থাৎ ক্ৰিয়াৰ বিষয় বস্তু কি হব?) বাহিৰত যি দেখা যায় সিনো কেনেকৈ মিছা হব পাৰে? বুদ্ধি আকাৰ বিশিষ্ট হলে দৃশ্য হব লাগিব। (অৰ্থাৎ যাৰ আকাৰ আছে তাক দেখা যায়) যদি বাহিৰৰ বস্তুবোৰ অন্তৰৰ জ্ঞানৰ বাহিৰে আন একো নহয় বুলি কৈছে, কিন্তু জ্ঞেয় নহলে জ্ঞান হবই নোৱাৰে। যদি বাসনাচ্ছেদেই মুক্তি হয়, তেনেহলে সুষুপ্তি অৱস্থাতো মুক্তি হয় বুলি মনা উচিত। এনেবোৰ সিদ্ধান্ত যুক্তি বিবেচনাৰ বিৰুদ্ধ; গতিকে নিন্দনীয়। বৌদ্ধ সকলৰ মতবাদ ইমানখিনিকে সংক্ষেপত প্ৰদৰ্শন কৰা হল, বুদ্ধি বিবেচনাশীল সকলে ইয়ৰ পৰাই বিবেচনা কৰি চালে তেওঁলোকৰ বিদ্যা বুদ্ধি বুজিব পাৰিব। জৈন সকলৰো এয়েই মত।

ইয়াৰ পৰা জৈন মত

প্ৰকৰণৰত্নাকৰ প্ৰথম ভাগ, নয়চক্ৰসাৰত তলত দিয়া কথাবোৰ আছে :—

বৌদ্ধসকলে সময়ে প্ৰতি অৰ্থাৎ ভিন্ন ভিন্ন সময়ত ভিন্ন ভিন্ন অৱস্থাৰ (১) আকাশ, (২) কাল, (৩) জীব, (৪) পুদ্‌গল এই চাৰি দ্ৰব্য মানে। জৈনসকলে ধৰ্ম্মাস্তিকায়, অধৰ্ম্মাস্তিকায়, আকাশাস্তিকায়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দ্‌গলাস্তিকায়, জীৱাস্তিকায় আৰু কাল এই ছয় দ্ৰব্য মানে। এই-বোৰৰ ভিতৰত কালক অস্তিকায় বুলি নধৰে, তেওঁলোকৰ মতে কাল উপচাৰতহে (ভাষিক ব্যৱহাৰত) বস্তুগতৰূপে নহয়।

এইবোৰৰ ভিতৰত (১) "ধৰ্ম্মাস্তিকায়" গতি পৰিণামিত্ব গুণত পৰিণামী জীৱ আৰু পুদ্‌গলৰ গতি নিয়ন্ত্ৰণৰ কাৰণ স্বৰূপ আৰু অসংখ্য প্ৰদেশ দেহত ব্যাপ্ত হৈ আছে।

(২) "অধৰ্ম্মাস্তিকায়"—স্থিৰতাৰ গুণত, পৰিণামী জীৱ আৰু পুদ্‌-গলৰ স্থিতিৰ আশ্ৰয়হেতু। অধৰ্ম্মাস্তিকায় জীৱ পৰমাণু অৰ্থাৎ জীৱ আৰু দেহ সংযোগৰ কাৰণ।

(৩) "আকাশাস্তিকায়"—অৰ্থাৎ সৰ্ব্বব্যাপী আকাশ, যি সকলোৰে আধাৰ, যত জীৱ আৰু পুদ্‌গলৰ প্ৰৱেশ আৰু নিৰ্গমনাদি ক্ৰিয়া হয়।

(৪) "পুদ্‌গলাস্তিকায়"—জগতৰ মুল বা কাৰণ স্বৰূপ, নিত্য, সূক্ষ্ম আৰু ৰস, বৰ্ণ-গন্ধ-স্পৰ্শ কাৰ্য্যৰ লিঙ্গ, পুৰ্ণ আৰু দ্ৰবত্ব স্বভাৱ বিশিষ্ট।

(৫) "জীবাস্তিকায়"—যাৰ লক্ষণ চেতন, জ্ঞান, দৰ্শনক্ষম, অনন্ত পৰ্য্যায়ত পৰিণামী, কৰ্ত্তা আৰু ভোক্তা।

(৬) —"কাল" যি পূৰ্ব্বোক্ত, পঞ্চ আস্তিকায়ৰ পৰত্ব, অপৰত্ব, নবীনত্ব আৰু প্ৰাচীনত্ব, বৰ্ত্তমান আৰু পৰ্য্যায়ৰ (পৰিবৰ্ত্তন) স্বৰূপ বোধক।

সমীক্ষক—বৌদ্ধসকলে চাৰি দ্ৰব্যৰেই ক্ষণে ক্ষণে পৰিবৰ্ত্তন বা নতুন নতুন হয় বুলি যি সিদ্ধান্ত কৰিছে সি মিছা। যিহেতু আকাশ, কাল, জীৱ আৰু পৰমাণু কেতিয়াও নতুন বা পুৰণি নহয়, এইবোৰ অনাদি আৰু কাৰণৰূপত অৰ্থাৎ মূল স্বৰূপত অবিনাশী। গতিকে এইবোৰ নতুন বা পুৰণি হব নোৱাৰে।

জৈন মতে যি ষষ্ঠ তত্ত্বৰ সিদ্ধান্ত কৰিছে সিও সঙ্গত নহয়। কাৰণ তেওঁলোকসকলে ধৰ্ম্ম আৰু অধৰ্ম্মক দ্ৰব্য বুলিছে, ধৰ্ম্ম অধৰ্ম্ম দ্ৰব্য নহয় গুণহে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ধৰ্ম্ম-অধৰ্ম্ম "জীবাস্তিকায়"ৰ লগত সংলগ্ন। গতিকে আকাশ, পৰমাণু, জীৱ আৰু কাল এইৰূপে মনা হলে সঙ্গত হলহেঁতেন। বৈশেষিক দৰ্শনৰ মতে দ্ৰব্য ৯ টা। পৃথিবী, জল, তেজ, বায়ু, আকাশ এই পাঁচ তত্ত্ব আৰু কাল, দিক্, আত্মা আৰু মন এই ন টা পৃথক পৃথক দ্ৰব্যৰূপে নিশ্চিত হৈছে। এক মাত্ৰ জীৱকেই চেতন মানি ঈশ্বৰক অস্বীকাৰ কৰা জৈন আৰু বৌদ্ধ সম্প্ৰদায়ৰ যুক্তিহীন পক্ষপাতিতাহে মাত্ৰ।

বৌদ্ধ আৰু জৈনসকলে 'সপ্তভঙ্গী' আৰু 'স্যাদ্‌বাদ' মানে। যেনে:—(১) "সন্ ঘটঃ" ইয়াক প্ৰথম ভঙ্গ বোলে। অৰ্থাৎ "ঘট আছে" এই বাক্যৰ দ্বাৰাই ঘটৰ অভাৱৰ বিৰোধ কৰিছে। (২) দ্বিতীয় ভঙ্গ "অসন্ ঘটঃ" অৰ্থাৎ ঘট নাই, এই বাক্যৰে ঘটৰ ভাৱৰ বিৰোধ কৰিলে; গতিকে দ্বিতীয় ভঙ্গ হল। (৩) তৃতীয় ভঙ্গ—"সন্নসন্ন ঘটঃ" অৰ্থাৎ এইটো ঘট আছে কিন্তু এইটো পট নহয়। এই ভঙ্গ প্ৰথম আৰু দ্বিতীয় ভঙ্গৰ ভিন্ন হ'ল।

(৪) চতুৰ্থ ভঙ্গ—"ঘটোঽ ঘটঃ" যেনে "অঘটঃ পটঃ" নিজৰ ভিতৰত অন্য পটৰ অভাৱ হোৱাত ঘটক অঘট বোলা হয়। ঘটৰ যুগপৎ দুই সংজ্ঞা অৰ্থাৎ ঘট আৰু অঘটো হয়।

(৫) পঞ্চম ভঙ্গ হল যে, ঘটক পট বোলা অসঙ্গত; অৰ্থাৎ ঘটৰ ঘটত্বই বক্তব্য, পটত্ব অবক্তব্য।

(৬) ষষ্ঠ ভঙ্গ হল—যি ঘট নহয়, তাক ঘট বোলা নেযায়; যি ঘট সেয়েহে ঘট, তাকহে ঘট বোলা সঙ্গত।

(৭) সপ্তম ভঙ্গ হল যে, যাৰ বিষয়ে বোলা অভিপ্ৰেত, সেইটো নাই, আৰু সেইটো ঘট বুলিবৰ অযোগ্য। সেই দৰেই :—

স্যাদস্তি জীবোঽয়ং প্ৰথমো ভঙ্গঃ ॥১

স্যান্নাস্তি জীবো দ্বিতীয়ো ভঙ্গঃ।২

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স্যাদবক্তব্যো জীৱস্তৃতীয়ো ভঙ্গঃ ।৩

স্যাদস্তি নাস্তি নাস্তিৰূপো জীৱশ্চতুর্থো ভঙ্গঃ ।।৪

স্যাদস্তি অবক্তব্যো জীবঃ, পঞ্চমো ভঙ্গঃ ।।৫

স্যান্নাস্তি অবক্তব্যো জীৱঃ ষষ্ঠো ভঙ্গঃ ।।৬

স্যাদস্তি নাস্তি অবক্তব্যো জীৱ ইতি সপ্তমো ভঙ্গঃ ।।৭

অর্থাৎ—"হে জীৱ" এইদৰে কলে জীৱৰ বিপৰীত জড় পদার্থৰ অভাৱ হোৱাত প্ৰথম ভঙ্গ বোলে। দ্বিতীয় ভঙ্গ "জড়ত জীব নাই" এইদৰে কোৱা হয়, গতিকে ইয়াকেই দ্বিতীয় ভঙ্গ বোলে। "জীৱ আছে কিন্তু কোৱাৰ যোগ্য নহয়" ইয়াক তৃতীয় ভঙ্গ বোলে। জীৱই যেতিয়া দেহ ধাৰণ কৰে তেতিয়া ব্যক্ত আৰু যেতিয়া দেহৰ পৰা পৃথক হয় তেতিয়া অব্যক্ত হয়, এইদৰে কোৱাক চতুৰ্থ ভঙ্গ বোলে। জীৱ আছে কিন্তু কোৱাৰ যোগ্য নহয়, এইদৰে কোৱাকেই পঞ্চম ভঙ্গ বোলে। প্ৰত্যক্ষ প্ৰমাণেৰে জীৱৰ বিষয়ে কব নোৱাৰি। গতিকে জীৱ চাক্ষুষ প্ৰত্যক্ষ নহয়; এনেকুৱা ব্যৱহাৰক ষষ্ঠ ভঙ্গ বোলে। এই সময়তে অনুমানৰ দ্বাৰা জীৱ থকা আৰু অদৃশ্য কাৰণে নথকা; এইদৰে নথকা, কিন্তু ক্ষণে ক্ষণে পৰিবৰ্ত্তন হোৱা, অস্তি-নাস্তি আৰু নাস্তি-অস্তি ব্যৱহাৰ নোহোৱা, ইয়াক সপ্তম ভঙ্গ বোলে।

এইদৰে নিত্যত্ব সপ্তভঙ্গী, অনিত্যত্ব সপ্তভঙ্গী, সামান্য ধৰ্ম্ম, বিশেষ ধৰ্ম্ম গুণ আৰু পৰ্য্যায়ৰ প্ৰত্যেক বস্তুত সপ্তভঙ্গী হয়। সেইদৰে দ্ৰব্য, গুণ, স্বভাৱ আৰু পৰ্যায়, অনন্ত হোৱাৰ কাৰণে সপ্তভঙ্গীও অনন্ত। বৌদ্ধ আৰু জৈন মতৰ স্যাদ্‌বাদ আৰু সপ্তভঙ্গী ন্যায় এইদৰে বৰ্ণনা কৰা আছে।

সমীক্ষক—এনে কথন কেৱল অন্যোন্যাভাৱ, সাধৰ্ম্ম্য আৰু বৈধৰ্ম্ম্যই চৰিতাৰ্থ হব পাৰে। এই সহজ বোধ্য যুক্তিবাদৰ পৰিৱৰ্ত্তে ঘূৰাই পকাই শব্দৰ চাকনৈয়াৰে জটিল ৰচনা কৰাৰ উদ্দেশ্য সৰ্ব্বসাধাৰণক বিভ্ৰান্ত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰা। দেখক! জীৱৰ অভাৱ অজীৱত আৰু অজীৱৰ অভাৱ জীৱত বিদ্যমান; যেনেকৈ জীৱ আৰু জড়ৰ অস্তিত্ব সাধৰ্ম্ম্য, চেতনত্ব আৰু জড়ত্ব বৈধৰ্ম্ম্য; অৰ্থাৎ জীৱত চেতনত্ব আছে, আৰু জড়ত্বৰ অভাৱ বা নাই। এই দৰে জড়ত জড়ত্ব আছে চেতনত্বৰ অভাৱ বা নাই। এই নীতিৰে গুণ, কৰ্ম্ম, স্বভাৱৰ সাধৰ্ম্ম্য আৰু বৈধৰ্ম্ম্যৰ যুক্তিৰে বিবেচনা কৰিলে এইবোৰ সকলো সপ্তভঙ্গী আৰু স্যাদ্‌বাদ সহজে বোধগম্য হয়। যেয়ে হলে ইমানকৈ জটিল শব্দৰ প্ৰপঞ্চ অৰ্থাৎ মায়াজাল বিস্তাৰ কৰাৰ প্ৰয়োজন কি? এই বিষয়ত বৌদ্ধ আৰু জৈনৰ একেই মত। ইয়াৰ ভিতৰত অলপ ভেদ হলেও ভাবৰো ভেদ হয়।

কেৱল জৈন মত :—

চিদচিদ্‌দ্বে পৰে তত্ত্বে বিবেকস্তদ্বিবেচনম্।
উপাদেয়মুপাদেয়ং হেয়ং হেয়ং চ কুৰ্ব্বতঃ ॥১
হেয়ং হি কৰ্তৃৰাগাদি তৎকাৰ্য্যমবিবেকিনঃ।
উপাদেয়ং পৰং জ্যোতিৰুপযোগৈকলক্ষণম্ ॥২

জৈনে "চিৎ" আৰু "অচিৎ" অৰ্থাৎ চেতন আৰু জড় এই দুটাকহে মাত্ৰ পৰতত্ত্ব মানে। এই দুটাৰ বিবেচনাৰ নাম বিবেক। যি সকলে গ্ৰহণযোগ্য পদাৰ্থ গ্ৰহণ কৰে আৰু বৰ্জ্জনীয়ক বৰ্জ্জন কৰে তেওঁলোকক বিবেকী বোলে ॥১॥ জগতৰ কৰ্ত্তা, ৰাগ আদি আৰু ঈশ্বৰ জগতৰ কাৰণ, এই অবিবেকী মতৰ বৰ্জ্জন আৰু যোগৰ দ্বাৰাই লক্ষিত পৰম জ্যোতি-স্বৰূপ জীৱৰ গ্ৰহণেই শ্ৰেয়ঃ ॥২।

অৰ্থাৎ জৈন আৰু বৌদ্ধসকলে একমাত্ৰ জীৱকেই চেতন তত্ত্ব বুলি মানে। জীৱৰ বাহিৰে অন্য কোনো অনাদি ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ নকৰে। এই বিষয়ে ৰজা শিৱ প্ৰসাদে "ইতিহাসতিমিৰনাশক" নামৰ গ্ৰন্থত লিখিছে যে, বৌদ্ধ আৰু জৈন একেটা মতৰে দুটা নাম। এই দুটা শব্দ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পৰ্য্যায়বাচক। বৌদ্ধসকলৰ ভিতৰত মদ্যমাংসাহাৰী বামমাৰ্গীও আছে, কিন্তু জৈন তাৰ বিপৰীত, ইমানেই পাৰ্থক্য। কিন্তু মহাবীৰ আৰু গৌতম গণধৰক বৌদ্ধসকলে বুদ্ধ আৰু জৈনসকলেও গণধৰ আৰু জিনবৰ বোলে। জিনৰ পৰাই পৰম্পৰা ক্ৰমে জৈন সম্প্ৰদায় চলি আহিছে।

ৰজা শিৱপ্ৰসাদে তেওঁৰ "ইতিহাসতিমিৰ নাশক" নামৰ গ্ৰন্থৰ তৃতীয় খণ্ডত লিখিছে যে, স্বামী শঙ্কৰাচাৰ্য্যৰ প্ৰায় এহেজাৰ বছৰৰ আগতেই জিনৰ আবিৰ্ভাৱ হয়। অৰ্থাৎ শঙ্কৰাচাৰ্য্যৰ পূৰ্ব্বে সমগ্ৰ ভাৰতত বৌদ্ধ অথবা জৈন ধৰ্ম্ম প্ৰচাৰিত হৈ আছিল। সেই গ্ৰন্থত তেওঁৰ মন্তব্য প্ৰকাশ কৰিছে 'যি বেদৰ বিৰুদ্ধ মত মহাবীৰ, গণধৰ গৌতম স্বামীৰ সময়ৰ পৰা স্বামী শঙ্কৰাচাৰ্য্যৰ সময়লৈকে ভাৰতবৰ্ষত বিস্তৃত হৈ আছিল আৰু যাক সম্ৰাট অশোক আৰু সম্প্ৰতি মহাৰাজে অৱলম্বন কৰে, জৈন মতক ইয়াৰ পৰা ভিন্ন বুলি ধৰিব নোৱাৰি। "জিনস্থ" পৰা "জৈন" আৰু "বুদ্ধৰ" পৰা বৌদ্ধ এই দুয়োটা পৰ্য্যায়বাচী শব্দৰ উৎপত্তি হৈছে। অভিধানতো এই দুয়োটা শব্দৰ একেই অৰ্থ লিখিছে। বৌদ্ধ আৰু জৈন দুয়ো সম্প্ৰদায়েই গৌতমক মানে। ইয়াৰ বাহিৰেও দীপবংশ আদি প্ৰাচীন বৌদ্ধ গ্ৰন্থবোৰত শাক্যমুনি গৌতম বুদ্ধক প্ৰায় মহাবীৰ নামে উল্লেখ কৰা হৈছে। গতিকে শাক্যমুনিৰ সময়ত বৌদ্ধ আৰু জৈন দুয়োটা একে মতেই আছিল। আমি যে গৌতমৰ অনুগামীসকলক জৈন নুবুলি বৌদ্ধ বোলো, তাৰ কাৰণ এয়ে যে অন্য দেশীয় লোকে তেওঁলোকক বৌদ্ধ নামেই অভিহিত কৰি আহিছে।" অমৰ কোষতো এইদৰে লিখিত আছে :—

সৰ্ব্বজ্ঞঃ সুগতো বুদ্ধো ধৰ্ম্মৰাজস্তথাগতঃ।
সমন্তভদ্ৰো ভগবান্মাৰজিল্লোকজিজ্জিনঃ ॥
ষড়ভিজ্ঞো দশবলোঽদ্বয়বাদী বিনায়কঃ।
মুনীন্দ্ৰঃ শ্ৰীঘনঃ শাস্তা মুনিঃ শাক্যমুনিস্তু যঃ ॥২

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স শাক্যসিংহ সৰ্ব্বাৰ্থঃ সিদ্ধশ্‌শৌদ্ধোদনিশ্চ সঃ।
গৌতমশ্চাৰ্কবন্ধুশ্চ মায়াদেৱীসুতশ্চ সঃ ॥৩

অমৰ কোষ কাঃ ১—বৰ্গ—১, শ্লোঃ ৮১০

ইয়াৰ পৰা এতিয়া চ'ক বুদ্ধ আৰু জিন বা বৌদ্ধ আৰু জৈন এইবোৰ একৰেই নাম হয়নে নহয়। অমৰ সিংহৰো ভ্ৰম হল নেকি, বুদ্ধ আৰু জিন এক ব্যক্তি বুলিয়ে লিখিছে ? যিবোৰ জৈনৰ বিদ্যা বুদ্ধি নাই, তেওঁলোকে নিজৰ বা আনৰ বিষয়ে একোকে নেজানে, নিজ ধাৰণা মতেই আগ গুৰি নোহোৱা কথা কয়—কিন্তু জৈনৰ ভিতৰত যি সকল বিদ্বান তেওঁলোকে জানে যে "বুদ্ধ" আৰু "জিন" তথা "বৌদ্ধ" আৰু "জৈন" পৰ্য্যায়বাচক শব্দ তাত কোনো সন্দেহ নাই। [জৈনসকলৰ কোৱা মতে জীৱই পৰমেশ্বৰ হৈ যায়। জৈনসকলে তেওঁলোকৰ তীৰ্থঙ্কৰ সকলকেই কেৱলী মুক্তি প্ৰাপ্ত আৰু পৰমেশ্বৰ বুলি বিশ্বাস কৰে। তেওঁলোকৰ মতে অনাদি পৰমেশ্বৰ কোনো নাই। সৰ্ব্বজ্ঞ, বীতৰাগ, অৰ্হন, কেৱলী, তীৰ্থঙ্কত আৰু জিন এইবোৰ নাস্তিকসকলৰ ছয় দেৱতাৰ নাম। আদি-দেৱৰ স্বৰূপ চন্দ্ৰসূৰিয়ে 'আপ্তনিশ্চয়ালঙ্কাৰ" নামৰ গ্ৰন্থত বৰ্ণনা কৰিছে—

সৰ্ব্বজ্ঞো বীতৰাগাদিদোষস্ত্ৰৈলোক্য পূজিতঃ।
যথা স্থিতাৰ্থবাদী চ দেৱোঽৰ্হন্ পৰমেশ্বৰঃ ॥১

"তৌতাতিতোৱেও লিখিছে ঃ-

সৰ্ব্বজ্ঞ দৃশ্যতে তাবন্নেদানীমস্মদাদিভিঃ।
দৃষ্টো ন চৈকদেশোঽস্তি লিঙ্গং বা যোঽনুমাপয়েৎ ॥২
ন চাগমবিধিঃ কশ্চিন্নিত্য সৰ্ব্বজ্ঞ বোধকঃ।
ন চ তত্ৰাৰ্থবাদানাং তাৎপৰ্য্যমপি কল্প্যতে ॥৩
ন চান্যাৰ্থপ্ৰধানৈস্তৈস্তদস্তিত্বং বিধীয়তে।
ন চানুবাদিতুং শক্যঃ পূৰ্ব্বমন্যৈৰবোধিতঃ ॥৪

অৰ্থ—যি ৰাগ আদি দোষৰহিত, যি ত্ৰিলোক পূজ্য, যি পদাৰ্থবোৰৰ যথাৰ্থ বক্তা আৰু যি সৰ্ব্বজ্ঞ, অৰ্হনদেৱ, তেওঁৱেই পৰমেশ্বৰ ॥১

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...হেতু আমি এতিয়া পৰমেশ্বৰক নেদেখো গতিকে সৰ্ব্বজ্ঞ, অনাদি পৰমে-
...ৰ প্ৰত্যক্ষ নহয়। ঈশ্বৰৰ বিষয়ে প্ৰত্যক্ষ প্ৰমাণৰ অভাৱত অনুমানো
...হব নোৱাৰে। কাৰণ একদেশ (একাংশ) প্ৰত্যক্ষ নহলে অনুমান হব
...ৰাৰে ॥২ প্ৰত্যক্ষ আৰু অনুমানৰ অভাৱত আগম অৰ্থাৎ নিত্য,
...নাদি আৰু সৰ্ব্বজ্ঞ পৰমাত্মাৰ বোধক শব্দপ্ৰমাণো হব নোৱাৰে।
...তিকে ত্ৰিবিধ প্ৰমাণৰ অভাৱত অৰ্থবাদ অৰ্থাৎ স্তুতি, নিন্দা, পৰকৃতি
...পৰৰ চৰিত্ৰ বৰ্ণন) আৰু পুৰাকল্প অৰ্থাৎ ইতিহাসৰ তাৎপৰ্য্যও নেখাটে ॥৩।
...য়াৰ উপৰিও অন্যাৰ্থপ্ৰধান বহুব্ৰীহি সমাসৰ দৰে পৰোক্ষ পৰমাত্মাৰ
...দ্ধিও বিধান নহয়। আৰু ঈশ্বৰৰ উপদেষ্টাসকলৰ পৰা শুনিব নোৱাৰিলে
...নুবৃত্তিও হব নোৱাৰে ।৪।

ইয়াৰ প্ৰত্যাখ্যান অৰ্থাৎ খণ্ডন :—

অনাদি ঈশ্বৰ নেথাকিলে, "অৰ্হন দেৱৰ" মাতা-পিতা আদিৰ
...কৃতিৰ সাঁচ (অৰ্থাৎ আদিৰ পৰিকল্পনা) কোনে নিৰ্ম্মাণ কৰিলে?
...যোগকৰ্ত্তা নহলে যথাযোগ্য সৰ্ব্ব অবয়ব সম্পন্ন আৰু যথোচিত কাৰ্য্যক্ষম
...বয়বৰ নিৰ্ম্মাণ হব নোৱাৰে। দেহৰ উপাদান জড়; জড় পদাৰ্থই স্বয়ং
...কুৰাকৈ যথাযোগ্য ভাবে সুগঠিত হৈ নিৰ্ম্মিত হব নোৱাৰে। কাৰণ
... পদাৰ্থৰ যথাযোগ্য ভাবে নিৰ্ম্মিত হবৰ জ্ঞানেই নাই। আৰু যি
...তে ৰাগ আদি সদোষ হৈ, পাছত নিৰ্দ্দোষ হয়, সি কেতিয়াও
... হব নোৱাৰে। কাৰণ যি, যি নিমিত্তে ৰাগ আদি দোষৰ পৰা
... হয়, সেই নিমিত্ত নষ্ট হলে, নিমিত্তৰ কাৰ্য্য মুক্তিও অনিত্য হব।
... আৰু অল্পজ্ঞ, সি কেতিয়াও সৰ্ব্বজ্ঞ আৰু সৰ্ব্বব্যাপক হব নোৱাৰে।
... স্বৰূপ একদেশী আৰু পৰিমিত গুণ-কৰ্ম্ম স্বভাৱ বিশিষ্ট। জীৱ
...াৰ সৰ্ব্ব বিদ্যাৰ যথাৰ্থ বক্তা হব নোৱাৰে, গতিকে তীৰ্থঙ্কৰ কেতিয়াও
...শ্বৰ হব নোৱাৰে ॥১

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আপোনালোক জৈন মতাৱলম্বীয়ে কেৱল প্ৰত্যক্ষ পদাৰ্থকহে স্বীকাৰ কৰে নেকি? অপ্ৰত্যক্ষ পদাৰ্থক স্বীকাৰ নকৰে নেকি? যেনেকৈ ৰূপ দৰ্শনৰ সাধন চক্ষু, শব্দ শ্ৰৱণৰ সাধন কৰ্ণ, সেইদৰে অনাদি পৰমাত্মাক দৰ্শন কৰাৰ সাধন শুদ্ধ অন্তঃকৰণ। পবিত্ৰ আত্মাই বিদ্যা আৰু যোগাভ্যাসৰ দ্বাৰাই পৰমেশ্বৰক প্ৰত্যক্ষ দৰ্শন কৰে। যেনেকৈ অধ্যয়ন বিনা বিদ্যালাভ নহয়, সেইদৰে বিনা যোগাভ্যাসে, আৰু জ্ঞান-বিজ্ঞান বিনা পৰমাত্মাৰ দৰ্শন হব নোৱাৰে। যেনেকৈ পৃথিবীৰ ৰূপ আদি গুণ দেখি আৰু জানি, গুণৰ পৰা অব্যবহিত সম্বন্ধবিশিষ্ট পৃথিবী প্ৰত্যক্ষ হয়, সেইদৰে সৃষ্টিত পৰমাত্মাৰ ৰচনা বিশেষ লিঙ্গ (চিহ্ন) দেখি পৰমাত্মাক প্ৰত্যক্ষ কৰা যায়। পাপ আচৰণৰ ইচ্ছাৰ সময়ত মনত যে ভয়, সংশয় আৰু লজ্জা অনুভৱ হয়, সেইবোৰ অন্তৰ্য্যামী পৰমাত্মাৰ পৰাই হয়। ইয়াৰ দ্বাৰাই পৰমাত্মা প্ৰত্যক্ষ হয়। গতিকে অনুমানৰ বিষয়ে কোনো সন্দেহ থাকিব পাৰে নেকি? ।।২

প্ৰত্যক্ষ আৰু অনুমান প্ৰমাণ হোৱাত আগম প্ৰমাণো নিত্য, অনাদি আৰু সৰ্ব্বজ্ঞ ঈশ্বৰৰ বোধক। গতিকে ঈশ্বৰৰ বিষয়ে শব্দ প্ৰমাণো আছে। যেতিয়া জীৱই ত্ৰিবিধ প্ৰমাণৰ দ্বাৰা ঈশ্বৰক জানিব পাৰে,—তেতিয়া যথাৰ্থৰূপে অৰ্থবাদ অৰ্থাৎ পৰমেশ্বৰৰ গুণাৱলীৰ প্ৰশংসা কৰাত সমৰ্থ হয়। যি পদাৰ্থ নিত্য, তাৰ গুণ, কৰ্ম্ম স্বভাবো নিত্য। তেতিয়া প্ৰশংসাত কোনো প্ৰতিবন্ধ নেথাকে ।।৩। যেনেকৈ মানুহৰ ভিতৰত বিনা কৰ্ত্তাই কোনো কাৰ্য্য হব নোৱাৰে, সেইদৰে মহৎ কাৰ্য্যও কৰ্ত্তা নহলে হোৱা সৰ্ব্বথা অসম্ভৱ। এই কথা যদি সত্য হয়, তেন্তে ঈশ্বৰৰ অস্তিত্বৰ বিষয়ে মূৰ্খৰো সন্দেহ হব নোৱাৰে। উপদেষ্টা সকলৰ পৰা পৰমাত্মাৰ বিষয়ে উপদেশ শুনাৰ পাছত তাৰ অনুবাদ অৰ্থাৎ পুনৰুক্তিও সহজ সাধ্য।৪ গতিকে প্ৰত্যক্ষাদি প্ৰমাণৰ অভাৱ বুলি ঈশ্বৰৰ অস্তিত্ব অস্বীকাৰ কৰা জৈনসকলৰ অনুচিত।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্রশ্ন—অনাদেৰাগমস্যার্থো ন চ সৰ্ব্বজ্ঞ আদিমান্ ।
কৃত্রিমেণ ত্বসত্যেন স কথং প্রতিপাদ্যতে ॥১
অথ তদ্বচনেনৈব সৰ্ব্বজ্ঞোঽন্যৈঃ প্রতীয়তে ।
প্রকল্প্যেত কথং সিদ্ধিৰন্যোঽন্যাশ্রয়য়োস্তয়োঃ ॥২
সৰ্ব্বজ্ঞোক্ততয়া বাক্যং সত্যং তেন তদস্তিতা ।
কথং তদুভয়ং সিধ্যেৎ সিদ্ধমূলান্তৰাদৃতে ॥৩

মাজতে সৰ্ব্বজ্ঞ হোৱা অনাদি শাস্ত্ৰৰ অৰ্থ হব নোৱাৰে, কাৰণ কৃত অসত্য বচনেৰে তাৰ প্ৰতিপাদন কেনেকৈ হব পাৰে ? ॥১। যদি পৰমেশ্বৰৰ বাক্যৰেই পৰমেশ্বৰৰ সিদ্ধি হয়, তেতিয়া হলে অনাদি ঈশ্বৰৰ পৰা অনাদি শাস্ত্ৰৰ সিদ্ধি, অনাদি শাস্ত্ৰৰ দ্বাৰা অনাদি ঈশ্বৰৰ সিদ্ধি, এইদৰে অন্যোঽন্যাশ্রয় দোষ হয় ॥২। সৰ্ব্বজ্ঞৰ বাক্য মতে বেদবাক্য সত্য আৰু সেই বেদ বাক্যেৰেই ঈশ্বৰৰ সিদ্ধি কৰে, সেইটো কেনেকৈ যুক্তিসঙ্গত হব পাৰে ? সেই শাস্ত্ৰ আৰু পৰমেশ্বৰৰ সিদ্ধিৰ কাৰণে তৃতীয় কিবা প্ৰমাণৰ আৱশ্যক—এইদৰে হলেও অনৱস্থা দোষ ঘটে ॥৩।

উত্তৰ—আমাৰ মতে পৰমেশ্বৰ আৰু পৰমেশ্বৰৰ গুণ-কৰ্ম্ম-স্বভাৱ অনাদি। অনাদি আৰু নিত্য পদাৰ্থৰ মাজত অন্যোঽন্যাশ্রয় দোষ ঘটিব নোৱাৰে। যেনেকৈ কাৰ্য্যৰ দ্বাৰা কাৰণৰ আৰু কাৰণৰ দ্বাৰা কাৰ্য্যৰ জ্ঞান হয়; কাৰ্য্যত কাৰণৰ আৰু কাৰণত কাৰ্য্যৰ স্বভাৱ নিত্য, গতিকে ঈশ্বৰ কৃত বেদত অনৱস্থা দোষ নঘটে ॥১।২।৩॥ আপোনালোকে যে তীৰ্থংকৰক পৰমেশ্বৰ বুলি মানে, সেইটো কেতিয়াও যুক্তি সঙ্গত হব নোৱাৰে। কাৰণ পিতা-মাতাৰ বিনা সংযোগে তেওঁলোকৰ শৰীৰ হব নোৱাৰে, তেনেহলে তেওঁলোকে তপশ্চৰ্য্যা, জ্ঞান আৰু মুক্তি কেনেকৈ লাভ কৰিব পাৰে ? সংযোগৰ আদি নিশ্চয় আছে; কাৰণ বিয়োগ নহলে সংযোগ হবই নোৱাৰে। গতিকে অনাদি সৃষ্টিকৰ্ত্তা পৰমেশ্বৰক মনা কৰ্ত্তব্য। দেখক !

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যেয়ে যিমানেই সিদ্ধ হওক লাগে, কোনেও শৰীৰ আদিৰ সৃষ্টিৰ বিষয়ে সম্পূৰ্ণৰূপে জানিব পৰা সম্ভৱ নহয়। সুষুপ্তি অৱস্থাত সিদ্ধ জীৱৰ কোনো ভান নেথাকে। আৰু যেতিয়া কোনোৱে দুঃখগ্ৰস্ত হয়, তেতিয়া তাৰ জ্ঞানো হ্ৰাস পায়। বিভ্ৰান্ত বুদ্ধিৰ জৈনৰ বাহিৰে আন কোনেও পৰিমিত সামৰ্থ্য বিশিষ্ট একদেশী তীৰ্থঙ্কৰক ঈশ্বৰ বুলি মানিব নোৱাৰে। যদি আপোনা-লোকে কব খোজে যে, তীৰ্থঙ্কৰসকলৰ তেওঁলোকৰ মাতা-পিতাৰ পৰা জন্ম হৈছে, তেতিয়া হলে তেওঁলোকৰ মাতা-পিতা কাৰ পৰা হল, আৰু সেইসকলৰ মাতা-পিতা বা কাৰ পৰা হল? গতিকে এইদৰে অনৱস্থা দোষ ঘটিব।

আস্তিক নাস্তিকৰ সম্বাদ

ইয়াৰ পাছত "প্ৰকৰণৰত্নাকৰ"ৰ দ্বিতীয় ভাগৰ আস্তিক আৰু নাস্তিকবাদ সম্বন্ধীয় আলোচনা মূলক প্ৰশ্নোত্তৰ লিখিত হৈছে। কেইজন-মান বিশিষ্ট জৈনৰ সৰ্ব্বসন্মতিক্ৰমে এই সকলোবোৰ বোম্বাইৰ পৰা প্ৰকাশিত হৈছে।

নাস্তিক—ঈশ্বৰৰ ইচ্ছাত একো নহয়, যি হয় কৰ্ম্মৰ পৰাহে হয়।

আস্তিক—কৰ্ম্মৰ দ্বাৰাই যে সকলো হয়, কৰ্ম্ম কাৰ দ্বাৰাই হয়? যদি কয় যে জীৱ আদিৰ দ্বাৰাই হয়, তেনেহলে শ্ৰোত্ৰ আদি যিবোৰ সাধনেৰে জীৱই কৰ্ম্ম কৰে—সেইবোৰ কাৰ পৰা হ'ল? অনাদি কাল আৰু অনাদি স্বভাবেৰে হয় বুলি কয় যদি, যি অনাদি তাৰ কেতিয়াও অন্ত নহব। গতিকে আপোনালোকৰ মত অনুসাৰে মুক্তিৰ অভাৱ হব। যদি কব খোজে যে প্ৰাগভাববৎ অনাদি সান্ত, তেতিয়া হলে বিনা চেষ্টাতেই সকলো কৰ্ম্মৰ নিবৃত্তি হব। ঈশ্বৰ যদি ফলদাতা নহয়, তেন্তে পাপৰ ফল দুঃখ জীৱই স্বইচ্ছাই কেতিয়াও নুভুগে। যেনেকৈ চোৰ আদি অপৰাধীয়ে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স্তি ভুগিব নোখোজে, কিন্তু ৰাজ্যৰ ব্যৱস্থাই ভুগিবলৈ বাধ্য কৰে, এইদৰে পৰমেশ্বৰে ভোগ কৰিবলৈ বাধ্য কৰে কাৰণে জীৱই পাপ পুণ্যৰ ফল ভোগ কৰে; নহলে কৰ্ম্মসঙ্কৰ সৃষ্টি হয় অৰ্থাৎ এজনৰ কৃতকৰ্ম্মৰ ফল আন এজনে ভোগ কৰিব লাগিব।

নাস্তিক—ঈশ্বৰ নিষ্ক্ৰিয়; সক্ৰিয় হলে ঈশ্বৰেও কৰ্ম্মৰ ফল ভোগ কৰিব লাগে। গতিকে আমাৰ মতে কেৱলী প্ৰাপ্ত মুক্তসকল নিষ্ক্ৰিয়, ইয়াকেই আপোনালোকেও স্বীকাৰ কৰা কৰ্ত্তব্য।

আস্তিক—ঈশ্বৰ নিষ্ক্ৰিয় নহয়, সক্ৰিয়। যি চেতন সি অকৰ্ত্তা কেনেকৈ হব! আৰু যি কৰ্ত্তা সি ক্ৰিয়াৰ পৰা পৃথক্ কেতিয়াও হব নোৱাৰে। যেনেকৈ আপোনালোকে কৃত্ৰিম ঈশ্বৰ তীৰ্থঙ্কৰক জীৱৰ পৰা হোৱা বুলি মানে, এইদৰে আন কোনো পণ্ডিতে নেমানে, কাৰণ ঈশ্বৰ যদি কোনো নিমিত্ত বশতঃ হয়, তেতিয়া অনিত্য আৰু পৰাধীন হয়। ঈশ্বৰ হোৱাৰ আগত জীৱ হৈ থাকিও পাছত কোনো কাৰণ বশত ঈশ্বৰ হয়, তেন্তে আকৌ জীৱ হৈ যাব। নিজৰ জীৱত্ব স্বভাৱ কেতিয়াও এৰিব নোৱাৰিব, কিয়নো অনন্ত কালৰ পৰা জীৱ আছে আৰু অনন্ত কাললৈকে থাকিব। গতিকে এই অনাদি স্বতঃ সিদ্ধ ঈশ্বৰক মনা উচিত। দেখক! বৰ্ত্তমানত জীৱই যেনেকৈ পাপ পুণ্য কৰে আৰু সুখ দুঃখ ভোগে; ঈশ্বৰে তেনে নকৰে। ঈশ্বৰ ক্ৰিয়াবান নোহোৱা হলে এই জগতৰ কেনেকৈ সৃষ্টি হ'লহেঁতেন? যদি ভবা হয় যে, কৰ্ম্ম প্ৰাগভাৱৱৎ অনাদি আৰু সান্ত, তেতিয়া কৰ্ম্মৰ সমবায় সম্বন্ধ থাকিব নোৱাৰে, তেনেহলে কৰ্ম্ম সংযোগজ আৰু অনিত্য হব। মুক্ত অৱস্থাত ক্ৰিয়া অস্বীকাৰ কৰিলে মুক্ত জীৱৰ জ্ঞান থাকিব নে নেথাকে? থাকে বুলি মানে যদি, অন্তঃ ক্ৰিয়াযুক্ত হয়। মুক্ত অৱস্থাত জীৱই জড় পদাৰ্থৰ দৰে লৰচৰহীন হৈ এঠাইত পৰি থাকে নেকি? তেনে মুক্তি, তেনেহলে কি মুক্তি হল? অন্ধকাৰ আৰু বন্ধনতহে থাকিল দেখোন?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নাস্তিক—ঈশ্বৰ ব্যাপক নহয়, ব্যাপক হলে সকলো বস্তু চেতন নহয় কিয় ? আৰু ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ আদিৰ উত্তম, মধ্যম আৰু নিকৃষ্টতা কেনেকৈ হব ? যিহেতু ঈশ্বৰ সৰ্ব্বব্যাপক হৈ আছে, কোনো উত্তম মধ্যম হব নোৱাৰে।

আস্তিক—ব্যাপ্য আৰু ব্যাপক একে নহয়। ব্যাপ্য একদেশী আৰু ব্যাপক সৰ্ব্বদেশী। যেনেকৈ আকাশ সকলোতে ব্যাপক আৰু ভূগোল, ঘটপট আদি সকলো ব্যাপ্য, একদেশী। যেনেকৈ আকাশ আৰু পৃথিবী একে নহয়, সেইদৰে ঈশ্বৰ আৰু জগৎ একে নহয়। যেনেকৈ সকলো ঘটপট আদিত আকাশ ব্যাপক, ঘটপট আদি আকাশ নহয়, সেইদৰে পৰমেশ্বৰৰ চেতন সকলোতে আছে, কিন্তু সকলো চেতন নহয়। যেনেকৈ বিদ্বান্ অবিদ্বান্ আৰু ধৰ্ম্মাত্মা অধৰ্ম্মাত্মা একে নহয়, সেইদৰে বিদ্যাদি সদ্‌গুণ আৰু সৎকৰ্ম্ম আৰু সুশীলতা আদি স্বভাৱৰ ন্যূনাধিক্যৰ কাৰণে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ আৰু অন্ত্যজ বা সৰু-বৰ মনা হয়। বৰ্ণৰ ব্যাখ্যা চতুৰ্থ সমুল্লাসত দিয়া হৈছে।

নাস্তিক—ঈশ্বৰৰ ইচ্ছাত যদি সৃষ্টি হয়, মাতা-পিতাৰ কি কাম থাকে ?

আস্তিক—ঐশ্বৰিক সৃষ্টিৰ ঈশ্বৰ কৰ্ত্তা, জৈৱী সৃষ্টিৰ কৰ্ত্তা ঈশ্বৰ নহয়। জীৱৰ কৰ্ত্তব্য কৰ্ম্ম ঈশ্বৰে নকৰে, জীৱইহে কৰে। ঈশ্বৰে বৃক্ষ, ফল, ঔষধি, অন্ন আদি সৃষ্টি কৰিছে, সেইবোৰ মানুহে কাটি ছিঙি, বান্ধি-খুন্দি নেখালে, সেই কামো ঈশ্বৰে কৰিব নেকি ? তাকে নকৰিলে জীৱৰ জীৱনো হব নোৱাৰে। আদি সৃষ্টিত জীৱৰ শৰীৰ আৰু সাঁচ নিৰ্ম্মাণ কৰা ঈশ্বৰৰ অধীন, তাৰ পাছত পুত্ৰাদিৰ উৎপত্তি কৰা জীৱৰ কৰ্ত্তব্য।

নাস্তিক—শাশ্বত, অনাদি, চিদানন্দ, জ্ঞানস্বৰূপ পৰমাত্মাই জগতৰ প্ৰপঞ্চ আৰু দুঃখত কিয় আৱদ্ধ হল ? সাধাৰণ মানুহেও আনন্দ, সুখ এৰি দুঃখ ভোগ নকৰে, ঈশ্বৰে নো কিয় কৰিছে ?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আস্তিক—পৰমাত্মা প্ৰপঞ্চ বা দুঃখত নপৰে, নিজৰ আনন্দও পৰিত্যাগ নকৰে। যি একদেশী, সিহে প্ৰপঞ্চ আৰু দুঃখত পৰে, সৰ্ব্বদৰ্শী কেতিয়াও নপৰে। অনাদি, চিদানন্দ, জ্ঞানস্বৰূপ পৰমাত্মাই এই জগৎখন ৰচনা নকৰিলে আন কোনে কৰিব পাৰে? জগৎ ৰচনা কৰিব পৰা শক্তি জীৱৰ নাই; জড় পদাৰ্থৰো স্বয়ং হব পৰা সামৰ্থ্য নাই। ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে, পৰমাত্মায়েই জগৎ সৃষ্টি কৰে আৰু তেওঁ স্বয়ং আনন্দত থাকে। পৰমাত্মাই পৰমাণুৰ পৰা যেনেকৈ জগতৰ সৃষ্টি কৰিছে, সেই দৰেই মাতা-পিতাৰূপ নিমিত্ত কাৰণৰ পৰা উৎপত্তিৰ ব্যৱস্থা আৰু নিয়মো তেওঁৱেই প্ৰচলন কৰিছে।

নাস্তিক—ঈশ্বৰে মুক্তি সুখ এৰি জগতৰ সৃষ্টিকৰণ, ধাৰণ আৰু প্ৰলয়ৰ জঞ্জালত কিয় সোমালে?

আস্তিক—ঈশ্বৰ সদা মুক্ত। যি ঈশ্বৰ, তেওঁ আপোনালোকৰ কল্পনা বিশিষ্ট তীৰ্থঙ্কৰসকলৰ দৰে বন্ধনৰ পাছত মুক্তিলাভ নকৰে। যি সনাতন পৰমাত্মা অনন্ত গুণ-কৰ্ম্ম স্বভাৱ বিশিষ্ট, তেওঁ এই অকিঞ্চিৎকৰ জগতৰ সৃষ্টি-স্থিতি প্ৰলয় কৰিবৰ কাৰণে বন্ধনত আবদ্ধ নহয়। বন্ধন আৰু মুক্তি আপেক্ষিক, অৰ্থাৎ বন্ধন মুক্তিৰ সাপেক্ষ আৰু মুক্তি বন্ধনৰ সাপেক্ষ। যিজন কেতিয়াও বন্ধাই নাছিল, তেওঁৰ আকৌ মুক্তি কেনেকৈ হব পাৰে? জীৱ সসীম আৰু একদেশী কাৰণে জীৱৰ মুক্তি আৰু বন্ধন আদি সদায় হৈ থাকে। অনন্ত সৰ্ব্বব্যাপী আৰু সৰ্ব্বব্যাপক ঈশ্বৰ আপোনালোকৰ তীৰ্থঙ্কৰসকলৰ দৰে কেতিয়াও নৈমিত্তিক বন্ধন বা মুক্তিচক্ৰত নপৰে। এই কাৰণেই পৰমাত্মাক সদা মুক্ত বোলা হয়।

নাস্তিক—ভাং খোৱাৰ ফল মাদকতাৰ দৰে জীৱই কৰ্ম্মফল নিজেই ভোগ কৰে, গতিকে ঈশ্বৰৰ নো কি প্ৰয়োজন?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আস্তিক—যেনেকৈ বিনা ৰাজশাসনে লম্পট, দস্যু, চোৰ আদি দুৰ্বৃত্তবোৰে নিজে নিজে ফাঁচী, কাৰাবাসৰ ইচ্ছা নকৰে, কিন্তু ৰাজ্যৰ ন্যায় বিধি অনুসাৰে বাধ্য কৰি যথাযোগ্য শাস্তি দিয়া হয়, সেইদৰে পৰমাত্মাৰ স্বকীয় বিধিব্যৱস্থা অনুসাৰে জীৱবোৰক নিজৰ নিজৰ কৰ্ম্মৰ ফল অনুসাৰে যথাযোগ্য ফলভোগ কৰায়। কোনো জীৱই নিজৰ কুকৰ্ম্মৰ ফল ভোগ কৰিব নোখোজে, গতিকে ন্যায়াধীশ বা বিচাৰপতি পৰমাত্মাৰ প্ৰয়োজন।

নাস্তিক—জগতৰ ঈশ্বৰ এক নহয়, সকলো মুক্ত জীৱেই ঈশ্বৰ।

আস্তিক—এনেকুৱা কথা একেবাৰেই অৰ্থহীন। যদি কোনো জীৱে বন্ধনৰ পৰা মুক্ত হয়, তেনেহলে পুনৰায় তেওঁ বন্ধনত পৰিব লাগিব; কাৰণ জীৱ স্বভাৱতঃ নিত্যমুক্ত নহয়। আপোনালোকৰ চব্বিশজন তীৰ্থঙ্কৰ পূৰ্ব্বে বদ্ধ আছিল, পাছত মুক্ত হৈছে; গতিকে তেওঁলোক পুনৰায় বন্ধনত পৰিব লাগিব। আৰু বহুত ঈশ্বৰ হলে, জীৱৰ দৰেই তেওঁলোকৰ ভিতৰতো পৰস্পৰ বাদ-বিবাদ হব।

নাস্তিক—হে মূঢ়! জগতৰ কৰ্ত্তা কোনো নাই। জগৎ স্বয়ং সিদ্ধ।

আস্তিক—এয়েই জৈনসকলৰ মহা ভ্ৰম। বাৰু, সংসাৰত কৰ্ত্তা নোহোৱাকৈ ক্ৰিয়া আৰু ক্ৰিয়া নোহোৱাকৈ কোনো কাম হোৱা দেখা যায় নেকি? ই এনে এটা কথা হব যেনিবা—ঘেহুৰ পথাৰত ঘেঁহু নিজে নিজে গুৰি হৈ ৰুটি হৈ জৈনসকলৰ পেটলৈ সোমাই যায়। কপাহ নিজে নিজে সূতা, বস্ত্ৰ, চোলা, চাদৰ চুৰীয়া, পাগুৰি আদি হব পাৰে জানো? কিন্তু তেনে কেতিয়াও নহয়। গতিকে সৃষ্টি কৰ্ত্তা ঈশ্বৰ নহলে এই বিচিত্ৰ জগৎ আৰু এই বিচিত্ৰ ৰচনা কেনেকৈ সম্ভৱ হব পাৰে? যদি যুক্তিত সৈমান নহৈ জগৎ স্বয়ং সিদ্ধ বুলি ভাবে, তেনেহলে আগত উল্লেখ কৰা উদাহৰণৰ দৰে কৰ্ত্তা নোহোৱাকৈ বস্ত্ৰ আদি কেনেকৈ স্বয়ং হব পাৰে তাক প্ৰত্যক্ষ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...প প্ৰদৰ্শন কৰক। যদি প্ৰমাণ প্ৰদৰ্শন কৰিব নোৱাৰে, তেনেহলে ...নো বুদ্ধি বিবেচনাশীল মানুহে আপোনালোকৰ যুক্তিপ্ৰমাণহীন কথা ...নিব পাৰে নে ?

নাস্তিক—ঈশ্বৰ অনাসক্ত নে মোহগ্ৰস্ত ? অনাসক্ত হলে তেওঁ ...গৎ প্ৰপঞ্চত সোমালে কিয় ? যদি ঈশ্বৰ মোহগ্ৰস্ত হয়, তেনেহলে তেওঁৰ ...গৎ সৃষ্টিৰ সামৰ্থ্য থাকিব নোৱাৰে।

আস্তিক—পৰমেশ্বৰৰ বৈৰাগ্য অথবা মোহ ঘটিব নোৱাৰে। কাৰণ ...ি সৰ্ব্বব্যাপক, তেওঁ কাক ত্যাগ কৰিব বা কাক গ্ৰহণ কৰিব ? পৰমে- ...শ্বৰতকৈ শ্ৰেষ্ঠ কোনো নাই আৰু তেওঁৰ অপ্ৰাপ্ত বস্তুও একো নাই। ...তিকে তেওঁৰ কোনো বস্তুৰ প্ৰতি মোহ নাই। বৈৰাগ্য আৰু মোহ জীৱৰ ...ে সম্ভৱ, ঈশ্বৰৰ নহয়।

নাস্তিক—ঈশ্বৰক জগৎ কৰ্ত্তা আৰু জীৱৰ কৰ্ম্মফলদাতা মানিলে ...ওঁ প্ৰপঞ্চী হৈ দুঃখী হ'ব।

আস্তিক—তেনেহলে, নানা কৰ্ম্মৰ কৰ্ত্তা, প্ৰাণীবোৰৰ কৰ্ম্মফল- ...তা, ধাৰ্ম্মিক, বিচাৰপতি আৰু জ্ঞানী মানুহো কৰ্ম্মত আৱদ্ধ বা প্ৰপঞ্চী ...হয়, অনন্ত সামৰ্থ্যবান্ পৰমেশ্বৰ কেনেকৈ প্ৰপঞ্চী আৰু দুঃখগ্ৰস্ত হ'ব ...ৰে ? অৱশ্যে আপোনালোকৰ অজ্ঞানতা বশতঃ পৰমেশ্বৰক তীৰ্থঙ্কৰ ...ত নিজৰ নিজৰ দৰে ভাবে। এইবোৰ আপোনালোকৰ অজ্ঞানতাৰ ...িমা! যদি আপোনালোকে অবিদ্যা আদি দোষৰ পৰা মুক্ত হ'ব খোজে, ...নেহলে বেদ আদি শাস্ত্ৰৰ শৰণাপন্ন হওক। বিভ্ৰান্ত হৈ দুঃখিত হৈছে ...?

জগতৰ বিষয়ে জৈনসকলৰ যি মত আছে, এতিয়া তাৰ সূত্ৰ ...ি অনুসাৰে প্ৰদৰ্শন কৰা হ'ব। সূত্ৰবোৰৰ মূল অৰ্থ সংক্ষেপত বিবৃত ...ি সত্য-অসত্যৰ বিবেচনা কৰা হৈছে :—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মূল—সামিঅণাই অণন্তে চ নুগই সংসাৰ ঘোৰকান্তৰে।
মোহাই কৰ্ম্মগুৰু ঠিই বিবাগ ৰমন্থু ভম্মই জীৱৰো॥
(প্ৰকৰণৰত্নাকৰ ২য় ভাগ। ষষ্ঠীশতক ৬০।সূত্ৰ ২)

এই হল ৰত্নসাৰ ভাগ নামৰ গ্ৰন্থৰ সম্যকত্ব প্ৰকাশ প্ৰকৰণত গৌতম আৰু মহাবীৰৰ কথোপকথন।

ইয়াৰ প্ৰয়োজনীয় অৰ্থ সংক্ষেপত হল এই যে, এই জগত অনাদি আৰু অনন্ত। জগতৰ সৃষ্টি কেতিয়াও হোৱা নাই আৰু বিনাশো নাই। অৰ্থাৎ জগৎ কোনেও সৃষ্টি কৰা নাই। ইয়াকেই আস্তিক নাস্তিক সংবাদত লিখিত আছে, "হে মূঢ়! জগতৰ কৰ্ত্তা কোনো নাই। জগত কেতিয়াও সৃষ্ট হোৱা নাই আৰু কেতিয়াও বিনাশো নহয়।"

সমীক্ষক—যি সংযোগজ, সি কেতিয়াও অনাদি আৰু অনন্ত হব নোৱাৰে। আৰু কৰ্ম্ম উৎপত্তি তথা বিনাশ নোহোৱাকৈ নেথাকে। জগতত যিবোৰ বস্তুৰ উৎপত্তি হৈছে সকলো সংযোগজ। দেখা যায় উৎপত্তি সদায় বিনাশশীল। গতিকে জগতৰ উৎপত্তি হৈছে যেতিয়া বিনাশ নহব কিয়? গতিকে আপোনাৰ তীৰ্থঙ্কৰসকলৰ সম্যক বোধ নাছিল। সম্যক্ জ্ঞান হোৱা হলে এনেকুৱা অসঙ্গত কথা কেনেকৈ লিখিলেহেঁতেন? আপোনালোকৰ গুৰু যেনে আপোনালোক শিষ্যও তেনে। আপোনালোকৰ কথা শুনোতাসকলৰ কেতিয়াও পদাৰ্থৰ জ্ঞান হব নোৱাৰে বাৰু, যিবোৰ সংযোগজ পদাৰ্থ প্ৰত্যক্ষ দেখা যায় সেইবোৰৰ যে উৎপত্তি আৰু বিনাশ হয় এই কথা স্বীকাৰ নকৰাৰ যুক্তি কি? ইয়াৰ পৰা বুজিব পাৰি যে জৈন আচাৰ্য্যসকলৰ ভূগোল আৰু খগোল বিদ্যাৰ জ্ঞান নাছিল, আৰু এতিয়ালৈকে হোৱা নাই, সেয়ে নহলে তলত উল্লেখ কৰা অসম্ভৱ কথাবোৰ তেওঁলোকে কেনেকৈ কব বা বিশ্বাস কৰিব পাৰে?

দেখক! জৈনসকলে এই সৃষ্টিত পৃথিবীকায় আৰু জলকায় আদি অৰ্থাৎ পৃথিবী আৰু জলৰ শৰীৰ আকৃতি বিশিষ্ট জীৱৰ অস্তিত্ব স্বীকাৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...ৰে। এনেকুৰা অদ্ভুত কথা কোনেও বিশ্বাস কৰিব নোৱাৰে। ইয়াৰ ...ৰিও জৈনসকলৰ আৰু অনেক মিছা কথা আছে। যিসকল তীৰ্থ-...ক তেওঁলোকে সম্যক্ জ্ঞানী আৰু পৰমেশ্বৰ বুলি মান্য কৰে, সেই ...কলৰ কিছুমান মিছা বাক্যৰ উদাহৰণ তলত উল্লেখ কৰা হ'ল।

"ৰত্নসাৰভাগ" (জৈনসকলে যাক প্ৰামাণিক গ্ৰন্থৰূপে মানে। এই গ্ৰন্থ ইংৰাজী ১৮৭৯ চনৰ ১৮ এপ্ৰিলত বেনাৰসৰ জৈনপ্ৰভাকৰ প্ৰেছত ...দ চন্দ্ৰ জতীৰ দ্বাৰাই ছপা আৰু প্ৰকাশিত হৈছে।) এই গ্ৰন্থৰ ...পৃষ্ঠাত তলত দিয়া দৰে কালৰ বাখ্যা আছে :—

সময়ৰ নাম সূক্ষ্ম কাল। অসংখ্যাত সময়ক "আবলি" বোলে। ...কোটি ৬৬ লাখ, ৭০ হেজাৰ, ২শ, ১৬ আবলিয়ে এক মুহূৰ্ত্ত। এইদৰে ...মুহূৰ্ত্তত এদিন, ১৫ দিনত এক পক্ষ, দুই পক্ষই এক মাহ, ১২ ...হত এক বছৰ। এইদৰে ৭০ লাখ, ৫৬ হেজাৰ কোটি বছৰত এক 'পূৰ্ব্ব"। ...নেকুৰা অসংখ্যাত পূৰ্ব্বৰ এক "পল্যোপম" কাল হয়।

অসংখ্যাতৰ স্বৰূপ—৪ ক্ৰোশ (২ মাইলে এক ক্ৰোশ) বহল, ...ক সিমানেই গভীৰ অৰ্থাৎ দ, এটা নাদ খানি, সেই নাদটো "জুগুলিয়া" ...জা) মানুহৰ নোম তলত দিয়া হিচাবে খণ্ড খণ্ড কৰি পূৰাব। জুগু-...য়া মানুহৰ নোম, আধুনিক মানুহৰ এদাল নোমৰ ৪ হেজাৰ ৯৬ ভাগৰ ...গৰ সমান সূক্ষ্ম অৰ্থাৎ জুগুলিয়া মানুহৰ উক্ত ৪ হেজাৰ ৯৬ খণ্ড ...ণ জোৰা দিলে আধুনিক মানুহৰ এদাল নোমৰ সমান হব।

জুগুলিয়া মানুহৰ একাঙ্গুল নোম, ৭ বাৰ ৮ খণ্ডকৈ ভাগ কৰিলে ...,৯৭,১৫২ (বিশ লাখ, সাতানব্বৈই হেজাৰ এশ বাৰন্ন) ভাগ হয়। ...ৰে খণ্ড খণ্ড কৰা নোমেৰে পূৰ্ব্বোক্ত পৰিমাণৰ নাদ পৰিপূৰ্ণ কৰিব। ...নাদৰ পৰা এশবছৰৰ অন্তৰে অন্তৰে এক এক খণ্ড কৰি আটাই-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বোৰ নোম বাহিৰ কৰোঁতে যিমান কাল লাগে সেই সময়কেই "অসংখ্যাত" বোলে।

আকৌ সেই নোমৰ প্ৰত্যেক ক্ষুদ্ৰ খণ্ডবোৰ অসংখ্য খণ্ড কৰি, তাৰে এনেভাবে সেই নাদটো ভৰাব, তাৰ ওপৰেদি এক ৰাজচক্ৰৱৰ্ত্তীৰ সকলো সৈন্য গলেও যাতে তললৈ বহি নাযায়। তাৰ পাছত সেই নাদৰ পৰা নোমৰ ক্ষুদ্ৰ ক্ষুদ্ৰ টুকুৰাবোৰৰ একো একো ডোখৰ এশ বছৰৰ অন্তৰে অন্তৰে বাহিৰ কৰিব। এইদৰে সেই নাদটো খালি কৰোঁতে যিমান সময় লাগে তাকেই অসংখ্য "পূৰ্ব্ব" বোলে। এনেকুৱা অসংখ্য পূৰ্ব্ব বছৰে এক **"পল্যোপম"** কাল হয়। এইদৰে ১০ কোটি পল্যোপম কাল অতীত হলে এক **"সাগৰোপম"** কাল হয়। ১০ কোটি সাগৰোপম কাল অতীত হলে এক **"উৎসৰ্পণী"** কাল হয়। এক উৎসৰ্পণী আৰু এক অৱসৰ্পণী কাল অতীত হলে এক "কালচক্ৰ" হয়। তেনেকুৱা অনন্ত কালচক্ৰ অতীত হলে এক **'পুদ্‌গলপৰাবৃত্ত"** হয়। অনন্ত কাল কি! এই সিদ্ধান্তবোৰত যি ৯টা উদাহৰণেৰে কালৰ গণনা কৰা হৈছে, ইয়াৰে সীমা যি অতিক্ৰম কৰে, তাকেই অনন্তকাল বোলে। জীৱবোৰে অনন্ত "পুদ্‌গলপৰাবৃত্ত কাল" ভ্ৰমণ কৰোঁতে অতিবাহিত হৈছে ইত্যাদি।

গণিত বিদ্যাৰ পণ্ডিতসকল! আপোনালোকে জৈনগ্ৰন্থৰ আৰ্য্যা-মতে কাল গণনা কৰিব পাৰিব নে? এতিয়া ভাবি চ'ক, তীৰ্থঙ্কৰসকলৰ গণিত বিদ্যাৰ জ্ঞান কিমান গভীৰ! জৈন মতাৱলম্বীসকলৰ ভিতৰত এনে-কুৱা অনেক গুৰু আৰু শিষ্য আছে—যাৰ অবিদ্যাৰ সীমা নাই।

জৈন পন্থীৰ অজ্ঞতাৰ কথা আৰু আছে। ৰত্নসাৰ ভাগ জৈন সিদ্ধান্তৰ গ্ৰন্থ। তাৰ ১৩৩ পৃষ্ঠাৰ পৰা তীৰ্থঙ্কৰসকলৰ অৰ্থাৎ ঋষভদেৱৰ পৰা মহাবীৰ পৰ্য্যন্ত ২৪ জন তীৰ্থঙ্কৰৰ বচনবোৰৰ সাৰ সংগ্ৰহ। সেই ৰত্নসাৰ ভাগৰ ১৪৮ পৃষ্ঠাত লিখা আছে যে, মাটি প্ৰস্তৰ আদিৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ভিন্ন আকৃতিৰ পৃথিবী বিশেষক পৃথিবীকায় জীৱ বোলে। সেই-বোৰত অৱস্থিত জীৱৰ দেহ এটা আঙুলিৰ অসংখ্য ভাগৰ এভাগ অৰ্থাৎ অতি সূক্ষ্ম। সেইবোৰৰ আয়ুষ সৰ্ব্বাধিক ২২ বছৰ পৰ্য্যন্ত। (ৰত্নসাৰ পৃষ্ঠা ১৪৯) এক এক বনস্পতি দেহত অনন্ত জীৱ থাকে, সেই-বোৰক সাধাৰণ বনস্পতি বোলে। যিবোৰ কন্দমূল প্ৰমুখ আৰু অনন্তকায় সেইবোৰক সাধাৰণ বনস্পতিৰ জীৱ বোলা উচিত। সেইবোৰৰ আয়ুৰ পৰিমাণ অনন্ত মুহূৰ্ত্ত; কিন্তু ইয়াত পূৰ্ব্বোক্ত মুহূৰ্ত্তকেই বুজিব লাগে। সেইবোৰৰ দেহৰ কেৱল এটাই ইন্দ্ৰিয় অৰ্থাৎ স্পৰ্শ ইন্দ্ৰিয় আছে। যাৰ ভিতৰত এক জীৱ থাকে, সেইবোৰৰ প্ৰত্যেক বনস্পতি বোলে। সেইবোৰৰ দেহৰ পৰিমাণ এক সহস্ৰ যোজন। পৌৰাণিকৰ মতে ৪ ক্ৰোশত এক যোজন; কিন্তু জৈনসকলৰ মতে ১০,০০০ (দহ হেজাৰ) ক্ৰোশত এক যোজন হয়! এনেকুৱা ৪ সহস্ৰ ক্ৰোশ পৰিমাণৰ দেহ সেইবোৰ জীৱৰ আয়ুষ অত্যধিক দহ সহস্ৰ বছৰ।

দুই ইন্দ্ৰিয় বিশিষ্ট জীৱ অৰ্থাৎ শৰীৰ আৰু মুখ বিশিষ্ট শঙ্খ, কড়ি, ওকনি আদি এই ধৰণৰ জীৱৰ দেহৰ আয়তন সৰ্ব্বাধিক ৪৮ ক্ৰোশ আৰু আয়ুষৰ পৰিমাণ সৰ্ব্বাধিক ১২ বছৰ। এই খিনিতে ডাঙৰ ভূল হৈছে, কাৰণ প্ৰকাণ্ড দেহবিশিষ্ট জীৱৰ আয়ুষৰ পৰিমাণো সেইমতে অধিক লিখি থোৱা উচিত হলহেঁতেন। আৰু ৪৮ ক্ৰোশ আয়তন দেহ বিশিষ্ট ওকনি কেৱল জৈনসকলৰ দেহতহে থকা সম্ভৱ, গতিকে তেওঁলোকেহে এনেকুৱা ওকনি দেখাটো সম্ভৱ। ইমান প্ৰকাণ্ড দেহৰ ওকনি দেখাৰ ভাগ্য তেওঁলোকৰ বাহিৰে আন কাৰ হব পাৰে !!!

(ৰত্নসাৰ ভাগ পৃ। ১৫০) জৈনসকলৰ অজ্ঞতাৰ কথা আৰু শুনক! তেওঁলোকে ভাবে যে বৃশ্চিক, উৰহ, ডাঁহ আৰু মাখিৰ দেহৰ আয়তন ১ যোজন, আয়ুৰ পৰিমাণ সৰ্ব্বাধিক ছয় মাহ পৰ্য্যন্ত! ৪ ক্ৰোশ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বহল দেহৰ বৃশ্চিক আৰু কোনেও দেখা পোৱা নাই। এনেকুৱা ৮ মাইল যোৰা দেহৰ বৃশ্চিক, মাখি আদি বোধ হয় জৈনসকলৰ গৃহে গৃহে থাকে, আৰু কেৱল তেওঁলোকেহে দেখিছে, সংসাৰৰ আন কোনেও তেনেকুৱা প্ৰকাণ্ড বৃশ্চিক, মাখি আদি দেখা নাই। এনেকুৱা বৃশ্চিকে কেনেবাকৈ জৈনক দংশন কৰিলে তেওঁলোকৰ কি অৱস্থা হব?

জলচৰ মৎস্য আদিৰ দেহৰ আয়তন এক সহস্ৰ যোজন অৰ্থাৎ দহ হেজাৰ ক্ৰোশ। যোজন হিচাবে এটা এটা জলচৰ জীৱৰ দেহৰ আয়তন ১০,০০০,০০০ (এক কৌটি) ক্ৰোশ হয়। সেইবোৰ জীৱৰ আয়ুষৰ পৰিমাণো এক কৌটি পুৰ্ব্ব বছৰ। ইমান বিশাল জীৱ জৈনৰ বাহিৰে আন কোনেও দেখা নাই। চতুষ্পদ হস্তী আদিৰ দেহৰ আয়তন দুইৰ পৰা ন ক্ৰোশ পৰ্য্যন্ত, আৰু আয়ুষৰ পৰিমাণ চৌৰাশী হেজাৰ বছৰ ইত্যাদি। এনেকুৱা বিশাল দেহৰ জীৱ জৈনৰ বাহিৰে আন কোনেও দেখা নাই, গতিকে জৈনৰ বাহিৰে আন কোনো বুদ্ধিমান মানুহে বিশ্বাস কৰিব নোৱাৰে। (ৰত্নসাৰ ভাগ ১৫১ পৃষ্ঠা) জলচৰ গৰ্ভজ জীৱৰ দেহৰ আয়তন অত্যধিক এক সহস্ৰ যোজন অৰ্থাৎ এক কৌটি ক্ৰোশ আৰু আয়ুষৰ পৰিমাণ কোটি পুৰ্ব্ব বছৰ। ইমান বিশাল দেহ আৰু আয়ুষবিশিষ্ট জীৱ জৈন আচাৰ্য্যসকলে কেৱল স্বপ্নতহে দেখা সম্ভৱ! সেয়ে নহলে এইবোৰ অসম্ভৱ আৰু মিছা কথা।

এতিয়া পৃথিবীৰ পৰিমাণ যেনেকৈ লিখিত আছে তাক শুনক। (ৰত্নসাৰ ভাগ ১৫২ পৃষ্ঠা) এই বিষম কোণ—বিশিষ্ট লোকত অসংখ্যাত দ্বীপ আৰু অসংখ্য সমুদ্ৰ আছে। অসংখ্যাতৰ মানে আঢ়ৈ সাগৰোপম কালত যিমান সময় হয়, সিমান সংখ্যক দ্বীপ আৰু সমুদ্ৰ বুজিব লাগিব। পৃথিবীত "জম্বুদ্বীপ" প্ৰথম আৰু সকলো দ্বীপৰ মাজত অৱস্থিত। ইয়াৰ আয়তন এক লক্ষ যোজন অৰ্থাৎ এক "অৰ্বুদ" ক্ৰোশ। ইয়াৰ চাৰিও

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

…লে লুণীয়া সাগৰ। ইয়াৰ আয়তন দুই লক্ষ যোজন অৰ্থাৎ দুই "অৰ্বুদ" ক্ৰোশ। জম্বুদ্বীপৰ চতুৰ্দিকে **"ধাতকী খণ্ড"** নামৰ দ্বীপ অৱস্থিত। ইয়াৰ আয়তন চাৰি লক্ষ যোজন অৰ্থাৎ চাৰি **"অৰ্বুদ"** ক্ৰোশ। ইয়াৰ বাহিৰে **"কালোদধি"** সমুদ্ৰ। ইয়াৰ আয়তন আঠ লক্ষ **"অৰ্বুদ"** ক্ৰোশ। তৎপৰৱৰ্ত্তী **"পুষ্কৰাবৰ্ত্ত"** দ্বীপ যাৰ পৰিমাণ ষোল অৰ্বুদ ক্ৰোশ। এই দ্বীপৰ অভ্যন্তৰ ভাগ অসমান। এই দ্বীপৰ অৰ্দ্ধ ভাগত মানুহৰ বসতি। ইয়াৰ অতিৰিক্ত অসংখ্যাত দ্বীপ, সমুদ্ৰ আছে, সেইবোৰত তিৰ্য্যগ যোনিৰ জীৱ বাস কৰে। (ৰত্নসাৰ ভাগ, ১৫৩ পৃষ্ঠা) জম্বুদ্বীপত (১) হিমবন্ত, (২) ঐৰণ্যবন্ত, (৩) হৰিবৰ্ষ, (৪) ৰম্যক, (৫) দেৱকুৰু, (৬) উত্তৰ কুৰু—এই ছয়ক্ষেত্ৰ আছে ॥

সমীক্ষক—এতিয়া ভূগোল বিদ্যাবিৎসকল! ভূমণ্ডলৰ আয়তন নিৰ্ণয় কৰোঁতে আপোনালোকে ভুল কৰিছে, নে জৈনসকলে ভুল কৰিছে? যদি জৈনসকলে ভুল কৰিছে তেনেহলে আপোনালোকে তাৰ প্ৰমাণ কৰি তেওঁলোকক বুজাই দিয়ক। আৰু যদি আপোনালোকৰ ভুল হৈছে, তেনে-হলে জৈনসকলৰ পৰা শিকি বুজি লওক! অলপ চিন্তা কৰি চালে বুজা যায় যে, জৈন আচাৰ্য্যসকল আৰু তেওঁলোকৰ অনুগামীসকলে ভূগোল, খগোল আৰু গণিত বিদ্যাৰ একেবাৰেই অধ্যয়ন কৰা নাই; সেয়ে নহলে তেওঁলোকে এনেবোৰ অসম্ভৱ গল্পৰ ৰচনা কৰিব কিয়? এনেকুৱা অজ্ঞ-লোকে জগৎ অকৰ্ত্তৃক বুলি ভবাত আৰু ঈশ্বৰৰ অস্বীকাৰ কৰাত আশ্চৰ্য্য কি হব পাৰে? জৈনসকলে তেওঁলোকৰ গ্ৰন্থসমূহ কোনো ভিন্ন মতাৱলম্বী বিদ্বানক পঢ়িবলৈ নিদিয়ে, কাৰণ তেওঁলোকে সেই গ্ৰন্থবোৰ তীৰ্থঙ্কৰ-সকলৰ ৰচিত সিদ্ধান্ত গ্ৰন্থ বুলি বিশ্বাস কৰে। উক্ত গ্ৰন্থবোৰ এনেকুৱা অবিদ্যাৰ কথাৰে পৰিপূৰ্ণ যে, আনক পঢ়িবলৈ দিলে ৰহস্য ওলাই পৰে। জৈনসকলৰ বাহিৰে আন কোনো বুদ্ধিমান ব্যক্তিয়ে এনে অসঙ্গত গল্প

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সত্য বুলি বিশ্বাস কৰিব মোৱাৰে। জগতক অনাদি প্ৰমাণ কৰিবৰ কাৰণেই এনেবোৰ জাল প্ৰপঞ্চৰ অৱতাৰণা কৰিছে। কিন্তু এইবোৰ সম্পূৰ্ণ মিছা। জগতৰ কাৰণ অৱশ্যে অনাদি, কাৰণ পৰমাণু আদি তত্ত্বস্বৰূপ অকৰ্তৃক। কিন্তু পৰমাণুৰ নিয়মানুসাৰে স্বয়ং নিৰ্ম্মিত অথবা ভগ্ন হবৰ সামৰ্থ্য একো নাই। দ্ৰব্যৰ পৰমাণু স্বভাবতঃ ভিন্ন ভিন্ন আৰু জড়, গতিকে স্বয়ং মিল হৈ কাৰ্য্যৰূপ জগৎ সৃষ্টি হব নোৱাৰে। জগতৰ চেতন সৃষ্টিকৰ্ত্তা থকা সুনিশ্চিত যি জ্ঞান স্বৰূপ। দেখক! জগতৰ সূৰ্য্য, পৃথিবী আদি সকলো লোকৰ নিশ্চিত নিয়ন্ত্ৰণ অনাদি অনন্ত, চেতন পৰমাত্মাৰ কাৰ্য্য। স্থূল জগতৰ যিবোৰ সংযোগজ সৃষ্টি দেখা যায়—সেইবোৰ কেতিয়াও আদি অন্তহীন নহয়। কাৰ্য্য জগৎ নিত্য বুলি ধৰিলে তাৰ কোনো কাৰণ নেথাকে। কাৰ্য্য আৰু কাৰণৰ অভেদ মানিলে, অৰ্থাৎ নিজৰ কাৰ্য্য আৰু কাৰণ নিজে নিজে হলে অন্যোহন্যাশ্ৰয় আৰু আত্মাশ্ৰয় দোষ হয়। উদাহৰণ স্বৰূপে নিজে নিজৰ স্কন্ধত আৰোহণ কৰিব নোৱাৰে আৰু নিজেই নিজৰ পিতা পুত্ৰ হব নোৱাৰে। গতিকে জগতৰ কৰ্ত্তা জগতৰ পৰা ভিন্নৰূপে মানিবই লাগিব।

প্ৰশ্ন— যদি ঈশ্বৰ জগতৰ কৰ্ত্তা তেনেহলে ঈশ্বৰৰ কৰ্ত্তা কোন?

উত্তৰ—কৰ্ত্তাৰ কৰ্ত্তা বা কাৰণৰ কাৰণ থাকিব নোৱাৰে। প্ৰথম কৰ্ত্তা বা কাৰণৰ পৰাই কাৰ্য্যৰ সৃষ্টি হয়; যি প্ৰথম সংযোগ বা বিয়োগৰ কাৰণ, তাৰ কোনো কৰ্ত্তা অথবা কাৰণ একো থাকিব নোৱাৰে। এই বিষয়ে বিশেষ ব্যাখ্যা অষ্টম সমুল্লাসৰ সৃষ্টি প্ৰকৰণত কৰা হৈছে. গতিকে সেই প্ৰকৰণত দ্ৰষ্টব্য। জৈনসকলৰ স্থূল বিষয়ৰেই যেতিয়া যথাৰ্থ জ্ঞানৰ অভাৱ, তেনে স্থলত পৰম সূক্ষ্ম সৃষ্টি-বিজ্ঞানৰ জ্ঞান কেনেকৈ হব! "প্ৰকৰণ ৰত্নাকৰ" প্ৰথম ভাগত লিখিত আছে যে, জৈন মতে এই সৃষ্টি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অনাদি আৰু অনন্ত, দ্ৰব্যপৰ্য্যায়ো অনাদি আৰু অনন্ত, প্ৰত্যেক গুণ আৰু প্ৰত্যেক দেশত অনেক পৰ্য্যায়, প্ৰত্যেক বস্তুতো অনন্ত পৰ্য্যায় বিদ্যমান, এনেবোৰ কথাও বিজ্ঞান সম্মত নহয়। কাৰণ যাৰ অন্ত অৰ্থাৎ সীমা বা অবধি আছে তাৰ সকলো সম্বন্ধও অন্তবিশিষ্ট। যদি অনন্তক অসংখ্য বুলি কৰে সিও সঙ্গত নহয়। জীৱৰ বিষয়ে এনেবোৰ লক্ষণ অৱশ্যে ঘটিব পাৰে, পৰমেশ্বৰৰ বিষয়ে হব নোৱাৰে। কাৰণ, এক এক দ্ৰব্যত নিজৰ নিজৰ এক এক কাৰ্য্য কাৰণ সামৰ্থ্যক অবিভাগ পৰ্য্যায় দ্বাৰা অনন্ত সামৰ্থ্য মনাটো কেৱল অজ্ঞতাৰহে কথা। দ্ৰব্যৰ সীমা যিহেতু এটা পৰমাণু, তাত অনন্ত বিভাগৰূপ পৰ্য্যায় কেনেকৈ থাকিব পাৰে? সেইদৰেই এক এক দ্ৰব্যত অনন্ত গুণ আৰু এক গুণৰ প্ৰদেশত অবিভাগৰূপ অনন্ত পৰ্য্যায়কো অনন্ত বুলি মনা কেৱল লৰালি কথাহে, কিয়নো যাৰ অধিকৰণৰ অন্ত আছে, সেই অধিকৰণৰ অধিবাসীৰ অন্ত নেথাকিব কিয়? এনেকুৱা বহু বিস্তৃত মিছা কথাই লিখিত আছে।

জীৱ আৰু অজীৱ এই দুই পদাৰ্থৰ বিষয়ে জৈনসিদ্ধান্ত এনে :—

চেতনালক্ষণো জীৱঃ স্যাদজীবস্তদন্যকঃ।
সৎকৰ্ম্ম পুদ্‌গলাঃ পুণ্যং পাপং তস্য বিপৰ্য্যয়ঃ॥

এই বচন হল জিনদত্তসূৰিৰ। এই বচন প্ৰকৰণৰত্নাকৰৰ প্ৰথম ভাগৰ নয়চক্ৰসাৰতো লিখিত আছে যে, জীৱ চেতনালক্ষণ বিশিষ্ট আৰু অজীৱ চেতনাৰহিত অৰ্থাৎ জড়। (পুদ্‌গল মানে পৰমাণু) সৎকৰ্ম্মৰূপ পুদ্‌গলে পুণ্য আৰু অসৎ কৰ্ম্মৰূপ পুদ্‌গলে পাপ কৰায়।

সমীক্ষক—জীৱ আৰু জড়ৰ যি লক্ষণ বৰ্ণনা কৰিছে সেইটো যথাৰ্থ; কিন্তু পুদ্‌গল জড় পদাৰ্থ; গতিকে পুদ্‌গলৰ পাপ বা পুণ্য কৰিয়াও হব নোৱাৰে। কাৰণ পাপ বা পুণ্যৰ প্ৰবৃত্তি চেতনৰহে হয়। দেখক! জড় পদাৰ্থৰ পাপ বা পুণ্যৰ জ্ঞান নাই। জীৱক অনাদি বুলি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স্বীকাৰ কৰা যুক্তি সঙ্গত, কিন্তু অল্প আৰু অল্পজ্ঞ হোৱা বাবে মুক্তি অৱস্থাত জীৱক সৰ্ব্বজ্ঞ বুলি কোৱা অসঙ্গত। যি অল্প আৰু অল্পজ্ঞ তাৰ সামৰ্থ্যও সদায় সীমাবদ্ধ। জৈনসকলে জীৱ, জগৎ, জীৱৰ কৰ্ম্ম আৰু বন্ধনক অনাদি বুলি মানে। এই বিষয়তো জৈন তীৰ্থঙ্কৰসকলে পাহৰিছে যে, সংযুক্ত জগতৰ কাৰ্য্য-কাৰণ প্ৰবাহত সৃষ্টি হোৱা কাৰ্য্য আৰু জীৱৰ কৰ্ম্ম আৰু বন্ধন অনাদি হব নোৱাৰে। যদি অনাদি বুলি ভাবে, তেনেহলে কৰ্ম্ম আৰু বন্ধনৰ পৰা মুক্তি হয় বুলি মানে কিয়? যি অনাদি, তাৰ কেতিয়াও নাশ হব নোৱাৰে। যদি অনাদিৰো নাশ হয় বুলি কয়, তেনেহলে তেওঁলোকৰ সকলো অনাদি পদাৰ্থৰেই নাশ মানিব লগা হব। যদি অনাদিক নিত্য বুলি ধৰা হয়, তেতিয়া কৰ্ম্ম আৰু বন্ধনো নিত্য হব। আৰু যদি সকলো কৰ্ম্ম নাশৰ প্ৰসঙ্গ হয়, আৰু অনাদিক নিত্য বুলি মনা হয়, তেতিয়া হলে, কৰ্ম্ম আৰু বন্ধনো নিত্য হব। যদি সকলো কৰ্ম্মৰ খণ্ডনত মুক্তি হয় বুলি কয়, তেনেহলে সকলো কৰ্ম্মৰ খণ্ডন মুক্তিৰ নিমিত্ত হব। তেনে নৈমিত্তিকী মুক্তি সদায় থাকিব নোৱাৰে। আৰুৌ কৰ্ম্ম আৰু কৰ্ত্তাৰ নিত্য সম্বন্ধ হলে, কৰ্ম্মৰো কেতিয়াও নাশ হব নোৱাৰে। গতিকে জৈনসকলে তেওঁলোকৰ তীৰ্থঙ্কৰসকলৰ যে নিত্য মুক্তি বিশ্বাস কৰে, সেইটো কেতিয়াও হব নোৱাৰিব।

প্ৰশ্ন—যেনেকৈ ধানৰ বাকলি (তুহ) গুচালে বা ধান সিজালে সেই ধানৰ বীজ নগজে, সেইদৰে জীৱই মুক্তি লাভ কৰিলে পুনঃ জন্মমৰণৰূপ সংসাৰলৈ নাহে।

উত্তৰ—জীৱৰ আৰু কৰ্ম্মৰ সম্বন্ধ ধানৰ বীজ আৰু তুহঁৰ দৰে নহয়, জীৱ আৰু কৰ্ম্মৰ সমবায় সম্বন্ধ। অনাদি কালৰ পৰাই জীৱৰ লগত কৰ্ম্ম আৰু কৰ্ত্তৃত্ব শক্তিৰ সম্বন্ধ আছে। জীৱৰ কৰ্ম্মশক্তিৰ অভাৱ বুলি ধৰিলেও সকলো জীৱ প্ৰস্তৰৰ দৰে হব। তেতিয়া

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মুক্তিৰ সুখভোগতো সামৰ্থ্য-হীন হব।। আৰু যদি অনাদি কালৰ কৰ্ম্ম বন্ধন ছিন্ন হৈ মুক্তি লাভ কৰে বুলি কয়, তেতিয়া হলে জীৱই আপোনালোকে কল্পনা কৰা নিত্য মুক্তিৰ পৰা বিচ্যুত হৈ বন্ধনত পৰিব। সাধনাত সিদ্ধ পদাৰ্থ কেতিয়াও নিত্য হব নোৱাৰে। আৰু যদি কব খোজে যে, সাধনাত সিদ্ধ নহলেও মুক্তি লাভ হব পাৰে, তেনেহলে কৰ্ম্ম নকৰাকৈও বন্ধনত পৰাৰ সম্ভৱ হয়। যেনেকৈ বস্ত্ৰত মলি লাগে, ধুলে পৰিষ্কাৰ হয় আকৌ মলি লাগে, সেই দৰে "মিথ্যাত্ব" আদি কাৰণত আৰু ৰাগ দ্বেষ আদিৰ আশ্ৰয়ত জীৱই কৰ্ম্মৰ ফল পায়। যদি সম্যক্ জ্ঞান, দৰ্শন আৰু চাৰিত্ৰৰ দ্বাৰা জীৱ নিৰ্ম্মল হয় আৰু মলি লগাৰ কাৰণ বশতঃহে মলি লাগে, তেনেহলে নিশ্চয় মানিব লাগিব যে, মুক্ত জীৱো সংসাৰী হয় আৰু সংসাৰী জীৱো মুক্ত হয়। কাৰণ বশতঃ মলিনতা দূৰ হলে সেই দৰেই কাৰণ বশতঃ মলিনতা সংলগ্নও হব। গতিকে মানিবই লাগিব যে, জীৱ বন্ধন আৰু মুক্তি প্ৰবাহ ৰূপে অনাদি; সেই বুলি স্বভাবতঃ অনাদি আৰু অনন্তৰূপ নহয়।

প্ৰশ্ন—জীৱ নিৰ্মল কেতিয়াও নাছিল, কিন্তু মলযুক্তহে।

উত্তৰ—যদি নিৰ্ম্মল কেতিয়াও নাছিল, তেনেহলে নিৰ্ম্মলো কেতিয়াও হব নোৱাৰে। যেনেকৈ নিৰ্ম্মল বস্ত্ৰত মলি লাগিলে, তাক ধুলে নিৰ্ম্মল হয়, কিন্তু বস্ত্ৰৰ স্বাভাৱিক শ্বেত বৰ্ণ দূৰ নহয়, অথচ পুনঃ কাপোৰত মলি লাগে, মুক্তিতো তেনেকৈ মলিনতা হব।

প্ৰশ্ন—জীৱই প্ৰাক্তন কৰ্ম্ম বশতঃ দেহ ধাৰণ কৰে গতিকে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰাৰ অৰ্থ নাই।

উত্তৰ—যদি কেৱল কৰ্ম্মই দেহ ধাৰণৰ কাৰণ হয়, ঈশ্বৰ কাৰণ নহয়, তেনেহলে জীৱই যিবোৰ দেহ ধাৰণ কৰিলে দুঘোৰ দুঃখ কষ্ট

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ভুগিব লাগে, তেনেবোৰ দেহ কেতিয়াও নলব, সদায় উত্তম দেহ লৈহে জন্ম ধৰিব। যদি কয় যে কৰ্ম্ম প্ৰতিবন্ধক হয়, তথাপি মানিব লাগিব যে, চোৰে যেনেকৈ নিজে নিজে কাৰাগাৰলৈ নাযায় বা নিজে নিজে ফাঁচী নলয়, ৰাজ দণ্ডইহে বাধ্য কৰে, সেই দৰেই পৰমেশ্বৰৰ নিৰ্দেশতহে জীৱই দেহ ধাৰণ কৰে, আৰু তেওঁ—কৰ্ম্মানুসাৰে জীৱক ফল দান কৰে—এই যুক্তি মানি লওক।

প্ৰশ্ন—মাদকতা (নিছা)ৰ দৰে কৰ্ম্মৰ পৰা নিজে নিজেই কৰ্ম্মফল প্ৰাপ্ত হয়, ফল দিবলৈ কাৰো প্ৰয়োজন নাই।

উত্তৰ—তেনেহলে যেনেকৈ ঘোৰ মদপীৰ মাদকতা অল্প আৰু অনভ্যস্ত মদপীৰ অধিক হয়, সেই দৰে যি সকলে সদায় অধিক পাপ-পুণ্য কৰে তেওঁলোকে অল্প ফল আৰু যি সকলে অল্প পাপ পুণ্য কৰে, অধিক ফল পাব পাৰে।

প্ৰশ্ন—যাৰ যেনে স্বভাৱ, সি তেনে ফল পায়।

উত্তৰ—স্বভাৱ বশতঃ হলে তাৰ নাশ বা ফল প্ৰাপ্তি অসম্ভৱ। অৱশ্যে, যেনেকৈ নিৰ্ম্মল বস্ত্ৰত কাৰণ বশত মলি লাগে আৰু কাৰণৰ বশতেই মলি দূৰ হয়, সেই দৰে ভৱাহে যুক্তি সঙ্গত।

প্ৰশ্ন—বিনা সংযোগত কৰ্ম্ম পৰিণাম প্ৰাপ্তি নহয়। যেনেকৈ গাখীৰ আৰু টেঙাৰ সংযোগ নহলে দৈ নহয় সেই দৰে জীৱ আৰু কৰ্ম্মৰ সংযোগ নহলে কৰ্ম্মৰ পৰিণাম প্ৰাপ্তি নহয়।

উত্তৰ—যেনেকৈ কোনো তৃতীয় পক্ষই গাখীৰ আৰু টেঙাৰ সংযোগ ঘটায়, সেইদৰে জীৱৰ লগত তাৰ কৰ্ম্মফলৰ সংযোগ ঘটাবৰ কাৰণে ঈশ্বৰৰ প্ৰয়োজন। কাৰণ, জড় পদাৰ্থ স্বয়ং নিয়মানুসাৰে সংযুক্ত নহয়, আৰু জীৱো অল্পজ্ঞ; গতিকে—স্বয়ং নিজৰ কৰ্ম্মফল লাভ কৰিব নোৱাৰে। ইয়াৰ পৰা প্ৰমাণ হয় যে, ঈশ্বৰৰ দ্বাৰা নিৰ্দ্ধাৰিত সৃষ্টিক্ৰমৰ বাহিৰে কৰ্ম্মফলৰ ব্যৱস্থা হব নোৱাৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰশ্ন–যি কৰ্ম্মৰ পৰা মুক্ত হয় তেওঁকেই ঈশ্বৰ বোলে।

উত্তৰ—অনাদি কালৰ পৰাই জীৱৰ লগত কৰ্ম্মৰ যোগ আছে। গতিকে জীৱ কেতিয়াও কৰ্ম্মৰ পৰা মুক্ত হব নোৱাৰিব।

প্ৰশ্ন–কৰ্ম্মৰ বন্ধন সাদি অৰ্থাৎ আৰম্ভ থকা।

উত্তৰ—সাদি হলে কৰ্ম্মৰ যোগ অনাদি নহয়, আৰু সংযোগৰ লগত জীৱ নিষ্কৰ্মা হয়। আৰু নিষ্কৰ্মাৰ কৰ্ম্ম সংযোগ হলে মুক্তৰো কৰ্ম্ম সংযোগ হব। কৰ্ম্ম আৰু কৰ্ত্তাৰ যি সমবায় অৰ্থাৎ নিত্য সম্বন্ধ তাৰ কেতিয়াও বিয়োগ হব নোৱাৰে। গতিকে নৱম সমুল্লাসত যিদৰে লিখা হৈছে 'সেই দৰে মনাহে সঙ্গত হয়। জীৱৰ জ্ঞান আৰু সামৰ্থ্য যিমানেই বাঢ়ক লাগে, অপৰিমিত আৰু অসীম হব নোৱাৰে। অৰ্থাৎ ঈশ্বৰৰ দৰে জ্ঞান শক্তি অসীম হব নোৱাৰে। জীৱই যোগ সাধনাৰ দ্বাৰাই যিমান দূৰ সম্ভৱ সিমান অৱশ্যে বঢ়াব পাৰে। জৈন অৰ্হত সকলে যে দেহৰ পৰিমাণ অনুসাৰে জীৱৰ পৰিমাণ মানে, তেওঁলোকক সোধাৰ আৱশ্যক যে সেয়ে হলে হাতীৰ জীৱ কীটৰ দেহত আৰু কীটৰ জীৱ হাতীৰ দেহত কেনেকে সোমাব? এইবোৰো মূৰ্খতাৰেই কথা, কাৰণ জীৱ অতি সূক্ষ্ম পদাৰ্থ যি এক পৰমাণু তা থাকিব পাৰে। কিন্তু তাৰ শক্তিসমূহ দেহস্থ প্ৰাণ, বিদ্যুৎ আৰু নাড়ী আদিৰ লগত সযুক্ত হৈ থাকে। গতিকে জীৱই সমস্ত দেহৰ অৱস্থা জানে। সৎ বা অসৎ সঙ্গৰ ফলত জীৱ উত্তম বা অধম হয়।

জৈনসকলে 'ধৰ্ম্ম' কেনেকৈ মানে তাৰ স্বৰূপ তলত দিয়া হল ঃ—

মূল—ৰে জীৱ ভৱদুহাইং ইক্কং চিয় হৰই জিনময়ং ধম্মং।
ইয়ৰাণং পৰমতো সুহকপ্যে মূঢ় মুসিওসি॥
(প্ৰকৰণ ৰত্নাকৰ ভাগ–২, ষষ্ঠী শতক ৬০। সূত্ৰাঙ্ক—৩॥)

হে জীৱ! একমাত্ৰ জিনমতহে শ্ৰীবীতৰাগ ভাষিত ধৰ্ম্ম সংসাৰ সম্বন্ধী জন্ম মৰণাদিদুঃখহৰণকৰ্ত্তা। এইদৰে জৈন মতাবলম্বী

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সকলকেই সুদেব আৰু সুগুৰু বুলি জানিবি। যিবোৰ জীৱই সিহঁতৰ কল্যাণৰ অৰ্থে বীতৰাগ ঋষভদেৱৰ পৰা মহাবীৰ পৰ্য্যন্ত দেৱ সকলৰ বাহিৰে অন্য হৰি, হৰ আৰু ব্ৰহ্মা আদি কুদেৱসকলৰ পূজা কৰে, তেওঁ-লোক প্ৰতাৰিত হয়। ইয়াৰ ভাবাৰ্থ হল, জৈন মতৰ সুদেৱ, সুগুৰু সুধৰ্ম্মক এৰি অন্য কুগুৰু, কুদেৱ আৰু কুধৰ্ম্মৰ সেৱা কৰিলে তেওঁলোকৰ কোনো কল্যাণ নহয়।

সমীক্ষক—এতিয়া সুধীসকলেই বিবেচনা কৰক, জৈনৰ ধৰ্মগ্ৰন্থ কিমান নিন্দনীয়!

মূল—অৰিহং দেৱো সুগুৰু সুদ্ধং ধম্মং চ পঞ্চ নবকাৰো।
ধন্নাণং কয়চ্ছাণং নিৰন্তৰং বসই হিয়য়ম্মি॥
(প্ৰকঃ ভাঃ ২। ষষ্ঠী ৬০।সূঃ ১)

যি অৰিহন্, দেৱেন্দ্ৰকৃত পূজাদিৰ যোগ্য, সৰ্ব্বশ্ৰেষ্ঠ, দেৱাদিদেৱ, শোভায়মান "অৰিহন্ত" দেৱ আৰু যি জ্ঞানবান, ক্ৰিয়াবান, শাস্ত্ৰোপদেষ্টা, শুদ্ধ, কষায়-মল ৰহিত, সেই শ্ৰীজিনভাষিত "সম্যক্‌ত্ব" বিনা এবং দয়া-মূলক ধৰ্ম্মইহে দুৰ্গত প্ৰাণীসকলক উদ্ধাৰ কৰে। অন্য হৰি হৰ আদিৰ ধৰ্ম্মই জীৱবোৰক সংসাৰৰপৰা উদ্ধাৰ কৰিব নোৱাৰে। সেই সৰ্ব্বোত্তম ধৰ্ম্মৰ লগত সংশ্লিষ্ট পঞ্চ অৰিহন্তদেৱক নমস্কাৰ। এই চাৰি পদাৰ্থ ধন্য অৰ্থাৎ শ্ৰেষ্ঠ, যেনে দয়া, ক্ষমা, সম্যক্‌ত্ব জ্ঞান, দৰ্শন আৰু চাৰিত্ৰ। এয়েই জৈন ধৰ্ম্ম।

সমীক্ষক—যত মনুষ্য মাত্ৰৰেই প্ৰতি দয়া নাই, তাত দয়া ক্ষমা একোৰেই নাই। তাত জ্ঞানৰ পৰিৱৰ্ত্তে অজ্ঞানতা, দৰ্শনৰ পৰিবৰ্ত্তে অন্ধকাৰ আৰু "চাৰিত্ৰৰ" পৰিবৰ্ত্তে ভোকত মৰাত কিহৰ শ্ৰেষ্ঠতা?

জৈন ধৰ্ম্মৰ প্ৰশংসা তলত দিয়া হল :—

মূল—জইন কুণ্‌সি তব চৰণং ন পঢ়সি ন
ন গুণোসি দেঁসি নো দাণম্।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তা ইত্তিয়ং ন সক্কিসি জং দেৱো ইক্ক অৰিহন্তো ॥
(প্ৰকৰণ ভাঃ ২ ষষ্ঠীঃ সূঃ ২ ॥)

হে মানৱ! যদি তুমি তপ, চৰিত্ৰ সূত্ৰ, অধ্যয়ন, প্ৰকৰণ আদিৰ বিবেচনা আৰু সুপাত্ৰক দান কৰাত অক্ষম, তথাপিও আমাৰ একমাত্ৰ আৰাধ্য **"অৰিহন্ত"** দেৱ আৰু সুগুৰু আৰু সুধৰ্ম্ম জৈনমতৰ প্ৰতি শ্ৰদ্ধান্বান হোৱাই সৰ্ব্বশ্ৰেষ্ঠ উপায় আৰু উদ্ধাৰৰ কাৰণ।

সমীক্ষক—দয়া আৰু ক্ষমা উত্তম গুণ হলেও যেতিয়া পক্ষপাতদুষ্ট হয়, তেতিয়া দয়া নিৰ্দ্দয়তাত আৰু ক্ষমা প্ৰতিহিংসাত পৰিণত হয়। ইয়াৰ অৰ্থ এই যে, কোনো প্ৰাণীকেই একেবাৰে কষ্ট নিদিয়া সদাশয় সকলৰ ক্ষেত্ৰত সম্ভৱপৰ হব নোৱাৰে। দুষ্টক দণ্ড দিয়াও দয়াৰ ভিতৰত গণ্য। কাৰণ এটা দুষ্টক দণ্ড নিদি দয়া কৰাত সহস্ৰ সহস্ৰ লোকৰ-দুঃখ দুৰ্গতি হয়। গতিকে তেনে দয়া নিৰ্দ্দয়তা আৰু তেনে ক্ষমা ও প্ৰতিহিংসাহে। সকলো প্ৰাণীৰ দুঃখৰ নিবাৰণ, আৰু সুখৰ উপায় অৱলম্বন কৰাকেই যে দয়া বোলে—এই কথা নিশ্চিত সত্য; কিন্তু নাপোৰেবে ছাকি পানী পান কৰা, আৰু ক্ষুদ্ৰ প্ৰাণীবোৰক ৰক্ষা কৰাই কেৱল দয়া নহয়। আচলতে জৈন সকলৰ এই দয়া কেৱল মুখৰ কথাহে মাত্ৰ। তেওঁলোকৰ কাৰ্য্যত সেই দয়া প্ৰকাশ নেপায়। যেই কোনো মতাৱলম্বী মানুহৰ প্ৰতি দয়া কৰা, অন্ন, জল আদিৰে উপকাৰ কৰা আৰু বিভিন্ন মতাৱলম্বী বিদ্বানসকলৰো সন্মান আৰু সেৱা শুশ্ৰূষা কৰা দয়া নহয় নেকি? যদি জৈন সকলৰ সঁচা দয়া আছে, তেনেহলে বিবেক সাৰৰ ২২১ পৃষ্ঠাত কি লিখা আছে চাওক! (১) "এক পৰমতী কী স্তুতি অৰ্থাৎ জৈনসকলে অন্য মতাৱলম্বীৰ স্তুতি অৰ্থাৎ-গুণকীৰ্ত্তন কেতিয়াও কৰিব নেলাগে। (২) **"উনকো নমস্কাৰ"** অৰ্থাৎ বন্দনাও নকৰিব। (৩) "আলাপন" অৰ্থাৎ অন্য মতাৱলম্বীৰ লগত বেছি কথাও

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নকৰ। (৪) "সংলপন" অৰ্থাৎ সঘনে কথা বতৰা নেপাতিব। (৫) উনকো অন্ন বস্ত্ৰাদি দান" অৰ্থাৎ-অজৈন মানুহক অন্ন বস্ত্ৰ আদি দান কৰিব নেলাগে। (৬) 'গন্ধপুষ্পাদি দান" অৰ্থাৎ অজৈন মতৰ প্ৰতিমা পুজনৰ কাৰণে গন্ধ-পুষ্প আদিও দিয়া নিষেধ। এই ছয় যতনা অৰ্থাৎ এই ছয় প্ৰকাৰ কৰ্ম্ম জৈনসকলে কেতিয়াও নকৰিব।

সমীক্ষক—এইখিনিতে সুধীসকলে বিবেচনা কৰা উচিত যে জৈনসকলৰ অজৈন সকলৰ প্ৰতি কিমান নিৰ্দ্দয়তা, কুদৃষ্টি আৰু বিদ্বেষ! জৈন সকলে যেতিয়া অজৈন মানুহৰ প্ৰতি দয়া নকৰে তেওঁলোকক দয়াহীন বোলাই সমুচিত হয়। কাৰণ নিজৰ ঘৰৰ মানুহৰ সেৱা কৰাই বিশেষ ধৰ্ম্ম হব নোৱাৰে, তেওঁলোকৰ পন্থৰ মানুহ তেওঁলোকৰ ঘৰৰ মানুহৰ দৰে। গতিকে তেওঁলোকে যেতিয়া নিজৰ ঘৰৰ মানুহৰহে সেৱা (উপকাৰ) কৰে, আনৰ নকৰে, তেনেস্থলত তেওঁলোকক কোনো বুদ্ধি বিবেচনা শীল লোকে দয়াবান বুলি কব পাৰে নে?

বিবেকঃ ১০৮ পৃষ্ঠাত লিখা আছে যে মথুৰাৰ ৰজাৰ দেৱান (মন্ত্ৰী) যাৰ নাম নমুচী আছিল, জৈন মতৰ বিৰোধী আছিল কাৰণে হত্যা কৰি আলোয়না অৰ্থাৎ প্ৰায়শ্চিত কৰি শুদ্ধ হয়। এইবোৰ জানো দয়া আৰু ক্ষমাৰ বিৰোধ কৰ্ম্ম নহয়? অন্য মতাৱলম্বীৰ প্ৰতি হিংসা ভাৱ ৰখা আৰু প্ৰাণ হত্যা কৰা কাৰ্য্যক দয়া বুবুলি হিংসা বোলাহে সঙ্গত।

সম্যক্‌ত্ব দৰ্শনাদিৰ লক্ষণ "আৰ্হত প্ৰবচন সংগ্ৰহ পৰমাগমসাৰ" ত কোৱা হৈছে। সম্যক্ শ্ৰদ্ধান, সম্যক্ দৰ্শন, জ্ঞান আৰু চাৰিত্ৰ এই তিনি মোক্ষমাৰ্গৰ সাধন। যোগদেৱে ইয়াৰ ব্যাখ্যা কৰিছে। যি ৰূপত জীৱ আদি দ্ৰব্য অৱস্থিত, সেই ৰূপত জিন প্ৰতিপাদিত গ্ৰন্থ অনুসাৰে বিপৰীত অভিনিবেষাদিৰহিত যি শ্ৰদ্ধা অৰ্থাৎ জিন মতৰ প্ৰতি যি প্ৰীতি সেয়েই সম্যক্ শ্ৰদ্ধান আৰু সম্যক্ দৰ্শন।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰুচির্জিনোক্ততত্ত্বেষু সম্যক্ শ্ৰদ্ধানমুচ্যতে ।
(সং দং সং আঃ দঃ পৃষ্ঠ ৬২)

জিনৰ কথিত তত্ত্ববোৰৰ প্ৰতি সম্যক শ্ৰদ্ধা কৰা কৰ্ত্তব্য অৰ্থাৎ অন্যে ...ৰাবোৰত শ্ৰদ্ধা কৰা অনুচিত ।

যথাবস্থিততত্ত্বানাং সংক্ষেপাদ্বিস্তৰেণ বা ।
যোঽববোধস্তমত্ৰাহুঃ সম্যগ্ জ্ঞানং মনীষিণঃ ॥

জীবাদিৰ তত্ত্ব-সম্বন্ধে সংক্ষিপ্ত বা বিস্তাৰিত জ্ঞানকেই সুধীসকলে সম্যক্ জ্ঞান বোলে ।

সৰ্ব্বথাঽবদ্যযোগানাং ত্যাগশ্চাৰিত্ৰমুচ্যতে ।
কীৰ্ত্তিতং তদহিংসাদিব্ৰতভেদেন পঞ্চধা ॥
অহিংসাসূনৃতাস্তেয়ব্ৰহ্মচৰ্য্যাপৰিগ্ৰহাঃ ।

অন্য মতাৱলম্বীসকলৰ সম্বন্ধ সৰ্ব্বপ্ৰকাৰ নিন্দনীয়; তাক পৰিত্যাগ কৰাকে **"চাৰিত্ৰ"** বোলে। অহিংসাদি ভেদেৰে ব্ৰত পাঁচ প্ৰকাৰ। (১) অহিংসা=কোনো প্ৰাণীকেই বধ নকৰা। (২) সূনৃতা=প্ৰিয়বাক্য বোলা। (৩) অস্তেয়=চুৰি নকৰা। (৪) ব্ৰহ্মচৰ্য্য=উপস্থ ইন্দ্ৰিয়ৰ সংযম। (৫) অপৰিগ্ৰহ=সকলো বস্তুৰ পৰিত্যাগ কৰা। এইবোৰ বিষয়ৰ অনেকেই ভাল; যেনে অহিংসা আচৰণ কৰা আৰু চুৰি আদি নিন্দনীয় কৰ্ম্ম পৰিত্যাগ কৰা ভাল আদৰ্শ; কিন্তু তেওঁলোকৰ মতৰ ভিন্ন হলেই নিন্দা কৰা আদিৰ দ্বাৰা তেওঁলোকৰ বাকী ভাল বিষয়বোৰো দোষযুক্ত হৈছে। তাৰ উদাহৰণ স্বৰূপে প্ৰথম সূত্ৰত লিখা আছে যে, অন্য হৰিহৰ আদিৰ ভক্তই কাকো সংসাৰৰ পৰা উদ্ধাৰ কৰিব নোৱাৰে। যাৰ গ্ৰন্থ অধ্যয়ন কৰিলে সম্পূৰ্ণ জ্ঞান আৰু ধৰ্ম্মৰ যদি সন্ধান পাব পাৰি, তেওঁলোকবোৰ সম্প্ৰদায়ক হেয় প্ৰতিপন্ন কৰা সামান্য নিন্দাৰ কথা নে? আগত উল্লেখ কৰি অহা একেবাৰেই **অসম্ভৱ কথাবোৰ কওঁতা** জৈন তীৰ্থঙ্কৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সকলৰ গুণকীৰ্ত্তন কৰা কেৱল অন্ধবিশ্বাসহে। এইটো কেনেকুৱা যুক্তি, যে, যি মানুহে "চাৰিত্ৰ", অধ্যয়ন আৰু দান কৰিব নোৱাৰে, কেৱল জৈন মতক সত্য বুলিলেই শ্ৰেষ্ঠ জৈন হব পাৰে আৰু অন্য মতৰ শ্ৰেষ্ঠ মানবো অশ্ৰেষ্ঠ হব! এনেবোৰ কথা কোৱা মানুহক মতিভ্ৰষ্ট বা জ্ঞানত বালক নুবুলি আৰু কি বুলিব পাৰি? ইয়াৰ পৰা বিদিত হয় যে, জৈন আচাৰ্য্যবোৰ অবিদ্বান আৰু স্বাৰ্থপৰ আছিল, কাৰণ তেওঁলোকে পৰৰ নিন্দা নকৰা হলে, তেওঁলোকৰ এনেবোৰ মিছা কথাত কোনেও ভোল নগলহেঁতেন আৰু তেওঁলোকৰ স্বাৰ্থ সিদ্ধিও নহলহেঁতেন। ইয়াৰ পৰা এয়েই প্ৰমাণ হয় যে, জৈনমতে মানুহক ডুবায় আৰু বেদমতে মানুহক উদ্ধাৰ কৰে। অজৈনসকলেও যদি কয় যে, হৰিহৰ আদি সুদেৱ আৰু ঋষভদেৱ আদি কুদেৱ, তেতিয়া জৈনসকলৰ শুনাত ভাল লাগিব নে? জৈন আচাৰ্য্য আৰু তেওঁলোকৰ অনুগামীসকলৰ আৰু ভুল চ'ক!

মূল—জিণবৰ আনা ভংগং উমগ্গ উস্মুত্ত লেস দেসণউ।
আণা ভংগে পাবন্তা জিণময় দুক্কৰং ধম্মম্ ॥
(প্ৰকৰঃ ভাগ ২ ষষ্ঠী শঃ ৬, সূঃ ১১॥)

"উন্মাৰ্গ উন্সূত্ৰ"ৰ জিনবৰ অৰ্থাৎ বীতৰাগ তীৰ্থঙ্কৰসকলৰ প্ৰদৰ্শিত পথ আৰু ৰচিত সূত্ৰৰ লেশমাত্ৰ অজৈনক দেখুৱালেও তীৰ্থঙ্কৰৰ আজ্ঞা ভঙ্গ কৰা হয়, যি দুঃখৰ হেতু—পাপ হয়। জিনেশ্বৰৰ কথিত সম্যক্ত্ব আদি ধৰ্ম্ম গ্ৰহণ কৰা দুঃসাধ্য, গতিকে যাতে তেওঁৰ আজ্ঞা ভঙ্গ নহয় তাৰ চেষ্টা কৰা কৰ্ত্তব্য ॥

সমীক্ষক—নিজে নিজৰ প্ৰশংসা কৰা, নিজৰ ধৰ্ম্মৰ নিজে প্ৰশংসা কৰা আৰু আনৰ নিন্দা কৰা মূৰ্খতাৰহে চিন। যাৰ প্ৰশংসা অন্য বিদ্বান সকলে কৰে, তেওঁৰ প্ৰশংসাহে যথাৰ্থ প্ৰশংসা, নিজে নিজৰ প্ৰশংসা চোৰেও কৰে, তাকো প্ৰশংসা বোলে নেকি? এনেবোৰেই তেওঁলোকৰ কথা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মূল—বহুগুণবিজ্ঝা নিলও উস্সুত্তভাসী তহাবিমুত্তথো।
জহবৰমণিজুতো বিহুবিগ্ঘকৰো বিসহৰো লোএ।
(প্রকৰঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ১৮ ।)

মণিৰে ভূষিত হলেও যেনেকৈ বিষধৰ সর্প পৰিত্যজ্য, সেইদৰে জৈন মতাৱলম্বী ধাৰ্ম্মিক পণ্ডিত হলেও জৈনসকলৰ কাৰণে বৰ্জ্জনীয়।

সমীক্ষক—ইয়াৰ পৰা ভাবি চ'ক জৈনসকলৰ কিমান ভ্রম! জৈন আচার্য্যসকল আৰু তেওঁলোকৰ শিষ্যবোৰ বিদ্বান হোৱা হলে অন্য মতৰ বিদ্বানকো শ্রদ্ধা, প্রীতি কৰিলেহেঁতেন। যাৰ তীর্থঙ্কৰসকলো বিদ্যাহীন, গতিকে তেওঁলোকে বিদ্বানৰ সন্মান কৰিব কিয়? মল-মূত্রত পৰি থাকিলে জানো সোণ কোনোৱাই পৰিত্যাগ কৰে? ইয়াৰ দ্বাৰাই প্ৰমাণ হয় যে জৈনৰ দৰে পক্ষপাতী আৰু অন্ধবিশ্বাসী বা অজ্ঞ, দুৰাগ্ৰহী আন জানো নহব।

মূল—অই সয়পা বিয়পা বাধাস্মি অপৰেবসু তোবি পাবৰয়া।
ন চলন্তি সুদ্ধধম্মা ধন্না কিবিপাব্ পৱেবসু॥
(প্রকৰঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ২৯॥)

যি অন্য দর্শনী কুলিংগী অর্থাৎ জৈন মতৰ বিৰোধী, তেওঁলোকক জৈন সকলে দর্শনো কৰিব নেলাগে॥

সমীক্ষকঃ—এইবোৰ যে কিমান অজ্ঞতাৰ কথা, তাৰ বিবেচনা জ্ঞানী সকলে কৰিব। আচল কথা হল, যাৰ মত সত্য, তেওঁ কাকো ভয় নকৰে। তেওঁলোকৰ গুৰুসকলে জানিছিল যে, তেওঁলোকৰ মত সত্য নহয়, আন বিদ্বান্সকলে জানিব পাৰিলে খণ্ডন কৰিব। গতিকে জৈন সকলোৱে নিন্দা কৰি মুর্খ জনসাধাৰণক ভুৱা দিয়াই তেনে কৰাৰ উদ্দেশ্য।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মূল— নামং পিতস্‌স অসুহং জেণ নিঁদি ঠাই মিচ্ছা পৱাই ।
জেসিং অনুসংগা উধম্মীণ বি হোই পাবমই ॥
(প্ৰকঃ ভাঃ ২ ষষ্ঠী ৬, সূঃ ২৭ ॥)

যি ধৰ্ম্ম জৈনধৰ্ম্মৰ বিৰুদ্ধ, সি সকলোকে পাপী কৰে। গতিকে অন্য ধৰ্ম্ম নেমানি কেৱল জৈন ধৰ্ম্ম মনাহে বিবেচকৰ কাম।

সমীক্ষকঃ—ইয়াৰ পৰাই প্ৰমাণ হৈছে যে মানুহৰ শত্ৰুতা, বিৰুদ্ধতা, নিন্দা, হিংসা আদি সকলো দুৰ্গুণৰূপী সাগৰত ডুবুৰাত জৈন পন্থই সকলোকে চেৰ পেলাব পাৰে। সকলোকে নিন্দা কৰিব পৰা জৈনৰ দৰে মহা নিন্দুক আৰু অধৰ্ম্মী আন কোনো নাই। এফালৰ পৰা সকলোৰে নিন্দা আৰু নিজৰ প্ৰশংসা কৰাটো শঠৰ লক্ষণ নহয় জানো? বিবেচনাশীল মানুহে যেই কোনো মতৰেই ভালক ভাল আৰু বেয়াক বেয়া বুলি কয়।

মূল—হাহা গুৰুঅ অকজ্‌ঝং স্বামী নহু আছিক্স্‌স পুক কৰিমো।
কহ জিণ বয়ণ কহ সুগুৰু সাবয়া কহইয় অকজঝং ॥
(প্ৰকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ৩৫ ॥)

ক'ত সৰ্ব্বজ্ঞ জিনভাষিত বচন, জৈনৰ গুৰু আৰু জৈন ধৰ্ম্ম আৰু ক'ত তাৰ বিপৰীত অসৎ গুৰু, অন্য পন্থৰ উপদেষ্টা (অৰ্থাৎ জৈনৰ সুগুৰু, সুদেৱ, সুধৰ্ম্ম আৰু অজৈন সকলৰ কুদেৱ, কুগুৰু আৰু কুধৰ্ম্ম)।

সমীক্ষকঃ—এনেবোৰ কথা বগৰী বেচা পোহাৰীৰ দৰে অৰ্থাৎ বগৰী বেচা পোহাৰীয়ে নিজৰ টেঙা বগৰীবোৰকে মিঠা আৰু আনৰ মিঠা বগৰীকো টেঙা বুলি কয়। জৈন সকলৰ কথাও ঠিক তেনেকুৱাই। জৈন মতাৱলম্বীয়ে অজৈনৰ ভাল আদৰ্শৰ প্ৰতি শ্ৰদ্ধা কৰাও পাপ বুলি গণ্য কৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মূলঃ—সপ্পো ইক্কং মৰণং কুগুৰু অনন্তা ইদেই মৰণাই ।
তোবৰিসপ্পং গহিয়ুং মা কুগুৰু সেৱণম্ ভহম্ ॥
(প্ৰকঃ ভাঃ ২ সূঃ ৩৭ ॥

ইয়াৰ আগত উল্লেখ কৰা হৈছে যে, মণিৰে ভূষিত সৰ্পৰ দৰে অজৈন মতাৱলম্বী জন শ্ৰেষ্ঠ পুৰুষ হলেও পৰিত্যজ্য । ইয়াত আকৌ ৰহি নিন্দা কৰিছে যে, অজৈন মতৰ সকলোৱে কুগুৰু অৰ্থাৎ সৰ্পতকৈও বেয়া। তেওঁলোকৰ দৰ্শন, সেৱা, আৰু সঙ্গ কেতিয়াও কৰিব নেলাগে ; কাৰণ, সৰ্পৰ সঙ্গত এবাৰহে মৰণৰ ভয়, কিন্তু অন্য পন্থী (অজৈন) কুগুৰুৰ সঙ্গত অনেক বাৰ জন্ম-মৰণৰ চক্ৰত পৰিব লাগে । গতিকে হে ভদ্ৰ ! অজৈন কুগুৰৰ সীমাতো ঠিয় নহবা, কাৰণ অজৈনৰ অতি সামান্য সেৱা কৰিলেও দুঃখ ভোগ কৰিব লাগিব ।

সমীক্ষকঃ—দেখক ! জৈনৰ সমান কেতিয়াও অজৈন মতাবলম্বী আৰু ভ্ৰান্ত, বিদ্বেষী, নিন্দুক, আৰু আত্মজ্ঞানহীন হব নোৱাৰে । তেওঁলোকে হয়তো মনে মনে ভাবে যে, আনৰ নিন্দা আৰু নিজৰ প্ৰশংসা নকৰিলে, তেওঁলোকৰ সম্মান আৰু প্ৰতিষ্ঠা নহব । এইটো তেওঁলোকৰেই দুৰ্ভাগ্যৰ বিষয় । কাৰণ, যেতিয়ালৈকে সাধু বিদ্বানৰ সঙ্গী নকৰে, তেতিয়ালৈকে সত্য ধৰ্ম্মৰ যথাৰ্থ জ্ঞান লাভ কেতিয়াও হব নোৱাৰে । গতিকে জৈন সকলে তেওঁলোকৰ বিদ্যাবিৰুদ্ধ মিছা কথাবোৰ এৰি বৈদিক সত্যৰ আদৰ্শ গ্ৰহণ কৰিলে তেওঁলোকৰ অশেষ কল্যাণ হব ।

মূলঃ—কিং ভণিমো কিং কৰিমো তাণহয়াসাণ ধিঠদুঠাণং
জে দংসি উণ লিংগং খিবংতি নৰয়স্মি মুদ্ধজনং ॥
(প্ৰকঃ ভাঃ ষষ্ঠীঃ সূঃ ৪০ ॥)

কল্যাণৰ আশা বিনষ্ট, হোৱা দুৰাগ্ৰহী, দুৰ্গুণী, আৰু কুকৰ্ম্ম চতুৰৰ বিষয়ে কি কব আৰু কৰিব পাৰি ? যি তাৰ উপকাৰ কৰে তাৰেই সি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সৰ্ব্বনাশ কৰে। যেনেকৈ কোনো দয়ালুৱে অন্ধ সিংহৰ চকুৰ বন্ধন খুলিবলৈ গলে সিংহই তাকেই গ্ৰাস কৰে, সেই দৰে কুগুৰু অৰ্থাৎ অজৈনৰ উপকাৰ কৰিবলৈ গলে নিজৰ সৰ্ব্বনাশ হয়। গতিকে সদায় অজৈনৰ পৰা দূৰত থকা কৰ্ত্তব্য।

সমীক্ষকঃ— অজৈন সকলেও জৈনৰ দৰে বিবেচনা কৰিলে তেওঁলোকৰ কিমান দুৰ্দ্দশা ঘটিব ? যদি কোনেও তেওঁলোকৰ উপকাৰ নকৰে তেতিয়া তেওঁলোকৰ অনেক কৰ্ম্ম নষ্ট হলে কিমান দুঃখ হব? জৈন সকলে আনৰ কাৰণেও তেনে চিন্তা বিবেচনা নকৰে কিয় ?

মূলঃ---জহ জহ তুটই ধম্মো জহ জহ দুঠান হোয় অইউদউ।
সমদ্দিঠি জিয়াণ তহ তহ উল্লসই সমত্তং ॥
(প্ৰকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ৪২)

এইটো আশ্চৰ্য্যৰ বিষয় যে, যেনেকৈ দৰ্শনভ্ৰষ্ট নিহ্নব, পাসচ্ছা, উসন্না আৰু কুসীলিয়াদি আৰু অন্য দৰ্শনী, ত্ৰিদণ্ডী, পৰিব্ৰাজক, বিপ্ৰ আদি দুষ্ট লোকৰ অতিশয় বল, সন্মান আৰু আদৰ হব, সেইদৰে সম্যকৃদৃষ্টি জীৱ সকলৰ সম্যকৃত্ব প্ৰকাশিত হব।

সমীক্ষক—এতিয়া ভাবি চ'ক! এইবোৰ জৈনতকৈ বেছি ঈৰ্ষ্যা, দ্বেষ আৰু বৈৰী প্ৰবৃত্তিৰ আন কোনোবা আছে নে? অন্যান্য সম্প্ৰদায়ৰ ভিতৰতো অৱশ্যে ঈৰ্ষ্যা-দ্বেষ আছে, কিন্তু জৈনৰ দৰে অন্য কোনো সম্প্ৰদায়তে নাই। দ্বেষেই পাপৰ মূল। গতিকে জৈনসকলৰ ভিতৰত পাপৰ আচৰণ নেথাকিব কিয়?

মুল—সংগো বিজাণ অহিউতে সিংধম্মাই জেপকুব্বন্তি।
মুতূণ চোৰসংগং কৰন্তি তে চোৰিয়ং পাবা ॥
(প্ৰকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ৭৫॥)

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ইয়াৰ ভাবাৰ্থ এই যে, যেনেকৈ মূৰ্খ মানুহে নাসিকা ছেদন আদি দণ্ডৰ ভয় নকৰি চোৰৰ সঙ্গ কৰে, সেইদৰে যি সকলে জৈন ধৰ্ম্মত বিশ্বাস কৰে, তেওঁলোকেও অকল্যাণৰ ভয়ত ভীত নহয়।

সমীক্ষক—যি নিজে যেনে, আনকো তেনে দেখে। কেৱল জৈন পন্থই সাধু সন্তৰ পন্থ, বাকী সকলোবোৰ চোৰৰ পন্থ। এনে কথা সঁচা হব পাৰেনে? মানুহৰ যেতিয়ালৈকে কুসঙ্গ জনিত অসৎ বুদ্ধি থাকে, তেতিয়ালৈকে তেওঁ ঈৰ্ষ্যা দ্বেষ পৰিত্যাগ নকৰে। জৈন পন্থী অজৈন পন্থীৰ প্ৰতি যেনেকুৱা, অন্য কোনো পন্থ তেনে নহয়।

মূল-জচ্ছ পসুমহিসলৰকা পৰ্ব্বংহোমন্তি পাবন বমী এ।
পূঅন্তি তংপি সঢ্ঢাহা হী লাবী পৰায়সৃসং ॥
(প্ৰকঃ ভাঃ ২ ষষ্ঠীঃ স্থা ৭৬ ॥

পূৰ্ব্বৰ এটা সূত্ৰত কৈছে যে, কেৱল জৈন সকলেই সম্যক্‌ত্বী, বাকী সকলো অজৈন মিথ্যাত্বী অৰ্থাৎ পাপী। পুণ্যাত্মা জৈন সকলে মিথ্যাত্বীৰ ধৰ্ম্ম স্থাপন কৰিলে পাপী হব।

সমীক্ষক—যেনেকৈ অন্যৰ চামুণ্ডা, কালিকা, জ্বালা আদি দেৱীৰ পূজা উপলক্ষে দুৰ্গানৱমী আদি পাপজনক হয়, জৈনৰ অতি কষ্টকৰ পজূসন আদি পাপজনক নহয় কিয়? এই ক্ষেত্ৰত বামমাৰ্গীসকলৰ লীলা খেলাৰ খণ্ডন অৱশ্যে যুক্তি সঙ্গত। কিন্তু জৈনসকলে যে শাসনদেৱী আৰু মৰুত-দেৱী আদিক দেৱী বুলি মানে, সেইবোৰৰ পূজাৰ খণ্ডন কৰিলেও ভাল আছিলহেঁতেন। তেওঁলোকৰ দেৱী হিংস্ৰুক নহয় বুলি কলেও মিছা কোৱাহে হব; কাৰণ, শাসন দেৱীয়ে এজন মানুহৰ আৰু এটা ছাগলীৰ চকু বাহিৰ কৰিছিল। সেয়ে যদি হয়—শাসনদেৱী ৰাক্ষসী; দুৰ্গা আৰু কালিকাৰ সহোদৰা ভগ্নী নহব কিয়? সেইদৰেই জৈনৰ—"যচ্চখান" আদি ব্ৰতক অতি শ্ৰেষ্ঠ আৰু "নৱমী" আদিক দূষণীয় বোলাও মূঢ়তা। নিজৰ উপবাসৰ প্ৰশংসা আৰু আনৰ উপবাসৰ নিন্দা কৰা মূৰ্খতাৰহে পৰিচায়ক। সত্য

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ভাষণ আদি ব্ৰত হলে সকলোৰেই ভাল। উপবাস জৈনৰেই হক বা অজৈনৰেই হওক, ভাল নহয়।

মূল—বেসাণ্‌বং দিয়াণয় মাহণডুং বাণজৰ কসিৰকাণম্‌।
ভত্তা ভৰ কঠাণং বিয়াণং জন্তি দূৰেণং ॥
(প্ৰকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ৮২॥)

ইয়াৰ ভাবাৰ্থ এয়ে যে, বেশ্যা, চাৰণ আৰু ভাট আদিৰ আৰু ব্ৰাহ্মণ, যক্ষ, গণেশ আদিৰ মিথ্যাদৃষ্টি (মিছা) দেৱ-দেৱীৰ যিসকল ভক্ত আৰু যিসকল এনে ভক্তবোৰৰ অনুসৰণকাৰী তেওঁলোকে নিজেও দুঃখত ডুবে আৰু আনকো ডুবায়। তেওঁলোকে সেই দেৱ-দেৱীৰ পৰা কাম্য বস্তু লাভ হোৱাৰ আশাত বীতৰাগ পুৰুষসকলৰ পৰা দূৰৈত থাকে।

সমীক্ষকঃ—নিজৰ দেৱ-দেৱী সত্য আৰু আন সকলোৰে মিছা বোলাটো কেৱল পক্ষপাতিতা মাত্ৰ। জৈনসকলে বাম পন্থী সকলৰ দেৱ-দেৱীৰ খণ্ডন কৰে, কিন্তু শ্ৰাদ্ধদিনকৃত্যৰ ৪৬ পৃষ্ঠাত লিখা আছে যে, শাসনদেৱীয়ে ৰাতি ভোজন কৰাৰ অপৰাধত এক ব্যক্তিক চৰিয়ায় আৰু তাৰ চকু কাঢ়ি নি সেই চকুৰ ঠাইত ছাগলীৰ চকু বাহিৰ কৰি লগাই দিয়ে। সেই দেৱীক হিংসাকাৰিণী বুলি নধৰে কিয়? ৰত্নসাৰ ১ম ভাগৰ ৬৭ পৃষ্ঠাত লিখা আছে যে, মৰুতদেৱীয়ে প্ৰস্তৰ মূৰ্ত্তি ধৰি পথিকসকলক সহায় কৰিছিল। এওঁকো সেইদৰে নেমানে কিয়? অৰ্থাৎ জন্মই বা হল কিয় আৰু জন্মাৰ লগে লগে নমৰিলে কিয়?

মূল—কিংসোপি জণণি জাও জানো জণণী ইকিং গওবিদ্ধি।
জইমিচ্ছৰও জাও গুণে সুতমহচ্ছৰং বহই॥
(প্ৰকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ৮১॥)

যিবোৰ জৈনমত বিৰোধী "মিথ্যাত্বী" অৰ্থাৎ মিথ্যাধৰ্ম্মাৱলম্বী, সিহঁতৰ জন্ম হয় কিয়? জন্ম হলেও বাঢ়ে কিয়? অৰ্থাৎ জন্মই বা হ'ল কিয় আৰু জন্মাৰ লগেলগে নমৰিলে কিয়?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—এতিয়া জৈনসকলৰ বীতৰাগ ভাষিত দয়া ধৰ্ম্ম কেনেৰূপা চ'ক। অজৈন মতাৱলম্বী মানুহ সংসাৰত জীৱিত থকাটো তেওঁলোকে বাঞ্ছা নকৰে। গতিকে তেওঁলোকৰ দয়া ধৰ্ম্মৰ কথা কেৱল মুখতহে, অন্তৰত নাই। তেওঁলোকৰ যি দয়া আছে, সেই দয়া কেৱল ক্ষুদ্ৰপ্ৰাণী আৰু পশুৰ কাৰণেহে, অজৈন মানুহৰ বাবে নহয়।

মূল—সুদ্ধে মগ্‌গে জায়া সুহেণ ভচ্ছন্তি সুদ্ধমগ্‌ গমি।
জে পুণঅমগ্‌গপায়া মগ্‌গে গচ্ছংতি তংচুপ্‌ পং॥
(প্ৰকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ৮৩॥)

ইয়াৰ বিশেষ অৰ্থ—জৈন কুলত জন্মাবোৰৰ মুক্তি লাভ একো আচৰিত কথা নহয়, কিন্তু অজৈন কুলত জন্মা মিথ্যাত্বী অন্যপন্থীয়ে মুক্তি পোৱাটোহে অতি আচৰিত কথা। ইয়াৰ ভাবাৰ্থ হল এয়ে যে, জৈন মত গ্ৰহণ কৰিলেহে মুক্তি লাভ হব, যি জৈনমত গ্ৰহণ নকৰে তেওঁলোক নৰকগামী হব।

সমীক্ষক—জৈনৰ ভিতৰত কোনো দুষ্ট বা নৰকগামী নাই নেকি? সকলোৱেই মুক্তি পায় নে? অন্য মতাৱলম্বীসকলৰ কোনেও মুক্তি পাব নোৱাৰে নেকি? উন্মাদগ্ৰস্ত মানুহৰ বাহিৰে আন কোনেও এনে কথা নকয়। অতি নিৰ্ব্বোধ মূৰ্খৰ বাহিৰে কোনেও এনে কথা মানিব নোৱাৰে!

মূল—তিচ্ছৰাণং পুআসয়মত্ত গুণাণকাৰিণী ভণিয়া।
সাবিয়মিচ্ছুত্তৰী জ্বিণ সময়ে দেয়িয়া পূআ॥
(প্ৰকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ৯০॥)

কেৱল জিন মূৰ্ত্তিবোৰৰ পূজাহে সাৰ, অজৈন মূৰ্ত্তিবোৰৰ পূজা অসাৰ। যিসকলে জিনৰ আজ্ঞা পালন কৰে, সেই সকল তত্ত্বজ্ঞানী আৰু যি নকৰে তেওঁলোক তত্ত্বজ্ঞানী নহয়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—বাহ্! আৰু কবই নেলাগে !! বৈষ্ণৱ আদি অন্যান্য সম্প্ৰদায়ৰ মূৰ্ত্তিবোৰ যেনে জড় পদাৰ্থ, আপোনালোকৰবোৰ জড় নহয় নেকি ? যেনেকৈ আপোনালোকৰ মূৰ্ত্তি পূজা মিছা, সেইদৰে বৈষ্ণৱ আদিৰো মিছা। জৈনসকল তত্ত্বজ্ঞানী আৰু অজৈনসকল তত্ত্বজ্ঞানী নহয় ! ইয়াৰ পৰাই বুজিব পাৰি যে, জৈনমতত তত্ত্বজ্ঞান নায়েই।

মূল—জিণ আণা এধম্মো আণা ৰহি আণ ফুডং অহম্মুত্তি।
ইয়মুণি ঊণয়তত্তং জিণ আণা এ কুণহু ধম্মং ॥
(প্ৰকঃ ভাঃ ষষ্ঠিঃ ২ সূঃ ৯২॥)

জিনদেৱৰ যি আজ্ঞা, দয়া, ক্ষমা আদি সেয়েই ধৰ্ম্ম; তাৰ বাহিৰে আন সকলোৰেই অধৰ্ম্ম ॥

সমীক্ষক—এইবোৰ কেনে অনুচিত কথা। জৈনৰ বাহিৰে আন কোনো সত্যবাদী আৰু ধৰ্ম্মাত্মা কিয় নহয় ? অন্য কোনো ধাৰ্ম্মিক পুৰুষক মান্য কৰা অনুচিত নেকি ? যদি জৈনসকলৰ মুখ আৰু জিহ্বা চৰ্ম্মৰে নিৰ্ম্মিত নহলহেঁতেন, আনবোৰৰহে চৰ্ম্মনিৰ্মিত হলহেঁতেন, তেতিয়াহে এনেবোৰ কথা কোৱাৰ যুক্তি থাকিলহেঁতেন। জৈনসকলে তেওঁলোকৰ গ্ৰন্থৰ বাক্যবোৰৰ আৰু সাধুসকলৰ যিমান আৰু যেনেকৈ প্ৰশংসা কৰিছে, তাৰ পৰা প্ৰতীত হয় যে, তেওঁলোকে ভাট অৰ্থাৎ বহুৰাকো চেৰ পেলাইছে।

মুল—বন্নেমিনাৰয়া উৰিজোসন্দুৰ কাই সন্তৰন্তাণম্।
ভব্বাণ জণই হৰিহৰৰিদ্ধি সমিদ্ধী বিউদ্ধোসং ॥
(প্ৰকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ৯৫॥)

ইয়াৰ তাৎপৰ্য্য হল, হৰিহৰ আদি দেৱতাসকলৰ বিভূতি নৰকৰ কাৰণ। তাক দেখি জৈনসকলৰ ৰোমাঞ্চ হয়। যেনেকৈ ৰাজ আজ্ঞা ভঙ্গ কৰিলে মৃত্যুদণ্ড পৰ্য্যন্ত দুঃখ ভোগ কৰিব লাগে, সেইদৰে জিনেন্দ্ৰ দেৱৰ আজ্ঞা লঙ্ঘন কৰিলেও জন্ম—মৰণ দুখ ভোগ কৰিব নেলাগিব কিয়!

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—জৈন আচাৰ্য্যসকলৰ ছল, কপটতা আৰু ভণ্ডামিৰ লীলা লা দেখক। তেওঁলোকৰ মনৰ কথাও প্ৰকাশ পাইছে। তেওঁলোকে ৰৰ আদি দেৱতাসকলৰ ঐশ্বৰ্য্য দেখিবও নোৱাৰে। আনৰ উন্নতি খিলে তেওঁলোকৰ ৰোমাঞ্চ হয়। সন্তৰ তেওঁলোকৰ আকাঙ্ক্ষা যে, জগতৰ কলো ঐশ্বৰ্য্য তেওঁলোকৰ হস্তগত হওক, অন্য কাৰো শ্ৰীবৃদ্ধি নহওক। লোকেই দৰিদ্ৰ হৈ থ'ক। আৰু ৰাজ আজ্ঞাৰ দৃষ্টান্ত দিয়াৰ কাৰণ ই এই যে, জৈনসকল ৰজাৰ অতি তোষামোদকাৰী, মিথ্যাবাদী আৰু ক। ৰজাই মিছা কলেও মানি লব লাগিব নে? আচলতে জৈন-সকলৰ অপেক্ষা অধিক ঈৰ্ষ্যাদ্বেষী আন কোনো নাই।

মূল—জো দেইসুদ্ধধম্মং সো পৰমপ্যা জয়ম্মি নহু অন্নো।
কিং কপ্পদ্দুম্ম সৰিসো ইয়ৰতৰু হোইকইযাবি॥
(প্ৰকঃ ভাঃ ২, ষষ্ঠীঃ সূঃ ১০১।)

যি সকল জৈনধৰ্ম্ম বিৰোধী, তেওঁলোক মূৰ্খ। যিসকল জিনেন্দ্ৰ ষিত ধৰ্ম্মৰ উপদেষ্টা, তেওঁলোক সাধু, গৃহীয়েই হওক বা গ্ৰন্থকাৰেই ওক, তেওঁলোক তীৰ্থঙ্কৰৰ দৰে, তেওঁলোকৰ দৰে কোনো নাই।

সমীক্ষক—কেনেকৈ থাকিব? বালক বুদ্ধিৰ মানুহ নহলে এই-ৰ কথা বিশ্বাস কৰিব কিয়? যেনেকৈ বেশ্যাই আত্ম প্ৰশংসাৰ হিৰে পৰৰ প্ৰশংসা কেতিয়াও নকৰে, এওঁলোককো তেনে যেনেই তীত হয়।

মূল—জে অমুণি অগুণ দোষাতে কহ অবুহাণহুত্তিম ঝচ্ছা।
অহতে বিহুম ঝচ্ছাতা বিসঅমি আণ তুল্লত্তং॥
(প্ৰকঃ ভাঃ ২, ষষ্ঠীঃ সূঃ ১০২।)

জিনেন্দ্ৰ দেৱ, তেওঁৰ সিদ্ধান্ত আৰু জৈনমতৰ উপদেষ্টাসকলক ৰিত্যাগ কৰাটো জৈনসকলৰ পক্ষে অনুচিত।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—জৈনসকলৰ এনেবোৰ মইমতালি, অবিয়া-অবি আৰু অজ্ঞতাৰ যদি ফল নহয়, কি ? জৈনৰ কেইটামান কথাৰ বাহিৰে বাকী সকলোবোৰ পৰিত্যাজ্য। সামান্য জ্ঞান থকা মানুহেও জৈনসকলৰ দেৱ, সিদ্ধান্ত গ্ৰন্থ, উপদেষ্টাৰ উপদেশ দেখিলে বা শুনিলে সেইবোৰ তৎক্ষণাৎ যে পৰিত্যাগ কৰিব, তাত কোনো সন্দেহ নাই।

মূল—বয়ণে বিসুগুৰু জিণবল্লহস্‌সকে সিংন উল্লস ঈসম্মং।
অহকহদিণ মণিতেয়ং উলুআণংহৰই অন্ধত্তং ॥

(প্ৰকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ১০৮।)

যিসকলে জিনৰ বচন অনুসাৰে আচৰণ কৰে, তেওঁলোক পূজ্য; যি তাৰ বিৰুদ্ধাচৰণ কৰে, তেওঁলোক পূজ্য নহয়। জৈন গুৰুসকলকেহে মান্য কৰিব, আন কোনো অজৈনক মান্য নকৰিব॥

সমীক্ষক—ঠিক! জৈনসকলে অজ্ঞ মানুহক শিষ্য কৰি পশুৰ দৰে জালত আবদ্ধ নকৰিলে তেওঁলোকে জালৰ পৰা ওলাই মুক্তি সাধন কৰি মানৱ জীৱন সফল কৰিব পাৰিলেহেঁতেন। কোনোৱে জৈনসকলক "কুমাৰ্গী", "কুগুৰু", "মিথ্যাত্বী" আৰু "কুউপদেষ্টা" বুলিলে তেওঁলোকৰ কিমান দুঃখ হয়! তেওঁলোকে পৰক দুঃখ দিয়ে কাৰণেই তেওঁলোকৰ ধৰ্ম্মমত অনেক অসাৰ কথাৰে পৰিপূৰ্ণ।

মূল—তিহুঅণ জণং মৰংতং দঠুণ নি অন্তিজেন অপ্পাণং।
বিৰমংতি ন পাবাউ ধিদ্ধী ধিঠত্তণং তাণম্ ॥

(প্ৰকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ১০৯।

মৰণ কাল পৰ্য্যন্ত দুখ ভুগিব লগা হলেও জৈনসকলে কৃষি বাণিজ্য আদি নকৰিব ; কাৰণ এইবোৰ কৰ্ম্মই মানুহক নৰকলৈ নিয়ে॥

সমীক্ষক—এতিয়া কোনোৱে যদি জৈনসকলক সোধে যে আপোনালোকে বাণিজ্য আদি কৰে কেলেই। এইবোৰ কৰ্ম্ম এতিয়া পৰিত্যাগ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...কিয় ? পৰিত্যাগ কৰিলে আপোনালোকৰ ভৰণ পোষণ হব ...আৰু আপোনালোকৰ উপদেশ মতে সকলো জৈন হৈ এইবোৰ ...পৰিত্যাগ কৰিলে আপোনালোকে কি খাই জীৱন ধাৰণ কৰিব ? ...নিৰ্বোধ উপদেশৰ অৰ্থ নাই। কৰিব কি? বেচেৰাসকল ...বুদ্ধিহীন, সৎসঙ্গৰ অভাৱ, মুখত যি আহে তাকে বকে।

মূল—তইয়া হমাণ অহমা কাৰণ ৰহিয়া অণাণ গৰ্ব্বেণ।
জে জ পন্তি উসুত্তং তেসিং দিদ্ধিচ্ছপন্তিচ্ছং ॥
(প্ৰকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ১২১ ॥)

যি সকলে জৈন-শাস্ত্ৰ বিৰুদ্ধ ধৰ্ম্মশাস্ত্ৰত বিশ্বাস কৰে, তেওঁলোক অধমতকৈও অধম। স্বাৰ্থসিদ্ধিৰ সম্ভাৱনা থাকিলেও জৈনমতৰ বিৰুদ্ধে ...নকৰিব আৰু বিশ্বাসো নকৰিব। স্বাৰ্থসিদ্ধিৰ সম্ভাৱনা থাকিলেও জৈন মত পৰিত্যাগ কৰিব।

সমীক্ষক—আপোনালোক জৈনসকলৰ আদি পুৰুষৰ পৰা আৰম্ভ কৰি আজি পৰ্য্যন্ত যিমান হৈছে আৰু ভৱিষ্যতেও হব, তেওঁলোকে অজৈনৰ নিন্দা কৰাৰ বাহিৰে আন একো কৰা নাই আৰু নকৰেও। দেখক! ...য'ত জৈনসকলে স্বাৰ্থসিদ্ধিৰ সম্ভাৱনা দেখে, সেইবোৰ ঠাইত তেওঁলোক ...তকৈও শিষ্য হৈ পৰে। তথাপিও তেওঁলোকে ইমান ডাঙৰ মিছা ...কোৱাত অলপো সঙ্কোচবোধ নকৰে, এইহে অতি পৰিতাপৰ বিষয়।

মূল—জম্বীৰ জিণস্‌সজিও মিৰই উস্‌সুত্ত লেসদেসণও।
সাগৰ কোড়া কোড়িংহিং মই ভই ভীমভবৰণে ॥
(প্ৰকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ১২২ ॥)

যদি কোনোৱে কয় যে, জৈন সাধুসকল যেনেকুৱা ধাৰ্ম্মিক, ...সকলো তেনেকুৱাই; তেতিয়া সি কৌটি কৌটি বৎসৰ নৰকত ...কৰিব আৰু তাৰ পাছতো হীন জন্মহে পাব।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—চাবাইস্ ! বিদ্যাৰ বৈৰীসকল ! আপোনালোকৰ, বোধ হয়, অভিপ্ৰায়েই এনে যে, কোনেও যাতে আপোনালোকৰ মিছা কথাবোৰৰ খণ্ডন কৰিবলৈ নেপায় । সেই উদ্দেশ্যতেই আপোনালোকে এনেবোৰ ভয়ঙ্কৰ কথা লিপিবদ্ধ কৰিছে। কিন্তু এইবোৰ অসম্ভৱ আপোনালোকৰ আৰু কেনেকৈ বুজাব পাৰি ? আপোনালোকে মিছা, পৰনিন্দা, অজৈন মতবোৰৰ বিদ্বেষ প্ৰদৰ্শন আৰু বিৰোধ কৰিবৰ কাৰণেই কোনৰ বাদ্ধি, নিজৰ স্বাৰ্থসিদ্ধিকেই মোহনভোগ ৰূপে ভাবি লৈছে।

মূল—দূৰে কৰণং দূৰম্মি সাহূণং তহৰভাবণা দূৰে ।
জিণধম্ম সদ্দহাণং পিতিৰ কহুৰকাই নিঠবই॥

(প্ৰকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ১২৭॥

যিজনে কেতিয়াও জৈন ধৰ্ম্মৰ কোনো অনুষ্ঠান নকৰে, সিজনেও 'কেৱল জৈনধৰ্ম্মহে সত্য, অজৈন কোনো ধৰ্ম্মই সত্য নহয়' এই বিশ্বাসৰ বলত দুঃখৰ পৰা উদ্ধাৰ হয় ।

সমীক্ষক—বেছ। নিৰ্ব্বোধ মানুহক নিজৰ মতৰূপী জালত পেলাবৰ কাৰণে ইয়াতকৈ প্ৰবল কৌশল আৰু কি হব পাৰে ? কোনো কৰ্ম্ম কৰিব নালাগে, অথচ মুক্তি হব, এনেকুৱা আৰু মূঢ় মত সংসাৰত আছে নে ?

মূল—কইয়া হোহী দিবসো জইয়া সুগুৰুণ পায়মুলম্মি।
উস্সুত্তলে সবিসলৱ ৰহিলেও নিসুণে সুজিন ধম্মং ।

(প্ৰকঃ ভাঃ ২ ষষ্টীঃ সূঃ ১২৮॥)

"মানুহ হওঁ যদি জিন আগম অৰ্থাৎ জৈনশাস্ত্ৰ শ্ৰৱণ কৰিম। "উৎসূত্ৰ" অৰ্থাৎ অজৈন বিষয়ৰ গ্ৰন্থ কেতিয়াও শ্ৰৱণ নকৰো," ইয়াকেই ইচ্ছা কৰিব। ইয়াকে ইচ্ছা কৰিলেই মানুহ দুখ সাগৰৰ পৰা উদ্ধাৰ হয়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক — এইবোৰ কথা কেৱল নিৰ্ব্বোধ মানুহক ফান্দত পেলাবৰ কাৰণেহে হব পাৰে। কাৰণ, ইচ্ছা কৰিলেই ইহজন্মৰ দুখ সাগৰৰ পৰাও উদ্ধাৰ পাব নোৱাৰে আৰু পূৰ্ব্বজন্মৰ সঞ্চিত পাপৰ পৰাও দুখৰূপী ফল ভুগিলে উদ্ধাৰ পাব নোৱাৰে। এনেকুৱা মিছা অৰ্থাৎ বিদ্যা বিৰুদ্ধ কথা নেদেখিলে, মানুহে বেদাদি শাস্ত্ৰৰ অধ্যয়ন আৰু শ্ৰৱণ কৰি আৰু সত্য, অসত্য অৱগত হৈ তেওঁলোকৰ অবিদ্যাৰূপী অসাৰ গ্ৰন্থবোৰ পৰিত্যাগ কৰিলেহেঁতেন। কিন্তু কোনো বুদ্ধিমান সৎসঙ্গ লাভ কৰা মানুহে সেই ফান্দৰ পৰা মুক্ত হব পাৰিলেও, অশিক্ষিত জড় বুদ্ধিৰ জনসাধাৰণে সেই ফান্দৰ পৰা মুক্ত হোৱা সহজ সাধ্য নহয়।

মূল—জম্ভজেণং হিংভণিয়ং সুযব্ববহাৰং বিসোহিয়ংতস্স।
জায়ই বিসুদ্ধ বোহী জিণআণা ৰাহ গত্তাও॥
(প্ৰকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ১৩৮॥)

যি সকলে জিনাচাৰ্য্য সকলৰ দ্বাৰা উপদিষ্ট সূত্ৰ, নিৰুক্তি, বৃত্তি আৰু ভাষ্যচূৰ্ণী মান্য কৰে, সেই সকলেই শুভ ব্যৱহাৰ আৰু দুঃসহ ব্যৱহাৰ (ব্ৰতাদি)ৰ দ্বাৰা সুখ লাভ কৰে, অজৈন পন্থৰ গ্ৰন্থ পাঠ কৰি সেই ফল পাব নোৱাৰে।

সমীক্ষকঃ--অত্যন্ত ক্ষুধাৰ্ত্ত হৈ কষ্ট ভোগ কৰা বা মৰাকে "চাৰিত্ৰ" বোলে যদি, যিবিলাকে দুৰ্ভিক্ষ, অথবা খাদ্যৰ অভাৱত মৰে, সেইবোৰেও শুদ্ধ হৈ শুভফল পোৱা উচিত। আচলতে সেইবোৰ মানুহ যেনেকৈ শুদ্ধ হব নোৱাৰে আপোনালোকো শুদ্ধ হব নোৱাৰে। কেৱল পিত্ত আদি বিকাৰৰ প্ৰকোপত ৰোগগ্ৰস্তহৈ সুখৰ পৰিবৰ্ত্তে দুঃখ হে ভুগিব লাগে। ন্যায়, সত্য, আৰু ব্ৰহ্মচৰ্য্য আদিৰ আচৰণহে ধৰ্ম। অসত্য আৰু অন্যায় আচৰণ আদিয়েই পাপ। সকলোৰে লগত প্ৰেম-প্ৰীতিৰে ব্যৱহাৰ আৰু পৰোপকাৰ কৰাকে শুভ চৰিত্ৰ বোলে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

জৈন মতাৱলম্বীসকলৰ ক্ষুধাৰ্ত্ত আৰু তৃষ্ণাৰ্ত্ত হৈ থকাক ধৰ্ম্ম নোবোলে। পূৰ্ব্বোক্ত সূত্ৰবোৰ মানিলে সত্যতকৈ অসত্যহে অধিক মনা হয়। যাৰ ফলত দুঃখ সাগৰত নিমগ্ন হব লগা হয়।

মূল—জইজার্ণসি জিণনাহো লোয়ায়া ৰাবিপৰকএভু ও।
তাতংতং মন্নং তো তো কহমন্নসি লোঅ আয়াৰং॥
(প্ৰকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ১৪৮॥)

যাৰ প্ৰাৰব্ধ উত্তম, তেওঁলোকেই জৈনধৰ্ম্ম গ্ৰহণ কৰে, অৰ্থাৎ যি সকলে জৈনধৰ্ম্ম গ্ৰহণ কৰা নাই তেওঁলোকৰ প্ৰাৰব্ধ বিনষ্ট হৈছে।

সমীক্ষক—এই কথা একেবাৰে ভুল আৰু মিছা নহয় নে? অজৈন পন্থত শ্ৰেষ্ঠ প্ৰাৰব্ধী আৰু জৈন পন্থত নষ্ট প্ৰাৰব্ধী নাই নে? আৰু কৈছে যে স্বধৰ্ম্মী অৰ্থাৎ জৈন সকলৰ ভিতৰত হাই কাজিয়া নকৰি মিলাপ্ৰীতিৰে চলিব লাগে, ইয়াৰ অৰ্থ এয়েই হয় যে, জৈন সকলে অজৈন সকলৰ লগত হাই-কন্দল কৰাক দোষ বুলি গণ্য নকৰে। এইটো কোনো যুক্তিৰ কথা নহয়, কাৰণ সজ্জন সকলে সজ্জনৰ সৈতে মিলাপ্ৰীতিৰে থাকিব লাগে আৰু দুষ্ট জনকো শিক্ষা দি সুশিক্ষিত কৰিব লাগে। এই কথাও লিখা আছে যে ব্ৰাহ্মণ, ত্ৰিদণ্ডী, পৰিব্ৰাজকাচাৰ্য্য, অৰ্থাৎ সন্ন্যাসী, আৰু তাপস অৰ্থাৎ বৈৰাগী আদি সকলো জৈন মতৰ শত্ৰু।

এতিয়া ভাবিচ'ক, সকলোকে শত্ৰুভাবে দেখে আৰু নিন্দা কৰে যেতিয়া, জৈনৰ দয়া আৰু ক্ষমা ধৰ্ম্ম কত? আনৰ প্ৰতি দ্বেষ ভাৱ থকা মানেই দয়া আৰু ক্ষমা ভাব নথকা। দ্বেষৰ সমান আৰু হিংসাদোষ আন একো হব নোৱাৰে। জৈনসকলৰ দৰে হিংসা দ্বেষৰ মূৰ্ত্তি বিৰল। আনে যদি ঋষভদেৱৰ পৰা আৰম্ভ কৰি মহাবীৰ পৰ্য্যন্ত ২৪ জন তীৰ্থঙ্কৰক ৰাগদ্বেষ যুক্ত "মিথ্যাত্বী" বোলে, জৈনসকলক সন্নিপাতজ্বৰ গ্ৰস্ত, জৈনধৰ্ম্মক নৰক আৰু বিষ সদৃশ বুলি ভাবে, তেতিয়া তেওঁলোকৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ভাল লাগিব নে ? গতিকে জৈনপন্থী সকলে পৰনিন্দা আৰু পৰদ্বেষৰূপ নৰকত নিমগ্ন হৈ ঘোৰ ক্লেশ ভুগিব লাগিছে। তেওঁলোকে এই দোষবোৰৰ পৰা মুক্ত হব পাৰিলে বিশেষ কল্যাণ হব।

মূলঃ--এগো অকৰ্ম্ম এগো বিসাব গোচে ইআণি বিবহাণি
তচ্ছয়জং জিণদৰ্ব্বং পৰুগ্গৰন্তং ন বিচ্চন্তি ॥
(প্ৰক: ভা: ২ ষষ্ঠীঃ সূঃ ১৫০ ॥)

শ্ৰোতা সকলৰ কাৰণে দেৱ, গুৰু, আৰু ধৰ্ম্ম এক। "চৈত্যবন্দন" অৰ্থাৎ জিনৰ প্ৰতিমূৰ্ত্তি, দেৱমন্দিৰ আৰু জিনৰ সম্পত্তি ৰক্ষা কৰা আৰু মূৰ্ত্তিপূজা ধৰ্ম্ম ॥

সমীক্ষকঃ---এতিয়া চক ! জৈন পন্থৰ পৰাই সকলো মূৰ্ত্তিপূজাৰ সম্বন্ধে বিবাদ প্ৰচলিত হৈছে। পাষণ্ডতাৰ অৰ্থাৎ ভ্ৰান্তি অসত্য আদিৰ মূল কাৰণো জৈনমত। শ্ৰাদ্ধদিন কৃত্যৰ ১ পৃষ্ঠাত মূৰ্ত্তিপূজাৰ প্ৰমাণঃ---
নৱকাৰেণ বিবোহো ।। ১ ।। অনুসৰণং সাবউ ।। ২ বয়াইং ইমে ।। ৩ জোগো ॥ ৪ চিয় বন্দণ গো ।। ৫ যচ্চৰখাণং তু বিহি পুৰ্ব্বয়ং।

ইত্যাদি সকলো শ্ৰাবকে প্ৰথম দ্বাৰত নৱকাৰৰ জপ কৰিব ।। ১ দ্বিতীয় দ্বাৰত নৱকাৰৰ জপ কৰাৰ পাছত স্মৰণ কৰিব "মই শ্ৰাবক" ।।২ তৃতীয় দ্বাৰত চিন্তা কৰিব। আমাৰ অণুব্ৰত আদি কিমান ।।৩। চতুৰ্থ দ্বাৰত ভাবিব চাৰি-বৰ্গৰ ভিতৰত মোক্ষ প্ৰধান। জ্ঞানৰ দ্বাৰাই মোক্ষ প্ৰাপ্ত হয়, সেই গতিকে জ্ঞানযোগ বোলে। এই ষড়বিধ উপায়েৰে সকলো পাপ দূৰ হলে মনুষ্য পবিত্ৰ হয়। এইবোৰক যোগ বোলে, এই যোগ আগলৈ কৰা হব ॥ ৪ ॥ পঞ্চম দ্বাৰত "চৈত্যবন্দ" অৰ্থাৎ মূৰ্ত্তিবন্দনা, দ্ৰব্যভাব আৰু পূজা, এই দুইয়ো কৰা হব ॥ ৫ ॥ ষষ্ঠ প্ৰত্যাখ্যানদ্বাৰত "নৱকাৰত্ৰী" আদি বিধিপূৰ্ব্বক কৰা হব ॥ ৬ ॥ ইত্যাদি। ইয়াৰ পাছত এই গ্ৰন্থত নানা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰকাৰ বিধি লিখা হৈছে যেনেঃ---সান্ধ্যভোজন কালত জিনবিম্ব অৰ্থাৎ তীৰ্থঙ্কৰসকলৰ মূৰ্ত্তি পূজা আৰু দ্বাৰ পূজা কৰিব লাগে। দ্বাৰ পূজাৰো অনেক আড়ম্বৰ আছে। মন্দিৰ নিৰ্ম্মাণৰ বিষয়ে কোৱা আছে যে, পুৰণি মন্দিৰ নতুনকৈ নিৰ্ম্মাণ কৰিলে আৰু জীৰ্ণতা সংস্কাৰ কৰিলে মুক্তিলাভ হয়। মন্দিৰত প্ৰৱেশ কৰি ভক্তিভাৱে ৰহি অতি প্ৰেম শ্ৰদ্ধাৰে পূজা কৰিব লাগে। "নমো জিনেন্দ্ৰেভ্যঃ" ইত্যাদি মন্ত্ৰৰে মূৰ্ত্তিবোৰক স্নান কৰাব লাগে আৰু "জলচন্দনপুষ্পধূপদীপনৈঃ" ইত্যাদি মন্ত্ৰৰে গন্ধাদি নিবেদন কৰিব লাগে। ৰত্নসাৰভাগৰ ১২ পৃষ্ঠাত মূৰ্ত্তিপূজাৰ ফল লিখিত আছে যে, পূজাৰীক ৰজা বা প্ৰজা কোনোৱে বাধা দিব নোৱাৰে।

সমীক্ষক—এইবোৰ কল্পনাপ্ৰসূত কাহিনী; কাৰণ অনেক জৈন পূজাৰীক ৰজাসকলে আৱশ্যক মতে বন্ধ কৰে। ৰত্নসাৰ ভাগৰ ৩ পৃষ্ঠাত লিখা আছে যে, মূৰ্ত্তি-পূজাৰ দ্বাৰাই ৰোগ, যন্ত্ৰণা আৰু মহাপাপ দূৰ হয়। এজন মানুহে ৫ কড়ি মূল্যৰ ফুল নিবেদন কৰি ১৮ খন দেশৰ ৰাজত্ব লাভ কৰিছিল। তেওঁৰ নাম আছিল কুমাৰপাল। নিৰ্ব্বোধ মানুহক প্ৰলোভিত কৰিবৰ কাৰণেই এইবোৰ মিছা কথা ৰচনা কৰা হৈছে। কাৰণ অনেক জৈন পূজাৰীক ৰোগগ্ৰস্ত দেখা গৈছে আৰু শিলৰ মূৰ্ত্তি পূজা কৰি এবিঘা মাটিৰ ৰাজত্বও লাভ কৰিব পৰা নাই। পাঁচ কড়ি মূল্যৰ ফুল অৰ্পণ কৰি যদি ৰাজ্য লাভ কৰিব পাৰে, তেনেহলে সেই দৰে বাৰে বাৰে নিবেদন কৰি সমস্ত পৃথিৱীৰ আধিপত্য লাভ নকৰে কিয়? অপৰাধৰ বাবে ৰাজদণ্ড ভোগ কৰিব লগা হয় কিয়? মূৰ্ত্তি পূজাৰেই ভৱসাগৰ পাৰ হব পাৰিলে, জ্ঞান, সম্যক্ দৰ্শন আৰু "চাৰিত্ৰৰ" প্ৰয়োজন থাকে কত?

ৰত্নসাৰ ভাগৰ ১৩ পৃষ্ঠাত লিখা আছে যে, গৌতমৰ অঙ্গুষ্ঠৰ ভিতৰত অমৃত আছে আৰু তাকেই স্মৰণ কৰিলে মনোবাঞ্ছিত ফল পায়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—সেয়ে হলে জৈন মাত্রেই অমৰ হোৱা উচিত। কিন্তু ...নো জৈনেই অমৰ নহয়। দেখা যায়, নির্বোধসকলক বিভ্রান্ত কৰিবৰ ...ণেই এইবোৰ কথা ৰচনা কৰা হৈছে, তাৰ বাহিৰে ইয়াৰ ভিতৰত ...নো সত্য নাই।

ৰত্নসাৰভাগৰ ৫২ পৃষ্ঠাত জৈনমূৰ্ত্তিপূজাৰ শ্লোক লিখা আছে, ...:-

জলচন্দনধূপনৈৰথ দীপাক্ষতকৈনৈ´বেদ্যবস্ত্রৈঃ।
উপচাৰবৰৈৰ্জিনেন্দ্রান্ ৰুচিৰৈৰদ্য যজামহে॥

আমি জল, চন্দন, চাউল, পুষ্প, ধূপ, দীপ, নৈবেদ্য, বস্ত্ৰ, আৰু ...তি উত্তম উপচাৰবে সৈতে জিনেন্দ্র অর্থাৎ তীর্থঙ্কৰ সকলৰ পূজা ...ৰিম। ইয়াৰ দ্বাৰাই কব পাৰি যে, মূৰ্ত্তি পূজা জৈন সকলৰ দ্বাৰাই ...চলিত হৈছে। (বিবেকসাৰ, পৃষ্ঠা ২২) জিন মন্দিৰত মোহ ভাব নাহে ...ক ভৱসাগৰ পাৰ কৰায়।

বিবেক সাৰৰ ৫১-৫২ পৃষ্ঠাত লিখা আছে যে, মূৰ্ত্তি পূজাৰ দ্বাৰাই ...ক্তিলাভ হয়। জিন মন্দিৰলৈ গলেই সদ্‌গুণ উদয় হয়। যি জল, চন্দন ...দিৰে তীর্থঙ্কৰসকলৰ পূজা কৰে, সি নৰকৰ পৰা মুক্ত হৈ স্বৰ্গলৈ যায়।

বিবেক সাৰৰ ৫৫ পৃষ্ঠাত লিখা আছে যে, জিন মন্দিৰত ...ন্দ্ৰৰ আদিৰ মূৰ্ত্তি পূজা কৰিলে ধর্ম্ম-অর্থ-কাম মোক্ষ সিদ্ধি হয়। ...ক সাৰৰ ৬১ পৃষ্ঠাত লিখা আছে যে, জিন মূৰ্ত্তিৰ পূজা কৰিলে ...ৰ সকলো ক্লেশ দূৰ হয়।

সমীক্ষক—এতিয়া ভাবি চাওক, জৈনসকলৰ কথা কেনে অজ্ঞতা পূৰ্ণ ...ক অসম্ভৱ। যদি এই দৰেই পাপ, কুকৰ্ম্ম দূৰ হয়, মোহগ্ৰস্ত ...ণ, ভৱসাগৰৰ পৰা উদ্ধাৰ হব পাৰে, সদ্‌গুণ উদয় হয়, নৰকৰ পৰা ...লৈ যাব পাৰে, ধৰ্ম্ম, অর্থ, কাম, মোক্ষ প্ৰাপ্তি হয়, আৰু সমস্ত ক্লেশ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দূৰ হয়, সেনেহলে জৈন মাত্ৰই সুখী আৰু সৰ্ব্বসিদ্ধি লাভ নকৰে কিয়?

এই বিবেকসাৰৰ ৩ পৃষ্ঠাত লিখা আছে যে, যি সকলে জিনমূৰ্তি স্থাপন কৰিছে, তেওঁলোকে নিজৰ আৰু আত্মীয় স্বজনসকলৰ জীৱিকাৰ ব্যৱস্থা কৰিছে। (বিবেকসাৰ, পৃষ্ঠা ২২৫) শিৱ আৰু বিষ্ণু আদিৰ মূৰ্তি পূজা কৰা অতি দূষণীয় অৰ্থাৎ নৰকৰ কাৰণ।

সমীক্ষক—শিৱাদিৰ মূৰ্ত্তি নৰকৰ কাৰণ হলে জৈন মূৰ্তিবোৰ নৰকৰ কাৰণ নহয় কিয়? যদি কয়,—"জৈনমূৰ্ত্তিবোৰ ত্যাগী, শান্ত আৰু শুভ লক্ষণযুক্ত; গতিকে শ্ৰেষ্ঠ; শিৱ আদিৰ মূৰ্ত্তিবোৰ তেনে নহয় গতিকে নিন্দনীয়" সেয়ে হলে তাৰ উত্তৰত ক'ব পাৰি যে "জৈন মূৰ্ত্তিবোৰ লক্ষ লক্ষ টকাৰ মন্দিৰত থাকে, আৰু ভাত চন্দন, কেশৰ আদি অৰ্পণ কৰা হয়, গতিকে ত্যাগী বুলি কয় কেনেকৈ? শিৱাদি মূৰ্ত্তি অনাবৃত স্থানতো ৰখা হয় যেতিয়া, ত্যাগী বুলিব নোৱাৰি কিয়? জড় পদাৰ্থ মাত্ৰই নিশ্চল আৰু শান্ত, জৈন মূৰ্ত্তিক শান্ত বোলাৰ কাৰণ কি? আচলতে সকলো মতৰ মূৰ্ত্তি পূজাই নিৰৰ্থক।

প্ৰশ্ন—আমাৰ জৈন মূৰ্ত্তিবোৰৰ বস্ত্ৰালঙ্কাৰ নাই কাৰণে উত্তম।

উত্তৰ—একালাৰে আগত নগ্ন মূৰ্ত্তি ৰখা আৰু দৰ্শন কৰা পাশৱিক আচৰণ।

প্ৰশ্ন—নাৰীৰ চিত্ৰ বা মূৰ্ত্তি দেখিলে যেনেকৈ কামভাৱ উৎপন্ন হয়, সেইদৰে সাধুৰ আৰু যোগীৰ মূৰ্তি দেখিলে শুভগুণ প্ৰাপ্তি হয়।

উত্তৰঃ—প্ৰস্তৰ মূৰ্ত্তি দৰ্শনৰ পৰা যদি শুভফল হব পাৰে বুলি ভাৱে, তেনেহলে জড় মূৰ্ত্তিৰ জড়ত্ব আদি গুণো জৈনসকলৰ ভিতৰত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...িত হব। জড় বুদ্ধি হলে আপোনালোক জৈনসকলৰ সৰ্ব্বথা ...হব। শ্ৰেষ্ঠ বিদ্বান সকলৰ সেৱা আৰু সংসৰ্গ নকৰিলে আপোনা-...মূঢ়তা বাঢ়ি যাব। এই গ্ৰন্থৰ একাদশ সমুল্লাসত মুৰ্ত্তিপূজাৰ ...ৰ দোষ উল্লেখ কৰা হৈছে, পাষাণাদিৰ মুৰ্ত্তিৰ পূজকসকলোৰো ...াৰ দোষ ঘটে। জৈনসকলৰ মুৰ্ত্তিপূজাৰ যেনেকুৱা মিছা কথা ...ত হৈছে, তেওঁলোকৰ মন্ত্ৰবোৰতো তেনেকুৱা অসত্যৰ কথা লিখিত ...। ৰত্নসাৰ ভাগৰ ১ পৃষ্ঠাত আছেঃ—

নমো অৰিহন্তাণং। নমো সিদ্ধাণং। নমো আয়ৰিয়াণং ...উবজ্‌ঝায়াণং মমো লোএ সব্বসাহূণং। এসো পঞ্চ নমু-...ৰো সব্বং পাৱপ্পণাসণো। মঙ্গলাচণৰং চ সব্বে সিংপঢমং হবই ...ং ॥১১॥

এই মন্ত্ৰৰ খুব মাহাত্ম্য লিখা আছে। এইটো হল জৈন পন্থৰ ...। এই মন্ত্ৰৰ এনেকুৱা মাহাত্ম্য বৰ্ণনা কৰা হৈছে যে, ই তন্ত্ৰ, ... আৰু ভাটৰ (তোষামোদকাৰী) বৰ্ণনাও চেৰ পেলাইছে। শ্ৰাদ্ধ-...ত্য, ৩ পৃষ্ঠাত লিখা আছে ঃ—

নমুক্কাৰ তউপঢ়ে ॥ ৯ ॥ জউকব্বং। মন্তাণমন্তো পৰমো ...ি ধেয়াণধেয়ং পৰমং ইমুত্তি। তত্তাণতত্তং পৰমং পবিত্তং ...াৰসত্তাণ ডুহাহ য়াণং ॥১০॥ তাণং অন্নস্ত নো অত্থি। জীবাণং ...য়ৰে। বুডডুং তাণং ইমং মুত্তুং। নমুক্কাৰং সুপোয়য়ম্ ॥১১॥ ...। অণেসজম্মং তৰসং চিআণং ডুহাণং সাৰাৰি অমানুসাণূ ...। কৎতোয় ভব্বাণং ভবিজ্জনাসো ন জাবপত্তো ...াৰমন্তো ॥১২॥

এই মন্ত্ৰ পবিত্ৰ আৰু এয়েই পৰম মন্ত্ৰ। এই মন্ত্ৰই ধ্যেয় বিষয়-...য়ো পৰম ধ্যেয়, তত্ত্বোৰৰো পৰম তত্ত্ব। এই 'নবকাৰ মন্ত্ৰ" দুঃখ-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পীড়িত সাংসাৰিক জীৱৰ কাৰণে সমুদ্ৰপাৰ হোৱাৰ তৰণীসদৃশ ॥১০॥ এই নৱকাৰ মন্ত্ৰ নৌকা তুল্য। যি সকলে এই মন্ত্ৰ পৰিত্যাগ কৰে, তেওঁলোকে ভৱসাগৰত নিমগ্ন হয়। যিসকলে ইয়াক গ্ৰহণ কৰে তেওঁলোকে দুঃখ অতিক্ৰম কৰে। দুঃখমোচনকাৰী, পাপনাশক আৰু মুক্তিদায়ক, এই মন্ত্ৰৰ বাহিৰে জীৱৰ আৰু একো নাই ॥১১॥ এই মন্ত্ৰই জন্ম-জন্মান্তৰৰ উৎপন্ন শাৰীৰিক দুঃখমোচন কৰে আৰু সাংসাৰিক জীৱবোৰক ভৱসাগৰৰ পৰা ত্ৰাণ কৰে। জীৱই যিমান দিন নৱকাৰ মন্ত্ৰ লাভ নকৰে সিমান দিন পৰ্যান্ত ভৱসাগৰৰ পৰা উত্তীৰ্ণ হব নোৱাৰে। উক্ত মন্ত্ৰৰ এই অৰ্থ সূত্ৰত ব্যাখ্যা কৰা হৈছে। এই একমাত্ৰ "নৱকাৰ" মন্ত্ৰৰ বাহিৰে অগ্নি আদি অষ্ট মহাভয়ৰ অন্য কোনো সহায় নাই। যেনেকৈ মহাৰত্ন বৈদূৰ্য্য মণি অথবা শত্ৰুৰ ভয়ত অমোঘ অস্ত্ৰ শস্ত্ৰ গ্ৰহণ কৰা হয়, সেইদৰে **"শ্ৰুতকেৱলী"** গ্ৰহণ কৰিব। এই **"নৱকাৰ মন্ত্ৰ"** সমস্ত "দ্বাদশাঙ্গীৰ" ৰহস্য। ইয়াৰ অৰ্থাৎ উক্ত মন্ত্ৰৰ অৰ্থ:—(**নমো অৰিহন্তাণং**) তীৰ্থঙ্কৰসকলক নমস্কাৰ। (**নমোসিদ্ধাণং**) জৈন সিদ্ধ পুৰুষসকলক নমস্কাৰ। (**নমো আয়ৰিয়াণং**) জৈনাচাৰ্য্যসকলক নমস্কাৰ। **নমো উবজঝায়াণং** জৈন উপাধ্যায় সকলক নমস্কাৰ। (**নমো লোএ সব্ব সাহূণং**) এই পৃথিৱীত যিমান জৈন সাধু আছে সেই সকলক নমস্কাৰ।

এই মন্ত্ৰত জৈনপদ নেথাকিলেও বহুত জৈন গ্ৰন্থত লিখা আছে যে, জৈনমতাৱলম্বীৰ বাহিৰে আন কাকো নমস্কাৰ কৰিব নেলাগে। গতিকে এয়েই যথাৰ্থ অৰ্থ।

তত্ত্ববিবেক—(পৃষ্ঠা ১৬৯) যি ব্যক্তিয়ে কাষ্ঠ আৰু প্ৰস্তৰকে দেৱবুদ্ধি কৰি পূজা কৰে, তেওঁ উত্তম ফল পায়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—তেনেহলে মূৰ্ত্তিদর্শন কৰি সকলোৱে উত্তমফল নেপায় নে ?

(ৰত্নসাৰ ভাগ পৃষ্ঠা ১০) পাৰ্শ্বনাথৰ মূৰ্ত্তিদর্শন কৰিলে পাপ নষ্ট হয়। কল্পভাষ্যৰ ৫১ পৃষ্ঠাত লিখা আছে যে, চোৱা লাখ মন্দিৰৰ জীৰ্ণোদ্ধাৰ কৰা হৈছে ইত্যাদি। মূৰ্ত্তিপূজাৰ বিষয়ে এনে ধৰণৰ অনেক কথা লিখা আছে। ইয়াৰ পৰাই জানিব পাৰি যে, জৈন মতেই মূৰ্ত্তিপূজাৰ মূল কাৰণ।

জৈনসাধু আৰু গৃহস্থৰ লীলা! বিবেকসাৰ, পৃষ্ঠা ২২৮

কোনো এজন জৈন সাধুৱে কোশা নামৰ এক বেশ্যা গমন কৰাৰ পাছত ত্যাগী হৈ স্বৰ্গলৈ গ'ল। (বিবেকসাৰ, পৃষ্ঠা ১০) অৰ্ণকমুনি চাৰিত্ৰভ্ৰষ্ট হৈ কেইবছৰমান দত্ত শেঠৰ গহত বিষয় ভোগ কৰাৰ পাছত দেৱলোকলৈ গ'ল। শ্ৰীকৃষ্ণৰ পুত্ৰই ঢংঢ়স মুনিৰ স্থালী চুৰি কৰিছিল, পাছত তেওঁ দেৱতা হ'ল। (বিবেকসাৰ পৃষ্ঠা ১৫৬) কেৱল সাধুৰ চিহ্ন আৰু বেশধাৰী হ'লেও জৈনসাধুসকলক" শ্ৰাৱকসকলে" সন্মান কৰিব লাগে। সৎচৰিত্ৰবান আৰু অসৎচৰিত্ৰবান সাধু মাত্ৰই পূজ্য। (বিবেকসাৰ পৃষ্ঠা ১৬৮) জৈন-সাধুসকল চৰিত্ৰহীন হলেও অন্যান্য সম্প্ৰদায়ৰ সাধুসকলৰ তুলনাত শ্ৰেষ্ঠ। (বিবেকসাৰ, পৃষ্ঠা ১৭১) শ্ৰাৱকসকলে চৰিত্ৰহীন আৰু ভ্ৰষ্টাচাৰী জৈন-সাধুসকলৰো সেৱা কৰিব লাগে। (বিবেকসাৰ, পৃষ্ঠা ২১৬) এটা চোৰে পাঁচ মুঠি কেশ ছিঙি "চাৰিত্ৰ" গ্ৰহণ কৰে। তেওঁ বহু কষ্ট আৰু অনুতাপ কৰাৰ পাছত ষষ্ঠ মাহত "কেৱল" জ্ঞান লাভ কৰি মুক্ত হ'ল।

সমীক্ষক—এতিয়া জৈন সাধু আৰু গৃহস্থসকলৰ লীলা-খেলা চ'ক। ইহঁতৰ মতে অনেক দুষ্ট কৰ্মচাৰী সাধুৱেও সদ্গতি লাভ কৰিছে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিবেকসাৰৰ, ১০৬ পৃষ্ঠাত লিখা আছে যে, শ্ৰীকৃষ্ণ তৃতীয় নৰকত পৰিছে। বিবেক সাৰৰ, ১৪৫ পৃষ্ঠাত লিখা আছে যে ধন্বন্তৰি নৰকত পৰিছে। বিবেকসাৰৰ ৪৮ পৃষ্ঠাত আছে যে, কত যোগী, পৌৰাণিক সাধু, কাজী আৰু মোল্লা অজ্ঞতাৰ বশতঃ তপঃ ক্লেশ সহ্য কৰিও দুৰ্গতি প্ৰাপ্ত হয়।

"ৰত্নসাৰভাগ"ৰ ১৭১ পৃষ্ঠাত লিখা আছে যে, নজন বাসুদেৱ অৰ্থাৎ ত্ৰিপৃষ্ঠ বাসুদেৱ, দ্বিপৃষ্ঠ বাসুদেৱ, স্বয়ম্ভু বাসুদেৱ, পুৰুষোত্তম বাসুদেৱ, সিংহপুৰুষ বাসুদেৱ, পুণ্ডৰীক বাসুদেৱ, দত্ত বাসুদেৱ, লক্ষণ বাসুদেৱ আৰু শ্ৰীকান্ত বাসুদেৱ—যথাক্ৰমে একাদশ, দ্বাদশ, চতুৰ্দ্দশ, পঞ্চদশ, অষ্টদশ, বিংশতি আৰু দ্বাবিংশতি তীৰ্থঙ্কৰৰ সময়ত নৰকত পতিত হৈছে। আৰু নজন "প্ৰতি বাসুদেৱ" অৰ্থাৎ অশ্বগ্ৰীব প্ৰতিবাসুদেৱ, তাৰক প্ৰতিবাসুদেৱ, মোদক প্ৰতিবাসুদেৱ, মধু প্ৰতিবাসুদেৱ, নিশুম্ভ প্ৰতিবাসুদেৱ, বলী প্ৰতিবাসুদেৱ, প্ৰহ্লাদ প্ৰতিবাসুদেৱ, ৰাৱণ প্ৰতিবাসুদেৱ আৰু জড়সিন্ধু প্ৰতিবাসুদেৱ এই সকলোৰেই নৰকত পৰিছে। কল্পভাষ্যত লিখা আছে যে, ঋষভদেৱৰ পৰা মহাবীৰ পৰ্য্যন্ত ২৪ তীৰ্থঙ্কৰসকলে মোক্ষ প্ৰাপ্ত কৰিছে।

সমীক্ষক—এতিয়া সুধীসকলে বিবেচনা কৰি চ'ক! জৈন সাধু, গৃহস্থ আৰু তীৰ্থঙ্কৰসকলৰ ভিতৰত অনেক বেশ্যা, পৰস্ত্ৰীগামী আৰু চোৰ আছিল, সেই সকলোৰেই স্বৰ্গ আৰু মুক্তিলাভ কৰিলে, কিন্তু শ্ৰীকৃষ্ণ আদি ধৰ্ম্মপৰায়ণ মহাত্মাসকলৰ সকলোৰেই নৰকত পৰিছে। এইবোৰ কেনে জঘন্য কথা! আচলতে বিবেচনা কৰি চালে জৈন সংসৰ্গহে নেলাগে, জৈনসকলৰ প্ৰতি দৃষ্টিপাত কৰাও সৎপুৰুষৰ পক্ষে দূষণীয় হয়। কাৰণ এওঁলোকৰ সংসৰ্গত থাকিলে এনেবোৰ অসম্ভৱ কথাই হৃদয়ত বদ্ধমূল হব পাৰে। এনেকুৱা অতি বিচাৰবিবেচনাহীন আৰু অসৎ অভিলাষী মানুহৰ সংসৰ্গত অনিষ্টৰ বাহিৰে আন একো লাভ হব নোৱাৰে। অৱশ্যে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

জৈনসকলৰ ভিতৰতো যিসকল সৎচৰিত্ৰবান, তেওঁলোকৰ সংসৰ্গ দূৰণীয় হ'ব নোৱাৰে। আৰু বিবেকসাৰৰ ৫৫ পৃষ্ঠাত লিখা আছে যে, গঙ্গা, কাশী, আদি তীৰ্থ দৰ্শন কৰিলে কোনো পৰমাৰ্থ সিদ্ধ নহয়, কিন্তু জৈন সকলৰ গিৰনাৰ, পালীটাণা আৰু আবু আদি তীৰ্থক্ষেত্ৰই মুক্তি পৰ্য্যন্ত প্ৰদান কৰে।

সমীক্ষক—এই বিষয়ে বিবেচনা কৰিব পাৰি যে, জলস্থলময় জৈনতীৰ্থবোৰ শৈব, বৈষ্ণব আদিৰ তীৰ্থবোৰৰ দৰেই জড় স্বৰূপ। গতিকে জৈনৰ প্ৰশংসা আৰু আনৰ নিন্দা কৰা মূৰ্খৰহে কাম।

জৈনৰ মুক্তি বৰ্ণন ৰত্নসাৰ ভাঃ পৃষ্ঠা ২৩

মহাবীৰ তীৰ্থঙ্কৰে গৌতমক কৈছিল যে, ঊৰ্দ্ধলোকত স্বৰ্গপুৰীৰ ঊৰ্দ্ধভাগত অৱস্থিত এক সিদ্ধশিলা ক্ষেত্ৰ আছে। তাৰ দৈৰ্ঘ্য আৰু প্ৰস্থ পঞ্চল্লিশ লাখ বৰ্গ যোজন আৰু স্থূলতাত আঠ যোজন। মুক্তাহাৰ বা গোদুগ্ধতকৈও শ্বেতবৰ্ণ, সুবৰ্ণৰদৰে উজ্জল আৰু স্ফটিকতকৈও নিৰ্ম্মল। এই সিদ্ধশিলা চতুৰ্দ্দশলোকৰ সৰ্ব্বোচ্চ ভাগত অৱস্থিত। সেই সিদ্ধশিলাৰ ওপৰত শিৱপুৰ ধাম। সেই ঠাইত সিদ্ধপুৰুষসকলে নিৰলম্বন হৈ বাস কৰে। সেই স্থান জন্ম মৰণ আদি দোষ ৰহিত। সেই স্থানত সকলোৱে আনন্দত থাকে, পুনঃ জন্ম-মৰণ চক্ৰত নপৰে আৰু সকলো কৰ্ম্মবন্ধনৰ পৰা মুক্তহৈ থাকে। এয়েই জৈনসকলৰ মুক্তি।

সমীক্ষক—ইয়াত বিবেচ্য হল, পৌৰাণিক মতে বৈকুণ্ঠ, কৈলাস, গোলোক আৰু শ্ৰীপুৰ আদি, খ্ৰীষ্টান মতে চতুৰ্থ আকাশ আৰু মুছলমানমতে সপ্তম আকাশ মুক্তি ধাম বুলি বৰ্ণনা কৰিছে। জৈনৰ সিদ্ধশিলা আৰু শিৱপুৰো তেনেকুৱাই। কিন্তু জৈনৰ মতে সেই স্থান উচ্চ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হলেও আমাৰ পৃথিবীৰ নিম্নদেশত যিসকল থাকে তেওঁলোকৰ তুলনাত নিম্নহে হব। উচ্চ আৰু নিম্ন ব্যৱস্থিত পদাৰ্থ নহয়। আৰ্য্যাৱৰ্ত্তবাসী জৈনসকলে যি স্থানক ওপৰ বুলি ভাৱে, আমেৰিকাবাসীসকলে তাক নিম্ন বুলি ভাবে আৰু আৰ্য্যাবৰ্ত্তবাসীসকলে যাক নিম্ন বুলি ভাবে আমেৰিকা-বাসীসকলে তাকেই ওপৰ বুলি ভাবে। আৰু সেই সিদ্ধ শিলা পঞ্চল্লিশ লাখৰ দুগুণ হলে নব্বৈ লাখ হলহেঁতেন, তথাপি তাৰ মুক্ত জীৱবোৰ বন্ধনৰ ভিতৰতেই থাকিলেহেঁতেন। কাৰণ সেই শিলাৰ নিৰ্দ্দিষ্ট সীমাৰ ভিতৰতহে মুক্তি, শিৰপুৰৰ বাহিৰ হলেই মুক্তি শেষ। মুক্ত জীৱবোৰ যি স্থানত থাকে তাৰ প্ৰতি প্ৰীতি আৰু আন স্থানৰ প্ৰতি অপ্ৰীতি হোৱাও স্বাভাবিক। গতিকে যি অৱস্থাত প্ৰীতি আৰু অপ্ৰীতি থাকে তাক মুক্তি বুলি কেনেকৈ কব? প্ৰকৃততে মুক্তি কি তাক এই গ্ৰন্থৰ নৱম সমুল্লাসত ব্যাখ্যা কৰা হৈছে; সেয়েই যুক্তি সঙ্গত। জৈন-সকলে যাক মুক্তি বুলি ধাৰণা কৰে—সি এক প্ৰকাৰ বন্ধনহে। গতিকে জৈনসকলে মুক্তিৰ বিষয়ে ভ্ৰমতহে আবদ্ধ হৈ আছে। বেদৰ প্ৰকৃত অৰ্থবোধ নহলে কোনোৱেই মুক্তিৰ যথাৰ্থ স্বৰূপ উপলব্ধি কৰিব নোৱাৰে, এই কথা সত্য।

ইয়াৰ পাছত জৈনসম্প্ৰদায়ৰ আৰু কিছুমান অসম্ভৱ কথা শুনক। (বিবেকসাৰ, পৃষ্ঠা ৭৮) মহাবীৰৰ জন্ম হওঁতে তেওঁক এক কোটি ষাঠী লাখ কলহৰ জলেৰে স্নান কৰোৱা হৈছিল। (বিবেকসাৰ, পৃষ্ঠা ১৩৬) ৰজা দশাৰ্ণই মহাবীৰৰ দৰ্শন কৰিবলৈ আহোঁতে কিঞ্চিৎ দম্ভ প্ৰকাশ কৰে। সেই দম্ভ নিবাৰণৰ কাৰণে সেই স্থানত ১৬, ৭৭, ৭২, ১৬০০০ ইন্দ্ৰ আৰু ১৩, ৩৭, ০৫, ৭২, ৮০,০০০০০০০ ইন্দ্ৰাণী উপস্থিত হয়। তাক দেখি তেওঁ আচৰিত হৈছিল।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—বিবেচনা কৰি চ'ক ইমানবোৰ ইন্দ্ৰ ইন্দ্ৰাণীয়ে থিয় ...ৰ এইখন পৃথিৱীৰ দৰে কিমানবোৰ পৃথিৱীৰ প্ৰয়োজন হব ?

শ্ৰাদ্ধদিনকৃত্য, আত্মনিন্দাভাৱনা, পৃষ্ঠা ৩১ অত লিখা আছে যে, ...বা ক্ষুদ্ৰ কুৱা অথবা পুখুৰী খনা উচিত নয়।

সমীক্ষক—সেই মতে সকলোৱে যদি জৈন মতাবলম্বী হয় ...কুৱা, পুখুৰী আদি নেখান্দে তেনেহলে মানুহে পানী ক'ৰ পৰা পাব ?

প্ৰশ্ন—কুৱা, পুখুৰী আদি খনালে তাত জীৱ পৰে আৰু ...ৰ; গতিকে যি খনায় তেওঁলোকৰ পাপ হয়। সেই কাৰণেই ...সকলে এই কাম নকৰে।

উত্তৰ—জৈনসকলৰ বুদ্ধি নষ্ট হৈছে। কাৰণ ক্ষুদ্ৰ ক্ষুদ্ৰ জীৱ ...লে যদি পাপ হয়, ডাঙৰ ডাঙৰ গৰু আদি পশু আৰু মানুহে ...পান কৰি মৃত্যুৰ পৰা ৰক্ষা পৰিলে যে পুণ্য হয়, সেই কথা ...বেচনা নকৰে কিয় ?

(তত্ত্ববিবেক, পৃষ্ঠা ১৯৬) এই নগৰীত নন্দ মণিকাৰ নামৰ এজন ...ৰে এক পুখুৰী খনোৱাত ধৰ্ম্মভ্ৰষ্ট হৈ ষোড়শ প্ৰকাৰ মহাৰোগত ...ক্ৰান্ত হ'ল। মৃত্যুৰ পাছত তেওঁ সেই পুখুৰীতেই ভেকুলী হৈ জন্ম ...ল। এদিন মহাবীৰৰ দৰ্শনৰ ফলত তেওঁৰ পূৰ্ব্বজন্মৰ স্মৰণ হ'ল। ...বীৰে কৈছে—"মোৰ আগমন বাৰ্ত্তা শুনি, মোক পূৰ্ব্বজন্মৰ ধৰ্ম্মা-...ৰ্য্য বুলি জানি বন্দনা কৰিবলৈ আহিছিল। বাটতে শ্ৰেণিকৰ অশ্ব-...ৰ আঘাতত নিহত হৈ তেওঁ শুভ ধ্যান যোগৰ ফলত দৰ্দুৰাঙ্ক নামৰ ...ৰ্দ্ধিক দেৱতা হয়। মই যে এই স্থানলৈ আহিছো তাক তেওঁৰ ...ধি জ্ঞানৰ বলেৰে অৱগত হৈ মোক বন্দনা কৰে আৰু অলৌকিক ...দ্ধি প্ৰদৰ্শন কৰি গুছি যায়",

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—যি এনেবোৰ জ্ঞান বিৰুদ্ধ অসম্ভৱ কথা কৈছে তেওঁক সৰ্ব্বশ্ৰেষ্ঠ বুলি ভবাটো মহা ভ্ৰম।

শ্ৰাদ্ধদিন কৃত্যৰ ৩৬ পৃষ্ঠাত লিখা আছে যে, সাধু সকলে মৰা মানুহৰ বস্ত্ৰ ধাৰণ কৰিব পাৰে।

সমীক্ষক—মৃতকৰ বস্ত্ৰ ললে জৈন সাধুবোৰ মহাব্ৰাহ্মণ সকলৰ দৰে হয়, কিন্তু মৃতকৰ অলঙ্কাৰবোৰ কোনে লব? বোধহয় অলঙ্কাৰবোৰ মূল্যবান হোৱা বাবে গৃহস্থৰ মানুহেই ৰাখে। তেনে হলে সেই অলঙ্কাৰ ৰখাবোৰক কি বোলা হব?

(ৰত্নসাৰ ভাগ, পৃষ্ঠা ১০৫) খাদ্য বস্তুবোৰ ভঁজা, খুন্দা আৰু ৰন্ধা আদি কাৰ্য্য পাপজনক।

সমীক্ষক—এইবোৰ জৈনৰ অজ্ঞতাৰেই কথা, কাৰণ এইবোৰ কাম নকৰিলে মনুষ্য আদি প্ৰাণীয়ে কেনেকৈ জীৱন ধাৰণ কৰিব? জৈন সকলো নেখাই—নবৈ মৰি যাব।

(ৰত্নসাৰ ভাগ, পৃষ্ঠা ১০৪) উদ্যান পতা মালীৰ এক লাখ পাপ হয়।

সমীক্ষক—মালীৰ এক লক্ষ পাপ হয় যদি, অনেক জীৱে পাত, ফুল, ফল আৰু ছাঁ আদিৰে সুখ ভোগ কৰে, তাৰ পৰা কোটি পুণ্যও হয়, এই সত্য বিবেচনা কৰিব নোৱাৰাও নিৰ্ব্বোধতা।

(তত্ত্ববিবেক, পৃষ্ঠা ২০২)—লব্ধি নামৰ এজন সাধুৱে এদিন ভ্ৰমণ ক্ৰমে কোনো বেশ্যাৰ ঘৰ গৈ পালে আৰু ধৰ্ম্মানুসাৰে বেশ্যাক ভিক্ষা প্ৰাৰ্থনা কৰে। বেশ্যাই কলে "ইয়াত ধৰ্ম্মৰ কাম নাই, কিন্তু ধনৰ কামহে আছে"। তেতিয়া সেই লব্ধি সাধুৱে বেশ্যাৰ ঘৰত চাৰে বাৰ লাখ স্বৰ্ণ মুদ্ৰা বৰ্ষণ কৰোৱালে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষকঃ--বুদ্ধি ভ্ৰষ্ট নহ'লে এইবোৰ কথা সঁচা বুলি কোনেও কৰিব নোৱাৰে।

বস্তুসাৰভাগৰ ৬৭ পৃষ্ঠাত লিখা আছে যে, যদি কোনোৱে স্থানত অশ্বাৰূঢ় প্ৰস্তৰমূৰ্ত্তি স্মৰণ কৰে, তেতিয়া সেই মূৰ্ত্তি সেই উপস্থিত হৈ তেওঁক ৰক্ষা কৰে।

সমীক্ষক—আজি কালি জৈন মহাশয় সকলৰ ঘৰতো চুৰি আদিৰ শত্ৰুভয় হয়। তেওঁলোকে সেই মূৰ্ত্তি স্মৰণ কৰি আত্ম-ৰক্ষা নকৰে কিয়? পুলিচ আৰু বিচাৰালয়ৰ সহায় বিচাৰি হাবাথুৰি কিয়?

জৈন সাধুৰ লক্ষণ :—

ৰজোহৰণা ভৈক্ষ্যভুজো লুঞ্চিতমূৰ্দ্ধজাঃ
শ্বেতাম্বৰাঃ ক্ষমাশীলা নিঃসঙ্গা জৈনসাধৱঃ ॥ ১
লুঞ্চিতা পিচ্ছিকাহস্তা পাণিপাত্ৰা দিগম্বৰাঃ।
ঊৰ্দ্ধাসিনো গৃহে দাতুৰ্দ্বিতীয়াঃ স্যুৰ্জিনৰ্ষয়ঃ ॥ ২
ভুঙ্‌ক্তে ন কেৱলং ন স্ত্ৰী মোক্ষমেতি দিগম্বৰঃ।
প্ৰাহুৰেষাময়ং ভেদো মহান্ শ্বেতাম্বৰৈঃ সহ ॥ ৩

জিনদত্তসুৰীয়ে এইবোৰ শ্লোকত জৈন সাধুৰ লক্ষণ বৰ্ণনা কৰিছে। (ৰজোহৰণ) চমৰী বা চোৰ্ঁাৰ (এবিধ পহুৰ ফান) ৰখা, ভিক্ষান্ন ভোজন মূৰৰ চুলি খুৰাই পেলোৱা, শ্বেতবস্ত্ৰ পিন্ধোতা, ক্ষমাশীল, কাৰো সঙ্গ নকৰা-এইবোৰ লক্ষণৰ শ্বেতাম্বৰ জৈনসাধুক যতি বোলে ॥১। উলঙ্গবোৰক এই প্ৰকাৰৰ দিগম্বৰ জৈন সাধু বোলে, তেওঁলোকে কোনো বস্ত্ৰ ধাৰণ নকৰে মূৰৰ চুলি ছিঙি পেলায়, "পিচ্ছিকা" নোমৰ এটা সোতা কাষলতিত ধাৰণ কৰে, কোনোবাই ভিক্ষা দিলে হাতত লৈ খায়—এইবোৰ দিগম্বৰ সাধুৰ লক্ষণ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তৃতীয় প্ৰকাৰৰ জৈন সাধু হৈছে জিনৰ্ষি। ভিক্ষাদাতা গৃহস্থৰ ভোজন সমাপ্ত হলে এওঁলোকে ভোজন কৰে। দিগম্বৰ জৈনৰ মতে নাৰীৰ অপবৰ্গ (মোক্ষ) নাই, কিন্তু শ্বেতাম্বৰৰ মতে আছে॥৩। জৈন সাধুবোৰৰ চুলি ছিঙাৰ নিয়ম সকলোতে প্ৰসিদ্ধ। বিবেকসাৰৰ ২১৬ পৃষ্ঠাত লিখা আছে যে, 'এক ব্যক্তিয়ে পাঁচ মুঠি কেশ ছিঙি চাৰিত্ৰ গ্ৰহণ কৰিলে, অৰ্থাৎ সাধু হ'ল'। (কল্পসূত্ৰ ভাষ্য, পৃষ্ঠা ১০৮) 'কেশ ছিঙি গৰুৰ নোমৰ সমান কৰি ৰাখিব লাগে'।

সমীক্ষক— জৈনৰ অহিংসা, দয়া-ধৰ্ম্ম কেনে? স্বহস্তে, গুৰুৰ দ্বাৰাই বা আন কাৰোবাৰ দ্বাৰাই চুলি উঘলা অতি কষ্ট কৰ। জীৱক কষ্ট দিয়াই হিংসা নহয় নে?

বিবেকসাৰত লিখা আছে যে ১৬৩৩ সম্বৎসৰত শ্বেতাম্বৰ সম্প্ৰদায়ৰ পৰা ঢুণ্ডিয়া আৰু ঢুণ্ডিয়াৰ পৰা তেৰটা সম্প্ৰদায় পৃথক হয়॥ ঢুণ্ডিয়া সকলে প্ৰস্তৰ আদিৰ মূৰ্ত্তি নেমানে আৰু স্নান আহাৰৰ সময়ৰ বাহিৰে বাকী সকলো সময়তে মুখত আঁৰ কাপোৰ এডোখৰ আঁৰি ৰাখে। যতি সম্প্ৰদায়ে গ্ৰন্থ-পাঠৰ সময়তহে মুখত কাপোৰ আঁৰে, অন্য সময়ত নাঁৰে।

প্ৰশ্ন- মুখত আঁৰকাপোৰ বন্ধা অৱশ্যে কৰ্ত্তব্য, কাৰণ, "বায়ুকায়" অৰ্থাৎ সূক্ষ্ম জীৱ বায়ুত থাকে, সেইবোৰ মুখৰ উষ্ণ বাষ্পত মৰি যায়। যি মুখত কাপোৰ আঁৰি নলয়, তেওঁলোকৰ তাৰ বাবে পাপ হয়। এই কাৰণেই মুখত আঁৰকাপোৰ বন্ধা উচিত।

উত্তৰ – এইবোৰ বিদ্যা আৰু প্ৰত্যক্ষ আদি প্ৰমাণ অনুসাৰে যুক্তিহীন। কাৰণ জীৱ অজৰ আৰু অমৰ, মুখৰ বাষ্পৰ দ্বাৰাই কোনো জীৱ কেতিয়াও মৰিব নোৱাৰে। জৈন মতেও জীৱ অজৰ আৰু অমৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰশ্ন—জীৱ নমৰে হয়. কিন্তু উষ্ণ বাষ্পৰ পৰা কষ্ট পায়। ...ই কাৰণে যি তেনে কষ্ট দিয়ে, তেওঁলোকৰ পাপ হয়। ...তিকে মুখত আঁৰকাপোৰ বন্ধা আৱশ্যক।

উত্তৰ—আপোনাৰ কথাৰ কোনো যুক্তি নাই, কাৰণ কষ্ট দূৰ কৰা ...ৰেবাৰেই অসম্ভৱ। বিনা কষ্টত কোনো জীৱেই চলিব নোৱাৰে। মুখৰ ...পৰ পৰা যদি জীৱৰ কষ্ট হয়, তেনেহলে অহা-যোৱা, উঠা-বহা, হাত ...ৰি লৰচৰ কৰা আৰু চকু মেলা-মুদাতো জীৱৰ আৰু আনৰ কষ্ট হয়, ...তিকে আপোনালোকেও জীৱক কষ্ট নিদিয়াকৈ থাকিব নোৱাৰে।

প্ৰশ্ন—অৱশ্যে যিমান সম্ভৱ জীৱক ৰক্ষা কৰা উচিত। ...ত ৰক্ষা কৰা সম্ভৱ নহয়, তাত নিৰুপায়। বায়ু আদি সকলো ...তেই জীৱ পৰিপূৰ্ণ হৈ আছে। মুখ আবৃত নকৰিলে অনেক ...জীৱ মৰে, বস্ত্ৰ বান্ধিলে কম সংখ্যক জীৱহে মৰিব।

উত্তৰ—আপোনাৰ কথা যুক্তিবিৰুদ্ধ। কাৰণ বস্ত্ৰ বান্ধিলে জীৱৰ ...বেছি কষ্ট হয়। মুখত বস্ত্ৰ বান্ধিলে বা মৌন হৈ থাকিলে, বাষ্পবোৰ ...স্বাভাৱিক ভাবে ৰুদ্ধ হৈ অধিক উষ্ণ আৰু প্ৰবল বেগত ভিতৰৰ পৰা ...ৰৰ তলফালেদি, কাষেদি বা নাকেৰে বাহিৰ হ'ব, গতিকে বাষ্পৰ বেগ ...আৰু উষ্ণতা অধিক হ'লে, আপোনালোকৰ মতানুসাৰে, জীৱৰ অধিক ...ষ্ট হ'ব। ঘৰৰ বা কোঠা বিশেষৰ দুৱাৰবোৰ বন্ধ ৰাখিলে বা পৰ্দ্দা ...ৰিলে ভিতৰৰ উষ্ণতা বেছি হয়, খোলা ৰাখিলে নহয়, সেইদৰে মুখত ...পোৰ বান্ধিলেও দেহৰ ভিতৰৰ বাষ্প বেছি গৰম, কিন্তু কাপোৰ নেবা-...লে গৰম বেছি নহয়। তাৰ পৰা জীৱই অধিক কষ্টহে পাব। উদাহৰণ ...ৰূপে মুখেৰে জুইত ফু দিলে মুখৰ বায়ুৰ বেগ যিমান হয় তাতকৈ এটা ...ৰে ফু দিলে বায়ুৰ বেগ বেছি হয়। সেইদৰে মুখৰ বায়ুৰ বাধা হলে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ভিতৰৰ বায়ু অধিক গৰম আৰু বেগেৰে নাকেদি চলাচল কৰে, তাৰ ফলত জীৱৰ অধিক ক্ষতি হয়। গতিকে মুখত কাপোৰ বন্ধাতকৈ নবন্ধাহে কৰ্ত্তব্য ধৰ্ম্ম। ইয়াৰ উপৰিও মুখত বস্ত্ৰ বান্ধি পঢ়িলে বৰ্ণ বা শব্দবোৰৰ যথাৰ্থ ভাৱে শুদ্ধকৈ উচ্চাৰণ নহয়। অননুনাসিক বৰ্ণবোৰবো সানুনাসিক উচ্চাৰণ হয়। মুখৰ বায়ু আৱৰণেৰে বন্ধ কৰিলে মুখৰ দুৰ্গন্ধও বেছি হয়, কাৰণ দেহৰ ভিতৰ ভাগ দুৰ্গন্ধৰে ভৰা। দেহৰ ভিতৰৰ পৰা বায়ু যিমানে বাহিৰ হয়, সিমানে দুৰ্গন্ধ কমে, এই কথা প্ৰত্যক্ষ। কাৰণ দেহৰ ভিতৰৰ বায়ু দুৰ্গন্ধ যুক্ত। বন্ধ শৌচ-গৃহ যিমান দুৰ্গন্ধময়, তাতকৈ বায়ু চলাচল হৈ থকা শৌচ-গৃহ অতি কম দুৰ্গন্ধযুক্ত, এই কথাও প্ৰত্যক্ষ। মুখৰ বাষ্প আবদ্ধ কৰি ৰাখিলে, দাঁত মুখ পৰিষ্কাৰ নকৰিলে, স্নান নকৰিলে আৰু কাপোৰ নুধুলে জৈনসকলৰ গাৰ দুৰ্গন্ধ বেছি হয়। তাৰ ফলত পৃথিবীৰ জীৱবোৰ ৰোগাক্ৰান্ত হলে জৈনৰ পাপ বৃদ্ধি হয়। মলি, আবৰ্জ্জনা আদিৰ দুৰ্গন্ধৰ পৰা বসন্ত, কলেৰা আদিবো উৎপন্ন হয় আৰু জীৱৰ অধিক কষ্ট হয়। গতিকে অধিক দুৰ্গন্ধ উৎপন্ন কৰাৰ বাবে জৈনসকল অধিক অপৰাধী। যি সকলে মুখত কাপোৰ নেবান্ধে, দাঁত মুখ, দেহ পৰিষ্কাৰ কৰি ৰাখে, তেওঁলোক জৈনৰ তুলনাত অধিক শ্ৰেষ্ঠ। অন্ত্যজ সকলৰ দুৰ্গন্ধযুক্ত সংসৰ্গৰ পৰা পৃথক্ হৈ থকা খুব মঙ্গল। এনে মানুহৰ সংসৰ্গৰ পৰা বুদ্ধি নিৰ্ম্মল হব নোৱাৰে—সেইদৰে জৈন আৰু তেওঁলোকৰ সহচৰবোৰৰ বুদ্ধিও উন্নত হব নোৱাৰে। ৰোগাধিক্য আৰু স্বল্পবুদ্ধিতাই ধৰ্ম্মানুষ্ঠানত বিঘ্ন সৃষ্টি কৰে। গতিকে জৈনসকলৰ অৱস্থা তেনেকুৱাই।

প্ৰশ্ন—বন্ধ ঘৰৰ প্ৰজ্জ্বলিত অগ্নিৰ শিখাই বাহিৰৰ জীৱবোৰক কষ্ট দিব নোৱাৰে, আমিও মুখৰ বাষ্প আৱৰণেৰে ঢাকি বাহিৰৰ জীৱৰ কষ্ট লাঘব কৰিব পাৰো। মুখৰ বায়ু আবৃত কৰিলে বাহিৰৰ বায়ুত থকা জীৱৰ কষ্ট নহয়। যেনেকৈ সমুখত প্ৰজ্জ্বলিত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অগ্নিক হাতেৰে আঁৰ কৰিলেও তাপ অনুভৱ কম হয়, সেইদৰে মুখৰ বায়ুক বস্ত্ৰৰে আঁৰ কাৰ বাহিৰৰ জীৱৰ কষ্ট দূৰ কৰা হয়। অৱশ্যে জীৱদেহধাৰীৰ তেতিয়া কষ্ট হয়।

উত্তৰ—আপোনাৰ কথাবোৰ শিশুৰ কথাৰ দৰে হৈছে। যত বাহিৰৰ বায়ু চলাচল কৰিব পৰা ছিদ্ৰ নাই, তাত অগ্নি জ্বলিবই নোৱাৰে। ফানুচ বা কোনো আইনাৰ বয়ামৰ ভিতৰত এটা প্ৰদীপ জ্বলাই মুখখন বন্ধ কৰি দিলে প্ৰদীপ তৎক্ষণাৎ নুমাই যাব। এই কথা প্ৰমাণ কৰি চাব পাৰে। বিনা বায়ুৰে যেনেকৈ পাৰ্থিব প্ৰাণী জীৱিত থাকিব নোৱাৰে, মুখৰ আগৰ অগ্নিক হাতেৰে আঁৰ কৰিলে মুখত তাপ কম লাগিব হয়। কিন্তু হাতত তাপ বেছিকৈ লাগিব, গতিকে আপোনাৰ কথা যুক্তিহীন।

প্ৰশ্ন–সকলোৱে জানে যে, যেতিয়া কোনো নিম্নপদস্থ ব্যক্তিয়ে উচ্চপদস্থ ব্যক্তিৰ কাণৰ কাষত বা অতি কাষত কথা কয়, তেতিয়া হাতেৰে মুখ আৱৰণ কৰি লয়, যাতে মুখৰ পৰা থুৰ কণিকা গৈ গাত নপৰে আৰু দুৰ্গন্ধও যাতে অনুভৱ কৰিব নোৱাৰে। পঢ়োতেও মুখৰ থূৰ কণিকা গৈ গ্ৰন্থত পৰি গ্ৰন্থ উচ্ছিষ্ট আৰু বিকৃত কৰে, এই কাৰণেও মুখত বস্ত্ৰ বন্ধা উচিত।

উত্তৰ—এতিয়া প্ৰমাণ হল যে, জীৱ ৰক্ষাৰ কাৰণে মুখত কাপোৰ বন্ধা অৰ্থহীন। উচ্চ পদস্থ ব্যক্তিৰ কাণত মুখ আৱৰণ কৰি কথা কোৱাৰ ৰহস্য হল এয়ে যে, সেই গোপন কথা যাতে আনে শুনিবলৈ নেপায়। প্ৰকাশ্য কৰি কথা কওঁতে মুখ আৱৰণ কৰা নহয়। কোনো গোপন কথা কৱৰ সময়ত আগত বহু লোক থাকিলে মুখত আঁৰ কৰা হয়, নহলে মুখৰ বায়ুৰ বেগত মুখৰ শব্দ গৈ আনৰ কাণত প্ৰৱেশ কৰে। নিৰ্জ্জন ঠাইত কথা কৱৰ সময়ত মুখ ঢাকি কৰৰ প্ৰয়োজন নকৰে। উচ্চ স্তৰৰ ব্যক্তিৰ গাত থুৰ কণিকা নপৰিবৰ কাৰণে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যদি মুখত আৱৰণ দিয়া হয়, তেনেহলে নিম্ন স্তৰৰ ব্যক্তিৰ গাত থুব কণিকা পেলোৱা যুক্তি সঙ্গত নহয়। থুৰ কণিকা পৰাৰ পৰা ৰক্ষা কৰা সম্ভৱো নহয়, কাৰণ দূৰৰ পৰা কথা কলেও থুৰ কণিকা সুক্ষ্ম ত্ৰস-ৰেণুৰূপে সন্মুখৰ মানুহৰ গাত পৰে। সেইটোও দোষ বুলি ভৱা অসঙ্গত। মুখৰ দুৰ্গন্ধ দূৰ কৰাৰ উপায় পেট আৰু দাঁত-মুখ পৰিষ্কাৰ কৰা আৰু নাকে মুখে বাহিৰৰ বিশুদ্ধ বায়ু চলাচল কৰি ৰখা। মুখৰ উষ্ণ বায়ুৰ পৰা জীৱ মৰা বা কষ্ট পোৱা হলে জেঠ মহীয়া প্ৰখৰ তাপত বায়ুকায় জীৱ একেবাৰেই নিঃশেষ হলহেঁতেন। গতিকে সূৰ্য্যৰ প্ৰখৰ তাপত জীৱ নমৰে যেতিয়া, জৈন সিদ্ধান্ত যুক্তিহীন। জৈন তীৰ্থঙ্কৰবোৰ পূৰ্ণবিদ্য হোৱাহলে এনেবোৰ কথা কেতিয়াও নকলেহেঁতেন। শুনক! যিবোৰ জীৱৰ বৃত্তিবোৰ সকলো অৱয়ৱৰ লগত বিদ্যমান থাকে সেইবোৰৰ কষ্টবোধ সম্ভৱপৰ। ইয়াৰ প্ৰমাণ—

পঞ্চাবয়ৱযোগাৎ সুখসংবিত্তিঃ॥

সাংখ্য: অ. ৫। সূঃ ২৭॥

পঞ্চ বিষয়ৰ লগত পঞ্চ ইন্দ্ৰিয়ৰ সম্বন্ধ হলেই জীৱৰ সুখ-দুখ অনুভৱ হয়। কলাক গালি পৰা, অন্ধক ৰূপ দেখুৱা, বা অন্ধৰ আগেদি ভয়ঙ্কৰ সাপ বাঘ আদি যোৱা নিৰৰ্থক। সেইদৰে স্পৰ্শ জ্ঞানহীনৰ স্পৰ্শ, ঘ্ৰাণশক্তিহীনৰ গন্ধ আৰু জিহ্বাহীনৰ ৰসৰ আস্বাদন অসম্ভৱ। সেইদৰেই 'বায়ুকায়' জীৱৰো একেই অৱস্থা। মানুহ যেতিয়া সুষুপ্তি অৱস্থাত থাকে, তেতিয়া সুখ-দুখ অনুভৱ নহয়; কাৰণ জীৱ শৰীৰস্থ হৈ থাকিলেও, জীৱৰ বাহিৰৰ অৱয়ৱবোৰৰ লগত সম্বন্ধ নেথাকে. গতিকে সুখ-দুখ অনুভৱ হব নোৱাৰে। আধুনিক চিকিৎসক সকলে ৰোগীক মাদক দ্ৰব্য খুৱাই বা ঘ্ৰাণ কৰাই ৰোগীৰ দেহত অস্ত্ৰোপচাৰ কৰে। তেতিয়া ৰোগীৰ একো দুখ অনুভৱ নহয়। সেইদৰে বায়ুকায় আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স্থাৱৰ দেহধাৰী জীৱবোৰৰ সুখ দুখ কেতিয়াও অনুভৱ হব নোৱাৰে। যেনেকৈ মূৰ্চ্ছিত অৱস্থাত কোনো প্ৰাণীয়ে সুখ দুখ অনুভৱ কৰিব নোৱাৰে, সেইদৰে বায়ুকায় আদি জীৱবোৰেও একেবাৰেই মূৰ্চ্ছিত অৱস্থাত থাকে; গতিকে সুখ দুখ অনুভৱ কৰিব নোৱাৰে, সেয়েই যদি তেন্তে সেইবোৰ জীৱক কষ্টৰ পৰা ৰক্ষা কৰাৰ প্ৰশ্নই উঠিব নোৱাৰে। সেইবোৰ জীৱৰ সুখ বা দুখৰ কোনো প্ৰত্যক্ষই যেতিয়া নাই, তেনে স্থলত অনুমান আদিৰ যুক্তি কেনেকৈ সঙ্গত হব পাৰে?

প্ৰশ্ন—সেইবোৰো জীৱ যেতিয়া সিহঁতৰ সুখ দুখ নহব কিয়?

উত্তৰ—সবল বুদ্ধিৰ ভাইসকল! সুষুপ্তি অৱস্থাত আপোনালোকৰ সুখ-দুখ অনুভৱ নহয় কিয়? সুখ-দুখ অনুভৱৰ কাৰণ আত্মাৰ মন আৰু ইন্দ্ৰিয়ৰ সম্বন্ধ প্ৰসিদ্ধ। ইয়াৰ অলপ আগতে কোৱা হৈছে যে, চিকিৎসকসকলে ৰোগীক মাদক দ্ৰব্য সুঙাই অস্ত্ৰোপচাৰ কৰে। সেই অৱস্থাত ৰোগীৰ সুখ বা দুখৰ অনুভৱ নহয়। সেইদৰে অতি মূৰ্চ্ছিত জীৱবোৰৰ সুখ-দুখ অনুভৱ নহয়, কাৰণ সেই অৱস্থাত সুখ-দুখৰ কোনো অনুভৱ নাই।

প্ৰশ্ন—আমি জৈনে হৰিৎ বৰ্ণৰ অৰ্থাৎ কেচা শাক পাত কন্দমূল ভক্ষণ নকৰো; কাৰণ সেইবোৰত বহুত আৰু কন্দমূলত অনেক জীৱ থাকে। সেইবোৰ বস্তু খালে তাৰ ভিতৰত থকা জীৱক হত্যা বা দুখ দিয়া হয়, ফলত আমাৰ পাপ হয়।

উত্তৰ—আপোনালোকৰ অজ্ঞতাৰ কাৰণেই এনেবোৰ কথা কয়। আপোনালোকে কেনেকৈ জানে কেচা শাক পাত আদি খালে যে জীৱ-বোৰক বা দুখ দিয়া হয়? সেইবোৰৰ যে কষ্ট হয় তাক আপোনালোকে কেতিয়াবা দেখিছেনে? যদি দেখিছে, আমাকো দেখুৱাওক। কিন্তু তাক

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আপোনালোকে প্ৰত্যক্ষ দেখাও নাই আৰু আমাকো দেখুৱাব নোৱাৰে। প্ৰত্যক্ষৰ অভাৱত অনুমান, উপমান আৰু শব্দ প্ৰমাণো হব নোৱাৰে। গতিকে ইয়াৰ উত্তৰ আগতেই দিয়া হৈছে। তীৰ্থঙ্কৰসকলে যদি ভাবে যে, যিবোৰ জীৱ ঘোৰ অন্ধকাৰ, সুষুপ্তি আৰু মাদকতা অৱস্থাত আচ্ছন্ন হৈ থাকে সেইবোৰেও সুখ-দুখ অনুভৱ কৰে—তেন্তে তেওঁলোকৰ ধাৰণা ভুল। তেওঁলোকৰ এনেকুৱা উপদেশ যুক্তি জ্ঞানৰ বিৰুদ্ধ। বাৰু কওক চোন, সীমাবদ্ধৰ ভিতৰত অনন্ত অৰ্থাৎ সীমা সংখ্যাহীন জীৱ কেনেকৈ থাকিব পাৰে? কন্দ যেতিয়া সসীম, তাৰ ভিতৰত থকা জীৱবোৰো সসীম; অনন্ত কেনেকৈ হব? গতিকে আপোনালোকৰ ধাৰণা একেবাৰেই ভুল।

প্ৰশ্ন—আপোনালোকে নুতলোৱা জলপান কৰে, তাৰ পৰা আপোনালোকৰ পাপ হয়। আমি জল উতলোৱাৰ পাছত পান কৰো, আপোনালোকেও তেনেই কৰা কৰ্তব্য।

উত্তৰ—এই সিদ্ধান্তও আপোনালোকৰ ভুল। জলত অনেক ক্ষুদ্ৰ জীৱ থাকে, উতলালে সেইবোৰ মৰি যায়। সেইবোৰৰ দেহবোৰ গৰম পানীত সিজি পানীৰ ৰং গুৱামুৰিৰ ৰসৰ দৰে হয়। জৈনে জীৱৰ দেহৰ আৰক পান কৰে, তাৰ পৰা ঘোৰ পাপ হয়। কিন্তু যি পানী সিজ নকৰাকৈ পান কৰে তেওঁলোকৰ তেনে পাপ হব নোৱাৰে। কাৰণ জল উত্তপ্ত নকৰাকৈ পান কৰিলে জলৰ জীৱবোৰ উদৰস্থ হোৱাৰ পাছত উদৰৰ তাপ পালে নিঃশ্বাসৰ লগত বাহিৰ হৈ যায়। আচলতে জলকায় জীৱবোৰৰ ওপৰত শোৱাৰ দৰে সুখ-দুখ অনুভৱ হব নোৱাৰে, এই বিষয়ত ক'বো পাপ হব নোৱাৰে।

প্ৰশ্ন—জঠৰাগ্নিৰ তাপত যদি জীৱবোৰ ওলাই যাব পাৰে, সেইবোৰ তেনেহলে জল তপত কৰোতে তপত পানীৰ পৰা সেইবোৰ ওলাই যাব নোৱাৰিব কিয়?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উত্তৰ—অৱশ্যে ওলাই যায়, কিন্তু আপোনালোকৰ জৈনমতে মুখৰ ভাপৰ তাপত জীৱ মৰি যায়। সেই গতিকে জল গৰম কৰিলে জীৱবোৰ মৰি যাব বা অধিক কষ্টভোগ কৰি ওলাই যাব। সিহঁতৰ দেহবোৰো বুদ্ধি পানীত মিলি যাব, তেতিয়া আপোনালোকৰ বেছি পাপ হব নে নাহয়!

প্ৰশ্ন আমি নিজে পানী গৰম নকৰো আৰু কোনো গৃহস্থকো গৰম কৰিবলৈ নকওঁ। গতিকে আমাৰ পাপ হব নোৱাৰে।

উত্তৰ—আপোনালোকে কেৱল গৰম কৰা জলহে পান আৰু ব্যৱহাৰ কৰে; গতিকে আপোনালোকৰ কাৰণেহে আনে পানী গৰম কৰে, গতিকে আপোনালোকেই সকলোতকৈ বেছি পাপৰ ভাগী। কোনো গৃহস্থক পানী গৰম কৰিবলৈ কলে সেই ঘৰেই কৰিব। কিন্তু কোনো জৈন সাধু কেতিয়া কাৰ ঘৰত আৰু কিমান যাব তাক নজনাৰ বাবে ঘৰে ঘৰে পানী গৰম কৰি ৰাখিব লগা হয়। গতিকে আপোনালোকেই প্ৰধান পাপী, আনৰ কৰ্ম্মৰ বাবেও আপোনালোকেই দায়ী। দ্বিতীয়তে অধিক কাঠ নষ্ট কৰাৰ বাবে আগতে দিয়া যুক্তি মতে বন্ধন কৃষি, বাণিজ্য আদিত আপোনালোকেই সৰ্ব্বাধিক পাপী আৰু নৰকগামী হয়। গৰম কৰা জল পান কৰিবলৈ বা ব্যৱহাৰ কৰিবলৈ আপোনালোকেই যেতিয়া বিধি দিয়ে আৰু উপদেশ কৰে, সেয়ে আপোনালোকহে তাৰ বাবে পাপৰ ভাগী আৰু যি আপোনালোকৰ আদেশ মতে আচৰণ কৰে তেওঁলোকো পাপী। এতিয়া ভাবি চ'ক আপোনালোক ঘোৰ অজ্ঞানত আছেনে নাই। ক্ষুদ্ৰ প্ৰাণীবোৰৰ প্ৰতি দয়া কৰা আৰু ভিন্ন মতাৱলম্বীবোৰক নিন্দা কৰা আৰু অপকাৰ কৰা সামান্য পাপ নেকি? আপোনালোকৰ তীৰ্থঙ্কৰবিলাকৰ মত সঁচা হোৱা হলে ঈশ্বৰৰ সৃষ্টিত ইমান বৰষুণ, ইমান নদীৰ প্ৰবাহ বা ইমান পানীৰ সৃষ্টি কৰিলে কিয়? সূৰ্য্যকো সৃষ্টি কৰিব

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নেলাগিছিল; কাৰণ, আপোনালোকৰ মত অনুসাৰে সূৰ্য্যৰ তাপত অসংখ্য জীৱ মৰিব লাগিছে। যি সকল তীৰ্থঙ্কৰক আপোনালোকে ঈশ্বৰ বুলি বিশ্বাস কৰে, তেওঁলোকে দয়া কৰি সূৰ্য্যৰ তাপ দূৰ আৰু মেঘৰ উৎপত্তি নিবাৰণ নকৰিলে কিয়? আগত উল্লেখ কৰা মতে যিবোৰ প্ৰাণীয়ে জীৱন ধাৰণ কৰে, সেইবোৰে সুখ দুখ অনুভৱ কৰিব পাৰে, কন্দমূলৰ ভিতৰত থকা জীৱৰ সুখ-দুখৰ অনুভৱ অসম্ভৱ। আৰু সকলো জীৱকেই সদায় দয়া কৰাটোও দুখৰ কাৰণ হয়। কাৰণ সকলোৱেই যদি জৈনমতাৱলম্বী হয়, চোৰ ডকাইতকো শাস্তি দিয়া নহয়, তেতিয়া পাপৰ বল কিমান বাঢ়িব ভাবি চাওক। গতিকে দুষ্টক উপযুক্ত শাস্তি আৰু সাধুসকলক পালন কৰাকেই দয়া বোলে। ইয়াৰ বিপৰীত আচৰণ কৰিলে দয়া আৰু ক্ষমাৰ স্বৰূপ নষ্ট হয়।

বহুত জৈনে বেহা-বেপাৰ কৰে, বেপাৰৰ ক্ষেত্ৰত মিছা কথা কয়, পৰৰ ধন অপহৰণ কৰে আৰু দৰিদ্ৰক প্ৰতাৰণা কৰে। এই কুকৰ্ম্মবোৰ নিবাৰণ কৰিবৰ কাৰণে উপদেশ নিদিয়ে কিয়? মুখত কাপোৰ অঁৰা ভাও ধৰিব লাগে কিয়? শিষ্যক শৰণ দিবৰ সময়ত মূৰৰ চুলি উঘালে কিয়? বহুত দিনলৈ উপবাস কৰি আত্মঘাতী হয় কিয়? এনেবোৰ হিংসাজনক কামৰ প্ৰয়োজন কি? জৈনসকলে উট, ঘোঁৰা বা গৰুৰ পিঠিত উঠা আৰু মানুহক পৰিশ্ৰম কৰোৱা পাপ বুলি নধৰে কিয়? আপোনালোকৰ অসঙ্গত কথাবোৰ যেতিয়া সত্য বুলি প্ৰমাণ কৰিব নোৱাৰে, সেইবোৰ আপোনালোকৰ গুৰু তীৰ্থঙ্কৰেও প্ৰমাণ কৰিব নোৱাৰে। গতিকে পাপৰ মুখ্য কাৰণ জৈন মতাৱলম্বীসকল নহব কিয়?

এই সংক্ষেপ আলোচনাৰ পৰাই বুজিব পাৰিব যে, জল, স্থল বা বায়ুৰ স্থাৱৰ শৰীৰ ধাৰী মূৰ্চ্ছিত জীৱৰ সুখ বা দুখ অনুভৱ হব নোৱাৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হুয়াৰ পাছত জৈনৰ আৰু কিছুমান অসম্ভৱ কথা উল্লেখ কৰা হ'ল। সেইবোৰ বিবেচনা কৰি চ'ক। মনত ৰাখিব যে নিজৰ ...ৰ চাৰে তিনি হাত পৰিমাণে এক ধনুক হয়। জৈনৰ কাল গণনা ...তে কৈ অহা হৈছে।

ৰত্নসাৰ প্ৰথম ভাগত ১১৬ ৰ পৰা ১৬৭ পৃষ্ঠাত তলত দিয়া ...ৰণ লিখা আছেঃ—

তীৰ্থঙ্কৰ	দেহৰ আয়তন	আয়ু
১। ঋষভদেৱ	৫০০ ধনুঃ দীৰ্ঘ	৮৪ লক্ষ পূৰ্ব্ব বছৰ
২। অজিত নাম	৪৫০ ,, ,,	৭২ ,, ,, ,,
৩। সংভৱ নাম	৪০০ ,, ,,	৬০ ,, ,, ,,
৪। অভিনন্দন	৩৫০ ,, ,,	৫০ ,, ,, ,,
৫। সুমতি নাম	৩০০ ,, ,,	৪০ ,, ,, ,,
৬। পদ্ম প্ৰভ	১৪০ ,, ,,	৩০ ,, ,, ,,
৭। পাৰ্শ্বনাথ	২০০ ,, ,,	২০ ,, ,, ,,
৮। চন্দ্ৰ প্ৰভ	১৫০ ,, ,,	১০ ,, ,, ,,
৯। সুবিধিনাথ	১০০ ,, ,,	২ ,, ,, ,,
১০। শীতলনাথ	৯০ ,, ,,	১ ,, ,, ,,
১১। শ্ৰেয়াংস নাথ	৮০ ,, ,,	৮৪ ,, ,, ,,
১২। বাসু পূজ্য স্বামী	৭০ ,, ,,	৭২ ,, ,, ,,
১৩। বিমল নাথ	৬০ ,, ,,	৬০ ,, ,, ,,
১৪। অনন্ত নাথ	৫০ ,, ,,	৩০ ,, ,, ,,
১৫। ধৰ্ম্ম নাথ	৪৫ ,, ,,	১০ ,, ,, ,,
১৬। শান্তি নাথ	৪০ ,, ,,	১ ,, ,, ,,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

১৭।	কুংথু নাথ	৩৫ ,,	,,	৯৫ সহস্ৰ বছৰ
১৮।	অমৰ নাথ	৩০ ,,	,,	৮৪ ,, ,,
১৯।	মল্লীনাথ	২৫ ,,	,,	৫৫ ,, ,,
২০।	মুণি সুব্ৰত	২০ ,,	,,	৩০ ,, ,,
২১।	নমি নাথ	১৪ ,,	,,	১ ,, ,,
২২।	নেমি নাথ	১০ ,,	,,	১ ,, ,,
২৩।	পাৰ্শ্ব নাথ	৯ হাত দীৰ্ঘ		১ শত বছৰ
২৪।	মাহাবীৰ স্বামী	৭ ,,	,,	৭২ বছৰ।

এই ২৪ তীৰ্থঙ্কৰ জৈন মতৰ প্ৰৱৰ্ত্তক, আচাৰ্য্য আৰু গুৰু। তেওঁলোকক জৈনসকলে পৰমেশ্বৰ বুলি বিশ্বাস কৰে। এই ২৪ জনেই মোক্ষ লাভ কৰিছে। সুধীসকলে বিবেচনা কৰি চ'ক যে ইমান প্ৰকাণ্ড মানৱ দেহ আৰু মানৱ জীৱনৰ ইমান আয়ু হব পৰা সম্ভৱ হয় নে নহয়? এনেকুৱা অতি কম সংখ্যক মানুহকহে এই পৃথিবীত বাস কৰিবলৈ জুৰিব। জৈনৰ এই কাল্পনিক আখ্যানবোৰ অৱলম্বন কৰিয়ে পৌৰাণিক সকলে এক লক্ষ, দশ সহস্ৰ, আৰু এক সহস্ৰ বছৰ আয়ু উল্লেখ কৰিছে। সেইবোৰো অসম্ভৱ। গতিকে জৈন সকলৰ কথা কেনেকৈ সম্ভৱ হব পাৰে? ইয়াৰ পাছত আৰু আছে:—

জৈন সকলৰ মিছা সাধু

কল্পভাষ্যৰ ৪ পৃষ্ঠাত লিখা আছে যে, নাগকেতুৱে এখন গাঁৱৰ সমান এটা শিল আঙ্গুলিৰ মূৰত তুলি ললে! কল্পভাষ্যৰ ৩৫ পৃষ্ঠাত লিখা আছে যে মহাবীৰে আঙ্গুলিৰে পৃথিবীখন টিপা মাৰি দিয়াত শেষ-নাগ কঁপি উঠিছিল! কল্পভাষ্যৰ ৪৬ পৃষ্ঠাত লিখা আছে যে, মহাবীৰক

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...ই দংশন কৰাত তেজৰ সলনি গাখীৰ ওলাইছিল আৰু সেই সৰ্প ...ৰ স্বৰ্গলৈ গ'ল ! কল্পভাষ্যৰ ৪৭ পৃষ্ঠাত লিখা আছে যে, মহাবীৰৰ ...ৰ ওপৰতে পায়স সিজালে তথাপি ভৰি নুপুৰিল ! কল্পভাষ্যৰ ... পৃষ্ঠাত আছে যে, এটা সৰু পাত্ৰত এটা উট ভৰাই অনা হৈছিল। ৰত্নসাৰ প্ৰথম ভাগৰ ১৪ পৃষ্ঠাত লিখা আছে যে শৰীৰৰ ...ৰিও গুছাব নেলাগে আৰু খজুৱাবও নেলাগে। বিবেকসাৰ প্ৰথম ...গৰ ১৫ পৃষ্ঠাত লিখা আছে যে, "দমসাৰ" নামৰ এজন জৈন ...ধুৱে খঙত উদ্বিগ্নজনক এটা সূত্ৰ পাঠ কৰি কোনো এখন নগৰ ভস্ম ...ৰি দি.ছিল। সেই সাধুজন তীৰ্থঙ্কৰ মহাবীৰৰ প্ৰিয় পাত্ৰ আছিল। বিবেকসাৰৰ ১ম ভাগৰ ১২৭ পৃষ্ঠাত লিখা আছে যে ৰজাৰ আজ্ঞা মনা ...ৱশ্য কৰ্ত্তব্য। বিবেকসাৰৰ ১ম ভাগৰ ২২৭ পৃষ্ঠাত লিখা আছে যে, ...কোশা নামৰ এজনী বেশ্যাই এখন কাঁহীত সৰিয়হ ভৰাই তাৰ মাজত ...ৰেজীবোৰ উপৰ মুৰাকৈ পুতি তাৰ আগবোৰ ফুলেৰে ঢাকি, সেই ...ৰেজীৰ ওপৰত নৃত্য কৰা সত্ত্বেও বেশ্যাৰ ভৰিত বেজীও নুফুটিল আৰু ...সৰিয়হবোৰো কাঁহীৰ পৰা বাগৰি নপৰিল ! তত্ত্ববিবেকৰ ২২৮ পৃষ্ঠাত লিখা আছে যে "স্থূল" নামৰ এজন খুনীয়ে সেই কোশা বেশ্যাৰ ...লগত ১২ বছৰ সহবাস কৰাৰ পাছত দীক্ষা গ্ৰহণ কৰি সদ্গতি লাভ কৰিলে। আৰু কোশাও জৈন ধৰ্ম্ম গ্ৰহণ কৰি সদ্গতি লাভ কৰিলে। বিবেকসাৰৰ ১ম ভাগৰ ১৮৫ পৃষ্ঠাত আছে যে, এজন বৈশ্যাই এজন ...সিদ্ধ পুৰুষৰ কঁথাৰ পৰা দিনে ৫০০ কৈ স্বৰ্ণমুদ্ৰা পাইছিল। বিবেক...সাৰৰ ১ম ভাগৰ ২২৮ পৃষ্ঠাত লিখা আছে যে বলবান ব্যক্তিৰ আদেশ, ...দেৱতাৰ আদেশ, অটব্য অৰণ্যত অতি কষ্টৰে জীৱন যাপন আৰু ...গুৰু, মাতা, পিতা, কুলগুৰু, জ্ঞাতি আৰু ধৰ্ম্মোপদেষ্টা—এই ছয় জনৰ বিৰুদ্ধ আচৰণৰপৰা ধৰ্ম্ম পালনত ব্যতিক্ৰম হ'লে ধৰ্ম্মহানি নহয়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—এতিয়া এই মিছা কথাবোৰ বিবেচনা কৰি চ'ক। কোনোৱে গাওঁ এখনৰ সমান এটা শিল আঙুলিৰ ওপৰত তুলিব পাৰেনে? আঙুলিৰ হেচাত পৃথিবীখন বহি যাব পাৰেনে! শেষনাগ বুলি কাৰো আস্তিত্বই নাই যেতিয়া, কঁপিলে কোনে? শৰীৰ কাটিলে গাখীৰ ওলোৱা কোনোৱে দেখা নাই। ইন্দ্ৰজাল নহ'লে তেনে ভ্ৰম হব নোৱাৰে। শৰীৰ দংশন কৰি সৰ্প স্বৰ্গলৈ গল, কিন্তু মহাত্মা শ্ৰীকৃষ্ণ আদি তৃতীয় নৰকলৈ গ'ল—ইয়াতকৈ ডাঙৰ মিছা কথা আৰু কি হব পাৰে! মহাবীৰৰ চৰণৰ ওপৰত্ত পায়স ৰন্ধাতো চৰণ নুপুৰিলে কিয়? বাৰু, এটা ক্ষুদ্ৰ পাত্ৰত এটা উট ভৰাব পাৰিলে কেনেকৈ? গাৰ মলি পৰিষ্কাৰ নকৰিলে চৰ্ম্মৰোগ হয় আৰু দুৰ্গন্ধৰূপ মহানৰক ভোগ কৰিব লাগে। যিজন সাধুৱে খঙত এখন নগৰ জ্বলাই দিলে তেওঁৰ ক্ষমা, দয়া একো নাছিল নেকি? মহাবীৰৰ আশ্ৰয়ত থাকিও যেতিয়া সেই সাধুৰ আত্মা পৱিত্ৰ নহ'ল, মহাবীৰৰ মৃত্যুৰ পাছত মহাবীৰৰ নাম ললে জৈন সকলৰ আত্মা পবিত্ৰ কেতিয়াও হ'ব নোৱাৰে। ৰজাৰ আদেশ পালন কৰা অৱশ্যে কৰ্ত্তব্য। জৈন সকল বেপাৰী, গতিকে ৰজাৰ ভয়তেই বোধ হয়, এই কথা লিখিলে। কোশা বেশ্যাৰ দেহ যিমানেই পাতল হওক লাগে, বেজী পুতি থোৱা সৰিয়হৰ দমৰ ওপৰত নচা, বেজীয়ে নিবিন্ধা আৰু সৰিয়হো বাগৰি নোযোৱা, এনেবোৰ কথা সম্পূৰ্ণ মিছা নহব পাৰেনে? যিয়েই হওক লাগে, যেই কোনো অৱস্থাতেই ধৰ্ম্ম ত্যাগ কৰা অনুচিত। কাপোৰৰ বেথাই নো কেনেকৈ প্ৰতিদিনে নিৰ্দ্দিষ্ট ভাবে ৫০০ কৈ স্বৰ্ণ মুদ্ৰা দিব পাৰে? জৈনৰ অসম্ভৱ কাহিনীবোৰৰ সকলো লিখিব লাগিলে এই গ্ৰন্থও জৈনৰ দৰে নিৰৰ্থক গ্ৰন্থহে হব। গতিকে বেছি বাহুল্য কৰা নিষ্প্ৰয়োজন। আচলতে জৈন গ্ৰন্থৰ বেছিভাগ কথাই অসত্য। আৰু চ'কঃ—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দো সসি দো ৰবি পঢ়মে তুগুণা লবণং মিধায় ঈসং মে।
বাৰস সসি বাৰস ৰবি। তপ্যাভি ইংনি দিউ সসি ৰবিণো॥
প্ৰকৰণঃ ভাঃ ৪ সংগ্ৰহণী সূত্ৰ ৭৭॥

লিখিত আছে যে, জম্বুদ্বীপৰ আয়তন একলক্ষ যোজন অৰ্থাৎ ... লক্ষ ক্ৰোশ! জৈন গ্ৰন্থত জম্বুদ্বীপক প্ৰথম দ্বীপ বোলা হৈছে। তাৰ ভিতৰত দুটা চন্দ্ৰ আৰু দুটা সূৰ্য্য আছে। লবণ সমুদ্ৰত তাৰ দুগুণ অৰ্থাৎ ...টা চন্দ্ৰ আৰু ৪টা সূৰ্য্য আছে। ধাতকী খণ্ডত ১২টা চন্দ্ৰ আৰু ১২টা সূৰ্য্য আছে, ইয়াক তিনিগুণ কৰিলে ৩৬ হয়, তাৰ লগত জম্বুদ্বীপৰ ২, লবণ সমুদ্ৰৰ ৪ যোগ কৰিলে ৪২টা চন্দ্ৰ আৰু ৪২টা সূৰ্য্য কালদধি সমুদ্ৰত আছে। এইদৰেই ইয়াৰ বাহিৰৰ দ্বীপ আৰু সমুদ্ৰবোৰত চন্দ্ৰ সূৰ্য্য আছে। আগৰ ৪২ টাক তিনিগুণ কৰিলে ১২৬ হয়। এইবোৰৰ লগত ধাতকীখণ্ডৰ ১২, লবণ সমুদ্ৰৰ ৪ আৰু জম্বুদ্বীপৰ ২ যোগ কৰিলে পুষ্কৰ দ্বীপত ১৪৪টা চন্দ্ৰ আৰু ১৪৪টা সূৰ্য্য আছে। এইবোৰ আধা মনুষ্য ক্ষেত্ৰৰহে গণনা। য'ত মানুহ নাই তাত অনেক চন্দ্ৰ আৰু সূৰ্য্য আছে, সেই কথা নিশ্চিত। উল্লেখিত জম্বুদ্বীপৰ ২টা চন্দ্ৰ, ২টা সূৰ্য্য, লবণ সমুদ্ৰৰ ৪টা, ধাতকী খণ্ডৰ ১২টা আৰু কালোদধি সমুদ্ৰৰ ৪২টা যোগ কৰিলে পুষ্কৰ সমুদ্ৰত ৪৯২টা চন্দ্ৰ আৰু ৪৯২টা সূৰ্য হয়। এইবোৰ বিষয় শ্ৰীজিনভদ্ৰগণীক্ষমাশ্ৰমণ ৰচিত বৃহৎ "সঙ্ঘয়ণী" "যোতীসকৰণ্ডক পয়ন্না" "চন্দ্ৰপন্নতি" আৰু "সুৰপন্নতি" আদি জৈনসিদ্ধান্ত গ্ৰন্থত বৰ্ণিত

সমীক্ষক—এতিয়া ভূগোল আৰু খগোল বিদ্যাবিদসকলে শুনক! জৈনসকলৰ মতে এই পৃথিৱীতে এক প্ৰকাৰৰ গণনা অনুসাৰে ৪৯২টা আৰু অন্য প্ৰকাৰ গণনা মতে অসংখ্য চন্দ্ৰ আৰু সূৰ্য্য আছে। আপোনালোকৰ সৌভাগ্য এই যে, আপোনালোকে বেদানুকূল "সূৰ্য্য-সিদ্ধান্ত" আদি জ্যোতিষ গ্ৰন্থবোৰ অধ্যয়ন কৰি ভুগোল আৰু খগোল-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তত্ত্ব যথাৰ্থৰূপে জানিব পাৰিছে। আপোনালোকেও জৈন মতৰ অন্ধকাৰত আচ্ছন্ন থকা হলে, আজিও জৈনসকল যেনেকৈ অন্ধকাৰত আছে, অপোনালোকেও চিৰ জীৱন অন্ধকাৰতেই থাকিব লাগিলহেঁতেন। এই অজ্ঞানী সকলৰ মনত সংশয় হৈছিল যে, জম্বুদ্বীপত এটা চন্দ্ৰ আৰু এটা সূৰ্য্যই ইমান বিশাল পৃথিবীক ২৪ ঘণ্টা প্ৰকাশিত কৰিব নোৱাৰে। তেওঁলোকৰ বিশ্বাস যে, সূৰ্য্যতকৈ পৃথিবী বিশাল, তেওঁলোকৰ সেই কাৰণেই ভ্ৰম হয়।

দো সাস দো ৰবি পংতী এগংতৰিয়াছ সঠিতসংখায়া।
মেৰুংপয়াহিণংতা। মাণুসাখত্তে পৰিঅডংতি॥

প্ৰকৰণঃ ভাঃ ৪। সংগ্ৰহ সূঃ ৭৯॥

মনুষ্যলোকত চন্দ্ৰপঙ্‌ক্তি আৰু সূৰ্য্যপংক্তিৰ সংখ্যা কোৱা হৈছে :— দুই চন্দ্ৰ-পংক্তি আৰু দুই সূৰ্য্যপঙ্‌ক্তি আছে। এইবোৰে এক এক লাখ যোজন অৰ্থাৎ ৪ লাখ ক্ৰোশ অন্তৰত ভ্ৰমণ কৰে যেনেকৈ সূৰ্য্য পঙ্‌ক্তিৰ অভ্যন্তৰত এই চন্দ্ৰ পঙ্‌ক্তি আছে, সেইদৰে চন্দ্ৰ পঙ্‌ক্তিৰ অভ্যন্তৰতো এক সূৰ্য্য পঙ্‌ক্তি আছে। এইদৰে ৪ পঙ্‌ক্তি আছে। এক এক চন্দ্ৰ পঙ্‌ক্তিত ৬৬ চন্দ্ৰ আৰু এক সূৰ্য্য পঙ্‌ক্তিত ৬৬টাকৈ সূৰ্য্য আছে। উক্ত ৪ পঙ্‌ক্তিয়ে জম্বুদ্বীপৰ মেৰু পৰ্ব্বত প্ৰদক্ষিণ কৰোঁতে কৰোঁতে মনুষ্য ক্ষেত্ৰত পৰিভ্ৰমণ কৰে। অৰ্থাৎ যি সময়ত জম্বুদ্বীপৰ মেৰুৰ পৰা এটা সূৰ্য্যই দক্ষিণ ফালে ভ্ৰমণ কৰে, সেই একে সময়ত আনটো সূৰ্য্যই উত্তৰ দিশত ভ্ৰমণ কৰে। ধাতকী খণ্ডৰ ৬, কালোদধিৰ ২১; পুষ্কৰাৰ্দ্ধৰ ৩৬, সকলো মিলি ৬৬ টা সূৰ্য্য দক্ষিণ দিশত, আৰু ৬৬ টা সূৰ্য্য উত্তৰ দিশত নিজৰ নিজৰ ক্ৰমানুসাৰে ভ্ৰমণ কৰে। দুই দিশৰ সূৰ্য্যসমষ্টি ১৩২ টা আৰু ৬৬ টাকৈ দুই দিশৰ চন্দ্ৰ পঙ্‌ক্তিত সৰ্ব্ব-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...ত ১৩২ টা চন্দ্ৰ মনুষ্য ক্ষেত্ৰত ভ্ৰমণ কৰে। এইদৰে চন্দ্ৰৰ লগত ...ত্ৰ আদিৰো বহুত পঙ্‌ক্তি আছে।

সমীক্ষক—সুধীসকলে এতিয়া জানি লওক! এই পৃথিৱীত থকা ...টা সূৰ্য্য আৰু ১৩২ টা চন্দ্ৰই সন্তৰ জৈনসকলৰ গৃহতেই প্ৰকাশ আৰু ...দি থাকে। বাৰু, সেয়েই যদি হয়, তেনেহলে তেওঁলোকে জিয়াই থাকে ...নেকে? ৰাতি হলে বোধ হয় তেওঁলোক শীতত বৰফ হৈ যায়।

যাৰ ভূগোল আৰু খগোলৰ জ্ঞান নাই সেইসকলেহে এনেবোৰ অসম্ভৱ ...ৰা বিশ্বাস কৰি পাৰে, আনে বিশ্বাস কৰিব পৰা সম্ভৱ নহয়। মাত্ৰ এটা ...ৰ্য্যৰেই এই পৃথিৱীৰ দৰে অনেক ভূমণ্ডলক আলোকিত কৰিছে, গতিকে ...ই ক্ষুদ্ৰ পৃথিৱীৰ বিষয়ে কবৰ কি আছে? পৃথিৱীয়ে যদি ভ্ৰমণ ...ৰে আৰু সূৰ্য্যই যদি পৃথিৱীৰ চাৰিওফালে ভ্ৰমণ কৰিলেহেঁতেন ...হ বছৰ ব্যাপি দিন আৰু বহু বছৰ ব্যাপি ৰাতি হলহেঁতেন। ...মেৰু, হিমালয় পৰ্ব্বতৰ বাহিৰে আন পৰ্ব্বত নহয়: এটা কলহৰ ...লনাত এটা সৰিয়হ যেনে, এটা সূৰ্য্যৰ তুলনাত ই তাতকৈও ক্ষুদ্ৰ। ...মান দিন জৈন সকল এনে ধাৰণা লৈ থাকিব, সিমান দিন পৰ্য্যন্ত তেওঁলোকে এইবোৰ বিষয় বুজিব নোৱাৰিব আৰু সদায় অন্ধকাৰতেই ...কিব।

সমত্তচৰণ সহিয়াসব্বং লোগং ফুসে নিৰবসেসং।
সত্তয়চউদসভাএ পংচয়সুপদে সবিৰঙ্গ এ॥

প্ৰকৰণঃ ভাঃ ৪। সংগ্ৰহ সূঃ ১৩৫॥

যি সকল "কেৱলী" সম্যক্ চৰিত্ৰযুক্ত, তেওঁলোকে "সমুদ্‌ঘাত" ...ৱস্থাৰ দ্বাৰাই চতুৰ্দ্দশ ৰাজ্যলোকত আত্মপ্ৰদেশ কৰি বিচৰণ কৰিব।

সমীক্ষক—জৈনে ১৪ ৰাজ্য মানে, চতুৰ্দ্দশ ৰাজ্যৰ শিখাৰ ওপৰত ...ৱস্থিত সৰ্বাৰ্থসিদ্ধি বিমানৰ ধ্বজাৰ অলপ দূৰৈত সিদ্ধশিলা আৰু দিব্য

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আকাশ আছে। সেই ভাৰেই নাম শিৱপুৰ। যি সকলে "কেৱলী" অৰ্থাৎ কেৱলজ্ঞান, সৰ্ব্বজ্ঞতা আৰু পূৰ্ণ পবিত্ৰতা লাভ কৰে, তেওঁলোকেই সেই লোক্‌লৈ গমন কৰে আৰু নিজৰ আত্ম প্ৰদেশৰে সৰ্ব্বজ্ঞ হৈ তাত অৱস্থান কৰে। এতিয়া বিবেচনা কৰি চ'ক! যাৰ আত্ম-প্ৰদেশ আছে সি বিভু হব নোৱাৰে, যি বিভু নহয় সি সৰ্ব্বজ্ঞ, কেৱল-জ্ঞানী কেতিয়াও হব নোৱাৰে, কাৰণ যাৰ আত্মা একদেশী সি অহা-যোৱা কৰে, বদ্ধ, মুক্ত, জ্ঞানী, অজ্ঞানী হয়। সৰ্ব্বজ্ঞ, সৰ্ব্বব্যাপী কেতিয়াও হব নোৱাৰে। জৈন তীৰ্থঙ্কৰ, যি জীৱৰূপ, পৰিমিত, অল্পজ্ঞ হৈ আছিল তেওঁলোকে সৰ্ব্বব্যাপক আৰু সৰ্ব্বজ্ঞ কেতিয়াও হব নোৱাৰে। কিন্তু যি পৰমাত্মা অনাদি, অনন্ত, সৰ্ব্বব্যাপক, সৰ্ব্বজ্ঞ, পবিত্ৰ, জ্ঞানস্বৰূপ, তেওঁক জৈনে নেমানে। সেই পৰমাত্মাতহে সৰ্ব্বজ্ঞ আদি গুণ যথাৰ্থ ভাবে থাকিব পাৰে।

গব্ভনৰতি পলিয়াউ। তিগাউ উক্কোসতে জহন্নে ণং।
মুচ্ছিক্ক দুহাবি অন্তমুহু। অঙ্‌গুল অসংখ ভাগতণু ॥ ২৪১ ॥

তাত মানুহ দুই প্ৰকাৰৰ হয়, এক হল গৰ্ভজ, দ্বিতীয় প্ৰকাৰ বিনা গৰ্ভই উৎপন্ন হোৱা। উৎকৃষ্ট গৰ্ভজ মানুহৰ আয়ুস ৩ পল্যোপম আৰু দেহৰ আয়তন ৩ ক্ৰোশ।

সমীক্ষক—এই পৃথিবীত ৩ পল্যোপম আয়ুসৰ আৰু ৩ ক্ৰোশ পৰিমাণ দেহ বিশিষ্ট মানুহৰ অতি কম সংখ্যকহে সমাবেশ হব পাৰে। "পল্যোপম" ৰ ব্যাখ্যা আগতে কৰি অহা হৈছে। তেনেকুৱা ৩ পল্যোপম আয়ুস, আৰু ৩ ক্ৰোশ দেহৰ মানুহ যদি হয় আৰু তেওঁলোকৰ সন্তানো সেইদৰে হয়, তেনেহলে বোম্বাইৰ দৰে চহৰত দুটা আৰু কলিকাতাৰ দৰে চহৰত তিনটা বা চাৰিটাৰ বেছি বাস কৰিব নোৱাৰে। জৈন গ্ৰন্থত লিখিছে যে, একোখন নগৰত লাখ লাখ মানুহ বাস কৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

য়া হ'লে তেওঁলোকৰ বাস কৰা নগৰৰ আয়তনো লাখ লাখ ক্রোশ লাগিব। সমস্ত পৃথিবীত এনেকুৱা এখন নগৰৰো স্থান হব নোৱাৰে।

পণয়াল লৰকায়োয়ণ। বিষকং ভা সিদ্ধিসিল ফলিহ
বিমলা। তত্ৰুবৰি গজোয় ণতেঁ। লোগন্তো তচ্ছ সিদ্ধঠিই। ২৫৮॥

সৰ্ব্বাৰ্থসিদ্ধি বিমানৰ ধ্বজাৰ ওপৰত ১২ যোজন পৰিমাণৰ যি শিলা আছে, তাৰ দৈৰ্ঘ্য, প্ৰস্থ আৰু গভীৰতা ৪৫ লাখ যোজন। সিদ্ধশিলা সিদ্ধভূমি শুভ্ৰ, উজ্জ্বল, সুৱৰ্ণময় আৰু স্ফটিকৰ দৰে ল। কোনো কোনোৱে তাকেই "ঈষৎ" আৰু "প্ৰাগ্ ভৰা" লে। এই সৰ্ব্বাৰ্থসিদ্ধশিলা বিমানৰ পৰা ১২ যোজন অলোক ং লোকৰ অতীত। এই পৰমাৰ্থ অৰ্থাৎ গূঢ় ৰহস্য কেৱলী আৰু শ্ৰুত অৰ্থাৎ মুক্ত পুৰুষসকলেহে জানে। এই সৰ্ব্বাৰ্থসিদ্ধশিলাৰ ভাগ ৮ যোজন স্থূল; সেই স্থানৰপৰা চাৰি দিক্ আৰু চাৰিও দিশ্ কমি কমি মাখিৰ ডেউকাৰ দৰে সূক্ষ্ম আৰু মুকলি ছত্ৰৰ (ছাতি) স্থাপিত হৈ আছে। এই শিলাৰ পৰা ওপৰে এক যোজন ন্ত লোকান্ত। সেই স্থানত সিদ্ধ সকলে বাস কৰে।

সমীক্ষক—এতিয়া বিবেচনা কৰিব লগা কথা হল যে, সৰ্ব্বাৰ্থ বিমানৰ ধ্বজাৰ ওপৰত ৪৫ যোজন পৰিমাণৰ শিলা জৈন সিদ্ধ ৰ মুক্তিধাম কিন্তু সেই স্থান ইমান উত্তম আৰু নিৰ্ম্মল হোৱা ও তাত অৱস্থান কৰা মুক্ত জীৱসকল এক প্ৰকাৰ বদ্ধ। কাৰণ, শিলাৰ বাহিৰলৈ গলেই তেওঁলোকৰ মুক্তি সুখ অৱসান হয়; তাৰ ভিতৰত থাকিলেও বায়ু সেৱন কৰিব নোৱাৰে। এইবোৰ কল্পনাৰ কথা আৰু নিৰ্ব্বোধ মানুহক ভ্ৰমত পেলোৱাৰ জাল।

জোয়ণ সহস্স মহিয়ং। এগিং দিয়বেহ মুক্কোসং।
প্ৰকৰণ ভাঃ ৪। সংগ্ৰহ সূঃ ২৬৬॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিতিচউৰিং দিস সৰীৰং। বাৰ সজোয়ৰতি কোসংচ
উকোসং জোয়ণসহস পণিংদিয়। উহে বুচ্ছন্তি বিসেসংতু॥
প্ৰকৰণঃ ভাঃ ৪। সংগ্ৰহ সূঃ ২৬৭॥

সাধাৰণতে এক ইন্দ্ৰিয়বিশিষ্ট উৎকৃষ্ট জীৱৰ দেহৰ আয়তন এক সহস্ৰ যোজন, দুই ইন্দ্ৰিয় বিশিষ্ট শঙ্খ আদিৰ ১২ যোজন, চাৰি ইন্দ্ৰিয়-বিশিষ্ট ভ্ৰমৰ আদিৰ ৪ ক্ৰোশ আৰু পঞ্চ ইন্দ্ৰিয় বিশিষ্ট জীৱৰ দেহৰ আয়তন এক সহস্ৰ যোজন অৰ্থাৎ চাৰি সহস্ৰ ক্ৰোশ।

সমীক্ষক—চাৰি সহস্ৰ ক্ৰোশ পৰিমাণৰ দেহধাৰী হলে নিচেই কম সংখ্যক অৰ্থাৎ কেই শ মান মানুহেৰেই পৃথিবীখন ভৰি হেচা-ঠেলা কৰিব লগা হব। তাৰ বাহিৰে বাসস্থান আৰু বাট পথৰ বিষয়ে জৈন সকলেহে জানে, তেওঁলোককহে সুধিব লাগিব। তেওঁলোকে যেতিয়া লিখিছে, তেওঁলোকেই ঘৰৰ স্থান দিব লাগিব। কিন্তু ৪ সহস্ৰ ক্ৰোশ পৰিমাণৰ শৰীৰবিশিষ্ট কেইজনমান মানুহৰ বাসৰ কাৰণে ৩২সহস্ৰ ক্ৰোশ পৰিমাণৰ গৃহৰ আৱশ্যক। জৈন সকলৰ সমস্ত ধন নিঃশেষ কৰি ব্যয় কৰিলেও ইমান ডাঙৰ ঘৰ নিৰ্ম্মাণ নহব। আৰু সেই ৮ সহস্ৰ ক্ৰোশ পৰিমাণৰ ছাল নিৰ্ম্মাণ কৰিবলৈ তেনে পৰিমাণৰ কাঠ কত পাব? যি খুটা লগাব তেওঁৰ কাৰণে প্ৰবেশ কৰাও সম্ভৱ নহব। গতিকে এইবোৰ বিশ্বাস যোগ্য কথা নহয়।

তে থূলা পল্লে বিহুংস খিজ্জাচে বহুংতি সব্বেবি।
তেইক্কিক্ক অসংখে। সুহুমে খন্মে পকপ্পেহ॥
প্ৰকৰণ ভাঃ ৪; লঘুক্ষেত্ৰ।
সমাস প্ৰকৰণ সূত্ৰ ৪॥

পূৰ্ব্বোক্ত একাঙ্গুল পৰিমাণৰ নোমৰ খণ্ডবোৰৰে চাৰিবৰ্গ ক্ৰোশ পৰিমাণ আৰু সমপৰিমাণৰ দ এটা গাত পূৰ্ণ কৰা হয়। একাঙ্গুল পৰিমাণ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নোমৰ যিমানবোৰ খণ্ড হয়, সেইবোৰৰ সমষ্টি ২০, ৫৭, ১৫২। ঘণ ঙ্কন পল্যোপমত অতি বেছি পক্ষে ৩৩০, ৭৬২১০৪, ২৪৬৫৬২৫, ১৯৬০, ৯৭৫৩৬০০,০০০০০০০, সংখ্যা নোমৰ টুকুৰা হয়। এইবোৰো খ্যাত কাল। পূৰ্ব্বোক্ত এডোখৰ নোমৰ অসংখ্য টুকুৰা মনে মনে ল্পনা কৰিলে অসংখ্য সূক্ষ্ম বোমাণু হব।

সমীক্ষক—এতিয়া জৈনৰ গণনা নিয়ম চ'ক! একাঙ্গুল পৰিমাণৰ নোমক কিমান ভাগ কৰা হৈছে। এইবোৰ এইদৰে কোনোৱে কেতিয়াবা গণনা কৰিব পাৰেনে? তাৰ উপৰিও মনে মনে অসংখ্য কল্পনা কৰা হৈ। ইয়াৰ পৰা এইটোও প্ৰমাণ হৈছে যে, অসংখ্য কাল গণনাত এওঁলোকে যেন হাতেৰেই উল্লেখিত খণ্ড-বিখণ্ডবোৰ কৰিছে; যেতিয়া হাতেৰে কৰা সম্ভৱ নহয় তেতিয়া মনেৰেই কৰিছে। বাৰু, এক আঙুলি পৰিমাণৰ নোমডাল অসংখ্য টুকুৰা কৰা সম্ভৱ নে?

জম্বুদীপপমাণং গুলজোয়াণলৰক বট্টবিৰককংভী।
লবণাঈয়াসেসা। বলয়া ভাদুগুণ দুগুণ দুগুণায়॥
প্ৰকৰণঃ ভাঃ ৪, লঘুক্ষেত্ৰসমাঃ সূঃ ১২॥

জম্বুদীপৰ আয়তন এক লাখ যোজন আৰু ই ফোপোলা। বাকী আদি ৭ সমুদ্ৰ, ৭ দ্বীপ জম্বুদ্বীপৰ আয়তনতকৈ প্ৰত্যেকেই ইটোতকৈ টো দুগুণ। এই পৃথিবীত জম্বুদ্বীপ আদি ৭ দ্বীপ আৰু ৭ সমুদ্ৰ আছে, উল্লেখ আগতেই কৰা হৈছে।

সমীক্ষক—জম্বুদ্বীপৰ পৰা দ্বিতীয় দ্বীপ ২ লাখ যোজন ডাঙৰ, তৃতীয় ৪ লাখ যোজন, চতুৰ্থ ৮ লাখ যোজন, পঞ্চম ১৬ লাখ যোজন, ষষ্ঠ লাখ যোজন আৰু সপ্তম ৬৪ লাখ যোজন দূৰবৰ্ত্তী। মহাসমুদ্ৰৰ তনো ইমানেই বা ইয়াতকৈ বেছি। তেতিয়া হলে এই ১৫ সহস্ৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ক্ৰোশ পৰিধি বিশিষ্ট ভূমণ্ডলত এইবোৰৰ সমাবেশ কেনেকৈ হব পাৰে? গতিকে এইবোৰ কথা একেবাৰেই মিছা।

কুৰুনইচুলসী সহসা। ছচ্চেবন্তনৰঙ্গ উপই বিজয়ং।
দোদো মহানঙ্গিউ। চণুদ্‌স সহসা উপত্তেয়ং॥

প্ৰকৰণঃ ৰত্নাঃ ভাঃ ৪। লঘুক্ষেত্ৰসমাঃ সূঃ ৬৩॥

কুৰুক্ষেত্ৰত ৮৪ সহস্ৰ নদী আছে।

সমীক্ষক—কুৰুক্ষেত্ৰ অতি ক্ষুদ্ৰ দেশ। সেই দেশ নেদেখাকৈয়ে মিছা কথা কোৱাত লাজো বোধ নকৰিলে।

জমুত্তৰা উতাউ। ইগেগ সিংহাসণাউ অইপুৰ্ব্বং।
চউ সু বিতাসু নি আসণ দিসিভৰজিণ মজ্জণং হোঙ্গি।

প্ৰকৰণ ৰত্নাকৰ ভাঃ লঘুক্ষেত্ৰ সমাঃ ৪। সূঃ ১১৯॥

সেই শিলাৰ ঠিক উত্তৰ আৰু দক্ষিণ দিশত একোখনকৈ সিংহাসন আছে। দক্ষিণ দিশত অতি পাণ্ডু কম্বলা, উত্তৰ দিশত অতিৰিক্ত কম্বলা নামৰ শিলা অৱস্থিত। এইবোৰ সিংহাসনত তীৰ্থঙ্কৰসকলে উপবেশন কৰে।

সমীক্ষক—জৈন তীৰ্থঙ্কৰসকলৰ জন্মোৎসৱ আদি অনুষ্ঠানৰ কাৰণে ব্যৱহাৰ হোৱা শিলাখণ্ড চ'ক। জৈনৰ মুক্তিধাম সিদ্ধ শিলাও এনেকুৱা। জৈনৰ গ্ৰন্থবোৰত এনেকুৱাই অনেক কথাৰ গোলমাল। কিমান বৰ্ণনা কৰিম? যাহক, জল ছেকি পান কৰা, ক্ষুদ্ৰ প্ৰাণীৰ প্ৰতি নাম মাত্ৰ দয়া কৰা আৰু ৰাতি আহাৰ নকৰা, এই তিনিটা ভাল কথাৰ বাহিৰে বাকী সকলোবোৰ কথা অসম্ভৱ।

ইমানলৈকে যিমান খিনি লিখা হল তাৰ পৰাই সুধীসকলে সকলো বুজি পাব। এইখিনি উদাহৰণ হিচাবেহে লিখা হল। জৈনৰ সকলো অসম্ভৱ কথা লিখিবলৈ হলে এখন বিশাল গ্ৰন্থ হব, যাক গোটেই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...ন পঢ়িও শেষ কৰিব পৰা নহব। এচৰু ভাতৰ পৰা এটা পিটিকি ...নেই যেনেকৈ গোটেই চৰু ভাতৰ বিষয়ে জনা যায়, সেইদৰে সুধী-...লে এই সামান্য উদাহৰণৰ পৰাই অনেক বিষয় বুজিব পাৰিব. সুধী-...নৰ কাৰণে বিস্তৃত বিৰবণৰ প্ৰয়োজনে নকৰে, কাৰণ তেওঁলোকে ...দৰ্শনৰ দৰে অলপ দেখিও সম্পূৰ্ণ অভিপ্ৰায় অবগত হয়।

ইয়াৰ পাছত খ্ৰীষ্টিয়ান মতৰ বিষয়ে লিখা হব।

ইতি শ্ৰীমদ্দয়ানন্দ সৰস্বতী—স্বামিনিৰ্ম্মিতে সত্যাৰ্থ প্ৰকাশে সুভাষা-...ভূষিতে নাস্তিকমতান্তৰ্গত চাৰ্বাকবৌদ্ধ জৈনমতখণ্ডনমণ্ডন বিষয়ে দ্বাদশঃ ...ল্লাসঃ সম্পূৰ্ণঃ ॥১২॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অনুভূমিকা (৩)

বাইবেলৰ মত কেৱল খ্ৰীষ্টীয়ানবেই নহয়; ইহুদী আদিবো বাইবেলৰেই মত। এই ত্ৰয়োদশ সমুল্লাসত খ্ৰীষ্টীয়ান মতৰ বিষয়ে লিখা হৈছে। আজি কালি বাইবেলৰ মত বুলিলে মুখ্যত: খ্ৰীষ্টীয়ানকেই বুজায়, ইহুদী আদি গৌণ। মুখ্যৰ উল্লেখ কৰিলে গৌণও তাৰ ভিতৰত পৰে। গতিকে বুজিব লাগিব যে, ইহূদী আদিও ইয়াৰ অন্তৰ্ভুক্ত। এই সমুল্লাসত কেৱল বাইবেল অৱলম্বন কৰিয়েই তেওঁলোকৰ বিষয়ে লিখা হৈছে। কাৰণ খ্ৰীষ্টীয়ান আৰু ইহূদী আদি সকলোৱেই বাইবেলৰ কথা বিশ্বাস কৰে আৰু তেওঁলোকৰ ধৰ্ম্মৰ মূল কাৰণ বুলি মানে। কেইজনমান খ্ৰীষ্টীয়ান ধৰ্ম্মযাজকে বিভিন্ন ভাষাত বাইবেলৰ অনুবাদ প্ৰকাশ কৰিছে। ইয়াৰ ভিতৰত দেৱনাগেৰী আখৰত লিখিত সংস্কৃত অনুবাদ পঢ়ি বাইবেলৰ বিষয়ে মোৰ মনত যিবোৰ সংশয় উৎপন্ন হৈছে, সেইবোৰবেই মাত্ৰ কেইটামান সৰ্ব্বসাধাৰণৰ বিবেচনাৰ অৰ্থে এই ত্ৰয়োদশ সমুল্লাসত লিখা হৈছে। সত্যৰ প্ৰচাৰ আৰু অসত্যক ত্যাগ কৰাই ইয়াৰ উদ্দেশ্য। কাৰোবাক দুখ দিয়া, অনিষ্ট কৰা বা অযথা দোষাৰোপ কৰাৰ অভিপ্ৰায় আমাৰ নাই। বাইবেলৰ মতৰ বিষয়ে প্ৰশ্নোত্তৰ প্ৰসঙ্গত সকলোৱে এই কথা বুজিব পাৰিব। মোৰ লিখাৰ অভিপ্ৰায় হৈছে যাতে মানুহ মাত্ৰেই দেখি, শুনি, পঢ়ি পক্ষ প্ৰতিপক্ষৰ দৃষ্টিৰে খ্ৰীষ্টীয়ান মতৰ যথাৰ্থ আলোচনা কৰিব পাৰে। ইয়াৰ প্ৰয়োজন এই যে, মানুহৰ ধৰ্ম্মবিষয়ৰ জ্ঞান বাঢ়িব, মতৰ সত্য অসত্য বুজিব পাৰিব, কৰ্ত্তব্য-অকৰ্ত্তব্যৰ বোধ হব, সত্য আৰু কৰ্ত্তব্যৰ প্ৰতি প্ৰবৃত্তি হব আৰু অসত্যক তথা অকৰ্ত্তব্যক পৰিত্যাগ কৰাটো সহজসাধ্য হব।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সকলো মানুহেই প্ৰচলিত মতবাদৰ গ্ৰন্থবোৰ পঢ়ি নিজৰ নিজৰ
ভাৱে অভিমত প্ৰকাশ কৰা কৰ্ত্তব্য ; সেয়ে নহলে কেৱল পঢ়ি পণ্ডিত
শুনি বহুশ্ৰুত হোৱাহে হব। পঢ়া-শুনা কৰি আনক বুজাব নোৱা-
নিজে বুজিব পৰা হয়। যি পক্ষপাতৰ ধ্বজা ধৰি থাকে, সি
বা আনৰ গুণ বা দোষ বুজিব নোৱাৰে।

পঢ়ি-শুনি মানুহৰ অন্তৰাত্মাই যথাযোগ্য সত্য-অসত্যৰ বিবেচনা
পাৰে। পৰস্পৰৰ মতবাদ জানিলে বাদ-প্ৰতিবাদেৰে সত্য-অসত্যৰ
কৰিব পাৰে, কিন্তু যিসকলে পৰস্পৰৰ মত নাজানে তেওঁলোক
পৰে। এই অভিপ্ৰায়েৰেই সকলো প্ৰচলিত মতৰ বিষয়ে সংক্ষেপকৈ
চনা কৰা হৈছে। ইয়াৰ পৰাই বাকী সকলো বিষয়ৰ সত্য-অসত্যৰ
কৰিব পাৰিব। সত্য সকলোৰে কাৰণে সত্য আৰু সৰ্ব্বমান্য।
অসত্য বিষয়ত বা সত্য আৰু অসত্যৰ ভিতৰতহে বাদ-বিবাদ হয়।
আৰু প্ৰতিবাদীয়ে যদি সত্য আৰু অসত্যৰ নিৰ্ণয়ৰ কাৰণে বাদ-
বাদ কৰে—তেনেহলে তাৰ নিৰ্ণয় হব পাৰে। সুধীসকলৰ বিবেচনাৰ
এই ত্ৰয়োদশ সমুল্লাসত খ্ৰীষ্টীয়ান মত সংক্ষেপে উত্থাপন কৰা হ'ল।

অলমতিলেখেন বিচক্ষণবৰেষু।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অথ ত্ৰয়োদশ সমুল্লাসাৰম্ভঃ

অথ কৃশ্চানমতবিষয়ং সমীক্ষিষ্যামঃ ।।

এতিয়া খ্ৰীষ্টীয়ান মতৰ বিষয়ে লিখা হৈছে । এই আলোচনাৰ পৰাই খ্ৰীষ্টীয়ান মত কিমান দূৰ নিৰ্দোষ বা বাইবেল স্বয়ং ঈশ্বৰৰ কথিত হয় নে নহয় সকলোৱে বিবেচনা কৰিব পাৰিব । প্ৰথমতে প্ৰাচীন বাইবেলৰ বিষয়ে আলোচনা কৰা হৈছে :—

১—আৰম্ভতে ঈশ্বৰে আকাশ আৰু পৃথিবী সৃষ্টি কৰে। পৃথিবী আকৃতিহীন শূন্য আছিল আৰু অন্ধকাৰ জলধিৰ ওপৰত ঈশ্বৰৰ আত্মা ভাসমান হৈ আছিল ।। পৰ্ব্ব ১ । আয়ঃ ১—২ ॥

সমীক্ষক—আৰম্ভ কাল কাক বোলে ?

খ্ৰীষ্টীয়ান—সৃষ্টিৰ প্ৰথম উৎপত্তিক ।

সমীক্ষক—সৃষ্টি এইবাৰেই প্ৰথম হল নেকি ? ইয়াৰ আগতে কেতিয়াও হোৱা নাছিল নেকি ?

খ্ৰীষ্টীয়ান—আগতে আৰু সৃষ্টি হৈছিল নে নাই আমি নাজানো, ঈশ্বৰেহে জানে ।

সমীক্ষক—যদি নেজানেই তেনেহলে এই গ্ৰন্থখন বিশ্বাস কৰিলে কেনেকৈ ? যাৰ দ্বাৰাই সংশয় দূৰ নহয় সেই গ্ৰন্থক ভৰষা কৰি, সংশয় থকা এটা মতৰ উপদেশ দি জনসাধাৰণক কিয় অনৰ্থক ভ্ৰমত পেলাইছে ? কোনো সংশয়হীন বৈদিক মত নেমানে কিয় ? আপোনা লোকে যেতিয়া ঈশ্বৰৰ সৃষ্টি তত্ত্ব নেজানে ঈশ্বৰক কেনেকৈ জানিব ? আকাশ মানে কি বুজায় ?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

খ্ৰীষ্টীয়ান—ওপৰৰ শূন্য বা খালি ঠাইখিনিক।

সমীক্ষক—শূন্যৰ উৎপত্তি কেনেকৈ হ'ল? কাৰণ শূন্য বিভু অতি সূক্ষ্ম পদাৰ্থ, যাৰ তলে ওপৰে একে স্বৰূপ। আকাশ সৃষ্টি ৰ আগতে শূন্য আৰু আকাশ আছিল নে নাই? যদি নাছিল তেনেহলে ঈশ্বৰ, জগতৰ কাৰণ আৰু জীৱ ক'ত আছিল? আকাশ লে কোনো পদাৰ্থই থাকিব নোৱাৰে। গতিকে বাইবেলৰ কথন যুক্তি সঙ্গত নহয়। ঈশ্বৰৰ জ্ঞান আৰু কৰ্ম্ম নীতিবদ্ধ হয় নে নহয়?

খ্ৰীষ্টীয়ান—নীতি বদ্ধ।

সমীক্ষক—তেনেহলে ঈশ্বৰৰ সৃষ্ট পৃথিৱী নিশ্চিত আকাৰহীন বুলি লিখা হল কিয়?

খ্ৰীষ্টীয়ান—নিশ্চিত আকাৰহীন মানে, ওখ চাপৰ আছিল, সমান নাছিল।

সমীক্ষক—পাছত সমান কৰিলে কোনে? এতিয়া বাৰু পৃথিৱী-খন ওখ চাপৰ বা অসমান নহয় নেকি? ঈশ্বৰ কৰ্ম্ম নীতিহীন হব নোৱাৰে; কাৰণ ঈশ্বৰ সৰ্ব্বজ্ঞ। ঈশ্বৰৰ কৰ্ম্মত কোনো ভুল ভ্ৰান্তি হব নোৱাৰে। বাইবেলত ঈশ্বৰৰ সৃষ্টি অনিশ্চিত স্বৰূপৰ বুলি লিখিছে, গতিকেই বাইবেল ঈশ্বৰৰ বাণী হব নোৱাৰে। কওক চোন, ঈশ্বৰৰ আত্মা কি?

খ্ৰীষ্টীয়ান—চেতন।

সমীক্ষক—সেই চেতন আত্মা সাকাৰ নে নিৰাকাৰ? ব্যাপক নে একদেশী?

খ্ৰীষ্টীয়ান—নিৰাকাৰ চেতন আৰু ব্যাপক। কিন্তু "সেনাই" পৰ্ব্বতৰ কোনো পৰ্ব্বত আৰু চতুৰ্থ আকাশ আদি স্থানত বিশেষকৈ থাকে।

সমীক্ষক—ঈশ্বৰ যদি নিৰাকাৰেই তেনেহলে দেখিলে কোনে? ব্যাপক, সি জলৰ ওপৰত ওপঙি থাকিব নোৱাৰে। বাৰু, ঈশ্বৰৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আত্মা যেতিয়া জলৰ ওপৰত ওপঙি ফুৰিছিল, তেতিয়া ঈশ্বৰ কত আছিল? ইয়াৰ পৰা এয়েই প্ৰতীত হয় যে, ঈশ্বৰৰ দেহ অন্য ঠাইত আছিল নাইবা ঈশ্বৰৰ আত্মাৰ অংশ বিশেষক পানীত ওপোঙাইছিলে বোধ হয়। এনেকুৱা হলে, ঈশ্বৰ বিভু আৰু সৰ্ব্বজ্ঞ কেতিয়াও হব নোৱাৰে আৰু বিভু নহলে জগতৰ সৃষ্টি, প্ৰলয়, ধাৰণ, পোষণ আৰু জীৱৰ কৰ্ম্মৰ ব্যৱস্থা কৰিব নোৱাৰে। কাৰণ, যি পদাৰ্থৰ স্বৰূপ একদেশী, সেই পদাৰ্থৰ গুণ, কৰ্ম্ম, স্বভাৱো একদেশী হয়, এনেকুৱা পদাৰ্থ ঈশ্বৰ হব নোৱাৰে। ঈশ্বৰ সৰ্ব্বব্যাপক, অনন্ত গুণ, কৰ্ম্ম স্বভাৱযুক্ত, সচ্চিদানন্দ স্বৰূপ, নিত্য, শুদ্ধ, বুদ্ধ, মুক্তস্বভাৱ, অনাদি অনন্ত আদি লক্ষণযুক্ত বুলি বেদে কৈছে। এই মত মানিলেহে কল্যাণ হব পাৰে; ইয়াৰ বাহিৰে উপায়ান্তৰ নাই। ১ ॥

২—পাছত ঈশ্বৰে কলে—'পোহৰ হওক' তেতিয়া পোহৰৰ সৃষ্টি হ'ল। তেতিয়া পোহৰ দেখি ঈশ্বৰৰ প্ৰসন্নতা হ'ল।

পৰ্ব্ব ১। আঃ ৩। ৪॥

সমীক্ষক—প্ৰকাশ বা পোহৰ জড় পদাৰ্থ; সিও ঈশ্বৰৰ কথা শুনিলেনে? যদি শুনিলে তেনেহলে সূৰ্য্য, প্ৰদীপ আৰু অগ্নিৰ প্ৰকাশে আমাৰ বা আপোনালোকৰ কথা নুশুনে কিয়? প্ৰকাশ জড়, জড় পদাৰ্থই কাৰো কথা কেতিয়াও শুনিব নোৱাৰে। ঈশ্বৰে প্ৰকাশ দেখাৰ পাছতহে প্ৰকাশ ভাল বুলি জানিব পাৰিলে নেকি? তাৰ আগতে প্ৰকাশ ভাল বুলি নেজানিছিল নেকি? যদি জানিছিল তেনেহলে দেখাৰ পাছতহে ভাল বুলি কিয় কলে? যদি জানা নাছিল তেনেহলে ঈশ্বৰ নহয়। গতিকে বাইবেল ঈশ্বৰৰ বাণী নহয় আৰু বাইবেলে যি বৰ্ণনা দিছে সেই ঈশ্বৰ সৰ্ব্বজ্ঞ নহয়। ২ ॥

৩—তাৰ পাছত ঈশ্বৰে কলে—জলৰ মাজত শূন্য আকাশ হওক আৰু জল দুভাগত বিভক্ত হওক। ঈশ্বৰে এইদৰে দুভাগ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰাত ওপৰৰ ভাগ জলৰ পৰা তলৰ ভাগ জল পৃথক হল। ঈশ্বৰে আকাশৰ নাম স্বৰ্গ ৰাখিলে, সন্ধ্যা আৰু প্ৰাতঃকালৰ পৰা দ্বিতীয় দিন হল। পৰ্ব্ব ১। আঃ ৬—৮ ॥

সমীক্ষক—আকাশ আৰু জলেও ঈশ্বৰৰ কথা বা আদেশ শুনিলে নেকি? জলৰ মাজত আকাশ নেথাকিলে জল থাকে কত? প্ৰথম আয়তত অৰ্থাৎ সৰ্ব্ব প্ৰথম আকাশৰ সৃষ্টি কৰিলে, আকৌ দ্বিতীয় বাৰ আকাশ সৃষ্টিৰ কথা নিৰৰ্থক হয়। আকাশকেই স্বৰ্গ বুলিছে যেতিয়া, আকাশ সৰ্ব্বব্যাপক, গতিকে সকলোৰে স্বৰ্গ, তেনেহলে ওপৰক স্বৰ্গ বোলা অৰ্থহীন। সূৰ্য্য সৃষ্টি হোৱাৰ আগতেই দিন ৰাতি কেনেকৈ হল? ইয়াৰ পাছৰ বাইবেলৰ বাণীবোৰত এনেকুৱা অসম্ভৱ কথাৰেই ভৰা ॥ ৩॥

৪—তাৰ পাছত ঈশ্বৰে কলে, মই আদমক মোৰ নিজৰ স্বৰূপত আৰু মোৰ সাদৃশ্যত সৃষ্টি কৰিম; তাৰ পাছত সেই মতে আদমক সৃষ্টি কৰিলে; ঈশ্বৰৰ প্ৰতিমূৰ্ত্তিতেই আদমক সৃষ্টি কৰিলে; পুৰুষ আৰু স্ত্ৰী কৰি সিহঁতক সৃষ্টি কৰিলে। তাৰ পাছত ঈশ্বৰে সিহঁতক আশীৰ্ব্বাদ দিলে। পৰ্ব্ব ১। আঃ ২৬।২৭।২৮।

সমীক্ষক—যদি আদমক ঈশ্বৰে নিজৰ স্বৰূপত সৃষ্টি কৰিলে তেনেহলে ঈশ্বৰৰ যেনেকুৱা পবিত্ৰ, সৰ্ব্বজ্ঞ, আনন্দময় আদি স্বৰূপযুক্ত সদ্‌গুণ আছে, আদমৰ তেনেকুৱা নহল কিয়? আদমৰ তেনে গুণ নাই যদি, ঈশ্বৰৰ স্বৰূপত সৃষ্টি কৰা নাই আৰু যদি আদমক সেই মতে উৎপত্তি কৰিলে তেনেহলে ঈশ্বৰে নিজৰ স্বৰূপকেই উৎপত্তি শীল কৰিলে; সেয়ে হলে ঈশ্বৰ অনিত্য নহব নে? আৰু আদমকেই বা উৎপত্তি কʼৰ পৰা কৰিলে?

খ্ৰীষ্টীয়ান—মাটিৰে সৃষ্টি কৰিলে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—মাটি কিহৰ পৰা কৰিলে ?

খ্ৰীষ্টীয়ান—ঈশ্বৰৰ স্বাভাৱিক শক্তি সামৰ্থ্যেৰে।

সমীক্ষক—ঈশ্বৰৰ সামৰ্থ্য অনাদি নে নতুন ?

খ্ৰীষ্টীয়ান—অনাদি।

সমীক্ষক—অনাদি হলে জগতৰ কাৰণো সনাতন, তেনেহলে অভাৱৰ পৰা ভাৱ (অৰ্থাৎ নোহোৱাৰ পৰা হোৱা) বুলি মানে কিয় ?

খ্ৰীষ্টীয়ান—সৃষ্টিৰ আগতে ঈশ্বৰৰ বাহিৰে আন একো নাছিল।

সমীক্ষক—তেনেহলে এই জগত ক'ৰ পৰা উৎপত্তি হল ? আৰু ঈশ্বৰৰ সামৰ্থ্য দ্ৰব্য নে গুণ ? যদি দ্ৰব্য হয়, তেনেহলে সৃষ্টিৰ পূৰ্বে ঈশ্বৰৰ বাহিৰে দ্ৰব্যও আছিল। যদি গুণ হয়, তেনেহলে গুণৰ পৰা দ্ৰব্য সৃষ্টি হব নোৱাৰে। যেনেকৈ ৰূপৰ পৰা অগ্নি আৰু ৰসৰ পৰা জল হব নোৱাৰে। ঈশ্বৰৰ পৰাই জগতৰ উৎপত্তি হোৱা হলে জগতৰ গুণ কৰ্ম্ম স্বভাৱো ঈশ্বৰৰ দৰেই হলহেঁতেন। ঈশ্বৰৰ গুণ-কৰ্ম্ম স্বভাৱৰ দৰে নহলে ঈশ্বৰৰ পৰা জগত হোৱা নাই, গতিকে এই কথা নিশ্চিত যে, জগতৰ কাৰণ জড় পৰমাণু। জগতৰ উৎপত্তি কেনেকৈ হল আৰু কিহৰ পৰা ঈশ্বৰে জগতৰ সৃষ্টি কৰিলে এই বিষয়ে বেদাদি শাস্ত্ৰত যি লিখা আছে তাক জনা আৰু মনাটোৱেই কৰ্ত্তব্য। যদি আদমৰ ভিতৰৰ স্বৰূপ জীৱ আৰু বাহিৰ স্বৰূপ মনুষ্যৰ দৰে হয়, তেনেহলে আদমৰ স্বৰূপ ঈশ্বৰৰ দৰে নহল কিয় ? আদম ঈশ্বৰৰ সদৃশ হলে ঈশ্বৰো আদমৰ দৰে অৱশ্যে হব লাগিব ॥৪॥

৫—আৰু প্ৰভু ঈশ্বৰে মাটিৰ ধূলিৰে আদমৰ মানৱ দেহ নিৰ্ম্মাণ কৰিলে, সেই দেহৰ নাকৰ বিন্ধাই দি বায়ু সুমুৱাই দি জীৱনৰ প্ৰাণ বায়ু দিলে, তেতিয়া আদম প্ৰাণী হল। আৰু প্ৰভু ঈশ্বৰে পূৱফালে স্বৰ্গত এখন বাৰী সৃষ্টি কৰিলে আৰু সেই বাৰীত তেওঁ সৃষ্টি কৰা আদমক ৰাখিলে। সেই উদ্যানৰ মাজত প্ৰভু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰে ভূমিৰ পৰা জীৱন বৃক্ষ উৎপন্ন কৰিলে আৰু সৎ অসতৰ
ন বৃক্ষ সৃষ্টি কৰিলে। পৰ্ব্ব ২। আঃ ৭।৮।৯॥

সমীক্ষক—যেতিয়া ঈশ্বৰে স্বৰ্গত বাৰী সৃষ্টি কৰি তাত আদমক
লে তেতিয়া ঈশ্বৰে জনা নাছিল নেকি যে, আকৌ আদমক তাৰ
বাহিৰ কৰিব লাগিব? আদমক যেতিয়া ধূলিৰেই সৃষ্টি কৰিলে
মক ঈশ্বৰৰ সাদৃশ্য কৰি নিৰ্ম্মাণ কৰা নাই। যদি ঈশ্বৰৰ দৰেই
কৰিলে, তেনেহলে ঈশ্বৰো ধূলিৰেই সৃষ্টি হৈছে। ঈশ্বৰে যে আদমৰ
কৰা ৰন্ধ্ৰই দি প্ৰাণ বায়ু নিঃশ্বাসিত কৰিলে, সেই প্ৰাণ বায়ু ঈশ্বৰৰ
পনে অন্য কিবা? যদি অন্য কিবা বুলি কয়—তেনেহলে ঈশ্বৰৰ
পত সৃষ্টি কৰা নাই। যদি সেই প্ৰাণবায়ু ঈশ্বৰৰ স্বৰূপ, তেনেহলে
আৰু আদম পৰস্পৰৰ স্বৰূপ একে। তেনেহলে ঈশ্বৰতো আদমৰ
ই জন্ম মৃত্যু, বৃদ্ধি, জৰা আৰু ভোক-পিয়াহ আদি দোষ আছে। এনেকুৱা
ঈশ্বৰ কেনেকৈ হ'ব? গতিকে প্ৰাচীন বাইবেলৰ এই বিৱৰণবোৰ
যেন নেলাগে আৰু বাইবেলো ঈশ্বৰৰ কথা হব নোৱাৰে ॥৫॥

৬। তাৰ পাছত প্ৰভু ঈশ্বৰে আদমক ঘোৰ নিদ্ৰাত মগ্ন
ৰিলে আৰু আদম নিদ্ৰাত মগ্ন হল। তেতিয়া ঈশ্বৰে আদমৰ
ৰ বাওঁফালৰ পৰা এডাল কামিহাড় উলিয়াই লৈ সেইখিনি
হেৰে পূৰ্ণ কৰি দিলে। প্ৰভু ঈশ্বৰে আদমৰ সেই হাড় বা
ৰ পৰাই এক স্ত্ৰী সৃষ্টি কৰি নাম দিলে ঈভ আৰু সেই স্ত্ৰীক
ৰ ওচৰলৈ আনিলে। পৰ্ব্ব ২। আঃ ২১।২২॥

সমীক্ষক—পৰমেশ্বৰে যদি আদমক ধূলিৰেই সৃষ্টি কৰিলে তেনে-
আদমৰ স্ত্ৰীকো ধূলিৰেই সৃষ্টি নকৰিলে কিয়? বা আদমৰ স্ত্ৰীক
স্থিৰে সৃষ্টি কৰিলে আদমকো সেইদৰেই অস্থিৰে সৃষ্টি নকৰিলে
? যেনেকৈ নৰৰ পৰা নাৰী সৃষ্টি হোৱাৰ কাৰণ নাৰী নাম হল, সেই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দৰেই নাৰীৰ পৰা নৰ নাম হোৱা উচিত। পতি-পত্নীৰ ভিতৰত পৰস্পৰ প্ৰেম বাসনা বাঞ্ছনীয়। এতিয়া বিবেচনা কৰক সুধীসকল! ঈশ্বৰৰ পদাৰ্থ বিদ্যাৰ জ্ঞান "ফিলছফি" কেনেকুৱা অদ্ভুত প্ৰতীত হৈছে। ঈশ্বৰে যদি আদমৰ এডাল হাড় লৈ তাৰে নাৰী সৃষ্টি কৰিলে তেনেহলে সকলো মানুহৰ এডালকৈ তেনেকুৱা হাড় কম নেথাকে কিয়? স্ত্ৰীৰ দেহ যদি এডাল হাড়েৰেই সৃষ্টি কৰা হৈছে, তেনেহলে নাৰীৰ মাত্ৰ এডাল হাড়হে থাকিব লাগে। যি উপাদানেৰে জগৎ সৃষ্টি হল, সেই একেই উপাদানেৰে নাৰী সৃষ্টি হব নোৱাৰিলেহেঁতেন নেকি? গতিকে বাইবেলত বৰ্ণিত ঈশ্বৰ ক্ৰম সৃষ্টি বিদ্যাৰ বিপৰীত।

৭— প্ৰভু ঈশ্বৰৰ সৃষ্ট ভূচৰ প্ৰাণীৰ ভিতৰত সৰ্প সকলোতকৈ ক্ৰূৰ। সৰ্পই সেই স্ত্ৰীক কলে "ঈশ্বৰে নিশ্চয় তোমালোকক এই বাৰীৰ আটাইবোৰ গছৰ ফল খাবলৈ কোৱা নাই"। সেই নাৰীয়ে কলে—"আমি এই বাৰীৰ ফল খাইছো, কেৱল উদ্যানৰ মাজত যিডাল গছ আছে, সেই ডালৰ বিষয়ে ঈশ্বৰে আমাক খাবলৈ মনা কৰিছে, চুবলৈও মনা কৰিছে আৰু খালে মৰিব লাগিব বুলি কৈছে"। সৰ্পই স্ত্ৰীক কলে—"তোমালোক কেতিয়াও নমৰা। ঈশ্বৰে জানে যে, যিদিনা তোমালোকে সেই বৃক্ষৰ ফল খাবা, সেইদিনাৰ পৰাই তোমালোকৰ চকু মুকলি হব, (বুজিব পাৰিবা)। ভাল বেয়াৰ অনুভৱ হলে ঈশ্বৰৰ সমান হৈ পৰিবা"। সেই নাৰীয়ে যেতিয়া বুজিলে যে, এই বৃক্ষৰ ফল সোৱাদ, দেখাত লোভনীয় আৰু জ্ঞান দায়ক, তেতিয়া সেই গছৰ ফল নি নিজে খালে আৰু পতিকো খুৱালে। তেতিয়া দুয়ো বুজিব পাৰিলে যে, সিহঁত উলঙ্গ। তেতিয়া সিহঁতে গছৰ পাত নি চিলাই কৰি নিজৰ নিজৰ লজ্জা নিবাৰণৰ বাবে আৱৰণ কৰি পিন্ধিলে। তেতিয়া প্ৰভু ঈশ্বৰে সাপক কলে "তুমি এই কাম কৰিলা; তাৰ বাবে গাওঁবাসী আৰু বনবাসী সকলো প্ৰাণীৰ ভিতৰত তুমিয়েই বেছি অভিশপ্ত হবা, বুকুৰে চুচৰি ফুৰিবা আৰু আজীৱন মাটি খাবা। তোমাৰ আৰু নাৰীৰ ভিতৰত আৰু নাৰীৰ আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মাৰ বংশত পৰস্পৰৰ বিৰুদ্ধে শত্ৰুতা উৎপন্ন কৰিম। সিহঁতে তোমাৰ মূৰ ভাঙিব আৰু তুমি সিহঁতৰ ভৰিত দংশন কৰিবা"। তাৰ পাছত নাৰীক কলে—"মই তোমাৰ গৰ্ভবেদনা বৃদ্ধি কৰিম, তুমি বেদনা সন্তান প্ৰসৱ কৰিবা, পতিৰ প্ৰতি তোমাৰ বাসনা হব আৰু পতিৰ মাৰ ওপৰত প্ৰভুত্ব থাকিব"। ঈশ্বৰে আদমক কলে—"মই যি গছৰ খাবলৈ হাক দিছিলো তোমাৰ স্ত্ৰীৰ কথা শুনি সেই গছৰ ফল লা, এই কাৰণে ভূমি তোমাৰ বাবে অভিশপ্ত হব, আজীৱন ক্লেশ ভুগিব গিৰ, তোমাৰ বাবে ভূমিত কাঁইটৰ সৃষ্টি হব আৰু তুমি ক্ষেত্ৰৰ শাক ত খাব লাগিব। তৌৰেত উৎপত্তি পৰ্ব্ব ৩। আঃ ১-৭, ১৪-১৮ ॥

সমীক্ষক—খ্ৰীষ্টীয়ান সকলৰ ঈশ্বৰ যদি হয়, এই ক্ৰূৰ সৰ্প অৰ্থাৎ য়তানক সৃষ্টি কৰিলে কিয়? যদি ঈশ্বৰেই চয়তানক সৃষ্টি কৰিলে তেনে- হলে সেই ঈশ্বৰেই অপৰাধৰ ভাগী; কাৰণ চয়তানক দুষ্ট ৰূপে সৃষ্টি নকৰা হলে সি দুষ্টামিও নকৰিলেহেঁতেন। আৰু পূৰ্ব্বজন্মও যদি নেমানে তেনেহলে বিনা অপৰাধত তাক দুষ্ট বা পাপী কিয় কৰিলে? সঁচাকৈ সেইটো সৰ্প নাছিল, মানুহহে আছিল; কাৰণ মানুহ নোহোৱা হলে মানুহৰ ভাষা কেনেকৈ কৈছিল? যি মিথ্যাবাদী আৰু আনকো অসত্য পথত পৰিচালিত কৰে তাকহে চয়তান বোলা উচিত। এই ক্ষেত্ৰত দেখা যায় চয়তানহে সত্যবাদী; যিহেতু সেই স্ত্ৰীক প্ৰতাৰণা নকৰি সত্য কথা কৈছিল। ইয়াৰ বিপৰীতে ঈশ্বৰে আদম আৰু আদমৰ পত্নী হাৱাক (ইভ) মিছা কথা কৈছিল "এই বৃক্ষৰ ফল খালে তোমালোকৰ মৃত্যু হব"। যি গছৰ ফল জ্ঞান আৰু অমৰত্ব দায়ক, ঈশ্বৰে সেই ফল খাবলৈ মানা কৰিছিল কিয়? ইয়াৰ দ্বাৰাই প্ৰতীত হয় যে, ঈশ্বৰ মিথ্যাবাদী আৰু প্ৰতাৰক। যি বৃক্ষৰ ফল মানুহৰ কাৰণে জ্ঞান আৰু সুখদায়ক, অজ্ঞান আৰু মৃত্যুজনক নহয়, তাক যদি ঈশ্বৰে খাবলৈ নিষেধ কৰিছিল তেনেহলে সেই গছ আৰু ফলৰ সৃষ্টিয়েই বা কৰিছিল কিয়? ঈশ্বৰে যদি সেই ফল নিজৰ কাৰণেই সৃষ্টি কৰিছিল

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তেনেহলে তেওঁ অজ্ঞান আৰু মৰণশীল নেকি? যদি আনৰ কাৰণে সৃষ্টি কৰিছিল, তেনেহলে সেই ফল ভোগ কৰাত কোনো অপৰাধ হোৱা নাই। আজি কালি জ্ঞানদায়ক আৰু মৃত্যু নিবাৰক কোনো বৃক্ষ দেখিবলৈ পোৱা নাযায়। সেই বৃক্ষৰ বীজ ঈশ্বৰে একেবাৰেই নষ্ট কৰি পেলালে নেকি? যি সকলে এনে কাম কৰে তেওঁলোক ভণ্ড আৰু কপটাচাৰী। সেইদৰেই ঈশ্বৰকো ভণ্ড আৰু কপটাচাৰী বোলা নহব কিয়? ইয়াৰ উপৰিও ঈশ্বৰে বিনা অপৰাধত জ্ঞানী জনক অভিশাপ দিলে। ইয়াৰপৰা তেওঁ অন্যায়কাৰী হৈছে। এই অভিশাপ ঈশ্বৰৰ ওপৰতহে হোৱা উচিত। যিহেতু তেওঁ মিছা কথা কৈ সিহঁতক বিভ্ৰান্ত কৰিছিল। কেনেকুৱা দৰ্শন (ফিলচফি) ভাবি চক! বিনা ক্লেশে গৰ্ভ-ধাৰণ আৰু সন্তান প্ৰসৱ সম্ভৱ নে? কোনোৱে বিনা পৰিশ্ৰমে জীৱিকা অৰ্জ্জন কৰিব পাৰেনে? পূৰ্বে কাঁইটিয়া গছ নাছিল নেকি? ঈশ্বৰৰ আদেশ মতে শাক পাত ভোজন কৰাই কৰ্ত্তব্য; সেয়েই যদি হয়, বাইবেলৰ উত্তৰাংশত যে মাংস ভোজনৰ কথা লিখা আছে, সেই-বোৰ মিছা নহব কিয়? পূৰ্ব্বোক্ত বাক্য সত্য হলে শেষোক্ত বাক্য মিছা। আদমৰ কোনো অপৰাধেই প্ৰমাণ হোৱা নাই; তেনেহলে খ্ৰীষ্টীয়ানসকলে মানুহ মাত্ৰকেই আদমৰ সন্তান বুলি অপৰাধী বোলে কিয়? বাৰু, জ্ঞানীসকলে এনেকুৱা গ্ৰন্থ আৰু এনেকুৱা ঈশ্বৰ মানিবলগীয়া বুলি ভাবিব পাৰেনে? ৭ ॥

৮. আৰু প্ৰভু ঈশ্বৰে কলে, "চোৱাচোন, সত-জ্ঞান পাবৰ কাৰণে আদম মোৰ সমান হল, হয়তো সি এদিন হাত মেলি জীৱন বৃক্ষৰ ফলো ছিঙি খাই অমৰ হব পাৰে"। সেই কাৰণে প্ৰভু ঈশ্বৰে তাক স্বৰ্গৰ উদ্যানৰ পৰা বাহিৰ কৰি দিলে আৰু জীৱনবৃক্ষৰ পথ ৰক্ষা কৰিবৰ কাৰণে স্বৰ্গ উদ্যানৰ পূবফালে কোৰোবীমবোৰক আৰু চাৰিওফালে ঘূৰ্ণীয়-মান উজ্জ্বল খড়্গ ৰাখিলে॥ পৰ্ব্ব ৩। আঃ ২২। ২৪॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক— আদম জ্ঞানত তেওঁৰ তুল্য হৈ উঠিল—এই ভাবি ঈৰ্ষ্যা আৰু ভ্ৰম হ'ল কিয় ? সমতুল্য হলেই বা, তাত নো কি হব ? এনেকুৱা সংশয় হল বা কিয় ? কোনো কেতিয়াও ঈশ্বৰৰ হব নোৱাৰে। এনেবোৰ অসঙ্গত কথা লেখাৰ পৰা প্ৰমাণ হয় যে, প্ৰকৃত ঈশ্বৰ নাছিল· কোনো মানুহবিশেষহে আছিল। সমস্ত লেতেই মানুহৰ দৰেই ঈশ্বৰৰ বৰ্ণনা দেখা যায়। এতিয়া চ'ক ! আদমৰ বুদ্ধি হোৱাত ঈশ্বৰ বৰ দুঃখিত হল। আৰু অমৰ বৃক্ষৰ ফল বুলি আদমৰ প্ৰতি ঈৰ্ষা হল। আগতে যেতিয়া আদমক—সেই ত ৰাখিছিল, আদমক যে আকৌ বাহিৰ কৰিব লাগিব এই ভবিষ্যত ঈশ্বৰৰ নাছিল। গতিকে খ্ৰীষ্টীয়ানৰ ঈশ্বৰ সৰ্ব্বজ্ঞও নাছিল, আৰু কি থকা খড়্গধাৰী প্ৰহৰী ৰখাও মানুহৰহে কাম, ঈশ্বৰৰ তেনে নহয়।

কাইন আৰু এবেল (Cain and Abel)

১। কালক্ৰমত কাইনে ভূমিজাত ফল প্ৰভু ঈশ্বৰক উপহাৰ স্বৰূপে ৰ্পণ কৰিলে। আৰু এবেলেও নিজৰ ভেড়াৰ পালৰ পৰা কেইটামান পুষ্ট, প্ৰথম প্ৰসূত ভেড়া আনিলে। তেতিয়া প্ৰভু ঈশ্বৰে এবেলক কৰি তেওঁৰ উপহাৰ গ্ৰহণ কৰিলে, কিন্তু কাইনক আদৰ নকৰিলে উপহাৰো গ্ৰহণ নকৰিলে। সেই নিমিত্তে ক্ৰোধত কাইনৰ মুখ বৰ হ'ল। তেতিয়া পৰমেশ্বৰে কাইনক কলে—"তুমি কিয় কুপিত হ'লা তোমাৰ মুখ কিয় বিষণ্ণ হ'ল" ? তৌঃ পৰ্ব্ব ৪। আঃ ৩-৬॥

সমীক্ষক—ঈশ্বৰ মাংসাহাৰী নোহোৱা হলে ভেড়াৰ উছৰ্গা গ্ৰহণ এবেলক আদৰ আৰু কাইন আৰু কাইনৰ ভেটী অৱজ্ঞা নকৰিলে- । এইদৰে বিবাদৰ সৃষ্টি কৰি এবেলৰ মৃত্যু ঘটোৱাৰ বাবে তেওঁৰেই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দায়ী। খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰে এই ক্ষেত্ৰত মানুহৰ দৰেহে আচৰণ কৰিছে। উদ্যানৰ সৃষ্টি কৰা আৰু উদ্যানলৈ অহাযোৰা কৰা মানুহৰহে কাম। গতিকে বুজা যায় যে, বাইবেল মনুষ্য ৰচিতহে, ঈশ্বৰৰ কথিত নহয় ॥৯॥

১০। পাছত প্ৰভু ঈশ্বৰে কাইনক কলে,—"তোমাৰ ভ্ৰাতৃ এবেল ক'ত"? কাইনে কলে—"মই নেজানো, মই মোৰ ভাইৰ ৰক্ষক নেকি?" তেতিয়া ঈশ্বৰে কলে—"তুমি কৰিলা কি? তোমাৰ ভায়েৰাৰ ৰক্তই মাটিৰ পৰা মোক মাতিছে"॥ তৌঃ পৰ্ব্বঃ ৪। আঃ ৯॥ ১১॥

সমীক্ষক—কাইনক সোধাৰ আগতেই ঈশ্বৰে এবেলৰ অৱস্থা জনা নাছিল নেকি? ৰক্তৰ শব্দই মাটিৰ পৰা কাৰোবাক কেতিয়াবা মাতিব পাৰে নেকি। এইবোৰ অজ্ঞৰহে কথা। গতিকে বাইবেল ঈশ্বৰৰ কথিততো নহয়েই, কোনো বিদ্বানৰো ৰচিত নহয় ॥১০॥

১১। মথুচেলহৰ জন্মৰ পাছত হনুক তিনি শ বছৰ ঈশ্বৰৰ লগে লগে চলাইছিল।

তৌঃ পৰ্ব্বঃ ৫। আঃ ২২॥

সমীক্ষক—খ্ৰীষ্টিয়ানৰ ঈশ্বৰ মানুহ নোহোৱা হলে হনুক নিজৰ লগত ৰাখি কিয় চলালেহেঁতেন। গতিকে, খ্ৰীষ্টিয়ানসকলে বেদোক্ত নিৰা-কাৰ ঈশ্বৰৰ বিশ্বাস যদি হে কৰে, তেওঁলোকৰ কল্যাণ হব ॥১১॥

১২। আদমৰ কন্যাবোৰ সুন্দৰী দেখি ঈশ্বৰৰ পুত্ৰবোৰে নিজৰ নিজৰ পছন্দ অনুসাৰে বিয়া কৰিলে। সেই কালত পৃথিবীত দানৱ আছিল আৰু তাৰ পিছতো যেতিয়া ঈশ্বৰৰ পুত্ৰবোৰ আদমৰ কন্যাবোৰৰ লগত মিলিত হল, এওঁলোকৰ সন্তান জন্ম হল আৰু সিহঁতেই তাৰ পাছত প্ৰসিদ্ধ বীৰ হ'ল। আৰু প্ৰভু ঈশ্বৰে দেখিলে পৃথিবীত আদমৰ দুষ্টামি পৃথিবীত বেছি হল, আৰু মনৰ চিন্তা ভাৱনা দিনে দিনে কেৱল বেয়াহে হৈছে। তেতিয়া প্ৰভু ঈশ্বৰে পৃথিবীত আদমৰ সৃষ্টি কৰি অনুতাপ দুখ অনুভৱ কৰিলে। আৰু প্ৰভু ঈশ্বৰে তেতিয়া কলে—"মই মানুহক সৃষ্টি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...ৰা, এতিয়া পৃথিবীৰ পৰা উচ্ছন্ন কৰিম, মানুহৰ লগতে পশু, সৰী-
...জীৱ আৰু আকাশৰ পক্ষীবোৰো উচ্ছন্ন কৰিম, কাৰণ এইবোৰ
...কৰাৰ পৰা মোৰ অনুশোচনা হৈছে"। তৌঃ পঃ ৬। আঃ ১-২। ৪-৭।।

সমীক্ষক—খ্রীষ্টীয়ানসকলক প্রশ্ন সুধিব লাগে যে, ঈশ্বৰৰ পুত্ৰ ...! তেওঁৰ পত্নী, শহুৰ, শাহুৱেক আদি আত্মীয় কুটুম্ব কোন কোন? ...ৰ কন্যাবোৰৰ লগত ঈশ্বৰৰ পুত্ৰবোৰৰ বিবাহ হোৱাত ঈশ্বৰ মানুহৰ ...য় হল। পুত্ৰৰ সন্তান সন্ততিবোৰ ঈশ্বৰৰ পৌত্ৰ-প্ৰপৌত্ৰ হ'ল। ...ৰ বিষয়ে এনেবোৰ কথা কৰ পৰা সম্ভৱ নে? ঈশ্বৰৰ কথিত গ্ৰন্থত ...বোৰ কথা থকাটো সম্ভৱ নে? এইবোৰৰ পৰা প্ৰমাণ হয় যে, বাইবেল ...তা বনবাসী মানুহ আছিল। যি সৰ্ব্বজ্ঞ নহয়, ভৱিষ্যতৰ কথা ...নে, সি জীৱ। সৃষ্টি কৰোঁতে মানুহ দুষ্ট হব পাৰে বুলি জনা নাছিল। ...? অনুশোচনা কৰা, শোক কৰা, ভুল কাম কৰি পশ্চাত্তাপ ...আদি খ্রীষ্টীয়ান ঈশ্বৰৰহে লক্ষণ হব পাৰে। খ্রীষ্টীয়ানৰ ঈশ্বৰ পূৰ্ণ ...নবা যোগীও নহয়। তেনে হোৱা হলে তেওঁ শান্তি আৰু বিজ্ঞানেৰে ...ক আদি অতিক্রম কৰিব পাৰিলেহেঁতেন। পশু পক্ষীও দুষ্ট হল। ...সৰ্ব্বজ্ঞ হোৱা হলে এনেকৈ বিষাদগ্ৰস্ত হলহেঁতেন নে? গতিকে তেওঁ ...ৰ্ণ ঈশ্বৰ নহয় আৰু বাইবেলো ঈশ্বৰৰ কথিত নহয়। বেদত যি ঈশ্বৰৰ ...কোৱা আছে, তেওঁ পাপ আৰু দুখ, শোক আদি ৰহিত আৰু সচ্চিদানন্দ ...প। খ্রীষ্টীয়ানসকলে যদি সেইদৰে তেনে ঈশ্বৰক বিশ্বাস কৰিলেহেঁতেন ...এতিয়াও কৰে– তেতিয়া হলে তেওঁলোকৰ মানৱ জন্ম সাৰ্থক হয়।।১২।

১৩। দীঘলে তিনিশ হাত, পথালিয়ে পঞ্চদশ হাত, ওখই ত্ৰিশ ...এখন নাৱত তুলি, তোমাৰ পুত্ৰ, স্ত্ৰী, আৰু বোৱাৰীবোৰক লগত ...উঠিবা। আৰু সকলো জীৱজন্তুৰেই মতা মাইকীৰ যোৰা যোৰকৈ ...ৰ প্ৰাণ ৰক্ষাৰ কাৰণে, তোমাৰ লগতে সেই নৌকাত (জাহাজত) ...বা, সকলোবিধৰ পক্ষী, সকলোবিধৰ পশু, আৰু সকলোবিধৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ভূচৰ, সৰীসৃপৰ মত মাইকীৰ যোৰা যোৰাকৈ সিহঁতৰ প্ৰাণ ৰক্ষাৰ কাৰণে তোমাৰ লগত নাৱত তুলি লবা। তোমাৰ আৰু সেই প্ৰাণীবোৰৰ আহাৰৰ কাৰণে সকলো প্ৰকাৰৰ খাদ্য বস্তু সংগ্ৰহ কৰি নিজৰ ওচৰত সঞ্চয় কৰিবা। সেই মতে নূহই ঈশ্বৰৰ আজ্ঞানুসাৰে সকলো কাম কৰিলে॥ তৌঃ পৰ্বঃ ৬। আঃ ১৫। ১৮—২২।

সমীক্ষক—কোনোৱা বিদ্যা বুদ্ধি থকা মানুহে এনেকুৱা বিদ্যা বিৰুদ্ধ অসম্ভৱ কথা কওঁতাক ঈশ্বৰ বুলি মানিব পাৰেনে? তেনেকুৱা দীঘল, বহল আৰু ওখ নাৱক এযোৰ এযোৰকৈ হলেও হাতী, উট আদিৰ কোটি কোটি পশু পক্ষী আৰু সেইবোৰৰ খাদ্য বস্তু আৰু লগত সকলো মিতিৰ কুটুম সোমাব পৰাটো সম্ভৱ নে? গতিকে বাইবেল মনুষ্য ৰচিত পুস্তক আৰু সেই লিখকজন যথাৰ্থ বিদ্বানো নাছিল।। ১৩।।

১৪ আৰু নূহে পৰমেশ্বৰৰ কাৰণে এখন থাপনা পাতিলে আৰু সকলোবিধ পশু আৰু সৰ্ব্ববিধ পৱিত্ৰ পক্ষীৰ কিছুমান নি সেই বেদীৰ থাপনাৰ ওপৰত হোম কৰিলে। তাৰ পৰা প্ৰভু ঈশ্বৰে সুগন্ধ গ্ৰহণ কৰিলে আৰু মনে মনে কলে, "মই মানুহৰ নিমিত্তে ভূমিক আৰু অভিশাপ নিদিওঁ, কাৰণ বাল্যকাল পৰ্য্যন্ত মানুহৰ মনৰ ভাৱ দুষ্ট। যেনেকৈ মই সকলো জীৱক সংহাৰ কৰিছো তেনেকৈ প্ৰাণীবোৰক আৰু সংহাৰ নকৰো।। তৌঃ পৰ্ব্বঃ ৮। আঃ ২০।২১।।

সমীক্ষক—বেদী নিৰ্ম্মাণ আৰু হোমানুষ্ঠানৰপৰা বুজিব লাগিব যে, বাইবেলে এইবোৰ বেদৰ পৰাই লৈছে। বাৰু সুগন্ধ লবলৈ পৰমেশ্বৰৰ নাক আছে জনো? খ্ৰীষ্টীয়ান সকলৰ ঈশ্বৰ মনুষ্যৰ দৰে অল্পজ্ঞ নে কি? ঈশ্বৰে কেতিয়াবা অভিশাপ দিয়ে, কেতিয়াবা অনুতাপ কৰে কেতিয়াবা আৰু অভিশাপ নিদিওঁ বুলি কয়। আগতে অভিশাপ দিছিল, পাছত আকৌ দিব, আগতে সকলোকে বিনাশ কৰিছিল, পাছত কৈছে 'আৰু কেতিয়াও বিনাশ নকৰোঁ' !!! এইবোৰ কেৱল চঞ্চল বালকৰহে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ঈশ্বৰৰ কথা বা কাৰ্য্যতো নহয়েই, আনকি কোনো শিক্ষিত মানুহৰ কাম নহয়; কাৰণ যি শিক্ষিত, তেওঁৰ কথা আৰু প্ৰতিজ্ঞাৰ ... নাই।। ১৪ ।।

১৫। পাছত ঈশ্বৰে নূহ আৰু নূহৰ পুত্ৰবোৰক আশীৰ্ব্বাদ কৰি ...—"গমনশীল জীৱিত প্ৰাণী মাত্ৰেই তোমালোকৰ খাদ্য হব; মই ...ৰ তোমালোকক শাক পাচলি ৰূপে দিলোঁ। কিন্তু কেৱল ...হে খাবা, জীৱ অৰ্থাৎ ৰক্ত সহ মাংস আহাৰ নকৰিবা।

তৌঃ পৰ্ব্ব ৯। আঃ ১—৪।।

সমীক্ষক—এটা জীৱৰ প্ৰাণ বিনষ্ট কৰি আনক আনন্দ দিয়া ...ৰান ঈশ্বৰৰ নিৰ্দ্দয়তা নহয় জানো? যি মাক বাপেকে এক সন্তানক ...য়া কৰি, অন্য সন্তানক খুৱালে, তেওঁ পাপী নহবনে? সকলো প্ৰাণী... ঈশ্বৰৰ মানত সন্তান। খ্ৰীষ্টীয়ান সকলৰ ঈশ্বৰৰ লক্ষণ তেনে নহয়; ...উ ব্যাধ অৰ্থাৎ হত্যাকাৰীৰ দৰে কৰ্ম্ম কৰে। এইদৰেই তেওঁ সকলো ...হক হিংসুক কৰিছে। গতিকে নিৰ্দ্দয় হোৱাৰ বাবে খ্ৰীষ্টীয়ান সকলৰ ...ৰ পাপী নহব কিয়? ১৫ ।।

১৬। সমস্ত পৃথিৱীতেই এক ভাষা আৰু একে কথাই আছিল। ...ৰু তেওঁলোকে পৰস্পৰক কলে,—"আহাঁ আমি আমাৰ কাৰণে এখন ...ৰ আৰু গগনস্পৰ্শী এটা উচ্চ গৃহ নিৰ্ম্মাণ কৰি আমাৰ নাম বিখ্যাত ...হাঁ, সমস্ত পৃথিৱীতেই যাতে আমি ছিন্ন ভিন্ন হৈ বিভাগ নহওঁ।" ... পাছত আদমৰ সন্তানবোৰে যি নগৰ আৰু উচ্চ গৃহ নিৰ্ম্মাণ ...ৰিছিল, তাক চাবলৈ প্ৰভু ঈশ্বৰ নামি আহিল। আৰু প্ৰভু ঈশ্বৰে ...ৱা কলে,—"চোৱা, ইহঁত সকলো এক আৰু এক ভাষাভাষী। ...ত্যা এইদৰে কামত ইহঁত প্ৰবৃত্ত হৈছে যে, ইয়াৰ পাছত যি ...ৰিবলৈ সঙ্কল্প কৰিব, তাৰপৰা নিবাৰিত নহব। আহাঁ, আমি নামি ... তাত সিহঁতৰ ভাষাত গোলমাল সৃষ্টি কৰোঁ, যাতে সিহঁতৰ ইটোৱে ...টোৰ ভাষা বুজিব নোৱাৰে।" আৰু প্ৰভু ঈশ্বৰে তাৰ পৰা গোটেই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পৃথিৱীতেই সিহঁতক ছিন্ন ভিন্ন কৰিলে, আৰু সিহঁতে নগৰ নিৰ্ম্মাণৰ কাম এৰি দিলে।। তৌঃ পঃ ১১। আঃ ১।৪—৮।।

সমীক্ষক—যেতিয়া সমগ্ৰ পৃথিৱীত একে ভাষা আৰু একে কথা আছিল তেতিয়া নিশ্চয় সকলো মানুহৰ ভিতৰত প্ৰেম আৰু আনন্দ আছিল। কিন্তু দুখৰ বিষয় যে, খ্ৰীষ্টীয়ানসকলৰ হিংসুক ঈশ্বৰে এক ভাষাৰ ঠাইত ভাষা ভিন্ন ভিন্ন কৰি সকলোৰে সৰ্ব্বনাশ কৰিলে, ইয়াতকৈ আৰু ঘোৰ অপৰাধ কি হব পাৰে! তেনেহলে এইটো চয়তানৰ কৰ্ম্মতকৈও অতি ঘৃণিত কৰ্ম্ম নহয় নে। এই কথাও কোৱা আছে যে, খ্ৰীষ্টীয়ানৰ ঈশ্বৰ সেনাই পৰ্ব্বত আদি স্থানত বাস কৰিছিল, জীৱৰ কল্যাণ কামনা কৰা নাছিল, এনেবোৰ কেৱল অজ্ঞৰ বাহিৰে ঈশ্বৰৰ কথা হব নোৱাৰে, গতিকে এই বাইবেল ঈশ্বৰৰ বাণী কেনেকৈ হব পাৰে? ।।১৬।

আব্ৰাহম (Abraham)

তেতিয়া তেওঁ (আব্ৰাহমে) তেওঁৰ পত্নী চাৰাক কলে "শুনা, তুমি দেখাত সুন্দৰী। সেই কাৰণে যেতিয়া মিছৰীয় মানুহে তোমাক দেখিব, তেতিয়া তোমাক তেওঁৰ পত্নী বুলি কৈ তোমাৰ কাৰণে মোক বধ কৰিব।। তুমি মোৰ ভনীহে বুলি কবা, তোমাৰ কাৰণে মোৰ মঙ্গল হব আৰু তোমাৰ কাৰণেই মই জীৱিত থাকিব পাৰিম।। তৌঃ পঃ আঃ ১১-১৩।।

সমীক্ষক—এতিয়া বিবেচনা কৰক! খ্ৰীষ্টীয়ান আৰু মুছলমানে আব্ৰাহমক এজন ডাঙৰ পয়গম্বৰ বুলি কয়, তেওঁৰেই মিছা কথাৰে কুকৰ্ম্ম কৰে। যাৰ পয়গম্বৰেই এনে, তেওঁলোকৰ বিজ্ঞান আৰু কল্যাণৰ পথ প্ৰদৰ্শন কেনেকৈ হব পাৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

Circumcision (চুন্নৎ)

১৮। আৰু ঈশ্বৰে আব্ৰাহমক কলে, "তুমি আৰু তোমাৰ বংশধৰ সকলোৱে মোৰ নিয়ম পালন কৰিবা, তুমি আৰু তোমাৰ ভাবী বংশই পুৰুষানুক্ৰমে সেই নিয়ম পালন কৰিব। তুমি আৰু তোমাৰ ভাবী বংশধৰসকলে মোৰ যিটো নিয়ম পালন কৰিবা সেইটো হ'ল প্ৰত্যেক পুৰুষেই খতনা কৰিবা। তোমালোকে নিজৰ নিজৰ লিঙ্গৰ মূৰৰ ছাল ছেদন কৰিবা, সেয়ে মোৰ আৰু তোমালোকৰ ভিতৰত নিয়মৰ চিহ্ন হব। তোমালোকৰ পুৰুষানুক্ৰমে প্ৰত্যেক পুত্ৰৰ জন্মৰ ৮ দিনৰ দিনা ছাল ছেদন আৰু যি তোমাৰ বংশজাত নহয়, কিন্তু তোমালোকৰ ঘৰত জন্ম বা ধন দি কিনা সিহঁতৰো সেইদৰে ত্বক্ ছেদন কৰা আৱশ্যক। আৰু তোমালোকৰ মঙহত মোৰ নিয়ম চিৰকাল থাকিব। যাৰ লিঙ্গাগ্ৰৰ চৰ্ম্মছেদন কৰা নহয়, সিহঁতৰ আত্মীয় স্বজনৰ পৰা বিচ্ছেদ হ'ব, মোৰ নিৰ্দ্দেশ ভঙ্গ কৰাৰ কাৰণে। তোঃ পঃ ১৭। আঃ ৯-১৪।

সমীক্ষক – এতিয়া চ'ক ঈশ্বৰৰ কেনে বিপৰীত আজ্ঞা! ত্বক্‌ছেদন যদি ঈশ্বৰৰ অভিপ্ৰেত, তেনেহলে তেওঁ সৃষ্টিৰ সময়ত সেই চৰ্ম্মৰ অংশ সৃষ্টিকে নকৰিলেহেঁতেন। চকুৰ বাহুৰ দৰে অঙ্গৰ অতি কোমল অংশ ৰক্ষা কৰিবৰ নিমিত্তেই সেই চৰ্ম্মৰ সৃষ্টি। সেই গুপ্ত স্থান (লিঙ্গ) অতি কোমল; যদি চৰ্ম্মৰ আৱৰণ নেথাকিলে কোনো পোক পৰুৱাৰ বা আন কোনো বস্তুৰ আঘাতত কষ্ট হব পাৰে, তদুপৰি প্ৰস্ৰাৱৰ পাছত প্ৰস্ৰাৱৰ টোপা কাপোৰত পৰিব পাৰে; এইবোৰ কাৰণত সেই চৰ্ম্মছেদন কৰা অনুচিত। আজি কালি খ্ৰীষ্টীয়ানসকলে এই নিয়ম পালন নকৰে কিয়! এই নিয়ম চিৰকালৰ কাৰণে। যীচুৰ সাক্ষ্য আছে—"এই ব্যৱস্থা পুস্তকৰ এক বিন্দু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ও মিছা নহয়'' এতিয়া পালন নকৰা বাবে সেই সাক্ষ্য মিছা বুলি প্ৰমাণিত হৈছে। খ্ৰীষ্টীয়ানসকলে এই বিষয়ত একো নেভাৱে ॥১৮॥

১৯। পাছত কথা শেষ কৰি আব্ৰাহমক এৰি ঈশ্বৰ ওপৰলৈ গ'ল। তৌঃ পঃ ১৭ আঃ ২২ ॥

সমীক্ষক—ইয়াৰ পৰা প্ৰতীত হয় যে, ঈশ্বৰ মানুহ অথবা পক্ষীৰ দৰে আছিল। তেওঁ ওপৰৰ পৰা তললৈ আৰু তলৰ পৰা ওপৰলৈ অহা যোৱা কৰিছিল। তেওঁ কোনো এজন যাদুকৰ যেন বোধ হয় ॥১৯॥

ঈশ্বৰ মাংস ভোজী

২০। পাছত প্ৰভু ঈশ্বৰে মমৰে ভূমিৰ ওচৰত তেওঁক দৰ্শন দিলে। তেওঁ তেতিয়া দিনৰ ৰ'দত তম্বুৰ দুৱাৰ মুখত বহি আছিল, চকু পৰাত দেখিলে তিনিজন পুৰুষ তেওঁৰ সন্মুখত থিয় হৈ আছে। দেখা মাত্ৰকে তেওঁ তম্বুৰ পৰা বেগাই গৈ তেওঁলোকৰ ওচৰত মাটিত আঠুকাঢ়ি প্ৰণাম কৰি কলে—“হে প্ৰভু! মিনতি কৰিছো, যদি আপোনাৰ দৃষ্টিত অনুগ্ৰহৰ পাত্ৰ হৈছোঁ, তেনেহলে আপোনাৰ এই দাসৰ ওচৰৰ পৰা আঁতৰি নাযাব। মই বিনীত ভাবে পানী আনি দিওঁ, চৰণ ধুই গছৰ তলতে অলপ বিশ্ৰাম কৰক। আহাৰৰ যোগাৰ কৰি দিওঁ, তাৰেই অলপ তৃপ্ত হওক। তাৰ পাছত গন্তব্য পথেদি অগ্ৰসৰ হব ; যিহেতু এই দাসৰ ওচৰলৈ আহি দৰ্শন দিলে''। তেতিয়া তেওঁলোকে কলে—“বাৰু, যি কৰিব খুজিছা কৰা''। তেতিয়া আব্ৰাহমে বেগাই তম্বুৰ ভিতৰ সোমাই চাৰাক কলে—“বেগতে তিনিজনৰ জোখাৰে উত্তম ৰুটি কৰা''। তাৰ পাছত আব্ৰাহমে গৰুৰ খুটিলৈ বেগাই গৈ ভাল চাই বাছি এটা দমৰা গৰু পোৱালি আনি তেওঁৰ ভৃত্যক দি বেগতে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...বলৈ কলে। ভৃত্যই সেই মতেই কৰিলে। তাৰ পাছত তেও ..., গাখীৰ, গো মাংস আনি তেওঁলোকৰ আগত দি গছৰ ...থিয় হ'ল আৰু তেওঁলোকে আহাৰ কৰিলে।

তৌঃ পৰ্ব্বঃ ১৮। আঃ ১-৮ ॥

সমীক্ষক—এতিয়া ভাবি চ'ক! যিসকলৰ ঈশ্বৰে গোস ভোজন ...সেই ঈশ্বৰৰ উপাসক সকলে গৰু, গৰুপোৱালি আদি অন্যান্য প্ৰাণী ...কৰিবলৈ এৰিব কিয়? যি মাংসলোভী, যাৰ অকণো দয়া নাই, ...হিংস্ৰক মানুহৰ বাহিৰে ঈশ্বৰ হব পাৰেনে? ঈশ্বৰৰ লগত বাকী ...কোন আছিল জনা নাযায়। সম্ভৱ বনবাসী মানুহ হব, তাৰ ভিতৰত ...প্ৰধান, তেওঁৰ নাম "ঈশ্বৰ" ৰখা হৈছে। গতিকে বিবেচনাশীল ...খ্ৰীষ্টীয়ান গ্ৰন্থক ঈশ্বৰৰ বাণী বুলি বিশ্বাস কৰিব নোৱাৰে আৰু ...পুৰুষকো ঈশ্বৰ বুলি ভাবিব নোৱাৰে ॥২০॥

২১। তেতিয়া প্ৰভু ঈশ্বৰে আব্ৰাহমক সুধিলে – "মই যে বুঢ়ী, সন্তান প্ৰসৱ কৰিব পাৰিম নে কি?" এই বুলি কিয় ...হাঁহিলে? প্ৰভু ঈশ্বৰৰ কিবা কাম অসাধ্য নেকি?

তৌঃ পঃ ১৮। আঃ ১৩।১৪॥

সমীক্ষক—খ্ৰীষ্টীয়ানৰ ঈশ্বৰৰ লীলা বিবেচনা কৰক! ঈশ্বৰেও ...বা স্ত্ৰীৰ দৰেই জোকায় আৰু ঠাট্টা কৰে ।।২১।।

২২। সেই সময়ত প্ৰভু ঈশ্বৰে স্বৰ্গৰপৰা চোডোম আৰু ...মোৰাৰ ওপৰত গন্ধক আৰু অগ্নি বৰ্ষণ কৰি তাৰ সকলো নগৰ, ...অঞ্চল, সকলো নগৰবাসী আৰু সেই ভূমিজাত সকলো বস্তু ...কৰিলে ॥

তৌঃ উৎপঃ পঃ ১৯। আঃ ২৪.২৫।।

সমীক্ষক – বাইবেলৰ ঈশ্বৰৰ আৰু এক লীলা বিবেচনা কৰক। ...নৰ প্ৰতিও লেশ মাত্ৰ দয়া নহ'ল। সেই স্থানৰ সকলোৰেই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অপৰাধ কৰিছিল নে যে, ভূমি বিধ্বস্ত কৰি সকলোকে একেলগে বিনাশ কৰিলে? যি ঈশ্বৰে এনেবোৰ ন্যায়, দয়া আৰু বিবেচনাহীন কৰ্ম্ম কৰে, সেই ঈশ্বৰৰ উপাসক সকলে তেনে কাম নকৰিব কিয়? ২২।।

লোটৰ কন্যা গমন

২৩। "আমি আমাৰ পিতাক দ্ৰাক্ষাৰস পান কৰাই পিতাৰ লগত শুম আৰু পিতাৰ বংশ এইদৰে ৰক্ষা কৰিম"। সেই ৰাতি পিতাকক দ্ৰাক্ষাৰস পান কৰাই লৈ ডাঙৰ জীয়েকে পিতাকৰ লগত শুলে। তাৰ পাছদিনা ৰাতি পিতাকক দ্ৰাক্ষাৰস পান কৰাই কনিষ্ঠা কন্যাও পিতাকৰ লগত শয়ন কৰিলে। এই লোটৰ দুই কন্যাই নিজৰ পিতাকৰ পৰাই গৰ্ভৱতী হল।।

তৌঃ উৎপঃ পঃ ১৯ আঃ ৩২—৩৬।।

সমীক্ষক—এতিয়া চ'ক! মদৰ জালত কন্যা আৰু পিতাও কুকৰ্ম্মৰ পৰা বিৰত হব নোৱাৰিলে! খ্ৰীষ্টীয়ান আদি যি সকলে জঘন্য মদ পান কৰে, তেওঁলোকৰ কুকৰ্ম্মৰ অন্ত নাই। গতিকে মদ পানৰ নাম লোৱাও সৎপুৰুষৰ অনুচিত।। ২৩।।

২৪। নিজৰ কথা অনুসাৰে পাছত প্ৰভু ঈশ্বৰে চাৰাৰ লগত দেখা কৰিলে; আৰু প্ৰভু ঈশ্বৰে যি কৈছিল সেই মতেই চাৰাৰ লগতো কৰিলে। চাৰা গৰ্ভৱতী হল।।

তৌঃ উৎপঃ পঃ ২১ আঃ ১।২।।

সমীক্ষক—এতিয়া বিবেচনা কৰক, কেৱল ঈশ্বৰৰ দৰ্শনতেই চাৰাৰ গৰ্ভ কেনেকৈ হব পাৰে? পৰমেশ্বৰ আৰু চাৰাৰ মাজত তৃতীয় কাৰণ ব্যক্তি নাই, যাৰ দ্বাৰাই সাৰাৰ গৰ্ভ হোৱা সম্ভৱ।। ২৪।।

হাজাৰা আব্ৰাহমৰ উপপত্নী

২৫। তাৰ পাছত আব্ৰাহম পুৱাতে উঠি এটেকেলী পানী আৰু ৰুটি হাজাৰাক দিলে আৰু সেই সন্তানটোও হাজাৰাৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পাত দি ঘৰৰ পৰা বিদায় দিলে। হাজাৰাই সন্তানটো লৈ গৈ এটা জোপোহাৰ তলত পেলাই দি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। তেতিয়া ঈশ্বৰে সেই বালকৰ কান্দোন শুনিলে ॥

তৌঃ উৎপঃ পঃ ২১। আঃ ১৪—১৭॥

সমীক্ষক—খ্রীষ্টীয়ান ঈশ্বৰৰ লীলা চ'ক। তেওঁ প্ৰথম চাৰাৰ পক্ষপাত কৰি হাজাৰাক ঘৰৰ পৰা বহিষ্কাৰ কৰিলে। হাজাৰাই চিঞৰি চিঞৰি কান্দিলে কিন্তু ঈশ্বৰে বালকৰহে ৰোদন শুনিবলৈ পালে। আশ্চৰ্য্যৰ কথা! ঈশ্বৰে বোধ হয় ভুলতেই শিশুৰ ক্ৰন্দন যেন শুনিছিল। এনেকুৱা ঈশ্বৰ আৰু সেই বাইবেল ঈশ্বৰৰ বাণী হব পাৰেনে? সাধাৰণ মানুহৰ উপয়োগী কেইটামান সত্যৰ বাহিৰে বাইবেলৰ বাকী কথাবোৰ অসাৰ ॥ ২৫ ॥

নৰ বলি

২৬। এইবোৰ ঘটনা ঘটাৰ পাছত ঈশ্বৰে আব্ৰাহমক পৰীক্ষা কৰিলে। ঈশ্বৰে আব্ৰাহামক কলে—"আব্ৰাহম! তোমাৰ অদ্বিতীয় পুত্ৰ ইস্হাকক, যাক তুমি ভাল পোৱা, আনা আৰু হোমত আহুতি দিয়া"। আব্ৰাহমে নিজৰ পুত্ৰ ইস্হাকক বান্ধি আনি যজ্ঞ বেদীৰ কাঠৰ ওপৰত ৰাখিলে। তাৰ পাছত পুত্ৰক বধ কৰিবৰ কাৰণে হাতত চুৰি ললে। এনে সময়তে আকাশৰ পৰা প্ৰভু ঈশ্বৰৰ দূতে কলে—"আব্ৰাহম! আব্ৰাহম! তোমাৰ পুত্ৰক হত্যা নকৰিবা, আৰু একো নকৰিবা, কাৰণ, মই বুজিলোঁ। তুমি ঈশ্বৰক ভয় কৰা" ॥

তৌঃ উৎপঃ পঃ ২২। আ. ১।২ ৯—১২।

সমীক্ষক—ইয়াৰ পৰা বুজা যায় বাইবেলৰ ঈশ্বৰ সৰ্ব্বজ্ঞ নহয়, অল্পজ্ঞহে। আব্ৰাহমো নিৰ্ব্বোধ নোহোৱা হলে এনে কাম নকৰিলে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হেঁতেন। বাইবেলৰ ঈশ্বৰ সৰ্ব্বজ্ঞ হোৱা হলে আব্ৰাহমৰ ভৱিষ্যত অন্তৰৰ শ্ৰদ্ধা বুজিব পাৰিলেহেঁতেন। গতিকে বাইবেলৰ ঈশ্বৰ যে সৰ্ব্বজ্ঞ নহয় এই কথা সুনিশ্চিত। ২৬॥

কবৰ

২৭। আপুনি আপোনাৰ শটো আমাৰ কবৰ-স্থানৰ ভিতৰত আপোনাৰ অভীষ্ট কবৰত ৰাখক। তৌঃ উৎপঃ পঃ ২৩। অঃ ৬॥

সমীক্ষক—শৱ সমাহিত কৰিলে (মাটিত পুতি থলে) জগতৰ বিশেষ অপকাৰ হয়; যিহেতু শ গেলি পচি বায়ু দুৰ্গন্ধ হলে ৰোগ বিস্তাৰিত হয়।

প্ৰশ্ন—আমি যাক ভাল পাওঁ সেই সকলৰ মৃতদেহ দাহ কৰা অবাঞ্ছনীয়। সযত্নে সমাহিত কৰি ৰথা মানে শুৱাই ৰখা, গতিকে শ্ৰেষ্ঠ।

উত্তৰ—মৃত প্ৰিয়জনক ভাল পায় যদি, ঘৰতে নেৰাখে কিয়? আঁতৰত সমাহিত কৰে কিয়? যি জীৱাত্মাক ভাল পায় সি দেহ এৰি গৈছে। গেলা দুৰ্গন্ধময় দেহৰ লগত কি প্ৰেম থাকিব পাৰে? ভালেই পায় যদি, মাটিত পুতি নথয় কিয়? "তোমাক মাটিত পুতি থোৱা হব" এইদৰে কোনোৱে কাৰোবাক কলে—যদি শুনাত অপ্ৰিয় হয়, দেহ, মুখ, চকু আদিৰ ওপৰত বালি ইটা, শিল আৰু চুণ আৰু বুকুত শিল ৰখাটো জানো প্ৰীতিকৰ কাৰ্য্য? শটো ৰাকচত ভৰাই পুতি ৰাখিলে বেছিকৈ দুৰ্গন্ধ উৎপন্ন হৈ বায়ু দূষিত হয়, আৰু ৰোগৰ উৎপত্তি হয়। ইয়াৰ উপৰিও এটা শৱ নিমিত্তে নিশ্চয় কমেও ৬ হাত দীঘল আৰু ৪ হাত বহল মাটিৰ আৱশ্যক। এই হিচাপে হেজাৰ, লাখ আৰু কোটি শৱকাৰণে বহুত পৰিমাণৰ ভূমি অযথা আবদ্ধ কৰা হয় আৰু সেই ভূমি, কৃষি, বাৰী বা বাস-স্থানৰ অনুপযোগী হৈ পৰে। গতিকে শৱ পুতি থোৱা ব্যৱস্থাটো একেবাৰেই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নষ্ট। পানীত পেলাই দিয়াটো পোতাতকৈ ভাল, কাৰণ জলচৰ জন্তুবোৰে তৎক্ষণাৎ তাক টনা আজোৰা কৰি খাই শেষ কৰে। কিন্তু পানীত হাড় আৰু মল পৰি থাকে, সেইবোৰ জগতৰ অনিষ্টকৰ হয়। শৱ দূৰ অৰণ্যত পেলাই দিয়া অপেক্ষাকৃত কম অনিষ্টকৰ। কাৰণ, মাংস ভক্ষক পশু পক্ষীবোৰে তৎক্ষণাৎ হেতা ওপৰা কৰি তাক খাই শেষ কৰে। তথাপি শৱৰ অস্থি মজ্জা আৰু মল গেলি পচি যিমান দুৰ্গন্ধ হয়, তাৰ পৰা জগতৰ অনিষ্ট হয়। গতিকে দাহ কৰাই সকলোতকৈ উত্তম ব্যৱস্থা। দাহ কৰিলে সকলো অণু পৰমাণু হৈ বায়ুত মিলি যায়।

প্ৰশ্ন—দাহ কৰিলেও দুৰ্গন্ধ উৎপন্ন হয়।

উত্তৰ—নিয়মমতে দাহ নকৰিলে অৱশ্যে সামান্য দুৰ্গন্ধ হয়, কিন্তু ৰীতিৰহিত কৰিলে খুব বেছি দুৰ্গন্ধ উৎপন্ন হয়। শৱদাহ কৰাৰ বিধি বেদত আৰু বেদাদি শাস্ত্ৰত এনেদৰে লিখিত আছে—শৱৰ হাতৰ সমান তিনি হাত দ, চাৰে তিনি হাত বহল আৰু পাঁচ হাত দীঘল গাত খানিব। তাৰ ভিতৰত ১৮ আঙ্গুলি ওখকৈ বেদী (চিতা) এখন সাজিব। আধামোন (২০ কেজি) বা তাতকৈও অধিক চন্দন কাঠ, অগৰু, তগৰ, কৰ্পূৰ আৰু পলাশ আদি কাঠেৰে চিতা প্ৰস্তুত কৰি তাৰ ওপৰত শৱটো ৰাখিব। শৱৰ ওপৰতে সেই পৰিমাণে কাঠ জাপি দিব, চিতাৰ সন্মুখেদি জুই জ্বলাব পৰাকৈ খালি ৰাখিব। সেই পিনেদি অগ্নি প্ৰজ্বলন কৰি শৱৰ ওজনৰ পৰিমাণে ঘিউ, ঘিউৰ ৫০০ ভাগৰ এভাগ কস্তুৰী আৰু তিনিশ ভাগৰ এভাগ কেশৰ মিহলাই আহুতি দিব। এই নিয়মেৰে শৱদাহ কৰিলে লেশ মাত্ৰও দুৰ্গন্ধ নহয়। ইয়াকেই অন্ত্যেষ্টি ক্ৰিয়া, নৰমেধ বা পুৰুষমেধ যজ্ঞ বোলে। কমপক্ষেও আধামোণ ঘিউৰ আহুতি দিব লাগে। দৰিদ্ৰ হলে, ভিক্ষা কৰি বা গঞা, জ্ঞাতি অথবা ৰাইজৰ সহায়ত এই পৰিমাণৰ ঘিউ সংগ্ৰহ কৰা আৱশ্যক। বিধিমতে ঘিউ সংগ্ৰহ কৰিব নোৱাৰিলে কেৱল খৰিৰেই দাহ কৰাটোও মাটিত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পোতা বা সমাহিত কৰাতকৈ ভাল। এটা চিতাৰ ঠাইতেই কোটি কোটি শৰদাহ কৰিব পৰা যায়। শৱ পুতি থলে ভূমি ভাগ যেনেকৈ বিকৃত হয়, দাহ কৰিলে তেনে নহয়। ইয়াৰ উপৰিও কবৰ দেখিলে মনত ভয়ৰ সঞ্চাৰ হয়। গতিকে কবৰ দিয়া বা সমাহিত কৰা অনুচিত ॥২৭॥

আব্ৰাহমৰ ঈশ্বৰ

২৮। আমাৰ মালিক আব্ৰাহমৰ ঈশ্বৰ ধন্য। ঈশ্বৰে আমাৰ মালিকক দয়া আৰু সৎ আচৰণৰ পৰা নিবৃত্ত কৰা নাই; প্ৰভু ঈশ্বৰে আমাক আৰু আমাৰ মালিকৰ জ্ঞাতিসকলৰ ঘৰত পথ প্ৰদৰ্শন কৰি আগে আগে আহিছে ॥

তৌঃ উৎপঃ পঃ ২৪। আঃ ২৭॥

সমীক্ষক—তেওঁ কেৱল আব্ৰাহমৰহে ঈশ্বৰ আছিল নেকি? ঈশ্বৰেও আজি-কালিৰ ভৃত্য আৰু পথ-প্ৰদৰ্শকসকলৰ দৰেই আগে আগে খোজ কাঢ়ি পথ প্ৰদৰ্শন কৰিছিল নেকি? সেয়ে যদি হয়, আজি কালিও তেওঁ পথ প্ৰদৰ্শন আৰু মানুহৰ লগত কথাবাৰ্ত্তা নাপাতে কিয়? গতিকে এইবোৰ কেতিয়াও ঈশ্বৰ বা ঈশ্বৰৰ ৰচিত গ্ৰন্থৰ বিষয় হব নোৱাৰে; এইবোৰ অশিক্ষিত মানুহৰহে কথা ॥২৮॥

২৯। ইস্মাইলৰ সন্তানবোৰৰ :- নাম জ্যেষ্ঠপুত্ৰ নবীত আৰু কীদাৰ, অদ্‌বি এল, মিবসম, নিশমা, দুমা, মস্‌সা, হদৰ, তৈমা ইটুৰ, নাফীশ আৰু কিদমা। তৌঃ উৎপঃ পঃ ২৫ আঃ ১৩-১৫ ॥

সমীক্ষক—এই ইস্মাইল আব্ৰাহমৰ ঔৰসত নিজ দাসী হাজাৰাৰ গৰ্ভত জাত হৈছিল।২৯।

৩০। তোমাৰ পিতাৰাই যেনেকুৱা ভাল পায় তেনেকুৱা ৰুচিকৰ খাদ্য মই প্ৰস্তুত কৰি দিওঁ তোমাৰ পিতাৰাই সেইবোৰ তৃপ্তিৰে ভোজন কৰি তেওঁৰ মৃত্যুৰ আগতে যাতে তোমাক

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰ্ব্বাদ কৰে আৰু ৰিবিকা ভিতৰলৈ গৈ তেওঁৰ জ্যেষ্ঠ পুত্ৰ ৰৰ সুন্দৰ বস্ত্ৰ আৰু ছাগলী পোৱালিৰ ছুখন ছাল আনি কোবৰ হাতত আৰু নিৰ্লোম ডিঙিত পিন্ধাই দিলে। য়াকোবে পিতাকক কলে, "মই আপোনাৰ জ্যেষ্ঠ পুত্ৰ এষৌ; আপুনি ক যি আদেশ কৰিছিল মই তাকেই কৰিছো। মই মিনতি কৰিছো, আপুনি উঠি বহক আৰু মই আপোনালৈ মাংস আনিছো আপুনি আহাৰ কৰক আৰু যেন আপোনাৰ প্ৰাণে মোক আশীৰ্ব্বাদ কৰে। তৌঃ উৎপঃ পঃ ২৭। আঃ ৯।১০। ১৫।১৬।১৯॥

সমীক্ষক—এওঁ প্ৰবঞ্চনা কৰি পিতাকৰ আশীৰ্ব্বাদ লৈ সাধু আৰু হত পয়গম্বৰ বুলি পৰিচয় দিয়ে। এইবোৰ বিস্ময়ৰ কথা নহয় নে? নবোৰ পুৰুষেই যেতিয়া খ্ৰীষ্টীয়ানসকলৰ অগ্ৰণী, সেই ধৰ্ম্মপথ কেনেকৈ শুদ্ধ হব পাৰে? ॥৩০॥

৩১। তাৰ পাছত য়াকোবে অতি পুৱাতে উঠি যি ডোখৰ শিল গাৰু কৰি শুইছিল, তাকেই স্তম্ভৰূপে স্থাপন কৰিলে, তাৰ ওপৰত তেল ঢালি সেই ঠাইৰ নাম বৈতয়েল (ঈশ্বৰৰ গৃহ) ৰাখিলে। য়াকোবে মনতে ভাবিলে, যিডোখৰ শিল মই স্তম্ভৰূপে স্থাপন কৰিছো, সেয়েই ঈশ্বৰৰ গৃহ হব। তৌঃ উৎপঃ পঃ ২৮। আঃ ১৮।১৯।২২॥

সমীক্ষক—এইবোৰ বনবাসী মানুহৰ কাম নহয় নে? তেওঁলোকে স্তৰ পূজা কৰে আৰু আনকো সেইমতে প্ৰবৰ্ত্তিত কৰে। মুছলমানসকলে ইয়াকেই "বয়তলমুকদ্দস্" বোলে। এই পাথৰ ডোখৰেই ঈশ্বৰৰ গৃহ হব পাৰেনে? ঈশ্বৰে ইয়াৰ ভিতৰত বাস কৰিছিল নেকি? অধিক কম, খ্ৰীষ্টীয়ানসকলেই ঘোৰ পৌত্তলিক। ৩১॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৩২। আৰু ঈশ্বৰে ৰাখেলক স্মৰণ কৰিলে, ঈশ্বৰে তেওঁৰ প্ৰাৰ্থনা শুনিলে আৰু তেওঁক গৰ্ভমুক্ত কৰিলে। তেওঁ গৰ্ভৰ পৰা পুত্ৰ প্ৰসৱ কৰিলে। ঈশ্বৰে তেওঁৰ অপযশ হৰণ কৰিলে।

তৌঃ উৎপঃ পঃ ৩১। আঃ ২৪।৩০॥

সমীক্ষক—খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰ ডাক্তৰো; তেওঁ যন্ত্ৰ বিশেষ আৰু ঔষধ আদিৰে নাৰীৰ গৰ্ভাশয় উন্মোচন কৰিলে নেকি? এইবোৰ কেৱল অজ্ঞানী মানুহবহে কথা॥৩২॥

৩৩। কিন্তু ঈশ্বৰে ৰাতি সপোনত আৰামী লাবানৰ ওচৰলৈ আহি কলে— সাৱধান! য়াকোবক ভাল বেয়া ব্যৱহাৰ নকৰিবা। কাৰণ তুমি তোমাৰ পিতাবাৰ ঘৰৰ ওচৰ পাবলৈ বিচাৰিছা, কিয় মোৰ দেৱতা-বোৰক চুৰি কৰিলা? তৌঃ উৎপঃ পঃ ৩৩ আঃ ২২।২৩।

সমীক্ষক—এইটো মাত্ৰ উদাহৰণ ৰূপেহে লিখা হ'ল। বাইবেলত লিখা আছে যে, ঈশ্বৰে সহস্ৰ মানুহক স্বপ্নত স্বয়ং দৰ্শন দিছে, একেলগে আহাৰ পানী খাইছে, কথাবাৰ্ত্তা কৈছে ইত্যাদি। কিন্তু এতিয়া তেওঁ আছে নে নাই কোনে জানে? এতিয়া চোন স্বপ্নত বা জাগৰণত ঈশ্বৰৰ দৰ্শন কাৰো নঘটে। বুজিব পৰা গৈছে যে বনবাসী মানুহে প্ৰস্তৰাদি নিৰ্ম্মিত মূৰ্ত্তিকেই দেৱতা বুলি পূজা কৰিছিল। খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰেও শিলকেই দেৱতা জ্ঞান কৰিছিল; নহলেনো দেৱতাবোৰৰ অপহৰণ কেনেকৈ সম্ভৱ হব পাৰে? ৩৩॥

৩৪। আৰু য়াকোব নিজৰ গন্তব্য পথেদি গৈ থাকোতে ঈশ্বৰৰ দূতসকলে তেওঁক দেখা কৰিছিল। তেতিয়া য়াকোৱে তেওঁলোকক দেখি কৈছিল "এই সকল ঈশ্বৰৰ সৈন্যৰ দল"। তৌঃ উৎপঃ পঃ ৩২। আঃ ১-২॥

সমীক্ষক—খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰ যে, মানুহহে এই বিষয়ে কোনো সন্দেহ নাই। কাৰণ তেওঁৰ সেনাও আছে। তেতিয়া হলে তেওঁৰ অস্ত্ৰ-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আছে আৰু কোনো স্থানৰ ওপৰত আক্ৰমণ কৰি যুদ্ধও কৰিব লগা নহলে, সৈন্য ৰখাৰ প্ৰয়োজন কি ? ৩৪।।

৩৫। আৰু য়াকোব তাতেই অকলে আছিল, আৰু এজন পুৰুষে তেওঁৰ লগত ৰাতিপুৱা পৰ্য্যন্ত মল্লযুদ্ধ কৰিলে, কিন্তু য়াকোবক জয় কৰিব নোৱাৰি য়াকোবৰ কৰঙনত আঘাত কৰিলে। এইদৰে যুদ্ধ কৰোতে য়াকোবৰ কৰঙনৰ শিৰ স্থানচ্যুত হ'ল। তাৰ পাছত সেই পুৰুষে কলে—"এতিয়া ৰাতি পুৱাল গতিকে মোক এৰি দে"। য়াকোবে কলে—আপুনি মোকআশীৰ্ব্বাদ নিদিলে নেৰোঁ"। তেতিয়া সেই পুৰুষজনে কলে, "তোমাৰ নাম কি"? তেওঁ উত্তৰ দিলে, "য়াকোব"। তেতিয়া তেওঁ কলে, "তুমি আৰু য়াকোব নামেৰে জনাজাত নহবা, ইস্ৰায়েল নামেৰেহে জনাজাত হবা, কাৰণ তুমি ঈশ্বৰ আৰু মানুহৰ লগত যুদ্ধ কৰি জয়যুক্ত হৈছা"। তেতিয়া য়াকোবে বিনয় কৰি সুধিলে, "আপোনাৰ নাম কি"? সেই পুৰুষে কলে—কিহৰ কাৰণে মোৰ নাম সুধিছা"? তাৰ পাছত তেওঁ য়াকোবক আশীৰ্ব্বাদ দিলে। তেতিয়াৰ পৰা য়াকোবে সেই ঠাইৰ নাম ফনুয়েল ৰাখিলে; কাৰণ তেওঁ কৈছিল, "আমি ঈশ্বৰক প্ৰত্যক্ষ দেখিলোঁ। আৰু আমাৰ প্ৰাণ বাঁচিল"। তাৰ পাছত তেওঁ ফনুয়েল পাৰ হোৱাত সূৰ্য্যৰ জ্যোতি তেওঁৰ ওপৰত পৰিল। আৰু তেওঁ উৰুৰ বিষত খোৰাবলৈ ধৰিলে। এই কাৰণেই ইস্ৰায়েলৰ সন্তান সকলে এতিয়াও উৰুৰ ওপৰৰ শিৰা নেখায়। কাৰণ তেওঁ য়াকোবৰ উৰুৰ শিৰা (শিৰ) স্পৰ্শ কৰিছিল।। তৌ: উৎপঃ পঃ আঃ ২৪-৩২ ।।

সমীক্ষক—খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰ যোদ্ধা কাৰণেহে কৃপা কৰি চাৰা, ৰাখেলক পুত্ৰ দান কৰিছিল। বাৰু ভাবি চ'ক চোন, এনেকুৱা আচল ঈশ্বৰ হব পাৰেনে ? তেওঁৰ আৰু লীলা দেখক ! কোনোৱে নাম সুধিলে, নিজৰ নাম কোৱা উচিত নহয় নেকি ? ঈশ্বৰে য়াকোবৰ নাড়ী স্থানচ্যুত কৰাত পৰাজিত হল। কিন্তু ঈশ্বৰ ডাক্তৰ হোৱা হলে, তেওঁৰ স্থানৰ নাড়ীক আৰোগ্য কৰি দিলেহেঁতেন। এইদৰে য়াকোবৰ দৰে ভক্তিৰ ফলত অন্যান্য ভক্ত সকলো খোৰা হব লাগিব। ঈশ্বৰ দেহ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ধাৰী নহলে তেওঁৰ প্ৰত্যক্ষ দৰ্শন আৰু তেওঁৰ লগত মল্লযুদ্ধ আদি কেনেকৈ সম্ভৱ হব? গতিকে এইবোৰ কেৱল বালকৰ কথা। ৩৫।

৩৬। প্ৰভু ঈশ্বৰৰ দৃষ্টিত যিহূদাহৰ জ্যেষ্ঠ পুত্ৰ দুষ্ট; গতিকে প্ৰভু ঈশ্বৰে তাক মাৰি পেলালে। তেতিয়া যিহূদাহে ওনামক কলে, "তুমি তোমাৰ ভ্ৰাতৃপত্নী গমন কৰা, আৰু বিয়া কৰি ভায়েৰ বংশ ৰক্ষা কৰা"। ভ্ৰাতৃজায়াৰ সন্তান তেওঁৰ বংশ ৰক্ষক নহব, এই কথাকে ভাবি ওনামে ভ্ৰাতৃজায়াক গমন কৰিও, ভ্ৰাতৃ বংশ ৰক্ষা কৰাৰ অনিচ্ছা হেতুকে ৰেতঃ-পাত ভূমিত কৰিলে। তেওঁৰ সেই কাৰ্য্যত প্ৰভু ঈশ্বৰ বিতুষ্ট হৈ তাকো বধ কৰিলে। তৌঃ উৎপঃ পঃ ৩৮। আঃ ৭-১০॥

(তৌৰেত প্ৰাচীন বাইবেল Old Testimony)

সমীক্ষক—এতিয়া বিবেচনা কৰক! এইবোৰ মানুহৰ কাম নে ঈশ্বৰৰ কাম? তেওঁৰ আজ্ঞা মতে নিয়োগ কৰিলে, তথাপি ঈশ্বৰে তেওঁক বধ কৰিলে কিয়? তেওঁক জ্ঞান নিদিলে কিয়? ইয়াৰ পৰা নিশ্চিত হয় যে, আদি কালত সকলোতে নিয়োগ প্ৰথা প্ৰচলিত আছিল।৩৬॥

প্ৰাচীন বাইবেলৰ অন্তৰ্গত যাত্ৰা পুস্তক

৩৭। মুছা যেতিয়া ডাঙৰ হ'ল, এদিন দেখিলে যে তেওঁৰ ইব্ৰাণীয় ভাইসকলৰ এক ইব্ৰাণীক মিছৰীয়ে মাৰিলে, তেতিয়া তেওঁ চাৰিওফালে চাই কাকো নেদেখি সেই মিছৰীক হত্যা কৰি বালিত পুতি থলে। তাৰ পাছদিনা তেওঁ বাহিৰলৈ ওলাই যাওঁতে দুটা ইব্ৰাণীক পৰস্পৰে কাজিয়া কৰি থকা দেখিলে; তেওঁ সিহঁতৰ ভিতৰত দোষীটোক কলে—"তোমাৰ প্ৰতিবেশীক কিয় মৰিয়াইছা"? প্ৰত্যুত্তৰত সি কলে—"তোমাক আমাৰ অধ্যক্ষ আৰু বিচাৰপতি কোনে পাতিলে? তুমি যেনেকৈ মিছৰীক হত্যা কৰিলা সেইদৰেই আমাকো বধ কৰিবলৈ মন কৰিছা নেকি"? সেই কথা শুনি মুছাই ভয়ত পলাল। তৌঃ যাঃ পঃ ২। আঃ ১১-১৫॥

সমীক্ষক—বিবেচনা কৰক এতিয়া! যি মুছা বাইবেলৰ ধৰ্ম্ম প্ৰতিষ্ঠাতা আচাৰ্য্য, তেওঁৰ চৰিত্ৰত খং আদি দোষ আছিল, তেওঁ চোৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ক হত্যা কাৰীব দ্বাৰে বাজ বিধিব দণ্ডব পৰা সাৰিবলৈ বিচাৰিছিল, ই সত্যক গোপন কৰিছিল, গতিকে তেওঁ মিথ্যাবাদীও। মুছাব দ্বাৰে হই ঈশ্বৰ দৰ্শন কৰি পয়গম্বৰ হয় আৰু ইহুদী আদিব ধৰ্ম্ম প্ৰৱৰ্ত্তক । ইয়াৰ পৰা বুজিব পাৰি যে, মুছাক ধৰি খ্ৰীষ্টীয়ানসকলৰ পূৰ্ব্ব-পুৰুষসকল আদিম অৱস্থাৰেই মানুহ আছিল; তেওঁলোকৰ ভিতৰত জনোৰেই বিদ্বান্ ব্যক্তি নাছিল।।৩৭

৩৮। *** তোমালোকে এটা ভেৰাৰ পোৱালী বাহিৰ কৰি মাৰিবা। ত থোৱা বক্তত এমুঠি পাত বিশেষ জুবুৰিয়াই তাৰে দুৱাৰ দলি আৰু দুয়ো ফালৰ খুটাত লগাই দিবা আৰু ৰাতিপুৱা তোমালোক ঘৰৰ ভিতৰৰ পৰা নোলাবা। কাৰণ প্ৰভু ঈশ্বৰে মিছৰীয়বোৰক মাৰিবৰ কাৰণে, তোমালোকৰ ঘৰৰ দুৱাৰৰ আগেদি যাব। তোমালোকৰ দুৱাৰ মুখৰ দুইফালে বক্তৰ চিন দেখিলে, সেই ঘৰ এৰি যাব, সংহাৰ কৰ্ত্তাৰ সংহাৰৰ পৰা ৰক্ষা পৰিবা। তৌঃ যাঃ পঃ ২। আঃ ২১।২২।২৩।।

সমীক্ষক—এইবোৰ ভোজ বাজী যেন লাগে! এনেকুৱা ঈশ্বৰ সৰ্বজ্ঞ হ'ব পাৰেনে? তেওঁ বক্তৰ চিন নেদেখিলে ইস্ৰায়েল বংশীয় ঘৰৰ খৰ চিনিব নোৱাৰে। এইবোৰ সৰ্ব্বজ্ঞৰ লক্ষণ নহয়, ক্ষুদ্ৰ বুদ্ধিৰহে লক্ষণ। গতিকে বুজিব পাৰি যে এইবোৰ কোনো অৰণ্যবাসী মনুষ্যৰ লিখা কথা ॥ ৩৮ ॥

৩৯। তাৰ পাছত মাজ ৰাতি এই ঘটনা হল, প্ৰভু ঈশ্বৰে মিছৰ দেশৰ সিংহাসনত উপবিষ্ট ফেৰাহৰ প্ৰথমজাত সন্তান, বন্দীগৃহত থকা সকলৰ প্ৰথমজাত সন্তান, পশুৰ প্ৰথমজাত সন্তান এই সকলো-বোৰৰ বিনাশ কৰিলে। তেতিয়া মিছৰৰ ফেৰাহ, তেওঁলোকৰ দাসবোৰ আৰু সকলো মিছৰবাসী সাৰ পাই উঠি সেই ঘটনা দেখি সকলোৱে বৰকৈ চিঞৰি কন্দা কটা কৰিবলৈ ধৰিলে, কাৰণ এনে এটা ঘৰো নাছিল যি ঘৰত মৰা নাই ॥ তৌঃ যাঃ পঃ ১২। আঃ ২৯। ৩০॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—খ্ৰীষ্টীয়ান সকলৰ ঈশ্বৰ এনেকুৱাই নে? যি নিৰ্দ্দয় দস্যুৰ দৰে বিনা অপৰাধত আবাল-বৃদ্ধ-বনিতা সকলোকে, আনকি পশু পৰ্য্যন্ত হত্যা কৰিলে! ঈশ্বৰৰ লেশ মাত্ৰও দয়া নহল নে? মিছৰ বাসীৰ মহা ক্ৰন্দনতো খ্ৰীষ্টীয়ান ঈশ্বৰৰ চিত্তৰ পৰা নিষ্ঠুৰতা দূৰ নহল নে? ঈশ্বৰহে নালাগে, এক অতি সাধাৰণ মানুহেও এনে কাম কৰিব নোৱাৰে। অৱশ্যে আচৰিত হব লগা একো নাই, কাৰণ লিখিত আছে, "মাংসাহাৰিণঃ কুতো দয়া"। খ্ৰীষ্টীয়ান সকলৰ ঈশ্বৰ মাংসাহাৰী; গতিকে তেওঁৰ দয়া কেনেকৈ থাকিব পাৰে? ৩৯ ॥

৪০। প্ৰভু ঈশ্বৰে তোমালোকৰ পক্ষৰ পৰা যুদ্ধ কৰিব। ইস্ৰায়লৰ সন্তানবোৰক আগ বঢ়িবলৈ কোৱা। আৰু তুমি লাঠিলৈ সাগৰৰ ওপৰত হাত দাঙা, সাগৰক দুভাগ কৰা; তেতিয়া ইস্ৰায়লৰ সন্তান সকলে সাগৰৰ মাজৰ শুকান পথেদি পাৰ হৈ যাব।

তৌঃ যাঃ পঃ ১৪। আঃ ১৪—১৬।

সমীক্ষক—কিয়? ঈশ্বৰেচোন আগতে ভেড়া ৰখীয়াৰ পাছত ভেড়া ৰখীয়াৰ দৰেই ইস্ৰায়েল বংশীয় সকলৰেই অনুকৰণ কৰিছিল। কোনে কব পাৰে তেওঁ এতিয়া ক'ত অন্তৰ্হিত হল? তেওঁ থকা হলে এতিয়া সাগৰৰ মাজেদি চাৰিও ফালে ৰেল পথ নিৰ্ম্মাণ কৰি দিলে হেঁতেন। তাৰ পৰা সমস্ত সংসাৰৰ উপকাৰ হল হেঁতেন, আৰু জলযান আদি নিৰ্ম্মাণৰ পৰিশ্ৰম কৰাৰ প্ৰয়োজনেই নহল হেঁতেন। কিন্তু এতিয়া কি উপায়? তেওঁ এতিয়া ক'ত লুকাই থাকিল? বাইবেলৰ ঈশ্বৰে এই দৰে মুহাৰ লগত অনেক লীলা খেলা কৰিলে। যি বুজিব পাৰি, যেনেকুৱা খ্ৰীষ্টীয়ান সকলৰ ঈশ্বৰ, তেনেকুৱাই তেওঁৰ ভক্ত আৰু তেনেকুৱাই তেওঁৰ ৰচিত গ্ৰন্থ। এনেধৰণৰ ঈশ্বৰ আৰু গ্ৰন্থৰ পৰা আমাৰ আতৰত থকাই শ্ৰেয়ঃ ॥ ৪০ ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৪১। মই তোমালোকৰ প্ৰত্যক্ষ সৰ্ব্বশক্তিমান ঈশ্বৰ। যি মোৰ বাং কৰে, তাক তাৰ প্ৰতিফল চাবি পুৰুষলৈ দিওঁ।

তৌঃ যাঃ পঃ ২০। আঃ ৫ ॥

সমীক্ষক—পিতাকৰ অপৰাধৰ বাবে সন্তানৰ চাবি পুৰুষ পৰ্য্যন্ত দণ্ড দিয়া কেনেকুৱা ন্যায় বিবেচনা? সৎ পিতাৰ কুসন্তান আৰু অসৎ পিতাৰ সুসন্তান হোৱা দেখা নাই নে? তেনেহলে চতুৰ্থ পুৰুষ পৰ্য্যন্ত কেনেকৈ শাস্তি ভোগ হল? পঞ্চম পুৰুষৰ পাছত দুষ্ট হলে দণ্ড ভোগ কৰিব নেলাগে নেকি? বিনা অপৰাধত দণ্ড দিয়া কেতিয়াও ন্যায় সঙ্গত হব নোৱাৰে ॥ ৪১ ॥

৪২। তুমি বিশ্ৰামৰ দিনটো পবিত্ৰ ৰাখিবৰ কাৰণে স্মৰণ কৰিবা। ছয়দিন শ্ৰম কৰি নিজৰ সকলো কাম কৰি সপ্তম দিনা তোমাৰ প্ৰভু ঈশ্বৰৰ উদ্দেশ্যে বিশ্ৰাম কৰিবা। প্ৰভু ঈশ্বৰে বিশ্ৰামৰ দিনটোক আশীৰ্বাদ কৰিছে। তৌঃ যাঃ পঃ ২০। আঃ ৮-১১ ॥

সমীক্ষক—কেৱল ৰবিবাৰহে পবিত্ৰ? বাকী ছয়দিন অপবিত্ৰ নেকি? পৰমেশ্বৰে ছয়দিন ঘোৰ পৰিশ্ৰম কৰি সপ্তম দিনত টোপনিত আছিল নেকি? তেওঁ যদি কেৱল ৰবিবাৰক আশীৰ্ব্বাদ দিলে বাকী ছয় দিনক কি দিলে? অভিশাপ দিলে নেকি? কোনো বিদ্বান ব্যক্তিয়ে এনে কাম নকৰে। ঈশ্বৰে কেনেকৈ কৰিব? ৰবিবাৰৰ কি গুণ আৰু সোমবাৰ বাবৰ কি দোষ? ঈশ্বৰে ৰবিবাৰক পবিত্ৰ বুলি ঘোষণা কৰিলে আৰু বৰ দান দিলে, বাকীবোৰ দিনক অপবিত্ৰ বুলি ঘোষণা কৰিলে? ৪২।

৪৩। তোমাৰ প্ৰতিবেশীৰ বিৰুদ্ধে মিছা সাক্ষী নিদিবা। তোমাৰ প্ৰতিবেশীৰ ঘৰলৈ লোভ নকৰিবা। প্ৰতিবেশীৰ স্ত্ৰী, দাস-দাসী পশু ইত্যাদিত বা অন্য কোনো বস্তুত লোভ নকৰিবা।

তৌঃ যাঃ পঃ ২০। আঃ ১৬।১৭॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—এই কাৰণেই তেনেহলে, যেনেকৈ ভোকাতুৰে আহাৰৰ কাৰণে আৰু তৃষ্ণাতুৰে জলৰ কাৰণে হেপাহ কৰে, সেইদৰেই খ্ৰীষ্টীয়ান সকলেও প্ৰতিবেশীৰ ধন সম্পত্তিৰ কাৰণে লোভাকৃষ্ট হয়। এইবোৰ কেৱল স্বাৰ্থপৰ আৰু পক্ষপাতিত্বৰ কাম। সন্তুৰ খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰো তেনেকুৱাই যদি তেওঁলোকে মানুহ মাত্ৰকেই প্ৰতিবেশী বুলি ভাৱে, তেনেহলে মানুহৰ বাহিৰেও আন কোনো প্ৰাণীৰ স্ত্ৰী আৰু দাসী আছে নেকি, যাক প্ৰতিবেশী বুলি নেভাবে? গতিকে এয়া স্বাৰ্থপৰৰহে কথা, ঈশ্বৰৰ নহয়। ৪৩ ॥

৪৪। বালক-বালিকাৰ ভিতৰত সকলো লৰাক আৰু পুৰুষৰ লগত সংযোগ কৰা সকলো স্ত্ৰীক বধ কৰা। যিবোৰ ছোৱালীৰ পুৰুষৰ লগত সংযোগ হোৱা নাই, সেইবোৰক নিজৰ কাৰণে ৰাখিবা।

তৌ: গণনা পৰ্ব: ৩১। আ: ১৭.১৮॥

সমীক্ষক—ধন্য খ্ৰীষ্টীয়ানৰ পয়গম্বৰ মুছা আৰু ঈশ্বৰ! তেওঁলোকে নাৰী, শিশু, বৃদ্ধ আৰু পশু আদিও হত্যা কৰাত কুণ্ঠিত নহয়। নিশ্চয়কৈ কৃব পাৰি যে, মুছা কাম বাসনাসক্ত আছিল, সেয়ে নহলে, যিবোৰ কন্যা পুৰুষ সংসৰ্গ হোৱা নাই সেইবোৰক তেওঁৰ কাৰণে আনিবলৈ এনেকুৱা নিৰ্দ্দয় লম্পটৰ দৰে আদেশ কিয় দিব? ৪৪॥

৪৫। কোনো মানুহে কাৰোবাক আঘাত কৰাৰ ফলত যদি মৃত্যু হয়, তাৰ প্ৰাণ দণ্ড হব। আৰু যদি কোনোৱে কাৰোবাক বধ কৰিবলৈ বিচাৰি নাপায় আৰু ঈশ্বৰে তাক তেওঁৰ হাতত সমৰ্পণ কৰে, তেতিয়া যৰ পৰা পলাব পাৰে—এনে স্থান মই তোমাৰ নিমিত্তে নিৰ্ণয় কৰি দিম। তৌঃ যাঃ পঃ ২১। আঃ ১২।১৩॥

সমীক্ষক—ঈশ্বৰৰ যদি এই কাৰ্য্য ন্যায় সঙ্গত হয়, মুছাই যেতিয়া এটা মানুহক হত্যা কৰি পুতি থৈ পলাইছিল, ঈশ্বৰে তেওঁক দণ্ড নিদিলে কিয়? ঈশ্বৰে সেই ব্যক্তিক বধ কৰিবলৈকে তেওঁৰ হাতত যদি সমৰ্পণ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হৈছিল তেনেহলে ঈশ্বৰ পক্ষপাতী। কাৰণ ৰাজ্যৰ বিধিমতে মুছাৰ দণ্ড দিয়া নিদিলে কিয়? ৪৫ ॥

৪৬। তেওঁলোকে প্ৰভু ঈশ্বৰক উদ্দেশ্য কৰি মঙ্গলৰ কাৰণে বৃষবোৰ বলিদান কৰিলে। তেতিয়া মুছাই সেইবোৰৰ আধা ৰক্ত পাত্ৰত ৰাখিলে আৰু আধা ৰলি বেদীৰ ওপৰত প্ৰক্ষেপ কৰিলে। পাছত মুছাই সেই ৰক্ত লৈ মানুহবোৰৰ ওপৰত প্ৰক্ষেপ কৰি কলে, "চোৱা এইবোৰ সেই নিয়মৰ ৰক্ত, যাক প্ৰভু ঈশ্বৰে তোমালোকৰ লগত এইবোৰ বাক্যৰ বিষয়ে স্থিৰ কৰিছে"। আৰু প্ৰভু ঈশ্বৰে মুছাক কলে—"তুমি মোৰ লগত পৰ্ব্বতলৈ উঠি মোৰ লগত থাকা, ভাত মই তুখন প্ৰস্তৰ ফলি আৰু মোৰ লিখিত ব্যৱস্থা আৰু আজ্ঞা তোমাক দিম"।

তৌঃ যাঃ পঃ ২৪। আঃ ৫।৬।৮।১২।

সমীক্ষক—পৰমেশ্বৰৰ বৃষ বলি গ্ৰহণ আৰু পৰমেশ্বৰৰ নামত বেদীত ৰক্ত সিঞ্চন, এইবোৰ বনজ মানুহৰ অসভ্য প্ৰথা। যাৰ ঈশ্বৰে বলধৰ বলিদান গ্ৰহণ কৰে আৰু তেওঁৰ ভক্ত সকলে গাই গৰুৰ বলিদানৰ প্ৰসাদেৰে পেট নভৰাব কিয়? তেওঁলোকে পেটৰ কাৰণে ভাবে নে জগতৰ মঙ্গলৰ কাৰণে ভাবে? এনেকুৱা জঘন্য কথাৰেই বাইবেল পৰিপূৰ্ণ। বাইবেলৰ এনেকুৱা কুসংস্কাৰৰ কাৰণেই এইদৰে বেদতো মিছা দোষাৰোপ কৰিব খোজে, কিন্তু বেদত এনেকুৱা অন্ধবিশ্বাসৰ নামো নাই। এই কথা নিশ্চয়কৈ বুজিব পাৰি যে, খ্ৰীষ্টীয়ানৰ ঈশ্বৰ এক পৰ্ব্বতবাসী মনুষ্য আছিল। ঈশ্বৰে মহী, লিখন আৰু কাগজ পত্ৰ তৈয়াৰ কৰিব নাজানিছিল আৰু নাপাইছিলো গতিকে শিলৰ ফলিত লিখিছিল আৰু বনজ নিৰ্বোধ মানুহৰ মানত ঈশ্বৰ হৈ পৰিছিল ॥ ৪৬ ॥

৪৭। আৰু কৈছিল যে, "তুমি মোৰ ৰূপ চাব নুখুজিবা, কাৰণ মোক কোনো মানুহে দেখিলে তেওঁ জীয়াই থাকিব নোৱাৰে"। আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পৰমেশ্বৰে কলে, "দেখা, মোৰ এক স্থান আছে, তুমি সেই টিলাত থিয় হৈ থাকিবা। তেতিয়া মোৰ বিভৱ যাত্ৰাৰ সময়ত তোমাক মই শিলৰ ফাটৰ ভিতৰত ৰাখি মোৰ গন্তব্য স্থানৰ শেষলৈকে হাতৰ তলুৱাৰে আঁৰ কৰি ৰাখিম। তাৰ পাছত মই কৰতলৰ আঁৰ এৰি দিলে মোৰ পাছ ফাল দেখিবলৈ পাবা, কিন্তু মোৰ মুখ দৰ্শন কৰিবলৈ নোপোৱা।

তৌ: যা: প: ৩৩। আ: ২০—২৩॥

সমীক্ষক- এতিয়া বুজক, খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰ দেহধাৰী। তেওঁ মুছাৰ লগত কিমান চতুৰতা কৰি স্বয়ং সিদ্ধ ঈশ্বৰ হৈ পৰিল। যাৰ কেৱল পাছ ফালৰ ভাগহে দেখা যায়, আকৃতি দেখা নেযায়, তেওঁক হাতেৰেও ঢাকিব নোৱাৰি। যেতিয়া ঈশ্বৰে মুছাক হাতেৰে ঢাকিছিল, তেতিয়া মুছাই তেওঁৰ হাতৰ আকৃতিও নেদেখিলে নেকি? ৪৭॥

প্ৰচীন বাইবেলৰ লয় ব্যৱস্থাৰ পুস্তক।

৪৮। পাছত পৰমেশ্বৰে মুছাক মাতি মণ্ডলীৰ তম্বুৰ ভিতৰৰপৰা কলে, "তুমি ইস্ৰায়েলৰ সন্তানবোৰক কোৱা,— 'তোমালোকৰ যদি কোনোৱে পৰমেশ্বৰৰ উদ্দেশ্যে উপহাৰ উছৰ্গা কৰে তেন্তে নিজৰ নিজৰ গৰু, ভেড়া আদি পশু পালৰ পৰা উপহাৰ আনি উছৰ্গা কৰক।"

তৌ: লয় ব্যৱস্থাৰ পুস্তক॥ পৰ্ব্ব ১। অ: ১।২॥

সমীক্ষক—এতিয়া ভাবি চাব পাৰে। খ্ৰীষ্টীয়ান ঈশ্বৰে গাই, বলধ আদি বলি ৰূপে গ্ৰহণ কৰে আৰু তাৰ কাৰণে আৱশ্যক হলে নিজেই উপদেশ দিয়ে। তেতিয়া হলে ঈশ্বৰ গবাদি পশুৰ ৰক্তপিপাসু আৰু মাংসলোভী। গতিকে তেওঁক অহিংস আৰু ঈশ্বৰ বুলিব নোৱাৰি; যিহেতু তেওঁ এজন মাংসাহাৰী আৰু কপট আচৰণশীল মানুহৰ দৰে॥ ৪৮॥

৪৯। পাছত তেওঁ পৰমেশ্বৰৰ সন্মুখত সেই গো হনন কৰিব আৰু হাৰুণৰ পুত্ৰ যাজকে ওচৰলৈ ৰক্ত আনি যজ্ঞ বেদীৰ চাৰিও ফালে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৱী ওমুৰ দুৱাৰৰ কাষত থকা বেদীৰ ওপৰত সেই ৰক্ত চাৰিও ফালে ন কৰিব। আৰু তেওঁ সেই হোমবলিৰ চাল গুছাই ডোখৰ ডোখৰ-কাটিব। পাছত হাৰুণ যাজকৰ পুত্ৰ সকলে বেদীৰ ওপৰৰ অগ্নিত জাপি দিব। আৰু হাৰুণৰ পুত্ৰ যাজকবোৰে সেই বেদীৰ ওপৰৰ আৰু কাঠৰ ওপৰত মণ্ডহৰ টুকুৰা, মূৰ আৰু তেল, চৰ্ব্বিবোৰ দিব। ত যাজকে সেই আটাইবোৰ পুৰিব; এই হোমবলি পৰমেশ্বৰৰ শ্যে সৌৰভাৰ্থক অগ্নিৰ উপহাৰ'। তৌঃ লঃ পঃ ১। আঃ ৫—৯।।

সমীক্ষক—এতিয়া ভাবি চ'ক! পৰমেশ্বৰৰ ভক্তই তেওঁৰ আগত হত্যা কৰিব আৰু আনৰ দ্বাৰাই হত্যা কৰাব; ভক্তসকলে চাৰিও ৰক্ত সিঞ্চন কৰিব, অগ্নিত হোম কৰিব, পৰমেশ্ব.ৰ তাৰ সুগন্ধ ঘ্ৰাণ কৰিব! যিবোৰ মাংস বেপাৰী কচাইৰ ঘৰত সদায় হয়। এই ৰ কচাইতকৈ কোন গুণে শ্ৰেষ্ঠ? গতিকে বাইবেল ঈশ্বৰৰ ৰচিত য়, আৰু যি ঈশ্বৰে বনজ মানুহৰ দৰেই কৰ্ম্ম কৰে, তেওঁ যথাৰ্থতে কতিয়াও ঈশ্বৰ হব নোৱাৰে। ৪৯।।

পাপ খণ্ডন

৫০। আৰু পৰমেশ্বৰে মুছাক কলে—'অভিষিক্ত যাজকে দি সাধাৰণ মানুহৰ দৰে পাপ কৰে, তেনেহলে তেওঁ নিজৰ ত পাপৰ কাৰণে পৰমেশ্বৰৰ উদ্দেশ্যে এটা নিৰ্দ্দোষ গোবৎস প নাশক বলিৰূপে উৎসৰ্গ কৰিব''।

লৈঃ ব্যঃ তৌঃ পঃ ৪। আঃ ১—৩—৪ ।।

সমীক্ষক—পাপ ক্ষয় কৰা প্ৰায়শ্চিত্ত কেনেকুৱা চ'ক! কোনোৱে প কৰাৰ পাছত প্ৰায়শ্চিত্তৰ কাৰণে গো আদি প্ৰয়োজনীয় পশু ত্যা কৰিব আৰু স্বয়ং ঈশ্বৰেই হত্যা কৰাব! ধন্য খ্ৰীষ্টীয়ান সকল! এনেবোৰ কাৰ্য্য কৰে, আপোনালোকে তাকেই ঈশ্বৰ বুলি বিশ্বাস ৰ আৰু তেওঁৰ ওচৰত মুক্তি সুখৰ আশা কৰে। ৫০।।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৫১। আৰু যদি কোনো অধ্যক্ষই পাপ কৰে, তেনেহলে নিজৰ উপহাৰ ৰূপে এটা নিৰ্দ্দোষ মতা ছাগলী আনিব। তাৰ পাছত পৰমেশ্বৰৰ আগত হত্যা কৰিব ; এয়েই হ'ল পাপ খণ্ডনৰ উছৰ্গা। তৌঃ লৈঃ পঃ ৪। আঃ ২২-২৪ ॥

সমীক্ষক—বেছ ! তেনেহলে খ্ৰীষ্টীয়ান কৰ্তৃপক্ষ অৰ্থাৎ বিচাৰপতি, সেনাপতি আদিয়ে পাপ কৰিবলৈ ভয় কৰিব কিয় ? তেওঁলোকে নিজে ইচ্ছামতে পাপ কৰিব, পাছত প্ৰায়শ্চিত্ত ৰূপে গাই, দমৰা বা ছাগলী হত্যা কৰিব। এই কাৰণেই খ্ৰীষ্টীয়ানসকলে প্ৰাণী হত্যা কৰাত শঙ্কিত নহয়। খ্ৰীষ্টীয়ানসকলে এতিয়াও এই বনবাসীৰ জঘন্য মত এৰি সুসভ্য বৈদিক মত অৱলম্বন কৰক ; তাৰ পৰা কল্যাণ সাধন হব। ৫১॥

৫২। আৰু যদি ছাগলী দিয়াত অসমৰ্থ, তেনেহলে নিজৰ পাপৰ কাৰণে এজোৰ পাৰ বা কপৌ তেওঁৰ কৃত পাপ মোচনৰ বাবে আনিব। যাজকে সিহঁতৰ দিঙি মোছাৰিব কিন্তু ছিঙি নেপেলাব। এইদৰে যাজকে নিজৰ পাপৰ প্ৰায়শ্চিত্ত কৰিব, তেওঁৰ পাপৰ ক্ষমা কৰিব। আৰু যি এজোৰ পাৰ দিয়াতো অসমৰ্থ তেওঁ পাপ খণ্ডাবৰ কাৰণে এসেৰৰ দশাংশ চুৰ্জি বলি ৰূপে আনিব। ● ● তাৰ লগত তেল নিদিব। তাৰ দ্বাৰাই তেওঁৰ পাপৰ ক্ষমা হব। তৌঃ লৈঃ পঃ ৫। আঃ ৭-৮।

সমীক্ষক—খ্ৰীষ্টীয়ানৰ ধনীবোৰে পাপ কাৰ্য্যক ভয় নকৰে আৰু দৰিদ্ৰয়ো নকৰে, কাৰণ তেওঁলোকৰ ঈশ্বৰে পাপৰ প্ৰায়শ্চিত্ত কৰা অতি সহজ কৰি দিছে। বাইবেলৰ এইটোও এটা অতি অদ্ভুত কথা ; কাৰণ কোনো এটা কৃত পাপ আন এটা পাপৰ দ্বাৰাই খণ্ডন হয়। এটাই পাপ কৰি অন্য প্ৰাণীক হিংসা বা হত্যা কৰি খুব আনন্দৰে খালেই পাপ মোচন হৈ যায়। পাৰৰ ডিঙি মুছৰিলে বহুত পৰলৈকে সি কষ্টত ধৰ্‌ফৰাই থাকে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...পি খ্ৰীষ্টীয়ানৰ দয়া ভাৰ নহয়। তেওঁলোকৰ ঈশ্বৰৰ উপদেশেই হৈছে ...ণ কৰা আৰু সকলো পাপৰ এইদৰে হিংসাৰেই প্ৰায়শ্চিত্ত হয়, তেনে- ...ৰ যীচুক বিশ্বাস কৰি পাপৰ বাবে অনুতাপ কৰিব লাগে বুলি কোৱা ...াৰ মুখৰ আৰু উপকৰাহে। ৫২॥

৫৩। আৰু যি বলি উৎসৰ্গ কৰে, বলি দিয়া জন্তুৰ ছাল, ...-কেৰাহীত অৱশিষ্ট হৈ থকা মাংস আদি আহাৰ সকলো ...তেওঁৱেই পাব। তৌঃ লৈঃ পঃ ৭। আঃ ৮—৯॥

সমীক্ষক—মই ভাবিছিলো এই দেশতহে দেৱতা, পোপ আৰু ...িৰ পূজাৰীবোৰৰহে বিচিত্ৰ (অদ্ভূত) পোপলীলা আছে, কিন্তু খ্ৰীষ্টী- ...ৰ ঈশ্বৰ আৰু ঈশ্বৰৰ পূজাৰীবোৰৰ পোপলীলা সহস্ৰগুণে বেছি। ...ৰ ছালৰ দাম আৰু খাদ্য বস্তু পালে খ্ৰীষ্টীয়ানসকলে বোধহয় খুব ...মোদ প্ৰমোদ কৰিছিল আৰু এতিয়াও কৰে। নিজৰ পুত্ৰক হত্যা কৰি ...ৰ মাংস অন্য পুত্ৰক কোনো মানুহে খুৱাব পৰাটো সম্ভৱ নে? মনুষ্য ...দি সকলো প্ৰাণী ঈশ্বৰৰ সন্তান তুল্য। গতিকে ঈশ্বৰে এনে কাম ...তিয়াও কৰিব নোৱাৰে। গতিকে বাইবেল ঈশ্বৰৰ ৰচিত নহয়, বাই- ...ৰ ঈশ্বৰ আৰু সেই ঈশ্বৰৰ বিশ্বাসপৰায়ণসকল ধৰ্ম্মজ্ঞ হব নোৱাৰে। ... ব্যৱস্থা আদি গ্ৰন্থবোৰ এনেবোৰ অযুক্তিকৰ কথাৰেই পৰিপূৰ্ণ। ...কে উল্লেখ আৰু নকৰিলেও হয়। ৫৩॥

গণনা পুস্তক

৫৪। আৰু এজনী গাধই পৰমেশ্বৰৰ দূতক তৰোৱাল লৈ ...ত থিয় হৈ থকা দেখিলে। গাধজনীয়ে বাট এৰি পথাৰলৈ ..., তেতিয়া বিলিয়মে সেই গাধজনীক বাটলৈ আনিবলৈ লাঠিৰে ...ৱালে। তেতিয়া পৰমেশ্বৰে সেই গৰ্দ্দভীৰ মুখেৰে কথা কোৱালে, ...ভীয়ে বিলিয়মক সুধিলে, "মইনো তোমাৰ কি অপকাৰ কৰিলো

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তুমি যে মোক তিনিটা মাৰ মাৰিলা?

তৌঃ গঃ পঃ ২২। আঃ ২৩।২৮॥

সমীক্ষক—পূৰ্ব্বকালত গাধয়ো ঈশ্বৰৰ দূতক দেখিছিল, কিন্তু আজি কালি বিচপ, পাহুৰী আদি শ্ৰেষ্ঠ অথবা নিকৃষ্ট কোনেও ঈশ্বৰ বা ঈশ্বৰৰ দূত নেদেখে। তেনেহলে খ্ৰীষ্টীয়ানৰ ঈশ্বৰ আৰু দূত এতিয়া নাই নেকি? আছে যদি তেওঁলোক গভীৰ নিদ্ৰাত অভিভূত হৈ পৰি আছে; নহলে অন্য কোনো লোকত গৈ আছে নেকি? তেওঁলোক আন কামত ব্যস্ত আছে নেকি? বা খ্ৰীষ্টীয়ানসকলৰ ওপৰত অসন্তুষ্ট হৈ আছে নে মৰি গ'ল? আচলতে তেওঁলোকৰ কি হ'ল জনাৰ উপায় নাই। এতিয়া যিহেতু তেওঁলোক নাই, খ্ৰীষ্টীয়ানসকলৰ দৃষ্টিগোচৰ নহয়, সেয়ে অনুমান হয় যে, তেওঁলোক আগতো নাছিল আৰু দৃষ্টিগোচৰো হোৱা নাছিল। এইবোৰ মনেৰে কল্পনা কৰা ভুৱা কাহিনী মাত্ৰ। ৫৪॥

স্যেমুয়েলৰ দ্বিতীয় পুস্তক

৫৫। কিন্তু সেই ৰাতিতে পৰমেশ্বৰৰ এই বাণী নাথনলৈ কৈ পঠোৱা হল—"তুমি গৈ আমাৰ দাস দায়ুদক কৰা যে, পৰমেশ্বৰে এই কথা কৈছে। তুমি মোৰ থকা ঘৰ নিৰ্ম্মাণ কৰিবা নে? ইস্ৰায়েলৰ সন্তানবোৰক মিছৰৰ পৰা বাহিৰ কৰি অনাৰ দিন ধৰি আজি পৰ্য্যন্ত মই কোনো গৃহত বাস কৰা নাই, কেৱল তম্বু আৰু পঁজা ঘৰত থাকিয়েই ঘূৰি ফুৰিছো।

তৌঃ স্যেমুয়েল ২য় পুঃ পঃ ৭। আঃ ৪-৬॥

সমীক্ষক—ইয়াৰ পৰা নিঃসন্দেহে বুজিব পাৰি যে, খ্ৰীষ্টীয়ানৰ ঈশ্বৰ মানুহৰ দৰেই দেহধাৰী। তেওঁ পৰিশ্ৰান্ত হৈ জনাইছে যে তেওঁ কোনো স্থান স্থিতি নোহোৱাকৈ যতে ততে ঘূৰি ফুৰোতে ভাগৰি পৰিছে, তেওঁৰ কাৰণে দাউদে গৃহনিৰ্ম্মাণ কৰি দিলেহে তাত আশ্ৰয় লৈ বিশ্ৰাম কৰিব পাৰে। এনেকুৱা ঈশ্বৰ আৰু এনেকুৱা পুস্তক বিশ্বাস

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

খ্ৰীষ্টীয়ান সকলৰ বিবেকে বাধা নিদিয়ে নে? কিন্তু উপায় পোৱা। এবাৰ যেতিয়া বিশ্বাস কৰি আবদ্ধ হৈ পৰিছে, তাৰ পৰা ওলোৱা নহয়, গতিকে বিশেষ চেষ্টাৰ প্ৰয়োজন ॥ ৫৫ ॥

ৰজাসকলৰ পুস্তক

৫৬। উনবিংশতি বৰ্ষৰ পঞ্চম মাহৰ সপ্তম দিনা বেবিলনৰ ৰজাৰ প্ৰধান সেনাপতি নেবুজৰ এদেন জেৰুজেলেমলৈ আহিলে। আৰু পৰমেশ্বৰৰ মন্দিৰ, ৰজাৰ ৰাজভৱন আৰু জেৰুজেলেমৰ ঘৰবোৰ ঘৰ জ্বলাই দিলে আৰু চাডীজ সৈন্যৰ ৰক্ষক সেনাপতিৰ অধীনত থকা ৰক্ষী বাহিনীয়ে জেৰুজেলেমৰ চাৰিওফালৰ দেৱালবোৰ ভাঙি পেলালে। তৌঃ ৰাঃ পঃ ২৫। আঃ ৮-১০ ॥

সমীক্ষক—খ্ৰীষ্টীয়ান সকলৰ ঈশ্বৰে দাউদ আদিৰ দ্বাৰাই কোনো এটা ঘৰ সজাই তাত বিশ্ৰাম কৰিছিল বোধহয়; কিন্তু নেবুজৰ এদেনে ঈশ্বৰৰ ঘৰ জ্বলাই পুৰি পেলালে, ঈশ্বৰ আৰু দূত সৈন্যই একো কৰিব নোৱাৰিলে। পূৰ্ব্বতে খ্ৰীষ্টীয়ানৰ ঈশ্বৰ মহাযোদ্ধা আৰু বিজয়ী আছিল। তেওঁৰ নিজৰ ঘৰ জ্বলাই দিয়া সত্বেও নিষ্ক্ৰিয় হৈ থাকিলে কিয়? তেওঁৰ দূত সৈন্যবোৰ ক'লৈ পলাল সেই সময়ত? ঈশ্বৰৰ পৰাক্ৰম কলৈ গ'ল? যদি এই ঘটনা সত্য হয়, তেনেহলে পূৰ্ব্বে কথিত ঈশ্বৰৰ কাহিনী মিছা। ঈশ্বৰে মিছৰ দেশৰ শিশুবোৰক হত্যা কৰিও নিজৰ বীৰ্য্যৰ সম্পূৰ্ণ পৰিচয় দিছিল। তাৰ পাছত তেওঁ শত্ৰুৰ সন্মুখত নিষ্ক্ৰিয় হৈ থাকিল কিয়? গতিকে খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰ নিন্দা আৰু অপকীৰ্ত্তিৰ ভাজন। এনেকুৱা হাজাৰ হাজাৰ অৰ্থহীন গল্পৰেই গ্ৰন্থখন পৰিপূৰ্ণ ॥ ৫৬ ॥

বাইবেল ধৰ্ম্ম পুথিৰ দ্বিতীয় ভাগ

সাময়িক ঘটনাবলীৰ প্ৰথম পুস্তক।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৫৭। তাৰ পাছত পৰমেশ্বৰে ইস্ৰায়েল্‌লৈ মহামাৰী পঠিয়ালে, তাৰ ফলত ইস্ৰায়েলৰ ৭০,০০০ (সত্তৰ হেজাৰ) লোক মৰিল।

কাঃ দ্বিঃ ২। পঃ ২১। আঃ ১৪॥

সমীক্ষক—এতিয়া ইস্ৰায়েলৰ খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰৰ লীলা চ'ক! যি ইস্ৰায়েলবাসীক তেওঁ অনেক বাৰ বৰ দিছিল আৰু যাৰ কল্যাণৰ কাৰণে দিনে ৰাতিয়ে পৰিশ্ৰম কৰিছিল, হঠাৎ তেওঁলোকৰ প্ৰতি ক্ৰুদ্ধ হৈ মহামাৰী পঠিয়াই 70,000 (সত্তৰ হেজাৰ) মানুহ বিনাশ কৰিলে। এই বিষয়ে এজন কৰিয়ে যি লিখিছে সত্য :—

ক্ষণে ৰুষ্টঃ ক্ষণে তুষ্টঃ তুষ্টঃ ৰুষ্টঃ ক্ষণে ক্ষণে।
অব্যবস্থিত চিত্তস্য প্ৰসাদোঽপি ভয়ঙ্কৰঃ ॥১॥

যি ব্যক্তি ক্ষণে ক্ষণে প্ৰসন্নও হয় অপ্ৰসন্নও হয়, তেওঁৰ প্ৰসন্নতাও ভয় জনক। খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰৰ লীলাও এনেকুৱাই। ৫৭॥

ঐয়ুবৰ পুস্তক (The Book of Jab)

৫৮। আৰু এদিন ঈশ্বৰৰ পুত্ৰবোৰে ঈশ্বৰৰ সন্মুখত ঠিয় হ'ল আৰু তেওঁলোকৰ লগত চয়তান (অসুৰ) এটাও পৰমেশ্বৰৰ আগত ঠিয় হ'ল। পৰমেশ্বৰে চয়তানক সুধিলে, "তুমি ক'ৰ পৰা আহিলা"? চয়তানে পৰমেশ্বৰক উত্তৰ দি কলে—"মই পৃথিবী ভ্ৰমি আৰু ইফালে সিফালে ঘূৰি-পকি আহিছো"। তেতিয়া পৰমেশ্বৰে চয়তানক সুধিলে—"মোৰ সেৱক ঐয়ুবক তুমি পৰীক্ষা কৰিছা নেকি? কাৰণ, তেওঁৰ সমান সিদ্ধ, সৰল, ঈশ্বৰ ভীৰু, অকাৰণে দুষ্কৰ্ম্মত্যাগী পুৰুষ পৃথিবীত আৰু কোনো নাই। তুমি তেওঁক অকাৰণে বিনষ্ট কৰিবলৈ মোক প্ৰবৃত্ত কৰাইছা যদিও, তেওঁ এতিয়াও সততা ৰক্ষা কৰি আহিছে"। চয়তানে পৰমেশ্বৰক উত্তৰ দি কলে, "লোকে ছালৰ নিমিত্তে ছাল আৰু প্ৰাণৰ কাৰণে সৰ্ব্বস্ব দিব। তুমি এবাৰ হাত মেলি তেওঁৰ হাড় আৰু মাংস স্পৰ্শ কৰা, তেওঁ নিশ্চয় তোমাৰ আগতেই তোমাক জলাঞ্জলি দিব"। পৰমেশ্বৰে চয়তানক কলে, "চোৱা তেওঁ তোমাৰ হস্তগত; কেৱল তেওঁৰ প্ৰাণটো ৰচোৱা"। পাছত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ান পৰমেশ্বৰৰ সন্মুখৰ পৰা বাহিৰ ওলাই ঐয়ুবৰ ভৰিৰ পৰা মূৰলৈকে া ৰোগ উৎপন্ন কৰিলে ।। জব, ঐয়ুঃ পঃ ২ । আঃ ১-৭ ।।

সমীক্ষক—খ্ৰীষ্টীয়ান ঈশ্বৰৰ ক্ষমতা শক্তি চ'ক! চয়তানে তেওঁৰ তেই তেওঁৰ প্ৰিয় ভক্তক নিৰ্য্যাতিত কৰিছে; কিন্তু তেওঁ চয়তানক দি ভক্তক ৰক্ষা কৰিব নোৱাৰে আৰু ঈশ্বৰৰ কোনো দূতেও চয়তানৰ ন্ধে ঠিয় হবলৈ সাহ নকৰিলে! চয়তানে অকলেই সকলোকে সন্ত্ৰস্ত ৰাখিছে। খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰ সৰ্ব্বজ্ঞ নহয়। সৰ্ব্বজ্ঞ হোৱা হলে চয়তানৰদ্বাৰাই ঐয়ুবৰ পৰীক্ষা কৰালেহেঁতেন কিয়? ৫৮ ।।

উপদেশ-পুস্তক

৫৯। মোৰ হৃদয়ত নানা প্ৰকাৰৰ জ্ঞান আৰু বুদ্ধিৰ অনুভূতি ছে। মই জ্ঞান জিজ্ঞাসাত আৰু অজ্ঞান জিজ্ঞাসাত মনোযোগ লো, মই অনুভৱ কৰিলো যে, সেইবোৰ মনৰেই ভ্ৰম। কাৰণ নৰ বৃদ্ধি মানে মনস্তাপৰো বৃদ্ধি, আৰু অজ্ঞানৰ বৃদ্ধি হলে দুখৰো দ্ধি হয়।। জঃ উঃ পঃ ১। আঃ ১৬-১৮ ।।

সমীক্ষক—এতিয়া চ'ক! জ্ঞান আৰু বুদ্ধি পৰ্য্যায় বাচক শব্দ; ই দুটা শব্দৰ পৃথক অৰ্থ, আৰু জ্ঞানৰ বৃদ্ধিত দুখ আৰু শোকৰ হোৱাৰ নি ভবা, অজ্ঞান মানুহৰহে সম্ভৱ হব পাৰে। দেখা যায়, বাইবেল ৰৰ ৰচিত বুলি ভবা দূৰৈৰ কথা, বিদ্বান ব্যক্তিৰো ৰচিত হব নোৱাৰে।৫৯।।

প্ৰাচীন বাইবেলৰ বিষয়ে ইমানকেই আলোচনা কৰা হল। ৰ পাছত নব্য বাইবেলৰ বিষয়ে অলপ আলোচনা কৰা হব। খ্ৰীষ্টীয়ান-লে ইয়াকেই নিশ্চিত প্ৰমাণ বুলি ভাবে আৰু সাৰ সত্য বুলি কয় (Gospel Truth)। এই গ্ৰন্থৰ বিষয়ে এতিয়া আলোচনা কৰি চোৱা ক।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নতুন বাইবেল

মেথিউৰ প্ৰমাণ

৬০। যীচুখ্ৰীষ্টৰ জন্ম। তেওঁৰ মাক মেৰী যোছেফৰ লগত বাগ্‌দত্তা হোৱাত তেওঁলোকৰ সহবাসৰ পূৰ্ব্বেই জানিব পৰা গল যে, পবিত্ৰ আত্মাৰ ঔৰসত মেৰীৰ গৰ্ভ হৈছে। প্ৰভুৰ এক দূতে যোছেফক সপোনত দৰ্শন দি কলে—"যোছেফ! তুমি দায়ুদৰ (Dvid) সন্তান, তোমাৰ স্ত্ৰী মেৰীক গ্ৰহণ কৰিবলৈ ভয় নকৰিবা, কাৰণ তেওঁৰ গৰ্ভ পবিত্ৰ আত্মাৰ পৰা হৈছে।

মেথিউঃ ইঃ পঃ ১। আঃ ১৮-২০॥

সমীক্ষক—প্ৰত্যক্ষাদি প্ৰমাণ আৰু সৃষ্টিক্ৰম-বিৰুদ্ধ এনেবোৰ কথা বিশ্বাস কেৱল মূৰ্খ আৰু বন্য মানুহেহে কৰিব পাৰে; সভ্য মানুহে নকৰে। ঈশ্বৰৰ সৃষ্টি বিধি কোনোৱে উল্লঙ্ঘন কৰিব পাৰেনে? পৰমেশ্বৰেও বিধি স্বয়ং পৰিবৰ্ত্তন কৰিলে, তেওঁকো কোনোৱে নেমানিব। পৰমেশ্বৰ সৰ্ব্বজ্ঞ আৰু অভ্ৰান্ত। এইদৰে যিবোৰ কুমাৰী নাৰী গৰ্ভৱতী হয়, সেইবোৰ পৰমেশ্বৰৰ কৃপাতেই গৰ্ভৱতী হোৱা বুলি ধৰিব লাগিব। তেওঁলোকেও মিছাকৈ কব পাৰে, "পৰমেশ্বৰৰ দূতে সপোনত কৈছে যে, পৰমেশ্বৰৰ কৃপাত গৰ্ভ হৈছে"। পুৰাণতো এইদৰে সূৰ্য্যৰ দ্বাৰাই কুন্তীৰ গৰ্ভাধান হোৱা আদি কিছুমান অসম্ভৱ আখ্যান ৰচনা কৰা হৈছে। এনেবোৰ অলীক কাহিনীৱে নিৰ্ব্বোধ আৰু সম্পত্তিশালী মূৰ্খবোৰক ধূৰ্ত্ত ধৰ্ম্মধ্বজীয়ে ভ্ৰম-জালত পেলায়। মেৰী, বোধহয় কোনো পুৰুষৰ সংসৰ্গত গৰ্ভৱতী হৈছিল। সেই পুৰুষ অথবা অন্য কোনোৱে এই অসম্ভৱ কাহিনী প্ৰচাৰ কৰি মানুহক ভুৰা দিলে যে, মেৰী ঈশ্বৰৰদ্বাৰাই গৰ্ভৱতী হৈছে।৬০॥

৬১। তাৰ পাছত যীচুক চয়তানৰ দ্বাৰাই পৰীক্ষা কৰিবৰ কাৰণে আত্মাই হাবিলৈ নিলে। হাবিৰ মাজত ৪০ দিন আৰু ৪০ ৰাতি ভোকত একো খাবলৈ নিদিয়াকৈ ৰাখি পৰীক্ষক ওচৰলৈ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হি কলে, "তুমি যদি ঈশ্বৰৰ পুত্ৰ হোৱা, তেনেহলে এই শিল ৰক ৰুটি হবলৈ কোৱা"। মঃ ইঃ পঃ ৪। আঃ ১-৩॥

সমীক্ষক—ইয়াৰ পৰাই জানিব লাগিব যে, খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰ জ্ঞ নহয়, হলে তেওঁ স্বয়ং জানিব পাৰিলেহেঁতেন। আৰু চয়তানৰ াই ঈশ্বৰৰ পৰীক্ষা নকৰালেহেঁতেন। বাৰু, আজি কালি কোনোবা ীয়ান ৪০ দিন ৪০ ৰাতি অনাহাৰে থাকিব পাৰেনে। এই কথাৰ াই প্ৰমাণ হয় যে, যীচু ঈশ্বৰৰ পুত্ৰ নহয়, তেওঁৰ কোনো আলৌকিক ক্তিও নাছিল। থকা হলে চয়তানৰ কথামতে শিলবোৰ ৰুটি নকৰিলে য়? তেওঁৰেই বা অনাহাৰে থাকিল কিয়? গতিকে সিদ্ধান্ত এই যে, মেশ্বৰৰ সৃষ্ট শিলক কোনোৱে ৰুটি কৰিব নোৱাৰে, ঈশ্বৰে নিজেও তেওঁৰ পূৰ্ব্বে নিৰ্দ্ধাৰণ কৰা নিয়ম পৰিবৰ্ত্তন কৰিব নোৱাৰে, কাৰণ তেওঁ সৰ্ব্বজ্ঞ, ভ্ৰম-প্ৰমাদ আদি দোষ ৰহিত। ৬১॥

৬২। তেওঁ তেওঁলোকক কলে, "মোৰ পিছে পিছে আহা। মানুহ ধৰা জালোৱা হব পাৰিবা"। তেওঁলোকে নিজৰ নিজৰ জাল ত্যাগ কৰি তেওঁক অনুসৰণ কৰিলে। মঃ ইঃ পঃ ৪। আঃ ১৯-২১॥

সমীক্ষক—ইয়াৰ পৰাই জনা যায় যে, প্ৰাচীন বাইবেলত দশমটো জ্ঞাত পাপৰ উল্লেখ আছে যে, মাতাপিতাৰ সেৱা-শুশ্ৰূষা আৰু সন্মান ৰিলে সন্তানৰ আয়ুক্ষয় হয়। যীচুৱে তেওঁৰ মাতাপিতাৰ সেৱা-শুশ্ৰূষা ৰা নাই, আনকো মাতাপিতাৰ সেৱা-শুশ্ৰূষাৰ পৰা বিৰত কৰিছে। ৰ ফলত যীচু দীৰ্ঘজীৱী নহল। আৰু যীচুৱে জনসাধাৰণক জালত াৰৰ কাৰণেই নিজৰ বিশেষ মতৰ প্ৰচাৰ কৰিছিল। তেওঁ ভাবিছিল সকলোকে মাছৰ দৰে তেওঁৰ মতৰ জালত পেলাই স্বাৰ্থসিদ্ধি কৰিব। ং যীচুই যেতিয়া তেনে আছিল, তেওঁৰ পাছুৱা সকলে জনসাধাৰণক

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তেওঁলোকৰ জালত পেলোৱাত আচৰিত হব লগীয়া একো নাই। যেনেকৈ বেছি ডাঙৰ ডাঙৰ মাছ জালত পেলাব পাৰিলে মাছমৰীয়াৰ অৰ্থলাভ আৰু যশ হয়, সেইদৰে নিজ চক্ৰান্তেৰে মানুহক জালত পেলাই অনুগামী কৰিব পাৰিলেও বিশেষ সন্মান আৰু জীৱিকা সুচল হয়। যিবোৰ সৰল প্ৰকৃতিৰ মানুহ আৰু যি সকলে বেদ আদি শাস্ত্ৰ অধ্যয়ন বা শ্ৰৱণ কৰা নাই সেইবোৰক পাদুৰী সকলে তেওঁলোকৰ মতৰ জালত পেলাই তেওঁলোকৰ মাতা-পিতা আৰু আত্মীয়-স্বজনৰ পৰা আঁতৰাই নিয়ে। গতিকে সকলোৱে পাদুৰীৰ জালৰ পৰা নিজক আৰু নিৰ্ব্বোধ জনসাধাৰণকো ৰক্ষা কৰাৰ বাবে যত্নবান হোৱা সৎ পৰায়ণ মানুহ মাত্ৰৰেই কৰ্ত্তব্য ।৬২ ॥

অলৌকিক মহিমা

৬৩। পাছত যীচুৱে সকলো গালীল দেশ ভ্ৰমণ কৰিবলৈ ধৰিলে। তেওঁ সভাত উপদেশ দিছিল, ৰাজ্যত সুসমাচাৰ প্ৰচাৰ কৰিছিল। নানা প্ৰকাৰৰ ৰোগগ্ৰস্ত সকলক, দুঃখিতক, ক্লান্তক, ভূতগ্ৰস্তক, আওঁ (মৃগী) ৰুগীয়াক, আৰু একাঙ্গী বেমাৰীক আৰোগ্য কৰিছিল। মঃ ইঃ পঃ ৪। আঃ ২৩-২৫ ।।

সমীক্ষক—মন্ত্ৰ, পুৰশ্চৰণ, আশীৰ্ব্বাদ, বীজমন্ত্ৰ আৰু ভস্মৰ ফোঁট দি ভূত খেদা, আৰু ৰোগ দূৰ কৰা আদি পোপ লীলা সঁচা হলে বাইবেলৰ কথাবোৰো সচাঁ হব। এই গল্পবোৰ কেৱল নিৰ্ব্বোধ মানুহক বিভ্ৰান্ত কৰিবৰ কাৰণেই ৰচনা কৰা হৈছে। এই বিষয়ত যীচুৰ লগত পোপ (প্ৰবঞ্চক) সকলৰো সাদৃশ্য আছে। খ্ৰীষ্টীয়ান সকলে যদি যীচুৰ বাক্য বিশ্বাস কৰে, দেৱদেৱীৰ পূজক পোপ সকলৰ কথা বিশ্বাস নকৰে কিয়? ৬৩ ।।

৬৪। যি সকল দীন-দৰিদ্ৰ তেওঁলোকেই ধন্য ; কাৰণ স্বৰ্গৰাজ্য তেওঁলোকৰহে। মই তোমালোকক সত্যকৈ কৈছোঁ যে, যেতিয়ালৈকে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আকাশ আৰু পৃথিবী বিলুপ্ত নহয়, তেতিয়ালৈকে সেই ব্যৱস্থাৰ এক মাত্ৰা অথবা এক বিন্দুও সফল নোহোৱাকৈ নেথাকে। গতিকে যি এই অতি ক্ষুদ্ৰ আজ্ঞাবোৰৰ ভিতৰত যি কোনো আজ্ঞা উল্লঙ্ঘন কৰে, আৰু মানুহক তেনে কৰিবলৈ শিকায়, তেওঁ স্বৰ্গৰাজ্যত অতি ক্ষুদ্ৰৰূপে গণ্য হ'ব। ইং মঃ পঃ ৫। আঃ ৩-৪। ১৮ ১৯।।

সমীক্ষক—স্বৰ্গ এখনেই যেতিয়া, তাৰ ৰজাও এজনেই হব লাগে, ...ছ যিবোৰ দীন-দৰিদ্ৰই স্বৰ্গ লাভ কৰিব তাৰ ভিতৰত ৰাজ্যৰ অধিকাৰ কাৰ হব? ৰাজ্যৰ অধিকাৰ লৈ পৰস্পৰৰ ভিতৰত যুঁজ-বাগৰ হব, ফলত ৰাজ্যও ছিন্ন ভিন্ন হৈ যাব। দীন শব্দৰ 'কঙ্গাল' অৰ্থ অসঙ্গত। দীন শব্দৰ অৰ্থ 'নিৰহঙ্কাৰো' সঙ্গত নহয়, কাৰণ দীন আৰু নিৰহঙ্কাৰৰ অৰ্থ একে নহয়। যাৰ মন দীন, তেওঁৰ কেতিয়াও সন্তোষ নহয়। গতিকে এই অৰ্থও যুক্তিহীন। যেতিয়া আকাশ আৰু পৃথিবী বিলুপ্ত হব তেতিয়া ...নো লৰিব বা পৰিবৰ্ত্তন হব, এনেকুৱা অনিত্য অস্থিৰ ব্যৱস্থা মানুহৰহে হব পাৰে, সৰ্ব্বজ্ঞ ঈশ্বৰৰ নহয়। এইবোৰ ভয় আৰু প্ৰলোভনৰ কথা-যে, যি এই আদেশবোৰ নামানে, তেওঁ স্বৰ্গ ৰাজ্যত সকলোতকৈ হেয় ৰূপে পৰিগণিত হব। ৬৪।

৬৫। আমাৰ দিনটোৰ আহাৰ আজি আমাক দিয়া। তোমালোকে নিজৰ কাৰণে পৃথিবীত ধন সঞ্চয় নকৰিবা। ইং মঃ পঃ ৬। আঃ ১১।১৯।।

সমীক্ষক—ইয়াৰ পৰা বুজিব পাৰি যে, যি সময়ত যীচুৰ জন্ম হৈছিল, সেই সময়ত জনসাধাৰণ বনৰীয়া আৰু দৰিদ্ৰ অৱস্থাত আছিল, ...ক যীচুও স্বয়ং দৰিদ্ৰ আছিল। সেই কাৰণেই তেওঁ প্ৰতি দিনৰ আহাৰৰ কাৰণে ঈশ্বৰক প্ৰাৰ্থনা কৰিছিল আৰু সেই দৰেই আনকো উপদেশ দিছিল। তেনেহলে খ্ৰীষ্টীয়ান সকলে ধন-সম্পত্তি সঞ্চয় কিয়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰে ? যীচুৰ আদেশ অমান্য নকৰি পুণ্য অৰ্জ্জন কৰা আৰু দীন-দৰিদ্ৰ হোৱাই তেওঁলোকৰ কৰ্ত্তব্য ধৰ্ম্ম ॥ ৬৫ ॥

৬৬। যি সকলে মোক 'হে প্ৰভু, হে প্ৰভু" বোলে সেই সকলো স্বৰ্গ-ৰাজ্যত প্ৰৱেশ কৰিব নোৱাৰে ।

ইঃ মঃ পঃ ৭ । আঃ ২১॥

সমীক্ষক—এই বিষয়ে বিবেচনা কৰি চ'ক ! প্ৰধান ধৰ্ম্মযাজক বিছপ আৰু খ্ৰীষ্টীয়ানসকলে যদি ভাবে যে, যীচুৱে যি কৈছিল সেয়ে সত্য, তেনেহলে যীচুক প্ৰভু অৰ্থাৎ ঈশ্বৰ বোলা তেওঁলোকৰ পক্ষে উচিত নহয়। এই উপদেশ লঙ্ঘন কৰিলে তেওঁলোক পাপী হব। ৬৬॥

৬৭। সেইদিনা অনেকে মোক কব, (Lord, Lord, have we not prophesied in thy name) আৰু তেতিয়া মই তেওঁলোকক স্পষ্টকৈ কম, 'মই তহঁতক কেতিয়াও জনা নাছিলো; হেৰ অধৰ্ম্মীহঁত, মোৰ ওচৰৰ পৰা দূৰ হ''।

ইঃ মঃ পঃ ৭। আঃ ২২-২৩॥

সমীক্ষক—চক ! যীচুৱে নিৰ্ব্বোধ মানুহৰ বিশ্বাস জন্মাবৰ কাৰণেই নিজেই স্বৰ্গৰ বিচাৰপতিৰ ৰূপ ধৰিছিল। নিৰ্ব্বোধ মানুহক প্ৰলোভন দেখুৱাটোৱেই তেওঁৰ অভিপ্ৰায় আছিল। ৬৭ ॥

৬৮। আৰু শুনক, এক কুষ্ঠৰোগী তেওঁৰ ওচৰলৈ আহি প্ৰণাম কৰি কলে, "হে প্ৰভু, আপোনাৰ ইচ্ছা হলে মোক শুচি কৰিব পাৰে।" তেতিয়া তেওঁ হাত মেলি সেই কুষ্ঠৰোগীক স্পৰ্শ কৰি কলে "মোৰ ইচ্ছা তুমি শুচি হবা" আৰু তৎক্ষণাৎ সেই কুষ্ঠ বেমাৰী আৰোগ্য হ'ল। ইঃ ম. পঃ ৮। আঃ ২-৩॥

সমীক্ষক—কেৱল সৰল নিৰ্ব্বোধ মানুহক বিশ্বাস কৰাবৰ কাৰণেই এই কাহিনীবোৰৰ কল্পনা কৰা হৈছে। বিদ্যা আৰু সৃষ্টিক্ৰমৰ বিৰুদ্ধ এই কথাবোৰ যদি খ্ৰীষ্টীয়ানসকলে বিশ্বাস কৰে, তেনেহলে শুক্ৰাচাৰ্য্য,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ষি, আৰু কশ্যপ আদিৰ উপাখ্যানবোৰ মিছা বুলিবৰ যুক্তি কি ? পুৰাণ আৰু মহাভাৰতত বৰ্ণনা আছে যে, অসুৰবোৰৰ অনেক মৃত যোদ্ধাক জীৱিত কৰা হৈছিল। বৃহস্পতিৰ পুত্ৰ কচক খণ্ড খণ্ড কৰি পশু মাংসৰ দৰে শুক্ৰাচাৰ্য্যক খুৱোৱা হৈছিল। তথাপি শুক্ৰাচাৰ্য্যই কচক পেটৰ ভিতৰতেই জীৱিত কৰি বাহিৰ কৰিছিল। কচক জীয়াবলৈ শুক্ৰাচাৰ্য্য নিজে মৃত হয়, কিন্তু কচে আকৌ শুক্ৰাচাৰ্য্যক পুনৰ্জীৱিত কৰে। ধন্বন্তৰিয়ে লক্ষ লক্ষ মৃতকক পুনৰ্জীৱিত, লক্ষ লক্ষ কুষ্ঠৰোগীক আৰোগ্য, লক্ষ লক্ষ অন্ধক চক্ষুদান আৰু বধিৰক শ্ৰৱণ শক্তি দিয়ে। এই ঘটনাবোৰ তেনেহলে কেনেকৈ মিছা বোলে ? এইবোৰ যদি মিছা বুলি কয় তেনেহলে যীচুৰ কাৰ্য্যবোৰ মিছা নহব কিয় ? আনৰ কথা মিছা, কিন্তু নিজৰ মিছাক সঁচা বুলি প্ৰতিপন্ন কৰিবলৈ বৃথা চেষ্টা কৰাক কি বুলি কব ? গতিকে খ্ৰীষ্টীয়ানসকলৰ অলৌকিক ঘটনাৰ কাহিনীবোৰ অবোধ বালক আৰু মূৰ্খইহে শুনিব। ৬৪ ॥

৬৫। তাৰ পাছত দুটা ভূতহৈ থকা মানুহ কবৰস্থানৰ পৰা বাহিৰ হৈ তেওঁৰ সন্মুখত উপস্থিত হ'ল। সিহঁত অতি দুৰ্দ্দান্ত আছিল, সেই বাটেদি কোনেও অহাযোৱা কৰিব নোৱাৰিছিল। সিহঁতে চিঞৰ-বাখৰ কৰি কলে,—"হে ঈশ্বৰৰ পুত্ৰ যীচু, আমাৰ লগত আপোনাৰ কি কাম ? নিৰ্দ্দিষ্ট সময়ৰ আগতেই আমাক যাতনা দিবৰ কাৰণে আপুনি ইয়ালৈ আহিছে নেকি" ? এইদৰে ভূত দুটাই মিনতি কৰি তেওঁক কলে, "আপুনি যদি আমাক বাহিৰ কৰিব খোজে তেনেহলে সৌ শূকৰৰ পালটোলৈ পঠিয়াই দিয়ক"। তেওঁ তেতিয়া সিহঁতক কলে,—"যা"। তেতিয়া সিহঁত গৈ গাহৰিৰ জাকত সোমাল। আৰু আটাইবোৰ গাহৰি এঢলীয়া পাৰেদি বেগাই দৌৰি যাওঁতে সাগৰত ডুবি মৰিল। ইঃ মঃ পঃ ৮। আ· ২৮—৩৩॥

সমীক্ষক— এইবোৰ মিছা কথা ; কাৰণ মৰা শ কবৰৰ পৰা বাহিৰ হৈ আহিব নোৱাৰে, কাৰো লগত কথা কব নোৱাৰে। কেৱল অজ্ঞ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মানুহেহে এনেবোৰ কথা কয় আৰু তাকেই মূৰ্খ মানুহে শুনি বিশ্বাস কৰে। গাহৰিবোৰক হত্যা কৰি গাহৰি পালকবোৰৰ ক্ষতি কৰাৰ বাবে যীচুৰ পাপ হৈছিল। খ্ৰীষ্টীয়ান সকলৰ বিশ্বাস যে, যীচু পাপৰ ক্ষমাকাৰী আৰু তেওঁ সকলোকে পবিত্ৰ কৰে। তেনেহলে তেওঁ সেই ভূতবোৰক পবিত্ৰ কৰিব নোৱাৰিলে কিয়? আৰু সেই শূকৰ পালক সকলক ক্ষতি পূৰণ কৰি নিদিলে কিয়? এই আধুনিক যুগৰ সুশিক্ষিত খ্ৰীষ্টীয়ান ইংৰাজ সকলেও এই অসম্ভৱ কথাবোৰ বিশ্বাস কৰে নেকি? বিশ্বাস কৰে যদি তেওঁলোকো অন্ধ বিশ্বাসী। ৬৯ ॥

৭০। কেইজনমান মানুহে এটা অৰ্দ্ধাঙ্গী ৰোগীক তেওঁৰ ওচৰলৈ আনিলে, তেওঁ খাটত শয়ন কৰি আছিল। যীচুৱে তেওঁলোকৰ বিশ্বাস বুজি সেই অৰ্দ্ধাঙ্গীক কলে, "পুত্ৰ, সাহ কৰি উঠা, তোমাৰ পাপ ক্ষমা কৰা হল। ধাৰ্ম্মিক সকলৰ কাৰণে নহয় পাপীবোৰক পশ্চাত্তাপৰ কাৰণে মই সিহঁতক মাতিবলৈ আহিছো"। ইঃ মঃ পঃ ৯। আঃ ২। ১৩ ॥

সমীক্ষক— আগত উল্লেখ কৰা বিষয়বোৰৰ দৰেই এইটোও অসম্ভৱ আৰু বিশ্বাসযোগ্য নহয়। কেৱল মূৰ্খ মানুহক বিশ্বাস কৰাবৰ কাৰণেহে সাজি কোৱা হৈছে যে, যীচুৱে পাপ ক্ষমা কৰে। এক ব্যক্তিয়ে মদ, ভাং বা কানি খালে যেনেকৈ আন মানুহৰ নিছা নহয়, সেই দৰে এটাই কৰা পাপৰ ভাগী আন হব নোৱাৰে। যি পাপ কৰে সিয়েই তাৰ ফল ভোগে। এয়েই ঈশ্বৰৰ ন্যায় বিধান। এজনৰ পাপ পুণ্যৰ ফল আন এজনে পালে, বা বিচাৰপতিয়ে স্বয়ং ললে, অথবা কৰ্ম্মকৰ্ত্তাক যথাযোগ্য ফল নিদিলে ঈশ্বৰ ন্যায়কাৰী হব নোৱাৰে। চাওক কেৱল ধৰ্ম্মহে সকলোৰে একমাত্ৰ কল্যাণকাৰী যীচু বা আন কোনো কল্যাণকাৰী হব নোৱাৰে। ধৰ্ম্মাত্মা, বা পাপীৰ কাৰণে যীচু বা আন কাৰো

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

[আৱ]শ্যক নকৰে, কাৰণ কাৰো নিজৰ নিজৰ কৰ্ম্মৰ ফল খণ্ডন হব [ন]োৱাৰে। ৭০ ॥

৭১। যীচুয়ে তেওঁৰ ১২ জন শিষ্যক মতাই আনি তেওঁলোকক [অ]শুদ্ধ আত্মাবোৰৰ ওপৰত অধিকাৰ দিলে, যাতে তেওঁলোকে সিহঁতক [বা]হিৰ কৰি সকলো প্ৰকাৰ ৰোগ-ব্যাধি আৰোগ্য কৰিব পাৰে। কওঁতা-[জ]ন তুমি নোহোৱা, তোমাৰ পিতাৰ আত্মাই তোমাক অন্তৰৰ পৰা কথা [ক]ৈছে। মই পৃথিবীত মিলন ঘটাবলৈ আহিছো বুলি নেভাবিবা, মই [য]ুদ্ধ চলাবলৈহে আহিছো। মই পিতাৰ পৰা পুত্ৰ, মাতাৰ পৰা কন্যা, [আ]ৰু শাহুয়েকৰ পৰা বোৱাৰীৰ বিভেদ সৃষ্টি কৰিবলৈহে আহিছো। [ন]িজৰ নিজৰ আত্মীয় স্বজনেই মানুহৰ শত্ৰু হব। ইঃ মঃ পঃ ১০। আঃ ১। ৩৪। ৩৫। ৩৬॥

সমীক্ষক—এই শিষ্যসকলৰ ভিতৰৰে এজনে মাত্ৰ ৩০ [ত্ৰিশ] [ট]কাৰ লোভত যীচুক ধৰাই দিব আৰু বাকী কিজনে মত পৰি-বৰ্ত্তন কৰি বেলেগ বেলেগ হৈ পলাব। ভূতৰ যাতায়াত আৰু বিনা ঔষধ-পথ্যৰে ৰোগ নিবাৰণ কৰা আদিৰ কথা বিজ্ঞান বিৰুদ্ধ আৰু সৃষ্টিক্ৰম অনুসাৰে অসম্ভৱ। অজ্ঞসকলেহে এনেবোৰ কথা বিশ্বাস কৰিব পাৰে। জীৱ যদি বক্তা নহয়, জীৱৰ ভিতৰত ঈশ্বৰেই কথা কয়, তেনেহলে জীৱৰনো কাম কি? তেনেহলে ঈশ্বৰেই সদাচৰণৰ ফল সুখ আৰু অসদাচৰণৰ ফল দুখ ভোগ কৰে নেকি? এইটোও মিছা। যীচুৱে বিভেদ আৰু বিবাদ ঘটাবৰ কাৰণেই আহিছিল। বৰ্ত্তমানো জনসাধা-ৰণৰ মাজত হাই কাজিয়া চলিব লাগিছে। পৰস্পৰৰ ভিতৰত বিভেদ সৃষ্টি কৰা অতি গৰ্হিত কাম। তাৰ ফলত মানব সমাজত দুৰ্ঘোৰ দুৰ্গতি ভোগ কৰিব লগা হয়। কিন্তু খ্ৰীষ্টীয়ান সকলে যেন কলহ-বিভেদৰ সৃষ্টি কৰাকেই গুৰুমন্ত্ৰ বুলি ভাবিছে। যীচুৱেই যেতিয়া মানব সমাজত বিভেদ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সৃষ্টি কৰাকে আদৰ্শ বুলি কৈছে, খ্ৰীষ্টীয়ান সকলেও তেনে কাৰ্য্যকে নকৰিব কিয় ? যীচুৱে পৰিয়ালৰ পৰম্পৰৰ ভিতৰত শত্ৰুভাৱ উৎপন্ন কৰিব পাৰে, কিন্তু এনে কাৰ্য্য কোনো শ্ৰেষ্ঠ পুৰুষৰ হব নোৱাৰে। ৭১ ॥

৭২। যীচুৱে তেওঁলোকক কলে "তোমালোকৰ কিমান ৰুটি আছে" ? তেওঁলোকে উত্তৰত কলে—"৭টা ৰুটি আৰু অলপ সৰু মাছ"। তেতিয়া তেওঁ মানুহবোৰক মাটিত বহিবলৈ আজ্ঞা দিলে। তাৰ পাছত তেওঁ সেই ৭টা ৰুটি আৰু মাছ লৈ ধন্যবাদ দিলে। সেইবোৰ ভাঙি পেলাই শিষ্য সকলৰ হাতত দিলে, আৰু শিষ্যসকলে সকলো মানুহক ভগাই দিলে। তেতিয়া সকলোৱে আহাৰ কৰি তৃপ্ত হ'ল আৰু অৱশিষ্টখিনি ৭টা পাছিত ভৰাই তুলি ললে। খাওঁতা বিলাকৰ ভিতৰৰ স্ত্ৰী আৰু শিশুক বাদ দিলেও পুৰুষ আছিল—চাৰি হাজাৰ। ইঃ মঃ পঃ ১৫। আ: ৩৪–৩৯ ॥

সমীক্ষক—এইবোৰ আধুনিক ভণ্ড সিদ্ধ পুৰুষ আৰু যাদুকৰৰ দৰেই চতুৰ চক্ৰান্ত। সাতোটা ৰুটিৰ পৰা ইমানবোৰ ৰুটি কৰ পৰা আহিল ? যীচুৰ তেনে কিবা অলৌকিক শক্তি থকা হলে স্বয়ং অনাহাৰী হৈ ভোকত ডিমৰু ফল খাই ঘূৰি নুফুৰিলেহেঁতেন। পানী, মাটি আৰু শিল আদিৰ পৰা তেওঁৰ ৰুটি প্ৰস্তুত কৰি লব পাৰিলেহেঁতেন। এইবোৰ শিশুৰ ধেমালিৰ কথা যেনহে লাগে। কতই সাধু বৈৰাগীৰ ভেশছন কৰি এনেকুৱা ছলনাৰে নিৰ্ব্বোধ মানুহক প্ৰতাৰিত কৰে। ৭২ ॥

অসঙ্গত ন্যায় আৰু ক্ষমা

৭৩। আৰু তেতিয়া প্ৰত্যেক ব্যক্তিক নিজৰ নিজৰ কৰ্ম্ম অনুসাৰে ফল দিব। ইঃ মঃ পঃ ১৬। আঃ ২৭ ॥

সমীক্ষক—কৰ্ম্ম অনুসাৰেই যদি ফল পায়, তেনেহলে খ্ৰীষ্টীয়ান সকলৰ পাপক্ষমাৰ উপদেশ মিছা। আৰু যদি পাপ ক্ষমা কৰাই সত্য

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তেনেহলে কৰ্ম্ম অনুসাৰে ফল পোৱা মিছা। আৰু যদি কয় যে, ক্ষমাৰ যোগ্য তাকেই ক্ষমা কৰা হয়, যি ক্ষমাৰ অযোগ্য তাক ক্ষমা নহয়, সেই কথাও যুক্তি সঙ্গত হব নোৱাৰে; কাৰণ, সকলো কৰ্ম্মৰ যোগ্য ফলদান হলেহে ন্যায় আৰু দয়া হব পাৰে। ৭৩॥

৭৪। হে অবিশ্বাসী আৰু বিপথগামী মানৱসকল! মই তোমালোকক সত্যকৈ কৈছোঁ, যদি তোমালোকৰ এটা সৰিয়হৰ মানো বিশ্বাস হয়, তেনেহলে তোমালোকে এই পৰ্বতটো এই ঠাইৰ পৰা আঁতৰি যাবলৈ কলেও আঁতৰি যাব আৰু তোমাৰ কোনো অসাধ্য নেথাকিব। ইঃ মঃ পঃ ১৭। আঃ ১৭–৩০ ॥

সমীক্ষক—আজি কালি খ্ৰীষ্টীয়ানসকলে উপদেশ প্ৰচাৰ কৰে—"আমাৰ ধৰ্ম্ম গ্ৰহণ কৰা, পাপ ক্ষমা কৰাই লোৱা, মুক্তি লাভ কৰা" ইত্যাদি। তেওঁলোকৰ এই উপদেশবোৰ মিছা। যীচুৰ পাপ খণ্ডন, মানুহক বিশ্বাসী আৰু পবিত্ৰ কৰিব পৰা শক্তি সামৰ্থ্য আছে যদি, তেওঁৰ শিষ্য সকলৰ আত্মাবোৰ নিষ্পাপ বিশ্বাসী আৰু পবিত্ৰ নকৰে কিয়? তেওঁৰ শিষ্যসকলক, তেওঁৰ লগে লগে ঘূৰি ফুৰা সত্বেও, পবিত্ৰ, বিশ্বাসী, সৎ আচৰণশীল কৰিব নোৱাৰিলে। তেওঁৰ মৃত্যুৰ পাছত তেওঁ এতিয়া ক'ত আছে কোনে জানে? এতিয়া আৰু তেওঁ কাকো পবিত্ৰ কৰিব নোৱাৰে। তেওঁৰ শিষ্যসকলৰ অন্তৰত সৰিয়হৰ এটা কণিকামানো বিশ্বাস নাছিল, সেইকে তেওঁলোকেই নব্য বাইবেল ৰচনা কৰিলে! গতিকে এই গ্ৰন্থ (বাইবেল) প্ৰমাণিত হব নোৱাৰে। যিসকল হিতকামী, তেওঁলোকে কোনো অবিশ্বাসী, অপবিত্ৰ আত্মা আৰু অধাৰ্ম্মিক মানুহৰ লিখিত গ্ৰন্থ বিশ্বাস কৰিব নোৱাৰে। ইয়াৰ পৰা এই কথাও প্ৰমাণ হব পাৰে যে, যীচুৰ বাক্য সত্য হলে, কোনো খ্ৰীষ্টীয়ানৰ অন্তৰত এটা সৰিয়হৰ কণিকা মানো বিশ্বাস অৰ্থাৎ ধৰ্ম্মজ্ঞান নাই। যি সম্পূৰ্ণ বা সামান্য বিশ্বাস আছে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বুলি কয়, তেওঁ এটা পৰ্ব্বত স্থানান্তৰিত কৰি প্ৰমাণ কৰিব পাৰিব লাগিব। যদি তেনেকৈ প্ৰমাণ কৰিব পাৰে, তেতিয়া হলে বুজিব লাগিব যে, তেওঁৰ এটা সৰিয়হৰ কণিকামানহে বিশ্বাস আছে, পূৰ্ণ বিশ্বাস নাই আৰু তেওঁ যদি পৰ্ব্বত স্থানান্তৰ কৰি দেখুৱাব নোৱাৰে, তেনেহলে বুজিব লাগিব যে, তেওঁৰ অন্তৰত ধৰ্ম্মৰ প্ৰতি লেশমাত্ৰও বিশ্বাস নাই। কোনোৱে যদি কব খোজে যে, এই ক্ষেত্ৰত অভিমান আদি দুৰ্গুণকেই ৰূপক অৰ্থত পৰ্ব্বত বোলা হৈছে, সিয়ো সঙ্গত হব নোৱাৰে। কাৰণ, সেয়ে হলে মৃতকক জীৱন সঞ্চাৰ, অন্ধ, কুষ্ঠ, ভূতগ্ৰস্তৰ আৰোগ্য বিধান আৰু অলসৰ আলস্য, অজ্ঞানৰ অজ্ঞানতা, বিষয়াসক্তৰ আসক্তি আৰু বুদ্ধি ভ্ৰান্তৰ ভ্ৰান্তি নিবাৰণো বুলিব পৰা যায়। কিন্তু এনে ব্যাখ্যাও যুক্তি সঙ্গত নহয়, কাৰণ, এইবোৰ সঁচা হলে যীচুৱে নিজৰ শিষ্যবোৰৰ হিতৰ অৰ্থে এইবোৰ কাম নকৰিলে কিয়? গতিকে এনে অসম্ভৱ কথাবোৰৰ পৰা যীচুৰ অজ্ঞতাহে প্ৰকাশ পাইছে। যীচুৰ যৎসামান্য বিদ্যা থকা হলেও এনেকুৱা বিদ্যা-বুদ্ধিহীন মানুহৰ দৰে নিৰৰ্থক কথাবোৰ কব নোৱাৰিলে হেঁতেন। অৰণ্যে "নিৰস্ত পাদপে দেশে এৰণ্ডোঽপি দ্ৰুমায়তে" যি ঠাইত বৃক্ষ নাই সেই ঠাইত এৰা গছেই বৃহৎ বৃক্ষৰূপে পৰিগণিত হয়। সেইদৰে একে-বাৰেই বন্যপ্ৰকৃতিৰ মূৰ্খৰ দেশত যীচুই সম্ভৱ শ্ৰেষ্ঠ পুৰুষ ৰূপে গণ্য হৈছিল। আজিৰ সভ্যতাৰ বিদ্বৎ সমাজত যীচুৰ স্থান কত? ৭৪॥

৭৫। মই তোমালোকক সত্য কৰি কৈছো, তোমালোকে যদি নুঘূৰা আৰু শিশুৰ দৰে হৈ নুঠা, তেনেহলে তোমালোকৰ স্বৰ্গৰাজ্য প্ৰৱেশ কৰাৰ উপায় আৰু নাই। ইং মঃ পঃ ১৮। আঃ ৩।

সমীক্ষক— যদি স্বইচ্ছানুৰূপ মনৰ পৰিবৰ্ত্তন স্বৰ্গৰ আৰু তাৰ বিপৰীত মনোভাৱ নৰকৰ কাৰণ হয়, তেনেহলে এয়েই প্ৰমাণ হয় যে, কোনেও কাৰো পাপ পুণ্যৰ ভাৰ লব নোৱাৰে। আৰু শিশুৰ দৰে হবলৈ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

উপদেশ লিখিছে তাৰ পৰা জনা যায় যে, যীচুৰ বাক্যবোৰ জ্ঞান ...ন আৰু সৃষ্টিক্ৰমৰ বিপৰীত। সকলোৰেই শিশুৰ দৰে বিনাশ্ৰমে ...মুদি তেওঁৰ কথাবোৰ বিশ্বাস কৰিব লাগে, এয়েই বোধ হয় যীচুৰ ...প্ৰায় আছিল। খ্ৰীষ্টীয়ানসকলৰ ভিতৰত এনেকুৱা বালক বিবেচনাৰ ... কৰ্ম্ম বহুত আছে, জ্ঞান-বিজ্ঞানৰ যুক্তিৰে বিবেচনা কৰিব পৰা হলে ...নবোৰ কথা বিশ্বাস নকৰিলেহেঁতেন। ইয়াৰ পৰা এয়েই প্ৰমাণ হয় যে, ... যীচুৰো বুদ্ধি বিবেচনাৰ অভাৱ আছিল, নহলে তেওঁ আনক লবাৰ ...ৰ উপদেশ নিদিলেহেঁতেন। যি নিজে যেনেকুৱা তেওঁ আনকো তেনে ...ৰাটোকে বাঞ্ছা কৰে। ৭৫ ॥

৭৬। মই তোমালোকক সচাকৈয়ে কওঁ যে, ধনীৰ কাৰণে ...ৰাজ্য দুৰ্ল্লভ। আৰু মই তোমালোকক কওঁ যে, ঈশ্বৰৰ ...জ্যত ধনীৰ প্ৰৱেশতকৈ বেজীৰ ফুটাইদি উট এটা সৰকি ...ৱাটো সহজ। ইং মং পঃ ১৯। আঃ ২৩-২৪।

সমীক্ষক—ইয়াৰ পৰা বুজিব পাৰি যীচু অতি দৰিদ্ৰ আছিল। ...সকলে বোধহয় তেওঁক কোনো ৰকম সন্মান নকৰিছিল; সেই গতিকেই ...ওঁ তেনে কথা কৈছিল। কিন্তু তেওঁৰ উপদেশ সঁচা নহয়; কাৰণ, ধনী ...আৰু দৰিদ্ৰৰ ভিতৰতো উত্তম আৰু অধম দুই শ্ৰেণীৰেই মানুহ আছে। যি ...উত্তম কৰ্ম্ম কৰে তেওঁ উত্তম আৰু যি অধম কৰ্ম্ম কৰে তেওঁ অধম ফল পায়। ...ৰ বাক্যৰপৰা ইয়াকে বুজা যায় যে, ঈশ্বৰৰ ৰাজ্য সৰ্ব্বব্যাপক নহয়। ...কোনো নিৰ্দ্দিষ্ট স্থান বিশেষতহে অৱস্থিত। যি যথাৰ্থতে ঈশ্বৰ, তেওঁৰ ৰাজ্য ...সকলোতে পৰিব্যাপ্ত, তাত প্ৰৱেশ কৰা বা নকৰাৰ কথা কেৱল অজ্ঞতাৰহে ...ক। আৰু ইয়াত প্ৰশ্ন হব পাৰে যে, সকলো ধনবান খ্ৰীষ্টীয়ানেই নৰকগামী ...আৰু সকলো দৰিদ্ৰ খ্ৰীষ্টীয়ান স্বৰ্গগামী হব নেকি? যীচুৱে অলপ ভাবি ...চা হলে বুজিব পাৰিলেহেঁতেন যে, ধনবানৰ যেনেকুৱা সঙ্গতি থাকে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দৰিদ্ৰবোৰৰ তেনেকুৱা নেথাকে। জ্ঞান বিবেচনা থকা ধনশালীয়ে যদি ধৰ্ম্ম পথত অৰ্থ ব্যয় কৰে, তেনেহলে তেওঁলোকে উত্তম গতি লাভ কৰিব পাৰে, কিন্তু দৰিদ্ৰসকল হীন অৱস্থাতেই নিপতিত হৈ থাকে। ৭৬॥

৭৭। যীচুৱে তেওঁলোকক কলে, মই তোমালোকক সত্যকৈ কৈছো যে, তোমালোকৰ ভিতৰত যি কিজন মোৰ অনুগামী হৈছা, পুনঃ নতুন সৃষ্টিৰ কালত যেতিয়া মনুষ্য পুত্ৰই নিজৰ ঐশ্বৰ্য্যৰ সিংহাসনত বহিব, তেতিয়া তোমালোকেও দ্বাদশ সিংহাসনত বহি ইস্ৰায়েলৰ দ্বাদশ বংশৰ বিচাৰ কৰিবা আৰু যি কোনোৱে মোৰ নামৰ কাৰণে ঘৰ, ভ্ৰাতা, ভগিনী, পিতা, মাতা, সন্তান, বা ক্ষেত্ৰ পৰিত্যাগ কৰিছে, তেওঁলোকে তাৰ এশ গুণ পাব আৰু অনন্ত জীৱনৰ অধিকাৰী হব। ইঃ মঃ পঃ ১৯। আঃ ২৮।২৯ ॥

সমীক্ষক—এতিয়া যীচুৰ মনৰ কথা শুনক! তেওঁৰ উদ্দেশ্য আছিল যে, তেওঁৰ মৃত্যুৰ পাছতো কোনেও যেন তেওঁৰ জালৰ পৰা ওলাই নাযায়। যিজনে ৩০ [ত্ৰিশ] টকাৰ আশাত তেওঁৰ গুৰুক ধৰাই দি তেওঁৰ বধৰ কাৰণ হৈছিল, তেনে পাপীও তেওঁৰ কাষত সিংহাসনত উপবেশন কৰিব আৰু ইস্ৰায়েলবংশীয় সকলৰ প্ৰতি পক্ষপাত কৰি ন্যায় বিচাৰ নকৰি তেওঁলোকৰ সকলো পাপ ক্ষমা কৰিব আৰু ইস্ৰায়েলৰ বাহিৰে আন বংশীয়বোৰৰ বিচাৰ কৰিব। অনুমান কৰিব পাৰি যে, এই কাৰণেই খ্ৰীষ্টীয়ানসকলে খ্ৰীষ্টীয়ান সকলৰ প্ৰতি বিশেষ পক্ষপাত কৰে। কোনো শ্বেতাঙ্গই কোনো কৃষ্ণাঙ্গক হত্যা কৰিলে, শ্বেতাঙ্গৰ প্ৰতি নানা ৰূপে পক্ষপাত কৰা হয়, আৰু হত্যাকাৰীকো নিৰপৰাধী ৰূপে স্থিৰ কৰি মুক্তি দিয়া হয়। স্বৰ্গত ঈশ্বৰৰ ন্যায় বিচাৰো বোধহয় এনেকুৱাই হয়! ইয়াৰ পৰা এক গুৰুতৰ দোষ ঘটে। উদাহৰণ স্বৰূপে ধৰা হওক এক ব্যক্তি সৃষ্টিৰ আৰম্ভতে মৰিল আৰু আন এটা প্ৰলয়ৰ আগ মুহূৰ্ত্তত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ং ঈশ্বৰ বিচাৰৰ আগ মুহূৰ্ত্তত মৰিল। প্ৰথম মৰাটোৱে আদিৰ া অন্তলৈকে ন্যায় বিচাৰৰ আশাত পৰি থাকিব আৰু শেষৰটোৰ লগে গে তেতিয়াই বিচাৰ হব, এইটো ঘোৰ অন্যায়। আৰু যি নৰকলৈ ব সি অনন্ত কাল নৰকক ভুগিব; যি স্বৰ্গলৈ যাব সি অনন্ত কাল সুখ ভুগিব। ইয়ো ঘোৰ অন্যায়; কাৰণ সীমিত কৰ্ম্ম আৰু নৰ ফলো সীমিত হোৱা উচিত। আৰু দুজনৰ পাপ পুণ্যও একে ান হব নোৱাৰে। গতিকে সুখ দুখৰ তাৰতম্য অনুসাৰে কম বেছি দুখ পাব পৰা অনেক স্বৰ্গ আৰু অনেক নৰক থাকিলেও সেইমতে দুখ ভুগিব পাৰে। কিন্তু খ্ৰীষ্টীয়ান ধৰ্ম্ম শাস্ত্ৰৰ কতো তেনেকুৱা ৰি-ব্যৱস্থা নাই। গতিকে বাইবেল ঈশ্বৰৰ ৰচিত নহয় আৰু যীচুও তিয়াও ঈশ্বৰৰ পুত্ৰ হব নোৱাৰে। এজনৰ শ শ মাতা পিতা থকাটো তি অসম্ভৱ কথা। এজনৰ এক মাতা আৰু এক পিতা থকাটোৱেই াৱিক। মুছলমানৰ মতে স্বৰ্গত এটা পুৰুষৰ বাসত্তৰজনী স্ত্ৰী লাভ , ইত্যাদি কথা লিখা আছে। অনুমান হয়, তেওঁলোকে এইবোৰ য় এই বাইবেলৰ পৰাই লৈছে। ৭৭॥

৭৮। প্ৰাতঃ কালতে, তেওঁৰ নগৰলৈ উভতি যাবৰ সময়ত োক লাগিল। বাটৰ কাষত এজোপা ডিমৰু গছ দেখি তেওঁ ৰ ওচৰলৈ গ'ল, কিন্তু কেৱল পাতৰ বাহিৰে গছত "আৰু কো নেদেখিলে। তেতিয়া তেওঁ গছ জোপাক কলে, আৰু তিয়াও তোমাৰ ফল নধৰিব"। হঠাৎ তেতিয়াই সেই ডিমৰু জোপা শুকাই গ'ল। ইং মঃ পঃ ২১। আঃ ১৮।১৯।

সমীক্ষক—খ্ৰীষ্টীয়ান ধৰ্ম্ম প্ৰচাৰকসকলে কৈ ফুৰে যে, যীচু অতি প্ৰাকৃতিৰ, ক্ৰোধাদিদোষৰহিত আৰু শম গুণী আছিল। কিন্তু এই ৰ পৰা জনা যায় যে, তেওঁ ক্ৰোধী, ঋতুজ্ঞানবিহীন, আৰু বন্য

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰকৃতিৰহে আছিল। গছ জড় পদাৰ্থ; সেই জড় গছজোপাক কি অপৰাধত অভিশাপ দিলে? অভিশাপৰ ফলত গছজোপা তৎক্ষণাৎ শুকাই গ'ল। বোধহয় তেওঁৰ অভিশাপত গছজোপা শুকাই যোৱা নাই। গছজোপা মাৰিবৰ কাৰণে কোনোৱে কিবা বিষাত্মক ঔষধ প্ৰয়োগ কৰাটো একো আচৰিত হব নোৱাৰে। ৭৮ ॥

৭৯। আৰু সেই সময়ৰ ক্লেশৰ পাছতেই সূৰ্য্য অন্ধকাৰ হব, চন্দ্ৰই প্ৰকাশ নিদিয়া হব, আকাশৰ তৰাবোৰৰ পতন হ'ব আৰু আকাশ মণ্ডলৰ সৈন্যবোৰো বিচলিত হব ॥ ইং মং পঃ ২৪। আঃ ২৯ ॥

সমীক্ষক—যীচুৱে কি বিদ্যাৰ বলত জানিব পাৰিলে যে, আকাশৰ পৰা নক্ষত্ৰবোৰ ভূতলত পতিত হয়? আকাশৰনো কোন সেনাৰ পতন হব? যীচুৰ সামান্য বিদ্যা, শিক্ষা থকা হলেও জানিব পাৰিলে হেঁতেন—যে, এই তৰাবোৰ ভূমণ্ডলৰ দৰেই এক এক লোক বিশেষ, গতিকে এই বোৰৰ পতন অসম্ভৱ। ইয়াৰ পৰা জানিব পাৰি যে যীচুৱে বাঢ়ৈ কুলত জন্ম লাভ কৰিছিল. তেওঁ সদায় কাঠ কটা, ফলা, খোলা আৰু যোৰা দিয়া আদি কামত নিযুক্ত আছিল। তেওঁ মনে মনে ভাবিছিল চাগৈ যে, তেৱোঁও সেই জঙ্গলী দেশত এক পয়গম্বৰ হব পাৰিব! সেই উদ্দেশ্যতেই তেওঁ উপদেশ প্ৰচাৰ কৰিবলৈ ধৰিলে। তেতিয়াৰ ইউৰোপ আধুনিক ইউৰোপৰ দৰে উন্নতিশীল হোৱা হলে তেওঁৰ এইবোৰ আলৌকিক শক্তি প্ৰদৰ্শনৰ কথা প্ৰচাৰ কৰা সম্ভৱ নহলহেঁতেন। বৰ্ত্তমান যুগৰ ইউৰোপবাসীৰ জ্ঞানবিজ্ঞানৰ উন্নতি হোৱা সত্বেও তেওঁলোকে সুবিধা বাদ আৰু অন্ধ বিশ্বাসৰ পক্ষপাতিতা পৰিত্যাগ কৰি সৰ্ব্বতোভাবে সত্য বৈদিক ধৰ্ম্মৰ প্ৰতি আকৃষ্ট হব পৰা নাই, এয়েই হ'ল তেওঁলোকৰ ত্ৰুটি বা অভাব। ৭৯॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৮০। আকাশ আৰু পৃথিবী লৰচৰ হব, কিন্তু মোৰ বাক্যৰ লৰচৰ কেতিয়াও নহব। ইং মঃ পঃ ২৪। আঃ ৩৫।।

সমীক্ষক—ইয়াৰ দ্বাৰাই যীচুৰ অজ্ঞতা আৰু মূৰ্খতাই প্ৰকাশ পায়। আকাশ লৰি ক'লৈ যাব? আকাশ অতি সূক্ষ্ম, চকুৰ অগোচৰ, গতিকে আকাশৰ অপসৰণ (লৰচৰ) কোনে দেখিব পাৰে? আৰু নিজৰ প্ৰশংসা নিজ মুখে জ্ঞানীলোকে নকৰে। ৮০ ।।

৮১। তাৰ পাছত তেওঁৰ বাওঁফালে অৱস্থিত মানুহবোৰক কলে, "হে শাপগ্ৰস্ত লোকসকল! মোৰ আগৰ পৰা আঁতৰি যোৱা, চয়তান আৰু সিহঁতৰ দূতবোৰৰ কাৰণে যি অনন্ত অগ্নি জ্বলোৱা হৈছে, সেই অগ্নি কুণ্ডত গৈ পৰা।

ইং মঃ পঃ ২৫। আঃ ৪১ ।।

সমীক্ষক—এতিয়া চ'ক, নিজৰ শিষ্যবোৰক স্বৰ্গলৈ পঠোৱা আৰু আন মানুহক অগ্নিত পেলাই দিয়া কেনে ভয়ঙ্কৰ পক্ষপাতিতা! কিন্তু আকাশেই যেতিয়া নেথাকে, তেতিয়া অগ্নি, নৰক আৰু স্বৰ্গ ক'ত থাকিব? ঈশ্বৰে চয়তান আৰু চয়তানৰ দূতবোৰ সৃষ্টি নকৰা হলে সিহঁতৰ নৰকৰ কাৰণে এনেবোৰ আয়োজন কৰিব নেলাগিল হেঁতেন। যি ঈশ্বৰক এটা চয়তানে ভয় নকৰে তেওঁনো কেনেকুৱা ঈশ্বৰ? চয়তান ঈশ্বৰৰেই দূতহৈও ঈশ্বৰৰ বিদ্ৰোহ কৰিলে; তথাপিও ঈশ্বৰে তাক ধৰি কাৰাগাৰত আবদ্ধ বা নিহত কৰিব পৰা নাই; তেনেহলে কেনেকুৱা ঈশ্বৰ? চয়তানে স্বয়ং যীচুকো চল্লিশ দিন প্যৰ্যন্ত দুৰ্গতি কৰিলে, তথাপি যীচুৱে চয়তানৰ একো কৰিব নোৱাৰিলে, গতিকে তেওঁ ঈশ্বৰৰ পুত্ৰ হোৱাও বৃথা। গতিকে যীচু ঈশ্বৰৰ পুত্ৰ নহয়, আৰু বাইবেলৰ ঈশ্বৰো যথাৰ্থ ঈশ্বৰ হব নোৱাৰে। ৮১ ॥

৮২। তেতিয়া বাৰজন শিষ্যৰ ভিতৰৰে ঈস্কাৰিয়োতীয়িহূদা নামৰ এজনে প্ৰধান যাজকৰ ওচৰলৈ গৈ কলে,—মই যদি যীচুক

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আপোনালোকৰ হস্তগত কৰি দিওঁ তেতিয়া মোক কি পুৰস্কাৰ দিব?" যাজক সকলে তেওঁক ত্ৰিশটা ৰূপৰ মোহৰ দিবলৈ স্থিৰ কৰিলে। ইং মং পং ২৬। আঃ ১৪।১৫ ॥

সমীক্ষক—এতিয়া চ'ক! এই খিনিতেই যীচুৰ সকলো অলৌকিকত্ব আৰু ঈশ্বৰত্ব প্ৰকাশ পায়। তেওঁৰ এক প্ৰধান শিষ্য তেওঁৰ সাক্ষাৎ সংসৰ্গত থাকিও পবিত্ৰাত্মা হব নোৱাৰিলে; তেনেহলে যীচুৱে মৃত্যুৰ পাছত আনক কেনেকৈ পবিত্ৰাত্মা কৰিব? যীচুৰ বিশ্বাসী সকলে যীচুৰ ওপৰত নিৰ্ভৰ কৰি কিমান যে প্ৰতাৰিত হব লাগিছে! যি সাক্ষাৎ সংসৰ্গত থাকিও শিষ্যসকলৰ কোনোৰকম কল্যাণ কৰিব নোৱাৰিলে মৃত্যুৰ পাছত তেওঁ কাৰ কি কল্যাণ কৰিব পাৰিব? ৮২ ॥

৮৩। পাছত তেওঁলোকে আহাৰ কৰি আছিল, সেই সময়তে যীচুৱে ৰুটি লৈ আশীৰ্ব্বাদ সহ ভাঙিলে আৰু শিষ্যসকলক দি কলে—"এয়া মোৰ দেহ, আহাৰ কৰা"। তাৰ পাছত তেওঁ পান পাত্ৰ লৈ ধন্যবাদ পূৰ্ব্বক তেওঁলোকক দি কলে—"তোমালোকে সকলোৱে এয়া পান কৰা। কাৰণ এয়া মোৰ অৰ্থাৎ নব বিধানৰ ৰক্ত।" ইং মং পং ২৬ আঃ ২৬—২৮ ॥

সমীক্ষক—বনৰীয়া আৰু অজ্ঞ নহলে কোনো সভ্য মানুহে শিষ্যসকলৰ খাদ্য বস্তুক নিজৰ মাংস আৰু পানীয় বস্তুক ৰক্ত বুলি কব নোৱাৰে। কিন্তু আধুনিক খ্ৰীষ্টীয়ানসকলে ইয়াকেই প্ৰভুভোজন বোলে, অৰ্থাৎ যীচুৰ মাংস আৰু ৰক্ত বুলি ভাবি আহাৰ আৰু পানীয় গ্ৰহণ কৰে। এইবোৰ অতি জঘন্য আচৰণ। যি গুৰুৰ মাংস ভোজন আৰু ৰক্ত পানৰ ধাৰণা পৰিত্যাগ কৰিব পৰা নাই, তেওঁলোকে অন্যান্য প্ৰাণীৰ মাংস খাবলৈ আৰু ৰক্তপান কৰিবলৈ কেনেকৈ এৰিব? ৮৩॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৮৪। তাৰ পাছত তেওঁ পিতাকক আৰু দুইজনৰ দুই
ৰ লগত লৈ গল, আৰু ক্লান্ত আৰু ব্যাকুল হবলৈ ধৰিলে।
ৰিয়া তেওঁ তেওঁলোকক কলে—"মোৰ প্রাণ মৃত্যুৰ সমান
ৰ্ত্ত হৈছে।" তাৰ পাছত তেওঁ অলপ আগবাঢ়ি ওপৰলৈ
কৰি পৰি প্রার্থনা কৰিলে, "হে পিতঃ যদি সম্ভৱ হয়,
নহলে এই পান পাত্রটো মোৰ ওচৰৰ পৰা দূৰলৈ য'ক॥
মঃ পঃ ৩৬। আঃ ৩৭–৩৯ ॥

সমীক্ষক—যীচু মানুহ নহৈ ঈশ্বৰৰ পুত্র, ত্রিকালজ্ঞ আৰু বিদ্বান
হলে, এনেবোৰ অশোভনীয় কাম নকৰিলেহেঁতেন। ইয়াৰ পৰাই
হয় যে, যীচুৱে বা তেওঁৰ শিষ্যসকলে এই মিছা প্রপঞ্চবোৰ
কৰিছে যে, তেওঁ ঈশ্বৰৰ পুত্র, ভূত-ভবিষ্যৎবেত্তা আৰু পাপক্ষমাকাৰী।
সতে বুজিব পাৰি যে, তেওঁ এজন সবল প্রকৃতিৰ অশিক্ষিত সাধাৰণ
হৈ আছিল; বিদ্বান, যোগী বা সিদ্ধ পুৰুষ নাছিল। ৮৪ ॥

৮৫। তেওঁ যেতিয়া কথা কৈ আছিল সেই সময়তে সেই
জনৰে য়িহূদা নামৰ এজন আহিল, তেওঁৰ লগত প্রধান যাজক আৰু
য়াল সকলৰ অনেক মানুহ হাতত খড়গ্ আৰু লাঠী লৈ আছিল।
তেওঁক ধৰাই দিছিল, তেওঁ সিহঁতক আগতে সঙ্কেতেৰে কৈ থৈছিল
তেওঁ যাক চুম্বন কৰিব, সেই জনেই, ধৰিব লগীয়াজন অর্থাৎ যীচু।
দাই তেতিয়া যীচুৰ ওচৰলৈ গৈ কলে "গুৰুদেৱ প্রণাম" আৰু আগ্র-
চুম্বন কৰিলে।·········তেতিয়া মানুহবোৰে যীচুৰ ওচৰলৈ আহি
বলেৰে যীচুক ধৰিলে। ········ তেতিয়া শিষ্যবোৰে তেওঁক এৰি
গ'ল।·········অৱশেষত দুজনে মিছা সাক্ষী দি কলে—এওঁৱেই
, "মই ঈশ্বৰৰ মন্দিৰ ভাঙি পেলাব পাৰোঁ আৰু তিনি দিনৰ ভিত্ত-
সাজিবও পাৰোঁ"। তেতিয়া মহাযাজকে থিয়হৈ তেওঁক কলে—

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

"তুমি একো উত্তৰ নিদিয়া কিয় ? এওঁলোকে তোমাৰ বিৰুদ্ধে যি সাক্ষী দিছে তাৰ উত্তৰ দিয়া। যীচুৱে একো নেমাতিলে, তেতিয়া মহাযাজকে যীচুক কলে "মই তোমাক জীৱন্ত ঈশ্বৰৰ নামত শপত দিছো; আমাক কোৱাচোন, তুমিয়েই ঈশ্বৰৰ পুত্ৰ খ্ৰীষ্ট নেকি ?" তেতিয়া যীচুৱে উত্তৰ দিলে "তুমিয়েই চোন কলা"। তেতিয়া মহাযাজকে নিজৰ বস্ত্ৰ ফালি কলে "এওঁ ঈশ্বৰৰ নিন্দা কৰিলে, এতিয়া আৰু আমাৰ সাক্ষীৰ প্ৰয়োজন কি ? চোৱা, তোমালোকে এতিয়া এওঁৰ মুখৰ পৰাই ঈশ্বৰৰ নিন্দা শুনিলা, এতিয়া ইয়াৰ কি বিধান কৰিব লাগে" ? তেতিয়া তেওঁলোকে উত্তৰ দিলে—"এওঁ মৃত্যু দণ্ডৰ যোগ্য"। তেতিয়া মানুহবোৰে যীচুৰ মুখত থু পেলালে, আৰু চৰ-গটা মাৰি কলে, "হে খ্ৰীষ্ট! আমাক ভবিষ্যৎ বাণী কৈছিলা, এতিয়া কোনে তোমাক মৰিয়ালে"? পিটৰ বাহিৰ চোতালত বহি আছিল, এজনী দাসী তেওঁৰ ওচৰ চাপি কলে—"তুমিও সেই গালীলীৰ যীচুৰ লগত আছিলা"। পিটৰে সকলোৰে আগত অস্বীকাৰ কৰি কলে, "তই কি কৈছ? মই একো নেজানো!" তাৰ পাছত পিটৰ যেতিয়া বাহিৰৰ জপনামুখলৈ গ'ল, আৰু এজনী দাসীয়ে তেওঁক দেখি, সেই ঠাইত গোট খাই থকা মানুহবোৰক কলে, "এই মানুহজন সেই নাসৰী যীচুৰ লগত আছিল"। পিটৰে আকৌ অস্বীকাৰ কৰি, প্ৰতিজ্ঞা কৰি কলে "মই সেই মানুহজনক চিনি নাপাও"........তাৰ পাছত তেওঁ ধিক্কাৰ দি আৰু শপত খাই কবলৈ ধৰিলে "মই সেই মানুহ জনক চিনিকে নাপাও"।

ইঃ মঃ পঃ ২৬। আঃ ৪৭—৫০।৬১—৭২।৭৪ ॥

সমীক্ষক—এতিয়া চক! যীচুৰ শিষ্যসকলৰ মনত বিশ্বাস জন্মাব পৰা প্ৰভাৱ আৰু প্ৰতিপত্তি নাছিল। যীচুৰ প্ৰতি বা যীচুৰ কথাত শিষ্যবোৰৰ বিশ্বাস থকা হলে, ধৰাই নিদি, অস্বীকাৰ নকৰি আৰু মিছাকৈ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নেখাই তেওঁলোকৰ জীৱন বিসৰ্জ্জন দিয়াকেই কৰ্ত্তব্য বুলি ভাবিলে যীচুৰ অলৌকিক শক্তিও একো নাছিল। প্ৰাচীন বাইবেলত আছে যে, 'লোত'ৰ ঘৰত অতিথিবোৰক বধ কৰিবৰ কাৰণে ক আক্ৰমণ কৰিছিল। সেই ঠাইত ঈশ্বৰৰ দুজন দূত আছিল; লোকে সেই আক্ৰমণকাৰী মানুহবোৰক অন্ধ কৰি দিলে। যদিও এটা অসম্ভৱ গল্প, তথাপি ইয়াৰ পৰা জানিব পাৰি যে, দূতৰ যি আছিল, যীচুৰ সিও নাছিল। কিন্তু আজি-কালি খ্ৰীষ্টীয়ানসকলে কিমান যে, অলৌকিক শক্তিৰ গল্প কৈ গৰ্ব্ব কৰে! এইদৰে দুৰ্গতিত কৈ স্বয়ং যুদ্ধ কৰি, যোগত সমাধিস্থ হৈ বা অন্য প্ৰকাৰে মৃত্যু কৰাই ভাল আছিল। কিন্তু বিদ্যা নহলে তেনে বুদ্ধি কেনেকৈ হব? ৮৫।

আৰু যীচুৱে এই কথাও কৈছিল যে।

৮৬। মই এতিয়া মোৰ পিতাৰ ওচৰত মিনতি নকৰো। ওঁ মোৰ কাৰণে স্বৰ্গদূতৰ বাৰজন সেনাতকৈও বেছি পঠাব।

ইং মঃ পঃ ২৬। আঃ ৫৩॥

সমীক্ষক—তেওঁ সেইদৰে সেই অৱস্থাত ভয় প্ৰদৰ্শন কৰিছিল তেওঁৰ পিতাৰ গুৰুত্ব প্ৰকাশ কৰিবলৈ বিচাৰিছিল, কিন্তু তাৰ পৰি- একো নহল। আশ্চৰ্য্যৰ কথা হল এয়ে যে, যেতিয়া মহাযাজকে লে, "এই মানুহবোৰে তোমাৰ বিৰুদ্ধে সাক্ষী দিছে, তুমি তোমাৰ কৰলগীয়া আছে কোৱা"; তেতিয়া যীচু অবাক্ হৈ ৰল। সেইটো ভাল কাম নকৰিলে, তেওঁৰ পক্ষে সত্যৰ প্ৰকাশ কৰাই কৰ্ত্তব্য ছিল। তেওঁৰ পক্ষে তেনে অভিমান প্ৰকাশ কৰা, আৰু তেওঁৰ হত্যা- কলেও তেওঁৰ বিৰুদ্ধে মিছা অভিযোগ কৰি হত্যা কৰা ধৰ্ম্মৰ কাম নাই। যীচুক যি অপৰাধৰ কাৰণে অভিযুক্ত কৰিছিল, সেইবোৰ অপৰাধ নাছিল। কিন্তু সেইবোৰ আছিল বন্য প্ৰকৃতিৰ মানুহ; লোকৰ ন্যায় বা অন্যায়ৰ জ্ঞান কত? যীচুৱে অনৰ্থক নিজক ঈশ্বৰৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পুত্ৰ বুলি ছলনা নকৰা হলে, তেওঁকো সেইবোৰ মানুহে তেনে দুৰ্ব্যবহাৰ নকৰিলেহেঁতেন। কিন্তু তাত যথাৰ্থ বিদ্যা, ধৰ্ম্ম আৰু ন্যায়ৰ কথাই নাছিল। ৮৬॥

৮৭। যীচুক অধ্যক্ষৰ আগত থিয় কৰোৱা হ'ল। অধ্যক্ষই যীচুক সুধিলে—"তুমি ইহুদীসকলৰ ৰজা নেকি?" যীচুৱে উত্তৰ দিলে, "তুমি যি কৈছা"। প্ৰধান যাজক আৰু মুখীয়াল সকলে, যেতিয়া তেওঁক যিবোৰে দোষাৰোপ কৰিছিল, যীচুৱে তেতিয়া নিমাত হৈ ৰ'ল। তেতিয়া পীলাতে কলে—"তোমাৰ বিৰুদ্ধে কতই কিমান সাক্ষী দিছে, তুমি শুনা নাই নেকি?" যীচুৱে এটাৰো উত্তৰ নিদিলে, তেতিয়া অধ্যক্ষজন আচৰিত হ'ল। পীলাতে তেতিয়া তেওঁলোকক কলে, "যাক খ্ৰীষ্ট বোলে, সেই যীচুক কি কৰিব লাগে?" তেতিয়া সকলোৱে কলে—"এওঁক ক্ৰুচত দিব লাগে।" তেতিয়া যীচুক চাবুকেৰে কোবাই ক্ৰুচত দিবলৈ সমৰ্পণ কৰিলে। তাৰ পাছত অধ্যক্ষ অৰ্থাৎ শাসকৰ সৈন্য বাহিনীয়ে যীচুক শাসকৰ ভৰনলৈ নিলে,তাত সকলো সৈন্য উপস্থিত হ'ল। যীচুৰ গাৰ কাপোৰ সোলোকাই ৰঙা কাপোৰ পিন্ধালে, আৰু কাঁইটৰ মুকুট সজায় যীচুৰ মূৰত পিন্ধালে, সোঁহাতত এডাল নল দিলে। তাৰ পাছত যীচুৰ আগত আঠুকাঢ়ি বিদ্ৰূপ কৰি কলে, "হে ইহুদীৰাজ! প্ৰণাম," তেওঁৰ গাত থু পেলালে, আৰু সেই নলডাল লৈ মূৰত মাৰিলে। এইদৰে নানা বিদ্ৰূপ ভৎৰ্সনা কৰাৰ পাছত, গাৰ পৰা সেই ৰঙা কাপোৰ গুচাই তেওঁৰ আগৰ কাপোৰ পিন্ধাই ক্ৰুচত তুলিবলৈ নিলে। তাৰ পাছত তেওঁক গল্‌গথা নামৰ ঠাইলৈ নিয়া হল, তেওঁক তাত চিৰিকা পানীৰ লগত তিতা মিহলাই খাবলৈ দিলে। যীচুৱে সেই পানী এধোক মুখত লগাই আৰু নাখালে। তাৰ পাছত যীচুক ক্ৰুচত তুলি অভিযোগ পত্ৰবোৰ মূৰত আঁৰি দিলে। তেওঁৰ লগতে অন্য দুটা ডকাইতো (তেওঁৰ সোঁফালে এটা আনটো বাওঁফালে) ক্ৰুচত তুলি দিলে। সেই পিনে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যোৱা মানুহে মূৰ জোকাৰি জোকাৰি যীচুক নিন্দা কৰি কৈছিল, "ঈশ্বৰৰ মন্দিৰ ভাঙোতা, এতিয়া নিজকে ৰক্ষা কৰ, ঈশ্বৰৰ পুত্ৰ হৱ যদি, এতিয়া ক্ৰচৰ পৰা নামি আহ!" এইদৰেই প্ৰধান যাজক, অধ্যাপক পৰিয়াল আৰু অন্যান্য সকলোৱে বিদ্ৰূপ কৰি কবলৈ ধৰিলে, "আনক বচাই- ছিলা, এতিয়া নিজক বচাব নোৱাৰা কিয়? তেওঁ যদি ইস্ৰায়েলৰ ৰজা হয় তেন্তে ক্ৰচৰ পৰা নামি আহক, তেতিয়া আমি বিশ্বাস কৰিম। এওঁ ঈশ্বৰক ভৰসা কৰে, ঈশ্বৰে তেওঁক বচাব খুজিলে বচাওক, তেওঁ কৈছিল নহয়? তেওঁ হেনো ঈশ্বৰৰ পুত্ৰ"। যি দুটা ডকাইতক যীচুৰ লগত ক্ৰচত দিয়া হৈছিল, সিহঁতেও যীচুক নিন্দা কৰিলে। দুই প্ৰহৰৰ পৰা তৃতীয় প্ৰহৰ পৰ্য্যন্ত গোটেই দেশ অন্ধকাৰ হৈ পৰিছিল। তৃতীয় প্ৰহৰৰ সময়ত যীচুৱে চিঞৰি কৈছিল—"এলী, এলীলমা সবক্তানী" অৰ্থাৎ হে মোৰ ঈশ্বৰ! হে মোৰ ঈশ্বৰ! তুমি মোক কিয় এৰিলা?" তাত থকা মানুহবোৰৰ কিছুমানে যীচুক তেনেকৈ চিঞৰা শুনি কৈছিল "তেওঁ এলিয়াহক মাতিছে।" তাৰে এজনে লৰি গৈ এটা স্পঞ্জ চিৰিকাত জুবুৰিয়াই এডাল নলত লগাই তেওঁক পান কৰিবলৈ দিলে। তাৰ পাছত যীচুৱে আকৌ চিঞৰি চিঞৰি প্ৰাণ ত্যাগ কৰিলে। ইঃ মঃ পঃ ২৭। আঃ ১১-১৪। ২২-২৪। ২৮-৩১-৩৪। ৩৭-৫০॥

সমীক্ষক—দুৰ্বৃত্তবোৰে যীচুৰ প্ৰতি সকলো প্ৰকাৰৰ দুৰ্ব্যবহাৰ কৰিছিল। যীচুৰো যে দোষ নাছিল এনে নহয়। ঈশ্বৰ কাৰো পিতা নহয়। ঈশ্বৰ কাৰোবাৰ পিতা হলে, কাৰোবাৰ শ্বশুৰ, কাৰোবাৰ শ্যালক আদি সম্বন্ধীয় হব লাগিব। অধ্যক্ষই যেতিয়া তেওঁক সুধিছিল তেতিয়া তেওঁ সঁচা কথা কোৱাই উচিত হলহেঁতেন। তেওঁৰ পূৰ্ব্বকথিত অলৌকিক মহিমাবোৰ সত্য হোৱা হলে তেওঁ ক্ৰচৰ পৰা অৱতৰণ কৰি সকলোকে আচৰিত আৰু বশ্যা কৰিব পাৰিলেহেঁতেন। সঁচাকৈয়ে তেওঁ ঈশ্বৰৰ পুত্ৰ হোৱা হলে ঈশ্বৰেও তেওঁক ৰক্ষা কৰিলেহেঁতেন। যীচু ত্ৰিকালজ্ঞ হোৱা হলে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আস্বাদন কৰাৰ আগতেই চিৰিকাৰ পানী তিতা মিহলি কৰা নে নকৰা জানিব পাৰিলেহেঁতেন, মুৎত দি জানিবলৈ বাকী নেথাকিল হেঁতেন। তেওঁ অলৌকিক শক্তি সম্পন্ন হোৱা হলে কিয় চিঞৰি চিঞৰি প্ৰাণ ত্যাগ কৰিলেহেঁতেন? গতিকে জনা উচিত যে, তেওঁ যিমানেই চতুৰতা কৰক লাগে, পৰিণামত সত্য সত্যই আৰু মিছা মিছা হৈ প্ৰমাণিত হয়। আৰু জনা গল যে, সেই সময়ত সেই দেশৰ বনৰীয়া স্বভাৱৰ মানুহৰ ভিতৰত যীচু কিছুপৰিমানে উন্নত আছিল, নহলে তেওঁ তেনে দুৰ্গতি ভোগ কৰিলেহেঁতেন কিয়? ৮৭॥

৮৮। আৰু চোৱা, মহা ভূমিকম্প হল, তাৰ লগে লগে প্ৰভুৰ এক দূত নামি আহি সেই কবৰৰ দ্বাৰৰ শিলচটা আতঁৰাই তাৰ ওপৰত বহিলে। তেওঁ (দূতে) কলে তেওঁ ইয়াত নাই; অৰ্থাৎ দূতে কোৱাৰ আগতেই জী উঠিল। যেতিয়া এই বাতৰি শিষ্যবোৰক দিবলৈ গৈছিল, তেতিয়া যীচু তেওঁলোকৰ আগত উপস্থিত। যীচুৱে কলে—"কল্যাণ হওক"। তেতিয়া তেওঁলোক ওচৰ চাপি আহি তেওঁৰ চৰণত ধৰি প্ৰণাম কৰিলে। তেতিয়া যীচুৱে কলে "ভয় নকৰিবা, এতিয়া মোৰ ভাইহঁতক গালীললৈ যাবলৈ কোৱাগৈ, তাত মোক দেখিব"। এঘাৰজন শিষ্য যীচুৱে আগতে কোৱামতে গালীলৰ সেই পৰ্ব্বতলৈ গ'ল। তেওঁলোকে যীচুক তাত দেখি প্ৰণাম কৰিলে কিন্তু কেইজনমানৰ সন্দেহ হল। যীচুৱে তেওঁলোকৰ ওচৰলৈ আহি কলে, স্বৰ্গ আৰু পৃথিবীৰ সকলো অধিকাৰ মোক দিয়া হৈছে আৰু চোৱা জগতৰ অন্তলৈকে মই সদায় তোমালোকৰ লগতে আছো"। ইঃ মঃ পঃ ২৪। আঃ ২। ৬।৯।১০।১৬—১৮।২০ ॥

সমীক্ষক—বিজ্ঞান আৰু সৃষ্টিক্ৰম বিৰুদ্ধ গতিকেই এই কথাও বিশ্বাসযোগ্য নহয়। ঈশ্বৰৰ লগত দূত থকা, তেওঁলোকক যলৈ তলৈ পঠোৱা, আৰু স্বৰ্গৰ পৰা অৱতৰণ কৰা আদি হলে ঈশ্বৰ তহশীলদাৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বা কলেক্‌টাৰ নেকি ? যীচুৰে সেই শৰীৰেৰেই স্বৰ্গলৈ গৈছিল নেকি ? আৰু সেই শৰীৰেৰেই জীয়াই উঠিছিল নেকি ? স্ত্ৰী সকলে তেওঁৰ চৰণস্পৰ্শ কৰি প্ৰণাম কৰিলে। তেনেহলে তেতিয়াও তেওঁৰ সেই একে শৰীৰেই আছিল নেকি ? সেই শৰীৰ ৩ দিন যেতিয়া কবৰৰ ভিতৰত আছিল, গেলি পচি নগ'ললে ? নিজ মুখে "মই সৰ্ব্বাধিকাৰী হৈছে।" বুলি কোৱাৰ অৰ্থ কি ? কবৰৰ পৰা ওলাই আহি শিষ্যৰ লগত দেখা সাক্ষাৎ আৰু কথা বতৰা হোৱা অসম্ভৱ কথা। এইবোৰ কথা সঁচা হলে আজি কালিও কোনোৱে কবৰৰ পৰা পুন জীবিত হৈ নাহে কিয় ? সশৰীৰে স্বৰ্গলৈ নেযায় কিয় ?

ইমানলৈকে মথিউৰ লিখিত সুসমাচাৰ লিখা হল। ইয়াৰ পাছত মাৰ্কৰ লিখিত সুসমাচাৰৰ বিষয়ে লিখা হব। ৮৮ ॥

মাৰ্কলিখিত সুসমাচাৰ।

৮৯। এওঁ সেই বাঢ়ৈ নহয়নে ? ইঃ মাৰ্কঃ পঃ ৬। আঃ ৩ ॥

সমীক্ষক—আচলতে জোছেফ বাঢ়ৈ আছিল, গতিকে যীচুও বাঢ়ৈ কুলীয়া। যীচুৰে কেইবছৰমান বাঢ়ৈ কাম কৰি তাৰ পাছত পয়-গম্বৰ হ'ল, আৰু পয়গম্বৰৰ পৰা ঈশ্বৰৰ পুত্ৰ হৈ পৰিল। নিৰ্ব্বোধ মানুহবোৰে তেওঁক ঈশ্বৰৰ পুত্ৰ বুলি বিশ্বাস কৰিছিল। গতিকে তেওঁ বেছিকৈ চতুৰতা দেখুৱাব পাৰিছিল ; কিন্তু কাঠ কটা-চিঙা কৰাই তেওঁৰ জীৱিকা আছিল। ৮৯ ॥

লুকৰ লিখিত সুসমাচাৰ।

৯০। যীচুৱে তেওঁক কলে, মোক সৎ বুলিছা ? এজনৰ বাহিৰে সৎ আৰু কোনো নাই, তেওঁ ঈশ্বৰ"। ইঃ লুকঃ পঃ ১৮। আঃ ১৯ ॥

সমীক্ষক—যীচুৱে যেতিয়া স্বয়ং কৈছিল, যে ঈশ্বৰ এক আৰু অদ্বিতীয় তেনেহলে, খ্ৰীষ্টীয়ানসকলে, পিতা, পুত্ৰ আৰু পবিত্ৰাত্মা এই তিনি ক'ৰ পৰা পালে ? ৯০ ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৯১। তেতিয়া তেওঁক হেৰোদৰ ওচৰলৈ পঠাই দিলে। যীচুক দেখি হেৰোদ অতি আনন্দিত হল, কাৰণ তেও যীচুৰ কথা শুনিছিল আৰু তেওঁক দেখা কৰিবলৈ বহুত দিনৰ পৰা বাট চাই আছিল, আৰু যীচুৰ অলৌকিক কৰ্ম্ম দেখিবলৈ আশা কৰিছিল। যীচুক তেওঁ বহুত কথা সুধিলে কিন্তু যীচুৱে তেওঁক কোনো উত্তৰকে নিদিলে। ই: লুঃ পঃ ২৩। আঃ ৮-৯॥

সমীক্ষক—মেথিউৰ লিখিত সুসমাচাৰত ইয়াৰ উল্লেখ নাই। গতিকে এই সাক্ষ্য বিকৃত। সকলো সাক্ষীৰেই বিবৃতি একে হোৱা উচিত। যীচু চতুৰ আৰু শক্তি সম্পন্ন হোৱা হলে হেৰোদক উত্তৰ দিলেহেঁতেন। আৰু তেওঁৰ অলৌকিক শক্তিও প্ৰদৰ্শন কৰিলেহেঁতেন। গতিকে জানিব লাগিব যে, যীচুৰ বিদ্যা আৰু অলৌকিক শক্তি একো নাই। ৯১॥

যোনৰ লিখিত সুসমাচাৰ

৯২। আদিতে শব্দ আছিল, শব্দ ঈশ্বৰত আছিল আৰু শব্দই ঈশ্বৰ আছিল। সকলো তেওঁৰ দ্বাৰাই সৃষ্ট হৈছে, যি হৈছে, সেইবোৰ তেওঁৰ বাহিৰে আন কাৰো দ্বাৰাই সৃষ্ট হোৱা নাই। তেওঁৰ ভিতৰত জীৱন আছিল, সেই জীৱনেই মানুহৰ জ্যোতি আছিল। পঃ ১। আঃ ১-৪॥

সমীক্ষক—দেখক, আদিতে বক্তা নহলে শব্দ হব নোৱাৰে, গতিকে শব্দ ঈশ্বৰৰ লগত আছিল বোলাটো অৰ্থহীন। শব্দ কেতিয়াও ঈশ্বৰ হব নোৱাৰে। শব্দ যদি আদিতে ঈশ্বৰৰ সৈতে আছিল, তেতিয়া প্ৰশ্ন উঠে—ঈশ্বৰ আদি নে শব্দ আদি? কাৰণ নহলে শব্দৰ দ্বাৰাই কেতিয়াও সৃষ্টি হব নোৱাৰে। আৰু বিনা শব্দৰেই সৃষ্টি কৰ্ত্তাই নিঃশব্দে সৃষ্টি কৰিব পাৰে। জীৱন, কত আছিল বা কি আছিল—এই বাক্যৰ পৰাই যদি জীৱক অনাদি বুলি মনা হয় তেনেহলে জীৱ অনাদি। তেনেহলে আদমৰ নাকৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

…ইদি শ্বাস প্ৰবাহ কৰি জীৱন সৃষ্টি কৰা কথা মিছা হয়। আৰু …ন মানুহৰহে জীৱন উজ্জ্বল? পশু আদিৰ জীৱন উজ্জ্বল নহয় নেকি?৯২॥

৯৩। আৰু ৰাতিৰ আহাৰৰ শেষত চয়তানে যীচুৰ প্ৰতি …সবাতকতা কৰিবৰ বুদ্ধি ছাইমনৰ পুত্ৰ ইস্কৰিয়োট যুদাৰ …ৰত স্থাপন কৰিলে। যোঃ ইঃ পঃ ১৩। আঃ ২॥

সমীক্ষক—এই কথাও সত্য হব নোৱাৰে। কাৰণ চয়তানেই … সকলোকে বিভ্ৰান্ত কৰে, তেনেহলে চয়তানক বিভ্ৰান্ত কৰে কোনে? …কয় যে চয়তানে নিজক নিজেই বিভ্ৰান্ত কৰে তেনেহলে মানুহেও …ক নিজেই বিভ্ৰান্ত কৰিব পাৰে, চয়তানৰ আৱশ্যক কি? ঈশ্বৰেই … চয়তানকো সৃষ্টি কৰে আৰু বিভ্ৰান্তও কৰে, তেনেহলে খ্ৰীষ্টীয়ান…নৰ ঈশ্বৰ চয়তানৰো চয়তান, ঈশ্বৰেই চয়তানৰ দ্বাৰাই সকলোৰে …ভ্ৰম কৰায়। কিন্তু এয়েই ঈশ্বৰৰ কাম নে? বাস্তৱত যি খ্ৰীষ্টীয়ান…নৰ বাইবেল ৰচনা কৰিছে আৰু যীচুক ঈশ্বৰৰ পুত্ৰ বুলি বৰ্ণনা …িছে, তেৱেঁই চয়তান! গতিকে বাইবেল ঈশ্বৰৰ বাণী নহয়, বাইবেলত …না কৰা ঈশ্বৰো যথাৰ্থ ঈশ্বৰ নহয়, আৰু যীচুও ঈশ্বৰৰ পুত্ৰ নহয়। ৯৩॥

৯৪। তোমালোকৰ মন ব্যাকুল নহওক, ঈশ্বৰত বিশ্বাস কৰা, মোক বিশ্বাস …। মোৰ পিতাৰ গৃহত থকা ঠাই বহুত আছে, নোহোৱা হলে মই তোমা…কক কলোহেঁতেন যে, মই তোমালোকৰ কাৰণে বাসস্থান প্ৰস্তুত কৰিবলৈ … বুলি। আৰু মই তোমালোকৰ কাৰণে বাসস্থান কৰিবলৈ যাওঁ যদিও, …মালোকক লৈ যাবলৈ আকৌ আহিম। মই যত থাকিম তোমালোকো …তেই থাকিবা। যীচুৱে তেওঁলোকক কলে, "ময়েই পথ, সত্য আৰু …ন; মোৰ দ্বাৰেদি নগলে, পিতাৰ ওচৰলৈ কোনো যাব নোৱাৰে। … জানিব পাৰা যদি, মোৰ পিতাকো জানিব পাৰিবা"।

সমীক্ষক—এতিয়া চ'ক! যীচুৰ এইবোৰ কথা পোপ লীলাৰ …পৰ চক্ৰান্ত) বাহিৰে আন একো নহয়। এনেকুৱা প্ৰপঞ্চ ৰচনা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নকৰা হলে তেওঁৰ মত কোনে বিশ্বাস কৰিলেহেঁতেন। যীচুৱে তেওঁৰ পিতাৰ অধিকাৰ একচেটিয়া কৰি লৈছিল নেকি? ঈশ্বৰ যদি তেওঁৰ বশীভূত, তেনেহলে পৰাধীন। যি পৰাধীন তেওঁ ঈশ্বৰ কেনেকৈ হব? আচলতে ঈশ্বৰে কাৰো অনুবোধ শুশুনে। যীচুৰ জন্মৰ আগতে ঈশ্বৰক কোনেও পোৱা বা জনা নাছিল নেকি? এইদৰে স্থান আদিৰ প্ৰলোভন দেখুৱা আৰু নিজে নিজকে পন্থা, সত্য আৰু জীৱন বোলা আত্মপ্ৰশংসাৰ পৰিচয় মাত্ৰ। গতিকে এইবোৰ সত্য বুলি বিবেচনা কৰিব নোৱাৰি। ৯৪ ॥

৯৫। মই তোমালোকক সঁচাসঁচিকৈ কৈছো, যি মোক বিশ্বাস কৰে, মই যি কৰ্ম্ম কৰো, তেৱোঁ সেই কৰ্ম্ম কৰিব পাৰিব আৰু তাতকৈও ডাঙৰ ডাঙৰ কৰ্ম কৰিব পাৰিব।

যোঃ ইঃ পঃ ১৪। আঃ ১২॥

সমীক্ষক—বাৰু, খ্ৰীষ্টীয়ানসকলে যদি যীচুক সম্পূৰ্ণ বিশ্বাস কৰে তেনেহলে তেওঁলোকে মৃতক জীয়াই তোলা আদি কৰিব নোৱাৰে কিয়? তেওঁলোকে যদি বিশ্বাসৰ বলত বিস্ময়জনক কৰ্ম্ম কৰি দেখুৱাব নোৱাৰে, তেনেহলে যীচুৱেও তেনে কৰ্ম্ম কৰা নাই বুলি জানিব লাগিব। যীচুৱে স্বয়ং কৈছে 'তোমালোকেও আশ্চৰ্য্যজনক কাৰ্য্য কৰিবা"; তথাপি চোন খ্ৰীষ্টীয়ানসকলৰ কোনেও একো আশ্চৰ্য্যৰ কৰ্ম্ম কৰিব পৰা নাই। তেনেহলে কোন অজ্ঞান অন্ধই যীচুৰ মৰাক জীওৱা আদি বিশ্বাস কৰিব? ৯৫॥

৯৬। ঈশ্বৰ অদ্বিতীয় আৰু সত্য। ইঃ যোঃ ১৭। আঃ ৩॥

সমীক্ষক—যদি ঈশ্বৰ এক আৰু অদ্বিতীয় হয়, তেনেহলে খ্ৰীষ্টীয়ান সকলে যে তেওঁক "তিনি" বোলে, সেইটো মিছা। ৯৬ ॥

নব্য বাইবেলৰ বেছিভাগেই এনেকুৱা বিপৰীত কথাৰেই পৰিপূৰ্ণ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যোনৰ প্ৰকাশিত বাক্য

এতিয়া যোনৰ অদ্ভুত কথাবোৰ শুনক—

৯৭। তেওঁলোকৰ মূৰত সুবৰ্ণৰ মুকুট। সেই সিংহাসনৰ ৃত সপ্ত প্ৰদীপ জ্বলি আছে, সেইবোৰ ঈশ্বৰৰ সপ্ত আত্মা। ক সেই সিংহানৰ সন্মুখত স্ফটিকৰ এক সমূদ্ৰ আছে আৰু হাসনৰ চতুৰ্দ্দিকে চাৰিটা প্ৰাণী আছে। তেওঁলোকৰ আগত ৰু পাছত চকু আছে। যোঃ প্ৰঃ পঃ ৪। আঃ ৪-৬॥

সমীক্ষক—এইবাৰ চ'ক; খ্ৰীষ্টীয়ানসকলৰ স্বৰ্গ জানিবা এখন ৰ, আৰু তেওঁলোকৰ ঈশ্বৰ দীপকৰ দৰে প্ৰজ্বলিত অগ্নি। স্বৰ্ণমুকুট দি অলঙ্কাৰ ধাৰণ আৰু আগে পাছে নেত্ৰবিশিষ্ট জীৱৰ অস্তিত্ব ম্ভৱ। তাৰ উপৰিও তাত সিংহ আদি চাৰিটা পশুৰো উল্লেখ আছে। কথাবোৰ কোনে বিশ্বাস কৰিব পাৰে? ৯৭॥

৯৮। আৰু যি সিংহাসনত বহি আছে, তেওঁৰ সোঁ তত মই এখন পুস্তক দেখিলোঁ; তাৰ ভিতৰে-বাহিৰে লিখা ৰু সপ্ত মুদ্ৰাত মুদ্ৰাঙ্কিত। সেই পুস্তকৰ মোহৰ বন্ধন উন্মুক্ত ৰি মেলিবৰ যোগ্য কোন? স্বৰ্গত, পৃথিবীত আৰু ভূতলত ই পুস্তক মেলিবৰ অথবা দৃষ্টিপাত কৰিবলৈ কাৰো সাধ্য ল। তেতিয়া মই বহুত ৰোদন (কন্দা) কৰিবলৈ ধৰিলো, ৰণ সেই পুস্তক মেলিবলৈ আৰু দৃষ্টিপাত কৰিবলৈ যোগ্য কো পোৱা নহল। যোঃ প্ৰঃ পঃ ৫। আঃ ১-৪॥

সমীক্ষক—এতিয়া বুজক খ্ৰীষ্টীয়ানসকলৰ স্বৰ্গত সিংহাসন আৰু প্ৰিয় খিতাপী আছে। ইয়াৰ উপৰিও মোহৰ যুক্ত আবৰণৰে ৱ কৰা পুস্তকো আছে। পৃথিবীৰহে নেলাগে স্বৰ্গৰো কাৰো সেই মেলিবৰ বা দেখিবৰ অধিকাৰ নাই। যোনে ৰোদন কৰাত এজন

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মুখ্যলোকে কলে যে, যীচুৱে সেই পুস্তক মুকলি কৰিব পাৰিব। এই বিষয়ে এটা প্ৰবাদৰ প্ৰয়োজন হয় যে "যাৰ বিয়া তেওঁৰেই গীত"। চ'ক! যীচুৰ ওপৰতেই সকলো মাহাত্ম্য আৰোপ কৰা হৈছে; কিন্তু এইবোৰ কেৱল গল্পহে। ৯৮ ॥

৯৯। পাছত মই দেখিলোঁ। সেই সিংহাসন আৰু চাৰিও প্ৰাণীৰ মাজত আৰু মুখ্যসকলৰ মাজত এটা মৃতবৎ মেষশাৱক অৱস্থিত, যাৰ সপ্তশৃঙ্গ আৰু সপ্ত চক্ষু; সেইবোৰ পৃথিবীলৈ প্ৰেৰিত ঈশ্বৰৰ সপ্ত আত্মা। বোঃ প্ৰঃ পঃ ৫। আঃ ৬॥

সমীক্ষক—এইবোৰ চ'ক! এইবোৰ হ'ল যোনৰ স্বপ্নদৃষ্ট মনৰ ব্যাপাৰ, সেই স্বৰ্গৰ মাজত খ্ৰীষ্টীয়ানসকলৰ চাৰিটা পশু আৰু যীচুৰ বাহিৰে আন কোনো নাই! সকলোতকৈ আচৰিত কথা হল এয়ে যে, ইহলোকত যীচুৰ দুটা মাত্ৰ চকু আছিল, শিঙৰ নামমাত্ৰও নাছিল, কিন্তু স্বৰ্গত তেওঁৰ সাতোটা চকু আৰু সাতটা শিং হ'লগৈ, আকৌ সেইবোৰ আচলতে ঈশ্বৰেই আত্মা। খ্ৰীষ্টীয়ান সকলে যে এইবোৰ কথা বিশ্বাস কৰিছে, সেয়েই পৰিতাপৰ বিষয়। তেওঁলোকে অলপো বিবেচনা কৰিব নোৱাৰিলে নে? ৯৯।

১০০। তেওঁ যেতিয়া সেই পুস্তকখন গ্ৰহণ কৰে, তেতিয়া চাৰি প্ৰাণী আৰু মুখ্যসকলৰ বা বৃদ্ধসকলৰ চৌবিশ জনে মেষশাৱকৰ সাক্ষাতত প্ৰণিপাত কৰিলে। প্ৰত্যেকৰ হাতত বীণা আৰু ধূপ সহ সোণৰ পাত্ৰ, যিবোৰ আচলতে পবিত্ৰলোকসকলৰ প্ৰাৰ্থনাহে আছিল। বোঃ প্ৰঃ পঃ ৫। আঃ ৮।

সমীক্ষক - বাৰু, এতিয়া কওকচোন, যীচু যেতিয়া স্বৰ্গত নাছিল, সেই স্বৰ্গৰ বেছেবাসকলে ধূপ, দীপ নৈবেদ্য আৰতি আদিৰে তেতিয়া কাক পূজা কৰিছিল? ইয়াত এতিয়া প্ৰোটেষ্টেন্ট খ্ৰীষ্টীয়ানসকলে বুৎপৰস্তী

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অৰ্থাৎ মূৰ্ত্তি পূজা অস্বীকাৰ কৰে, কিন্তু তেওঁলোকৰ স্বৰ্গ মূৰ্ত্তি পূজাৰেই
...া। ১০০।।

১০১। তাৰ পাছত দেখিলোঁ, যেতিয়া সেই ভেড়াৰ পোৱালিয়ে এই সাতজনৰ মাজত প্ৰথম মোহৰটো খুলিলে, তেতিয়া মই সেই চাৰি প্ৰাণীৰে এক প্ৰাণীৰ মেঘ গৰ্জ্জনৰ দৰে এই বাণী শুনিলো—"অহাঁ আৰু চোৱা,"। মই এক শুক্লবৰ্ণ অশ্ব দেখিলো আৰু তাৰ ওপৰত যি বহি আছে, তেওঁ ধনুৰ্দ্ধাৰী, তেওঁক এক মুকুট পিন্ধাই দিয়া হল আৰু তেওঁ জয় কৰি কৰি আকৌ জয় কৰিবলৈ ওলাইছে। আৰু যেতিয়া তেওঁ দ্বিতীয়টো মোহৰ খুলিলে তেতিয়া দ্বিতীয় বঙা ঘোঁৰা ওলাল। তেওঁক পৃথিবীত ঐক্য নষ্ট কৰিবলৈ আদেশ দিয়া হ'ল। যেতিয়া তেওঁ তৃতীয়টো মোহৰ খুলিলে তেতিয়া এক ক'লা তৃতীয় ঘোঁৰা ওলাল। আৰু যেতিয়া তেওঁ চতুৰ্থটো মোহৰ খুলিলে তেতিয়া এক হালধীয়া ঘোঁৰা ওলাল আৰু সেই ঘোঁৰাৰ পিঠিত যি বহি আছিল তেওঁৰ নাম মৃত্যু ইত্যাদি। যোঃ প্ৰঃ ৬। আঃ ১—৮।।

সমীক্ষক—এতিয়া চক, এইবোৰ পুৰাণকো চেৰ পেলাব পৰা মিছা কল্পনা হয়নে নহয়? কিতাপত মেৰিয়াই থোৱা আৱৰণৰ ভিতৰত অশ্বাৰোহী কেনেকৈ থাকিব পাৰে? যি এইবোৰ স্বপ্ন প্ৰলাপক সত্য বুলি বিশ্বাস কৰে তেওঁৰ অজ্ঞতা যিমানেই বেছি বুলি কোৱা হওঁক সিমানেই কমহে হয়। ১০১।।

১০২। তেওঁলোকে উচ্চৈঃস্বৰে কলে, "হে পবিত্ৰ সত্যময় অধিপতি, পৃথিবীবাসীসকলৰ বিচাৰ আৰু আমালোকৰ ৰক্ত-পাতৰ প্ৰতিফল দিওঁতে কিমান কাল বিলম্ব কৰিবা,,? তেতিয়া তেওঁলোকৰ প্ৰত্যেককে শুক্লবস্ত্ৰ দিয়া হল, আৰু তেওঁলোকক কোৱাও হল যে, তেওঁলোকৰ সঙ্গী, দাস, আৰু ভ্ৰাতৃসকলক তোমালোকৰ দৰে বধ কৰোঁতে কৰোঁতে যেতিয়ালৈকে সিহঁত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

শেষ নহয়, সিমান সময়ৰ কাৰণে কিঞ্চিৎ কাল বিশ্ৰাম কৰিব লাগিব। যোঃ প্ৰঃ পঃ ৬। আঃ ১০।১১॥

সমীক্ষক—এইদৰে খ্ৰীষ্টীয়ানসকলে "দৌৰে সুপুৰ্দ" হৈ ন্যায় বিচাৰৰ কাৰণে বাট চাই কান্দি থাকিব লাগিব; কিন্তু যি সকল বৈদিক মতাৱলম্বী তেওঁলোকৰ বিচাৰৰ কাৰণে কিঞ্চিৎ মাত্ৰও বিলম্ব নহয়। খ্ৰীষ্টীয়ানসকলক যদি সোধা হয়, আজি-কালি ঈশ্বৰৰ বিচাৰালয় বন্ধ আছে নেকি? আৰু বিচাৰ কাৰ্য্যৰ অভাৱত বিচাৰক নিষ্কৰ্ম্মা হৈ বহি আছে নেকি? তেওঁলোকে এই প্ৰশ্নৰ কোনো যুক্তি সঙ্গত উত্তৰ দিব নোৱাৰে। আকৌ খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰক অতি সহজে ভুলাবও পাৰি। কাৰণ ঈশ্বৰে খ্ৰীষ্টীয়ানসকলৰ অনুৰোধত তৎক্ষণাৎ তেওঁ... শত্ৰুৰ বিৰুদ্ধে প্ৰতিশোধ লবলৈ আৰম্ভ কৰে। তেওঁ ইমানেই নৃশংস প্ৰকৃতিৰ যে, মৃত্যুৰ পাছতো প্ৰতিশোধ লয়। খ্ৰীষ্টীয়ানসকলৰ ভিতৰত শান্তিৰ লেশমাত্ৰও নাই। য'ত বা যাৰ ক্ষমা নাই, ত'ত বা তাৰ দুখৰ অন্ত নাই।১০২॥

১০৩। আৰু ধুমুহা বতাহৰ জোকাৰত যেনেকৈ ডিমৰু গছৰ কেচা ফলবোৰ সৰি পৰে, সেইদৰেই আকাশৰ তৰাবোৰ পৃথিবীত পতিত হ'ল আৰু কাগজৰ দৰে কোচ খাই পৃথক্ হ'ল। যোঃ প্ৰঃ পঃ ৬। আঃ ১৩।১৪॥

সমীক্ষক—ভবিষ্যত বক্তা যোন অজ্ঞ নোহোৱা হলে এনেবোৰ লাগবান্ধ নোহোৱা কথা নকলেহেঁতেন। প্ৰত্যেকটো তৰা একোটা একোটা লোক বিশেষ; গতিকে সেই সকলোবোৰ পৃথিৱীত পৰাটো সম্ভৱনে? সূৰ্য্য আদিৰ আকৰ্ষণে নক্ষত্ৰবোৰক নিজৰ নিজৰ কক্ষ পথ অতিক্ৰম কৰিবলৈ কিয় দিব? যোন আকাশক ঢাৰি বুলি ভাবিছিল নেকি? আকাশ সাকাৰ পদাৰ্থ নহয় যে, কোনোৱে জাপি-জুপি বা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ফুৰিয়াই ঘূৰিয়াই পেলাব পাৰে। আচলতে যোনৰ বিদ্যাই নাছিল, তেওঁ এইবোৰ বিষয় কেনেকৈ জানিব? ১০৩॥

সীমিত মনোভাৱ

১০৪। পাছত মই মুদ্ৰাঙ্কিত মানুহবোৰৰ সংখ্যা শুনিলো, ইস্ৰায়েলৰ সন্তানসকলৰ সকলো বংশৰ ভিতৰত ১,৪৪,০০০ লোক মুদ্ৰাঙ্কিত। য়ীহূদাবংশৰ ১২০০০ (বাৰ হেজাৰ) লোক মুদ্ৰাঙ্কিত। যোঃ প্ৰঃ পঃ ৭। আঃ ৪-৫॥

সমীক্ষক—বাইবেলৰ ঈশ্বৰ কেৱল ইস্ৰায়েল বংশীয় মানুহবোৰৰহে প্ৰভু নে সমস্ত জগতৰ প্ৰভু? কেৱল বনবীয়া মানুহৰ প্ৰভু নহলে তেওঁলোকৰ সংসৰ্গতেই কিয় থাকিলহেঁতেন? তেওঁ কেৱল সেইবোৰ মানুহৰহে সহায় কৰিছিল আন মানুহৰ নামো লোৱা নাই। ইয়াৰ কাৰণ কি? গতিকে তেওঁ যথাৰ্থ ঈশ্বৰ নহয়। ইস্ৰায়েলবংশীয়সকলৰ ওপৰত মোহৰৰ ছাপ লগাই দিয়া অল্পজ্ঞতাৰহে লক্ষণ হব পাৰে অথবা এইবোৰ যোনৰ মিছা কল্পনা। ১০৪॥

১০৫। এই কাৰণেই এওঁলোক ঈশ্বৰৰ সিংহাসনৰ সন্মুখত আছে আৰু এওঁলোকে দিনে ৰাতিয়ে তেওঁৰ মন্দিৰত তেওঁৰ আৰাধনা কৰে। যোঃ প্ৰঃ পঃ ৭। আঃ ১৫॥

সমীক্ষক—ইয়াকেই মহাবুৎপৰস্তী অৰ্থাৎ মূৰ্ত্তি পূজা নোবোলে নে? তেওঁলোকৰ ঈশ্বৰ দেহধাৰী মানুহৰ দৰে একদেশী নহয় নে? আৰু খ্ৰীষ্টীয়ানৰ ঈশ্বৰে ৰাতিও নোশোৱে, শুলে ৰাতি তেওঁৰ পূজা কেনেকৈ কৰিব? নতুবা তেওঁৰ নিদ্ৰাও লোপ পাইছিল। যি দিন ৰাতি উজাগৰে থাকে তেওঁৰ চিত্ত বিক্ষিপ্ত হয়, আৰু অতি ৰোগাক্ৰান্ত হৈ পৰে। ১০৫॥

১০৬। পাছত এক দূত আহি বেদীৰ ওচৰত থিয় হল, তেওঁৰ হাতত সোণৰ ধূপদানী আছিল, আৰু তাত বহুত ধূপ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দিয়া হ'ল। আৰু ধূপৰ ধোৱাঁ পবিত্ৰ লোকসকলৰ প্ৰাৰ্থনাৰ লগত দূতৰ হাতৰপৰা ঈশ্বৰৰ আগত অৰ্পিত হ'ল আৰু দূতে সেই ধূপদানী লৈ বেদীৰ অগ্নিৰে পূৰ্ণ কৰি পৃথিবীলৈ নিক্ষেপ কৰিলে, ফলত মেঘগৰ্জ্জন, বিজুলী আৰু ভূমিকম্প হ'ল।

যোঃ প্ৰঃ পঃ ৮। আঃ ৩-৫॥

সমীক্ষক—এতিয়া চ'ক খ্ৰীষ্টীয়ানসকলৰ স্বৰ্গত বেদী, ধূপ, দীপ, নৈবেদ্য আৰু তুৰীবাদ্য আছে। গতিকে বৈৰাগীসকলৰ মন্দিৰতকৈ তেওঁলোকৰ স্বৰ্গ কোনো গুণে কম নহয়, বৰঞ্চ তেওঁলোকৰ স্বৰ্গৰ জাকজমক বেছিহে। ১০৬॥

১০৭। প্ৰথম দূতে তুৰী বজালে, তাৰ পৰা ৰক্ত মিশ্ৰিত শিল আৰু অগ্নি ওলাই পৃথিবীত পতিত হ'ল, ফলত পৃথিবীৰ ৩ ভাগৰ এভাগ জ্বলি গল। যোঃ প্ৰঃ পঃ ৮। আঃ ৭॥

সমীক্ষক—ধন্য খ্ৰীষ্টীয়ানসকলৰ ভৱিষ্যত বক্তা! ঈশ্বৰ আৰু ঈশ্বৰৰ দূতে তুৰীৰ শব্দ আৰু প্ৰলয়ৰ লীলা কেৱল ল'ৰাৰ খেলৰ দৰেই দেখুৱাইছে। ১০৭॥

অনন্ত গভীৰ কূপ

১০৮। পাছত পঞ্চম দূতে তুৰী বজালে, মই, তেতিয়া স্বৰ্গৰ পৰা পৃথিবীত পৰা যেন এটা তৰা দেখিলো; যাক অগাধ কুণ্ডৰ কূপৰ চাবি দিয়া হৈছিল, তেওঁ সেই অগাধ কুণ্ডৰ কূপ খুলিলে, আৰু বৃহৎ অগ্নিকুণ্ডৰ ধোৱাঁৰ দৰে কূপৰপৰা ধোঁৱা উৰিবলৈ ধৰিলে আৰু সেই ধোঁৱাৰ পৰা এবিধ পতঙ্গ পৃথিবীত উৎপন্ন হল; বৃশ্চিকৰ বিষৰ সমান বিষৰ অধিকাৰ সিহঁতক দিয়া হ'ল। আৰু সিহঁতক নিৰ্দ্দেশ দিয়া হৈছিল যে, যিবোৰ মানুহৰ মূৰত ঈশ্বৰৰ ছাপ নাই, সেইবোৰক পাঁচ মাহ পীড়ন কৰিব।

যোঃ প্ৰঃ পঃ ৯। আঃ ১-৫॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—তুৰীৰ শব্দ শুনি নক্ষত্ৰবোৰ সেই দূতবোৰৰ ওপৰত ৰু সেই স্বৰ্গতে পৰিছিল হবলা? পৃথিবীত পৰা নাই। ঈশ্বৰে প্ৰলয়ৰ ৰণেই সেই কূপটো ৰাখিছিল নে? আৰু তাত পতঙ্গবোৰ পুহিছিল নেকি? ই পতঙ্গবোৰে বোধহয় ছাপ মোহৰ দেখি কাক কামুৰিব লাগে আৰু ক নেলাগে জানিছিল। সৰল নিৰ্ব্বোধ মানুহক এনেবোৰ ভয় দেখুৱাই ষ্টীয়ান কৰাবই প্ৰতাৰণাহে। "তুমি যদি খ্ৰীষ্টীয়ান নোহোৱা জাকে জাকে ঙ্গই কামুৰি পীড়ন কৰিব।" যি দেশত জ্ঞানৰ পোহৰ নাই, সেইবোৰ শতহে এনেবোৰ প্ৰতাৰণা সম্ভৱ, আৰ্য্যাবৰ্ত্ত দেশত নহয়। আৰু প্ৰলয় নেকুৱাই নেকি? ১০৮॥

১০৯। আৰু অশ্বাৰোহী সৈন্যৰ সংখ্যা বিশ কোটি।

যোঃ প্ৰঃ পঃ ৯। আঃ ১৬॥

সমীক্ষক—স্বৰ্গত ইমানবোৰ ঘোঁৰা ক'ত থাকিব? ক'ত ফুৰিব? ৰ্গত সেই ঘোঁৰাবোৰৰ হগা-মুতাৰ পৰা কিমান যে দুৰ্গন্ধ হয়! আৰু ছি নকলেও হব। আৰ্য্যসকলে এনেকুৱা স্বৰ্গ, এনেকুৱা ঈশ্বৰ আৰু ন মতক তিলাঞ্জলি দিছে। সৰ্ব্ব-শক্তিমান পৰমেশ্বৰৰ কৃপাত খ্ৰীষ্টীয়ান-কলৰ মস্তিষ্কৰ পৰা এনে ধাৰণাবোৰ দূৰ হলেই মঙ্গল। ১০৯॥

১১০। পাছত মই আৰু এক শক্তিমান দূতক স্বৰ্গৰ পৰা মি অহা দেখিলো। তেওঁৰ পৰিধান মেঘ, আৰু মস্তকৰ ওপৰত ঘৰ ধেনু আছিল, মুখ সূৰ্য্যৰ দৰে, চৰণ অগ্নিস্তম্ভৰ দৰে। তেওঁ মুদ্ৰত সোঁ চৰণ আৰু স্থলত বাওঁ চৰণ থলে।

যোঃ প্ৰঃ পঃ ১১। আঃ ১-৩॥

সমীক্ষক—এনেকুৱা দূতৰ বৃত্তান্ত পুৰাণৰ কাহিনী বা বহুৱাৰ তকৈও কৌতুকজনক। ১১০॥

১১১। আৰু লাঠিৰ সমান এডাল নল মোৰ হাতত দি লে "উঠা, ঈশ্বৰৰ মন্দিৰ, বেদী আৰু তাত ওজন কৰা সকলৰ জন কৰা"। যোঃ প্ৰঃ পঃ ১১। আঃ ১॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—ইয়াৰতো কথাই নাই, স্বৰ্গতো খ্ৰীষ্টীয়ানসকলে মন্দিৰ নিৰ্ম্মাণ কৰিছে আৰু জোখ-মাখ কৰে। ভালেই এওঁলোকৰ স্বৰ্গ যেনে কথাও তেনে, এই কাৰণেই ইয়াত তেওঁলোকে প্ৰভুভোজন কৰোঁতে যীচুৰ মাংস আৰু ৰক্ত বুলি খায় আৰু গীৰ্জ্জাতো ক্ৰূচ আদিৰ আকাৰক পূজা কৰে ১১১॥

১১২। আৰু স্বৰ্গত ঈশ্বৰৰ মন্দিৰ খোলা হল, আৰু তাৰ নিয়মৰ চন্দুক মন্দিৰত দেখুৱা হ'ল। যোঃ প্ৰঃ পঃ ১১। আঃ ১৯।

সমীক্ষক—বোধহয় স্বৰ্গৰ মন্দিৰ সদায় বন্ধ থাকে, আৰু কেতিয়াবা কেতিয়াবা খোলে। কিন্তু পৰমেশ্বৰৰ কোনো মন্দিৰ থকা সম্ভৱ জানো? পৰমেশ্বৰ, যাক সৰ্ব্বব্যাপক স্বৰূপ বুলি বেদে ব্যাখ্যা কৰিছে তেনে পৰমেশ্বৰ কোনো মন্দিৰত আবদ্ধ হোৱা সম্ভৱ নহয়। খ্ৰীষ্টীয়ানৰ সাকাৰ ঈশ্বৰ অৱশ্যে মন্দিৰত আবদ্ধ থাকে। ঈশ্বৰৰ বাসস্থান স্বৰ্গই হওক বা পৃথিবীয়েই হওক, ইয়াৰ দৰেই স্বৰ্গতো পো, পা, টং টং, ঢং ঢং বাদ্যৰে পূজা হৈয়েই থাকে। বোধহয় খ্ৰীষ্টিয়ানসকলে কেতিয়াবা কেতিয়াবাহে চন্দুক খুলি ধৰ্ম্মবিধান দেখে। সেইদৰে দৰ্শন কৰাত কি লাভ হয় তাকহে বুজা নেযায়। সম্ভৱ নিৰ্ব্বোধ মানুহক প্ৰলোভিত কৰাৰ কাৰণেই এনে অনুষ্ঠান কৰা হয়। ১১২॥

১১৩। স্বৰ্গত আৰু এটা বৰ আশ্চৰ্য্য দেখা গ'ল। এগৰাকী স্ত্ৰী, সূৰ্য্য হৈছে তেওঁৰ পোচাক, চন্দ্ৰ তেওঁৰ পদ তলত, আৰু তেওঁৰ মস্তকত দ্বাদশ তাৰকাৰ এক মুকুট। তেওঁ গৰ্ভবেদনাগ্ৰস্ত হৈ চিঞৰিছে, প্ৰসবৰ বেদনা ভোগ কৰিছে। স্বৰ্গত আৰু এটা আশ্চৰ্য্য দেখা গ'ল। সেইটো এটা প্ৰকাণ্ড ৰঙা অজগৰ। তাৰ সাতোটা মূৰ আৰু দহোটা শিং। সাতোটা শিৰত ৰাজমুকুট আৰু তাৰ নেজেৰে আকাশৰ এক তৃতীয়াংশ নক্ষত্ৰক আকৰ্ষণ কৰি পৃথিবীত নিক্ষেপ কৰিলে। যোঃ প্ৰঃ পঃ ১২। আঃ ১–৪ ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—কেনে কৌতূহল জনক কাহিনী শুনক, খ্ৰীষ্টীয়ান-ৰৰ স্বৰ্গতো সেই দুৰ্ভগীয়া স্ত্ৰী গবাক্ষীয়ে চিঞৰিছে। কোনেও তেওঁৰ ৰ কথা শুনা নাই আৰু দুখৰ নিবাৰণো কৰিব পৰা নাই। অজগৰৰ যিডাল নেজেৰে নক্ষত্ৰবোৰৰ এক তৃতীয়াংশ পৃথিবীত পেলাইছিল সেই নেজডাল কিমান ডাঙৰ আছিল? নক্ষত্ৰবোৰ এক তৃতীয়ংশ পৃথিবীৰ ওপৰত নিক্ষেপ কৰিছিল পৃথিবী অতি ক্ষুদ্ৰ গ্ৰহ, আৰু ত্ৰবোৰ পৃথিবীৰ তুলনাত সহস্ৰ গুণে বিশাল নহয় জানো? পৃথিবীত ন এটা নক্ষত্ৰো সমাবেশ হব নোৱাৰে। তেনেহলে অনুমান কৰিব ৰি যে, যি এই গল্প লিখিছে তেওঁৰ ঘৰতেই সেই নক্ষত্ৰবোৰ নিক্ষেপ ৱা হৈছিল বোধহয়। আৰু যিটো অজগৰৰ নেজ ইমান প্ৰকাণ্ড আছিল যে, ত্ৰবোৰৰ এক তৃতীয়াংশ মেৰিয়াই ধৰি পৃথিবীত পেলাই দিছিল, সেই জগৰো বোধহয় তেওঁৰ ঘৰতেই আছিল, নহলে আৰু কত থাকিব পাৰে? ১৩॥

স্বৰ্গত যুদ্ধ

১১৪। আৰু স্বৰ্গত যুদ্ধ লাগিল, মাইকেল আৰু তেওঁৰ দূতবোৰে অজগৰৰবিৰুদ্ধে যুদ্ধত লাগিল। যোঃ প্ৰঃ পঃ ১২। আঃ ৭॥

সমীক্ষক—কোনোৱে যদি খ্ৰীষ্টীয়ানসকলৰ ঘৰলৈ যায় তেনেহলে ৰ যুদ্ধৰ কাৰণে অশেষ দুখ ভুগিব লাগিব। গতিকে এতিয়াৰ পৰাই ান স্বৰ্গৰ আশা পৰিত্যাগ কৰা ভাল। যত শান্তি ভঙ্গ আৰু উপ-প ঘটে, তেনে স্থানহে খ্ৰীষ্টীয়ানসকলৰ কাৰণে উপযোগী। ১১৪॥

১১৫। আৰু সেই প্ৰকাণ্ড অজগৰ নিক্ষিপ্ত হল। এয়েই সেই ই পুৰাতন সৰ্প যাক চয়তান বোলা হয়, যি সমস্ত সংসাৰত ন্তিৰ সৃষ্টি কৰে। যোঃ প্ৰঃ পঃ ১২। আঃ ৯॥

সমীক্ষক—চয়তান যেতিয়া স্বৰ্গত আছিল তেতিয়া সি মানুহবোৰক াৰণা কৰা নাছিল নেকি? সেই চয়তানক যাবজ্জীৱন কাৰাৰুদ্ধ অথবা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নিহত কৰা নহল কিয় ? চয়তানে যদি সংসাৰৰ সকলোকে প্ৰলোভিত কৰে, চয়তানক নো প্ৰলোভিত কোনে কৰে ? চয়তানে যদি নিজে নিজে প্ৰলোভিত হব পাৰে, তেনেহলে বিনা চয়তানে আন সকলেও প্ৰলোভিত হব পাৰে। আৰু যদি ঈশ্বৰে চয়তানক প্ৰলোভিত কৰে তেনেহলে সেই ঈশ্বৰ ঈশ্বৰেই হব নোৱাৰে। দেখা গৈছে যে, খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰেও চয়তানক ভয় কৰে, চয়তানতকৈ ঈশ্বৰ বলবান হোৱা হলে চয়তানক পাপ কৰাৰ লগে লগেই শাস্তি দিব পাৰিলেহেঁতেন। কিন্তু জগতত চয়তানৰ যিমান ৰাজ্য আছে, খ্ৰীষ্টীয়ান ঈশ্বৰৰ তাৰ সহস্ৰাংশৰ একাংশও নাই। বোধহয় এই কাৰণেই খ্ৰীষ্টিয়ানসকলৰ ঈশ্বৰে—চয়তানৰ দুষ্কৰ্ম্মত বাধা দিব নোৱাৰে। বুজিব পৰা হৈছে যে, আজি-কালি খ্ৰীষ্টিয়ান ৰাজ্যাধিকাৰী-সকলে যেনেকৈ দস্যু তস্কৰ আদিক তৎক্ষণাৎ দণ্ডবিধান কৰে খ্ৰীষ্টিয়ান-সকলৰ ঈশ্বৰে তেনেকৈ দণ্ড দিব নোৱাৰে। সেয়ে হলে এনেকুৱা নিৰ্ব্বোধ আৰু কোন থাকিব পাৰে যি বৈদিক মত পৰিত্ত্যাগ কৰি কপোল কল্পিত খ্ৰীষ্টিয়ান মত গ্ৰহণ কৰিব ? ১১৫ ॥

১১৬। হায় ! পৃথিবী আৰু সমুদ্ৰ বাসীসকল ! তোমালোকৰ ওপৰত চয়তান লম্ভিছে। যোঃ প্ৰঃ পঃ ১২। আঃ ১২ ॥

সমীক্ষক—ঈশ্বৰ কেৱল স্বৰ্গৰহে অধিপতি আৰু ৰক্ষক নেকি ? তেওঁ পৃথিবী আৰু পৃথিবীৰ প্ৰাণীবোৰৰ অধিপতি আৰু ৰক্ষক নহয় নেকি ? তেওঁ যদি এই পৃথিবীৰো ৰজা, তেনেহলে চয়তানক বিনাশ নকৰিলে কিয় ? চয়তানে যেভিয়া সকলোকেই প্ৰতাৰিত কৰিছে, ঈশ্বৰে তাত বাধা নিদিয়ে কিয় ? ইয়াৰ পৰা দুজনা ঈশ্বৰ থকাৰ প্ৰতীতি হয়। তাৰ এজন সৎপ্ৰকৃতিৰ আৰু যে দুষ্ট প্ৰকৃতিৰ আৰু এজন দুষ্ট প্ৰকৃতিৰজন সৎপ্ৰকৃতিৰ জনতকৈ বেছি বলবান্। ১১৬ ॥

১১৭। আৰু তেওঁক বিয়াল্লিশ মাহ পৰ্য্যন্ত যুদ্ধ কৰিবৰ ক্ষমতা দিয়া হ'ল। তাৰ পৰা তেওঁ ঈশ্বৰৰ নিন্দা কৰিবলৈ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

রম্ভ কৰিলে, ঈশ্বৰৰ নাম, তেওঁৰ তম্বু, আৰু স্বৰ্গবাসীসকলৰ নিন্দা। আৰু পবিত্ৰ ব্যক্তিবোৰৰ বিৰুদ্ধে যুদ্ধ আৰু জয় কৰাৰ ক্ষমতা আৰু সকলো বংশ, ভাষা আৰু দেশৰ ওপৰত অধিকাৰ দিয়া হ'ল। যোঃ প্ৰ: ১৩। আঃ ৫-৭।

সমীক্ষক—পৃথিবীৰ মানুহবোৰৰ মতিভ্ৰম কৰিবৰ নিমিত্তে চয়তান আৰু পশু আদি প্ৰেৰণ কৰা আৰু সৎপ্ৰবৃত্তিৰ মানুহৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ প্ৰবৃত্ত কৰা দস্যুপতিৰ কাম নহয় নে? কোনো ঈশ্বৰ ভক্তই এনে কাম কৰিব নোৱাৰে। ১১৭॥

১১৮। পাছত মই দৃষ্টিপাত কৰিলো, আৰু দেখিলো, সেই ভেড়াৰ পোৱালি 'চিয়োন' পৰ্ব্বতৰ ওপৰত থিয় হৈ আছে। তাৰ লগত এক লাখ চৌৱাল্লিশ হেজাৰজন মানুহ আছে। সেই লোকবোৰৰ কপালত যীচুৰ আৰু তেওঁৰ পিতাকৰ নাম লিখা আছে। যোঃ প্ৰেঃ পঃ ১৪। আঃ ১॥

সমীক্ষক—যত যীচুৰ পিতাক আছিল সেই চিয়োন পাহাৰতেই তেওঁৰ পুত্ৰও আছিল, কিন্তু ১৪৪০০০ মানুহৰ গণনা কেনেকৈ কৰিলে? এক লাখ চৌৱাল্লিশ হেজাৰ হ'ল স্বৰ্গবাসী, বাকী কোটি কোটি খ্ৰীষ্টীয়ানৰ মূৰত মোহৰৰ ছাপ লগোৱা নহল, সেইবোৰ তেনেহলে নৰকগামী হ'ল নেকি? চিয়োন পাহাৰত যীচুৰ পিতা আৰু সৈন্যবোৰ আছেনে নাই খ্ৰীষ্টীয়ানসকলে তালৈ গৈ চাই অহা উচিত। যদিহে তাত আছে, লিখা কথাবোৰ সচাঁ; আৰু নাই যদি মিছা, আৰু যদি তেওঁলোক অন্যস্থানৰ পৰা তালৈ আহিছে তেনেহলে ক'ৰ পৰা আহিছে? স্বৰ্গৰ পৰা তালৈ আহিছে বুলি যদি কয়, তেনেহলে তেওঁলোক পক্ষী নেকি যে, তলে ওপৰে সেই বিশাল সেনা লৈ উৰি ফুৰিব পাৰে? যদি সেইদৰেই যাতায়াত কৰি ফুৰে ঈশ্বৰ এজন পৰিদৰ্শকৰ দৰেই। ঈশ্বৰ পৰিদৰ্শকৰ দৰে হলে, এক বা দুই ঈশ্বৰৰ দ্বাৰাই সমস্তজগতৰ কাম

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমাধান হব নোৱাৰে; প্ৰত্যেক ভুবনত অন্ততঃ এজোজনকৈ পৰিদৰ্শক ঈশ্বৰৰ প্ৰয়োজন হব। কাৰণ, এজন ঈশ্বৰৰ পক্ষে বহুত ব্ৰহ্মাণ্ডত একে সময়তে উপস্থিত হৈ ন্যায় বিচাৰ কৰা সম্ভৱ নহয়। ১১৮॥

১১৯। আত্মাই কলে—হোঁ, সিহঁতে নিজৰ নিজৰ কৰ্ম্মৰ পৰা বিশ্ৰাম পাব; কিন্তু সিহঁতৰ কৰ্ম্ম সিহঁতৰ লগে লগে যায়। যোঃ প্ৰঃ পঃ ১৪ আঃ ১৩॥

সমীক্ষক—এতিয়া চ'ক! খ্ৰীষ্টীয়ানৰ ঈশ্বৰে কৈছে সিহঁতৰ কৰ্ম্ম সিহঁতৰ লগতেই থাকিব অৰ্থাৎ কৰ্ম্ম অনুসাৰেই সকলোৱে ফল পাব। কিন্তু তেওঁলোকে কয় যে, যীচুৱে সকলো পাপ গ্ৰহণ কৰি সিহঁতক ক্ষমা কৰিব। এতিয়া বিবেচনাশীলসকলে ভাবি চ'ক ঈশ্বৰৰ কথা সঁচা নে তেওঁলোকৰ কথা সঁচা? দুয়োটা পৰস্পৰ বিৰুদ্ধ বাক্যৰ এটা নিশ্চয় সচাঁ, দুয়োটা সচাঁ হব নোৱাৰে। খ্ৰীষ্টীয়ানৰ ঈশ্বৰৰ বা খ্ৰীষ্টীয়ানসকলৰ বাক্যই মিছা হওক লাগে, তাত আমাৰ একো ক্ষতি নাই। ১১৯

১২০। আৰু তাত ঈশ্বৰৰ ক্ৰোধৰ ৰসৰ মহাকুণ্ডত নিক্ষেপ কৰা হ'ল। পাছত নগৰৰ বাহিৰত সেই কুণ্ডত তাক গচকা হ'ল আৰু সেই ৰসৰ কুণ্ডৰ পৰা ৰক্ত বাহিৰ হৈ ঘোঁৰাৰ লাকাম পৰ্য্যন্ত ওখহৈ এশ ক্ৰোশ পৰ্য্যন্ত বাগৰি গল। যোঃ প্ৰঃ পঃ ১৪ আঃ ১৯·২০॥

সমীক্ষক—এইবোৰ মিছা কাহিনীয়ে পুৰাণকো অতিক্ৰম কৰিলে। খ্ৰীষ্টীয়ান ঈশ্বৰৰ খং উঠিলে অতি দুঃখিত হয় আৰু ক্ৰোধত যে কুণ্ড ভৰে, তেওঁৰ ক্ৰোধ পানী নেকি? নে অন্য কিবা দ্ৰাবক পদাৰ্থৰ দৰে! আৰু এশ ক্ৰোশলৈকে ৰক্ত হৈ যাব পৰাটো অসম্ভৱ কথা; কাৰণ বায়ু লাগিলে ৰক্ত গোট মাৰে। গতিকে এই কথাবোৰ মিছা। ১২০॥

১২১। আৰু চোৱা, স্বৰ্গত সাক্ষীৰ কাৰণে তম্বুৰে মন্দিৰ খোলা হ'ল। যোঃ প্ৰঃ পঃ ১৫ আঃ ৫॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক — খ্ৰীষ্টিয়ানসকলৰ ঈশ্বৰ সৰ্ব্বজ্ঞ হোৱা হলে সাক্ষীৰ প্ৰয়োজন হ'লহেঁতেন জানো ? সৰ্ব্বজ্ঞ হোৱা হলে স্বয়ং সকলো জানিব পাৰিলেহেঁতেন আৰু সেইদৰে ন্যায়ৰ নিৰ্ণয়ো কৰিব পাৰিলেহেঁতেন। গতিকে বুজা গ'ল তেওঁলোকৰ ঈশ্বৰ সৰ্ব্বজ্ঞ নহয়, মানুহৰ দৰে অল্পজ্ঞহে। তেওঁ ঈশ্বৰৰ কাম কেতিয়াও কৰিব নোৱাৰে। এই কাৰণেই দূতৰ অসম্ভৱ আৰু অলৌকিক কথাবোৰ লিখিছে। এইবোৰ কোনেও সঁচা বুলি নেমানে। আৰু কিমান লিখিম ? প্ৰায় সকলোবোৰে এনেকুৱা কথাৰেই ভৰা। ১২১ ॥

১২২। আৰু ঈশ্বৰে তেওঁৰ অপৰাধবোৰ স্মৰণ কৰিলে। তেওঁ তোমালোকক যেনে কৰিছিল, তোমালোকেও তেওঁৰ প্ৰতি তেনে কৰা। আৰু তেওঁৰ আচৰণৰ দুগুণ প্ৰতিশোধ লবা।

যোঃ প্ৰঃ পঃ ১৮। আঃ ৫-৬ ।

সমীক্ষক—ইয়াৰ পৰাই প্ৰমাণ হ'ল যে, খ্ৰীষ্টিয়ানৰ ঈশ্বৰ অন্যায়কাৰী। যেয়ে যেনে কাম আৰু যিমান কাম কৰে, তাক সেই কৰ্ম্ম অনুপাতে ফল দিয়াই হ'ল ন্যায়, আৰু বিপৰীত ফল দিয়াই হ'ল অন্যায়। গতিকে, যি অন্যায়কাৰীৰ উপাসনা কৰে তেওঁ অন্যায়কাৰী নহব কিয় ? ১২২ ॥

১২৩। ভেড়াপোৱালিৰ বিবাহৰ সময় উপস্থিত হল, আৰু তেওঁৰ ভাৰ্য্যাই তাৰ কাৰণে নিজেই সাজু হল।

যোঃ প্ৰঃ পঃ ১৯। আঃ ৭ ॥

সমীক্ষক—এইবাৰ শুনক খ্ৰীষ্টীয়ানসকলৰ স্বৰ্গতে বিবাহো হয়। ঈশ্বৰে যীচুৰ বিয়া পাতিছিল। এতিয়া জানিব লগীয়া হ'ল— যীচুৰ শহুৰ, শাহুয়েক, শ্যালক আদি কোন কোন আছিল ? যীচুৰ সন্তান কিমান আছিল, আৰু বীৰ্য্যৰ নাশ হোৱাত, বল, বুদ্ধি, পৰাক্ৰম আয়ুস আদি হ্ৰাস হোৱাত যীচুৱে তাত দেহ ত্যাগ কৰিছে চাগৈ, কাৰণ সংযোগ বস্তুৰ বিয়োগো অৱশ্যম্ভাবী। খ্ৰীষ্টীয়ানসকলে এতিয়ালৈকে যীচুৰ বিশ্বাসত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰতাৰিত হৈছে আৰু কতকাল এইদৰেই প্ৰতাৰিত যে হব লাগিব, তাক কোনে জানে ? ১২৩ ॥

১২৪। তেওঁ সেই অজগৰক ধৰিলে, এয়েই সেই পুৰাণত অপবাদকাৰী আৰু চয়তান। তেওঁ তাক ধৰি সহস্ৰ বছৰ পৰ্য্যন্ত বন্ধ কৰি ৰাখিলে। আৰু তাক গভীৰ কুণ্ডত পেলাই বন্ধ কৰি তাত মোহৰ ছাপ মাৰি দিলে, যাতে সি সহস্ৰ বছৰ শেষ নোহোৱা পৰ্য্যন্ত সেই দেশবোৰৰ মানুহৰ মতিভ্ৰম কৰিব নোৱাৰে।

যোঃ প্ৰঃ পঃ ২০। আঃ ২-৩॥

সমীক্ষক—দেখক, অশেষ কষ্টৰে চয়তানক ধৰি এহাজাৰ বছৰ পৰ্য্যন্ত কাৰাৰুদ্ধ কৰি ৰখা হ'ল। হাজাৰ বছৰৰ পাছত আকৌ মুক্ত হলে সকলোকে প্ৰতাৰণা নকৰিবনে ? এনেকুৱা দুৰ্বৃত্তক যাবজ্জীবন কাৰাৰুদ্ধ বা বধ কৰাহে উচিত আছিল। আচলতে খ্ৰীষ্টীয়ানৰ চয়তান বুলি একো নাই। চয়তান খ্ৰীষ্টীয়ানসকলৰ ভ্ৰমহে মাত্ৰ। কেৱল জনসাধাৰণক এইবোৰ ভয় দেখুৱাই নিজৰ ছলনা জালত পেলাবৰ কাৰণেই এইবোৰ উপায় ৰচনা কৰা হৈছে। এক ধূৰ্ত্তই কেইটামান নিৰ্ব্বোধক কলে,—"আহা মই তোমালোকক দেৱতা দেখুৱাম"। সেই ধূৰ্ত্তই এক নিৰ্জ্জন ঠাইত এটা মানুহক চতুৰ্ভুজ সাজি এটা জোপাৰ আঁৰত থৈ সিহঁতক সেই ঠাইলৈ লৈ গৈ কলে "এতিয়া চকু মুদি থাকিবা, যেতিয়া মই চকু মেলিবলৈ কওঁ তেতিয়াহে মেলিবা, আৰু আকৌ যেতিয়া মই চকু মুদিবলৈ কওঁ, তেতিয়া মুদিবা ; নহলে চকুৰেই কণা হব"। এইদৰেই ধূৰ্ত্তই সিহঁতক চতুৰ্ভুজ নাৰায়ণক দৰ্শন কৰালে। খ্ৰীষ্টীয়ানসকলৰ কথাও তেনেকুৱাই। তেওঁলোকে কয় "যি আমাৰ ধৰ্ম্ম বিশ্বাস নকৰে তাৰ গাত চয়তান লম্ভিব"। খ্ৰীষ্টীয়ানৰ বাহিৰেও অন্যান্য মতাৱলম্বীসকলৰো এনে ধৰণৰ অনেক লীলা-খেলা আছে। সকলোৱে তেনে প্ৰৱঞ্চনাৰ পৰা সাৱধান হয় যেন। ১২৪ ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

১২৫। তেওঁৰ আগৰ পৰা পৃথিৱী আৰু আকাশ পলাই গ'ল; তেওঁলোকে আৰু স্থান নেপালে, আৰু মই দেখিলো, সৰু-বৰ সকলো মৃত ব্যক্তি সেই সিংহাসনৰ আগত ঠিয় হৈ আছে। পাছত পুস্তক খোলা হ'ল। আৰু এখন পুস্তক অৰ্থাৎ জীৱনপুস্তক খোলা গ'ল, সেই পুস্তকত লিখিত প্ৰমাণ আৰু নিজৰ নিজৰ কৰ্ম্মানুসাৰে মৃতকসকলৰ বিচাৰ হ'ল। যোঃ প্ৰঃ পঃ ২০ আঃ ১১-১২ ॥

সমীক্ষক—এইবোৰ লবাব দৰে কথা। পৃথিৱী আৰু আকাশ কেনেকৈ পলালে? আৰু এইবোৰ ক'ত অৱস্থিত? যাব আগব পৰা এইবোৰ পলালে, তেওঁ আৰু তেওঁৰ সিংহাসন নো ক'ত আছিল? আৰু মৃতকবোৰক ঈশ্বৰৰ আগত ঠিয় কৰাওঁতে পৰমেশ্বৰ বহিয়েই আছিলনে ঠিয় হৈ আছিল? ইয়াৰ দোকান আৰু কাৰ্য্যালয়বোৰত যেনেকৈ কাগজ পত্ৰত লিখা অনুসাৰে কাম-কাজ চলে, সেইদৰেই ঈশ্বৰৰ কাৰ্য্যালয়ো চলে নেকি? আৰু জীৱৰ আচৰণৰ তালিকা স্বয়ং ঈশ্বৰেই লিখে নে তেওঁৰ কৰ্ম্মচাৰী-বোৰে লিখে? এনেবোৰ অসঙ্গত কথা লিখি খ্ৰীষ্টীয়ান আৰু অন্যান্য সম্প্ৰদায়ীসকলে ঈশ্বৰক অনীশ্বৰ আৰু অনীশ্বৰক ঈশ্বৰ পাতিছে। ১২৫॥

১২৬। তেওঁলোকৰ ভিতৰৰে এজনে মোৰ লগত আলোচনা কৰি কলে,—"আহা, মই তোমাক সেই বধূক অৰ্থাৎ ভেড়া-পোৱালীৰ ভাৰ্য্যাক দেখুৱাওঁ।" যোঃ প্ৰঃ পঃ ২১ আঃ ৯॥

সমীক্ষক—যীচুৱে বোধহয় স্বৰ্গত পত্নীলাভ কৰি আমোদ-প্ৰমোদ কৰিছিল। যি সকল খ্ৰীষ্টীয়ান স্বৰ্গলৈ যাব পাৰে তেওঁলোকেও স্ত্ৰী আৰু সন্তান লাভ কৰে আৰু জন-সংখ্যা বেছিহৈ, নানা ৰোগ উৎপত্তি হৈ অনেকৰ মৃত্যু হয়। এনেকুৱা স্বৰ্গক দূৰতেই নমস্কাৰ। ১২৬॥

১২৭। আৰু তেওঁ সেই নলডালেৰে নগৰ জুখিলে। জোখত পৰিমাণ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হ'ল চাৰে সাত শ ক্ৰোশ। দীঘলে, পথালিয়ে আৰু ওখই একে সমান। তাৰ পাছত নগৰৰ প্ৰাচীৰ জুখিলে, মানুহ অৰ্থাৎ দূতৰ হাতৰ জোখত ১৪৪ (এশ চৌৰাল্লিশ) হাত হল। প্ৰাচীৰৰ গাঁথনি সূৰ্য্যকান্তমণিৰ আৰু নগৰ নিৰ্ম্মল স্ফটিকৰ দৰে স্বচ্ছ সুবৰ্ণময়। নগৰৰ প্ৰাচীৰৰ ভেটিৰ মূল-বোৰ সৰ্ব্ববিধ মূল্যবান শিলেৰে শোভিত। প্ৰথম ভেটিৰ মূল সূৰ্য্যকান্তৰ, দ্বিতীয় নীলকান্তৰ, তৃতীয় ৰত্নকান্তৰ, চতুৰ্থ মৰকতৰ, পঞ্চম বৈদূৰ্য্যৰ, ষষ্ঠ মানিকৰ, সপ্তম পীতমণিৰ, অষ্টম পৰাগমণিৰ, নবম পুষ্পৰাজৰ, দশম লহুনীয়ৰ, একাদশ ধূম্ৰকান্তৰ, দ্বাদশ মোতীৰ। আৰু দ্বাদশ দ্বাৰ দ্বাদশ মুক্তাৰে নিৰ্ম্মিত আৰু নগৰৰ পথ স্ফটিকৰ দৰে নিৰ্ম্মল সুবৰ্ণময়।

যোঃ প্ৰঃ পঃ ২১। আঃ ১৬।২১ ॥

সমীক্ষক—খ্ৰীষ্টীয়ানসকলৰ স্বৰ্গৰ বৰ্ণনা শুনিলে! মৰাৰ পাছত খ্ৰীষ্টীয়ানসকল স্বৰ্গলৈ গলে সেই পৰিমাণৰ স্বৰ্গখনত সকলোকে নুজুৰিবই চোন। আৰু স্বৰ্গলৈ মানুহ গলে তাৰ পৰা কেতিয়াও ঘূৰি আহিব নালাগে। বহু মূল্য ৰত্ন আৰু স্বৰ্ণনিৰ্ম্মিত স্বৰ্গৰ বৰ্ণনা কৰাৰ অভিপ্ৰায় হ'ল কেৱল নিৰ্ব্বোধ জনসাধাৰণক প্ৰতাৰণা কৰি জালত পেলোৱা। স্বৰ্গৰ দৈৰ্ঘ্য, প্ৰস্থ যিদৰে বৰ্ণনা কৰা হৈছে, সেইটো সম্ভৱ হব পাৰে, কিন্তু তাৰ উচ্চতা চাৰে সাত শ ক্ৰোশ কেনেকৈ সম্ভৱ? গতিকে এইবোৰ অসঙ্গত কল্পনা মাত্ৰ। ইমান ডাঙৰ মুকুতা ক'ৰ পৰা পালে? যিসকলে এইবোৰ লিখিছে তেওঁলোকৰ ঘৰত জমা কৰি থোৱা আছিল নেকি? তেওঁলোকে পুৰাণ লিখককো চেৰ পেলালে। ১২৭ ॥

১২৮। আৰু কোনো অপবিত্ৰ বস্তু, কুকৰ্ম্মী আৰু চৰিত্ৰহীনৰ তাত প্ৰৱেশ নাই। যোঃ প্ৰঃ ২০। আঃ ২৭ ॥

সমীক্ষক—সেয়েই যদি সত্য হয় তেনেহলে "খ্ৰীষ্টিয়ান হলে পাপী-য়েও স্বৰ্গলৈ যাব পাৰে" বুলি খ্ৰীষ্টিয়ানসকলে কোৱাৰ কাৰণ কি? এই কথা সঁচা নহয় নেকি? যদি সেয়ে হয় তেন্তে 'যোনে' সপোনৰ মিছা কথা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

...ৰৰ লিখি, স্বৰ্গত বোধহয় প্ৰৱেশ কৰিব নোৱাৰিলে। আৰু যীচুও বোধহয় স্বৰ্গলৈ যাব পৰা নাই। কাৰণ, এটা পাপীও যেতিয়া স্বৰ্গলৈ যাব নোৱাৰে তেনেহলে যীচুৱে অনেক পাপীৰ পাপৰ ভাৰ লৈ কেনেকৈ স্বৰ্গবাসী হব পাৰে? ১২৮॥

১২৯। অভিশাপ আৰু নহয়, ঈশ্বৰৰ আৰু ভেড়াপোৱালিৰ সিংহাসন তাত থাকিব আৰু তেওঁলোকৰ দাসে তেওঁলোকৰ আৰাধনা কৰিব। তেওঁলোকৰ মুখ দৰ্শন কৰিব আৰু তেওঁলোকৰ নাম সিঁহতৰ কপালত থাকিব। তাত আৰু ৰাতি নহব, প্ৰদীপৰ পোহৰ বা সূৰ্য্যৰ প্ৰকাশ, মানুহৰ আৱশ্যক নহব। কাৰণ, প্ৰভু ঈশ্বৰেই তেওঁলোকক প্ৰকাশ বিস্তাৰ কৰিব আৰু তেওঁলোকে সদায় ৰাজত্ব কৰিব। যোঃ প্ৰঃ পঃ ২২। আঃ ৩-৫॥

সমীক্ষক—এয়েই খ্ৰীষ্টিয়ানৰ স্বৰ্গবাস! ঈশ্বৰ আৰু যীচু সদায়েই সিংহাসনত বহি থাকিব নেকি? আৰু তেওঁলোকৰ সেৱকে সদায় তেওঁলোকৰ আগত মুখ দৰ্শন কৰি থাকিব নেকি? বাৰু কওকচোন, আপোনালোকৰ ঈশ্বৰৰ মুখ য়ুৰোপীয়সকলৰ দৰে গৌৰ, নে আফ্ৰিকাবাসীৰ দৰে ক'লা অথবা অন্য কোনো দেশবাসীৰ দৰে? আপোনালোকৰ স্বৰ্গও বন্ধনহে; কাৰণ তাত সৰু-বৰৰ প্ৰভেদ আছে। আৰু একেখন নগৰতেই আবদ্ধ থাকিব লাগিব যেতিয়া, তাত দুখ কিয় নহব? আৰু ঈশ্বৰৰ যদি মুখ আছে—সেই ঈশ্বৰ, সৰ্ব্বজ্ঞ, সৰ্ব্বেশ্বৰ কেতিয়াও হব নোৱাৰে। ১২৯॥

১৩০। চোৱা মই শীঘ্ৰে আহিছো আৰু মোৰ প্ৰতিফল মোৰ লগত। যাৰ যি কৰ্ম্ম, তাক তেনে ফলকেই দিম।

যোঃ প্ৰঃ পঃ ২২। আঃ ১২॥

সমীক্ষক- মানুহে নিজৰ নিজৰ কৰ্ম্মানুসাৰেই যদি ফল পায়; তেনেহলে পাপৰ কেতিয়াও ক্ষমা হব নোৱাৰে, যদি ক্ষমা কৰা হয় তেনেহলে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বাইবেলৰ বাণী মিছা। পাপ ক্ষমা কৰাৰ কথা যদি বাইবেলত লিখা আছে, তেনেহলে আগৰ কথা পাছৰ কথাৰ বিপৰীত হোৱাৰ কাৰণে মিছা। গতিকে এইবোৰ কথা বিশ্বাসযোগ্য নহয়।

আৰু নো কিমান উদাহৰণ দিম? খ্ৰীষ্টীয়ানসকলৰ বাইবেলত এনেকুৱা লাখ লাখ খণ্ডনীয় অৰ্থাৎ বিপৰীত কথা আছে। ইয়াত মাত্ৰ কেইটামান উদাহৰণহে দিয়া হ'ল। ইয়াৰ পৰাই বিবেচনাশীল সকলে কলো বিস্তাৰিতকৈ বুজিব পাৰিব। অতি কম সংখ্যক সত্যহে বাইবেলত আছে, বাকী সকলোবোৰেই মিছা। অসত্য যোগ হলে সত্যও সত্য হৈ থাকিব নোৱাৰে। গতিকে বাইবেল বিশ্বাসৰ যোগ্য নহয়। সত্যক গ্ৰহণ কৰিবলৈ হলে, বেদেই সত্য। ১৩০॥

ইতি শ্ৰীমদ্দয়ানন্দসৰস্বতী-স্বামিনিৰ্ম্মিতে সত্যাৰ্থপ্ৰকাশে সুভাষাবিভূষিতে কৃশ্চীনমত বিষয়ে ত্ৰয়োদশঃ সমুল্লাসঃ সম্পূৰ্ণঃ ১৩॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অনুভূমিকা (৪)

এই চতুৰ্দ্দশ সমুল্লাসত কেৱল কোৰাণৰহে আলোচনা কৰা হৈছে। কাৰণ কোৰাণেই মুছলমান ধৰ্ম্মবিশ্বাসৰ আধাৰ। সম্প্ৰদায় ভেদে শব্দ আৰু অৰ্থ আদিৰ মতভেদ থাকিলেও কোৰাণ সৰ্ব্বমান্য। কোৰাণ আৰবী ভাষাত লিখিত। মৌলবীসকলে কোৰাণ উৰ্দ্দু ভাষাত অনুবাদ কৰিছে। আৰবী ভাষাৰ সুবিখ্যাত পণ্ডিতসকলৰ দ্বাৰাই সংশোধিত হৈ সেই উৰ্দ্দু অনুবাদৰ দেৱনাগৰী আখৰত হিন্দী অনুবাদো হৈছে। কোনোৱে যদি এই অনুবাদ অশুদ্ধ বুলি কয় তেনেহলে সেই মৌলবীসকলৰহে অশুদ্ধ।

সত্য অসত্যৰ নিৰ্ণয় আৰু মানৱ জাতিৰ উন্নতি সাধনেই আমাৰ আলোচনাৰ বিষয়। মানৱ সমাজত প্ৰচলিত বিভিন্ন মতবোৰ সকলোৱে জনা আৱশ্যক, কাৰণ সকলোৱে পৰস্পৰৰ মতৰ বিচাৰ বিবেচনাৰে দোষ পৰিত্যাগ কৰি গুণ গ্ৰহণ কৰাত সহজ হয়। মুছলমান মতৰেই হওক বা আন কোনো মতৰেই অনৰ্থক নিন্দা বা প্ৰশংসা কৰা মোৰ অভিপ্ৰায় নাই। ভালক ভাল বুলি আৰু বেয়াক বেয়া বুলি জনাই সকলোৰে কৰ্ত্তব্য বুলি মই বিশ্বাস কৰোঁ। তাৰ পৰা কোনেও কাকো দোষাৰোপ আৰু সত্যৰ অপলাপ কৰিব নোৱাৰে। সত্য বা অসত্য ৰূপে প্ৰকাশ হোৱাতো তাক সেই মতে স্বীকাৰ কৰা বা নকৰা প্ৰত্যেকৰ নিজৰ নিজৰ ইচ্ছাৰ অধীন। নিজে যি স্বীকাৰ নকৰে তাক আনে বলেৰে স্বীকাৰ কৰাব নোৱাৰে। নিজৰেই হওক বা পৰৰেই হওক পক্ষপাতমুক্ত হৈ দোষবৰ্জ্জন আৰু গুণগ্ৰহণ কৰাহে সজ্জনসকলৰ পৰম কৰ্ত্তব্য।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পক্ষপাতিতাৰ কাৰণেই জগতত কিমান যে, অঘটন ঘটিছে আৰু ঘটিবই লাগিছে। এয়েই সত্য উপলব্ধি যে, এই অনিশ্চিত আৰু ক্ষণস্থায়ী জীৱনত পৰৰ অনিষ্ট সাধন কৰি নিজৰ উন্নতিৰ পৰা বঞ্চিত হোৱা আৰু আনকো বঞ্চিত কৰা মানৱ জীৱনৰ উচিত কাৰ্য্য নহয়। এই আলোচনা প্ৰসঙ্গত মোৰ কোনো অসত্য কথা দৃষ্টিগোচৰ হলে, তাক সদাশয় মহোদয়-সকলে জনাই বাধিত কৰে যেন। উচিত কথা স্বীকাৰহে মোৰ ধৰ্ম্ম। পক্ষপাতিতা, জেদা-জেদি, ঈৰ্যা-দ্বেষ আৰু বাদ-বিবাদ বঢ়োৱাৰ উদ্দেশ্যত একোকে লিখা নাই। কোনেও যাতে কাৰো অনিষ্ট নকৰি সকলোৱে পৰস্পৰৰ হিতসাধনত যত্নপৰ হয়, সেয়েই আমাৰ সকলোৰে সৰ্ব্বপ্ৰধান কৰ্ত্তব্য হোৱা উচিত।

এই চতুৰ্দ্দশ সমূল্লাসত মুছলমান মতৰ আলোচনা সুধী মণ্ডলীৰ আগত নিবেদন কৰা হৈছে। সকলোৱে বিবেচনা কৰি হিতখিনি গ্ৰহণ আৰু অহিতকৰখিনি বৰ্জ্জন কৰে যেন।

অলমিতিবিস্তৰেণ বুদ্ধিমদ্বৰ্য্যেষু ইতি অনুভূমিকা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অথ চতুৰ্দ্দশ সমুল্লাসাৰম্ভঃ

অথ যবনমতবিষয়ং ব্যাখ্যাস্যামঃ।

এতিয়া মুছলমান মতৰ বিষয়ে আলোচনা কৰা হব।

১। আল্লাহৰ নামৰ লগত আৰম্ভ; তেওঁ ক্ষমাকাৰী আৰু দয়ালু। মঞ্জিল ১। সিপাৰা ১। সূৰত ১॥

সমীক্ষক—মুছলমানসকলৰ মতে কোৰাণ হৈছে খোদাৰ বাণী। কিন্তু এই বচন ফাঁকিৰ পৰাই জনা যায় যে, ইয়াৰ ৰচয়িতা আন কোনো-বাহে। কাৰণ স্বয়ং ঈশ্বৰৰ বাণী হোৱা হলে "আল্লাহৰ নামৰ লগত আৰম্ভ" বুলি কোৱা নহলহেতেন তাৰ সলনি "মানৱসকলৰ প্ৰতি উপ-দেশৰ অৰ্থে আৰম্ভ" এই ৰূপ হ'লহেঁতেন। "তুমি এনেকৈ কৰিবা" বুলি আল্লাহে মানুহক উপদেশ দিছে বুলি ধৰিলেও সঙ্গত নহয়, কাৰণ তাৰ পৰা পাপৰ আৰম্ভ খোদাৰ নামতহে হব আৰু তেওঁৰ নাম কলঙ্কিত হব। আল্লাহ যদি ক্ষমাকাৰী আৰু দয়ালু হয়, তেনেহলে তেওঁৰ সৃষ্টিত মানৱ-সকলৰ সুখৰ কাৰণে অন্যান্য প্ৰাণীবোৰক অসহ্য কষ্ট দি হত্যা কৰি মাংস খাবলৈ আদেশ দিলে কিয়? সেই প্ৰাণীবোৰ নিৰপৰাধী নহয় জানো? সিহঁতকো ঈশ্বৰেই স্ৰজন কৰা নাই জানো? "পৰমেশ্বৰৰ নামত সৎ কৰ্ম্মৰ আৰম্ভ" কুকৰ্ম্মৰ নহয়, এইদৰে বোলাহে সঙ্গত যেন হ'লহেঁতেন। পূৰ্ব্বোক্ত বাক্যত অসঙ্গতি দেখা যায়, কাৰণ চোৰ কৰা, ব্যভিচাৰ কৰা, মিথ্যা আচৰণ কৰা আদি পাপ কৰ্ম্মবোৰৰো আৰম্ভ পৰমেশ্বৰৰ নামৰ লগত কৰিব নেকি? এই কাৰণেই বোধহয় মুছলমান কচাইবোৰে গৰু আদি প্ৰাণীৰ কণ্ঠচ্ছেদন কৰিবৰ সময়তো **"বিস্মিল্লাহ"** ইত্যাদি পাঠ কৰে। উক্ত বচনৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এই অৰ্থকেই ভাবি মুছলমানসকলে কুকৰ্ম্মৰ আৰম্ভও ঈশ্বৰৰ নাম লৈয়েই কৰে। মানুহৰ বাহিৰে অন্যান্য প্ৰাণীবোৰৰ প্ৰতি তেওঁৰ দয়া নহলে খোদা দয়ালু হব নোৱাৰে। উক্ত বাক্যৰ অৰ্থ যদি মুছলমানসকলে নেজানে, তেনেহলে সেই বাক্য প্ৰকাশ কৰাও নিৰৰ্থক। আৰু যদি কিবা অন্য অৰ্থ কৰে, তেনেহলে সেই আচল অৰ্থ কি ? ১॥

২। সকলো স্তুতি, প্ৰাৰ্থনা পৰমেশ্বৰৰ কাৰণে; তেওঁ "পৰৱৰদিগাৰ," অৰ্থাৎ সমস্ত জগতৰ পালনকৰ্ত্তা। তেওঁ ক্ষমাকাৰী আৰু দয়ালু। মঃ ১। সিঃ ১। সুৰতুল্ ফাতিহা। আঃ ১-২॥

সমীক্ষক—কোৰাণত কোৱা মতে খোদা জগতৰ পালনকৰ্ত্তা, সকলোৰে প্ৰতি ক্ষমাশীল আৰু দয়াশীল হোৱা হলে তেওঁ ভিন্ন মতাৱলম্বী আৰু পশু আদিক মুছলমানসকলৰ হাতেৰে হত্যা কৰাবলৈ আদেশ নিদিলেহেঁতেন। তেওঁ ক্ষমাকাৰী হোৱা বাবে পাপীকো ক্ষমা কৰিব নেকি? তেনেহলে পাছত দেখা যাব, "কাফেৰবোৰক হত্যা কৰা" বুলি কব কিয়? যি কোৰাণ আৰু পয়গম্বৰক নামানে তেওঁলোকক কাফেৰ বোলা হয়। এই কাৰণে কোৰাণ ঈশ্বৰৰ বাণী বুলি মনে নধৰে। ২।

৩। বিচাৰ ন্যায় দিবসৰ অধিপতি! আমি তোমাকেই ভক্তি কৰো, তোমাৰেই সহায় প্ৰাৰ্থনা কৰো। তুমি আমাক সহজ পথ প্ৰদৰ্শন কৰা। মঃ ১। সিঃ ১। সুঃ ১। আঃ ৩-৫॥

সমীক্ষক—খোদাই সকলো সময়ত ন্যায় বিচাৰ নকৰে নেকি! কোনো বিশেষকৈ নিৰ্দ্দিষ্ট দিনতহে তেওঁ ন্যায় বিচাৰ কৰে নেকি? তেনেহলে অন্যায় যেন হে মনে ধৰে। তেওঁক ভক্তি কৰা আৰু তেওঁৰ সহায় প্ৰাৰ্থনা কৰা অৱশ্যে সঙ্গত; কিন্তু সেই বুলি কুকৰ্ম্মৰ কাৰণেও তেওঁৰ সহায় প্ৰাৰ্থনা কৰিব লাগিব নেকি? সত্য পথ কেৱল মুছলমানৰহে, নে আনৰো আছে? মুছলমানসকলে সৎ পথত নো নচলে কিয়? যি পথেদি কুকৰ্ম্ম

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যায়, তাকেই সহজ পথ বোলে নেকি ? যি ভাল, সকলোৰে কাৰণেই তাত মুছলমানৰ বৈশিষ্ট্য একো থাকিব নোৱাৰে। আনৰ ভালটো নকৰিলে পক্ষপাত কৰা হব। ৩ ॥

৪। তুমি যি সকলক কৃপা কৰিছা, তেওঁলোকৰ পথকেই মাকো প্ৰদৰ্শন কৰা। যিবোৰৰ প্ৰতি তোমাৰ "গজব" অৰ্থাৎ পপ- দৃষ্টি আৰু যিবোৰ পথভ্ৰষ্ট তেওঁলোকৰ পথ আমাক যেন দেখুৱা। মঃ ১ সিঃ ১। সুঃ ১। আঃ ৬৭ ॥

সমীক্ষক—মুছলমানসকলে পূৰ্ব্বজন্ম আৰু প্ৰাক্তন পাপ বা পূণ্য কাৰ নকৰে, গতিকে কাৰোবাৰ প্ৰতি "নয়ামত" অৰ্থাৎ ফজল বা দয়া ত আৰু কাৰোবাৰ প্ৰতি নকৰাত খোদাৰ পক্ষপাত হব। পাপ ৰ বিচাৰ-বিবেচনা নকৰাকৈ সুখ-দুখ দিয়া অন্যায়। কাৰণ বিনা ৰণে দয়া বা কোপ দৃষ্টি কৰাটো অস্বাভাৱিক কথা। ঈশ্বৰৰ দয়া বা ধ নাই। পূৰ্ব্বসঞ্চিত পাপ-পুণ্য বিনা তেওঁ কাৰো প্ৰতি দয়া বা ক্ৰোধ বি নোৱাৰে। যিহেতু এই সূৰতৰ টিপ্পনীত লিখা আছে—"এই সুৰা ল্লাহ চাহেবে মানৱসকলৰ মুখেদি কোৱাইছে; তেওঁলোকে যেন সদায় দবে কয়," গতিকে "আলিফ বে" ইত্যাদি আখৰ খোদায়েই তেওঁ-কক শিকাইছে বোধ হয়। আখৰ নেজানিলে উক্ত সুৰা কেনেকৈ পঢ়িলে ? ওঁলোকে কেৱল কণ্ঠৰেই উচ্চাৰণ কৰিছিল বা কৰাইছিল নেকি ? টো সম্ভৱ হলে সমস্ত কোৰাণ মুখে মুখেই শিকোৱা হৈছিল। যি কত পক্ষপাত আছে সেই পুস্তক ঈশ্বৰৰ প্ৰণীত হব নোৱাৰে। আৰবী ত কোৰাণ লিখিত হোৱাত আৰবীসকলৰ কাৰণে কোৰাণ পাঠ সহজ আন ভাষা-ভাষীসকলৰ কাৰণে টান হয়। এয়ে হলে খোদাৰ পাত কৰা হয়। এই কাৰণেই ঈশ্বৰে তেওঁৰ সৃষ্টিৰ সকলো দেশৰ ৰ্থিত আৰু পক্ষপাত ৰহিত সংস্কৃত ভাষাত বেদ (জগতৰ জ্ঞান) প্ৰকাশ ছে। কাৰণ এই ভাষা জানিবলৈ হলে সকলো দেশৰ ভাষা-ভাষীয়েই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

একে পৰিশ্ৰম কৰিব লাগিব। এনে এটা ভাষাত কোৰাণ প্ৰকাশ কৰা হলে পূৰ্ব্বোক্ত পক্ষপাত দোষ নঘটিল হেঁতেন। ৪॥

৫। এই পুস্তকত কোনো সংশয় নাই। ই পৰহেজগাৰক অৰ্থাৎ ধাৰ্ম্মিকসকলক পথ প্ৰদৰ্শন কৰে, যি সকলে 'ইমান' অৰ্থাৎ বিশ্বাস কৰে, গৈব অৰ্থাৎ পৰোক্ষ বিষয় নামাজ পঢ়ে আৰু মই যি বস্তু দিছো তাৰ পৰাই ব্যয় কৰে। পূৰ্ব্বে অথবা তোমাৰ পূৰ্ব্বে যি পুস্তকৰ অৱতৰণ হৈছে তেওঁলোকে সেই পুস্তক আৰু কয়ামতত বিশ্বাস কৰে আৰু তেওঁলোকৰ প্ৰভুৰ আদেশ অনুসাৰে চলে, তেওঁলোকেই মুক্তি পায়। যিবোৰ সচাকৈয়ে কাফেৰ, তেওঁলোকক ভয় প্ৰদৰ্শন কৰা বা নকৰা একে সমান। সিহঁতে বিশ্বাস নকৰে; আল্লাই সিহঁতৰ অন্তৰত আৰু কাণত তলা লগাই বন্ধ কৰি দিছে। সিহঁতৰ চকুত আৱৰণ আছে আৰু সিহঁতৰ কাৰণে ঘোৰ পৰিশ্ৰম আছে। মঃ ১। সিঃ ১। সূঃ ২। আঃ ১। ৩-৭॥

সমীক্ষক—নিজে নিজৰ কিতাপৰ প্ৰশংসা কৰাটোৱে খোদাৰ নিজৰ দম্ভ প্ৰকাশ কৰা নহ'ল নে? পৰহেজগাৰ অৰ্থাৎ ধৰ্ম্মপৰায়ণসকল নিজেই সৎ পথত চলে। কাফেঁৰ অৰ্থাৎ অসৎ প্ৰকৃতিৰ মানুহ যদি অসৎ পথতেই থাকে কোৰাণে যদি সিবিলাকক পথ প্ৰদৰ্শন কৰিব নোৱাৰে তেনেহলে কোৰাণৰ প্ৰয়োজন কি থাকিব? পাপ-পুণ্য আৰু চেষ্টা নকৰাকৈয়ে খোদাই দিয়া সম্পত্তিকে খৰচ কৰিবলৈ দিছেনে? যদি দিছে তেনেহলে সকলোকে একে সমানে নিদিয়ে কিয়? মুছলমানসকলে কিয় পৰিশ্ৰম কৰিব লগা হয়? বাইবেল, এনজেল আদি যদি বিশ্বাস-যোগ্য হয়, মুছলমানসকলে যেনেকৈ কোৰাণ বিশ্বাস কৰে, সেইদৰেই বিশ্বাস নকৰে কিয়? যদি বাইবেলকো বিশ্বাস-যোগ্য বুলি ধৰে তেনেহলে কোৰাণৰ প্ৰয়োজন কি? আৰু যদি কয় যে, কোৰাণত বেছি কথা আছে, তেনেহলেও হব পাৰে যে, ঈশ্বৰে বাইবেল আগতে লিখোঁতে সকলো লিখিবলৈ পাহৰিলে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ঈশ্বৰে আগতে বাইবেলত যি লিখিছে তাতকৈ অধিক লিখিবলৈ বা নাই, তেনেহলে কোৰাণ লিখাৰ প্ৰয়োজনেই নাই। মই যি বুজিব ছো, ঠায়ে ঠায়ে অলপ অমিল থকাৰ বাহিৰে বাকী সকলো কথা বেল আৰু কোৰাণ—দুয়োখন গ্ৰন্থতে একে। পৰমেশ্বৰে তেনেহলে বেদৰ এখন গ্ৰন্থ নকৰিলে কিয়? কেৱল মাত্ৰ কয়ামতকেই বিশ্বাস কৰিব —অন্য একো বিশ্বাস-যোগ্য নহয় নেকি? কেৱল খ্ৰীষ্টীয়ান আৰু মানসকলেহে খোদাৰ নিৰ্দ্দেশ মানি চলে নেকি? তেওঁলোকৰ ভিতৰত নো পাপী নাই নেকি? তেওঁলোক অধাৰ্ম্মিক হলেও মুক্ত হব নেকি? অন্যান্য মানুহে ধাৰ্ম্মিক হলেও মুক্তি পাব নোৱাৰে নেকি? সেয়ে যদি তেনেহলে ঈশ্বৰৰ অজ্ঞতা আৰু অন্যায় নহব জানো? আৰু যি- ল মুছলমান মত নামানে তেওঁলোকক কাফেৰ বোলাটো এক পক্ষীয় ৰ নহয় নে? পৰমেশ্বৰে যিবোৰৰ অন্তৰত আৰু কাণত তলা লগাই কৰি দিছে, তেওঁলোকে পাপকেই কৰি যাব লগা হৈছে। গতিকে ওঁলোকৰ দোষ নাই, তাৰ বাবে দোষী খোদাহে। গতিকে তেওঁলোকৰ পুণ্য আৰু দুখ-সুখ হব নোৱাৰে। যিবোৰে নিজৰ ইচ্ছাৰে পাপ ৰে, তেওঁলোকে তাৰ বাবে দণ্ড ভোগ কৰিব কিয়? ৫॥

৬। তেওঁলোকৰ অন্তৰত ৰোগ আছে, আল্লাই সিবিলাকৰ ৰোগ বৃদ্ধি কৰি দিছে। মঃ ১। সিঃ ১। সূঃ ২। আঃ ৯॥

সমীক্ষক—যিবোৰ ৰোগগ্ৰস্ত সেইবোৰক আৰু বঢ়াই দি অতি কষ্ট ত খোদাৰ অন্তৰত দয়া নহল নে? এনে কৰিলে চয়তানৰ চয়তানিত- ও বেছি চয়তানি কৰা নহয় নে? খোদাই কাৰো অন্তঃকৰণ তালাবন্ধ বা কাৰো ৰোগ বৃদ্ধি কৰি নিদিয়ে, নিজৰ নিজৰ দুষ্কৰ্ম্মৰ ফলত গ্ৰস্ত হৈ ৰোগ বৃদ্ধি হয়। ৬

৭। যিজনাই তোমালোকৰ কাৰণে পৃথিৱী শয্যা আৰু কাশ ছত অৰ্থাৎ ঘৰৰ ছাল বা আৱৰণৰূপে ৰচনা কৰিছে ওঁক ভয় কৰিবা। মঃ ১। সিঃ ১। সূঃ ২ আঃ ২২॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—আকাশ জানো ছাল হব পাৰে? আকাশক ছাল বা আবৰণ বুলি ধাৰণা কৰা অজ্ঞতাৰ সূচক আৰু হাস্যজনক। যদি কোনোৱে আন কোনো গ্ৰহ বা নক্ষত্ৰক ছাল বা আৱৰণ বুলি ভাবে সেইটো তেওঁৰ নিজস্ব মনৰ কল্পনা মাত্ৰ। ৭ ॥

৮। আমি আমাৰ পয়গম্বৰৰ যোগেদি যি প্ৰকাশ কৰিছো, তাত যদি তোমাৰ সন্দেহ হয়, ঈশ্বৰৰ বাহিৰেও যদি তুমি সত্য বাদী বুলি কব খোজা, তেনেহলে এটা সূৰত (নমুনা) দি সাক্ষী দিয়া। মানুহ, যি নৰকৰ অগ্নিৰ ইন্ধন, সেই অগ্নিক আৰু অবি-শ্বাসীৰ কাৰণে যি প্ৰস্তৰ প্ৰস্তুত আছে, তালৈ ভয় কৰিবা।

মং ১। সিং ১। সূং ২। আং ২৩।২৪॥

সমীক্ষক - তেনেকুৰা এটা সূৰত অৰ্থাৎ কোৰাণৰ দৰে এখন গ্ৰন্থ ৰচনা কৰিব পৰাটোনো কি অসম্ভৱ কথা? সম্ৰাট আকবৰৰ সময়ত মৌলবী ফৈজীয়ে কোনো বিন্দু ১। নবকৰ অগ্নি ব্যৱহাৰ নকৰাকৈয়ে এখন কোৰাণ *১। ৰচনা কৰা নাই জানো? নৰকৰ অগ্নি নো কেনেকুৰা, যাক ভয় কৰিব লাগে? পাৰ্থিব অগ্নিক ভয় কৰিব নেলাগে নেকি? এই অগ্নিয়েও যিহকে পায় তাকে ভস্ম কৰি দিয়ে। কোৰাণত লিখা আছে যে কাফেৰৰ কাৰণে প্ৰস্তৰ প্ৰস্তুত আছে। সেইদৰে পুৰাণতো লিখিছে ম্লেচ্ছবোৰৰ কাৰণে ঘোৰ নৰক প্ৰস্তুত আছে। এই দুটাৰ কাক সত্য বুলি মানিব? দুয়োপক্ষৰ মত অনুসাৰে তেওঁলোকৰ মতাৱলম্বী হলে স্বৰ্গগামী হয়, কিন্তু দুয়োপক্ষৰ মতেই বিপৰীত মতাৱলম্বীবোৰ

*১। আৰবী ভাষাত আচল শব্দ "কুৰআন" ভাৰতীয় ভাষা-বোৰত কুৰাণ, আৰু কোৰাণ বুলি প্ৰচলন হৈ পৰিছে।১ আৰবী আখৰ-বোৰৰ বহুতৰ তলে ওপৰে বিন্দু ব্যৱহাৰ হয়। মৌলবী ফৈজীয়ে তেনে বিন্দু নিদিয়াকৈয়ে কোৰাণ ৰচনা কৰিছিল।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰক-বাসী হব লাগিব। গতিকে দুয়ো মতেই বিশ্বাস যোগ্য নহয়। ন্তু সকলো মততেই সত্য কথা হল এয়ে যে, সৎ আচৰণশীলসকলে খ আৰু অসৎ আচৰণশীলসকলে দুখ ভোগ কৰিব লাগিব। ৮॥

৯। যি সকলৰ ইমান অর্থাৎ বিশ্বাস আছে আৰু যিবিলাকে াল কাম কৰে, তেওঁলোকক এই সুসংবাদ দিবা যে, তেওঁ-লোকৰ কাৰণে বেহেস্ত অর্থাৎ স্বর্গ প্রস্তুত আছে, যি স্বর্গৰ তলেদি নদী প্রবাহিত হৈ আছে। তাত যেতিয়া তেওঁলোকক াবলৈ মিঠা ফল দিয়া হব, তেতিয়া তেওঁলোকে কব যে, সেই স্তু তেওঁলোকক পূর্ব্বেও দিয়া হৈছিল। পবিত্র ৰমণীসকলে তেওঁ লোকক আহ্বান জনাই অপেক্ষা কৰিছে। মং ১। সিঃ ১। সূঃ ২। আঃ ২৪॥

সমীক্ষক—তেনেহলে কোবাণে বর্ণনা দিয়া বেহেস্ত (স্বর্গ) আমাৰ পৃথিবীতকৈ কোন গুণে শ্রেষ্ঠ? পৃথিবীত যিবোৰ বস্তু আছে স্বর্গতো মুছলমানসকলৰ কাৰণে সেইবোৰ বস্তুৰেই আছে, স্বর্গ আৰু পৃথিবীৰ বিশেষ পার্থক্য ইমানেই যে, পৃথিবীত মানুহ জন্ম হলে মৰিবও লাগে, আৰু যাতায়াত কৰে, স্বর্গত তেনে নহয়। ইয়াত কোনো ৰমণী চিৰ-কাল জীৱিত নেথাকে, কিন্তু স্বর্গত চিৰ-জীবিত হৈ থাকে। তেনেহলে কয়ামতৰ ৰাতি, [শেষ প্রলয়ৰ সময়] নোহোৱা পর্য্যন্ত, ইমানখিনি কাল সেই দুর্ভগীয়া নাৰীবোৰে কেনেকৈ অতিবাহিত কৰে? তেওঁলোকৰ প্রতি যদি ঈশ্বৰৰ দয়া থাকে, আৰু সেই নাৰীসকলে যদি তেওঁৰ আশ্রয়ত ইত কাল কটাব পাৰে, তেনেহলে অৱশ্যে ভাল কথা। কিন্তু যি দেখা যায়, মুছলমানসকলৰ সেই বেহেস্ত গোকুলিয়া গোসাঁইসকলৰ গোলোক আৰু মন্দিৰৰ দৰেই। গোলোকত নাৰীৰ সন্মান বেছি, পুৰুষৰ সন্মান নাই। সেইদৰে খোদাৰ গৃহতো নাৰীৰ সন্মান বেছি, তেওঁলোকৰ প্রতি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

খোদাৰ প্ৰেম-মহৱতো বেছি, পুৰুষ সকলৰ প্ৰতি কম। এই কাৰণেই বোধহয় খোদাই 'খুব সুৰত বীবী' অৰ্থাৎ সুন্দৰী নাৰীবোৰ সদায় বেহেস্তত ৰাখিছে; পুৰুষসকলক ৰখা নাই। খোদাৰ মৰ্জি নহলে বীবী-বোৰ স্বৰ্গত সদায় কেনেকৈ থাকিব পাৰিব? খোদা সেই নাৰীসকলৰ প্ৰতি আসক্তও হব পাৰে। ৯॥

১০। আদমক সকলো বস্তুৰ নাম শিকোৱা হ'ল। তাৰ পাছত ফেৰিস্তাবোৰলৈ মুখ কৰি তেওঁ কলে—"যদি তোমালোক সত্যবাদী হোৱা, মোক এই বস্তুবোৰৰ নাম কোৱা"। তেওঁ তেতিয়া আদমক কলে—"হে আদম! এইবোৰৰ নাম কোৱা"। আদমে সকলো বস্তুৰ নাম কৈ দিলে, তেতিয়া খোদাই ফেৰিস্তা-বোৰক কলে, "মই তোমালোকক কোৱা নাই নে যে, মই নিশ্চিতভাবে পৃথিবী আৰু আকাশৰ গুপ্ত বস্তুবোৰ আৰু প্ৰকাশ্য কৰ্ম্মবোৰ জানো? মং ১। সিঃ ১। সূঃ ২। আঃ ৩১। ৩৩॥

সমীক্ষক—এইদৰে ফেৰিস্তা অৰ্থাৎ স্বৰ্গীয় দূতবোৰক প্ৰতাৰিত কৰি নিজৰ যশস্যা গোৱাটো খোদাৰ কাম হব পাৰে নে? এইবোৰ প্ৰতাৰণাৰ বাহিৰে একো নহয়; কোনো বিবেচনাশীল মানুহে এইবোৰ বিশ্বাস নকৰে আৰু তেনে অভিমানো কৰিব নোৱাৰে। এইবোৰৰ দ্বাৰাই খোদাই তেওঁৰ আলৌকিক শক্তিৰ পৰিচয় দিব খুজিছিল নেকি? নিৰ্ব্বোধ জনসাধাৰণক প্ৰতাৰণা কৰি ইচ্ছামতে যি কোনো মতকেই প্ৰবৰ্ত্তন কৰিব পাৰি, কিন্তু সভ্য মানুহৰ মাজত তেনে কৰা সম্ভৱ নহয়। ১০॥

১১। আমি যেতিয়া ঈশ্বৰৰ দূতবোৰক কলো "আদমক প্ৰণাম কৰা"। তেতিয়া সকলোৱে তাকে কৰিলে, কিন্তু চয়তানে সেই কথা নামানি গৰ্ব কৰিলে—কাৰণ সিও এটা কাফেৰ।

মং ১। সিঃ ১। সূঃ ২। আঃ ৩২॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—খোদা যদি সৰ্ব্বজ্ঞ হলহেঁতেন, অৰ্থাৎ ভূত, বৰ্ত্তমান, আৰু ভবিষ্যত জনা হলহেঁতেন, তেনেহলে চয়তানক সৃষ্টিকে নকৰিলে-হেঁতেন। খোদা শক্তিমানো নহয়, কাৰণ, মাত্ৰ এটা কাফেৰ চয়তানে, তেওঁৰ আজ্ঞা লঙ্ঘন কৰা সত্ত্বেও তাক একো কৰিব নোৱাৰিলে। আৰু দেখক, এটা কাফেৰ চয়তানেই খোদাক হতবুদ্ধি কৰিলে। তেনেহলে মুছলমান সকলৰ মতে যত কোটি কোটি কাফেৰ আছে, তাত তেওঁলোকে আৰু তেওঁলোকৰ খোদাই কি কৰিব পাৰিব? খোদাই কাৰোবাৰ ৰোগ বৃদ্ধি কৰে, আৰু কাৰোবাক পথভ্ৰষ্ট কৰে, এইবোৰো খোদাই বোধহয় চয়তানৰ পৰাই শিকিলে। নহলে, খোদায়েই বোধহয় চয়তানক শয়তানি শিকাইছে, কাৰণ খোদাৰ বাহিৰে চয়তানৰ আন কোনো গুৰু হব নোৱাৰে। ১১॥

১২। আমি কলো,—"আদম! তুমি আৰু তোমাৰ ভাৰ্য্যা এই বেহেস্তত থাকি মনৰ আনন্দেৰে ইচ্ছামতে ভোগ কৰা; কিন্তু সেই গছ-জোপাৰ ওচৰলৈ নাযাবা, গলে পাপী হবা।" চয়তানে তেওঁলোকক বিভ্ৰান্ত কৰি স্বৰ্গৰ ভোগ বিলাসৰ পৰা বঞ্চিত কৰিলে। আমি তেতিয়া কলো,—"স্বৰ্গৰ পৰা নামি যোৱা, তোমালোকৰ পৰস্পৰৰ ভিতৰত কোনো শত্ৰু নাছে; তোমালোকৰ বাসস্থান এতিয়া পৃথিবী আৰু তাত তোমালোকে একো একো সময়ত একো একোটা বস্তু পাবা"। আদমে তেওঁৰ প্ৰভুৰ পৰা কিছু কথা শিকি পৃথিবীলৈ আগমন কৰিলে।

মঃ ১। সিঃ ১। সূঃ ২। আঃ ৩৫-৩৭॥

সমীক্ষক—খোদা যে অল্পজ্ঞ, এতিয়া ওলাই পৰিল। আগতে আশীৰ্ব্বাদ দিলে, "স্বৰ্গত থাকা," আকৌ তাৰ পাছত কলে,—"স্বৰ্গৰ পৰা ওলাই যোৱা"। তেওঁৰ ভৱিষ্যতৰ জ্ঞান থকা হলে তেনে বৰ দিলেহেঁতেন জানো? দেখা যায় যে, তেওঁ প্ৰতাৰণাকাৰী চয়তানকো দণ্ড দিয়াত অক্ষম। তেওঁ কাৰ কাৰণে বা কিহৰ কাৰণে সেই বৃক্ষ সৃষ্টি কৰিছিল? তেওঁৰ নিজৰ কাৰণে কৰিছিল নে আনৰ কাৰণে? পৰৰ কাৰণে সৃষ্টি কৰিছিল যদি নিষেধ কৰাৰ কাৰণ কি? গতিকে এইবোৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কথা ঈশ্বৰৰ ৰচিত গ্ৰন্থত থকাটো সম্ভৱ নহয়। আদম চাহেবে খোদাৰ পৰা কিমান বিষয় শিকি আহিছিল? তেওঁ পৃথিবীলৈ কেনেকৈ আহিল। স্বৰ্গখন কোনো পৰ্ব্বত নে আকাশত অৱস্থিত? তেওঁ তাৰ পৰা কেনেকৈ অৱতৰণ কৰিলে? চৰাইৰ দৰে উৰি আহিল নে শিল এডোখৰৰ দৰে ওপৰৰ পৰা পৰিল? যিহেতু আদম চাহাবক মাটিৰেই সৃষ্টি কৰা হৈছে, গতিকে স্বৰ্গতো মাটিয়েই আছে। আৰু ঈশ্বৰৰ দূতবোৰবো বোধহয় সেইদৰেই সৃষ্টি হৈছে। কাৰণ, পাৰ্থিৱ দেহ নহলে ইন্দ্ৰিয়ৰ সুখ ভোগ হব নোৱাৰে। পাৰ্থিৱ দেহৰ মৃত্যু আছে, মৃত্যুৰ পাছত তেওঁলোক স্বৰ্গৰ পৰা কলৈ যায়? মৃত্যু নাথাকিলে জন্মও হব নোৱাৰে। জন্ম যেতিয়া আছে, মৃত্যুও নিশ্চয় আছে। সেয়ে যদি হয়, ৰমণীসকলে চিৰকাল স্বৰ্গত বাস কৰি থাকে বুলি কোৱাৰে কোৱা কথা মিছা; কাৰণ তেওঁলোকৰ মৃত্যু নিশ্চিত। গতিকে স্বৰ্গবাসীসকলৰো মৃত্যু অৱশ্যম্ভাবী। ১২॥

১৩। সেই দিনটোলৈ ভয় কৰিবা, যিদিনা কোনো জীৱে কোনো জীৱৰ ওপৰত ভৰসা নাৰাখিব, কাৰো অনুৰোধ ৰক্ষা কৰা নহব, কাৰো পৰা ক্ষতি পূৰণ গ্ৰহণ কৰা নহব আৰু কোনোৱেই সাহায্যও নেপাব। মঃ ১। সিঃ ১। সূঃ ২। আঃ ৪৮॥

সমীক্ষক—বৰ্ত্তমান দিনবোৰত ভয় কৰিব নেলাগে নেকি? কুকৰ্ম্মৰ কাৰণে সদায় ভয় কৰা উচিত। "পয়গম্বৰৰ সাক্ষী অথবা চুপাৰিচ অনুসাৰে খোদাই স্বৰ্গ দান কৰিব, এই কথা তেনেহলে কেনেকৈ সঁচা হব, যদি অনুৰোধ ৰক্ষা নকৰে? খোদা কেৱল স্বৰ্গবাসীসকলৰহে সহায়ক নেকি? তেওঁ যদি অকল নৰকবাসীবোৰৰহে সহায়ক নহয়, তেনেহলে তেওঁ পক্ষপাতী হব। ১৩॥

১৪। আমি মুছাক কিতাপ আৰু আলৌকিক শক্তি দিলো, আৰু তেওঁক কলো, "তুমি নিন্দিত বান্দৰ হৈ যোৱা"। সম্মুখত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰো আৰু কাষত থকা বিলাককো এই ভয় দেখুৱালো, আৰু বিশ্বাসী সকলকো শিক্ষা দিলো। মঃ ১। সিঃ ১। সূ ২ আঃ ৫৩।৬৫।৬৬।

সমীক্ষক—মুছাক কিতাপ দিছে যদি কোৰাণৰ প্ৰকাশ নিৰৰ্থক। ইঞ্জিল আৰু কোৰাণতো লিখা আছে যে, ঈশ্বৰে মুছাক অলৌকিক শক্তি দিছিল; কিন্তু সেই কথা বিশ্বাস যোগ্য নহয়। কাৰণ যি পূৰ্ব্বত আছিল সি এতিয়াও থকা উচিত। যিহেতু বৰ্ত্তমান কাৰো অলৌকিক শক্তি নাই, গতিকে পূৰ্ব্বতো নাছিল। আজি কালি যেনেকৈ স্বাৰ্থপৰ লোকে নিৰ্ব্বোধ সাধাৰণ মানুহৰ আগত পাণ্ডিত্যৰ ভাও ধৰে, বোধহয় সেই যুগতো তেনেকুৱা ভণ্ডামি কৰা হৈছিল। খোদা আৰু তেওঁৰ ভক্তসকল এতিয়াও বিদ্যমান আছে, তেনেহলে খোদাই আজি-কালি, তেওঁৰ কোনো ভক্তকে অলৌকিক শক্তি নিদিয়ে কিয়? আজি-কালি কোনেও অলৌকিক শক্তি প্ৰদৰ্শন কৰিব নোৱাৰে কিয়? ঈশ্বৰে যদি মুছাক কিতাপ দিছিলেই, তেনেহলে আকৌ কোৰাণ প্ৰেৰণ কৰাৰ কি প্ৰয়োজন আছিল? সৎ কৰ্ম্ম কৰা আৰু অসৎ কৰ্ম্ম নকৰাৰ বিষয়ে সকলোৰে উপদেশ একেই। এক কথাকেই ভিন্ন ভিন্ন কিতাপত লিখিলে পুনৰুক্তি দোষ হয়। মুছা আদিক যি যি পুস্তক দিয়া হৈছিল, তাৰ ভিতৰত খোদাৰ কিবা ভুল হৈছিল নেকি? খোদাই যদি কেৱল ভয় দেখুৱাবৰ কাৰণেই 'নিন্দিত বান্দৰ' হবলৈ কৈছিল তেনেহলে তেওঁৰ বাক্য মিছা অথবা তেওঁ ছলনা কৰিছিল। যি এনেবোৰ কথা কয়, তেওঁ খোদা হব নোৱাৰে আৰু যি পুস্তকত এনেবোৰ কথা আছে সেই পুস্তক খোদাৰ ৰচিত হবও নোৱাৰে। ১৪।

১৫। এইদৰে খোদাই মৃতবোৰক পুনৰ্জীৱিত কৰে আৰু তোমালোকক তাৰ সাঙ্কেতিক চিনবোৰ দেখুৱায়; তোমালোকে যাতে বুজিব পাৰা। মঃ ১। সিঃ ১। সূঃ ২ আঃ ৭৩।

সমীক্ষক—খোদাই মৃতকসকলক পুনৰ্জীৱিত কৰিছিল যদি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এতিয়াও নকৰে কিয় ? কয়ামতৰ ৰাতি পৰ্য্যন্ত জীৱবোৰ কবৰৰ ভিতৰত কিয় পৰি থাকিব লাগে ? মৃতকবোৰ বৰ্ত্তমান বিচাৰালয়ৰ বিচাৰাধীন হৈ আছে নেকি ? কেৱল এইকিটাই ঈশ্বৰৰ সঙ্কেত চিন নেকি ! পৃথিৱী, চন্দ্ৰ, সূৰ্য্য আদি খোদাৰ সঙ্কেত নহয় নেকি ? ভিন্ন ভিন্ন সৃষ্টি প্ৰত্যক্ষ কৰি খোদাৰ সঙ্কেত জানিব নোৱাৰি নেকি ? ১৫।।

১৬। তেওঁ চিৰকাল বেহেস্ত অৰ্থাৎ বৈকুণ্ঠবাসী।
মঃ ১। সিঃ ১। সূ ২। আঃ ৮২।।

সমীক্ষক—কোনো জীৱৰেই অনন্ত পাপ বা পুণ্য কৰিবৰ সামৰ্থ্য নাই ; গতিকে সদৈব স্বৰ্গ বা নৰকত থাকিব নোৱাৰে, এনেকুৱা বিচাৰ কৰিলে খোদা অন্যায়কাৰী আৰু অবিবেচকহে হব। কয়ামতৰ ৰাতিত পাপ পুণ্যৰ ন্যায় বিচাৰ যদি হয়, মানুহৰ পাপ পুণ্যও সমান হোৱা উচিত। কৰ্ম্ম যদি অনন্ত নহয়, কৰ্ম্মৰ ফল অনন্ত কেনেকৈ হব ? যদি জগতৰ সৃষ্টি হবৰ সাত বা আঠ হেজাৰ বছৰ হৈছে বুলি ধৰা হয়, তেনেহলে তাৰ আগত খোদা নিষ্কৰ্ম্মা হৈ আছিল নেকি ? আৰু কয়ামতৰ পাছতো তেওঁ নিষ্কৰ্ম্মা হৈ থাকিব নেকি ? এইবোৰ লৰাৰ কথাৰ দৰে ; কাৰণ পৰমেশ্বৰৰ কাৰ্য্য নিত্য বৰ্ত্তমান। যাৰ যিমান পৰিমাণৰ পাপ বা পুণ্য, সেই সেই পৰিমাণৰ ফল তেওঁ পায় ; গতিকে কোৰাণৰ এইবোৰ কথা সঁচা হব নোৱাৰে। ১৬।।

১৭। আমি তোমালোকক প্ৰতিজ্ঞাবদ্ধ কৰিছো যে, তোমালোকে নিজৰ পৰস্পৰৰ ভিতৰত ৰক্তপাত নকৰিবা আৰু পৰস্পৰে ঘৰৰ পৰা উচ্ছেদ যাতে নকৰা। তোমালোকৰ প্ৰতিজ্ঞাৰ সাক্ষী তোমালোক প্ৰত্যেকে নিজে নিজে। কিন্তু তোমালোকেই চোন পৰস্পৰক হত্যা কৰিব লাগিছা, আৰু তোমালোকৰে দলা-দলি হৈ এদলে আনদলক ঘৰৰ পৰা উচ্ছেদ কৰিছা।
মঃ ১। সিঃ ১। সূঃ ২। আঃ ৮৪।৮৫ ।।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—প্ৰতিজ্ঞা কৰা বা কৰোঁৱা অল্পজ্ঞৰহে কাম, পৰমেশ্বৰৰ ৰ। পৰমেশ্বৰ সৰ্ব্বজ্ঞ, তেওঁ সাধাৰণ মানুহৰ দৰে কঠোৰতা অৱলম্বন িব কিয়? কেৱল স্বমতাৱলম্বীসকলৰ ভিতৰত ৰক্তপাত নকৰিব আৰু তেওঁ- কৰ ভিতৰত পৰস্পৰৰ ঘৰ-বাৰী উচ্ছেদ নকৰিব। অৰ্থাৎ ভিন্ন মতাৱলম্বীৰ িৰ। এনেবোৰ ধাৰ্ম্মিকৰ আচৰণ হব নোৱাৰে। পক্ষপাতিতা আৰু অজ্ঞ- ৰ পৰা এনেবোৰ অসদাচৰণ হয়। তেওঁলোকে যে প্ৰতিজ্ঞা ভঙ্গ িৰ এই কথা সৰ্ব্বজ্ঞ ঈশ্বৰে আগতেই নাজানিছিল নেকি? মুছলমান লৰ ঈশ্বৰৰ স্বৰূপ খ্ৰীষ্টীয়ানৰ ঈশ্বৰৰ দৰেই আৰু কোৰাণো বাইবেলতকৈ ম্পূৰ্ণ ভিন্ন নহয়। কাৰণ কোৰাণৰ কেইটামান বিশেষ উপদেশৰ বাহিৰে ৰো সকলোবোৰ বাইবেলতেই আছে। ১৭ ॥

১৮। যিসকলে আখৰতৰ অৰ্থাৎ পৰলোকৰ কাৰণে ইহ- জীৱন ক্ৰয় কৰিছে (অৰ্থাৎ পৰজন্মৰ আশা কৰা নাই) তেওঁলোকৰ পাপ কেতিয়াও লাঘৱ নহব আৰু সহায়তাও নেপাব।

মঃ ১ সিঃ ১। সূঃ ২। আঃ ৮৬ ॥

সমীক্ষক—ঈশ্বৰৰ জানো ঈৰ্ষা-দ্বেষ থাকিব পাৰে? কাৰ পাপ ঘৱ কৰিব আৰু কাক সহায় কৰিব? পাপীক পাপৰ দণ্ড নিদি লাঘৱ ৰিলে অন্যায় হব। দণ্ড দি পাপ লঘু কৰা হলে, এই ক্ষেত্ৰত যাৰ ল্লেখ আছে, তেওঁলোকেও দণ্ড পাই লঘু হব পাৰে। দণ্ড দিও যদি প লঘু কৰা নহয় তেনেহলে অন্যায় হব। যাৰ পাপ লঘু কৰাৰ কথা, ওঁলোক ধৰ্ম্মপৰায়ণ হলে, স্বভাৱতেই লঘু তেনেহলে খোদাই কৰিব ? গতিকে এইবোৰ বিদ্বানৰ লিখা নহয়। নিজৰ নিজৰ কৰ্ম্মানুসাৰে ৰ্ম্মিকৰ সুখ আৰু অধাৰ্ম্মিকৰ দুখ হোৱা উচিত। ॥ ১৮

১৯। নিশ্চিতভাৱে আমি বিধি পুস্তক মুছাক দিছো,আৰু তেওঁৰ ছত পয়গম্বৰো পঠাইছো, আৰু মেৰীৰ পুত্ৰ যীচুক আৰু তেওঁৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

লগত ৰূহুল কুদসকো [জিব্ৰাঈল, যি সদায় যীচুৰ লগত থাকে] দৈৱী শক্তি দিছো। যি তোমালোকৰ প্ৰীতিকৰ নহয়। যেতিয়া সেই বস্তুলৈ পয়গম্বৰ তোমালোকৰ আগলৈ গৈছে, তোমালোকে অভিমানত এটা মস্তক মিছা বুলিলা আৰু এজনক হত্যা কৰিলা।

মং ১। সিং ১। সূঃ ২। আঃ ৮৭॥

সমীক্ষক—মুছাক বিধি পুস্তক দিয়া হৈছে, ইয়াৰ প্ৰমাণ কোৱাংেই দিছে, গতিকে মুছলমানে সেই কথা বিশ্বাস কৰা উচিত। সেই পুস্তকত যিবোৰ দোষ দেখা যায় সেইবোৰোক মুছলমান মতবেই দোষ হব। দৈৱীশক্তিৰ কথাবোৰ মিছা, সৰল সাধাৰণ মানুহৰ বিশ্বাস জন্মোৱাৰ কাৰণেই মিছা কথা ৰচনা কৰি প্ৰচাৰ কৰা হৈছে। কাৰণ যি সৃষ্টি বিজ্ঞান বিৰুদ্ধ সি মিছা। তেতিয়া যদি দৈৱশক্তি আছিল, এতিয়া নাই কিয়? এতিয়া যদি নাই তেতিয়াও নাছিল, এই বিষয়ে কোনো সন্দেহ নাই। ১৯॥

২০। ইয়াৰ আগতে কাফেৰবোৰক বিজয় কৰিবলৈ বিচাৰিছিল। যেতিয়া সেই বস্তু আহিল সিহতেঁ চিনি পায়ো ঘপৰাই কাফেৰ হৈ পৰিল। কাফেৰবোৰৰ ওপৰত আল্লাহৰ লানত (শাপ) আছে। মঃ ১। সিঃ ১। সূ ২। আঃ ৮৯।

সমীক্ষক—আপোনালোকৰ মতে যেনেকৈ ভিন্ন মতাৱলম্বীবোৰ কাফেৰ সেইদৰে তেওঁলোকৰ মতেওতো আপোনালোকক কাফেৰ বুলিব পাৰি? তেওঁলোকৰ মতে তেওঁলোকৰ ঈশ্বৰেও আপোনালোকক শাপ দিব পাৰে। তেনেহলে কাৰ মত সঁচা আৰু কাৰ মত মিছা? বিচাৰ বিবেচনাৰে অনুসন্ধান কৰি চালে সকলো মমতেই মিছা পোৱা যায়; কিন্তু সত্যৰ সদাই সকলোতে এক ৰূপ। বাদবিবাদৰ মুল হ'ল অজ্ঞতা ২০॥

২১। বিশ্বাসীসকলৰ প্ৰতি আল্লাহৰ সু-সমাচাৰ, এই যে,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আল্লাহ, দেবদূতসকল, পয়গম্বৰসকল, জিব্রাইল আৰু মাইকেলৰ শত্রুবোৰ কাফেৰ শত্রু, আল্লাহো তেনে কাফেৰবোৰৰ শত্রু। মঃ ১। সিঃ ১। সূঃ ২। আঃ ৯৭।৯৮ ॥

সমীক্ষক—মুছলমানৰ মতে খোদা লাশৰীক অর্থাৎ খোদাৰ অংশীদাৰ নাই। তেনেহলে এই অংশীদাৰবাহিনী কৰ পৰা হল? যি তেওঁলোকৰ শত্রু সি খোদাৰো শত্রু হব পাৰে নেকি? এনে কথা সঁচা হব নোৱাৰে, কাৰণ ঈশ্বৰ কাৰো শত্রু হব নোৱাৰে। ২১ ॥

২২। তোমালোকে ক্ষমা প্রার্থনা কৰা যদি, তোমালোকৰ পাপ ক্ষমা কৰিম আৰু সৎকর্ম্ম কৰোতাসকলক অধিক ক্ষমা কৰিম। মঃ ১। সি ১। সূঃ ২। আঃ ৫৮ ॥

সমীক্ষক—খোদাৰ যদি এনেকুৱা উপদেশ হয়, তেনেহলে সকলোৱে পাপত প্রবৃত্ত নহবনে? কাৰণ, পাপ ক্ষমা হোৱাৰ আশা থাকিলে পাপ কৰিবলৈ কোনে ভয় কৰিব? গতিকে এনে উপদেশ দিয়াজন খোদা হব নোৱাৰে আৰু এনে উপদেশ থকা গ্রন্থও খোদাৰ ৰচিত হব নোৱাৰে। খোদা সদায় ন্যায়কাৰী, তেওঁ কেতিয়াও কাৰো অন্যায় নকৰে, কিন্তু তেওঁ পাপ ক্ষমা কৰিলে অন্যায়কাৰী হব। ২২॥

২৩। মুছাই যেতিয়া স্বজাতীয়সকলৰ কাৰণে পানী খুজিলে, আমি তেতিয়া তেওঁক নিজৰ লাখুটি ডালেৰে শিলত মাৰিবলৈ কলো, তেতিয়া শিলৰ মাজৰ পৰা ১২ টা প্রস্রৱণ [চশ্মা] ওলাই পৰিল। মঃ ১। সিঃ ১। সূঃ ২। আঃ ৬০ ॥

সমীক্ষক—শুনক, এনেকুৱা অসম্ভৱ কথা কোনে কব পাৰে? এটা শিলত লাখুটিৰে টঙনিয়ালে ১২ টা প্রস্রৱণ ওলোৱা একেবাৰেই অসম্ভৱ কথা। শিল এটাৰ মাজত খুলি, সেই খোলনিৰ পৰা ১২টা ফুটা ওলিয়াই দি, সেই খোলনিত পানী ঢালি দিলে সেইটো অৱশ্যে সম্ভৱ হব পাৰে। ২৩।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

২৪। আল্লাহৰ যাৰ প্ৰতি ইচ্ছা হয়, তাক প্ৰধান আৰু দয়াৰ পাত্ৰ কৰে। মঃ ১। সিঃ ১। আঃ ১০৫ ॥

সমীক্ষক—যি প্ৰধানৰ আৰু দয়াৰ যোগ্য নহয় তাকো দয়া কৰে নেকি? খোদাৰ এনেকুৱা ইচ্ছা হলে মহাগোলমাল হ'ব, তেতিয়া, ভাল কাম কোনে কৰিব আৰু বেয়া কাম কৰিবলৈ বা কোনে এৰিব? কাৰণ সকলো খোদাৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে, কৰ্ম্মফলত নিৰ্ভৰ নকৰে। এনেকুৱা অনিশ্চয় হলে, সকলোৱে ভাল বেয়া কৰ্ম্মৰ প্ৰতি উদাসীন হব, যিহেতু কৰ্ম্মফল নিৰৰ্থক। ২৪ ॥

২৫। কাফেৰবোৰে যেন ঈৰ্য্যাত তোমালোকক বিশ্বাসৰ পৰা বিচলিত নকৰে; কাৰণ সিহঁতৰো বিশ্বাসীসকলৰ অনেকৰ লগত বন্ধুত্ব আছে। মঃ ১। সিঃ ১। সূঃ ২। আঃ ১০৯ ॥

সমীক্ষক—এতিয়া চ'ক, স্বয়ং খোদায়েই তেওঁলোকক সাৰধান কৰিছে, কাফেৰবোৰে যেন তেওঁলোকক বিশ্বাসৰ পৰা বিচলিত নকৰে। তেনেহলে খোদা সৰ্ব্বজ্ঞ নহয় নেকি? এইবোৰ খোদাৰ কথা বুলি কলে সচাঁ বুলি মানিব নোৱাৰি ২৫।

২৬। তোমালোকে যিফালেই মুখ কৰা সেইফালেই আল্লাৰ মুখ আছে। মঃ ১। সিঃ ১। সূঃ ২। আঃ ১১৫ ॥

সমীক্ষক—এই কথা যদি সঁচা হয় তেনেহলে মুছলমান সকলে মক্কাৰ ফালে মুখ কৰাৰ কাৰণ কি? যদি কয় যে, মক্কাৰ ফালে মুখ কৰিবলৈ আদেশ আছে, তেনেহলে "যি ফালে ইচ্ছা সেইফালেই মুখ কৰিব পাৰে" এই আদেশো দেখোন আছে। তেনেহলে কোনটো সচা? আল্লাহৰ যদি মুখ আছে। এখন মুখ সকলো পিনে থাকিব নোৱাৰে, এফালেহে থাকিব। গতিকে ইয়াৰ কোনো যুক্তি নাই। ২৬ ॥

২৭। যি আকাশ আৰু পৃথিবীৰ সৃষ্টি কৰ্ত্তা তেওঁ যেতিয়া

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যি কৰিব খোজে কৰিব নেলাগে, "হ" বুলি কলেই হৈ যায়।

ম: ১। সি: ১। সূঃ ২। আ: ১১৭॥

সমীক্ষক—খোদাই জানিবা হুকুম দিলে "হ" বুলি, কিন্তু হুকুম শুনিলে কোনে? আৰু কাক শুনালে? কি সৃষ্টি হল? কিহৰ পৰা সৃষ্টি হল অৰ্থাৎ কি মূল উপাদানৰ পৰা সৃষ্টি হল? জগত সৃষ্টিৰ পূৰ্ব্বে এক খোদাৰ বাহিৰে আন একোৱেই নাছিল, তেনেহলে এই জগত-খন ক'ৰ পৰা আহিল? বিনা কাৰণে কোনো কাম হব নোৱাৰে, এই বিশাল জগতখন কোনো মূল বস্তু নোহোৱাকৈ কিহৰ পৰা হ'ল? গতিকে এইবোৰ কথা বালকৰ দৰে। ২৭॥

পূৰ্ব্বপক্ষী—খোদাৰ ইচ্ছাৰ পৰাই উৎপন্ন হল।

উত্তৰপক্ষী—আপোনালোকৰ ইচ্ছাত এটা মাখিৰ ঠেঙো উৎপন্ন হব পাৰেনে? যদি নোৱাৰে খোদাৰ ইচ্ছাত জগতখন উৎপন্ন হোৱা বুলি কেনেকৈ কয়?

পূৰ্ব্বপক্ষী—খোদা সৰ্ব্বশক্তিমান, গতিকে যি ইচ্ছা তাকে কৰে।

উত্তৰপক্ষী—সৰ্ব্বশক্তিমানৰ অৰ্থ কি?

পূৰ্ব্বপক্ষী—যি ইচ্ছা তাকে কৰিব পাৰে।

উত্তৰপক্ষী—তেনেহলে খোদাই দ্বিতীয় এজন খোদা সৃষ্টি কৰিব পাৰে নেকি? নিজেই মূৰ্খ, ৰোগী হব পাৰে নে? বা মৰিব পাৰেনে?

পূৰ্ব্ব পক্ষী—এইবোৰ কেতিয়াও সম্ভৱ নহয়।

উত্তৰ পক্ষী—গতিকে খোদাই নিজৰ বা আনৰ গুণ কৰ্ম্ম আৰু স্বভা-ৱৰ বিৰুদ্ধ কোনো কাম কৰিব নোৱাৰে। সংসাৰত যেই কোনো বস্তু নিৰ্ম্মাণ কৰিবলৈ বা কৰাবলৈ তিনটা পদাৰ্থ অৰ্থাৎ কাৰণৰ আৱশ্যক। উদাহৰণ স্বৰূপে এটা ঘট সৃষ্টি কৰিবলৈ, কুমাৰ, মাটি আৰু সজুলিৰ আৱশ্যক হয়। এই ৩টা কাৰণ নহলে ঘট সৃষ্টি হব নোৱাৰে আৰু ঘটৰ সৃষ্টি হোৱাৰ আগতো এই তিনিটা কাৰণ বা পদাৰ্থ বিদ্যমান থাকে। সেইদৰেই জগত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সৃষ্টি হোৱাৰ পূৰ্ব্বে জগতৰ উপাদান কাৰণ প্ৰকৃতি আৰু প্ৰকৃতিৰ অনাদি গুণ, কৰ্ম্ম, স্বভাৱ বিদ্যমান অৰ্থাৎ আছে। গতিকে কোৰাণৰ জগতসৃষ্টিৰ কথা অসম্ভৱ। ২৭॥

কাবা অৰ্থাৎ মক্কাৰ উপাসনা মন্দিৰ

২৮। আমি মানুহৰ কাৰণে কাবাক পবিত্ৰ স্থান ৰূপে সৃষ্টি কৰিছো, তোমালোকে নামাজৰ কাৰণে আব্ৰাহমৰ স্থানত আশ্ৰয় গ্ৰহণ কৰা। মঃ ১। সিঃ ১। সূঃ ২। আঃ ১২৫॥

সমীক্ষক—কাবা সৃষ্টি হোৱাৰ আগতে খোদাই আন কোনো পবিত্ৰ স্থান সৃষ্টি কৰা নাছিল নেকি? কৰিছিল যদি কাবা নিৰ্ম্মাণ কৰাৰ কোনো আৱশ্যকেই নাছিল, আৰু যদি নাই কৰা, তেনেহলে তাৰ আগত যি সকলে জন্ম গ্ৰহণ কৰিছিল সেই বেছেৰাসকলৰ কাৰণে কোনো পবিত্ৰ স্থান নাছিল নেকি? অথবা আগতেই পবিত্ৰ স্থান সৃষ্টি কৰিবলৈ ঈশ্বৰৰ মনত নপৰিল নেকি? ২৮॥

২৯। কেৱল হতবুদ্ধি মানুহৰ বাহিৰে কোনে আব্ৰাহমৰ দীন অৰ্থাৎ ধৰ্ম্মৰ পৰা বিপৰীত হব? আমি তেওঁকেই মনোনীত কৰিছো। তেওঁ নিশ্চয় আখৰত অৰ্থাৎ পৰলোকত নেক অৰ্থাৎ ধাৰ্ম্মিক হব। মঃ ১। সিঃ ১। সূঃ ২। আঃ ১৩০।

সমীক্ষক—যি আব্ৰাহমৰ দীন অৰ্থাৎ ধৰ্ম্ম গ্ৰহণ নকৰে তেওঁলোক মূৰ্খ! এইটো অসম্ভৱ কথা নহয় নে? আব্ৰাহমকেই যে খোদাই মনোনীত কৰিলে তাৰ কাৰণ কি? ধৰ্ম্মপৰায়ণতাৰ কাৰণে যদি কৰিছে, তেনেহলে ধৰ্ম্মপৰায়ণ লোক আৰু থকাটো সম্ভৱ। ধৰ্ম্মপৰায়ণ নহলেও যদি কৰিছে তেনেহলে অন্যায় হৈছে। ধৰ্ম্মপৰায়ণ ঈশ্বৰৰ প্ৰিয় আৰু অধৰ্ম্মপৰায়ণ যে প্ৰিয় নহয় এই কথা অৱশ্যে সত্য। ২৯॥

৩০। তোমাক আকাশৰ ফালে মুখ কৰা আমি নিশ্চয় দেখিছো, আমি নিশ্চয় তোমাক কাবাৰ অভিমুখী কৰিম, যি তোমাৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হব। গতিকে তোমাৰ মুখ মস্‌জিদুল্‌হৰানৰ ফালে ঘূৰুৱা। লাগে যতেই থাকা তোমাৰ মুখ সেইফালে কৰিবা।

মঃ ১। সিঃ ১। সূঃ ২। আঃ ১৪৪ ॥

সমীক্ষক—এইবোৰ বুৎপৰস্তী অৰ্থাৎ মূৰ্ত্তি পূজাতকৈ কোন গুণে ? নে মূৰ্ত্তি পূজাতকৈও বহুত বঢ়া ?

পূৰ্ব্ব পক্ষী—আমি মুছলমানবিলাক বুৎপৰস্ত অৰ্থাৎ মূৰ্ত্তি পূজক নহওঁ চিকণ অৰ্থাৎ মূৰ্ত্তি ধ্বংসকাৰীহে, কাৰণ আমি কাবাক খোদা বুলি ভাবো।

উত্তৰপক্ষী—যাক আপোনালোকে বুৎপৰস্ত বুলি ভাবে, তেওঁলোকেও মূৰ্ত্তিক ঈশ্বৰ বুলি নাভাবে। মূৰ্ত্তিৰ আগত ঈশ্বৰক স্মৰণ কৰে। আপোনালোক (বুৎ) মূৰ্ত্তি ভাঙোতাই হয়, তেনেহলে সেই কাবা বুৎ কাবা মস্‌জিদৰূপী মূৰ্ত্তিক ভঙা নাই কিয় ?

পূৰ্ব্ব পক্ষী—আপুনি কি জানে ? আমাৰ কিবলে (কাবা মক্কা)ৰ মুখ কৰিবলৈ কোৰাণ ছৰীফত হুকুম আছে, কিন্তু তেওঁলোকৰ (মূৰ্ত্তি পূজকসকলৰ) তেনে আদেশ বেদত নাই, তেনেহলে তেওঁলোক মূৰ্ত্তি পূজক নহব কিয় ? আমি মূৰ্ত্তি-পূজক নহওঁ, আমি খোদাৰ হুকুম মানিব লাগিব।

উত্তৰপক্ষী— আপোনালোকৰ কাৰণে যেনেকৈ কোৰাণ ছৰীফত আছে, সেইদৰেই তেওঁলোকৰ কাৰণেও পুৰাণত আজ্ঞা আছে। আপোনালোকে যেনেকৈ কোৰাণক খোদাৰ কলাম (আদেশ) বুলি ভাবে পৌৰাণিক মতাবলম্বীসকলেও পুৰাণক খোদাৰ অৱতাৰ ব্যাস মুনিৰ বচনক খোদাৰ বাণী বুলি ভাবে। আপোনালোক আৰু তেওঁলোকৰ ভিতৰত মূৰ্ত্তি পূজাৰ স্বৰূপৰ একো পাৰ্থক্য দেখা নাযায়, কিন্তু আপোনালোকৰ তেওঁলোকতকৈ এখোপ চৰাহে। যেনেকৈ কাবোবাৰ ঘৰৰ পৰা মেকুৰী

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

খেদিবলৈ যাওঁতে উট সোমাই গ'ল, সেইদৰেই হজৰত মহম্মদ চাহেৱেও মুছলমান মতৰ পৰা সামান্য মূৰ্ত্তি-পূজা বাহিৰ কৰোতে মক্কাৰ মস্‌জিদৰূপী পৰ্ব্বতাকাৰ বৃহৎ মূৰ্ত্তিপূজা সোমাই গ'ল। ইয়াক কম মূৰ্ত্তি পূজা বুলিব পাৰি নে? গতিকে আপোনালোকেও যদি বৈদিক মত স্বীকাৰ কৰে তেনেহলে মূৰ্ত্তি পূজা আদি কু-কৰ্ম্মৰ পৰা সম্পূৰ্ণ নিষ্কৃতি পাব পাৰে। তাৰ বাহিৰে নিষ্কৃতি নাই। যেতিয়ালৈকে আপোনালোকে বৃহৎ-মূৰ্ত্তি পূজা পৰিত্যাগ নকৰে, তেতিয়ালৈকে আনৰ সামান্য-মূৰ্ত্তি পূজাৰ নিন্দা নকৰি, মস্‌জিদ পূজাৰ অন্ধবিশ্বাসৰ পৰা বিৰত হৈ আপোনালোকৰ ভিতৰত সংস্কাৰ কৰাহে পৰম কৰ্ত্তব্য হব। ৩০ ॥

৩১। যিসকল আল্লাহৰ পথত নিহত হয়, তেওঁলোকক মৰা বুলিব নোৱাৰি; তেওঁলোক জীৱিত। মঃ ১। সিঃ ১। সূঃ ২। আঃ ১৫৪॥

সমীক্ষক—ঈশ্বৰৰ পথত মৰিবৰ বা মাৰিবৰ নো প্ৰয়োজন কি? নিজৰ স্বাৰ্থ সিদ্ধি কৰাই উদ্দেশ্য বুলি মকয় কিয়? প্ৰলোভন আৰু ফুচুলনিত হোজা মানুহে মৰণত শৰণ লৈ উৎসাহেৰে যুঁজিব, ফলত আমি বিজয়ী হ'ম, হোজা মানুহে নিৰ্ভয়েৰে হত্যা আৰু লুটপাত কৰিব, তাৰ পৰা আমি ঐশ্বৰ্য্যশালী হৈ বিজয়ৰ সুখ ভোগ কৰিম, এনে স্বাৰ্থসিদ্ধিৰ বাবেহে এনেবোৰ বিপৰীত কৰ্ম্ম কৰা বা কৰোৱা হয়। ৩১ ॥

৩২। আল্লাহ কঠোৰ শাস্তিদাতা। চয়তানৰ অনুসৰণ নকৰিবা; চয়তান তোমাৰ প্ৰত্যক্ষ শত্ৰু। অসৎ আৰু নিৰ্লজ্জ কৰ্ম্মৰ বাহিৰে আন কৰ্ম্মত তোমাক সি প্ৰেৰণা নিদিয়ে। আল্লাহৰ বিষয়ে যি তোমালোকে নাজানা তাকেই কব। মঃ ১। সিঃ ১। সূঃ ২। আঃ ১৬৫।১৬৮।১৬৯ ॥

সমীক্ষক—দয়ালু খোদাই পাপী আৰু পুণ্যবান সকলোকে শাস্তি দিয়ে নেকি? অথবা তেওঁ মুছলমানবোৰক দয়া কৰে, বাকীবোৰক দুখ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰ্য তেনেকুৱা হলে তেওঁ খোদা হবই নোৱাৰে। ঈশ্বৰ যদি পক্ষ-পাতী নহয়, তেনেহলে ধাৰ্ম্মিকসকলৰ প্ৰতি সদয় আৰু অধাৰ্ম্মিকবোৰক শাস্তি দিব। গতিকে হজৰত মোহম্মদ চাহেবক মধ্যবৰ্ত্তীৰূপে মনাৰ আৰু তেওঁৰ বিশ্বাস কৰাৰ কোনো আৱশ্যক নকৰে। যি চয়তান সকলোৰে অনিষ্টকাৰী শত্ৰু, তাক খোদাই সৃষ্টি কৰিলে কিয়? ভৱিষ্যতত কি কৰিব পাৰে তাক তেওঁ নাজানিছিল নেকি? যদি কয় যে, তেওঁ সকলো জানিছিল, কিন্তু পৰীক্ষা কৰিবৰ কাৰণেই সৃষ্টি কৰিছে, তেনেহলেও সেয়া হব নোৱাৰে, কাৰণ যি পৰীক্ষা কৰিলেহে জানে, তেওঁ অল্পজ্ঞ। ঈশ্বৰ সদা সৰ্ব্বজ্ঞ, তেওঁ সকলোৰে সৎ অসৎ কৰ্ম্ম সদায় ভালদৰে জানে। তেওঁ সকলোৰে অন্তৰ্যামী। আৰু যদি চয়তানে সকলোকে বিভ্ৰান্ত কৰে, তেনেহলে চয়তানক নো বিভ্ৰান্ত কৰে কোনে? আৰু যদি কৰ যে, চয়তান নিজে নিজেই বিভ্ৰান্ত হয়, তেনেহলে আনেও নিজে নিজে বিভ্ৰান্ত হব পাৰে। মধ্যবৰ্ত্তী চয়তানৰ নাম লবৰ আৱশ্যক কি? খোদা-ই যদি চয়তানকো বিভ্ৰান্ত কৰে, তেনেহলে খোদা চয়তানকৈও চয়তান। ঈশ্বৰৰ এনেবোৰ লক্ষণ হব নোৱাৰে। মানুহে নিজৰ নিজৰ অজ্ঞানতাৰ কাৰণে কুসঙ্গ আৰু অসৎ পথ অৱলম্বন কৰি বিপথগামী হয়। ৩২॥

৩৩। মৰা জন্তু, তেজ, সুৱৰৰ গোস্ত (গাহৰিৰ মঙহ) আৰু আল্লাহৰ নাম নলৈ আনৰ নাম লোৱা—তোমালোকৰ কাৰণে হাৰাম (নিষিদ্ধ)। মঃ ১। সিঃ ১। সূঃ ২। আঃ ১৭৩॥

সমীক্ষক—মৰা মানে নিজে নিজে মৰিলেও মৰা, আনে মাৰিলেও মৰা, দুয়োটাৰ ভেদ অৱশ্যে আছে। কিন্তু দুয়োটাই যে মৰা তাত কোনো ভেদ নাই। কেৱল গাহৰিৰ মাংসহে যে নিষেধ কৰিছে বাকী অন্য পশু-পক্ষীৰ আৰু মানুহৰ মাংসও খাব পাৰে নেকি? পৰমেশ্বৰৰ নামত জীৱ জন্তুক ঘোৰ কষ্ট দি প্ৰাণ বধ কৰা উচিত কৰ্ম্ম নে? এনে কৰ্ম্মৰ পৰা খোদাৰ নাম কলঙ্কিত কৰা নহয় নে? অৱশ্যে পূৰ্ব্বজন্মৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অপৰাধ নহলে ঈশ্বৰে কচাইৰ হাতত ঘোৰ যন্ত্ৰণাৰে প্ৰাণ বধ হবলৈ কিয় দিলেহেঁতেন? এইবোৰ প্ৰাণীৰ ওপৰত ঈশ্বৰৰ দয়া নাই নেকি? খোদাই নিজে সৃষ্টি কৰা প্ৰাণীবোৰৰ প্ৰতি দয়া নাই নেকি? গাই আদি যিবোৰ প্ৰাণীৰ পৰা জগতৰ অধিক হিত হয়, তেনে প্ৰাণীক হত্যা কৰিবলৈ নিষেধ নকৰা বাবে খোদা জগতৰ অহিতকাৰকহে হব। জীৱ হিংসাৰ পাপেৰেও কলঙ্কিত হব। এনেকুৱা বিপৰীত আৰু অহিতকৰ বিবেচনা খোদাৰ ৰচিত পুস্তকত কেতিয়াও থাকিব নোৱাৰে। ৩৩॥

৩৪। ৰোজাৰ ৰাতি নিজৰ নিজৰ বীবীৰ লগত কৰা মদনোৎসৱক হলাল অৰ্থাৎ বৈধ কৰা হৈছে। তোমালোকৰ বীবী তোমালোকৰ কাৰণে আৰু তোমালোক বীবীৰ কাৰণে পৰ্দ্দা বা আৱৰণ স্বৰূপ। আল্লাহই জানে যে, তোমালোকে চুৰি অৰ্থাৎ ব্যভিচাৰ কৰা। তাৰ কাৰণে তোমালোকক আল্লাহই আৰু ক্ষমা কৰিছে। তোমালোকে সিহঁতৰ লগত সঙ্গম কৰা আৰু আল্লাহই তোমালোকৰ কাৰণে সন্তান লিখি দিছে, সন্ধান কৰা। যেতিয়ালৈকে তোমালোকৰ কাৰণে কলা সূতাৰ পৰা বগা সূতা প্ৰকাশ নহয় অৰ্থাৎ ৰাতিৰ পৰা দিনৰ পোহৰ নহয়, তেতিয়ালৈকে খোৱা-পিয়া কৰা। মং ১। সিঃ ১। সূঃ ২। আঃ ১৮৭॥

সমীক্ষক—এই ৰোজাৰ বিষয়ে ইয়াকেই নিৰ্ণয় কৰিব পাৰি যে, মুছলমান মত প্ৰৱৰ্ত্তনৰ সময়ত বা তাৰ আগত কোনোৱে কোনো পৌৰাণিকৰ পৰা মাহেকীয়া চন্দ্ৰায়ণ ব্ৰতৰ কথা শুনে। যাৰ পৰা শুনিলে তেওঁৰ বোধহয়, চান্দ্ৰায়ণ ব্ৰতৰ নিয়ম বিধি অৰ্থাৎ চন্দ্ৰকলাৰ হ্ৰাস বৃদ্ধি অনুসাৰে আহাৰৰ হ্ৰাস বৃদ্ধি কৰা আৰু দিনৰ মাজ ভাগত আহাৰ কৰা আদিৰ জ্ঞান নথকাত, হয়তো, চন্দ্ৰ উদয় হলেই আহাৰ কৰা উচিত বুলি কলে। শুনোতাইও সিমানেই বুজিলে, সেই চান্দ্ৰায়ণ ব্ৰতেই ৰূপান্তৰত মুছলমান মতত ৰোজা হয়। কিন্তু ব্ৰত চলি থকা কালত স্ত্ৰী-সহবাস নিষেধ। ইয়াৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিপৰীতে খোদাই বঢ়াই কলে "যথা ইচ্ছা স্ত্ৰী-সমাগম কৰিব আৰু ৰাতিৰ উৰেত, দিনৰ পোহৰ নোযোৰা পৰ্য্যন্ত যিমানবাৰ পাৰে খোৰাপিয়া কৰিব''। দিনত আহাৰ নকৰি সন্ধিয়াৰ পৰা ৰাতি পুৱাৰ আগলৈ খোৰা--ই কেনেকুৱা হ'ত? আচলতে দিনত আহাৰ নাখাই ৰাতি খোৱা বিজ্ঞান-বিৰুদ্ধ।৩৪॥

৩৫। যি তোমালোকৰ লগত যুজে, সিহঁতৰ বিৰুদ্ধে আল্লাহৰ পথেদি যুদ্ধ কৰিবা। সিহঁতক যতে পোৱা হত্যা কৰিবা। হত্যাতকৈও মূৰ্ত্তি পূজা নিন্দনীয়। যেতিয়ালৈকে মূৰ্ত্তি পূজাৰ বিশ্বাস দূৰ নহয় আৰু আল্লাহৰ ধৰ্ম্ম প্ৰতিষ্ঠিত নহয়, তেতিয়ালৈকে যুদ্ধ কৰিবা। যি সকলে তোমালোকৰ ওপৰত যিমান বল প্ৰয়োগ কৰে, তোমালোকেও সিহঁতৰ ওপৰত সিমান বল প্ৰয়োগ কৰিবা।

মঃ ১। সিঃ ২। সূ: ২। আঃ ১৯০।১৯১॥১৯৩।১৯৪॥

সমীক্ষক—ভিন্ন মতাৱলম্বীৰ বিৰুদ্ধে এনেবোৰ কথা কোৰাণত নথকা হলে মুছলমানসকলে গুৰুতৰ অপৰাধ নকৰিলেহেঁতেন। বিনা অপৰাধত আনক হত্যা কৰা মহাপাপ। যি মুছলমান মত নামানে, তেওঁলোকক কুফ্ৰ বোলে, কুফ্ৰ অৰ্থাৎ কাফেৰক হত্যা কৰা মুছলমানে ধৰ্ম্ম বুলি ভাবে। তেওঁলোকৰ মজহব বা দীন অৰ্থাৎ ধৰ্ম্ম যিসকলে বিশ্বাস নকৰে, তেওঁলোকক হত্যা কৰিব লাগে, এনেকুৱা হিংসা ভাবেৰে যুজোতে যুজোতে তেওঁলোকৰ নিজৰ ৰাজ্য বিছিন্ন হৈ গৈছে আৰু এতিয়াও তেওঁলোকে ভিন্ন ধৰ্ম্মবিশ্বাসীৰ প্ৰতি হিংসা ভাৱেৰেই পৰিপুষ্ট হৈ আছে। চুৰ কৰাৰ প্ৰতিকাৰ জানো চুৰি কৰিলে হৱ? কোনোৱে চুৰি কৰি আমাৰ অপৰাধ কৰিলে তাৰ প্ৰতিকাৰ কৰিবলৈ আমিও চুৰিকে কৰিব লাগিব নে? কোনো অজ্ঞানীয়ে আমাক গালি পাৰিলে আমিও গালিকে পাৰিম নে? এনেবোৰ জ্ঞানী মানুহৰ আচৰণ হব নোৱাৰে। এইবোৰ কথা ঈশ্বৰৰতো নহয়েই, জ্ঞানী ঈশ্বৰভক্তৰো নহয়, আৰু ঈশ্বৰৰ প্ৰণীত পুস্তকৰো হব নোৱাৰে। এইবোৰ কেৱল অজ্ঞানী স্বাৰ্থপৰ মানুহৰহে কথা। ৩৫॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৩৬। কন্দল আল্লাহৰ প্ৰিয় নহয়। হে মানব্ সকল। বিশ্বাস হলে ইস্লাম গ্ৰহণ কৰা। মঃ ১। সিঃ ২। সূঃ ২। আঃ ২০৫-২০৮॥

সমীক্ষক—কলহ-বিবাদ যদি খোদাৰ প্ৰিয় নহয়, তেনেহলে তেওঁ কিয় মুছলমানসকলক কলহ কন্দল কৰাত প্ৰেৰণা দিয়ে? আৰু হাই-কাজিয়া কৰা মুছলমানসকলক তেওঁ কিয় ভাল পায়? মুছলমান মতৰ অনুকূল হলেই যদি খোদা প্ৰসন্ন হয়, তেনেহলে খোদা মুছলমানৰ পক্ষ-পাতী আৰু সমগ্ৰ জগতৰ সৃষ্টি কৰ্ত্তা ঈশ্বৰ নহয় আৰু কোৰাণ ছৰীফো খোদাৰ বাণী নহয়। ৩৬॥

৩৭। খোদা যাৰ প্ৰতি প্ৰসন্ন, তাক অনন্ত ৰিজক অৰ্থাৎ ঐশ্বৰ্য্য দিয়ে। মঃ ১। সিঃ ২। সূঃ ২। আঃ ২১২॥

সমীক্ষক—খোদাই পাপ বা পুণ্য কৰ্ম্মৰ বিবেচনা নকৰাকৈ যাকে তাকে খুছি মতে অৰ্থ জীৱিকা দিয়ে নে? কেৱল খোদাৰ ইচ্ছাতেই যদি সুখ-দুখ নিৰ্ভৰ কৰে, তেনেহলে ভাল বা বেয়া কৰ্ম্ম কৰা একে সমান। ইয়াৰ পৰা মুছলমানসকল ধৰ্ম্ম-কৰ্ম্মত নিৰাশ হৈ স্বেচ্ছাচাৰী হয়। আৰু কোৰাণত বিশ্বাস নকৰিও কোনো কোনো লোক ধৰ্ম্মপৰায়ণ হোৱা দেখা যায়।৩৭॥

৩৮। তেওঁলোকে তোমাক ৰজস্বলাৰ বিষয়ে প্ৰশ্ন কৰিলে, ৰজস্বলা অপবিত্ৰ বুলি কবা। ঋতুৰ সময়ত তেওঁলোকৰ পৰা পৃথককৈ থাকিব লাগে। পবিত্ৰ নোহোৱা পৰ্য্যন্ত তেওঁলোকৰ ওচৰলৈ নাযাবা। তেওঁলোকে স্নান কৰাৰ পিছত খোদাই যি স্থানেদি তেওঁলোকৰ ওচৰলৈ যাবৰ কাৰণে আজ্ঞা দিছে, সেই স্থানেদি যাবা। তোমালোকৰ ভাৰ্য্যাবোৰ তোমালোকৰ ক্ষেত্ৰ, গতিকে ইচ্ছানুসাৰে নিজ নিজ ক্ষেত্ৰত গমন কৰিবা। মিছা শপথ (প্ৰতিজ্ঞা) কৰিলে আল্লাহে তোমালোকৰ দোষ গ্ৰহণ নকৰে। মঃ ১। সিঃ ২। সূঃ ২। আঃ ২২-২২৪॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—ৰজস্বলাৰ স্পৰ্শ আৰু সঙ্গম যে নিষেধ কৰিছে সি অতি প্ৰশংসনীয়। কিন্তু নাৰীক ক্ষেত্ৰ তুল্য আৰু ইচ্ছানুৰূপ সঙ্গম কৰিবলৈ কোৱা হৈছে, তাৰ দ্বাৰাই মানুহক ইন্দ্ৰিয়াসক্ত হোৱাত প্ৰবৃত্ত কৰে। খোদাই মিছা শপতৰ দোষ নকৰে, কাৰণ তেনে কৰিলে সকলোৱে মিছা শপত বা প্ৰতিজ্ঞা ভঙ্গ কৰিব আৰু খোদা মিছাৰ প্ৰশ্ৰয়দাতা হব।৩৮।

৩৯। এনেকুৱা কোন মানুহ আছে যি আল্লাহক ঋণ দান কৰিব পাৰে? তেনেহলে আল্লাহই তাৰ বাবে দুগুণ দিব।

মঃ ১। সিঃ ২ সূঃ ২। আঃ ২৪৫ ॥

***সমীক্ষক**—খোদাই ঋণ গ্ৰহণ কৰিব কিয়? যি বিশ্ব-জগতখন সৃষ্টি কৰিছে তেওঁ মানুহৰ পৰা ঋণ গ্ৰহণ কৰিব নে? খোদাই কেতিয়াও ঋণ নলয়। এনেবোৰ অবিবেচকৰহে উক্তি হব পাৰে। তেওঁ জানো ধন সম্পত্তিৰ দুখীয়া? তেওঁ বেহা-বেপাৰত ক্ষতিগ্ৰস্ত হৈছে নেকি যাৰ কাৰণে দুগুণ দিয়াৰ প্ৰতিশ্ৰুতিত ঋণ গ্ৰহণ কৰিব? এইদৰে ঋণ লবলৈ তেওঁ জানো বেপাৰী? যি দেউলীয়া হৈছে বা যাৰ আয়তকৈ ব্যয় বেছি, তেনে ব্যক্তিৰহে ঋণ লোৱাৰ প্ৰয়োজন হয়, ঈশ্বৰৰ তেনে কৰিবৰ প্ৰয়োজন নাই। ৩৯॥

৪০। তেওঁলোকৰ ভিতৰত কাৰো বিশ্বাস নহল, আৰু কোনো কোনো কাফেৰ হৈ গ'ল। আল্লাহৰ ইচ্ছা হলে সিহঁতে

---

* তফচীৰ হুছেনীত এই আয়তৰ বিষয়ে ভাষ্যৰ টিপ্পনীত লিখা আছে যে, কোনো এজন মানুহে হজৰত মোহম্মদক সোধে, "হে ৰছুল্লাহ! খোদাই ঋণ বিচাৰিছে কিয়"? হজৰত মোহম্মদে উত্তৰ দিলে "তোমাক বেহেস্তলৈ নিবৰ কাৰণে"। মানুহজনে উত্তৰ দিলে "আপুনি জামিন হলে দই দিম"। হজৰত মোহম্মদ জামিন হল। কিন্তু খোদাৰ ওপৰত ভৰসা নহল, ভৰসা হ'ল তেওঁৰ দূততহে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যুদ্ধ নকৰিলেহেঁতেন। আল্লাহৰ যি ইচ্ছা তাকেই কৰে।
মঃ ১। সিঃ ৩। সূঃ ২। আঃ ২৫৩

সমীক্ষক—ঈশ্বৰৰ ইচ্ছাতেই কলহ-বিবাদবোৰ হয় নেকি? খোদাৰ ইচ্ছা হলে পাপো কৰিব পাৰে নেকি? সেয়ে হলে তেওঁ ঈশ্বৰ নহয়। বিবাদ-কন্দল ঘটোৱা আৰু শান্তি ভঙ্গ কৰা কোনো সৎপুৰুষৰ সৎ কাৰ্য্য নহয়। ইয়াৰ পৰা যি বুজা যায় কোৰাণ খোদাৰ ৰচিত নহয় আৰু যি ৰচনা কৰিছে তেৰেঁও ধৰ্ম্মজ্ঞ পুৰুষ নহয়। ৪০॥

৪১। পৃথিবী আৰু আকাশত যি আছে সকলো তেওঁৰ কাৰণেই। তেওঁৰ ইচ্ছাতেই আকাশ আৰু পৃথিবীব্যাপি তেওঁৰ সিংহাসন আছে। মঃ ১। সিঃ ৩। সূঃ ২। আঃ ২৫৫ ।।

সমীক্ষক—আকাশ আৰু পৃথিবীত যি আছে সেই সকলোবোৰ খোদাই জীৱৰ কাৰণেই সৃষ্টি কৰিছে। তেওঁৰ কাৰণে কৰা নাই, কাৰণ, তেওঁ পূৰ্ণকাম, তেওঁৰ কোনো বস্তুৰেই আৱশ্যক নাই। তেওঁৰ আসন থাকিলে, সৰ্ব্বব্যাপী নহৈ একদেশী হব। একদেশী হলে তেওঁক ঈশ্বৰ বুলিব নোৱাৰি।৪১ ।।

৪২। আল্লাহই সূৰ্য্যক পূবফালৰ পৰা আনে, গতিকে তুমি পশ্চিম ফালৰ পৰা আনা। তাৰ পৰা কাফেৰবোৰ বিবুদ্ধি হৈ গ'ল। আল্লাহই পাপীক নিশ্চয় পথ প্ৰদৰ্শন নকৰে। মঃ ১। সিঃ ৩। সূঃ ২। আঃ ২৫৮ ।।

সমীক্ষক— সূৰ্য্য পুবৰ পৰা পশ্চিমলৈ বা পশ্চিমৰ পৰা পুবলৈ নুঘূৰে, নিজৰ পৰিধিতেই ঘূৰে। কোৰাণ লেখকৰ ভূগোল আৰু খগোল বিদ্যা জনা নাছিল। পাপীবোৰক যদি খোদাই সুপথ প্ৰদৰ্শন নকৰে, তেনেহলে পুণ্যবান সকলৰ কাৰণে খোদাৰ প্ৰয়োজনেই নেথাকে; কাৰণ ধাৰ্ম্মিকসকল সদায় ধৰ্ম্ম পথতেই চলে। নজনা মানুহকহে সৎ পথ দেখুৱাব লাগে; তাকেই যদি নকৰে, শাস্ত্ৰ লেখকৰ মহা ভুল হব। ৪২॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৪৩। তেওঁ কলে চাৰিটা জন্তু আনি সিহতঁৰ ৰূপ আকৃতিৰ চিন ৰাখিবা, তাৰ পাছত সিহঁতৰ এক এক ডোখৰ এক এক পাহাৰত থৈ আহি সিহঁতক মাতা। সিহত তোমাৰ ওচৰলৈ দৌৰি আহিব। মঃ ১॥ সিঃ ৩। সূঃ ২। আঃ ২৬০ ॥

সমীক্ষক—খোদাই ভানুমতীৰ খেলৰ দৰে খেলা কৰে নেকি? এইবোৰ কৰ্ম্মৰ পৰা খোদাৰ কি মহিমা প্ৰকাশ পায়? এনেকুৱা খোদাক জলাঞ্জলি দি দূৰৈত থকাই ভাল। কেৱল মূৰ্খ মানুহেহে এনেবোৰ কথা বিশ্বাস কৰি ফান্দত পৰিব পাৰে। ইয়াৰ পৰা খোদাৰ মহিমা প্ৰকাশ নহৈ অপযশহে প্ৰকাশ পায়। ৪৩॥

৪৪। তেওঁ যাক ইচ্ছা কৰে তাকেই নীতি জ্ঞান দিয়ে। মঃ ১। সিঃ ৩। সূঃ ২। আঃ ২৬৯॥

সমীক্ষক—যাক ইচ্ছা কৰে তাক নীতিজ্ঞান দিয়ে আৰু যাক ইচ্ছা নকৰে তাক অনীতি দিয়ে, এনে কথা ঈশ্বৰৰ হব নোৱাৰে। কিন্তু যি পক্ষপাত এৰি সকলোকে নীতি-জ্ঞান দিয়ে তেওঁহে ঈশ্বৰ বা আপ্ত পুৰুষ হব পাৰে। তাৰ বিপৰীতে নহয়। ৪৪॥

খোদাৰ ইচ্ছা

৪৫। তেওঁ যাক ইচ্ছা কৰে ক্ষমা আৰু যাক ইচ্ছা কৰে দণ্ড দিয়ে, কাৰণ তেওঁ সকলোতকৈ বলবান। মঃ ১। সিঃ ৩। সূঃ ২। আঃ ২৮৪॥

সমীক্ষক—যি ক্ষমাৰ যোগ্য, তাক ক্ষমা নকৰা আৰু যি ক্ষমাৰ অযোগ্য তাক ক্ষমা কৰাটো স্বেচ্ছাচাৰী ৰজাৰ আচৰণ নহব নে? যদি খোদাই যাক ইচ্ছা কৰে তাকেই পাপী বা পুণ্যবান কৰে, তেনেহলে জীৱ পাপ-পুণ্যৰ বাবে দায়ী নহব। ঈশ্বৰৰ ইচ্ছা মতে জীৱক পাপী বা পুণ্যবান কৰিলে জীৱই সুখ-দুখো ভোগা উচিত নহয়। কাৰণ সেনাপতিৰ আদেশ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মতে সৈন্যই যাক মাৰে বা ৰক্ষা কৰে, তাৰ ফলাফলৰ বাবে সৈন্য দায়ী নহয়। ৪৫॥

৪৬। পৰহেজগাৰ অৰ্থাৎ ধৰ্ম্মপৰায়ণসকলক ইয়াতকৈনো ভাল খবৰ কি দিম? কবা, আল্লাহৰ ওচৰত বেহেস্ত আছে, যত নদী প্ৰবাহিত হৈ আছে, তাত সদায় শুদ্ধ ৰমণী সকল আছে। তেওঁ-লোকক আল্লাহই তেওঁৰ ভক্ত সকলৰ লগত দেখি প্ৰসন্ন হয়। মঃ ১। সিঃ ৩। সূঃ ৩। আঃ ১৫॥

সমীক্ষক—তেনেহলে সেইখন স্বৰ্গ নে বেশ্যাবন? সেই ঈশ্বৰক ঈশ্বৰ বুলিব নে স্ত্ৰৈণ বুলিব? এনেবোৰ কথা যত আছে, তাক কোনো বিবেচনাশীল মানুহে ঈশ্বৰৰ ৰচিত শাস্ত্ৰ বুলি কব পাৰে নে? পক্ষপাত তেওঁ কৰে কিয়? যিবোৰ ৰমণী বেহেস্তত আছে সেইবোৰে ইয়াত জন্ম লৈ তালৈ গৈছে, নে স্বৰ্গতেই জন্ম লৈছে? যদি ইয়াৰ পৰাই স্বৰ্গলৈ নিয়া হৈছে আৰু যদি কয়ামতৰ ৰাতিৰ আগতেই নিয়া হ'ল, তেনেহলে তেওঁলোকৰ খাবিন্দ (পতি) বোৰক কিয় নিয়া নহ'ল? কয়ামতৰ ৰাতিহে সকলোৰে ন্যায় বিচাৰ হয়, এই নিয়ম তেওঁলোকৰ কাৰণে কিয় উল্লঙ্ঘন কৰা হ'ল? যদি বেহেস্ততেই জন্ম হৈছে, তেনেহলে প্ৰলয়ৰ ৰাতি পৰ্য্যন্ত কেনেকৈ জীৱন যাপন কৰিছিল? যদি সেই স্বৰ্গবাসী ৰমণীসকলৰ কাৰণে তাত পুৰুষো আছে, তেনেহলে যিবোৰ মুছলমান ইয়াৰ পৰা স্বৰ্গলৈ যায় সেইবোৰক খোদাই ৰমণীবোৰ ক'ৰ পৰা দিয়ে? আৰু খোদাই যে, স্বৰ্গ-বাসী ৰমণীবোৰ সৃষ্টি কৰিলে সেইদৰেই স্বৰ্গবাসী পুৰুষো নস্ৰজিলে কিয়? গতিকে এনেকুৱা খোদা বেচমঝ্‌দাৰ আৰু অন্যায়কাৰী। ৪৬॥

৪৭। ইস্‌লাম ধৰ্ম্ম নিশ্চয় আল্লাহৰ প্ৰেৰিত। মঃ ১। সিঃ ৩। সূঃ ৩। আঃ ১৮॥

সমীক্ষক—আল্লাহ কেৱল মুছলমানৰহে নেকি? আনৰ নহয়? তেৰ শ বছৰৰ আগত ঈশ্বৰ প্ৰেৰিত কোনো মত নাছিলেই নেকি?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

গতিকে কোৰাণ খোদাৰ ৰচিত নহয়, কোনোৱা পক্ষপাতীয়েহে লিখিছে ।৪৭।।

৪৮. প্ৰত্যেক জীৱই যি উপাৰ্জ্জন কৰিছে সেই সম্পূৰ্ণ উপাৰ্জ্জন তেওঁকেই দিয়া হব ; কাৰো প্ৰতি অন্যায় কৰা নহব । কোৱা হে আল্লাহ ! তুমি ৰাজ্যৰ অধীশ্বৰ । তুমি যাক দিব খোজা তাকেই দিয়া ; যাৰ পৰা কাঢ়ি লব খোজা তাৰ পৰা কাঢ়ি লোৱা । যাক সন্মান দিব খোজা তাকেহে সন্মান দিয়া যাক অপমানিত কৰিব খোজা তাক অপমানিত কৰা ; সকলো তোমাৰেই হাতত । সকলোৰে ওপৰত তুমি বলবান । তুমিয়েই দিনৰ ভিতৰত ৰাতি আৰু ৰাতিৰ ভিতৰত দিন প্ৰবিষ্ট কৰা । তুমিয়েই জীৱিতৰ পৰা মৃত্যুলৈ আৰু মৃত্যুৰ পৰা জীৱিত লৈ অনা-নিয়া কৰা । তুমি যাক ইচ্ছা কৰা অপৰিমিত অন্ন দান কৰা' ।। মুছলমানে মুছলমানৰ বাহিৰে কোনো কাফেৰৰ লগত মিত্ৰতা কৰা অনুচিত । তেনে কাম ঈশ্বৰৰ অনুমোদিত নহয় । তোমালোকে যদি আল্লাহক পাবলৈ বিচাৰা, তেনেহলে মোক অনুসৰণ কৰা । তেওঁৰ দয়া হলে তোমালোকৰ পাপ ক্ষমা কৰিব । তেওঁ নিশ্চয় দয়ালু । মঃ ১ । সিঃ ৩ । সূঃ ৩ । আঃ ২১-২২-২৩-২৪ । ২৭ ॥

সমীক্ষক— যদি প্ৰত্যেক জীৱক নিজৰ নিজৰ সম্পূৰ্ণ কৰ্ম্মফল দিয়া হয়, তেনেহলে ক্ষমা কৰা নহয় ; আৰু ক্ষমা কৰিলে সম্পূৰ্ণ কৰ্ম্মফল দিয়া নহয় আৰু অন্যায় হব । উত্তম কৰ্ম্মৰ বাহিৰে কাৰোবাক ৰাজ্য দান কৰাও তেওঁৰ পক্ষে অন্যায় । বাৰু, মৃত জীৱিত আৰু জীৱিত মৃত হব পাৰে নে কেতিয়াবা ? ঈশ্বৰৰ বিধি-ব্যৱস্থা অচ্ছেদ্য আৰু অভেদ্য, তাৰ কোনো পৰিবৰ্ত্তন ঘটিব নোৱাৰে । এতিয়া পক্ষপাত চ'ক, যিসকল মুছলমান মতাৱলম্বী নহয়, তেওঁলোকক কাফেৰ বোলা, অমুছলমানৰ ভিতৰত যিসকল শ্ৰেষ্ঠ তেওঁলোকৰ লগত মিত্ৰতা কৰাত নিষেধ কৰা আৰু দুষ্ট প্ৰকৃতিৰ মুছলমানসকলৰ লগতো মিত্ৰতা কৰিবলৈ উপদেশ কৰা ঈশ্বৰত্বৰ বহিৰ্ভূত । এয়েই যদি হয়, কোৰাণৰ খোদা আৰু মুছলমানসকল অজ্ঞ আৰু পক্ষপাতী । গতিকে মুছলমানসকল অন্ধকাৰতেই আছে । মহম্মদ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চাহেবৰ লীলাখেলাও চ'ক। তেওঁ কৈছে—"তোমালোক যদি মোৰ পক্ষত থাকা, তেনেহলে খোদাও তোমালোকৰ পক্ষত থাকিব। তোমালোকে পক্ষপাত ৰূপ পাপ কৰিলে তেওঁ ক্ষমাও কৰিব"। ইয়াৰ পৰা বুজিব লাগিব যে, মহম্মদ চাহাবৰ অন্তঃকৰণ পবিত্ৰ নাছিল, সেই কাৰণেই তেওঁ নিজৰ উদ্দেশ্য সিদ্ধিৰ কাৰণে কোৰাণ ৰচনা কৰিছিল বা কৰাইছিল।৪৮॥

৪৯। যেতিয়া ঈশ্বৰৰ দূতসকলে কলে, "মেৰি! আল্লাহে তোমাক পছন্দ কৰিছে আৰু জগতৰ সকলো নাৰীতকৈ তোমাকেই পবিত্ৰ কৰিছে"। মঃ ১। সিঃ ৩। সূঃ ৩। আঃ ৪১॥

সমীক্ষক—বাৰু, আজি-কালি খোদা অথবা ঈশ্বৰৰ কোনো দূতে কাৰো লগত কথা-বতৰা পাতিবলৈ নাহে দেখোন? আগতে নো কেনেকৈ আহিছিল? যদি কোৱা হয় যে, পূৰ্ব্ব কালত মানুহবোৰ পুণ্যাত্মা আছিল, আজি-কালিৰ মানুহবোৰ পুণ্যাত্মা নহয়, এই কাৰণেই নাহে; এই কথাও অসত্য। কাৰণ যি সময়ত খ্ৰীষ্টীয়ান আৰু মুছলমান মতৰ সৃষ্টি হয়, সেই সময়ত সেইবোৰ দেশত বন্য আৰু অজ্ঞ লোকহে অধিক আছিল। সেই কাৰণেইতো এনেবোৰ বিজ্ঞানবিৰুদ্ধ মত প্ৰচলিত হৈছিল। বৰ্ত্তমান যুগত অনেক মানুহেই সুশিক্ষিত; গতিকে এনেবোৰ সাম্প্ৰদায়িক মত বেছি দিন চলিব নোৱাৰে। এনেধৰণৰ সাৰশূন্য মতৰ বৃদ্ধি হোৱা দূৰৰ কথা, দিনক দিনে লোপ পাব লাগিছে।৪৯॥

৫০। আল্লাহে তাক কলে, "হৈ যা" সি হৈ গ'ল। কাফেৰবোৰে প্ৰতাৰণা কৰিলে, আল্লাহয়ো সিহঁতৰ লগত প্ৰতাৰণা কৰিলে। আল্লাহে অনেক ছল চাতুৰি কৰে।

মঃ ১। সিঃ ৩। সূঃ ৩। আঃ ৪৬-৫৩।

সমীক্ষক—মুছলমান সকলেজগত সৃষ্টিৰ আগত আল্লাহৰ বাহিৰে আন একোৰে অস্তিত্ব স্বীকাৰ নকৰে। তেনেহলে খোদাই কাক কলে?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নে বা 'হই গ'ল' ? মুছলমানসকলে সাত জনমতো ইয়াৰ উত্তৰ দিব নোৱাৰে। হেতু উপাদান কাৰণ নহলে কাৰ্য্য হোৱা অসম্ভৱ। গতিকে বিনা ণে কাৰ্য্যৰ উৎপত্তি অসম্ভৱ ; যিদৰে পিতা মাতা নোহোৱাকৈয়ে সন্তান ৎপত্তিৰ স্বীকাৰ কৰা অসম্ভৱ। যি প্ৰতাৰিত হয় আৰু প্ৰতাৰণা বা গৰ্ব্ব ৰ তেওঁ কেতিয়াও ঈশ্বৰ হব নোৱাৰে। কোনো সৎ পুৰুষৰ কাৰণেও বোৰ কাৰ্য্য সম্ভৱ নহয়। ৫০॥

৫১। আল্লাহই তোমালোকক তিনি হেজাৰ দেৱদূতৰ হায়তা দিব। সেয়েই তোমালোকৰ কাৰণে যথেষ্ট নহব নে? ১। সিঃ ৪। সূঃ ৩। আঃ ১২৩ ॥

সমীক্ষক—আল্লাই যদি তিনি হেজাৰ স্বৰ্গীয় দূতেৰে মুছলমান-কলক সহায়তা কৰে, তেনেহলে এতিয়া যে বহুত মুছলমান ৰাজ্য নষ্ট গৈছে আৰু যাব লাগিছে তাৰ কাৰণে সহায়তা নকৰে কিয়? তিকে মূৰ্খ মানুহক প্ৰলুব্ধ কৰি জালবদ্ধ কৰাৰ কাৰণেই এইবোৰ কথা খা হৈছে। এইবোৰ একেবাৰেই অন্যায়। ৫১॥

৫২। কাফেৰবোৰৰ বিৰুদ্ধে আমাক সহায় কৰা। আল্লাই তোমালোকৰ উত্তম সহায়ক আৰু কাৰ্য্যসাধক। তোমালোক দি আল্লাহৰ পথত নিহত বা মৃত্যু মুখত পৰা, তেনেহলে ঈশ্বৰ দয়া অতি উত্তম বুলি জানিবা। মঃ ১। সিঃ ৪। সূঃ ৩। আঃ ১৪৬। ১।১৫৬ ॥

সমীক্ষক—এতিয়া মুছলমান সকলৰ ভ্ৰম চ'ক! তেওঁলোকে ভিন্ন লম্বীসকলক বধ কৰিবৰ নিমিত্তে খোদাৰ ওচৰত প্ৰাৰ্থনা কৰে। জানো নিৰ্ব্বোধ তেওঁলোকৰ প্ৰাৰ্থনা স্বীকাৰ কৰিবলৈ? খোদাই তেওঁলোকৰ কাৰ্য্যকৰ্ত্তা হয়, তেনেহলে তেওঁলোকৰ কাৰ্য্য নষ্ট হয় ? দেখা যায় যে খোদাও তেওঁলোকৰ লগতে মোহগ্ৰস্ত! যি এনে-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কুৰা পক্ষপাতী, তেওঁ ধৰ্ম্মাত্মাসকলৰ উপাস্য হব নোৱাৰে। ৫২।

৫৩। আল্লাহই তোমালোকক পৰোক্ষ জ্ঞাতাৰূপে সৃষ্টি নকৰে, তেওঁৰ মনোনীত পয়গম্বৰসকলৰ দ্বাৰাই তোমালোকক জনায়। গতিকে আল্লাহক আৰু তেওঁৰ ৰচুলক বিশ্বাস কৰা। মঃ ১। সিঃ ৪। সূঃ ৩। আঃ ১৭৯ ॥

সমীক্ষক—মুছলমানসকলে খোদাৰ বাহিৰে আন কাকো বিশ্বাস নকৰে আৰু কাকো খোদাৰ সহযোগী বুলি স্বীকাৰ নকৰে। তেনেহলে পয়গম্বৰ চাহাবক ধৰ্ম্মবিশ্বাসৰ কাৰণে খোদাৰ অংশীদাৰ কৰা হ'ল কিয়? আল্লাহই যেতিয়া পয়গম্বৰক বিশ্বাস কৰিবলৈ লিখিছে, গতিকে পয়গম্বৰ তেওঁৰ অংশীদাৰ। তেনেহলে খোদাক "লাশৰীক" অৰ্থাৎ অংশীদাৰ-বিহীন বোলা সঙ্গত হোৱা নাই। যদি এই অৰ্থ কৰা হয় যে, মহম্মদ চাহাবক পয়গম্বৰ বুলি মনাই কৰ্ত্তব্য, তেনেহলে প্ৰশ্ন হয় যে, মহম্মদ চাহেবৰ প্ৰয়োজন কি? যদি খোদাই মহম্মদ চাহেবক পয়গম্বৰ নকৰি স্বয়ং তেওঁৰ অভিপ্ৰেত কাৰ্য্য কৰিব নোৱাৰে, তেনেহলে তেওঁ শক্তিহীন। ৫৩ ॥

৫৪। হে বিশ্বাসীসকল। সন্তোষ আশ্ৰয় কৰা, পৰস্পৰে পৰস্পৰক ধাৰণ কৰা। যুদ্ধ কৰি যোৱা আৰু আল্লাক ভয় কৰিবা। তেহে তোমালোকে মুক্তি লাভ কৰিব পাৰিবা।

মঃ ১। সিঃ ৪। সূঃ ৩। আঃ ১৭৮॥

সমীক্ষক— এই কোৰাণৰ খোদা আৰু পয়গম্বৰ দুয়ো যুদ্ধাসক্ত। যি যুদ্ধৰ আজ্ঞাদাতা, তেওঁ শান্তি ভঙ্গকাৰী। খোদা বা ধৰ্ম্ম-বিৰুদ্ধ যুদ্ধ আদিক নাম মাত্ৰ ভয় কৰিলেই জানো মুক্তি পায়? ঈশ্বৰক ভয় কৰা বা নকৰা একে সমান, ধৰ্ম্মবিৰুদ্ধ যুদ্ধৰ ভয় কৰা অৱশ্যে যুক্তিসঙ্গত। ৫৪।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৫৫। আল্লাৰ নিৰ্দ্ধাৰিত নিয়ম হ'ল যে, যি আল্লা আৰু ৰচুলৰ বাক্য মান্য কৰে, সি বেহেস্তলৈ যাব পাৰে। তাত নৈ বৈ আছে আৰু সেয়েই অধিক প্ৰয়োজনীয়। যি আল্লাৰ আৰু তেওঁৰ ৰচুলৰ আজ্ঞা ভঙ্গ কৰিব, আৰু নিৰ্দ্ধাৰিত নিয়মৰ বাহিৰ হৈ যাব, তেওঁক চিৰস্থায়ী অগ্নিত দগ্ধ কৰা হ'ব! তেওঁৰ কাৰণে গ্লানি আৰু দুখ আছে। মঃ ১। সিঃ ৪। সূ ৪। আঃ ১৩।১৪॥

সমীক্ষক—খোদাই স্বয়ং পয়গম্বৰ মহম্মদ চাহেবক তেওঁৰ অংশীদাৰ কৰি লৈছে আৰু তেওঁৰেই কোৰাণত তেনেকৈ লিখিছে। দেখক, পয়গম্বৰ চাহেব খোদাৰ ইমানেই প্ৰিয় পাত্ৰ যে, খোদাই তেওঁক বেহেস্তত অংশীদাৰ কৰি লৈছে। মুছলমানৰ খোদা কোনো বিষয়তেই স্বতন্ত্ৰ নহয়, তেনেকৈ তেওঁক "লাশৰীক" বোলা বৃথা। ঈশ্বৰৰ ৰচিত গ্ৰন্থত এনেবোৰ কথা থকা অসম্ভৱ।৫৫॥

৫৬। আল্লাই ত্ৰসৰেণু পৰিমাণ অন্যায়ো নকৰে। যি কল্যাণ জনক কৰ্ম্ম কৰে, তেওঁক তাৰ দ্বিগুণ দিয়ে। মঃ ১। সিঃ ৫। সূঃ ৪। আঃ ৩৭॥

সমীক্ষক—খোদাই যদি ত্ৰসৰেণু পৰিমাণ অন্যায়ো নকৰে, তেনেহলে তেওঁ কৃত-পুণ্যৰ দ্বিগুণ ফল দিয়ে কিয়? তেওঁ মুছলমানৰ প্ৰতি পক্ষপাতেই বা কৰে কিয়? কৃত কৰ্ম্মৰ দ্বিগুণ বা কম ফল দিয়াটো খোদাৰ পক্ষে অন্যায় কথা।৫৬॥

৫৭। যেতিয়া সিহঁত তোমাৰ ওচৰৰ পৰা বাহিৰলৈ আহে, তেতিয়া তোমাৰ বাক্যৰ বিপৰীত চিন্তা কৰে। আল্লাই সিহঁতৰ পৰামৰ্শবোৰ লিখি ৰাখে। তেওঁ সিহঁতৰ কৃত কৰ্ম্মৰ কাৰণে সিহঁতক বিপৰীতগামী কৰিছে। আল্লাই সিহঁতক বিভ্ৰান্ত কৰিছে, তুমি সিহঁতক সৎপথলৈ আনিবলৈ ইচ্ছা কৰা নেকি? কিন্তু আল্লাই যাক পথ ভ্ৰষ্ট কৰে, সিহঁতে কেতিয়াও সৎপথ নেপায়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—আল্লাই যদি কথাবোৰ বহীত লিখি ৰাখে, তেনেহলে আল্লা সৰ্ব্বজ্ঞ হ'ব নোৱাৰে। যি সৰ্ব্বজ্ঞ, তেওঁৰ বহীত লিখাৰ আৱশ্যক নকৰে। মুছলমানসকলৰ মতে চয়তানে সকলোকে বিভ্ৰান্ত কৰে, তাৰ বাবে চয়তান অপৰাধী। কিন্তু খোদায়ো যদি জীৱক পথভ্ৰষ্ট কৰে, তেনেহলে খোদা আৰু চয়তানৰ ভিতৰত প্ৰভেদ কি? প্ৰভেদ অৱেশ্য ইমানেই হব যে, খোদা অধিক চয়তান আৰু চয়তান কম চয়তান। মুছলমানসকলৰ ভিতৰত এটা প্ৰবাদ প্ৰচলিত আছে যে, যি বিভ্ৰান্ত কৰে, সেয়েই চয়তান। গতিকে উক্ত প্ৰবাদ অনুসাৰে তেওঁলোকৰ খোদাও চয়তানৰেই সমান। ৫৭॥

৫৮। সিহঁতে যদি নিজে হাত বন্ধ নকৰে, তেনেহলে সিহঁতক য'তে দেখা, ত'তে ধৰি হত্যা কৰিবা। মুছলমানে মুছলমানক বধ কৰা উচিত নহয়। যদি কোনোৱে অজ্ঞাতসাৰে কোনো মুছলমানক বধ কৰে, তেনেহলে এজন মুছলমানক দাসত্বৰ পৰা মুক্ত কৰিব। নিহতৰ ৰক্তৰ ক্ষতিপূৰণ স্বৰূপ, তেওঁ নিহতৰ পৰিবাৰক অৰ্থ দান কৰিব। নিহতৰ পৰিবাৰে ক্ষমা কৰিলে নিদিলেও হব। কোনোৱে স্বজ্ঞানে কোনো মুছলমানক বধ কৰিলে চিৰকাল নৰকত বাস কৰিব। তেওঁৰ ওপৰত আল্লাৰ ক্ৰোধ আৰু ধিক্কাৰ পৰিব। (এই খিনিত আধুনিক কোৰাণৰ লগত সামান্য পাঠান্তৰ আছে)। মঃ ১। সিঃ ৫। সূঃ ৪। আঃ ৯০।৯১।৯২॥

সমীক্ষক—কিমানবোৰ পক্ষপাত চ'ক! যি মুছলমান নহয়, তাক য'তে পায় ত'তেই হত্যা কৰিব; কিন্তু কোনো মুছলমানক বধ নকৰিব। ভ্ৰমবশতঃ কোনো মুছলমানক বধ কৰিলে প্ৰায়শ্চিত্ত কৰিব লাগিব। কিন্তু ভিন্ন ধৰ্ম্মাৱলম্বীক বধ কৰিলে স্বৰ্গ লাভ! এনেকুৱা উপদেশ ৰসাতলে য'ক। এনেকুৱা গ্ৰন্থ, এনেকুৱা পয়গম্বৰ, এনেকুৱা খোদা আৰু এনেকুৱা মতৰ দ্বাৰাই অনিষ্টৰ বাহিৰে কাৰো উপকাৰ হব নোৱাৰে। এইবোৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰযোকাহে ভাল। এনেকুৱা ভ্ৰান্তিপূৰ্ণ মতবাদৰ পৰা দূৰৈত থাকি বেদোক্ত বিষয়বোৰ মানি চলাহে উচিত। কাৰণ, বেদত অসত্যৰ লেশমাত্ৰও নাই। মুছলমানক বধ কৰিলে নৰকলৈ যাব লাগে; কোনো কোনো মতবাদীয়ে কয় যে মুছলমানক বধ কৰিলে স্বৰ্গলাভ হয়। এতিয়া ভাবি চক! এই দুই ৰকম মতৰ ভিতৰত কোনটো গ্ৰহণ যোগ্য আৰু কোনটো ত্যাজ্য? এনেকুৱাবোৰ মূৰ্খৰ কল্পিত মতবাদ পৰিত্যাগ কৰি বেদোক্ত মত গ্ৰহণ কৰাই সকলোৰেই কৰ্ত্তব্য। বেদত লিখা আছে যে, আৰ্য্যপথেদি অৰ্থাৎ শ্ৰেষ্ঠ পুৰুষসকলে প্ৰদৰ্শিত কৰা পথেদি চলিব আৰু দস্যু অৰ্থাৎ দুষ্টই চলা পথৰপৰা দূৰৈত থকাই সকলোতকৈ মঙ্গল। ৫৮॥

৫৯। শিক্ষা প্ৰকট (শিক্ষাৰ প্ৰচাৰ) হোৱাৰ পাছত যিবোৰে ৰছুলৰ বিৰোধ কৰিছে আৰু মুছলমানৰ বিপক্ষে গৈছে, মই সিহঁতক নৰকত বাস দিম। মঃ ১। সিঃ ২। সূঃ ৪। আঃ ১১৩॥

সমীক্ষক—খোদা আৰু ৰছুল কেনেকুৱা পক্ষপাতী চ'ক! মহম্মদ চাহেব আদিয়ে ভাবিছিল যে, খোদাৰ নামত সেইদৰে নিলিখিলে, তেওঁলোকৰ "মজহব" সম্প্ৰদায় প্ৰচাৰিত নহব, আৰু ধন-সম্পত্তিও সংগ্ৰহ নহব। সুখ ভোগ কৰাও নচলিব। ইয়াৰ পৰাই বুজিব পাৰি যে, মহম্মদ চাহেব স্বাৰ্থ সিদ্ধিত আৰু পৰৰ অৰ্থ ক্ষতি কৰাত নিপুণ আৰু চতুৰ আছিল। গতিকে তেওঁ "আপ্ত" অৰ্থাৎ ধৰ্ম্মজ্ঞ নাছিল আৰু তেওঁৰ বাক্যবোৰো আপ্ত আৰু বিদ্বান্‌সকলৰ দ্বাৰাই কেতিয়াও প্ৰমাণ বুলি গৃহীত হব নোৱাৰে। ৫৯॥

৬০। যি আল্লাহ, স্বৰ্গীয় দূত, কিতাপ, ৰছুল আৰু কিয়ামত (প্ৰলয়) সম্বন্ধে অবিশ্বাসী হয়, সি নিশ্চয় পথভ্ৰষ্ট। যিসকলোকে বিশ্বাসী হৈও পুনঃ কাফেৰ হয়, তাৰ পাছত আকৌ বিশ্বাসী হয়, তাৰ পাছতো আকৌ কাফেৰ হয়, আৰু যাৰ অবি-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

শ্বাস বাঢ়ে আল্লাই সিহঁতক কেতিয়াও ক্ষমা নকৰে আৰু সৎ পথো প্ৰদৰ্শন নকৰে। মঃ ১। সিঃ ৫। সূঃ ৪। আঃ ১৩৪।১৩৫ ॥

সমীক্ষক—এতিয়া ইয়াৰ পাছত খোদা "লাশৰীক" বুলি কব পাৰিবনে ? "লাশৰীক" বোলাৰ লগতে অনেক "শৰীক" বা অংশীদাৰ স্বীকাৰ কৰা পৰস্পৰ বিৰোধী নহয় নে ? তিনি বাৰ ক্ষমা কৰাৰ পাছত খোদাই আৰু ক্ষমা নকৰে নেকি ? আৰু তিনিবাৰ অবিশ্বাস কৰাৰ পাছত সৎপথ প্ৰদৰ্শন কৰে বা চতুৰ্থবাৰৰ পাছত সৎপথ নেদেখুৱায় আৰু যদি চৰিবাৰকৈ সকলোৱে অৱিশ্বাস বা কুকৰ্ম্ম কৰে, তেনেহলে অবিশ্বাসৰ বহুত বৃদ্ধি পাব। ৬০ ॥

৬১। আল্লাই নিশ্চয় দুৰ্ব্বৃত্ত আৰু কাফেৰবোৰক নৰকত লগ লগাব। নিশ্চয় দুৰ্ব্বৃত্তবোৰে আল্লাক প্ৰতাৰিত কৰে আৰু আল্লায়ো সিহঁতক প্ৰতাৰিত কৰে। হে বিশ্বাসীসকল ! তোমালোকে মুছলমানক এৰি কাফেৰৰ লগত মিত্ৰতা নকৰিবা।

মঃ ১। সিঃ ৫। সূঃ ৪। আঃ ১৪০।১৪২।১৪৪॥

সমীক্ষক—মুছলমানবোৰ যে স্বৰ্গলৈ যাব আৰু অমুছলমানবোৰ নৰকলৈ যাব, ইয়াৰ প্ৰমাণ কি ? যি দুৰ্ব্বৃত্তৰ দ্বাৰাই প্ৰতাৰিত হয়, আৰু নিজেও আনক প্ৰতাৰিত কৰে এনেকুৱা খোদা আমাৰ পৰা দূৰৈত থকাই ভাল। তেওঁ প্ৰতাৰকবোৰৰ লগত সঙ্ঘবদ্ধ হৈ থাকক আৰু প্ৰতাৰকসকলেও যেন তেওঁৰ সঙ্গ নেৰে। কাৰণ—

যাদৃশী শীতলা দেবী, তাদৃশঃ খৰবাহনঃ ॥

যি যেনেকুৱা, তাৰ লগত তেনেকুৱা লোক সঙ্ঘবদ্ধ হলেই উদ্দেশ্য সিদ্ধি হয়। যি খোদা প্ৰতাৰক, তেওঁৰ উপাসকসকল প্ৰতাৰক নহব কিয় ? মুছলমান দুষ্ট প্ৰকৃতিৰ হলেও তেওঁলোকৰ লগত বন্ধুতা কৰা আৰু মুছলমানৰ বাহিৰে অন্য মতাৱলম্বী সৎ প্ৰকৃতিৰ হলেও তেওঁলোকৰ লগত শত্ৰুতা কৰা উচিত হব পাৰেনে ? ৬১ ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৬২। হে মানৱসকল! পয়গম্বৰ নিশ্চয় পৰমেশ্বৰৰ পৰা ত্য লৈ তোমালোকৰ মাজলৈ আহিছে। গতিকে তোমালোকে ওঁক বিশ্বাস কৰা। আল্লাহ একমাত্ৰ উপাস্য।

মঃ ১। সিঃ ৬। সূঃ ৪। আঃ ১৭০। ১৭১॥

সমীক্ষক—পয়গম্বৰক যেতিয়া বিশ্বাস কৰিবলৈ লিখা আছে, শ্বাসত পয়গম্বৰ খোদাৰ অংশীদাৰ নহল জানো? আল্লাহ সৰ্ব্বব্যাপক নহৈ একদেশী হলেহে আল্লাহৰ ওচৰলৈ পয়গম্বৰৰ অহাযোৱা সম্ভৱপৰ হ'ব পাৰে। যি সৰ্ব্বব্যাপক নহয় সি ঈশ্বৰো হব নোৱাৰে। কোনো কোনো ঠাইত সৰ্ব্বদেশী আৰু কোনো কোনো ঠাইত একদেশী লিখা আছে। ইয়াৰ দ্বাৰাই প্ৰতীত হয় যে, কোৰাণ কেৱল এজনৰ লিখা নহয়, অনেকৰহে। ৬২॥

৬৩। মৰা জীৱ, ৰক্ত, শূকৰৰ মাংস, আল্লাহৰ বাহিৰে আন কাৰোবাৰ নামত অৰ্পণ কৰা কোনো বস্তু, গলবন্ধনত, লাঠি বা শৃঙ্গৰ আঘাতত মৰা, ওপৰৰ পৰা পতিত অথবা হিংস্ৰ জন্তুৰ দ্বাৰা ভক্ষিত জীৱ তোমালোকৰ কাৰণে 'হাৰাম' (নিষিদ্ধ) কৰা হৈছে। মঃ ১। সিঃ ৬। সূঃ ৫। আঃ ৩॥

সমীকক্ষ—কেৱল এইবোৰ বস্তুহে নিষিদ্ধ নেকি? বাকী আন ই প্ৰকাৰৰ পশু, তিৰ্য্যক জীৱ আৰু কীট আদি মুছলমানৰ কাৰণে হালাল (বধ্য) নেকি? গতিকে এইবোৰ মানুহৰহে কল্পনা, ঈশ্বৰৰ নিৰ্দ্দেশ নহয় আৰু ইয়াক প্ৰমাণ বুলি ধৰিব নোৱাৰি। ৬৩॥

৬৪। আল্লাহক যথেষ্ট ঋণদান কৰা। তোমালোকৰ ভিতৰত যিবোৰ দোষজনক মই সেইবোৰ দূৰ কৰিম আৰু তোমালোকক স্বৰ্গলৈ পঠাম। মঃ ২। সিঃ ৬। সূঃ ৫। আঃ ১২॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক– বোধহয় মুছলমানৰ খোদাৰ ধন সম্পত্তি নাই, নহলে তেওঁ ঋণ লব কি? তোমালোকক "কুকৰ্ম্মৰ পৰা মুক্ত কৰি স্বৰ্গলৈ পঠাম" বুলি তেওঁলোকক বিভ্ৰান্ত কৰিলে কিয়? এইবোৰৰ পৰাই বুজা যায় যে মহম্মদে চাহেবে খোদাৰ নামত স্বাৰ্থ সিদ্ধি কৰিছে। ৬৪ ॥

৬৫। আল্লাহই যাক ইচ্ছা কৰে ক্ষমা কৰে আৰু যাক ইচ্ছা কৰে তাক কষ্ট দিয়ে। যি বস্তু আমি কাকো দিয়া নাই তাক তোমালোকক দিছো। মঃ ২। সি ৬। সূ: ৫। আ: ১৬।১৮ ॥

সমীক্ষক—মুছলমানৰ খোদাই চয়তানৰ দৰেই যাকে ইচ্ছা তাকে পাপী কৰে; গতিকে তেওঁ পুণ্যৰ ফলত স্বৰ্গ আৰু পাপৰ ফলত নৰকলৈ যায়। যিহেতু তেওঁ পাপ বা পুণ্য কৰ্ম্ম কৰে। জীৱ পৰাধীন, যেনেকৈ সৈনিকে সেনাপতিৰ অধীনত কাৰোবাক ৰক্ষা আৰু কাৰোবাক বধ কৰে; কিন্তু তাৰ সৎ অসৎ কৰ্ম্মৰ দায়ী হয় সেনাপতি, সেই দৰেই জীৱো স্বকৰ্ম্মৰ বাবে দায়ী নহয়, দায়ী হব পৰমেশ্বৰ। ৬৫ ॥

৬৬। আল্লাহৰ আদেশ মানিবা আৰু ৰচুলৰ আদেশ মানিবা। মঃ ২। সিঃ ৭। সূ: ৫। আঃ ৯২ ॥

সমীক্ষক—এই কথাৰ পৰা বুজা যায় যে খোদা "শৰীক"হে গতিকে খোদাক "লাশৰীক" বুলি মনাৰ অৰ্থ নাই। ৬৬ ॥

৬৭। আগতে যি কৰা হ'ল তাৰ বাবে খোদাই ক্ষমা কৰিছে। পুনঃ তেনে কৰ্ম্ম (কুকৰ্ম্ম) কৰিলে খোদাই তাৰ প্ৰতিশোধ লব। মঃ ২। সিঃ ৭। সূ: ৫। আঃ ৯৫ ॥

সমীক্ষক—পাপ কৰ্ম্ম কৰাতো ক্ষমা কৰা মানে আকৌ কৰিবলৈ উৎসাহহে দিয়া হয়। যি শস্ত্ৰত পাপ ক্ষমা কৰাৰ কথা আছে, সেই গ্ৰন্থ ঈশ্বৰৰ অথবা কোনো বিদ্বান পুৰুষ ৰচিত নহয়; ইয়াৰ দ্বাৰাই পাপৰ বৃদ্ধিহে কৰা হয়। ভবিষ্যতে পাপ কৰ্ম্মৰ নিবৃত্তি কৰিবলৈ কাৰোবাৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ওৰত প্ৰাৰ্থনা আৰু নিজেও পাপৰ পৰা নিবৃত্ত থাকিবলৈ চেষ্টা আৰু পশ্চাত্তাপ কৰা অৱশ্য কৰ্ত্তব্য। যদি কেৱল পশ্চাত্তাপহে কৰে পাপ কৰ্ম্ম এৰিবলৈ নেৰে, তেনেহলে একো লাভ নহব।৬৭।।

৬৮। "মোৰ প্ৰতিহে আদেশ দিছে, তেওঁৰ প্ৰতি আদেশ নাই, ময়ো আল্লাহৰ দৰেই তেনে আদেশত অৱতীৰ্ণ হম" এই ভাবে যদি কোনোৱে জেঁদ দৰে তেওঁৰ সমান আৰু মহাপাপী কোন হব? মঃ ২। সি ৭। সূঃ ৬। আঃ ৯৩।

সমীক্ষক—ইয়াৰ অভিপ্ৰায় হব পাৰে যে, মহম্মদ চাহেবে "ঈশ্বৰৰ শ্ৰৱণাত কোৰাণৰ বাক্যবোৰ লাভ কৰিছে" এই বুলি ঘোষণা কৰাত আন কোনোবাইও হয়তো তেনেকুৱা ঘোষণা কৰিব পাৰে. অৰ্থাৎ আনেও খোদাৰ পয়গম্বৰ বুলি ঘোষনা কৰিব পাৰে; তাৰ প্ৰতিৰোধৰ কাৰণেই সেই উপায় অৱলম্বন কৰি পাপৰ দোহাই দিছে। ৬৮।।

৬৯। নিশ্চয় মই তোমাক উৎপন্ন আৰু তোমাৰ আকৃতিৰ নিৰ্মাণ কৰিছো। মই স্বৰ্গীয় দূতসকলক কৈছিলো "আদামক দণ্ডৱৎ হৈ প্ৰণাম কৰা"। তেওঁলোকে সেই মতে দণ্ডৱৎ হৈ প্ৰণাম কৰিলে, কিন্তু চয়তানে দণ্ডৱৎ হৈ প্ৰণাম নকৰিলে। আল্লাহই কলে,—"মই তোমাক আজ্ঞা দিলো, তাক পালন নকৰিবলৈ কোনে আজ্ঞা দিলে?" চয়তানে কলে, "মই তেওঁতকৈ শ্ৰেষ্ঠ; তুমি মোক অগ্নিৰপৰা আৰু তেওঁক মাটিৰপৰা উৎপন্ন কৰিছা"। আল্লাহই কলে,—"তুমি এই স্থানৰ পৰা তললৈ যোৱা; তুমি এই স্থানত থাকি অহঙ্কাৰ কৰিবৰ উপযুক্ত নোহোৱা"। চয়তানে কলে, "জীৱবোৰ কবৰৰ পৰা উঠা দিনলৈকে যি মোক অভিশাপ দিছা তাক শিথিল কৰা"। আল্লাহই কলে,—"বাৰু শিথিল কৰিছো"। চয়তানে কলে,—"যিহেতু তুমি আমাক পথভ্ৰষ্ট কৰিলা, গতিকে শপথ কৰি কৈছো যে সিহঁতৰ কাৰণে যি সৎপথ দিছা, তাত বাধা দিম। তাৰপৰা সিহঁতক

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৃতজ্ঞ নেদেখিবা"। আল্লাহে কলে, "দুৰ্দ্দশাগ্ৰস্ত হৈ ইয়াৰ পৰা বাহিৰ হোৱা, সিহঁতৰ ভিতৰৰ যিবোৰে তোমাৰ কথাত চলিব, সিহঁতকো তোমাৰ লগত নৰকত ৰাখিম"। মঃ ২। সিঃ ৮। সূঃ ৭। আঃ ১১—১৮॥

সমীক্ষক—এতিয়া খোদা আৰু চয়তানৰ কন্দলৰ কথা মনদি শুনক। চাপৰাচীৰ দৰে খোদাৰ এক ফেৰিস্তা আছিল। তেওঁও খোদাৰ ওচৰত হাৰ নেমানিলে আৰু খোদায়ো তাৰ আত্মাক পবিত্ৰ কৰিব নোৱাৰিলে। পাছত যি পাপী হৈ বিদ্ৰোহ কৰিলে, তেনে বিদ্ৰোহীকো এৰি দিলে। তাৰ পাছত আনক অসৎ পথত পৰিচালিত কৰাই তেওঁৰ কাম হল। ইয়াত খোদাই ভয়ানক ভুল কৰিছে। কাৰণ চয়তানে সকলোকে কুপথত পৰিচালিত কৰে আৰু খোদায়ো চয়তানক পথভ্ৰষ্ট কৰে, গতিকে খোদা চয়তানৰো চয়তান। চয়তানে খোদাক মুখামুখিকৈ কলে,—"তুমি মোক পথভ্ৰষ্ট কৰিছা"। গতিকে খোদাৰ পবিত্ৰতাও দেখা নগল; কেৱল দেখা গল যে তেওঁৱেই সকলো কুকৰ্ম্মৰ নেতা আৰু ঘাই কাৰণ। এনেকুৱা খোদা কেৱল মুছলমানসকলৰহে হোৱা সম্ভৱ; শ্ৰেষ্ঠ বিদ্বানসকলৰ কাৰণে সম্ভৱ নহয়। আৰু খোদাই যেতিয়া মানুহৰ দৰে ফেৰিস্তা সকলৰ লগত কথা বতৰা পাতিলে, তেতিয়া তেওঁ দেহধাৰী, অল্পজ্ঞ আৰু অন্যায়কাৰী হল বুলি কব লাগিব। এনেবোৰ কাৰণত জ্ঞানীসকলে মুছলমানৰ মত সমৰ্থন কৰিব নোৱাৰে। ৬৯॥

৭০। নিশ্চয় আল্লাহ তোমালোকৰ প্ৰভু। তেওঁ আকাশ আৰু পৃথিবী ছয় দিনত উৎপন্ন কৰি উৰ্দ্ধ লোকত সিংহাসনত অৱস্থান কৰিছে। দীনতাৰে তেমালোকৰ প্ৰভুক মাতা।

মঃ ২। সিঃ ৮। সূঃ ৭। আঃ ৫৪-৫৫॥

সমীক্ষক—যি ঈশ্বৰে ছয় দিনত জগৎ সৃষ্টি কৰে আৰু "অৰ্শ" অৰ্থাৎ উৰ্দ্ধলোকত জ্যোতিৰ্ম্ময় সিংহাসনত বিশ্ৰাম কৰে, তেওঁ কেতিয়াও

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সৰ্বশক্তিমান আৰু সৰ্ব্বব্যপক হব নোৱাৰে। মুছলমানৰ খোদাই কাণেৰে শুনে নেকি? চিঞৰি চিঞৰি মাতিলেহে যে শুনে। গতিকে এইবোৰ ঈশ্বৰৰ বাক্য নহয় আৰু কোৱাণো ঈশ্বৰৰ ৰচিত নহয়। খোদাই ছয় দিনত জগৎ ৰচনা কৰি সপ্তম দিনত সিংহাসনত বিশ্ৰাম কৰিছে যদি, তেওঁ তেনে-স্থলে অতি ক্লান্ত হৈ পৰিছিল। তেওঁ এতিয়াও শুই আছে নে সাৰ পাই আছে? জাগ্ৰত হৈ আছে যদি, কি কামত ব্যস্ত হৈ আছে, নে নিষ্কৰ্ম্মা হৈ ইফালে সিফালে ঘূৰি ফুৰি আমোদ-প্ৰমোদত আছে? ৭০॥

৭১। পৃথিবীৰ কাৰো লগত হাই কন্দল নকৰিবা।

মঃ ২। সিঃ ৮। সূঃ ৭। আঃ ৭৪॥

সমীক্ষক—এইয়া বৰ ভাল কথা, কিন্তু আন ঠাইত "জিহাদ" (ধৰ্ম্মৰ কাৰণে যুদ্ধ) আৰু "কাফেৰক হত্যা"ৰ কথাও লিখা আছে। এতিয়া ভাবি চ'ক এইবোৰ পৰস্পৰ বিৰোধী হয় নে নহয়? গতিকে বুজিব পাৰি যে মহম্মদ চাহেবে দুৰ্ব্বল অৱস্থাত প্ৰথমোক্ত আৰু শক্তি-শালী অৱস্থাত শেষোক্ত পথ অৱলম্বন কৰিছিল। দুয়োটা পৰস্পৰ বিৰোধী শিক্ষা হ'ল যেতিয়া, দুয়োটাই মিছা। ৭১॥

৭২। তাৰ পাছত তেওঁ এবাৰ যষ্টি (লাখুটি) পেলাই দিলে, সেয়েই প্ৰত্যক্ষ অজগৰ হল। মঃ ২। সিঃ ৯ সূঃ ৭। আঃ ১০৭॥

সমীক্ষক—এনেবোৰ লিখিত বৃত্তান্তৰ পৰা জনা যায় যে খোদা আৰু মহম্মদ চাহেবে এনেবোৰ মিছা কথাত বিশ্বাস কৰিছিল। আৰু সেয়ে নহলে তেওঁলোক দুয়ো বিদ্বান নাছিল। চকুৰে দেখা আৰু কাণেৰে শুনা নীতিৰ কোনেও পৰিবৰ্ত্তন কৰিব নোৱাৰে। গতিকে এইবোৰ ভোজ-বাজীৰহে কথা। ৭২॥

৭৩। তাৰ পাছত মই সিহঁতৰ (মিছৰীয়) বিৰুদ্ধে প্লাৱন পোক-পতঙ্গ, মৎকুন (জোক), ভেকুলী আৰু ৰক্ত প্ৰেৰণ কৰি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সিহঁতৰ বিৰুদ্ধে প্ৰতিশোধ ললো (যিহেতু মিছৰীয়বোৰে মোছেজক বিশ্বাস নকৰিলে)। সিহঁতক নদীত ডুবাই দিলো, ইজৰায়েলৰ সন্তানবোৰ নদীৰ পাৰ কৰি দিলো। নিশ্চয় সিহঁত যি মতত আছে সেই মত আৰু তেওঁলোকৰ কৰ্ম্ম মিছা।

ম: ২। সিঃ ৯। সূঃ ৭। আঃ ১৩৩। ১৩৬। ১৩৮। ১৩৯॥

সমীক্ষক—এতিয়া চ'ক! যেনেকৈ কোনো মহা অত্যাচাৰীয়ে কাৰোবাক ভাবুকি দি কয় যে, মই তোক মাৰিবলৈ সাপ পঠাম, এই-বোৰো তেনেকুৱাই কথা। যদি এনেকুৱাই পক্ষপাতী যে এটা জাতিক ডুবাই মাৰে আৰু আন এটাক পাৰ কৰে তেনেহলে তেওঁ অধৰ্ম্মী খোদা নহব কিয়? যি মতে সহস্ৰ কোটি লোকৰ ধৰ্ম্ম বিশ্বাসক মিছা আৰু নিজক সত্য বুলি ঘোষণা কৰে, তেনে মতৰ দৰে মিছা আন কোন মত হব পাৰে? কোনো মতাৱলম্বীসকলৰ ভিতৰত সকলোৱেই ভাল বা সকলোৱেই বেয়া হব নোৱাৰে। এইদৰে এক পক্ষৰ ডিক্ৰী দিয়া একেবাৰেই মূৰ্খৱৎ কাৰ্য্য। তেওঁলোকৰ প্ৰাচীন বাইবেলৰ মত মিছা নেকি? অথবা তাত আন কোনো মতক মিছা বুলিছে? যদি আন কোনো মতক মিছা বুলিছে সেইটো কোনটো? আৰু কোৰাণত সেইটো কি নামত উল্লেখ কৰিছে? ৭২॥

ঈশ্বৰ দৰ্শন

৭৪। তুমি (Moses) মোক দেখিব পাৰিবা। তেওঁৰ প্ৰভুৱে যেতিয়া পৰ্ব্বতৰ ওপৰত প্ৰকাশ আৰু পৰ্ব্বত চূৰ্ণ-বিচূৰ্ণ কৰিলে, তেতিয়া মূছা অচেতন হৈ পৰিল। ম: ২। সিঃ ৯। সূঃ ৭। আঃ ১৪৩॥

সমীক্ষক—যি দৃষ্ট, সি ব্যাপক হব নোৱাৰে। খোদাই যদি আগেয়ে তেনেকুৱা অলৌকিক কৰ্ম্ম কৰিছিল, তেনেহলে এতিয়াও তেনে অলৌকিক কাৰ্য্য নেদেখুৱায় কিয়? এনে কাৰ্য্য সৰ্ব্বভাবে বিৰুদ্ধ, গতিকে বিশ্বাসৰ যোগ্য নহয়। ৭৪॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৭৫। পূৰা আৰু গধূলি ভয় আৰু দীনতাৰে অনুচ্চৈঃ স্বৰত ...ৰ প্ৰভুক স্মৰণ কৰা। মঃ ২। সিঃ ৯। সূঃ ৭। আঃ ২০৫

সমীক্ষক—কোৰাণৰ কোনো কোনো ঠাইত নিজ প্ৰভুক উচ্চৈঃ-...ৰ প্ৰাৰ্থনা কৰাৰ আৰু কোনো কোনো স্থানত অনুচ্চৈঃস্বৰে স্মৰণ ...ৰ কথা লিখা আছে, তেনেহলে কোনটো সঁচা আৰু কোনটো মিছা? ...ৰ পৰস্পৰ বিৰুদ্ধ হলে উন্মাদৰ প্ৰলাপৰ দৰে প্ৰতীত হয়। অৱশ্যে ...ত কোনো বিৰুদ্ধ কথা কোৱাৰ পাছত সেই ভুল স্বীকাৰ কৰিলে ...হব নোৱাৰে। ৭৫।

৭৬। তোমাক প্ৰশ্ন কৰিলে লুণ্ঠিত দ্ৰব্য আল্লাহ আৰু ৰচূ-...ৰ কাৰণে বুলি কৰা, আৰু কৰা আল্লাহক ভয় কৰিবলৈ।
মঃ ২। সিঃ ৯। সূঃ ৮। আঃ ১।।

সমীক্ষক—অতি আচৰিত এয়ে যে, যি লুটপাত কৰে বা কৰায় ...লোকক খোদা, পয়গম্বৰ আৰু (ঈশ্বৰ) বিশ্বাসী বুলি গণ্য কৰা। ...কো আল্লাহক ভয় কৰাৰ লগতেই ডকাইতি আদি কুকৰ্ম্মও কৰা হব, ...চ "আমাৰ মতেই শ্ৰেষ্ঠ" বুলি কোৱাত সংস্কোচো নহ'ল। গতিকে মিছা ...গ্ৰহ এৰি সত্য বৈদিক মত গ্ৰহণ নকৰাহে নিন্দণীয়। ৭৬।।

৭৭। কাফেৰবোৰৰ মূল উচ্ছেদ কৰিবা। মই তোমালোকৰ ...হায্যৰ কাৰণে সহস্ৰ ফেৰিস্তা অনুচৰ আৰু কাফেৰবোৰৰ অন্তৰত ...য় সঞ্চাৰ কৰিম। সিহঁতৰ গলদেশ আৰু প্ৰত্যেক পোৰী অৰ্থাৎ ...ৰা চিণ্ডি দিবা। মঃ ২। সিঃ ৯। সূঃ ৮। আঃ ৭-৯।।

সমীক্ষক—এতিয়া চ'ক! মুছলমানৰ মতে অবিশ্বাসীবোৰক নিৰ্ম্মূল ...ৰিব লাগে। কেনেকুৱা নিৰ্দ্দয়। খোদাই কাফেৰবোৰৰ মূলোচ্ছেদ, ...ধন ছেদন, হস্ত পদৰ যোৰা ছেদন কৰিবলৈ আদেশ আৰু সাহায্য ...ৰিব। এনেকুৱা খোদা লঙ্কেশ্বৰ ৰাৱণতকৈ কোন গুণে কম? অৱশ্যে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এইবোৰ কুচক্ৰান্ত খোদাৰ হব নোৱাৰে, কোৰাণ ৰচয়িতাৰহে। খোদাৰেই যদি হয় তেনেহলে এনেকুৱা খোদাৰ পৰা আমি দুৰৈত থাকাই ভাল। ৭৭ ॥

৭৮। আল্লাহ মুছলমানৰ পক্ষে আছে। হে বিশ্বাসী মনুষ্যসকল। তোমালোকে আল্লাহ আৰু ৰচূলৰ আহ্বান মানি চলিবা। আল্লাহৰ, ৰচূলৰ আৰু নিজৰ সঞ্চিত হৰণ নকৰিবা। আল্লাহই (মকৰ) কপট-চক্ৰান্ত কৰিছে আৰু আল্লাহে তেনে চক্ৰান্ত কৰাত বৰ চতুৰ।

মঃ ২। সিঃ ৯। সূঃ ৮। আঃ ১৯। ২৪। ২৭। ৩০॥

সমীক্ষক—সমস্ত জগতৰ ঈশ্বৰ হৈও আল্লাহ কেৱল মুছলমান-সকলৰহে পক্ষপাতী নেকি? তেনেহলে তেওঁ অধাৰ্ম্মিক। উচ্চৈঃস্বৰে নামা-তিলে যে নুশুনে তেওঁ কাণেৰে কম শুনে নেকি? ৰচুলক খোদাৰ অংশীদাৰ কৰা অন্যায় হোৱা নাই জানো? আল্লাহৰ ধনৰ ভৰাল আছে নেকি যে চুৰি কৰিবলৈ বাৰণ কৰিছে? ৰচুলৰ ধন সম্পত্তি আৰু নিজৰ সঞ্চিত ধন সম্পত্তিৰ বাহিৰে আনৰ ধন সম্পত্তি চুৰি কৰিব লাগে নেকি? কেৱল অবিদ্বান আৰু অধাৰ্ম্মিক মানুহেহে এনেকুৱা উপদেশ দিব পাৰে। বাৰু, যি খোদা নিজেই প্ৰতাৰক আৰু প্ৰতাৰকবোৰৰ সহযোগী তেওঁক ভণ্ড আৰু অধাৰ্ম্মিক বুলিব পাৰি নে নোৱাৰি? গতিকে কোৰাণ খোদাৰ ৰচিত নহয় আন কোনো ভণ্ড আৰু অধাৰ্ম্মিকৰ দ্বাৰাহে ৰচিত।৭৮॥

৭৯। যেতিয়ালৈকে কাফেৰ ফিত্‌না অৰ্থাৎ দুৰ্ব্বল থাকে, আৰু আল্লাহৰ দীন অৰ্থাৎ ধৰ্ম্ম প্ৰতিষ্ঠিত নহয় তেতিয়ালৈকে সিহঁতৰ বিৰুদ্ধে যুঁজি থাকিবা। নিশ্চয় মনত ৰাখিবা যে, তোমা-লোকে লুট কৰা ধন সম্পতিৰ এক পঞ্চমাংশ আল্লাহ আৰু ৰচুলৰ।

মঃ ২। সিঃ ৯। সূঃ ৮। আঃ ৩৯-৪১ ॥

সমীক্ষক—কেৱল মুছলমানৰ খোদাৰ বাহিৰে আন কোনে এনেকুৱা অন্যায় যুদ্ধ কৰি বা কৰাই শান্তি ভঙ্গ কৰিব? এতিয়া চ'ক এই মজহব

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এনেকুৱা ! লুটপাত কৰি তাৰ এক পঞ্চমাংশ আল্লাহ আৰু ৰচূলক দিব লাগে। এইবোৰ লুণ্ঠনকাৰীৰ কাম নহয় নে ? লুণ্ঠিত ধন-সম্পত্তিৰ অংশীদাৰ হলে খোদাও দস্যুবৃত্তিৰ অপৰাধত অপৰাধী হয়। এনেকুৱা লুণ্ঠনকাৰীৰ প্ৰতি পক্ষপাত কৰিলে ঈশ্বৰৰ ঈশ্বৰত্বও হীন হ'ব। মানৱ জগতত অশান্তি উপদ্ৰৱ বিস্তাৰ কৰিবৰ কাৰণে এনেকুৱা গ্ৰন্থ (শাস্ত্ৰ) এনেকুৱা খোদা, আৰু এনেকুৱাই পয়গম্বৰ যে ক'ৰ পৰা আহিল সেইটোহে অতি আশ্চৰ্য্যৰ কথা। এনেকুৱা মত প্ৰচাৰ নোহোৱা হলে জগতবাসী অনেক শান্তিত থাকিব পাৰিলেহেঁতেন।৭৯।।

৮০। তোমালোকে কেতিয়াবা দেখা হলে জানিব পাৰিলাহেঁতেন যে, ফেৰিস্তাসকলে কেনেকৈ কাফেৰবোৰক ধৰি মুখত আৰু পিঠিত মাৰে আৰু প্ৰজ্বলিত অগ্নিৰ দহন সহ্য কৰিবলৈ দিয়ে। সিহঁতৰ পাপৰ কাৰণেই মই সিহঁতক বিনাশ কৰিছো আৰু মই ফিৰাওন জাতিক ডুবাই দিছো। তোমালোকে সিহঁতৰ কাৰণে যি কৰিব পাৰা, তাৰ কাৰণে সাজু হোৱা।

মঃ ২। সিঃ ৯। সূঃ ৮। আঃ ৫০।৫৪।৬০ ।।

সমীক্ষক—তেতিয়া সেই ফেৰিস্তাবোৰ কত শুই আছিল ? যেতিয়া কচিয়াই ৰোম আৰু ইংৰাজে মিচৰৰ দুৰ্দ্দশা কৰিছিল ? আগতে খোদাই তেওঁৰ সেৱক ভক্তসকলৰ শত্ৰুবোৰক ডুবাই দিছিল, এই কথা যদি সত্য হয়, তেনেহলে এতিয়াও তেনেকৈ নকৰে কিয় ? আজি-কালিদেখো তেনে নহয়। গতিকে এইবোৰ কথা বিশ্বাস কৰিব নোৱাৰি। "বিশ্বাসীসকলে অবিশ্বাসীসকলক যিমান পাৰে অত্যাচাৰ কৰিব" এইটো কেনে জঘন্য আদেশ ভাবি চ'ক! কোনো বিদ্বান, ধাৰ্ম্মিক আৰু দয়ালু ব্যক্তিয়েই এনেকুৱা আদেশ দিব নোৱাৰে ; তথাপি লিখা হৈছে যে, খোদা দয়ালু আৰু ন্যায়কাৰী ! ইয়াৰ পৰা জানিব পাৰি যে, ন্যায়, দয়া আদি সদগুণবোৰ মুছলমানৰ খোদাৰ পৰা বহুত দূৰৈত থাকে। ৮০ ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৮১। হে নবী! আল্লাহৰ সহায় আৰু মুছলমানসকলৰ ভিতৰত যি সকল তোমাৰ ফলীয়া তেওঁলোকৰ সহায়েই তোমাৰ বাবে যথেষ্ট। হে নবী! মুছলমানসকলক যুদ্ধৰ কাৰণে উত্তেজিত কৰা। অটল অধ্যৱসায়সম্পন্ন তোমালোকৰ বিশ জনেই সিহঁতৰ ২০০ জনক পৰাজিত কৰিব পাৰিব। গতিকে লুটৰ বস্তু ভোগ কৰা; সেয়া হালাল অৰ্থাৎ বধ্য আৰু পবিত্ৰ। আল্লাহক ভয় কৰিবা; তেওঁ ক্ষমাকাৰী আৰু দয়ালু।

মঃ ২। সিঃ ১০। সূঃ ৪। আঃ ৬৪। ৬৫। ৬৯॥

সমীক্ষক—এইটো ন্যায়, বিবেচনা আৰু ধৰ্ম্মৰ কথা হব পাৰেনে যে, কোনো নিজৰ ফলীয়া মানুহে অন্যায় কৰিলেও তাৰেই উন্নতি কৰিব? প্ৰজাৰ শান্তি ভঙ্গ কৰি যুদ্ধ-বিগ্ৰহ কৰি, লুটপাত কৰি লোৱা বস্তুক হালাল বুলি লিখাটো দয়ালু ক্ষমাবান বোলা খোদাৰহে নেলাগে কোনো ভাল মানুহৰ হব নোৱাৰে। গতিকে এনেবোৰ কথা য'ত আছে, সেই কোৰাণ ঈশ্বৰৰ বাক্য হব নোৱাৰে। ৮১।

৮২। তেওঁলোকৰ মাজত চিৰকাল থাকিব। আল্লাহৰ ওচৰত পুণ্যৰ মহান পুৰস্কাৰ আছে। হে বিশ্বাসীসকল! তোমালোকৰ পিতা-ভ্ৰাতাসকলেও কাফেৰৰ লগত মিত্ৰতা কৰিলে, তেওঁলোকক মিত্ৰ বুলি নল'বা। আল্লাহই তেওঁৰ ৰচুল আৰু মুছলমানসকলৰ প্ৰতি সান্ত্বনা প্ৰেৰণ কৰিছে। পৰমেশ্বৰে যি সৈন্য প্ৰেৰণ কৰিছে তাক তোমালোকে দেখা নাই। তেওঁ অবিশ্বাসীবোৰক যন্ত্ৰনা দিছে। সেয়েই কাফেৰৰ প্ৰতি দণ্ড। আল্লাহৰ যাৰ প্ৰতি ইচ্ছা, তাৰ প্ৰতি বাৰে বাৰে তেনেকুৱাই কৰিব। অবিশ্বাসীবোৰৰ বিৰুদ্ধে যুদ্ধ কৰা।

মঃ ২। সি· ১০। সূঃ ৯। আঃ ২২-২৩ ২৬-২৭-২৯॥

সমীক্ষক— বেহেস্তবাসীৰ লগতেই যদি আল্লাহ সদায় থাকে,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তেনেহলে সৰ্ব্বব্যাপক কেনেকৈ হব ? সৰ্ব্বব্যাপক নহলে আল্লাহ সৃষ্টি কৰ্ত্তা আৰু বিচাৰপতি কেনেকৈ হব ? কাকো পিতা, মাতা, ভ্ৰাতা আৰু বন্ধুৰ পৰা বিচ্ছেদ কৰা অন্যায়। তেওঁলোকৰ অৰশ্যে অন্যায় উপদেশ শুনা অনুচিত, কিন্তু সদায় তেওঁলোকক সহায় শুশ্ৰূষা কৰা উচিত। "খোদা পূৰ্ব্বে মুছলমানসকলৰ প্ৰতি সদয় আৰু তেওঁলোকৰ সহায়তাৰ কাৰণে সৈন্য পঠাইছিল"। এই কথা যদি সঁচাই হয়, তেনেহলে এতিয়ানো তেনে নকৰে কিয় ? আৰু "খোদাই আগতে কাফেৰবোৰক দণ্ড দিছিল, বাৰে বাৰে আক্ৰমণ কৰিছিল", এই কথাও যদি সত্য হয়, তেনেহলে এতিয়ানো সেই দৰে নকৰে কিয় ? খোদাই যুদ্ধ নকৰাকৈ ধৰ্ম্ম প্ৰতিষ্ঠা কৰিব নোৱাৰে নেকি ? তেনেকুৱা খোদাক তিলাঞ্জলি দিয়াই ভাল। খোদা কোনো খেলুৱৈ নেকি ? ৮২॥

৮৩। আল্লাহ নিজেই বা আমাৰ দ্বাৰাই তোমালোকক কি দণ্ড দিয়ে, তাকেহে চাবৰ কাৰণে আমি বাট চাই আছো।

মঃ ২। সিঃ ১০। সূঃ ৯। আঃ ৫২ ॥

সমীক্ষক— মুছলমানবোৰ ঈশ্বৰৰ পুলিচ নেকি ? যে তেওঁ স্বয়ং অথবা তেওঁলোকৰ দ্বাৰাই ভিন্ন মতাৱলম্বীবোৰক ধৰিব ? তেওঁলোকৰ বাহিৰে যিবোৰ কোটি কোটি মানুহ আছে, সেইবোৰ ঈশ্বৰৰ অপ্ৰিয় নেকি ? আৰু মুছলমানবোৰৰ ভিতৰত যিবোৰ পাপী আছে সেইবোৰো ঈশ্বৰৰ প্ৰিয় নেকি ? সেয়ে যদি হয়, তেনেহলে অজ্ঞানৰ ৰাজ্যত স্বেচ্ছাচাৰী নিৰ্বোধ ৰজাৰ ৰাজত্বৰ দৰে হব। বিবেচনাশীল মুছলমান সকলেও যে, এই ভিত্তিহীন আৰু যুক্তিবিহীন মত বিশ্বাস কৰে এইটোহে আটাইতকৈ আশ্চৰ্য্যৰ কথা। ৮৩ ॥

৮৪। আল্লাহে বিশ্বাসী নৰ-নাৰীবোৰক স্বৰ্গভোগৰ প্ৰতিশ্ৰুতি দিছে। তাৰ তল ভাগেদি নদী প্ৰবাহিত হৈ আছে। স্বৰ্গৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সেই পবিত্ৰ উদ্যানৰ ভিতৰত তেওঁলোকে চিৰদিন বাস কৰিব। কিন্তু আল্লাহৰ শুভ ইচ্ছাৰ ওপৰতহে সিহঁতৰ সৰ্ব্বশ্ৰেষ্ঠ সফলতা নিৰ্ভৰ কৰে। যি তেওঁক উপহাস কৰে, তেওঁও সিহঁতক ঠাট্টা বিদ্ৰূপ কৰিব।

মঃ ২। সিঃ ১০। সূঃ ৯। আঃ ৭২। ৭৯॥

সমীক্ষক—এইবোৰ কেৱল স্বাৰ্থসিদ্ধিৰ কাৰণে খোদাৰ নামত নৰ-নাৰীবোৰক প্ৰলোভিত কৰাৰ বাহিৰে আন একোৱেই নহয়। এনেকৈ প্ৰলো-ভন নেদেখুৱালে কোনোৱেই মহম্মদ চাহেবৰ পাপত আবদ্ধ নহলহেঁতেন। অন্যান্য মতবাদীসকলেও এনেকুৱাকেই কৰে। মানুহে পৰস্পৰৰ ভিতৰত ঠাট্টা মস্কৰা কৰেই, কিন্তু ঈশ্বৰে কাৰো লগত ঠাট্টা কৰা অনুচিত। এই কোৰাণ যেন কিবা এটা ডাঙৰ খেলাহে। ৮৪॥

৮৫। কিন্তু ৰচুল আৰু যিবোৰ ধৰ্ম্মবিশ্বাসীয়ে তেওঁলোকৰ ধন প্ৰাণ দি জেহাদ কৰে; তেওঁলোকৰো কল্যাণ হব। আল্লাহে সিহঁতৰ হৃদয়ত শীল মোহৰেৰে অবৰুদ্ধ কৰি নিজে অন্তৰত বহি আছে সিহঁতে সেই কথা নাজানে। মঃ ২। সিঃ ১০। সূঃ ৯। আঃ ৮৮-৯৩।

সমীক্ষক—যি মহম্মদ চাহেবৰ কথাত বিশ্বাস কৰে তেওঁলোকেই ভাল আৰু যি নকৰে তেওঁলোক বেয়া, এইবোৰ স্বাৰ্থপৰতাৰ কথা হয়নে নহয়? এনেবোৰ কথা পক্ষপাত আৰু অজ্ঞতা জড়িত নহয় নে! খোদাই সিহঁতৰ হৃদয়ত শীলমোহৰ মাৰি নিজে বহি থাকিলে সিহঁতৰ পাপৰ বাবে সিহঁত অপৰাধী নহৈ খোদাহে হব, কাৰণ সিহঁতৰ হৃদয়ত শীলমোহৰ মাৰি সিহঁতৰ সৎকৰ্ম্ম কৰাত বাধা দিছে। গতিকে ভয়ঙ্কৰ অন্যায় হৈছে। ৮৫॥

৮৬। সিহঁতৰ ধন সম্পত্তিৰ দান লৈ সিহঁতৰ অন্তৰ আৰু বাহিৰ পবিত্ৰ কৰা। আল্লাহে বেহেস্তৰ বিনিময়ত মুছলমানৰ জীৱন

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আৰু ধন সম্পত্তি লৈছে। তেওঁলোকে ঈশ্বৰৰ পথত স্থিৰ হৈ যুদ্ধত আনক মাৰিব আৰু নিজেও মৰিব লাগিব।

ম: ২। সি: ১১। সূ: ৯। আঃ ১১৩।১১১ ॥

সমীক্ষক—বেচ! মহম্মদ চাহেব, গোকুলীয়া গোঁসাইবোৰৰ দৰেই আপুনিও কৰিলে। মানুহৰ ধন-সম্পত্তি লৈ পবিত্ৰ কৰিব পৰা সেই গোঁসাই-বোৰৰহে কাম! খোদায়ো তেনেহলে ভাল বেপাৰ কৰিছে! তেওঁ মুছলমানৰ হতুৱাই দৰিদ্ৰবোৰক মৰাটোকেই লাভজনক বুলি ধৰিছে। তেওঁ অসহায়বোৰক হত্যা কৰাই নিৰ্দ্দয়বোৰক স্বৰ্গসুখ দান কৰিছে। ইয়াৰ দ্বাৰাই মুছলমানৰ খোদা নিৰ্দ্দয়, অন্যায়কাৰী আৰু জ্ঞানী ধাৰ্ম্মিকসকলৰ মনত ঘৃণাৰ পাত্ৰ হৈছে। ৮৬॥

৮৭। হে বিশ্বাসী মুছলমানসকল! তোমালোকে তোমালোকৰ প্ৰতিবেশী কাফেৰবোৰৰ বিৰুদ্ধে যুদ্ধ কৰা; তোমালোকৰ ভিতৰত যে দৃঢ়তা আছে তাক যেন সিহঁতে বুজিব পাৰে। প্ৰতি বছৰে দুই এবাৰকৈ সিহঁত যে বিপদগ্ৰস্ত হয়, তাকো সিহঁতে বুজিব নোৱাৰে। তথাপি সিহঁতে "তোবা" অৰ্থাৎ অনুতাপ আৰু শিক্ষা গ্ৰহণ নকৰে।

ম: ২। সি: ১১। সূ: ৯। আ: ১২৩।১২৬॥

সমীক্ষক—এইবোৰো বিশ্বাসঘাতকতাৰ কথাহে! খোদাই মুছলমান সকলক শিক্ষা দিছে যে, প্ৰতিবেশীয়েই হওক বা কাবোবাৰ ভৃত্যই হওক যেতিয়াই সুযোগ পায় তেতিয়াই সিহঁতৰ বিৰুদ্ধে যুদ্ধ কৰিব বা যি কোনো প্ৰকাৰে আঘাত কৰিব। কোৰাণত লিখিত এনেবোৰ বাণীত বিশ্বাস কৰি মুছলমানসকলে সেই মতে অনেক কাম কৰিছে। এনেকুৱা যিবোৰ দোষনীয় কথা কোৰাণত লিখিত আছে, সেইবোৰ তেওঁলোকে বিবেচনা কৰি পৰিত্যাগ কৰিলে জগতৰ কল্যাণ সাধনত সহায় হব পাৰে। ৮৭॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৮৮। নিশ্চয় আল্লাহ তোমালোকৰ পালনকৰ্ত্তা। তেওঁ ছয় দিনত আকাশ আৰু পৃথিবী সৃষ্টি কৰি সিংহাসনত বহিলৈ সকলো কামৰ তত্ত্বাৱধান কৰিব লাগিছে।

মঃ ৩। সিঃ ১১।সূঃ ১০। আঃ ৩॥

সমীক্ষক—আচমান আৰু আকাশ একেই বস্তু আৰু ই সৃষ্টি হোৱা নাই; অনাদি। কিন্তু কোৰাণত সৃষ্ট হৈছে বুলি লিখা হৈছে। ইয়াৰ পৰা কোৰাণ ৰচয়িতাৰ যে পদাৰ্থ বিদ্যাৰ জ্ঞান নাই, সেয়েই প্ৰমাণ হৈছে। সৃষ্টি কৰোতে পৰমেশ্বৰৰ ছয় দিন লাগে নে? কোৰাণত লিখা আছে "সৃষ্টি হ" এই বুলি খোদাই আদেশ দিয়াতেই সৃষ্টি হৈ গল গতিকে ছয় দিনত সৃষ্টি হৈছে বুলি কলে মিছা প্ৰমাণ হয়। খোদা যদি সৰ্ব্ব-ব্যপক হয়, তেনেহলে আকাশৰ সিংহাসনত কিয় বহি থাকিব? কামত তত্ত্বাবধান কৰিলে খোদা মানুহৰ দৰে হয়। যি সৰ্ব্বব্যপক তেওঁ কোনো স্থান বিশেষত থাকি কামৰ তত্বাবধান কৰে নেকি? ইয়াৰ পৰা প্ৰতীত হয় যে, যাৰ ঈশ্বৰৰ জ্ঞান নাই, তেনে মানুহেহে এনে গ্ৰন্থ ৰচনা কৰিছে। ৮৮।

৮৯। দয়া আৰু উপদেশ মুছলমানৰ কাৰণেহে।

মঃ ৩। সিঃ ১১। সূঃ ১১। আঃ ৫৭॥

সমীক্ষক—খোদা কেৱল মুছলমানৰ কাৰণেহে নেকি? খোদা আনৰ নহয় নেকি? তেওঁ কেৱল মুছলমানৰহে পক্ষপাতী নেকি? মুছল-মানক দয়া কৰে আনক দয়া নকৰে? বিশ্বাসী বুলিলে যদি কেৱল মুছলমানকেই বুজায়; তেনেহলে মুছলমানৰ কাৰণে উপদেশৰ কোনো প্ৰয়োজনেই নাই। খোদাই মুছলমানৰ বাহিৰে আন কাকো উপদেশ নিদিয়ে, তেনেহলে তেওঁৰ জ্ঞানেই বৃথা ৮৯॥

৯০। তোমালোকৰ ভিতৰত কৰ্ম্মদক্ষ কোন আল্লাহই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তাৰ পৰীক্ষা কৰিব পাৰে। জানিব খোজা যদি—মৃত্যুৰ পাছত তোমাক উঠোৱা হব।

মঃ ৩। সি ১১। সূঃ ১১। আঃ ৭ ॥

সমীক্ষক—খাদায়ো যদি কৰ্ম্মৰ পৰীক্ষা কৰে তেন্তে তেওঁ সৰ্ব্বজ্ঞ ব নোৱাৰে। মৃত্যুৰ পাছত যদি আকৌ উত্থাপিত কৰা হয় তেনেহলে বিচাৰ পুনৰ বিবেচনাধীন ৰখা হয় আৰু মৃত্যুৰ পাছত পুনৰ্জীৱিত নাহোৱাৰ নিয়ম ভঙ্গ কৰা হয়। এনেহলে ঈশ্বৰৰ ঈশ্বৰত্ব লাঘৱ কৰা য়। ৯০ ॥

৯১। কোৱা হল—"হে পৃথিবী! তোমাৰ জল উদৰস্থ কৰা, হে আকাশ, জলবৰ্ষণ স্থগিত কৰা"; তেতিয়া জল শুকাই গল। হে স্বজাতীয় সকল এই উটনীয়েই তোমালোকৰ কাৰণে আল্লাহৰ নিচান। গতিকে এইক খোদাৰ পৃথিৱীত অবাধে খোদাৰ কাৰণে বিচৰণ কৰিবলৈ দিয়া।

মঃ ৩। সিঃ ১০। সূঃ ১১। আঃ ৪৪।৬৪ ॥

সমীক্ষক—লৰাৰ কথাৰ দৰে। পৃথিবী আৰু আকাশেও কথা শুনিব পাৰেনে? আৰু খোদাৰ বোলে উটনী আছে। তেনেহলে উটো আছে আৰু হাতী, ঘোৰা, গাধ আদিও আছে। খোদাৰ উটনীৰ দ্বাৰাই পথাৰৰ শস্য খুওৱাটো ভাল কথা নহয়। খোদাৰ উটনীৰ প্ৰয়োজন কি, বাহন নেকি? তেওঁৰ নবাবৰ খিতাপত থাকে নেকি? ৯১ ॥

৯২। যিমান দিন আকাশ আৰু পৃথিবী থাকিব সিমান দিন সিহঁত তাৰ মাজত সদায় থাকিব। যিবোৰ ভাগ্যবান, তেওঁ-লোক যিমান দিন আকাশ আৰু পৃথিবী থাকিব সিমান দিন বেহেস্তত থাকিব।

মঃ ৩। সিঃ ১২। সূঃ ১১। আঃ ১০৮।১০৯ ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—কয়ামতৰ পাছত যদি কোনো স্বৰ্গলৈ যায় আৰু কোনো নৰকলৈ যায় তেনেহলে আকাশ আৰু পৃথিবী কাৰ কাৰণে থাকিব ? আৰু যিমান দিন আকাশ আৰু পৃথিবী থাকে, সিমান দিন স্বৰ্গত বা নৰকত থকিব লগা হয়, তেনেহলেও চিৰকাল স্বৰ্গত বা নৰকত থকাৰ কথা মিছা। কেৱল অজ্ঞ মানুহেহে এনেবোৰ কথা কব পাৰে; ঈশ্বৰ অথবা কোনো বিদ্বান মানুহৰ পক্ষে সম্ভৱ নহয়। ৯২ ॥

৯৩। যেতিয়া ইউচুফে পিতাকক কলে—"পিতা! মই এটা সপোন দেখিছো।" মঃ ৩। সিঃ ১২। সূঃ ১২। আঃ ৪-১০১

সমীক্ষক—এই প্ৰকৰণটো পিতা-পুত্ৰৰ সম্বন্ধৰ আখ্যান, গতিকে কোৰাণ ঈশ্বৰৰ ৰচিত নহয়, মানুহৰ লিখা ইতিহাসহে ৯৩॥

৯৪। যিজনে কোনো খুটা নোহোৱাকৈয়ে আকাশক স্থাপন কৰিছে তেওঁৱেই আল্লাহ। তোমালোকে তাক দেখিছা। তেওঁ সিংহাসনত উপবিষ্ট হৈ চন্দ্ৰ সূৰ্য্যক আজ্ঞাবাহক কৰিছে। তেওঁৱেই পৃথিবীক বিস্তীৰ্ণ আৰু আকাশৰ পৰা জল অৱতাৰণ কৰাইছে; তাৰ পৰা জলধাৰা প্ৰবাহিত কৰাইছে। তেওঁ ইচ্ছানুসাৰেই কাৰোবাক মুক্তহস্তে আহাৰ্য্য দান কৰে, আৰু কাৰোবাৰ আহাৰৰ পৰিমাণ সঙ্কুচিত কৰে।

মঃ ৩। সিঃ ১৩। সূঃ ১৩। অঃ ৩। ১৭। ২৬॥

সমীক্ষক—কোৰাণ লিখা খোদাই পদাৰ্থ বিদ্যা বোধহয় জনা নাছিল, নহলে তাৰ নথকা আকাশক খুটা নোহোৱাকৈ স্থাপনৰ গল্প নিলিখিলেহেঁতেন। খোদাই যদি উৰ্দ্ধলোকৰ কোনো স্থান বিশেষত থাকে, তেনেহলে তেওঁ সৰ্ব্বসক্তিমান আৰু সৰ্ব্বব্যাপক হব নোৱাৰে। তেওঁৰ মেঘৰ বৈজ্ঞানিক তত্ত্বজ্ঞান থকা হলে, আকাশৰ পৰা জলৰ অৱতৰণৰ কথা লিখি পুনঃ পৃথিবীৰ পৰা জলীয় বাষ্প উত্থাপনৰ কথা নিলিখিলে কিয় ? ইয়াৰ পৰাই নিশ্চিত ৰূপে জানিব পৰা যায় যে, কোৰাণ ৰচয়ি-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তাৰ মেঘৰ বৈজ্ঞানিক তত্ত্বজ্ঞান নাছিল। উত্তম আৰু অধম বিনা কাৰোবাক সুখ বা দুখ দিলে তেওঁ পক্ষপাতী আৰু নিৰক্ষৰ ভট্টাচাৰ্য্য ৰূপেহে প্ৰমাণিত হয়। ৯৪ ॥

৯৫। আচলতে আল্লাহে যাকে ইচ্ছা তাকে পথভ্ৰষ্ট কৰে আৰু যিবিলাকে তেওঁৰ অভিমুখী হয়, তেওঁলোকক তেওঁৰ ফালে যাবলৈ পথ প্ৰদৰ্শন কৰে।

মঃ ৩। সিঃ ১৩। সূঃ ১৩। আঃ ২৭॥

সমীক্ষক—আল্লাহে যদি মানুহক পথভ্ৰষ্ট কৰে, তেনেহলে তেওঁৰ আৰু চয়তানৰ ভিতৰত প্ৰভেদ কি? মানুহক পথভ্ৰষ্ট কৰে কাৰণেই চয়-তান বেয়া; খোদায়ো যদি তাকেই কৰে, তেনেহলে খোদাকো বেয়া বোলা নহব কিয়? আৰু মানুহক বিভ্ৰান্ত কৰা পাপৰ ফলত খোদাও নৰকগামী নহব কিয়? ৯৫ ॥

৯৬। উদ্দেশ্য অনুসাৰে কোৰাণ আৰবী ভাষাত প্ৰেৰণ কৰা হৈছে। এই কথা জনাৰ পাছতো যদি সিহঁতৰ পক্ষ লোৱা...... । তুমি এই সম্বাদ সকলোৰে আগত প্ৰচাৰ কৰিবা। ইয়াৰ বাহিৰে তোমাৰ আন কৰ্ত্তব্য নাই। ইয়াৰ হিচাপ ৰক্ষাৰ কাম মোৰ!

মঃ ৩। সিঃ ১৩। সূঃ ১৩। আঃ ৩৭-৪০।

সমীক্ষক—কোৰাণ কোন দিশৰ পৰা অৱতীৰ্ণ হ'ল? খোদা ওপৰতহে থাকে নেকি? তেনেহলে তেওঁ একদেশী, গতিকে ঈশ্বৰেই হব নোৱাৰে। ঈশ্বৰ সৰ্বত্ৰ একৰস আৰু ব্যাপক। পৈগাম অৰ্থাৎ বাৰ্ত্তা-বহন বাৰ্ত্তা-বাহকৰেই কাম, একদেশী মানুহৰহে বাৰ্ত্তা-বাহকৰ প্ৰয়োজন আৰু হিচাপ দিয়া বা লোৱাও মানুহৰহে কাম, ঈশ্বৰৰ নহয়; ঈশ্বৰ সৰ্বজ্ঞ। গতিকে নিশ্চিত এয়ে হয় যে, কোৰাণ কোনো অল্পজ্ঞ মানুহৰ দ্বাৰা ৰচিত। ৯৬ ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৯৭। তেওঁ নিশ্চয় চন্দ্ৰ আৰু সূৰ্য্যক সদায় ঘূৰি থকা কৰিছে। মনুষ্য, অৱশ্যে পাপ আৰু অন্যায়আচৰণকাৰী।

মঃ ৩। সিঃ ১৩। সূঃ ১৪। আঃ ৩৩-৩৪॥

সমীক্ষক—চন্দ্ৰ আৰু সূৰ্য্য সদায় যে ঘূৰে পৃথিবী নুঘুৰে নেকি? পৃথিবী যদি নুঘুৰে দিন আৰু ৰাতি বহু বছৰ ব্যাপী হব। মানুহৰ স্বভাবেই অন্যায় আৰু পাপাচাৰী হলে কোৰাণৰ উপদেশ নিৰৰ্থক। কাৰণ যি স্বভাৱতঃ অন্যায়কাৰী, সি কেতিয়াও পুণ্যাত্মা হব নোৱাৰে! পৃথিবীৰ সকলোতে পুণ্যাত্মা আৰু পাপী দেখা যায়। গতিকে এনেবোৰ কথা ঈশ্বৰ ৰচিত গ্ৰন্থত থকাটো সম্ভৱ নহয়। ৯৭॥

৯৮। "মই যেতিয়া তেওঁক ভালকৈ নিৰ্ম্মাণ কৰি তেওঁৰ ভিতৰত নিজৰ ৰূহ (আত্মা) দিওঁ তেতিয়া তোমালোকে তেওঁক দণ্ডৱৎ হৈ প্ৰণাম কৰিবা।" চয়তানে কলে—"হে মোৰ পালনকৰ্ত্তা! তুমি যেতিয়া মোক পথভ্ৰষ্ট কৰিলা, ময়ো সিহঁতৰ কাৰণে পৃথিবীত পাপ সাজু কৰি ৰাখিম আৰু সিহঁতক পথভ্ৰষ্ট কৰিম"।

মঃ ৩। সিঃ ১৪। সূঃ ১৫। আঃ ২৯-৪৬।

সমীক্ষক—খোদাই নিজৰ ৰূহ (আত্মা) যদি আদম চাহেবৰ ভিতৰত ভৰাই দিলে, তেনেহলে আদমো খোদা হ'ল, আদম খোদা নোহোৱা হলে সিজ্‌দা অৰ্থাৎ প্ৰণিপাত আদি ভক্তি দেখুৱাই খোদাই তেওঁক নিজৰ সহযোগী কৰিব কিয়? খোদাই চয়তানক বিভ্ৰান্ত কৰে যেতিয়া খোদা চয়তানবো চয়তান, চয়তানৰ বৰ ককাই আৰু গুৰু নহব কিয়? মুছলমানৰ মতে চয়তান কুবুদ্ধি দাতা; খোদাই চয়তানক তেনে কৰিবলৈকে স্বভাৱ দিছে, আৰু চয়তানেও স্বয়ং খোদাৰ সাক্ষাতত কৈছে—"মই কুপথে চলাম," তথাপিও খোদাই চয়তানক দণ্ড বিহি কাৰাগাৰত বন্দী বা বধ নকৰিলে কিয়? ৯৮।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৯৯। মই নিশ্চয় প্ৰত্যেক জাতিৰ মাজলৈ পয়গম্বৰ পঠাইছো। মোৰ যেতিয়া ইচ্ছা হয় তেতিয়া কওঁ "এইটো হক"—তৎক্ষণাৎ সেইদৰেই হৈ যায়। মঃ ৩। সিঃ ১৪। সূঃ ১৬। আঃ ৩৬—৪০॥

সমীক্ষক—খোদাই সকলো জাতিৰ মাজলৈ যদি পয়গম্বৰ পঠিয়াইছে, তেনেহলে সকলো জাতিৰ মানুহেই পয়গম্বৰৰ মতানুসাৰেই চলিছে; গতিকে কোনোৰেই কাফেৰ নহয়। মুছলমানৰ পয়গম্বৰৰ বাহিৰে অন্য পয়গম্বৰৰ সন্মান নাই নেকি? এইবোৰ একেবাৰেই পক্ষপাতৰ কথা। সকলো দেশলৈকে যদি পয়গম্বৰ পঠোৱা হৈছে তেনেহলে আৰ্য্যাবৰ্ত্তলৈ কোন পয়গম্বৰক পঠোৱা হ'ল? গতিকে এইবোৰ বিশ্বাস কৰিব পৰা কথা নহয়। খোদাৰ যেতিয়া ইচ্ছা হয় তেতিয়া কয় "পৃথিবী হৈ য'ক"; পৃথিবী জড় পদাৰ্থ; শুনিব নোৱাৰে, তেনেহলে তেওঁৰ আদেশ কেনেকৈ পালন হয়? আৰু যদি তেতিয়া খোদাৰ বাহিৰে আন কোনো বস্তুৰেই অস্তিত্ব নাছিল, তেনেহলে শুনিলে কোনে? আৰু কি হ'ল? এইবোৰ অজ্ঞতাৰ কথা অজ্ঞলোকেহে শুনিব।৯৯॥

১০০। তেওঁলোকে আল্লাহৰ কাৰণে কন্যা অৰ্পণ কৰে; কিন্তু আল্লাহ পবিত্ৰ, তেওঁলোকে যি ইচ্ছা কৰে, সেয়া তেওঁৰ ভিতৰত আছে। আল্লাহৰ নামত শপত খাই কৈছো, মই নিশ্চয় পয়গম্বৰ পঠিয়াইছো। মঃ ৩। সিঃ ১৪। সূঃ ১৬। আঃ ৫৭-৬৩॥

সমীক্ষক—আল্লাহৰ কন্যাৰ প্ৰয়োজন কি? মানুহৰহে কন্যাৰ প্ৰয়োজন হয়। কন্যা যে' অৰ্পণ কৰা হয়, পুত্ৰ অৰ্পণ কৰা নহয় কিয়? ইয়াৰ কাৰণ কি? শপত খোৱা ঈশ্বৰৰ কাম নহয়, কেৱল মিথ্যাবাদীৰহে কাম। সাধাৰণতে মিথ্যাবাদীবোৰকহে শপত খোৱা দেখা যায়। সত্যবাদীয়ে শপত খাব লাগিছে কিয়?।১০০।।

১০১। আল্লাহেই সিহঁতৰ হৃদয়, কাণ আৰু চকু চিলমোহৰ মাৰি বন্ধ কৰি দিছে। সকলো জীৱক কৃত কৰ্ম্মৰ ফল সম্পূৰ্ণ দিয়া হব। সিহঁতৰ প্ৰতি অন্যায় কৰা নহয়। মঃ ৩। সিঃ ১৪। সূঃ ১৬। আঃ ১০৮—১১১॥

সমীক্ষক—খোদাই চিল-মোহৰ মাৰি বন্ধ কৰাত সেই মানুহবোৰ বিনা অপৰাধত বিনষ্ট হ'ল। তেওঁলোকৰ স্বাধীনতা হৰণ কৰা হ'ল। ই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

গুৰুতৰ অপৰাধ। আৰু কোৱা হৈছে যে, যাৰ যিমান পৰিমাণৰ কৰ্ম্ম, তাক সিমান পৰিমাণে ফল দিয়া হব; কম বেছি কৰা নহব। সিহঁতে তো স্বাধীনভাবে পাপ কৰা নাই, খোদাই যি কৰাইছে তাকেই কৰিছে। তেওঁলোকৰ কোনো অপৰাধ হোৱা নাই, গতিকে সিহঁতৰ পৰিবৰ্ত্তে ঈশ্বৰেহে ফল পোৱা উচিত। আৰু যদি কৰ্ম্মৰ ফল সম্পূৰ্ণ দিয়া হয়, তেনেহলে ক্ষমা কৰাৰ কাৰণ কি? ক্ষমা যদি কৰা হয়, তেনেহলে ন্যায় ক'ত থাকে? এনেকুৱা পৰস্পৰ বিপৰীত কথা খোদাৰ হব নোৱাৰে, কেৱল অবোধ বালকৰহে হব পাৰে। ১০১॥

১০২। কাফেৰবোৰক অবৰোধ কৰিবৰ কাৰণে মই "দোজখ" অৰ্থাৎ নৰক প্ৰস্তুত কৰিছো আৰু সিহঁতৰ প্ৰত্যেকৰ কণ্ঠত সিহঁতৰ কৰ্ম্মৰ হিচাপৰ বহী আঁৰি দিছো। শেষ বিচাৰৰ দিনা (কয়ামত) সিহঁতৰ কাৰণে এখন হিচাপ বহী প্ৰকাশ কৰা হব; আৰু সেই বহী মেল খাই থকা দেখিব। নূহৰ পাছত মই বহুত জাতি ধ্বংস কৰিছো।

মঃ ৪। সিঃ ১৫। সূঃ ১৭। আঃ ৮।১৩।১৭॥

সমীক্ষক— যিসকলে কোৰাণ, পয়গম্বৰ, কোৰাণৰ খোদা, সপ্তম আকাশ আৰু নমাজ আদি বিশ্বাস নকৰে, তেওঁলোকক কাফেৰ আৰু নৰকগামী বোলাটো কেৱল পক্ষপাতৰ বাহিৰে আন একো নহয়। কেৱল কোৰাণ বিশ্বাসীবোৰেই ভাল আৰু অন্যান্য মতবাদী মাত্ৰই বেয়া, এনেকুৱা কথা হব পাৰেনে? প্ৰত্যেকৰ ডিঙিত কৰ্ম্মৰ হিচাপ বহী আঁৰা আছে, এনেবোৰ লবালি কথা। আমি চোন কাৰো ডিঙিত তেনেকৈ দেখা নাই। হিচাপ কৰি কৰ্ম্মফল দিয়া হলে মানুহৰ হৃদয় আৰু চকু আদি চিল-মোহৰ মাৰি অৱৰুদ্ধ কৰা আৰু পাপ ক্ষমা কৰা আদি লাগ বান্ধ নোহোৱা কথা হয়। কয়ামতৰ ৰাতিত খোদাই যি হিচাপৰ বহী বাহিৰ কৰিব, এতিয়া সেইটো ক'ত? খোদাই বণিয়াৰ দৰে বহীত লিখে নেকি? এই ক্ষেত্ৰত বিবেচনা কৰিব লাগে যে, জীৱৰ পূৰ্ব্বজন্ম নেথাকিলে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰ্ম্মও থাকিব নোৱাৰে। তেনেহলে কৰ্ম্মৰ হিচাপ বহীত কেনেকৈ লিখা হয়? কৰ্ম্ম নাথাকিলেও যদি লিখা হয়, তেনেহলে জীৱৰ প্ৰতি অন্যায় কৰা হয়। সৎ কৰ্ম্ম, অসৎ কৰ্ম্মৰ বিবেচনা নকৰাকৈ সুখ বা দুখ দিয়া হল কিয়? যদি খোদাৰ ইচ্ছা তেনে হয়, তেনেহলে খোদাই অন্যায় কৰিছে। সৎ অসৎ কৰ্ম্মৰ বিবেচনা নকৰাকৈ কম বেছি সুখ দুখৰূপ ফল দিয়াকেই অন্যায় বোলে। সেই সময়ত খোদাই নিজেই হিচাপ বহী পাঠ কৰে, নে তেওঁৰ কোনো সহকাৰীয়ে পঢ়ি শুনায়? যিবোৰ জীৱই দীৰ্ঘকালৰ পৰা অপেক্ষা কৰিছে, যদি খোদাই বিনা অপৰাধত সিহঁতক বধ কৰে, তেতিয়া হলে তেওঁ অন্যায়কাৰী। গতিকে যি অন্যায়কাৰী, তেওঁ তেতিয়াও খোদা হব নোৱাৰে। ১০২ ॥

১০৩। সমুদ্ৰক মই এজনী উটনী দিছো। যাক পাবি তাকেই প্ৰলুব্ধ কৰিছো। সেইদিনা মই সকলোকে সিহঁতৰ দলপতিৰ লগত আহ্বান কৰিম। সিহঁতৰ সোঁ হাতত কৰ্ম্মৰ বিচাৰ-পত্ৰ দিয়া হৈছে।

ম: ৪। সিঃ ১৫। সূ: ১৭ আ: ৫৯। ৬৪। ৭১।।

সমীক্ষক—বাহবে! খোদাৰ আচৰিত নিচানবোৰৰ ভিতৰত এজনী উটনীও তেওঁৰ অস্তিত্বৰ প্ৰমাণ বা পৰীক্ষাৰ সাধন। খোদাই যদি সকলোকে মতিভ্ৰম কৰাবৰ কাৰণেই চয়তানক আদেশ দিয়ে, তেনেহলে খোদাই চয়তানৰ চৰ্দ্দাৰ আৰু তেওঁৰেই সকলোকে পাপত প্ৰবৃত্ত কৰায়। এনেকুৱা খোদাক খোদা বোলা অবোধৰহে কাম। খোদাই যদি কেৱল কয়ামত অৰ্থাৎ কেৱল প্ৰলয় কালতহে পয়গম্বৰ আৰু তেওঁৰ মতাৱলম্বীবোৰক আহ্বান কৰে, তেনেহলে প্ৰলয়কাল পৰ্য্যন্ত সকলোৱেই বিচাৰাধীন হৈ থাকিব লগা হয়। বিচাৰাধীন হৈ থকা মানেই ঘোৰ অশান্তিত থাকিব লাগে। গতিকে ন্যায় বিচাৰপতিয়ে সোনকালে বিচাৰ কৰাই উচিত। এনেকুৱা বিচাৰ "পোপাঁবাঈৰ" বিচাৰৰ দৰে। যেনেকৈ কোনো বিচাৰপতিয়ে কলে যে পঞ্চাশ বছৰ পৰ্য্যন্ত চোৰ আৰু সাধুবোৰ জমা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নোহোৱা পৰ্য্যন্ত কাৰো বিচাৰ অৰ্থাৎ দণ্ড বা পুৰস্কাৰ দিয়া নহব”— এইটোও তেনেকুৱা কথাই হব। ধৰক এজন পঞ্চাশ বছৰ পৰ্য্যন্ত বিচাৰাধীন হৈ আছে আৰু এজন আজি ধৰা পৰিল; কিন্তু দুয়োৰো বিচাৰ একে সময়ত হব। এনেকুৱা হোৱাটো উচিত নহয়। ন্যায় বিচাৰৰ আদৰ্শ বেদ আৰু মনুস্মৃতিত চ'ক। (৯০–৯০ অধ্যায়) সেই আদৰ্শ মতে বিচাৰ কৰিলে ক্ষণমাত্ৰও পলম নহয়। জীৱই নিজৰ নিজৰ কৰ্ম্ম অনুসাৰে দণ্ড বা পুৰস্কাৰ পায়। যিহওক, এনেকুৱা গ্ৰন্থ ৰচয়িতা আৰু উপদেষ্টা কেতিয়াও ঈশ্বৰ হব নোৱাৰে। ১০৩ ॥

১০৪। সিহঁতৰ চিৰকাল বস-বাসৰ নিমিত্তে উদ্যান আছে। সেই উদ্যানৰ অধোভাগেদি নদী প্ৰবাহিত হৈ আছে। সিহঁতে সেই ঠাইত সোণৰ অলঙ্কাৰ আৰু সেউজীয়া ৰেচমৰ বস্ত্ৰ পৰিধান কৰি গাৰু দিয়া সিংহাসনত উপবেশন কৰিব। পুণ্য উত্তম, স্বৰ্গ লাভো উত্তম।

মঃ ৪। সিঃ ২৫। সূ: ১৮। আ: ৩১ ॥

সমীক্ষক—বাহ! কোৰাণৰ স্বৰ্গতকৈ দুৰ্ল্লভ আৰু কি থাকিব পাৰে, যত আমোদ প্ৰমোদৰ উদ্যান, অলঙ্কাৰ, বস্ত্ৰ, সিংহাসন আৰু উপাধান আছে। বিবেচনাশীল মানুহে বিবেচনা কৰি চালে বুজিব পাৰিব যে, মুছলমানৰ সেই বেহেস্তত অন্যায়ৰ বাহিৰে আন দুষ্প্ৰাপ্য বস্তু একো নাই। সেই অন্যায় কৰ্ম্মৰ অন্ত আছে কিন্তু তাৰ ফল অনন্ত। সদায় সুমিষ্ট আহাৰ খালে কিছুদিনৰ পাছত অৰুচি আৰু বিষৰ তুল্য প্ৰতীত হয়। সেই দৰেই সদায় সুখ ভোগ কৰোঁতে কৰোঁতে সুখো দুখ যেন অনুভূত হয়। গতিকে এক মহাকল্প পৰ্য্যন্ত মুক্তিৰ সুখ ভোগ কৰাৰ পাছত পুনৰ্জন্ম লোৱাই সত্য সিদ্ধান্ত। ১০৪ ॥

১০৫। ইয়াৰ অধিবাসীবোৰে অন্যায় কাম কৰিলে মই সিহঁতক বিনাশ কৰো আৰু ভৱিষ্যতে অন্যায় কৰিলে বিনাশ কৰিম বুলি প্ৰতিজ্ঞা কৰিছো। মঃ ৪। সিঃ ১৫। সূঃ ১৮। আঃ ৫৯ ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—কোনো এখন নগৰৰ প্ৰত্যেক অধিবাসীয়ে পাপী হোৱাটো সম্ভৱ নে ? ঈশ্বৰে যদি অন্যায় দেখাৰ পাছতহে তাৰ ফল দিয়ে, তেনেহলে তেওঁ ভূত আৰু ভৱিষ্যত নাজানে, গতিকে সৰ্ব্বজ্ঞ নহয় আৰু দয়ালুও নহয়। ১০৫ ॥

১০৬। সেই বালকৰ মাক-বাপেক দুয়ো বিশ্বাসী আছিল। সেই বালকে মাক বাপেকক অবিশ্বাসী আৰু ধৰ্ম্মদ্ৰোহী কৰিব পাৰে বুলি মোৰ আশঙ্কা হৈছিল। যেতিয়া তেওঁ সেই স্থলত উপস্থিত হয়, তেতিয়া সূৰ্য্য অস্ত যাবৰ উপক্ৰম হৈছে। তেওঁ তেতিয়া বোকা পানীৰ এখন বিলত সূৰ্য্যৰশ্মি অস্ত যোৱা দেখিলে। তেতিয়া তেওঁলোকে কলে, হে জুলকৰনৈন ! যাজূজ আৰু মাজজ পৃথিবীত উৎপীড়নকাৰী।

মঃ ৪। সিঃ ১৬। সূঃ ১৮। আঃ ৮০। ৯৪ ॥

সমীক্ষক—এতিয়া খোদাৰ অজ্ঞতা কেনে চ'ক ! খোদাৰ সন্দেহ হল যে, সেই বালকৰ মাক বাপেক পথভ্ৰষ্ট হৈ পৰিৰ্ত্তন হব পাৰে। এনেকুৱা লক্ষণ ঈশ্বৰৰ কেতিয়াও হব নোৱাৰে। আৰু এক অজ্ঞতা মন কৰিব লগীয়া যে, কোৰাণ ৰচয়িতাৰ ধাৰণা যে, ৰাতি বিলৰ পানীত সূৰ্য্য ডুব যায় আৰু ৰাতিপুৱা সেই বিলৰ পানীৰ পৰা উদয় হয়। সূৰ্য্য পৃথিবীতকৈ বহুগুণে বিশাল ; গতিকে বিল, নদী বা সাগৰত কেনেকৈ ডুব যাব পাৰে ? ইয়াৰ পৰাই প্ৰতীত হয় যে, কোৰাণ ৰচয়িতাৰ ভূগোল আৰু খগোলৰ জ্ঞান নাই, সেয়ে নহলে এনেকুৱা বিজ্ঞানৰ বিপৰীত কথা কিয় লিখিলেহেঁতেন ? অজ্ঞ মানুহৰ বাহিৰে আন কোনে এই গ্ৰন্থৰ কথা বিশ্বাস কৰিব ? ইয়াৰ বাহিৰেও খোদাৰ অন্যায় আৰু চ'ক ! খোদা পৃথিবীৰ স্ৰষ্টা, ৰজা, আৰু বিচাৰপতি হৈও যাজূজ আৰু মাজূজক পৃথিবীত উপদ্ৰৱ কৰিবলৈ দিলে। এনে কৰ্ম্ম ঈশ্বৰৰ স্বভাৱৰ বিৰুদ্ধ। গতিকে নিৰ্ব্বোধ মানুহেহে কোৰাণৰ কথা বিশ্বাস কৰিব পাৰে, গুণী জ্ঞানী সকলে নকৰে। ১০৬ ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

১০৭। এই গ্ৰন্থত মেৰীৰ যি বৃত্তান্ত আছে তাক মনত ৰাখিবা। মেৰীয়ে নিজৰ ঘৰৰপৰা ওলাই পূব ফালে যাত্ৰা কৰিলে। তেওঁৰ গাত মাত্ৰ এখনেই কাপোৰ আছিল। মোৰ ৰূহ অৰ্থাৎ আত্মাই ফেৰিস্তাৰ ৰূপ ধৰিলে। তেওঁ হৃষ্ট পুষ্ট মানুহৰ ৰূপ ধৰি মেৰীৰ আগত উপস্থিত হলগৈ। মেৰীয়ে কলে, "মই মোৰ আত্ম-ৰক্ষাৰ কাৰণে দয়াময় ঈশ্বৰৰ শৰণাপন্ন হৈছো, তুমি সেই ঈশ্বৰক ভয় কৰি সংযত হোৱা"। সেই ফেৰিস্তাই উত্তৰ দিলে, "তোমাৰ সেই ঈশ্বৰেই তোমাক এটা পবিত্ৰ সন্তান দিবৰ কাৰণে মোক পঠাইছে"। মেৰীয়ে কলে, "মোক কোনো পুৰুষেই স্পৰ্শ কৰা নাই আৰু মই তেনে পাপাচাৰিণী নহওঁ; মোৰ কেনেকৈ পুত্ৰ হব পাৰে"? মেৰীয়ে গৰ্ভ ধাৰণ কৰিলে আৰু তেওঁৰ লগত হাবিৰ মাজলৈ সোমাই গল। মঃ ৬। সিঃ ১৬। সূঃ ১৯। আঃ ১৬। ১৭। ১৮। ১৯। ২০। ২২॥

সমীক্ষক—সুধীসকলে এতিয়া বিবেচনা কৰি চক! সেই ফেৰিস্তা খোদাৰেই আত্মা, গতিকে খোদাৰপৰা ভিন্ন নহয়। কুমাৰী মেৰীয়ে স্বইচ্ছাই সন্তান জন্ম দিবলৈ কামনা কৰা নাছিল, গতিকে মেৰীৰ গৰ্ভ ধাৰণ ন্যায়-সঙ্গত নহয়। খোদাৰ আদেশত ফেৰিস্তাই মেৰীক গৰ্ভৱতী কৰে। ই অন্যায় ব্যভিচাৰ। কোৰাণত আৰু অনেক অশ্লীল কথা লিখা আছে, সেই সকলোবোৰ ইয়াত উল্লেখ কৰা উচিত নহয় বুলি বিবেচনা কৰোঁ। ১০৭॥

১০৮। তুমি দেখা নাইনে, মই যে কাফেৰবোৰক বিভ্ৰান্ত কৰিবৰ কাৰণেই চয়তানবোৰক পঠাইছো।

মঃ ৪। সি ১৬। সূঃ ১৯। আঃ ৮৩॥

সমীক্ষক—মানুহক কুপথত প্ৰবৃত্ত কৰাবলৈ স্বয়ং খোদাই যেতিয়া চয়তানক পঠায়, কু-আচৰণকাৰী মানুহৰ গাত কোনো দোষ নাই আৰু চয়তানৰো দোষ নাই, যিহেতু চয়তানে খোদাৰ আদেশ মতেই কাম কৰে; দোষ খোদাৰহে। খোদা যদি ন্যায় পৰায়ণ হয়, তেনেহলে ন্যায় অনুসাৰে পাপৰ ফল দোজখ অৰ্থাৎ নৰকৰ ভোগ খোদাৰহে হোৱা উচিত। সেয়ে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হলে খোদা অন্যায়কাৰী। যি অন্যায়কাৰী সিয়েই পাপী। ১০৮ ॥

১০৯। যিবোৰে "তৌবাঃ" বুলি অনুতাপ আৰু বিশ্বাসী হৈ সৎকৰ্ম্ম কৰে, তেওঁলোকক মই নিশ্চয় ক্ষমা কৰো।

ম: ৪। সিঃ ১৬ সূঃ ২০। আঃ ৮২ ॥

সমীক্ষক—কোৰাণত লিখা আছে যে, কোনোৱে "তোবাঃ" বুলিলে পাপৰ ক্ষমা হয়। ইয়াৰপৰা পাপীবোৰে পাপ কৰিবলৈ সাহহে পায়, আৰু পাপৰ বৃদ্ধিহে কৰে, কাৰণ পাপ কৰি "তৌবাঃ" বুলিলেই ক্ষমা হব পাৰে। গতিকে কোৰাণ আৰু কোৰাণৰ ৰচয়িতা পাপীবোৰৰ উৎসাহদাতা আৰু পাপ বৃদ্ধিৰ সহায়ক। গতিকে এনেকুৱা কোৰাণ খোদাৰ ৰচিত হব নোৱাৰে আৰু তাত বৰ্ণনা কৰা খোদাও ঈশ্বৰ হব নোৱাৰে। ১০৯ ॥

১১০। পৃথিবীয়ে যাতে লৰচৰ কৰিব নোৱাৰে তাৰ কাৰণে মই পৰ্ব্বত নিৰ্ম্মাণ কৰিছো। ম: ৪। সি ১৭। সূঃ ২১। আঃ ৩১॥

সমীক্ষক—পৃথিবী সূৰ্য্যৰ চাৰিওফালে প্ৰদক্ষিণ কৰে, এই কথা কোৰাণ ৰচয়িতাই জনা হলে কেতিয়াও তেনেকৈ নিলিখিলেহেঁতেন। তেওঁৰ মনত বোধ হয় সংশয় হৈছিল যে পৰ্ব্বতবোৰ নথকা হলে পৃথিবী বিচলিত হলহেঁতেন, কিন্তু পৰ্ব্বত থকা সত্ত্বেও ভূমিকম্পত পৃথিবী বিচলিত হৈ হয়, তাক তেওঁ ভাবিব নোৱাৰিলে। ১১০ ॥

১১১। মই সেই মানুহজনীক তেওঁৰ গোপন জননেন্দ্ৰিয় ৰক্ষা কৰিবলৈ শিক্ষা দিলো, তেওঁ সেই মতে ৰক্ষা কৰিলে আৰু মই তাৰ ভিতৰত মোৰ আত্মাক ভৰাই দিলো।

ম: ৪। সিঃ ১৭। সূ: ২১। আ: ৯১ ॥

সমীক্ষক এনেবোৰ অশ্লীল কথা, খোদাহে নেলাগে কোনো সভ্য মানুহৰো হব নোৱাৰে। মানুহৰ কাৰণেই যদি এনেবোৰ কথা শোভন নহয় তেনেহলে ঈশ্বৰৰ কাৰণে কেনেকৈ শোভন হব? এই কাৰণে কোৰাণ প্ৰশংসনীয় নহয়। যদি কোৰাণত সৎবিবেচনাৰ কথা থাকিলে-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হেঁতেন তেনেহলে কোৰাণো বেদৰ দৰেই সকলোৰে প্ৰশংসনীয় হলহেঁতেন। ।১১১।।

১১২। **আকাশ, চন্দ্ৰ, সূৰ্য্য, তৰা আৰু পৃথিবীৰ পৰ্ব্বত, গছ, জন্তু আদি সকলোৱে যে দণ্ডবৎ হৈ আল্লাক প্ৰণাম কৰে, তাক তুমি দেখা নাই নে? তেওঁলোকক স্বৰ্ণ-কঙ্কণ, মুক্তা আৰু ৰেচমী বস্ত্ৰ পৰিধান কৰোৱা হব। যি মোৰ গৃহৰ চাৰিও ফালে বেষ্টন কৰি দণ্ডায়মান হৈ থাকে, সেইবোৰে তেওঁলোকক পবিত্ৰ কৰি ৰাখিব। নিজৰ গাৰ মলি পৰিষ্কাৰ কৰিব; নিজৰ সঙ্কল্প পূৰ্ণ কৰিব আৰু পুৰণি ঘৰৰ চৌপাশে প্ৰদক্ষিণ কৰিব। ঈশ্বৰৰ নাম স্মৰণ কৰিব।**

মঃ ৪। সিঃ ১৭। সূঃ ২২। আঃ ১৮। ২৩। ২৬॥

সমীক্ষক—জড় বস্তুৱে ঈশ্বৰ কি নাজানেই, ভক্তি আকৌ কেনেকৈ কৰিব? গতিকে এই গ্ৰন্থ কেতিয়াও ঈশ্বৰৰ ৰচিত নহয়, বোধ হয় কোনোবা মতিভ্ৰম মানুহৰ ৰচিত। সেয়েই স্বৰ্গ নে, যত সুবৰ্ণ আৰু মুকুতাৰ অলঙ্কাৰ আৰু পিন্ধিবলৈ ৰেচমৰ কাপোৰ পোৱা যায়! তেনে হলে এই বেহেস্ত পৃথিবীৰ ৰাজপ্ৰাসাদতকৈ কোনো গুণে শ্ৰেষ্ঠ নহয়। ঈশ্বৰৰ গৃহ আছে যদি তেওঁ তাতেই বাসো কৰে। তেনেহলে ইয়াকেই পৌত্তলিকতা অৰ্থাৎ মূৰ্ত্তিমান বোলা নহব কিয়? আৰু অন্যান্য মূৰ্ত্তি বা সাকাৰবাদীৰ নিন্দা কৰে কেনেকৈ? খোদাই যদি পূজা, আৰু পূজাৰ সামগ্ৰী গ্ৰহণ কৰে, নিজৰ বাসগৃহ প্ৰদক্ষিণ কৰিবলৈ আদেশ দিয়ে, আৰু পশু হত্যা কৰাই মাংস ভোজনো কৰে, তেনেহলে তেওঁ মন্দিৰবাসী, ভৈৰৱ, দুৰ্গাৰ দৰে আৰু ঘোৰ মূৰ্ত্তি পূজাৰ প্ৰৱৰ্ত্তক। আৰু মূৰ্ত্তিতকৈও মছজিদ্ বৃহত্তৰ মূৰ্ত্তি। এই হেতুকে খোদা আৰু মুছলমানসকলেই অধিক মূৰ্ত্তি পূজক আৰু পৌৰাণিক আৰু জৈনসকল মুছলমানতকৈ কম মূৰ্ত্তি পূজক। ১১২।।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

১১৩। শেষ বিচাৰৰ দিনা তোমালোক নিশ্চয় উত্থাপিত [হ]বা। মঃ ৪। সিঃ ১৮। সূঃ ২৩। আঃ ১৬ ॥

সমীক্ষক—মৃত জীৱবোৰ কবৰত থাকে নে আন কোনো স্থানত থাকে? যদি কবৰতেই থাকে তেনেহলে পুণ্য আত্মাবোৰেও গেলা পচা দুৰ্গন্ধময় দেহত দুখ ভোগ কৰে নেকি? এইবোৰ ন্যায়সঙ্গত ব্যৱস্থা নহয়। ইয়াৰ উপৰিও অতি বেছি দুৰ্গন্ধত নানা ৰোগৰ উৎপত্তি হোৱাত খোদা আৰু মুছলমানসকল পাপৰ ভাগী হয়। ১১৩।

১১৪। সেই দিনা সিহঁতৰ জিহ্বা, হস্ত, পদ আৰু সিহঁতৰ চৰ্মই সাক্ষী দিব। আল্লাহ আকাশ আৰু পৃথিবীৰ আলোক স্বৰূপ। তেওঁৰ প্ৰকাশ প্ৰাচীৰ সংলগ্ন দীপাৱলীৰে স্থিৰ, আৰু তেওঁৰ ন্যায় উজ্জ্বল স্ফটিকেৰে আবৃত দীপালোকৰ সদৃশ। সেই নূৰ অৰ্থাৎ প্ৰদীপ পবিত্ৰ জৈতুন বৃক্ষৰ তেলত প্ৰজ্বলিত হৈ থাকে আৰু সেই জৈতুন বৃক্ষ পূব দিশৰো নহয়, পশ্চিম দিশৰো নহয়, সেই তেলে অগ্নি সংযোগ নহলেও প্ৰকাশ বিস্তাৰ কৰে। আল্লাহে যাক ইচ্ছা কৰে তাকেই নিজৰ নূৰ অৰ্থাৎ জ্যোতিৰ দ্বাৰাই পথ প্ৰদৰ্শন কৰে। মঃ ৪। সিঃ ১৮। সূঃ ২৪। আঃ ২৪-২৫।

সমীক্ষক—হাত-ভৰি আদি জড় পদাৰ্থই কেতিয়াও সাক্ষী দিব নোৱাৰে। এনে কথা সৃষ্টি ক্ৰমৰ বিৰুদ্ধ, গতিকে অসত্য। খোদা অগ্নি নে বিদ্যুৎ! যি উপমা দিয়া হৈছে সেইটো ঈশ্বৰৰ লগত নাখাতে, সাকাৰ বস্তুৰহে তেনে তুলনা হব পাৰে। ঈশ্বৰ নিৰাকাৰ। ১১৪।

১১৫। আল্লাহে প্ৰাণী মাত্ৰকেই পানীৰ পৰা উৎপন্ন কৰিছে; [সিহঁত]ৰ ভিতৰত কোনো কোনো প্ৰাণী পেটত ভৰ দি চলে। [যি] কোনোৱে আল্লাহ আৰু ৰচুলৰ আজ্ঞা পালন কৰে, তাকহে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰা, 'আল্লাহ আৰু ৰচুলৰ আজ্ঞা পালন কৰা; ৰচুলৰ আজ্ঞা পালন কৰা। তোমাৰ প্ৰতি যেন দয়া দেখুৱা হয়।"

মঃ ৪। সিঃ ১৮। সূ: ২৪। আ: ৪৫।৫২.৭০।৭১।।

সমীক্ষক— প্ৰাণীৰ দেহত সকলো তত্ত্বই দেখা যায়, তথাপি কেৱল পানীৰ পৰাই উৎপন্ন হোৱা বুলি কোৱা কেনেকুৱা "ফিলসফী" অৰ্থাৎ দৰ্শন? এইবোৰ কেৱল নজনা মানুহৰহে কথা। আল্লাহৰ আজ্ঞা আৰু পয়গম্বৰৰ আজ্ঞা একে সমান হলে খোদা লাচৰীক নহৈ চৰীক হব অৰ্থাৎ পয়গম্বৰো খোদাৰ সমান বা অংশীদাৰ হব। তেনেহলে কোৰাণত খোদাক 'লাচৰীক' বুলি কোৱা হ'ল কিয়? ১১৫।।

১১৬। সেই দিনা আকাশ মেঘেৰে সৈতে বিদীৰ্ণ হব আৰু ফেৰিস্তাবোৰকো নমোৱা হব। গতিকে কাফেৰবোৰৰ কথাত বিশ্বাস নকৰিবা; সিহঁতৰ লগত কাজিয়া কৰা আৰু কাজিয়া বঢ়োৱা। তোমালোকৰ কুকৰ্ম্মবোৰো সুকৰ্ম্মত পৰিণত কৰিব। যি অনুতাপ আৰু ভাল কৰ্ম্ম কৰে. ঈশ্বৰৰ প্ৰতি তেওঁ নিশ্চয় অগ্ৰসৰ হয়। মঃ ৪। সিঃ ১৯। সূঃ ২৫। আঃ ২৫।৫২।৭০।।

সমীক্ষক – আকাশ মূৰ্ত্ত পদাৰ্থই নহয় যেতিয়া, মেঘৰ লগত কেনেকৈ ফাটি যাব পাৰে? গতিকে এইবোৰ অৰ্থহীন কথা। মুছলমানৰ কোৰাণে শান্তিভঙ্গ, কন্দল, বিদ্ৰোহত প্ৰবৃত্ত কৰায়; গতিকে ধৰ্ম্মপৰায়ণ মানুহে কোৰাণৰ কথাত বিশ্বাস নকৰে। পাপো পুণ্যত পৰিণত হোৱা অতি আচৰিত কথা! পাপ আৰু পুণ্য মাহ আৰু তিলৰ দৰে বদলি কৰিব পৰা বস্তু নেকি? "তোবাঃ" বুলিলেই যদি পাপৰ খণ্ডন আৰু ঈশ্বৰক পোৱা যায়, তেনেহলে পাপ কৰিবলৈ কোনেও ভয় নকৰে। গতিকে এই-বোৰ বিজ্ঞানৰ বিপৰীত কথা। ১১৬।।

১১৭। মই মুছাক আদেশ দিলো, "ৰাতি মোৰ ভৃত্যবোৰক

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ইয়াৰ্ৱ্পৰা লৈ যোৱা, মই তোমালোকক অনুসৰণ কৰিম"। ফিৰোনে নগৰৰ ভিতৰত মানুহ যোগাৰ কৰিবৰ কাৰণে কৰ্ম্মচাৰী পঠালে। যি আমাক সৃষ্টি কৰিছে তেওঁৱেই পথ প্ৰদৰ্শন আৰু আহাৰ পানী দান কৰিব। আশা কৰো যে শেষ বিচাৰৰ দিনা আমা অপৰাধ ক্ষমা কৰিব।

মঃ ৫, সিঃ ১৯। সূঃ ২৬। আঃ ৫২-৫৩-৭৮-৭৯।।

সমীক্ষক—খোদাই যদি মুছাকেই (**Moses**) আদেশ দিছিল, তেনেহলে আকৌ দাউদ, যীচু আৰু মহম্মদ চাহেবলৈ পুস্তক প্ৰেৰণ কৰিলে কিয়? ঈশ্বৰৰ বাক্য সদায় একে আৰু নিৰ্ভুল। গতিকে তাৰ পাছতো কোৰাণ পৰ্য্যন্ত পুস্তকবোৰ প্ৰেৰণ কৰাত বুজিব পাৰি যে, প্ৰথম পুস্তক অসম্পূৰ্ণ আৰু ভুল আছিল। কোৰাণৰ পাছৰ তিনিখন পুস্তক সত্য হলে কোৰাণ নিশ্চয় মিছা হব। কাৰণ পৰস্পৰ বিৰোধী চাৰিখন পুস্তক একেবাৰেই সঁচা হব নোৱাৰে। খোদাই যদি 'ৰূহ' অৰ্থাৎ আত্মা সৃষ্টি কৰে তেনেহলে জীৱৰ মৃত্যু বা অভাৱ কেতিয়াও হব নোৱাৰে। ঈশ্বৰেই মানুহ আদি সকলো প্ৰাণীকে আহাৰ পানী দিয়ে যদি, কাৰো ৰোগ হব নালাগিছিল, আৰু সকলোকে একে আহাৰেই দিব লাগিছিল' কাৰোবাক উত্তম আৰু কাৰোবাক অতি নিকৃষ্ট আহাৰ দিয়া পক্ষপাত আৰু অন্যায়। উদাহৰণ স্বৰূপে ৰজাক অতি উত্তম আহাৰ আৰু দুখীয়াক অতি নিকৃষ্ট আহাৰ দিয়া অন্যায়। ঈশ্বৰেই যদি সকলোকে আহাৰ পানী আৰু পথ্য দিয়ে, তেনেহলে কাৰোৰেই ৰোগ হব নেলাগিছিল। দেখা যায় মুছলমান সকলৰো ৰোগ হয়। খোদাই আৰোগ্য কৰে যদি, মুছলমানবোৰৰ ৰোগ একেবাৰেই থাকিব নেলাগিছিল। বিশ্বাসী মুছলমানবোৰৰ ৰোগ থাকিলে খোদা পূৰ্ণ বৈদ্য নহয়, আৰু যদি পূৰ্ণ বৈদ্য হয়, তেনেহলে মুছলমানৰ ৰোগ থাকিব কিয়? খোদাই মৃত্যু আৰু পুণ্যৰ জীৱনদাতা হলে পাপ-পুণ্যৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ভাব তেওঁৰেই হব। পাপ-পুণ্যৰ ফল জীৱৰ জন্ম জন্মান্তৰৰ কৰ্ম্মানুসাৰে হলে খোদাৰ কোনো দোষ নহয়। খোদাই পাপৰ ক্ষমা কৰিলে আৰু কয়ামতৰ (প্ৰলয়) ৰাত্ৰিত বিচাৰ কৰিলে পাপৰ প্ৰশ্ৰয়দাতা আৰু পাপী হৈ পৰে। আৰু যদি খোদাই পাপ ক্ষমা নকৰে, তেনেহলেও কোৰাণৰ কথাবোৰ মিছা হয়। ১১৭।

১১৮। তুমিও আমাৰ দৰেই এজন; তোমাৰ কথা যদি সঁচা, তেনেহলে তাৰ চিন কি আছে আনা। তেওঁ তেতিয়া কলে "এই উটনী জনীয়েই এটা চিন, এই এবোৰেই পানী খায়"।

ম: ৫। সিঃ ১৯। সূঃ ২৬। আঃ ১৫৪। ১৫৫॥

সমীক্ষক—শিলৰ পৰা উটনী সৃষ্টি কৰাৰ কথা নো কোনোবাই বিশ্বাস কৰিব পাৰে নে? কেৱল বনবাসী নিৰ্বোধ মানুহেহে এনেবোৰ কথা বিশ্বাস কৰিব পাৰে। আৰু উটনীক নিচানৰূপে ব্যৱহাৰ কৰা বনৰীয়া ব্যৱহাৰ প্ৰথা, উটনীৰ লগত ঈশ্বৰৰ কি সামঞ্জস্য আছে? এই গ্ৰন্থ ঈশ্বৰৰ ৰচিত হলে এনেকুৱা অৰ্থহীন কথা নাথাকিলেহেঁতেন। ১১৮॥

১১৯। হে মুছা! মই নিশ্চয় সৰ্ব্বশক্তিমান ঈশ্বৰ। তোমাৰ লাখুটিডাল পেলাই দিয়া। তাৰ পাছত তেওঁ দেখিলে যে, সেই লাখুটিডালেই সাপৰ ৰূপ ধৰি লৰ চৰ কৰিছে! ঈশ্বৰে তেতিয়া তেওঁক কলে, "হে মুছা! ভয় নাই, মোৰ আগত পয়গম্বৰৰ কি ভয় আছে। আল্লাহ্ আছে, দ্বিতীয় উপাস্য কোনোৱেই নাই। তেওঁ মহান উৰ্দ্ধলোকৰ অধীশ্বৰ। মোৰ বিৰুদ্ধে বিদ্ৰোহী নহবা। মুছলমান হৈ মোৰ ওচৰ চাপা।

মঃ ৫ সিঃ১৯ সূ: ২৭ আ: ৯। ১০। ২৬। ৩১॥

সমীক্ষক—এতিয়া চ'ক! আল্লাহে নিজৰ মুখেই কলে যে, তেওঁ মহান আৰু সৰ্ব্বশক্তিমান। কোনো সৎপুৰুষে আত্ম প্ৰশংসা নকৰে;

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দ্বাৰাই নো কেনেকৈ কৰিলে? ইয়াৰ পৰাই প্ৰতীত হয় যে, কোনো কুৎ অভিপ্ৰায়ৰ মানুহে ইন্দ্ৰজালৰ মায়া ৰচনা কৰি হোজা মানুহবোৰক বশ কৰি লৈ নিজেই খোদাৰ ৰূপ ধৰিছে। ঈশ্বৰৰ ৰচিত গ্ৰন্থত এনেকুৱা গল্প থকাটো সম্ভৱ নহয়। খোদা মহান "অৰ্শ্" অৰ্থাৎ সপ্তম আকাশৰ অধীশ্বৰ হলে একদেশী হব; ঈশ্বৰ হব নোৱাৰে; কাৰণ ঈশ্বৰ সৰ্ব্বব্যাপক। আত্মগৌৰব কৰা দোষণীয় হলে খোদা আৰু মহম্মদ চাহেবৰ নিজ প্ৰশংসাৰে কোৰাণখন কিয় পৰিপূৰ্ণ কৰিলে? মহম্মদ চাহেবে অনেক মানুহ বধ কৰিছে। তাৰ দ্বাৰাই তেওঁ উপদ্ৰৱকাৰী নহলনে? ইয়াৰ উপৰিও কোৰাণখন পুনৰুক্তি আৰু আগৰ আৰু পাছৰ লগত পৰস্পৰ বিৰুদ্ধ বাক্যৰে পৰিপূৰ্ণ। ১১৯॥

১২০। পৰ্ব্বতবোৰ দেখিলে সুস্থিৰ যেন অনুমান হয়, সিহঁতবোৰ মেঘৰ দৰে আঁতৰি যাব। সেয়েই ঈশ্বৰৰ সৃষ্টি নৈ পুণ্য॥ তেওঁ সকলো বস্তু সুনিশ্চিত বিধান কৰিছে। তোমালোকে যিহকে কৰা তাক খোদাই জানে সেই বিষয়ে সতৰ্ক থাকে।

মঃ ৫। সিঃ ২০। সূঃ ২৭। আঃ ৮৮॥

সমীক্ষক—কোৰাণ ৰচয়িতাৰ দেশতেই বোধহয় পৰ্ব্বত মেঘৰ দৰে চালিত হয়, আন কোনো দেশত তেনে নহয়। বিদ্ৰোহী চয়তানক ধৰি শাস্তি দিব নোৱাৰাত খোদা যে কিমান সতৰ্ক তাক জানিব পৰা হৈছে। আৰু এতিয়ালৈকে এজন বিদ্ৰোহীকো ধৰি দণ্ড বিধান কৰিব পৰা নাই তাতকৈ অসতৰ্কতাৰ প্ৰমাণ আৰু কি হব পাৰে? ১২০

১২১। তেতিয়া মুছাই তেওঁক এটা ঘোচা মাৰিলে তেওঁৰ আয়ু শেষ হল। তেওঁ কলে, "হে প্ৰভু! মই মোৰ নিজৰ আত্মাৰেই অন্যায় কৰিলো, মোক এতিয়া ক্ষমা কৰা"। তেতিয়া আল্লাহে তেওঁক ক্ষমা কৰিলে। আল্লাহ্ ক্ষমাকাৰী আৰু দয়ালু। তোমাৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰভুৰ যি ইচ্ছা আৰু তেওঁ যি ভাল পায় তাকেই সৃষ্টি কৰে ॥

ম: ৫। সি: ২০। সূ: ২৮। আ: ১৫।১৬।৬৮ ॥

সমীক্ষক—এতিয়া আৰু চ'ক! মুছলমান আৰু খ্ৰীষ্টীয়ানৰ খোদা আৰু পয়গম্বৰ মুছা দুয়ো অন্যায়কাৰী হয়নে নহয়? মুছাই নৰহত্যা কৰিলে আৰু খোদাই মুছাক ক্ষমা কৰিলে। খোদাই তেওঁৰ ইচ্ছা মতেই সৃষ্টি কৰে নেকি? খোদাই তেনেহলে কাৰোবাক দৰিদ্ৰ, কাৰোবাক বিদ্বান, আৰু কাৰোবাক মূৰ্খ কৰিছে। তেনেহলে কোৰাণ সত্য নহয় আৰু খোদাও ঈশ্বৰ নহয় যিহেতু তেওঁ অন্যায়কাৰী ॥ ১২১।

১২২। পিতৃ মাতৃৰ প্ৰতি সদ্ ব্যৱহাৰ কৰিবৰ কাৰণে মই মানুহক আদেশ দিছো, কিন্তু তেওঁলোকৰ আদেশ পালন নকৰিব যদি তেওঁলোকে মোৰ লগত সমান হবলৈ চেষ্টা কৰে। স্বজাতিৰ লগত থাকিবলৈ মই নুহক পঠাইছো। নূহে তেওঁলোকৰ লগত পঞ্চাশ কম এহেজাৰ বছৰ থাকিব।

ম: ৫। সি: ২০। সূ: ২৯। আ: ৭।১৩

নুহ ৯৫০ বছৰ জীৱিত আছিল।

সমীক্ষক—পিতৃমাতৃৰ শুশ্ৰূষা কৰা সৎআচৰণ। কোনোৱে যদি খোদাৰ অংশীদাৰ অৰ্থাৎ খোদাৰ সমান আন কোনোবা আছে বুলি মানিবলৈ কয়, সেই কথা বিশ্বাস নকৰাও যুক্তি সঙ্গত। কিন্তু তাৰ বাহিৰে তেওঁলোকে যদি মিছা কথা শুনিবলৈ আদেশ দিয়ে, তেনেহলে তেওঁলোকৰ তেনে আদেশ পালন কৰা জানো উচিত হব? গতিকে এই ক্ষেত্ৰত যি কৈছে তাৰ আধা ভাল আৰু আধা ভাল নহয়। খোদাই কেৱল নুহ আৰু পয়গম্বৰবোৰকহে পৃথিবলৈ পঠায় নেকি? বাকীবোৰ জীৱক কোনে পঠায়? খোদাইে যদি সকলোকে পঠাইছে তেনেহলে সকলোৱেই পয়গম্বৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হয় কিয় ? আগতে যদি মানুহৰ আয়ুস এহেজাৰ বছৰ আছিল এতিয়া হয় কিয় ? গতিকে এইবোৰ কথা সঁচা হব নোৱাৰে। ১২২ ॥

১২৩। আল্লাহে প্ৰথমবাৰ সৃষ্টি কৰে আৰু দ্বিতীয়বাৰ কৰিব, ৰ পাছত তোমালোক তেওঁ ওচৰলৈ ঘূৰি যাবা। যি দিনা বপা অৰ্থাৎ ষ বিচাৰৰ দিন আহিব সেইদিনা পাপীবোৰ নিৰাশ হব। কিন্তু যি- ৰ বিশ্বাসীয়ে ভাল কাম কৰে, তেওঁলোকক উদ্যানৰ ভিতৰত বিভূষিত বা হব। এবাৰ মই ধুমুহা পঠালেই সিহঁতৰ শস্য তোমালোকে জ্বলি হৈৰা দেখিবা। এইদৰে আল্লাহই সিহঁতৰ মন চিল মোহৰেৰে আবদ্ধ কৰি যে যে, তাক সিহঁতে বুজিব নোৱাৰে।

মঃ ৫। সিঃ ২১। সূঃ ৩০। আঃ ১০।১২।১৫।৫৭।৫৯॥

সমীক্ষক—আল্লহই যদি মাত্ৰ দুবাৰহে সৃষ্টি কৰে তিনিবাৰ বা ৰ বেছি নকৰে, তেনেহলে তেওঁ সৃষ্টিৰ আদিত আৰু দ্বিতীয়বাৰ সৃষ্টি বাৰ পাছত নিষ্কৰ্ম্মা হৈ থাকে। এইদৰে তেওঁ দুবাৰ সৃষ্টি কৰাৰ পাছত তেওঁৰ শক্তিও অৰ্থহীন আৰু নিৰৰ্থক হব। শেষ বিচাৰৰ দিনা পাপীবোৰ নিৰাশ হোৱাটো ভাল কথা ; কিন্তু মুছলমানৰ বাহিৰে আন লোকে পাপী বুলি নিৰাশ কৰাটো কেতিয়াও উচিত নহব। কোৰাণৰ দিনা ঠাইত পাপী বুলিলে অমুছলমান মতাবলম্বীকেই বুজায়। উদ্যানত ন কৰা আৰু বেশ ভূষণ আদিৰে দেহ অলঙ্কৃত কৰাই যদি মুছলমানৰ ৰ্গ হয়, তেনেহলে সেই স্বৰ্গ পৃথিবীৰেই দৰে। সেই স্বৰ্গত নিশ্চয় উদ্যানৰ মালী আৰু সোণাৰিৰেও বাস কৰে, নাইবা স্বয়ং খোদায়েই সেই লোবোৰ কাম কৰে। তাত যদি কাৰোবাৰ বস্ত্ৰ অলঙ্কাৰ আদিৰ কম পৰে, তেনেহলে বোধহয় চুৰিও কৰে। তাৰ ফলত স্বৰ্গৰ পৰা পতিত হয়। তেনেহলে "সদায় স্বৰ্গত থাকিব" এই বাক্যও মিছা হয়। কৃষকৰ খেতিতো যদি খোদাৰ দৃষ্টি পৰে তেনেহলে খেতিয়ক হলেহে সেই বিদ্যাৰ অনুভৱ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হব পাৰে, আৰু যদি ধৰিলোৱা হয় যে, খোদাৰ নিজৰ জ্ঞানেৰেই সকলো জানিব পাৰে তেনেহলে তেনেকৈ ভয় দেখুৱাই নিজৰ গৰ্ব প্ৰদৰ্শন কৰাহে হয়। আল্লাহই যদি জীৱৰ বুদ্ধিত চিলমোহৰ মাৰি হিতাহিত বিবেচনা শূন্য কৰে, তাৰ পৰিণামত জীৱই পাপ কৰে, সেই পাপৰ ভাগী তেওঁহে হব; জীৱ নহয়। যেনেকৈ সেনাই সেনাপতিৰ আদেশত কাম কৰে কিন্তু জয় বা পৰাজয় হয় সেনাপতিৰ ; সেই দৰে সকলো পাপৰ ভাগী খোদাহে হব। ১২৩॥

১২৪। সেই গভীৰ জ্ঞানৰ কিতাপ খনৰ এইবোৰেই আয়াত অৰ্থাৎ প্ৰমাণ। তোমালোকে দেখিছা যে আল্লাহে বিনা স্তম্ভৰেই আকাশৰ সৃষ্টি কৰিছে, পৃথিবী যাতে লৰচৰ কৰিব নোৱাৰে তাৰ বাবে পৃথিবীৰ মাজত পৰ্ব্বত সৃষ্টি কৰিছে। তোমালোকে দেখা নাই নে যে আল্লাহই দিনৰ ভিতৰত ৰাতি আৰু ৰাতিৰ ভিতৰত দিনৰ প্ৰৱেশ কৰাইছে ? আৰু তোমালোকে দেখা নাই নে যে, আল্লাহৰ কৃপাত সাগৰৰ মাজত জলযানবোৰ চলাচল কৰিছে ? তেওঁ তোমালোকক এইবোৰ প্ৰমাণ দেখুৱাইছে।

মঃ ৫। সিঃ ২১। সূ: ৩১। আ: ২।১০।২০ ৩১॥

সমীক্ষক—ভাল গভীৰ জ্ঞানৰ কিতাপ! যত বিজ্ঞান বিৰুদ্ধ নীতিৰে আকাশৰ সৃষ্টি, স্তম্ভ অৰ্থাৎ খুঁটা লগোৱাৰ আশংকা, আৰু পৃথিবীক অচল কৰি ৰাখিবৰ কাৰণে পৰ্ব্বতৰ সংযোগ আদিৰ কল্পনা দিয়া আছে। অতি সামান্য জ্ঞান থকা মানুহেও এনেবোৰ কথা লিখিব আৰু বিশ্বাস কৰিব নোৱাৰে। আৰু জ্ঞানৰ গভীৰতা চ'ক ! দিনৰ ঠাইত ৰাতি আৰু ৰাতিৰ ঠাইত দিন হব নোৱাৰে যদিও, দিনৰ ভিতৰত ৰাতি আৰু ৰাতিৰ ভিতৰত দিন প্ৰবিষ্ট কৰাৰ কথা লিখিছে। এইবোৰ একেবাৰেই অজ্ঞানতাৰ পৰিচায়ক। গতিকে কোৰাণ জ্ঞানৰ কিতাপ হব নোৱাৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মানুহৰ কৰ্ম্ম কৌশলত পৰিচালিত জলযান ঈশ্বৰৰ কৃপাত চলা বুলি কোৱাটো অজ্ঞতাৰ কথা নহয় নে? লো বা শিলৰ নাও সাগৰত ডুবিলে খোদাৰ নিচান ডুবি নাযায় নে? গতিকে এই কিতাপ ঈশ্বৰৰ ৰচিত নহয়, আৰু ৰচয়িতাও বিদ্বান পুৰুষ নহয়। ১২৪ ॥

১২৫। তেওঁ আকাশৰ পৰা পৃথিবী পৰ্যন্ত সমস্ত সৃষ্টিৰ তত্ত্বাৱধান কৰে। তোমালোকৰ গণনা মতে যি দিনা এহেজাৰ বছৰ পূৰ্ণ হব, সেই দিনাই সকলো তেওঁৰ ওচৰলৈ ঘূৰি যাব। তেওঁ পৰোক্ষ আৰু প্ৰত্যক্ষ সকলো বিষয়ৰ জ্ঞাতা, সৰ্ব্বশক্তিমান আৰু দয়ালু। তেওঁ তেওঁক সম্পূৰ্ণকৈ নিৰ্ম্মাণ কৰাৰ পাছত তেওঁৰ ভিতৰত নিজৰ আত্মা ভৰাই দিলে। কোৱা যে, মৃত্যুদূত তোমালোকৰ কাৰণে পঠোৱা হব, সিহঁতে তোমালোকৰ দেহৰ পৰা আত্মা বাহিৰ কৰিব। মই ইচ্ছা কৰা হলে প্ৰত্যেক জীৱক নিৰ্দ্দেশ দিলোহেতেন; কিন্তু মোৰ পৰা যি বাক্য ওলাল, নিশ্চয় সেই মতেই হব। মই নিশ্চয়কৈ কৈছো যে, দৈত্য আৰু মানুহেৰে নৰক পূৰ্ণ কৰিম। মঃ ৫। সিঃ ২১। সূঃ ৩২। আঃ ৫।৬।৯।১১।১৩।

সমীক্ষক—ইয়াৰ পৰাই অতি স্পষ্টকৈ বুজিব পৰা হৈছে যে, মুছলমানৰ খোদা মানুহৰ দৰেই একদেশী। খোদা সৰ্ব্বব্যাপক হোৱা হলে সৃষ্টিৰ পৰা তত্ত্বাৱধান কৰা, আৰু আকাশৰ পৰা উঠা-নমা কৰিব লগা নহলহেঁতেন। খোদাই ফেৰিস্তাক পঠোৱা মানেই তেওঁ একদেশী। তেওঁ আকাশত বহি থাকে আৰু ফেৰিস্তাক পঠায়। ফেৰিস্তাই যদি কাৰোবাৰ পৰা কিবা দক্ষিণা লৈ কোনো পাপীক এৰি দিয়ে বা কিবা গোলমাল কৰে তাক খোদাই কেনেকৈ জানিব? খোদা সৰ্ব্বজ্ঞ আৰু সৰ্ব্বব্যাপক হোৱা হলে ফেৰিস্তাক পঠাবৰ বা কোনো মানুহৰ পৰীক্ষা কৰাৰ আৱশ্যকেই নহলহেঁতেন, তেওঁ নিজেই সকলো জানিব পাৰিলেহেঁতেন। দূত পঠাই পৰীক্ষা কৰাওঁতে এহেজাৰ বছৰ লগাৰ বাবে তেওঁ সৰ্ব্বশক্তিমানো নহয়। মানুহৰ মৃত্যুৰ কাৰণ যদি দূত হয়, তেনেহলে সেই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দূতৰ মৃত্যুৰ কাৰণ কোন হব? সেই ফেৰিস্তা অৰ্থাৎ দেৱদূত যদি অমৰ হয়, তেনেহলে তেওঁ অমৰত্বত খোদাৰ সমান হব। এক ফেৰিস্তাই একে সময়তে সকলো জীৱক দোজখলৈ যাবলৈ আদেশ দিব পৰাটো সম্ভৱ নহয়। খোদাই ইচ্ছামতে বিনা দোষত জীৱবোৰক নৰকত ৰাখি আমোদ অনুভৱ কৰে যদি, তেওঁ অন্যায়কাৰী, পাপী আৰু নিৰ্দ্দয় হব। এনেবোৰ কথা যি কিতাপত আছে সেই কিতাপ ঈশ্বৰৰ বা কোনো বিদ্বান পুৰুষৰ ৰচিত হব নোৱাৰে আৰু যি দয়া আৰু ন্যায়হীন তেওঁ ঈশ্বৰো নোৱাৰে। ১২৫ ॥

পয়গম্বৰৰ পত্নী

১২৬। মৰণ আৰু অস্ত্ৰ প্ৰহাৰৰ ভয়ত যদি পলাব খোজা তাৰ পৰা একো লাভ নহব। হে পয়গম্বৰৰ বীবীসকল! নবীৰ পত্নীয়ে যদি প্ৰকাশ্য ব্যভিচাৰ কৰে তাৰ বাবে দ্বিগুণ যন্ত্ৰণা দিয়া হব, সেইটো ঈশ্বৰৰ পক্ষে অতি সহজ। মঃ ৫। সিঃ ২১। সূঃ ৩৩। আঃ ১৬। ৩০ ॥

সমীক্ষক—কোনোৱে যাতে যুদ্ধ স্থলৰ পৰা নপলায় অথবা মৰিবলৈ ভয় নকৰে, বোধ হয়, সেই উদ্দেশ্যতেই মহম্মদ চাহেবে এই কথা লিখিছে বা লিখোৱাইছে। তাৰ পৰা তেওঁৰ বিজয়, ঐশ্বৰ্য্য-লাভ আৰু মজহবৰ বিস্তাৰ হোৱাৰ সম্ভাৱনা। নবীৰ পত্নীবোৰে যদি ব্যভিচাৰ কৰিব নালাগে, নবীয়ে ব্যভিচাৰ কৰিব পাৰিব নেকি? একে অপৰাধত বীবীবোৰে হলে শাস্তি ভোগ কৰিব লাগিব আৰু নবীৰ কাৰণে শাস্তি নাই—এইখন কেনেকুৱা ন্যায় বিধি? ১২৬ ॥

জৈদৰ বিবাহ

১২৭। তোমালোকে নিজৰ নিজৰ ঘৰত সোমাই থাকিবা, আল্লাহ আৰু পয়গম্বৰৰ আদেশ পালন কৰিবা, তাৰ বাহিৰে আন কাৰো নকৰিবা। যেতিয়া জৈদে তাইক পৰিত্যাগ কৰিবলৈ স্থিৰ কৰিলে, মই তাইক তোমাৰ লগত বিবাহ-সংযোগ কৰিছো। বিশ্বাসীয়ে তেওঁৰ পোষ্য পুত্ৰৰ পত্নীক বিবাহ কৰাত কোনো দোষ নাই, যেতিয়া সিহঁতৰ ভিতৰত স্থিৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

য়, খোদাৰ আদেশ পালন কৰিব লাগে। পয়গম্বৰৰ বিৰুদ্ধে কোনো দোষ ধৰিব নালাগে। মহম্মদ তোমালোকৰ ভিতৰত কাৰো পিতা নহয়। হ' পয়গম্বৰ! তোমাৰ কাৰণে বহু পত্নী আৰু যেই কোনো ধৰ্ম্মবিশ্বাসীৰ স্ত্ৰীয়ে যদি তোমাক আত্মসমৰ্পণ কৰে, সেইবোৰৰ কাৰণেও অনুমতি দিয়া হৈছে।.........। তোমাৰ ইচ্ছামতে যাক যেতিয়া ভাল পোৱা, এজনী এজনীকৈ তোমাৰ শয্যালৈ মাতিব পাৰা, তাত তোমাৰ কাৰণে কোনো দোষ হব নোৱাৰে। হে খোদাৰ ভক্তবোৰ, তোমালোকে ৰচুলৰ গৃহত প্ৰবেশ নকৰিবা। মঃ ৫। সিঃ ২২। সূঃ ৩৩। আঃ ৩৩।৩৭।৩৮।৪০।৫০।৫১।৫৩॥

সমীক্ষক—স্ত্ৰীক ঘৰৰ ভিতৰত আবদ্ধ কৰি ৰখা আৰু পুৰুষক ইচ্ছানুসাৰে ফুৰিবলৈ স্বাধীনতা দিয়াটো মহা অন্যায়। বিশুদ্ধ বায়ুত বিচৰণ কৰিবলৈ, নানা ঠাইলৈ যাবলৈ; সৃষ্টিৰ বিভিন্ন বস্তু চাবলৈ স্ত্ৰীৰ অন্তৰত অভিলাষ নাই নেকি? এনেবোৰ নীতিৰ কাৰণেই মুছলমান যুবকৰ স্বভাৱ ঘূৰিফুৰা আৰু কামবিলাসী। আল্লাহ আৰু ৰচুলৰ আজ্ঞা এক নে পৰস্পৰ ভিন্ন ভিন্ন? যদি এক হয়, তেনেহলে দুয়োৰো আজ্ঞা পালন কৰিব লাগে বুলি কোৱাৰ অৰ্থ নাই আৰু যদি দুয়োৰো ভিন্ন ভিন্ন, তেনেহলে পৰস্পৰ বিৰুদ্ধ; গতিকে এটা সত্য হলে আনটো অসত্য হয়; এজন খোদা হলে আনজন চয়তান হব। আৰু খোদা আৰু ৰচুল একে বুলি কলেও দুয়ো সমান অংশীদাৰ হ'ব। ধন্য কোৰাণৰ খোদা, পয়গম্বৰ আৰু কোৰাণ। যাৰ আনৰ স্বাৰ্থ হানি কৰি নিজৰ স্বাৰ্থ সিদ্ধি কৰাৰ অভিপ্ৰায়, তেওঁ এনেকুৱা কৌশলকে ৰচনা কৰে। ইয়াৰ পৰাই প্ৰতীত হয় যে, মহম্মদ চাহেব বৰ কাম-বিলাসী আছিল, সেয়ে নোহোৱা হলে পালক অৰ্থাৎ পোষ্য পুত্ৰৰ স্ত্ৰীক কিয় নিজৰ স্ত্ৰী কৰি ললেহেঁতেন? আৰু যি এনেকুৱা কৰ্ম্ম কৰে তেওঁৰেই পক্ষপাতী হৈ খোদায়ো অন্যায়কেই ন্যায় কৰিলে। একেবাৰেই বনৰীয়া মানুহেও পুত্ৰৰ স্ত্ৰী অৰ্থাৎ নিজৰ বোৱাৰীৰ সৈতে তেনে কুকৰ্ম্ম নকৰে, এজন নবী হৈও কামলিপ্সাত তেনেকুৱা কুকৰ্ম্ম

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰাত বিবেকে বাধা নিদিলে! নবী যদি কাৰো বাপেক নহয় তেনেহলে জৈদ কাৰ লেপালক (পোষ্যপুত্ৰ) আছিল? আৰু কিয় পোষ্য পুত্ৰ বুলি লিখা হল? মহম্মদ চাহেবে যেতিয়া নিজৰ বোৱাৰীয়েকৰ লগত তেনে কুকৰ্ম্মত লিপ্ত নোহোৱাকৈ থাকিব নোৱাৰিলে, তেনেহলে আন স্ত্ৰীয়ে তেওঁৰ পৰা আত্ম ৰক্ষা কেনেকৈ কৰিব? যিমানেই চতুৰতা কৰক লাগে এনেবোৰ কুকৰ্ম্মৰ নিন্দাৰ পৰা সাৰিব নোৱাৰে। পৰৰ স্ত্ৰীয়েও পয়গম্বৰৰ লগত নিকাহ কৰিবলৈ ইচ্ছুক হলে বৈধ হব নেকি? নবী ইচ্ছা কৰিলে তেওঁৰ কোনো বীবীক এৰি দিব পাৰে কিন্তু নবীৰ অপৰাধ হলেও তেওঁৰ কোনো বীবীয়ে তেওঁক পৰিত্যাগ কৰিব নোৱাৰে—এইটো ঘোৰ অধৰ্ম্ম নহয় নে? আনে যেনেকৈ নবী চাহেবৰ ঘৰত ব্যভিচাৰৰ উদ্দেশ্যৰে সোমাব নালাগে, সেই দৰেই নবী চাহেবেও আনৰ ঘৰত তেনে উদ্দেশ্যলৈ সোমোৱা উচিত নহয়। নবীয়ে যাৰে তাৰে ঘৰত নিঃসঙ্কোচে অনধিকাৰ প্ৰবেশ কৰিব অথচ নবীৰ সন্মানো পাব! এই কোৰাণ ঈশ্বৰৰ ৰচিত, মহম্মদ চাহেব পয়গম্বৰ, আৰু কোৰাণৰ খোদা যে, যথাৰ্থ ঈশ্বৰ, এইবোৰ কোন অজ্ঞানীয়ে বিশ্বাস কৰিব? আৰব আৰু অন্যান্য দেশীয় লোকসকলে যে, এনেবোৰ যুক্তিবিহীন আৰু ধৰ্ম্মবিৰুদ্ধ উপদেশ মানি লৈছে সেইটোৱেই আটাইতকৈ আচৰিত কথা। ১২৭॥

নবীৰ বিধবা বীবীয়ে বিয়া কৰাত বাধা।

১২৮। ৰচূলক কোনোৰকম কষ্ট দিয়া, বা তেওঁৰ মৰণৰ পাছত তেওঁৰ বীবীক নিকাহ কৰা আল্লাহৰ মানত মহা পাপ। যিসকলে আল্লাহ আৰু তেওঁৰ ৰচূলক দুখ যন্ত্ৰণা দিয়ে তেওঁলোক আল্লাহৰ দ্বাৰা লানত অৰ্থাৎ অভিশপ্ত হয়। যিসকলে মুছলমান নৰ-নাৰীক উৎপীড়ন কৰে; সিহঁত মিথ্যাচাৰ আৰু প্ৰত্যক্ষ পাপৰ ফলভোগী। সিহঁত অভিশপ্ত, সিহঁতক যতে পায়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ততে ধৰি নিৰ্বিচাৰে হত্যা কৰিব লাগে। হে আমাৰ প্ৰভু! সিহঁতক দুখ দিয়া আৰু ভয়ঙ্কৰ অভিশাপ দিয়া।

ম: ৫। সি: ২২। সূ: ৩৩। আঃ ৫৩।৫৭।৫৮।৬১।৬৮ ॥

সমীক্ষক—খোদাই তেওঁৱ ঈশ্বৰত্ব ধৰ্ম্মতঃ প্ৰদৰ্শন কৰিছে নে? আনে ৰছুলক উৎপীড়ন কৰাত নিষেধ কৰাটো যুক্তিসঙ্গত; কিন্তু সেইদৰেই আনক উৎপীড়ন কৰিবলৈ ৰছুলকো নিষেধ কৰা উচিত হল হেঁতেন। সেইটো তেওঁ নকৰিলে কিয়? কাৰোবাক কোনোবাই দুখ দিলে আল্লাহো দুঃখিত হয় নেকি? তেনেহলে তেওঁ ঈশ্বৰেই নহয়। কেৱল আল্লাহ আৰু ৰছুলক দুখ দিয়াত নিষেধ কৰা মানে আল্লাহ আৰু ৰছুলে যাকে যি খুছি দুখ দিব পাৰে। মুছলমান নৰ-নাৰীক দুখ দিয়া যেনে দোষণীয়, অমুছলমান নৰ-নাৰীক দুখ দিয়াও তেনেই দোষণীয়। যদি এই সত্য কথা স্বীকাৰ নকৰে, তেনেহলে পক্ষপাতী হয়। খোদা আৰু নবীৰ দৰে নিৰ্দ্দয় লোক পৃথিবীত একেবাৰেই বিৰল। কোৰাণত লিখা আছে যে, অমুছলমান মতবাদীবোৰক, যত যেনেকৈ সুৱিধা পায় ধৰি হত্যা কৰিব লাগে; তাৰ বিপৰীতে যদি অমুছলমান মতবাদীবোৰেও মুছলমানবোৰক যত যেনেকৈ পায় হত্যা কৰে, তেনেহলে সেইটো মুছলমানসকলৰ কাৰণে প্ৰীতিকৰ হব জানো? পয়গম্বৰ সকলৰ হিংসা প্ৰবৃত্তি লক্ষ্য কৰক! তেওঁলোকে আনক দ্বিগুণ দুঃখগ্ৰস্ত কৰিবৰ কাৰণে খোদাক প্ৰাৰ্থনা কৰিবলৈ উপদেশ দিছে। এইবোৰ পক্ষপাত, স্বাৰ্থপৰতা আৰু ঘোৰ অধৰ্ম্ম। এইবোৰ কাৰণতেই এই যুগতো অনেক অসৎ স্বভাৱৰ মুছলমানে তেনে কুকৰ্ম্ম কৰিবলৈ ভীত নহয়। অশিক্ষিত মানুহ যে পশুৰ তুল্য, এই কথা চিৰ সত্য। ১২৮ ॥

১২৯। যি বায়ু-প্ৰেৰণ, মেঘৰ উত্থাপন আৰু মৃতকবোৰক তেওঁৰ ওচৰলৈ আহ্বান কৰে তেওঁৱেই আল্লাহ্। এইদৰেই দগ্ধ পৃথিৱীক পুনৰ্জ্জীৱিত কৰা আৰু এইদৰেই কবৰৰ পৰা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সকলোকে পুনৰুত্থান কৰা হ'ব। তেওঁ নিজৰ কৃপাতেই আমাৰ চিৰ নিবাসৰ কাৰণে গৃহ নিৰ্ম্মাণ কৰিছে। সেই স্থানত শ্ৰমে আমাক স্পৰ্শ নকৰে আৰু ক্লান্ত অনুভৱো কৰিব নালাগে।

মঃ ৫। সিঃ ২২। সূঃ ৩৫। আঃ ৯। ৩৫॥

সমীক্ষক—খোদাৰ কেনে আচৰিত ফিলচফী! বায়ু প্ৰেৰণ কৰে, আৰু মৃতকবোৰক পুনৰ্জ্জীবিত কৰে। এইবোৰ ঈশ্বৰৰ বিষয়েই হব নোৱাৰে, কাৰণ ঈশ্বৰৰ নীতি কৰ্ম্ম সদায় একে থাকে। কোনোৱে নেসাজিলে ঘৰ হব নোৱাৰে আৰু যি বস্তু সজা হয়, সি চিৰদিন নাথাকে। দেহধাৰীৰ পৰিশ্ৰম নহলে দুখ অৱশ্যম্ভাবী। যাৰ দেহ আছে তাৰ ৰোগো অৱশ্যম্ভাবী। এটা পুৰুষে এজনী স্ত্ৰীৰ লগত সহবাস কৰিলেও ৰোগৰ পৰা মুক্ত হব নোৱাৰে। তেনেস্থলত যি পুৰুষে বহু স্ত্ৰীৰ লগত সম্ভোগ কৰে, তেওঁৰ অৱস্থা কি হব? গতিকে মুছলমানৰ বেহেস্তত বাস কৰা জীৱনো সুখদায়ক হব নোৱাৰে। ১২৯॥

১৩০। মই কোৰাণৰ জ্ঞানৰ নামত শপথ কৰি কৈছো যে, তুমি সৎপথ প্ৰদৰ্শনাৰ্থ প্ৰেৰিতসকলৰ ভিতৰত এজন। গালিব অৰ্থাৎসৰ্ব্বশক্তিমান আৰু দয়াবান খোদাই যাক প্ৰেৰণ কৰিছে॥

মঃ ৫। সিঃ ২৩। সূঃ ৩৬। আঃ ২-৫॥

সমীক্ষক—এতিয়া বিবেচনা কৰি চ'ক! কোৰাণ যদি ঈশ্বৰৰ ৰচিতেই হয়, তেনেহ'লে কোৰাণৰ নামত ঈশ্বৰে শপত খাব কিয়? আৰু নবী খোদাৰেই যদি প্ৰেৰিত হয়, তেনেহ'লে তেওঁৰ পালিত পুত্ৰ বধুৰ প্ৰতি কামাসক্ত হব কিয়? কোৰাণ বিশ্বাসী মাত্ৰকেই সৎ পথৰ পথিক বোলাবা যুক্তি নাই; কাৰণ যি পথত সত্যৰ বিশ্বাস, সত্যৰ প্ৰচাৰ, সৎ অনুষ্ঠান, নিৰপেক্ষতা, ন্যায় আৰু ধৰ্ম্মৰ যথাৰ্থ আচৰণ প্ৰদৰ্শিত হয়, সেয়েই সৎ পথ। ইয়াৰ বিপৰীত অসৎ পথ, সি পৰিত্যাজ্য। কোৰাণত মুছলমানসকলৰ ভিতৰত অথবা তেওঁলোকৰ খোদাৰ আচৰণতো এইবোৰ গুণৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পৰিচয় পোৱা নাযায়। মহম্মদ চাহেব সৰ্ব্বশ্ৰেষ্ঠ পয়গম্বৰ হোৱা হলে, সকলোতকৈ শ্ৰেষ্ঠ জ্ঞানী আৰু গুণবানো হ'লহেঁতেন। যেনেকৈ টেঙা বগৰী বেচা পোহাৰীয়ে নিজৰ বগৰি টেঙা বুলি নকয়—ইও তেনেকুৱা আত্মপ্ৰশংসা। ১৩০॥

১৩১। শিঙাৰ ধ্বনিৰ লগে লগে সকলোৱে কবৰৰ পৰা উঠি তেওঁলোকৰ প্ৰভুৰ অভিমুখে ধাৱমান হব। সিহঁতৰ চৰণে কৰ্ম্মৰ সাক্ষী দিব। তেওঁৰ আদেশৰ বাহিৰে আন একোৱেই নাই। যেতিয়া তেওঁ যি সৃষ্টি কৰিব খোজে, মাত্ৰ কয় "হৈ যা" তেতিয়া সেইদৰেই হৈ যায়।

ম: ৫ সি: ২৩। সূঃ ৩৬। আ: ৫১-৬৫-৮২॥

সমীক্ষক—এইবোৰ কেৱল অৰ্থহীন কথা! চৰণে নো কেতিয়াবা সাক্ষী দিব পাৰে নে? সেই সময়ত আদেশ দিবলৈ খোদাৰ বাহিৰে আন কোন আছিল? কাক আদেশ দিয়া হ'ল আৰু কোনে শুনিলে? কি বা হ'ল? যদি নাছিল, এই কথা মিছা। যদি আছিল তেনেহলে "খোদাৰ বাহিৰে আৰু একো নাছিল, খোদায়েই সকলো সৃষ্টি কৰিলে," এই কথাও মিছা। ১৩১॥

১৩২। তেওঁলোকক মদপীৰ আমোদজনক বগা মদপূৰ্ণ পাত্ৰৰ পৰা বিশুদ্ধ মদ পৰিবেশন কৰা হব। তেওঁলোকৰ কাষত চাৰুনয়না ৰমণীবোৰ অৱনতমুখী হৈ বহি থাকিব। কামহে যেন আবৃত কৰি ৰখা হৈছে। আমি নমৰিম নে? লূত নিশ্চয় পয়গম্বৰসকলৰ ভিতৰৰে এজন আছিল। তেওঁক আৰু তেওঁৰ পৰিয়ালৰ সকলোকে যেতিয়া মুক্তি দিয়া হ'ল; পাছৰবোৰৰ ভিতৰত এক বৃদ্ধা আছিল। তাৰ পাছত মই সকলোকে বিনাশ কৰিলো।

ম: ৬। সি: ২৩। সূ: ৩৭। আ: ৪৫-৪৬। ৪৮-৪৯। ৫৮। ১৩৩-১৩৬॥

সমীক্ষক—মুছলমানৰ মতে মদ হাৰাম্ অৰ্থাৎ নিষিদ্ধ বস্তু; কিন্তু তেওঁলোকৰ স্বৰ্গত মদেৰে নৈ বোৱায়। ইয়াৰ অৰ্থ কি? পৃথিবীত সকলো

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰকম মদৰ নিষেধ কৰি ভালেই কৰিছিল, কিন্তু ইয়াৰ পৰিবৰ্ত্তে তেওঁলোকৰ বেহেস্তত মদাহীৰ সৃষ্টি কৰিছে। স্বৰ্গৰ ৰমণীবোৰৰ লগত আসক্ত হৈ থাকোতে মনৰ অৱস্থা স্থিৰে নাথাকে আৰু বোধহয় দুৰাৰোগ্য ৰোগো ভোগে। স্বৰ্গবাসীসকল দেহধাৰী হলে মৃত্যুগ্ৰস্তও নিশ্চয় হব আৰু দেহ নাথাকিলে ভোগবিলাসো কৰিব নোৱাৰে, গতিকে তেওঁলোকৰ সেই স্বৰ্গলৈ যোৱাই মিছা। লূতক যদি পয়গম্বৰ বুলি স্বীকাৰ কৰে, লূতৰ বিষয়ে বাইবেলত লিখা আছে যে, তেওঁৰ নিজৰ কন্যাবোৰৰ লগত সমাগম কৰাৰ ফলত দুটা সন্তান হৈছিল, এই কথা বিশ্বাস কৰে নে নকৰে? যদি স্বীকাৰ কৰে, তেনেহলে তেনে ব্যক্তিক পয়গম্বৰ বুলি মনাৰ অৰ্থ কি? খোদাই যদি এনেকুৱা ব্যক্তি আৰু তেওঁৰ সহযোগীবোৰক মুক্তি দিয়ে, তেনেহলে খোদাও তেওঁলোকৰ দৰেই। বুঢ়ীৰ গল্প কোৱা আৰু পক্ষপাত কৰি আনক বধ কৰা খোদা যথাৰ্থ ঈশ্বৰ হব নোৱাৰে। এনেকুৱা খোদা মুছলমানৰহে হব পাৰে জগতৰ ঈশ্বৰ হব নোৱাৰে। ১৩২॥

১৩৩। তেওঁলোক চিৰ দিন থাকিবৰ কাৰণে স্বৰ্গৰ দ্বাৰ মুকলি কৰি ৰখা হৈছে। তেওঁলোকে গাৰুত আউজি তাত উপবেশন কৰিব; তেওঁলোকক ফল, পানীয় আদি উপাদান যোগাৰ দিয়া হব আৰু আনত-নয়না সমবয়সীয়া ৰমণীসকলে তেওঁলোকৰ কাষত থাকিব।······ফেৰিস্তা-সকলে তেওঁলোকক প্ৰণিপাত কৰিলে; কিন্তু চয়তানে তেওঁলোকক প্ৰণাম কৰিবলৈ স্বীকাৰ নকৰিলে। তেওঁ কাফেৰবোৰৰ ভিতৰৰে এটা আছিল, আৰু অভিমান প্ৰকাশ কৰিলে। খোদাই তাক কলে—"অ চয়তান! মই যাক দুয়োহাতেৰে নিৰ্ম্মাণ কৰিছো, তাক তোমাৰ প্ৰণিপাত কৰাত আপত্তি কি? তুমি উচ্চপদস্থসকলৰ ভিতৰতে এজন নেকি? ইমান বৃথা অহংকাৰ যে কৰিলা?" চয়তানে কলে—"তুমি মোক অগ্নিৰ পৰা আৰু সিহঁতক মাটিৰ পৰা সৃষ্টি কৰিছা; মই নিশ্চয় সিহঁতকৈ শ্ৰেষ্ঠ"। খোদাই কলে—"তুমি স্বৰ্গৰ পৰা দূৰ হোৱা, তুমি নিশ্চয় বহিষ্কৃত হ'লা। শেষ বিচাৰৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দিনা তোমাৰ ওপৰত মোৰ অভিশাপ নিশ্চিত থাকিল"। চয়তানে কলে "হে প্ৰভু! মৃতকবোৰৰ পুনৰুত্থানৰ দিন পৰ্য্যন্ত মোৰ প্ৰতি লানত অৰ্থাৎ অভিশাপ ঢিলাই দিয়া"। ঈশ্বৰে কলে—"যিবোৰৰ অভিশাপ ঢিলাই দিয়া হব, তুমিও নিশ্চয় তাৰ ভিতৰৰে এজন হবা"। চয়তানে কলে "মই তোমাৰ নামত প্ৰতিজ্ঞা কৰিছো, সকলোকে মই নিশ্চয় পথভ্ৰষ্ট কৰিম"। ঃ ৬। সিঃ ২৩। সুঃ ৩৮। আঃ ৫০-৫২। ৭৩-৮২।।

সমীক্ষক—কোৰাণত লিখামতে স্বৰ্গত প্ৰমোদ উদ্যান, ভৱন, নদী আদি যদি আছিল, সেইবোৰ ভূত ভবিষ্যতৰ কাৰণে চিৰস্থায়ী নহয়। কাৰণ যিবোৰ সংযোগত উৎপন্ন হয় সেইবোৰ সংযোগ হোৱাৰ আগত নাছিল আৰু ভবিষ্যতে বিয়োগৰ পাছত নাথাকে। বেহেস্তই যেতিয়া এদিন নাথাকিব, তাৰ নিবাসীবোৰ কেনেকৈ সদায় থাকিব? কোৰাণত লিখা আছে যে, বেহেস্তত গাদী, গাৰু, ফল, পনীয় আদি বস্তু পাব, ইয়াৰ পৰা এয়েই প্ৰতীত হয় যে, যি সময়ত মুছলমানৰ মজহব অৰ্থাৎ ধৰ্ম্মমত প্ৰচাৰ কৰা হৈছিল, সেই সময়ত আৰব দেশ তেনে ধনী দেশ নাছিল। সেই কাৰণেই মহম্মদ চাহেবে স্বৰ্গত গাদী, গাৰু আদিৰ আশা দেখুৱাই গৰীব মানুহবোৰক তেওঁৰ মতৰ ফলীয়া কৰি ললে। আৰু য'ত ৰমণীৰ লগত সহবাস তাত চিৰ সুখ কত? সেই ৰমণীবোৰ নো তালৈ কৰ পৰা আহিল? অথবা ৰমণীবোৰ স্বৰ্গবাসীয়েই নেকি? যদি কৰবাৰ পৰা আহিছে তেনেহলে যাবও লাগিব। যদি স্বৰ্গৰেই নিবাসী তেনেহলে কয়ামতৰ (শেষ বিচাৰৰ) আগত কি কৰিছিল? নে একো নকৰাকৈ অবাবত আয়ুস ক্ষয় কৰিছিল? এতিয়া খোদাৰ অসীম শক্তি চকৰ! খোদাৰ হুকুম আন সকলো ফেৰিস্তাই মানি আদম চাহেবক প্ৰণাম কৰিলে, চয়তানে নামানিলে। খোদাই চয়তানক কলে, "মই তেওঁক নিজৰ দুখন হাতেৰে সৃষ্টি কৰিছো, তুমি অভিমান নকৰিবা।" এই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কথাৰ পৰা অনুমান হয় যে, কোৰাণৰ খোদা তুই হতীয়া মানুহেই আছিল, গতিকে সেই খোদা ব্যাপক বা সৰ্ব্বব্যাপক কেতিয়াও হব নোৱাৰে। আৰু যেতিয়া "মই আদমতকৈ শ্ৰেষ্ঠ" বুলি চয়তানে সঁচা কথা কলে, তেতিয়া খোদাই বা কিয় খং কৰিলে? খোদাৰ ঘৰ আকাশতহে নেকি? পৃথিবীত নহয় নেকি? তেনেহলে কাবা (মক্কাৰ মচ্‌জিদ) খোদাৰ ঘৰ বুলি আগতে কিয় লিখিছে? ঈশ্বৰ তেওঁৰ সৃষ্টিৰ পৰা কেনেকৈ পৃথক হব পাৰে? এই সৃষ্টিৰ সকলো ঈশ্বৰৰেই। ইয়াৰ পৰা বুজিব পাৰি কোৰাণৰ খোদা কেৱল বেহেস্তৰহে অধিকাৰী। আকৌ বিবেচনা কৰি চ'ক, খোদাই চয়তানক তিৰস্কাৰ কৰি শাপভ্ৰষ্ট কৰিলে, তাৰ পাছত চয়তানে খোচা-মোদ কৰাত প্ৰলয়ৰ দিন অৰ্থাৎ শেষ বিচাৰৰ দিনলৈকে শাপৰ পৰা মুক্তি পায়েই খোদাক কলে—"এতিয়া মই মানুহক যিমান পাৰো বিভ্ৰান্ত কৰি বিপথগামী কৰিম আৰু গদৰ অৰ্থাৎ বিপ্লবৰ সৃষ্টি কৰিম। যিবোৰক তুমি বিপথগামী কৰা সেইবোৰক আৰু লগতে তোমাকো দোজখ অৰ্থাৎ নৰকত থ'ম। এতিয়া সজ্জন সকলে ভাবি চক, খোদাই চয়তানক দুৰ্ব্বুদ্ধিগ্ৰস্ত কৰে নে চয়তান নিজেই দুৰ্ব্বুদ্ধিগ্ৰস্ত হয়? যদি খোদায়েই দুৰ্ব্বুদ্ধি-গ্ৰস্ত কৰে তেনেহলে খোদা চয়তানৰো চয়তান হল। চয়তান যদি নিজে নিজেই দুষ্ট হব পাৰে তেনেহলে অন্যান্য জীৱবোৰো নিজে নিজেই দুষ্ট হব পাৰে, আৰু চয়তানৰ দুৰ্ব্বুদ্ধি দিয়াৰ কোনো প্ৰয়োজনেই নাথাকে। ইয়াৰ বাহিৰেও বিদ্ৰোহী চয়তানক মানুহক বিপথগামী কৰিবলৈ খোদাই এৰি দিয়াত এয়েই প্ৰমাণ হয় যে, স্বয়ং খোদাও কুকৰ্ম্মত চয়তানৰ সহ-যোগী। যি নিজেই আনক প্ৰবৃত্তি দি চুৰি কৰোৱাই পাছত শাস্তি দিয়ে, তাতকৈ অন্যায় আৰু কি হব পাৰে? ১৩৩॥

১৩৪। আল্লাহে সকলো পাপৰ ক্ষমা কৰে, তেওঁ নিশ্চয় ক্ষমাকাৰী আৰু দয়ালু। কয়ামতৰ দিনা সমস্ত পৃথিবী তেওঁৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হাতৰ মুঠিত থাকিব আৰু সমস্ত আকাশত তেওঁৰ সোঁ-হাতত লগ্ন হৈ থাকিব। তেওঁৰ প্ৰকাশত সমস্ত পৃথিবী প্ৰকাশিত হব। জীৱৰ কৰ্ম্মৰ হিচাব-পত্ৰ ৰখা হব, পয়গম্বৰ আৰু সাক্ষীবোৰৰ উপস্থিতিত বিচাৰ আৰু মীমাংসা কৰা হব।

ম: ৬। সি: ২৪। সূ: ৩৯। আ: ৫৩।৭৫ ৬৯॥

সমীক্ষক—খোদাই যদি সকলো পাপ ক্ষমা কৰে তেনেহলে তেওঁ সমস্ত সংসাৰক পাপত নিমগ্ন কৰে আৰু তেওঁ নিৰ্দ্দয়। কাৰণ কোনো দুৰাচাৰীক দয়া বা ক্ষমা কৰিলে সি আৰু বেছিহে দুৰাচাৰী হৈ সৎ প্ৰবৃত্তিৰ মানুহৰ দুখৰ কাৰণ হব। অপৰাধৰ লেশমাত্ৰ ক্ষমা কৰিলেও গোটেই জগত অপৰাধেৰেই ভৰি পৰে। ঈশ্বৰ অগ্নিৰ দৰে প্ৰকাশক নেকি? আৰু জীৱৰ কৰ্ম্মৰ হিচাব পত্ৰ ক'ত জনা ৰখা হয়? হিচাব বা লিখে কোনে? খোদাই যদি পয়গম্বৰ আৰু সাক্ষীবোৰৰ ওপৰত নিৰ্ভৰ কৰি কাম কৰে তেনেহলে সৰ্বজ্ঞও নহয় আৰু সৰ্ব্বশক্তিমানো নহয়। তেওঁ যদি অন্যায় কৰি ন্যায় বিচাৰ কৰে, তেনেহলে জীৱৰ কৰ্ম্মানুসাৰেই কৰে। সেই কৰ্ম্ম পূৰ্বাপৰ আৰু বৰ্ত্তমান জন্মতো হব পাৰে। তেনেহলে ক্ষমা কৰা, বুদ্ধিত বা জ্ঞানত তালা লগোৱা, শিক্ষা নিদিয়া, চয়তানৰ দ্বাৰাই কুবুদ্ধিত প্ৰবৃত্ত কৰোৱা, ভবিষ্যতলৈ কৰ্ম্মৰ ফল বিচাৰাধীন ৰখা কেৱল নিৰৰ্থক আৰু অন্যায়ো। ১৩৪॥

১৩৫। গালিব অৰ্থাৎ সৰ্ব্বশক্তিমান আৰু সৰ্ব্বজ্ঞ আল্লাই এই কিতাপ প্ৰেৰণ কৰিছে। তেওঁ পাপ ক্ষমা কৰে আৰু তোবাঃ' অৰ্থাৎ অনুতাপ স্বীকাৰ কৰে। মঃ ৬। সি. ২৪। সূ: ৪১। আ: ২৩।।

সমীক্ষক—আল্লাহৰ নামত এই কিতাপ নিৰ্ব্বোধ সকল মানুহে মানি ল'ক এই উদ্দেশ্যতেই এইদৰে কোৱা হৈছে। এইগ্ৰন্থত অলপ সত্য অৱশ্যে আছে; বাকীবোৰ অসত্য কথা। কিন্তু যিখিনি সত্য আছে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সেইখিনিও অসত্যৰ লগত মিহলি হোৱাত বিকৃত ৰূপ ধৰিছে। সেই কাৰণেই কোৰাণ, কোৰাণৰ খোদা আৰু কোৰাণবিশ্বাসীসকল পাপৰ প্ৰবৰ্ত্তক, পাপী আৰু পাপৰ বিস্তাৰক। পাপক ক্ষমা কৰা ঘোৰতৰ অধৰ্ম্ম। পাপ ক্ষমা কৰিব, এই ধাৰণাতেই মুছলমানসকলে পাপ, উপদ্ৰব কৰাত কেতিয়াও ভয় নকৰে। ১৩৫ ॥

১৩৬। তেওঁ দুই দিনত সপ্ত আকাশ নিৰ্ম্মাণ কৰি প্ৰত্যেক আকাশত কামৰ আদেশ দিলে। তেওঁৰ ওচৰলৈ যেতিয়া আহিব তেতিয়া সিহঁতৰ চক্ষু, কৰ্ণ, আৰু চৰ্ম্মই সিহঁতৰ কৃত কৰ্ম্মৰ সাক্ষ্য দিব। সিহঁতে তেতিয়া সিহঁতৰ চৰ্ম্মক সুধিব "তুমি মোৰ বিৰুদ্ধে সাক্ষী দিয়া কিয়?" চৰ্ম্মই উত্তৰ দিব "কাৰণ আল্লাই আমাক আৰু সকলো বস্তুকে আহ্বান কৰিছে"। তেওঁ মৃতকক নিশ্চয় পুনৰ্জ্জীৱিত কৰে।। মঃ ৬। সিঃ ২৪। সুঃ ৪১। আঃ ১২।২০।২১।৩৬ ॥

সমীক্ষক মুছলমান ভাইসকল! তোমালোকে খোদাক সৰ্ব্বশক্তিমান বুলি মানা। তেওঁ দুদিনতহে সপ্ত আকাশ নিৰ্ম্মাণ কৰিলে নে? যি সৰ্ব্বশক্তিমান তেওঁ মুহূৰ্ত্তৰ ভিতৰতেই সকলো নিৰ্ম্মাণ কৰিব পাৰে। বাৰু, খোদাই যেতিয়া চকু-কাণ আৰু ছালক জড়-পদাৰ্থ কৰি নিৰ্ম্মাণ কৰিছে, তেনেহলে এইবোৰ কেনেকৈ সাক্ষী দিব। যদি সাক্ষীকে দিয়ে, তেনেহলে এইবোৰক জড় পদাৰ্থ কৰাৰ কাৰণ কি? আৰু তেওঁ নীতিৰ পূৰ্ব্বাপৰ বিৰুদ্ধ কৰিলে কিয়? আটাইতকৈ আচৰিত অসত্য হল এয়ে যে, ছালে জীৱৰ বিৰুদ্ধে সাক্ষী দিলে আৰু জীৱই নিজৰ গাৰ ছালক সুধিলে "তুমি মোৰ বিৰুদ্ধে সাক্ষী দিলা কিয়?" আৰু ছালেও উত্তৰ দিলে, খোদাই যেতিয়া আমাৰ দ্বাৰায়েই সাক্ষী দিয়ালে আমি কি কৰিম?" বাৰু, এইবোৰ কেতিয়াবা সম্ভৱ হব পাৰেনে? উদাহৰণ স্বৰূপে কোনোৱে কলে "মই বন্ধ্যাৰ (বাঁজী) পুত্ৰৰ মুখ দেখিলো," যাৰ পুত্ৰ আছে তেওঁ বন্ধ্যা হ'ল কেনেকৈ? আৰু যদি বন্ধ্যাই হয়, তেনেহলে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পুত্ৰ হোৱা অসম্ভৱ। এইবোৰো তেনেকুৱাই মিছা কথা। খোদাই যদি মৰা মানুহক পুনৰ জীয়ায়, তেনেহলে আগতে মাৰে কেলেই? খোদা নিজেই মৰিব পাৰে নে নোৱাৰে? যদি নোৱাৰে, তেনেহলে মৃত্যু যে বেয়া তাক কেনেকৈ জানিব পাৰিলে? আৰু কয়ামতৰ ৰাতি অৰ্থাৎ প্ৰলয়ৰ দিনালৈকে মৰা জীৱবোৰ কোন মুছলমানৰ ঘৰত আশ্ৰয় লৈ থাকে? খোদাই মৰাৰ লগে লগে জীৱবোৰৰ বিচাৰ নকৰাকৈ বিনা অপৰাধে শেষ বিচাৰৰ দিনলৈকে কিয় বিচাৰাধীন কৰি ৰাখে? এনেবোৰ কথাৰ পৰা ঈশ্বৰৰ ঈশ্বৰত্বক লাঘৱহে হয়। ১৩৬॥

১৩৭। তেওঁৰ হাতত আকাশ আৰু পৃথিৱীৰ চাবি কাঠি আছে। তেওঁৰ ইচ্ছানুসাৰে কাৰোবাৰ কাৰণে খাদ্য ভৰাল মুকলি কৰে, কাৰোবাক কষ্ট দিয়ে, তেওঁৰ যি ইচ্ছা তাকেই উৎপন্ন কৰে, কাৰোবাক পুত্ৰ, কাৰোবাক কন্যা, কাৰোবাক পুত্ৰ–কন্যা উভয়কে দিয়ে, আৰু কাৰোবাক বন্ধ্যা কৰে। এনেকুৱা শক্তিশালী কোনো নাই, খোদাই যাৰ লগত কথোপকথন কৰিবৰ যোগ্য। খোদাই হৃদয়ত বা অন্তৰালৰ ● পৰা জ্ঞান প্ৰকাশ কৰে, অথবা বাৰ্ত্তা বাহক ফেৰিস্তা প্ৰেৰণ কৰে।

মঃ ৬। সিঃ ২৫ সূঃ ৪২। আঃ ১২ ৪৬-৫১॥

● এই আয়তৰ ভাষ্য "তফচীৰ হুছৈনী"ত লিখা আছে যে, মহম্মদ চাহেবে দুখন পৰ্দ্দাৰ বাহিৰত থাকি খোদাৰ কথা শুনিছিল। এখন পৰ্দ্দা গুণাৰ আৰু আনখন আছিল বগা মুক্তামণিৰ। এই দুয়ো পৰ্দ্দাৰ মাজৰ ব্যৱধান অতিক্ৰম কৰিবলৈ ৭০ সত্তৰ বছৰ সময় লাগে। বিবেচকসকলে এতিয়া ভাবি চ'ক—এই খোদা পৰ্দ্দাৰ আঁৰত কথা কোৱা স্ত্ৰী নে খোদা? তেওঁলোকে বেচেৰা ঈশ্বৰবো দুৰ্গতি কৰিলে। কত বেদ উপনিষদ আদি সত্য শাস্ত্ৰৰ প্ৰতিপাদিত পবিত্ৰ পৰমেশ্বৰ আৰু ক'ত পৰ্দ্দাৰ আঁৰৰ পৰা কথোপকথনকাৰী কোৰাণৰ খোদা! আচল কথা হ'ল সেই সময়ত আৰৱ দেশৰ মানুহ বিদ্বান নাছিল, তত্ত্বজ্ঞানৰ শিক্ষা ক'ৰ পৰা পাব?

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—:বোধহয় খোদাৰ হাতত চাবি-কাঠিৰ ভৰাল আছে, যিহেতু তেওঁ সকলো ঠাইৰ তলা খুলিব লগা হয়! এইবোৰ কেৱল লবাবহে কথা। খোদাই নো পাপ-পুণ্যৰ বিবেচনা নকৰাকৈ যাকে ইচ্ছা তাকে ঐশ্বৰ্য্যবান অথবা ঐশ্বৰ্য্যৰ পৰা বঞ্চিত কৰে নে? সেয়ে হ'লে তেওঁ নিশ্চয় অন্যায়কাৰী হব। কোৰাণ ৰচনাকাৰীৰ চতুৰতাৰ নমুনা চ'ক! ইয়াৰ পৰা নাৰীসকলো বিমোহিত হৈ এই চতুৰ পাশত আবদ্ধ হব পাৰে। সঁচাকৈয়ে যদি খোদাই যি ইচ্ছা তাকে উৎপন্ন কৰে, তেনেহলে দ্বিতীয় খোদাৰ সৃষ্টি কৰিব পাৰেনে নোৱাৰে? যদি নোৱাৰে বুলি কোৱা হয়, তেনেহলে তেওঁৰ সৰ্বশক্তি মত্তা মিছা কথা হয়। খোদাই বাৰু মানুহৰ ভিতৰত যাক ইচ্ছা তাকে পুত্ৰ-কন্যা দিয়ে, কিন্তু কুকুৰা, মাছ আৰু গাহৰি আদিক, অনেক পোৱালি দিয়ে, বিনা সমাগমে পুত্ৰ-কন্যা নিদিয়ে কিয়? কোনো কোনো নাৰীক তেওঁৰ ইচ্ছা মতে বন্ধ্যা কৰি অভাগিনী কৰে কিয়? খোদাৰ এনে তেজস্বিতা যে, তেওঁৰ সন্মুখত কোনেও কথা কব নোৱাৰে। কিন্তু কৈছে যে, যৱনিকাৰ অন্তৰালৰ পৰা কথা পাতিব পাৰি, ফেৰিস্তা আৰু পয়গম্বৰৰ লগত কথা পতা হয়। সেইবোৰ বোধহয় তেওঁলোকৰ স্বাৰ্থ সিদ্ধি কৰাৰেই কৌশল। খোদা সৰ্ব্বজ্ঞ আৰু সৰ্ব্বব্যাপী হলে পৰ্দাৰ আঁৰৰ পৰা কথা পতা বা ডাক যোগেৰে সম্বাদ লোৱাৰ দৰে জনা আৰু লিখা নিৰৰ্থক আৰু নিষ্প্ৰয়োজন। যি তেনে কৰে, তেওঁ খোদাই হব নোৱাৰে, কোনো ধূৰ্ত্ত মানুহহে তেনে কৰে। গতিকে এই কোৰাণ কেতিয়াও ঈশ্বৰৰ ৰচিত হব নোৱাৰে। ১৩৭॥

কোৰাণ বাইবেলৰ বিৰুদ্ধ

১৩৮। ঈছাই যেতিয়া প্ৰত্যক্ষ প্ৰমাণ সহ আগমন কৰিলে…।

মং ৬। সিং ২৫। সূং ৪৩। আঃ ৬৩॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—ঈছা (যীচু) যদি খোদাৰেই প্ৰেৰিত হয়, তেনেহলে খোদাই যীচুৰ উপদেশৰ বিৰুদ্ধে কোৰাণ ৰচনা কৰিলে কিয়? নব্য বাইবেল (নিউটেষ্টামেণ্ট) আৰু কোৰাণ পৰস্পৰ বিৰদ্ধ, গতিকে এই দুই গ্ৰন্থৰ কোনো খনেই ঈশ্বৰৰ ৰচিত নহয়। ১৩৮

১৩৯। সিহঁতক ধৰি টানি টানি নৰকত নি থবা; সিহঁত তাতেই থাকিব। মই সুলোচনা আৰু গৌৰবৰ্ণা নাৰীৰ লগত সিহঁতৰ বিয়া কৰাই দিম। মঃ ৬ সিঃ২৫। সূঃ ৪৪। আঃ ৪৭ ৫৪ ॥

সমীক্ষক—ন্যায়পৰায়ণ খোদাই নো প্ৰাণীবোৰক ধৰি টানি নৰকলৈ নিবলৈ কয় নে? মুছলমানৰ খোদাই যদি এনে, তেনেহলে সেই খোদাৰ উপাসকসকলে দুৰ্ব্বল আৰু অসহায় প্ৰাণীক ধৰি টানি নিয়াত আচৰিত হব লগাব কি আছে? খোদাই যদি বিয়াও কৰাই দিয়ে তেনেহলে বুজিব লাগিব য, তেওঁ মুছলমানসকলৰ বিয়াত পুৰোহিতৰ কাম কৰে।১৩৯॥

১৪০। তোমালোকে যেতিয়া কাফেৰবোৰৰ সম্মুখীন হোৱা, সিহঁতৰ জীৱনৰ শেষ নোহোৱালৈ সিহঁতৰ গলত প্ৰহাৰ কৰিবা। সিহঁতক কঠোৰ ভাবে বন্দী কৰি ৰাখিব। তোমালোকৰ নগৰতকৈ অধিক প্ৰতাপশালী নগৰৰ অধিবাসীবোৰে তোমালোকক যে, বিতাৰণ কৰিছিল, মই সিহতক বিনাশ কৰিছো, আৰু কোনোৱে সিহঁতক সহায় কৰা নাই। ধৰ্ম বিশ্বাসীবোৰক যি বেহেস্তৰ প্ৰতিশ্ৰুতি দিয়া হৈছে, তাত শুদ্ধ সলিলৰ নদী আৰু দুগ্ধৰ ধাৰা প্ৰবাহিত হব লাগিছে, তাৰ স্বাদ কেতিয়াও পৰিবৰ্ত্তন নহয়। তাত মদপীবোৰৰ আমোদৰ কাৰণে মদিকাৰ নদী আৰু মধুৰ নদীও প্ৰবাহিত হৈ আছে। সেই স্বৰ্গবাসীবোৰৰ কাৰণে মালিকে [প্ৰভুৱে] নানা ধৰণৰ ফল দান কৰিছে। মঃ ৬। সিঃ ২৬। সূ:৪৭। আঃ৪। ১৩।১৫ ॥

সমীক্ষক—এই কাৰণেই এই কোৰাণ, খোদা আৰু মুছলমানসকল বিপ্লৱৰ সৃষ্টিকাৰী, সকলোৰে দুখ অশান্তিৰ কাৰণ, স্বাৰ্থপৰ আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নিৰ্দ্দয়। কোৰাণত যেনেকৈ লিখা আছে, ভিন্ন মতাবলম্বীবোৰেও যদি মুছলমানসকলৰ প্ৰতি তেনেই আচৰণ কৰে, মুছলমানৰ আচৰণত সিহঁতৰ যেনে কষ্ট অনুভৱ হয় সিহঁতৰ আচৰণো মুছলমানসকলৰ মনত তেনে কষ্টকৰ হব নে নহয়? যিবোৰে মহম্মদ চাহেবক খিতাখিত কৰিছিল সিহঁতকো খোদাই সেই কাৰণেই বিনাশ কৰিছিল যদি, খোদা ঘোৰ পক্ষপাতী। য'ত বিশুদ্ধ পানী, দুগ্ধ, মদ, আৰু মৌৰ নদী আছে সেই ঠাই এই সংসাৰতকৈ শ্ৰেষ্ঠ হব পাৰে নে? দুগ্ধৰ নৈ বোৱাটো সম্ভৱ হব পাৰে নে? গাখীৰ অলপ সময়ৰ ভিতৰতেই বিকৃত হৈ যায়। এই কাৰণে সুধীসকলে কোৰাণৰ মত বিশ্বাস নকৰে ॥১৪০॥

স্বৰ্গৰ জীৱন

১৪১। যেতিয়া পৃথিবী তল-ওপৰ কৰিবলৈ ধৰিব, তেতিয়া পৰ্ব্বতবোৰ চূৰ্ণ বিচূৰ্ণ হৈ কীট-পতঙ্গৰ দৰে উৰি ফুৰিব। তেতিয়া কিছুমান সোঁ ফালে আৰু কিছুমান বা বাওঁ ফালে থাকিব। তেওঁলোকে সোণৰ গুণাৰে বোৱা পালঙ্কৰ ওপৰত গাৰুৰে সৈতে মুখামুখি হৈ উপবেশন কৰিব। মদৰ পিয়লা হাতত লৈ ল'ৰাবোৰে তেওঁলোকৰ কাষলৈ অহাযোৱা কৰি থাকিব। তাৰ পৰা সিহঁতৰ মূৰৰ বেদনা নহয়, আৰু সিহঁতে কোনো বিৰুদ্ধ কথাবতৰাও নকয়। তেওঁলোকৰ ইচ্ছা মতে ফল আৰু পশুপক্ষীৰ মাংস পাব। ৰমণী সকলৰ অপূৰ্ব্ব শয্যা প্ৰস্তুত হৈ থাকিব। সিহঁতক বিশেষ ভাবে সৃষ্টি কৰি কুমাৰী কৰি ৰখা হৈছে। সিহঁত মনমোহিনী আৰু সমবয়সী। সিহঁতৰে লগত তোমালোকে হেপাহ পূৰণ কৰিবা। মই পতন মুখী তৰাবোৰৰ নামত প্ৰতিজ্ঞা কৰি কৈছো। মঃ ৭। সিঃ ২৭। সূঃ ৫৬। আঃ ৪।৫।৬।৮।৯।১৫-২৪-৩৫-৩৭।৫৩।৭৫।

সমীক্ষক—কোৰাণ ৰচয়িতাৰ লীলা মহিমা এতিয়া মন কৰিবলগীয়া! পৃথিবীচোন সদায় ঘূৰিয়েই থাকে আৰু সদায়েই ঘূৰি বা লৰি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

থাকিব। ইয়াৰ পৰা যি বুজিব পৰা যায় কোৰাণ ৰচয়িতাৰ ধাৰণা মতে পৃথিৱী একে স্থিৰে থাকে। পৰ্ব্বতবোৰক পতঙ্গৰ দৰে উৰুৱাই দিব নেকি? পৰ্বতবোৰ কীট-পতঙ্গত পৰিণত হলেও সিহঁত ক্ষুদ্ৰ দেহধাৰী হৈ থাকিব; তেতিয়া হলে সিহঁতৰ জন্মান্তৰ বা পুনৰ্জ্জন্ম নহব নে? আৰু খোদা সাকাৰ দেহধাৰী নহলে তেওঁ সোঁ আৰু বাওঁফালে থিয় হোৱাটো কেনেকৈ সম্ভৱ হব পাৰে? সেই ঠাইত সোণৰ গুণাৰে বোৱা পালঙ্ক আছে যদি, তাত বাঢ়ৈ আৰু সোণাৰীও আছে। আৰু বোধহয় উবহৰ কামোৰত সেই স্বৰ্গবাসীবোৰৰ ৰাতি টোপনিৰ ব্যাঘাতো হয়। তাৰ স্বৰ্গবাসীবোৰে বাৰু গাৰুত আউজি নিশ্চেষ্ট হৈ কাল যাপন কৰে, নে কোনো কামত নিযুক্ত হৈ থাকে? একেবাৰে বহি বহি থাকোতে আহাৰ পানী হজম নহৈ বোধহয় ৰোগগ্ৰস্তহৈ মৃত্যুৰ মুখতো পৰিব লগা হয়। যদি তাতো কাম কৰিব লগা হয়, তেনেহলে তেওঁলোকেও সেই ঠাইৰ শ্ৰমজীবীৰ দৰেই পৰিশ্ৰম কৰি জীৱন নিৰ্ব্বাহ কৰিব লগা হয়। সেয়ে হলে পৃথিৱীৰ তুলনাত সেই বেহেস্তৰ বিশেষত্ব কি? নিশ্চয় বিশেষত্ব নাই। সেই বালকবোৰে যদি চিৰকাল স্বৰ্গত বাসকৰে, তেনেহলে সিহঁতৰ মাক বাপেক, শহুৰ শাহুয়েক আদিও তাতেই থাকে। সেয়ে হলে সেই স্বৰ্গ এখন বিশাল নগৰৰ দৰে জনসমাগমৰ কোলাহলৰ স্থল। গতিকে মলমূত্ৰাদিৰ আবৰ্জ্জনাত অনেক লোক ৰোগত আক্ৰান্তও হব লগা হয়। স্বৰ্গবাসীবোৰে ফল খায়, বিশুদ্ধ জল আৰু পিয়লাই পিয়লাই মদ পান কৰে, তাৰ পৰা কাৰো মস্তিস্কৰ বেদনা নহয়, কোনোৱে বিশুদ্ধ কথা নকয়। ফল মুল বা পশুপক্ষীৰ মাংস অধিক পৰিমাণে খালেও ৰোগ-দুখ হোৱাৰ সম্ভাৱনা। কচাইৰ দোকানো আছে আৰু পশুপক্ষীৰ হাড় মুৰবোৰো য'তে পায় ত'তে বোধহয় পৰি থাকে। এই দিব্য স্বৰ্গৰ কিমান প্ৰশংসা শুনিব? সেই স্বৰ্গ আৰৱ দেশতকৈ শ্ৰেষ্ঠ বুলি ধাৰণা হয়। স্বৰ্গবাসীসকলে মদ পান আৰু মাংস ভক্ষণ কৰি উন্মত্ত হৈ পৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সেই নিমিত্তেই তেওঁলোকৰ কাৰণে সুন্দৰী নাৰী আৰু বালকবো প্ৰয়োজন হয়, নহলে মদৰ জ্বালত মস্তিষ্কৰ উত্তাপ অতিকৈ বাঢ়িলে চৈতন্যহীন হৈ পৰিব পাৰে। তাত বহু স্ত্ৰী-পুৰুষৰ শয়ন উপবেশনৰ বাবে বহু পৰিমাণে প্ৰশস্ত শয্যাৰো প্ৰয়োজন হয়। ঈশ্বৰে যদি স্বৰ্গত কুমাৰবোৰক উৎপন্ন কৰে, কুমাৰীবোৰকো নিশ্চয় উৎপন্ন কৰে। বাৰু, খোদাই কোৰাণত যে কৈছে যিসকলে পৃথিৱীৰ পৰা আশা কৰি স্বৰ্গলৈ যায়, সেই কুমাৰীবোৰৰ লগত তেওঁলোকৰ বিয়া কৰি দিয়া হয়, তেনেহলে চিৰ-স্বৰ্গবাসী সেই কুমাৰবোৰে কাৰ লগত বিয়া কৰিব ? সেইটো কোৰাণত লিখা হোৱা নাই। তেনেহলে সেই বালকবোৰকো কুমাৰী ছোৱালীবোৰৰ দৰেই স্বৰ্গসুখভোগীসকলৰ হাততেই অৰ্পণ কৰা হব নেকি ? এই বিষয়ে কোনো ব্যৱস্থাৰ কথা নিলিখি খোদাই এক গুৰুতৰ ভ্ৰমত পৰিলে কিয়! আৰু স্বৰ্গবাসী সুন্দৰী যুৱতীবোৰে সমবয়সৰ পতি লাভ কৰাৰ যি ব্যৱস্থা কৰিছে সিও যুক্তিসঙ্গত হোৱা নাই, কাৰণ পত্নীতকৈ পতিৰ বয়স দ্বিগুণ হোৱা বা আঢ়ৈগুণ হোৱা উচিত।

এই হল কোৰাণৰ স্বৰ্গৰ বিৱৰণ। নৰকবাসীবোৰৰ বিষয়ে লিখা আছে যে, সিহঁতে " মোহড়" (এবিধ কাইটৰ গছৰ) গুটি খাই পেট ভৰাব। বুজা যায় যে, কাঁইটে জীৱবোৰক বিন্ধিবও পাৰে। নৰকবাসীবোৰে গৰম পানী খাব লাগে, এইবোৰো দুখদায়ক। সচৰাচৰতে মিথ্যাবাদী মানুহেহে কথাই কথাই শপত খায়, সত্যবাদী মানুহে শপত কেতিয়াও নাখায়। খোদায়ো যদি শপত খায়, তেনেহলে মিথ্যাবাদী আৰু তেওঁৰ মাজত পাৰ্থক্য থাকিব কি ? ১৪১ ॥

১৪২। যিবোৰ মানুহে আল্লাহৰ পথত যুদ্ধ কৰে তেওঁলোকেই তেওঁৰ প্ৰিয়। মঃ ৭। সিঃ ২৮। পুঃ ৬১। আঃ ৪ ॥

সমীক্ষক—বাহ ! এনেকুৱা উপদেশ দিয়েই আৰবৰ জনসাধাৰণৰ পৰস্পৰৰ ভিতৰত বিদ্বেষ, যুদ্ধ বিগ্ৰহ কৰাই সকলোৰে অশান্তিৰ সৃষ্টি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰালে। ধৰ্ম্মৰ ধ্বজা আগত লৈ আৰবদেশক বিদ্বেষ আৰু যুদ্ধৰ ক্ষেত্ৰ কৰিলে। তেনে পুৰুষক কোনো জ্ঞানী মানুহে ঈশ্বৰ বুলি ভাবিব নোৱাৰে। যি স্বজাতিৰ ভিতৰত বিদ্বেষৰ সৃষ্টি কৰে তেওঁৱেই সকলোৰে দুখ-দুৰ্গতিৰ বাবে দায়ী। ১৪২॥

১৪৩। হে নবী! খোদাই তোমাৰ কাৰণে যি বস্তু হালাল কৰিছে তাক তুমি কিয় হাৰাম কৰা? তোমাৰ বীবীসকলক প্ৰসন্ন কৰিব খোজা যদি আল্লাহ ক্ষমাকাৰী, দয়ালু। ....পয়গম্বৰে তোমালোকক পৰিত্যাগ কৰিলে তেওঁৰ মালিকে তোমালোকৰ পৰিবৰ্ত্তে তেওঁৰ কাৰণে তোমালোকতকৈও ভাল মুছলমান ধৰ্ম্ম-বিশ্বাসিনী, সেৱাপৰায়ণা, অনুতপ্তা, ৰোজাপালন কাৰিণী, ভক্তিমতী, পুৰুষ দেখা নাইবা নেদেখা স্ত্ৰী দিব।

মঃ ৭। সিঃ ২৮। সূঃ ৩৬। আঃ ১।৫॥

সমীক্ষক— এইবোৰ কথা ভাবি চালে খোদা মহম্মদ চাহেবৰ বেগম খানা অৰ্থাৎ অন্তঃপুৰৰ আৰু বাহিৰৰ প্ৰবন্ধকাৰী কৰ্ম্মচাৰী যেন হে বোধহয়। প্ৰথম আয়তৰ বিষয়ে দুটা আখ্যায়িকা আছে, তাৰ ভিতৰত এটা হ'ল—মহম্মদ চাহেবৰ মৌৰ চৰবত অতি প্ৰিয় আছিল। তেওঁৰ বীবী অনেক আছিল। এদিন এক বীবীৰ ঘৰত চৰ্বত পান কৰি থাকোঁতে পলম হোৱাত আনবোৰে ইৰ্ষাত সহিব নোৱাৰা হয়। তেওঁলোকৰ কথাৰ ঠেকেচনিৰ পাছত মহম্মদ চাহেবে আৰু চৰ্বত নাখাওঁ বুলি শপত খালে। দ্বিতীয়টো হ'ল যে, তেওঁৰ বীবীবোৰৰ ভিতৰত যিজনীৰ যিদিনা পাল পৰিল তেওঁৰ ঘৰলৈ ৰাতি গৈ তেওঁ সেই বীবীক ঘৰত নাপালে (ধৰি লোৱা হওক বীবী বাপেকৰ ঘৰলৈ গৈছিল) মহম্মদ চাহেবে তেতিয়া তেওঁৰ এজনী দাসীক মাতি আনি পবিত্ৰ কৰিলে। সেই বীবীয়ে পাছত সেই কথা জানিব পাৰি খং আৰু বেজাৰত ওফন্দি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পৰিল। তেতিয়া মহম্মদ চাহেবে তেনে কাম আৰু ভৱিষ্যতে কেতিয়াও নকৰোঁ বুলি শপত খাই অন্যান্য বীবীবোৰক সেই বিষয়ে নজনাবৰ কাৰণে অনুৰোধ কৰিলে। সেই বীবীয়ে সেই কথা কাকো নকওঁ বুলি কৈয়ো পাছত অন্য বীবীৰ আগত কলে। সেই উপলক্ষতেই খোদাই এই আয়তৰ অৱতাৰণা কৰে,—"মই যি বস্তু তোমাৰ কাৰণে বধ্য কৰিছো তুমি তাক অবধ্য কৰিছা কিয় ?" এতিয়া বিবেচনাশীলসকলে ভাবি চ'ক। খোদাইনো কাৰোবাৰ মিঞা-বীবীৰ (গিৰিয়েক-ঘৈণীয়েক) কলহতো মধ্যস্থতা কৰে নে? এইবোৰ ঘটনাৰ পৰা মোহম্মদ চাহেবৰ নৈতিক চৰিত্ৰও বুজিব পৰা যায়। যাৰ অনেক বীবী, তেওঁ কেনেকৈ খোদাৰ ভক্ত বা পয়গম্বৰ হব পাৰে? যি এজনী বীবীক অধিক প্ৰেম আৰু সন্মান আৰু আনজনীক কম প্ৰেম আৰু অসন্মান কৰে, তেওঁ পক্ষপাতী আৰু অধাৰ্ম্মিক নহব কিয়? যাৰ বহুত বীবী থকা সত্ত্বেও দাসীত আসক্ত হয়, তেওঁৰ লাজ, ভয় আৰু ধৰ্ম্ম ক'ত থাকে! কোনোবা কবিৰ উক্তি:—

"কামাতুৰাণাং ন ভয়ং ন লজ্জা"॥

কামাতুৰ মানুহৰ পাপ আচৰণত ভয় লাজ নাই! মুছলমানসকলৰ খোদাই-পয়গম্বৰ চাহেব আৰু বীবীবোৰৰ ভিতৰত বাদ-বিবাদ হলে মীমাংসা কৰিবলৈ মধ্যস্থতা কৰে। এতিয়া সুধীসকলে ভাবি চ'ক, এই কোৰাণ খোদাৰ বা কোনো বিদ্বান পুৰুষৰ ৰচিত নে কোনো অজ্ঞান বা স্বাৰ্থপৰৰ ৰচিত?

দ্বিতীয় আয়তৰ পৰা স্পষ্টকৈ বুজিব পাৰি যে, মহম্মদ চাহেবৰ কোনো বীবী তেওঁৰ আচৰণত বিৰক্ত হলে খোদাই তেওঁক ভয় দেখুৱাবৰ নিমিত্তেই এই আয়তৰ অৱতৰণা কৰিছে; —"তোমালোকে যদি পয়গম্বৰৰ প্ৰতি বিৰক্ত হোৱা আৰু তেওঁ যদি তোমালোকক পৰিত্যাগ কৰে তেনেহলে খোদাই তেওঁক তোমালোকতকৈয়ো সুন্দৰী আৰু আগতে পুৰুষৰ সংসৰ্গ নকৰা বীবী দিব"। অতি সামান্য বুদ্ধি থকা মানুহেও বুজিব পাৰে যে,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এইবোৰ খোদাৰ কথা নহয়, কোনো ধূৰ্ত্ত স্বাৰ্থপৰ মানুহৰহে কথা। ইয়াৰ পৰা এয়েই প্ৰমাণ হয় যে, খোদাই এইবোৰ কথা কেতিয়াও কোৱা নাই, মহম্মদ চাহেবে নিজৰ উদ্দেশ্য পূৰ্ণ কৰিবৰ নিমিত্তেই দেশ-কাল বুজি খোদাৰ নামত সকলো কথা কৈছে। যিসকলে এইবোৰ খোদাৰ কথা বুলি কয়, আমিহে নালাগে যেই কোনো বিবেচনাশীল মানুহে নকৈ নোৱাৰে, তেওঁলোকৰ খোদা জানিবা মহম্মদ চাহেবৰ বীবী যোগাৰ আৰু শাসন কৰি ফুৰা নাপিতহে। ১৪৩॥

১৪৪। হে নবী! কাফেৰবোৰৰ লগত যুদ্ধ কৰা, আৰু গুপ্ত শত্ৰুবোৰৰ প্ৰতি কঠোৰ ব্যৱস্থা কৰা।

মঃ ।৭ সিঃ ২৮। সূঃ ৬৬। আঃ ৯।।

সমীক্ষক—মুছলমান খোদাৰ কাণ্ড চ'ক! তেওঁ অমুছলমান মতাৱলম্বী সকলৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ পয়গম্বৰ আৰু মুছলমানবোৰক উত্তেজিত কৰিছে। এই কাৰণেই মুছলমান সকল সদায় হিংসা বিবাদ আদিতে মগ্ন হৈ থাকে। পৰমেশ্বৰে যেন কৃপা কৰি তেওঁলোকৰ অন্তৰত সৎ মতি দিয়ে, তেওঁলোকে যাতে উপদ্ৰৱ কৰিবলৈ এৰি সকলোৰে লগত প্ৰেম প্ৰীতিৰ ব্যৱহাৰেৰে বসবাস কৰিব পাৰে। ১৪৪॥

১৪৫। সেই দিনা আকাশ ছিন্ন ভিন্ন হৈ অন্ত হব। ফেৰিস্তা (স্বৰ্গীয় দূত) বোৰ এদাঁতিত উপস্থিত হব। সেই দিনা আঠজন দূতে মালিকৰ পালেং তুলিব; তোমালোকসকলোকে তেওঁৰ আগলৈ অনা হব, আৰু কোনো গোপন কথা গোপনহৈ নাথাকিব। যাৰ সোঁও হাতত কৰ্ম্মৰ হিচাপ পত্ৰ দিয়া হব, তেওঁলোকে কব "আমাৰ এই পত্ৰ পাঠ কৰা," কিন্তু যাৰ বাওঁহাতত তেনেকৈ কৰ্ম্মৰ পত্ৰ দিয়া হব, তেওঁলোকে কব "হাঁয়! হাঁয়! আমাক এই কৰ্ম্ম পত্ৰ নিদিয়া হলে ভাল হলহেঁতেন॥"

মঃ ৭। সিঃ ২৯। সূঃ ৬৯। আঃ ১৬।১৭।১৮।১৯।২৫

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—বাহ কি ফিলচফি! আৰু কেনে যুক্তি সঙ্গত কথা! আকাশ জানো কেতিয়াবা ছিন্ন ভিন্ন হব পাৰে? আকাশ কোনো বস্তুৰ দৰে নেকি যে ছিন্ন ভিন্ন হব? উৰ্দ্ধলোককেই আকাশ বুলি যদি ধৰে, সেই ধাৰণা জ্ঞান বিজ্ঞানৰ বিৰুদ্ধ। কোৰাণৰ খোদা যে দেহধাৰী সেই বিষয়ে আৰু সন্দেহ নাই। পালেঙত বহা, আঠ জন বাহকৰ দ্বাৰাই তোলা, এইবোৰৰ কাম মুৰ্ত্তিমান নহলে হব নোৱাৰে, আগলৈ পাছলৈ বা কাষলৈ অহা যোৱা কৰাও মুৰ্ত্তিমানৰহে সম্ভৱ হব পাৰে। খোদা মুৰ্ত্তিমান হলে এক-দেশী; একদেশী হলে সৰ্ব্বজ্ঞ, সৰ্ব্বব্যাপক আৰু সৰ্ব্বশক্তিমান নহয় আৰু জীৱবোৰৰ সকলো কৰ্ম্ম কেতিয়াও জানিব নোৱাৰে। পুণ্যবানবোৰৰ সোঁ-হাতত তেওঁলোকৰ কৰ্ম্মৰ হিচাপ পত্ৰ দিয়া, সেইবোৰ পাঠ কৰোৱা আৰু তেওঁলোকক স্বৰ্গলৈ পঠোৱা; পাপীবোৰৰ বাওঁহাতত কৰ্ম্মৰ হিচাপ পত্ৰ দিয়া, সিহঁতক নৰকলৈ পঠোৱা আৰু কৰ্ম্মপত্ৰ পঢ়ি ন্যায় সঙ্গত বিচাৰ কৰা একেবাৰেই আচৰিত কথা। এইবোৰ নো সৰ্ব্বজ্ঞৰ কাম নে? এই-বোৰ কেৱল সৰু লৰাৰ খেলৰ দৰেহে। ১৪৫ ॥

১৪৬। যিদিনা ফেৰিস্তাবোৰ আৰু আত্মাবোৰ উত্তৰণ কৰিব, সেই দিনটো পঞ্চাশ হেজাৰ বছৰৰ সমান দীঘল হব। যেতিয়া আত্মাবোৰ কবৰৰ পৰা ওলাই দৌৰি গৈ থাকিব, তেতিয়া বোধ হব, সেইবোৰ যেন কোনো "বুত" অৰ্থাৎ মুৰ্ত্তিৰ ফালে যাব লাগিছে। মঃ ৭। সিঃ ২৯। সূ: ৭০। আ: ৪-৪২ ॥

সমীক্ষক—দিনৰ পৰিমাণ পঞ্চাশ হেজাৰ বছৰ হলে ৰাতিও পঞ্চাশ হেজাৰ বছৰৰ সমান নহব কিয়? ৰাতিও ইমান দীঘল নহলে দিন ইমান দীঘল কেতিয়াও হব নোৱাৰে। এই পঞ্চাশ হেজাৰ বছৰ পৰ্য্যন্ত ফেৰিস্তাবোৰে খোদা আৰু কৰ্ম্ম পত্ৰ ধাৰী জীৱবোৰে বহিলে, থিয় হৈ ৰ'ল, নে অন্য কিবা ৰকমে সাৰ পাই আছিল? তেনেহলে সকলো আক্ৰান্ত হৈ পুনঃ মৰিব। জীৱবোৰ কবৰৰ পৰা ওলাই খোদাৰ আদা-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

লতৰ ফালে দৌৰিব জানো? জীৱবোৰ কবৰৰ ভিতৰত থাকোতে খোদাৰ চমন কেনেকৈ পায়? দুৰ্ভগীয়া পাপীবোৰক আৰু লগতে পুণ্যবান বোৰোকো সিমান দিন কবৰৰ ভিতৰত বিচাৰাধীন বন্দী কৰি ৰখা হয় কিয়? বৰ্ত্তমান বোধ হয় খোদাৰ আদালত বন্ধ হৈ আছে আৰু খোদা আৰু খোদাৰ ফেৰিস্তাবোৰ নিষ্কৰ্ম্মা হৈ আছে! নহলে তেওঁলোকে কি কৰিছে? বোধহয় নিজৰ নিজৰ ঠাইত বহি আছে, বা ইফালে সিফালে ঘূৰি ফুৰিছে অথবা শুই আছে, নাচ তামোচা চাই বিলাস-বিশ্ৰাম সম্ভোগ কৰিছে। এনেকুৱা অজ্ঞান অন্ধকাৰ আৰু কোনো ৰাজ্যত নাই। নিৰ্ব্বোধ বনবাসীৰ বাহিৰে আন কোনে এইবোৰ কথা বিশ্বাস কৰিব? ৪৬॥

১৪৭। তেওঁ নিশ্চয় তোমালোকক নানা ৰূপত উৎপন্ন কৰিছে। তোমালোকে দেখা নাই নে আল্লাই ইখনৰ ওপৰত সিখনকৈ কেনেকৈ সাতখন আকাশ সৃষ্টি কৰি তাৰ ভিতৰত চন্দ্ৰক প্ৰকাশক আৰু সূৰ্য্যক প্ৰদীপ কৰিছে?

ম: ৭ সিঃ ২৯ সূ: ৭১। আ: ১৪।১৫।১৬।

সমীক্ষক—খোদাই জীৱবোৰক সৃষ্টি কৰা হলে জীৱবোৰ অমৰ আৰু চিৰস্থায়ী হব নোৱাৰে। যি বস্তু উৎপন্ন হয় তাৰ বিনাশ অনিবাৰ্য্য। গতিকে সৃষ্টি হোৱা জীৱই কেনেকৈ অনন্ত কাললৈকে স্বৰ্গত বাস কৰিব? আকাশ নিৰাকাৰ আৰু বিভু; গতিকে ইখনৰ ওপৰত সিখনকৈ কেনেকৈ আকাশৰ নিৰ্ম্মাণ কৰা হ'ল? আন কোনো পদাৰ্থৰ আকাশ নাম ৰখাও অৰ্থহীন। এখনৰ ওপৰত এখনকৈ ওপৰা ওপৰিকৈ আকাশ নিৰ্ম্মাণ হলে দুখন আকাশৰ মাজত চন্দ্ৰ আৰু সূৰ্য্য থাকিব নোৱাৰে। কাৰণ চন্দ্ৰ আৰু সূৰ্য্য সাত আকাশৰ মাজত থাকিলে ওপৰৰ অংশ আৰু তলৰ একাংশ বা এফাল পোহৰ হব, দ্বিতীয় আকাশৰ পৰা আৰম্ভ কৰি বাকীবোৰ অন্ধকাৰহৈ থাকিব। এনেকুৱা কিন্তু কতিয়াও দেখা নাই, গতিকে এইবোৰ একেবাৰেই মিছা। ১৪৭॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

১৪৮। এই মছজিদবোৰ আল্লাহৰ কাৰণেহে; গতিকে আল্লাহৰ লগত আন কাকো আহ্বান নকৰিবা।

মঃ ৭। সিঃ ২৯। সূঃ ৭২। আঃ ১৮॥

সমীক্ষক—এই উপদেশ যদি সত্য হয় মুছলমানসকলে "লাইলাহ ইল্লাল্লাঃ মুহম্মদৰ্‌ছুলল্লাঃ" এই কলমাৰে খোদাৰ সহযোগীৰূপ মহম্মদ চাহেবক আহ্বান কৰে কিয়? এইয়া বোধহয় কোৰাণৰ বিৰুদ্ধ। যদি বিৰুদ্ধ নহয় বুলি কয়, তেনেহলে কোৰাণৰ বাক্যই মিছা প্ৰতিপন্ন হয়। মছজিদেই যদি খোদাৰ ঘৰ হয়, তেনেহলে মুছলমানসকল ঘোৰ পৌত্তলিক বা সাকাৰবাদী হয়। ক্ষুদ্ৰ মূৰ্ত্তিক ঈশ্বৰ প্ৰাপ্তিৰ স্থান বুলি বিশ্বাস কৰাত পৌৰাণিক আৰু জৈনসকলক "বুৎপৰস্ত" অৰ্থাৎ মূৰ্ত্তি পূজক বুলি কৰিলে মুছলমানসকলক মূৰ্ত্তি-পূজক বুলি ধৰা নহব কিয়? (যি মছজিদক খোদাৰ ঘৰ বুলি মানে)। ১৪৮॥

১৪৯। সূৰ্য্য আৰু চন্দ্ৰক একত্ৰ কৰা হব। মঃ ৭। সিঃ ২৯। সূঃ ৭৫। আঃ ৯॥

সমীক্ষক—বাৰু, চন্দ্ৰ-সূৰ্য্য কেতিয়াবা এক হব পাৰে নে? চ'ক এতিয়া এইবোৰ কেনে অবোধৰ দৰে কথা! চন্দ্ৰ-সূৰ্য্যক একত্ৰ কৰাৰ প্ৰয়োজনেই বা কি? অন্যান্য লোকবোৰ একত্ৰ নকৰাৰ বা যুক্তি কি? খোদাই এনেকুৱা অসম্ভৱ কথাবোৰ কব পাৰে নে? এইবোৰ বিদ্বানৰ কথা নহয়, কেৱল অবিদ্বানৰহে কথা। ১৪৯॥

১৫০। চিৰ স্বৰ্গবাসী বালকবোৰে তেওঁলোকৰ কাষলৈ অহাযোৱা কৰিব। সেই বালকবোৰক দেখিলে মুক্তাৱলী জিলিকি থকা যেন তোমালোকৰ মনত বোধ হব। সিহঁতক সোণৰূপেৰে বিভূষিত কৰা হব আৰু সিহঁতৰ মালিকে সিহঁতক পবিত্ৰ মদিৰা পান কৰাব। মঃ ৫। সিঃ ৭। সূঃ ৬৭। আঃ ১৯।২১।॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—ক ওকচোন বাৰু, তাত মুক্তাবৰ্ণৰ বালকবোৰক ৰাখিবৰ প্ৰয়োজন কি? যুৱকবোৰে বা স্ত্ৰীকুভাসকলে তেওঁলোকক সন্তুষ্ট কৰিব নোৱাৰে নেকি? এনেকুৱা অস্বাভাবিক পাপ কৰ্ম্মত লিপ্ত কৰোৱাত কোৰাণৰ এই বাক্যই মূল হোৱাত আচৰিত হবৰ কাৰণ আৰু কি হব পাৰে? স্বৰ্গত প্ৰভু আৰু সেৱকৰ ভেদাভেদ অৰ্থাৎ প্ৰভুৰ প্ৰভুত্বৰ সুখ আৰু সেৱকৰ শ্ৰমৰ দুখ; এনে পক্ষপাত থাকিব কেলেই? খোদাই যদি সিহঁতক মদপান কৰায়, তেনেহলে খোদা সিহঁতৰ সেৱকৰ সমান নেকি? সেয়ে হলে খোদাৰ মহত্ত্ব থাকিল কি? স্বৰ্গত স্ত্ৰীপুৰুষৰ সংসৰ্গ, গৰ্ভস্থিতি আৰু সন্তানৰ উৎপত্তি হয় নে নহয়? নহলে ইন্দ্ৰিয়ৰ সুখ-সম্ভোগ বৃথা হব আৰু হলে সেই জীৱবোৰ ক'ৰ পৰা আহে? খোদাৰ সেৱা ভক্তি নকৰাকৈ সেই জীৱবোৰে কেনেকৈ বেহেস্তত জন্ম লব পাৰে? যদি জন্ম লয়, তেনেহলে ধৰ্ম্মবিশ্বাস আৰু খোদাৰ ভক্তি নোহোৱাকৈয়ে অনায়াসে স্বৰ্গ লাভ কৰে। তেওঁলোকৰ ভিতৰবে কিছুমানে যদি ধৰ্ম্মবিশ্বাসত স্বৰ্গ লাভ কৰে, আৰু কিছুমানে বিনা বিশ্বাসতেই স্বৰ্গ পাব পাৰে, তেনেহলে ইয়াতকৈ আৰু ঘোৰ অন্যায় কি হব পাৰে? ১৫০ ॥

১৫১। কৰ্ম্মৰ প্ৰতিফল দিয়া হব। আৰু পানৰ পাত্ৰ পূৰ্ণ হৈ আছে। সেই দিনা ফেৰিস্তাসকল আৰু 'ৰুহ" অৰ্থাৎ আত্মাবোৰ শ্ৰেণীবদ্ধ হৈ থিয় হৈ থাকিব।

মং ৭। সিং ৩০। সূঃ ৭৮। আঃ ২৬।৩৪।৩৮।

সমীক্ষক—সকলোৱে কৰ্ম্মানুসাৰেই যদি ফল পায় তেনেহলে হলে, ফেৰিস্তা, আৰু মুক্তাৰ দৰে বালকবোৰে কি কৰ্ম্ম অনুসাৰে চিৰদিনৰ কাৰণে বেহেস্ত লাভ কৰে? তাত পিয়লাই পিয়লাই মদ পান কৰাবোৰে মদৰ জালত মতলীয়া হৈ পৰস্পৰৰ ভিতৰত মাৰপিত কলহ বিবাদ নকৰিব নে? ৰুহ এটা ফেৰিস্তাৰো নাম, যি ফেৰিস্তাবোৰৰ ভিতৰত প্ৰধান। খোদাই সেই ৰূপ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আৰু আন সকলো ফেৰিস্তাক থিয় কৰাই সৈন্য বেহু ৰচনা কৰি তাৰ দ্বাৰাই জীৱবোৰক দণ্ড দিব নেকি? সেই সময়ত স্বয়ং খোদা থিয় হৈ থাকিব নে বহি থাকিব? খোদাই যদি কয়ামতৰ আগতেই সকলো সেনা লগাই চয়তানবোৰক ধৰায়, তেতিয়া হলে তেওঁৰ ৰাজ্য নিষ্কণ্টক হব পাৰে। ইয়াৰে নাম ঈশ্বৰত্ব। ১৫১॥

১৫২। তেতিয়া সূৰ্য্যক মোটোকাই জাপি লোৱা হব, নক্ষত্ৰবোৰ ম্লান আৰু পৰ্ব্বতবোৰ বিচলিত। তেতিয়া আকাশৰ ছাল এৰুৱাই পেলোৱা হব।

ম: ৭। সিঃ ৩০। সূঃ ৮১। আঃ ১।২।৩।১১।

সমীক্ষক—গোলাকাৰ সূৰ্য্যমণ্ডলক জাপি লোৱাৰ কথা অজ্ঞতাৰেই পৰিচায়ক। নক্ষত্ৰবোৰ নো কেনেকৈ মলিন অৰ্থাৎ ক'লা বা আন্ধাৰ হব? জড় পৰ্ব্বতে কেনেকৈ লৰচৰ কৰিব? আকাশ কিবা জীৱ জন্তু নেকি যাৰ ছাল চেলাই লব? এইবোৰ উক্তি কেৱল বনবাসী নিৰ্বোধৰহে পৰিচায়ক। ১৫২॥

১৫৩। তেতিয়া আকাশ বিদীৰ্ণ হব, তৰাবোৰ খহি পৰিব, সাগৰ ফাটি চিতি যাব, আৰু কবৰবোৰক পুনৰ্জ্জীৱিত কৰি উখুওৱা হব। মঃ ৭। সিঃ ৩০। সূঃ ৮২। আঃ ১।২।৩।৪॥

সমীক্ষক—ভাল কোৰাণ ৰচোঁতাৰ ফিলচফি! আকাশ ফাটি-চিতি যাব নেকি? নক্ষত্ৰবোৰ নো কেনেকৈ খহি পৰিব? সাগৰ কাঠ নেকি যে, ডোখৰ ডোখৰ হব? কবৰবোৰ মৰা নেকি যাক পুনৰ্জ্জীৱিত কৰিব পাৰে? এইবোৰ একেবাৰেই শিশুৰহে কথা। ১৫৩॥

১৫৪। দুৰ্গ-প্ৰাসাদ বিশিষ্ট আকাশৰ নামত শপত। সেই (কোৰাণ ছৰিফ মহান) স্বৰ্গীয় লোৰ চন্দুকত সুৰক্ষিত আছে। মঃ ৭। সিঃ ৩০। সূঃ ৮৫। আঃ ১।২১। ২২॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সমীক্ষক—কোৰাণ ৰচোঁতাৰ ভূগোল বা খগোলৰ জ্ঞান একেবাৰেই নাই—নহলে তেওঁ আকাশক দুৰ্গ প্ৰাসাদ বিশিষ্ট বুলি বৰ্ণনা কৰিব কিয় ? মেঘ আদি ৰাশিবোৰক দুৰ্গ প্ৰাসাদ বোলা হৈছে, তেনেহলে নক্ষত্ৰবোৰক দুৰ্গপ্ৰাসাদ বোলা নহব কিয় ? আচলতে সেইবোৰ দুৰ্গপ্ৰাসাদ নহয়, নক্ষত্ৰ লোকহে। কোৰাণ জ্ঞানো খোদাৰ লগত আছে ? কোৰাণ যদি খোদাৰেই ৰচিত হয়, তেনেহলে খোদাও যুক্তি আৰু বিজ্ঞান বিৰুদ্ধ অজ্ঞানৰূপী আন্ধাৰত নিমগ্ন হৈ আছে। ১৫৪॥

১৫৫। সিহঁতে নিশ্চয় প্ৰতাৰণা কৰে, সিহঁত প্ৰতাৰক। ময়ো প্ৰতাৰণা কৰো, গতিকে ময়ো প্ৰতাৰক।

মঃ ৭ সিঃ ৩০। সূঃ ৮৬ আঃ ২৫-২৬ ॥

সমীক্ষক—প্ৰতাৰণা কৰা প্ৰতাৰকৰহে কাম। খোদাও প্ৰতাৰক নে ? চুৰিৰ প্ৰতিশোধ চুৰি আৰু মিছাৰ প্ৰতিশোধ মিছাই নেকি ? কোনো সজ্জনৰ ঘৰত চুৰি কৰিলে সেই সজ্জনেও চুৰিকে কৰিব নেকি ? ধন্য কোৰাণ ৰচকৰ যুক্তি ! ১৫৫ ॥

১৫৬। যেতিয়া তোমাৰ মালিক ফেৰিস্তাবোৰ শ্ৰেণীবদ্ধ হৈ আগমন কৰিব, তেতিয়া তালৈ নৰকক আনা হব।

সঃ ৭ সিঃ ৩০। সূঃ ৮৯ আঃ ২২-২৩।

সমীক্ষক—চ'ক এতিয়া ! মুছলমানৰ খোদা পুলিচ কৰ্ম্মচাৰী নেকি, অথবা সেনাপতিৰ দৰে শ্ৰেণীবদ্ধ ভাবে দলবল লৈ অহাযোৱা কৰে নেকি ? নৰক টেকেলি কলহৰ দৰে নেকি, যাক য'লৈ ইচ্ছা ত'লৈকে ভাঙি নিব পাৰি ? নৰক তেনে ক্ষুদ্ৰ বস্তু হলে অসংখ্য পাপী তাত থাকিব কেনেকৈ ? ১৬৬ ॥

১৫৭। খোদাৰ পয়গম্বৰে সিহঁতক কৈছিল, 'খোদাৰ এই উটজনীক ৰক্ষা কৰিবা আৰু পানী খুৱাবা"। কিন্তু সিহঁতে পাছত মিছা ভুৱা দিয়া বুলি সেই উটজনীৰ ঠেং কাটি পেলালে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

তাৰ ফলত তেওঁলোকৰ মালিকে তেওঁলোকৰ মাজলৈ মহামাৰী প্ৰেৰণ কৰিলে। মঃ ৭। সিঃ ৩০। সূঃ ৯১। আঃ ১৩-১ ॥

সমীক্ষক—খোদায়ো উটৰ পিঠিত উঠি ফুৰে নেকি? সেয়ে নহলে উট ৰখাৰ প্ৰয়োজন কি? খোদাই তেওঁৰ নিয়ম ভঙ্গ কৰি কয়ামতৰ আগতেই সিহঁতৰ নিমিত্তে মহামাৰী প্ৰেৰণ কৰিলে কিয়? তেনেহলে সিহঁতক নিশ্চয় দণ্ড দিয়া হ'ল। গতিকে শেষ বিচাৰৰ দিনা আকৌ সিহঁতৰ বিচাৰ হোৱা, একেবাৰেই মিছা। উটজনীৰ বৃত্তান্তৰ পৰা অনুমান হয় যে, আৰৱ দেশত উটৰ বাহিৰে অন্য ভাৰবাহী জন্তু কম। গতিকে প্ৰমাণ হয় যে, কোনো আৰৱবাসীয়েই কোৰাণৰ ৰচক। ১৫৭॥

১৫৮। সহজে নৰয় যদি কপালৰ আগৰ চুলি টানিম। সেই মূৰ (শিৰ) মিথ্যাবাদী পাপী। নৰকৰ ফেৰিস্তাক মতা হব।

মঃ ৭। সিঃ ৩০। সূঃ ৯৬ আঃ ১৫-১৬-১৮॥

সমীক্ষক—চোচৰাই টানি নিয়া নীচ আৰু চাপৰাচীৰ কাম, তেনে কাৰ্য্যৰ পৰাও খোদাই অব্যাহতি নাপালে! মূৰনো মিথ্যাবাদী আৰু পাপী হব পাৰে নে? যি জেলৰ দাৰোগাৰ দৰে—ফেৰিস্তাবোৰক মাতি পঠায়, তেওঁ কোনো জীৱ নহৈ খোদা হব পাৰে নে? ১৮৫॥

১৫৯। নিশ্চয় "কদৰ"-ৰাতিৰ মাজত মই কোৰাণ অৱতীৰ্ণ কৰিছো। কদৰ ৰাতি কি তাক তোমালোকে কেনেকৈ জানিবা? সেই কদৰৰ ৰাতিও ফেৰিস্তা আৰু পবিত্ৰ আত্মা তেওঁলোকৰ মালিকৰ কামৰ আদেশ লৈ অৱতৰণ কৰে।

মঃ ৭ সিঃ ৩০। সূঃ ৯৭। আঃ ১।২।৪॥

সমীক্ষক—একে ৰাতিতেই যদি কোৰাণৰ অবতৰণ হল তেনেহলে সেই আয়ত অৰ্থাৎ "সেই সময়ত ধীৰে ধীৰে কোৰাণ অবতৰণ হল", এই কথা সচা কেনেকৈ হব? ৰাতি যে আন্ধাৰ তাত কাৰো

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সন্দেহ নাই। মই আগত লিখি আহিছো যে, আকাশৰ তল ওপৰ একো নাই। কিন্তু কোৰাণত লিখিছে যে ফেৰিস্তাবোৰ, আৰু পবিত্ৰ আত্মা খোদাৰ আদেশত সংসাৰ ব্যৱস্থা কৰিবৰ কাৰণে আগমন কৰে, গতিকে ইয়াৰ পৰা বুজা যায় যে খোদা মানুহৰ দৰে একদেশী।

এতিয়ালৈকে আমি কোৰাণত ফেৰিস্তা, পয়গম্বৰ আৰু খোদাক দেখি আহিছো, এই তিনিৰ বাহিৰেও এতিয়া এক "পবিত্ৰাত্মাৰ" আবিৰ্ভাব হল। এই পবিত্ৰাত্মা কি তাক জনা নাজায়। খ্ৰীষ্টীয়ান মতে পিতা, পুত্ৰ আৰু পবিত্ৰাত্মা কি তাক জনা নাজায়। খ্ৰীষ্টীয়ানৰ এই তিনি মানিলেও আৰু এক চতুৰ্থ বাঢ়ে। মুছলমানসকলে যদি এই তিনিটাক খোদা বুলি নামানে, সেইটো হব পাৰে; কিন্তু পবিত্ৰাত্মা ভিন্নকৈ কোৰাত খোদা, ফেৰিস্তা, আৰু পয়গম্বৰক পবিত্ৰাত্মা বোলা হয় নে নহয়? তেওঁলোকেই যদি পবিত্ৰাত্মা হয় তেনেহলে ব্যক্তি বিশেষক পবিত্ৰাত্মা বোলা হয় কিয়? আৰু খোদাই ঘোৰা আদি পশু, দিন ৰাতি আৰু কোৰাণ আদিৰ প্ৰতিজ্ঞা কৰে। শপত খোৱা সজ্জন লোকৰ কামেই নহয়।

কোৰাণৰ বিষয়ে আলোচনা সুধী সকলৰ আগত ডাঙি ধৰা হল। এই গ্ৰন্থৰ বিষয়ে এতিয়া তেওঁলোকেই বিবেচনা কৰিব। মোৰ মত সুধিলে মই ইয়াকেই কব লাগিব যে, কোৰাণ ঈশ্বৰৰ ৰচিততো নহয়েই, কোনো বিদ্বান পুৰুষৰ ৰচিত জ্ঞানৰ গ্ৰন্থও নহয়। এই গ্ৰন্থত বহুত দোষ দেখা গৈছে, তাৰে মাত্ৰ কেইটামান উদাহৰণ স্বৰূপ প্ৰকাশ কৰা হল। ইয়াৰ উদ্দেশ্য এয়ে যে, কোনেও যেন প্ৰতাৰিত হৈ জীৱন নষ্ট নকৰে। এই গ্ৰন্থত যি অলপ সত্য কথা আছে, সেইবোৰ বেদ আৰু অন্যান্য বিজ্ঞানিক গ্ৰন্থৰ অনুকূল কাৰণে, মই যেনেকৈ স্বীকাৰ কৰো, সেইদৰেই অন্যান্য সম্প্ৰদায়ৰ দুৰাগ্ৰহ আৰু পক্ষপাত নোহোৱা বিদ্বা বুদ্ধিমান সকলেও স্বীকাৰ কৰিব। ইয়াৰ বাহিৰে বাকীবোৰে অজ্ঞতা আৰু বিভ্ৰা-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

স্তিৰ বাহিৰে আন একো হব নোৱাৰে। সেইবোৰে মানব আত্মাক পশুৰ দৰে কৰি মানব জাতিৰ ভিতৰত শান্তি ভঙ্গ, উত্তেজনা, উপদ্ৰব, আৰু দুখৰ বিস্তাৰ কৰে। আৰু মন কৰিব লগীয়া যে কোৰাণ পুনৰুক্তি দোষেৰে পৰিপূৰ্ণ। পৰমেশ্বৰে সকলো মানুহকে প্ৰেৰণা দিয়ে যেন, সকলোৱে যাতে পৰস্পৰৰ প্ৰতি সহনশীল আৰু সঙ্ঘবদ্ধ হৈ পৰস্পৰৰ সুখ শান্তি বৃদ্ধি কৰাত যত্নবান হয়। মই যেনেকৈ আপোন পৰ আৰু পক্ষপাত নকৰাকৈ, বিভিন্ন মত মতান্তৰৰ দোষবোৰ প্ৰকাশ কৰিছো, বিদ্বান মাত্ৰয়ো সেই দৰেই কৰিলে পাৰস্পৰিক বাদ বিবাদৰ অৱসান, মিলন, শান্তি, মতৰ ঐক্য আৰু সত্যৰ উপলব্ধি হব।

আশকৰো কোৰাণৰ বিষয়ে যি অলপ লিখা হৈছে তাৰ পৰা বিবেচনাশীল আৰু ধৰ্ম্মপৰায়ণ পাঠক সকলে এই গ্ৰন্থকাৰৰ উদ্দেশ্য উপলব্ধি কৰি লাভবান হব। ভুলক্ৰমে যদি কিবা যুক্তিহীন কথা লিখা হৈছে তাক সংশোধন কৰি লয় যেন। শেষত আৰু এটা কথা কব লগা আছে যে, মুছলমানসকলৰ অনেকে কয়, আৰু লিখিও প্ৰকাশ কৰিছে যে, তেওঁলোকৰ ধৰ্ম্মৰ বিষয়ে অথৰ্ব্ববেদত উল্লেখ আছে। তাৰ উত্তৰত কওঁ যে' অথৰ্ব্ববেদত এই বিষয়ে নাম নিচান একোৰে উল্লেখ নাই।

প্ৰশ্ন—আপুনি সমস্ত অথৰ্ব্ব বেদ অধ্যয়ন কৰিছে জানো! যদি অধ্যয়ন কৰিছে তেনেহলে অল্লোপনিষৎ পঢ়ক। তাতেই এই বিষয়ে স্পষ্টকৈ লিখা আছে। আপুনি অথৰ্ব্ববেদত মুছলমান ধৰ্ম্মৰ নাম নিচান নাই বুলি কেনেকৈ কয়? যেনে—

অথাহল্লোপস্বিদ্দং ব্যাখ্যাস্যামঃ ।।

(এতিয়া আল্লাহ উপনিষদৰ ব্যাখ্যা কৰা হব)

অস্মাল্লাং ইল্লে মিত্ৰাবৰুণা দিব্যানি ধত্তে। ইল্লল্লে বৰুণো ৰাজা পুনৰ্দ্দদুঃ। হয়া মিত্ৰো ইল্লাং ইল্লল্লে ইল্লাং বৰুণো মিত্ৰস্তেজস্কামঃ।।১।। হোতাৰমিন্দ্ৰো হোতাৰমিন্দ্ৰ মহাসুৰিন্দ্ৰাঃ।।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অল্লো জ্যেষ্ঠং শ্ৰেষ্ঠ পৰমং পূৰ্ণং ব্ৰহ্মাণং অল্লাম্ ॥ ২ ॥ অল্লোৰছূল মহদামৰকবৰস্য অল্লো অল্লাম্ ॥ ৩ ॥ আদল্লাবুকমেককম্ ॥ অল্লাবুক নিখাতকম্ ॥ 8 ॥ অল্লো যজ্ঞেন হুতাহুত্বা ॥ অল্লা সূৰ্য্য চন্দ্ৰ সৰ্ব্ব নক্ষত্ৰাঃ ॥৫ ॥ অল্লা ঋষীণাং সৰ্ব্বদিব্যাং ইন্দ্ৰায় পূৰ্ব্বং মায়া পৰমন্তৰিক্ষাঃ। ৬ । অল্লঃ পৃথিব্যা অন্তৰিক্ষং বিশ্বৰূপম্ ॥ ৭ ॥ ইল্লাঁ কবৰ ইল্লাঁ কবৰ ইল্লাঁ ইল্লল্লেতি ইল্লল্লাঃ ॥ ৮ ॥ ওম্ অল্লাইল্লল্লা অনাদিস্বৰূপায় অথৰ্ব্বাণাং হীয়ামা হুং হ্ৰীং জনানপশূন-সিদ্ধান্ জলচৰান্ অদৃষ্টং কুৰু কুৰু ফট্ ॥ ৯ । অসুৰ সংহাৰিণী হুং হ্ৰীং অল্লো ৰচূল মহমদৰকবৰস্য অল্লো অল্লাম্ ইল্লল্লেতি ইল্লল্লাঃ ॥১০ ।

ইত্যল্লোপনিষৎ সমাপ্তা ॥

ইয়াত স্পষ্টকৈ লিখা আছে যে, মহম্মদ চাহেব ৰচূল; গতিকে প্ৰমাণ হৈছে যে মুছলমান মত বেদ মূলক

উত্তৰ—আপুনি যদি অথৰ্ব্ববেদ অধ্যয়ন কৰা নাই তেনেহলে মোৰ ওচৰত আদ্যোপান্ত সমস্ত পঢ়িব পাৰে; অথবা আন কোনো অথৰ্ব্ব-বেদীৰ ওচৰত বিংশতি কাণ্ড অথৰ্ব্ববেদ মন্ত্ৰসংহিতা অধ্যয়ন কৰক। সমস্ত অথৰ্ব্ববেদৰ ভিতৰত আপোনালোকৰ পয়গম্বৰ চাহেবৰ নাম বা তেওঁৰ মতৰ নাম নিচান বিচাৰি নাপায়। অথৰ্ব্ববেদত, আৰু অথৰ্ব্ব-বেদৰ গোপথ ব্ৰাহ্মণত, অথবা অথৰ্ব্ববেদৰ কোনো শাখাত অল্লোপনিষদৰ কথা নাই। অনুমান হয় সম্ৰাট আকবৰৰ সময়ত কোনোৱা সংস্কৃত পণ্ডিতৰ দ্বাৰাই এই অল্লোপনিষদ ৰচনা কৰোৱা হৈছে। ইয়াৰ পৰা দেখা যায় যে ইয়াৰ ৰচয়িতাই কিছু পৰিমাণে হলেও আৰবী আৰু সংস্কৃত অধ্যয়ন কৰিছিল। কাৰণ ইয়াত আৰবী আৰু সংস্কৃত ভাষাৰ শব্দ দেখা গৈছে। উতিয়া চক! "আল্লাল্লাং ইল্লে মিত্ৰবৰুণা দিব্যানি ধত্তে" ইত্যাদি দহ সংস্কৃত (পদত) লিখিত; ইয়াৰ ভিতৰত "অল্লাল্লাং" আৰু "ইল্লে" আৰবী আৰু "মিত্ৰাবৰুণা দিব্যান ধত্তে" সংস্কৃত; এইদৰে আটাই-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বোৰ বাক্য মিহলি দেখা গৈছে। ইয়াৰ পৰাই জানিব পৰা হৈছে যে, উক্ত গ্ৰন্থকাৰৰ দুয়োটা ভাষাই জনা আছিল। অৰ্থ সংহতিৰ দৃষ্টিৰে চালে ৰচনাবোৰ কৃত্ৰিম, অসঙ্গত, বেদ আৰু ব্যাকৰণৰ বিৰুদ্ধ। এই উপনিষদৰ দৰেই আৰু বহুত উপনিষদ পক্ষপাতী, বিভিন্ন মতাবলম্বীসকলৰ দ্বাৰাই ৰচনা কৰা হৈছে। যেনেঃ—স্বৰোপনিষদ, নৃসিংহতাপনী, ৰামতাপনী, গোপাল তাপনী ইত্যাদি।

প্ৰশ্ন—আপুনি যিদৰে কৈছে, সেইদৰে আজি পৰ্য্যন্ত কেনেও কোৱা নাই, গতিকে আপোনাৰ কথা আমি কেনেকৈ মানিম?

উত্তৰ—আপোনালোকে মানিলে বা নামানিলে মোৰ কথা মিছা হব নোৱাৰে, মই যেনেকৈ অল্লোপনিষদৎ যুক্তিহীন বুলি প্ৰমাণ কৰিছো, সেইদৰেই আপুনিও যদি অথৰ্ব্ববেদত, গোপথ ব্ৰাহ্মণত, অথৰ্ব্ববেদৰ কোনো শাখাত বা কোনো প্ৰাচীন গ্ৰন্থত তেনে উল্লেখ থকাৰ প্ৰমাণ কৰিব পাৰে আৰু অৰ্থসংহতিও শুদ্ধ হয়, তেহে আপোনালোকৰ মত প্ৰমাণ ৰূপে স্বীকৃত হব।

প্ৰশ্ন - চ'ক! আমাৰ মত কিমান ভাল, ইয়াত সকলো ধৰণৰ সুখ আৰু শেষত মুক্তিও হয়।

উত্তৰ— এইদৰে প্ৰত্যেক মতবাদীয়েই কয়—"তেওঁৰ মতেই সকলোতকৈ ভাল, আনবোৰ মত বেয়া, আৰু তেওঁৰ মতৰ বাহিৰে আন কোনো মতত মুক্তি হব নোৱাৰে।" আমি কাৰ মত সঁচা বুলি মানিম? আপোনাৰ নে আনৰ? মোৰ মতে সত্যবাদিতা, অহিংসা, আৰু দয়া আদি সৎগুণবোৰ সকলোৰে মতেই শ্ৰেষ্ঠ; ইয়াৰ বাহিৰে—ঈৰ্ষ্যা, দ্বেষ, কন্দল, বিবাদ, অন্যায়, উৎপীড়ন আদি সকলোৰে মতেই নিন্দনীয় আপুনি যদি সত্য মত বিচাৰিছে তেনেহলে বৈদিক মতৰেই আশ্ৰয় লওক।

ইয়াৰ পাছত **"স্বমন্তব্যামন্তব্য প্ৰকাশ"** সংক্ষেপত লিখা হব।

ইতি **শ্ৰীমদ্দয়ানন্দ স্বৰস্বতী** স্বামিকৃতে সত্যাৰ্থপ্ৰকাশে সুভাষাবিভূষিতে যবন মত বিষয়ে চতুৰ্দ্দশসমুল্লাসঃ সম্পূৰ্ণঃ ॥১৪॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ওঁ

স্বমন্তব্যামন্তব্যপ্রকাশঃ ॥

যি সর্ব্বতান্ত্রিক সিদ্ধান্ত অর্থাৎ সার্ব্বভৌমিক আৰু সার্ব্বজনিক ধর্ম্ম সকলোৱে সদায় মান্য কৰি আহিছে, বর্ত্তমানেও মান্য কৰি আছে আৰু ভৱিষ্যতলৈও মান্য কৰিব; আৰু যি ধর্ম্মৰ বিৰোধিতা কৰিবলৈ কাৰো কোনো যুক্তি নাই, তাকেই নিত্য আৰু সনাতন ধর্ম্ম বোলে। সৰল নির্ব্বোধ মানুহে বা কোনো সম্প্রদায়বাদীৰদ্বাৰা বিভ্রান্ত হোৱা মানুহে সত্য সনাতন ধর্ম্মৰ বিপৰীতে যিহক মানে বা বিশ্বাস কৰে, সৎ বিবেচনাশীল পুৰুষে তাৰ সমর্থন নকৰে। আপ্ত অর্থাৎ সত্যকামী, সত্যবাদী, সত্যকর্ম্মী, পৰোপকাৰব্রতী, পক্ষপাতৰহিত, জ্ঞানী সকলে যিহক মানে, সেয়েই সকলোৰে মানিবলগীয়া আৰু যিবোৰ নামানে সেইবোৰ বিশ্বাস আৰু প্রমাণৰ যোগ্য নহয়। বেদাদি সকলো সত্য শাস্ত্রই আৰু ব্রহ্মাৰ পৰা আৰম্ভ কৰি জৈমিনি মুনি পর্য্যন্ত মনীষী সকলে ঈশ্বৰ আদি পদার্থ মানি আহিছে, তাকেই ময়ো মানো আৰু তাকেই সজ্জন সদাশয়সকলৰ আগত প্রকাশ কৰিছো। মোৰ নিজৰ মানিবলগীয়াও সেয়েই, যি ভূত, বর্ত্তমান, ভৱিষ্যত—তিনিও কালত সকলোৰে কাৰণে এক অপৰিবর্ত্তনীয় আৰু সত্য। মোৰ কোনো নতুন কল্পনা বা ভিন্নমত প্রচলিত কৰাৰ লেশমাত্রও অভিপ্রায় নাই, যি চিৰ সত্য তাকেই মনা আৰু মনোৱা আৰু যি অসত্য তাক পৰিত্যাগ কৰা আৰু আনকো কৰোৱাটোৱেই মোৰ অভিপ্রায়। মই নিজে পক্ষপাতী হোৱা হলে আর্য্যাবর্ত্ত দেশত প্রচলিত মতবোৰৰ ভিতৰতে কোনোৱা এটা মতৰ প্রতি পক্ষপাত আৰু আগ্রহ কৰিলোহেঁতেন। মোৰ অভিপ্রায় হৈছে আর্য্যাবর্ত্ত বা অন্যান্য দেশৰ যিবোৰ ধর্ম্মৰ নামত অধর্ম্মৰ আচৰণ চলি আছে, সেইবোৰৰ স্বীকাৰ আৰু যিবোৰ ধর্ম্মমূলক সেইবোৰ অস্বীকাৰ নকৰা। কাৰণ, তেনে কৰা মানৱতাৰ বহির্ভূত। যি মননশীল, সকলোৰেই সুখ দুখ লাভালাভ আত্মবৎ অনুভৱ কৰে, যি অন্যায়কাৰীক বলবান হলেও ভয়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সকলে আৰু যি ধৰ্ম্মাত্মা বলহীন হলেও ভয়, সন্মান কৰে, তেওঁৱেই যথাৰ্থ মনুষ্য। তদুপৰি তেওঁ অসহায়, দুৰ্ব্বল আৰু ন্যায়পৰায়ণ-সকলক সকলো প্ৰকাৰে ৰক্ষা, উন্নতি আৰু তেওঁলোকৰ প্ৰিয় আচৰণত যত্নপৰ। অন্যায় অধৰ্মপৰায়ণ ব্যক্তি প্ৰবল পৰাক্ৰমী হলেও তেওঁৰ প্ৰতি সহায় সমৰ্থন কৰা অনুচিত আৰু তাৰ বিপৰীতে ন্যায়ধৰ্মপৰায়ণ-সকলক সৰ্ব্বস্ব বিসৰ্জ্জন দিয়ো সেৱা-শুশ্ৰূষা, সহায়-সমৰ্থন কৰাত সচেতন থকাটো মানৱৰ কৰ্ত্তব্য। এই যুক্তিতেই শ্ৰীমন্ মহাৰাজ ভৰ্তৃহৰি আৰু অন্যান্য জ্ঞানীসকলৰ ৰচিত কেইটামান শ্লোক তলত উদ্ধৃত কৰা হল :—

নিন্দন্তু নীতিনিপুণা, যদি বা স্তুবন্তু,
লক্ষ্মীঃ সমাবিশতু গচ্ছতু বা যথেষ্টম্।
অদ্যৈব বা মৰণমস্তু যুগান্তৰে বা
ন্যায্যাৎ পথঃ প্ৰবিচলন্তি পদং ন ধীৰাঃ ॥১॥ (ভৰ্তৃহৰি)

ন জাতু কামান্ন ভয়ান্ন লোভাদ্,
ধৰ্ম্মং ত্যজেজ্জীবিতস্যাপি হেতোঃ।
ধৰ্ম্মো নিত্যঃ সুখদুঃখে ত্বনিত্যে
জীবো নিত্যো হেতুৰস্য ত্বনিত্যঃ ॥২॥ (মহাভাৰত)

এক এব সুহৃদ্ধৰ্ম্মো নিধনেঽপ্যনুযাতি যঃ।
শৰীৰেণ সমং নাশং সৰ্ব্বমন্যদ্ধি গচ্ছতি ॥৩॥ (মনুঃ)

সত্যমেব জয়তে নানৃতং সত্যেন পন্থা বিততো দেৱযানঃ।
যেনাক্ৰমন্ত্যৃষয়ো হ্যাপ্তকামা যত্ৰ তৎ সত্যস্য পৰমং নিধানম ॥৪॥

নহি সত্যাৎ পৰো ধৰ্ম্মো নানৃতাৎ পাতকং পৰম্।
নহি সত্যাৎ পৰং জ্ঞানং তস্মাৎ সত্যং সমাচৰেৎ ॥৫॥
(উপনিষদ)

এই মনস্বীসকলৰ অভিমত অনুসাৰেই সকলোৱেই সচেতন থকা কৰ্ত্তব্য।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যিবোৰ বিষয়ত মোৰ যেনেকুৱা বিশ্বাস, ইয়াত তাকেই সংক্ষেপে বৰ্ণনা কৰিব খুজিছো। এই গ্ৰন্থৰ বিভিন্ন প্ৰকৰণত এইবোৰ বিষয়ৰ বিস্তৃত আলোচনা কৰা হৈছে।

১। "ঈশ্বৰ" যাৰ ব্ৰহ্ম, পৰমাত্মা আদি নাম, যি সচ্চিদানন্দাদি লক্ষণযুক্ত, যাৰ গুণ, কৰ্ম্ম আৰু স্বভাৱ পৱিত্ৰ, যি সৰ্ব্বজ্ঞ, নিৰাকাৰ সৰ্ব্বব্যাপক, অজন্মা, অনন্ত, সৰ্ব্বশক্তিমান, দয়ালু ন্যায়কাৰী, সকলোৰে সৃষ্টিকৰ্ত্তা, ধাৰণ কৰোতা আৰু হৰণ কৰোতা, আৰু ন্যায়, সত্যৰ আধাৰত জীৱৰ কৰ্মফল দাতা আদি লক্ষণ যুক্ত তেওঁকেই পৰমেশ্বৰ বুলি স্বীকাৰ কৰোঁ।

২। চাৰি "বেদ"—(বিদ্যাধৰ্ম্মযুক্ত ঈশ্বৰপ্ৰণীত মন্ত্ৰ সংহিতা ভাগ)ক অভ্ৰান্ত আৰু স্বতঃ প্ৰমাণ বুলি মানো। বেদ স্বয়ং (নিজেই) প্ৰমাণ, ইয়াৰ প্ৰমাণ অন্য গ্ৰন্থৰ দ্বাৰা নহয়। যেনেকৈ সূৰ্য্য বা প্ৰদীপ নিজৰ স্বৰূপৰ স্বয়ং প্ৰকাশক আৰু পৃথিৱী আদিৰো প্ৰকাশক, সেই দৰেই চাৰিও বেদ স্বতঃপ্ৰমাণ। চাৰিও বেদৰ ব্ৰাহ্মণ, ছয় অঙ্গ, ছয় উপাঙ্গ, চাৰি উপবেদ, আৰু ১১২৭ (এঘাৰ শ সাতাইশ) টা বেদৰ শাখা আছে। এই গ্ৰন্থবোৰ বেদৰ ব্যাখ্যা স্বৰূপে ব্ৰহ্মাদি মহৰ্ষি সকলৰ দ্বাৰা ৰচিত। এই বিলাক পৰতঃ প্ৰমাণ; অৰ্থাৎ এইবোৰ বেদানুকূল হলে প্ৰমাণ আৰু তাৰ ভিতৰত বেদবিৰুদ্ধ ৰচনা থাকিলে সেইবোৰ অপ্ৰমাণ বুলি ধৰো।

৩। যি পক্ষপাতৰহিত ন্যায় আচৰণ, সত্যভাষণ আদিযুক্ত ঈশ্বৰৰ আজ্ঞা বেদৰ অনুকূল তাকেই "ধৰ্ম্ম" আৰু যি পক্ষপাত, অন্যায় আচৰণ মিথ্যা ভাষণাদি ঈশ্বৰৰ আজ্ঞা ভঙ্গ, বেদবিৰুদ্ধ তাকেই "অধৰ্ম্ম" বুলি মানো।

৪। যি ইচ্ছা, দ্বেষ, সুখ-দুখ আৰু জ্ঞান আদি গুণযুক্ত, অল্পজ্ঞ, নিত্য (অমৰ) তাকেই "জীৱ" বুলি মানো।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৫। জীৱ আৰু ঈশ্বৰ—জীৱ আৰু ঈশ্বৰৰ স্বৰূপ বৈধৰ্ম্ম্য অৰ্থাৎ ধৰ্ম্মৰ ভিন্নতা হোৱাত ভিন্ন; কিন্তু ব্যাপ্য ব্যাপকত্ব আৰু সাধৰ্ম্ম্যত অভিন্ন। অৰ্থাৎ যেনেকৈ মূৰ্ত্ত দ্ৰব্য আকাশৰ পৰা পৃথক নহয় আৰু কেতিয়াও হব নোৱাৰে সেই দৰেই ঈশ্বৰৰ লগত জীৱৰ ব্যাপক ব্যাপ্য; উপাস্য উপাসক আৰু পিতা-পুত্ৰৰ সম্বন্ধ ৰূপে মানো।

৬। অনাদি পদাৰ্থ তিনি বিধ—প্ৰথম ঈশ্বৰ, দ্বিতীয় জীৱ, আৰু তৃতীয় প্ৰকৃতি—এই তিনি পদাৰ্থক জগতৰ কাৰণ 'অনাদি' অৰ্থাৎ নিত্য বোলে। নিত্যপদাৰ্থৰ গুণ, কৰ্ম্ম, স্বভাৱো নিত্য।

৭। "প্ৰবাহ ৰূপত অনাদি"—সংযোগৰ পৰা যি দ্ৰব্য, গুণ, কৰ্ম্ম উৎপন্ন হয়, সেইবোৰ বিয়োগৰ পাছত নাথাকে। কিন্তু যাৰ দ্বাৰাই প্ৰথম সংযোগ হয়, তাত সেই সামৰ্থ্য অনাদি আৰু তাৰে পুনৰ সংযোগ তথা বিয়োগো হব। এই তিনিওকে প্ৰবাহ ৰূপত অনাদি বুলি মানো।

৮। সৃষ্টি—ভিন্ন দ্ৰব্যৰ জ্ঞান আৰু যুক্তিৰে মিল হৈ নানা ৰূপত উৎপন্ন হোৱাকেই সৃষ্টি বুলি মানো।

৯। "সৃষ্টিৰ প্ৰয়োজন"—সৃষ্টিৰ দ্বাৰাই ঈশ্বৰৰ সৃষ্টিৰ নিমিত্ত গুণ কৰ্ম্ম, স্বভাৱৰ সফলতা হয়। যেনেকৈ কোনোৱে নেত্ৰৰ প্ৰয়োজন কি বুলি প্ৰশ্ন কৰিলে তাৰ উত্তৰ হব 'দৰ্শন'। সেইদৰেই সৃষ্টিৰ পৰা পৰমেশ্বৰৰ সৃষ্টিশক্তিৰ সফলতা আৰু জীৱৰ সমুচিত কৰ্ম্মফল ভোগ আদিও।

১০। "সৃষ্টি সকৰ্ত্তৃক"—সৃষ্টিৰ কৰ্ত্তা পৰমেশ্বৰ। সৃষ্টি ৰচনা দেখি সৃষ্টি কৰ্ত্তাৰ অনুমান হয়। কাৰণ পদাৰ্থৰ ভিতৰত নিজে নিজে যথা যোগ্য মিল হৈ বীজ আদিৰ স্বৰূপ ধাৰণ কৰিবৰ সামৰ্থ্য নাই, গতিকে সৃষ্টিৰ কৰ্ত্তা এজনা নিশ্চয় আছে।

১১। "বন্ধ"—সনিমিত্তিক অৰ্থাৎ অবিদ্যাই বন্ধনৰ নিমিত্ত বা কাৰণ। ঈশ্বৰৰ পৰিবৰ্ত্তে আনৰ উপাসনা, পাপ কৰ্ম্ম আৰু অজ্ঞান আদিৰ ফল

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হৈছে দুখ, এই দুখৰ নাম বন্ধন; যাক ইচ্ছা নকৰিলেও ভোগ কৰিবলৈ বাধ্য।

১২। "মুক্তি"—সকলো দুখৰ বন্ধনৰ পৰা মুক্ত হৈ সৰ্ব্বব্যাপক ঈশ্বৰ আৰু তেওঁৰ সৃষ্টিৰ ভিতৰত ইচ্ছানুসাৰে বিচৰণ কৰাকেই মুক্তি বোলে। নিৰ্দ্দিষ্ট কাল পৰ্যান্ত মুক্তিৰ আনন্দত থাকি তাৰ পাছত জীৱই সংসাৰত পুনৰ জন্ম লব লাগে।

১৩। "মুক্তিৰ সাধন"—ঈশ্বৰৰ উপাসনা, অৰ্থাৎ যোগাভ্যাস, ধৰ্ম্মানুষ্ঠান, ব্ৰহ্মচৰ্য্যৰদ্বাৰা বিদ্যাধ্যয়ন, আপ্তবিদ্বানৰ সঙ্গ, সত্য বিদ্যা সুবিচাৰ, আৰু পুৰুষাৰ্থ আদি মুক্তিৰ সাধন।

১৪। "অৰ্থ"—ধৰ্ম্মকৰ্ম্মৰে যি লাভ হয় সেয়েই অৰ্থ আৰু যি, অধৰ্ম্মৰ দ্বাৰা সংগৃহীত হয় সেয়েই অনৰ্থ।

১৫। "কাম"—ধৰ্ম্ম আৰু অৰ্থৰ দ্বাৰাই যাৰ সিদ্ধি হয়, তাকেই কাম বোলে।

১৬। "বৰ্ণাশ্ৰম"—গুণ আৰু কৰ্ম্মৰ যোগ্যতা অনুসাৰেই বৰ্ণাশ্ৰম ব্যৱস্থা মই মানো।

১৭। "ৰজা"—যি শুভ গুণ, কৰ্ম্ম, স্বভাৱৰ দ্বাৰা প্ৰকাশমান, যি নিৰপেক্ষ হৈ ন্যায় ধৰ্ম্মানুসাৰে প্ৰজাৰ লগত পিতৃবৎ আচৰণ কৰে আৰু পুত্ৰৰ দৰে প্ৰজাৰ সুখশান্তি বৃদ্ধি কৰাত যত্নপৰ হয়, তেওঁকেই ৰজা বোলে।

১৮। "প্ৰজা"—যাৰ গুণ কৰ্ম্ম স্বভাৱ পৱিত্ৰ, যি পক্ষপাতশূন্য হৈ ন্যায়ধৰ্ম্মানুসাৰে ৰজা আৰু ৰাজ্যৰ সৰ্ব্বসাধাৰণৰ উন্নতি কামনা কৰে আৰু ৰজাৰ বিৰুদ্ধাচৰণ নকৰি পুত্ৰৰ দৰে আচৰণশীল হয় তাকেই প্ৰজা বোলে।

১৯। "ন্যায়কাৰী"—যি বিবেক বিবেচনাৰে অসত্যৰ পৰিত্যাগ আৰু সত্যৰ গ্ৰহণ কৰে, অন্যায়ৰ বিৰুদ্ধতা আৰু ন্যায়ৰ সমৰ্থন কৰে,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যি নিজৰ দৰেই সকলোৰে সুখ শান্তিৰ কামনা কৰে, তেওঁকেই ন্যায়কাৰী বুলি মানো।

২০। "দেৱ"—বিদ্বান সকলক "দেৱ", মুৰ্খবোৰক "অসুৰ", পাপীবোৰক "ৰাক্ষস" আৰু অনাচাৰী বোৰক "পিশাচ" বুলি ভাবো।

২১। "দেৱ পূজা"—পূৰ্ব্বোক্ত বিদ্বান, মাতা, পিতা, আচাৰ্য্য, অতিথি ন্যায়বান ৰজা, ধৰ্ম্মাত্মা, পতিব্ৰতা পত্নী আৰু পত্নীব্ৰত পতি এই সকলক সন্মান কৰাই দেৱ পূজা, তাৰ বিপৰীত আচৰণ অদেৱ পূজা। এওঁ বিলাকৰ মূৰ্ত্তি পূজ্য আৰু পাষাণাদিৰ জড় মূৰ্ত্তি অপূজা বুলি ভাবো।

২২। "শিক্ষা"–যাৰ দ্বাৰাই বিদ্যা, সভ্যতা, ধৰ্ম্মৰ প্ৰেৰণা আৰু ইন্দ্ৰিয় সংযম কৰিব পৰা শক্তি বৃদ্ধি হয়, আৰু অজ্ঞতাদি দোষবোৰ দূৰ হয়, তাকেই শিক্ষা বোলো।

২৩। "পুৰাণ"—ব্ৰহ্মা আদিৰ ৰচিত "ঐত্তৰেয়" আদি ব্ৰাহ্মণ গ্ৰন্থবোৰৰেই নাম পুৰাণ, ইতিহাস, কল্প; গাথা, আৰু নাৰাশংসী। ভাগৱৎ আদি গ্ৰন্থবোৰ পুৰাণ নহয়।

২৪। "তীৰ্থ"—সদাচাৰ, বিদ্যাচৰ্চ্চা, সৎসঙ্গ, যমাদি যোগাভ্যাস, পুৰুষাৰ্থ, বিদ্যাদান আদি যিবোৰ শুভ কৰ্ম্মৰ দ্বাৰা দুখ অশান্তিক অতিক্ৰম কৰিব পাৰি, তাকেই তীৰ্থ বোলে। ইয়াৰ বাহিৰে জল-স্থল আদি তীৰ্থ নহয়।

২৫। "প্ৰাৰব্ধ আৰু পুৰুষাৰ্থ"—প্ৰাৰব্ধতকৈ পুৰুষাৰ্থ প্ৰৱল; কাৰণ পুৰুষাৰ্থৰ সঞ্চিতৰ পৰাই প্ৰাৰব্ধ হয়, পুৰুষাৰ্থ সুপৰিচালিত হলেই সকলো সংশোধন আৰু কুপৰিচালিত হলেই সকলো বিকৃত হয়, গতিকে প্ৰাৰব্ধতকৈ পুৰুষাৰ্থ প্ৰৱল।

২৬। "মানৱৰ শ্ৰেষ্ঠত্তা"—সকলোৰে সুখ দুখ, লাভা-লাভ নিজৰ দৰে বিবেচনা কৰাই মানুহৰ শ্ৰেষ্ঠতা আৰু তাৰ বিপৰীত আচৰণ কৰাই হৈছে নিকৃষ্টতা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

২৭। "সংস্কাৰ"—যাৰ দ্বাৰাই, দেহ, মন আৰু আত্মাৰ সংশোধন হয়, নিষেক আদি শ্মশানান্ত অৰ্থাৎ নিষেকৰ পৰা শ্মশানলৈকে সংস্কাৰ ষোল প্ৰকাৰ। এইবোৰ কৰ্ত্তব্যৰ ভিতৰত পৰে। শ্মশানত মৃতকক দাহ কৰাৰ পাছত আৰু তেওঁৰ একো সংস্কাৰ নাথাকে।

২৮। "যজ্ঞ"—বিদ্বানসকলৰ যথাৰ্থ সৎকাৰ, শিল্প, ৰসায়ণ আৰু পদাৰ্থবিদ্যাৰ উপযোগ, বিদ্যাৰ প্ৰচাৰ, সৎগুণৰ উন্নতি, আৰু অগ্নিহোত্ৰক "যজ্ঞ" বোলে। অগ্নিহোত্ৰৰ দ্বাৰাই বায়ু, বৃষ্টি, জল, ঔষধি বিশুদ্ধ হয়, তাৰ ফলত প্ৰাণীজীৱনত সামূহিক সুখ অনুভৱ হয়। যজ্ঞ হৈছে সৰ্বোত্তম কৰ্ম্ম।

২৯। সৎ-প্ৰকৃতিৰ মানুহক "আৰ্য্য" আৰু অসৎ-প্ৰকৃতিৰ মানুহক "দস্যু" বা অনাৰ্য্য বোলে, সেয়েই মোৰো মত।

৩০। "আৰ্য্যাবৰ্ত্ত" সৃষ্টিৰ আৰম্ভৰ পৰাই এই দেশত আৰ্যসকলে বাস কৰি আহিছে. গতিকেই এই দেশৰ নাম আৰ্য্যাবৰ্ত্ত হয়। আৰ্য্যাবৰ্ত্তৰ উত্তৰে হিমাচল, দক্ষিণে বিন্ধ্যাচল, পশ্চিমে অটক নদী, আৰু পূবে ব্ৰহ্মপুত্ৰ নদী। এই চাৰিসীমাৰ মধ্যবৰ্ত্তী ভূখণ্ডৰ নাম আৰ্য্যাবৰ্ত্ত। যিসকলে চিৰদিন ইয়াত বসবাস কৰি আছে, তেওঁলোকক আৰ্য বোলে।

৩১। "আচাৰ্য্য"—যি সাঙ্গোপাঙ্গ বেদৰ অধ্যাপক, যি সত্যৰ গ্ৰহণ আৰু অসত্যৰ বৰ্জ্জন কৰায়, তেওঁকেই আচাৰ্য্য বোলে।

৩২। "শিষ্য" যি সৎ-শিক্ষা আৰু বিদ্যাগ্ৰহণ কৰাত উপযুক্ত, যি ধৰ্ম্মপৰায়ণ আৰু বিদ্যাকাঙ্ক্ষী আৰু আচাৰ্য্যৰ প্ৰতি প্ৰিয় আচৰণশীল তেওঁকেই শিষ্য বোলে।

৩৩। "গুৰু"—মাতা আৰু পিতা গুৰু, ইয়াৰ বাহিৰেও সৎ আৰু অসতৰ পথ প্ৰদৰ্শক জ্ঞানীকো গুৰু বোলে।

৩৪। "পুৰোহিত" যি যজমানৰ সৎ উপদেশক আৰু হিতকাৰী, তেওঁক পুৰোহিত বোলে।

৩৫। "উপাধ্যায়"—যি বেদৰ অংশ বিশেষ বা বেদৰ অঙ্গবোৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

শিক্ষাদান কৰে তেওঁক উপাধ্যায় বোলে।

৩৬। "শিষ্টাচাৰ"—ধৰ্ম্মানুসাৰে ব্ৰহ্মচৰ্য্যৰ দ্বাৰাই বিদ্যা লাভ কৰি প্ৰত্যক্ষ আদি প্ৰমাণেৰে সত্য অসত্যৰ নিৰ্ণয় কৰি যথাক্ৰমে গ্ৰহণ আৰু ত্যাগ কৰাকে শিষ্টাচাৰ বোলে। যি তেনে আচৰণশীল তেওঁকেই শিষ্ট বোলে।

৩৭। "প্ৰমাণ"—প্ৰত্যক্ষ আদি আঠ প্ৰকাৰৰ প্ৰমাণ মই মানো।

৩৮. "আপ্ত"—যি যথাৰ্থ বক্তা, ধৰ্ম্মাত্মা আৰু সকলোৰে সুখ-শান্তিত ব্ৰতী, তেওঁকেই আপ্ত বুলি মানো।

৩৯। 'পৰীক্ষা'—পাঁচ প্ৰকাৰ। প্ৰথম ঈশ্বৰ আৰু ঈশ্বৰৰ গুণ, কৰ্ম্ম, স্বভাব, আৰু বেদবিদ্যা; দ্বিতীয় প্ৰত্যক্ষাদি অষ্টবিধ প্ৰমাণ; তৃতীয় সৃষ্টিক্ৰম; চতুৰ্থ - আপ্তপুৰুষ সকলৰ আচৰণ; পঞ্চম নিজৰ আত্মাৰ পবিত্ৰতা আৰু বিদ্যা। এই পাঁচ প্ৰকাৰ পৰীক্ষাৰে সত্যাসত্যৰ নিৰ্ণয় আৰু আচৰণ অৰ্থাৎ সত্যৰ গ্ৰহণ আৰু অসত্যৰ বৰ্জ্জন কৰা কৰ্ত্তব্য।

৪০। পৰোপকাৰ - যাৰ দ্বাৰাই আনৰ দুৰাচাৰ আৰু দুখ দূৰ কৰা হয় আৰু শিষ্টাচাৰ তথা সুখৰ বৃদ্ধি কৰা হয় তাকেই পৰোপকাৰ বোলে।

৪১। 'স্বতন্ত্ৰ পৰতন্ত্ৰ''—নিজৰ কাম কাজত জীৱ স্বতন্ত্ৰ কিন্তু কৰ্ম্মৰ ফল ভোগত ঐশ্বৰিক বিধিত পৰতন্ত্ৰ। সেইদৰে সৎ আৰু মঙ্গল আচৰণত পৰমেশ্বৰ স্বতন্ত্ৰ।

৪২ "স্বৰ্গ'—সুখ বিশেষৰ ভোগ আৰু তাৰ সামগ্ৰী লাভৰ নাম স্বৰ্গ।

৪৩। "নৰক"—দুখৰ ভোগ আৰু তাৰ সামগ্ৰীৰ নাম নৰক।

৪৪। 'জন্ম"—দেহৰ ৰূপত ব্যক্ত হোৱাৰ নাম জন্ম; অতীত, বৰ্ত্তমান আৰু ভবিষ্যত ভেদে তিনি ই প্ৰকাৰৰ।

৪৫। 'মৃত্যু"—জীৱাত্মাৰ-দেহৰ লগত সংযোগৰ নাম জন্ম আৰু বিয়োগৰ নাম মৃত্যু।

৪৬। বিবাহ—স্ব ইচ্ছাৰে নৈতিক বিধিৰে প্ৰকাশ্য ভাবে পাণি গ্ৰহণৰ নাম বিবাহ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

৪৭। "নিয়োগ"—পতিৰ অকাল মৃত্যু ঘটিলে অথবা পতি নপুংসক হলে স্বৰ্ণ অথবা উচ্চবৰ্ণ পুৰুষৰ লগত আৰু সেই দৰেই স্ত্ৰীৰ আপৎ কালত সন্তান লাভ কৰাকে নিয়োগ বোলে।

৪৮। "স্তুতি"—গুণৰ জ্ঞান, গুণৰ কীৰ্ত্তন আৰু গুণৰ শ্ৰৱণৰ নাম স্তুতি। স্তুতিৰ ফল প্ৰীতি।

৪৯। "প্ৰাৰ্থনা"—নিজৰ সামৰ্থ্যৰ অতীত যি জ্ঞান বিজ্ঞান পৰমাত্মাৰ সংযোগত লাভ হব পাৰে, তাৰ বাবে ঈশ্বৰক যাচ্ঞা কৰাকে প্ৰাৰ্থনা বোলে। প্ৰাৰ্থনাৰ ফল নিৰহঙ্কাৰ।

৫০। "উপাসনা"—ঈশ্বৰৰ দৰেই নিজৰো গুণ কৰ্ম্ম স্বভাৱ পবিত্ৰ কৰা আৰু সৰ্ব্ব-ব্যাপক পৰমাত্মাত নিজৰ ব্যাপ্য স্থিতি বা যোগাভ্যাসৰে উপলব্ধি কৰাক উপাসনা বোলে। উপাসনাৰ ফল জ্ঞানৰ বৃদ্ধি।

৫১ "সগুণনিৰ্গুণস্তুতি প্ৰাৰ্থনা উপাসনা" যিবোৰ গুণ পৰমেশ্বৰৰ আছে তাৰে সগুণ, আৰু যিবোৰ গুণ তেওঁৰ নাই তাৰে তেওঁক নিৰ্গুণ ভাবি প্ৰশংসা কৰাকে "সগুণনিৰ্গুণ স্তুতি" বোলে। সৎগুণ গ্ৰহণৰ আৰু দুৰ্গুণ দূৰ কৰাৰ কামনাৰে ঐশ্বৰিক জ্ঞানৰ সহায় যাচ্ঞা কৰাকে "সগুণ নিগুণ প্ৰাৰ্থনা" বোলে। পৰমেশ্বৰ সৎগুণৰ সহিত আৰু দুগুৰ্ণৰ ৰহিত—এই উপলব্ধিৰে নিজৰ আত্মাক পৰমাত্মাত অৰ্পণ কৰাকে "সগুণ নিৰ্গুণ উপাসনা" বোলে।

সংক্ষেপত এয়েই মোৰ সিদ্ধান্ত। এইবোৰৰ বিস্তৃত ব্যাখ্যা এই গ্ৰন্থৰ প্ৰকৰণ অনুসাৰে আৰু "ঋক্‌বেদাদি ভাষ্যভূমিকা" আদি গ্ৰন্থতো লিখা হৈছে। যি সকলোৰে মাননীয়. তাকেই ময়ো মানো, বিভিন্ন মতৰ পৰস্পৰ বিৰুদ্ধ বিদ্বেষবোৰৰ ঘোৰ প্ৰতিবাদ কৰো। কাৰণ এনে বিৰুদ্ধ মতবোৰেই মানুহে-মানুহে শত্ৰুতাৰ সৃষ্টি কৰিছে।

সত্যৰ প্ৰচাৰ আৰু অসত্যৰ নিন্দা প্ৰতিবাদ কৰি সকলো মানুহৰ মাজত ঐক্য আৰু সম্প্ৰীতি স্থাপন কৰাই মোৰ একান্ত অভিপ্ৰায়। সৰ্ব্বশক্তিমান পৰমাত্মাৰ কৃপা, সহায় আৰু সজ্জন সকলৰ সহানুভূতিৰে মোৰ অভিপ্ৰায়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পৃথিবীৰ মানৱ সমাজত যেন প্ৰচাৰিত হয়, মানৱ সমাজত ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষৰ সিদ্ধি আৰু সুখ শান্তিৰ বিস্তাৰিত হক—এয়েই মোৰ জীৱনৰ উদ্দেশ্য ।

অলমতি বিস্তৰেণ বুদ্ধিমদ্বৰ্য্যেষু ॥

ওম্ শন্নো মিত্ৰঃ শং বৰুণঃ । শন্নো ভৱত্বৰ্য্যমা ॥ শন্ন ইন্দ্ৰো বৃহস্পতিঃ । শন্নো বিষ্ণুৰুৰুক্ৰমঃ । নমো ব্ৰহ্মণে । নমস্তে বায়ো । ত্বমেব প্ৰত্যক্ষং ব্ৰহ্মাসি । ত্বামেৱ প্ৰত্যক্ষং ব্ৰহ্মাবাদিষম্ । ঋতমবাদিষম্ । সত্যমবাদিষম্ । তন্মামাবীৎ । তদ্ বক্তাৰমাবীৎ আবীন্মাম্ আবীদ্বক্তাৰম্ । ওম্ শান্তিঃ শান্তিঃ শান্তিঃ ॥

সমাপ্তোঽয়মুত্তৰাৰ্দ্ধঃ

ইতি শ্ৰীমৎপৰমহংসপৰিব্ৰাজকাচাৰ্য্যানং পৰমবিদুষাং শ্ৰীবিৰজানন্দ সৰস্বতী স্বামিনাং শিষ্যেণ শ্ৰীমদ্দয়ানন্দসৰস্বতী স্বামিনা বিৰচিতঃ স্বমন্তব্যামন্তব্যসিদ্ধান্তসমন্বিতঃ সুপ্ৰমাণযুক্তঃ সুভাষাবিভূষিতঃ সত্যাৰ্থ প্ৰকাশোঽয়ংগ্ৰন্থঃ সম্পূৰ্তিমগমৎ ॥

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ওঁ

মহৰ্ষি দয়ানন্দদ্বাৰা স্থাপিত
আৰ্য্য-সমাজৰ নিয়মাৱলী

১। সকলোবিলাক সত্যবিদ্যা আৰু যি যি পদাৰ্থ সত্যবিদ্যাৰ দ্বাৰা জানিব পাৰি, সেই সকলোবিলাকৰেই আদি মূল হৈছে পৰমেশ্বৰ।

২। ঈশ্বৰ হৈছে সচ্চিদানন্দস্বৰূপ, নিৰাকাৰ, সৰ্বশক্তিমান্, ন্যায়কাৰী, দয়ালু, অজ, অনন্ত, নিৰ্বিকাৰ, অনাদি, অনুপম, সৰ্ব্বাধাৰ, সকলোৰে গৰাকী, সৰ্ব্বব্যাপক, সৰ্ব্বান্তৰ্যামী, অজৰ (যাৰ বৃদ্ধাৱস্থা নাই), অমৰ অভয়, নিত্য, পবিত্ৰ আৰু সৃষ্টিকৰ্ত্তা; গতিকে তেওঁৰেই উপাসনা কৰা সমুচিত।

৩। বেদ হৈছে সকলোবিলাক সত্যবিদ্যাৰ গ্ৰন্থ; গতিকে বেদ পঢ়া, পঢ়োৱা, শ্ৰৱণ কৰা আৰু কৰোৱা প্ৰতিজন আৰ্য্যৰেই পৰম ধৰ্ম্ম।

৪। সত্যৰ গ্ৰহণ কৰাত আৰু অসত্যৰ ত্যাগ কৰাত সদায় উদ্যত থকা উচিত।

৫। সকলো কাম ধৰ্ম্ম অনুসৰি অৰ্থাৎ সত্য আৰু অসত্যৰ বিবেচনা কৰি কৰিব লাগে।

৬। সংসাৰৰ উপকাৰ অৰ্থাৎ শাৰীৰিক, আত্মিক আৰু সামাজিক উন্নতি কৰাই হৈছে আৰ্য্য সমাজৰ মুখ্য উদ্দেশ্য।

৭। সকলোৰে সৈতে সম্প্ৰীতি ৰাখি আৰু যথাশক্তি ধৰ্ম্ম অনুসৰণ কৰি থাকিব লাগে।

৮। অবিদ্যাৰ নাশ আৰু বিদ্যাৰ বৃদ্ধিত সদায় লাগি থাকিব লাগে।

৯। নিজৰ উন্নতিতেই কোনেও সন্তুষ্ট থাকিব নালাগে, সকলোৰে উন্নতিতহে নিজৰ উন্নতি বুলি বিবেচনা কৰিব লাগে।

১০। সকলো মানুহে সামাজিক সৰ্ব্বজন-হিতকাৰী নিয়মবোৰ পালন কৰাত পৰাধীন থাকিব লাগে আৰু ব্যক্তি হিতকৰ নিয়ম পালনত স্বাধীন থাকিব লাগে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ঋষি দয়ানন্দৰ চৰণত শতকোটি প্ৰণাম

১। সেই গৰাকী মহান্ গুৰু দয়ানন্দৰ চৰণত মোৰ সশ্ৰদ্ধ প্ৰণাম জনালোঁ, যাৰ দৃষ্টিয়ে ভাৰতৰ আধ্যাত্মিক বুৰঞ্জীত সত্য আৰু একতা দেখা পাইছিল আৰু যাৰ মনে ভাৰতীয় জীৱনৰ সকলোবোৰ অঙ্গ প্ৰদীপ্ত কৰিছিল। যি গৰাকী গুৰুৰ উদ্দেশ্য আছিল ভাৰতবৰ্ষক অবিদ্যা এলাহ আৰু পুৰণি ঐতিহাসিক তত্ত্বসমূহৰ অজ্ঞতাৰ পৰা মুক্ত কৰি সত্য আৰু পবিত্ৰতাৰে জাগৰিত কৰা, সেই গৰাকীলৈ মোৰ পুনঃ পুনঃ প্ৰণাম জনাইছো। —ৰবীন্দ্ৰ নাথ ঠাকুৰ।

২। মহৰ্ষি দয়ানন্দ তপোমূৰ্ত্তি আছিল। তেওঁ ভাৰতৰ দিব্য-জ্যোতি প্ৰকাশিত কৰিছিল। তেৱেঁই হিন্দু সমাজক পুনৰ্জন্ম দিবলৈ সৰ্ব্বতো-প্ৰকাৰে প্ৰযত্ন কৰিছিল। আৰু ভাৰতক স্বতন্ত্ৰ আৰু দিব্যৰূপত দেখা পাবলৈ কামনা কৰিছিল। 'অৰ্ষ-কাল' বা ঋষিৰ যুগ ঘূৰাই আনি-বলৈ সততে যত্ন কৰি আছিল। তেখেতেই মৃতপ্ৰায় হিন্দুজাতিৰ মাজত নতুন প্ৰাণৰ সঞ্চাৰ কৰিছিল। —মদনমোহন মালবীয়।

৩। ঋষি দয়ানন্দ জাজ্বল্যমান নক্ষত্ৰ আছিল, যি ভাৰতৰ আকাশত নিজৰ অলৌকিক আভাৰে প্ৰদীপ্ত হৈ আছিল আৰু নিদ্ৰামগ্ন ভাৰতক, জাগ্ৰত কৰিছিল। তেওঁ স্বৰাজ্যৰ সৰ্ব্বপ্ৰথম সংবাদ বাহক আৰু মানৱ-তাৰ উপাসক আছিল। —লোকমান্য বাল গঙ্গাধৰ তিলক।

৪। আধুনিক ভাৰত নিৰ্মাতা মহাপুৰুষ সকলৰ ভিতৰৰেই এজন আছিল—মহৰ্ষি দয়ানন্দ সৰস্বতী। তেওঁক মই ধাৰ্মিক আৰু সামাজিক সংশোধন কৰ্ত্তা কৰ্মযোগী বুলি মানো। সংগঠন কাৰ্য্য-বোৰত থকা সামৰ্থ্য আৰু প্ৰসাৰৰ দৃষ্টিৰে চালে আৰ্য্য সমাজক এটা অনুপম সংস্থা বুলি মানিবই লাগিব। —নেতাজী সুভাষ চন্দ্ৰ বসু।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

72279

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

PAYMENT PROCESSED
vide Bill No. 1284 Dated 8-8-02
ANIS BOOK BINDER

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar